ছোটদের রবীন্দ্রনাথ





सत्यार्थ प्रकाश

সত্যার্থ প্রকাশ

অসমীয়া অনুবাদ

বেদাদিবিবিধসচ্ছাস্ত্রপ্রমাণসমন্বিতঃ
শ্রীমৎপৰমহংসপৰিব্রাজকাচার্য্য
শ্রীমদ্দয়ানন্দসৰস্বতীস্বামিবিৰচিতঃ

আর্য্য-সমাজৰ শতবর্ষ পূর্ত্তি উপলক্ষে

অসমীয়া ১ম সংস্কৰণ ১৯৭৫
২য় সংস্কৰণ ১৯৮৮
দয়ানন্দাব্দ—১৫১
সৃষ্টি তথা বেদাব্দ ১৯৭২৯৪৯০৭৬

অনুবাদক :
শ্রীপদ্মেশ্বৰ কাকতি

প্রকাশক :—

আর্য্য সমাজ, গুবাহাটী—৭

●

সম্পাদক :—

শ্রীঅমবেন্দ্র নাথ গোস্বামী শাস্ত্রী, এম, এ,

●

মূল্য : ৩৩·০০ টকা

কৃতজ্ঞতা স্বীকাৰ

ঋষি দয়ানন্দৰ এইসকল ভক্তই এই সংস্কৰণ প্ৰকাশ কৰাত আৰ্থিক সহযোগ আগবঢ়াইছে :

১) ডা° নাৰায়ণ দাস, গুৱাহাটী- ১
২) সাৰ্ব্বদেশিক আৰ্য্য প্ৰতিনিধি সভা, দিল্লী
৩) ওম প্ৰকাশ আনন্দ, গুৱাহাটী
৪) বাগাড়িয়া ট্ৰাষ্ট, গুৱাহাটী
৫) শ্ৰীলক্ষ্মীনাৰায়ণ দুৰ্গাদেৱী, গুৱাহাটী
৬) শ্ৰীমহীন্দ্ৰ কুমাৰ সিংহল, গুৱাহাটী

Chaman Offset Printers, 1626 Suiwalan, Darvaganj, New Delhi 110 002

প্ৰকাশকৰ দুআষাৰ

ওঁ

হে প্ৰাণ দাতা! দুঃখ বিনাশক! সুখস্বৰূপ পৰমাত্মন্! তুমি সকলো জগতৰ উৎপাদক, সৰ্ব্বশ্ৰেষ্ঠ পাপনাশক আৰু দিব্য গুণৰ ভাণ্ডাৰ। আমি তোমাকেই ধ্যান কৰো। তুমি আমাৰ বুদ্ধিক সৎপথলৈ প্ৰেৰিত কৰা।

আৰ্য্য জগতৰ মহৰ্ষি দয়ানন্দ সৰস্বতীৰ অমৰ গ্ৰন্থ সত্যাৰ্থ-প্ৰকাশ অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈ কেবাবছৰৰ পৰা প্ৰয়োজনীয়তা অনুভৱ কৰি অহা হৈছিল, কাৰণ প্ৰান্তীয় ভাষাৰ সাহিত্যৰ অভাৱ হেতুকে ভাৰত-মাতৃৰ উত্তৰ পূৱ ভাগত প্ৰচাৰ কাৰ্য্যৰ গতি মন্থৰ হৈ আছিল। আৰ্য্য জগতৰ প্ৰসিদ্ধ যোগী সন্ন্যাসী মহাত্মা আনন্দ স্বামী সৰস্বতীয়ে যেতিয়া ১৯৭২ চনত যোগ শিবিৰৰ বাবে ইয়ালৈ আহিছিল, তেতিয়া সেই পবিত্ৰ কাৰ্য্যৰ উদ্দেশ্যে, গুৱাহাটী আৰ্য্য সমাজৰ কাৰ্য্য পালিকাই বৈদিক প্ৰচাৰ সমিতিৰ অধ্যক্ষৰূপে মনোনীত কৰি এই কামৰ ভাৰ মোক সৰ্ব্বসম্মতিক্ৰমে সপি দিয়ে। সেই সময়ত পূজ্যপাদ মহাত্মা আনন্দ স্বামীৰ পৰা আশীৰ্ব্বাদ লৈ আমি প্ৰকাশনৰ শুভকাৰ্য্যৰ বাবে সঙ্কল্প লৈছিলো। পৰমপিতা পৰমাত্মালৈ প্ৰণতি জনাই ইয় পৰা হলো যে তেৱাৰ অপাৰ কৃপাতেই আজি এই মহান কাৰ্য্য সম্পূৰ্ণ কৰিব পৰা হ'ল।

এই মহান গ্ৰন্থৰ অনুবাদক শ্ৰীপদ্মেশ্বৰ কাকতি দেৱলৈ এই স্থানত মই কৃতজ্ঞতাপূৰ্ণ আন্তৰিক ধন্যবাদ জনালো। অনুপম

সত্যার্থ-প্রকাশ প্রকাশন সমিতিব আন সদস্যসকলব লগতে শ্রীতীর্থনাথ শর্ম্মা, ডাঃ হীবালাল তেরাবী, শ্রীনবনাবায়ণ গোস্বামী, আৰু শ্রীদেবেন্দ্র নাথ কলিতা আর্য্য দেবলৈও, তেখেতসকলে সময়ে সময়ে নিজব নিজব বিচাব বুদ্ধি প্রকট কবি আন আন প্রকাবে মোক অনুগৃহীত কবা বাবে বিশেষভাবে ধন্যবাদ জনালো। এই মহান্ গ্রন্থব দুৰূহ সম্পাদনা কার্য্যব দায়িত্ব লোৱা বাবে বেদজ্ঞ পণ্ডিত শ্রীঅমবেন্দ্র নাথ গোস্বামী শাস্ত্রী, এম. এ. দেবলৈও কৃতজ্ঞতা জনালোঁ।

কেবা বছব ধবি মনত বাজি থকা অভাব 'সত্যার্থ প্রকাশব' অসমীয়া অনুবাদ কবি অসমীয়া বাইজব হাতত অর্পণ কবিবলৈ পাই মই অপাব আনন্দ পাইছো আৰু লগতে মই আশা কবিছোঁ, এই অঞ্চলব বন্ধুবর্গই এই গ্রন্থখন পঢ়ি, বিচাব-বিবেচনা কবি বৈদিক ধর্ম্মব সাবমর্ম্ম বুজিব পাবিব আৰু নিঃশঙ্কচিত্তে ইয়াক গ্রহণ কবি উপকৃত হব।

সদৌ শেষত, অতি কম সময়ব ভিতবত গ্রন্থখন ছপা কবি উলিয়াব লগা হোৱা বাবে তিনিটা প্রেছব সহায় লব লগা হৈছিল। ইয়াব ফলত ভুল-ভ্রান্তি বৈ যোৱাটো স্বাভাবিক। এই বাবে বাইজব ওচবত আমি ক্ষমা ভিক্ষা কবিলোঁ। আৰু ভুল ত্রুটিবোব আঙুলিয়াই দি ভবিষ্যত সংস্কবণত শুধবাবলৈ যেন তেওঁবিলাকে সহায় কবে। ইতি—

বাইজব আশীষ প্রার্থী,

২ বা নভেম্বব, ১৯৭৫
গুৱাহাটী-১

ডা: নাবায়ণ দাস
সচিব, আর্য্য-সমাজ মন্দিব, গুৱাহাটী

সার্ব্বদেশিক আর্য্যপ্রতিনিধি সভাব পক্ষব পবা

আর্য্য সমাজব প্রতিষ্ঠাতা মহর্ষি দয়ানন্দ সবস্বতীব মহান্ গ্রন্থ সত্যার্থপ্রকাশব অসমীয়া সংস্কবণ প্রকাশ কবিব পবাটো এটা পবম আনন্দব কথা। এই গ্রন্থখন দেশীয়, আঞ্চলিক তথা বিদেশী ভাষাত অনুবাদ কবি প্রকাশ কবাব যি কার্য্য চলি আহিছে, তাত ইও যুক্ত হ'ল। ঈশ্ববলৈ ধন্যবাদ, এইদবে অবশেষত আমাব সপোন দিঠকত পবিণত হ'ল। আর্য্যসমাজে যি উদ্দেশ্য আগত বাখি কামত লাগি আছে, সেই বৈদিক নীতিসমূহ প্রচাব আৰু প্রিয় কবাত এই কার্য্য নিশ্চিতভাবে ববঙণি যোগাব।

এনে শ্রমসাধ্য কার্য্যব কাবণে প্রথমতে ডাক্তব নাবায়ণ দাসলৈ মোব আন্তবিকতাপূর্ণ ধন্যবাদ জনালোঁ। আর্য্যসমাজব নীতি-বোধব যি অকণমান বহুল প্রচাবব প্রয়োজন হৈছে, ভাবতবর্ষব সেই সুদূব পূর্ব্ব প্রান্তত তেখেত সমাজব অন্যতম স্তম্ভ স্বৰূপ হৈ আছে। তেখেতব প্রেবণাতেই এই গ্রন্থব অনুবাদ কার্য্য হাতত লোৱা হৈছিল আৰু তেখেতব বিশেষ আর্থিক সহায়তেই এই অনুদিত গ্রন্থখনে প্রকাশব মুখ দেখিলে। আর্য্যসমাজ শতাব্দী সমাবোহ উপলক্ষে আগবঢ়োৱা ই এটা মহান্ অবদান।

এই গ্রন্থব অনুবাদক শ্রীপদ্মেশ্বব কাকতি দেবলৈ, ছপাশাল কর্তৃপক্ষলৈ আৰু যিসকলে এই মহৎকার্য্য সম্পন্ন কবাত ডাক্তব নাবায়ণ দাসলৈ নানা প্রকাবে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোব শলাগ জনালোঁ। এই প্রসঙ্গত শ্রীবেদেন্দ্র নাথ কলিতা আর্য্যব নাম উল্লেখযোগ্য।

মোব আশা আৰু বিশ্বাস, এই অনুদিত গ্রন্থখনে জনপ্রিয় হৈ প্রকাশক আৰু সভাক উৎসাহিত কবিব।

সা: ওম প্রকাশ ত্যাগী এম. পি
সচিব, সার্ব্বদেশিক আর্য্য প্রতিনিধি সভা
নতুন দিল্লী

এইবোৰ প্ৰভাৱশালী ধাৰ্মিক সাহিত্য আমাৰ ওচৰত পাৰ

১। সংস্কাৰ বিধি (অসমীয়া বঙলা, হিন্দি, ইংৰাজী)
২। ক্ৰিয়াযোগ (ইংৰাজী, হিন্দি)
(যোগৰ গুহ্য ৰহস্য)
৩। বৈদিক সন্ধ্যা— (অসমীয়া)
৪। গায়ত্ৰী মহামন্ত্ৰ — (,,)
৫। আৰ্য্যসকলৰ আদি দেশ (..)
৬। চাৰিও বেদৰ হিন্দি ভাষ্য—
৭। ঋগ্‌বেদ (ইংৰাজী ভাষ্য)
৮। সামবেদ— (..)
৯। অথৰ্ববেদ (..)
১০। ৰামায়ণ আৰু মহাভাৰত (হিন্দি)
১১। সৎ দৰ্শন শাস্ত্ৰ — (..)
১২। উপনিষদ (..)

আৰ্য্য সমাজ মন্দিৰ

বি বৰুৱা ৰোড
(নেহৰু ষ্টেডিয়ামৰ সন্মুখত)
গুৱাহাটী

অনুবাদকৰ নিবেদন

ইং ১৯৩২ চনৰ কথা। মই তেতিয়া আৰ্য্য সমাজৰ প্ৰতিষ্ঠিত লাহোৰৰ এখন মহাবিদ্যালয়ৰ ছাত্ৰ এইবিদ্যালয়ত পঢ়া কালতেই স্বামী দয়ানন্দ সৰস্বতীৰ মহাগ্ৰন্থ সত্যাৰ্থ-প্ৰকাশৰ অধ্যয়নৰ সুযোগ পাইছিলো। শাস্ত্ৰজ্ঞ অধ্যাপকসকলৰ লগত হোৱা আলোচনাই এই গ্ৰন্থৰ বিষয়বস্তু আৰু উদ্দেশ্য উপলব্ধি কৰাত মোক সহায় কৰিছিল। গ্ৰন্থকাৰ স্বামী দয়ানন্দ সৰস্বতীৰ মাতৃ ভাষা গুজৰাটী, হিন্দী ভাষাৰ মাধ্যমেৰে অধিক প্ৰচাৰৰ সুবিধা হব বুলি ভাবিয়েই তেখেতে এই মহাগ্ৰন্থখন হিন্দীত লিখিছিল।

গ্ৰন্থৰ বিষয় আৰু শব্দাৰ্থৰ কোনো পৰিবৰ্ত্তন নকৰাকৈ অসমীয়া অনুবাদ সৰল আৰু সুবিধা কৰাৰ মানসেৰে স্থান বিশেষে অনুবাদ সংক্ষেপ বা বিস্তৃত কৰিব লগা হৈছে ইংৰাজী আৰু বঙ্গভাষাৰ অনুবাদকেও এনে নীতিকেই গ্ৰহণ কৰিছে।

ইতিমধ্যে ভাৰতৰ বিভিন্ন ভাষাত সত্যাৰ্থ প্ৰকাশৰ অনেক সংস্কৰণ হৈ গৈছে। বঙ্গভাষাত পঞ্চম সংস্কৰণলৈকে পোৱা গৈছে। অসমীয়াত এয়েই প্ৰথম প্ৰচেষ্টা। এই ইংৰাজী ১৯৭৫ চনত আৰ্য্যসমাজ প্ৰতিষ্ঠাৰ শতবৰ্ষ পূৰ্ণ হৈছে। এই শত-বাৰ্ষিকী পালনৰ উপলক্ষে গুৱাহাটী আৰ্য্যসমাজে সত্যাৰ্থ-প্ৰকাশ গ্ৰন্থখন অসমীয়াত প্ৰকাশ কৰিবলৈ স্থিৰ কৰে। অনুবাদৰ কষ্টসাধ্য ভাৰখন পৰিল এই অভাজনৰ ওপৰত। এজন মহা মনীষীৰ এনে এখন গভীৰ তত্ত্বপূৰ্ণ গ্ৰন্থৰ অনুবাদৰ যোগ্যতা মোৰ নাই। তথাপি আৰ্য্যসমাজৰ আদেশ অবজ্ঞা কৰিব নোৱাৰি এই গুৰু দায়িত্ব বহন কৰিব লগা হ'ল। মোৰ অনুবাদত ভুল-ত্ৰুটি হোৱাটোৱেই স্বাভাৱিক। গতিকে তেনে কিবা চকুত পৰিলে সহৃদয় পঢ়ুৱৈ সমাজে যেন আঙুলিয়াই দিয়ে।

শ্রদ্ধেয় শ্রীযুত তীর্থ নাথ শর্ম্মাদেৱে অনুবাদৱ ৰীতি বিষয়ত পৰামর্শ দি অনুপ্রাণিত কৰিছে।

গুৱাহাটী আর্য্য সমাজৰ সদস্য, বর্ত্তমান শত-বার্ষিকী সমিতিৰ সম্পাদক ডাঃ নাৰায়ণ দাসৰ অদম্য আগ্রহ আৰু উদগনিতেই এই গ্রন্থই অসমীয়া সমাজত আত্ম প্রকাশ কৰিলে। এই দুয়ো গৰাকী সতীর্থৰ সহায়-সহযোগৰ কাৰণে মই কৃতজ্ঞ।

এই গ্রন্থই পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ পালে মোৰ পৰিশ্রম সার্থক হোৱা বুলি ভাবিম। ইতি—

শ্রীপদ্মেশ্বৰ কাকাত

উত্তৰ শৰণীয়া
গুৱাহাটী-১
অক্টোবৰ—১৯৭৫

ওঁ সচ্চিদানন্দেশ্বৰায় নমো নমঃ

ভূমিকা

যি সময়ত মই এই "সত্যার্থ-প্রকাশ" গ্রন্থ হিন্দীত ৰচনা কৰিছিলো, সেই সময়লৈকে সংস্কৃততেই অধ্যয়ন, অধ্যাপনা আৰু সংস্কৃততেই বক্তৃতাও দিছিলো। মোৰ মাতৃভাষা আছিল গুজৰাটী। মোৰ হিন্দী ভাষাৰ পৰিপূর্ণ জ্ঞান নাছিল। এইবোৰ কাৰণতেই ভাষা শুদ্ধ হোৱা নাছিল। বর্ত্তমান হিন্দী ভাষা কোৱাৰ আৰু লিখাৰ অভ্যাস হৈছে। গতিকে এই গ্রন্থৰ ভাষা সংশোধন কৰি দ্বিতীয়বাৰ মুদ্রিত কৰা হ'ল। কোনো কোনো স্থানত শব্দ, বাক্য আৰু ৰচনাৰ পার্থক্য হৈছে। তেনেভাৱে পৰিবর্ত্তন নকৰা হলে ভাষাৰ প্রণালী সংশোধন কৰা দুষ্কৰ হ'লহেতেন। কিন্তু অর্থৰ কোনো পৰিবর্ত্তন কৰা নাই; ৰৰঞ্চ বিশেষ ৰূপেই লিখা হৈছে। প্রথম মুদ্রণত যিবোৰ ভুল হৈছিল সেইবোৰো সংশোধন কৰা হৈছে।

এই গ্রন্থ চতুর্দশ সমুল্লাস অর্থাৎ ১৪ (চৈধ্য) বিভাগত ৰচনা কৰা হৈছে। ইয়াৰ ভিতৰত প্রথম দহ সমুল্লাসত পূর্ব্বার্দ্ধ আৰু বাকী চাৰি সমুল্লাসত উত্তৰার্দ্ধ কৰা হৈছে। কিন্তু উত্তৰার্দ্ধৰ ত্রয়োদশ আৰু চতুর্দ্দশ আৰু সর্ব্বশেষৰ স্বসিদ্ধান্ত বিশেষ কাৰণত প্রথম বাৰতেই মুদ্রিত হোৱা নাছিল। এইবাৰ এই সকলো-বোৰ একেলগে ছপোৱা হৈছে।

(১) প্রথম সমুল্লাসত ঈশ্বৰৰ ওঙ্কাৰাদি নামৰ ব্যাখ্যা।

(২) দ্বিতীয় সমুল্লাসত সন্তানৰ শিক্ষা।

(৩) তৃতীয় সমুল্লাসত ব্রহ্মচর্য্য, অধ্যয়ন-অধ্যাপনাৰ ব্যৱস্থা,

 সত্য আৰু অসত্য গ্রন্থবোৰৰ নাম আৰু পঢ়া থাকৰ পঢ়োৱাৰ ৰীতি।

(৪) চতুর্থ সমুল্লাসত বিবাহ আৰু গৃহাশ্রমৰ বিধান।
(৫) পঞ্চম সমুল্লাসত বানপ্রস্থ আৰু সন্ন্যাস আশ্রমৰ বিধি।
(৬) ষষ্ঠ সমুল্লাসত ৰাজধর্ম্ম। (ৰাজনীতি)
(৭) সপ্তম সমুল্লাসত বেদ আৰু ঈশ্বৰ।
৮) অষ্টম সমুল্লাসত জগতৰ-উৎপত্তি, স্থিতি আৰু প্রলয়
(৯) নৱম সমুল্লাসত বিদ্যা, অবিদ্যা, বন্ধন আৰু মোক্ষৰ ব্যাখ্যা।
(১০) দশম সমুল্লাসত আচাৰ, অনাচাৰ আৰু ভক্ষ্য অভক্ষ্য বিষয়।
(১১) একাদশ সমুল্লাসত আর্য্যাবর্ত্তীয় মতমতান্তৰৰ খণ্ডন মণ্ডন।
(১২) দ্বাদশ সমুল্লাসত চর্ব্বাক, বৌদ্ধ আৰু জৈন মতৰ বিষয়।
(১৩) ত্রয়োদশ সমুল্লাসত খৃষ্টীয়ান মতৰ বিষয়।
(১৪) চতুর্দ্দশ সমুল্লাসত মুছলমান মতৰ বিষয়। আৰু এই চতুর্দ্দশ সমুল্লাসৰ শেষতেই আর্য্যসকলৰ সনাতন বেদবিহিত মতৰ বিশেষ ব্যাখ্যা লিখা হৈছে; যিবোৰ মতকেই ময়ো যথার্থ-ভাৱে স্বীকাৰ কৰো।

মোৰ এই গ্রন্থ ৰচনাৰ প্রধান উদ্দেশ্য হৈছে — সত্য অর্থৰ প্রকাশ কৰা অর্থাৎ যি সত্য তাক সত্য আৰু যি মিছা তাক মিছা বুলি প্রতিপাদন কৰাকেই মই সত্যার্থৰ প্রকাশ বুলি বুজিছো। সত্যৰ ঠাইত অসত্য আৰু অসত্যৰ ঠাইত সত্য বুলি প্রকাশ কৰাক সত্য বোলা নাযায়। যি বস্তুৰ যি ৰূপ তাক সেই ৰূপেই কোৱা, লিখা আৰু মনাকেই সত্য বোলে। যি পক্ষপাতী, তেওঁ নিজৰ অসত্যকো সত্য আৰু তেওঁৰ বিপৰীত অন্য মতাৱলম্বীৰ সত্যকো অসত্য বুলি প্রচাৰ কৰিবলৈ প্রবৃত্ত হয়। গতিকে তেওঁৰ সত্য মতৰ উপলব্ধি হব নোৱাৰে। লিখনি অথবা উপদেশেৰে সকলোৰে সম্মুখত সত্য আৰু অসত্য স্বৰূপ প্রকাশ কৰাই বিদ্বান আৰু আপ্ত পুৰুষৰ পৰম কর্ত্তব্য। তেনে হলেহে সকলোৱে নিজে নিজৰ হিতাহিত বুজি সত্য অর্থৰ গ্রহণ আৰু মিথ্যা অর্থৰ পৰিত্যাগ কৰি চিৰদিন আনন্দত কাল

যাপন কৰিব পাৰিব। মানুহৰ আত্মাই কোনো সত্য আৰু কোনটো অসত্য তাক বুজিব পাৰে, তথাপি নিজৰ প্রয়োজন-সিদ্ধি, জেদ, দুৰাকাঙ্খা আৰু অবিদ্যাদি দোষত সত্যক এৰি অসত্যত প্রবৃত্ত হয়। এই গ্রন্থত তেনে কোনো আপত্তিকৰ কথাও লিখা নাই যি আনৰ মনত আঘাত দিব বা হানি কৰিব পাৰে আৰু মোৰ তেনে অভিপ্রায়ো নহয়। কিন্তু যাৰ দ্বাৰাই মানৱ জাতিৰ উন্নতি আৰু উপকাৰ সাধন হয়, সত্য আৰু অসত্যক মানুহে বুজি সত্যৰ গ্রহণ আৰু অসত্যৰ পৰিত্যাগ কৰিব পাৰে, তাকেই লিখাহে মোৰ উদ্দেশ্য। কাৰণ সত্য উপদেশৰ বাহিৰে আন একোৱেই মানৱ জাতিৰ উন্নতিৰ কাৰণ হব নোৱাৰে।

এই গ্রন্থত ভুলতে নাইবা শুদ্ধ কৰোঁতে বা ছপা কৰোঁতে যদি কিবা ভুল-ভ্রান্তি ৰৈ গৈছে তাক জানিব পাৰিলে বা জনালে যিটো কৰিলে সত্য প্রতিষ্ঠিত হব তাকেই কৰা হব। কিন্তু যদি কোনোৱে তাৰ বাহিৰে, পক্ষপাত বশতঃ শঙ্কা বা খণ্ডন-মণ্ডন কৰে তেনেহলে তাত মনোযোগ দিয়া নহব। অৱশ্যে কোনোৱে মানৱ মাত্রৰেই হিতৈষী ৰূপে কিবা জনায় আৰু যদি সেয়েই সত্য বুলি বুজা যায়, তেওঁৰ মত গ্রহণ কৰা হব।

আজিকালি প্রত্যেক মততেই বহুতো বিদ্বান হৈছে, যদি সেইসকলে পক্ষপাতৰহিত হৈ এক সর্ব্ব-তন্ত্র সিদ্ধান্ত অর্থাৎ যিবোৰ বিষয় সকলোৰে অনুকূল আৰু সকলোৱে মতে সত্য, সেইবোৰ গ্রহণ কৰি বাকী পৰস্পৰৰ বিৰুদ্ধ বিষয়বোৰ বর্জ্জন কৰি প্রেম-প্রীতিৰে আচৰণ কৰে আৰু কৰায়, তেনেহলে জগতৰ হিত সাধন হব পাৰে। কাৰণ বিদ্বানসকলৰ ভিতৰত বিৰোধ হলে অবিদ্বান সকলৰ ভিতৰত বিৰোধ বৃদ্ধি হয়। তাৰ ফলত নানা প্রকাৰে দুখৰ বৃদ্ধি আৰু সুখ শান্তিৰ অনুসান ঘটে। এনেকুৱা অশান্তিকেই, যি স্বার্থপৰ মানুহৰ

অভিপ্রেত, সকলো মানুহক দুখ-দুর্গতিত ডুবাই থৈছে। ইয়াৰ ভিতৰত যি কোনোৱে সার্ব্বজনিক হিতৰ লক্ষ্যত প্রবৃত্ত হয়, তেওঁলোকৰ বিৰোধাচৰণ কৰাত স্বার্থান্ধীসকল তৎপৰ হৈ নানা প্রকাৰে বিঘিনি সৃষ্টি কৰে। কিন্তু **সত্যমেৱ জয়তে, নানৃতং; সত্যেন পন্থা বিততো দেৱযানঃ** অর্থাৎ সত্যৰেই সদায় জয় আৰু অসত্যৰ পৰাজয় আৰু সত্যৰ দ্বাৰাইহে বিদ্বানসকলৰ পথ বিস্তৃত হয়। এই দৃঢ় নিশ্চয়ৰ অৱলম্বনেৰে আপ্ত পুৰুষসকল পৰোপকাৰত উদাসীন হৈ সত্যার্থ প্রকাশ কৰাত কেতিয়াও পশ্চাৎপদ নহয়। এই কথাও সুনিশ্চিত যে, "**যত্তদগ্রে বিষমিবপরি-ণামেঽমৃতোপমম্।**" এই গীতাৰ বাণীৰ অভিপ্রায় এয়ে যে, বিদ্যা আৰু ধর্ম্মৰ কার্য্যবোৰ প্রথমতে বিষৰ দৰে; কিন্তু পাছত অমৃতৰ দৰে হয়। মই এই বাণীবোৰ অন্তৰত লৈ এই গ্রন্থ ৰচনা কৰিছো। শ্রোতা বা পাঠকসকলে প্রথমতে প্রীতিৰে এই গ্রন্থ নিৰীক্ষণ কৰি, গ্রন্থৰ তাৎপর্য্য যথার্থভাৱে অৱগত হৈ যেনে ইচ্ছা হয় তাকেই কৰিব।

এই গ্রন্থৰ অভিপ্রায় এয়ে যে সকলো মতৰে যিবোৰ সত্য কথা, সকলো মতৰ অবিরুদ্ধ হোৱাত সেইবোৰ স্বীকাৰ কৰি যিবোৰ মত মতান্তৰত মিছা কথা দেখা গৈছে সেইবোৰ খণ্ডন কৰা হৈছে। আৰু বিভিন্ন মতৰ গুপ্ত বা প্রকাশ্য গতি: বাক্যবোৰ প্রকাশ কৰি বিদ্বান আৰু অবিদ্বান জনসাধাৰণৰ আগত উপস্থিত কৰাও অভিপ্রায়। ইয়াৰ পৰা পৰস্পৰে পৰস্পৰৰ মত আলোচনা কৰি সকলোৱে প্রীতিৰে এক সত্য মতত উপনীত হব পা�ৰিব।

মোৰ যদিও আর্য্যাবর্ত্তদেশত জন্ম আৰু এই দেশৰেই মই অধিবাসী, তথাপি এই দেশৰ বিভিন্ন মতবাদৰ অসত্য কথাৰ পক্ষপাত নকৰি যথার্থৰূপে প্রকাশ কৰিছো, ভিন্ন দেশীয় ভিন্ন ভিন্ন মতবাদবো তেনেদৰেই প্রদর্শন কৰিছো। মানৱ জাতিৰ উন্নতিৰ কাৰণে স্বদেশবাসীৰ লগত যেনে আচৰণ কৰো, বিদেশী

লগতো তেনে আচৰণকে কৰো। আৰু আন সকলো সজ্জনেও এইদৰেই কৰা উচিত বুলি ভাবো। ময়ো যদি কোনো মত বিশেষৰ প্রতি পক্ষপাতী হলোহেতেন আধুনিক মতবাদীসকলে যেনেকৈ নিজৰ মতৰ প্রশংসা, মণ্ডন আৰু প্রচাৰ কৰে আৰু আন মতৰ নিন্দা, বিৰোধ আৰু প্রতিবোধ কৰাত তৎপৰ হয়, সেইদৰেই ময়ো হলোহেতেন। কিন্তু এনে আচৰণ মনুষ্যত্ব বিরুদ্ধ কাৰণ যেনেকৈ বলৱান পশুৱে দুর্ব্বল প্রাণীক আক্রমণ-উৎপীড়ন কৰে আৰু মাৰিও পেলায়, নৰদেহত জন্ম লৈ সেইৰূপ কার্য্য কৰিলে তেওঁলোক মানৱ স্বভাৱ বিশিষ্ট নহয়, পশুৱেহে তুল্য। যি সকলে বিদ্যা শক্তি সম্পন্ন হৈ আনকো ৰক্ষা কৰে সেই সকলকহে মানুহ বোলে। যি সকলে স্বার্থৰ বশৱর্ত্তী হৈ কেৱল পৰৰ অনিষ্ট সাধন কৰাত যত্নপৰ, তেওঁলোক পশুৰে জ্যেষ্ঠ ভ্রাতা ৰূপে গণ্য হয়।

প্রথমৰ পৰা একাদশ সমুল্লাস পর্য্যন্ত, (একাদশ সমুল্লাসত বিশেষকৈ) আর্য্যাবর্ত্তীয় বিভিন্ন মতৰ বিষয়ে লিখিত হৈছে; এই সমুল্লাসবোৰৰ ভিতৰত যি সত্য মতৰ প্রকাশ কৰা হৈছে সেয়েই বৈদিক মত; গতিকে ময়ো সেই মতৰেই অনুযায়ী আৰু তাৰ ভিতৰত নবীন পুৰাণ আৰু তন্ত্রাদি গ্রন্থৰ যিবোৰ বাক্যৰ খণ্ডন কৰা হৈছে সেইবোৰ পৰিত্যজ্য।

দ্বাদশ সমুল্লাসত চার্ব্বাক মত প্রদর্শন কৰা হৈছে। চার্ব্বাক মত এতিয়া যদিও ক্ষীণপ্রভ আৰু লুপ্ত প্রায় হলেও অনীশ্বৰবাদ আদি বিষয়ৰ লগত চার্ব্বাক, বৌদ্ধ আৰু জৈন মতৰ মিল আছে। এই চার্ব্বাক একেবাৰে প্রবল নাস্তিক, এই মতৰ প্রতিবোধ কৰাই কর্ত্তব্য। কাৰণ, অসত্যৰ প্রতিবোধ নহলে জগতত অমঙ্গল ট। চার্ব্বাকৰ যি মত, বৌদ্ধ আৰু জৈনবো সেয়েই ; এই বিষয়ত দ্বাদশ সমুল্লাসত সংক্ষেপে লিখা হৈছে। আৰু, বৌদ্ধ আৰু জৈন মতৰ ভেদ অভেদো লিখা হৈছে।

এই তিনিও মতৰ মিল অনেক, ভেদ সামান্য যিবোৰ পাৰ্থক্য দ্বাদশ সমুল্লাসত উল্লেখ কৰা হৈছে সেইবোৰ সেই স্থলত অধ্যয়ন কৰি বুজিব পাৰিব।

ইয়াৰ ভিতৰত বৌদ্ধসকলৰ দীপবংশাদি প্রাচীন গ্রন্থবোৰৰ পৰা বৌদ্ধ মত সংগ্রহ "সর্ব্বদর্শন সংগ্রহ"ত প্রদর্শন কৰা হৈছে। সেইবোৰৰ পৰাই ইয়াত লিখা হৈছে। জৈন সিদ্ধান্তৰ নিম্নলিখিত গ্রন্থ আছে; এই বোৰৰ ভিতৰত :— ৪ মূল সূত্র :—

(১) আৱশ্যক সূত্র, (২) বিশেষ আৱশ্যক সূত্র, (৩) দশবৈকালিক সূত্র, আৰু (৪) পাক্ষিক সূত্র।

একাদশ অঙ্গ :—

(১) আচাৰাঙ্গ সূত্র, (২) সুগৰাঙ্গ সূত্র, (৩) থানাঙ্গ সূত্র, (৪) সমৰায়াঙ্গ সূত্র, (৫) ভগৱতী সূত্র, (৬) জ্ঞাতা ধৰ্ম্ম কথা সূত্র, (৭) উপাসক-দশা সূত্র, ৮) অন্তগড়দশা সূত্র, (৯) অনুত্তৰোৱবাই সূত্র, (১০) বিপাক সূত্র আৰু (১১) প্রশ্ন ব্যাকৰণ সূত্র।

দ্বাদশ উপাঙ্গ :—

(১) উপবাঈ সূত্র, (২) ৰায়পসেনী সূত্র, (৩) জীৱাভিগম সূত্র, (৪) পন্নবণা সূত্র (৫) জম্বুদ্বীপন্নতী সূত্র, (৬) চন্দ পন্নতী সূত্র, (৭) সুৰোপন্নতী সূত্র, (৮) নিৰিয়াৱলী সূত্র, (৯) কপ্পিয়া সূত্র, (১০) কপৰড়ীসয়া সূত্র, (১১) পুপ্পিয়া সূত্র, (১২) পুপ্যচূলিয়া সূত্র।

পঞ্চ কল্প সূত্র :—

(১) উত্তৰাধ্যয়ন সূত্র, (২) নিশীথ সূত্র, (৩) কল্প সূত্র, (৪) ব্যৱহাৰ সূত্র, আৰু (৫) জীত কল্প সূত্র।

ষট্ছেদ :—

(১) মহানিশীথ বৃহদ্বাচনা সূত্র, (২) মহানিশীথ লঘুবাচনা সূত্র, (৩) মধ্যম বাচনা সূত্র, (৪) পিণ্ড নিৰুক্তি সূত্র, (৫) ওঘ নিৰুক্তি সূত্র আৰু (৬) পর্য্যুষণা সূত্র।

দশ পয়ন্না সূত্র :—

১) চতুস্সৰণ সূত্র, (২) পচ্চখাণ সূত্র, (৩) তদঙ্গবৈথা লিক-সূত্র, (৪) ভক্তিপৰিজ্ঞান সূত্র, (৫) মহাপ্রত্যাখ্যান সূত্র, (৬)-চন্দাবিজয় সূত্র, (৭) গণীবিজয় সূত্র, (৮) মৰণসমাধি সূত্র, ৯) দেবেন্দ্রস্তমন সূত্র, (১০) সংসাৰ সূত্র, ইয়াৰ বাহিৰেও নন্দী সূত্র আৰু যোগোদ্ধাৰ সূত্রও প্রমাণিক বুলি মানে।

পঞ্চাঙ্গ:—

১) পর্ব্বোক্ত সমস্ত গ্রন্থৰ টীকা, (২) নিৰুক্তি, (৩) চৰণী আৰু ৪) ভাষ্য এই চাৰি অৱয়ৱ আৰু সমস্ত একভাগক পঞ্চাঙ্গ বোলে।

ঢুণ্ডিয়াসকলে এইবোৰ গ্রন্থৰ ভিতৰত অবয়ৱবোৰক নেমানে। এইবোৰৰ বাহিৰে আৰু অনেক গ্রন্থ আছে, যিবোৰ জৈন সকলে মানে। এওঁলোকৰ মতৰ বিষয়ে বিশেষ আলোচনা দ্বাদশ সমুল্লাসত দ্রষ্টব্য।

জৈন গ্রন্থবোৰৰ ভিতৰত লক্ষ লক্ষ পুনৰুক্তি পোৱা যায়। জৈন সকলৰ কোনো কোনোৱে জৈন গ্রন্থ অন্য-মতালম্বীৰ হাতত থাকিলে বা অন্যমতাবলম্বীৰ দ্বাৰাই মুদ্রিত হলে অপ্রমাণ গ্রন্থ বুলি কয়। তেওঁলোকৰ এই ধাৰণা ভুল। কাৰণ যি গ্রন্থ কোনো জৈনে মানে বা কোনো জৈনে নেমানে সেই বুলি সেই গ্রন্থ জৈন মতৰ বাহিৰ হব নোৱাৰে। যি গ্রন্থ কোনো জৈনে নেমানে আৰু কোনো জৈনে কেতিয়াও মনা নাই কোৱা হলে সেই গ্রন্থ অগ্রাহ্য হব পাৰে। কিন্তু এনেকুৱা কোনো গ্রন্থ নাই যিখন কোনো জৈনে নেমানে। গতিকে যেয়ে যি গ্রন্থ মানে সেই গ্রন্থৰ বিষয়ৰ খণ্ডন মণ্ডনো তেওঁৰ কাৰণেই বুলি বুজিব লাগিব। কিন্তু এনেকুৱা অনেক জৈন আছে যে তেওঁলোকে সেইবোৰ গ্রন্থ জানে আৰু মানেও। যদি কোনো সভাত অথবা তর্ক বিতর্কৰ স্থলত সেই গ্রন্থবোৰ অমান্য বুলি কয়। এই কাৰণেই জৈনসকলে তেওঁলোকৰ মতৰ

গ্রন্থবোৰ আন কোনো ভিন্ন মতাবলম্বীক পঢ়িবলৈ নিদিয়ে, নপঢ়ায়, শুণনায় আৰু শুকুৱাই ৰাখে। কাৰণ জৈনৱৰ উল্লিখিত গ্রন্থবোৰ এনেকুৱা অসম্ভৱ কথাৰে পৰিপূৰ্ণ যে, জৈন পণ্ডিত-সকলে তাৰ কোনো উত্তৰ দিব নোৱাৰে। গতিকে তেনেকুৱা অসত্যকথা বোৰ এৰি পেলোৱাইহে তাৰ উত্তৰ হব পাৰে।

ত্রয়োদশ সমুল্লাসত খৃষ্টিয়ান মতৰ বিষয়ে লিখা হৈছে। খৃষ্টিয়ানে বাইবেলকেই ধর্ম্মগ্রন্থ বুলি মানে। তেওঁলোকৰ বিশেষ সমাচাৰ ত্রয়োদশ সমুল্লাসত দ্রষ্টব্য। চতুর্দ্দশ সমুল্লাসত মুছলমান মতৰ বিষয়ে লিখা হৈছে, তেওঁলোকে কোৰাণক তেওঁলোকৰ মতৰ মূল, গ্রন্থৰূপে মানে। তেওঁলোকৰ আচৰণৰ আলোচনাও তাতেই দ্রষ্টব্য। তাৰ পাছত বৈদিক মতৰ বিষয়ে লিখা হৈছে। বিজনে গ্রন্থৰ তাৎপর্য্যৰ বিপৰীত মনোভাবেৰে এই গ্রন্থ চায় তেওঁ গ্রন্থৰ তাৎপর্য্য একো বুজিব নোৱাৰিব। কাৰণ বাক্যার্থ বোধৰ চাৰিটা কাৰণ আছে সেইবোৰ হৈছে— আকাঙ্ক্ষা, যোগ্যতা, আসত্তি আৰু তাৎপর্য্য যি এই চাৰিটাৰ বিষয় লক্ষ্য কৰি অধ্যয়ন কৰে তেওঁহে গ্রন্থৰ অভিপ্রায় যথার্থ ভাৱে বুজিব পাৰে।

"আকাঙ্ক্ষা" — কোনো বিষয়ত বক্তা আৰু বাক্যস্থ পদ-বোৰৰ ভিতৰত পাৰস্পাৰিক আকাঙ্খা থাকে।

"যোগ্যতা" — যাৰ দ্বাৰাই যি হব পাৰে তাকেই যোগ্যতা বোলে, যেনে জলৰ দ্বাৰা সিঞ্চন।

"আসত্তি" — যি পদৰ লগত যাৰ সম্বন্ধ তাৰেই সন্নীপত সেই পদ ব্যৱহাৰ। অর্থাৎ বোলা আৰু লেখাৰ নাম আসত্তি।

"তাৎপর্য্য"— যাৰ কাৰণে বক্তাই শব্দ উচ্চাৰণ কৰে বা লিখে তাৰ লগত সেই বচন বা লিখনিৰ যুক্ত কৰাৰ নাম তাৎপর্য্য। হিংসাৰ দ্বেষ প্রকৃতিৰ আৰু দুৰাগ্রহী স্বভাৱৰ মানুহ, তেওঁলোকে বক্তাৰ অভিপ্রায়ৰ বিৰুদ্ধে কল্পনা কৰে, বিশেষকৈ

কোনো মতৰ পক্ষপাতীসকলে তেনেকৈয়ে কৰে। মতৰ পক্ষ-পাতৰ আগ্রহত তেওঁলোকৰ বুদ্ধি অন্ধকাৰত আচ্ছন্ন হৈ বিলুপ্ত হৈ যায়।

এই কাৰণেই মই যেনেকৈ পুৰাণ, জৈনগ্রন্থ, বাইবেল, আৰু কোৰাণ আদিক প্রথমেই কুদৃষ্টিত নেদেখি এই গ্রন্থবোৰৰ পৰা গুণবোৰ গ্রহণ দোষবোৰৰ বর্জ্জন আৰু মানব জাতিৰ উন্নতিৰ কাৰণেই চেষ্টা কৰিছো সেই সকলেও এই দৰেই কৰা কর্ত্তব্য। এই মতবোৰৰ দোষ সামান্য মাত্রাহে প্রকাশ কৰা হৈছে। সকলো মানুহে যাতে এইবোৰ দেখি সত্য আৰু অসত্য মতৰ বিবেচনা আৰু সত্যৰ গ্রহণ অসত্যৰ বর্জ্জন কৰিব আৰু কৰাৰ সমর্থ হয় এয়েহে মোৰ অভিপ্রায়। কাৰণ মানুহক বিভ্রান্ত কৰি এক মানব জাতিকে বিদ্বেষ ভাৱ সৃষ্টি কৰি পৰস্পৰৰ ভিতৰত শত্রুতা কন্দল, আৰু বিবাদ ঘটোৱা বিদ্বান পুৰুষৰ স্বভাব বিৰুদ্ধ। অবিদ্বান সকলে এই গ্রন্থৰ অর্থ বিপৰীত ভাবে বুজিলেও অন্তত: বিদ্বান সজ্জনসকলে যথোচিত অভিপ্রায় উপলব্ধি কৰিব পাৰিব ইয়াকে ভাবিয়েই মোৰ পৰিশ্রম সফল ভাব মোৰ নিজৰ অভিপ্রায় সজ্জনসকলৰ আগত ডাঙি ধৰিছো। তেওঁলোকে ইয়াকে দেখি আৰু আনকো দেখুৱায়। মোৰ পৰিশ্রম সকল কৰে যেন। এই দৰেই পক্ষপাত নকৰি সত্য অর্থৰ প্রকাশ কৰা মোৰ আৰু সকলো সদাশয় ব্যক্তিৰ পৰম কর্ত্তব্য।

সর্ব্বাত্মা সর্ব্বান্তর্য্যামী সচ্চিদানন্দ পৰমাত্মাই নিজ কৃপাৰেই এই উদ্দেশ্য বিস্তৃত আৰু চিৰস্থায়ী কৰক।

অলমতিবিস্তৰেণ বুদ্ধিমদ্বৰশিৰোমণিষু।

ইতি ভূমিকা॥

স্থান মহাৰাণাজীৰ উদয়পুৰ (স্বামী) দয়ানন্দসৰস্বতী)
ভাদ্রপদ শুক্লপক্ষ, সংবৎ ১৯১৯

ওঁ

সত্যার্থপ্রকাশৰ সূচীপত্ৰ

(পূৰ্ব্বাৰ্দ্ধ)

১ম সমুল্লাস.... .... ১ পৃষ্ঠাৰ পৰা ২৫ পৃষ্ঠা পৰ্য্যন্ত

১। ঈশ্বৰৰ নাম ব্যাখ্যা, ২। মঙ্গলাচৰণ ব্যাখ্যা,

২য় সমুল্লাস.... .... ২৬—৩৬

১। বালশিক্ষা বিষয়, ২। ভূত-প্ৰেত আদিৰ খণ্ডন,

৩। সোঁৱৰণি বিচাৰ সূর্য্যাদি গ্ৰহৰ বিবেচনা,

৩য় সমুল্লাস.... .... ৩৭—৮৬

১। অধ্যয়ন আৰু অধ্যাপনাৰ বিষয়, ২। গুৰুমন্ত্ৰ ব্যাখ্যা,

৩। যজ্ঞপাত্ৰৰ আকৃতি, ৪। সন্ধ্যা আদিৰ উপদেশ,

৫। হোমৰ ফল নিৰ্ণয়, ৬। উপনয়ন ব্যাখ্যা, ৭। ব্ৰহ্মচৰ্য্যোপদেশ, ৮। ব্ৰহ্মচাৰীৰ কৰণীয়, ৯। পাচবিধ পৰীক্ষা আৰু অধ্যাপনা, ১০। পঢ়া-পঢ়োৱাৰ বিধি ১১। গ্ৰন্থৰ প্ৰামাণ্য বিবেচনা, ১২। নাৰী আৰু শূদ্ৰৰ বেদ অধ্যয়নৰ বিধি।

৪র্থ সমুল্লাস.... .... ৮৭—১৪১

১। সমাবৰ্ত্তনৰ বিষয়, ২। দূৰ দেশত বিবাহ কৰণীয়,

৩। বিবাহত স্ত্রী-পুৰুষৰ পৰীক্ষা, ৪। বাল্য বিবাহ নিষেধ,

৫। গুণ কৰ্ম্ম অনুসৰি কৰ্ম ব্যৱস্থা, ৬। বিবাহৰ লক্ষণ,

৭। স্ত্রী-পুৰুষৰ ব্যৱহাৰ, ৮। পঞ্চ মহাযজ্ঞ, ৯। পাষণ্ডৰ

স্থিবসাব ১০ প্রাতঃকৃত্য আৰু ধৰ্ম্মকৃত্য, ১১। পাষণ্ডৰ লক্ষণ, ১২। গৃহস্থৰ ধৰ্ম্ম ১৩। পণ্ডিতৰ লক্ষণ, ১৪। মূৰ্খৰ লক্ষণ, ১৫। বিদ্যার্থীৰ কৰ্ত্তব্যৰ ব্যাখ্যা, ১৬। পুনর্ব্বিবাহ আৰু নিয়োগৰ বিষয়, ১৭। গৃহাশ্রমৰ শ্রেষ্ঠতা।

৫ম সমুল্লাস ... ... ১৪২—১৫৮

১। বানপ্রস্থ বিধি, ২। সন্ন্যাস আশ্রম বিধি।

৬ষ্ঠ সমুল্লাস.... .... ১৫৯—২০০

১। ৰাজ ধৰ্ম্মৰ বিষয়, ২। তিনিখন সভাৰ কথা, ৩। ৰজাৰ লক্ষণ, ৪। দণ্ডৰ বিষয়ে ব্যাখ্যা, ৫। ৰজাৰ কৰ্ত্তব্য, ৬। ওঠৰ বিধ ব্যসনৰ নিষেধ, ৭। মন্ত্রী আৰু দূতাদিৰ লক্ষণ ৮। মন্ত্রী আদিৰ কার্য্য নিয়োগ, ৯। দুর্গ নির্ম্মাণৰ ব্যাখ্যা, ১০। যুদ্ধ কৰাৰ প্রকাৰ, ১১। ৰজা প্রজাৰ ৰক্ষণাদিৰ বিধি, ১২। গাঁমাধিপতিৰ বর্ণনা, ১৩। ৰৰ গ্রহণৰ প্রকাৰ, ১৪। মন্ত্র কৰণ প্রকাৰ, ১৫। আসনাদি সাত গুণৰ কথা, ১৬। ৰাজ মিত্র আৰু উদাসী শত্রুৰ লগত ব্যৱহাৰ ১৭। শত্রু আৰু যুদ্ধ কৰাৰ প্রকাৰ, ১৮। বেপাৰাদিত ৰাজভাগৰ কথা ১৯। অষ্টাদশ বিবাদ মার্গত ধৰ্ম্মৰ বিবেচনা ২০। সাক্ষীৰ কর্ত্তব্যোপদেশ, ২১। মিছা সাক্ষীৰ বিচাৰ কৰা, ২১। চোৰাদিৰ দণ্ডাদি ব্যাখ্যা।

৭ম সমুল্লাস .. .. ২০১—২৪৩

১। ঈশ্বৰ, ২। ঈশ্বৰ বিষয়ক প্রশ্নোত্তৰ, ৩। ঈশ্বৰৰ স্তুতি, প্রার্থনা আৰু উপাসনা, ৪। ঈশ্বৰ জ্ঞানৰ প্রকাৰ, ৫। ঈশ্বৰৰ অস্তিত্ব, ৬। ঈশ্বৰাবতাৰ নিষেধ, ৭। জীৱৰ স্বতন্ত্রতা, ৮। জীৱ আৰু ঈশ্বৰৰ বিভেদ বর্ণন, ৯। ঈশ্বৰৰ সগুণ আৰু নির্গুণ বর্ণন, ১০। বেদ বিষয়ৰ বর্ণন।

৮ম সমুল্লাস.... .... ২৪৪—২৭৮

১। সৃষ্টি আৰু উৎপত্তি আদি
২। ঈশ্বৰভিন্ন প্রকৃতি আৰু উপাদানৰ বিবেচনা
৩। সৃষ্টিৰ বিষয়ে নাস্তিকৰ মত
৪। মনুষ্যাদিৰ সৃষ্টি
৫। স্থানাদিৰ নির্ণয়
৬। আর্য্যয়েচ্ছাদিৰ ব্যাখ্যা
৭। ঈশ্বৰৰ জগদাধাৰত্ব

৯ম সমুল্লাস.... .... ২৭৯—৩১২

১। বিদ্যা অবিদ্যা বিষয়ে,
২। বন্ধন আৰু মোক্ষ।

১০ম সমুল্লাস.... .... ৩১৩—৩৩২

১। আচাৰ অনাচাৰ বিষয়
২। ভক্ষ্য অভক্ষ্য বিষয়।

ইতি পূর্ব্বার্দ্ধ-

—❀—

(উত্তৰার্দ্ধ)

১১ শ সমুল্লাস.... .... ১—৩

অনুভূমিকা—
১। আর্য্যাবর্ত্ত দেশৰ বিষয়ে
২। মন্ত্রাদি সিদ্ধি নিৰাকৰণ
৩। বামমার্গৰ নিৰাকৰণ
৪। অদ্বৈতবাদৰ বিবেচনা
৫। ভস্ম ৰুদ্রাক্ষ-তিলকাদি
৬। বৈষ্ণৱ মতৰ বিবেচনা

৭। মূর্ত্তি পূজাৰ বিবেচনা
৮। পঞ্চায়তন পূজাৰ বিবেচনা
৯। গয়া শ্রাদ্ধ
১০। জগন্নাথ তীর্থৰ বিবেচনা
১১। ৰামেশ্বৰৰ বিবেচনা
১২। কালিয়াকান্ত সোমনাথাদিৰ বিবেচনা
১৩। দ্বাৰিকা, জ্বালামুখীৰ বিবেচনা
১৪। গঙ্গা স্নানৰ বিবেচনা
১৫। নামস্মৰণ আৰু তীর্থ শব্দৰ ব্যাখ্যা
১৬। গুৰু মাহাত্ম্যৰ বিবেচনা
১৭। অষ্টাদশ পুৰাণৰ বিবেচনা
১৮। শিৱ পুৰাণৰ বিবেচনা
১৯। ভাগৱত বিবেচনা
২০। সূর্য্যাদি পূজাৰ বিবেচনা
২১। ঔর্দ্ধদৈহিক দানাদিৰ বিবেচনা
২২। মাৰণ মোহন আৰু উচ্চাটনৰ বিবেচনা
২৩। শৈৱ মতৰ বিবেচনা
২৪। শক্তি আৰু বৈষ্ণৱ মতৰ বিবেচনা
২৫। ৰবীৰ পন্থৰ বিবেচনা
২৬। নানক পন্থৰ বিবেচনা
২৭। দাদূ ৰাম স্নেহ্যাদি পন্থৰ বিবেচনা
২৮। গোকুলিয়া গোস্বামী মতৰ সমীক্ষা
২৯। স্বামী নাৰায়ণ মতৰ সমীক্ষা
৩০। মাধ্ব লিঙ্গাঙ্কিত ব্রাহ্ম প্রার্থনা সমাজাদিৰ বিবেচনা
৩১। আর্য্য সমাজৰ বিষয়
৩২। তন্ত্রাদি বিষয়ৰ প্রশ্নোত্তৰ
৩৩। ব্রহ্মচাৰী আৰু সন্ন্যাসীৰ বিষে
৩৪। আর্য্যাবর্ত্তৰ ৰাজবংশাৱলী

১২ সমুল্লাস.... .... ১৮৭—১৮৫

১। অনুভূমিকা—
২। নাস্তিক মতৰ বিবেচনা
৩। চার্ৱাক মতৰ বিবেচনা
৪। বৌদ্ধ সৌগত মতৰ সমীক্ষা
৫। সপ্তভংগী স্যাদ্বাদী
৬। জৈন আৰু বৌদ্ধৰ ঐক্য
৭। আস্তিক আৰু নাস্তিক সংবাদ
৮। জগতৰ অনাদিৰ বিষয়ে
৯। জীৱৰ বাহিৰে জড় পদার্থৰ বর্ণনা
১০। জৈন ধর্ম্ম প্রশংসাদি
১১। জৈন মতৰ মতে মুক্তিৰ বিবেচনা
১২। জৈন সাধুৰ লক্ষণ
১৩। জৈনৰ ২৪ গৱাকী তীর্থংকৰৰ বর্ণনা
১৪। জৈন মতত জম্বুদ্বীপাদিৰ বিবৰণ।

১৩ সমুল্লাস.... .... ১৮৬—৩৭২

১। অনুভূমিকা—
২। খৃষ্টিয়ান মতৰ বিবেচনা
৩। লয়ব্যবস্থা, ৪। গণনাৰ পুস্তক.
৫। চমুৱেলৰ ২য় পুস্তক, ৬। ৰজাৰ পুস্তক
৭। কালৰ বিষয়ে ১ম পুস্তক
৮। আয়ুবৰ পুস্তক, ৯। উপদেশৰ কিতাপ
১০। মস্তীৱচিত অধ্যায়, ১১। মার্ক ৱচিত অধ্যায়
১২। লুক ৱচিত অধ্যায়, ১৩। মোহন ৱচিত সুসমাচাৰ
১৪। মোহন প্রকাশিত ৱাক্য।

১৪ সমুল্লাস .... ৩৭৩—৪৭৬
১। অনুভূমিকা, ২। যবন আৰু কোৰাণৰ বিবেচনা,
ইতি উত্তৰার্দ্ধ

—❀—

স্বমন্তব্যামন্তব্যৰ বিষয়ে



ওম্

অথ সত্যার্থ-প্রকাশঃ

প্রথম সমুল্লাস।

ওম্ শন্নো মিত্রঃ শং বরুণঃ শন্নো ভবত্বর্য্যমা।
শন্ন ইন্দ্রো বৃহস্পতিঃ শন্নো বিষ্ণুরুরুক্রমঃ॥
নমো ব্রহ্মণে নমস্তে বায়ো ত্বমেব প্রত্যক্ষং ব্রহ্মাসি।
ত্বামেব প্রত্যক্ষং ব্রহ্ম বদিষ্যামি ঋতং বদিষ্যামি,
সত্যং বদিষ্যামি তন্মামবতু তদ্বক্তারমবতু। অবতু
মামবতু বক্তারম্॥ ওঁ শান্তিঃ শান্তিঃ শান্তিঃ॥ ১॥

অর্থ—(ওম্), পৰমেশ্বৰৰ সৰ্ব্বোত্তম নাম অ, উ, ম, এই তিনিটি আখৰৰ সংযোগ হৈ এক (ওঁ) শব্দ হৈছে। এই এটা নামৰ দ্বা পৰমেশ্বৰৰ অনেক নাম সূচিত হয়, যেনে—'অ' কাৰৰ পৰা বিৰা আৰু বিষ্ণু আদি; "উ" কাৰৰ পৰা হিৰণ্যগৰ্ভ, বায়ু আৰু তেজ আদি; 'ম' কাৰৰ পৰা ঈশ্বৰ, আদিত্য আৰু প্ৰাজ্ঞ আদি নাম সূচীত আৰু গৃহীত হয়। কাৰণ প্ৰকৰণ অনুসাৰে এইবোৰ যে পৰমেশ্বৰৰেই নাম তাক বেদাদি শাস্ত্ৰত অতি স্পষ্টকৈ ব্যাখ্যা কৰা আছে।

প্রশ্ন—বিৰাট আদি নাম পৰমেশ্বৰ বাহিৰে অন্য পদাৰ্থৰ নাম নহয় কিয়? ব্ৰহ্মাণ্ড, পৃথিৱী, ভূত, ইন্দ্ৰাদি দেৱতা আৰু আয়ুৰ্ব্বেদত শুণ্ঠী আদি ঔষধিৰো এই নাম আছে নে নাই?

(উত্তৰ)—আছে। কিন্তু পৰমেশ্বৰৰো আছে। (প্রশ্ন)—এইবোৰ নাম কেৱল দেৱতাৰ বুলি গ্ৰহণ কৰে নে নকৰে? (উত্তৰ)—তেনে অৰ্থত গ্ৰহণ কৰাত আপোনাৰ প্ৰমাণ কি? (প্রশ্ন)—দেৱতা সকল প্ৰসিদ্ধ

১৪ সমুল্লাস .... ৩৭৩—৪৭৬
১। অনুভূমিকা, ২। যবন আৰু কোৰাণৰ বিবেচনা,
ইতি উত্তৰাৰ্দ্ধ

—❁—

স্বমন্তব্যামন্তব্যৰ বিষয়ে



ওম্

অথ সত্যাৰ্থ-প্ৰকাশঃ

প্ৰথম সমুল্লাস।

ওম্ শন্নো মিত্রঃ শং বৰুণঃ শন্নো ভৱত্বৰ্য্যমা।
শন্ন ইন্দ্রো বৃহস্পতিঃ শন্নো বিষ্ণুৰুৰুক্রমঃ॥
নমো ব্রহ্মণে নমস্তে ৱায়ো ত্ৱমেৱ প্রত্যক্ষং ব্রহ্মাসি।
ত্ৱামেৱ প্রত্যক্ষং ব্রহ্ম ৱদিষ্যামি ঋতং ৱদিষ্যামি,
সত্যং ৱদিষ্যামি তন্মামৱতু তদ্ৱক্তাৰমৱতু। অৱতু
মামৱতু ৱক্তাৰম্॥ ওঁ শান্তিঃ শান্তিঃ শান্তিঃ॥ ১॥

অৰ্থ—(ওম্), পৰমেশ্ৱৰ সৰ্ৱোত্তম নাম অ, উ, ম, এই তিনিটি আখৰ সংযোগ হৈ এক (ওঁ) শব্দ হৈছে। এই এটা নামৰ দ্ৱাৰা পৰমেশ্ৱৰ অনেক নাম সূচিত হয়, যেনে—'অ' কাৰৰ পৰা ৱিৰাট আৰু ৱিষ্ণু আদি; "উ" কাৰৰ পৰা হিৰণ্যগৰ্ভ, ৱায়ু আৰু তেজ আদি; 'ম' কাৰৰ পৰা ঈশ্ৱৰ, আদিত্য আৰু প্রাজ্ঞ আদি নাম সূচীত আৰু গৃহীত হয়। কাৰণ প্রকৰণ অনুসাৰে এইৰোৰ যে পৰমেশ্ৱৰৰেই নাম তাক ৱেদাদি শাস্ত্রত অতি স্পষ্টকৈ ৱ্যাখ্যা কৰা আছে।

প্রশ্ন—ৱিৰাট আদি নাম পৰমেশ্ৱৰ ৱাহিৰে অন্য পদাৰ্থৰ নাম নহয় কিয়? ব্রহ্মাণ্ড, পৃথিৱী, ভূত, ইন্দ্রাদি দেৱতা আৰু আয়ুৰ্ৱেদত শুণ্ঠী আদি ঔষধিৰো এই নাম আছে নে নাই?

(উত্তৰ)—আছে। কিন্তু পৰমেশ্ৱৰৰো আছে। (প্রশ্ন)—এইৰোৰ নাম কেৱল দেৱতাৰ বুলি গ্রহণ কৰে নে নকৰে? (উত্তৰ)—তেনে অৰ্থত গ্রহণ কৰাত আপোনাৰ প্রমাণ কি? (প্রশ্ন)—দেৱতা সকল প্রসিদ্ধ

আৰু শ্ৰেষ্ঠ, গতিকে দেৱতাৰ অৰ্থত গ্ৰহণ কৰিব পাৰো। (উত্তৰ)— পৰমেশ্বৰ তেনেহলে অপ্ৰসিদ্ধ নেকি? পৰমেশ্বৰতকৈও কিবা শ্ৰেষ্ঠ আছে নেকি?

এইবোৰ পৰমেশ্বৰৰ নাম বুলি ধৰাত আপত্তি কি? পৰমেশ্বৰ যেতিয়া অপ্ৰসিদ্ধ নহয় আৰু তেওঁৰ সমতুল্য একো নাই, পৰমেশ্বৰতকৈ শ্ৰেষ্ঠ আৰু কি হব পাৰে? গতিকে আপোনাৰ মন্তব্য অগ্ৰাহ্য, আৰু অসঙ্গত। যেনে :—

"উপস্থিতং পৰিত্যাজ্যানুপস্থিতং যাচত ইতি বাধিতন্যায়ঃ"। কোনোৱে কাৰবাৰ আগত ভোজ্য বস্তু দি "ভোজন কৰক বুলি কোৱাত যদি সেই ব্যক্তিয়ে 'আগত থকা ভোজন এৰি অপ্ৰাপ্ত ভোজ্য বস্তুৰ কাৰণে ইত-স্ততঃ ভ্ৰমণ কৰে, সেই জনক বুদ্ধিমান বুলি গণ্য কৰিব নোৱাৰি। কাৰণ তেওঁ উপস্থিত বস্তু এৰি অনুপস্থিত আৰু অপ্ৰাপ্য বস্তু বিচাৰি পৰিশ্ৰম কৰে। আপোনাৰ ধাৰণাতো এই উদাহৰণেই খাটে। কাৰণ আপুনি প্ৰসিদ্ধ প্ৰমাণসিদ্ধ পৰমেশ্বৰ ব্ৰহ্মাণ্ড আৰু বিৰাট আদি নাম উপস্থিত অৰ্থও পৰিত্যাগ কৰি অসঙ্গত আৰু অনুপস্থিত দেৱাদিৰ নাম বুলি গ্ৰহণ কৰিব খুজিছে, আৰু আপোনাৰ মতে দেৱাদিৰ অৰ্থত প্ৰতিপাদন কৰিবলৈ প্ৰমাণ নাই। আপুনি যদি কব খোজে যে য'ত যাৰ প্ৰকৰণ ত'ত তাৰ অৰ্থহে লব লাগিব। যেনে এজনে আন এজনক কলে "হে ভৃত্য! "স্বং সৈন্ধৱমানয়" অৰ্থাৎ সৈন্ধৱ আন।" তেতিয়া সময় আৰু প্ৰকৰণৰ বিবেচনা আৱশ্যক হয়। কাৰণ সৈন্ধৱ মানে লৱণ আৰু ঘোঁৰা, গতিকে খাবৰ সময়ত লৱণ আৰু যাবৰ সময়ত ঘোঁৰাৰ প্ৰয়োজন, খাবৰ সময়ত ঘোঁৰা আৰু যাবৰ সময়ত লৱণ আনিলে নিৰ্বোধতাৰেই প্ৰমাণ হয়। গতিকে য'ত যাৰ প্ৰকৰণ ত'ত শব্দৰ অৰ্থ সেইমতে গ্ৰহণ কৰিব লাগিব।

অথ মন্ত্ৰাৰ্থ ঃ

ওঁ খং ব্ৰহ্ম ॥ ১ ॥ যজুঃ অঃ ৪০। মঃ ১৭ ॥

এতিয়াদেৱ বেদৰ এনেকুৱা প্ৰকৰণত ওঁ আদি পৰমেশ্বৰৰ নাম বাচক।

ওমিত্যেক ক্ষৰমুদ্গীথমুপাসীত ॥ ২ ॥ ছান্দোগ্য উপনিষৎ। মঃ ১।
ওমিতে দক্ষৰমিদং সৰ্ব্বং তস্যোপব্যাখ্যানম্ ॥ ৩ ॥ মাণ্ডুক্যঃ মঃ ১।
সৰ্ব্বে বেদা যৎপদমামনন্তি তপাংসি সৰ্ব্বাণি চ যদ্বদন্তি।
যদিচ্ছন্তো ব্ৰহ্মচৰ্য্যং চৰন্তি তত্তে পদং সংগ্ৰহেণ ব্ৰবীম্যোমিত্যেতৎ ॥
৪ ॥ কঠোপনিষদ, বল্লী, ২ মঃ ১৫ ॥
প্ৰশাসিতাৰং সৰ্ব্বেষামণীয়াংসমণোৰপি। ৰুক্মাভাং স্বপ্নধীগম্যং বিদ্যাত্তং পুৰুষং পৰম্ ॥ ৫ ॥
এতমগ্নিং বদন্ত্যেকে মনুমন্যে প্ৰজাপতিম্। ইন্দ্ৰমেকে পৰে প্ৰাণম-পৰে ব্ৰহ্ম শাশ্বতম্ ॥ ৬ ॥ মনুঃ অঃ ১২ ॥ শ্লোঃ ১২২। ১২৩।
স ব্ৰহ্মা স বিষ্ণুঃ স ৰুদ্ৰস্ স শিৱস্ সোঽক্ষৰস্ স পৰমঃ স্বৰাট্।
স ইন্দ্ৰস্ স কালাগ্নিস্ স চন্দ্ৰমাঃ ॥ ৭ ॥ কৈৱল্য উপনিষৎ।
ইন্দ্ৰং মিত্ৰং ৱৰুণমগ্নিমাহুৱথো দিব্যস্ স সুপর্ণো গৰুত্মান।
একং সদ্বিপ্ৰা বহুধা ৱদন্ত্যগ্নিং যমং মাতৰিশ্বানমাহু ॥ ৮ ॥
ঋঃ মঃ ১। অনু ২২ সুঃ ১৬৪। মঃ ৪৬।
ভূৱসি ভূমিৱস্যদিতিৱসি ৱিশ্বধায়া ৱিশ্বস্য ভুৱনস্য ধৰ্ত্ৰী।
পৃথিৱীং যচ্ছ পৃথিৱীং দৃংহ পৃথিৱীং মা হিংসীঃ ॥ ৯ ॥
যজুঃ অঃ ১৩। মঃ ১৮ ॥
ইন্দ্ৰো মহ্না ৰোদসী পপ্ৰথচ্ছৱ ইন্দ্ৰঃ সূৰ্য্যমৰোচয়ৎ। ইন্দ্ৰেহ ৱিশ্ব ভুৱনানি যেমিৱ ইন্দ্ৰ স্বানাস ইন্দ্ৰৱঃ ॥ ১০ ॥ সামৱেদ প্ৰপাঃ ত্ৰিক ৮। মঃ ২ ॥
প্ৰাণায় নমো যস্য সৰ্ব্বমিদং ৱশে। যো ভূতঃ সৰ্ব্বস্যেশ্ৱৰো যস্মিন সৰ্ব্বং প্ৰতিষ্ঠিতম্ ॥ ১১ ॥ অথৰ্ৱৱেদ কাণ্ড ১১। অঃ ২। সুঃ ৪। মঃ ১।

অৰ্থ—ওঙ্কাৰাদি নাম যে পৰমাত্মাৰেই বোধক তাৰ প্ৰমাণ স্বৰূপে এশবত উদ্ধৃত কৰা হৈছে। মানৱ সমাজত দৰিদ্ৰৰো নাম ধনপতি ৰখা

হয়, যদিও নাম আৰু অর্থৰ সামঞ্জস্য নাই, কিন্তু পৰমাত্মাৰ সেইৰূপ কোনো নাম নিৰর্থক নহয়। ইয়াৰ পৰা বুজিব লাগিব যে নাম কোনো ক্ষেত্ৰত গৌণিক (গুণগত), কোনো ক্ষেত্ৰত কাৰ্ম্মিক (কৰ্ম্মগত) আৰু কোনো ক্ষেত্ৰত স্বাভাৱিক অর্থৰ বাচক। "ওঁ" আদি নাম সার্থক। যেনে—(ওঁ খং") "অৱতীত্যোম্ আকাশমিৱ ব্যাপকত্বাৎ খম্" সর্ব্বেভ্যো বৃহত্ত্বাদ ব্রহ্ম"। ৰক্ষক অর্থত (ওম্) আকাশৰ দৰে ব্যাপক গতিকে (খম্), আৰু সকলোতকৈ বৃহৎ হেতুকে "ব্রহ্ম" ঈশ্বৰৰ নাম ॥ ১ ॥ (ওমিত্যেঃ) ওঁ যাৰ নাম আৰু যি অবিনাশী তাৰহে উপাসনা কৰা উচিৎ অন্যৰ অনুচিত ॥ ২ ॥ (ওমিত্যেতঃ), বেদাদি শাস্ত্ৰবোৰত ওমেই পৰমেশ্বৰৰ প্রধান আৰু নিজ নাম বোলা হৈছে। অন্য সমস্ত নাম গৌণিক ॥ ৩ ॥ (সর্ব্বে বেদাঃ), সকলো বেদ, সকলো ধর্ম্মানুষ্ঠানৰূপ তপশ্চর্য্যাই যাৰ বিষয়ে বর্ণনা কৰে আৰু যাক সাধন কৰে আৰু যাৰ প্রাপ্তিৰ কামনা কৰি ব্রহ্মচর্য্য আশ্রম অবলম্বন কৰা হয় তাৰেই নাম "ওঁ" ॥ ৪ ॥

(প্রশাসিতাঃ) যি সকলোৰে শিক্ষাদাতা, সূক্ষ্মতকৈ সূক্ষ্ম স্বপ্রকাশ স্বৰূপ, আৰু যি সমাধিস্থ বুদ্ধিৰেহে উপলব্ধিৰ যোগ্য তেওঁকেই পৰম পুৰুষ বুলি জানিব লাগে ॥ ৫ ॥ স্বপ্রকাশ হেতুকে "অগ্নি" বিজ্ঞান স্বৰূপ হেতুকে "মনু", সকলোকে পালন কৰে হেতুকে "প্রজাপতি," আৰু "পৰমৈশ্বর্য্যৱান" হেতুকে "ইন্দ্র", সকলোৰে জীৱনৰ মূল হেতুকে "প্রাণ" আৰু নিৰন্তৰ ব্যাপক হেতুকে তেওঁৰ নাম "ব্রহ্ম" ॥ ৬ ॥ (স ব্রহ্মা স বিষ্ণুঃ) জগতৰ সৃষ্টিকর্ত্তা গতিকে "ব্রহ্মা" সর্ব্বব্যাপক গতিকে "বিষ্ণু" দুষ্টক দণ্ড দি কন্দুৱাই কাৰণে "ৰুদ্র" মঙ্গলময় আৰু সকলোৰে কল্যাণকর্ত্তা গতিকে "শিৱ"। "যঃ সর্ব্বমশ্নুতে ন ক্ষরতি ন বিনশ্যতি তদক্ষরম্" (১) যঃ স্বয়ং ৰাজতে স স্বৰাট্" (২) "যোঽগ্নিৰিৱ কালঃ কলয়িতা প্রলয়কর্ত্তা স কালাগ্নিৰীশ্বরঃ" (৩)। (অক্ষৰ) যি সর্ব্বত্র ব্যাপ্ত আৰু অবিনাশী, (স্বৰাট্) স্বয়ং প্রকাশস্বৰূপ আৰু (কালাগ্নিঃ) প্রলয়ত সকলোৰে কাল আৰু কালৰো কাল, এই কাৰণে পৰমেশ্বৰৰ নাম "কালাগ্নি" ॥ ৭ ॥ (ইন্দ্রং মিত্রং) যি এক অদ্বিতীয়

সত্য ব্রহ্ম বস্তু, ইন্দ্রাদি সকলো নাম তেওঁৰেই। "দ্যাবু শুদ্ধেষু পদার্থেষু ভরোঃ দিব্যঃ।" "শোভনানি পর্ণানি পালনানি পূর্ণানি কর্ম্মাণি বা যস্য স সুপর্ণঃ।" "যো গুর্ব্বাত্মা স গরুত্মান্"। "যো মাতরিশ্বা বায়ুৱিব বলৱান স মাতরিশ্বা"। (দিব্য) যি প্রাকৃতিক দিব্য পদার্থ সমূহত ব্যাপ্ত, (সুপর্ণ) যাৰ সর্ব্বোচ্চ পালন আৰু সম্পূর্ণ কর্ম্ম, (গরুত্মান্) যাৰ আত্মস্বৰূপ মহান্ (মাতরিশ্বা) যি বায়ুৰ দৰে অনন্ত বলৱান্ গতিকেই পৰমাত্মাৰ দিব্য, সুপর্ণ, গরুত্মান্ আৰু মাতরিশ্বা আদি লাক্ষনিক নাম। অন্যান্য নামবোৰৰো প্রকৰণ অনুসাৰে পাছত ব্যাখ্যা কৰা হব ॥ ৮ ॥ "(ভূমিৰসিঃ) ভৱন্তি ভূতানি যস্যাং সা ভূমিঃ", যত সকলো ভূতৰ উৎপত্তি আৰু স্থিতি, গতিকে পৰমেশ্বৰৰ নাম "ভূমি"। বাকীবোৰ নামৰ ব্যাখ্যা সময়ান্তৰত হব ॥ ৯ ॥ (ইন্দ্রোমহ্নাঃ) এই মন্ত্রত "ইন্দ্র" পৰমেশ্বৰৰেই নাম। তাৰ প্রমাণ উদ্ধৃত কৰা হৈছে ॥ ১০ ॥ (প্রাণায়) যেনেকৈ সমস্ত শৰীৰ আৰু ইন্দ্রিয় প্রাণৰ অধীন, সেই দৰে সমস্ত জগৎ পৰমেশ্বৰৰ অধীন ॥ ১১ ॥ এইবোৰ প্রমাণৰ অর্থ যথার্থভাৱে অৱগত হলে এই সকলোবোৰ নামৰ দ্বাৰাই পৰমেশ্বৰৰ গ্রহণ কৰা হয়। কাৰণ "ওঁ" আৰু "অগ্নি" আদি নামবোৰৰ মুখ্য অর্থৰ দ্বাৰাই পৰমেশ্বৰ বোধক হয়। এই নামবোৰৰ ব্যাকৰণ, নিৰুক্ত, ব্রাহ্মণ, সূত্রগ্রন্থ আদি আৰু ঋষি মুনি সকলৰ ব্যাখ্যাৰ পৰা পৰমেশ্বৰৰ অর্থই প্রতিপাদন হয় গতিকে সেই অর্থকেই আমিও গ্রহণ কৰা বাঞ্ছনীয়। "ওঁ" এক পৰমেশ্বৰৰেই নাম; কিন্তু অগ্নি আদি নামবোৰৰ অর্থ নির্ণয় কৰাত প্রকৰণ আৰু বিশেষণৰ ওপৰত নির্ভৰ কৰে। অর্থাৎ যি যি স্থলত স্তুতি, প্রার্থনা আৰু উপাসনা আদিৰ প্রকৰণ, আৰু সর্ব্বজ্ঞ, ব্যাপক শুদ্ধ, সনাতন, সৃষ্টিকর্ত্তা আদি বিশেষণ থাকে, সেইবোৰ স্থলত এনেকুৱা নামবোৰৰ পৰা পৰমেশ্বৰৰ অর্থই গৃহীত হয় আৰু যিবোৰ স্থলত প্রকৰণ ভিন্ন যেনে :—

ততো ৱিৰাডজায়ত ৱিৰাজো অধিপুরুষঃ। + +
শ্রোত্রাদ্বায়ুশ্চ প্রাণশ্চ মুখাদগ্নিরজায়ত। + + +
তেন দেৱা অযজন্ত + + + পশ্চাদ্ভূমিমথো পুৰ ॥ যজুঃ অঃ ৩১ ॥

তস্মাদ্বা এতস্মাদাত্মন আকাশঃ সম্ভূতঃ। আকাশাদ্বায়ুঃ। বায়োরগ্নিঃ অগ্নেরাপঃ। অদ্ভ্যঃ পৃথিবী। পৃথিব্যা ওষধয়ঃ। ওষধিভ্যোঽন্নম্। অন্নাদ্রেতঃ। রেতসঃ পুরুষঃ। স বা এষ পুরুষোঽন্নরসময়ঃ। ॥ তৈত্তিঃ উপঃ ব্রহ্মাঃ বল্লী অঃ ১॥

এনেবোৰ প্রকৰণত বিৰাট, পুৰুষ, দেৱ, আকাশ, বায়ু, অগ্নি, জল আৰু ভূমি আদি শব্দৰ অর্থ লৌকিক পদার্থৰ হয়। যিবোৰ সন্দর্ভত সৃষ্টি, স্থিতি, প্রলয় অল্পজ্ঞ, জড় আৰু দৃশ্য আদি বিশেষণাত্মক শব্দ থাকে, সেইবোৰ সন্দর্ভত সেইবোৰ শব্দৰ অর্থ পৰমাত্মাবোধক হব নোৱাৰে। পৰমেশ্বৰ সৃষ্টি আদি ব্যাপাৰৰ ভিন্ন। ওপৰত মন্ত্রবোৰত সৃষ্টি আদি ব্যাপাৰ আছে গতিকে সেইবোৰ স্থলত বিৰাট আদি শব্দৰ পৰমাত্মা অর্থ নহয়, জাগতিক পদার্থবহে অর্থ বোধ হয়। যিবোৰ স্থলত সর্ব্বজ্ঞ আদি বিশেষণ থাকে তাত পৰমাত্মাৰ অর্থ হয়, আৰু যিবোৰ স্থলত ইচ্ছা, দ্বেষ, প্রযত্ন, সুখ, দুঃখ আৰু অল্পজ্ঞ আদি বিশেষণ থাকে সেইবোৰ স্থলত অর্থ হব জীৱবহে পৰমাত্মাৰ নহয় এনেদৰে সকলোতে বুজিব লাগে। এই নীতিবেই শব্দৰ অর্থ নির্ণয় কৰা হয়। পৰমাত্মাৰ জন্মমৃত্যু নাই। বিৰাট আদি নাম আৰু জন্ম আদি গুণ জগতৰ জড় পদার্থ আৰু জীৱৰ অর্থত প্রয়োগ কৰা উচিত। এতিয়া বিৰাট আদি শব্দৰ পৰা কেনেকৈ পৰমেশ্বৰ অর্থ গৃহীত হয় নিম্ন উদ্ধৃত প্রমাণৰ পৰা তাৰ নির্ণয় হয়।—

অথ ওঙ্কাৰার্থ।

"বি" উপসর্গ পূর্ব্বক (ৱাজৃ দীপ্তৌ) এই ধাতুৰ লগত 'কিপ্' প্রত্যয় যোগ হলে "বিৰাট" শব্দ সিদ্ধ হয়। "যো বিবিধং নাম চৰাচৰং জগদ্ ৱাজয়তি প্রকাশয়তি স বিৰাট।" যি বিবিধ অর্থাৎ জগতক বহু প্রকাৰে বা বহু প্রকাৰ জগতক প্রকাশিত কৰে তেওঁ বিৰাট, এই অর্থত বিৰাট শব্দ পৰমাত্মা বোধক। (অঞ্চু গতি পূজনয়োঃ) অগ, অগি, ইণ গত্যর্থক ধাতু। এইবোৰৰ পৰা "অগ্নি" শব্দ সিদ্ধ হয়। 'গতেস্ত্রয়োঽর্থাঃ জ্ঞানং পুগমনং প্রাপ্তিশ্চেতি, জ্ঞানং নাম সৎকাৰঃ'। "যোঽঞ্চতি অচ্যতেঽগত্যঙ্গত্যেতি

ৱা সোঽয়মগ্নিঃ"। যি জ্ঞানস্বৰূপ, সর্ব্বজ্ঞ, জানিবৰ, পাবৰ আৰু পূজাৰ যোগ্য সেই পৰমাত্মাৰ নাম "অগ্নি"। (বিশ প্রবেশনে), এই ধাতুৰ পৰা "বিশ্ব" শব্দ সিদ্ধ হয়। "বিশন্তি প্রবিষ্টানি সর্ব্বাণ্যাকাশাদীনি ভূতানি যস্মিন্, যো ৱাকাশাদিষু সর্ব্বেষু ভূতেষু প্রবিষ্টঃ স বিশ্ব ঈশ্বৰঃ"। যত আকাশাদি সকলো ভূত প্রবেশ কৰিছে, বা যি সকলো ভূততেই ব্যাপ্ত হৈ আৰু প্রবিষ্ট হৈ আছে, সেই এক পৰমাত্মাৰ নাম "বিশ্ব"। কেৱলমাত্র 'অ'কাৰৰ পৰাই এইবোৰ নাম গৃহীত হয়। "জ্যোতির্ব্বৈ হিৰণ্যং তেজোৱৈ হিৰণ্যমিত্যৈতৰেয়ে, শতপথে চ ব্রাহ্মণে" "যো হিৰণ্যানাং সূর্য্যাদীনাং তেজসাং গর্ভ উৎপত্তিনিমিত্তমধিকৰণং স হিৰণ্য গর্ভঃ"। যাৰ পৰা সূর্য্যাদি তেজস্বান লোক সমূহ উৎপন্ন হৈ যাৰ আধাৰত অৱস্থিতি কৰে, বা যি সূর্য্যাদি তেজস্বৰূপ পদার্থ সমূহৰ গর্ভ অর্থাৎ উৎপত্তি আৰু নিবাস স্থান, সেই পৰমাত্মাৰ নাম "হিৰণ্যগর্ভ"। এই বিষয়ে যজুর্ব্বেদৰ প্রমাণ আছে :—

হিৰণ্যগর্ভঃ সমৱর্ত্ততাগ্রে ভূতস্য জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিৱীং দ্যামুতেমাং কস্মৈ দেৱায় হৱিষা ৱিধেম॥

(যজুঃ অঃ ১৩। মঃ ৪)

এনেকুৱা প্রকৰণত "হিৰণ্যগর্ভ"ৰ অর্থ পৰমেশ্বৰ হয়। (ৱা গতি গন্ধনয়োঃ), এই ধাতুৰ পৰা ৱায়ু শব্দ সিদ্ধ হয়। (গন্ধনং হিংসনম্), "যো ৱাতি চৰাচৰং জগদ্ধৰতি বলিনাং বলিষ্ঠঃ স ৱায়ুঃ"। যি চৰাচৰ জগতৰ ধাৰণ, জীৱন আৰু প্রলয় কর্ত্তা আৰু যি সকলো বলৱানতকৈও বলৱান, সেই পৰম ঈশ্বৰৰ নাম "ৱায়ু"। (তিজ নিশানে) এই ধাতুৰ পৰা "তেজঃ" আৰু ইয়াৰ লগত তদ্ধিত প্রত্যয় যোগ হৈ "তৈজস্" শব্দ সিদ্ধ হয়। যি স্বয়ং প্রকাশ আৰু সূর্য্যাদি তেজস্বান লোক সমূহৰো প্রকাশক, সেই পৰমাত্মাৰ নাম "তৈজস্"। 'উ'-কাৰ মাত্রাৰ পৰা এইবোৰ আৰু অন্যান্য নামৰ অর্থ গৃহীত হয়। (ঈশ ঐশ্চর্য্যে), এই ধাতুৰ পৰা ঈশ্বৰ শব্দ সিদ্ধ হয়। 'য ঈষ্টে সর্ৱৈশ্চর্য্যৱান্ ৱর্ত্ততে স ঈশ্বৰঃ"। যাৰ সত্য বিচাৰশীল জ্ঞান

আৰু অনন্ত ঐশ্বর্য্য আছে, সেই পৰমাত্মাৰ নাম "ঈশ্বৰ"। (দো অৱখণ্ডনে), এই ধাতুৰ পৰা "অদিতি" আৰু ইয়াৰ লগত তদ্ধিত প্রত্যয় যোগ হৈ "আদিত্য" শব্দ সিদ্ধ হয়। "ন বিদ্যতে বিনাশো যস্য সোঽয়মদিতিঃ, অদিতিবেব আদিত্যঃ"। যাৰ কেতিয়াও বিনাশ নাই সেই পৰমাত্মাৰ নাম "আদিত্য"। (জ্ঞা অৱবোধনে), "প্র" পূর্ব্বক এই ধাতুৰ পৰা "প্রজ্ঞ" হয়, আৰু ইয়াৰ লগত তদ্ধিত প্রত্যয় যোগ হৈ "প্রাজ্ঞ" শব্দ সিদ্ধ হয়। "যঃ প্রকৃষ্টতয়া চৰাচৰস্য জগতো ব্যৱহাৰং জানাতি স প্রাজ্ঞঃ, প্রজ্ঞ এব প্রাজ্ঞঃ"। যি অভ্রান্ত জ্ঞান সম্পন্ন আৰু যি সমস্ত চৰাচৰ জগতৰ ব্যাপাৰ যথার্থৰূপে জানে সেই ঈশ্বৰৰ নাম "প্রাজ্ঞ"। কেৱল "ম"কাৰৰ পৰা এইবোৰ নামৰ অর্থ গ্রহণ হয়। এই স্থলত যিদৰে এক এক মাত্রাৰ পৰা তিনিটাকৈ অর্থ ব্যাখ্যা হৈছে সেইদৰেই অন্য মাত্রাৰ অর্থও ওঙ্কাৰৰ পৰা বোধ হয়।

(শন্নো মিত্রঃ শং বরুঃ) এই বেদ মন্ত্রত মিত্র আদি নামেৰে পৰমাত্মা বোধক, কাৰণ স্তুতি, প্রার্থনা আৰু উপাসনা কেৱল শ্রেষ্ঠৰহে কৰা হয়। যাৰ গুণ কর্ম্ম স্বভাৱ আৰু সত্য ব্যৱহাৰ সর্ব্বাপেক্ষা মহান তাকেই শ্রেষ্ঠ বোলা হয়। শ্রেষ্ঠ সকলতকৈও যি শ্রেষ্ঠ তেওঁকেই পৰম শ্রেষ্ঠ পৰমেশ্বৰ বোলা হয়। তেওঁতকৈ শ্রেষ্ঠ একো নাই আৰু হবও নোৱাৰে। গতিকে পৰমাত্মা সর্ব্বশ্রেষ্ঠ। পৰমেশ্বৰৰ যেনে সত্য, ন্যায়, দয়া, সর্ব্বসামর্থ্য আৰু সর্ব্বজ্ঞত্ব আদি অনন্ত গুণ আছে তেনে অন্য জড় পদার্থ বা জীৱৰ নাই। যি বস্তু সত্য তাৰ গুণ, কর্ম্ম আৰু স্বভাৱো সত্য হয়। গতিকে মানুহে তেওঁৰ বাহিৰে আন কাকো স্তুতি, প্রার্থনা বা উপাসনা কৰিব নেলাগে। কিয়নো ব্রহ্মা, বিষ্ণু, মহাদেৱ আদি পূর্ব্বজ মহা মহা জ্ঞানী সকলে পৰমেশ্বৰৰ বিশ্বাস আৰু অনুভৱ কৰি স্তুতি প্রার্থনা আৰু উপাসনা কৰি গৈছে, আমিও সেই জ্ঞানী সকলৰ অনুকৰণ কৰাই উচিত। মুক্তি আৰু উপাসনা বিষয়ে বিশেষ আলোচনা কৰা হব।

প্রশ্ন :—মিত্র আদি নামৰ সখা আৰু ইন্দ্র আদি দেৱতা সকলৰ

প্রসিদ্ধ ব্যৱহাৰিক বা প্রচলিত অর্থই হোৱা উচিত। উত্তৰ :—এই স্থলত সেইবোৰ অর্থ অসঙ্গত। কাৰণ এজন এজনৰ মিত্র হলে আন এজনৰ শত্রু আৰু কাৰোবাৰ প্রতি উদাসীন পৰিলক্ষিত হয়। গতিকে মুখ্য অর্থত সখাদি গ্রহণ কৰা অসঙ্গত হয়। কিন্তু পৰমাত্মা সমস্ত জগতৰ নিশ্চিত মিত্র, কাৰৰাৰ প্রতি শত্রু বা কাৰোবাৰ প্রতি উদাসীনো নহয়, পৰমাত্মাৰ বাহিৰে কোনো জীৱেই তেনেকুৱা হব নোৱাৰে। গতিকেই এই ক্ষেত্রত পৰমাত্মাৰ অর্থহে সঙ্গত। অৱশ্যে গৌণ অর্থত মিত্রাদি শব্দৰ পৰা সুহৃদ প্রভৃতি অর্থও লোৱা হয়। (ঞি মিদা স্নেহনে) এই ধাতুৰ লগত ঔণাদিক "ক্ত্র" প্রত্যয় যোগ হৈ "মিত্র" শব্দ সিদ্ধ হয়। "মেদ্যতি স্নিহ্যতি স্নিহ্যতে বা স মিত্রঃ" যি সকলোকে স্নেহ কৰে আৰু যি সকলোৰে প্রীতিৰ যোগ্য সেই পৰমাত্মাৰ নাম "মিত্র"। (বৃঞ্ বৰণে, ৱৰ ঈপ্সায়াম্) এইবোৰ ধাতুৰ লগত উণাদি "উনন্" প্রত্যয় যোগত "বরুণ" শব্দ সিদ্ধ হয়। "যঃ সর্ব্বান্ শিষ্টান্ মুমুক্ষূন্ ধর্ম্মাত্মনো বৃণোত্যথবা যঃ শিষ্টৈর্মুমুক্ষুভির্ধর্ম্মাত্মভির্ব্রিয়তে বর্য্যতে বা স বরুণঃ পৰমেশ্বৰঃ"। যি আত্মযোগী, বিদ্বান, মুক্তিকামী মুক্ত আৰু ধর্ম্মাত্মা সকলক স্বীকাৰ কৰে, অথবা যি শিষ্ট, মুমুক্ষু, মুক্ত আৰু ধর্ম্মাত্মা সকলৰ দ্বাৰাই স্বীকৃত বা উপাসীত সেই ঈশ্বৰৰ নাম "বরুণ"। অথবা "বরুণো নাম বরঃ শ্রেষ্ঠ" সকলোতকৈ শ্রেষ্ঠ কাৰণেই পৰমেশ্বৰৰ নাম "বরুণ"। (ঋ গতি প্রাপণয়োঃ) এই ধাতুৰ লগত "যৎ" প্রত্যয় যোগ হৈ "অর্য্য" শব্দ সিদ্ধ হয়। "অর্য্য" পূর্ব্বক (মাঙ্ মানে) এই ধাতুৰ লগত "কনিন্" প্রত্যয়ৰ যোগত "অর্য্যমা" শব্দ সিদ্ধ হয়। যোঽর্য্যান্ স্বামিনো ন্যায়াধীশান্ মিমীতে মান্যান্ কৰোতি সোঽর্য্যমা" যি সত্য আৰু ন্যায়পৰায়ণ সকলক সহায় আৰু সম্মানিত কৰে, যি পাপ পুণ্যৰ যথোচিত নিয়ন্তা সেই পৰমেশ্বৰৰ নাম "অর্য্যমা"। (ইদি পৰমৈশ্বর্য্যে) এই ধাতুৰ লগত "ৱন্" প্রত্যয় যোগ হলে "ইন্দ্র" শব্দ সিদ্ধ হয়। "যঃ ইন্দতি পৰমৈশ্বর্য্যৱান্ ভৱতি স ইন্দ্রঃ পৰমেশ্বৰঃ।" যি অখিল ঐশ্বর্য্যৱান্ সেই পৰমাত্মাৰ নাম "ইন্দ্র"। "বৃহৎ" শব্দ পূর্ব্বক (পা ৰক্ষণে) এই ধাতুত "ডতি" প্রত্যয়, "বৃহৎ" শব্দৰ ত কাৰ

লোপ আৰু সুডাগম হোৱাত "বৃহস্পতি" শব্দ সিদ্ধ হয়। "যো বৃহতামাকাশাদীনাং পতিঃ স্বামী পালয়িতা স বৃহস্পতিঃ" যি মহততকৈও মহৎ, যি আকাশ আৰু ব্ৰহ্মাণ্ড সমূহৰো অধিপতি. সেই পৰমেশ্বৰ নাম "বৃহস্পতি"। (বিষ্‌ল্‌ ব্যাপ্তৌ) এই ধাতুৰ লগত "নু" প্ৰত্যয় যোগ হৈ "বিষ্ণু" শব্দ সিদ্ধ হয়। "বেবেষ্টি ব্যাপ্নোতি চৰাচৰং জগৎ স বিষ্ণুঃ"। চৰ আৰু অচৰ জগতত পৰিব্যাপ্ত গতিকে পৰমাত্মাৰ নাম "বিষ্ণু"। "উৰুর্মহান্‌ ক্রমঃ পৰাক্রমো যস্য স উৰুক্রমঃ" অনন্ত পৰাক্রমশালী গতিকে পৰমাত্মাৰ নাম "উৰুক্রম"। (উৰুক্রমঃ) পৰম পৰাক্রমী পৰমাত্মা (মিত্রঃ) সকলোৰে সুহৃদ, (শম্‌) কল্যাণ কাৰক, (বৰুণঃ) সৰ্বোত্তম্‌ ৰূপে (শম্‌) কল্যাণ কাৰক, (অৰ্যামা) ন্যায়াধীশ ৰূপে (শম্‌) কল্যাণ কাৰক, (ইন্দ্রঃ) সৰ্বৈশ্বৰ্যশালী আৰু সৰ্ব্ব সমৰ্থশালী ৰূপে (শম্‌) কল্যাণ কাৰক, (বৃহস্পতি) জগতৰ অধিষ্ঠাতা ৰূপে (শম্‌) কল্যাণ কাৰক বিদ্যাদাতা আৰু (বিষ্ণুঃ) সৰ্ব্বব্যাপী ৰূপে (শম) কল্যাণকাৰী, (নঃ) আমাৰ (ভৱতু) হওক।

(বায়ো তে ব্ৰহ্মণে নমোঽস্তু). (বৃহ বৃহি বৃদ্ধৌ) এইবোৰ ধাতুৰ পৰা "ব্ৰহ্ম" শব্দ সিদ্ধ হয়। যি সৰ্বোপৰি বিৰাজমান্‌, সৰ্ব্বাপেক্ষা বৃহৎ অনন্ত বীৰ্য্যশালী পৰমাত্মা. সেই ব্ৰহ্মক আমি নমস্কাৰ কৰো। হে পৰমেশ্বৰ! (ত্বমেৱ প্রত্যক্ষং ব্রহ্মাসি) তুমিয়েই অন্তৰস্থিত আৰু অন্তর্য্যামি ৰূপে প্রত্যক্ষ ব্রহ্ম (ত্বামেৱ প্রত্যক্ষং ব্রহ্ম বদিষ্যামি) আমি তোমাকেই প্রত্যক্ষ ব্রহ্ম বুলিম, কাৰণ তুমি সৰ্ব্বব্যাপক হৈ সদায় সকলোৰে অন্তৰত প্রাপ্ত হৈ আছা। (ঋতং বদিষ্যামি) হৃদীস্থিত তোমাৰ অনুভূতিকেই সকলোকে কম, আৰু নিজেও আচৰণ কৰিম। (সত্যং বদিষ্যামি) সত্য বুলিম, আৰু আচৰণ কৰিম। (তন্মামৱতু) গতিকে তুমি আমাক ৰক্ষা কৰা। (তদ্বক্তাৰমৱতু) সেই দেখি মোক সত্য বক্তাক ৰক্ষা কৰা অৰ্থাৎ আমাৰ সত্যত প্রবৃত্তি হওক, যেন আমাৰ বুদ্ধি বিপৰীত নহয়, কাৰণ আমাৰ অল্পজ্ঞাৰ নিৰপেক্ষ অনুভূচিয়েই তোমাৰ আদেশ, সেয়েই আমাৰ ধৰ্ম্ম আৰু তাৰ বিপৰীত হলেই অধৰ্ম্ম।

(অৱতু মামৱতু বক্তাৰম্‌) এই দ্বিৰুক্তি দৃঢ়তাসূচক অৰ্থত ব্যৱহাৰ হয়। যেনে "কশ্চিৎ কঞ্চিৎ প্রতি বদতি ত্বং গ্রামং গচ্ছ গচ্ছ", ইয়াত ক্রিয়াৰ দুবাৰ উচ্চাৰণৰ অৰ্থ তুমি শীঘ্রেই গাৱঁলৈ যোৱা, সেই দৰেই এই স্থলতো তুমি অৱশ্যেই আমাক ৰক্ষা কৰা, অৰ্থাৎ আমাৰ যাতে সদায় অধৰ্ম্মত নিবৃত্তি আৰু ধৰ্ম্মত প্রবৃত্তি উদয় হয়, ইয়াকেই আমি তোমাৰ পৰা বাঞ্ছা কৰো। এয়েই তোমাৰ মহৎ উপকাৰ। (ওঁ শান্তিঃ শান্তিঃ শান্তিঃ)„ তিনিবাৰ শান্তি শান্তি উচ্চাৰণ কৰাৰ অৰ্থ কি? এই সংসাৰত তিনি বিধ তাপ বা দুঃখ আছে:—প্রথম "আধ্যাত্মিক" শাৰীৰিক আৰু মানসিক দুঃখ, দ্বিতীয়:—"আধিভৌতিক" অন্যান্য ভূত প্রাণিৰ দ্বাৰাই হোৱা দুঃখ, তৃতীয়—"আধিদৈৱিক"—অৰ্থাৎ বাত, বৃষ্টি, তাপ শীত আদিৰ পৰা অনুভৱ হোৱা দুঃখ, তুমি আমাক এই ত্রিবিধ দুঃখৰ পৰা ৰক্ষা কৰি সৎ পথ প্রদর্শন কৰা। কাৰণ তুমি পৰম কল্যাণ স্বৰূপ, জগতৰ কল্যাণকাৰী আৰু ধৰ্ম্মপৰায়ণ আৰু মুক্তিকামী সকলৰ শান্তিদাতা। গতিকে তুমি জন্ম জড়া মৰণশীল সকলো প্রাণীৰ হৃদয়ত প্রকাশমান হৈ ধৰ্ম্মত প্রবৃত্তি, অধৰ্ম্মত নিবৃত্তি কৰি সকলোকে পৰমানন্দ আৰু শান্তি প্রদান কৰি তোমাৰ সুষ্টিত শান্তি প্রতিষ্ঠা কৰা। "সূর্য্য আত্মাজগতস্তস্থুষশ্চ" এই যজুর্ব্বেদৰ বচনানুসাৰে জগৎ অৰ্থাৎ চেতন প্রাণী জঙ্গম বা গতিশীল. "তস্থুষঃ", অপ্রাণী অৰ্থাৎ স্থাৱৰ পৃথিবী আদি সকলোৰে আত্মা আৰু স্বপ্রকাশেৰে সকলোকে প্রকাশিত কৰে গতিকে পৰমেশ্বৰৰ নাম "সূর্য্য"। (অত সাতত্য গমনে) এই ধাতুৰ পৰা "আত্মা" শব্দ সিদ্ধ হয়। যোঽততি ব্যাপ্নোতি স আত্মা" যি সমস্ত জগতত পৰিব্যাপ্ত হৈ নিৰন্তৰ আছে সেই সত্তাই আত্মা। "পৰশ্চাসাৱাত্মা চ ষ আত্মভ্যো জীৱেভ্যঃ সূক্ষ্মেভ্যঃ পৰোঽতিসূক্ষ্মঃ স পৰমাত্মা" জীৱ আৰু প্রকৃতি আকাশতকৈ সূক্ষ্ম, পৰমাত্মা জীৱ আৰু প্রকৃতিতকৈও সূক্ষ্ম আৰু জীৱৰ অন্তর্যামী কাৰণেই পৰমাত্মা বোলা হয়। যি সৰ্ব্ব সামর্থ্যৱান তেওঁৰেই ঈশ্বৰ। "যঃ ঈশ্বৰেষু সমৰ্থেষু" পৰমঃ শ্রেষ্ঠঃ স পৰমেশ্বৰঃ, যি ঈশ্বৰ আৰু সমর্থৱানতকৈও শ্রেষ্ঠ, যাৰ সম

কোনো নাই তেওঁৰেই পৰমেশ্বৰ। (যুঞ অভিষৱে, ষূঙ্ প্রাণীগর্ভৰিমোচনে) এই ধাতুৰ পৰা "সৱিতা" শব্দ সিদ্ধ হয়। "অভিষৱঃ প্রাণিগর্ভৰিমোচনং চোৎপাদনম্। যশ্চৰাচৰং জগৎ সুনোতি সূতে বোৎপাদয়তি স সৱিতা পৰমেশ্বৰঃ" যি সমস্ত জগতৰ উৎপত্তি বা সৃষ্টিকর্ত্তা তেওঁৰেই "সৱিতা"। (দিৱু ক্রীড়া ৱিজিগীষা-ব্যৱহাৰ-দ্যুতি-স্তুতি-মোদ-মদ স্বপ্ন কান্তিগতিষু) এই ধাতুৰ পৰা "দেৱ" শব্দ সিদ্ধ হয়। (ক্রীড়া) শুদ্ধ জগতক ক্রীড়াশীল কৰাই, (ৱিজিগীষা) ধর্ম্ম পৰায়ণ জয় কৰিবলৈ ইচ্ছুক (ব্যৱহাৰ) সকলো প্রকাৰ চেষ্টাৰ সাধন উপসাধন দাতা, (দ্যুতি) স্বয়ং প্রকাশ স্বৰূপ, আৰু সকলোৰে প্রকাশক, (স্তুতি) প্রশংসাৰ যোগ্য (মোদ) স্বয়ং আনন্দস্বৰূপ, আৰু সকলোৰে আনন্দদায়ক (মদ) মদোন্মত্তক দমন কর্ত্তা, (স্বপ্ন) সকলোৰে ৱিশ্রামৰ বাবে ৰাতি আৰু প্রলয় কর্ত্তা, (কান্তি) কামনাৰ যোগ্য আৰু (গতি) জ্ঞান স্বৰূপ, গতিকে পৰমেশ্বৰৰ নাম "দেৱ"। অথবা "যো দীব্যতি ক্রীড়তি, স দেৱঃ", যি নিজৰ স্বৰূপত নিজেই আনন্দত ক্রীড়া কৰে, বা যি আনৰ সহায় বিনা, খেলাৰ দৰে স্বভাৱৰবশ সমস্ত জগৎ নির্ম্মাণ কৰে, বা যি সকলো ক্রীড়াৰ আধাৰ, "ৱিজিগীষতে স দেৱঃ"—যি সকলোৰে জয়ী, আৰু স্বয়ং অজেয়; "ব্যৱহাৰয়তি স দেৱঃ", যি ন্যায় অন্যায় ব্যৱহাৰৰ জ্ঞাতা আৰু উপদেষ্টা; "যশ্চৰাচৰং জগৎ দ্যোতয়তি" যি সকলোৰে প্রকাশক; "যঃ স্তূয়তে স দেৱঃ", যি সকলোৰে স্তুতিৰ যোগ্য; "যো মোদয়তি স দেৱঃ", যি স্বয়ং আনন্দ স্বৰূপ আৰু সকলোৰে আনন্দ দাতা, যাৰ দুঃখ সুখ সমান, "যো মাদ্যতি স দেৱঃ", যি সর্ব্বদা হর্ষিত, শোক ৰহিত আৰু আন সকলোৰে শোক মোচন কৰে, "যঃ স্বাপয়তি স দেৱঃ"—যি প্রলয় কালত সকলোকে অব্যক্তত লীন বা নিদ্রিত কৰে, "যঃ কাময়তে কাম্যতে বা স দেৱঃ" যাৰ সকলো কামনা সত্য আৰু শিষ্টগণ যাৰ প্রাপ্তিৰ কামনা কৰে; "যো গচ্ছতি গম্যতে বা স দেৱঃ", যি সকলোতে ব্যাপ্ত আৰু যাক জনাৰ প্রয়োজন সেই পৰমাত্মাৰ নাম "দেৱঃ।" (কুৰি আচ্ছাদনে) এই ধাতুৰ পৰা "কুৰেৰ" শব্দ সিদ্ধ হয়। "যঃ সর্ব্বং কুরতি-স্বব্যাপ্ত্যা-

চ্ছাদয়তি স কুৰেৰো জগদীশ্বৰঃ" যি নিজৰ ব্যাপ্তি দ্বাৰা সমস্ত আৱৰি আছে সেই পৰমাত্মাৰ নাম "কুৰেৰ"। (প্রথ বিস্তাৰে) এই ধাতুৰ পৰা "পৃথিৱী" শব্দ সিদ্ধ হয়। "যঃ প্রথতে সর্ব্বজগদ্বিস্তৃণাতি স পৃথিৱী" জগৎ বিস্তাৰ কাৰক গতিকে পৰমাত্মাৰ নাম "পৃথিৱী"। (জল ঘাতনে) এই ধাতুৰ পৰা "জল" শব্দ সিদ্ধ হয়। "জলতি ঘাতয়তি দুষ্টান্ সংঘাতয়তি অব্যক্ত পৰমাণ্বাদীন্ তদ্ব্রহ্ম জলম্" যি দুষ্টক দমন কৰে, আৰু অব্যক্ত আৰু পৰমাণুৰ পাৰস্পৰিক সংযোগ বা ৱিয়োগ ঘটায়—সেই পৰমাত্মাৰ নাম "জল"। (কাশৃ দীপ্তৌ) এই ধাতুৰ পৰা "আকাশ" শব্দ সিদ্ধ হয়। "যঃ সর্ব্বতঃ সর্ব্বং জগৎ প্রকাশয়তি স আকাশঃ" জগতৰ সকলো দিশ প্রকাশক গতিকে পৰমাত্মাৰ নাম "আকাশ"। (অদ-ভক্ষণে) এই ধাতুৰ পৰা "অন্ন" শব্দ সিদ্ধ হয়।

অদ্যতেঽত্তি ভূতানি তস্মাদন্নং তদুচ্যতে ॥ ১ ॥
অহমন্ন মহমন্নমহমন্নম। অহমন্নাদোঽমন্নাদোঽমন্নাদঃ ॥ ২ ॥
তৈত্তিঃ উপনিঃ। (অনুবাক-২।১০)

অত্তা চৰাচৰগ্রহণাৎ ॥ (ৱেদান্তদর্শন) অঃ ১। পাঃ ২। সূঃ ৯॥

এইটো ব্যাস মুনিৰ ৰচিত শাৰীৰিক সূত্র। যি সকলোকে নিজৰ ভিতৰত ৰাখিছে, যি সকলোৰে জ্ঞানৰ যোগ্য, যি চৰাচৰ জগতৰ গ্রহণ কর্ত্তা, সেই পৰমাত্মাৰ নাম "অন্ন" "অন্নাদ" আৰু "অত্তা"। ইয়াত শ্রদ্ধা আৰু নিশ্চয় সূচক অর্থত তিনিবাৰ উচ্চাৰণ কৰা হৈছে। যেনেকৈ ডিমৰ ফলৰ ভিতৰতে পোক উৎপন্ন হয়, তাতেই থাকে আৰু ভিতৰতেই নষ্ট হৈ যায়; সেইদৰে পৰমাত্মাৰ গর্ভতেই সমস্ত জগতৰ উৎপত্তি, স্থিতি আৰু লয় হয়। (ৱস নিৱাসে) এই ধাতুৰে "ৱসু" শব্দ সিদ্ধ হয়। "ৱসন্তি ভূতানি যস্মিন্নথৱা যঃ সর্ব্বেষু ৱসতি স ৱসুৰীশ্বৰঃ" যত আকাশাদি সকলো ভূত বাস কৰে, আৰু যি সকলোতে বাস কৰিছে সেই পৰমাত্মাৰ নাম "ৱসু"। (কদিৰ অশ্রু ৱিমোচনে), এই ধাতুৰ লগত ণিচ্ প্রত্যয় যোগ হৈ "রুদ্র" শব্দ সিদ্ধ হয়। "যো

বোদয়ত্যন্যায়কারিণোঽনান্ স রুদ্রঃ"—যি দুষ্কর্ম্মকাৰীক দণ্ড দিয়ে সেই পৰমাত্মাৰ নাম "ৰুদ্ৰ"। **"যন্মনসা ধ্যায়তি তদ্বাচা বদতি যদ্ বাচা বদতি তত্ কর্ম্মণা করোতি যত্ কর্ম্মণ করোতি তদভিসম্পদ্যতে।"**

এইটো যজুৰ্বেদীয় ব্ৰাহ্মণ গ্ৰন্থৰ বচন। জীৱই যিহক মনেৰে ধ্যান কৰে তাকেই বাণীৰে কয়, যিহকে বাণীৰে কয় তাকেই কৰ্ম্মৰ দ্বাৰা কৰে, যি কৰ্ম্মৰ দ্বাৰা কৰে তাকেইহে প্ৰাপ্ত হয়। ইয়াৰ দ্বাৰা সিদ্ধ হয় যে জীৱই যেনে কৰ্ম্ম কৰে তেনে ফলহে পায়। যেতিয়া দুষ্ট কৰ্ম্মকাৰী জীৱই ঈশ্বৰৰ ন্যায়ৰূপী ব্যৱস্থাৰ দ্বাৰা দুঃখৰূপ ফল পায় তেতিয়া কান্দিব লগা হয় আৰু এনেদৰেই ঈশ্বৰেও সেই জীৱক দণ্ড দিয়ে। এই বাবে পৰমেশ্বৰৰ নাম "ৰুদ্ৰ"।

আপো নারা ইতি প্রোক্তা আপো বৈ নর সূনবঃ।
তা যদস্যায়নং পূর্ব্বং তেন নারায়ণঃ স্মৃতঃ॥

মনু॥ (অঃ ১। শ্লোঃ ১০)

জল আৰু জীৱসমূহৰ নাম "নাৰা", অয়ন মানে নিবাসস্থান, যি সকলো জীৱৰ নিবাসস্থান, সেই ব্যাপক পৰমাত্মাৰ নাম "নাৰায়ণ"। (চদি আহ্লাদে) এই ধাতুৰ পৰা "চন্দ্ৰ" শব্দ সিদ্ধ হয়। "যঃ চন্দতি চন্দয়তি বা স চন্দ্ৰ"—যি আনন্দ স্বৰূপ আৰু যি সকলোৰে আনন্দদাতা, সেই পৰমাত্মাৰ নাম "চন্দ্ৰ"। (মতি গত্যৰ্থক) এই ধাতুৰ পৰা "মঙ্গেৰলচ্" এই সূত্ৰানুসাৰে "মঙ্গল" শব্দ সিদ্ধ হয়। "যো মঙ্গতি মঙ্গয়তি বা স মঙ্গলঃ" যি স্বয়ং মঙ্গল স্বৰূপ, আৰু সকলোৰে মঙ্গলৰ কাৰণ, সেই পৰমাত্মাৰ নাম "মঙ্গল"। (বুধ অৱগমনে) এই ধাতুৰ পৰা "বুধ" শব্দ সিদ্ধ হয়। "যো বুধ্যতে বোধয়তি বা স বুধঃ"—যি স্বয়ং বুধস্বৰূপ আৰু সকলো প্ৰাণীৰ বোধৰ কাৰণ, সেই পৰমাত্মাৰ নাম "বুধ"।

"বৃহস্পতি" শব্দৰ অৰ্থ আগতেই ব্যাখ্যা কৰা হৈছে। (ঈশুচিৰ পুতি ভাৱে) এই ধাতুৰ পৰা "শুক্ৰ" শব্দ সিদ্ধ হয়। "যঃ শুচতি শোচয়তি বা স শুক্রঃ" যি অত্যন্ত পৱিত্ৰ আৰু যাৰ সঙ্গৰ দ্বাৰা জীৱও পৱিত্ৰ হয়,

এই গতিকে পৰমেশ্বৰৰ নাম "শুক্ৰ"। (চৰ গতি ভক্ষণয়োঃ) এই ধাতুৰ লগত "শনৈস্" অব্যয় উপপদ যোগ হৈ "শনৈশ্চৰ" শব্দ সিদ্ধ হয়। "যঃ শনৈশ্চৰতি স শনৈশ্চৰঃ" যি সকলোৰে ভিতৰত সহজ প্ৰাপ্ত আৰু ধৈৰ্য্যৱান্ সেই পৰমেশ্বৰৰ নাম "শনৈশ্চৰ"। (ৱহ ত্যাগে) এই ধাতুৰ পৰা "ৰাহু" শব্দ সিদ্ধ হয়। "যো ৰহতি পৰিত্যাজতি দুষ্টান্, ৰাহয়তি পৰিত্যাজয়তি বা স ৰাহুৰীশ্বৰঃ" যি একান্ত স্বৰূপ, যাৰ পৰম স্বৰূপত অন্য বস্তু নাই, যি নির্দ্দোষ বা দোষ পৰিত্যক্ত সেই পৰমাত্মাৰ নাম "ৰাহু"। (কিত নিবাসে ৰোগাপনয়নে চ) এই ধাতুৰ পৰা "কেতু" শব্দ সিদ্ধ হয়। "যঃ কেতয়তি চিকিৎসতি বা স কেতুৰীশ্বৰঃ" যি সমস্ত জগতৰ নিবাসস্থান, যি সর্ব্ব ব্যাধি ৰহিত, যি মুক্তিকামী সকলৰ মুক্তি সময়ত ৰোগ মুক্ত কৰে, সেই পৰমাত্মাৰ নাম "কেতু"। (যজ্ দেৱ পূজা-সঙ্গতি কৰণ দানেষু) এই ধাতুৰ পৰা "যজ্ঞ" শব্দ সিদ্ধ হয়। "যজ্ঞো ৱৈ বিষ্ণুঃ" এই হল ব্ৰাহ্মণ গ্ৰন্থৰ বচন। "যো যজতি বিদ্বদ্ভিৰিজ্যতে বা স যজ্ঞঃ" যি সর্ব্ব ব্যাপ্ত হৈ জগতৰ সকলোকে সংযুক্ত কৰে, যি ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি সকলো বিদ্বান ঋষি মুনিৰ পূজ্য সেই পৰমেশ্বৰৰ নাম "যজ্ঞ"। (হুদানাঽদনয়োঃ আদানে-চেত্যেকে) এই ধাতুৰ পৰা "হোতা" শব্দ সিদ্ধ হয়। "যো জুহোতি স হোতা" যি প্ৰাণীৰ দেয় পদাৰ্থৰ দাতা, আৰু যি গ্ৰহণীয় পদাৰ্থৰ গ্ৰহীতা সেই পৰমাত্মাৰ নাম "হোতা"। (বন্ধ বন্ধনে) এই ধাতুৰ পৰা বন্ধু শব্দ সিদ্ধ হয়। "যঃ স্বস্মিন্ চৰাচৰং জগদ্ বধ্নাতি, বন্ধুবদ্ধর্ম্মাত্মানাং সুখায় সহায়ো বা বর্ত্ততে স বন্ধুঃ" যি নিজৰ ভিতৰত সমস্ত লোক লোকান্তৰ নিয়ম বদ্ধ কৰি ৰাখিছে, আৰু সকলোৰে সহোদৰৰ দৰে সহায়ক, গতিকে কোনেও স্ব স্ব পৰিধি বা নিয়মৰ উলঙ্ঘণ কৰিব নোৱাৰে। ভাতৃৰ দৰে পৰমেশ্বৰও পৃথিৱী আদি সকলো লোকৰ ধাৰণ, পোষণ আৰু সুখ দিয়া বাবে "বন্ধু" সংজ্ঞক হয়। (পা ৰক্ষণে) এই ধাতুৰ পৰা "পিতা" শব্দ সিদ্ধ হয়। "যঃ পাতি সর্ব্বান্ স পিতা"— তেওঁ

সকলোৰে ৰক্ষক। পিতাই যেনেকৈ নিজৰ সন্তানৰ প্ৰতি সদায় কৃপালু হৈ উন্নতি কামনা কৰে। সেইদৰে পৰমেশ্বৰে জীৱৰ উন্নতি কামনা কৰে, গতিকে তেওঁৰ নাম "পিতা"। "যঃ পিতৃনাং পিতা স পিতামহঃ।" পিতৃ সকলৰো পিতা কাৰণে পৰমাত্মাক পিতামহ বোলা হয়। যঃ পিতা মহানাং পিতা স প্ৰপিতামহঃ" যি পিতামহ সকলৰো পিতা সেই পৰআত্মা "প্ৰপিতামহ"। 'যো মিমীতে মানয়তি সৰ্ব্বান্ জীৱান্ স মাতা"—কৃপাময়ী জননীয়ে সন্তানৰ কল্যাণ কামনা কৰাৰ দৰে পৰমেশ্বৰে জগতৰ সকলোৰে বৃদ্ধি কামনা কৰে গতিকে পৰমেশ্বৰৰ নাম "মাতা"। (চৰ গতি ভক্ষণয়োঃ) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আচাৰ্য্য শব্দ সিদ্ধ হয়। "যঃ আচাৰং গ্ৰাহয়তি সৰ্ব্বা বিদ্যা বোধয়তি স আচাৰ্য্য ঈশ্বৰঃ।" যি সত্য আচাৰ আনৰ দ্বাৰাই প্ৰদৰ্শন আৰু গ্ৰহণ কৰায়, যি সকলো বিদ্যা প্ৰাপ্তিৰ হেতু হৈ জ্ঞান প্ৰাপ্ত কৰায় সেই পৰমাত্মাৰ নাম "আচাৰ্য্য"। (গৃ শব্দে) এই ধাতুৰ পৰা "গুৰু" শব্দ সিদ্ধ হয়। "যো ধৰ্ম্যান্ শব্দান্ গৃণাত্যুপদিশতি স গুৰুঃ"।

স এষ পূৰ্ব্বেষামপি গুৰুঃ কালেনানবচ্ছেদাৎ ॥

যোগসূত্ৰ। সমাধি পাদ সূঃ ২৬ ॥

এইটো যোগ দৰ্শনৰ সূত্ৰ। যি সৰ্ব্ববিদ্যাযুক্ত আৰু সত্য ধৰ্ম্মৰ প্ৰতিপাদক বেদৰ উপদেষ্টা, সৃষ্টিৰ আদিত অগ্নি, বায়ু, আদিত্য আদিৰ, আৰু ব্ৰহ্মাদিৰ গুৰু সকলৰো গুৰু আৰু যি অবিনাশী সেই পৰআত্মাৰ নাম "গুৰু"। (অজ গতি ক্ষেপণয়োঃ, জনী প্ৰাদুৰ্ভাৱে), এইবোৰ ধাতুৰ পৰা "অজ" শব্দ সিদ্ধ হয়। "যোঽজতি সৃষ্টিং প্ৰতি সৰ্ব্বান্ প্ৰকৃত্যাদীন্ পদাৰ্থান্ প্ৰক্ষিপতি জানাতি বা কদাচিন্নজায়তে সোঽজঃ" যি প্ৰকৃতিৰ সমস্ত অবয়ৱ আকাশাদি ভূত, পৰমাণু সমূহক যথাযোগ্য সংযোগ কৰে, শৰীৰৰ লগত জীৱৰ সম্বন্ধ ঘটাই জন্ম দিয়ে, কিন্তু স্বয়ং অজ (যাৰ জন্ম নাই) সেই পৰমাত্মাৰ নাম "অজ"।

(বৃহ বৃহি বৃদ্ধৌ) এইবোৰ ধাতুৰ পৰা ব্ৰহ্মা শব্দ সিদ্ধ হয়।

"যোঽখিলং জগন্নির্ম্মাণেন বৃংহতি বৰ্দ্ধয়তি স ব্ৰহ্মা"। সম্পূৰ্ণ জগতক ৰচনা কৰি বৰ্দ্ধিত কৰে কাৰণে পৰমেশ্বৰৰ নাম ব্ৰহ্ম। "সত্যং জ্ঞানমনন্তং ব্ৰহ্ম" এইটো তৈত্তিৰীয় উপনিষদৰ বচন। "সন্তীতি সন্তস্তেষু সৎসু সাধু তৎ সত্যম্। যজ্জানাতি চৰাচৰং জগৎ তৎ জ্ঞানম্। ন বিদ্যতেঽন্তো ৱধিৰ্মৰ্যাদা যস্য তদনন্তম্। সৰ্ব্বেভ্যো বৃহত্ত্বাদ্ ব্ৰহ্ম"। জগতৰ পদাৰ্থ-বোৰক সৎ বোলা হয়—আৰু এই সৎ পদাৰ্থবোৰৰ ভিতৰত পৰমেশ্বৰেই সাধু; গতিকে পৰমেশ্বৰৰ নাম "সত্য"। সকলোকে জানে বা সৰ্ব্বজ্ঞ কাৰণে পৰমাত্মাৰ নাম "জ্ঞান"। আদি, অন্ত, অৱধি, পৰিমাণ আৰু মৰ্য্যাদা বিহীন গতিকে পৰমাত্মাৰ নাম "অনন্ত"।

(ডুদাঞ্ দানে) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আদি শব্দ আৰু নঞ্ পূৰ্ব্বক অনাদি শব্দ সিদ্ধ হয়। "যস্মাৎ পূৰ্ব্বং নাস্তি পৰং চাস্তি স আদিৰিত্যুচ্যতে [মহাভাষ্য ১।১।২১]। ন বিদ্যতে আদিঃ কাৰণং যস্য সোঽনাদিৰীশ্বৰঃ"- পৰমেশ্বৰৰ আদি কাৰণ একো নাই গতিকে অনাদি বোলা হয়। (টুনদি সমৃদ্ধৌ) আঙ্ পূৰ্ব্বক হৈ এই ধাতুৰ পৰা আনন্দ শব্দ সিদ্ধ হয়। আনন্দন্তি সৰ্ব্বে মুক্তা যস্মিন্ যদা, যঃ সৰ্ব্বান্ জীৱানানন্দয়তি স আনন্দঃ" যি আনন্দ স্বৰূপ, যি মুক্তিকামী আত্মযোগী সকলক আনন্দিত কৰে সেই পৰমাত্মা "আনন্দ"। (অস ভুৱি) এই ধাতুৰ পৰা "সৎ" শব্দ সিদ্ধ হয়। "যদস্তি ত্ৰিষু কালেষু ন বাধ্যতে তৎ সদ্ ব্ৰহ্ম" যি সদৈৱ বৰ্ত্তমান অৰ্থাৎ ভূত, ভৱিষ্যৎ আৰু বৰ্ত্তমান তিনিও কালত বাধাহীন, সেই পৰমেশ্বৰ "সৎ"।

(চিতী সংজ্ঞানে) এই ধাতুৰ পৰা "চিৎ" শব্দ সিদ্ধ হয়। "যশ্চেতয়তি চেতয়তি সংজ্ঞাপয়তি সৰ্ব্বান্ সজ্জনান্ যোগিনস্তচ্চিৎ পৰং ব্ৰহ্ম"। যি স্বয়ং চেতন স্বৰূপ, সকলোৰে চেতনাৰ কাৰণ আৰু যি সত্য অসত্যৰ জ্ঞাতা সেই পৰমাত্মাৰ নাম "চিৎ"। এই তিনি শব্দৰ বিশেষণৰ পৰমাত্মাক "সচ্চিদানন্দস্বৰূপ" বোলে।

"যো নিত্যধ্রুবোঽচলোঽবিনাশী স নিত্যঃ" যি নিশ্চল আৰু অবিনাশী, তেওঁ "নিত্য" ঈশ্বৰ। (শুদ্ধ শুদ্ধৌ) এই ধাতুৰ পৰা "শুদ্ধ" শব্দ সিদ্ধ হয়। "যঃ শুদ্ধতি সর্ব্বান্ শোধয়তি বা স শুদ্ধ ঈশ্বরঃ",—যি স্বয়ং পবিত্র সকলো অশুদ্ধিৰ পৰা শুদ্ধস্বৰূপ, পৃথক আৰু সকলোকে শুদ্ধ কৰে, সেই পৰমেশ্বৰৰ নাম "শুদ্ধ"। (বুধ অবগমনে) এই ধাতুৰ লগত "ক্ত" প্রত্যয় যোগ হৈ "বুদ্ধ" শব্দ সিদ্ধ হয়। "যো বুদ্ধবান্ সদৈব জ্ঞাতাস্তি স বুদ্ধো জগদীশ্বরঃ"—যি সদৈব সর্ব্বজ্ঞ, সেই ঈশ্বৰৰ নাম "বুদ্ধ"। (মুচ্ল্ মোচনে) এই ধাতুৰ পৰা "মুক্ত" শব্দ সিদ্ধ হয়। "যো মুঞ্চতি মোচয়তি বা মুমুক্ষূন্ স মুক্তো জগদীশ্বরঃ"—যি সর্ব্বদা সর্ব্বপ্রকাৰ বন্ধনহীন আৰু মুমুক্ষু সকলকো ক্লেশ মুক্ত কৰে, সেই পৰমাত্মাৰ নাম "মুক্ত"। "অতএব নিত্য শুদ্ধ বুদ্ধ মুক্ত স্বভাবো জগদীশ্বরঃ" পৰমেশ্বৰৰ স্বভাব নিত্য, শুদ্ধ, (বুদ্ধ) আৰু মুক্ত। (ড়ুকৃঞ্ কৰণে) নিৰ্ আৰু আঙ্ পূর্ব্বক এই ধাতুৰ পৰা "নিৰাকাৰ" শব্দ সিদ্ধ হয়। "নির্গত আকাৰাৎ স নিৰাকাৰঃ"। যাৰ আকাৰ নাই, যাৰ শৰীৰ নাই, সেই পৰমাত্মাৰ নাম "নিৰাকাৰ"।

(অঞ্জু ব্যক্তিম্রক্ষণকান্তিগতিষু) এই ধাতুৰ পৰা "অঞ্জন" শব্দ সিদ্ধ হয় আৰু "নিৰ্" উপসর্গৰ যোগত "নিৰঞ্জন" শব্দ সিদ্ধ হয়। "অঞ্জনং ব্যক্তির্ম্রক্ষণং কুকাম ইন্দ্রিয়ৈঃ প্রাপ্তিশ্চেত্যস্মাদ্যো নির্গতঃ পৃথগ্ভূতঃ স নিৰঞ্জনঃ"—যি ব্যক্তি অর্থাৎ আকৃতি, মেচ্ছাচাৰ, দুষ্ট কামনা আৰু চক্ষু আদি ইন্দ্রিয় সমূহৰ বিষয় পথৰ পৰা ভিন্ন, সেই পৰম তত্ত্বৰ নাম "নিৰঞ্জন"।

(গণ সংখ্যানে) এই ধাতুৰ পৰা "গণ" শব্দ সিদ্ধ হয় আৰু ইয়াৰ লগত "ঈশ" বা পতি শব্দ যোগ হলে "গণেশ" আৰু "গণপতি" শব্দ সিদ্ধ হয়। "যে প্রকৃত্যাদয়ো জড়া জীৱাশ্চ গণ্যন্তে সংখ্যায়ন্তে তেষামীশঃ স্বামী পতিঃ পালকো বা" যি প্রকৃতি আদি জড় আৰু জীৱ জগতৰ স্বামী বা পালন কর্ত্তা সেই ঈশ্বৰৰ নাম "গণেশ" বা "গণপতি"। "যো বিশ্বমীষ্টে স বিশ্বেশ্বরঃ"—যি সংসাৰৰ অধিষ্ঠাতা তেওৰ নাম "বিশ্বেশ্বৰ"।

"যঃ কুটেনেকবিধব্যবহারে—স্বস্বরূপেণৈব তিষ্ঠতি স কুটস্থঃ পরমেশ্বরঃ"—যি সকলো ব্যবহাৰতে ব্যাপ্ত আৰু সকলো ব্যবহাৰৰ আধাৰ হৈও, কোনো ব্যবহাৰতেই স্ব-স্বৰূপত অপৰিবর্ত্তন সেই পৰম তত্ত্বৰ নাম "কুটস্থ"।

যিমানবোৰ "দেব" শব্দৰ অর্থ লিখা হৈছে দেবী শব্দও সিমানেই আছে। পৰমেশ্বৰৰ নাম তিনিও লিঙ্গত আছে; যেনে—"ব্রহ্ম চিতিৰীশ্বরশ্চেতি" যেতিয়া ঈশ্বৰৰ বিশেষণ হয় তেতিয়া "দেব", যেতিয়া চিতিৰ হয় তেতিয়া "দেবী"; গতিকে পৰমেশ্বৰৰ নাম "দেবী"।

(শক্লৃ সক্তৌ) এই ধাতুৰ পৰা "শক্তি" শব্দ হয়। "যঃ সর্ব্ব জগৎ কর্ত্তুংশক্নোতি স "শক্তিঃ"—যি জগৎ সৃষ্টিৰ সমর্থ বা জগতৰ শক্তি সেই পৰম তত্ত্বৰ নাম "শক্তি"। (শ্রিঞ্ সেৱায়াম্) এই ধাতুৰ পৰা "শ্রী" শব্দ সিদ্ধ হয়। "যঃ শ্রীয়তে সেৱ্যতে সর্ব্বেণ জগতা বিদ্বদ্ভির্যোগিভিশ্চ স শ্রীৰীশ্বরঃ"—জ্ঞানী, যোগী সকলে যাৰ সেৱা কৰে সেই পৰমাত্মাৰ নাম "শ্রী"।

(লক্ষ দর্শনাঙ্কনয়োঃ) এই ধাতুৰ পৰা "লক্ষ্মী" শব্দ সিদ্ধ হয়। "যো লক্ষয়তি পশ্যত্যঙ্কতে চিহ্নয়তি চৰাচৰং জগদখবা বেদৈৰাপ্তৈর্যোগিভিশ্চ যো লক্ষ্যতে স লক্ষ্মীঃ সর্ব্বপ্রিয়েশ্বরঃ"—লক্ষ্মী শব্দৰ অর্থ দেখা আৰু চিহ্নিত কৰা অর্থাৎ দৃশ্য উৎপত্তি কৰা। যেনে ব্যক্তি শৰীৰৰ ৰূপ ৰং অঙ্গ প্রত্যঙ্গ আদি, বৃক্ষৰ অৱয়ব, পত্র, পুষ্প, ফল, মূল আদি, পৃথিবী আৰু জলৰ, কৃষ্ণ, ৰক্ত, শ্বেত, মৃত্তিকা, পাষাণ আৰু চন্দ্র সূর্য্যাদিৰ লাক্ষণিক দৃশ্য উৎপত্তি কর্ত্তা, সকলোৰে দর্শক, সকলো শোভাৰ সৌন্দর্য্য, সকলো শাস্ত্র বা ধার্ম্মিক, জ্ঞানী আৰু যোগীসকলৰ পৰম লক্ষ্য, যাৰ দর্শন সকলোৱে বাঞ্ছা কৰে, সেই পৰম ঐশ্বর্য্যৱান পৰমাত্মাৰ নাম "লক্ষ্মী"।

(সৃ গতৌ) এই ধাতুৰ পৰা "সৰস্" আৰু ইয়াৰ লগত মতুপ্ আৰু ঙীপ্ প্রত্যয় যোগ হৈ "সৰস্বতী" শব্দ সিদ্ধ হয়। "সৰো বিবিধং জ্ঞানং

সকলোৰে ৰক্ষক। পিতাই যেনেকৈ নিজৰ সন্তানৰ প্ৰতি সদায় কৃপালু হৈ উন্নতি কামনা কৰে। সেইদৰে পৰমেশ্বৰে জীৱৰ উন্নতি কামনা কৰে, গতিকে তেওঁৰ নাম "পিতা"। "যঃ পিতৃনাং পিতা স পিতামহঃ।" পিতৃ সকলৰো পিতা কাৰণে পৰমাত্মাক পিতামহ বোলা হয়। যঃ পিতামহানাং পিতা স প্ৰপিতামহঃ" যি পিতামহ সকলৰো পিতা সেই পৰআত্মা "প্ৰপিতামহ"। 'যো মিমীতে মানয়তি সর্ব্বান্ জীৱান্ স মাতা"—কৃপাময়ী জননীয়ে সন্তানৰ কল্যাণ কামনা কৰাৰ দৰে পৰমেশ্বৰে জগতৰ সকলোৰে বৃদ্ধি কামনা কৰে গতিকে পৰমেশ্বৰৰ নাম "মাতা"। (চৰ গতি ভক্ষণয়োঃ) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আচার্য্য শব্দ সিদ্ধ হয়। "যঃ আচাৰং গ্ৰাহয়তি সর্ব্বা বিদ্যা বোধয়তি স আচার্য্য ঈশ্বৰঃ।" যি সত্য আচাৰ আনৰ দ্বাৰাই প্ৰদৰ্শন আৰু গ্ৰহণ কৰায়, যি সকলো বিদ্যা প্ৰাপ্তিৰ হেতু হৈ জ্ঞান প্ৰাপ্ত কৰায় সেই পৰমাত্মাৰ নাম "আচার্য্য"। (গৃ শব্দে) এই ধাতুৰ পৰা "গুৰু" শব্দ সিদ্ধ হয়। "যো ধর্ম্ম্যান্ শব্দান্ গৃণাত্যুপদিশতি স গুৰুঃ"।

স এষ পূর্ব্বেষামপি গুৰুঃ কালেনানৱচ্ছেদাৎ ॥

যোগসূত্র। সমাধি পাদ সূঃ ২৬ ॥

এইটো যোগ দর্শনৰ সূত্র। যি সর্ব্ববিদ্যাযুক্ত আৰু সত্য ধর্ম্মৰ প্ৰতিপাদক বেদৰ উপদেষ্টা, সৃষ্টিৰ আদিত অগ্নি, বায়ু, আদিত্য আদিৰ, আৰু ব্ৰহ্মাদিৰ গুৰু সকলৰো গুৰু আৰু যি অবিনাশী সেই পৰআত্মাৰ নাম "গুৰু"। (অজ গতি ক্ষেপণয়োঃ, জনী প্রাদুর্ভাৱে), এইবোৰ ধাতুৰ পৰা "অজ" শব্দ সিদ্ধ হয়। "যোঽজতি সৃষ্টিং প্রতি সর্ব্বান্ প্রকৃত্যাদীন্ পদার্থান্ প্রক্ষিপতি জানাতি বা কদাচিন্নজায়তে সোঽজঃ" যি প্ৰকৃতিৰ সমস্ত অবয়ৱ আকাশাদি ভূত, পৰমাণু সমূহক যথাযোগ্য সংযোগ কৰে, শৰীৰৰ লগত জীৱৰ সম্বন্ধ ঘটাই জন্ম দিয়ে, কিন্তু স্বয়ং অজ (যাৰ জন্ম নাই) সেই পৰমাত্মাৰ নাম "অজ"।

(বৃহ বৃহি বৃদ্ধৌ) এইবোৰ ধাতুৰ পৰা ব্ৰহ্মা শব্দ সিদ্ধ হয়।

"যোঽখিলং জগন্নির্ম্মাণেন বৃংহতি বর্দ্ধয়তি স ব্রহ্মা"। সম্পূর্ণ জগতক ৰচনা কৰি বৰ্দ্ধিত কৰে কাৰণে পৰমেশ্বৰৰ নাম ব্ৰহ্ম। "সত্যং জ্ঞানমনন্তং ব্রহ্ম" এইটো তৈত্তিৰীয় উপনিষদৰ বচন। "সন্তীতি সন্তস্তেষু সৎসু সাধু তৎ সত্যম্। যজ্জানাতি চৰাচৰং জগৎ তৎ জ্ঞানম্। ন বিদ্যতেঽন্তো ৱধির্মর্য্যাদা যস্য তদনন্তম্। সর্ব্বেভ্যো বৃহত্ত্বাদ্ ব্রহ্ম"। জগতৰ পদার্থ-ৰোৰক সৎ বোলা হয়—আৰু এই সৎ পদার্থৰোৰৰ ভিতৰত পৰমেশ্বৰেই সাধু; গতিকে পৰমেশ্বৰৰ নাম "সত্য"। সকলোকে জানে বা সর্ব্বজ্ঞ কাৰণে পৰমাত্মাৰ নাম "জ্ঞান"। আদি, অন্ত, অৱধি, পৰিমাণ আৰু মর্য্যাদা বিহীন গতিকে পৰমাত্মাৰ নাম "অনন্ত"।

(ডুদাঞ্ দানে) আঙ্ পূৰ্ব্বক এই ধাতুৰ পৰা আদি শব্দ আৰু নঞ্ পূৰ্ব্বক অনাদি শব্দ সিদ্ধ হয়। "যস্মাৎ পূর্ব্বং নাস্তি পরং চাস্তি স আদিৰিত্যুচ্যতে [মহাভাষ্য ১।১।২১]। ন বিদ্যতে আদিঃ কাৰণং যস্য সোঽনাদিৰীশ্বৰঃ"- পৰমেশ্বৰৰ আদি কাৰণ একো নাই গতিকে অনাদি বোলা হয়। (টুনদি সমৃদ্ধৌ) আঙ্ পূৰ্ব্বক হৈ এই ধাতুৰ পৰা আনন্দ শব্দ সিদ্ধ হয়। আনন্দন্তি সর্ব্বে মুক্তা যস্মিন্ যত্র বা যঃ সর্ব্বান্ জীৱানানন্দয়তি স আনন্দঃ" যি আনন্দ স্বৰূপ, যি মুক্তিকামী আত্মযোগী সকলক আনন্দিত কৰে সেই পৰমাত্মা "আনন্দ"। (অস ভুৱি) এই ধাতুৰ পৰা "সৎ" শব্দ সিদ্ধ হয়। "যদস্তি ত্রিষু কালেষু ন বাধ্যতে তৎ সদ্ ব্রহ্ম" যি সদৈৱ বর্ত্তমান অর্থাৎ ভূত, ভৱিষ্যৎ আৰু বর্ত্তমান তিনিও কালত বাধাহীন, সেই পৰমেশ্বৰ "সৎ"।

(চিতী সংজ্ঞানে) এই ধাতুৰ পৰা "চিৎ" শব্দ সিদ্ধ হয়। "যশ্চেতয়তি চেতয়তি সংজ্ঞাপয়তি সর্ব্বান্ সজ্জনান্ যোগিনস্তচ্চিৎ পরং ব্রহ্ম"। যি স্বয়ং চেতন স্বৰূপ, সকলোৰে চেতনাৰ কাৰণ আৰু যি সত্য অসত্যৰ জ্ঞাতা সেই পৰমাত্মাৰ নাম "চিৎ"। এই তিনি শব্দৰ বিশেষণৰ পৰমাত্মাক "সচ্চিদানন্দস্বৰূপ" বোলে।

"যো নিত্যধ্রুবোচলোবিনাশী স নিত্যঃ" যি নিশ্চল আৰু অৱিনাশী, তেওঁ "নিত্য" ঈশ্বৰ। (শুন্ধ শুদ্ধৌ) এই ধাতুৰ পৰা "শুদ্ধ" শব্দ সিদ্ধ হয়। "যঃ শুদ্ধতি সর্ব্বান্ শোধয়তি বা স শুদ্ধ ঈশ্বরঃ",—যি স্বয়ং পৱিত্র সকলো অশুদ্ধিৰ পৰা শুদ্ধস্বৰূপ, পৃথক আৰু সকলোকে শুদ্ধ কৰে, সেই পৰমেশ্বৰৰ নাম "শুদ্ধ"। (বুধ অবগমনে) এই ধাতুৰ লগত "ক্ত" প্রত্যয় যোগ হৈ "বুদ্ধ" শব্দ সিদ্ধ হয়। "যো বুদ্ধবান্ সদৈব জ্ঞাতাস্তি স বুদ্ধো জগদীশ্বরঃ"—যি সদৈব সর্ব্বজ্ঞ, সেই ঈশ্বৰৰ নাম "বুদ্ধ"। (মুচ্ লৃ মোচনে) এই ধাতুৰ পৰা "মুক্ত" শব্দ সিদ্ধ হয়। "যো মুঞ্চতি মোচয়তি বা মুমুক্ষূন্ স মুক্তো জগদীশ্বরঃ"—যি সর্ব্বদা সর্ব্বপ্রকাৰ বন্ধনহীন আৰু মুমুক্ষু সকলকো ক্লেশ মুক্ত কৰে, সেই পৰমাত্মাৰ নাম "মুক্ত"। "অতএব নিত্য শুদ্ধ বুদ্ধ মুক্ত স্বভাবো জগদীশ্বরঃ" পৰমেশ্বৰৰ স্বভাৱ নিত্য, শুদ্ধ, (বুদ্ধ) আৰু মুক্ত। (ড়ুকৃঞ্ কৰণে) নিৰ্ আৰু আঙ্ পূর্ব্বক এই ধাতুৰ পৰা "নিৰাকাৰ" শব্দ সিদ্ধ হয়। "নির্গত আকারাৎ স নিরাকারঃ"। যাৰ আকাৰ নাই, যাৰ শৰীৰ নাই, সেই পৰমাত্মাৰ নাম "নিৰাকাৰ"।

(অঞ্জু ব্যক্তিম্রক্ষণকান্তিগতিষু) এই ধাতুৰ পৰা "অঞ্জন" শব্দ সিদ্ধ হয় আৰু "নিৰ্" উপসর্গৰ যোগত "নিৰঞ্জন" শব্দ সিদ্ধ হয়। "অঞ্জনং ব্যক্তির্ম্রক্ষণং কুকাম ইন্দ্রিয়ৈঃ প্রাপ্তিশ্চেতাস্মাদ্যো নির্গতঃ পৃথগ্ভূতঃ স নিরঞ্জনঃ"—যি ব্যক্তি অর্থাৎ আকৃতি, স্নেচ্ছাচাৰ, দুষ্ট কামনা আৰু চক্ষু আদি ইন্দ্রিয় সমূহৰ বিষয় পথৰ পৰা ভিন্ন, সেই পৰম তত্ত্বৰ নাম "নিৰঞ্জন"।

(গণ সংখ্যানে) এই ধাতুৰ পৰা "গণ" শব্দ সিদ্ধ হয় আৰু ইয়াৰ লগত "ঈশ" বা পতি শব্দ যোগ হলে "গণেশ" আৰু "গণপতি" শব্দ সিদ্ধ হয়। "যে প্রকৃত্যাদয়ো জড়া জীবাশ্চ গণ্যন্তে সংখ্যায়ন্তে তেষামীশঃ স্বামী পতিঃ পালকো বা" যি প্রকৃতি আদি জড় আৰু জীব জগতৰ স্বামী বা পালন কর্ত্তা সেই ঈশ্বৰৰ নাম "গণেশ" বা "গণপতি"। "যো বিশ্বমীষ্টে স বিশ্বেশ্বরঃ"—যি সংসাৰৰ অধিষ্ঠাতা তেওৰ নাম "বিশ্বেশ্বৰ"।

"যঃ কুটেনেকবিধব্যবহারে—স্বস্বরূপেণৈব তিষ্ঠতি স কুটস্থঃ পরমেশ্বরঃ"—যি সকলো ব্যৱহাৰতে ব্যাপ্ত আৰু সকলো ব্যৱহাৰৰ আধাৰ হৈও, কোনো ব্যৱহাৰতেই স্ব-স্বৰূপত অপৰিবর্ত্তন সেই পৰম তত্ত্বৰ নাম "কুটস্থ"।

যিমানবোৰ "দেব" শব্দৰ অর্থ লিখা হৈছে দেবী শব্দও সিমানেই আছে। পৰমেশ্বৰৰ নাম তিনিও লিঙ্গত আছে; যেনে—"ব্রহ্ম চিতিরীশ্বরশ্চেতি" যেতিয়া ঈশ্বৰৰ বিশেষণ হয় তেতিয়া "দেব", যেতিয়া চিতিৰ হয় তেতিয়া "দেবী"; গতিকে পৰমেশ্বৰৰ নাম "দেবী"।

(শক্লৃ সক্তৌ) এই ধাতুৰ পৰা "শক্তি" শব্দ হয়। "যঃ সর্ব্বং জগৎ কর্ত্তুংশক্নোতি স "শক্তিঃ"—যি জগৎ সৃষ্টিৰ সমর্থ বা জগতৰ শক্তি সেই পৰম তত্ত্বৰ নাম "শক্তি"। (শ্রিঞ্ সেৱায়াম্) এই ধাতুৰ পৰা "শ্রী" শব্দ সিদ্ধ হয়। "যঃ শ্রীয়তে সেব্যতে সর্ব্বেণ জগতা বিদ্বদ্ভির্যোগিভিশ্চ স শ্রীরীশ্বরঃ"—জ্ঞানী, যোগী সকলে যাৰ সেৱা কৰে সেই পৰমাত্মাৰ নাম "শ্রী"।

(লক্ষ দর্শনাঙ্কনয়োঃ) এই ধাতুৰ পৰা "লক্ষ্মী" শব্দ সিদ্ধ হয়। "যো লক্ষয়তি পশ্যত্যঙ্কতে চিহ্নয়তি চরাচরং জগদথবা বেদৈরাপ্তৈর্যোগিভিশ্চ যো লক্ষ্যতে স লক্ষ্মীঃ সর্ব্বপ্রিয়েশ্বরঃ"—লক্ষ্মী শব্দৰ অর্থ দেখা আৰু চিহ্নিত কৰা অর্থাৎ দৃশ্য উৎপত্তি কৰা। যেনে ব্যক্তি শৰীৰৰ রূপ বং অঙ্গ প্রত্যঙ্গ আদি, বৃক্ষৰ অৱয়ব, পত্র, পুষ্প, ফল, মূল আদি, পৃথিবী আৰু জলৰ, কৃষ্ণ, ৰক্ত, শ্বেত, মৃত্তিকা, পাষাণ আৰু চন্দ্র সূর্য্যাদিৰ লাক্ষণিক দৃশ্য উৎপত্তি কর্ত্তা, সকলোৰে দর্শক, সকলো শোভাৰ সৌন্দর্য্য, সকলো শাস্ত্র বা ধার্ম্মিক, জ্ঞানী আৰু যোগীসকলৰ পৰম লক্ষ্য, যাৰ দর্শন সকলোৱে বাঞ্ছা কৰে, সেই পৰম ঐশ্বর্য্যৱান পৰমাত্মাৰ নাম "লক্ষ্মী"।

(সৃ গতৌ) এই ধাতুৰ পৰা "সৰস্" আৰু ইয়াৰ লগত মতুপ্ আৰু ঙীপ্ প্রত্যয় যোগ হৈ "সরস্বতী" শব্দ সিদ্ধ হয়। "সরো বিবিধং জ্ঞানং

বিদ্যতে যস্যাং চিতৌ সা সরস্বতী"—যার বিবিধ বিজ্ঞান অর্থাৎ শব্দ আর অর্থর সম্বন্ধর যথারৎ জ্ঞান, সেই অর্থতেই পরমাত্মার নাম "সরস্বতী"।

"সর্বাঃ শক্তয়ো বিদ্যন্তে যস্মিন্ স সর্বশক্তিমানীশ্বরঃ"—যি সকলো প্রকার শক্তি সামর্থ্যর কেন্দ্র, যি কারো সহায়তার নির্ভরশীল নহয় সেই পরমাত্মা "সর্বশক্তিমান"।

(ণীঞ্ প্রাপণে) এই ধাতুর পরা ন্যায় শব্দ সিদ্ধ হয়। "প্রমাণৈরর্থ-পরীক্ষণং ন্যায়ঃ"—এই বচন হল ন্যায় সূত্র বাৎস্যায়ন মুনির ভাষ্যর। "পক্ষপাতরাহিত্যাচরণং ন্যায়ঃ" প্রত্যক্ষাদি প্রমাণেরে নিশ্চিত সত্য আর নিরপেক্ষ আচরণক "ন্যায়" বোলে। "ন্যায়ং কর্তুং শীলমস্য স ন্যায়-কারীশ্বরঃ" যার স্বভার নিরপেক্ষ, সেই পরমাত্মা "ন্যায়কারী"।

(দয় দান-গতি-রক্ষণ-হিংসনাদানেষু) এই ধাতুর পরা "দয়া" শব্দ সিদ্ধ হয়। "দয়তে দদাতি জানাতি, গচ্ছতি রক্ষতি হিনস্তি যয়া সা দয়া, বহ্বী দয়া বিদ্যতে যস্য স দয়ালুঃ পরমেশ্বরঃ" পরমেশ্বর অভয়দাতা, সকলো সত্য অসত্য বিদ্যার জ্ঞাতা, সাধু সত্তর রক্ষক আর দুষ্কর্মীর নিয়ন্তা গতিকে "দয়ালু"।

"দ্বয়োর্ভাবো দ্বাভ্যামিতং বা, দ্বিতা দ্বীতং বা, সৈব তদেব বা দ্বৈতম্, ন বিদ্যতে দ্বৈত্যং দ্বিতীয়েশ্বরভাবো যস্মিংস্তদদ্বৈতম্"—অর্থাৎ "সজাতীয়-বিজাতীয় স্বগতভেদশূন্যং ব্রহ্ম"। দুটা ভিন্ন বা দুটার সংযোগক দ্বিতা বা দ্বীত অথবা দ্বৈত বোলে, তেনে পরমাত্মার ক্ষেত্রত নাই। সজাতীয় যেনে মনুষার ভিন্ন ভিন্ন মনুষ্য, বিজাতীয় যেনে মনুষ্যর ইতর জাতি বৃক্ষ, প্রস্তর ইত্যাদি আরু স্বগত যেনে শরীরর চক্ষু, নাসিকা আরু কর্ণ আদি অবয়ব বোরর ভেদ। এনে ভেদ পরমেশ্বরর নাই; কারণ, পরমেশ্বর মাত্র এক, গতিকে পরমেশ্বরর নাম "অদ্বৈত্য"।

"গুণ্যন্তে যে তে গুণা বা যৈর্গণয়ন্তি তে গুণাঃ, যো গুণেভ্যো নির্গতঃ স নির্গুণ ঈশ্বরঃ"—প্রকৃতির সত্ত্ব, রজ, তম, রূপ, রস, স্পর্শ আদি জড়র

গুণ, আরু জীরর অবিদ্যা, অজ্ঞতা, রাগ, দ্বেষ, ক্লেশ আদির পরমাত্মা অতীত। এই বিষয়ে "অশব্দমস্পর্শমরূপমব্যয়ম্" ইত্যাদি উপনিষদর বাক্য প্রমাণ। যি শব্দ, স্পর্শ, রূপ আদি গুণ রহিত, সেই পরমাত্মা "নির্গুণ"।

"যো গুণৈঃ সহ বর্ত্ততে স সগুণঃ"—সর্ব্বব্যাপক পরমাত্মা সকলোতে বর্ত্তমান, গতিকে সর্ব্বজ্ঞ, সর্ব্বসুখ, পবিত্র, অনন্ত গুণযুক্ত, এই কারণেই "সগুণো" বোলা হয়। যেনে—পৃথিবীর রূপ, রস, গন্ধ আদি গুণযুক্ত গতিকে সগুণ আরু ইচ্ছা, দ্বেষ আদি গুণ রহিত কারণে নির্গুণ, সেই দরে জগত আরু জীরর যিবোর গুণ সেই বোর গুণর অতীত কারণে পরমাত্মা "নির্গুণ" আরু সর্ব্বজ্ঞতা আদি গুণযুক্ত কারণে "সগুণ"। অর্থাৎ বস্তু আরু গুণ ভিন্ন। কিন্তু বস্তুরেই গুণর আধার গতিকে সগুণতা আরু নির্গুণতার ভেদাভেদ নেথাকে; যেনে গুণ আরু গুণীর। চৈতন্য গুণ রহিত বারে জড় পদার্থ "নির্গুণ" আরু পদার্থর স্ব গুণযুক্ত বারে "সগুণ", সেইদরে জড়র গুণ রহিত বারে জীর "নির্গুণ" আরু ইচ্ছা, দ্বেষ আদি নিজ গুণ যুক্ত বারে "সগুণ"। এইদরেই পরমাত্মা সগুণ আরু নির্গুণ।

"অন্তর্যন্তং নিয়ন্তং শীলং যস্য সোয়মন্তর্যামী"—যি প্রাণী আরু অপ্রাণী জগতর ভিতরে বাহিরে পরিব্যাপক হৈ সকলোকে নিয়ন্ত্রিত করে, সেই পরমেশ্বরর নাম "অন্তর্যামী"।

"যো ধর্ম্মে রাজতে স ধর্ম্মরাজঃ"—অধর্ম্মত রতি নাই আরু ধর্ম্মত প্রকাশমান গতিকে পরমাত্মা "ধর্ম্মরাজ"।

(যমু উপরমে) এই ধাতুর পরা "যম" শব্দ সিদ্ধ হয়। "যঃ সর্ব্বান্ প্রাণিনো নিয়চ্ছতি স যমঃ"—যি সকলোরে কর্ম্মর যথার্থ ফল দিয়ে আরু ন্যায়ত স্থিত সেই পরমাত্মার নাম "যম"।

(ভজ সেরায়াম্) এই ধাতুর পরা "ভগ" আরু ইয়ার লগত মতুপ্ প্রত্যয় যোগ হৈ "ভগরান্" শব্দ সিদ্ধ হয়। "ভগঃ সকলৈশ্বর্য্যং সেরনং বা বিদ্যতে যস্য স ভগরান"—সর্ব্ব ঐশ্বর্য্যরান বা সকলোরে ভজনর যোগ্য;

গতিকে পৰমাত্মাৰ নাম "ভগৱান্"। (মন্ জ্ঞানে) এই ধাতুৰ পৰা "মনু" শব্দ সিদ্ধ হয়। "যো মন্যতে স মনুঃ"—মনুৰ অৰ্থ বিজ্ঞানশীলতা আৰু মনন্ যোগ্য গতিকে ঈশ্বৰৰ নাম "মনু"।

(পৃ পালন পূৰণয়োঃ) এই ধাতুৰ পৰা "পুৰুষ" শব্দ সিদ্ধ হয়। "যঃ স্বব্যাপ্ত্যা চৰাচৰং জগৎ পূণাতি পূৰয়তি বা স পুৰুষঃ"। যি সমস্ত জগত পূৰ্ণ হৈ আছে সেই পৰমাত্মাৰ নাম "পুৰুষ"। (ডুভৃঞ্ ধাৰণ-পোষণয়োঃ) বিশ্ব পূৰ্ব্বক এই ধাতুৰ পৰা "বিশ্বম্ভৰ" শব্দ সিদ্ধ হয়। "যো বিশ্বং বিভর্ত্তি পুষ্ণাতি বা স বিশ্বম্ভৰো জগদীশ্বৰঃ" জগতৰ ধাৰণ পোষণ কৰ্ত্তা গতিকে পৰমাত্মা "বিশ্বম্ভৰ"।

(কল সংখ্যানে) এই ধাতুৰ পৰা "কাল" শব্দ নিষ্পন্ন হৈছে। "কলয়তি সংখ্যাতি সর্ব্বান্ পদার্থান্ স কালঃ" জগতৰ সকলোবে সংখ্যা কৰে গতিকে পৰমাত্মাৰ নাম "কাল"।

(শিষ্ল্ বিশেষণে), এই ধাতুৰ পৰা "শেষ" শব্দ সিদ্ধ হয়। "যঃ শিষ্যতে স শেষ"—যি উৎপত্তি আৰু প্ৰলয়ৰ পাচতো অৱশিষ্ট হৈ থাকে সেই পৰমাত্মাই "শেষ"।

(আপ্ল্ ব্যাপ্তৌ) এই ধাতুৰ পৰা "আপ্ত" শব্দ সিদ্ধ হয়। "যঃ সর্ব্বান্ ধর্ম্মান্ন আপ্নোতি বা সর্ব্বৈর্ধর্ম্মাস্ত্বভিব্যাপ্যতে ছলাদিৰহিতঃ স আপ্তঃ"—যি সর্ব্ববিদ্যাযুক্ত, সত্যৰ নির্দ্দেশক, ধর্ম্মপৰায়ণৰ প্ৰাপ্তি, নিশ্ছল, নিষ্কপট সেই "আপ্ত" পৰমাত্মা।

(ডুকৃঞ্ কৰণে) "শম্" পূৰ্ব্বক এই ধাতুৰ পৰা শঙ্কৰ শব্দ সিদ্ধ হয়। "যঃ শম্ কল্যাণং সুখং কৰোতি স শঙ্করঃ"—পৰমেশ্বৰ কল্যাণকাৰী গতিকে তেওঁৰ নাম "শঙ্কৰ"। "মহৎ" শব্দ পূৰ্ব্বক "দেৱ" শব্দৰ পৰা "মহাদেৱ" শব্দ সিদ্ধ হয়। "যো মহতাং দেৱঃ স মহাদেৱঃ"। যি মহান দেৱতা সকলৰো দেৱতা, বিদ্বান সকলৰো বিদ্বান আৰু সূৰ্য্যাদি প্ৰকাশক সকলৰো প্ৰকাশক সেই পৰমাত্মাই "মহাদেৱ"।

(প্রীঞ্ তর্পণে কান্তৌ চ) এই ধাতুৰ পৰা "প্রিয়" শব্দ সিদ্ধ হয়। যঃ পৃণাতি প্রীয়তে বা স প্রিয়ঃ—ধর্ম্মাত্মা, মুমুক্ষু শিষ্ট, সাধু সকলৰ প্রসন্ন-কাৰী আৰু এই সকলৰ কাম্য—সেই পৰমাত্মাকেই "প্রিয়" বোলা হয়। (ভূ সত্তায়াম্) "স্বয়ম্" পূৰ্ব্বক এই ধাতুৰ পৰা "স্বয়ম্ভু" শব্দ সিদ্ধ হয়। "যঃ স্বয়ং ভৱতি স স্বয়ম্ভুৰীশ্বৰঃ" যি স্বয়ং সদৈৱ বৰ্ত্তমান আৰু যাৰ ভাবৰ কাৰণ নাই সেই পৰমেশ্বৰ "স্বয়ম্ভু"। (কৃ শব্দে) এই ধাতুৰ পৰা কৱি শব্দ সিদ্ধ হয়। "যঃ কৌতি শব্দয়তি সর্ব্বা বিদ্যাঃ স কৱিৰীশ্বৰঃ" যি সকলো জ্ঞান বিকাশৰ কাৰণ, যি বেত্তা, সেই পৰমেশ্বৰৰ নাম "কৱি"। (শিৱ্, কল্যাণে) এই ধাতুৰ পৰা "শিৱ" শব্দ সিদ্ধ হয়। "বহুলমেতন্নিদর্শনম্" ইয়াৰ পৰাই "শিৱ্" ধাতু মানি লোৱা হৈছে। কল্যাণস্বৰূপ, আৰু কল্যাণকাৰী গতিকে পৰমেশ্বৰেই "শিৱ"।

এইখিনিলৈকে পৰমেশ্বৰৰ এশ নাম ব্যাখ্যা কৰা হ'ল, কিন্তু ইয়াৰ বাহিৰে পৰমেশ্বৰৰ নামৰ অন্ত নাই। পৰমেশ্বৰৰ গুণ আৰু মহিমা অনন্ত গতিকে তেওঁৰ নামো অনন্ত। বেদাদি শাস্ত্রকাৰসকলে পৰমাত্মাৰ গুণ, কর্ম্ম, স্বভাৱৰ ব্যাখ্যা কৰি অন্ত কৰিব পৰা নাই। সেইবোৰ অধ্যয়ন আৰু অধ্যাপনাৰ পৰা জ্ঞানৰ বিকাশ আৰু অনুভূতি হ'ব পাৰে। যি বেদাদি শাস্ত্র অধ্যয়ন কৰে—তেওঁৰ জগতৰ জ্ঞান হ'ব পাৰে।

প্রশ্ন—অন্যান্য গ্রন্থকাৰে গ্রন্থত যিদৰে আদ্য, মধ্য আৰু শেষভাগত মঙ্গলাচৰণ লিখে আপুনিও তেনেদৰে মঙ্গলাচৰণ কৰে কিয়?

উত্তৰ—সেইদৰে মঙ্গলাচৰণ কৰা মই সঙ্গত বুলি নেভাৱো। কাৰণ যি সকলে আদি, মধ্য আৰু অন্ত ভাগত মঙ্গলাচৰণ কৰে বা লিখে, সেই-সকলৰ আদি আৰু মধ্যৰ ভিতৰত আৰু মধ্য আৰু অন্তৰ ভিতৰত অমঙ্গলেই থাকিব। সাংখ্য দর্শনত আছে "মঙ্গলাচৰণং শিষ্টাচাৰাৎ ফলদর্শনাচ্ছ্রুতিতশ্চেতি"। (অঃ ৫। সূঃ ১) মঙ্গল+আচৰণ যি আচৰণৰ দ্বাৰাই জগতৰ কল্যাণ সাধন হয় সেয়েই মঙ্গলাচৰণ। সূত্রৰ অভিপ্রায় আধ্যাত্মিক

জ্ঞান বিবেচনাৰে নিৰপেক্ষ ন্যায়সঙ্গত সৰ্ব্বদা আৰু সৰ্ব্বত্ৰ সৎ আচৰণ কৰাই মঙ্গলাচৰণ, গ্ৰন্থৰ আৰম্ভৰ পৰা সমাপ্তিলৈকে সত্যাচৰণ কৰাই মঙ্গলাচৰণ, সমস্ত গ্ৰন্থই মঙ্গলাচৰণ হোৱা উচিত, গ্ৰন্থৰ অংশ বিশেষত মঙ্গলাচৰণ কৰাকে মঙ্গলাচৰণ বুলিব নোৱাৰি। এই বিষয়ে মহৰ্ষি সকলৰ উক্তিত দৃষ্টিপাত অতি আৱশ্যক :—

যান্যনৱদ্যানি কর্ম্মাণি তানি সেৱিতব্যানি নো ইতৰাণি ॥

(তৈত্তিৰীয়োপনিষদ—প্ৰপাঠক ৭। অনুৱাঃ ১১।)

অৰ্থ—হে সন্তানগণ! (অনৱদ্য) অনিন্দনীয় কৰ্ম্মহে তোমালোকৰ কৰণীয়,—(নো ইতৰাণি) নিন্দনীয় কৰ্ম্ম কৰণীয় নহয়। আধুনিক গ্ৰন্থবোৰত "শ্ৰীগণেশায় নমঃ", "সীতাৰামাভ্যাং নমঃ", "ৰাধাকৃষ্ণাভ্যাং নমঃ", "শ্ৰীগুৰু-চৰণাৰৱিন্দাভ্যাং নমঃ", "হনুমতে নমঃ", "দুৰ্গায়ৈ নমঃ", "বটুকায় নমঃ", "ভৈৰৱায় নমঃ", "শিৱায় নমঃ", "সৰস্বত্যৈ নমঃ", "নাৰায়ণায় নমঃ" ইত্যাদি লিখা দেখা যায়, কিন্তু এনে প্ৰথা বেদাদি আপ্ত শাস্ত্ৰত নাই; গতিকে এইবোৰ অনুকৰণীয় নহয়। আৰ্ষ গ্ৰন্থবোৰত "ওঁ" আৰু "অথ" শব্দহে পোৱা যায় যেনে—

"অথ শব্দানুশাসনম্"। অথেত্যয়ং শব্দোধিকাৰাৰ্থঃ প্ৰযুজ্যতে। (ব্যাকৰণ মহাভাষ্যে।) "অথাতো ধৰ্ম্মজিজ্ঞাসা" অথেত্যানন্তৰ্য্যে বেদাধ্যয়নানন্তৰম্। (পূৰ্ব্বমীমাংসায়াম্।)

"অথাতো ধৰ্ম্মং ব্যাখ্যাস্যামঃ" অথেতি ধৰ্ম্ম—
কথনানন্তৰং ধৰ্ম্মলক্ষণং বিশেষেণ ব্যাখ্যাস্যামঃ"।

(বৈশেষিক দৰ্শনে)

"অথ যোগানুশাসনম্" অথেত্যয়মধিকাৰাৰ্থঃ। (যোগ শাস্ত্ৰে।)

"অথ ত্ৰিৱিধদুঃখাত্যন্তনিৱৃত্তিৰত্যন্তপুৰুষাৰ্থঃ"
সাংসাৰিক বিষয়ভোগানন্তৰং ত্ৰিৱিধদুঃখাত্যন্তনিৱৃত্ত্যৰ্থঃ
প্ৰযত্নঃ কৰ্ত্তব্যঃ। (সাংখ্য শাস্ত্ৰে।)

"অথাতো-ব্ৰহ্মজিজ্ঞাসা" "চতুষ্টয়সাধনসম্পত্যনন্তৰং
ব্ৰহ্ম জিজ্ঞাস্যম্"। (বেদান্ত ৱ)

"ওমিত্যেতদক্ষৰমুদ্গীথমুপাসীত"। (ছান্দোগ্যোপনিষদ।)
"ওমিত্যেতদক্ষৰমিদং সৰ্ব্বং তস্যোপব্যাখ্যানম্"।

(মাণ্ডুক্য উপনিষদৰ প্ৰাৰম্ভিক ৱচন)

এইদৰেই অন্যান্য আৰ্ষ ঋষি মুনি সকলৰ গ্ৰন্থত "ওম্" আৰু "অথ" শব্দহে পোৱা যায়। অগ্নি, ইট্, অগ্নি, যে ত্ৰিসপ্তাঃ পৰিয়ন্তি ইত্যাদি এইবোৰ শব্দ চাৰিও বেদৰ আৰম্ভত লিখিত পোৱা যায়।

ইতি শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা-ৱিভূষিত ঈশ্বৰনামৱিষয়ে প্ৰথমঃ সমুল্লাসঃ সম্পূৰ্ণঃ।১।

অথ দ্বিতীয় সমুল্লাসাৰম্ভঃ

অথ শিক্ষাং প্রৱক্ষ্যামঃ।

মাতৃমান্ পিতৃমান্ আচার্য্যৱান্ পুৰুষো ৱেদ॥ এইটো শতপথ ব্রাহ্মণৰ ৱচন। মানৱ জীৱন গঢ় দিয়াত তিনিজন শিক্ষকেই প্রধান। মাতা, পিতা আৰু আচার্য্য এই তিনিজনৰ উত্তম শিক্ষা পালে মানুহ জ্ঞানৱান হৈ জীৱন সফল কৰিব পাৰে। যাৰ মাতা-পিতা বিদ্বান আৰু ধর্ম্মপৰায়ণ তেওঁৰ কুল ধন্য আৰু অত্যন্ত ভাগ্যৱান্। সন্তানে মাকৰ পৰা যিদৰে উপদেশ আৰু উপকাৰ পায় তেনে অন্যৰ পৰা আশা কৰিব নোৱাৰে। মাকৰ সমান স্নেহ আৰু হিত কামনা আন কাৰো হব নোৱাৰে। এই কাৰণে মাতৃমান্ অর্থাৎ **"প্রশস্তা ধার্ম্মিকী মাতা ৱিদ্যতে যস্য স মাতৃমান্"** ৱোলা হয়। যি মাতাই গর্ভধাৰণৰ পৰা আৰম্ভ কৰি শিক্ষাৰ সমাপ্তিলৈকে সুশীলতাৰ শিক্ষা আৰু সৎপথ প্রদর্শন কৰিব পাৰে সেই মাতাই ধন্যা।

সন্তানৰ কল্যাণ কামী মাতা-পিতাই গর্ভধাৰণৰ পূর্ৱৰ পৰাই মাদক-আহাৰ, দুর্গন্ধযুক্ত, ৰুক্ষ আৰু বুদ্ধি নাশক আহাৰ নকৰি, শান্তি, আৰোগ্য, বল, বুদ্ধি, পৰাক্রম আৰু সুশীলতা ৱর্দ্ধক আহাৰ কৰা আৱশ্যক যাৰ ফলত সন্তান শিষ্ট আৰু সভ্য হব পাৰে। দূষিত আহাৰৰ পৰা পিতা-মাতাৰ ৱজ-ৱীর্য্যও দূষিত হয়, ৱজ-ৱীর্য্যই জীৱনৰ মূল কাৰণ। দুগ্ধ আৰু দুগ্ধজাত আহাৰ অতি পৱিত্র আৰু শ্রেষ্ঠ আহাৰ। ঋতু গমনৰ ৱিধি অনুসাৰে, ৱজো দর্শনৰ পঞ্চম দিনৰ পৰা ষোড়শ দিন পর্য্যন্ত ঋতুদানৰ

সময়। ৱজোদর্শনৰ প্রথম চাৰি দিন ৱর্জনীয়, বাকী বাৰ দিনৰ ভিতৰত একাদশ আৰু ত্রয়োদশ ৰাতি ৱর্জন কৰি বাকী দহ ৰাতিত গর্ভাধান হলে পৰিণাম ভাল হয়।

ৱজোদর্শনৰ দিন ধৰি ষোল দিনৰ পাচত সঙ্গম নিষেধ। পুনঃ ৱজোদর্শন নোহোৱা পর্য্যন্ত ৱা গর্ভস্থিতিৰ পাছত এবছৰ সঙ্গম নিষেধ। চৰক আৰু সুশ্রুতৰ ভোজন আচ্ছাদনৰ ৱিধি আৰু মনুস্মৃতিত স্ত্রী-পুৰুষৰ প্রসন্নতাৰ ৱিধি অনুসৰি, স্ত্রী-পুৰুষ দুয়োৰো স্ৱাস্থ্য আৰু মানসিক শান্তি ৰক্ষা কৰাৰ কাৰণে যত্নপৰ হব লাগে। গর্ভস্থিতিৰ পাছত নাৰীয়ে সাৱধানতাৰে আহাৰ আৰু পৰিধান কৰিব লাগে। সম্পূর্ণ গর্ভস্থিতি কালত আৰু প্রসৱৰ পাছতো সুস্থ স্ৱাস্থ্যৱতী হৈ পুনঃ ৱজপাত নোহোৱা পর্য্যন্ত স্ত্রী-পুৰুষৰ সহৱাস ৱর্জ্জনীয়। গর্ভৱতী নাৰীয়ে বুদ্ধি, বল, স্ৱাস্থ্য আদি ৱর্দ্ধক আহাৰ কৰা উচিত।

সন্তান জন্ম হলে নাড়ী ছেদন কৰি সুগন্ধি জলেৰে শিশুক গা ধুৱাই ঘৃত আৰু সুগন্ধি দ্রৱ্যাদিৰে হোম কৰিব লাগে। [সন্তান জন্ম হলে কৰিবলগীয়া "জাতকর্ম্ম সংস্কাৰ"ৰ ৱিষয়ে "সংস্কাৰ ৱিধিত" ৱিস্তাৰ ভাৱে লিখিত আছে।] প্রসূতিৰো স্নানাহাৰৰ ৱিষয়ে সতর্ক হোৱা উচিত যাতে শিশু আৰু প্রসূতি দিনক দিনে পৰিপুষ্ট হৈ থাকে। শিশুৰ খাদ্য মাতৃস্তনত যাতে পুষ্টিকৰ দুগ্ধ উৎপন্ন হয় তাৰ ৱাৰে যথা সম্ভৱ যত্ন কৰা ৱাঞ্ছনীয়। শিশুক মাতৃস্তন খুৱাব নুখুজিলে, শিশুৰ উপযোগী পুষ্টিকৰ দ্রৱ্য সিদ্ধ কৰি সম পৰিমাণৰ জল, গো-দুগ্ধ ৱা ছাগ দুগ্ধৰ লগত মিলাই খুৱাব লাগে। প্রসৱৰ পাছত শিশু আৰু প্রসূতিক ৱিশুদ্ধ ৱায়ু চলাচল কৰিব পৰা গৃহত ৰখা উচিত। সেই স্থানত সুদৃশ্য আৰু সুগন্ধি ৱস্তু ৰখা আৱশ্যক। আজিৰ ৱৈজ্ঞানিক ৱিকাশৰ যুগত স্ৱাস্থ্য ৰক্ষাৰ কাৰণে যিৰোৰ ৱ্যৱস্থা উদ্ভাৱন কৰা হৈছে তেনেৰোৰ ৱ্যৱস্থাৰ উল্লেখ বহু পূর্ৱেই আমাৰ প্রাচীন শাস্ত্রত লিখি থোৱা আছে। শিশুৰ দেহৰ গঢ়-গঠন মাকৰ স্তন-দুগ্ধৰ ওপৰত ভালেখিনি নির্ভৰ কৰে,

প্রসৱৰ পিছত প্রসূতি ৰুগ্ন হয়, ৰুগ্ন প্রসূতিৰ স্তন দুগ্ধ শিশুক সুখুৱাই ওপৰত উল্লেখ কৰা বিধি মতে গো, ছাগলৰ দুগ্ধ, খুওৱাহে হিতকৰ। প্রসূতিৰ দুগ্ধ বন্ধ কৰিবলৈ স্তনত যথাযোগ্য ঔষধৰ প্রলেপ দিব লাগে। এনে ধৰণৰ যথোচিত ব্যৱস্থা কৰিলে প্রসূতি দ্বিতীয় মাহতে সুস্থ আৰু সবলা হৈ উঠে। সেই সময়ত পুৰুষেও নিজক সংযত কৰি ৰাখিব লাগে। এনেবোৰ নীতি ব্যৱস্থাৰ পৰিণামত স্ত্রী-পুৰুষৰ স্বাস্থ্য আৰু সন্তানৰ স্বাস্থ্য, বুদ্ধি, বলৰ উন্নতি হয়। স্বাস্থ্য আৰু নৈতিক চৰিত্রত সতর্ক থকা মাতা পিতাৰ সন্তানো উৎকৃষ্ট হয়। গর্ভৱতী মাতাৰ স্বাস্থ্য, আচৰণ আৰু পাৰিবাৰিক পৰিস্থিতিৰ ভালেখিনি প্রভাৱ গর্ভস্থ সন্তানে সৃষ্টি হওঁতে গ্রহণ কৰে। এইবোৰক প্রাক্ জন্ম সংস্কাৰ আৰু জন্মৰ পাছত মাতা পিতা আৰু পাৰিধাৰিক পৰিস্থিতিৰ পৰা যিবোৰ সংস্কাৰেৰে শিশু প্রভাৱিত হয় সেইবোৰক জন্মোত্তৰ সংস্কাৰ বোলে। শিশুৰ শিক্ষা আৰু চৰিত্র গঠনত মাকৰ শিক্ষাই সর্ব্ব প্রধান। সত্য, ন্যায়, জ্ঞান বিবেচনাত, শিশুৰ মানসিক বিকাশত মাকৰ ভূমিকা প্রধান। শব্দ, বাক্য উচ্চাৰণ, আখৰ জ্ঞান, মধুৰ গম্ভীৰ কণ্ঠ স্বৰৰ ধ্বনি, ভয়, সাহস, পৌৰুষত্ব, সমাজত জ্যেষ্ঠ, কনিষ্ঠ, মাননীয় আদিৰ লগত ব্যৱহাৰৰ শিক্ষা শিশুৱে মাকৰ পৰাই গ্রহণ কৰে। সন্তানৰ জিতেন্দ্রিয়তা, শিক্ষানুৰাগ আৰু সৎসঙ্গাভিলাষ আদি বিষয়ত মাক পথ প্রদর্শক। মাক সন্তানৰ সমীপস্থ শিক্ষক। সন্তানে নিজৰ মাকৰ পৰা যিমান নিঃসংকোচে আৰু সহজে শিকিব পাৰে, তেনেকৈ আন কাৰো পৰা নোৱাৰে। কিছুমান জীৱনৰ উপযোগী মূল নীতি কথা খেলাৰ ছলেৰে শিশুৱে মাকৰ মুখৰ পৰাই শিকিব পাৰে।

দুষ্টৰ সঙ্গ, আৰু ভূতপ্রেত আদি মিছা ভয়ৰ পৰা সন্তানক ৰক্ষা কৰাত মাক সদায় সাৱধান থকা উচিত।

গুৰোঃ প্রেতস্য শিষ্যস্তু পিতুমেধং সমাচৰন্।
প্রেতাহাৰৈঃ সমং তত্র দশৰাত্রেণ শুদ্ধ্যতি॥ মনুঃ অঃ ৫।৬৫॥

অর্থ—গুৰুৰ মৃত্যু হলে, প্রেতাখ্য মৃত-দেহৰ দাহকাৰী, শিষ্য আৰু (প্রেতাহাৰ) শৱবাহী দশম দিনত শুদ্ধ হয়। দাহ কৰাৰ পিছত সেই মৃতদেহৰ নাম ভূত হয়। ভূত মানে অতীত, আছিল অর্থাৎ বর্ত্তমান নাই। যি আছিল, সি বর্ত্তমান ভূতস্থ, গতিকে ভূত। ভূত-প্রেত, শাকিনী, ডাকিনী আদিৰ ভয়, কুসঙ্গ কুসংস্কাৰ, এনেবোৰ মানসিক ভ্রমৰ পৰা মানুহ বিপদগ্রস্ত হব লগা হয়। জীৱন কর্ম্মফলৰ বশীভূত, মৃত্যু হলে নিজৰ আর্জিত কর্ম্মৰ ফল অনুসাৰে জীৱে জন্মান্তৰ গ্রহণ কৰে। এয়েই সৃষ্টিৰ চিৰন্তন নীতি। জ্ঞান বিজ্ঞানহীন মানুহে সান্নিপাত জ্বৰ, বসন্ত আদি শাৰীৰিক ব্যাধি আৰু উন্মাদ আদি মানসিক ব্যাধিতেই দেও, ভূত, প্রেত আদিৰ ভয় শঙ্কা কৰে। আৰু ব্যাধিৰ যথাযোগ্য বৈজ্ঞানিক চিকিৎসা নকৰি ধূর্ত্ত জীৱৰ কথাত বিশ্বাস কৰি ধূর্ত্তৰ জীৱিকা অর্জ্জনত সহায়ক হৈ পৰে। এই দৰেই অর্থ নাশ, আৰু বিনা চিকিৎসাত ৰোগীৰ প্রাণৰো সঙ্কট হয়। ধূর্ত্ত সকলে ভেশচন কৰি, দেও-ভূতৰ সাধক, দৈৱজ্ঞ তন্ত্র-মন্ত্র আদিৰ সাধক আদি ৰূপত নিজ নিজ জীৱিকাৰ সুযোগ সন্ধানতেই থাকে। কোনো পৰিয়ালৰ বা কোনো ব্যক্তিৰ শাৰীৰিক, মানসিক বিকাৰ বা সমস্যাৰ কেনেবাকৈ যদি সন্ধেদ পায়, তেন্তে বাক্‌চতুৰতাৰ জালত মোহিত কৰি লৈ আলৌকিক সিদ্ধি আৰু চৰম সফলতাৰ—গোপন ব্যৱস্থা দিয়ে। বিকাৰগ্রস্ত বা সমস্যাগ্রস্ত বিপন্ন মানৱ ধূর্ত্তৰ জালত আবদ্ধ হৈ পৰে, সেই গোপন ব্যৱস্থা মতে দেও, ভূত, বিৰা, গ্রহ, উপগ্রহ, শ্মশানকালী আদিৰ অদ্ভুত সাধনাত প্রয়োজনীয় সামগ্রী আদিৰ সংগ্রহ আৰু অনুষ্ঠানত কর্ম্ম, অকর্ম্ম, হিতাহিত বিবেক হেৰুৱাই পেলাই আৰু মতিভ্রষ্ট হৈ সর্ব্বস্বান্ত হৈ পৰে, তাৰ বিনিময়ত ধূর্ত্ত সকলৰ জীৱিকা সফল হয়। অৱশ্যে সৎ তন্ত্র-মন্ত্রৰ সাধন কৰি নিজৰ আৰু সমাজৰ কল্যাণ সাধন কৰা সকলোৰে বাঞ্ছনীয়।

জ্যোতির্ব্বিদ দৈৱজ্ঞ সকলে অমঙ্গল গ্রহ নক্ষত্রবোৰৰ পূজা, পাঠ,

দান, ভোজন, তাবিজ আদিবে গ্রহ-গ্রস্ত সকলব কল্যাণ সাধন কবে। জ্যোতিষী দৈৱজ্ঞ সকলে জনা উচিত যে সূর্য্যাদি লোকবোব নিজ নিজ গুণ বিশিষ্ট আমাব পৃথিবীব দবেই জড়। অতুষ্ট হৈ দুঃখ বা সন্তুষ্ট হৈ সুখ কাকো দিব নোৱাবে। এইবোবব গুণ, প্রভাব পৃথিবীব সকলোতে সমানে পবে ব্যক্তি বিশেষলৈ পক্ষপাত থাকিব নোৱাবে, যিহেতু ঈর্ষা, দ্বেষ আদি চৈতন্য গুণ সিবিলাকব নাই।

প্রশ্ন—এই সংসাবত কোনো ৰজা, কোনো দাস, কোনো সুখী, কোনো দুঃখী যে হয়, এইবোব গ্রহব ফল নহয় জানো ?

উত্তব—নহয়, এইবোব নিজব কর্ম্মবহে ফল। **প্রশ্ন**—তেন্তে জ্যোতিষ শাস্ত্র মিছা নেকি ? **উত্তব**—যি জ্যোতিষত অঙ্ক, বীজ গণনা, আছে সেইবোব সত্য, কিন্তু ফলব লীলা-খেলা সকলো মিছা। **প্রশ্ন**—জন্ম পত্র বা জন্ম কোষ্ঠীব ফলাফল মিছা নেকি ? **উত্তব**—যাক জন্ম পত্র বোলা হয় আচলতে তাক শোক প্রশ্ন বোলাহে উচিত। কাৰণ সন্তান জন্ম হলে মাতা-পিতা আদি সকলোবে আনন্দ হয় আৰু সেই আনন্দ জন্ম পত্র বা কোষ্ঠী প্রস্তুত নোহাৱা পর্য্যন্তহে থাকে। দেখাত দেখি জন্ম-পত্র কবিবলৈ জ্যোতিষীক দিয়া হয়। জন্ম-পত্র প্রস্তুতিব বাবে যেয়ে যেনেকুৱা দাম দিব পাবে তেনেকুৱাই জন্ম-পত্র তৈয়াব হয়। সন্তানব পবিয়াল শিক্ষিত ধনী হ'লে জন্ম-পত্রও সেই অনুপাতে লিখা হয়, দুখীয়া বা অশিক্ষিত হলে অতি সাধাৰণ ভাবে প্রস্তুত হয়। যেতিয়া শুনাবলৈ আহে মাতা-পিতাই দান দক্ষিণা দি শ্রদ্ধা ভক্তি আগ্রহ সহকাবে সোধে,—দেউ ! ইয়াব জন্ম-পত্র ভালনে ? তেতিয়া দৈৱজ্ঞই কয়—"হাঁ, ইয়াব জন্মস্থান খুব ভাল, মিত্র গ্রহও খুব ভাল"; ইয়াব ফলত, জাতক ধনী, আৰু প্রতিষ্ঠাৱান হব, সমাজত ইয়াব সূর্য্যব দবে প্রভাব বিস্তাব হব। স্বাস্থ্যৱান আৰু ৰাজ-সন্মান প্রাপ্ত হব। এইদবে শুনি মাতা-পিতা আদি সকলোবে আনন্দত বুকু ওফন্দি যাব, আৰু সকলোৱে কব "দেউ ! আপোনাব দবে জ্যোতিষী কেইজন ওলাব ?" জ্যোতিষীয়ে জানে যে কেৱল এইখিনি কথাবেই

কার্য্যসিদ্ধি নহয়। তেতিয়া জ্যোতিষীয়ে নিজব স্বার্থ সিদ্ধিব যোজনা কবি কব "এই গ্রহবোবব দৃষ্টি অতি শুভ, কিন্তু অমুক অমুক অশুভ গ্রহবোবব দৃষ্টিত জাতকব অকাল মৃত্যুব যোগ অতি স্পষ্ট হৈ আছে"। এইদবে শুনাব পাছত মাক-বাপেকব সন্তান জন্মব আনন্দ গুচি শোক সাগবত মাব যায়। আৰু হতবুদ্ধি হৈ সোধে, ইয়াব কোনো প্রতিকাব আছেনে ? তেতিয়া জ্যোতিষীয়ে নিজব উদ্দেশ্য সিদ্ধিব সাধন হাততে পায়—নানা আলৌকিক আখ্যান উপাখ্যান গাই কয়—"ভগৱানে সকলো বিধি ব্যৱস্থা দি থৈছে, সেই শাস্ত্রব বিধি ব্যৱস্থা পালন কবিব পাৰিলে অসাধ্য সাধন হব পাবে; অর্থ-দান, গো-দান, মন্ত্রজপ, তাবিজ ধাৰণ, কৱচ ধাৰণ, ব্রাহ্মণ ভোজনাদি কবিলে নৱগ্রহবো বিঘ্ন দূব হব পাবে"। এইবোব অনুষ্ঠান কবাব পাছতো যদি সন্তান মবে তেতিয়া দৈৱজ্ঞই কয়—"তোমালোকেও বিধিমতে সকলো কবিলা, ময়ো সকলো চেষ্টা কবিলো, ভগৱানব যি ইচ্ছা সেয়েই হল। তাব ওপবত কাবো হাত নাই, সন্তানব ভাগ্যত যি লেখা আছিল সেয়েই হল।" যদি বাচি থাকে তেতিয়া কয়—"মোব দৈৱিক সাধনা আৰু মন্ত্রজপব মহিমাতেই তোমাব সন্তান মৃত্যু যোগব পৰা বাচিল, কিন্তু এতিয়াও এটা বিষ্ট আছে তাব কাৰণে আৰু উপায় কবি থকা ভাল হব।" ইত্যাদি ধূর্ত্ত জীৱীব ধূর্ত্তালিত বিশ্বাস কবি মানুহে ইহজীৱন আৰু পব জীৱনো নষ্ট কবিব লগা হয়। মানুহে জনা উচিত যে পৰমেশ্বৰব বিধান যদি কোনেও খণ্ডাব নোৱাবে, যদি জীৱব নিজব কর্ম্মব ফল ভোগ অৱশ্যম্ভাৱী তেন্তে দৈৱজ্ঞ বা সাধকব তাক খণ্ডাৱব সাধ্য কি ? পৰব দুখ দুর্গতি খণ্ডোৱা, ভাগ্য সাধনব ঠিকাদাব সাধক, দৈৱজ্ঞ আৰু অর্থ, দক্ষিণা কবি ইষ্টভৃতি আদিব বিনিময়ত শিষ্যক উদ্ধাব কবিবলৈ ঠিকা লোৱা গুৰুসকলে নিজব নিজব ভাগ্যব উন্নতি আৰু দুখ দুর্গতি দূব কবিব নোৱাবে কিয় ? এনেবোব অসৎ অন্ধ বিশ্বাস মানব সমাজব পৰা দূব কৰা মানব মাত্রবেই বাঞ্ছনীয় আৰু কল্যাণ।

শীতলা আৰু মন্ত্ৰ, তন্ত্ৰ, যন্ত্ৰ আদিৰ ক্ষেত্ৰতো ধূৰ্ত্তজীৱীৰ জীৱিকাৰ কৌশল। দেৱতা আৰু পীৰৰ মন্ত্ৰ যন্ত্ৰৰে পৰৰ বিঘ্ন দূৰ কৰা ঠিকাদাৰ সকলকো সেই উত্তৰকে দিয়া হয় যে- "তোমালোকৰ মৃত্যু, ঈশ্বৰৰ বিধান, নিজ কৰ্ম্মফল দূৰ কৰিব পৰা সাধ্য আছে জানো? তোমালোকৰ মন্ত্ৰ, কৱচ ধাৰণ কৰাৰ পাছতো মানুহ মৰে, তোমাৰ ঘৰতো মৰে আৰু তুমি নিজেও জৰা, ব্যাধি, মৃত্যুৰ হাত এৰিব নোৱাৰা।" তেতিয়া ধূৰ্ত্ত জীৱীৰ আৰু একো উত্তৰ নেথাকে আৰু বুজি পাব যে তাত তেওঁলোকৰ তেনে ৱিশ্বাৱে জীৱিকা নচলিব। অন্ধ বিশ্বাসীৰ ওচৰতহে ধূৰ্ত্তৱিদৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে এনেকুৱা অন্ধ বিশ্বাস পৰিত্যাগ কৰি, সৎ পুৰুষ, সমাজৰ উপকাৰী, নিৰপেক্ষ বিদ্বান ব্যক্তি সকলৰ সঙ্গ আৰু সেৱা শুশ্ৰূষা কৰাহে মানুহৰ একান্ত বাঞ্ছনীয়। সেই সকলৰ যিবোৰ কৰ্ম্ম আচৰণৰ দ্বাৰা জগতৰ কল্যাণ পৰিলক্ষিত হয়, সেইবোৰহে আমি আচৰণ কৰা আৱশ্যক। মন্ত্ৰ যন্ত্ৰ আদিৰ বিশ্বাসত মানৱ মনত মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়া হয়, গতিকে অভিভাৱকে সন্তানক বাল্যৰ পৰা সচেতন কৰা উচিত। ইয়াৰ উপৰিও ৱাসায়নিক, মাৰণ, মোহন, উচ্চাটন আৰু ৱশীকৰণ এইবোৰ মহাপাপ, যাৰ পৰিণাম নিজৰ নৈতিকতাৰ অধঃপতন আৰু সমাজৰ অকল্যাণ। এইবিষয়েও শিশুক উপদেশ দিয়া আৱশ্যক। বাল্যকালত চৰিত্ৰ আৰু বীৰ্য্য ৰক্ষাই যে জীৱনৰ স্বাস্থ্য, বল, সৌন্দৰ্য্য আৰু মস্তিষ্ক বিকাশৰ মূল শক্তি। এই লক্ষ্যত সচেতন কৰিবৰ বাবে যথাযোগ্য উপদেশ আৰু অভ্যাসৰ যত্নপৰ হোৱা প্ৰতিজন মাতা পিতাৰ সৰ্ব্ব প্ৰধান কৰ্ত্তব্য। বীৰ্য্য ৰক্ষাৰ বিষয়ে মনত ৰাখিব লাগে যে, কাম বিকাৰ আলোচনা, অকলে চিন্তা, তেনেকুৱা লোকৰ সংসৰ্গ, স্ত্ৰী-পুৰুষ অৰ্থাৎ বিপৰীত-লিঙ্গৰ লগত ঘনিষ্ঠতা, পৰস্পৰক স্পৰ্শ ইত্যাদিৰ পৰা যুৱক যুৱতীয়ে সংযত হৈ থাকিব লাগিব এইবোৰ বিষয়ত এবাৰ বিচলিত হলে তাৰ পাছত সংযম ৰক্ষা কৰা অসাধ্য হৈ পৰে। এইবোৰ বিষয়ত সচেতন হোৱা মানে নিজক নিজে

ৰক্ষা কৰা আৰু সুস্থ দীৰ্ঘ জীৱন লাভ কৰা। বীৰ্য্যহীন ব্যক্তিৰ স্বাস্থ্য, বল, মেধা, শৰীৰৰ শ্ৰী, আদি লোপ পায় আৰু প্ৰমেহ ৰোগগ্ৰস্ত হৈ আজীৱন দুৰ্ব্বল আৰু নিস্তেজ হয়, উৎসাহ, উদ্যম, সাহস, ধৈৰ্য্য আদি গুণ হ্ৰাস পায়। বাল্য কালত বীৰ্য্য ৰক্ষা আৰু সুশিক্ষাই হৈছে সফল জীৱনৰ আধাৰ স্তম্ভ। পূৰ্ণ যৌৱন নোহোৱা পৰ্য্যন্ত যুৱক যুৱতীয়ে সংযম আৰু যথাযোগ্য বিদ্যা অৰ্জ্জন কৰিব পৰাই জীৱনৰ সফলতা। বিদ্যা অৰ্জন মানে অক্ষৰ জ্ঞানৰ পৰা শাস্ত্ৰ জ্ঞান আৰু যথাযোগ্য কাৰিকৰী জ্ঞান অৰ্জন কৰা। এই দৰে সন্তানক গঢ় দিব পৰাটোৱেই মাতা-পিতাৰ সাৰ্থকতা। আদৰ্শ মাতা, পিতা আৰু আচাৰ্য্যৰ শিক্ষা গ্ৰহণ কৰিব পৰাই "মাতৃমান্" "পিতৃমান্" আৰু "আচাৰ্য্যৱান্" শব্দৰ অৰ্থ। জন্মৰ পৰা পঞ্চম বছৰলৈ মাকে, ষষ্ঠৰ পৰা অষ্টম বছৰ পৰ্য্যন্ত বাপেকে সযত্নে শিক্ষা দিব লাগে। নৱম বছৰৰ পৰা শিশুৰ বিদ্যা বা শিক্ষা গ্ৰহণৰ ধাৰণা জন্মে। গতিকে নৱম বছৰৰ প্ৰাৰম্ভতেই বিদ্যাৰম্ভ সংস্কাৰ (অনুষ্ঠান) পাতি উপযুক্ত বিদ্যালয় লৈ পূৰ্ণ বিদ্যা শিক্ষাৰ কাৰণে পঠাব লাগে। সচেতন, যত্নপৰ আৰু নিয়মানুৱৰ্ত্তী মাতা-পিতাৰ সন্তান বিদ্বান, সুশিক্ষিত আৰু চৰিত্ৰৱান হব পাৰে। এই বিষয়ে ব্যাকৰণ মহাভাষ্যত আছে :—

সাম্নৈঃ পাণিভির্ঘ্নন্তি গুৰবো ন বিষোক্ষিতৈঃ।
লালনাশ্ৰয়িণো দোষাস্তাড়নাশ্ৰয়িণো গুণাঃ॥

(অ০ ৮।১।৮)

অৰ্থঃ—যি মাতা পিতা আৰু আচাৰ্য্য (শিক্ষা গুৰু) ই সন্তান আৰু শিষ্যক তাড়ন কৰে, তেওঁলোকে যেনিবা সিবিলাকক স্ব হস্তে অমৃতহে খুৱায় আৰু যি লালন কৰে, তেওঁলোকে বিষ খুৱাই জীৱন নাশ কৰে। কাৰণ শিষ্য আৰু সন্তান লালনৰ দ্বাৰা দোষ যুক্ত আৰু তাড়নৰ দ্বাৰা গুণ যুক্ত হয়। সন্তান আৰু শিষ্য বা ছাত্ৰয়ো জনা উচিত যে মাক বাপেক আৰু গুৰুৰে তেওঁলোকৰ ভবিষ্যত মঙ্গলৰ কাৰণেহে তাড়ন কৰে, ভয় প্ৰদৰ্শন কৰে, হিংসাৰ ভাৱেৰে কেতিয়াও নকৰে। পিতৃ-মাতৃ আৰু

গুৰুৱেও বাহিৰত ভয় দেখুৱাব আৰু ভিতৰি কৃপাদৃষ্টি কৰিব।

চুৰি, ছলনা, মিছা কোৱা, হিংসা, ক্রোধ দ্বেষ, মোহ, আলস্য, প্রমাদ, মাদকতা আদি দুগুণবোৰৰ পৰা আঁতৰত থাকিবলৈ আৰু ন্যায়, দয়া, সহায়, সহযোগ, সত্যৰ প্রতি আগ্রহ, উদ্যম আদি সৎ গুণবোৰ আয়ত্ত কৰিবলৈ বাল্য কালতেই আন আন শিক্ষাৰ লগতে ছাত্র-ছাত্রীক পিতৃ, মাতৃ বা গুৰুৱে শিক্ষা দিয়াটো পৰম আৱশ্যক। দুগুণীৰ চৰিত্র সংশোধন কৰা দুঃসাধ্য। চৰিত্রহীন মানুহে কেতিয়াবা সত্য কলে বা সৎকৰ্ম্ম কৰিলেও মানুহে সদায় সন্দেহৰ চকুৰে চায়। অসৎ স্বভাৱৰ মানুহক মৃত্যু পর্য্যন্ত কোনেও বিশ্বাস নকৰে। অসৎ চৰিত্রৰ মানুহ জীৱনত যিমান ক্ষতিগ্রস্ত হয়, সিমান ক্ষতিগ্রস্ত অন্য কোনোৱেই হব নোৱাৰে। প্রতিজ্ঞা ভঙ্গ বা বিশ্বাস ভঙ্গ কৰি সিবোৰে নিজৰ অধোগতি নিজেই আহ্বান কৰে। নিজৰ প্রতিজ্ঞা পালন কৰিব পৰা মানেই নিজৰ সম্মান, গৌৱৰৰ বৃদ্ধি কৰা। আত্মাভিমান নিজৰ অধোগতিৰে মূল। ছল, কপটতা কৃতঘ্নতাৰে নিজৰেই হৃদয় অনুতপ্ত, লজ্জিত আৰু কলুষিত হয়। স্বার্থ সিদ্ধিৰ উদ্দেশ্যে ভিতৰে বাহিৰে প্রলোভনেৰে মুগ্ধ কৰি আৰু পৰৰ ক্ষতিলৈ মন নকৰি নিজৰ স্বার্থ পূৰণ কৰাই "ছলনা" আৰু "কপটতা"। উপকাৰীৰ অহিত কিৰাকে "কৃতঘ্নতা" বোলে। হুতা মাত নামাতি মধুৰ, শান্ত আৰু অল্প ভাষণেই জীৱনত সফলতাৰ শ্রেষ্ঠ পথ। আৱশ্যকতকৈ অধিক কোৱাও সফলতাৰ বাধা। জ্যেষ্ঠক সম্মান কৰা, বিনীতভাৱে অভ্যর্থনা কৰা আৰু সকলোকে নমস্কাৰ কৰাটো নিজৰেই কল্যাণ সাধক। সামাজত নিজৰ যোগ্য স্থানত বহিলে অপমানিত হব নালাগে। অনাৱশ্যক বিবাদ নিন্দনীয়। গুণৰ গ্রহণ আৰু দোষৰ বর্জ্জন জীৱনত উন্নতিৰ উপায়। সজ্জনৰ সঙ্গ লোৱা, দুর্জ্জনৰ সঙ্গ ত্যাগ কৰা, মাতা, পিতা আৰু আচার্য্যক কায়মনোবাক্যে সেৱা শুশ্রূষা কৰাই পৰম ধর্ম্ম।

যান্যস্মাকং সুচৰিতানি তানি ত্বয়োপাস্যানি নো ইতৰাণি।

তৈত্তি০ বল্লী ১।অনু০।১১।

ইয়াৰ অভিপ্রায় এয়ে যে, মাক, বাপেক আৰু শিক্ষা গুৰুৰে সন্তান আৰু শিষ্যক সদায় সদুপদেশ দিব আৰু লগতে ইয়াকো কব আমি যিবোৰ সজ আচৰণ কৰিছো সেইবোৰ গ্রহণ কৰিবা আৰু বেয়া-আচৰণবোৰ বর্জ্জন কৰিবা। যিবোৰ সত্য বুলি উপলব্ধ হয় তাকে আচৰণ কৰিবা আৰু আনকো উপদেশ দিবা। পাষণ্ড আৰু দুৰাচাৰীক কেতিয়াও বিশ্বাস নকৰিবা"। হিতাকাঙ্খী মাতা, পিতা আৰু গুৰুৰে যিবোৰ শিক্ষণীয় উপদেশ দিয়ে, সেইবোৰ পালন কৰি নিজৰ ভবিষ্যত কল্যাণ সাধিব পাৰি। মাতা, পিতা বা আচার্য্যই "নিঘণ্টু", "নিৰুক্ত", "অষ্টাধ্যায়ী" অথবা বেদাদিৰ সূত্র লৰা-ছোৱালীক কেৱল মুখস্থ কৰালেই নহয়, তাৰ অর্থও বুজাই দিয়া উচিত। এই গ্রন্থৰ প্রথম সমুল্লাসত পৰমেশ্বৰৰ যি ব্যাখ্যা দিয়া হৈছে, সেই মতে বুজি উপাসনা কৰা উচিত। বিদ্যা আৰু শক্তিবর্দ্ধক আহাৰ আৰু শাৰীৰিক চর্চা কৰিব লাগে। ভোকৰ পৰিমাণতকৈ অলপ কম খোৱাহে উপকাৰী। উত্তেজক আৰু গুৰুপাক আহাৰ খোৱা অস্বাস্থ্যকৰ। অজ্ঞাত আৰু গভীৰ পানীত নামিব নালাগে; কাৰণ জলজন্তুৰো ভয় আৰু সাঁতুৰিব নোৱাৰিলেও বিপদ।

"**না বিজ্ঞাতে জলাশয়ে**" – এইটো মনুৰ বচন। অবিজ্ঞাত জলাশয়ত নামি স্নান কৰা নিষেধ।

দৃষ্টিপূতং ন্যসেৎ পাদং বস্ত্রপূতং জলং পিবেৎ।
সত্য পূতং বদেদ্বাচং মনঃ পূতং সমাচৰেৎ। মনুঃ(অঃ৬।৪৬।)

অর্থ—তলৈ চাই পদক্ষেপ কৰা উচিত, বস্ত্রৰে ছেকি জল পান কৰিব লাগে, সত্যৰে পৰিত্র বাক্য কব লাগে আৰু পৰিত্র মনে বিবেচনা কৰি কর্ম্ম কৰিব লাগে।

মাতা শত্রুঃ পিতা বৈৰী যেন বালো ন পাঠিতঃ।
ন শোভতে সভামধ্যে হংসমধ্যে বকো যথা॥

চাণক্য নীতি (অঃ ২ শ্লোঃ ১১)

সন্তানক শিক্ষা নিদিয়া মাক-বাপেক সন্তানৰ শত্রু। ৰাজহংসৰ মাজত বগলীৰ দৰে বিদ্যাহীন সন্তানে বিদ্বান সমাজত শোভা দিব নোৱাৰে, তিৰস্কৃত হে হয়। গতিকে কায়মনোবাক্যেৰে সন্তানক সুশিক্ষিত কৰিব পৰাই পৰম কৰ্ত্তব্য আৰু সেয়েই মাতা, পিতা আৰু আচাৰ্য্যৰ সফলতা। শিশু শিক্ষাৰ বিষয়ে ইয়াত সামান্য আভাষহে দিয়া হ'ল। এইখিনিৰ পৰাই বুদ্ধিমান্ সকলে বহুতো কথা বুজি লব পাৰিব।

ইতি শ্রীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যার্থপ্রকাশে সুভাষাবিভূষিতে বালশিক্ষাবিষয়ে দ্বিতীয়ঃ সমুল্লাসঃ সম্পূর্ণঃ। ২।

অথ তৃতীয় সমুল্লাসাৰম্ভঃ

অথাঽধ্যয়নাধ্যাপনবিধিং ব্যাখ্যাস্যামঃ।

এতিয়া তৃতীয় সমুল্লাসত অধ্যয়ন আৰু অধ্যাপনাৰ নিয়ম ব্যাখ্যা কৰা হব। সন্তান-সন্ততি সকলক সৎ বিদ্যা, গুণ-কৰ্ম্ম-স্বভাৱ আদি ভূষণেৰে বিভূষিত কৰাই মাতা, পিতা, শিক্ষা গুৰু আত্মীয়স্বজনসকলৰ সৰ্ব্বপ্রধান কৰ্ত্তব্য। সোণ, ৰূপ, মণি-মানিক, হীৰা-মুক্তা, প্রৱালাদি ৰত্নেৰে মণ্ডিত অলঙ্কাৰেৰে মানৱ আত্মা কেতিয়াও বিভূষিত হব নোৱাৰে। অলঙ্কাৰৰ পৰা দেহাভিমান, বিষয়াসক্তি আৰু তস্কৰাদিৰ ভয়েই নহয়—প্রাণৰো ভয় হয়। অলঙ্কাৰ পৰিধানৰ কাৰণেই বাল-বৃদ্ধ আদি অনেকৰ দুৰ্ব্বৃত্তৰ হাতত প্রাণ যায়।

বিদ্যাবিলাসমনসো ধৃতশীলশিক্ষাঃ,
সত্যব্রতা ৰহিতমানমলাপহাৰাঃ।
সংসাৰদুঃখদলনেন সুভূষিতা যে,
ধন্যা নৰা বিহিত কর্ম্মপৰোপকাৰাঃ॥

যাৰ মন বিদ্যা চর্চ্চাত মগ্ন, যি শিক্ষিত আৰু সৎ স্বভাৱ সম্পন্ন, যি সত্যব্রতী, যি নিৰভিমান আৰু পবিত্র, যি পৰৰো মলিনতা দূৰ কৰে, যি সত্য আৰু জ্ঞানৰ উপদেশৰ লগতে বেদবিহিত কৰ্ম্মৰ জৰিয়তে সাংসাৰিক লোকৰ দুখ দূৰ কৰে, যি সকল পৰোপকাৰত ৰত সেই সকল নৰ-নাৰীৰ জীৱন ধন্য। সেই কাৰণে ৮ বছৰ বয়সত বালকক বালক-বিদ্যালয়লৈ আৰু বালিকাক বালিকা-বিদ্যালয়লৈ পঠোৱাৰ ব্যৱস্থা কৰা উচিত। দুৰা-

চাৰী শিক্ষক বা শিক্ষয়িত্ৰীৰ দ্বাৰাই বালক-বালিকাক কেতিয়াও শিক্ষা দিয়াব নালাগে। কাৰণ, যি সকল বিদ্বান হোৱাৰ উপৰিও ধাৰ্ম্মিকো হয়, তেনে লোকহে শিক্ষাদানৰ যোগ্য। স্ব-গৃহত যথাযোগ্য বিদ্যাৰম্ভ সংস্কাৰ (উপনয়নাদি) কৰি বালক-বালিকাক যথাযোগ্য বিদ্যালয়লৈ পঠিয়াব লাগে। শিক্ষাৰ স্থান জন কোলাহল শূন্য ঠাইত অৱস্থিত হব লাগে। বালক আৰু বালিকাৰ পাঠশালাৰ মাজত যথেষ্ট ব্যৱধান থকা বাঞ্ছনীয়। বালিকা বিদ্যালয়ত অকল অধ্যাপিকা আৰু স্ত্রী কৰ্ম্মচাৰী থাকিব লাগে। সেইদৰে বালক বিদ্যালয়তো অকল অধ্যাপক আৰু পুৰুষ কৰ্ম্মচাৰীহে হব লাগে। বালিকাৰ বিদ্যালয়লৈ পাঁচ বছৰৰ বালক আৰু বালকৰ বিদ্যালয়লৈ পাঁচ বছৰৰ বালিকাও যোৱা অবাঞ্ছনীয় অর্থাৎ ছাত্র-ছাত্রী বিলাকে ব্রহ্মচর্য্য অৱলম্বন কৰি শিক্ষা সমাপ্ত নকৰা পর্য্যন্ত উভয়ৰ মাজত মিলিত খেল-ধেমালি আদি কৰি আঠোঁ বিধ মৈথুনৰ পৰা বিৰত থাকিব লাগে। সুবিজ্ঞ শিক্ষক সকলে ছাত্র-ছাত্রীবোৰক এনেবোৰ অভ্যাস-আচৰণৰ পৰা ৰক্ষা কৰাত সজাগ দৃষ্টি ৰখা উচিত আৰু সৎ শিক্ষা, চৰিত্র গঠন, শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে যত্নপৰ হোৱা উচিত। বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত ধনী-দুঃখীয়া সকলো ছাত্র-ছাত্রীৰ আহাৰ, আসন আৰু পৰিধান একে হোৱা উচিত। বিদ্যার্থী জীৱন তপস্বীৰ জীৱন। মাক বাপেক বা পৰিয়ালৰ কোনেও অধ্যয়নৰত সন্তানৰ লগত চিঠি-পত্র বিনিময় নকৰি বিদ্যালয়ৰ অধ্যক্ষৰ লগত কৰাহে হিতকৰ। পাৰিবাৰিক বিষয় অশান্তিৰ পৰা ছাত্র-ছাত্রীক নিশ্চিন্ত ৰাখি অধ্যয়নত মনোযোগ দিয়াত সহায়ক হব লাগে। বাহিৰত ভ্রমণ কৰিবলৈ গলেও লগত শিক্ষক যাব লাগে যাতে তেওঁ কৰণীয় আৰু অকৰণীয় কার্য্যৰ প্রতি সচেতন দৃষ্টি ৰখিব পাৰে।

কন্যানাং সম্প্রদানং চ কুমাৰাণাং চ ৰক্ষণম্ ॥

মনু (অ০ ৭।শ্লো০ ১২৫)।

অর্থঃ—কন্যাক যথাযোগ্য শিক্ষা দি উপযুক্ত পাত্রত বিবাহ দিয়া আৰু

যোগ্য পাত্রীৰ লগত বিবাহ নোহোৱা পর্য্যন্ত কুসঙ্গৰ পৰা কুমাৰক ৰক্ষা কৰা অভিভাৱকৰ পৰম কর্ত্তব্য। লৰা আৰু ছোৱালী উভয়কে পঞ্চম বা অষ্টম বছৰৰ পাছত নিজ ঘৰত ৰাখিব নোৱাৰিব আৰু বিদ্যালয়লৈ পঠিয়াবই লাগিব বুলি বাধ্যতামূলক ৰাষ্ট্রীয় বা সামাজিক নীতি হোৱা আৱশ্যক। তেনে নীতি উল্লঙ্ঘনৰ বাবে দণ্ড বিধানো হোৱা উচিত। ঘৰত প্রথম যজ্ঞোপবীত দি শিক্ষাৰম্ভৰ পাতনি মেলিব আৰু তাৰ পাছত বালক বালিকাক বিদ্যালয়লৈ পঠাব লাগে। বিদ্যালয়তো বিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকৰ উপস্থিতিত দ্বিতীয় যজ্ঞোপবীত দি শিক্ষা আৰম্ভ কৰিব লাগে—যাতে সিবিলাকৰ মানসিক উৎপ্রেৰণা জাগ্রত হয়। মাতা, পিতা বা আচার্য্যই বালক বালিকাক অর্থ ব্যাখ্যা কৰি গায়ত্রী মন্ত্রৰ উপদেশ দিব লাগে। গায়ত্রী মন্ত্র ঃ—

ওম্ ভূর্ভুবঃ স্বঃ। তৎসবিতুর্ব্বৰেণ্যম্। ভর্গো দেৱস্য ধীমহি। ধিয়ো যো নঃ প্রচোদয়াৎ ॥

যজু০ অ০ ৩৬।ম০ ৩॥

এই গায়ত্রী মন্ত্রৰ আগৰ "ওম্" শব্দৰ অর্থ প্রথম সমুল্লাসত ব্যাখ্যা কৰা হৈছে। ইয়াত তিনি মহাব্যাহৃতিৰ অর্থ সংক্ষেপে লিখা হ'ল ঃ—

"ভুৰিতি ৱৈ প্রাণঃ", "যঃ প্রাণয়তি চৰাচৰং জগৎ স ভূঃ. স্বয়ম্ভুৰীশ্বৰঃ"—যি সমস্ত জগতৰ জীৱনৰ আধাৰ, প্রাণতকৈও প্রিয় আৰু স্বয়ম্ভু সেই প্রাণ-আধাৰ অর্থাৎ "ভূঃ" পৰমেশ্বৰৰ নাম। **"ভুৱৰিত্যপানঃ" "যঃ সর্ৱং দুঃখমপানয়তি সোঽপানঃ"**—যি সর্ব্ব দুঃখৰহিত, যাক প্রাপ্ত হলে জীৱই সকলো দুখৰ পৰা মুক্ত হয়, সেই পৰম ঈশ্বৰৰ নাম "ভুৱঃ"। **"স্ৱৰিতি ব্যানঃ", "যো ৱিৱিধং জগৎ ব্যানয়তি—ব্যাপ্নোতি সঃ ব্যানঃ"** যি বিভিন্ন জগতত ব্যাপক হৈ জগতৰ সকলোকে ধাৰণ কৰে সেই পৰমেশ্বৰৰ নাম "স্বঃ"। এই তিনিওটা বচনেই তৈত্তিৰীয় আৰণ্যকৰ (প্রপাঃ ৭।অনুঃ ৫)। (**সৱিতুঃ**) **"যঃ সুনোত্যুৎপাদয়তি সর্ৱং জগৎ স সৱিতা, তস্য"** যি জগতৰ স্রষ্টা আৰু সকলো ঐশ্বর্য্যৰ দাতা। (**দেৱস্য**)

"যো দীব্যতি দীব্যতে বা স দেবঃ" যি সকলো সুখৰ মূল আৰু সকলোৱে যাক পাবলৈকো মন কৰে, সেই পৰম বস্তুৰ (**বৰণ্যেং**) **"বর্ত্তুমর্হম্"**, স্বীকাৰ বা বৰণৰ যোগ্য, অৰ্থাৎ যি পৰম শ্ৰেষ্ঠ, (**ভর্গঃ**) **"শুদ্ধস্বরূপম্"** শুদ্ধ স্বৰূপ, পাৱক, আৰু চেতন ব্ৰহ্মস্বৰূপ, (**তৎ**) সেই পৰম আত্মাৰ স্বৰূপকে আমি (**ধীমহি**) **"ধৰেমহি"**, ধাৰণ কৰিম। কিয়? (**যঃ**) **"জগদীশ্বরঃ"** যি জগতৰ সৰিতা পৰম দেৱ পৰমাত্মা (**নঃ**) **"অস্মাকম্"** আমাৰ (**ধিয়ঃ**) "বুদ্ধীঃ" বুদ্ধিবৃত্তিবোৰ (**প্রচোদয়াৎ**) **"প্রেরয়েৎ"** প্ৰেৰণা কৰে অৰ্থাৎ অসৎ প্ৰবৃত্তিৰ পৰা নিবৃত্ত কৰি সৎ প্ৰবৃত্তি যুক্ত কৰে।

"হে পৰমেশ্বৰ! **হে সচ্চিদানন্দানন্ত স্বরূপ! হে নিত্য শুদ্ধ, বুদ্ধ, মুক্ত স্বভাব! হে অঞ্জনিরঞ্জন নির্ব্বিকার! হে সর্ব্বান্তর্য্যামিন্! হে সর্ব্বাধার জগৎপতে! সকল জগদুৎপাদক। হে অনাদে! বিশ্বম্ভর! সর্ব্বব্যাপিন্! হে করুণামৃতবারিধে! সবিতুর্দেবস্য তব যদ্ ওম্ ভূর্ভুবঃ স্বর্ব্ববেণ্যং ভর্গোঽস্তি তদ্বয়ং ধীমহি দধীমহি ধরেমহি ধ্যায়েম বা। কস্মৈ প্রয়োজনায়েত্যত্রাহ। হে ভগবন্! যঃ সবিতা দেবঃ পরমেশ্বরো ভবান্ অস্মাকং ধিয়ঃ প্রচোদয়াৎ, স এব অস্মাকং পূজ্য উপাসনীয় ইষ্ট দেবো ভবতু নাতোঽন্যং ভবত্তুল্যং "ভবতোঽধিকং চ কঞ্চিৎ কদাচিন্মন্যামহে"**।

হে মানৱ সকল ,যিয়ে সবাতোকৈ অধিকভাৱে সমর্থবান,সচ্চিদানন্দ, অনন্তস্বৰূপ, নিত্য শুদ্ধ, নিত্য বুদ্ধ, নিত্য মুক্ত স্বভাৱযুক্ত, কৰুণাসাগৰ, নিৰপেক্ষ ন্যায়কাৰী, জন্ম-মৰণাদি ক্লেশ ৰহিত, নিৰাকাৰ, সৰ্বজ্ঞ, জগতৰ সৃজন পালন কৰ্ত্তা, সকলো ঐশ্বৰ্য্যৰ মূল, যি পৰম স্বৰূপ সকলোৰে কাম্য, সেই পৰমাত্মাৰ শুদ্ধ চেতন স্বৰূপকহে আমি ধ্যান কৰোঁ। সেই পৰমাত্মাইযেন হিয়া আৰু বুদ্ধিত অৱস্থিত হৈ আমাক অসৎ পথৰ পৰা সৎপথলৈ প্ৰেৰণ কৰে। তেওঁত বাহিৰে—আন বস্তুৰ চিন্তা কৰা অনুচিত। কিয়নো তেওঁৰ সমান বা অধিক একো নাই। তেওঁৰেই আমাৰ পালক, শাসক, ন্যায়দাতা আৰু সকলো সুখৰ মূল।

এইদৰে গায়ত্রী মন্ত্রৰ শিক্ষা দি সন্ধ্যা উপাসনাৰ বাবে যি স্নান, আচমন, প্ৰাণায়াম আদি ক্রিয়া আছে তাৰ শিক্ষা দিব লাগে। প্রথমতে স্নান ; কৰণ, ইয়াৰ দ্বাৰা শৰীৰৰ বাহ্য অৱয়ৱবোৰ শুদ্ধ আৰু সুস্থ থাকে। শাস্ত্রত আছে :—

অদ্ভির্গাত্রাণি শুধ্যন্তি মনঃ সত্যেন শুধ্যতি।
বিদ্যাতপোভ্যাং ভূতাত্মা বুদ্ধির্জ্ঞানেন শুধ্যতি॥

মনু॰ (অ॰ ৫।শ্লো॰ ১০৯)।

অৰ্থাৎ পানীৰে শৰীৰৰ বাহিৰৰ অৱয়ৱবোৰ, সত্য আচৰণৰ দ্বাৰাই মন, বিদ্যা আৰু তপস্যা অৰ্থাৎ কঠোৰ সাধনাৰে ধৰ্ম্ম আচৰণ কৰাৰ দ্বাৰা জীৱাত্মা শুদ্ধ হয়। আৰু সকলো পদাৰ্থৰ জ্ঞানেৰে বুদ্ধি পবিত্র আৰু স্থিৰ হয়। সেয়ে ভোজনৰ আগতে স্নান কৰিব লাগে। দ্বিতীয়তে প্রাণায়াম। এই বিষয়ে প্রমাণ :—

যোগাঙ্গানুষ্ঠানাদশুদ্ধিক্ষয়ে জ্ঞানদীপ্তিরাবিবেকখ্যাতেঃ।

যোগ (সাধনপাদ সূ॰ ২৮)।

এয়া হ'ল যোগ শাস্ত্রৰ সূত্র। নিয়ম পুৰ্ব্বক মানুহে প্রাণায়াম কৰিলে প্রতিক্ষণে আৰু ক্রমান্বয়ে অশুদ্ধতা নাশ হৈ জ্ঞানৰ দীপ্তি প্রকাশিত হয়। মুক্তি নোহোৱালৈকে তেওঁৰ আত্মজ্ঞান এনেদৰে বাঢ়ি গৈ থাকে। মনুস্মৃতিত কৈছে :—

দহ্যন্তে ধ্মায়মানানাং ধাতূনাং হি যথা মলাঃ।
তথেন্দ্রিয়াণাং দহ্যন্তে দোষাঃ প্রাণস্য নিগ্রহাৎ॥

মনু॰ (অ॰ ৬।শ্লো॰ ৭১)।

অৰ্থাৎ জুইত পুৰিলে যেনেকৈ সোণ আদি ধাতুৰ মলি নষ্ট হৈ শুদ্ধ উজ্জ্বল হয়, সেইদৰে প্রাণায়াম কৰিলে মন আদি ইন্দ্রিয়বোৰৰো দোষ নাশ হৈ নির্ম্মল হয়।

প্রচ্ছর্দন বিধারণাভ্যাং বা প্রাণস্য।

যোগ॰ (সমাধি পাদে সূ॰ ৩৪)।

প্রাণায়ামৰ বিধি ঃ—প্রবল বমিত যেনেকৈ ভুক্ত অন্ন-জল পাকস্থলীৰ পৰা ওলাই দুবৈত চিটিকি পৰে, সেইদৰে—যথা শক্তি প্রাণ বায়ুক বাহিৰ কৰি যিমান পৰ সম্ভৱ বাহিৰতে ৰাখিব লাগে। প্রাণ বায়ু অর্থাৎ শ্বাস বাহিৰ কৰোঁতে আৰু বায়ু বাহিৰত থাকে মানে মূলেন্দ্রিয়ক ঊর্দ্ধমুখীকৈ আকৃষ্ট কৰি ৰাখিব লাগে। এইদৰে অভ্যাস কৰোঁতে কৰোঁতে প্রাণ বায়ু অধিক সময় ৰুদ্ধ কৰিব পৰা শক্তি বৃদ্ধি হয়। ৰুদ্ধ কৰি ৰাখিবলৈ অসহ্য হলে, লাহে লাহে শ্বাস পুৰণ কৰিব লাগে। এইদৰে যিমান বাৰ পৰা যায় অভ্যাস কৰিব। প্রাণায়াম কৰোঁতে মনে মনে ওঁ জপ কৰিব লাগে। এইদৰে কৰিলে আত্মা আৰু মন আদি ইন্দ্রিয়বোৰ শুদ্ধ, শক্তিশালী আৰু স্থিৰ হয়। প্রথম—বাহ্য অর্থাৎ প্রাণ বায়ু বাহিৰত যথাসম্ভৱ নিৰোধ কৰা, দ্বিতীয়—আভ্যন্তৰ অর্থাৎ যিমান পৰ সম্ভৱ প্রাণ বায়ুক ভিতৰত নিৰোধ কৰা। তৃতীয়—স্তম্ভন অর্থাৎ প্রাণ বায়ু যি অৱস্থাত থাকে সেই অৱস্থাতেই যথা শক্তি ৰোধ কৰা। চতুর্থ—বাহ্যাভ্যন্তৰক্ষেপী অর্থাৎ যেতিয়া নিঃশ্বাস বাহিৰলৈ প্রৱাহিত হয়, তেতিয়া তাৰ বিপৰীতে প্রশ্বাস ৰোধ কৰি যথা শক্তি বাহিৰৰ পৰা বায়ু ভিতৰলৈ টানিব লাগে। যেতিয়া প্রাণ বায়ু বাহিৰৰ পৰা নিঃশ্বাস ৰূপে ভিতৰ সোমাব খোজে, তেতিয়া ভিতৰৰ পৰা ঠেলা মাৰি ৰোধ কৰিব লাগে। এইদৰে প্রাণ ক্রিয়াৰ গতি (শ্বাস-প্রশ্বাস) সংযত কৰিব পাৰিলে প্রাণ ক্রিয়া (শ্বাস-প্রশ্বাস) বশ হয় আৰু ফলত মন আৰু ইন্দ্রিয়ও স্বাধীন হয়। ইয়াৰ ফলত আধ্যাত্মিক শক্তি বৃদ্ধি হয়, বুদ্ধি দীপ্ত আৰু সূক্ষ্ম হয়, আৰু জটিল সূক্ষ্ম বিষয়ো শীঘ্রে বুজিব আৰু গ্রহণ কৰিব পৰা যায়। প্রাণায়াম সিদ্ধিৰ ফলত বল, বীর্য্য, স্থৈর্য্য, পৰাক্রম, জিতেন্দ্রিয়তা, আৰু অলপ কালৰ ভিতৰতে দিব্য জ্ঞানৰ অধিকাৰী হব পাৰে। নাৰী সকলেও প্রাণায়াম অভ্যাস কৰিব লাগে। প্রাণায়াম সাধনৰ লগত, ভোজন, পৰিধান, উঠা বহা আৰু যথাযোগ্য সম্ভাষণৰ ঘনিষ্ঠ সম্বন্ধ থাকে, তাৰ শিক্ষাও বালক বালিকাক দিয়া উচিত।

সন্ধ্যা উপাসনাক ব্রহ্ম যজ্ঞও বোলে। যিমান কণ জল ধোক মাৰিলে কণ্ঠ সিক্ত হৈ হৃদয় পর্য্যন্ত পাবগৈ পাৰে, সিমান পৰিমাণৰ জল সোঁ হাতৰ তলুৱাত লৈ হাত তলুৱাৰ মূল আৰু মধ্য ভাগত ওষ্ঠ সংলগ্ন কৰি "আচমন" কৰিব লাগে। তাৰ দ্বাৰাই কণ্ঠৰ কফ, পিত্ত শৰীৰৰ জড়তা কিঞ্চিৎ দূৰ হয়। তাৰ পাছত মার্জন কৰিব অর্থাৎ বাওঁ হাতৰ তালুৱাত জল লৈ মধ্যমা আৰু অনামিকা আঙ্গুলিৰ আগ ভাগেৰে কর্ণ, নেত্র আদি অঙ্গবোৰ জল সিক্ত কৰিব লাগে। ইয়াৰ দ্বাৰাই আলস্য দূৰ হয়। আলস্য নাথাকিলে, বা কণ্ঠত কফ ৰুদ্ধ নহলে আৰু জলৰ অভাৱ হলে "আচমন" নকৰিবও পাৰে। "আচমন"ৰ পাছত মন্ত্র সহিত, প্রাণায়াম, মনসা পৰিক্রমণ, উপস্থান, স্তুতি, প্রার্থনা আৰু উপাসনাৰ ৰীতি বালক বালিকাক শিকাব লাগে। শেষত অঘমর্ষণ অর্থাৎ পাপ বৃত্তি দমন কৰিব লাগে। এই খিনিকে সন্ধ্যা উপাসনা বোলে। সন্ধ্যা নির্জ্জন স্থানত একাগ্রচিত্তে কৰিব লাগে।

অপাং সমীপে নিয়তো নৈত্যিকং বিধিমাস্থিতঃ।
সাবিত্রীমপ্যধীয়ীত গত্বারণ্যং সমাহিতঃ॥

মনুঃ (অঃ ২।শ্লোঃ ১০৪)।

এইটো মনুস্মৃতিৰ বচন। অৰণ্যত অর্থাৎ নির্জ্জন স্থানত আৰু জলৰ সমীপত সংযত ভাবে বহি নিত্য কর্ম্ম কৰিব লাগে। আৰু সাবিত্রী অর্থাৎ গায়ত্রী মন্ত্রৰ অর্থ সহ উচ্চাৰণ, জপ আৰু সেই মতে আচৰণ কৰিব লাগে। এই জপ মনে মনে কৰাটোহে উত্তম।

দ্বিতীয় দেবযজ্ঞ ঃ—অগ্নি হোত্র আৰু জ্ঞানী সকলৰ সংসগ আৰু সেৱা শুশ্রূষা কৰাই দেবযজ্ঞ। সন্ধ্যা আৰু অগ্নিহোত্র প্রাতঃ আৰু সায়ং এই দুই কালতহে কৰিব লাগে। দিন আৰু ৰাতিৰ সন্ধিক্ষণত কৰা হয় কাৰণেই সন্ধ্যা বোলা হয়। কমেও এঘণ্টা কাল ধ্যান কৰা আৱশ্যক। যোগীসকলে যেনেকৈ সমাধিস্থ হৈ পৰমাত্মাৰ ধ্যান কৰে, সেই দৰেই সন্ধ্যা উপাসনাও কৰিব লাগে। সূর্য্য উদয়ৰ পাছত প্রাতঃ আৰু সূর্য্য

অন্তৰ পূৰ্ব্বে সায়ং কালত অগ্নিহোত্ৰ কৰিব লাগে। যজ্ঞ কুণ্ড বা যজ্ঞ বেদী ধাতু বা মাটিৰে নিৰ্ম্মাণ কৰিব লাগে। যজ্ঞবেদীৰ ওপৰ ভাগ বাৰ বা ষোল আঙ্গুলি পৰিমাণৰ চতুষ্কোণ আৰু বাৰ বা ষোল আঙ্গুলি গভীৰ, তলভাগ তিনি বা চাৰি আঙ্গুলি পৰিমাণৰ চতুষ্কোণ অৰ্থাৎ তলভাগ ওপৰ ভাগৰ ¼ (এক চতুৰ্থাংশ) হব লাগে। চন্দন, পলাশ, আম আদি উপযোগী কাঠ বেদীৰ পৰিমাণে ডাঙৰ সৰু কৰি কাটি জাপি দিব লাগে। তাৰ পাছত অগ্নি স্থাপন কৰি ওপৰত পূৰ্ব্বোক্ত কাঠ জাপি দিব লাগে। অগ্নিহোত্ৰ বা হোমত প্ৰোক্ষণী পাত্ৰ, প্ৰণীতা পাত্ৰ, আজ্য-স্থালী অৰ্থাৎ ঘিউ লোৱা পাত্ৰ আৰু হোমত ঘিউ দিবলৈ হেতাৰ প্ৰয়োজন হয়। হোমৰ এই সজুলিবোৰ সোণ, ৰূপ নাইবা কাঠেৰে তৈয়াৰ কৰি লব লাগে। এই পাছ বিধ সজুলিৰ নাম ক্ৰমে তলত দিয়া হল।

১। যজ্ঞকুণ্ড ২। প্ৰোক্ষণীপাত্ৰ ৩। প্ৰণীতাপাত্ৰ
৪। আজ্যস্থালী ৫। হেতা

প্ৰণীতা আৰু প্ৰোক্ষণীত জল ৰখা হয়, আজ্যস্থালীত ঘৃত গৰম কৰি লোৱা হয়। হস্ত প্ৰক্ষালনৰ সুবিধাৰ্থে প্ৰণীতা আৰু প্ৰোক্ষণীৰ জল ব্যৱহাৰ কৰা হয়। ইয়াৰ পাছত ঘিউখিনি ভালদৰে পৰ্য্যবেক্ষণ কৰি নিম্নলিখিত মন্ত্ৰেৰে হোম কৰিব লাগে—

ওম্ ভুবন্নয়ে প্ৰাণায় স্বাহা। ভুৰ্ব্বায়বেঽপানায় স্বাহা। স্ববা দিত্যায় ব্যানায় স্বাহা। ওম্ ভুৰ্ভুবঃ স্বৰগ্নি বায়ৱাদিত্যেভ্যঃ প্ৰাণা-পানব্যানেভ্যঃ স্বাহা ॥

অগ্নিহোত্ৰৰ প্ৰতিটো মন্ত্ৰ উচ্চাৰণ কৰি এবাৰকৈ আহুতি দিব লাগে। অধিক আহুতি দিব লগা হলে তলত দিয়া মন্ত্ৰ আৰু পূৰ্ব্বোক্ত গায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰি আহুতি দিব পাৰি :—

বিশ্বানি দেব সবিতৰ্দুৰিতানি পৰাসুব।
যদ্ভদ্ৰং তন্ন আসুব ॥ যজুঃ (অ০ ৩০।৩)।

"ওম্", "ভূঃ" আৰু "প্ৰাণঃ" আদি পৰমেশ্বৰৰেই নাম। এইবোৰৰ

অৰ্থ আগতে ব্যাখ্যা কৰা হৈছে। "স্বাহা" শব্দৰ অন্তৰ্গত "স্ব" মানে আত্মা আৰু "আহ" মানে কোৱা ; অৰ্থাৎ আত্মা বা অন্তৰৰ পৰা কোৱা। সাধাৰণ কথাত কবলৈ হলে আত্মাৰ অনুভূতি জিহ্বাৰে প্ৰকাশ কৰা বুলি কব লাগিব। তাৰ বিপৰীত একো কৰিব নালাগে। পৰমেশ্বৰে সকলো প্ৰাণীৰ সুখৰ কাৰণেই জগতৰ পদাৰ্থবোৰ যিদৰে সৃষ্টি কৰিছে সেইদৰে মানুহেও সকলো প্ৰাণীৰ উপকাৰ কৰিব লাগে। তাৰ বিপৰীত হলে অধৰ্ম্ম।

প্ৰশ্ন—হোমৰ পৰা কি উপকাৰ হয় ?

উত্তৰ—সকলোৱেই জানে যে অশুদ্ধ জলবায়ুৱেই সকলো ৰোগৰ মূল। হোমাগ্নিৰ বৈজ্ঞানিক প্ৰভাৱত আকাশ মণ্ডলৰ জল-বায়ু বিশুদ্ধ হলে চৰ অচৰ সকলো প্ৰাণীৰে আৰোগ্য আৰু মঙ্গল সাধন হয়।

প্ৰশ্ন—চন্দনাদি সুগন্ধি দ্ৰব্য গাত ঘঁহিলে বা ঘৃতাদি শ্ৰেষ্ঠ পদাৰ্থ ভক্ষণ কৰিলেই স্বাস্থ্য, বল বৃদ্ধি হয়। তাকে নকৰি জুইত পুৰি নষ্ট কৰা বুদ্ধিমানৰ কাম হব নোৱাৰে।

উত্তৰ—যাৰ পদাৰ্থ বিদ্যাৰ আৰু ৰাসায়নিক বিদ্যাৰ জ্ঞান আছে সেই সকলে এনে প্ৰশ্ন কৰিব নোৱাৰে ; কাৰণ কোনো দ্ৰব্যৰ অস্তিত্ব বিলোপ হব নোৱাৰে। দূৰৰ পৰাও মানুহে সুগন্ধ আৰু দুৰ্গন্ধ অনুভৱ কৰে। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে অগ্নিত আহুতি দিয়া পদাৰ্থবোৰ সূক্ষ্ম ৰূপ ধৰি বায়ুত মিলে আৰু দূৰ দূৰণিলৈকে গৈ দুৰ্গন্ধ নিবৃত্তি কৰে।

প্ৰশ্ন—সুগন্ধি দ্ৰব্যই যদি স্বাস্থ্য সুখ দিব পাৰে তেন্তে কেশৰ, কস্তুৰী, আতৰ, সুগন্ধি পুষ্পাদি ঘৰে ঘৰে ৰাখিলেই বায়ু সুগন্ধময় হৈ স্বাস্থ্য আৰু সুখ কাৰক হব পাৰে দেখোন ?

উত্তৰ—এইবোৰ সুগন্ধি দ্ৰব্যৰ গৃহৰ দুষিত বায়ু বাহিৰ কৰি বিশুদ্ধ বায়ু ঘৰলৈ আনিবৰ সামৰ্থ্য নাই। কাৰণ এইবোৰৰ ৰাসায়নিক পৰিবৰ্ত্তন কৰিব পৰা শক্তি নাই। কিন্তু অগ্নিৰহে সেই দুৰ্গন্ধ যুক্ত

পদার্থবোৰ ছিন্ন ভিন্ন আৰু পাতল কৰি বাহিৰলৈ উলিয়াই পঠিওৱাৰ আৰু বিশুদ্ধ পদার্থবোৰ ভিতৰলৈ আনিব পৰা শক্তি আছে।

প্রশ্ন—মন্ত্র পাঠ কৰি হোম কৰাৰ প্রয়োজন কি ?

উত্তৰ—মন্ত্রবোৰত হোমৰ সার্থকতা আৰু উপকাৰিতাৰ কথা আছে ; হোমানুষ্ঠানত আবৃত্তি কৰোতে সেইবোৰ মুখস্থ আৰু জ্ঞান অনুভূতি হয়। আন হাতে বেদবো ৰক্ষা হয়।

প্রশ্ন—হোম নকৰিলে পাপ হয় নেকি ?

উত্তৰ—হয়। কাৰণ মানৰ দেহৰ মল আৰু দুর্গন্ধৰ পৰা যি পৰিমাণে জল বায়ু দূষিত আৰু ৰোগোৎপত্তিৰ কাৰণ হৈ জগতৰ অনিষ্ট কৰে, সেই পৰিমাণে সেই ব্যক্তিৰ পাপ হয়। জগতৰ অনিষ্টই পাপ আৰু জগতৰ কল্যাণ মূলক কর্ম্মই পুণ্য। গতিকে সেই পাপ খণ্ডাবৰ কাৰণে অধিক নহলেও অন্ততঃ সিমান পৰিমাণৰ মঙ্গল সাধক কর্ম্মানুষ্ঠান অর্থাৎ হৱনাদিৰ দ্বাৰাই জল বায়ু বিশুদ্ধ কৰা আৱশ্যক। পানাহাৰৰ দ্বাৰা কেৱল ব্যক্তি বিশেষৰহে পুষ্টি সাধন হয়, কিন্তু এজনৰ পুষ্টি সাধিব পৰা পৰিমাণৰ ঘৃত বায়ু বিশুদ্ধ কৰিব পৰা সামগ্রী আৰু অন্নাদিৰ হোম কৰি লক্ষ লক্ষ প্রাণীৰ হিত সাধিব পাৰি। যিবোৰ মানুহে ঘৃতাদি উত্তম খাদ্য নাখায় সেই সকলৰ শাৰীৰিক আৰু আধ্যাত্মিক বল বৃদ্ধিও হব নোৱাৰে ; গতিকে উত্তম ভোজন পান কৰাও অতি আৱশ্যক। কিন্তু আহাৰতকৈও হোম কৰা অধিক কর্ত্তব্য। গতিকে হোম কৰা আৱশ্যকীয় ধর্ম্ম।

প্রশ্ন—প্রত্যেক মানুহে কিমানকৈ আহুতি দিব লাগে আৰু প্রতিটো আহুতিৰ পৰিমাণ কিমান হব লাগে ?

উত্তৰ—প্রত্যেক মানুহে ষোলটাকৈ আহুতি দিব লাগে আৰু প্রত্যেকৰ পৰিমাণ ঘৃতাদি দ্রব্য ছয় মহাৰ কম হব নেলাগে। এই পৰিমাণতকৈ যিমান বেছি দিব পাৰে সিমানেই ভাল। এই ৰহস্যতেই তত্ত্বজ্ঞানী ঋষি মুনি আৰু ৰাজা মহাৰাজা সকলে পূর্ব্বে হোম কৰিছিল আৰু বিধি

পূর্ব্বক কৰাইছিল। যি কালত ভাৰতৰ গৃহে গৃহে হোম আৰু ৰাজসূয় মহাহোম বা মহাযজ্ঞৰ প্রচাৰ আৰু প্রভাৱ আছিল, সেই কাললৈকে ভাৰতবাসীৰ সুখ-শান্তি আৰু পৰাক্রম অটুট আছিল। সেইদৰে হোম যজ্ঞৰ পুনঃ প্রচাৰ হলে এতিয়াও তেনে সুখ-শান্তি, পৰাক্রম স্থায়ী হব পাৰে। অধ্যয়ন, অধ্যাপনা, সন্ধ্যোপাসনা, ঈশ্বৰৰ স্তুতি, প্রার্থনা, উপাসনা কৰাক **ব্রহ্ম যজ্ঞ** বোলা হয়। দৈনিক অগ্নিহোত্রৰ পৰা অশ্বমেধ পর্য্যন্ত যজ্ঞ, বিদ্বানৰ সেৱা সৎকাৰ আৰু সৎসঙ্গক **দেৱ যজ্ঞ** বোলা হয়। ইয়াৰ ভিতৰত কেৱল ব্রহ্মযজ্ঞ আৰু অগ্নিহোত্রহে ব্রহ্মচর্য্য কালত কৰিব লাগে।

ব্রাহ্মণক্ষত্রিয়াণাং বর্ণানামুপনয়নং কর্ত্তুমর্হতি, বাজন্যো ত্বয়স্য। বৈশ্যো বৈশ্যস্যৈবেতি। শূদ্রমপি কুলগুণসম্পন্নং মন্ত্রবর্জ্জমনুপনীয়মধ্যাপয়েদিত্যেকে ॥

এয়া হ'ল সুশ্রুতৰ সূত্রস্থানৰ দ্বিতীয় অধ্যায়ৰ বচন। ইয়াত কোৱা হৈছে যে ব্রাহ্মণে ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যৰ ; ক্ষত্রিয়ই ক্ষত্রিয় আৰু বৈশ্যৰ ; বৈশ্যই কেৱল বৈশ্যৰ উপনয়ন সংস্কাৰ কৰি পঢ়াব পাৰে। অনেক আচার্য্যৰ মতে কুলীন, সৎচৰিত্রৱান শূদ্রক উপনয়ন সংস্কাৰ নকৰাকৈয়ে মন্ত্র সংহিতাৰ বাহিৰে আন সকলো শাস্ত্র পঢ়াব লাগে। তাৰ পাছত পঞ্চম বা অষ্টম বছৰ বয়সৰ পৰাই বালকক বালকৰ বিদ্যালয়লৈ আৰু বালিকাক বালিকাৰ বিদ্যালয়লৈ পঠিয়াই তলত উদ্ধৃত কৰা নিয়ম অনুসাৰে শিক্ষা আৰম্ভ কৰিব লাগে।

ষট্‌ত্রিংশদাব্দিকং চর্য্যং গুরৌ ত্রৈবেদিকং ব্রতম্।
তদর্দ্ধিকং পাদিকং বা গ্রহণান্তিকমেব বা ॥ মনুঃ (৩।১)॥

অর্থ—অষ্টম বছৰৰ পৰা ৩৬ বছৰ পর্য্যন্ত ব্রহ্মচর্য্য (অর্থাৎ একোখন বেদৰ সাঙ্গোপাঙ্গ অধ্যয়নত বাৰ বছৰকৈ ৩৬ বছৰ) তাৰ লগত আঠ যোগহৈ ৪৪ বছৰ বা ১৮ বছৰ পর্য্যন্ত ব্রহ্মচর্য্য আৰু তাৰ লগত পূর্ব্বৰ আঠ বছৰ যোগ দিলে ২৬ বছৰ ; সিয়ো সম্ভৱ নহলে অন্ততঃ ৯ বছৰ কাল, অথবা যিমান বছৰ পর্য্যন্ত অধ্যয়নপূর্ণ নহয় সিমান দিনলৈ ব্রহ্মচর্য্য

ব্রত পালন কৰিব লাগে।

পুৰুষো বাব যজ্ঞস্তস্য যানি চতুৰ্ব্বিংশতি বর্ষাণি তৎ প্রাতঃসবনং চতুৰ্ব্বিংশত্যক্ষরা গায়ত্রী গায়ত্রং প্রাতঃসবনং, তদস্য বসবোঽন্বায়ত্তাঃ প্রাণা বাব বসব এতে হীদং সর্ব্বং বাসয়ন্তি ॥১॥

তঞ্চেদেতস্মিন্ বয়সি কিঞ্চিদুপতপেৎস ব্রূয়াৎ প্রাণা বসব ইদং মে প্রাতঃসবনং মাধ্যন্দিনং সবনমনুসন্তনুতেতি মাহং প্রাণানাং বসূনাং মধ্যেযজ্ঞো বিলোপ্‌সীয়েত্যুদ্ধৈব তত এত্যগদো হ ভবতি ॥২॥

অথ যানি চতুশ্চত্বারিংশদ্বর্ষাণি তন্মাধ্যন্দিনং সবনং চতুশ্চত্বারিংশদক্ষরা ত্রিষ্টুপ্ ত্রৈষ্টুভং মাধ্যন্দিনং সবনং তদস্য রুদ্রা অন্বায়ত্তাঃ প্রাণা বাব রুদ্রা এতে হীদং সর্ব্বং রোদয়ন্তি ॥৩॥

তং চেদেতস্মিন্ বয়াস কিঞ্চিদুপতপেৎস ব্রূয়াৎ প্রাণা রুদ্রা ইদং মে মাধ্যন্দিনং সবনং তৃতীয় সবনমনুসন্তনন্তেতি মাহং প্রাণানাং রুদ্রাণাং মধ্যে যজ্ঞো বিলোপ্‌সীয়েত্যুদ্ধৈব তত এত্যগদো হ ভবতি ॥৪॥

অথ যান্যষ্টাচত্বারিংশদ্বর্ষাণি তত্তৃতীয়সবনমষ্টাচত্বারিংশদক্ষরা জগতী জাগতং তৃতীয় সবনং তদস্যাদিত্যাঅন্বায়ত্তাঃ প্রাণা বাবাদিত্যা এতে হীদং সর্ব্বমাদদতে ॥৫॥

তং চেদেতস্মিন্ বয়সি কিঞ্চিদুপতপেৎস ব্রূয়াৎ প্রাণা আদিত্যা ইদং মে তৃতীয় সবনমায়ুবনুসন্তনুতেতি মাহং প্রাণানামাদিত্যানাং মধ্যে যজ্ঞো বিলোপ্‌সীয়েত্যুদ্ধৈব তত এত্যগদো হৈব ভবতি ॥৬॥

ছান্দোগ্যোপনিষদ (প্রপাঃ ৩। খণ্ড ১৬) ॥

ইয়াৰ অর্থঃ—ব্রহ্মচর্য্য তিনি বিধ—নিকৃষ্ট, মধ্যম আৰু উৎকৃষ্ট। ইয়াৰ ভিতৰত নিকৃষ্ট ব্রহ্মচর্য্য :—মানুহৰ অন্নৰ সময় দেহ আৰু পুৰি (অর্থাৎ দেহস্থ জীৱাত্মা) যজ্ঞ অর্থাৎ শুভ গুণেৰে যুক্ত আৰু সৎ কর্ত্তব্য পৰায়ণ হোৱা উচিত কর্ত্তব্য। বিবাহিত জীৱনতো লম্পট নহৈ নৈষ্ঠিক

জীৱন যাপন কৰিব পাৰিলে প্রাণ বলবান হয় অর্থাৎ স্বাস্থ্য সৌন্দর্য্য, মেধা প্রবল হৈ থাকে। আদি বয়সতে শৈশৱত বিদ্যাভ্যাসৰ তপস্যাত আত্মনিয়োগ কৰিবলৈ আচার্য্য সকলে উপদেশ দিয়া কর্ত্তব্য। ব্রহ্মচর্য্য ব্রতীৰ নিশ্চিত ধাৰণা হব লাগে যে "যৌৱনৰ প্রথম ভাগত ব্রহ্মচাৰী হৈ থাকিব পাৰিলে শেষ জীৱনলৈকে দেহৰ সুস্থতা, আত্মাৰ পৱিত্রতাৰে সকলো শুভ গুণৰ অধিকাৰী হব পাৰি।" হে মানৱ! এনে ধাৰণা বিস্তাৰ কৰা যে "২৪ বছৰ বয়সলৈকে ব্রহ্মচাৰী হৈ গৃহাশ্রমী হলে ৭০ বা ৮০ বছৰ বয়সলৈকে নীৰোগীহৈ থাকিব পাৰি।"

মধ্যম ব্রহ্মচর্য্য :—যি ৪৪ বছৰ বয়স পর্য্যন্ত ব্রহ্মচাৰী হৈ জ্ঞান লাভ কৰে তেওঁ প্রাণ, ইন্দ্রিয়, অন্তঃকৰণ আৰু আত্মা বলবান হৈ দুষ্টক দমন আৰু সন্তুক পালন কৰিব পাৰে। ব্রহ্মচাৰীয়ে আচার্য্যক প্রার্থনা কৰিব—"যদি আপোনাৰ উপদেশ মতে মই প্রথম বয়সত যৎসামান্য তপস্যা কৰোঁ। তেন্তে যেন মোৰ এই ৰুদ্রৰূপ প্রাণযুক্ত মধ্যম ব্রহ্মচর্য্য সিদ্ধ হয়। ব্রহ্মচাৰীয়ে ব্রহ্মচাৰী সকলক কব লাগে—"ব্রহ্মচর্য্যব্রতী সকল! তোমালোকৰ ব্রহ্মচর্য্য সফল হওক। যেনেকৈ মই ব্রহ্মচর্য্য ব্রতেৰে সমুজ্জ্বল যজ্ঞস্বৰূপ হৈ আচার্য্য কুলৰ পৰা প্রত্যাৱর্ত্তন কৰি স্বাস্থ্যৱান, সুশ্রী সম্পন্ন হৈ আছো আৰু এই ব্রহ্মচাৰী সকল সৎ কর্ম্ম পৰায়ণ. তোমালোকেও সেইদৰেই কৰাই মঙ্গল"।

উৎকৃষ্ট ব্রহ্মচর্য্য :—৪৮ বছৰ পর্য্যন্ত তৃতীয় প্রকাৰ ব্রহ্মচর্য্য ব্রত কৰা হয়। জগতী ছন্দ ৪৮ অক্ষৰ যুক্ত, সেই হিচাপত ৪৮ বছৰ পর্য্যন্ত ব্রহ্মচর্য্য পালন কৰিলে প্রাণৰ অনুকুল হৈ সকলো বিদ্যা গ্রহণৰ বাবে তেওঁ সমর্থ হয়। শৈশৱৰ পৰাই মাতা পিতা আৰু আচার্য্যই সন্তানক ব্রহ্মচর্য্য ব্রতত ব্রতী আৰু সৎ চিন্তাত প্রেৰণা যোগাব, অখণ্ডিত ব্রহ্মচর্য্যৰ শক্তিৰে ৪০০ বছৰ পর্য্যন্ত জীৱন কাল বৃদ্ধি কৰিব পাৰি। স্বাস্থ্য আৰু আয়ু বৃদ্ধিয়েই জীৱনৰ ইষ্ট। যি ব্রহ্মচর্য্য সিদ্ধি আৰু ৰক্ষা কৰিব পাৰে তেওঁৰ জীৱনত ধর্ম্ম, অর্থ, কাম আৰু মোক্ষ লাভ হয়।

চতস্রোঽবস্থাঃ শৰীৰস্য বৃদ্ধির্যৌবনং সম্পূর্ণতা কিঞ্চিৎ পৰিহাণিশ্চেতি। আষোড়শাদ্বৃদ্ধিঃ। আপঞ্চবিংশতের্যৌবনম্। আচত্বাৰিংশতঃ সম্পূর্ণতা। ততঃ কিঞ্চিৎ পৰিহাণিশ্চেতি।

পঞ্চবিংশে ততোবর্ষে পুমান্ নাৰী তু ষোড়শে।
সমত্বাগতবীর্য্যৌ তৌ জানীয়াৎ কুশলো ভিষক্॥

সুশ্রুত সূত্রস্থানৰ ৩৫ অধ্যায়।

শৰীৰৰ চাৰি অৱস্থা। প্রথম বৃদ্ধি—ষোলৰ পৰা পচিশ বছৰ পর্য্যন্ত সকলো ধাতুৰ বৃদ্ধি কাল। দ্বিতীয় যৌৱন—২৬ বছৰৰ পৰা যৌৱন আৰম্ভ হয়। তৃতীয় সম্পূর্ণতা—২৫ বছৰ শেষ হোৱাৰ পাছত ২৬ বছৰৰ পৰা ৪০ বছৰ বয়স পর্য্যন্ত সকলো ধাতুৰ পুষ্টি হয়। কিঞ্চিৎ পৰিহাণি—শৰীৰৰ সকলো অঙ্গ প্রত্যঙ্গৰ পূর্ণ বিকাশ হোৱাৰ পাছত শৰীৰৰ বর্দ্ধিত ধাতু স্বপ্ন আৰু ঘাম আদিৰ দ্বাৰা বাহিৰ হৈ ওলাই যায়। সেয়ে ৪০ বছৰত বিয়া কৰোৱাটোৱেই উত্তম। কিন্তু ৪৮ বছৰ পর্য্যন্ত বীর্য্য ৰক্ষা কৰি বিবাহ কৰা সকলোতেকৈ শ্রেষ্ঠ।

প্রশ্ন—ব্রহ্মচর্য্য নিয়ম স্ত্রী পুৰুষ দুয়োৰো একেই নেকি?

উত্তৰ—নহয়, বিবাহ ইচ্ছুক নাৰী পুৰুষৰ কাৰণে, যি পুৰুষে ২৫ বছৰ পর্য্যন্ত ব্রহ্মচর্য্য পালন কৰে সেই পুৰুষৰ লগত ১৬ বছৰলৈ ব্রহ্মচাৰী হৈ থকা নাৰীয়ে বিবাহ কৰিব, ৩০ বছৰীয়া ব্রহ্মচাৰী পুৰুষৰ লগত ১৭ বছৰীয়া কন্যা, ৩৬ বছৰীয়া ব্রহ্মচাৰী পুৰুষৰ লগত ১৮ বছৰীয়া কন্যা, ৪০ বছৰীয়া ব্রহ্মচাৰী পুৰুষৰ লগত ২০ বছৰীয়া কন্যা, ৪৪ বছৰীয়া ব্রহ্মচাৰী পুৰুষৰ লগত ২২ বছৰীয়া কন্যা আৰু ৪৮ বছৰীয়া ব্রহ্মচাৰী পুৰুষৰ লগত ২৪ বছৰীয়া ব্রহ্মচর্য্য ৰক্ষা কৰা কন্যাৰ বিবাহ কৰা স্বাস্থ্য সঙ্গত। পুৰুষ ৪৮ বছৰৰ পাছত আৰু নাৰীয়ে ২৪ বছৰৰ পাছত ব্রহ্মচর্য্য পালন কৰা অনাৱশ্যক। পূর্ণ জ্ঞানী জিতেন্দ্রিয় নাৰী পুৰুষে আমৰণ ব্রহ্মচাৰী আৰু অবিবাহিত হৈও থাকিব পাৰে যদিহে কাম-বাসনা দমন আৰু ইন্দ্রিয়বোৰক আত্মাধীন কৰি ৰাখিব পাৰে।

ঋতং চ স্বাধ্যায়প্রৱচনে চ। সত্যং চ স্বাধ্যায়প্রৱচনে চ। তপশ্চ স্বাধ্যায়প্রৱচনে চ। দমশ্চ স্বাধ্যায়প্রৱচনে চ। শমশ্চ স্বাধ্যায়প্রৱচনে চ। অগ্নয়শ্চ স্বাধ্যায়প্রৱচনে চ। অগ্নিহোত্রঞ্চ স্বাধ্যায়প্রৱচনে চ। অতিথয়শ্চ স্বাধ্যায়প্রৱচনে চ। মানুষং চ স্বাধ্যায়প্রৱচনে চ। প্রজা চ স্বাধ্যায়প্রৱচনে চ। প্রজনশ্চ স্বাধ্যায়প্রৱচনে চ। প্রজাতিশ্চ স্বাধ্যায়প্রৱচনে চ।

তৈত্তিৰীয় উপনিষদ (প্রঃ ৭।অনুঃ ৯)॥

পঢ়া আৰু পঢ়োৱাৰ বিষয়ে নিয়ম ঃ—(ঋতং.....) যথার্থ আচৰণ সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (সত্যং.....) সদাচাৰ সহকাৰে সৎ বিদ্যা পঢ়াব আৰু পঢ়িব। (তপঃ.....) তপস্বী হৈ অর্থাৎ ধর্মানুষ্ঠান কৰি পঢ়িব আৰু পঢ়াব। (দমঃ.....) ইন্দ্রিয় বৃত্তি দমন কৰি অধ্যয়ন আৰু অধ্যাপনা কৰিব। (শমঃ.....) বিশুদ্ধ মনোবৃত্তিৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (অগ্নয়ঃ.....) আহবনীয়াদি অগ্নি আৰু বিদ্যুৎ আদিৰ তত্ত্বজ্ঞানেৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (অগ্নিহোত্রং.....) অগ্নিহোত্রৰ অনুষ্ঠান সহকাৰে পঠন পাঠন কৰিব। (অতিথয়ঃ.....) অতিথি-সেৱা সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (মানুষং.....) যথাযোগ্য মনুষ্যোচিত আচৰণ সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (প্রজাঃ.....) সন্তানৰ পালন আৰু জাতি ৰক্ষা সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰিব। (প্রজনঃ.....) ৰীর্য্য ৰক্ষা আৰু ৰীর্য্য পুষ্টি সহকাৰে অধ্যয়ন আৰু অধ্যাপনা কৰা উচিত। (প্রজাতিঃ.....) সন্তান আৰু শিষ্যক পালন কৰি অধ্যয়ন আৰু অধ্যাপনা কৰিব।

যমান্ সেবেত সততং ন নিয়মান্ কেবলান্ বুধঃ।
যমান্ পতত্যকুর্ব্বাণো নিয়মান্ কেবলান ভজন্॥ মনু অ০ ৪।২০৪

যম পাঁচ প্রকাৰ ঃ—

তত্রাহিংসাসত্যাস্তেয়ব্রহ্মচর্য্যাপৰিগ্রহা যমাঃ।

যোগ সাধন পাদে সূত্র (৩০)॥

অর্থ—অহিংসা অবৈৰভাৱ ; **সত্য** সত্যৰ আচৰণ, **অস্তেয়** কায় মনো বাক্যৰে পৰৰ দ্ৰব্য চুৰি নকৰা ; **ব্ৰহ্মচৰ্য্য** উপস্থেন্দ্ৰিয়ৰ সংযম ; **অপৰিগ্ৰহ** অতিলোভ আৰু স্বাৰ্থহীনতা ; এই পাঁচ বিধ "যম" সদায় পালন কৰিব। **নিয়ম :—**

শৌচসন্তোষতপঃস্বাধ্যায়েশ্বৰপ্ৰণিধানানি নিয়মাঃ॥

যোগ সাধন পাদে সূত্ৰ (৩২)॥

শৌচ স্নানাদিৰ দ্বাৰা শৰীৰ শুদ্ধ কৰা, **সন্তোষ** ক্ষতি বা লাভত দুখ বা আনন্দ নকৰি **পুৰুষাৰ্থ** কৰি সন্তুষ্ট থকা, উদ্যমশীলতা, **তপঃ** কষ্ট সহ্য কৰিও সৎ অনুষ্ঠান কৰা, **স্বাধ্যায়** অধ্যয়ন ; **ঈশ্বৰপ্ৰণিধান** ঈশ্বৰৰ প্ৰতি ভক্তিযুক্ত হৈ মন-প্ৰাণ অৰ্পণ কৰা ; এই পাঁচ বিধ হল "নিয়ম"। কেৱল নিয়ম পালন কৰিলেই নহয়, যম আৰু নিয়ম উভয়ৰে সাধন আৰু পালন কৰিহে জীৱন সফল কৰিব পাৰি।

কামাত্মতা ন প্ৰশস্তা ন চৈবেহাস্ত্যকামতা।
কাম্যো হি বেদাধিগমঃ কৰ্ম্মযোগশ্চ বৈদিকঃ॥

মনুঃ (অঃ ২।২)॥

অর্থ—অতিশয় কামনাশীল হোৱা আৰু একেবাৰে কামনাশূন্য হোৱা ইয়াৰ কোনোটোৱেই কাৰো বাবে প্ৰশস্ত নহয়। কাৰণ বিনা কামনাৰে বেদৰ জ্ঞান আৰু বেদবিহিত কাৰ্য্য অনুষ্ঠিত হব নোৱাৰে। এই বাবে—

স্বাধ্যায়েন ব্ৰতৈৰ্হোমৈস্ত্ৰৈবিদ্যেনেজ্যয়া সুতৈঃ।
মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্ৰাহ্মীয়ং ক্ৰিয়তে তনুঃ॥

মনুঃ (অঃ ২।২৮)।

অর্থ—বেদাদিৰ অধ্যয়ন আৰু অধ্যাপনা ; ব্ৰহ্মচৰ্য্য, সত্য ভাষণাদি যম নিয়ম পালন ; অগ্নি, হোম, সত্য আচৰণ আৰু সত্য ভাষণ ; বৈদিক কৰ্ম্ম জ্ঞান, বিদ্যাৰ আচৰণ ; পক্ষেষ্টি আদি কৰ্ম্ম ; **অর্থাৎ** সন্তান সৃষ্টি ; ব্ৰহ্ম, বেদ, পিতৃ, বৈশ্বদেৱ আৰু অতিথি শুশ্ৰূষা ৰূপ

পঞ্চ মহাযজ্ঞ আৰু অগ্নিষ্টোমাদি আৰু শিল্পবিদ্যা বিজ্ঞানাদি যজ্ঞানুষ্ঠানৰ দ্বাৰা এই শৰীৰক ব্ৰাহ্মী অর্থাৎ ভগৱদ্ অনুভূতিৰ আধাৰ কৰা যায়। ইয়াৰ ভাবার্থ এই যে এইবোৰ সাধনৰ দ্বাৰাইহে ব্ৰাহ্মণ শৰীৰ অর্থাৎ জীৱন সফল কৰা সম্ভৱ।

ইন্দ্ৰিয়াণাং বিচৰতাং বিষয়েষ্বপহাৰিষু।
সংযমে যত্নমাতিষ্ঠেদ্বিদ্বান্ যন্তেব বাজিনাম্॥

মনুঃ (২।৮৮)।

ভাবার্থ—যেনেকৈ লেকাম ধৰি চতুৰ সাৰথিয়ে ঘোৰা সংযত কৰে সেই দৰেই বিষয়ত বিচৰণশীল ইন্দ্ৰিয়বোৰক যত্নেৰে নিগ্ৰহ কৰা উচিত। **কাৰণ :—**

ইন্দ্ৰিয়াণাং প্ৰসঙ্গেন দোষমৃচ্ছত্যসংশয়ম্।
সন্নিয়ম্য তু তান্যেব ততঃ সিদ্ধিং নিযচ্ছতি॥

মনুঃ (২।৯৩)।

অর্থ—ইন্দ্ৰিয়বোৰৰ দ্বাৰা পৰিচালিত হৈ জীৱাত্মাই নানা দোষেৰে যুক্ত হয়, কিন্তু ইন্দ্ৰিয়বোৰক আত্মবশ কৰিব পাৰিলেই সিদ্ধি লাভ হয়।

বেদাস্ত্যাগশ্চ যজ্ঞাশ্চ নিয়মাশ্চ তপাংসি চ।
ন বিপ্রদুষ্টভাবস্য সিদ্ধিং গচ্ছন্তি কৰ্হিচিৎ॥

মনুঃ (২।৯৭)।

অর্থ—দুৰাচাৰী আৰু অজিতেন্দ্ৰিয় পুৰুষৰ বেদ, ত্যাগ, যজ্ঞ, যম, নিয়ম, তপ আৰু অন্যান্য সৎ কৰ্ম্ম কেতিয়াও সিদ্ধি হব নোৱাৰে।

বেদোপকৰণে চৈব স্বাধ্যায়ে চৈব নৈত্যিকে।
নানুবোধোঽস্ত্যনধ্যায়ে হোমমন্ত্ৰেষু চৈব হি॥১॥
নৈত্যিকে নাস্ত্যনধ্যায়ো ব্ৰহ্মসত্ৰং হি তৎ স্মৃতম্।
ব্ৰহ্মাহুতিহুতং পুণ্যমনধ্যায়বষট্ কৃতম্॥২॥

মনুঃ (২।১০৫-১০৬)।

অর্থ—বেদ পঠন পাঠনত সন্ধ্যা উপাসনাদি পঞ্চ মহাযজ্ঞ আৰু

হোম মন্ত্রত অনধ্যায় বিষয়ক অনুবোধ (আগ্রহ) নাই ।১। কাৰণ নিত্য কৰ্ম্মত অনধ্যায় হব নোৱাৰে। শ্বাস-প্রশ্বাস যেনেকৈ নিৰন্তৰ চলি থাকে, সেইদৰেই নিত্য কৰ্ম্মও চলি থাকিব লাগে, কেতিয়াও খতি কৰা অনুচিত। কাৰণ, অনধ্যায়তো অগ্নিহোত্রাদি উত্তম কৰ্ম্মবোৰ পুণ্য স্বৰূপ হয়। যেনেকৈ মিথ্যা আচৰণ পাপ আৰু সদাচৰণ পুণ্য সেই দৰেই অপকৰ্ম্মত সদায় অনধ্যায় আৰু সৎ কৰ্ম্মত সদায় স্বাধ্যায় কৰাই মঙ্গল।

অভিবাদনশীলস্য নিত্যং বৃদ্ধোপসেবিনঃ।
চত্বারি তস্য বর্দ্ধন্তে আয়ুর্বিদ্যা যশো বলম্ ॥

মনুঃ (২।১২১)।

যি নম্র, সুশীল, বিদ্বান আৰু বৃদ্ধৰ সৎকাৰ কৰে—তেওঁৰ আয়ু, বিদ্যা, কীৰ্ত্তি আৰু বল বৃদ্ধি হয়, তাৰ বিপৰীতে বিপৰীত পৰিণাম ঘটে।

অহিংসয়ৈব ভূতানাং কার্যং শ্রেয়োঽনুশাসনম্।
বাক্ চৈব মধুরাশ্লক্ষ্ণা প্রযোজ্যা ধর্ম্মমিচ্ছতা ॥১॥
যস্তু বাঙ্মনসে শুদ্ধে সম্যগ্‌গুপ্তে চ সর্বদা।
স বৈ সর্বমবাপ্নোতি বেদান্তোপগতং ফলম্ ॥২॥

মনুঃ (২।১৫৯, ১৬০)।

বিদ্বান্ আৰু বিদ্যার্থী সকলে সদায় নিৰ্বৈৰী ভাৱেৰে সকলোকে সৎপথ প্রদর্শন কৰা উচিত আৰু মধুৰ তথা শিষ্টাচাৰ যুক্ত বাণী বোলা বাঞ্ছনীয়। যি সকলোৰে মঙ্গল কামনা কৰে তেওঁ স্বয়ং সদায় সত্য আচৰণ কৰিছে পৰক সদ উপদেশ দিয়া উচিত। যাৰ বাক্য আৰু মন শুদ্ধ আৰু সুৰক্ষিত, তেৱেঁই বেদ সমূহৰ সুনিশ্চিত ফল প্রাপ্ত কৰিব পাৰে।

সম্মানাদ্ ব্রাহ্মণো নিত্যমুদ্বিজেত বিষাদিব।
অমৃতস্যেব চাকাঙ্ক্ষেদবমানস্য সর্ব্বদা ॥ মনু (২।১৬২)।

যি সম্মানক বিষ তুল্য জ্ঞান কৰে আৰু অপনমানক অমৃতৰৎ কামনা কৰে, সেই জন ব্রাহ্মণেই প্রকৃত জ্ঞানী আৰু ব্রহ্মজ্ঞ।

অনেন ক্রমযোগেন সংস্কৃতাত্মা দ্বিজঃ শনৈঃ।
গুরৌ বসন্ সংশ্চিনুয়াদ্ ব্রহ্মাধিগমিকং তপঃ ॥

মনুঃ (২।১৬৪)।

এইদৰে কৃতোপনয়ন দ্বিজ ব্রহ্মচাৰী কুমাৰ আৰু ব্রহ্মচাৰিণী কন্যা বৈদিক তত্ত্ব জ্ঞানেৰে ক্রমান্বয়ে ব্রাহ্মণত্ব প্রাপ্তিৰ ফালে আগবাঢ়ি যাব পাৰে।

যোঽনধীত্য দ্বিজো বেদমন্যত্র কুরুতে শ্রমম্।
স জীবন্নেব শূদ্রত্বমাশু গচ্ছতি সান্বয়ঃ ॥ মনুঃ (২।১৬৮)।

যি দ্বিজই বেদাধ্যয়ন নকৰি অন্য বিষয়ত পৰিশ্রম কৰে তেওঁ জীৱিত কালতেই পুত্র পৌত্রাদি সহিত শূদ্রত্বত পতিত হয়।

বর্জ্জয়েন্মধু মাংসঞ্চ গন্ধং মাল্যং রসান্ স্ত্রিয়ঃ।
শুক্তানি যানি সর্ব্বাণি প্রাণিনাং চৈব হিংসনম্ ॥১॥
অভ্যঙ্গমঞ্জনং চাক্ষ্ণোরুপানচ্ছত্রধারণম্।
কামং ক্রোধঞ্চ লোভঞ্চ নর্ত্তনং গীতবাদনম্ ॥২॥
দ্যূতঞ্চ জনবাদঞ্চ পরিবাদং তথানৃতম্।
স্ত্রীণাঞ্চ প্রেক্ষণালম্ভমুপঘাতং পরস্য চ ॥৩॥
একঃ শয়ীত সর্ব্বত্র ন রেতঃ স্কন্দয়েৎ ক্বচিৎ।
কামাদ্ধি স্কন্দয়ন্ রেতো হিনস্তি ব্রতমাত্মনঃ ॥৪॥

মনুঃ (২।১৭৭-১৮০)।

ব্রহ্মচাৰী আৰু ব্রহ্মচাৰিণীয়ে মদ্য, মাংস, গন্ধ, মাল্য, ৰস, স্ত্রী-পুৰুষ সঙ্গ, টেঙা জাতীয় আহাৰ, প্রাণী হিংসা ।১॥ অঙ্গ-মর্দ্দন, অকাৰণ উপস্থেন্দ্রিয় স্পর্শ, নেত্রাঞ্জন, জোতা, ছত্র ধাৰণ, কাম, ক্রোধ, লোভ, মোহ ভয়, শোক, ঈর্ষা, দ্বেষ, নৃত্য, গীত, বাদ্য ॥২॥ দ্যূতক্রীড়া, পৰচর্চ্চা, পৰনিন্দা, মিথ্যা ভাষণ, স্ত্রী দর্শন, আশ্রয়, পৰনির্ভৰশীলতা আৰু পৰৰ

অপকাৰ ইত্যাদি কুকৰ্ম্ম সৰ্ব্বদা পৰিত্যাগ কৰিব লাগে।৩। সদায় অকলে শুৱ আৰু বীৰ্য্য স্খলন কেতিয়াও নকৰিব। কাম বাসনাৰ বশহৈ বীৰ্য্য স্খলন কৰিলে নিজৰ ব্ৰহ্মচৰ্য্য ব্ৰত নষ্ট হয়।৪॥

বেদমনূচ্যাচার্য্যোঽন্তেবাসিনমনুশাস্তি। সত্যং বদ। ধর্ম্মং চর। স্বাধ্যায়ান্মা প্রমদঃ। আচার্যায় প্রিয়ং ধনমাহৃত্য প্রজাতন্তুং মা ব্যবচ্ছেৎসীঃ। সত্যান্ন প্রমদিতব্যম্। ধর্ম্মান্ন প্রমদিতব্যম্। কুশলান্ন প্রমদিতব্যম্। ভূত্যৈ ন প্রমদিতব্যম্। স্বাধ্যায় প্রবচনাভ্যাং ন প্রমদিতব্যম্॥ দেবপিতৃকার্য্যাভ্যাং ন প্রমদিতব্যম্। মাতৃদেবো ভব। পিতৃদেবো ভব। আচার্য্যদেবো ভব। অতিথিদেবো ভব। যান্যনবদ্যানি কর্ম্মাণি তানি সেবিতব্যানি নো ইতরাণি। যান্যস্মাকং সুচরিতানি তানি ত্বয়োপাস্যানি নো ইতরাণি। যে কে চাস্মচ্ছ্রেয়াংসো ব্রাহ্মণাস্তেষাং ত্বয়াসনেন প্রশ্বসিতব্যম্। শ্রদ্ধয়া দেয়ম্। অশ্রদ্ধয়া দেয়ম্। শ্রিয়া দেয়ম্। হ্রিয়া দেয়ম্। ভিয়া দেয়ম্। সংবিদা দেয়ম্। অথ যদি তে কর্ম্ম বিচিকিৎসা বা বৃত্তবিচিকিৎসা বা স্যাৎ। যে তত্র ব্রাহ্মণাঃ সম্মর্শিনো যুক্তা অযুক্তা অলুক্ষা ধর্ম্মকামাঃ স্যুর্যথা তে তত্র বর্ত্তেরন্ তথা তত্র বর্ত্তেথাঃ। এষ আদেশ, এষ উপদেশ এষা বেদোপনিষৎ। এতদনুশাসনম্। এবমুপাসিতব্যম্। এবমুচৈতদুপাস্যম্।

তৈত্তিরীয়ঃ (প্রপাঃ ৭ অনুঃ ১১ কং ১।২।৩।৪)॥

অন্তেবাসী ছাত্র-ছাত্রী সকলৰ প্ৰতি আচাৰ্য্যৰ উপদেশ :—"তুমি সদায় সত্য কৰা, ধৰ্ম্মাচৰণ কৰিবা, অধ্যয়ন আৰু অধ্যাপনাত প্ৰমাদ নকৰিবা, শিক্ষা সমাপ্ত নোহোৱালৈকে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিবা, আচাৰ্য্যৰ যি প্ৰিয় ধন, সেই মতে প্ৰদান কৰি বিবাহ কৰি সন্তান সৃষ্টি কৰিবা। প্ৰমাদ বশহৈ কেতিয়াও সত্য ত্যাগ নকৰিবা। প্ৰমাদ বশহৈ কেতিয়াও ধৰ্ম্ম ত্যাগ নকৰিবা। প্ৰমাদৰ বশহৈ নিজৰ আৰোগ্য আৰু নিপুণতা নেহেৰুৱাবা। প্ৰমাদ বশহৈ উত্তম ঐশ্বৰ্য্য বৃদ্ধিলৈ অৱহেলা নকৰিবা। প্ৰমাদ বশহৈ পঠন আৰু পাঠনৰ ত্যাগ নকৰিব

দেৱ, বিদ্বান, আৰু মাতা পিতাৰ সেৱা শুশ্ৰূষাত প্ৰমাদ নকৰিবা। মাতা, পিতা, আচাৰ্য্য আৰু অতিথিক দেৱতুল্য জ্ঞান কৰিবা। আমাৰ অনিন্দনীয় আচৰণবোৰহে অনুকৰণ কৰিবা, নিন্দনীয় বোৰ গ্ৰহণ নকৰিবা। আমাৰ ভিতৰত যি সকলা সৰ্ব্বশ্ৰেষ্ঠ বিদ্বান, ধৰ্ম্মাত্মা, ব্ৰাহ্মণ, সেই সকলৰ সমীপস্থ হ'বা আৰু তেওঁকেই বিশ্বাস কৰিবা। শ্ৰদ্ধাৰে দিবা। অশ্ৰদ্ধাৰে দিবা। শোভাৰ কাৰণে দিবা, লজ্জাৰ কাৰণে দিবা, আৰু ভয়ৰ কাৰণেও দিবা। প্ৰতিজ্ঞা বদ্ধ দান দিবা। কৰ্ম্ম, শীল, উপাসনা, আৰু জ্ঞান আদিৰ বিষয়ত কোনো সংশয় হলে বিবেচনাশীল, নিৰপেক্ষ, যোগী অথবা অযোগী সৰলচিত্তীয়া, ধৰ্ম্মপৰায়ণ সকলে আচৰণ কৰা পথকেই অনুকৰণ কৰিবা। এয়েই আদেশ, এয়েই উপদেশ, এয়েই বেদৰ সাৰ তত্ত্ব। এয়েই নৈতিক অনুবৰ্ত্তিতা। এইদৰেই উপাসনা কৰিবা। এয়েই উপাস্য আচৰণ।

অকামস্য ক্রিয়া কাচিৎ দৃশ্যতে নেহ কর্হিচিৎ।
যদ্যদ্ধি কুরুতে কিঞ্চিৎ তত্তৎ কামস্য চেষ্টিতম্॥ মনুঃ (২।৪)॥

কামনা নহলে কোনেও কোনো কামকে নকৰে। যেয়ে যি কৰে তাৰ প্ৰেৰণাৰ মূল কামেই।

আচারঃ পরমো ধর্ম্মঃ শ্রুত্যুক্তঃ স্মার্ত্ত এব চ।
তস্মাদস্মিন্ সদা যুক্তো নিত্যং স্যাদাত্মবান্ দ্বিজঃ॥ ১॥
আচারাদ্বিচ্যুতো বিপ্রো ন বেদফলমশ্নুতে।
আচারেণ তু সংযুক্তঃ সম্পূর্ণফলভাগ্ ভবেৎ॥ ২॥

মনু০ (১।১০৮-১০৯)॥

বেদৰ বিষয়ে কথন, শ্ৰৱণ, শ্ৰাৱণ, অধ্যয়ন, আৰু অধ্যাপনাৰ ফল বেদ আৰু বেদানুকূল স্মৃতি শাস্ত্ৰৰ প্ৰতিপাদিত পৰম ধৰ্ম্ম। গতিকে সেই ধৰ্ম্ম আচৰণত দ্বিজ সদায় নিষ্ঠাৱান হব লাগে। আচৰণ হীন বিপ্ৰই বেদ প্ৰতিপাদিত পৰম সুখ পাব নোৱাৰে, সেই মতে কেৱল আচৰণ কৰিলেহে তাৰ সম্পূৰ্ণ ফল ভাগী হব পাৰে।

যোঽবমন্যেত তে মূলে হেতুশাস্ত্রাশ্রয়াদ্ দ্বিজঃ।
স সাধুভির্বহিষ্কার্য্যো নাস্তিকো বেদনিন্দকঃ॥ মনুঃ ২।১১)॥

যি দ্বিজই তর্কবিতর্কব বলত বেদ আৰু আপ্ত পুৰুষ সকলৰ প্ৰণীত শাস্ত্ৰবোধৰ অবমাননা কৰে সেই বেদ নিন্দক নাস্তিকক -সৎ পুৰুষৰ সমাজৰ পৰা বাহকাৰ কৰা উচিত। কাৰণ :—

বেদঃ স্মৃতিঃ সদাচারঃ স্বস্য চ প্রিয়মাত্মনঃ।
এতচ্চতুর্বিধং প্রাহুঃ সাক্ষাৎ ধর্ম্মস্য লক্ষণম্॥ মনু০ (২।১২)॥

বেদ, স্মৃতি অর্থাৎ বেদানুকুল আপ্তোক্ত মনুস্মৃতি আদি শাস্ত্ৰ, সৎপুৰুষৰ আচৰণ আৰু নিজ আত্মাৰ নিৰপেক্ষ বিবেচনা এই চাৰি বিধ প্ৰত্যক্ষ ধৰ্ম্মৰ লক্ষণ। এই চাৰি প্ৰকাৰেই ধৰ্ম্ম, অধৰ্ম্ম, কৰ্ত্তব্য অকৰ্ত্তব্য বা উচিত অনুচিত নিৰ্ণয় কৰাৰ উপায়। যিবোৰ কৰ্ম্ম আৰু আচৰণৰ দ্বাৰা নিজৰ সমাজৰ আৰু জগতৰ মঙ্গল সাধন হয় সেয়েই ধৰ্ম্ম, ইয়াৰ বিপৰীত হলেই অধৰ্ম্ম।

অর্থকামেষ্বসক্তানাং ধর্ম্মজ্ঞানং বিধীয়তে।
ধর্ম্মং জিজ্ঞাসমানানাং প্রমাণং পরমং শ্রুতিঃ॥ মনু০ ৪ (২।১৩)॥

যি অৰ্থ অৰ্থাৎ ধন-সম্পত্তিত অতি আসক্ত আৰু কাম ৰাগনাত আবদ্ধ নহয় তেওঁহে সত্য ধৰ্ম্মৰ জ্ঞান লাভ কৰিব পাৰে। বেদ অৰ্থাৎ একমাত্ৰ জ্ঞানেই ধৰ্ম্মাধৰ্ম্ম নিৰ্ণয়ৰ উপায়।

আচার্য্য সকলে নিজৰ শিষ্য বৰ্গক এনেকুৱা শিক্ষা দিয়া উচিত যাৰ দ্বাৰা সমাজৰ মঙ্গল সাধন হয়। ৰজা, অন্যান্য ক্ষত্ৰিয়, বৈশ্য, আৰু অধঃপতিত শূদ্ৰকো বিদ্যাভ্যাস কৰাব লাগে। কেৱল ব্ৰাহ্মণ সকলেই বিদ্যা শিক্ষা কৰিলে আৰু অন্যান্য বৰ্ণই বিদ্যা জ্ঞান নেপালে মানৱ সমাজত বিদ্যা, ধৰ্ম্ম, অৰ্থ আৰু ৰাজ্যৰ উন্নতি সাধন হব নোৱাৰে। জ্ঞান-বিদ্যা নহলে ক্ষত্ৰিয়ই সমাজ ৰক্ষা, অৰ্থবিদ্যা নেজানিলে বৈশ্য সকলে অৰ্থ সংগ্ৰহ আৰু জ্ঞান বিবেচনা নহলে শ্ৰমিক শূদ্ৰ সকলে কেনেকৈ নিজৰ নিজৰ কৰ্ত্তব্য পালন কৰিব? তদুপৰি নিজৰ নিজৰ চৰিত্ৰ আদৰ্শ ৰক্ষা কৰিবলৈও

শিক্ষা আৰু জ্ঞানৰ একান্ত আৱশ্যক। সমাজত অন্যান্য বৰ্ণৰ জ্ঞান নহলে ব্ৰাহ্মণৰ জ্ঞানৰ মূল্য বা কেনেকৈ বুজিব। জ্ঞান নহলে বজাই ৰাজ্য পৰিচালনা আৰু ন্যায়দণ্ড কেনেকৈ ৰক্ষা কৰিব আৰু ব্ৰাহ্মণ জ্ঞানী সকলৰ বা জ্ঞান আচৰণৰ মান কেনেকৈ নিৰ্ণয় কৰিব পাৰিব? ৰজা অবিদ্বান হলে ৰাজ্যৰ সকলোবে ভ্ৰষ্টাচাৰী হব। সেই দৰেই নিজৰ নিজৰ কৰ্ত্তব্য পালনৰ কাৰণে সকলোবে বিদ্যা আৰু জ্ঞানৰ প্ৰয়োজন। সমাজৰ সকলো বিভাগ জ্ঞানযুক্ত নহলে একোটা বিভাগেই বাকীবোৰক নানা ভেশচন কৰি শোষণ কৰিব। ৰক্ষক আৰু ক্ষমতাত অধিষ্ঠিত সকল জ্ঞান বিবেচনা শূন্য হলে যি ইচ্ছা তাকেই কৰিব পাৰে। গতিকে ব্ৰাহ্মণ শিক্ষক সকলেও তেওঁলোকৰ নিজৰ মঙ্গলৰ কাৰণেই সকলোকে উদাৰ মনেৰে শিক্ষা দিয়াই উচিত। সকলোৱে মিলিহে দেশৰ আৰু জগতৰ বিদ্যা, ধৰ্ম্ম, ঐশ্বৰ্য্যৰ উন্নতি সাধন কৰিব পাৰে। সমাজৰ সকলো বৰ্ণ বা বিভাগত বিদ্যাৰ প্ৰচাৰ হলে সমাজত ভণ্ডামি আৰু দুৰ্নীতিৰ অৱসান ঘটাৰ সম্ভৱ। সমাজৰ ৰক্ষক ক্ষত্ৰিয় সকলক নীতি বিধি অনুসাৰে পৰিচালনা কৰিব ব্ৰাহ্মণ সকলে আৰু ব্ৰাহ্মণ সকলকো পৰিচালনা কৰিব সমাজৰ অন্যান্য বিভাগে। গতিকে সমাজৰ সকলো বৰ্ণৰ সকলো নৰনাৰীৰে বিদ্যা শিক্ষাৰ আৱশ্যক।

অধ্যয়ন আৰু অধ্যাপনাৰ বিষয়েও বিবেচনা কৰা উচিত। বিবেচনা বা পৰীক্ষা পাঁচ প্ৰকাৰে কৰা যায় :— (১) যিবোৰ গুণ, কৰ্ম্ম স্বভাৱ, সৃষ্টিশীল ঐশ্বৰীয়, আৰু বেদৰ অনুকুল, সেইবোৰেই সত্য তাৰ যি বিপৰীত সেইবোৰ অসত্য। (২) যিবোৰ সৃষ্টি ক্ৰমৰ অনুকুল সেইবোৰ সত্য আৰু যিবোৰ প্ৰতিকুল সেইবোৰ অসত্য। (৩) যিবোৰ আপ্ত অৰ্থাৎ সৎ, নিৰপেক্ষ জ্ঞানীৰ আচৰণ আৰু উপদেশৰ অনুকূল সেইবোৰ গ্ৰহণযোগ্য তাৰ বিপৰীতবোৰ অগ্ৰাহ্য। (৪) যি আত্মাৰ পৰিতৃপ্তা আৰু বিবেকৰ অনুকুল, যেনেকৈ সুখ আত্মাৰ ইষ্ট দুখ অনিষ্ট সেই দৰেই সকলোবে একে অৱস্থা; অৰ্থাৎ এজনৰ আচৰণত যদি মই

দুখিত বা সুখী হওঁতেন্তে মোৰ আচৰণৰ পৰাও অন্যজন দুখী বা সুখী হ'ব পাৰে। (৫) প্রমাণ আঠোটা :—প্রত্যক্ষ, অনুমান, উপমান, শব্দ ঐতিহ্য, অর্থাপত্তি, সম্ভৱ আৰু অভাৱ। ইয়াৰ ভিতৰত ন্যায় শাস্ত্রৰ প্রত্যক্ষ প্রমাণৰ সূত্র তলত উদ্ধৃত কৰা হৈছে।

ইন্দ্রিয়ার্থ সন্নিকর্ষোৎপন্নং জ্ঞানমব্যপদেশ্যমব্যভিচারি ব্যবসায়াত্মকং প্রত্যক্ষম্ ॥ ন্যায় সূ॰ । অ॰ ১। অহ্নিক ১। সূত্র ৪॥

শ্রোত্র, ত্বক, চক্ষু, জিহ্বা আৰু ঘ্রাণেন্দ্রিয়ৰ শব্দ, স্পর্শ, ৰূপ, ৰস, আৰু গন্ধৰ লগত অব্যভিচারি অর্থাৎ ব্যৱধান হীন সংযোগ সম্বন্ধ হৈ মন আৰু আত্মাৰ যি অনুভূতি হয় তাকেই **প্রত্যক্ষ** (জ্ঞান) বোলা হয়। ব্যপদেশ্য মানে সংজ্ঞা-সংজ্ঞীৰ সম্বন্ধ বশত যি উৎপন্ন হয় সি জ্ঞান নহয়। যেনেঃ—এজনে এজনক কলে, "পানী আনা।" সেই মতে পানী আনি তেওঁৰ আগত থৈ কলে, "এইয়া পানী।" এই স্থলত পানী এই দুই আখৰীয়া শব্দাক পানী আনোটা আৰু পানী অনাৰ আদেশ দাতাই দেখে, পানী" নামৰ পদার্থ হে দেখে। শব্দৰ পৰা যি অনুভূতি হয় তাকেই শব্দ প্রমাণ বোলে। ৰাতি আন্ধাৰত এটা স্তম্ভ অর্থাৎ খুটা দেখিয়েই মানুহ ভুলি ভ্রম হয়, দিনৰ প্রকাশত সেই স্তম্ভ দেখিলে ৰাতি হোৱা মানুহৰ জ্ঞান নষ্ট হৈ স্তম্ভৰ জ্ঞানহে থাকে। এনেকুৱা বিনাশী জ্ঞানক **ব্যভিচাৰী** বোলা হয়। "**ব্যবসায়াত্মক**" মানে নিশ্চয়াত্মক। ৰদত্ত দূৰৈৰ পৰা নদীৰ বালিচৰ দেখি তাক মেলি থোৱা কাপোৰ নে পানী? বুলি কৰা জ্ঞান বা সেইটো কোন? দেৱদত্ত নে যজ্ঞদত্ত? এনে সন্দেহাত্মক অনুভৱক "**অব্যবসায়াত্মক**" বোলা হয়। যি অব্যপদেশ্য, অব্যভিচাৰী আৰু নিশ্চয়াত্মক, জ্ঞান তাকেহে প্রত্যক্ষ বোলে।

দ্বিতীয়তে অনুমান :—

অথ তৎপূর্ব্বকং ত্রিবিধমনুমানং, পূর্ব্ববচ্ছেষবৎ সামান্যতো দৃষ্টঞ্চ ॥

ন্যায়॰ অ॰ ১। সূ॰ ৫॥

যি প্রত্যক্ষ পূর্ব্বক, অর্থাৎ যাৰ কোনো অংশ বা সম্পর্ক, কোনো

স্থান বা কালত প্রত্যক্ষ হৈছে, দূৰ দেশৰ পৰা তাৰ সহচাৰী এক দেশৰ বা অংশৰ অপ্রত্যক্ষ অবয়ৱীৰ জ্ঞান হোৱাকেই অনুমান বোলে। যেনে—পুত্রক দেখি পিতাৰ, দূৰৈত ধোৱা দেখি অগ্নিৰ আৰু জগতৰ দুঃখ দেখি পূর্ব্বজন্মৰ বিষয়ে জ্ঞান হয়। এই অনুমান তিনি প্রকাৰৰ যেনে :—(১) পূর্ব্ববৎ যেনে—মেঘ দেখি বৰষুণৰ, বিবাহ দেখি সন্তান জন্মৰ, অধ্যয়নৰত ছাত্র দেখি বিদ্যা লাভৰ নিশ্চয়তা হয়। অর্থাৎ য'ত কাৰণ দেখি কার্য্যৰ জ্ঞান হয় তাক পূর্ব্ববৎ বোলে। (২) শেষবৎ—যত কার্য্য দেখি কাৰণৰ জ্ঞান হয়। যেনে—নৈত পানী বঢ়া দেখি নদীৰ মূল পর্ব্বত আদিত বৰষুণ হোৱাৰ, পুত্র দেখি পিতাৰ, সৃষ্টি দেখি সৃষ্টাৰ কাৰণ বা কর্ত্তাৰ, সুখ, দুখ দেখি পাপ পুণ্য আচৰণৰ। (৩) সামান্যতোদৃষ্ট—যি কোনো কাৰো কাৰণ বা কার্য্য নহয় কিন্তু পৰস্পৰৰ ভিতৰত কিবা নহয় কিবা সাধর্ম্য থাকে। যেনে—গমন বিনা কোনেও স্থানান্তৰিত হব নোৱাৰে, গতিকে যি স্থানান্তৰিত হৈছে সি গতি কৰিছে। অনুমান শব্দৰ অর্থ "**অনু অর্থাৎ প্রত্যক্ষস্য পশ্চান্মীয়তে, জ্ঞায়তে যেন তদনুমানম্**" প্রত্যক্ষৰ পাছত উৎপন্ন হোৱা জ্ঞান। যেনে—ধোৱাৰ প্রত্যক্ষ নহলে নেদেখা অগ্নিৰ জ্ঞান হব নোৱাৰে।

তৃতীয়তে উপমান :—

প্রসিদ্ধসাধর্ম্ম্যাৎ সাধ্যসাধনমুপমানম্ ॥ ন্যায়॰ অ॰ ১. আ॰ ১ সূ॰ ৬॥

প্রসিদ্ধ সাধর্ম্ম্যৰে সাধ্যৰ সাধনক উপমান বোলে অর্থাৎ সাদৃশ্য লক্ষণেৰে কোনো অজ্ঞাত বস্তুৰ প্রমাণ কৰাকেই উপমান বোলে। "**উপমীয়তে যেন তদুপমানম**।" যেনে এক পিতাকে পুত্রক কলে "বিষ্ণুমিত্রক মাতি আনা", পুত্রই "চিনি নেপাওঁ" বুলি কোৱাত বাপেকে কলে "দেৱদত্ত যেনেকুৱা বিষ্ণুমিত্রও দেখাত তেনেকুৱা" বা গাই গৰু যেনেকুৱা গৱয় অর্থাৎ নীলগাইো ঠিক তেনেকুৱাই। সাদৃশ্যৰে বিষ্ণুমিত্র বা নীলগাইৰ প্রমাণ কৰাকে উপমান বোলে।

চতুর্থতে শব্দ প্রমাণ :—

আপ্তোপদেশঃ শব্দঃ ॥ ন্যায়॰ । অ॰ ১। সূ॰ ৭॥

জিতেন্দ্রিয় নিরপেক্ষ সৎ বিদ্বান্ পুরুষক আপ্ত বোলা হয়। ঈশ্বর অর্থাৎ দৃশ্য জগত আরু তার মূল অদৃশ্য মূলর জানী বৈদিক ঋষি সকলক আপ্ত বোলা হয় গতিকে বেদ শব্দ প্রমাণ।

পঞ্চমতে ঐতিহ্য :—

ন চতুষ্টয়ৈতিহ্যার্থাপত্তিসম্ভবাভাব প্রামাণ্যাৎ।

ন্যায়॰ । অ॰ ২। আ॰ ২। সূ॰ ১॥

ঐতিহাসিক প্রমাণক ঐতিহ্য বোলে।

ষষ্ঠতে অর্থাপত্তি:—

"অর্থাদাপদ্যতে সা অর্থাপত্তিঃ।" কেনচিচ্চ্যচতে" সৎসু ঘনেষু বৃষ্টিঃ সতি কারণে কার্যং ভবতীতি কিমত্র প্রসজ্যতে,

অসৎসু ঘনেষু বৃষ্টিরসতি কারণে চ কার্য্যং ন ভবতি"। যেনে—এজনে এজনক ক'লে "ভারর হ'লে বরষুণ আরু কারণ হ'লে কার্য্যর উৎপত্তি হয়।" এই ক্ষেত্রত নকলেও ইয়ার তাৎপর্য্য ওলাই পরে যে, বিনামেঘে বরষুণ আরু বিনা কারণে কার্য্য হ'ব নোরারে।

সপ্তম প্রমাণ হৈছে সম্ভব :- "সম্ভবতি যস্মিন্ স সম্ভবঃ।" যি সম্ভব নহয় সেয়ে অসম্ভব, যেনে—মাতা-পিতা নহ'লে সন্তানর জন্ম হোৱা, মৃতক পুনর্জীবিত হোৱা, পর্ব্বত তুলি মুরত লোৱা, পানীত শিল ওপঙোৱা, ঈশ্বর অবতার হোৱা, মানুহর মুরত শিং গজা ইত্যাদি সৃষ্টি-ক্রমর বিরুদ্ধ কার্য্য; সেয়ে এইবোর অসম্ভব আরু যিবোর কার্য্য সৃষ্টিক্রমর অনুকূল, সেয়ে—"সম্ভব।"

অষ্টমতে অভাব :— ন ভবন্তি যস্মিন্ সোঽভাবঃ। যেনে—এজনে আন এজনক ক'লে "হাতী এটা আনা"। তেওঁ সেই ঠাইত হাতীর অভাব দেখি হাতী থকা ঠাইর পরা এটা হাতী আনিলে। এয়েই হ'ল আঠবিধ প্রমাণ। ইয়ার ভিতরত ঐতিহ্যক শব্দ প্রমাণর ভিতরত আরু অর্থাপত্তি, সম্ভব আরু অভাবক অনুমানর ভিতরত ধরিলে মাত্র চারি

প্রকারর প্রমাণ থাকে। এই পাঁচবিধ পরীক্ষার বাহিরে সত্যাসত্যক প্রমাণ করার অন্য উপায় নাই।

ধর্ম্মবিশেষপ্রসূতাদ্ দ্রব্যগুণকর্ম্মসামান্যবিশেষসমবায়ানাং পদার্থানাং সাধর্ম্ম্যবৈধর্ম্ম্যাভ্যাং তত্ত্বজ্ঞানান্নিঃশ্রেয়সম্ ॥

বৈশেষিক :। অ॰ ১। আ॰ ১। সূ॰ ৪ ॥

"সাধর্ম্ম্য" মানে তুল্যধর্ম্মবিশিষ্ট অর্থাৎ পৃথিবী যেনে জড় দ্রব্য, তলো সেইদরে জড়। "বৈধর্ম্ম্য"—যেনে পৃথিবী স্থূল কিন্তু জল তরল, এইদরে দ্রব্য, গুণ, কর্ম্ম, সামান্য, বিশেষ আরু সমবায় এই ছয় পদার্থর স্বরূপ জ্ঞান বা তত্ত্বজ্ঞান আরু তদনুরূপ ধর্ম্মানুষ্ঠানর দ্বারাই "নিঃশ্রেয়সম্" মোক্ষ লাভ করিব পারে।

পৃথিব্যাপস্তেজোবায়ুরাকাশং কালোদিগাত্মা মন ইতি দ্রব্যাণি ॥

বৈ॰ । অ॰ ১। আ॰ ১। সূ॰ ৫ ॥

পৃথিবী, জল, তেজ, বায়ু, আকাশ, কাল, দিক, আত্মা আরু মন এই ন'টা দ্রব্য।

ক্রিয়াগুণবৎ সমবায়িকারণমিতি দ্রব্যলক্ষণম্ ॥

বৈ॰ অ॰ ১। আ॰ ১ সূ॰ ১৫ ॥

"ক্রিয়াশ্চ গুণাশ্চ বিদ্যন্তে যস্মিংস্তৎ ক্রিয়াগুণবৎ"—যত ক্রিয়াগুণ আরু কেবল গুণ থাকে তাক দ্রব্য বোলে। পৃথিবী, জল, তেজ, বায়ু, মন আরু আত্মা এই ছয়টা দ্রব্য ক্রিয়া আরু গুণবিশিষ্ট। (সমবায়ি) "সমবেতুং শীলং যস্য তৎ সমবায়ি, প্রাগ্বৃত্তিত্বং কারণং সমবায়ি চ তৎ কারণং সমবায়ি কারণম্" "লক্ষ্যতে যেন তল্লক্ষণম্"। যি স্বাভাবিক মিলনযুক্ত আরু যি কার্য্যর পরা কারণ পূর্ব্বকালস্থ হয় তাকেই দ্রব্য বোলে। যার দ্বারাই লক্ষ্য জনা যায় তাক লক্ষণ বোলে, যেনে—চক্ষুর দ্বারাই রূপ জনা যায়।

রূপরসগন্ধস্পর্শবতী পৃথিবী ॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ১॥

পৃথিবী রূপ, রস, গন্ধ আরু স্পর্শবিশিষ্ট। পৃথিবীর গুণ রূপ,

বস, আৰু স্পৰ্শ আৰু পৃথিৱীৰ লগত অগ্নি, জল আৰু বায়ু যোগ হৈ থাকে।

ব্যবস্থিতঃ পৃথিব্যাং গন্ধঃ॥ বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ২॥

পৃথিৱীৰ স্বাভাৱিক গুণ গন্ধ। সেইদৰে জলৰ বস, অগ্নিৰ ৰূপ, বায়ৰ স্পৰ্শ আৰু আকাশৰ শব্দ স্বাভাৱিক গুণ।

ৰূপৰসস্পৰ্শবত্য আপো দ্রবাঃ স্নিগ্ধা॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ২॥

যি ৰূপ, বস আৰু স্পৰ্শযুক্ত, দ্রবীভূত আৰু স্নিগ্ধ তাকেই জল বোলে। কিন্তু এইবোৰৰ ভিতৰত জলৰ স্বাভাৱিক গুণ বস। অগ্নি আৰু বায়ৰ সংযোগত হে ৰূপ আৰু স্পৰ্শ হয়।

অপ্সু শীততা॥ বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ৫॥

শীতত্ব জলৰ স্বাভাৱিক গুণ।

তেজো ৰূপস্পৰ্শবৎ॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ৩॥

অগ্নি বা তেজৰ গুণ ৰূপ আৰু স্পৰ্শ। ৰূপ স্বাভাৱিক গুণ আৰু বায়ুৰযোগত স্পৰ্শ অনুভূত হয়।

স্পর্শবান্ বায়ুঃ॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ৪॥

বায়ুৰ স্বাভাৱিক গুণ স্পৰ্শ; কিন্তু তেজ আৰু জলৰ সংযোগত উষ্ণতা আৰু শীততা অনুভূত হয়।

ত আকাশে ন বিদ্যন্তে॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ৫॥

ৰূপ, বস, গন্ধ আৰু স্পৰ্শ আকাশৰ নাই। আকাশৰ গুণ কেৱল শব্দ।

নিষ্ক্রমণং প্রবেশনমিত্যাকাশস্য লিঙ্গম্॥

বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ২০॥

ষ'ত প্রৱেশ আৰু বাহিৰলৈ ওলোৱা কার্য্য হয়, সেয়েই আকাশৰ লিঙ্গ বা চিহ্ন।

কার্য্যান্তৰাপ্রাদুর্ভাৱাচ্চ শব্দঃ স্পর্শৱতাম্ গুণঃ॥

বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ২৫॥

অন্যান্য গুণবিশিষ্ট পৃথিৱী আদিৰ কার্য্যত শব্দ প্রকাশ নহয় গতিকে

শব্দ আকাশৰহে গুণ।

অপৰস্মিন্নপৰং যুগপচ্চিৰং ক্ষিপ্রমিতি কাললিঙ্গানি॥

বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ৬॥

আগত, পাচত, একেসময়তে, পলম, শুতালিকে আদি বুজোৱা দ্রব্যই কাল।

নিত্যেষ্ৱভাৱাদনিত্যেষু ভাৱাৎ কাৰণে কালাখ্যেতি॥

বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ৯॥

নিত্য পদার্থত নাথাকি অনিত্য পদার্থত থাকে, গতিকে উপাদান কাৰণকো কাল বোলা হয়।

ইত ইদমিতি যতস্তদ্দিশ্যং লিঙ্গম্॥ বৈ॰ অ॰ ২। সূ॰ ১০॥

পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ, ঊর্দ্ধ বা অধঃ আদি যি ব্যৱহাৰ কৰা হয়, তাকেই দিক্ বোলা হয়।

আদিত্যসংযোগাদ্ ভূতপূর্ৱাদ্, ভৱিষ্যতো ভূতাচ্চ প্রাচী॥

বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ১৪॥

যিকালে সূর্য্য সংযোগ হয়, হৈছিল আৰু হ'ব তাকেই পূর্ব্বদিক বোলে। যি কালে সূর্য্য অস্ত হয় তাক পশ্চিম। পূর্ৱাভিমুখী ব্যক্তিৰ সোঁফালক দক্ষিণ আৰু বাওঁ ফালক উত্তৰ দিক বোলা হয়।

এতেন দিগন্তৱালানি ৱ্যাখ্যাতানি॥ বৈ॰ অ॰ ২। আ॰ ২। সূ॰ ১৬॥

পূৱ আৰু দক্ষিণৰ মধ্যৱর্ত্তী আগ্নেয় দিক, দক্ষিণ আৰু পশ্চিমৰ মধ্যৱর্ত্তী নৈর্ঋত, পশ্চিম আৰু উত্তৰৰ মধ্যৱর্ত্তী ৱায়ৱী আৰু উত্তৰ আৰু পূর্ৱৰ মধ্যৱর্ত্তী দিকক ঐশানী বোলা হয়।

ইচ্ছাদ্ৱেষ প্রযত্নসুখদুঃখজ্ঞানান্যাত্মনো লিঙ্গমিতি॥

ন্যায়॰ অ॰ ১। সূ॰ ১০॥

য'ত ইচ্ছা, দ্বেষ, যত্ন, সুখ, দুখ, আৰু জ্ঞান হয়, তাকেই জীৱাত্মা বোলে। ৱৈশেষিক দর্শনত আত্মাৰ গুণ বা লক্ষণ ইয়াতকৈও বিস্তাৰভাৱে বর্ণনা কৰা হৈছে:—

প্রাণাঽপাননিমেষোন্মেষজীবনমনোগতীন্দ্রিয়ান্তর্ব্বিকারাঃ সুখদুঃখেচ্ছাদ্বেষপ্রযত্নাশ্চাত্মনো লিঙ্গানি ॥

বৈ॰ অ॰ ৩। আ॰ ২। সূ॰ ৪॥

উশাহ, নিশাহ, চকু মুদা, চকু মেলা, প্রাণক ধাৰণ কৰা, বিবেচনা কৰা, গমন কৰা, ইন্দ্রিয়বোৰক পৰিচালনা কৰা, ভোক, পিয়াহ বেমাৰ-আজাৰ সুখ-দুখ, ইচ্ছা-দ্বেষ, আৰু যত্ন এইবোৰ আত্মাৰ লক্ষণ অর্থাৎ গুণ আৰু কর্ম্ম। চৈতন্য ভিন্ন জড় বস্তুত এইবোৰ গুণ থাকিব নোৱাৰে।

যুগপজ্ জ্ঞানানুৎপত্তির্মনসো লিঙ্গম্॥ ন্যায়॰ অ॰ ১। সূ॰ ১৬॥

একেলগে বা একেসময়তে ম'ত দুই প্রকাৰৰ জ্ঞান নহয়, সেয়ে মন।

ইয়ানলৈকে দ্রব্যৰ স্বৰূপ আৰু লক্ষণ ব্যাখ্যা কৰা হ'ল। ইয়াৰ পাছত এতিয়া দ্রব্যৰ গুণ বর্ণনা কৰা হব:—

রূপরসগন্ধস্পর্শাঃ সংখ্যাপরিমাণানি পৃথকত্বং সংযোগবিভাগৌ পরত্বাঽপরত্বে বুদ্ধয়ঃ সুখদুঃখে ইচ্ছাদ্বেষৌ প্রযত্নাশ্চ গুণাঃ ॥

বৈ॰ অ॰ ১। আ॰ ১। সূ॰ ৬॥

ৰূপ, ৰস, গন্ধ, স্পর্শ, সংখ্যা, পৰিমাণ, পৃথক্‌ত্ব, সংযোগ, বিভাগ, পৰত্ব, অপৰত্ব, বুদ্ধি, সুখ, দুঃখ, ইচ্ছা, দ্বেষ, প্রযত্ন, গুৰুত্ব, দ্রৱত্ব, স্নেহ, সংস্কাৰ, ধর্ম্ম, অধর্ম্ম, আৰু শব্দ এই ২৪টাকে গুণ বোলে।

দ্রব্যাশ্রয্যগুণবান্ সংযোগবিভাগেষ্বকারণমনপেক্ষ ইতি গুণলক্ষণম্॥ বৈ॰ অ॰ ১। আ॰ ১ সূ॰ ১৬॥

যি দ্রব্যক আশ্রয় কৰি থাকে, অন্য গুণৰ আশ্রয় নহয়, সংযোগ আৰু বিভাগৰ হেতু নহয়, আৰু আনৰ অপেক্ষা নকৰে, তাকেই গুণ বোলে।

শ্রোত্রোপলব্ধির্বুদ্ধিনির্গ্রাহ্যঃ প্রয়োগেণাঽভিসন্ধিপ্ত আকাশদেশঃ শব্দঃ॥ মহাভাষ্যে॥

যি কর্ণৰ দ্বাৰা উপলব্ধ হয়, বুদ্ধিৰ দ্বাৰা গ্রহণীয়, আৰু প্রয়োগৰ দ্বাৰা প্রকাশিত হয় আকাশ যাৰ আশ্রয়স্থল তাক শব্দ বোলে। যি নেত্রৰ দ্বাৰা অনুভূত হয় সেয়েই ৰূপ, জিহ্বাৰ দ্বাৰা বুজিব পৰা

মধুৰাদি নানা প্রকাৰৰ জ্ঞানেই ৰস। যি নাসিকাৰ দ্বাৰাই গৃহীত হয় সেয়ে গন্ধ। ছালৰ সংযোগৰ দ্বাৰা যি গৃহীত হয় সেয়ে স্পর্শ। যাৰ দ্বাৰাই এক দুই আদি গণনা হয় সেয়ে সংখ্যা। যাৰ দ্বাৰাই গুৰুত্ব লঘুত্ব আদি পৰিমাণ বা মাত্রা গ্রহণ হয় সেয়ে পৰিমাণ, এটা অন্যৰ পৰা ভিন্নতা হোৱাই পৃথকত্ব, পৰস্পৰ মিলন হোৱাই সংযোগ। খণ্ডিত হোৱা বিভাগ। ইয়াৰ পূর্ব্বই পৰ। ইয়াৰ পাছৰ যি সেয়ে অপৰ। যাৰ দ্বাৰাই বিবেচনা হয় সেয়েই বুদ্ধি। আনন্দই সুখ, আৰু ক্লেশ কষ্টই দুঃখ। ইচ্ছাই ৰাগ, দ্বেষেই বিৰাগ। প্রযত্নই সকলো চেষ্টা। গুৰুত্ব গধুৰ। দ্রৱত্ব পনীয়া, স্নেহ—প্রীতি আৰু মসৃনতা। সংস্কাৰ আনৰ সংযোগত হোৱা বাসনা। ধর্ম্ম-ন্যায় আচৰণ আৰু কঠিনতা। অধর্ম্ম-ন্যায় আচৰণ আৰু কঠিনতাৰ বিপৰীত। এই ২৪ টাই গুণ।

উৎক্ষেপণমবক্ষেপনমাকুঞ্চনং প্রসারণং গমনমিতি কর্ম্মাণি॥

বৈ॰ অ॰ ১। আ॰ ১। সূ॰ ৭॥

উৎক্ষেপণ—ওপৰলৈ নিয়া, অবক্ষেপণ— তললৈ নিয়া, আকুঞ্চণ—সংকোচ, প্রসাৰন বিস্তাৰ, গমন—ভ্রমণ এইবোৰকে কর্ম্ম বোলে।

কর্ম্মৰ লক্ষণ :—

একদ্রব্যমগুণং সংযোগবিভাগেষ্বনপেক্ষকারণমিতি কর্ম্মলক্ষম্॥

বৈ॰ অ॰ ১। আ॰ ১। সূ ১৭॥

"একং দ্রব্যমাশ্রয় আধারো যস্য তদেকদ্রব্যং, ন বিদ্যতে গুণো যস্য যস্মিন্ বা তদগুণং, সংযোগেষু বিভাগেষু চাপেক্ষারহিতং কারণং তৎকর্ম্মলক্ষণম্ অথবা "যৎ ক্রিয়তে তৎকর্ম্ম, লক্ষ্যতে যেন তল্লক্ষণং, কর্ম্মণো লক্ষণং কর্ম্মলক্ষণম্।"

পদার্থৰ আশ্রিত, গুণহীন, আৰু সংযোগ বিভাগৰ অপেক্ষা নথকা কাৰণ হলেই কর্ম্ম বোলে।

দ্রব্যগুণকর্ম্মণাং দ্রব্যং কারণং সামান্যম্॥

বৈ॰ অ॰ ১। আ॰ ১।সূ॰ ১৮॥

যি কর্ম্ম দ্রব্য, গুণ আৰু কর্ম্মৰ কাৰণ দ্রব্য, সেয়েই সামান্য দ্রব্য॥

দ্রব্যাণাং দ্রব্যং কার্য্যং সামান্যম্॥ বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ২৩॥

যি দ্রব্যৰ কার্য্য দ্রব্য সি কার্য্যত্ব বশতঃ সকলো কার্য্যতেই সামান্য।

দ্রব্যত্বং গুণত্বং কর্ম্মত্বঞ্চ সামান্যানি বিশেষাশ্চ।

বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ৫॥

দ্রব্যবোৰৰ দ্রব্যত্ব, গুণবোৰৰ গুণত্ব, কর্ম্মবোৰৰ কর্ম্মত্ব, এইবোৰক সামান্য আৰু বিশেষ বোলে। কাৰণ দ্রব্যবোৰৰ দ্রব্যত্ব সামান্য আৰু গুণত্ব, কর্ম্মত্বৰ দ্রব্যত্ব বিশেষ। এই দৰেই সকলো বিবেচনা কৰি সকলোবে তথ্য বুজিব লাগে।

সামান্যং বিশেষ ইতি বুদ্ধ্যপেক্ষম্॥ বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ৩॥

বুদ্ধিৰ অপেক্ষানুসৰি সামান্য আৰু বিশেষৰ ভিন্নতা হয়। যেনে—মানুহৰ ভিতৰত মনুষ্যত্ব সামান্য পশুত্ব আদিৰ ভিতৰত বিশেষ। এইদৰে মনুষ্যত্বৰ ভিতৰত স্ত্রীত্ব পুৰুষত্বৰ ভিতৰত ব্রাহ্মণত্ব, ক্ষত্রিয়ত্ব, বৈশ্যত্ব, শূদ্রত্ব বিশেষ। ব্রাহ্মণৰ ভিতৰত ব্রাহ্মণত্ব সামান্য কিন্তু মনুষ্যত্বৰ বিশেষ। এই দৰেই জগতৰ সকলো তত্ত্ব পৰীক্ষা কৰিব লাগে।

ইহেদমিতি যতঃ কার্য্যকারণয়োঃ স সমবায়ঃ॥

বৈ॰ অ॰ ৭। আ॰ ২। সূ॰ ২৬॥

কাৰণ অর্থাৎ অবয়ববোৰৰ ভিতৰত অবয়বী, কার্য্যৰ ভিতৰত ক্রিয়া আৰু ক্রিয়াবান, গুণ আৰু গুণী জাতি আৰু ব্যক্তি, কার্য্য আৰু কাৰণ, অবয়ব আৰু অবয়বী এই বোৰৰ ভিতৰত যি নিত্য সম্বন্ধ তাকেই সমবায় সম্বন্ধ বা সমবায় বোলে। ইয়াৰ ভিন্ন সম্বন্ধক সংযোগ সম্বন্ধ বোলে। সংযোগ সম্বন্ধ অনিত্য অর্থাৎ নাশবান।

দ্রব্যগুণয়োঃ সজাতীয়ারম্ভকত্বং সাধর্ম্ম্যম্॥

বৈ॰ অ॰ ১। আ॰ ১। সূ॰ ৯।

দ্রব্য আৰু গুণৰ সমান জাতীয় কর্ম্মৰ যি আৰম্ভ তাকেই সাধর্ম্ম্য বোলে; যেনে—পৃথিবীৰ জড়ত্ব ধর্ম্ম আৰু ঘট আদি কর্ম্মৰ উৎপাদকত্ব

অসদৃশ ধর্ম্ম, সেই দৰে জলত জড়ত্ব আৰু হিম আদি অসদৃশ কার্য্যৰ আৰম্ভ। পৃথিবীৰ লগত জলৰ আৰু জলৰ লগত পৃথিবীৰ তুল্য বা একে ধর্ম্ম আছে। অর্থাৎ 'দ্রব্য গুণয়োর্বিজাতীয়ারম্ভকত্বং বৈধর্ম্ম্যম্।'

ইয়াৰ তাৎপর্য্য হয় যে দ্রব্য আৰু গুণৰ বিপৰীত ধর্ম্ম আৰু কার্য্যৰ যি আৰম্ভ, তাকেই বৈধর্ম্ম্য বোলে; যেনে, পৃথিবীৰ কঠিনত্ব, গুৰুত্ব আৰু গন্ধবত্ত্ব ধর্ম্ম জলৰ বিৰুদ্ধ (বিপৰীত) আৰু জলৰ দ্রবত্ব কোমলতা আৰু ৰস গুণ পৃথিবীৰ বিৰুদ্ধ॥

কাৰণভাবাৎ কার্য্যাভাবঃ॥ বৈ॰ অ॰ ৪। আ॰ ১। সূ॰ ৩॥

কাৰণ হ'লেহে কার্য্য হয়।

নতু কার্য্যভাবাৎ কাৰণাভাবঃ॥ বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ২॥

কার্য্যৰ অভাৱ হ'লেও কাৰণৰ অভাৱ নহয়।

কাৰণাহভাবাৎ কার্য্যাহভাবঃ॥ বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ১॥

কাৰণ নহ'লে কার্য্য কেতিয়াও হ'ব নোৱাৰে।

কাৰণগুণপূর্ব্বকঃ কার্য্যগুণো দৃষ্টঃ॥ বৈ॰ অ॰ ২। আ॰ ১। সূ॰ ২৪॥

কাৰণত যি গুণ থাকে কার্য্যতো সেই গুণেই হয়।

পৰিমাণ দুই প্রকাৰ :—

অণুমহদিতি তস্মিন্ বিশেষভাবাদ্বিশেষাভাবাচ্চ॥

বৈ॰ অ॰ ৭। আ॰ ১। সূ॰ ৯১॥

অণু=সূক্ষ্ম, মহৎ=প্রকাণ্ড। ত্র্যসরেণু লিক্ষা (চাৰি ত্র্যসরেণুৰ তুলনাত ক্ষুদ্র, কিন্তু দ্ব্যণুকৰ তুলনাত ডাঙৰ।

সদিতি যতো দ্রব্যগুণকর্ম্মসু সা সত্তা॥

বৈ॰ অ॰ ১। আ॰ ২। সূ॰ ৭॥

যি দ্রব্য, গুণ আৰু কর্ম্মৰ লগত সৎ শব্দ যুক্ত থাকে অর্থাৎ বিদ্যমান লগত বর্ত্তমান কালবাচক শব্দৰ অর্থ সংগতি থাকে, তাক সত্তা বোলে, যেনে :—সৎদ্রব্য, সৎগুণ, সৎকর্ম্ম।

তাবোহনুবৃত্তেরেব হেতুত্বাৎ সামান্যমেব। বৈ॰ অ॰ ৭। আ॰ ২। সূ॰ ৪॥

যাৰ সকলোবে লগত অনুবর্ত্তমান সত্তাৰূপ ভাৱ (বর্ত্তমান), সেয়েই মহাসামান্য। এয়েই ভাৱৰূপ দ্রব্যৰ ক্রম।

অভাৱ পাঁচ প্রকাৰ হয় :—

ক্রিয়াগুণব্যপদেশাভাবাৎ প্রাগসৎ॥ বৈ॰ অ॰ ৯। আ॰ ১। সূ॰ ১॥

প্রাগ্ মানে পুৰ্ব্ব। ক্রিয়া আৰু গুণৰ বিশেষ নিমিত্তৰ পুৰ্ব্ব অভাৱক "প্রাগভাৱ" বোলে। যেনে :— ঘট, বস্ত্র-আদি নির্মিতৰ পুৰ্ব্ব-অৱস্থা, ঘট বস্ত্রৰ পুৰ্ব্ব অভাৱ। অর্থাৎ ঘট বস্ত্র পুৰ্ব্বে নাছিল।

(২) সদসৎ॥ বৈ॰ অ॰ ৯। আ॰ ১। সূ॰ ২॥

হোৱাৰ পাচত নষ্ট হোৱাক "প্রধ্বংসাভাৱ" বোলে; যেনে—ঘট, বস্ত্র আদি নষ্ট হোৱাৰ পাচত হোৱা ঘটাভাৱ, বস্ত্রাভাৱ আদি প্রধ্বংসাভাৱ।

(৩) সচ্চাসৎ॥ বৈ॰ অ॰ ৯। আ॰ ১। সূ॰ ৪॥

যি আছে, নাই বা নহয় তাকে "অন্যোঽন্যাভাৱ" বোলে। যেনে—"অগৌরশ্বোঽনশ্বো গৌঃ" ঘোড়া গৰু নহয় আৰু গৰুও ঘোড়া নহয়; অর্থাৎ ঘোড়াত গৌত্বৰ অভাৱ আৰু গৰুত অশ্বত্বৰ অভাৱ। ইয়াক অন্যোন্যাভাৱ বোলে।

(৪) যচ্চান্যদসদতত্তদ্বসৎ॥ বৈ॰ অ॰ ৯। আ॰ ১। সূ॰ ৫॥

পূর্ব্বোক্ত তিনিওবিধ অভাৱৰ—যি ভিন্ন, সেই অভাৱক "অত্যন্তাভাৱ" বোলে। যেনে—"নরশৃঙ্গ" অর্থাৎ মানুহৰ শিং, "খপুষ্প"—আকাশকুসুম, ইত্যাদি।

(৫) নাস্তি ঘটো গেহ ইতি যতো ঘটস্য গেহসংসর্গ প্রতিষেধঃ॥
বৈ॰ অ॰ ৯। আ॰ ১। সূ॰ ১০॥

ঘট ঘৰত নাই, অর্থাৎ অন্যত আছে; ঘৰ আৰু ঘটৰ সংলগ্নৰ অভাৱ। ইয়াক "সংসর্গপ্রতিষেধ" বা সংসর্গাভাৱ বোলে।

ইন্দ্রিয়দোষাৎ সংস্কাৱদোষাচ্চাবিদ্যা॥ বৈ॰ অ॰ ৯। আ॰ ২। সূ॰ ১০।

ইন্দ্রিয়ৰ আৰু সংস্কাৱৰ দোষত অবিদ্যা বা অজ্ঞানতাৰ উৎপত্তি হয়।

অদৃষ্টজ্ঞানদৃষ্টে॥ বৈ॰ অ॰ ৯। আ॰ ২। সূ॰ ১১॥

দুষ্ট বা বিপৰীত জ্ঞানক অবিদ্যা বোলে।

অদৃষ্টং বিদ্যা॥ বৈ॰ অ॰ ৯। আ॰ ২। সূ॰ ১২॥

অদুষ্ট বা যথার্থ জ্ঞানক বিদ্যা বোলে।

পৃথিব্যাদিরূপরসগন্ধস্পর্শা দ্রব্যানিত্যত্বাদনিত্যাশ্চ॥
বৈ॰ অ॰ ৭। আ॰ ১। সূ॰ ২॥

এতেন নিত্যেষু নিত্যত্বমুক্তম্॥ বৈ॰ অ॰ ৭। আ॰ ১। সূ॰ ৩॥

কার্য্যস্বৰূপ পৃথিৱী আদি পদার্থ অনিত্য হেতুকে তাৰ রূপ, রস, গন্ধ আৰু স্পর্শ গুণো অনিত্য আৰু কাৰণস্বৰূপ পৃথিৱী আদি নিত্যদ্রব্যৰ যিবোৰ গন্ধ আদি গুণ সিবোৰ নিত্য।

সদকাৰণবন্নিত্যম্॥ বৈ॰ অ॰ ৪। আ॰ ১। সূ॰ ১।

যি বিদ্যমান আৰু যাৰ কোনো কাৰণ নাই, সি নিত্য। কিন্তু "সৎকাৰণবদনিত্যম্" কাৰণ বিশিষ্ট কার্য্যৰূপগুণক অনিত্য বোলে।

অয়োদং কার্য্যং কাৰণং সংযোগি বিৰোধি সমৱায়ি চেতি লৈঙ্গিকম্॥
বৈ॰ অ॰ ৯। আ॰ ২। সূ॰ ১॥

ইয়াৰ এই কার্য্য বা ইয়াৰ এই কাৰণ ইত্যাদি। সমবায়ী, সংযোগী একার্থ সমবায়ী আৰু বিৰোধী এই চাৰি প্রকাৰ লৈঙ্গিক অর্থাৎ লিঙ্গ লিঙ্গীৰ সম্বন্ধৰ পৰাই জ্ঞান হয়। "সমৱায়ি" যেনে—আকাশ পৰিমাণ বিশিষ্ট। "সংযোগি" যেনে শৰীৰ ত্বক্ বিশিষ্ট ইত্যাদি ক্ষেত্রত ত্বিত্য সম্বন্ধ আছে। "একার্থসমবায়ি" এক বস্তুত দুটা গুণ থকা; যেনে—কার্য্যৰূপ স্পর্শ, আৰু কার্য্যৰ লিঙ্গ অর্থাৎ জ্ঞানো'তা। "বিৰোধি', যেনে অতীতৰ বৃষ্টি আৰু ভৱিষ্যতৰ বৃষ্টি বিৰোধী লিঙ্গ।

"ব্যাপ্তি"—নিয়ত ধর্ম্মসাহিত্যমুভয়োরেকতরস্য বা ব্যাপ্তিঃ॥ নিজশক্তুদ্ভবমিত্যাচার্য্যাঃ॥ আধেয়শক্তিযোগ ইতি পঞ্চশিখঃ॥

সাংখ্য সূ॰ অ॰ ৫। সূ॰ ২৯।৩১।৩২

সাধ্য, সাধন, অর্থাৎ সিদ্ধ কৰিব লগীয়া আৰু যাৰ দ্বাৰাই সিদ্ধ কৰা যায়। এই দুই বা এটাৰ সাধনৰ নিশ্চিত ধর্ম্মৰ যি সহচাৰ, তাকে

ব্যাপ্তি বোলে। যেনেকৈ ধোঁৱা আৰু অগ্নিৰ সহচাৰ আছে ॥ ২৯ ॥ ব্যাপ্য ধোঁৱা নিজ শক্তিৰেই উৎপন্ন হয়, আৰু যেতিয়া স্থানান্তৰ হয় তেতিয়াও বিনা অগ্নি সংযোগতেই থাকে। ইয়াকেই ব্যাপ্তি বোলে। অর্থাৎ অগ্নিৰ ছেদন, ভেদন সামর্থ্যৰ দ্বাৰাই জল আদি দ্রব্য ধুমৰূপে আবির্ভাৱ হয়। ৩১॥ যেনেকৈ মহত্তত্ত্ব আদিত প্রকৃতিৰ ব্যাপকতা আৰু বুদ্ধি আদিত ব্যাপ্যতা ধর্ম্মৰ সম্বন্ধৰ নাম ব্যাপ্তি। যেনে শক্তি আধেয় ৰূপ আৰু শক্তিমান আধাৰৰূপৰ সম্বন্ধ ॥৩২॥

এইবোৰ শাস্ত্রীয় প্রমাণৰ জ্ঞানেৰে অধ্যয়ন আৰু অধ্যাপনা কৰা উচিত। এয়ে নহলে বিদ্যার্থী সকলৰ কেতিয়াও সত্যৰ উপলব্ধি হব নোৱাৰে। পঢ়াব লগীয়া গ্রন্থবোৰ পুর্ব্বোক্ত দার্শনিক প্রমাণেৰে পৰীক্ষা কৰি যিবোৰ সৎ শাস্ত্রৰূপে প্রমাণিত হয় সেইবোৰহে পঢ়াব লাগে। অপ্রমাণিত গ্রন্থবোৰ ঠিন পাঠনৰ পৰা জ্ঞান হব নোৱাৰে।

কাৰণ ;—লক্ষণ প্রমাণাভ্যাং বস্তুসিদ্ধিঃ ॥

লক্ষণৰ দ্বাৰা, যেনে "গন্ধৱতী পৃথিৱী" যত মাটি ততেই গোন্ধ বা পৃথিবী হলে গন্ধ থাকিবই, এনেকুৱা লক্ষণ আৰু প্রত্যক্ষ আদি প্রমাণেৰে সকলো সত্যাসত্যৰ আৰু সকলো বস্তুৰ নির্ণয় হয়।

এইবোৰৰ বাহিৰে সত্যাসত্য জানৰ উপায় অন্য একো থাকিব নোৱাৰে।

অথ পঠন—পাঠন বিধিঃ ॥

এতিয়া পঠন পাঠনৰ বিধি লিখা হৈছে। প্রথম পাণিনি মুনিৰ ৰচিত শিক্ষা; যি সূত্রৰূপ, সেই ৰীতি বা নিয়মানুসাৰে বর্ণৰ স্থান, প্রযত্ন আৰু কৰণ শিকাব লাগে। যেনে—"প"ৰ স্থান ওষ্ঠ প্রযত্ন স্পৃষ্ট, আৰু প্রাণ ও জিহ্বাৰ ক্রিয়াক কৰণ হোৱে। মাতা, পিতা আৰু আচার্য্য সকলে যথাযোগ্য বর্ণৰ উচ্চাৰণ শিকাব লাগে।

তাৰ পাছত ব্যাকৰণৰ শিক্ষা দিব লাগে। প্রথম অষ্টাধ্যায়ীৰ সূত্র পাঠ; যেনে, "বৃদ্ধিরাদৈচ ।" তাৰ পাছত পদচ্ছেদ, যেনে—বৃদ্ধিঃ আৎ, ঐচ্ চ বা আদৈচ্ ।" তাৰ পাছত সমাসৰ শিক্ষা। যেনে— আচ্চ, ঐচ্চ

আদৈচ্ ।" তাৰ পাছত অর্থ যেনে—"আদৈচাং বৃদ্ধি সংজ্ঞা ক্রিয়তে" অর্থাৎ আ, ঐ, ঔ, ৰ বৃদ্ধি সংজ্ঞা কৰা হয়। "তঃ পৰো যস্মাৎ স তপ্ পরস্তাদপি পরস্তপরঃ"—"ত"কাৰ যাৰ পাছত থাকে, আৰু যি "ত"ৰো পাছত থাকে তাক "তপৰ" বোলে। ইয়াৰ অর্থ হ'ল—যি "আ"কাৰৰ পৰ "ৎ" আৰু "ৎ"ৰ পৰত "অচ্" উভয়েই "তপৰ" হ্রস্ব আৰু প্লুতৰ বৃদ্ধি সংজ্ঞা নহবৰ বাবেই "ত" পৰৰ প্রয়োজন। উদাহৰণ- ভাগঃ ইয়াত ভজ্ ধাতুৰ উত্তৰ 'ঘঞ্' হ'ল। ঘঞ্ৰ ঘ,ঞ্, অৰ "ইৎ" সংজ্ঞা হৈ লোপ হ'ল। তেতিয়া "ভজ্+অ" ৰ'ল। "জ"কাৰৰ আগৰ আৰু "ভ"কাৰৰ পাছৰ "অ"কাৰৰ বৃদ্ধি সংজ্ঞক "আ"কাৰ হ'ল গতিকে "ভাজ" হ'ল। আকৌ "ভাজ"ৰ "জ" ঠাইত "গ" হৈ "অ"কাৰৰ লগত মিলতৈ "ভাগঃ" এই ৰূপত প্রয়োগ হ'ল।

"অধ্যায়ঃ" এই স্থলত "অধি" পূর্ব্বক ইঙ্ ধাতুৰ হ্রস্ব 'ই'ৰ বৃদ্ধি হৈ "এ" হ'ল "ঘঞ্" প্রত্যয় পাছত থকা বাবে তাৰ পাছত "ঐ"ৰ ঠাইত "আয়্" হ'লত সকলো মিলি "অধ্যায়ঃ" হ'ল।

"নায়কঃ" এই শব্দত "নীঞ্" ধাতুৰ দীর্ঘ "ঈ"কাৰৰ ঠাইত "ণ্বুল্" প্রত্যয় পাছত থকা বাবে "ঐ" বৃদ্ধি পাছত "ঐ"ৰ ঠাইত "আয়্" হোৱাৰ পাছত সকলো মিলিত হৈ "নায়কঃ" হ'ল।

"স্তাৱকঃ" এই শব্দত "ষ্টুঞ্" ধাতুৰ পাছত "ণ্বুল্" প্রত্যয় হৈ "স্তু"ৰ হ্রস্ব উকাৰৰ বৃদ্ধি হৈ "ঔ" আৰু পাছত "আব্" আদেশ হ'ল। পাচত সকলো মিলিত হৈ "স্তাৱক" সিদ্ধ হয়। "কৃঞ্" ধাতুৰ পাছত "ণ্বুল্" প্রত্যয়ৰ "ল্"ৰ ইৎ সংজ্ঞা হৈ লোপ, "ণ্বু"ৰ ঠাইত "অক" আৰু ঋকাৰৰ ঠাইত "আৰ্" বৃদ্ধি হৈ "কাৰক" সিদ্ধ হ'ল।

পদ সিদ্ধ কৰোতে যিবোৰ সূত্রৰ ব্যৱহাৰ হয় সেইবোৰ পৰিপাটিকৈ লিখি দেখুৱাই বুজাব লাগে। যেনে—"ভজ্+ঘঞ্+সু" এইদৰে লিখি প্রথম ঘকাৰৰ, পাছত "ঞ্"ৰ লোপ হৈ "ভজ+অ+সু" হয়, আকৌ "অ"ৰ আকাৰ বৃদ্ধি আৰু জ্ৰ ঠাইত "গ" হোৱাত "ভাগ+অ+সু"

ৰল, তাৰ পাছত উকাৰৰ ইৎ সংজ্ঞা "স্"ৰ ঠাইত "ৰ্" হৈ আকৌ উকাৰৰ ইৎ সংজ্ঞা, লোপ হোৱাৰ পাছত "ভাগৰ্" এই ৰূপ থাকিল, তাৰ পাছত ব্যঞ্জনৰ ঠাইত (ঃ) বিসর্গ হৈ "ভাগঃ" এই ৰূপ সিদ্ধ হল। যিবোৰ সূত্রৰ যেনেকুৱা ৰূপ কাম হয়, সেইবোৰ পঢ়ুৱাই, লিখাই অভ্যাস কৰাব লাগে। এনে ধৰণে শিক্ষা অতি সোনকালে আৰু নিঃসন্দিগ্ধ জ্ঞান হয়। এবাৰ এইদৰে অষ্টাধ্যায়ী পঢ়ুৱাই, অর্থসহ ধাতু পাঠ দহো 'ল' কাৰৰ ৰূপ আৰু প্রক্রিয়া সহ সূত্রবোৰৰ উৎসর্গ শিকাব লাগে। সামান্য সূত্র, যেনে "**কর্মণ্যণ্**" কর্ম্ম উপপদ থাকিলে ধাতু মাত্রতেই "অণ্" প্রত্যয় হয়। উদাহৰণ "**কুম্ভকাৰঃ**। তাৰ পাছত অপ-বাদ সূত্রবোৰ শিকাব। যেনে—"**আতোঽনুপসর্গে-কঃ**" উপসর্গ ভিন্ন কর্ম্ম উপপদ থাকিলে আকাৰান্ত ধাতুৰ পাছত "ক" প্রত্যয় হব, অর্থাৎ যি বহুব্যাপক, যেনে কর্ম্ম উপপদ বিশিষ্ট হলে সকলো ধাতুৰ অন্তত "**অণ্**" প্রাপ্ত হয়, তাতকৈ বিশেষ অর্থাৎ অল্পবিষয় সেই পূর্ব্বসূত্রৰ বিষয়ৰ পৰা আকাৰান্ত ধাতুৰ "ক" প্রত্যয় গৃহীত হল। যেনেকৈ উৎসর্গ বিষয়ত অপবাদ সূত্রৰ প্রবৃত্তি হয়, সেইদৰে অপবাদ সূত্রৰ বিষয়ত উৎসর্গ সূত্রৰ প্রবৃত্তি নহয়; যেনে চক্রবর্ত্তী ৰাজাৰ ৰাজ্যত মাণ্ডলিক আৰু ভূস্বামী বা ভূপতি অধীন থাকে, কিন্তু মাণ্ডলিক ৰজাৰ ৰাজ্যত চক্রবর্ত্তী ৰাজা অধীন হৈ নাথাকে। এইদৰেই মহর্ষি পাণিনিয়ে সহস্র সহস্র শ্লোকৰ মাজত সকলোবোৰ শব্দ, অর্থ আৰু পৰস্পৰৰ সম্বন্ধৰ জ্ঞান প্রতিপাদন কৰিছে। ধাতুৰূপ শিকোৱাৰ পাছত উণাদিগণ পঢ়াবৰ সময়ত সকলো সুবন্ত বিষয় পঢ়াই, দ্বিতীয়বাৰ সংশয় সমাধান, বার্ত্তিক, কাৰিকা আৰু পৰিভাষাৰ প্রয়োগ সহ অষ্টাধ্যায়ীৰ দ্বিতীয়ানু-বৃত্তি পঢাব লাগে। তাৰ পাছত মহাভাষ্য পঢ়াব লাগে। বিদ্যাভিলাষী বুদ্ধিমান বিদ্যার্থীয়ে নীতি পদ্ধতিৰে ডেৰ বছৰ কাল অষ্টাধ্যায়ী আৰু ডেৰ বছৰ মহাভাষ্য পঢ়িলে মুঠ তিনিবছৰৰ ভিতৰত ব্যাকৰণৰ সম্পূর্ণ জ্ঞান লাভ কৰিব পাৰে।

এইদৰে বৈদিক আৰু লৌকিক সংস্কৃত শব্দৰ ব্যাকৰণ বোধ হলে অন্য শাস্ত্র সহজে অধ্যয়ন আৰু অধ্যাপনা কৰিব পৰা হয়। ব্যাকৰণৰ জ্ঞান আয়ত্ত কৰোতে যিমান পৰিশ্রম কৰিব লাগে, অন্য শাস্ত্র অধ্যয়নত সিমান পৰিশ্রম কৰিব নেলাগে। তিনিবছৰ অষ্টাধ্যায়ী আৰু মহাভাষ্য অধ্যয়ন কৰি যিমান ভাষাজ্ঞান লাভ কৰিব পাৰি অন্যান্য ব্যাকৰণ সাৰস্বত, চন্দ্রিকা, কৌমুদী, মনোৰমা আদি পঞ্চাশ বছৰ পঢ়িও সিমান ভাষাজ্ঞান লাভ কৰিব নোৱাৰি। কাৰণ প্রতিভাৱান্ মহর্ষিসকলে যি যি মহান বিষয় তেওঁলোকৰ গ্রন্থত স্ব স্ব প্রতিভাৰে অতি সহজ আৰু সংক্ষেপে প্রকাশ কৰিছে; অনুকৰণকাৰী গ্রন্থকাৰৰ গ্রন্থত সেইবোৰ বিষয় তেনেদৰে প্রকাশিত কৰিব পৰা নাই। সেই সকল মনীষী আছিল, তেওঁলোক মানৱ সভ্যতা ডাঙি ধৰা বিষয়বোৰৰ একোজন আচার্য্য। মহর্ষি সকলৰ গ্রন্থ, যিমানদূৰ সম্ভৱ, সৰল আৰু কম সময়ৰ ভিতৰতে আয়ত্ত কৰিব পাৰি। ক্ষুদ্রাশয় গ্রন্থকাৰে জটিল ৰচনা প্রণয়ন কৰিব পৰাটোকেই বৈশিষ্ট্য বোধ কৰে, যাক অশেষ পৰিশ্রমেৰে পঢ়িও পঢ়ুৱৈয়ে সামান্য জ্ঞান হে লাভ কৰিব পাৰে; যেনে এখন পাহাড় খানি তাৰ ভিতৰত এটা সামান্য কড়ি লাভ কৰা। আর্ষগ্রন্থ অধ্যয়ন কৰি অধিক জ্ঞানৰ অধিকাৰী হ'ব পাৰি।

ব্যাকৰণ অধ্যয়নৰ অন্তত যাস্কমুনিৰ ৰচিত নিঘণ্টু আৰু নিৰুক্ত অর্থসহিত ছ-মাহৰ পৰা আঠ মাহলৈকে অধ্যয়ন কৰিব লাগে। অন্যান্য নাস্তিক সকলৰ ৰচিত অমৰকোষ আদি পঢ়ি সময়ৰ অপব্যয় কৰিব নালাগে। তাৰ পাছত পিঙ্গল আচার্য্যৰ ৰচিত ছন্দোগ্রন্থ অধ্যয়ন কৰিলে বৈদিক আৰু লৌকিক ছন্দৰ জ্ঞানেৰে ৰচনাবোৰ ছন্দোবদ্ধ কৰিবলৈও শিকিব পাৰে। অল্পজ্ঞ সকলৰ ৰচিত ছন্দোগ্রন্থ বৃত্তৰত্নাকৰ আদি পঢ়ি সময়ৰ অপব্যৱহাৰ কৰা অসঙ্গত। তাৰ পাছত মনুস্মৃতি, বাল্মীকীয় ৰামায়ণ আৰু মহাভাৰতৰ উদ্যোগ পর্ব্ব বিদুৰনীতি আদি নীতিমূলক প্রকৰণসমূহ শিক্ষক আচার্য্য সকলে কাৰ্য্যৰীতিৰে ছাত্র সকলক বুজাব

লাগে, যাৰ দ্বাৰাই শিষ্টতা আৰু সৎচৰিত্ৰ গঠন হ'ব পাৰে। এই কাৰ্য্যবোৰ এবছৰ কাল অধ্যয়ন কৰা প্ৰয়োজন।

ইয়াৰ পাছত পূৰ্ব্ব মীমাংসা, বৈশেষিক, ন্যায়, যোগ, সাংখ্য আৰু বেদান্ত দৰ্শন ঋষিকৃত ব্যাখ্যা সহ অধ্যয়ন কৰিব। বেদান্ত সূত্ৰ আৰম্ভ কৰাৰ আগতে ঈশ, কেন, কঠ, প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য, ঐতৰেয়, তৈত্তিৰীয়, ছান্দোগ্য, আৰু বৃহদাৰণ্যক এই দশ উপনিষদ পঢ়ি, ঐতৰেয়, শতপথ, সাম, আৰু গোপথ এই চাৰি ব্ৰাহ্মণ গ্ৰন্থ, চাৰিও বেদৰ স্বৰ, শব্দ, অৰ্থ, সম্বন্ধ, ক্ৰিয়া সহিত অধ্যয়ন কৰা আৱশ্যক। কাৰণ :—

স্থাণুৰয়ং ভাৰহাৰঃ কিলাভূদধীত্য বেদং ন বিজানাতি যোঽৰ্থম্।
যোঽৰ্থজ্ঞ ইৎসকলং ভদ্ৰমশ্নুতে নাকমেতি জ্ঞানবিধূতপাপ্মা॥
(নিৰুক্ত ১। ১৮)॥

এই মন্ত্ৰ হল নিৰুক্তৰ। যিবোৰে কেৱল স্বৰ আৰু পাঠমাত্ৰহে জানে, অৰ্থ নাজানে, তেওঁ শাখা, পত্ৰ, পুষ্প আৰু ফলৰ ভাৰ বহনকাৰী বৃক্ষ অথবা ধানাদিৰ ভাৰবহন কাৰী পশুৰ দৰে ভাৰবাহীহে। যি বেদ পাঠ কৰি অৰ্থ উপলব্ধি কৰে তেওঁ সদ. আৱেগশীল হৈ পৰম আনন্দ উপভোগ কৰে।

উত ত্বঃ পশ্যন্ন দদৰ্শ বাচমুত ত্বঃ শৃণ্বন্ন শৃণোত্যেনাম্। উতো ত্বস্মৈ তন্বং ১ বিসস্ৰে জায়েব পত্য উশতী সুবাসাঃ॥
ঋ০। ম০ ১০। সূ০৭১। ম০৪

যি অজ্ঞানী তেওঁ শুনিও নুশুনে, দেখিও নেদেখে, কৈও কব নোৱাৰে, অৰ্থাৎ অজ্ঞানীয়ে জানৰ ভৰ জানিব নোৱাৰে। কিন্তু যেনেকৈ সুযোগ্য পতি কামী স্ত্ৰীয়ে বস্ত্ৰ অলঙ্কাৰ আদিৰে বিভূষিতাহৈ নিজৰ স্বৰূপ প্ৰকাশ কৰি পতিৰ প্ৰীতিৰ অৰ্থে নিজৰ দেহ অৰ্পণ কৰে, সেইদৰে জ্ঞানে তত্ত্বজ্ঞানীৰ আগত নিজৰ ৰহস্য প্ৰকাশ কৰে।

ঋচো অক্ষৰে পৰমে ব্যোমন্ যস্মিন্ দেৱা অধি বিশ্বে নিষেদুঃ।
যস্তন্ন বেদ কিমৃচা কৰিষ্যতি য ইত্তদ্বিদুস্ত ইমে সমাসতে॥
(ঋ০। ম০ ১। সূ০ ১৬৪। ম০ ৩৯)।

যি সকলোতে পৰিব্যাপ্ত, অবিনাশী আৰু সৰ্ব্বশ্ৰেষ্ঠ, যত সকলো গ্ৰহ নক্ষত্ৰ অৱস্থিত, সেই পৰম তত্ত্ব উদ্‌ঘাটন কৰাই সকলো বেদৰ তাৎপৰ্য্য, যি সেই পৰমতত্ত্ব পৰম ব্ৰহ্মক নাজানে তেওঁ ঋক্ বেদাদি পাঠ কৰি কিবা আনন্দ পাব পাৰে নে? কেতিয়াও নোৱাৰে। কিন্তু যি বেদ দৰ্শনেৰে আত্মদৰ্শী যোগী, সেই সকলে পৰমাত্মাৰ স্থিতি উপলব্ধি কৰি পৰমানন্দ পায়। এই কাৰণেই তত্ত্বজ্ঞানেৰেই অধ্যয়ন আৰু অধ্যাপনা কৰা একান্ত আৱশ্যক। এইদৰেই সকলো বেদ অধ্যয়নৰ পাছত আয়ুৰ্ব্বেদ অৰ্থাৎ চৰক, সুশ্ৰুত আদি ঋষি প্ৰণীত চিকিৎসা শাস্ত্ৰৰ অৰ্থ, ক্ৰিয়া, শাস্ত্ৰ, ছেদন, ভেদন, লেপ, চিকিৎসা, নিদান, ঔষধ, পথ্য, শৰীৰ, দেশ, কাল আৰু দ্ৰব্যৰ গুণ চাৰি বছৰ কাল পৰ্য্যন্ত অধ্যয়ন কৰিব লাগে। তাৰ পাছত ধনুৰ্ব্বেদ অৰ্থাৎ ৰাষ্ট্ৰবিজ্ঞান অধ্যয়ন কৰিব লাগে। এই ৰাষ্ট্ৰবিজ্ঞান দুবিধ—(১) ৰাজপুৰুষ সম্বন্ধীয় আৰু (২) প্ৰজা সম্বন্ধীয়। ৰাজকীয় হ'ল :— প্ৰশাসন, সভা, সৈনিক, নিপুণতা, শস্ত্ৰ-অস্ত্ৰবিদ্যা, ব্যূহ-ৰচনা, আন্তঃৰাষ্ট্ৰীয়, মৈত্ৰ, বিভেদ, সন্ধি আদিৰ যথাৰ্থ জ্ঞান। প্ৰজা সম্বন্ধীয় হ'ল :—প্ৰজাৰ শাসন, পৰিপালন, ন্যায় আৰু শান্তি আদি। দুষ্ট আৰু দুৰ্নীতিৰ দমন, ন্যায় সৎপথায়ণ সকলৰ পালন আৰু বৰ্দ্ধন। বিদ্যাৰ বৃদ্ধি অবিদ্যাৰ নাশ। এই ৰাষ্ট্ৰবিজ্ঞান দুইবছৰ কাল অধ্যয়ন কৰি তাৰ পাছত গন্ধৰ্ব্ববেদ অৰ্থাৎ সঙ্গীত, স্বৰ, ৰাগ, ৰাগিনী, সময়, তাল, গ্ৰাম, তান, বাদ্য, নৃত্য, আদিৰ অধ্যয়ন কৰিব লাগে। গন্ধৰ্ব্ব বিদ্যাৰ ভিতৰত নাৰদ সংহিতা আদি আৰ্ষগ্ৰন্থৰ অধ্যয়ন আৰু সামবেদৰ গান, যন্ত্ৰবাদ্য সহকাৰে অভ্যাস কৰিব। লম্পট, বেশ্যা, বৈৰাগী আদিৰ কাম বাসনা উদ্দীপক সঙ্গীতাদিৰ কেতিয়াও চৰ্চ্চা কৰিব নালাগে।

অৰ্থবেদো অধ্যয়ন কৰা আৱশ্যক। অৰ্থবেদৰ বিষয় শিল্পবিজ্ঞান। পদাৰ্থৰ গুণ, ক্ৰিয়া, কৌশল, নিৰ্ম্মাণ আৰু পৃথিৱীৰ পৰা আকাশৰ জ্ঞানেৰে অৰ্থ অৰ্থাৎ ঐশ্বৰ্য্য বৰ্দ্ধন কৰিব পাৰি। ইয়াৰ উপৰিও দুইবছৰ মান সূৰ্য্য

সিদ্ধান্ত আদি জ্যোতিষ শাস্ত্র, বীজগণিত, অঙ্ক, ভূগোল, খগোল আৰু ভূতত্ত্ব বা ভূগর্ভ বিদ্যাও অধ্যয়ন কৰিব লাগে। ইয়াৰ কৰ্ম্মক্ষেত্রৰ উপযোগী হাতৰ কাম আৰু যন্ত্র কৌশলো অভ্যাস কৰিব লাগে। কিন্তু গ্রহ, নক্ষত্র, জন্মপত্র, ৰাশি আৰু মুহূর্ত্ত আদিৰ ফল বিধায়ক যিবোৰ গ্রন্থ আছে, সেইবোৰৰ সত্যতা নাই গতিকে সেইবোৰ কেতিয়াও পঢ়িব বা পঢ়াব নালাগে। বিদ্যার্থী আৰু অধ্যাপক সকলৰ লক্ষ্য হোৱা উচিত যাতে বিশ বা একৈশ বছৰৰ ভিতৰত সকলো আৱশ্যকীয় বিদ্যাৰ জ্ঞান প্রাপ্ত হৈ মানুহবিলাকে কৰ্ম্মময় জীৱন সফল কৰিব পাৰে। এইবোৰ সুচিন্তিত পদ্ধতিৰে ২০।২১ বছৰৰ ভিতৰত যিমান জ্ঞান হ'ব পাৰে অন্যান্য নীতিৰে শত বছৰেও হ'ব নোৱাৰে।

ঋষিসকল সত্যৰ অন্বেষী, নিৰপেক্ষ, জগতৰ কল্যাণ, ন্যায় ধর্ম্মৰ আচৰণশীল আৰু সর্ব্বশাস্ত্রজ্ঞ গতিকে সেইসকলৰ প্রণীত গ্রন্থবোৰহে বাঞ্ছনীয়। ইয়াৰ বিপৰীতে অনৃঋি অর্থাৎ অল্পতে পক্ষপাতী সকলৰ গ্রন্থ পঢ়ি জীৱন সফল আৰু জগতৰ মঙ্গল সাধন কৰিব নোৱাৰি।

দর্শন শাস্ত্রৰ অধ্যয়ন—ব্যাস মুনিৰ ব্যাখ্যাসহ পূর্ব্বমীমাংসা, গৌতম মুনিৰ ব্যাখ্যাসহ বৈশেষিক, বাৎস্যায়ন মুনিৰ ব্যাখ্যাসহ ন্যায়সূত্র, ব্যাসমুনিকৃত ব্যাখ্যাসহ পাতঞ্জল যোগসূত্র ভাগুৰি মুনিকৃত ভাষ্য কপিল সাংখ্যদর্শন, বাৎসায়ন মুনিকৃত ভাষ্য নাইবা বৌধায়ন মুনিকৃত ভাষ্য বৃত্তিসহ ব্যাসমুনিৰ বেদান্ত সূত্র অধ্যয়ন আৰু অধ্যাপনা কৰিব লাগে। এই মৌলিক দর্শনসূত্র ছয়োখন কল্প আৰু অঙ্গৰ পর্য্যায়ত ধৰা হয়। ঋক্, যজু, সাম আৰু অথর্ব এই আদি চাৰিবেদ ঈশ্বৰকৃত অর্থাৎ আত্মিক উপলব্ধি। ঐতেৰেয়, শতপথ, সাম আৰু গোপথ এই চাৰিখন ব্রাহ্মণ। শিক্ষা, কল্প, ব্যাকৰণ, নিঘণ্টু, নিৰুক্ত, ছন্দঃ আৰু জ্যোতিষ এই ছয়খন বেদাঙ্গ। মীমাংসা আদি ছয় শাস্ত্র বেদৰ উপাঙ্গ। আয়ুর্ব্বেদ, ধনুর্ব্বেদ গান্ধর্ববেদ আৰু অর্থবেদ এই চাৰিখন বেদবেই উপবেদ। এইবোৰ আর্ষগ্রন্থ অর্থাৎ ঋষি মুনিৰ প্রণীত। চাৰিবেদেই অভ্রান্ত প্রমাণ স্বৰূপ। ব্রাহ্মণ আদি বাকী

সকলো গ্রন্থ পঞ্চঃ প্রমাণ অর্থাৎ এইবোৰৰ প্রমাণ বেদাধীন। মূল চাৰিবেদৰ বাহিৰে বাকী-বেদৰ গ্রন্থৰ কোনো বিষয় বেদ বিরুদ্ধ হ'লে অর্থাৎ চাৰিবেদৰ বিরুদ্ধ হ'লে বর্জ্জনীয়। এই বিষয়ে মন্তব্য "ঋক্ বেদাদি ভাষ্য ভূমিকাত" ব্যাখ্যা কৰা হৈছে। এই গ্রন্থতো সেই বিষয়ে ইয়াৰ পাছত লিখা হ'ব। যিবোৰ গ্রন্থ বর্জ্জনীয় সেইবোৰ তলত উল্লেখ কৰা হ'ল,—আৰু এইবোৰ জাল গ্রন্থ বুলিহে বিবেচনা কৰা হয়:—

ব্যাকৰণৰ ভিতৰত, "কাতন্ত্র" সাৰস্বত, চন্দ্রিকা, মুগ্ধবোধ, কৌমুদী, শেখৰ আৰু মনোৰমা ইত্যাদি। অভিধানৰ ভিতৰত অমৰকোষ আদি। ছন্দোগ্রন্থৰ ভিতৰত বৃত্তৰত্নাকৰ আদি। শিক্ষাৰ ভিতৰত—"অথ শিক্ষাং প্রবক্ষ্যামি পাণিনীয়ং মতং যথা" ইত্যাদি। জ্যোতিষৰ ভিতৰত "শীঘ্র বোধ", "মুহূর্ত্তচিন্তামণি" ইত্যাদি। কাব্যৰ ভিতৰত "নায়িকা ভেদ" "কুবলয়ানন্দ", "ৰঘুবংশ", "মাঘ", কিৰাতার্জ্জনীয়, আদি। মীমাংসাৰ ভিতৰত "ধর্ম্মসিন্ধু", "ব্রতার্ক", আদি। বৈশেষিকৰ ভিতৰত তর্ক সংগ্রহ আদি। ন্যায়ৰ ভিতৰত "জাগদীশী" আদি। যোগৰ ভিতৰত "হঠপ্রদীপিকা" আদি। সাংখ্যৰ ভিতৰত "সাংখ্যতত্ত্ব কৌমুদী" ইত্যাদি। বেদান্তৰ ভিতৰত "যোগবাশিষ্ঠ", পঞ্চদশী ইত্যাদি। চিকিৎসাৰ ভিতৰত "শাঙ্গর্ধৰ" আদি। স্মৃতিৰ ভিতৰত মনুস্মৃতিৰ প্রক্ষিপ্ত শ্লোকসমূহ আৰু অন্য সকলো স্মৃতিৰ, সকলো তন্ত্রগ্রন্থ, সকলো পুৰাণ, সকলো উপপুৰাণ,—তুলসীদাসকৃত ৰামায়ণ—"কৃষ্ণিনীমঙ্গল" আদি সকলো কপোল কল্পিত গ্রন্থ।

প্রশ্ন ঃ—এইবোৰ গ্রন্থত একো সত্য নাই নেকি?

উত্তৰঃ—কিছু সত্য আছে কিন্তু তাৰ লগত বহুত অসত্যও আছে। গতিকে "বিষসম্পৃক্তান্নবৎ ত্যাজ্যাঃ"। যেনেকৈ উত্তম পাকান্ন বিষ মিহলি হ'লে সি ত্যাজ্য হয়, সেইদৰে এইবোৰ গ্রন্থও পৰিত্যাজ্য।

প্রশ্ন ঃ—আপুনি পুৰাণ আৰু ইতিহাস নামানে নেকি?

উত্তৰঃ—মানো। কিন্তু সত্যহে মানো, অসত্য নেমানো।

প্রশ্ন ঃ—কোনটো সত্য আৰু কোনটো অসত্য?

উত্তরঃ—ব্রাহ্মণানীতিহাসান্ পুরাণানি কল্পান্ গাথা নারাশংসীরিতি॥
আ০ গৃ০ ৩।৩।১

এই হ'ল গৃহ্য সূত্রাদির বচন। পূর্ব্বোক্ত ঐতেরেয় আরু শতপথ আদি ব্রাহ্মণ গ্রন্থকেই ইতিহাস, পুরাণ, কল্প, গাথা আরু নারাশংসী এই পাঁচ নামে অভিহিত করা হয়। শ্রীমদ্ভাগবতাদির নাম পুরাণ নহয়।

প্রশ্ন ঃ—ত্যাজ্য গ্রন্থবোরর ভিতরতো যিবোর সত্য আছে সেই বোর গ্রহণ নকরির কিয় ?

উত্তরঃ—তার ভিতরত যিবোর সত্য আছে, সেইবোর বেদাদি সত্য-শাস্ত্রর, আরু বাকী মিথ্যাবোর গ্রন্থকার সকলর নিজর। বেদাদি সৎশাস্ত্র অধ্যয়ন আরু স্বীকার করিলে সকলো সত্য গৃহীত হয়। যদি কোনোরে এইবোর গ্রন্থর পরা সত্য গ্রহণ করির খোজে, সেই সত্যর লগত অসত্যও জড়িত নহৈ নাথাকে, তেতিয়া সত্যর ঠাইত অসত্যর জালতহে বদ্ধ হোরার সম্ভাবনা থাকে। গতিকেঃ—**"অসত্যমিশ্রং সত্যং দুরতস্ত্যাজ্যমিতি"** অসত্যমিশ্রিত গ্রন্থর সত্যকো বিষ মিশ্রিত অন্নর দরে পরিত্যাগ করা কর্ত্তব্য।

প্রশ্ন ঃ—আপোনার মত কি ?

উত্তরঃ—বেদ অর্থাৎ বেদত যিবোর করিবলৈ আরু পরিত্যাগ করিবলৈ শিক্ষা দিয়া আছে, সেইবোর যথার্থভাবে করা আরু পরিত্যাগ করাকেই উচিত বুলি মানো। বেদ মোর মান্য আরু বেদেই মোর মত। এইদরে মানি সকলো মানুহ, বিশেষকৈ বৈদিক সংস্কৃতি পরায়ণ সকল এক মতাবলম্বী হোরাই বাঞ্ছনীয়।

প্রশ্ন—সত্যর লগত অসত্য আরু এক গ্রন্থর লগত অন্য গ্রন্থর যেনে বিরোধ, সেইদরে এক শাস্ত্রর লগত অন্য শাস্ত্ররো বিরোধ আছে। উদাহরণ স্বরূপে, সৃষ্টির বিষয়ে ছয়োখন শাস্ত্রর পরস্পর বিরোধ আছে। যেনেঃ—মীমাংসাই কর্ম্মর পরা, বৈশেষিকে কালর পরা, ন্যায়ে পরমাণুর পরা, যোগে পুরুষার্থর পরা, সাংখ্যই প্রকৃতির পরা আরু বেদান্তই ব্রহ্মর পরা সৃষ্টির উৎপত্তি স্বীকার করে। এইবোর পরস্পরর বিরোধ নহয় জানো ?

উত্তর—প্রথম কথা হল—সাংখ্য আরু বেদান্তর বাহিরে অন্য চারিখন শাস্ত্রত সৃষ্টি উৎপত্তির বিষয়ে স্পষ্টকৈ একো কোরা নাই। দ্বিতীয়তে—এই ছয়োখন শাস্ত্রর ভিতরত বিরোধ নাই। কিন্তু আপোনার বিরোধ আরু অবিরোধর বিষয়ে জানেই নাই। কওকচোন বিরোধ কোন ক্ষেত্রত আছে ? বিরোধ একেটা বিষয়তে, নে বেলেগ বেলেগ বিষয়ত ?

প্রশ্ন—একেটা বিষয়তে অনেকর পরস্পর বিরুদ্ধ কথন বা মতর অনৈক্যকেই বিরোধ বোলে। এই ক্ষেত্রতো সৃষ্টি একেটাই।

উত্তর—বিদ্যা এক, নে দুই ? যদি একেই হয়, তেন্তে ব্যাকরণ, চিকিৎসা-শাস্ত্র, জ্যোতিষ আদি ভিন্ন ভিন্ন হোরার কারণ কি ? যেনেকৈ এক বিদ্যারেই অনেক অবয়ব, আরু ইটো সিটোর পরস্পর ভিন্ন রূপে প্রতিপাদিত হয়, সেই দরেই সৃষ্টি বিদ্যার ভিন্ন ভিন্ন ছয় অবয়ব বা ছয় দিশ ছয় শাস্ত্রত প্রতিপাদিত হোরাত, ইয়ার ভিতরত বিরোধ একো নাই। যেনেকৈ ঘট নির্ম্মাণ বিষয়ত কর্ম্ম, সময়, মৃত্তিকা, (মাটি) বিচার, সংযোগ বিয়োগাদির পুরুষার্থ, প্রকৃতির গুণ, আরু কুমার কারণ হয়, সেইদরে সৃষ্টির যি কর্ম্ম কারণ তার ব্যাখ্যা মীমাংসাত, সময়র ব্যাখ্যা বৈশেষিকত, উপাদান কারণর ব্যাখ্যা ন্যায়ত, পুরুষার্থর ব্যাখ্যা যোগত, তত্ত্ব সমূহর ক্রমানুসারে পরিগণনার ব্যাখ্যা সাংখ্যত আরু যি নিমিত্ত কারণ পরমব্রহ্ম তার ব্যাখ্যা বেদান্ত শাস্ত্রত দিয়া আছে। ইয়াত মূল বিরোধ একো নাই। যেনেকৈ চিকিৎসা শাস্ত্রত নিদান, চিকিৎসা, ঔষধ, আরু পথ্যর প্রকরণ পৃথক পৃথককৈ প্রতিপাদিত করা হৈছে, (যদিও প্রত্যেকর উদ্দেশ্য রোগর নিবৃত্তি,) সেই দরে সৃষ্টির ছয়টা কারণ আছে, তারে এক এক কারণর ব্যাখ্যা এক এক শাস্ত্রত করা হৈছে। গতিকে ইয়ার ভিতরত পরস্পর বিরোধ একো নাই। এই বিষয়ে বিস্তারিত ব্যাখ্যা সৃষ্টি প্রকরণত দিয়া হব।

বিদ্যা আহরণ আরু বিদ্যাদানত যিবোর বাধা-বিঘিনি, সেইবোর সর্ব্বথা পরিত্যাগ করির লাগে। যেনে :—কুসঙ্গ অর্থাৎ দুষ্ট বিষয়াসক্ত লোকর সংসর্গ, দুষ্ট ব্যসন যেনে, মদ্য আদি পান, বেশ্যাগমন

বিবাহ অর্থাৎ পঁচিশ বছৰৰ আগত পুৰুষৰ আৰু ষোল বছৰৰ আগত স্ত্রীৰ বিবাহ, ব্রহ্মচর্য্য ভ্রষ্ট, ৰাজা, মাতা, পিতা, বিদ্বান আৰু বেদৰ বিৰোধ কৰা, অতিভোজন, অতি জাগৰণ কৰা, পঢ়াত, পঢ়োৱাত, পৰীক্ষা দিয়াত আৰু পৰীক্ষা লোৱাত এলাহ, বিদ্যাক সর্ব্বাপেক্ষা লাভজনক বুলি নভৱা, বিনা ব্রহ্মচর্য্যৰেই বল, বুদ্ধি, পৰাক্রম, আৰোগ্য, ৰাজত্ব, অর্থবৃদ্ধিৰ দুৰাশা কৰা, ঈশ্বৰক ধ্যান নকৰি জড় পাষাণ প্রতিমাৰ পূজা দর্শনত সময় নষ্ট কৰা, সত্যমূর্ত্তি মাতা,-পিতা, জ্ঞানী, আচার্য্য আৰু অতিথি সকলৰ সেৱা শুশ্রূষাত অৱহেলা, ব্রহ্মচর্য্য, গার্হস্থ্য, আদি বর্ণাশ্রম ধর্ম্ম এৰি ঊর্দ্ধ-পুণ্ড্র, ত্রিপুণ্ড্র, তিলক, কণ্ঠী আৰু মালা ধাৰণ; একাদশী, ত্রয়োদশী আদিৰ ব্রত কৰি পুণ্য অর্জ্জনৰ আশা; কাশী আদি তীর্থৰ পুণ্য, ৰাম কৃষ্ণ, নাৰায়ণ, শিৱ ভগৱতী আৰু গণেশ আদিৰ নাম লৈ পাপ ক্ষয় কৰা, দুষ্ট ভণ্ডসকলৰ কথাত বিদ্যাৰ প্রতি অশ্রদ্ধা, বিদ্যা, ধর্ম্ম, যোগাভ্যাস আৰু ঈশ্বৰৰ উপাসনা এৰি পুৰাণ ভাগৱতাদিৰ পাঠ শুনি মুক্তিলাভৰ বাঞ্ছা, ধনৰ লোভত জ্ঞান বিদ্যালৈ অশ্রদ্ধা। এইবোৰ মিথ্যা প্রৱঞ্চনাৰ জালত আৱদ্ধ হৈ আৰু বিদ্যা ব্রহ্মচর্য্যৰ পৰা বঞ্চিত হৈ ৰুগ্ন আৰু মূর্খ জীৱন ব্যতীত কৰিব লগা হয়।

কালক্রমত কিছুমান স্বার্থপৰ ব্রাহ্মণাদি আৰু সম্প্রদায়বাদীয়ে অসৎ অভিসন্ধিৰে আনক বিদ্যা আৰু সৎসঙ্গৰ পৰা বঞ্চিত কৰি আৰু সেই সকলক অজ্ঞানতাৰ জালত আৱদ্ধ কৰি দেহ, মন, ধন আদি নষ্ট কৰে। সেই স্বার্থপৰ সম্প্রদায়বাদী সকলৰ অভিপ্রায় হৈছে—যাতে ক্ষত্রিয়াদি বর্ণই জ্ঞান বিদ্যাত উন্নত হৈ, তেওঁলোকে ছল চাতুৰীত ব্যাঘাত জন্মাব নোৱাৰে। পূর্ব্বোক্ত বিঘিনিবোৰ দূৰ কৰি সকলোৱে নিজ নিজ লৰা-ছোৱালীক বিদ্বান কৰিবলৈ দেহ, মন আৰু ধনেৰে প্রচেষ্টা চলাব লাগে।

প্রশ্নঃ—স্ত্রী আৰু শূদ্রয়ো বেদ পঢ়িব লাগে নেকি ? এওঁলোকেও যদি পঢ়ে, তেন্তে আমাৰ কি দশা হ'ব ? স্ত্রী আৰু শূদ্রৰ বেদ পঢ়াৰ কোনো প্রমাণ নাই, নিষেধ হে আছে; যথা :—

স্ত্রীশূদ্রৌ নাধীয়াতামিতি শ্রুতেঃ ॥

শ্রুতিত আছে যে স্ত্রী আৰু শূদ্রই বেদ পঢ়িব নোৱাৰে।

উত্তৰ—স্ত্রী-পুৰুষ সকলোৰে অর্থাৎ মনুষ্য মাত্রৰেই বেদ পঢ়াত অধিকাৰ আছে। এই বাক্য আমাৰ কল্পনাপ্রসূত হে, কোনো প্রামাণিক শাস্ত্রৰ নহয়। সকলোৰে যে বেদাদি শাস্ত্র পঢ়াৰ অধিকাৰ আছে সেই বিষয়ে যজুর্ব্বেদৰ ষড়্‌বিংশতি অধ্যায়ৰ মন্ত্রই তাৰ প্রমাণ; যথাঃ—

যথেমাম্ বাচং কল্যাণীমাৱদানি জনেভ্যঃ ॥
ব্রহ্ম ৰাজন্যাভ্যাং শূদ্রায় চার্য্যায় চ স্বায় চাৰণায়।

যজু০ অ০ ২৬।২॥

পৰমেশ্বৰে কৈছে যে যেনেকৈ মই সকলো মনুষ্যৰ কাৰণে এই কল্যানকাৰী অর্থাৎ সাংসাৰিক সুখ শান্তি আৰু মুক্তি প্রদায়িনী ঋগ্বেদাদি চাৰি বেদৰ বাণী উপদেশ কৰিছো, সেই দৰেই তোমালোকেও উপদেশ কৰিবা।

প্রশ্নঃ—এই মন্ত্রৰ "জন" শব্দটো দ্বিজৰ অর্থতহে লোৱা উচিত, কাৰণ স্মৃতি আদি গ্রন্থত লিখিত আছে যে, ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যৰ হে বেদ অধ্যয়নৰ অধিকাৰ আছে, স্ত্রী আৰু শূদ্রাদি বর্ণৰ নাই।
উত্তৰ—"ব্রহ্মৰাজন্যাভ্যাম্" ইত্যাদিলৈ লক্ষ্য কৰা যাওক। পৰমেশ্বৰে স্বয়ং কৈছে যে "সেই ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র আৰু নিজৰ ভৃত্য বা স্ত্রী আদি আৰু অতি শূদ্রাদিৰ কাৰণে বেদ প্রকাশ কৰিছো," অর্থাৎ সকলো মানুহে বেদৰ অধ্যয়ন, অধ্যাপনা, শ্রৱণ, শ্রাৱণৰ দ্বাৰা বিজ্ঞান বৃদ্ধি কৰি সত্যৰ গ্রহণ আৰু অসত্যৰ বর্জ্জন কৰি দুখ দূৰ কৰি আনন্দ লাভ কৰক।

এতিয়া এই কপোল কল্পিত কথাখিনিক নে বেদ ভগবানৰ কথাক প্রমাণ বুলি ধৰা উচিত ? বেদৰ কথাকেই অৱশ্যে মানিব লাগিব। ইমানতো যি নামানে তাক নাস্তিক বুলিব লাগিব। কাৰণ "নাস্তিকো বেদ নিন্দকঃ" যি বেদৰ নিন্দা কৰে বা বেদ নামানে, তেওঁ নাস্তিক।

পৰমেশ্বৰে শূদ্ৰৰ মঙ্গল কামনা নকৰে নেকি? ঈশ্বৰ পক্ষপাতী নেকি? যে, দ্বিজৰ কাৰণে বেদ অধ্যয়ন বিধি কৰিব আৰু শূদ্রাদিৰ কাৰণে নিষেধ কৰিব? যদি শূদ্ৰ আদিক বেদ পঢ়িবৰ আৰু শুনিবৰ অধিকাৰ নিদিলেহেতেন তেন্তে শূদ্ৰক জিভা আৰু কাণ ভগবানে কিয় দিলেহেতেন? সৃষ্টি কৰ্ত্তাই, মাটি, পানী, অগ্নি, বায়ু, চন্দ্ৰ, সূৰ্য্য আৰু অন্ন আদি যেনেকৈ সকলোৰে কাৰণে সৃষ্টি কৰিছে, সেই দৰেই বেদো (জ্ঞানো) সকলোৰে কাৰণে প্ৰকাশ কৰিছে। জ্ঞানৰ পোহৰ নহলে, চন্দ্ৰ, সূৰ্য্য বা অগ্নিৰ পোহৰত ভগবানক কোনেও নেদেখে। যত নিষেধ আছে, সেই নিষেধৰ অভিপ্ৰায় হৈছে এয়ে যে, যাক পঢ়ালেও একো শিকিব নোৱাৰে; আৰু বুদ্ধি জড়, মূৰ্খ তাকেই শূদ্ৰ বোলে। সেই শূদ্ৰক পঢ়া আৰু পঢ়োৱা নিষ্ফল। আৰু যি সকলে স্ত্ৰীৰ বেদাধ্যয়ন নিষেধ বুলি কয় তেওঁ নিৰ্ব্বোধ বা স্বাৰ্থপৰ। বেদত কন্যাৰো বেদাধ্যয়নৰ প্ৰমাণ আছে:—

ব্ৰহ্মচৰ্য্যেণ কন্যা যুবানম্ বিন্দতে পতিম্ ॥

অথর্ব্বঃ (কা॰ ১১। প্ৰ॰ ২৪। অ॰ ৩। ম॰ ১৮)

কুমাৰে যেনেকৈ ব্ৰহ্মচৰ্য্য, ব্ৰতৰ দ্বাৰা বিদ্যা শিক্ষা কৰি অনুকূল বিদুষী স্ত্ৰীক বিবাহ কৰে, সেই দৰে (কন্যা) অৰ্থাৎ কুমাৰীয়েও ব্ৰহ্মচৰ্য্যৰ দ্বাৰা বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি, যৌবন অৱস্থাতেই নিজৰ অনুকূল বিদ্বান আৰু যৌবন সম্পন্ন পুৰুষক পতিৰূপে গ্ৰহণ কৰিব। ইয়াৰ তাৎপৰ্য্য নাৰীয়েও ব্ৰহ্মচৰ্য্য ব্ৰতেৰে বিদ্যা শিক্ষা কৰা আৱশ্যক।

প্ৰশ্ন:—স্ত্ৰী সকলেও বেদ পঢ়িব নে?

উত্তৰ:—নিশ্চয়। তাৰ প্ৰমাণ শ্ৰৌত সূত্ৰাদিত আছে:—

ইম্ মন্ত্ৰম্ পত্নী পঠেৎ ॥

অৰ্থাৎ যজ্ঞত পত্নীয়ে এই মন্ত্ৰ পাঠ কৰিব। বেদাদি শাস্ত্ৰ নপঢ়া স্ত্ৰীয়ে যজ্ঞানুষ্ঠানত স্বৰ, উচ্চাৰণৰ নৈতে সংস্কৃত ভাষা কেনেকৈ কব পাৰে? ভাৰতীয় নাৰী কুলৰ ভূষণৰূপিণী গাৰ্গীয়ে সকলো বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি

পূৰ্ণ বিদুষী হৈছিল। ইয়াৰ স্পষ্ট প্ৰমাণ শতপথ ব্ৰাহ্মণত আছে। পুৰুষ বিদ্বান আৰু পত্নী অবিদুষী অথবা পত্নী বিদুষী আৰু পতি অবিদ্বান হলে দাম্পত্য জীৱনত সদায় দেৱাসুৰৰ সংগ্ৰাম চলি থাকে, তাত সুখ কত? নাৰীয়ে অধ্যয়ন নকৰিলে বালিকা বিদ্যালয়ত অধ্যাপিকা কেনেকৈ হব? গৃহস্থীৰ পৰা ৰাজকাৰ্য্যলৈকে নাৰী পুৰুষৰ পৰামৰ্শ সহায়-সহযোগ নিতান্ত আৱশ্যক; সেয়ে নহলে মানৱ সমাজত সুখ শান্তিৰ পূৰ্ণতা হব নোৱাৰে।

আৰু এটা কথা। আৰ্য্যাৱৰ্ত্তৰ ৰমণী সকলে ধনুৰ্ব্বেদ অৰ্থাৎ যুদ্ধ-বিদ্যাও ভালদৰে শিকিছিল। নহলে কৈকেয়ী আদি নাৰী সকলে দশৰথ আদি নৃপতি সকলৰ লগত যুদ্ধলৈ গৈ যুদ্ধত সহায় কেনেকৈ কৰিব পাৰিছিল? গতিকে ব্ৰাহ্মণাদি সকলো বৰ্ণৰ (বিভাগৰ) নাৰী সকলে লিখা-পঢ়া শিকাৰ উপৰিও স্ব স্ব বিভাগৰ অৰ্থাৎ অধ্যাপনা, যুদ্ধ, ৰেপাৰ, শ্ৰম, শিল্প আদি সকলো কামতেই যথাযোগ্য পাৰদৰ্শিতা লাভৰ বাবে চেষ্টা কৰা উচিত। পুৰুষৰ যেনেকৈ ব্যাকৰণ, ধৰ্ম্ম শাস্ত্ৰ, ব্যবসায় বিদ্যা বিমান পৰা ৰাষ্ট্ৰ শিকা আৱশ্যক, সেইদৰে নাৰীৰো ব্যাকৰণ, ধৰ্ম্ম, চিকিৎসা, গণিত আৰু শিল্প বিদ্যা শিকাটো অতি প্ৰয়োজনীয়। কাৰণ শিক্ষা আৰু অভিজ্ঞতা নাথাকিলে সত্যাসত্যৰ নিৰ্ণয়, পতি আদি অন্যান্য সকলৰ প্ৰতি আচৰণ উপযুক্ত সন্তানোৎপত্তি, পালন, পোষণ, সুশিক্ষা দান গৃহ-কাৰ্য্যৰ সুশৃঙ্খল ভাবে পৰিচালনা কৰা আৰু কৰোৱা চিকিৎসা বিদ্যানুসাৰী ঔষধ, পথ্য, আৰু খাদ্য বস্তু প্ৰস্তুত কৰা কৰোৱা আদি কাৰ্য্য কেনেকৈ কৰিব? গৃহ পত্নী শিক্ষিতা হলেহে গৃহত সুখ শান্তি আৰু আনন্দ বিৰাজমান হয়। শিল্প বিদ্যা নাজানিলে গৃহাদি নিৰ্ম্মাণ কৰোৱা, বস্ত্ৰ অলঙ্কাৰ প্ৰস্তুত কৰোৱা, গণিত বিদ্যা নেজানিলে হিচাব বুজা আৰু বুজোৱা আৰু বেদাদি শাস্ত্ৰ নাজানিলে ধৰ্ম্ম অধৰ্ম্মৰ তত্ত্ব বুজা অসম্ভৱ। গতিকে যি সকলে ব্ৰহ্মচৰ্য্য, সুশিক্ষা আৰু জ্ঞানেৰে নিজৰ নিজৰ সন্তানৰ স্বাস্থ্য, শক্তি, আত্মিক বল বৃদ্ধি কৰিব পাৰে সেই সকল নাৰীৰ জীৱন সফল আৰু তেওঁলোকে জাতিৰ গৌৰব। সেই সকল নাৰীয়েহে সন্তান, মাতা, পিতা,

পতি, শাহু-শহুৰ, নেতা. ৰাইজ, জ্ঞাতি, কুটুম্ব, চৰও-চুবুৰীয়া, আত্মীয় স্বজনৰ প্ৰতি যথাযোগ্য আচৰণ শীলা হব পাৰে। বিদ্যাৰূপ ধন অক্ষয়। বিদ্যাধন যিমানেই ব্যয় কৰা হয় সিমানেই বাঢ়ি থাকে। ব্যয় কৰিলে অন্য সকলো ধন বস্তু কমি যায় আৰু উত্তৰাধিকাৰী সকলেও অংশ পায় কিন্তু বিদ্যাধন চোৰ বা উত্তৰাধিকাৰীয়েও হৰণ কৰিব নোৱাৰে। সমাজ আৰু বিশেষকৈ নেতা, শাসক এই বিদ্যাৰূপী ঐশ্বৰ্য্যৰ পৰিবৰ্দ্ধক আৰু ৰক্ষক।

কন্যানাম্ সম্প্রদানঞ্চ কুমাৰাণাঞ্চ ৰক্ষণম্॥ মনুঃ (৭।১৫২)॥

ৰাজাৰ সকলো বালক-বালিকাক ওপৰত বিস্তাৰিত ব্যাখ্যা কৰা নীতি অনুসাৰে, ব্রহ্মচর্য্যৰে বিষান কৰাটো ৰাজা বা. ৰাজা চৰকাৰৰ কৰ্ত্তব্য। আজ্ঞা অনুসাৰে সকলো লৰা-ছোৱালীক মাক-বাপেকে বিদ্যালয়ত ভৰ্ত্তি কৰাব লাগে, এই ৰাজ অনুশাসন নমনা মাক-বাপেক বা অভিভাৰকসকল দণ্ডনীয় হ'ব লাগে। সকলো ছাত্ৰ-ছাত্ৰীকে আচার্য্য কুলত অর্থাৎ আচার্য্যৰ তত্ত্বাধানত আঠ বছৰ বয়সৰ পৰা শিক্ষা সমাপ্ত নোহোৱা পর্য্যন্ত বিদ্যালয়ৰ আবাসত ৰাখিব লাগে যাতে শিক্ষা সমাপ্ত নকৰাকৈ বিবাহ কৰিব নোৱাৰে।

সর্ব্বেষামেব দানানাম ব্রহ্মদানম্ বিশিষ্যতে।
বার্য্যন্নগোমহীবাসস্তিলকাঞ্চনসর্পিষাম্॥ মনুঃ (৪।২২৩)॥

সংসাৰত জল, অন্ন, গো, ভূমি, বস্ত্ৰ, তিল, সুৱর্ণ আৰু ঘৃতদান আদি যত ধৰণৰ দান আছে তাৰ ভিতৰত জ্ঞানদান সর্ব্বশ্রেষ্ঠ। গতিকে শৰীৰ, মন অর্থৰে যথাসম্ভৱ বিদ্যা অর্জন কৰা কর্ত্তব্য। যি দেশত ব্রহ্মচর্য্য, বিদ্যা আৰু বেদে বিবেচনা কৰা ধর্ম্ম কর্ম্মৰ প্রচাৰ হয়, সেই দেশ সৌভাগ্যশালী হয়। ব্রহ্মচর্য্য আশ্রমৰ শিক্ষা ইমানখিনিকে সংক্ষেপে লিখিত হ'ল। ইয়াৰ পাছত চতর্থ সন্ন্যাসত সমাৱর্ত্তন আৰু গৃহাশ্রমৰ বিষয়ে লিখা হ'ব।

ইতি শ্রীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যার্থপ্রকাশে সুভাষাবিভূষিতে - শিক্ষাবিষয়ে তৃতীয়ঃ সন্মুল্লাসঃ সম্পূর্ণঃ॥ ৩॥

অথ চতুর্থ সম্মুল্লাসাৰম্ভঃ

অথ সমাৱর্ত্তন বিবাহ গৃহাশ্রমবিধিম্ ৱক্ষ্যামঃ।

ৱেদানধীত্য ৱেদৌ ৱা ৱেদং ৱাপি যথাক্রমম্।
অৱিপ্লুত ব্রহ্মচর্য্যো গৃহস্থাশ্রমমাৱিশেৎ॥ মনু॰ (৩।২)॥

যথাৱিধি ব্রহ্মচর্য্যাশ্রমত আচার্য্যৰ অনুকূল আচৰণ কৰি ধর্ম্মানুসৰি সাঙ্গোপাঙ্গ চাৰি, তিনি, দুই বা এক বেদৰ অধ্যয়ন কৰি অখণ্ড ব্রহ্মচাৰী পুৰুষ বা স্ত্ৰী গৃহাশ্রমত প্রৱেশ কৰিব।

তং প্রতীতং স্বধর্ম্মেণ ব্রহ্মদায়হৱং পিতুঃ।
স্রগ্ৱিণং তল্প আসীনমর্হয়েৎ প্রথমং গৱা। মনু॰ (৩।৩)॥

স্বধর্ম্ম অর্থাৎ নিজৰ নিজৰ কর্ত্তব্য ধর্ম্মপৰায়ণ, পিতা, জনক বা অধ্যাপকৰ পৰা ব্রহ্মদায় অর্থাৎ বিদ্যাভাগ গ্রহণ আৰু সাফল্যতাৰ মালা ধাৰণকাৰী শিষ্যাই, নিজৰ আসনত উপবিষ্ট আচার্য্যক প্রথমতে গোদানেৰে সন্মান কৰিব লাগে। সেই একে লক্ষণযুক্ত বিদ্যার্থীকো কন্যাৰ পিতাই গোদানেৰে সন্মানীত কৰিব লাগে।

গুৰুণানুমতঃ স্নাত্ৱা সমাৱৃত্তো যথাৱিধি।
উদ্ৱহেত দ্ৱিজোভার্য্যাং সৱর্ণাং লক্ষণান্ৱিতাম্॥ মনু॰ (৩।৪)॥

গুৰুৰ আজ্ঞানুসাৰে স্নান কৰি, যথাৱিধি গুৰুকুলৰ পৰা প্রত্যাৱর্ত্তন কৰি স্ব স্ব ৱর্ণৰ অনুকূল সুলক্ষণা কন্যাক বিবাহ কৰিব।

অসপিণ্ডা চ যা মাতুৰসগোত্রা চ যা পিতুঃ।
সা প্রশস্তা দ্ৱিজাতীনাং দাৰকর্ম্মণি মৈথুনে॥ মনু॰ (৩।৫)।

যি কন্যা মাতৃকুলৰ ছয় পুৰুষৰ বাহিৰত আৰু পিতৃ গোত্ৰৰ নহয়, সেই কন্যাক বিবাহ কৰা উচিত।

পৰোক্ষপ্রিয়া ইব হি দেবাঃ প্রত্যক্ষদ্বিষঃ ॥ শতপথ ॥ ১৪।৪।১১

এই কথা নিশ্চিত যে নেদেখা বস্তুলৈ যেনেকুৱা আগ্রহ প্রীতি হয় চকুৰে দেখা বস্তুলৈ তেনে নহয়। যেনে :—যদি কোনোৱে মিশ্রীৰ সোৱাদৰ কথা শুনিছে, কিন্তু কেতিয়াও খাই তাৰ যুতি পোৱা নাই, তেন্তে তেওঁৰ সেই মিশ্রীৰ প্রতি হেঁপাহ থাকে। আৰু কোনো পৰোক্ষ অর্থাৎ অপ্রাপ্ত বস্তুৰ প্রসংশা শুনি তাক পাবৰ কাৰণে আকাঙ্ক্ষা হয়, সেই দৰে পিতৃ আৰু মাতৃ কুলৰ লগত সম্বন্ধ নথকা কন্যাৰ লগত বিবাহ হোৱাই উচিত। সমীপবর্ত্তী আৰু দূৰবর্ত্তীৰ লগত বিবাহৰ দোষ গুণ আছে :—(১) যি বালক বালিকা বাল্য কালৰ পৰা সমীপবর্ত্তী, পৰস্পৰ প্রীতি, খেল ধেমালি আৰু কন্দল কৰে, পৰস্পৰৰ দোষ, গুণ, স্বভাৱ আৰু বাল্যকালৰ অসঙ্গৎ আচৰণ জানে আৰু পৰস্পৰৰ উলঙ্গ অৱস্থা দেখিছে, তেওঁলোকৰ ভিতৰত বিবাহ হলে প্রেম হব নোৱাৰে। (২) যেনেকৈ পানীৰ লগত পানী বা একে বস্তু যোগ হলে কোনো বিশেষ গুণ উৎপন্ন হব নোৱাৰে, সেই দৰে একে গোত্ৰৰ ভিতৰত, পিতৃকুল বা মাতৃ কুলৰ, বিবাহ হলে, ধাতুৰ বিনিময় নোহোৱাৰ কাৰণে বিশেষ উন্নতি হব নোৱাৰে। (৩) যেনেকৈ দুগ্ধত মিশ্রী বা শুণ্ঠি (শুকান আদা) আদি ঔষধি মিলালে বিশেষ উত্তম গুণ উৎপন্ন হয়, সেই দৰে পিতৃ-মাতৃ কুলৰ বাহিৰৰ লগত বিবাহ কৰিলে বিশেষ উন্নতি হয়। (৪) যেনেকৈ এই দেশৰ ৰোগীৰ ৰোগ অন্য দেশৰ ঔষধিয়ে, আৰু তাহাৰত নোহোৱা হয়, সেইদৰে ভিন্ন গোত্র বা বংশৰ আৰু দূৰবর্ত্তীৰ লগত হোৱা বিবাহৰো পৰিণাম ভাল হয়। (৫) সমীপৰ লগত সম্বন্ধ ত্যাগ কৰিবলৈ, সদায় সহজে দেখা শুনা হৈ থাকিলে, স্নেহ নাথাকে আৰু পৰস্পৰৰ সুখ দুঃখত অভিভূত হব লগা হয়—আচৰণ ব্যবহাৰতো বিৰোধ কন্দল হোৱাৰ সম্ভাৱনা থাকে। দূৰস্থৰ ভিতৰত তেনে সম্ভাৱনা

বিৰল। আৰু দূৰস্থৰ ভিতৰত প্রেম প্রীতি উত্তৰোত্তৰ বাঢ়িহে যায়, ওচৰৰ লগত তেনে কেতিয়াও হব নোৱাৰে। (৬) দূৰবাসীৰ লগত সম্বন্ধ হলে বস্তুৰ আদান প্রদান আগ্রহেৰে হয় আৰু নহলেও কোনো গ্লানি নাথাকে; কিন্তু ওচৰৰ লগত তেনে হোৱা সম্ভৱো নহয় আৰু নহলে গ্লানিৰ পৰা সাৰিবও নোৱাৰি। গতিকে—

দুহিতা দুর্হিতা দূরে হিতা ভবতীতি ॥ নিরুঃ (৩।৪) ॥

কন্যাৰ বিবাহ দূৰৈত হলে হিতকৰ, সেই কাৰণেই কন্যাৰ নাম দুহিতা। ওচৰত হিত নহয়। (৭) ওচৰত কন্যাৰ বিবাহ হলে পিতৃকুল দৰিদ্র হোৱাৰো সম্ভাৱনা, কাৰণ, যেতিয়াই কন্যা মাক বাপেকৰ ঘৰলৈ আহে তেতিয়াই কিবা এটা নহয় এটা টোপোলা দিব লগা হয়। (৮) ওচৰত কন্যাৰ বিবাহ হলে যেই কোনো বিষয়তেই কন্যাই পিতৃকুলৰ সহায় বিচাৰে, আৰু সঘনে সহায়তা পাই গর্ব্ব কৰে; তাৰ বাহিৰেও স্বামী স্ত্রীৰ ভিতৰত সামান্য মনোমালিন্য হলেই গপ মাৰি পিতৃ গৃহলৈ যাব। দুয়োৰো ভিতৰত কথাই কথাই নিন্দা, বাদ-বিবাদ হয়, কাৰণ ক্ষণে কষ্ট আৰু ক্ষণে তুষ্ট হোৱাটো নাৰীৰ স্বভাৱ সিদ্ধ। ইত্যাদি কাৰণতেই পিতৃ বংশৰ বাহিৰত, মাতৃ বংশৰ ছয় পুৰুষৰ বাহিৰত আৰু দূৰত বিবাহ হোৱাই শ্রেষ্ঠ।

মহান্ত্যপি সমৃদ্ধানি গোঽজাবিধনধান্যতঃ।
স্ত্রীসম্বন্ধে দশৈতানি কুলানি পরিবর্জয়েৎ ॥ মনুঃ (৩।৬) ॥

ধন, ধান, গৰু, ছাগলী, হাতী, ঘোৰা, ৰাজ্য আদি ঐশ্বর্য্যৰে সমৃদ্ধিশালী হলেও তলত উল্লেখ কৰা ১০ কুলত অর্থাৎ বংশত বিবাহ সম্বন্ধ পৰিত্যাজ্য :—

হীনক্রিয়ং নিষ্পুরুষং নিশ্ছন্দো রোমশার্শসম্।
ক্ষয্যাময়াব্যপস্মারিশ্বিত্রিকুষ্ঠি কুলানি চ ॥ মনুঃ (৩।৭) ॥

যি কুল অসৎকর্ম্ম পৰায়ণ, আৰু পৌৰুষত্ব বিহীন, যি কুলত বেদৰ চর্চ্চা নাই, যাৰ শৰীৰ লোম বিশিষ্ট আৰু যাৰ অর্শ, ক্ষয়, শ্বাস, কাশ,

আমাশয় (পেট বোগ) আঙঁকগীয়া, ধবল, গলিত কুষ্ঠ বোগ আছে সেই কুলব বব কন্যাব বিবাহ সম্বন্ধ অমঙ্গল। এইবোব দোষ আৰু বোগ সংক্রামক, গতিকে সুলক্ষণযুক্ত বব কন্যাব ভিতবত বিবাহ সম্বন্ধ কবাহে মঙ্গলজনক।

নোদ্বহেৎ কপিলাং কন্যাং নাঽধিকাঙ্গীং ন বোগিণীম্।
নালোমিকাং নাতিলোমাং ন বাচাটাং ন পিঙ্গলাম্॥ মনু (৩।৮)।

কপিল ববণীয়া, অধিকাঙ্গী, অর্থাৎ ববতকৈ ওখ, স্থূলকায়া আৰু অধিক শাৰীবিক শক্তিশালী, ৰুগীয়া, লোমহীনা, অস্বাভাৱিকভাৱে অধিক লোম থকা প্রগল্‌ভা অর্থাৎ মুখ চোকা আৰু ভঁহা চকুৱা কণা কুলক্ষণীয়া।

নর্ক্ষবৃক্ষনদীনাম্নীং নান্ত্যপর্ব্বত নামিকাম্।
ন পক্ষ্যহিপ্রেষ্যনাম্নীং ন চ ভীষণনামিকাম্॥ মনু (৩।৯)॥

অশ্বিনী, ভবণী আদি নক্ষত্রব নামব, তুলসী, তগব, গোলাপী, চম্পা, চামেলী, আদি বৃক্ষব নামব, গঙ্গা, যমুনা আদি নৈব নামব, চাণ্ডালী আদি অন্ত্য নামব, বিন্ধ্যা আদি পর্ব্বত নামব, কোকিল, কুলি, মইনা আদি পক্ষী নামব, নাগী ভূজঙ্গী আদিসর্প নামব, মাধোদাসী, মীবাদাসী আদি পবিচাবিকা নামব, ভীমকুমাবী, চণ্ডিকা, কালী আদি শ্রবণ ভীষণ নামব কন্যাব লগত বিবাহ অবাঞ্ছনীয়; কাবণ এই নামবোব কুৎসিত আৰু পদার্থবাচক।

অব্যঙ্গাঙ্গীম্ সৌম্যনাম্নীম্ হংসবাবণগামিনীম্।
তনুলোমকেশদশনাম্ মৃদ্বঙ্গীমুদ্বহেৎ স্ত্রিয়ম্॥ মনু (৩।১০)॥

সুস্থ, সুগঢ়ব, হংস, হস্তিব দবে গতি গমনব আৰু যশোদা সুখদা আদি সুন্দৰা নামব, সুদর্শনীয় দন্ত-কেশযুক্তা আৰু শ্রীযুক্তা কন্যাব লগত বিবাহ বাঞ্ছনীয়।

প্রশ্নঃ—বিবাহব সময় আৰু বীতি কোনটো শ্রেষ্ঠ?

উত্তবঃ—ষোড়শ বছবা চতুর্বিংশতি বর্ষ পর্য্যন্ত কন্যাব আৰু পঁচিশ

বছবব পবা আঠচল্লিশ বছব লৈকে ববব বিবাহব সর্ব্বোত্তম সময়; নাবীব ১৬ বছব আৰু পুৰুষব ২৫ বছবব ভিতবত হোৱা বিবাহ নিকৃষ্ট। ১৮—২০ বছবব নাবীব লগত, ৩০—৪০ বছবীয়া পুৰুষব মধ্যম। ২৪ বছবীয়া নাবী আৰু ৪৮ বছবীয়া পুৰুষব লগত হোৱা উৎকৃষ্ট। এনেকুৱা বিধিবে যি দেশত বিবাহ হয়, আৰু যি দেশত ব্রহ্মচর্য্য আৰু বিদ্যাব প্রাধান্য, সেই দেশ সুখী। যি দেশব দেশবাসী ব্যাভিচাবী চবিত্রহীন, জ্ঞানবিদ্যাত পিচপবা, অকালত আৰু অযোগ্যব লগত বিবাহ হয়, সেই দেশব দুখ দুর্গতি অনন্ত। কাবণ ব্রহ্মচর্য্য, বিদ্যাধ্যয়ন আৰু বিবাহ সংস্কাবব দ্বাবাই ব্যক্তি জীবনব আৰু সমাজব সকলো বিষয় সংস্কাবব সংশোধন হয়; ইয়াব বিপবীতে সকলো বিকৃত হয়।

প্রশ্নঃ— অষ্টবর্ষা ভবেদ্ গৌবী নববর্ষা চ বোহিণী।
দশবর্ষা ভবেৎ কন্যা তত ঊর্দ্ধং বজস্বলা॥ ১॥
মাতা চৈব পিতা তস্যা জ্যেষ্ঠো ভ্রাতা তথৈব চ।
ত্রয়স্তে নবকং যান্তি দৃষ্ট্বা কন্যাং বজস্বলাম্॥ ২॥

এই শ্লোক পবাশব আৰু শীঘ্রবোধত আছে। ইয়াব অর্থ হ'ল কন্যাব আঠ বছবত গৌবী, ন বছবত বোহিণী, দহ বছবত কন্যা আৰু তাব পাছত বজস্বলা নাম হয়। ১॥ দশম বছব পর্য্যন্ত বিবাহ নিদি অবিবাহিত বজস্বলা কন্যা যদি মাতা, পিতা, জ্যেষ্ঠ ভ্রাতাহ দেখে তেতিয়া সেই তিনিও নবকত পতিত হয়।

উত্তবঃ ব্রহ্মোবাচ—

একক্ষণা ভবেদ্ গৌবী দ্বিক্ষণেয়ন্তু বোহিণী।
ত্রিক্ষণা সা ভবেৎ কন্যা হ্যত ঊর্দ্ধং বজস্বলা॥ ১॥
মাতা পিতা, তথা ভ্রাতা মাতুলো ভগিনী স্বকা।
সর্ব্বে তে নবকং যান্তি দৃষ্ট্বা কন্যাং বজস্বলাম্॥ ২॥

এইয়া আধুনিক কালত বচিত ব্রহ্মপুবাণব বচন।

ইয়াব অর্থ—পঞ্চমাংশব এবাব আবর্জনব সময়কে ক্ষণ বোলে। তাৰ

প্রথম ক্ষণতেই কন্যা গৌৰী, দ্বিতীয় ক্ষণত ৰোহিণী, তৃতীয় ক্ষণত কন্যা আৰু চতুর্থ ক্ষণত ৰজস্বলা হয়॥ ১॥ সেই ৰজস্বলা কন্যাৰ দর্শন হলে কন্যাৰ মাতা, পিতা, ভ্রাতা, মাতুল আৰু সহোদৰা ভগ্নী সকলোৱেই নৰকত পতিত হয়॥ ২॥

প্রশ্ন ঃ—এইবোৰ শ্লোক প্রমাণ নহয়।

উত্তৰ ঃ—কিয় প্রমাণ নহ'ব? যদি ব্রহ্মাৰ বচন প্রমাণ নহয় তেন্তে আপোনাৰ শ্লোক কেনেকৈ প্রমাণ হয়?

প্রশ্ন ঃ—আচৰিত! পৰাশৰ আৰু কাশীনাথৰ প্রমাণো নেমানে?

উত্তৰ ঃ—কি আচৰিত? আপুনি ব্রহ্মাৰ প্রমাণো নেমানে? পৰাশৰ আৰু কাশীনাথতকৈ ব্রহ্মাৰ বচন শ্রেষ্ঠ নহয় নে? আপুনি যদি ব্রহ্মাৰ শ্লোক নেমানে ময়ো পৰাশৰ আৰু কাশীনাথৰ শ্লোক নেমানো।

প্রশ্ন ঃ— আপোনাৰ শ্লোকবোৰ অসঙ্গত, গতিকে প্রমাণ হ'ব নোৱাৰে। কাৰণ সহস্রক্ষণ জন্মৰ সময়তেই যায় তেনেস্থলত—প্রথম, দ্বিতীয় বা তৃতীয় ক্ষণত বিবাহ কেনেকৈ হ'ব? আৰু সেই সময়ত বিবাহৰ কি ফল হ'ব?

উত্তৰ ঃ—যদি মোৰ শ্লোকবোৰ অসত্তৰ, তেন্তে আপোনাৰ শ্লোকবোৰো অসঙ্গত, কাৰণ ৮, ৯, বা ১০ বছৰৰ বালিকাৰ বিবাহ নিস্ফল, কন্যাৰ ১৬ বছৰৰ পৰা ২৪ বছৰ পর্য্যন্ত গর্ভাশয় পূর্ণ বিকাশ হ'লেহে বলিষ্ঠ পুৰুষৰ পৰিপক্ক বীর্য্যৰে সুস্থ সন্তান হ'ব পাৰে।*

*উপযুক্ত বয়সতকৈ কম বয়সৰ স্ত্রীত কমবয়সীয়া পুৰুষৰ গর্ভাধান কার্য্য ধন্বন্তৰিয়ে সুশ্রুতত নিষেধ কৰি থৈছে ঃ—

ঊনষোড়শবর্ষায়ামপ্রাপ্তঃ পঞ্চবিংশতিম্।
যদ্যাধত্তে পুমান্ গর্ভং কুক্ষিস্থঃ স বিপদ্যতে॥ ১॥
জাতো বা ন চিরঞ্জীবেজ্জীবেদ্বা দুর্ব্বলেন্দ্রিয়ঃ।
তস্মাদত্যন্তবালায়াং গর্ভাধানং ন কারয়েৎ॥ ২॥

অর্থ—ষোল বছৰৰ কমৰ স্ত্রীত পঁচিশ বছৰৰ কম বয়সৰ পুৰুষৰ গর্ভাধান হলে সেই কুক্ষিস্থ গর্ভ বিপন্ন হয় অর্থাৎ পূর্ণকাল নোহওঁতেই গর্ভপাত হয়॥ ১॥ বা জন্ম হলেও দীর্ঘজীৱী নহয়, আৰু জীৱিত থাকিলেও দুর্ব্বল আৰু ৰুগীয়া হয়। গতিকে কম বয়সীয়া স্ত্রীত গর্ভস্থাপন নকৰিব॥ ২॥

এইদৰে বৈদ্য শাস্ত্রৰ বচন, সৃষ্টি বিকাশৰ ক্রম লক্ষ্য কৰি বুদ্ধিৰে বিবেচনা কৰি চালে বুজিব পাৰি যে ষোল বছৰৰ কমৰ নাৰী আৰু পঁচিশ বছৰৰ কমৰ পুৰুষৰ গর্ভাধান কেতিয়াও উপযুক্ত নহয়। যিসকল এইবোৰ বিজ্ঞান শাস্ত্রৰ বিধিৰ বিপৰীতে আচৰণ কৰে তেওঁলোকৰ সাংসাৰিক জীৱন দুখজনক হয়।

অষ্টম বয়সীয়া কন্যাৰ সন্তান হোৱা যেনে অসম্ভৱ, গৌৰী, ৰোহিণী আদি নাম দিয়াও তেনে অসঙ্গত। কন্যাৰ বৰণ গৌৰ নহৈ কৃষ্ণ বর্ণ হলে, গৌৰী নাম দিয়া হাস্যকৰ। গৌৰী মহাদেৱৰ পত্নী আৰু ৰোহিণী বাসুদেৱৰ পত্নী আছিল। আপোনালোক পুৰাণবাদী আৰু গৌৰী আৰু ৰোহিণীক মাতৃ তুল্য জ্ঞান কৰে। যেতিয়া কন্যা মাত্রকেই গৌৰী ৰোহিণী জ্ঞান কৰে তেতিয়া গৌৰী ৰোহিণী সংজ্ঞাৰ কন্যাৰ লগত বিবাহ কৰা কেনেকৈ ধর্ম্ম সঙ্গত হ'ব? আপোনাৰ কোৱা শ্লোকবোৰ আৰু মোৰ ৰচিত শ্লোক মিথ্যা। মই যেনেকৈ "ব্রহ্মোৱাচ" বুলি শ্লোক ৰচনা কৰিলো সেইদৰে স্বার্থবাদী সকলেও পৰাশৰ আদিৰ নামত বিভিন্ন শ্লোক ৰচনা কৰিছে। গতিকে এইবোৰ প্রমাণ বুলি গণ্য নকৰি বেদৰ প্রমাণ অনুসাৰে কর্ম্ম কৰি যাব লাগে। এতিয়া মনুস্মৃতিত কি লিখা আছে দেখক :—

ত্রীণি বর্ষাণ্যুদীক্ষেত কুমার্য্যৃতুমতী সতী।
ঊর্দ্ধং তু কালাদেতস্মাদ্বিন্দেত সদৃশং পতিম্॥ মনুঃ (৯।৯০)॥

অর্থ—কন্যা ৰজস্বলা হোৱাৰ পাছত তিনিবছৰ পর্য্যন্ত স্বসদৃশপতি অন্বেষণ কৰি পৰিগ্রহণ কৰিব। কাৰণ প্রতি মাহে ৰজোদর্শন হয় গতিকে তিনি বছৰত ছয়ত্রিশ বাৰ ৰজোদর্শনৰ পাছত বিবাহ কৰা উচিত, তাৰ আগত নহয়।

কামমামরণাত্তিষ্ঠেদ্ গৃহে কন্যর্তুমত্যপি।
ন চৈবৈনাং প্রয়চ্ছেত্তু গুণহীনায় কর্হিচিৎ ॥ মনুঃ (৯।৮৯)॥

অসদৃশ অর্থাৎ পৰস্পৰ বিৰুদ্ধ গুণ, স্বভাৱৰ ৰৰ কন্যাৰ বিবাহ হোৱাতকৈ আমৰণ অবিবাহিত থকা ভাল। ইয়াৰ দ্বাৰা প্রমাণ হয় যে অসমযত আৰু অসদৃশ গুণ স্বভাৱৰ ৰৰকন্যাৰ ভিতৰত বিবাহ অনুচিত।

প্রশ্ন :—বিবাহ মাতা-পিতাৰ ইচ্ছাধীন হোৱা উচিত, নে ৰৰ কন্যাৰ ইচ্ছাধীন হোৱা উচিত ?

উত্তৰ :—বিবাহ ৰৰ কন্যাৰ ইচ্ছাধীন হোৱাই উত্তম। যোগ্য বিবাহৰ মাতা-পিতাই বিবেচনা কৰিলেও, ৰৰ কন্যা পৰস্পৰ সম্মত নহলে, অনুচিত। কাৰণ যি দুই প্রাণীৰ বিবাহ হ'ব সেই দুয়োৰো পৰস্পৰ সম্মতি সন্তোষ হলে দাম্পত্য জীৱনত সুখ শান্তি আৰু সুসন্তান জন্ম হয়। অসম্মত বিবাহৰ পৰিণাম অশান্তি, বৈবাহিক সম্বন্ধ ৰৰ আৰু কন্যাৰহে ; মাতা, পিতা বা অভিভাৱকৰ নহয়, আৰু পুত্র কন্যাৰ সুখ দুখৰ বিবেচনা কৰাই মাতা-পিতাৰ কৰ্ত্তব্য।

সন্তুষ্টো ভার্য্যয়া ভর্ত্তা তর্ত্রা ভার্য্যা তথৈব চ।
যস্মিন্নেব কুলে নিত্যং কল্যাণং তত্র বৈ ধ্রুবম্ ॥ মনু॰ (৩।৬০)॥

যি পৰিবাৰত স্ত্রীৰ প্রতি পতি আৰু পতিৰ প্রতি স্ত্রী সদায় সন্তুষ্ট থাকে সেই গৃহত শান্তি লক্ষ্মী আৰু কীর্ত্তি অৱস্থান কৰে। যত বিৰোধ আৰু কলহ, তত দুখ দাৰিদ্র্য আৰু নিন্দা নিবাস কৰে। গতিকে প্রাচীন ভাৰতত পৰম্পৰা প্রচলিত স্বয়ম্বৰ বিবাহেই সর্ব্বোত্তম আছিল।

স্ত্রী-পুৰুষৰ বিবাহৰ ক্ষেত্রত বিদ্যা, বিনয়, শীল, ৰূপ, আয়ুস, বল, কুল আৰু শৰীৰৰ পৰিমাণাদি যথাযোগ্য হলেহে বিবাহৰ উদ্দেশ্য সিদ্ধি হয়। ইয়াৰ বিপৰীত হলে বৈবাহিক জীৱনত কোনো সুখ শান্তি নাথাকে।

যুবা সুবাসাঃ পরিবীত আগাৎ স উ শ্রেয়ান্ ভবতি জায়মানঃ।
তং ধীরাসঃ কবয় উন্নয়ন্তি স্বাধ্যো মনসা দেবয়ন্তঃ ॥ ১॥
ঋ॰ ম॰ ৩। সূ॰ ৮। ম॰ ৪॥

আ ধেনবো ধুনয়ন্তামশিশ্বীঃ শবর্দুঘাঃ শশয়া অপ্রদুগ্ধাঃ নব্যানব্যা যুবতয়ো ভবন্তীর্মহদ্দেবানামসুরত্বমেকম্ ॥ ২ ॥
ঋ॰ ম॰ ৩। সূ॰ ৫৫। ম॰ ১৬॥

পূর্ব্বীরহং শরদঃ শশ্রমাণা দোষা বস্তোরুষসো জরয়ন্তীঃ। মিনাতি শ্রিয়ং জরিমা তনূনামপ্যূ নু পত্নীর্বৃষণো জগম্যুঃ ৩ ॥
ঋ॰ ম॰ ১। সূ॰ ১৭৯। ম॰ ১॥

যি পুৰুষ সুস্থৰূপে যজ্ঞোপৱীত ধাৰণ আৰু ব্রহ্মচর্য্যৰে বিদ্বান আৰু সুশিক্ষিত হৈ সুবস্ত্র পৰিধান কৰি ব্রহ্মচর্য্যযুক্ত পূর্ণ যৌৱনলৈকে বিদ্যাধ্যয়ন কৰি গৃহাশ্রমত প্রৱেশ কৰে, তেওঁ দ্বিতীয় বিদ্যাজন্মত প্রসিদ্ধ হৈ শ্রেষ্ঠ হয়। আত্মধ্যানশীল বিজ্ঞানেৰে বিদ্যাৰ উন্নতিকামী ধৈর্য্যশীল তত্ত্বজ্ঞসকলে সেই পুৰুষক উন্নত আসনত প্রতিষ্ঠিত কৰে। ইয়াৰ বিপৰীত ব্রহ্মচর্য্য, বিদ্যা, চৰিত্রহীন স্ত্রী-পুৰুষে জ্ঞানী সমাজত কোনো সম্মান নেপায়।

দোহন নকৰা গাইবদৰে যাৰ বাল্য অৱস্থা অতিক্রম হৈছে, যি আৱশ্যকীয় সদাচাৰ পালন কৰে আৰু যাৰ বাল্যকাল অতিক্রম হৈছে নব নব শিক্ষা আৰু অৱস্থাত পৰিপূর্ণ হৈছে, সেই পূর্ণ যৌৱনা স্ত্রীসকলে সদাচাৰী তথা সুশিক্ষিত সিদ্ধ, বিদ্বানসকলৰ অদ্বিতীয়, মহান্ শাস্ত্র শিক্ষা-যুক্ত আৰু প্রজ্ঞাত আনন্দ উপভোগৰ তত্ত্বজ্ঞ যুৱক পতি লাভ কৰি গর্ভধান কৰক। যিসকল নাৰীয়ে অপ্রাপ্ত বয়সত, নিজৰ নিজৰ মনত কাম বাসনাৰ স্থান দিয়া নাই, তেওঁলোকেই স্বাস্থ্য, সুখ শান্তিৰ সফল জীৱন আশা কৰিব পাৰে। অপ্রাপ্ত বয়সত বিয়া হলে পুৰুষতকৈ নাৰীৰ ক্ষতি অধিক আৰু গুৰুতৰ হয়।

যাতে শীঘ্রে অত্যন্ত পৰিশ্রমী, বীর্য্য সিঞ্চনত সমর্থ, যৌৱন সম্পন্ন পুৰুষে প্রস্ফুটিতা পত্নী লাভ কৰি শতবর্ষ বা তাৰো অধিক আয়ু সানন্দে ভোগ কৰি পুত্র পৌত্রাদিৰো কল্যাণ সাধিব পাৰে, সেই উদ্দেশ্যত স্ত্রী আৰু পুৰুষ উভয়ে আচৰণশীল হ'ব লাগে। যিহেতু পূর্ব্ববর্ত্তী শৰৎ ঋতুৰোৰ আৰু দুর্বিল বা বার্দ্ধক্যকাৰক ঊষা কাল, ৰাত্রি আৰু দিনে শৰীৰৰ শ্রীক,

নাশ কবি দুর্ব্বল আৰু জড়ত্ব বৃদ্ধি কবে সেয়ে, মই (স্ত্রী বা পুৰুষ) উত্তমৰূপে নিশ্চয় ব্রহ্মচর্য্যবে বিদ্যা, শাৰীবিক আৰু আধ্যাত্মিক শক্তি সাধন কবি বিবাহ কবিম। এনেকুৱা বৈদিক বিবেচনাৰ বিৰুদ্ধ বিবাহ কেতিয়াও সুখ শান্তিৰ হ'ব নোৱাবে।

যি যুগত ভাৰতৰ ঋষি মুনিৰ পৰা ৰজা মহাৰজালৈ সমাজৰ সকলো বিভাগত ব্রহ্মচর্য্য, বিদ্যাধ্যয়ন, স্বয়ম্বৰ বিবাহ আৰু ন্যায় দণ্ডৰ অনুশাসন প্রচলিত আছিল, সেই যুগৰ ভাৰতবাসীৰ শাৰীবিক, মানসিক আৰু আর্থিক মানদণ্ড পৃথিৱীৰ ভিতৰত উন্নত আছিল।

যেতিয়াৰ পৰা এই দেশত ব্রহ্মচর্য্য, বিদ্যা আৰু বিবাহ অনুশাসন আদিত নৈতিক অধঃপতন হবলৈ ধৰিলে তেতিয়াৰ পৰা অধোগতি আৰম্ভ হয়। গতিকে যিবোৰ কুনীতি বা দুর্নীতি জাতীয় অধঃপতনৰ মূল, সেইবোৰ পৰিত্যাগ কৰা উচিত। গুণ, কর্ম্ম, স্বভাৱৰ অনুকুল বর্ণ ব্যৱস্থা অনুসাৰে বিবাহ হোৱাই মঙ্গল।

প্রশ্নঃ—যাৰ মাতৃ-পিতা ব্রাহ্মণ, তেওঁ ব্রাহ্মণ। যাৰ মাতা-পিতা অন্য বর্ণৰ তেওঁ ব্রাহ্মণ হ'ব পাৰে নেকি ?

উত্তৰঃ—পাৰে, পূর্ব্বে অনেকে হৈ গৈছে আৰু হৈ আছে। তাৰ উদাহৰণ—(ছান্দোগ্য উপনিষদৰ) অজ্ঞাত কুলৰ জাৱাল ঋষি, মহাভাৰতৰ ক্ষত্রিয় কুলৰ বিশ্বামিত্র ঋষি, আৰু চণ্ডাল কুলৰ মাতঙ্গ ঋষিয়ে ব্রাহ্মণত্ব লাভ কবে। সেইদবে এতিয়াও জ্ঞান, গুণ আৰু স্বভাৱেবে ব্রাহ্মণ হব পাৰে। ব্রাহ্মণৰ সন্তান মূর্খ হলে শূদ্র। ইয়েই চিৰন্তন নীতি।

প্রশ্নঃ—বাৰু, এক বর্ণৰ মাক-বাপেকৰ ৰজবীর্য্যৰ পৰা উৎপন্ন হোৱা দেহ কেনেকৈ অন্য বর্ণৰ যোগ্য হ'ব পাৰে ?

উত্তৰঃ—ৰজবীর্য্যৰ সংযোগত ব্রাহ্মণ শৰীৰ নহয়, কিন্তু —

স্বাধ্যায়েন জপৈ র্হোমৈস্ত্রৈবিদ্যেনেজ্যয়া সুতৈঃ।
মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্রাহ্মীয়ং ক্রিয়তে তনুঃ॥ মনু॰ (২।২৮)॥

ইয়াৰ অর্থ আগত কৈ অহা হৈছে। সংক্ষেপ অর্থ হল :— পঠন পাঠন, চিন্তা কৰা, আৰু কবোৱা ; পৌর্ণমাসী, ইষ্টি আদি অনুষ্ঠানেৰে বিধিমতে সন্তানৰ জন্মৰ কাৰণ হোৱা আৰু শিক্ষা দিয়া দৈনিক পঞ্চ-মহাযজ্ঞ, অগ্নিষ্টোমাদি যজ্ঞ, বিদ্বৎসঙ্গ, সৎকাৰ, সদাচৰণ, পৰোপকাৰ, শিল্পবিদ্যাৰ জ্ঞান আৰু কর্ম্মৰ দ্বাৰাই এই শৰীৰলৈ ব্রাহ্মণত্ব অনা যায়। এই শ্লোক আপুনি প্রমাণ বুলি নেমানে নেকি ?

প্রশ্নঃ— মানো।

উত্তৰঃ—তেন্তে ৰজবীর্য্যৰ সংযোগত বর্ণ ব্যৱস্থা কেনেকৈ হব ?

প্রশ্নঃ—মই মাত্র এজনে নেমানিব পাৰো কিন্তু অনেকে পৰম্পৰা ক্রমে এই দৰেই মানি আহিছে। আপুনি পৰম্পৰাও খণ্ডন কবে নেকি ?

উত্তৰঃ—পৰম্পৰা খণ্ডন নকৰো, কিন্তু আগোৱাৰ ভুল আৰু বিপৰীত ধাৰণাহে খণ্ডন কৰো।

প্রশ্নঃ—মোৰ বুদ্ধি বা ধাৰণা যদি বিপৰীত হয়, আপোনাৰ ধাৰণা নির্ভুল হোৱাৰ প্রমাণ কি ?

উত্তৰঃ—তাৰ প্রমাণ এই যে, আপুনি পাঁচ বা সাত পুৰুষৰ পৰা প্রচলিত প্রমাণকেই পৰম্পৰা বা সনাতন বুলি ধৰিছে। মই বেদ আৰু সৃষ্টিৰ আৰম্ভৰ পৰা আজি পর্য্যন্ত চলি অহা পৰম্পৰাকে প্রমাণ বুলি স্বীকাৰ কৰো। চাওক, পিতা সৎ হলেও পুত্র অসৎ আৰু পিতা দুষ্ট হলেও পুত্র শিষ্ট হোৱা দেখা যায়। কোনো কোনো ক্ষেত্রত পিতা পুত্র উভয়েই শিষ্ট বা দুষ্ট হোৱাও দেখা যায়। গতিকে আপোনালোক ভুল ধাৰণাত আবদ্ধ। এতিয়া চাওঁক, মনুৱে কি কৈছে :—

যেনাস্য পিতৰো যাতা যেন যাতাঃ পিতামহাঃ।
তেন যায়াৎ সতাং মার্গং তেন গচ্ছন্নরিষ্যতে॥ মনু॰ (৪।১৭৯)

যি পথেদি পিতা আৰু পিতামহ চলি গৈছে, সেই পথেৰেই পুত্র বিলাকো চলিব লাগিব। কিন্তু যদি পিতা আৰু পিতামহ সৎ হয়, তেন্তে তেওঁলোকৰ প্রদর্শিত পথ অনুসৰণ কৰিব, কিন্তু পিতামহ দুষ্ট

হলে তেওঁলোকৰ পথ কেতিয়াও অনুসৰণ কৰিব নালাগে। কাৰণ অসৎ পিতা, পিতামহৰ পথ অনুসৰণ নকৰি সৎ পুৰুষে দেখুৱা পথেদি চলিলে কেতিয়াও দুখ ভোগ কৰিব নালাগে। এই কথা আপুনি স্বীকাৰ কৰে নে নকৰে ?

প্ৰশ্নঃ—স্বীকাৰ কৰো।

উত্তৰঃ—আৰু চাওঁক, পৰমেশ্বৰপ্ৰকাশিত বেদ বাক্যই একমাত্ৰ সনাতন। যি বেদ বিৰুদ্ধ, সি কেতিয়াও সনাতন বুলি গণ্য হব নোৱাৰে। এই বিবেচনাকেই সকলোৱে স্বীকাৰ কৰা উচিত, হয় নে নহয় ?

প্ৰশ্নঃ—অবশ্যে হয়।

উত্তৰঃ—যি এনেকুৱা বিবেচনা স্বীকাৰ নকৰে, তেওঁক সোধা উচিত যে কোনো পিতা দৰিদ্ৰ আৰু পুতেক ধনবান হলে তেতিয়া সেই পুত্ৰই পিতাকৰ দৰিদ্ৰতাত গৌৰৱবোধ কৰি নিজৰ আৰ্জিত ধন সম্পত্তি সকলো পৰিত্যাগ কৰিব নেকি ? যাৰ পিতা অন্ধ সেই পুত্ৰই নিজৰ চকু নষ্ট কৰি অন্ধ হব নেকি ? যাৰ পিতা কুকৰ্ম্মৰত, সেই পুত্ৰয়ো কুকৰ্ম্মকেই কৰিব নেকি ? নিশ্চয় কেতিয়াও নকৰে। অৱশ্যে পূৰ্ব্বপুৰুষৰ প্ৰদৰ্শিত সৎ পথ অনুসৰণ আৰু অসৎ পথ পৰিত্যাগ কৰাটো সকলোৰে বাবেই বাঞ্ছনীয়। ৰজবীৰ্য্যৰ সংযোগত উৎপন্ন হোৱাটোকে যিয়ে বৰ্ণাশ্ৰম ব্যৱস্থা বুলি মানে, তেওঁ ব্ৰাহ্মণৰ জন্ম লোৱা জনক, মুছলমান বা খৃষ্টিয়ান ধৰ্ম্ম গ্ৰহণ কৰিলেও ব্ৰাহ্মণ বুলি মানিব নে নামানে ? এনেকুৱা ক্ষেত্ৰত কোৱা হয় যে অমুকে ব্ৰাহ্মণৰ ধৰ্ম্ম কৰ্ম্ম এৰি মুছলমান বা খৃষ্টিয়ান হল, অৰ্থাৎ ব্ৰাহ্মণ হৈ নৰল। সকলো শাস্ত্ৰৰ পৰা এয়েই প্ৰমাণ হয় যে, যি ব্ৰাহ্মণৰ ধৰ্ম্ম কৰ্ম্ম পালন কৰে, সেয়েই ব্ৰাহ্মণ আৰু যি ব্ৰাহ্মণে স্বধৰ্ম্ম পৰিত্যাগ কৰি অসৎ কৰ্ম্মত প্ৰবৃত্ত হয়, তেওঁ শূদ্ৰতকৈও নীচ, আৰু শূদ্ৰ বা অতি অনুন্নত বৰ্ণত জন্ম হৈও যদি ব্ৰাহ্মণাদিৰ ধৰ্ম্ম কৰ্ম্ম আচৰণ কৰিব পাৰে তেওঁৰ ধৰ্ম্ম কৰ্ম্মৰ যোগ্যতা অনুসাৰে বৰ্ণ বিভাগ নিৰ্ণীত হয়।

প্ৰশ্নঃ—ব্ৰাহ্মণোঽস্য মুখমাসীদ্ বাহূ ৰাজন্যঃ কৃতঃ।
ঊৰূ তদস্য যদ্বৈশ্যঃ পদ্ভ্যাং শূদ্ৰোঽজায়ত॥ যজু॰ আ॰৩১। মন্ত্ৰ॰৩১॥

ইয়াৰ অৰ্থ—ঈশ্বৰৰ মুখৰ পৰা ব্ৰাহ্মণ, বাহুৰ পৰা ক্ষত্ৰিয়, ঊৰুৰ পৰা বৈশ্য আৰু চৰণৰ পৰা শূদ্ৰ উৎপন্ন হৈছে। যেনেকৈ মুখ বাহু আৰু বাহু মুখ হব নোৱাৰে, সেইদৰে ব্ৰাহ্মণো ক্ষত্ৰিয়াদি হব নোৱাৰে আৰু ক্ষত্ৰিয়াদিও ব্ৰাহ্মণ হব নোৱাৰে।

উত্তৰঃ—আপুনি এই মন্ত্ৰৰ প্ৰকৃত অৰ্থ বুজা নাই। কাৰণ, এই স্থলত পুৰুষ নিৰাকাৰ পৰমাত্মাৰ অনুবৃত্তি। যি নিৰাকাৰ, তেওঁৰ মুখাদি অঙ্গ নাই। মুখাদি অঙ্গ বিশিষ্ট হলে তেওঁ পুৰুষ অৰ্থাৎ ব্যাপক হ'ব নোৱাৰে। ব্যাপক নহলে তেওঁ সৰ্ব্বশক্তিমান, সৃষ্টিকৰ্ত্তা, ধৰ্ত্তা, প্ৰলয় কৰ্ত্তা, জীৱৰ অন্তৰ্য্যামী নিয়ন্তা, সৰ্ব্বজ্ঞ, অজ, আৰু অমৰ আদি বিশেষণ যুক্ত হব নোৱাৰে। গতিকে এই মন্ত্ৰৰ অৰ্থ হল :—পূৰ্ণ ব্যাপক পৰমাত্মাৰ সৃষ্টিত যি মুখৰ দৰে মুখ্য বা শ্ৰেষ্ঠ, তেওঁ ব্ৰাহ্মণ। বাহুৰ্বৈ বলং বাহুৰ্বৈ বীৰ্য্যম্ (শত পথ ব্ৰাহ্মণ) বল বীৰ্য্যৰ নাম বাহু। বল বীৰ্য্য আদিত যি শ্ৰেষ্ঠ তেওঁ ক্ষত্ৰিয়, কটি প্ৰদেশৰ অধোভাগ আৰু জানুৰ উপৰিভাগৰ নাম ঊৰু। যি ঊৰু বল বিশিষ্ট অৰ্থাৎ বেপাৰ বাণিজ্যৰে অৰ্থ সংগ্ৰহৰ নিমিত্তে নানা ঠাই ভ্ৰমণ কৰে, তেওঁ বৈশ্য। আৰু যি অঙ্গবোৰৰ ভিতৰত নিম্ন চৰণৰ দৰে মূৰ্খতাদি গুণ বিশিষ্ট তেৱেঁই শূদ্ৰ। এইদৰেই শতপথ ব্ৰাহ্মণাদি গ্ৰন্থতো এই মন্ত্ৰৰ এনেকুৱা অৰ্থই কৰিছে। যেনে :—

যস্মাদেতে মুখ্যাস্তস্মান্মুখতো হ্যসৃজ্যন্ত ইত্যাদি।

যিহেতু এই সকল মুখ্য, গতিকে মুখৰ পৰা উৎপন্ন হৈছে বুলি কোৱাই সঙ্গত। যেনেকৈ—দেহৰ ভিতৰত মুখমণ্ডল শ্ৰেষ্ঠ আৰু মুখমণ্ডলৰ ভিতৰতো মুখ শ্ৰেষ্ঠ সেইদৰে মনুষ্য সমাজৰ ভিতৰত বিদ্যা, গুণ, কৰ্ম্ম স্বভাৱত যি শ্ৰেষ্ঠ তেওঁ ব্ৰাহ্মণ। পৰমেশ্বৰ যেতিয়া—নিৰাকাৰ—মুখাদি অঙ্গ বা অৱয়ৱৰ প্ৰশ্নই নাই, গতিকে মুখ অঙ্গৰ পৰা উৎপন্ন হোৱাৰ অৰ্থ অসঙ্গত, আৰু প্ৰকৃতিৰ নীতি বিৰুদ্ধ। মুখাদি অঙ্গৰ পৰা ব্ৰাহ্মণাদি উৎপন্ন হোৱা হলে উৎপন্ন বস্তুৰ আকৃতিও উপাদান কাৰণৰ দৰে হলহেতেন। মুখৰ আকাৰ যেনে ব্ৰাহ্মণ শৰীৰৰ আকাৰো তেনেহে

হলহেতেন। সেইদবে ক্ষত্রিয়ব দেহ বাহুব দবে, বৈশ্যব উরুব দবে আরু শূদ্রব চবণব দবে আকৃতি হলহেতেন, কিন্তু তেনে নহয়। আরু যদি কব খোজে যে, ব্রাহ্মণ মুখব পবা জন্ম হৈছিল গতিকেই ব্রাহ্মণ সংজ্ঞা হৈছে, সি হব পাবে, কিন্তু যিবোবব মুখব পবা জন্ম হোৱা নাই, সেই-বোবে ব্রাহ্মণ সংজ্ঞা কেনেকৈ পাব? অন্যান্য বর্ণ ই যেনেকৈ গর্ভাশয়ব পবা জন্ম পাইছে—ব্রাহ্মণ কুলত জন্মা সকলেও গর্ভাশয়ব পবাই জন্ম পাইছে। যি মুখব পবা জন্ম হোৱা নাই, ব্রাহ্মণ সংজ্ঞা পাবব কোনো অধিকাব তেওঁব নাই। গতিকে বেদ মন্ত্রব আপুনি যি অর্থ কবিছে, সেই অর্থ হব নোৱাবে, মই যি অর্থ কবিছো সেয়েহে প্রকৃত অর্থ। এনে অর্থকেই অন্যতো পোৱা যায়। যেনে:—

শূদ্রো ব্রাহ্মণতামেতি ব্রাহ্মণশ্চৈতি শূদ্রতাম্।
ক্ষত্রিয়াজ্জাতমেবন্তু বিদ্যাদ্বৈশ্যাত্তথৈব চ ॥

মনুঃ (১০।৬৫) ॥

অর্থ—যদি কোনো ব্যক্তি শূদ্রকুলত জন্ম হৈ ব্রাহ্মণ, ক্ষত্রিয়, অথবা বৈশ্যব গুণ, কর্ম্ম স্বভাব বিশিষ্ট হয়, সেই শূদ্র, গুণ, কর্ম্ম, স্বভাব অনুসবি ব্রাহ্মণ, ক্ষত্রিয় বা বৈশ্য হব। সেইদবে কোনো ব্যক্তি ব্রাহ্মণ ক্ষত্রিয় বা বৈশ্য কুলত জন্ম হৈ শূদ্রব গুণ, কর্ম্ম, স্বভাব, বিশিষ্ট হলে তেওঁ শূদ্র হব। এইদবে কোনো ক্ষত্রিয় বা বৈশ্যকুলত জন্ম হৈ ব্রাহ্মণ বা শূদ্রব গুণ, কর্ম্ম, স্বভাব সম্পন্ন হয়—তেওঁ সেইমতে ব্রাহ্মণ বা শূদ্র হব। অর্থাৎ পুরুষ বা স্ত্রী যি বর্ণব যোগ্য, সেই বর্ণতেই গণ্য হব।

ধর্ম্মচর্য্যয়া জঘন্যো বর্ণঃ পূর্ব্বং বর্ণমাপদ্যতে জাতি পবিবৃত্তৌ।
অধর্ম্মচর্য্যয়া পূর্ব্বো বর্ণো জঘন্যং জঘন্যং বর্ণমাপদ্যতে জাতি পবিবৃত্তৌ ॥ আপস্তম্ব সূত্র—(১।২)

অর্থ—ধর্ম্মাচবণব দ্বাবা নিকৃষ্ট বর্ণব পবা উচ্চবর্ণ লাভ কবে, আরু যি যি বর্ণব উপযুক্ত সেই সেই বর্ণত গণ্য হয়॥ ১॥ সেইদবেই অধর্ম্মা-চবণব দ্বাবা পূর্ব্ববর্ণ অর্থাৎ উচ্চ বর্ণত জন্ম হোৱা মানুহ নিম্ন বর্ণ প্রাপ্ত

হয়, আরু সেই বর্ণত গণ্য হয়॥ ২॥ পুরুষব যিদবে বর্ণব নির্ণয় হয় সেইদবেই স্ত্রী সকলবো হব। এনেকুৱা ব্যবস্থা হলে সকলো বর্ণই নিজব নিজব গুণ, কর্ম্ম আরু স্বভাবব উন্নতি কামী হব। সকলো বর্ণই নিজব নিজব কর্ম্ম আচবণব দ্বাবাই শ্রেষ্ঠতা বিকাশ কবিবলৈ সচেতন হব আরু আচবণত বর্ণ সঙ্কব নহলে সামাজিক আরু জাতীয় জীবনব আরু বাজ্যব উন্নতি হব। কোনো বর্ণব নিন্দা অপবাদ বা অযোগ্যতাও নাথাকিব।

প্রশ্নঃ—যদি কাবোবাব মাত্র এটা পুত্র বা কন্যা হৈ বর্ণান্তব হয়, তেতিয়া সেই মাতা-পিতাব সেবা কোনে কবিব? বংশ নাশ নঘটিব জানো? ইয়াব ব্যবস্থা কি হোৱা উচিত?

উত্তবঃ—কাবো সেৱা শুশ্রূষাব অভাব নঘটে আরু বংশ নাশো হব নোৱাবে। কাবণ সমাজব বাজ্যব নির্দ্ধাবিত বিধি অনুশাসন অনুসাবে স্ব বর্ণানুকূল অন্য সন্তান গ্রহণ কবিব পাবিব। গতিকে কোনো অব্যবস্থা হব নোৱাবে।

এনেকুৱা বর্ণ ব্যবস্থা কন্যাব ১৬ বছবত আরু পুত্রব ২৫ বছবত গুণ, কর্ম্ম আরু স্বভাব অনুসাবে নিয়ন্ত্রিত হোৱা আবশ্যক। এই নিয়মানুসাবে অর্থাৎ গুণ, কর্ম্ম আরু স্বভাব অনুসাবে ব্রাহ্মণব লগত ব্রাহ্মণীব, ক্ষত্রিয়ব লগত ক্ষত্রিয়ব, বৈশ্যবর্ণব লগত বৈশ্যব আরু শূদ্রব লগত শূদ্রাব বিবাহ সম্বন্ধ হোৱা উচিত। এনে অৱস্থাত স্ব স্ব বর্ণব ধর্ম্ম কর্ম্মব আচবণ আরু পাবস্পবিক প্রীতি অক্ষুণ্ণ থাকিব।

চাবি বর্ণব কর্ত্তব্য কর্ম্ম আরু গুণ, যথা:—

অধ্যাপনমধ্যয়নং যজনং যাজনং তথা।
দানং প্রতিগ্রহশ্চৈব ব্রাহ্মণানামকল্পয়ৎ ॥ ১॥ মনু০ (১০৮৮)॥
শমো দমস্তপঃ শৌচং ক্ষান্তিবার্জ্জবমেব চ।
জ্ঞানবিজ্ঞানমাস্তিক্যং ব্রহ্ম কর্ম্ম স্বভাবজম্॥ ২॥ ২॥
ভা০গী০ অ০ ১৮।৪২॥

অর্থ:—ব্রাহ্মণব কর্ম্ম ছয় প্রকাব—অধ্যয়ন, অধ্যাপন, যজ্ঞ, যজ্ঞ,

কবোৱা, দান আৰু প্রতিগ্রহ। কিন্তু "প্রতিগ্রহঃ প্রত্যবৰঃ" (মনুঃ)। (প্রতি-গ্রহ) গ্রহণ কৰা হীন কৰ্ম্ম॥ ১॥ শমঃ অর্থাৎ মনতো কুকর্ম্মৰ ইচ্ছা নকৰা আৰু মনক অধর্ম্মত প্রবৃত্ত হবলৈ নিদিয়া, দমঃ অর্থাৎ চকু কাণ আদি ইন্দ্রিয় বোৰক সংযত ৰখা, তপঃ অর্থাৎ কষ্ট সহিও সদাচৰণ আৰু ধর্ম্মানুষ্ঠান কৰা. শৌচ :—

অদ্ভির্গাত্রাণি শুধ্যন্তি মনঃ সত্যেন শুধ্যতি।
বিদ্যাতপোভ্যাং ভূতাত্মা বুদ্ধির্জ্ঞানেন শুধ্যতি॥ মনু॰ ৫। ১০৯॥

জলেৰে শৰীৰ, সত্যাচৰণেৰে মন, বিদ্যা আৰু ধর্ম্মানুষ্ঠানৰ দ্বাৰা জীৱাত্মা, আৰু জ্ঞানৰ দ্বাৰাই বুদ্ধি পৱিত্র হয়। আভ্যন্তৰীণ ৰাগ-দ্বেষাদি দোষ আৰু বাহিৰৰ মলিনতা শুদ্ধ কৰা. অর্থাৎ সত্যাসত্য বিবেচনাৰে সত্যৰ আচৰণ আৰু অসত্যৰ বর্জ্জনৰ দ্বাৰাই নিশ্চয় পৱিত্র হব পাৰি। ক্ষান্তি অর্থাৎ নিন্দা-স্তুতি, সুখ-দুখ, শীত উষ্ণ, ক্ষুধা তৃষ্ণা, হানি-লাভ, মান-অপমান, হর্ষ শোক সমতুল্য জ্ঞান কৰি কর্ত্তব্য ধর্ম্মত স্থিৰ থকা, আর্জ্জৱ অর্থাৎ শান্ত. কোমলতা, নিৰভিমান, সৰলতা, আৰু অকপটতাৰ আচৰণশীল, জ্ঞান অর্থাৎ সাঙ্গোপাঙ্গ বেদাদি শাস্ত্রৰ অধ্যয়ন কৰি অধ্যাপনাৰ যোগ্যতা, বিবেক অর্থাৎ সত্যৰ নির্ণয়, বা যথার্থ জ্ঞান, (জড়ক জড় বুলি আৰু চেতনক চেতন বুলি উপলব্ধি কৰা), বিজ্ঞান অর্থাৎ পৃথিবীৰ পৰা পৰমাত্মালৈকে জগতৰ সবিশেষ জানি যথোচিত আচৰণ কৰা বা প্রয়োগ কৰা, আস্তিক্য অর্থাৎ শাস্ত্র, ঈশ্বৰ আৰু মুক্তিত আস্থা, জন্ম জন্মান্তৰ, ধর্ম্ম, বিদ্যা, সৎসঙ্গ, মাতা, পিতা, আচার্য্য আৰু অতিথিৰ যথাযোগ্য সেৱা সৎকাৰ কৰা। ২॥ এই পঞ্চদশ গুণ কর্ম্ম ব্রাহ্মণৰ গাত নিশ্চয়ভাৱে থাকিবই লাগে।

ক্ষত্রিয় :—

প্রজানাং ৰক্ষণং দানমিজ্যাধ্যয়নমেৱ চ।
ৱিষয়েষ্ৱপ্রসক্তিশ্চ ক্ষত্রিয়স্য সমাসতঃ॥ ১॥ মনু॰ (১।৮৯)॥
শৌর্য্যং তেজো ধৃতি-র্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্ৱৰভাৱশ্চ ক্ষাত্রং কর্ম্ম স্বভাৱজম্॥ ২॥ভা॰গী॰(অ॰১৮। শ্লোক ৪৩)

ন্যায়দণ্ড অনুসাৰে প্রজাৰ ৰক্ষা আৰু পৱিপালন কৰা, সদ্ অনুষ্ঠানত প্রবৃত্তি সহ অর্থ ব্যয় কৰা, হোম যজ্ঞ কৰা আৰু কৰোৱা, শাস্ত্রৰ অধ্যয়ন আৰু অধ্যাপনা কৰা, ৱিষয় ৰাসনাত অনাসক্ত, জিতেন্দ্রিয়, শাৰীৰিক আৰু মানসিক শক্তিৰ সাধনৰত ৫৬, ।১॥
নির্ভীক, সাহসী, তেজস্বী, শক্তিশালী আৰু আগৰণুৱা, ধৈর্য্যশীল, কামত দক্ষ আৰু নিপুণ, যুদ্ধত ভয়হীন আৰু নপলোৱা. অর্থাৎ কৌশলেৰে যুদ্ধত জয় কৰিব পৰা, দানশীল, পক্ষপাত নকৰাকৈ সকলোৰে সৈতে ব্যৱহাৰ কৰা. প্রতিজ্ঞা ৰক্ষা কৰা আদি ক্ষত্রিয়ৰ স্ৱাভাৱিক গুণ আৰু কর্ম্ম। ২॥
ৱৈশ্য :—

পশূনাং ৰক্ষণং দানমিজ্যাধ্যয়নমেৱ চ।
ৱণিক্ পথং কুসীদংচ ৱৈশ্যস্য কৃষিমেৱচ॥ মনু॰ (১।৯০)॥

গৰু আদি পশুৰ পালন, ব্যৱসায় কৰা, ৱিদ্যা ধর্ম্ম আদি ৱৃদ্ধিৰ বাবে সৎ অনুষ্ঠানত ধন-সম্পত্তি ব্যয় কৰা, অগ্নি হোত্রাদি যজ্ঞ কর্ম্ম পালন কৰা, ৱেদাদি শাস্ত্র অধ্যয়ন কৰা, ৱেহা ৱেপাৰ কৰা, অধিক সুদ আৰু অধিক লাভ নকৰা অর্থাৎ কেতিয়াও যেই কোনো পৱিস্থিতিতেই মূল ধনৰ লাভ দুগুণৰ অধিক নোলোৱা আৰু কৃষি কর্ম্ম; ৱৈশ্যৰ এই বোৰেই গুণ আৰু কর্ম্ম। শূদ্র :—

একমেৱ তু শূদ্রস্য প্রভুঃ কর্ম্ম সমাদিশৎ।
এতেষামেৱ ৱর্ণানাম্ শুশ্রূষামনসূয়য়া॥ মনু॰ (১। ৯১॥)

নিন্দা, ঈর্ষা আৰু অভিমান আদি এৰি ব্রাহ্মণ, ক্ষত্রিয়, আৰু ৱৈশ্যৰ যথাযোগ্য পৱিচর্য্যা কৰা আৰু তাৰ দ্বাৰা জীৱিকা চলোৱাই শূদ্রৰ গুণ আৰু কর্ম্ম।

ৱর্ণ ৱিভাগৰ গুণ কর্ম্ম সংক্ষেপে লিখা হ'ল। যি মানুহ যি ৱর্ণৰ গুণ আৰু স্বভাৱ অনুসাৰে উপযুক্ত, সেই মানুহক সেই ৱর্ণৰহে অধিকাৰ দিব লাগে। এনে ব্যৱস্থাতহে ব্যক্তিৰ আৰু সমাজৰ উন্নতি হব পাৰে। কাৰণ, শ্রেষ্ঠ ৱর্ণৰ সন্তান মূর্খ হলে শূদ্র শ্রেণীত গণ্য হোৱাৰ ভয় থাকিব আৰু

সন্তানেও নিজৰ নিজৰ গুণ কৰ্ম্ম আৰু স্বভাৱৰ প্ৰতি সচেতন থাকিবলৈ চেষ্টা শীল হব। নিম্ন বৰ্ণ বা শ্ৰেণীৰ মানুহেও উচ্চ বৰ্ণৰ অধিকাৰ পাবলৈ উৎসাহ বোধ কৰিব। বিদ্যা আৰু ধৰ্ম্ম ব্যৱস্থাৰ অধিকাৰ ব্ৰাহ্মণৰ থাকিব। কাৰণ যি সকল বিদ্যাবান, আৰু ধৰ্ম্মত ৰত সেই সকলহে সেই ব্যৱস্থা যথাৰ্থভাৱে সম্পাদন কৰিব পাৰে। ৰাজ্যৰ ন্যায়, দণ্ড আৰু ৰক্ষাৰ অধিকাৰ ক্ষত্ৰিয়ক দিলেহে সেই দায়িত্ব যথাৰ্থ ভাৱে সম্পাদিত হব পাৰে। সেই দৰে বাণিজ্য আৰু শিল্প আদি কৰ্মৰ অধিকাৰী বৈশ্য। জ্ঞান বিজ্ঞান হীন শূদ্ৰই সমাজৰ অন্যান্য বিভাগৰ নিৰ্দ্দেশানুসৰি শাৰীৰিক শ্ৰম কৰিব পাৰে। এইদৰে সকলোৰে গুণ কৰ্ম্ম স্বভাৱ অৰ্থাৎ যোগ্যতা অনুসাৰে কৰ্ম্ম বিভাগৰ বা বৰ্ণ বিভাগৰ বাজ্ঞিক বিধি হোৱা উচিত।

বিবাহৰ লক্ষণঃ—

ব্ৰাহ্মো দৈব স্তথৈবার্ষঃ প্ৰাজাপত্যস্তথাসুৰঃ।
গান্ধৰ্ব্বো ৰাক্ষসশ্চৈব পৈশাচশ্চাষ্টমোঽধমঃ। মনু০ (৩।২১)॥

বিবাহ আঠ প্ৰকাৰ- ব্ৰাহ্ম, দৈৱ, আৰ্ষ, প্ৰাজাপত্য, আসুৰ, গান্ধৰ্ব্ব, ৰাক্ষস, আৰু পৈশাচ।

এই বিবাহবোৰৰ ব্যৱস্থা এনেঃ—নাৰী আৰু পুৰুষ দুয়ো যথাৰ্থ ব্ৰহ্মচৰ্য্য ব্ৰতেৰে বিদ্বান আৰু সৎ আচৰণশীল হোৱাৰ পাচত তেওঁলোকৰ পৰস্পৰ সম্মতিৰে যি বিবাহ হয় তাক ব্ৰাহ্ম বিবাহ বোলে। সমাজৰ যজ্ঞ কৰ্ম্মত ঋত্বিক ৰূপে নিযুক্ত পুৰুষক সালঙ্কাৰা কন্যা দানক "দৈৱ" বিবাহ বোলে। কন্যা প্ৰাৰ্থী বৰৰ পৰা অৰ্থ লৈ কন্যাৰ বিবাহ দিয়াক "আৰ্ষ" বিবাহ বোলে। ধৰ্ম্মৰ উন্নতি লক্ষ্য কৰি যি বৰ কন্যাৰ বিবাহ হয় তাক "প্ৰাজাপত্য" বোলে। বৰ আৰু কন্যা দুয়োকো অৰ্থ দি যি বিবাহ কৰা হয় তাক "আসুৰ" বোলে। অনিয়ম আৰু অসময়ত নাৰী পুৰুষ দুয়োৰো আকৰ্ষণত যি বিবাহ হয় তাক "গান্ধৰ্ব্ব" বোলে। বলাৎকাৰ, প্ৰলোভন বা প্ৰৱঞ্চনাৰে কন্যা গ্ৰহণ কৰাক "ৰাক্ষস" বোলে। নিদ্ৰিত বা মদমত্ত হৈ কন্যাক বলাৎকাৰ কৰি সমাগম কৰাক "পৈশাচ"

বিবাহ বোলে। এই সকলোৰে ভিতৰত ব্ৰাহ্ম বিবাহ সৰ্ব্ব শ্ৰেষ্ঠ, দৈৱ আৰু প্ৰাজাপত্য মধ্যম, আৰ্ষ, আসুৰ আৰু গান্ধৰ্ব্ব নিকৃষ্ট, ৰাক্ষস অধম আৰু পৈশাচ মহাভ্ৰষ্ট বা মহা অধম।

বিবাহ নোহোৱালৈকে স্ত্ৰী পুৰুষ (দৰা কন্যা) নিৰ্জ্জন স্থানত লগ হোৱা অনুচিত কাৰণ, যৌৱন কালত স্ত্ৰী পুৰুষৰ একেলগে নিৰ্জ্জন বাস অহিতকৰ। যুৱক যুৱতীৰ বিবাহৰ সময় হলে অৰ্থাৎ ব্ৰহ্মচৰ্য্য আশ্ৰম বা বিদ্যা অধ্যয়নৰ সময় পূৰ্ণ হোৱাৰ এবছৰ বা ছয় মাহৰ আগত লৰাৰ প্ৰতিচ্ছবি (ফটোগ্ৰাফ) বা প্ৰতিকৃতি কন্যাৰ অধ্যাপিকা আৰু কন্যাৰ প্ৰতিচ্ছবি লৰাৰ অধ্যাপকক দিব লাগে। ৰূপ যৌৱনৰ মিল যেন দেখিলে অধ্যাপক আৰু অধ্যাপিকাসকলে বিবাহাৰ্থী যুবক যুৱতীৰ শিক্ষা আৰু চৰিত্ৰৰ ইতিহাস মিলাই চাব লাগে। যিবিলাকৰ মাজত পৰস্পৰৰ গুণ, কৰ্ম্ম, স্বভাৱৰ মিল দেখে আৰু যাৰ লগত যাৰ বিবাহ উপযুক্ত হব বুলি ভাৱে, অধ্যাপক আৰু অধ্যাপিকা সকলে সেই কন্যাৰ ছবি সেই বৰক আৰু বৰৰ ছবি কন্যাক চাবলৈ দিব লাগে আৰু তাৰ পাছত তেওঁলোকৰ মতামত শুনিব লাগে। দুয়ো পৰস্পৰ বিবাহত সন্মত হলে যথা সময়ত দুয়োকো নিজৰ নিজৰ বিদ্যাশ্ৰমৰ পৰা সমাবৰ্ত্তন অনুষ্ঠান কৰি বিদায় দিব লাগে। বিবাহ কন্যাৰ মাতা পিতাৰ ঘৰত অথবা অনুকূল বিবেচনাৰে অন্য নিৰ্দ্দিষ্ট স্থানতো হব পাৰে কিন্তু বিবাহত অধ্যাপক সকলৰ উপস্থিতি আৱশ্যক। সেই অনুষ্ঠানত, সজ্জনাদিৰ উপস্থিতিত দৰা কন্যা উভয়ৰে শাস্ত্ৰ নীতি বিষয়ত আলোচনাও সকলোৱে শুনা উচিত। দৰা কন্যাৰ ভিতৰত কোনো গোপনীয় আলোচ্য বিষয় থাকিলেও পৰস্পৰে লিখিত প্ৰশ্নোত্তৰেৰে বুজা বুজি কৰিব লাগে।

দুয়োৰো পৰস্পৰ বিবাহৰ আগ্ৰহ আৰু প্ৰেম হলে তেতিয়াৰ পৰা তেওঁলোকে পুষ্টিকৰ আহাৰ খাব লাগে, যাতে ব্ৰহ্মচৰ্য্য আৰু বিদ্যাধ্যয়নৰ তপস্যাত জীৰ্ণ শীৰ্ণ শৰীৰৰ সোনকালে স্বাস্থ্য শ্ৰী বৃদ্ধি হয়। তাৰ পাছত কন্যা ৰজস্বলা হৈ যি দিনা শুদ্ধ হ'ব, সেই দিনা ঘৃত আৰু

সুগন্ধি দ্রব্যৰে হোম কৰিব লাগে। তাৰ পাছত যেতিয়া ঋতুদানৰ উপযুক্ত শুভ দিন ধার্য্য হয়, সেইদিনা সংস্কাৰ বিধি অনুসাৰে যজ্ঞকর্ম্ম অনুষ্ঠান কৰিব লাগে আৰু সেই দিনা ৰাতি দহ বজাৰ পাছত প্রশস্ত অন্তৰেৰে নির্জ্জন বাস কৰিব।

পুৰুষৰ বীর্য্য স্থাপনৰ আৰু স্ত্রীৰ বীর্য্য আকর্ষণৰ যি নিয়ম আছে তাকো জনা আৱশ্যক আৰু সেই নিয়মমতে সকলো হব লাগে। যিমান সম্ভৱ ব্রহ্মচর্য্য কালত বীর্য্য ক্ষয় হবলৈ দিব নালাগে। অক্ষত বীর্য্য ৰজৰ লগত সংযোগ হৈ যি শৰীৰ সৃষ্টি হয় সেই শৰীৰ সুস্থ আৰু সবল হয়। গর্ভাশয়ত বীর্য্য পতনৰ সময়ত স্ত্রী পুৰুষ দুয়ো নাকৰ সম্মুখত নাক আৰু চকুৰ সম্মুখত চকু একে স্থিৰে ৰাখিব লাগে। স্ত্রীয়ে বীর্য্য গ্রহণৰ সময়ত জননেন্দ্রিয়ৰ ভিতৰলৈ বায়ু আকর্ষণ কৰি ঊর্দ্ধ আকর্ষণ কৰিব লাগে। * তাৰ পাছত দুয়ো স্নান কৰিব লাগে। স্ত্রী বিদুষী হলে নিজৰ গর্ভ-স্থিতিৰ বিষয়ে তেতিয়াই বুজিব পাৰে। এমাহৰ পাছত ঋতুস্রাৱ নহলে সর্ব্বসাধাৰণ সকলোৱেই জানিব পাৰে। স্নান কৰাৰ পাছত শুষ্ঠি কেশৰ, অশ্বগন্ধা,, সৰু ইলাচি, তালমিশ্রি আদি সিজাই চেচা কৰি ৰখা দুগ্ধ নিজৰ নিজৰ ৰুচিমতে পান কৰি সুকীয়া শয্যাত শুব লাগে। প্রতি গর্ভাধানত এই বিধি পালন কৰা কর্ত্তব্য। **এমাহৰ পাছত গর্ভস্থিতিৰ প্রমাণ হলে, এবছৰ পর্য্যন্ত সমাগম অনুচিত।** এনে আচৰণত গর্ভস্থ সন্তান, সুস্থ, সৎ, দীর্ঘায়ু হয়, এই দৰে তাৰ পাছত হোৱা সন্তানবোৰো উন্নত আৰু সবল হয়। অথবা বীর্য্য ক্ষয় কৰিলে মাতা পিতা দুয়োৰো আয়ু ক্ষয় হয় আৰু উভয়ে ৰোগগ্রস্ত হয়। ইয়াৰ বাহিৰে দুয়োৰো ভিতৰত ব্যাৱহাৰিক প্রেম-প্রীতি অটুট থাকিব লাগে। **গর্ভস্থিতিৰ পাছত স্ত্রী পুৰুষ** দুয়ো সংযত ভাবে আহাৰ বিহাৰ কৰিব লাগে। **যাতে পুৰুষৰ** বীর্য্য নষ্ট নহয় আৰু স্ত্রীৰো গর্ভস্থ সন্তান সুস্ত্রী সবল হৈ দহ মাহত সুকলমে প্রসৱ হব পাৰে। **গর্ভস্থিতিৰ চতুর্থ মাহৰ পৰা বিশেষ ভাৱে**

* এইবোৰ গোপনীয় ৰহস্য গতিকে বিস্তাৰকৈ লিখিব নোৱাৰি।

ৰাক অষ্টম মাহৰ পৰা অতি সতর্কতাৰে গর্ভ ৰক্ষা কৰা আৱশ্যক। গর্ভৱতী স্ত্রীয়ে খাৰ, তিতা, নীৰস আৰু বুদ্ধি নাশক মাদক বস্তু কেতিয়াও খাব নালাগে। চাউল, ঘেঁহু জাতীয় আহাৰ, ঘৃত, দুগ্ধ, মউ আৰু মাটি দাইল অতি শ্রেষ্ঠ আহাৰ। দেশ কাল আৰু জলবায়ু অনুসাৰে বিবেচনা কৰি চলিব লাগে।

গর্ভাধানৰ পাছত ছটা সংস্কাৰ :—প্রথম সংস্কাৰ পুংসবন, চতুর্থ মাহত আৰু দ্বিতীয় সীমন্তোন্নয়ন অষ্টম মাহত যথা বিধি সম্পন্ন কৰিব লাগে। সন্তান জন্ম হোৱাৰ পাছত সন্তান আৰু সন্তানৰ মাকৰ স্বাস্থ্য ৰক্ষাৰ বাবে আৱশ্যকীয় যত্ন কৰিব লাগে। প্রসৱৰ আগতেই শুষ্ঠীপাক, বা সৌভাগ্য শুষ্ঠীপাক প্রস্তুত কৰি ৰাখিব লাগে। ঈষদুষ্ণ আৰু সুগন্ধি যুক্ত জলেৰে শিশুৰ মাক আৰু শিশু উভয়কে স্নান কৰাব লাগে। তাৰ পাছত নাৰীচ্ছেদন কৰিব। শিশুৰ নাড়ীৰ মূলত কোমল সূতাৰে বান্ধি চাৰি আঙ্গুল এৰি কাটিব লাগে। নাৰীৰ ৰক্ত পাত বন্ধ কৰিবৰ কাৰণেই সূতাৰে বন্ধা হয়। তাৰ পাছত প্রসূতি গৃহৰ দুৱাৰ মুখত ঘৃত আৰু সুগন্ধি দ্রব্যাদিৰে হোম কৰি শিশুৰ পিতাকে সোণ বা ৰূপৰ শলাৰে শিশুৰ জিহ্বাত "ওঁ" অঙ্কন কৰি সেই শলাৰেই মৌ আৰু ঘি চেলেকিব পৰাকৈ জিহ্বাৰ ওৰিত দিব লাগে। শিশুৰ পিতাকে শিশুৰ কাণত "বেদোসি" (অর্থাৎ তোমাৰ নাম বেদ) এই কথা-ষাৰ শুনাব লাগে। তাৰ পাছত শিশুক মাকৰ হাতত দিব লাগে। শিশুৰ ইচ্ছা বুজি মাকৰ স্তন পান কৰিবলৈ দিব লাগে। সেই সময়ত মাকৰ গাখীৰ নেথাকিলে কোনো দুগ্ধৱতী মাতাৰ স্তন পান কৰিবলৈ দিব পাৰি। তাৰ পাছত বিশুদ্ধ বায়ু চলাচল কৰিব পৰা কোঠাত শিশুসহ মাতাক ৰাখিব লাগে আৰু সেই কোঠাত পুৱা-গধুলি দুৱাৰকৈ ঘিউ আৰু সুগন্ধি দ্রব্যৰে হোম কৰিব লাগে। শিশুৱে ছয় দিন পর্য্যন্ত মাতৃস্তন পান কৰিব লাগে। মাককো স্বাস্থ্য আৰু পুষ্টিকৰ খাদ্য খুৱাব লাগে। যাতে প্রসৱ জনিত সকলো বেদনা দূৰ হৈ জননেন্দ্রিয় সংকো-

চিন্ত হয় তাবো ব্যৱস্থা কৰিব লাগে। ষষ্ঠ দিনত প্ৰসূতি বাহিৰ ওলাব আৰু শিশুৰ কাৰণে অন্য উপযুক্ত দুগ্ধৰ ব্যৱস্থা কৰিব পাৰে। অনেকে ধাত্ৰীৰ গাখীৰেৰেও শিশুৰ পালন পোষণ কৰে আৰু কৰিব পাৰে। জন্মৰ পৰাই শিশুৰ তত্ত্বাৱধান কৰা মাকৰ স্বাভাৱিক কৰ্ত্তব্য। ছয় দিনৰ পাছত শিশুক স্তন দুগ্ধ পান কৰিবলৈ নিদিলে দুগ্ধ ক্ষৰণ বন্ধ কৰিবলৈ প্ৰলেপ ব্যৱহাৰ কৰিব লাগে। সেই অনুকূলে আহাৰো কৰিব। সময়ত সংস্কাৰ বিধি অনুসাৰে শিশুৰ নামকৰণ কৰিব। উপযুক্ত সময়ত পত্নী ৰজস্বলা হলে পুনঃ ঋতুদান কৰিব।

ঋতুকালাভিগামী স্যাৎ স্বদাৰনিৰতঃ সদা।
পৰ্ব্ববৰ্জ্জং ব্ৰজেচ্চৈনাং তদ্ব্ৰতো ৰতিকাময়া॥ মনু॰ (৩।৪৫)॥
নিন্দ্যাস্বষ্টাসু চান্যাসু স্ত্রিয়ো ৰাত্রিষু বৰ্জ্জয়ন্।
ব্ৰহ্মচাৰ্য্যেব ভৱতি যত্র তত্রাশ্রমে ৱসন্॥ মনু॰ (৩।৫০)"

যি পত্নী-ব্ৰতী অৰ্থাৎ নিজ ভাৰ্য্যাতেই সন্তুষ্ট আৰু ঋতুগামী তেওঁ গৃহস্থ হৈও ব্ৰহ্মচাৰীয়েই।

সন্তুষ্টো ভাৰ্য্যয়া ভৰ্ত্তা ভৰ্ত্ৰা ভাৰ্য্যা তথৈৱ চ।
যস্মিন্নেৱ কুলে নিত্যং কল্যাণং তত্র ৱৈ ধ্রুৱম্॥১॥
যদি হি স্ত্রী ন ৰোচেত পুমাংসন্ন প্রমোদয়েৎ।
অপ্রমোদাৎ পুনঃ পুংসঃ প্রজনং ন প্রৱর্ত্ততে॥২॥
স্ত্রিয়াংতু ৰোচমানায়াং সর্ব্বং তদ্রোচতে কুলম্।
তস্যাং ত্বৰোচমানায়াং সর্ব্বমেৱ ন ৰোচতে॥৩॥
মনু॰ (৩।৬০-৬২)॥

যি পৰিয়ালত ভাৰ্য্যাৰ প্ৰতি পতি, আৰু পতিৰ প্ৰতি ভাৰ্য্যা সুপ্রসন্ন থাকে সেই পৰিয়ালত সকলো সুখ-সম্পদ আৰু ঐশ্বৰ্য্য লক্ষ্মী ৰিৰাজমান থাকে। য'ত সদায় কন্দল, তাত দুর্ভাগ্য আৰু দাৰিদ্র্যৰ স্থায়ী নিৱাস হয়॥ ১॥ পতিৰ প্ৰতি স্ত্রীৰ প্ৰীতি নেথাকিলে আৰু পতিক অসন্তুষ্ট কৰিলে কামোৎপত্তি নহয়॥ ২॥ স্ত্রী প্রসন্ন থাকিলে সমস্ত পৰিয়াল প্রসন্ন

থাকে, স্ত্রী অপ্রসন্ন হলে সমস্ত পৰিয়ালত অপ্রসন্নতা, অপায় অমঙ্গল আৰু অশান্তি হয়।

পিতৃভির্ভ্রাতৃভিশ্চৈতাঃ পতিভির্দেৱৰৈস্তথা।
পূজ্যা ভূষয়িতব্যাশ্চ বহুকল্যাণমীপ্সুভিঃ॥ ১॥
যত্র নার্য্যস্তু পূজ্যন্তে রমন্তে তত্র দেৱতাঃ।
যত্রৈতাস্তু ন পূজ্যন্তে সর্ব্বাস্তত্রাফলাঃ ক্রিয়াঃ॥ ২॥
শোচন্তি জাময়ো যত্র ৱিনশ্যত্যাশু তৎ কুলম্।
ন শোচন্তি তু যত্রৈতা ৱর্দ্ধতে তদ্ধি সর্ব্বদা॥ ৩॥
তস্মাদেতাঃ সদা পূজ্যা ভূষণাচ্ছাদনাশনৈঃ।
ভূতিকামৈ নৰৈর্নিত্যং সৎকাৰেষূৎসৱেষু চ॥৪॥মনু॰ (৩।৫৫। ৫৭।৫৯)॥

পিতা, ভ্রাতা, পতি আৰু দেৱৰ সকলোৱে নাৰীক সসম্মানে বস্ত্রালঙ্কাৰ আদিৰে প্রসন্ন ৰাখিব লাগে। যি নিজৰ মঙ্গল কামনা কৰে তেওঁলোকে এইদৰেই কৰা উচিত॥ ১॥ যি পৰিয়ালত স্ত্রীসকল সম্মানিত হয়, সেই পৰিয়ালৰ পুৰুষসকলো বিদ্বান হে দেৱতাৰ দৰে ক্রীড়া মগ্ন হৈ আনন্দিত হয়॥ ২॥ যি পৰিয়ালত ৰা কুলত স্ত্রীসকল শোকাতুৰা হৈ অশান্তিত থাকে, সেই কুল শীঘ্রে নষ্ট ভ্রষ্ট হৈ যায়। যি কুলত স্ত্রীসকল আনন্দ উৎসাহত থাকে, সেই কুলে দিনক দিনে উন্নতি কৰে। ৩॥ গতিকে উন্নতিকামী মানুহে উৎসৱ অনুষ্ঠান আদিত সকলো, আহাৰ, ভূষণ বস্ত্র আদিৰে স্ত্রীসকলক সদায় সম্মান কৰা উচিত। ৪॥

সকলোৱে মনত ৰখা উচিত যে পূজা শব্দৰ অর্থ হৈছে সম্মান। দিনটোৰ ভিতৰত প্রথম দেখাদেখি আৰু পৃথক হোৱাৰ সময়ত পৰস্পৰে প্রীতি শ্রদ্ধাৰে "নমস্তে" আদি শব্দৰে অভিবাদন কৰা উচিত।

সদাপ্রহৃষ্টয়া ভাৱ্যং গৃহকার্য্যেষু দক্ষয়া।
সুসংস্কৃতোপস্কৰয়া ৱ্যয়ে চামুক্তহস্তয়া॥ মনুঃ (৫।১৫০)॥

অতি প্রসন্ন মনেৰে গৃহ কর্ম্ম সমাধান কৰা, নিপুণতাৰে ঘৰৰ সকলো ৰন্ধৱস্তু পৰিকাৰ আৰু পৰিপাটিকৈ সজাই পৰাই ৰখা, ঘৰ

বিশুদ্ধ কবি ৰখা স্ত্রী সকলৰ পৰম কৰ্ত্তব্য। নাৰীসকল মিতব্যয়ী হব লাগে, ঘৰৰ খাদ্য সামগ্রীবে শুদ্ধ ভাবে বোগনাশক, পুষ্টিকৰ আৰু তৃপ্তিকৰ আহাৰ প্রস্তুত কৰিব পাৰিব লাগে। সকলো খৰচৰ হিচাব ৰাখি ঘৰৰ সকলোকে জনাব পাৰিব লাগে। গৃহত কৰ্ম্মচাৰী থাকিলে তেওঁলোকক পৰিচালনা কৰিব পাৰিব লাগে, গৃহৰ কোনো কৰ্ত্তব্য কৰ্ম্মই যাতে অৱহেলিত নহয়, তাৰো দায়িত্ব বুজিব পাৰিব লাগে।

স্ত্রিয়োৰত্নান্যথো বিদ্যা সত্যং শৌচং সুভাষিতম্।
বিবিধানি চ শিল্পানি সমাদেয়ানি সর্ব্বতঃ ॥ মনুঃ (২।২৪০) ॥

উত্তম স্ত্রী সকলে নানা প্রকাৰৰ ৰত্ন, বিদ্যা, সত্য, পবিত্রতা, শ্রেষ্ঠ-বাণী আৰু নানা প্রকাৰ শিল্প বিদ্যাও সকলোবে পৰা শিকিব লাগে।

সত্যং ব্রূয়াৎ প্রিয়ং ব্রূয়ান্ন ব্রূয়াৎ সত্যমপ্রিয়ম্।
প্রিয়ং চ নানৃতং ব্রূয়াদেষ ধর্ম্মঃ সনাতনঃ ॥ ১ ॥
ভদ্রং ভদ্রমিতি ব্রূয়াদ্ ভদ্রমিত্যেব বা বদেৎ।
শুষ্কবৈৰং বিবাদং চ ন কুর্য্যাৎ কেনচিৎ সহ ॥ ২ ॥
মনু০ ৪।১৩৮-১৩৯) ॥

সদায় পৰৰ হিতকৰ প্রিয় সত্য কব। অপ্রিয় সত্য (যেনে কণাক কণা) বুলিব নালাগে। অন্যক সন্তুষ্ট কৰিবলৈ মিছা কব নালাগে। সদায় ভদ্র অর্থাৎ সকলোৰে হিতৰ কথা কব। বিনা কাৰণত বা অপ-ৰাধত কাৰো লগত বিবাদ কৰিব নালাগে। যি আনৰ হিতকৰ, তাক অপ্রিয় হলেও নোকোৱাকৈ থাকিব নালাগে।

হে মহাৰাজ ধৃতৰাষ্ট্র! এই সংসাৰত অন্যক সন্তুষ্ট ৰাখিবৰ ৰাবে অনেক প্রিয়বাদী আৰু প্রশংসাকাৰী লোক আছে, কিন্তু শ্রুতিকটু অথচ হিতকৰ বাক্যৰ বক্তা আৰু শ্রোতা দুর্লভ। কাৰণ আনৰ দোষৰ কথা আগত কোৱা, নিজৰ দোষ শ্রৱণ কৰা আৰু পৰোক্ষত (পাছত) আনৰ প্রশংসা কৰা সৎপুৰুষবহে কর্ত্তব্য। সম্মুখত গুণ বর্ণনা কৰা আৰু পৰোক্ষত দোষৰ নিন্দা কৰা দুর্জ্জনৰ কাম। যেতিয়াৰৈকে মানুহে নিজৰ

দোষ আনৰ আগত প্রকাশ নকৰে সেই পর্য্যন্ত মানুহ দোষমুক্ত হৈ গুণৱান হ'ব নোৱাৰে। গতিকে কাৰো নিন্দা কৰা ভাল নহয়। যেনেঃ—

"গুণেষু দোষাৰোপণমসূয়া" অর্থাৎ "দোষেষু গুণাৰোপণমপ্যসূয়া" "গুণেষু গুণাৰোপনম্ দোষেষু দোষাৰোপণং চ স্তুতিঃ। গুণত দোষা-ৰোপ কৰা আৰু দোষত গুণাৰোপ কৰাকে নিন্দা বোলে। গুণত গুণাৰোপ আৰু দোষত দোষাৰোপ কৰাক স্তুতি বোলে। মিথ্যা কথনৰ নাম নিন্দা আৰু যথার্থ বা সত্য কথনৰ নাম স্তুতি।

বুদ্ধিরুদ্ধিকৰাণ্যাশু ধন্যানি চ হিতানি চ।
নিত্যং শাস্ত্রাণ্যাৰেক্ষেত নিগমাংশ্চৈব বৈদিকান্ ॥ ১ ॥
যথা যথা হি পুরুষঃ শাস্ত্রং সমধিগচ্ছতি।
তথা তথা বিজানাতি বিজ্ঞানং চাস্য বোচতে ॥ ২ ॥
মনু০ (৪।১৯-২০) ॥

বুদ্ধি, ধন আৰু কল্যাণ হুৱন্তে বৃদ্ধিকাৰী শাস্ত্র সাহিত্য আৰু বেদ সদায় শুনিব লাগে আৰু আনকো শুনাব লাগে। ব্রহ্মচর্য্য আশ্রমত অধ্যয়ন কৰা বিষয়বোৰ স্ত্রী-পুৰুষ সকলোৱে সদায় বিবেচনা কৰিব লাগে আৰু আনকো পঢ়াব লাগে। ১ ॥ মানুহে যিমানেই পঢ়ে, শিকে সিমানেই তেওঁলোকৰ জ্ঞান বিজ্ঞান বাঢ়ি থাকে আৰু তাৰ প্রতি অনুৰাগো বাঢ়ি গৈ থাকে। ২॥

ঋষিযজ্ঞং দেৱযজ্ঞং ভূতযজ্ঞং চ সর্ব্বদা।
নৃযজ্ঞং পিতৃযজ্ঞং চ যথাশক্তি ন হাপয়েৎ মনু০ (৪।২১)॥
অধ্যাপনং ব্রহ্মযজ্ঞঃ পিতৃযজ্ঞস্তু তর্পণম্।
হোমোদৈৱো বলিৰ্ভৌতো নৃযজ্ঞোঽতিথি পূজনম্ ২ ॥
মনু০ (৩।৭০)॥
স্বাধ্যায়েনার্চ্চয়েদৃষীন্ হোমৈ র্দেৱান্ যথাবিধি।
পিতৃন্ শ্রাদ্ধৈশ্চ নৃনন্নৈর্ভূতানি বলিকর্ম্মণা ॥ ৩ ॥
মনু০ (৩।৮১)

ব্রহ্মচর্য্য আশ্রমৰ বিষয়ত দুই যজ্ঞৰ কথা লিখা হৈছে : (১) অধ্যয়ন, অধ্যাপনা, সন্ধ্যোপাসনা আৰু যোগাভ্যাস ব্রহ্মযজ্ঞ। (২) অগ্নিহোত্র, বিদ্বানসকলৰ সঙ্গসেৱা, আত্মসংশোধন, দিব্যগুণধাৰণ, দান, বিদ্যানুষ্ঠান আদি দেৱযজ্ঞ। এই দুই যজ্ঞ সায়ং প্রাতঃ দৈনিক কৰিব লাগে।

সায়ং সায়ং গৃহপতির্নো অগ্নিঃ প্রাতঃ প্রাতঃ সৌমনস্য দাতা।
প্রাতঃ প্রাতর্গৃহপতির্নো অগ্নিঃ সায়ং সায়ং সৌমনস্য দাতা॥

অ০ কাং ১৯। অনু০ ৭। ম০ সূ০ ৩।৪॥

তস্মাদহোরাত্রস্য সংযোগে ব্রাহ্মণঃ সন্ধ্যামুপাসীত।
উদ্যন্তমস্তং যান্তমাদিত্যমভিধ্যায়ন্॥ ৩॥

ব্রাহ্মণে (ষড়বিংশ ব্রাহ্মণে। প্র০ ৪। খ০ ৫)॥

ন তিষ্ঠতি তু যঃ পূর্ব্বাং নোপাস্তে যস্তু পশ্চিমাম্।
স শূদ্রবৎ বহিষ্কার্য্যঃ সর্ব্বস্মাদ দ্বিজকর্ম্মণঃ॥ ৪॥

মনু০ (২।১০৩)॥

প্রতিদিনে সন্ধ্যাকালত অগ্নিত নিক্ষেপ কৰা দ্রব্যই পিচদিনা পুৱালৈকে বায়ু শুদ্ধ ৰাখি স্বাস্থ্য ৰক্ষা কৰে॥ ১॥ সেইদৰে প্রাতঃকালত কৰা হোমৰ হুত দ্রব্যয়ো সন্ধ্যালৈকে বায়ু শুদ্ধ কৰি স্বাস্থ্যৰক্ষাত সহায় কৰে। ২॥ এই উদ্দেশ্যতেই দিন আৰু ৰাতিৰ সন্ধিকালত অর্থাৎ সূর্য্যৰ উদয় আৰু অস্তৰ সময়ত পৰমাত্মাৰ ধ্যান আৰু অগ্নিহোত্র কৰা পৰম কর্ত্তব্য। ৩॥ যি সায়ং আৰু প্রাতঃকালত এই দুই নিত্যকর্ম্ম নকৰে, তেওঁক সৎসমাজে সকলো দ্বিজ কর্ম্মানুষ্ঠানৰ পৰা বহিষ্কাৰ কৰিব লাগে, অর্থাৎ তেওঁক শূদ্রবৎ বিবেচনা কৰিব লাগে। ৪॥

প্রশ্ন ঃ—দিনত তিনিবাৰকৈ সন্ধ্যা কৰিব লেলাগে কিয়?

উত্তৰ ঃ—যিহেতু তিনিবাৰ সন্ধি নহয়। দিনটোত প্রকাশ আৰু অন্ধকাৰৰ সন্ধি মাত্র দুবাৰ হে হয়। যিসকলে তিনিবাৰ সন্ধ্যা, অর্থাৎ মধ্যাহ্ন বা দুপৰীয়াতো সন্ধ্যা কৰে, তেওঁলোকে মাজৰাতিও সন্ধ্যা নকৰক কিয়?

আৰু মধ্যাহ্ন বা মধ্যৰাত্রিত সন্ধ্যা কৰিব লাগিলে, প্রত্যেক প্রহৰ আৰু ঘটিকাৰ সন্ধিতো সন্ধ্যা কৰিব লাগিব। এনেকুৱা হব নোৱাৰে আৰু ই সম্ভৱো নহয়। মধ্যাহ্ন সন্ধ্যাৰ শাস্ত্রবিধিও নাই। গতিকে দুবাৰ সন্ধ্যা কৰাই সঙ্গত। ভূত, ভবিষ্যত আৰু বর্ত্তমানৰ ভেদতহে তিনিটা কাল হয়, সন্ধ্যা উপাসনাৰ ভেদত নহয়।

(৩) **তৃতীয়তে পিতৃযজ্ঞ**— মাতা পিতা, জ্ঞানী, বৃদ্ধ, ঋষি, যোগী সকলৰ সেৱা সৎকাৰ। পিতৃযজ্ঞৰ ভিতৰত শ্রাদ্ধ, আৰু তর্পণ দ্বিবিধ। "শ্রৎ" মানে সত্য। "শ্রৎ সত্যং দধাতি যয়া ক্রিয়য়া সা শ্রদ্ধা, শ্রদ্ধয়া যৎ ক্রিয়তে তচ্ছ্রাদ্ধম্।" যি ক্রিয়াৰে সত্যৰ গ্রহণ হয় তাক শ্রদ্ধা বোলে, আৰু শ্রদ্ধাৰে যি কর্ম্ম অনুষ্ঠান কৰা হয় তাকেই শ্রাদ্ধ বোলে।

"তৃপ্যন্তি তর্পয়ন্তি যেন পিতৃন্ তত্তর্পণম্"—যিবোৰ কর্ম্ম আচৰণৰ দ্বাৰাই মাতা, পিতা, জ্ঞানী বৃদ্ধ আদি পিতৃবগণৰ তৃপ্তি হয় বা প্রসন্ন হয় তাৰ নাম তর্পণ। সেই তর্পণ জীৱিত সকলৰহে, মৃতসকলৰ হব নোৱাৰে।

অথ দেৱতর্পণম্

ওম্ ব্রহ্মাদয়ো দেবাস্তৃপ্যন্তাম্। ব্রহ্মাদিদেৱপত্ন্যস্তৃপ্যন্তাম্।
ব্রহ্মাদিদেৱসুতাস্তৃপ্যন্তাম্। ব্রহ্মাদিদেৱগণাপ্যন্তাম্।

ইতি দেৱতর্পণম।

"বিদ্বাংসো হি দেবাঃ"—এই শ'ল শত পথ ব্রাহ্মণৰ বচন। বিদ্বান সকলকেই দেৱতা বোলে। যি সাঙ্গোপাঙ্গ চাৰিবেদৰ জ্ঞাতা তেওঁক ব্রহ্মা বোলে। যি সকল ব্রহ্মাতকৈ জ্ঞানত কম সেই সকলক বিষ্ণু বোলে। সেই দৰেই নাৰীৰ ক্ষেত্রত পূর্ণ বিদুষী হলে ব্রাহ্মণী আৰু কম হলে দেৱী বোলা হয়। সেই সকলৰ সদৃশ পুত্র, শিষ্য, গণ অর্থাৎ সেৱক সকলৰ যথাযোগ্য সেৱা সৎকাৰ কৰাকেই শ্রাদ্ধ আৰু তর্পণ বোলে।

অথ ঋষিতর্পণম্

ওঁ মরীচ্যাদয় ঋষয়স্তৃপ্যন্তাম্। মরীচ্যাদ্যৃষিপত্ন্যস্তৃপ্যন্তাম্। মরীচ্যাদ্যৃষিসুতাস্তৃপ্যন্তাম্। মরীচ্যাদ্যৃষিগণাস্তৃপ্যন্তাম্॥

ইতি ঋষিতর্পণম্।

ব্রহ্মার প্রপৌত্র মরীচির দরে বিদ্বান হৈ যিসকলে অধ্যাপনা অর্থাৎ শিক্ষা দান করে, আরু সেই সকলর দরেই বিদুষী পত্নীসকলে কন্যাবোরক বিদ্যাদান করে, সেই সকলর দরে আদর্শ পুত্র, শিষ্য আরু অনুযায়ী সকলর শ্রদ্ধা সম্মান করার নাম ঋষি তর্পণ।

অথ পিতৃতর্পণম্

ওঁ সোমসদঃ পিতরস্তৃপ্যন্তাম্। অগ্নিষ্বাত্তাঃ পিতরস্তৃপ্যন্তাম্। বর্হিষদঃ পিতরস্তৃপ্যন্তাম্। সোমপাঃ পিতরস্তৃপ্যন্তাম্। হবির্ভুজঃ পিতরস্তৃপ্যন্তাম্। আজ্যপাঃ পিতরস্তৃপ্যন্তাম্। সুকালিনঃ পিতরস্তৃপ্যন্তাম্ যমাদিভ্যো নমঃ যমাদীংস্তর্পয়ামি। পিত্রে স্বধা নমঃ পিতরং তর্পয়ামি। পিতামহায় স্বধা নমঃ পিতামহং তর্পয়ামি। (প্রপিতামহায় স্বধা নমঃ প্রপিতামহং তর্পয়ামি)। মাত্রে স্বধা নমো মাতরং তর্পয়ামি। পিতামহ্যৈ স্বধা নমঃ পিতামহীং তর্পয়ামি। (প্রপিতামহ্যৈ স্বধা নমঃ প্রপিতামহীং তর্পয়ামি)। স্বপত্ন্যৈ স্বধা নমঃ স্বপত্নীং তর্পয়ামি। সম্বন্ধিভ্যঃ স্বধা নমঃ সম্বন্ধিনস্তর্পয়ামি। সগোত্রেভ্যঃ স্বধা নমঃ সগোত্রাংস্তর্পয়ামি। ইতি পিতৃতর্পণম্।

"যে সোমে জগদীশ্বরে পদার্থবিদ্যায়াঞ্চ সীদন্তি তে সোমসদঃ" যিসকল পরমতত্ত্ব আরু পদার্থবিদ্যাবিষয়ত নিপুণ সেইসকল সোমসদ। "যৈরগ্নের্বিদ্যুতো বিদ্যা গৃহীতা তেঽগ্নিষ্বাত্তাঃ"—যিসকল অগ্নি অর্থাৎ বিদ্যুৎ আদি পদার্থর জ্ঞাতা সেইসকল অগ্নিষ্বাত্তাঃ। "যে বর্হিষি উত্তমে ব্যবহারে সীদন্তি তে বর্হিষদঃ—যিসকল উত্তম বিদ্যাবুদ্ধিযুক্ত কার্য্যত নিযুক্ত সেই সকল বর্হিষদ। "যে সোমৈশ্বর্য্যমোষধিরসং বা পান্তি পিবন্তি বা তে

সোমপাঃ"—যিসকল ঐশ্বর্য্যর রক্ষক আরু মহৌষধি রস পান দ্বারা রোগমুক্ত হয়, আরু যিসকল ঐশ্বর্য্য রক্ষকে অন্যকো ঔষধ প্রদান করি আরোগ্য করে সেইসকল সোমপা। "যে হবির্হোতুমর্হং ভুঞ্জতে ভোজয়ন্তি বা তে হবির্ভুজঃ" যি সকলে মাদক পদার্থ আরু হিংসা লব্ধ দ্রব্য ত্যাগ করি আহার করে সেই সকল হবির্ভুজঃ। "য আজ্যং জ্ঞাতুং প্রাপ্তুং বা যোগ্যং রক্ষন্তি বা পিবন্তি ত আজ্যপাঃ— যি সকল জ্ঞাতব্য বস্তুর রক্ষক, আরু ঘৃত দুগ্ধাদি ভোজী সেই সকল আজ্যপা। "শোভনঃ কালো বিদ্যতে যেষাং তে সুকালিনঃ"—সৎ আরু সদানুষ্ঠানর দ্বারা যার সময় উদ্যোগ আনন্দত ব্যতীত হয় সেই সকল সুকালিন। "যে দুষ্টান্ যচ্ছন্তি নিগৃহ্ণন্তি তে যমাঃ ন্যায়াধীশাঃ"— যি সকলে দুষ্টক দণ্ড দিয়ে আরু সন্তসকলক প্রতিপালন করে আরু যি সকল ন্যায়পরায়ণ সেই সকল যম। "যঃ পাতি সঃ পিতা"— যি অন্ন আশ্রয় ভরণপোষণ করে, রক্ষা করে, অথবা জন্মদাতা তেওঁ পিতা। "পিতুঃ পিতা পিতামহঃ"। "পিতামহস্য পিতা প্রপিতামহঃ"— যি পিতার পিতা তেওঁ পিতামহ। যি পিতামহর পিতা তেওঁ প্রপিতামহ। "যা মানয়তে সা মাতা" যি আহার স্নেহর উদারতাবে মান্য করে তেওঁ মাতা। "যা পিতুর্মাতা সা পিতামহী"। "পিতামহস্য মাতা প্রপিতামহী"— যি পিতার মাতা তেওঁ পিতামহী, আরু পিতামহীর মাতা প্রপিতামহী। আত্মীয় সগোত্র বা অনাত্মীয় অগোত্রর ভদ্র বৃদ্ধ সকলক শ্রদ্ধারে আহার বস্ত্র অর্থ আদি সকলো সম্ভরপর সেবা শুশ্রূষা করি তৃপ্ত করে সেয়েই শ্রাদ্ধ আরু তর্পণ। যি কার্য্যর দ্বারা তৃপ্ত হয় সেয়ে তর্পণ আরু কারো প্রতি শ্রদ্ধারে শ্রেয় বা হিত করা হয় সেয়েই শ্রাদ্ধ।

(৫) চতুর্থতে বৈশ্বদেব যজ্ঞ—সিদ্ধ বা প্রস্তুত অন্ন অর্থাৎ টেঙা, ক্ষার, লবণ নোহোরা অন্ন, রন্ধন শালর প্রজ্বলিত অগ্নি পৃথক করি সেই স্থানত দিয়া মন্ত্র পাঠ করি আহুতি দি অন্ন ভাগ করিব লাগে—

"বৈশ্বদেবস্য সিদ্ধস্য গৃহেঽগ্নৌ বিধিপূর্ব্বকম্ ।
আভ্যঃ কুর্য্যাদ্দেবতাভ্যো ব্রাহ্মণো হোমমহন্যহন্যম্ ॥ মনুঃ (৩।৮৪) ॥

ভোজনব কাবণে যি অন্ন প্রস্তুত কবা হয় তাব দিব্য গুণব কাবণে সেই পাকাগ্নিত তলত লিখা মন্ত্রবে বিধিপূর্ব্বক নিত্য অর্থাৎ দৈনিক হোম কবিব লাগে ।

হোমব মন্ত্র

ওঁ অগ্নয়ে স্বাহা। সোমায় স্বাহা। অগ্নীষোমাভ্যাং স্বাহা। বিশ্বেভ্যো দেবেভ্যঃ স্বাহা। ধন্বন্তবয়ে স্বাহা। কুহৈব স্বাহা। অনুমত্যৈ স্বাহা। প্রজাপতয়ে স্বাহা। সহ দ্যাবাপৃথিবীভ্যাং স্বাহা। স্বিষ্টকৃতে স্বাহা।

এই ওপবব প্রতিটো মন্ত্রবে একোবাবকৈ প্রজ্বলিত অগ্নিত আহুতি দিব। তাব পাছত কাঁহী বা পাত পাবি পূবৰপবা যথাক্রমে এইবোব মন্ত্র পাঠ কবি পক্ক অন্ন একো ভাগ থৈ যাবঃ—

ওম্ সানুগায়েন্দ্রায় নমঃ। সানুগায় যমায় নমঃ। সানুগায় বরুণায় নমঃ। সানুগায় সোমায় নমঃ। মরুদ্ভ্যো নমঃ। অদ্ভ্যো নমঃ। বনস্পতিভ্যো নমঃ। শ্রিয়ৈ নমঃ। ভদ্রকাল্যৈ নমঃ। ব্রহ্মপতয়ে নমঃ। বাস্তুপতয়ে নমঃ। বিশ্বেভ্যো দেবেভ্যো নমঃ। দিবাচবেভ্যো ভূতেভ্যো নমঃ। নক্তংচাবিভ্যো ভূতেভ্যো নমঃ। সর্ব্বাত্মভূতয়ে নমঃ।

এই ভাগবোবেবে কোনো অতিথি সৎকাব কবিব পাবে, নহলে অগ্নিত দিব। তাব পাছত লবণান্ন অর্থাৎ দাইল, ভাত, শাক আদিবে মাটিত ছয় ভাগ বাখিব লাগে। ইয়াব প্রমাণঃ—

শুনাং চ পতিতানাঞ্চ শ্বপচাং পাপরোগিণাম্।
বায়সানাং কৃমীণাঞ্চ শনকৈর্নির্ব্বপেদ্ভুবি॥ মনুঃ (৩।৯২) ॥

এইদবে "শ্বভ্যো নমঃ", "পতিতেভ্যো নমঃ", "শ্বপগভ্যো নমঃ", "পাপবোগিভ্যো নমঃ", "বায়সেভ্যো নমঃ, "কৃমিভ্যো নমঃ, বুলি পৃথক

পৃথক্ ভাগ বাখি, পাছত দুখীয়া, মগনীয়া অথবা কুকুব, কাউবী আদিক দিব। এই ক্ষেত্রত নমঃ শব্দব অর্থ অন্নবোধক। কুকুব, পাপী, চাণ্ডাল, পাপবোগী, কাউবী, কৃমি অর্থাৎ পোক-পকবা আদিকো আহাব দিয়াব বিধি মনুস্মৃতি আদি শাস্ত্রত আছে। পাকঘবত হোম কবাব প্রয়োজন হৈছে পাক ঘবব বায়ু শুদ্ধ কবা, আহাবব কাবণে যিবোব অজ্ঞাত অদৃষ্ট প্রাণীব হত্যা হয়, সেইবোবব, বাবে প্রত্যুপকাব কবি আৰু অগ্নি-বায়ুব যোগেদি সমভাবে বিশ্বজগতক যথা সম্ভব অবদান যোগোৱা।

(৫) পঞ্চমতে **অতিথি পুজা বা নৃযজ্ঞ**—যি অনির্দ্ধাবিত দিন বাব তিথিত আৰু আমন্ত্রণ নোহোৱাকৈ উপস্থিত হয় তাকেই অতিথি বোলে। কোনো ধর্ম্মপবায়ণ, সত্যান্বেষী, সমাজব হিতার্থে ভ্রমণকাবী বিদ্বান, যোগী, সন্ন্যাসী অকস্মাৎ গৃহস্থব ঘবত উপস্থিত হলে তেওঁব প্রথমতে পাদ্য, অর্ঘ্য আৰু আচমনীয় এই তিনি কর্ম্মব বাবে জল দি, সসম্মানে বহুবাই যথাযোগ্য আহাব পানীবে শুশ্রূষা আৰু সন্তুষ্ট কবিব লাগে। তাব পাছত তেওঁব সঙ্গত ধর্ম্ম, অর্থ, কাম মোক্ষ জনক জ্ঞান-বিজ্ঞান আদিব উপদেশ শুনি সেই মতে আচবণ কবিব লাগে। সময় অনুসাবে যেই কোনো অতিথি শুশ্রূষা আৰু সম্মানব যোগ্য। কিন্তু :—

পাষণ্ডিনো বিকর্ম্মস্থান্ বৈড়ালব্রতিকান্ শঠান্।
হৈতুকান্ বকব্রতাংশ্চ বাঙ্মাত্রেনাপি নার্চ্চয়েৎ॥ মনুঃ (৪।৩০)

পাষণ্ডী অর্থাৎ ভ্রষ্টাচাবী বা নৈতিক অধঃপতিত, বিকর্ম্মস্থ নিকৃষ্ট বা বেদ বিকৃদ্ধ আচবণকাবী, বিড়ালবৃত্তিক অর্থাৎ বিড়াল তপস্বী, শঠ অর্থাৎ দুবাগ্রহী, গর্ব্বিত, নিজে নেজানে আৰু আনকে নোসোধে, অর্থাৎ কুতর্কী, পক্ষপাতী, বাদী, আৰু বকবৃত্তি অর্থাৎ বক-ভাগহী, বা সন্ন্যাসীব ভেশধৰি ভৌতিকা অর্জ্জনকাবী, এনেবোবক কথাবেও মিষ্টভাষ্যৰ্থনা কবা অনুচিত। কাবণ তেওঁলোকক সম্মান সুবিধা দিলে উৎসাহহে পায় আৰু দুকর্ম্মক প্রশ্রয় দিয়া হয়।

এই পঞ্চমহাযজ্ঞব ফলঃ—ব্রহ্মযজ্ঞব দ্বাবা জ্ঞান, বিদ্যা, ধর্ম্ম, কর্ম্ম,

সত্যতা আদি সৎগুণৰ বিস্তাৰ হয়। দেবযজ্ঞৰ দ্বাৰা জগতৰ বায়ু বৃষ্টি শুদ্ধি হয়। জল বায়ু আৰু তাপেই জগতৰ চৰ অচৰ সকলো প্ৰাণীৰ প্ৰাণ। দেবযজ্ঞ জগতৰ হিতৰ কাৰণেই কৰা হয়। জল বায়ু আৰু তাপেই জগতৰ হিত আৰু অহিতৰ কাৰণ। এই দেবযজ্ঞ বা হোম মানৱতাৰ সৰ্ব্বশ্ৰেষ্ঠ কৰ্ম্ম, আৰু তাক ব্যক্তিগত স্বাৰ্থৰ কাৰণে কৰা নহয়। হোমাগ্নিৰ গুণ, প্ৰভাৱ বায়ু যোগে বিশ্ব আকাশত জগতৰ কাৰণে বিস্তাৰিত হৈ জগতৰ উন্নতি সাধন কৰে। ইয়াৰ ফলাফল, ব্যক্তি, পৰিয়াল, জাতি বা সম্প্ৰদায়ত সীমিত নেথাকে। ইয়াৰ দ্বাৰাই সকলোৰে ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ সাধন হয়। পিতৃযজ্ঞ— মাতা, পিতা, জ্ঞানী, সৎ পুৰুষৰ সেৱা শুশ্ৰূষা আৰু সঙ্গ ললে নিজৰ জ্ঞানবৃদ্ধি আৰু ভৱিষ্যত হিত সাধন কৰিব পাৰি, সেই সকলৰ গুণেৰে নিজক গুণৱান, আৰু সত্য অসত্যৰ উপলব্ধি কৰিব পাৰি। দ্বিতীয়তে মাতা, পিতা, জ্ঞানী সকলৰ মহা উপকাৰৰ কৃতজ্ঞতা প্ৰকাশ কৰাও হয়। কাৰণ মাতা, পিতা আৰু সৎ পুৰুষ সকলে কৰা উপকাৰতকৈ সংসাৰত শ্ৰেষ্ঠ উপকাৰ একো থাকিব নোৱাৰে। বলি বৈশ্বদেৱ যজ্ঞৰ বিষয়ে আগতে লিখা হৈছে। আচলতে শ্ৰেষ্ঠ অতিথি সেই সকল, যি জ্ঞানৰ বাবে কৰা অনুষ্ঠানৰ কাৰণে নানা ঠাই প্ৰব্ৰজন কৰে, সত্য অসত্যৰ অভিজ্ঞতা লাভ কৰে, সেই সকলৰ আতিথ্য সৎকাৰ কৰি পৰম উপকৃত হব পাৰি। আৰু তেনে পুৰুষৰ আতিথ্যত ঘৰৰ আৰু ওচৰৰ সকলোৱে লাভৱান হব পাৰে। তেনে জ্ঞানী পুৰুষ নাপালে সংশয় নিবৃত্তি হব নোৱাৰে আৰু সংশয় দূৰ নহলে বুদ্ধি স্থিৰ আৰু উৎপ্ৰেৰণা জাগ্ৰত হব নোৱাৰে।

ব্ৰাহ্মেমুহূৰ্ত্তে বুধ্যেত ধৰ্ম্মার্থৌ চানুচিন্তয়েৎ।
কায়ক্লেশাংশ্চ তন্মূলান্ বেদৱত্ত্বার্থমেব চ॥ মনু॰ (৪।৯২)॥

ৰাতিৰ চতুৰ্থ প্ৰহৰ বা চাৰিটা বজাৰ সময়ত উঠি নিত্যকৰ্ম্ম শেষ কৰি ধৰ্ম্ম, অৰ্থ, স্বাস্থ্য ৰক্ষাৰ হেতু পৰমাত্মাৰ ধ্যান কৰা আৱশ্যক। অধৰ্ম্মাচৰণ কৰিব নেলাগে কাৰণ :—

নাধৰ্ম্মশ্চৰিতো লোকে সদ্যঃ ফলতি গৌৰিব।
শনৈৰাৱৰ্ত্তমানস্তু কৰ্ত্তুর্মূলানি কৃন্ততি॥ মনু॰ (৪।১৭২)॥

অৰ্থ—অধৰ্ম্মৰ ফল কেতিয়াও ব্যৰ্থ নহয়। অধৰ্ম্মৰ ফল থিতাতে অৰ্থাৎ লগে লগে নঘটে। সেই কাৰণে অজ্ঞানী মানুহে অধৰ্ম্মৰ কাৰণে ভয় নকৰে। কিন্তু নিশ্চয়কৈ জনা উচিত যে অধৰ্ম্মৰ ফলে, পলমকৈ হলেও, নিৰ্ম্মূলকৈ ধ্বংস কৰিব। এই নীতি অনুসাৰে :—

অধৰ্ম্মেণৈধতে তাৱত্ততো ভদ্ৰাণি পশ্যতি।
ততঃ সপত্নাঞ্জয়তি সমূলস্তু বিনশ্যতি॥ মনু॰ (৪।১৭৪)॥

পাৰ ভাগিলে যেনেকৈ পুখুৰীৰ পানী ওলাই চাৰিওফালে বিয়পি প্লাৱন কৰে সেইদৰে ধৰ্ম্মৰ নৈতিক মৰ্য্যাদা ভঙ্গ কৰি অধৰ্ম্মী মানুহে মিছা কথা কৈ অন্যায় অধৰ্ম্ম আদিৰ আচৰণ অৰ্থাৎ বেদাদি উলঙ্ঘন কৰি আৰু পৰস্ব অপহৰণ কৰি গৌৰৱ অভিমান কৰে, ঐশ্বৰ্য্যৰ আৰু প্ৰভুত্বৰ অনুভৱ কৰে, কিন্তু অন্তত এদিন সবংশে নিৰ্ম্মূল হয়। এয়েই সৃষ্টিৰ নীতি।

সত্যধৰ্ম্মার্য্যৱৃত্তেষু শৌচে চৈৱাৱমেৎ সদা।
শিষ্যাংশ্চ শিষ্যাদ্ধৰ্ম্মেণ ৱাগ্বাহুদৰ সংযতঃ॥ মনু॰ (৪।১৭৫)॥

আৰ্য্য মানে সভ্য। আৰ্য্য শিক্ষকে যে সত্য ধৰ্ম্ম অৱলম্বন কৰি চলে, শিষ্যসকলেও সেইদৰে মুখ-পেট সংযত কৰি সেই ধৰ্ম্ম আচৰণ কৰাই হিতকৰ।

ঋত্বিক্ পুৰোহিতাচার্য্যৌ মাতুলাতিথিসংশ্ৰিতৈঃ।
বালৱৃদ্ধাতুৰৈ ৰ্বৈদ্যৈর্জ্ঞাতিসম্বন্ধিবান্ধৱৈঃ॥ ১॥
মাতাপিতৃভ্যাং যামীভির্ভ্রাত্ৰা পুত্ৰেণ ভার্য্যয়া।
দুহিত্ৰা দাসৱৰ্গেণ ৱিৱাদং ন সমাচৰেৎ॥ ২॥ মনুঃ (১৭৯-১৮০)॥

যজ্ঞকৰ্ত্তা, ভৱিষ্যত হিতৰ শিক্ষাদাতা, শিক্ষাগুৰু, মোমাই, আলহী, শৰণাৰ্থী, বালক, বৃদ্ধ বা প্ৰাচীন পীড়িত, চিকিৎসক, সগোত্ৰ বা সবৰ্ণ, সম্বন্ধিত, মিত্ৰ, মা, পিতা, বাই-ভনী, ককাই-ভাই, পত্নী,

কন্যা, আৰু সেৱক বা পৰিচাৰ্য্যাকৰ লগত কেতিয়াও বিবাদ, কন্দল কৰা অনুচিত। ১।২

অতপাস্তুনধীয়ানঃ প্রতিগ্রহরুচির্দ্বিজঃ।
অন্তস্যাপ্লবেনৈব সহ তেনৈব মজ্জতি॥ মনু॰ (৪।১৯০)॥

ব্রহ্মচর্য্য আদি তপস্যা নকৰা, অধ্যয়ন নকৰা, যি অতিপাত্ত দান গ্রহণ কৰে, এই তিনি প্রকাৰৰ দ্বিজ শিলৰ নৌকাত উঠি সাগৰ পাৰ হোৱাৰ দৰে, নিজৰ দুষ্কৰ্ম্মৰ সাগৰত ডুব যায়, আৰু লগত দাতা সকলকো ডুবায়।

ত্রিষ্বপ্যেতেষু দত্তং হি বিধিনাপ্যর্জ্জিতং ধনম্।
দাতুর্ভবত্যনর্থায় পরত্রাদাতুরেব চ॥ মনু॰ (৪।১৯৩)

যি ন্যায় ধর্ম্মৰে উপার্জ্জন কৰা ধন ওপৰত কোৱা তিনি প্রকাৰ দ্বিজক দান কৰে তেওঁৰ এই জন্মতেই আৰু দান গ্রহণ কৰোতাৰ পৰজন্মত নাশ ঘটে। তাৰ ফলত কি হয়?

যথা প্লবেনোপলেন নিমজ্জত্যুদকে তরন্।
তথা নিমজ্জতোঽধস্তাদজ্ঞৌ দাতৃপ্রতীচ্ছকৌ॥ মনু॰ (৪।১৯৪)

যেনেকৈ শিলৰ ভূৰৰ যাত্রী জলমগ্ন হয়, সেইদৰে অজ্ঞানী দাতা আৰু গ্রহীতা দুয়োৰো অধোগতি হয়।

পাষণ্ডৰ লক্ষণ

ধর্ম্মধ্বজী সদা লুব্ধশ্ছাদ্মিকো লোকদম্ভকঃ।
বৈড়ালব্রতিকো জ্ঞেয়ো হিংস্রঃ সর্ব্বাভিসন্ধকঃ॥ ১॥
অধোদৃষ্টির্নৈষ্কৃতিকঃ স্বার্থসাধনতৎপরঃ।
শঠো মিথ্যাবিনীতশ্চ বকব্রতচরো দ্বিজঃ॥ ২॥
মনু॰ (৪।১৯৫।১৯৬)॥

ধর্ম্মৰ নাম আৰু দোহাই দি ফুৰা, সদায় লুব্ধীয়া, কপট, ভেশচনকাৰী, অহংকাৰ বা ফুতনিকাৰী, মিছলীয়া, পৰস্ত্রীকাতৰ, উত্তম আৰু অধম দুই জনীয়া, আৰু বিড়াল তপস্বীৰ বুলি ধৰিব লাগে। যি স্বার্থৰ কাৰণে নীচ আৰু জঘন্য আচৰণ কৰে, যি ঈর্ষাযুক্ত, আৰু পৰৰ ক্ষুদ্র দোষক ডিঙৰ,পৰা ডাল কৰে, স্বার্থৰ কাৰণে পৰৰ অনিষ্ট কৰে, নিজৰ দোষ ভুল স্বীকাৰ কৰিব নোখোজে, বাহিৰত দেখুৱাই শিষ্টাচাৰ কৰে, তেওঁক বক বৃত্তি ধাৰী বুলি জানিবা। এইবোৰ লক্ষণৰ মানুহক পাষণ্ড বোলে। তেওঁলোকক কেতিয়াও বিশ্বাস আৰু সম্মান কৰিব নালাগে।

ধর্ম্মং শনৈঃ সঞ্চিনুয়াদ্বল্মীকমিব পুত্তিকাঃ।
পরলোকসহায়ার্থং সর্ব্বভূতান্যপীড়য়ন্॥১॥
নামুত্র হি সহায়ার্থং মাতা পিতা চ তিষ্ঠতঃ।
ন পুত্রদারং ন জ্ঞাতি র্ধর্ম্মস্তিষ্ঠতি কেবলঃ॥২॥
একঃ প্রজায়তে জন্তুরেক এব প্রলীয়তে।
একোনুভুঙ্‌ক্তে সুকৃতমেক এব চ দুষ্কৃতম্॥৩॥
মনু॰ ২৩৮।২৪০

একঃ পাপানি কুরুতে ফলং ভুঙ্‌ক্তে মহাজনঃ।
ভোক্তারো বিপ্রমুচ্যন্তে কর্ত্তা দোষেণ লিপ্যতে॥৪॥
(মহাভাৰত উদ্যোগ প॰ প্রজাগৰ প॰। অ॰ ৩২।

মৃতং শরীরমুৎসৃজ্য কাষ্ঠলোষ্ট্রসমং ক্ষিতৌ।
বিমুখা বান্ধবা যান্তি ধর্ম্মস্তমনুগচ্ছতি—॥৫॥ মনু॰ ৪।২৪১।

উয়ে যেনেকৈ হাফলু প্রস্তুত কৰে, সেই দৰে কোনেও কাৰো উৎপীড়ন নকৰাকৈ পৰলোক বা পৰজন্ম উন্নত কৰিবলৈ ধর্ম্ম সঞ্চয় কৰা কর্ত্তব্য। ১॥ পৰলোকত আতা, পিতা, পুত্র, স্ত্রী, পতি, আৰু জাতি কোনেও সহায় কৰিব নোৱাৰে—কেৱল ধর্ম্মইহে সহায় কৰিব পাৰে। ২॥ জীৱই অকলে জন্ম লয় অকলেই মৰে, আৰু অকলেই নিজৰ ধর্ম্মৰ ফল সুখ আৰু অধর্ম্মৰ ফল দুখ ভোগ কৰে, আন কোনেও তেওঁৰ কর্ম্মফলৰ ভাগী নহয়। ৩॥ পৰিয়ালৰ এজনেই পাপ কৰি যি উপাৰ্জ্জন কৰে আৰু যৰৰ সকলোৱেই ভোগ কৰে,—(মহাজন মানে বংশ

পবিয়াল) ভোগ কবাবোব পাপব ভাগী নহয় যি পাপ কবে সিহে পাপব ফল ভোগ কবে। ৪ ॥

কোনো মবিলে মাটিব পুতলাব দবে মাটিতে পবি বয়, আত্মীয় স্বজন কোনো তেওঁব লগত পবি নেথাকে, কেবল ধর্ম্মহে তেওঁব সহযাত্রী হয় । ৫ ॥

তস্মাদ্ধর্ম্মং সহায়ার্থং নিতং সঞ্চিনুয়াচ্ছনৈঃ।
ধর্ম্মেণ হি সহায়েন তমস্তবতি দুস্তবম্ ॥ ১ ॥
ধর্ম্ম প্রধানং পুৰুষং তপসা হতকিল্বিষম্ ।
পবলোকং নয়ত্যাশু ভাস্বন্তং স্ব শবীবিণম্ । ২ ॥

মনুঃ (৪।১৪১-২৪৩)।

অর্থ—পবজন্মব সহায়ার্থে অলপ অলপকৈ সদায় ধর্ম্মব সঞ্চয় কবিব লাগে। কাবণ ধর্ম্মব সাহায্যতেই অঠাই আৰু দুস্তব সাগব পাব হব পাবি। ১ ॥ যাব জীৱনত ধর্ম্মই প্রধান আৰু যি ধর্ম্মানুষ্ঠান কবি নিজব কৃত পাপ দূব কবে, তেওঁক ধর্ম্মই প্রকাশ স্বৰূপ আৰু আকাশ তুল্য আকাবব পবলোক অর্থাৎ পবমাত্মাব সাক্ষাৎ লাভ কবায়। ২ ॥

দৃঢ়কাবী মৃদুর্দান্তঃ ক্রুবাচাবৈবসংবসন্ ।
অহিংস্রো দমদানাভ্যাং জয়েৎ স্বর্গং তথাব্রতঃ ॥ ১ ॥
বাচ্যর্থা নিয়তাঃ সর্ব্বে বাঙ্মূলা বাগ্‌বিনিঃসৃতাঃ।
তাস্তু যঃ স্তেনয়েদ্ বাচং স সর্ব্বস্তেয়কৃন্নব ॥ ২ ॥
আচাবাল্লভতে হ্যায়ুবাচাবাদীপ্সিতাঃ প্রজাঃ ।
আচাবাদ্ধনমক্ষয্যমাচাবো হন্ত্যলক্ষণম্ ॥ ৩ ॥

মনুঃ (৪।২৪৬, ২৫৬-১৫৬) ॥

যি দৃঢ় কর্ম্মা, কোমল স্বভাব, আৰু জিতেন্দ্রিয়, যি হিংসুক, ক্রূৰ আৰু দুষ্টাচাবীব সঙ্গব পবা দূবৈত থাকে, অহিংসা, সংযম আৰু দান আদিব ব্রতীয়ে স্বর্গ সুখ লাভ কবে। ১ ॥ কিন্তু মনত বখা উচিত যে, যি বাণীত যি অর্থ থাকে, সেই বাণীয়েই তাব মূল আৰু সেই বাণীব দ্বাবায়েই সকলো কার্য্য বা ব্যবহাব সম্পন্ন হয়। যি বাণীকেই অপহ্নুৱ

কবে অর্থাৎ মিছা কথা কয়, তেওঁ চুবিব পাপত লিপ্ত হয়। ২ ॥

গতিকে যি অসত্য কথন ৰূপ অধর্ম্ম পবিত্যাগ কবি ধর্ম্মাচবণ অর্থাৎ ব্রহ্মচর্য্য আৰু জিতেন্দ্রিয়তাব দ্বাবা স্বাস্থ্য আৰু আয়ু, ধর্ম্মাচবণব দ্বাবা, প্রজাব উন্নতি আৰু অক্ষয় ধনব সুখ পায় আৰু যি ধর্ম্মাচবণব দ্বাবাই সকলো কুলক্ষণ বিনাশ কবে, তেওঁব দবে সকলোবে সদায় আচবণ কবা কর্ত্তব্য। কাবণ:

দুবাচাবো হি পুৰুষো লোকে ভবতি নিন্দিতঃ।
দুঃখভাগী চ সততং ব্যাধিতোঽল্পায়ুবেব চ ॥ ১ ॥ মনু০ (৪। ১৫৭)।

যি দুবাচাবী তেওঁক সকলো সৎ পুৰুষেই নিন্দা কবে, পবিণামত দুঃখভাগী আৰু ব্যাধিগ্রস্ত হৈ অল্পায়ু হয়। গতিকে চেষ্টা কবা কর্ত্তব্য:

যদ্ যৎ পবৱশং কর্ম তত্তদ্‌যত্নেন বর্জ্জয়েৎ।
যদ্ যদাত্মবশং তু স্যাত্তত্তৎ সেবেত যত্নতঃ ॥ ১ ॥
সর্ব্বং পবৱশং দুঃখং সর্ব্বমাত্মবশং সুখম্।
এতদ্বিদ্যাৎ সমাসেন লক্ষণং সুখদুঃখয়োঃ ॥ ২ ॥

মনু০ (৪। ১৫৯-১৬০) ॥

যিবোব পবাধীন কার্য্য সেইবোব যত্নপূর্ব্বক ত্যাগ আৰু যিবোব আত্মবশ অর্থাৎ নিজব অধীনকার্য্য সেইবোব যত্নবে পালন কবা উচিত। ১ ॥ কাবণ সকলো দুঃখব মূল পবাধীনতা, আৰু সকলো সুখব মূল স্বাধীনতা। সংক্ষেপকৈ কলে এয়েই সুখ আৰু দুঃখব লক্ষণ। ২॥ কিন্তু ঔমৈৎতীয়া বিষয় হলে পবস্পবব অধীনতা থাকে, যেনে পতি পত্নী সদায় পবস্পবব অধীন। স্ত্রী সুলভ কাম কবাত স্ত্রী স্বাধীন সেইদবে পুৰুষযোগ্য কামত পুৰুষ স্বাধীন কিন্তু তাতো পবস্পবব পবামর্শ, আদেশ আৰু অধীনতা থাকে। ইটোৱে সিটোব অসৎ কার্য্যত বাধা দিয়াত অধিকাব আছে। বিবাহ সম্বন্ধব পাছত, সকলো বিষয়তে স্ত্রী পুৰুষ দুয়ো পবস্পব অধীন। পবস্পবব প্রতিকূল আচবণ কবিলেই, কলহ বিবাদ আৰু অশান্তি। পতিব পবস্ত্রীব সংসর্গ আৰু পত্নীব পবপুৰুষব সংসর্গ পবস্পব

অপ্রীতিকৰ। পতি পত্নীৰ যেনেকৈ পূজনীয়, পত্নীও পতিৰ সেই দৰেই পূজনীয়া। ছাত্ৰ-ছাত্ৰী যেতিয়া আৰু যিমান দিন বিদ্যালয়ত বা গুৰুকুলত থাকে তেতিয়া অধ্যাপক আৰু অধ্যাপিকা সকলে মাতা পিতা আৰু অধ্যাপক অধ্যাপিকা সকলেও ছাত্ৰ-ছাত্ৰীক নিজৰ সন্তানৰ দৰেই আচৰণ কৰিব। অধ্যাপক আৰু অধ্যাপিকাৰ লক্ষণ :—

আত্মজ্ঞানং সমাৰম্ভস্তিতিক্ষা ধৰ্ম্ম নিত্যতা।
যমর্থা নাপকর্ষন্তি স বৈ পণ্ডিত উচ্যতে ॥ ১ ॥
নিষেবতে প্রশস্তানি নিন্দিতানি ন সেবতে।
অনাস্তিকঃ শ্রদ্দধান এতৎ পণ্ডিতলক্ষণম্ ॥২॥
ক্ষিপ্রং বিজানাতি চিৰং শৃণোতি, বিজ্ঞায় চার্থং ভজতে ন কামাৎ।
নাসম্পৃষ্টোহ্যুপযুঙ্‌ক্তে পৰার্থে, তৎ প্রজ্ঞানং প্রথমং পণ্ডিতস্য ।৩॥
নাপ্রাপ্যমভিবাঞ্ছন্তি নষ্টং নেচ্ছন্তি শোচিতুম্।
আপৎসু চ ন মুহ্যন্তি নৰাঃ পণ্ডিত বুদ্ধয়ঃ ॥৪॥
প্রবক্তবাক্ চিত্রকথ ঊহবান্ প্রতিভানবান্।
আশু গ্রন্থস্য বক্তা চ যঃ স পণ্ডিত উচ্যতে ॥৫॥
শ্রুতং প্রজ্ঞানুগং যস্য প্রজ্ঞা চৈব শ্রুতানুগা।
অসংভিন্নার্য্যমর্য্যাদঃ পণ্ডিতাখ্যাং লভেত সঃ ॥৬॥

(মহাভাৰত, উদ্যোগপর্ব্ব বিদুৰ প্রজাগৰ অ০ ৩৩)

অর্থঃ—যাৰ আত্মজ্ঞান হৈছে আৰু সমাৰম্ভ অর্থাৎ যি এলাহহীন আৰু কর্ম্মশীল, যাৰ সুখ-দুঃখ, লাভ-লোকচান, মান-অপমান, আৰু নিন্দা প্রশংসাত সমানজ্ঞান; বিষয় বাসনাত যি অনাসক্ত আৰু ধর্ম্মত সদায় স্থিৰ তেওঁকেই পণ্ডিত বোলে ।১॥ যাৰ সদায় ধর্ম্মত প্রবৃত্তি, অধর্ম্মত নিবৃত্তি; যি আস্তিক শ্রদ্ধাৱান, সৎ সত্যৰ অনুকৰণ কৰে আৰু নিন্দনীয় কর্মৰ অনুকৰণ নকৰে তেৱেঁই পণ্ডিত। ২॥ যাৰ অতি জটিল সমস্যাৰ ক্ষীঘ্র বোধ হয়, সদায় যি অধ্যয়নশীল, শ্রৱণ আৰু বিবেচনাশীল, যি পৰোপকাৰৰত ব্রতী, নিঃস্বার্থী, দেশ কাল পাত্রৰ জ্ঞান নোহোৱাকৈ পৰৰ

বিষয়ত যি সম্মতি নিদিয়ে তেওঁ প্রজ্ঞানী আৰু প্রজ্ঞানৱান প্রথম শ্রেণীৰ পণ্ডিত ।৩॥ যি যি বস্তুৰ অযোগ্য তাৰ আকাঙ্ক্ষা নকৰে, নষ্ট বস্তুৰ কাৰণে শোক নকৰে, যি বিপত্তিৰ সময়ত ব্যাকুল বা ধৈর্য্যহীন নহয়, সেই জনেই বুদ্ধিমান পণ্ডিত। ৪॥ জ্ঞান বিদ্যাবিষয়ত যি বাক্ নিপুণ, সকল বক্তা, শাস্ত্রজ্ঞ, যথার্থ তর্কত চতুৰ, স্মৃতি শক্তিসম্পন্ন, শাস্ত্র সম্মত সত্যৰ বক্তা তেওঁকেই পণ্ডিত বোলে। ৫॥ যাৰ প্রজ্ঞা সত্য অর্থৰ অনুকূল যাৰ শ্রৱণ ইন্দ্রিয় বুদ্ধিৰ অনুরূপ, যি আর্য্য অর্থাৎ শিষ্ট পুরুষ সকলৰ মর্য্যাদা ভঙ্গ নকৰে তেওঁক পণ্ডিত বোলে। ৬॥

যত এইবোৰ লক্ষণৰ স্ত্রী পুরুষ অধ্যাপিকা আৰু অধ্যাপক থাকে তাত জ্ঞান, ধর্ম্ম, সদাচাৰ আৰু সুখ শান্তি বৃদ্ধি হয়। অধ্যয়নৰ অযোগ্য আৰু মূর্খৰ লক্ষণঃ—

অশ্রুতশ্চ সমুন্নদ্ধো দরিদ্রশ্চ মহামনাঃ।
অর্থাংশ্চাহকর্ম্মণা প্রেপ্সুর্মূঢ় ইত্যুচ্যতে বুধৈঃ। ১॥
অনাহূতঃ প্রবিশতি হ্যপৃষ্টো বহু ভাষতে।
অবিশ্বস্তে বিশ্বসিতি মূঢ়চেতা নরাধমঃ ॥ ২ ॥

(মহাভাৰত উদ্যোগপর্ব্ব প্রজাগৰ-অঃ ৩৩।)

অর্থ :— যি কোনো শাস্ত্র পাঠ বা শ্রৱণ কৰা নাই, যি অতি গর্বিত, অতি দরিদ্র হৈও নিজকে মহাধনী বুলি ভাবে উদ্যোগহীন আৰু নিষ্কর্ম্মা হৈও যি ধন লাভৰ ইচ্ছা কৰে, তেওঁক জ্ঞানীসকলে মূর্খ বোলে ।১॥ যি বিনা নিমন্ত্রণেই কোনো সভা বা পৰৰ ঘৰত সোমাই উচ্চাসনত বহে, বা বহিবলৈ ইচ্ছা কৰে, কোনেও নুসুধিলেও বাক্য ব্যয় কৰে, বিশ্বাসৰ অযোগ্য বস্তু বা ব্যক্তিত বিশ্বাস কৰে, তাকেই মূর্খ নৰাধম বোলে। ২॥ যত এনে মানুহৰ সমাগম হয় তাত অবিদ্যা, অসভ্যতা, অধর্ম্ম, কন্দল, বিৰোধ, বিবাদ বিৰাজ কৰে।

বিদ্যার্থীৰ লক্ষণ :—

আলস্যং মদমোহৌ চ চাপল্যং গোষ্ঠিরেব চ।

স্তব্ধতা চাভিমানিত্বং তথাঽত্যাগিত্বমেব চ ॥
এতে বৈ সপ্ত দোষাঃ স্যুঃ সদা বিদ্যার্থিনাং মতাঃ। ১ ॥
সুখার্থিনঃ কুতো বিদ্যা কুতো বিদ্যার্থিনঃ সুখম্।
সুখার্থী বা ত্যজেদ্বিদ্যাং বিদ্যার্থী বা ত্যজেৎ সুখম্ ॥ ২ ॥

(মহা ভা॰ বিদুৰ প্রজাগৰ অ॰ ৩৯ শ্লোক।)

অর্থ :—আলস্য অর্থাৎ শাৰীৰিক আৰু মানসিক জড়তা, মাদকতা, মোহ অর্থাৎ বস্তু বিশেষৰ প্রতি আসক্তি, চঞ্চলতা, ইটো সিটো বিষয়ে অনর্থক কথা পাতা আৰু শুনা, পঠন পাঠনত অৱহেলা, দাম্ভিকতা, ত্যাগ বিমুখতা, বিদ্যার্থী জীৱনত এই সাতোটা দোষ। এনেকুৱা দোষযুক্ত বিদ্যার্থীৰ বিদ্যা লাভ সম্ভৱ নহয়। সুখ বিচাৰিলে বিদ্যা নহয়, আৰু বিদ্যা বিচৰা সকলৰ বাবে সুখ নাই। এতেকে বিষয় সুখার্থীয়ে বিদ্যা আৰু বিদ্যার্থীয়ে বিষয় সুখ পৰিত্যাগ কৰিব লাগিব। ২ ॥

বিদ্যা লাভ কাৰ হয় ?

সত্যে ৱতানাং সততং দান্তানামূর্দ্ধৱেতসাম্।
ব্রহ্মচর্য্যং দহেদ্ রাজন্ সর্ব্বপাপান্যুপাসিতম্ ॥১॥

যি সদায় সত্য আচৰণত ৰত, জিতেন্দ্রিয় আৰু যাৰ ৱীর্য্যক্ষয় কেতিয়াও নহয় তেওঁৰ ব্রহ্মচর্য্যহে সত্য আৰু তেওঁৱেই বিদ্বান হ'ব পাৰে ॥ ১॥

গতিকে শিক্ষক আৰু শিক্ষার্থী উভয়ে শুভ ফলদায়ক আচৰণশীল হোৱা আৱশ্যক। অধ্যাপকসকলে উৎপ্রেৰণা দিব পাৰিব লাগে যাতে বিদ্যার্থীসকল সত্যপৰায়ণ, সত্যবিশ্বাসী, আৰু সত্যকামী হ'ব পাৰে আৰু শিষ্টতা, জিতেন্দ্রিয়তা, সুশীলতা আদি গুণেৰে, শাৰীৰিক আধ্যাত্মিক শক্তি সম্পন্ন হৈ বেদাদি সকলো শাস্ত্রত বিদ্বান হ'ব পাৰে। ছাত্রক অসৎ স্বভাৱ পৰিহাৰ কৰাই, সৎ স্বভাৱৰে বিদ্যাবুদ্ধি সম্পন্ন কৰিব পৰাই শিক্ষকৰ সফলতা। বিদ্যার্থীসকলে সদায় জিতেন্দ্রিয়, শান্ত, সহপাঠীৰ লগত সৌহার্দপূর্ণ প্রেম প্রীতি, বিবেচনা আৰু অশেষ পৰিশ্রমেৰে সাধনা কৰি স্বাস্থ্য আৰু জ্ঞানেৰে

জীৱন সফল কৰিব লাগে। এইয়া হ'ল ব্রাহ্মণ বর্ণৰ কর্ত্তব্য।

ক্ষত্রিয়ৰ কর্ত্তব্য ৰাজধর্ম্মৰ বিষয়ত কোৱা হ'ব।

ৱৈশ্যই ব্রহ্মচর্য্যাদিৰে অর্থ বিদ্যালাভ কৰি, নানা দেশৰ ভাষা, পণ্য সামগ্রীৰ ক্ষেত্র, দৰ-দাম, ক্রয়-বিক্রয়ৰ, ৰীতি-নীতি, দেশান্তৰৰ গমনাগমন, ব্যয়-লাভ, পশু, কৃষি উন্নয়ন, সমাজত অর্থ, বিদ্যা, ধর্ম্মৰ উন্নতিৰ কাৰণে অর্থ সংগ্রহ আৰু যোগান ধৰা কর্ত্তব্য। এইবোৰৰ মূলত সত্য পৰায়ণতাৰ পৰম আৱশ্যক।

শূদ্র সকলে ত্রিবর্ণৰ আশ্রয়ত বন্ধন, পৰিচর্য্যা আদিৰ ব্যৱহাৰত নিপুণ হৈ, শ্রদ্ধা বিশ্বাসেৰে দ্বিজ সকলৰ সেৱা সাহায্য কৰি উপজীৱিকা লব। আশ্রয়দাতা দ্বিজসকলেও শূদ্রবর্গক আৱশ্যকীয় অন্ন বস্ত্র আদিৰ বাবে খৰচৰ দায়িত্ব গ্রহণ কৰা কর্ত্তব্য। চাৰিও বর্ণই পৰস্পৰে শ্রদ্ধা প্রীতিৰে যথাযোগ্য সহায় সহযোগত সামূহিকভাৱে উন্নতি কৰা কর্ত্তব্য।

পতি পত্নীৰ পৃথক্ অৱস্থান অহিতকৰ। কাৰণ :—

পানং দুর্জ্জনসংসর্গঃ পত্যা চ ৱিৰহোঽটনম্।
স্বপ্নোঽন্যগেহৱাসশ্চ নাৰী সন্দূষণানি ষট্ ॥মনু॰ (৯।১৩)

মাদকদ্রব্য সেৱন, দুষ্টৰ সংসর্গ, পতিৰিৰহ, ভণ্ড সাধু দর্শনৰ ছলত ঘৰে ভৰে ঘোৱা, পৰৰ ঘৰত গৈ শোৱা বা পৰৰ ঘৰত বাস কৰা, এই ছয় প্রকাৰ স্বভাৱে নাৰীক কলুষিত কৰে। নাৰীৰ বিপৰীতে পুৰুষবো এইবোৰেই দোষ। পতি পত্নীৰ ভিতৰত দুই ৰকমে ৱিৰহ ঘটে। প্রথম—কার্য্যৱশতঃ স্থানান্তৰ বা দেশান্তৰ গমন। দ্বিতীয়—মৃত্যুৱশতঃ বিচ্ছেদ। প্রথমটোৰ এনেদৰে প্রতিকাৰ হ'ব পাৰে। যথাসম্ভৱ দূৰ দেশত পতি থাকিব লগা হলে পত্নীও লগতে যাব লাগে, কাৰণ বহুদিন পত্নী পৃথক্‌ই থকা অসঙ্গত।

প্রশ্নঃ—স্ত্রী আৰু পুৰুষৰ বহু ৱিৰাহ কৰা উচিত নে অনুচিত ?
উত্তৰঃ—এটাৰ বর্ত্তমানত দ্বিতীয় বিয়া কৰা অনুচিত।
প্রশ্নঃ—সময়ান্তৰত বহু ৱিৰাহ কৰা উচিত নেকি ?
উত্তৰঃ—উচিত, যেনেঃ—

সা চেদক্ষতযোনিঃ স্যাদগতপ্রত্যাগতাপি বা।
পৌনর্ভবেন ভর্ত্রা সা পুনঃ সংস্কারমর্হতি। মনু॰ (৯।১৭৬)

বিবাহ মাত্র হৈছে কিন্তু সংযোগ সম্বন্ধ নঘটিল, তেনে নাৰী পুৰুষে অন্য পুৰুষ নাৰীৰ লগত পুনৰ বিবাহ কৰা উচিত। ক্ষত যোনি স্ত্রী-পুৰুষ ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যবৰ্ণৰ হলে পুনৰ বিবাহ অনুচিত।

প্রশ্নঃ—পুনঃ বিবাহৰ দোষ কি?

উত্তৰঃ—(১) পুনৰ্বিবাহিত প্রেমৰ মাত্রা কম। পুনৰ্বিবাহৰ ব্যৱস্থা থাকিলে, এজনৰ ইচ্ছামতে আনজনক, এৰি বিবাহ কৰিবলৈ বাধাগ্রস্ত নহ'ব। (২) পতি বা পত্নীৰ কোনো এটা মৰিলে যি থাকে তেওঁ সম্পত্তিৰ অধিকাৰী হয়। পুনৰ্বিবাহত সেই সম্পত্তিৰ উত্তৰাধিকাৰ লৈ পৰিয়ালত মহা কন্দল আৰু অশান্তিৰ সৃষ্টি হয়। (৩) অনেক ভদ্রবংশৰ নাম ধাম্ নৰৱ। (৪) পতিব্রত বা পত্নীব্রত ধর্ম্ম নষ্ট হ'ব ইত্যাদি কাৰণতেই দ্বিজাতিৰ ভিতৰত পুনৰ্বিবাহ বা বহুবিবাহ অহিতকৰ আৰু অনুচিত।

প্রশ্নঃ—পুনৰ্বিবাহ নহলে বংশলোপ আৰু ব্যভিচাৰ হয়।

উত্তৰ—নহয়। ব্যভিচাৰৰ পৰিণাম অহিত বিবেচনা কৰিলে জ্ঞানী স্ত্রী পুৰুষৰ কেতিয়াও নৈতিক অধঃপতন হব নোৱাৰে। তদুপৰি কোনো সুলক্ষণযুক্ত বালকক পুত্রৰূপে গ্রহণকাৰী বংশ ৰক্ষা কৰিব পাৰি। বিশেষ পৰিস্থিতিত নিয়োগ বিধিৰেও বংশ পৰম্পৰা ৰক্ষা কৰিব পাৰে।

প্রশ্নঃ—পুনৰ্বিবাহ আৰু নিয়োগৰ পার্থক্য কি?

উত্তৰঃ—(১) বিবাহিতা কন্যাই পিতৃকুল ত্যাগ কৰি পতি গৃহলৈ যায়, সেইদৰে বিধবা স্ত্রীয়েও পতিকুল ত্যাগ কৰি নব পতিৰ গৃহলৈ যাব লগা হয়; গতিকে পূর্ব্ব পতিৰ বংশ ৰক্ষা নপৰে। (২) নিয়োগ বিধিৰে বিধবাৰ পুত্র লাভ হলে, পুত্র পূর্ব্ব পতিৰ উত্তৰাধিকাৰী হয়, বীর্য্যদাতাৰ সেই পুত্রৰ ওপৰত কোনো স্বত্ব নেথাকে। মৃত পতিৰ উত্তৰাধিকাৰী, বিধবা আৰু বিধবাৰ নিয়োগত জন্ম খোৱা পুত্র, বিধবা মাতাৰ উত্তৰাধিকাৰী হয় বিবাহিতা স্ত্রী পুৰুষৰ পৰস্পৰ ভৰণ পোষণ লালন

পালন অৱশ্য কর্ত্তব্য। নিযুক্ত স্ত্রী পুৰুষৰ তেনে দায়িত্ব নেথাকে। এক ধৰতো তেওঁলোক নেথাকে।

প্রশ্নঃ—বিবাহ আৰু নিয়োগৰ বিধি একে নে পৃথক?

উত্তৰঃ—সামান্য প্রভেদ আছে, যাক আগতেই কোৱা হৈছে। আগতে কোৱাৰ বাহিৰে বিবাহিত স্ত্রী পুৰুষে এক পতি আৰু এক স্ত্রীৰ পৰা দহোটালৈকে সন্তান জন্ম দিব পাৰে, কিন্তু নিযুক্তৰ ক্ষেত্রত চাৰিটাৰ অধিক নিষেধ। অর্থাৎ কুমাৰ আৰু কুমাৰীৰ বিবাহৰ দৰেই বিপত্নীক পুৰুষ আৰু বিধবা স্ত্রীৰ বিশেষ পৰিস্থিতিত নিয়োগ কৰা হয়। কুমাৰ কুমাৰীৰ নিয়োগ হব নোৱাৰে। বিবাহিত স্ত্রী পুৰুষ একে লগে থাকে, নিযুক্ত স্ত্রী পুৰুষৰ তেনে ব্যৱহাৰ হব নোৱাৰে। কুমাৰ কুমাৰীৰ নিয়োগৰ প্রশ্ন নুঠে। বিশেষ সমস্যা সমাধানৰ কাৰণে ঋতু দানৰ সময়তহে নিযুক্ত স্ত্রী পুৰুষৰ সংযোগ হব পাৰে। স্ত্রীৰ প্রয়োজনত নিয়োগ হলে, দ্বিতীয় গর্ভ-স্থিতিৰ দিনৰ পৰা নিযুক্ত পুৰুষৰ লগত সম্বন্ধ ৰাখিব নোৱাৰে। পুৰুষৰ আৱশ্যক মতে নিয়োগ হলেও দ্বিতীয় গর্ভস্থিতিৰ দিনৰ পৰা সম্বন্ধ ৰাখিব নোৱাৰে। আৰু স্ত্রীয়ে সেই সন্তান কিটা দুই তিনি বছৰ পর্য্যন্ত লালন পালন কৰি সেই পুৰুষক দিব। এইদৰে নিয়োগত স্ত্রীয়ে নিজৰ কাৰণে দুটা আৰু চাৰিজন সন্তান কামী নিযুক্ত পুৰুষৰ বাবে দুটাকৈ ধৰি সর্ব্বমুঠ ১০টা সন্তান জন্ম দিব পাৰে। নিযুক্ত পুৰুষেও ঠিক সেই দৰেই নিজৰ কাৰণে দুটা আৰু ২টাকৈ চাৰিগৰাকী স্ত্রীৰ কাৰণে মুঠ ১০টা সন্তানৰ বাবে বীর্য্য দান কৰিব পাৰে। ইয়াৰ বিধান বেদত আছে:—

ইমাং ত্বমিন্দ্র মীঢ্বঃ সুপুত্রাং সুভগাং কৃণু।
দশাস্যাং পুত্রানাধেহি পতিমেকাদশং কৃধি॥

ঋ॰ ম॰ ১০। সূ॰ ৮৫। ম॰ ৪৫॥

"হে মীঢ্ব, ইন্দ্র বীর্য্য সিঞ্চনত শক্তিশালী পুৰুষ। এই বিবাহিতা বা বিধবা স্ত্রীক শ্রেষ্ঠ সন্তানৰ মাতা আৰু সৌভাগ্যৱতী কৰা। বিবাহিতা স্ত্রীৰ গর্ভত দশ পুত্র বা সন্তান উৎপন্ন কৰি স্ত্রীক একাদশরূপে গণ্য কৰা।

হে স্ত্রী, তুমিও বিবাহিত বা নিযুক্ত পুরুষর দ্বারাই দহোটা সন্তান জন্ম দি পতিক একাদশরূপে গণ্য করা।" এই বৈদিক বিধি অনুসারে স্ত্রী-পুরুষে দহটার অধিক সন্তান জন্ম দিয়া নিষেধ। অধিক সন্তান জন্ম দিলে মাতা-পিতা আরু সন্তান দুর্ব্বল, নির্বুদ্ধি আরু অল্পায়ু হয়।

প্রশ্নঃ—দেখা যায় নিয়োগো ব্যভিচারর নামান্তর মাত্র।

উত্তরঃ—যেনেকৈ অবিবাহিতসকলর অবৈধ সংসর্গ ব্যভিচার সেই-দরেই নিয়োগর অতিরিক্ত সংসর্গ ব্যভিচার হ'ব। অর্থাৎ বিধিসঙ্গত বিবাহক ব্যভিচার নোরোলে আরু বিধিসঙ্গত নিয়োগকো ব্যভিচার বুলিব নোরারি। যেনেকৈ শাস্ত্রর বিধি অনুসারে এজনর কন্যার লগত আন এজনর পুত্রর বিবাহ হোরার পাছত হোরা সমাগমক ব্যভিচার, পাপ বা লজ্জা বুলি গণ্য করা নহয়, সেইদরে—শাস্ত্রীয় বিধি অনুসরি করা নিয়োগো ব্যভিচার, পাপ বা লজ্জা বুলি গণ্য করা অনুচিত।

প্রশ্নঃ—নিয়োগ যথার্থ হলেও কার্য্যত বেশ্যাবৃত্তির দরেই দেখা যায়।

উত্তরঃ—বেশ্যা সমাগমত কোনো নিশ্চিত পুরুষ বা বিধি নাই, কিন্তু নিয়োগত বিবাহর দরেই বিধি নিয়ম মনা হয়। যেনেকৈ এজনর কন্যা আন এজনক সম্প্রদান করার পাছত সমাগমত লজ্জা নাই, সেইদরে নিয়োগতো লজ্জার কথা উঠা অনুচিত। ব্যভিচারশীল নারী পুরুষে বিবাহর পাছতো কুকর্ম্ম পরিত্যাগ করে জানো?

প্রশ্নঃ—যি কি হ'ক, মোর বোধেরে নিয়োগো ব্যভিচারেই?

উত্তরঃ—যদি নিয়োগক পাপ বুলি বিবেচনা করা হয়, তেন্তে বিবাহকো পাপ বুলি বিবেচনা করা উচিত। নিয়োগত বাধা দিয়াও তো পাপেই হয়। কারণ জিতেন্দ্রিয় সিদ্ধযোগীত বাহিরে স্ত্রী পুরুষর প্রাকৃতিক বিকার, আকর্ষণ কোনেও রুদ্ধ করিব নোরারে। এয়েই সৃষ্টির ক্রম। গর্ভপাত, ভ্রূণ হত্যা আরু বিধবা নারী আরু বিপত্নীক পুরুষর মহা দুঃখক পাপর ভিতরত নথরে নেকি? সেই সকলর যৌবন থাকে মানে সন্তান সৃষ্টির কামনা আরু বিষয় ভোগর স্পৃহা প্রজ্বলিত হৈ থাকে। যদিও সমাজ

আরু রাজ্যিক বিধি শাসনর দ্বারা বাধা আরোপ করা হয়, ব্যভিচার কুকর্ম্ম গোপনে চলি থাকে। জিতেন্দ্রিয় হ'র পারিলেহে তেনে ব্যভিচার আরু কুকর্ম্ম পরিত্যাগ করির পারে আরু বিবাহ বা নিয়োগ নকরাকৈও থাকিব পরা সম্ভর। সেয়ে হ'র নোরারিলে অর্থাৎ জিতেন্দ্রিয় হ'র নোরারিলে প্রাপ্ত বয়সত বিবাহ আরু আপৎ কালত নিয়োগ আরশ্যকীয় কর্ত্তব্য। ইয়ার দ্বারা সমাজত ব্যভিচার হ্রাস হয় আরু প্রেম প্রীতিরে সন্তান সৃষ্টি হলে সমাজত কল্যাণ হোরার হে সম্ভারনা। এনে রীতির জরিয়তে ভ্রূণ হত্যাও লোপ হয়।

অধম পুরুষর লগত উত্তম স্ত্রীর আরু বেশ্যাদি অধঃপতিতা স্ত্রীর লগত উত্তম পুরুষর ব্যভিচার রূপ কুকর্ম্ম, সৎকুলর কলঙ্ক, বংশনাশ, মানসিক সন্তাপ আরু সমাজত ভ্রূণ হত্যাদি অশান্তি নিবারণর কারণেই বিবাহ আরু নিয়োগর বিধি বিধান দিয়া আছে। গতিকে নিয়োগ উচিত কর্ম্ম।

প্রশ্নঃ—নিয়োগর বিধি কেনেকুরা হোরা উচিত?

উত্তরঃ—বিবাহর দরেই নিয়োগতো সর্ব্ব সম্মতির আরশ্যক। অর্থাৎ ভদ্র সমাজর অনুমোদন আরু নিয়োগার্থী স্ত্রী-পুরুষর স্বাভাবিক সম্মতি হোরা আরশ্যক। পরিস্থিতি অনুকূলে নিয়োগর উদ্দেশ্য প্রকাশ করি নিয়োগ অনুষ্ঠান করি সঙ্কল্প করির লাগে যে "আমি সন্তানর কামনাত নিয়োগ করিরলৈ সঙ্কল্প করিছো, আরু আমার উদ্দেশ্য পূর্ণ হলেই পরস্পরর সম্বন্ধ পরিত্যাগ করিম, অন্যথায় সমাজ আরু রাজদণ্ড বিধি অনুসারে দণ্ডনীয় হম। গর্ভস্থিতির পাছত এবছর পর্য্যন্ত অর্থাৎ পুনঃ গর্ভাধানর সময় নোহোরা পর্য্যন্ত পৃথক থাকিম"।

প্রশ্ন—নিয়োগ স্ববর্ণর ভিতরত হব নে ভিন্ন বর্ণর ভিতরতো হব পারে?

উত্তর—সবর্ণ অথবা উত্তম বর্ণর পুরুষর লগত অর্থাৎ বৈশ্যবর্ণর স্ত্রীর বৈশ্য ক্ষত্রিয় আরু ব্রাহ্মণ বর্ণর পুরুষর লগত, ক্ষত্রিয় স্ত্রীর ক্ষত্রিয় বা ব্রাহ্মণর লগত আরু ব্রাহ্মণীর ব্রাহ্মণর লগত নিয়োগ হর পারে

ইয়াব অভিপ্রায় এয়ে যে বীর্য্য সমান বা উত্তম পুৰুষব হোৱা উচিত, স্ত্রীতকৈ নিম্ন বর্ণব পুৰুষব বীর্য্যই উত্তম সন্তান সৃষ্টি কবিব নোৱাবে। বেদোক্ত বীতিবে স্ত্রী বা পুৰুষে বিবাহ বা নিয়োগ কবি সন্তান সৃষ্টি কবা কর্ত্তব্য।

প্রশ্ন—পুৰুষে পুনর্বিবাহ কবিব পাবে, পুৰুষব নিয়োগব প্রয়োজন কি?

উত্তব—ইয়াব আগতে লিখি অহা হৈছে যে, বেদাদি শাস্ত্রব মতে দ্বিজব ভিতবত স্ত্রী পুৰুষব মাত্র এবাবেই বিবাহ সংস্কাব হোৱা সঙ্গত। কুমাবব লগত কুমাৰীব বিবাহ নীতি সঙ্গত। বিধবাব লগত কুমাবব আৰু কুমাৰীব লগত বিপত্নীকব বিবাহ ন্যায় সঙ্গত নহয় অর্থাৎ অধর্ম্ম। পুৰুষে যেনেকৈ বিধবাক বিবাহ কবিব নোখোজে, সেই দবে বিপত্নীক পুৰুষকো কুমাৰী নাৰীয়ে বিবাহ কবিব নোখোজে। কুমাৰী কন্যাই বিপত্নীক পুৰুষক আৰু কুমাবে বিধবা স্ত্রীক বিবাহ কবাত অনিচ্ছুক; গতিকে বিধবা আৰু বিপত্নীকব নিয়োগব প্রয়োজন হয়। যাব লগত যি উপযুক্ত, তেনে সম্বন্ধ কবাই ধর্ম্ম।

প্রশ্ন—বিবাহব যেনেকৈ বেদাদি শাস্ত্রত প্রমাণ আছে, নিয়োগবো তেনে প্রমাণ আছেনে?

উত্তব— নিয়োগবো বহু প্রমাণ আছে। সেইবোব ইয়াত উদ্ধৃত কবা হ'ল :—

কুহস্বিদ্দোষা কুহ বস্তোৰশ্বিনা কুহাভিপিত্বং কবতঃ কুহোষতুঃ।
কো বাং শয়ুত্রা বিধবেব দেববৎ মর্য্যং ন যোষা কৃণুতে সধস্থ আ॥

(ঋ॰ ম॰ ১০। সূ॰ ৪০। ম॰ ২।)

অর্থ:—"হে স্ত্রী পুৰুষ! যেনেকৈ বিধবাই দেৱবব লগত আৰু বিবাহিতা স্ত্রীয়ে নিজ পতিব লগত সমান শয্যাত একত্র হৈ সর্বতো প্রকাবে সন্তান সৃষ্টি কবে, সেইদবে তোমালোক দুয়ো স্ত্রী-পুৰুষে ক'ত বা কোন বাতি আৰু কোন দিনত সহবাস কবিছিলা? ক'তনো পদার্থ (বয়বস্তু) লাভ কবিছিলা? তোমালোকব শয়নস্থান ক'ত? তোমালোক কোন আৰু

ক'ব নিবাসী?" ইয়াব ভাবার্থ হ'ল—বিবাহিতা স্ত্রী-পুৰুষ দেশে-বিদেশে একেলগে থাকিব আৰু বিধবা স্ত্রীয়েও নিযুক্ত পুৰুষক বিবাহিত পতিব দবে সন্তান কামনাবে গ্রহণ কবিব।

প্রশ্নঃ—যদি কাৰোবাব দেৱব অর্থাৎ কনিষ্ঠ ভ্রাতা নাথাকে তেন্তে বিধবাই কাব লগত নিয়োগ কবিব?

উত্তবঃ—দেৱবব লগত। কিন্তু দেৱব শব্দব অর্থ আপুনি যিদবে বুজিছে সেইটো নহয়। নিৰুক্তত কি অর্থ আছে চাওক:—

দেৱবঃ কস্মাদ্ দ্বিতীয়ো বব উচ্যতে॥ নিক॰ অ॰ ৩। খণ্ড॰ ১৫॥

বিধবাব দ্বিতীয় পতিক দেৱব বোলে। পতিব কনিষ্ঠ বা জ্যেষ্ঠ ভ্রাতা নাইবা নিয়োগ কবা পুৰুষক দ্বিতীয় পতি বা দেৱব বোলে।

দীর্ঘং নার্য্যভিজীবলোকং গতাসুমেতমুপ শেষ এহি।
হস্তগ্রাভস্য দিধিষোস্তবেদং পত্যুর্জনিত্বমভি সং বভূথ॥

(ঋ॰ ম॰ ১০। সূ॰ ১৮। মং ৮॥)

হে বিধবে! তুমি এই মৃত পতিব আশা ত্যাগ কবি অৱশিষ্ট পুৰুষব ভিতবব পবা দ্বিতীয় পতি গ্রহণ কবা। এই কথা বিবেচনা কবি নিশ্চিত জানি থবা যে তোমাব পুনঃ পাণিগ্রহণকাৰী নিযুক্ত পতিব প্রয়োজনত যদি নিয়োগ হয়, তেন্তে তাব পবা উৎপন্ন হোৱা সন্তান, উক্ত নিযুক্ত পতিব হ'ব আৰু তোমাব প্রয়োজনত নিয়োগ কবা হলে, উৎপন্ন হোৱা সন্তান তোমাব হ'ব। তুমি এইদবে স্থিব নিশ্চয় জানিবা। নিযুক্ত পুৰুষেও এই ব্যৱস্থা পালন কবিব।

অদেৱৃঘ্ন্যে পতিঘ্নী হৈধি শিবা পশুভ্যঃ সুযমাঃ সুবর্চাঃ।
প্রজাবতী বীবসূর্দেৱকামা স্যোনেমমগ্নিং গার্হপত্যং সুপর্য্য॥

অথর্ব॰ কা॰ ১৪। অনু॰ ২। ম॰ ১৮॥

হে নাৰী! তুমি পতি আৰু দেৱবব। তুমি এই গৃহাশ্রমত পশুব কাৰণে কল্যাণকাৰিণী, যথার্থ কর্ত্তব্যব আচৰণকাৰিণী, ৰূপৱতী আৰু শিষ্টভাষিণী, সৎপুত্র পৌত্রাদিযুক্তা, বীব প্রসৱিনী, দেৱবব কামনাকাৰিণী

আৰু সুখদায়িনী। পতি বা দেৱৰক গ্ৰহণ কৰি তুমি এই গৃহস্থ সম্বন্ধীয় অগ্নিহোত্ৰ সেৱন বা পালন কৰা।

তামনেন বিধানেন নিজো বিন্দেত দেৱৰঃ॥ মনু॰ (৯।৬৯)॥

অক্ষতযোনি বিধবা স্ত্ৰীক পতিৰ কনিষ্ঠ সহোদৰেও বিবাহ কৰিব পাৰে।

প্ৰশ্নঃ—এগৰাকী স্ত্ৰী বা পুৰুষে কেইবাৰ নিয়োগ কৰিব পাৰে? বিবাহিত আৰু নিযুক্ত পতিক কি কি বোলা হয়?

উত্তৰঃ—সোমো প্ৰথমো বিবিদে গন্ধৰ্ব্বো বিবিদ উত্তৰঃ।
তৃতীয়ো অগ্নিষ্টে পতিস্তুরীয়স্তে মনুষ্যজাঃ॥

ঋ॰ ম॰ ১০। সূ॰ ৮৫। ম॰ ৪০॥

হে স্ত্ৰী! তোমাৰ যি প্ৰথম বিবাহিত পতি তেওঁৰ সোম আখ্যা হয়; সোম মানে সুকুমাৰ গুণান্বিত। দ্বিতীয় পতি যাক নিয়োগৰ দ্বাৰা প্ৰাপ্ত কৰা, তেওঁক গন্ধৰ্ব্ব বোলা হয়। দুই পতিৰ পৰবৰ্ত্তী তৃতীয় পতিক অগ্নি বোলা হয়, আৰু যিবোৰ তোমাৰ চতুৰ্থৰ পৰা একাদশ পৰ্য্যন্ত নিযুক্ত পতি, সেইসকল মনুষ্য নামেৰে অভিহিত হয়। যেনেকৈ এই বেদমন্ত্ৰ অনুসাৰে নাৰীয়ে একাদশজন পৰ্য্যন্ত পুৰুষ নিয়োগ কৰিব পাৰে, সেইদৰে পুৰুষেও একাদশজনী স্ত্ৰীলৈকে নিয়োগ কৰিব পাৰে।

প্ৰশ্নঃ—একাদশ শব্দৰ অৰ্থ দশ সন্তান আৰু পতিক একাদশৰূপে ধৰিব নোৱাৰি নে?

উত্তৰঃ—এনেকুৱা অৰ্থ ধৰিলে "বিধবেব দেৱৰম্", "দেৱৰঃ কস্মাদ দ্বিতীয়ো বৰ উচ্যতে", "অদেৱৃষ্নি" আৰু "গন্ধৰ্ব্বো বিবিদ উত্তৰঃ" ইত্যাদি বৈদিক প্ৰমাণভূত বাক্যবোৰৰ অৰ্থ বিৰুদ্ধ হয়। আপোনাৰ অৰ্থ ললে স্ত্ৰীয়ে দ্বিতীয় পতি গ্ৰহণ কৰিব নোৱাৰে।

দেৱৰাদ্বা সপিণ্ডাদ্বা স্ত্ৰিয়া সম্যঙ্ নিযুক্তয়া।
প্ৰজেপ্সিতাধিগন্তব্যা সন্তানস্য পৰিক্ষয়ে॥ ১॥
জ্যেষ্ঠো যবীয়সো ভার্য্যাং যবীয়ানাগ্ৰজস্ত্ৰিয়ম্।

পাততো ভবতো গত্বা নিযুক্তাবপ্যনাপদি॥ ২॥
ঔৰসঃ ক্ষেত্ৰজশ্চৈব॥ ৩॥ (মনু॰ ৯।৫৯।৫৮।১৫৯)॥

মনুস্মৃতিত লিখিত আছে যে "সপিণ্ড" অৰ্থাৎ পতিবংশৰ ছয় পুৰুষৰ ভিতৰত পতিৰ কনিষ্ঠ বা জ্যেষ্ঠ ভ্ৰাতা, অথবা স্বজাতীয় বা উচ্চবৰ্ণৰ পুৰুষৰ লগত বিধবা স্ত্ৰীয়ে নিয়োগ কৰা উচিত। বিপত্নীক পুৰুষ আৰু বিধবা স্ত্ৰীয়ে সন্তান কামনা কৰিলেহে নিয়োগ কৰা উচিত। কোনো সন্তান নাথাকিলেহে নিয়োগ কৰিব পাৰি। আপৎ কাল, অৰ্থাৎ সন্তান কামনাৰ বাহিৰে, জ্যেষ্ঠ ভ্ৰাতাৰ স্ত্ৰীৰ লগত কনিষ্ঠ ভ্ৰাতাৰ আৰু কনিষ্ঠ ভ্ৰাতাৰ স্ত্ৰীৰ লগত জ্যেষ্ঠ ভ্ৰাতাৰ নিয়োগ হলে আৰু সন্তান উৎপত্তিৰ পাছতো নিযুক্ত স্ত্ৰী-পুৰুষ সমাগম হলে নৈতিক পতন হয়। এক নিয়োগৰ সীমা দ্বিতীয় গৰ্ভধাৰণ পৰ্য্যন্ত। ইয়াৰ বিপৰীত অবিধেয়। উভয়ৰ সন্তানৰ প্ৰয়োজনত নিয়োগ হলে চতুৰ্থ গৰ্ভ পৰ্য্যন্ত অৰ্থাৎ পূৰ্ব্বোক্ত ৰীতি অনুসাৰে দশ সন্তান পৰ্য্যন্ত হ'ব পাৰে। ইয়াৰ অতিৰিক্ত হলে কাম বাসনাসক্ত বুলি গণ্য হয়। যাক নৈতিক পতন বোলে। বিবাহ বা নিয়োগ প্ৰজা সৃষ্টিৰ কাৰণেহে।

প্ৰশ্নঃ— পতিৰ মৃত্যুতহে নিয়োগ হ'ব পাৰে নে, পতিৰ জীৱিত অৱস্থাতো নিয়োগ হ'ব পাৰে?

উত্তৰঃ—পতিৰ জীৱিত দশাতো হ'ব পাৰে।

অন্যমিচ্ছস্ব সুভগে পতিং মৎ॥ ঋ॰ ম॰ ১০। সূ॰ ১০॥

সন্তান উৎপাদনত অসমৰ্থ হলে পতিয়ে নিজৰ পত্নীক আদেশ দিব "হে সুভগে! সৌভাগ্যকামী নাৰী! মোৰ উপৰিও অন্য পতি কামনা কৰা, কাৰণ মোৰ দ্বাৰাই আৰু সন্তান উৎপত্তি হ'ব নোৱাৰিব। তেতিয়া স্ত্ৰীয়ে উপযুক্ত পুৰুষৰ লগত নিয়োগ কৰি সন্তান জন্ম দিব পাৰে, কিন্তু সেই বিবাহিত সদাশয় পতিক সৰ্ব্বপ্ৰকাৰে সেৱা শুশ্ৰূষা কৰা কৰ্ত্তব্য। স্ত্ৰীয়েও ৰোগাগ্ৰস্ত হৈ সন্তান প্ৰসৱৰ অসমৰ্থ হলে পতিক অনুৰোধ কৰিব "হে স্বামিন্! মোৰ পৰা সন্তান উৎপত্তিৰ আশা ত্যাগ কৰি অন্য

কোনো বিধবাৰ লগত নিয়োগ কৰি সন্তান লাভ কৰক।" পাণ্ডু ৰজাৰ পত্নী কুন্তী আৰু মাদ্ৰী আদিয়ে এই দৰেই সন্তান সৃষ্টি কৰিছিল। চিত্ৰাঙ্গদা আৰু বিচিত্ৰবীৰ্য্যৰ মৃত্যুৰ পাছত ব্যাসদেৱ তেওঁৰ ভ্ৰাতৃবধূ অম্বিকা আৰু অম্বালিকাৰ লগত নিয়োগ কৰি যথাক্ৰমে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু আৰু দাসীৰ গৰ্ভত বিদুৰৰ জন্মদান দিছিল। এইবোৰ ঐতিহাসিক প্ৰমাণ।

প্ৰোষিতো ধৰ্ম্মকাৰ্য্যার্থং প্ৰতীক্ষ্যোঽষ্টৌ নৰঃ সমাঃ।
বিদ্যার্থং ষড্ যশোঽৰ্থং বা কামার্থং ত্রীংস্তু বৎসৰান্॥ ১॥
ৰন্ধ্যাষ্টমেঽধিবেদ্যাব্দে দশমে তু মৃতপ্ৰজা।
একাদশে স্ত্ৰী-জননী সদ্যস্ত্বপ্ৰিয়বাদিনী॥ ২॥

মনু॰ (৯।৭৬।৮১)॥

বিবাহিত পতি ধৰ্ম্মাৰ্থে বিদেশলৈ গ'লে আঠ বছৰ, বিদ্যা আৰু কীৰ্ত্তিৰ উদ্দেশ্যত বিদেশলৈ গ'লে ছয় বছৰ, অৰ্থ উপাৰ্জ্জনৰ উদ্দেশ্যত দুবে দেশলৈ গ'লে তিনি বছৰ প্ৰতীক্ষা কৰি বিবাহিতা স্ত্ৰীয়ে নিয়োগ কৰি সন্তান জন্ম দিব পাৰে, পুনঃ বিবাহিত পতি ঘুৰি আহিলে সেই নিযুক্ত পুৰুষৰ লগত কোনো সম্বন্ধ থাকিব নোৱাৰে॥ ১॥ সেইদৰে পুৰুষৰ কাৰণে স্ত্ৰী বন্ধ্যা হলে অৰ্থাৎ গৰ্ভ নহ'লে বিবাহৰ পাছত আঠ বছৰ, এবাৰ সন্তান হৈ মৰিলে দহ বছৰ, বাৰে বাৰে কন্যা প্ৰসৱ কৰিলে একাদশ বৎসৰ অপেক্ষা কৰিব, কিন্তু অপ্ৰিয়বাদিনী হলে তৎক্ষণাৎ সেই পত্নী পৰিত্যাগ কৰি অন্য বিধবাৰ লগত নিয়োগ কৰি সন্তান লাভ কৰিব। ২॥ সেইদৰে পতি দুশ্চৰিত্ৰবান হলে পৰিত্যাগ কৰি স্ত্ৰীয়ে অন্য পুৰুষৰ লগত নিয়োগ কৰি, উত্তৰাধিকাৰী সন্তান জন্ম দিব। এইবোৰ প্ৰমাণ যুক্তিৰ আধাৰত স্বয়ম্বৰ আৰু নিয়োগ ৰীতিৰে বংশোন্নতি কৰা কৰ্ত্তব্য। বিধৰে "ঔৰসজাত" অৰ্থাৎ বিবাহিত পতিৰ সন্তান পিতৃ সম্পত্তিৰ অধিকাৰী আৰু "ক্ষেত্ৰজ" অৰ্থাৎ নিয়োগজ পুত্ৰও মৃত পিতৃৰ সম্পত্তিৰ অধিকাৰী হয়।

সকলো স্ত্ৰী-পুৰুষৰে মনত ৰখা আৱশ্যক যে ৰজ আৰু ৰীৰ্য্য হৈছে সৃষ্টিৰ প্ৰধান পদাৰ্থ, যি ইয়াক দুষ্টা স্ত্ৰী আৰু দুষ্ট পুৰুষৰ সংসৰ্গত অপব্যয়

কৰে, সি মহা মূৰ্খ। মহা মূৰ্খ কৃষকেও পৰৰ ক্ষেত্ৰত বীজ বপন নকৰে। সৃষ্টিৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱদেহ ৰূপী বৃক্ষৰ বীজ কুক্ষেত্ৰত নষ্ট কৰা মানৱ সভ্যতাৰ পৰিচয় হ'ব নোৱাৰে। কুক্ষেত্ৰত বপন কৰা বীজৰ ফল নধৰে।

"আত্মা বৈ জায়তে পুত্ৰঃ"—এই হ'ল ব্ৰাহ্মণ গ্ৰন্থৰ বচন।

অঙ্গাদঙ্গাৎ সম্ভবসি হৃদয়াদধিজায়সে।
আত্মা বৈ পুত্ৰানামাসি স জীৱ শৰদঃ শতম্॥ (নিৰুক্ত ৩।৪॥)

"হে পুত্ৰ! তুমি মোৰ প্ৰত্যেক অঙ্গজাত ৰীৰ্য্য আৰু হৃদয়ৰ পৰা উৎপন্ন হৈছা, গতিকে তুমি মোৰ আত্মা। তুমি মোৰ আগত নমৰি শত বৎসৰ জীৱিত থাকা।" যি বীজে শ্ৰেষ্ঠ মহামানৱ সৃষ্টি কৰিব পাৰে সেই বীজক অযথা কুক্ষেত্ৰত নষ্ট কৰা অজ্ঞতাৰ পৰিচয় আৰু মহাপাপ।

প্ৰশ্নঃ— বিবাহৰ প্ৰয়োজন কি? বিবাহ বন্ধনত আবদ্ধ হলে অনেক দুখ ভুগিব লগা হয়। বন্ধন নহলে যাৰ যাৰ যিমান দিন প্ৰণয় থাকে সিমান দিন প্ৰেমত থাকিব পাৰে, প্ৰণয় অৱসান হলে কন্দল অশান্তিৰ পৰা পৰস্পৰ আঁতাৰি যাব পাৰে।

উত্তৰঃ—এইবোৰ বিবেচনা পশু পক্ষীৰহে, বিবেচনাশীল মানৱৰ হ'ব নোৱাৰে মানৱ সমাজত বিবাহৰ নিয়ম নীতি নেথাকিলে গৃহাশ্ৰমৰ সকলো কৰ্ত্তব্য আচৰণ নষ্ট ভ্ৰষ্ট হ'ব, পৰস্পৰ সহায় সহযোগ নেথাকিব, ব্যভিচাৰ অনাচাৰ আৰু অশান্তিৰ ৰাজত্ব হ'ব। কাৰো ক'তো অৰ্থসম্পত্তি ও উত্তৰাধিকাৰিত্ব নেথাকিব আৰু মানৱ সভ্যতা সমূলে ধ্বংস পাব। মানৱ সমাজৰ মঙ্গলৰ অৰ্থেই নিৰ্দ্ধাৰিত নীতি ব্যৱস্থাৰে বিবাহ কৰা কৰ্ত্তব্য।

প্ৰশ্নঃ—বিবাহতে এক পুৰুষৰ এক পত্নী, আৰু এক পত্নীৰ এক স্বামী থাকব। স্ত্ৰী গৰ্ভৱতী বা চিৰৰোগিনা হলে অথবা পুৰুষ চিৰ-ৰোগা হলে যেতিয়া এজন যোৱনৰ বিকাৰ সংযম কৰাত অসমৰ্থ হয় তেতিয়া কি কৰা উচিত?

উত্তৰঃ—ইয়াৰ উত্তৰ নিয়োগ প্ৰসঙ্গত দিয়া হৈছে। গৰ্ভৱতী স্ত্ৰীৰ লগত এবছৰ সমাগম বন্ধ থকাৰ কালত পুৰুষ আৰু চিৰৰোগী পুৰুষৰ

স্ত্রীয়ে সংযম অসম্ভব হলে যথাযোগ্য বীতিবে নিয়োগ কবি সন্তান জন্ম দিব পাবে, কিন্তু কেতিয়াও ব্যভিচাব কবিব নেলাগে।

দেশব সমাজব হিতব অর্থে যথা সম্ভব অপ্রাপ্ত বস্তুব প্রাপ্তি কামনা, প্রাপ্তব বক্ষা, বক্ষিতব পবিবর্দ্ধন, আৰু পবিবর্দ্ধনব ব্যয় কবা কর্ত্তব্য। ওপবত আলোচনা কবা, বীতি অনুসাবে, নিজ নিজ বর্ণাশ্রমব কর্ত্তব্য, ধর্ম্ম আৰু দায়িত্ব অনুযায়ী, অতি যত্নবে, কায়, মন, ধনেবে পবম অর্থ সাধন কবা কর্ত্তব্য। মাতা, পিতা, শহুব আৰু শাহুক শ্রদ্ধাবে শুশ্রূষা কবা কর্ত্তব্য। বন্ধু, প্রতিবেশী, শাসক, জ্ঞানী, চিকিৎসক আৰু সজ্জন সকলব প্রতি শ্রদ্ধা প্রীতি বাখি দুর্জ্জন অসৎবোবক উপেক্ষা কবা কর্ত্তব্য। যথাসম্ভব অসৎ আৰু দুর্জ্জনাদিক সংশোধনব চেষ্টা কবিব লাগে। যথাসম্ভব সন্তান আৰু সমাজব জ্ঞান বিদ্যাব উন্নতিব কাবণে ধন-সম্পত্তি ব্যয় কবিব লাগে। নিজব মোক্ষ আৰু কল্যাণব বাবে সত্য ধর্ম্ম আচবণ কবিব লাগে যাব দ্বাবা পবম আনন্দ হ'ব পাবে। তলত লিখা শ্লোকবোব শাস্ত্রব বচন বুলি বিবেচনা কবিব নেলাগে :—

পতিতোঽপি দ্বিজঃ শ্রেষ্ঠো ন চ শূদ্রো জিতেন্দ্রিয়ঃ।
নির্দুগ্ধা চাপি গৌঃ পূজ্যা ন চ দুগ্ধবতী খবী ॥ ১॥
অশ্বালম্ভং গবালম্ভং সন্ন্যাসং পলপৈত্রিকম্।
দেববাচ্চ সুতোৎপত্তিং কলৌ পঞ্চ বিবর্জ্জয়েৎ ॥ ২॥
নষ্টে মৃতে প্রব্রজিতে ক্লীবে চ পতিতে পতৌ।
পঞ্চস্বাপৎসু নাবীণাং পতিবন্যো বিধীয়তে ॥ ৩॥

এইবোব কপোলকল্পিত পাবাশবীব শ্লোক। কুকর্ম্ম দ্বিজক শ্রেষ্ঠ আৰু শ্রেষ্ঠ কর্ম্মী শূদ্রক নীচ গণ্য কবাতকৈ অন্যায় অধর্ম্ম কি হ'ব পাবে? দুগ্ধবতী অথবা দুগ্ধহীনা সকলো গাই গোপালকে পালিবব আৱশ্যক কি? ঘুমাব আদিব গাধ পালন কবাব আৱশ্যক নাই নেকি? এইবোব দৃষ্টান্ত যুক্তিহীন। দ্বিজ আৰু শূদ্র মানুহজাতি, গো-গর্দ্দভ ভিন্ন জাতি। পশু জাতিব লগত দৃষ্টান্তব একাংশব কোনো বিষয়ব সামঞ্জস্য থাকিলেও

শ্লোকব অভিপ্রায় যুক্তিহীন, এনেকুৱা শ্লোক বিদ্বান্ সমাজত সমর্থিত হ'ব নোৱাবে ॥ ১॥

অশ্বালম্ভ অর্থাৎ অশ্ব বধ কবি অথবা (গবালম্ভ) গোবধ কবি হোম কবা বেদ বিহিত কর্ম্ম নহয় যেতিয়া, সেইবোবব কলিযুগত নিষেধ কবা কথাই উঠিব নোৱাবে। এই হীন কর্ম্মবোব কেবল কলিযুগতহে নিষেধ হলে, ত্রেতা আদি অন্যান্য যুগত বিধি হ'ব পাবে। কলিব বাহিবে ত্রেতা আদি যুগবোব শ্রেষ্ঠ বুলি প্রসিদ্ধ, কিন্তু এনেকুৱা কলিযুগত নিন্দনীয় হীন কর্ম্মানুষ্ঠান যি যুগত কবা হৈছিল, সেইযুগ কেনেকৈ শ্রেষ্ঠ হ'ব? বেদাদি শাস্ত্রত সন্ন্যাসব বিধি আছে; সন্ন্যাস জ্ঞান উপলব্ধিব বিষয়, কলি-যুগত নিষেধ কবাব ভিত্তি নাই। মাংসব যেতিয়া নিষেধেই আছে সি চিবকালব বাবে নিষেধ। দেববব দ্বাবা সন্তান জন্মোৱাব বিধান বেদত আছে যেতিয়া, শ্লোক বচয়িতাব কথা শুনিব কোনে? ! ২॥

তৃতীয় শ্লোকব (নষ্টে) পতি দেশান্তবলৈ যোৱাত অর্থাৎ পতিব অনুপস্থিতিত স্ত্রীয়ে নিয়োগ কবে, আৰু সেই সময়ত বিবাহিত পতি আহিলে সেই স্ত্রী কোন পতিব হব? যদি সেই স্ত্রী পূর্ব্বব বিবাহিত পতিব হব বুলি কয়, তেন্তে আমি মানিব পাবো, কিন্তু পাবাশবীত তেনে বাখ্যা লিখিত নাই। এই শ্লোকত স্ত্রীব আপৎ কাল পাচটীব উল্লেখ কবিছে। এই পাচটাবো অধিক চিবৰুগ্ন, কলহ বিবাদ ইত্যাদি আপৎ কালত কি বিধান? গতিকে এইবোব শ্লোকে সমস্যা সমাধান নকবে আৰু সেইবোব মানিবও নোৱাবি।

প্রশ্ন—আপুনি পবাশব মুনিব বচনো নেমানে নেকি?

উত্তব—বেদ বিৰুদ্ধ হলে কাবো বচন মানিব নোৱাবো। আৰু এইবোব পবাশব মুনিব বচনো নহয়। কাবণ "ব্রহ্মোবাচ", "বশিষ্ঠ উবাচ", "ব্যাস উবাচ", "শিব উবাচ", "বিষ্ণুববাচ", আৰু "দেব্যু-বাচ" ইত্যাদিবে শ্রেষ্ঠ পুৰুষ সকলব নামত গ্রন্থ লিখি সমাজক প্রতাবণা কবি নিজব নিজব জীবিকাব উপায় সাধন কবা হৈছে মাথোন। স্বার্থ

সিদ্ধিৰ উদ্দেশ্যতেই অর্থহীন নানা আঁখ্যান উপাখ্যানেৰে গ্ৰন্থবোৰ ৰচিত হৈ আহিছে। কিছু প্ৰক্ষিপ্ত শ্লোকৰ বাহিৰে কেৱল মনুস্মৃতিয়েই বেদানুকুল স্মৃতি। বাকীবোৰ বেদানুকুল নহয়। অন্যান্য জাল কৰা গ্ৰন্থবোৰো এইদৰেই বিবেচনা কৰা বাঞ্ছনীয়।

প্ৰশ্ন—গৃহাশ্ৰম বাকীবোৰ আশ্ৰমতকৈ উৎকৃষ্ট নে নিকৃষ্ট?

উত্তৰ—নিজৰ নিজৰ কৰ্ত্তব্য ধৰ্ম্মত সকলোৱেই শ্ৰেষ্ঠ কিন্তু:—

যথা নদীনদাঃ সর্ব্বে সাগরে যান্তি সংস্থিতিম্।
তথৈবাশ্রমিণঃ সর্ব্বে গৃহস্থে যান্তি সংস্থিতিম্॥ মনুঃ (৬।৯১)।
যথা বায়ুং সমাশ্রিত্য বর্ত্তন্তে সর্ব্বজন্তবঃ।
তথা গৃহস্থমাশ্রিত্য বর্ত্তন্তে সর্ব্ব আশ্রমাঃ॥ ২॥
যস্মাত্ত্রয়োপ্যাশ্রমিণো দানেনান্নেন চান্বহম্।
গৃহস্থেনৈব ধার্য্যন্তে তস্মাজ্জ্যেষ্ঠাশ্রমো গৃহী॥ ৩॥
স সংধার্য্যঃ প্রয়ত্নেন স্বর্গমক্ষয়মিচ্ছতা।
সুখং চেহেচ্ছতা নিত্যং যোঽধার্য্যো দুর্ব্বলেন্দ্রিয়ৈঃ॥ ৪॥

মনুঃ (৩।৭৭-৭৯)।

যেনেকৈ সকলো নদ নদীৰ আধাৰ সাগৰ, সেইদৰে বাকী সকলো আশ্ৰম গৃহস্থাশ্ৰমৰ আধাৰত বৰ্ত্তি থাকে। গৃহস্থ আশ্ৰমতেই জীৱনৰ সকলো সাধন সিদ্ধ হয়। ব্ৰহ্মচাৰী, বানপ্ৰস্থ আৰু সন্যাসী এই তিনিও আশ্ৰমীক অন্নাদি দানেৰে প্ৰতিদিন গৃহাশ্ৰমীয়েই ধাৰণ কৰে। গতিকে গাৰ্হস্থ্য জ্যেষ্ঠাশ্ৰম অৰ্থাৎ সকলো সাধনৰ ক্ষেত্ৰ। গতিকে সংসাৰৰ সুখ আৰু জীৱনৰ মোক্ষ কামনা কৰিলে সংযত্নৰে গৃহাশ্ৰম ধাৰণ কৰিব। দুৰ্ব্বলেন্দ্ৰিয় অৰ্থাৎ ভীৰু আৰু দুৰ্ব্বল পুৰুষ গৃহাশ্ৰম ধাৰণৰ অযোগ্য। গৃহস্থাশ্ৰমেই সংসাৰৰ সকলো আচৰণৰ আধাৰ। এই আশ্ৰমতেই জীৱনৰ সৃষ্টি হয়। আগতে জীৱনৰ সৃষ্টি নহলে ব্ৰহ্মচৰ্য্য, বানপ্ৰস্থ আৰু সন্যাস কেনেকৈ হয়? যি গৃহাশ্ৰমৰ নিন্দা কৰে তেওঁহে নিন্দনীয়। কিন্তু এই গৃহাশ্ৰম অত্যন্ত জটিল, কঠ সাধ্য। স্ত্ৰী পুৰুষ দুয়ো জ্ঞান কৰ্ম্মত নিপুণ, পৰস্পৰ দায়িত্ব-

শীল, প্ৰীত প্ৰসন্ন থাকিব পাৰিলেহে সাংসাৰিক সুখ ভোগ কৰিব পাৰে। এই আশ্ৰমত সফল হোৱাৰ বাবে ব্ৰহ্মচৰ্য্য আৰু স্বয়ম্বৰ বিবাহেই প্ৰধান আৰু মূল হেতু। ইমানলৈকে সমাবৰ্ত্তন, বিবাহ, আৰু গৃহাশ্ৰমৰ শিক্ষা সম্বন্ধে সংক্ষেপত লিখা হ'ল। ইয়াৰ পাছত বানপ্ৰস্থ আৰু সন্ন্যাসৰ বিষয়ে লিখা হ'ব।

ইতি— শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থ প্ৰকাশে সুভাষা-বিভূষিতে সমাবৰ্ত্তন বিবাহ গৃহাশ্ৰম বিষয়ে চতুৰ্থঃ সমুল্লাসঃ সম্পূৰ্ণঃ।

অথ পঞ্চম সমুল্লাসাৰম্ভ ঃ

অথ বানপ্রস্থ সন্ন্যাসবিধিং বক্ষ্যামঃ

ব্রহ্মচর্য্যাশ্রমং সমাপ্য গৃহী ভবেৎ, গৃহী ভূত্বা
বনী ভবেদ্বনী ভূত্বা প্রব্রজেৎ ॥ শত॰ কা॰ ১৪ ॥

ব্রহ্মচর্য্যাশ্রম সমাপ্ত কৰি গৃহী হব। গৃহস্থাশ্রম শেষ কৰি বানপ্রস্থ আৰু বানপ্রস্থ হোৱাৰ পাছত সন্ন্যাসী হব। ক্রমান্বয়ে এইবোৰ আশ্রমৰ বিধান বা জীৱনৰ চাৰিটা বিভাগ।

এবং গৃহাশ্রমে স্থিত্বা বিধিবৎ স্নাতকো দ্বিজঃ।
বনে বসেত্তু নিয়তো যথাবদ্বিজিতেন্দ্রিয়ঃ ॥ ১॥
গৃহস্থস্তু যদা পশ্যেদ্বলীপলিতমাত্মনঃ।
অপত্যস্যৈব চাপত্যং তদারণ্যং সমাশ্রয়েৎ ॥ ২॥
সন্ত্যজ্য গ্রাম্যমাহারং সর্ব্বং চৈব পরিচ্ছদম্।
পুত্রেষু ভার্য্যাং নিঃক্ষিপ্য বনং গচ্ছেৎ সহৈব বা ॥ ৩॥
অগ্নিহোত্রং সমাদায় গৃহ্যং চাগ্নিপরিচ্ছদম্।
গ্রামাদরণ্যং নিঃসৃত্য নিবসেন্নিয়তেন্দ্রিয়ঃ ॥ ৪॥
মুন্যন্নৈর্বিবিধৈর্মেধ্যৈঃ শাকমূলফলেন বা।
এতানেব মহাযজ্ঞান্নির্বপেদ্বিধিপূর্ব্বকম্ ॥ ৫॥

মনু॰ (৬।১-৫) ॥

এইদৰে স্নাতক অর্থাৎ গৃহাশ্রম অৱলম্বনকাৰী, দ্বিজ অর্থাৎ ব্রাহ্মণ ক্ষত্রিয় আৰু বৈশ্যই গৃহাশ্রমত থকাৰ পাছত নিশ্চিতাত্মা আৰু সংযমী বনত বাস কৰিব। ১ ॥

গৃহাশ্রমীৰ যেতিয়া মুখৰ চুলি পকে, ছাল শিথিল হয়, নাতি-

নাতিনীৰ মুখ দেখে, তেতিয়া বনবাসী হব লাগে। ২ ॥ সকলো প্রকাৰ গ্রাম্য আহাৰ, বসন-ভূষণ আদি বস্তু পৰিত্যাগ কৰি পত্নীক পুত্রৰ গতাই দি বা লগত লৈ বনবাস কৰিব। ৩ ॥ অগ্নিহোত্রৰ সাধন সামগ্রী লগত লৈ গাওঁৰ পৰা ওলাই, ইন্দ্রিয় সংযমী হৈ অৰণ্যত বাস কৰিব। ৪॥ জাতিয়াৰ (শ্যামাক) আদি অন্ন, শাক, ফল, মূল, কন্দ আদিৰেই পঞ্চ মহাযজ্ঞ কৰিব আৰু তাৰেই অতিথি সৎকাৰ আৰু জীৱন নির্ব্বাহ কৰিব ॥ ৫ ॥

স্বাধ্যায়ে নিত্যযুক্তঃ স্যাদ্দান্তো মৈত্রঃ সমাহিতঃ।
দাতা নিত্যমনাদাতা সর্ব্বভূতানুকম্পকঃ ॥ ১ ॥
অপ্রযত্নঃ সুখার্থেষু ব্রহ্মচারী ধরাশয়ঃ।
শরণেষ্বমমশ্চৈব বৃক্ষমূলনিকেতনঃ ॥ ২ ॥ মনুঃ (৬,৮,২৬) ॥

স্বাধ্যায় অর্থাৎ অধ্যয়ন অধ্যাপনাত সহায় যুক্ত, জিতাত্মা সকলোৰে প্রিয়, ইন্দ্রিয় সংযমী, দাতা, দয়ালু আৰু কাৰো পৰা কোনো দান গ্রহণ নকৰাকৈ থাকিব। ১ ॥ শাৰীৰিক সুখৰ বাবে বেছি যত্ন নকৰিব। নিজৰ পত্নীৰ লগত সহবাস নকৰাকৈ ভূমিত বিছনা পাতি শয়ন কৰিব। নিজৰ আশ্রিত অথবা নিজৰ বস্তু সামগ্রীত মায়া মমতা নাৰাখিব আৰু বৃক্ষৰ তলত বাস কৰিব ॥ ২ ॥

তপঃশ্রদ্ধে যে হ্যুপবসন্ত্যরণ্যে শান্তা বিদ্বাংসো ভৈক্ষচর্য্যাং
চরন্তঃ। সূর্য্যদ্বারেণ তে বিরজাঃ প্রয়ান্তি যত্রাহমৃতঃ
স পুরুষো হ্যব্যয়াত্মা ॥ ১ ॥ (মু॰ খ॰ ২। ম॰ ১১) ॥

যিসকল শান্ত, বিদ্বান লোকে বনত তপস্যা ধর্ম্মানুষ্ঠান আৰু সত্যলৈ শ্রদ্ধাশীল হৈ ভিক্ষাচৰণ কৰি বনত বাস কৰে, তেওঁলোকে য'ত অবিনাশী, লাভ অলাভ ৰহিত, পূর্ণ পুৰুষ পৰমাত্মা আছে, সেই স্থানত, নির্ম্মলচিত্ত হৈ প্রাণধাৰেদি সেই পৰমাত্মাক প্রাপ্ত কৰি আনন্দ লাভ কৰে ॥ ১ ॥

অভ্যাদধামি সমিধমগ্নে ব্রতপতে ত্বয়ি।
ব্রতঞ্চ শ্রদ্ধাং চোপৈমীন্ধে ত্বা দীক্ষিতো অহম্ ॥ ১ ॥

যজুর্ব্বেদ ॥ অ॰ ২০। ম॰ ২৪ ॥

বানপ্রস্থীসকলে– "মই অগ্নিত হোম কবি দীক্ষিত হৈ ব্রত, সত্যাচবণ আৰু শ্রদ্ধা লাভ কবিম"– এই অভিলাষেবে বানপ্রস্থ অবলম্বন কবিব। সকলো তপশ্চর্য্যা, সৎসঙ্গ, যোগাভ্যাস আৰু সুবিবেচনা, জ্ঞান, পবিত্রতা অবলম্বন কবিব। তাব পাছত সন্ন্যাস গ্রহণব ইচ্ছা হলে স্ত্রীক পুত্রব ঘবলৈ পঠিয়াই সন্ন্যাস গ্রহণ কবিব।

ইতি সংক্ষেপেণ বানপ্রস্থবিধিঃ।

অথ সন্ন্যাসবিধিঃ

বনেষু চ বিহৃত্যৈবং তৃতীয়ং ভাগমায়ুষঃ।
চতুর্থমায়ুষো ভাগং ত্যক্ত্বা সঙ্গান্ পবিব্রজেৎ॥

আয়ুসব তৃতীয় ভাগ অর্থাৎ পঞ্চাশব পবা পয়সত্তব বছব পর্য্যন্ত বাণপ্রস্থ হৈ থকি জীৱনব চতুর্থ ভাগত সঙ্গত্যাগ কবি পবিব্রাট অর্থাৎ সন্ন্যাসী হ'ব।

প্রশ্নঃ– গৃহাশ্রম আৰু বাণপ্রস্থাশ্রম নকবাকৈ সন্ন্যাস আশ্রম গ্রহণ কবিলে পাপ হ'ব নেকি?

উত্তবঃ– হ'বও পাবে, নহ'বও পাবে

প্রশ্নঃ– দুয়োবকমে কিয় ক'লে?

উত্তবঃ দুইবকমে কোৱা নাই। যি বাল্য অৱস্থাতে বৈবাগ্য অবলম্বন কবি বিষয়ব প্রতি আসক্ত হয়, সি মহাপাপী হয়। যি তেনে নহয়, তেওঁ মহাপুণ্যাত্মা আৰু মহাপুৰুষ।

যদহবেব বিবজেত্তদহবেব প্রব্রজেদ্বনাদ্বা গৃহাদ্বা
ব্রহ্মচর্য্যাদেব প্রব্রজেৎ।

এইয়া ব্রাহ্মণ গ্রন্থব বচন। যি দিনা বৈবাগ্য লাভ হয় সেই দিনাই গৃহ বা বনব পবাই সন্ন্যাস গ্রহণ কবিব। আগতে ক্রমানুসাব সন্ন্যাসব বিষয়ে লিখা হৈছে। ইয়াত বিকল্প ইমানেই যে বাণপ্রস্থ পালন নকবাকৈয়ে গৃহাশ্রমব দ্বাবেই সন্ন্যাস গ্রহণ কবিব পাবে। আৰু পূর্ণ জ্ঞানী, জিতেন্দ্রিয

বিষয় বাসনা বহিত আৰু সমাজব হিতকাৰী পুৰুষে ইচ্ছা হলে ব্রহ্মচর্য্য আশ্রমব পবাই সন্ন্যাস গ্রহণ কবিব পাৰে। বেদতো "**যতয়ঃ ব্রাহ্মণস্য বিজানতঃ**" ইত্যাদি বাক্যত সন্ন্যাস বিধি আছে।

নাবিবতো দুশ্চবিতান্নাশান্তো নাসমাহিতঃ।
নাশান্তমানসো বাপি প্রজ্ঞানেনৈনমাপ্নুয়াৎ॥

কঠ; বল্লী ২। মং ২৩॥

যি দুবাচাব বহিত নহয়, যাব চিত্ত অশান্ত, যি আত্মযোগী নহয় আৰু শান্তিবিহীন, তেওঁ সন্ন্যাস গ্রহণ কবিও প্রজ্ঞানেবে পবমাত্মাক পাব নোৱাবে। গতিকে:—

যচ্ছেদ্বাঙ্মনসী প্রাজ্ঞস্তদ্যচ্ছেজ্ জ্ঞান আত্মনি।
জ্ঞানমাত্মনি মহতি নিয়চ্ছেত্তদ্যচ্ছেচ্ছান্ত আত্মনি॥

কঠ• বল্লী ৩। মং ১৩॥

বুদ্ধিমান্ সন্ন্যাসীয়ে বাক্য আৰু মনক অধর্ম্মব পবা নিবৃত্তি কবি, জ্ঞান আৰু আত্মাত যুক্ত কবিব আৰু সেই জ্ঞান স্বাত্মাক পবমাত্মাত নিয়োজিত কবিব। আৰু সেই বিজ্ঞানক শান্তস্বৰূপ আত্মাত স্থিব কবিব।

পবীক্ষ্য লোকান্ কর্ম্মচিতান্ ব্রাহ্মণো
নির্বেদমায়ান্নাস্ত্যকৃতঃ কৃতেন।
তদ্বিজ্ঞানার্থং স গুৰুমেবাভিগচ্ছেৎ সমিৎপাণিঃ
শ্রোত্রিয়ং ব্রহ্মনিষ্ঠম্॥ মুণ্ড• খ• ২ ম• ১২॥

সকলো লৌকিক ভোগ কর্ম্মব দ্বাবা সঞ্চিত হোৱা বুলি জ্ঞান কবি ব্রাহ্মণ অর্থাৎ সন্ন্যাসীয়ে বৈবাগ্য অবলম্বন কবিব। কাবণ অকৃত অর্থাৎ যি কাৰো দ্বাবা সৃষ্ট হোৱা নাই, সেই পৰমাত্মাক কৃত অর্থাৎ কেবল কর্ম্মব দ্বাবাই প্রাপ্ত হব নোৱাবি। গতিকে অর্পণ কবিবলৈ হাতত কিবা লবা লৈ বিজ্ঞানব কাৰণে বেদবিদ আৰু ব্রহ্মজ্ঞ গুৰুব ওচৰলৈ গৈ

সকলো সংশয় দূৰ কৰিব কিন্তু তলত উল্লেখ কৰা লোক সকলৰ সংসৰ্গ একেবাৰে পৰিত্যাগ কৰিব :—

অবিদ্যায়ামন্তৰে বৰ্ত্তমানাঃ স্বয়ং ধীৰাঃ পণ্ডিতম্মন্যমানাঃ।
জঙ্ঘন্যমানাঃ পৰিয়ন্তি মূঢ়া অন্ধেনৈব নীয়মানা যথান্ধাঃ।
অবিদ্যায়াং বহুধা বৰ্ত্তমানা বয়ং কৃতাৰ্থা ইত্যভিমন্যন্তি বালাঃ।
যৎকৰ্ম্মিণো ন প্ৰবেদয়ন্তি ৰাগাৎ তেনাতুৰাঃ ক্ষীণলোকাশ্চ্যবন্তে ॥২

মুণ্ডঃ মঃ ২। মঃ ৮।৯ ॥

যি সকলে অবিদ্যাৰ মাজত আমোদ প্ৰমোদ কৰি থাকে আৰু নিজকে নিজে ধীৰ আৰু পণ্ডিত বুলি ভাবে, সেই সকলে নীচগতি প্ৰাপ্ত হয়। মূৰ্খই অন্ধৰ পথ অনুসৰণ কৰি দুৰ্দ্দশাগ্ৰস্ত হোৱাৰ দৰে সেই বিলাকে দুঃখ ভোগ কৰিব লগীয়া হয় ॥ ১ ॥ নিজকে বালা বুদ্ধি যুক্ত যিবিলাকে অবিদ্যাত বহু প্ৰকাৰে থাকি নিজক কৃতাৰ্থ হোৱা বুলি অনুভৱ কৰে, যিবিলাকে কৰ্ম্মীসকলক বহু ৰাগেৰে তেওঁলোক বিষয়ত আসক্ত আৰু মোহান্ধ হৈ জানিব আৰু জনাবও নোৱাৰে! তেওঁলোক আতুৰ হৈ জন্ম মৰণ ৰূপ দুখত নিমগ্ন হৈ থাকে ॥ ২ ॥ গতিকে—

বেদান্তবিজ্ঞানসুনিশ্চিতার্থাঃ সংন্যাসযোগাদ্যতয়ঃ শুদ্ধসত্ত্বাঃ
তে ব্ৰহ্মলোকেষু পৰান্তকালে পৰামৃতাঃ পৰিমুচ্যন্তি সর্ব্বে ॥

মুণ্ডঃ খঃ ২। মঃ ৬ ॥

যি সকল বেদান্ত অৰ্থাৎ পৰমজ্ঞানৰ প্ৰতিপাদক বেদমন্ত্ৰৰ অৰ্থজ্ঞান আৰু তদনুকূল আচৰণত দৃঢ় নিশ্চয় আৰু যি সকল সন্ন্যাস যোগ দ্বাৰা শুদ্ধান্তঃকৰণ সন্ন্যাসী হয়, তেওঁলোকে পৰম (পৰমেশ্বৰ) মুক্তি সুখ ভোগৰ সীমা অন্ত হলে, সেই স্থানৰ পৰা নিষ্ক্ৰান্ত হৈ পুনৰায় সংসাৰলৈ আগমন কৰে। মুক্তি ব্যতীত দুঃখৰ নাশ নহয়।

ন বৈ সশৰীৰস্য সতঃ প্ৰিয়াপ্ৰিয়য়োৰপহতিৰস্ত্যশৰীৰং
বাবসন্তং নপ্ৰিয়াপ্ৰিয়ে স্পৃশতঃ ॥

দেহধাৰী অৰ্থাৎ দেহ থাকে মানে বা দেহত প্ৰাণ থাকে মানে সুখ দুখ নোহোৱাকৈ থাকিব নোৱাৰে। যেতিয়া অশৰীৰী জীৱাত্মা শুদ্ধ আৰু মুক্ত অৱস্থাত পৰমাত্মাৰ লগত অৱস্থান কৰে, তেতিয়াহে সাংসাৰিক সুখ দুখ নোহোৱা হয়।

বিত্তৈষণায়াশ্চ লোকৈষণায়াশ্চ পুত্ৰৈষণায়াশ্চ
ব্যুত্থায়াথ ভিক্ষাচৰ্য্যং চৰন্তি ॥ (শত০ কা০ ১৪। প্ৰ০ ৫ প্ৰ০ ২। ক০ ১)

সাংসাৰিক খ্যাতি বা লাভ, ঐশ্বৰ্য্য ভোগ, সম্মান আৰু পুত্ৰাদিৰ মোহৰ পৰা দূৰৈত থাকি ভিক্ষা-বৃত্তি অৱলম্বন কৰি সন্ন্যাসী সকলে মোক্ষ সাধনত তৎপৰ থাকে।

প্ৰাজাপত্যাং নিৰূপ্যেষ্টিং তস্যাং সর্ব্ববেদসং হুত্বা ব্ৰাহ্মণঃ
প্ৰব্ৰজেৎ ॥১॥ যজুৰ্ব্বেদ ব্ৰাহ্মণে ॥

প্ৰাজাপত্যাং নিৰূপ্যেষ্টিং সর্ব্ববেদসদক্ষিণাম্।
আত্মন্যগ্নীন্ সমাৰোপ্য ব্ৰাহ্মণঃ প্ৰব্ৰজেদ্ গৃহাৎ ॥২॥
যো দত্ত্বা সর্ব্বভূতেভ্যঃ প্ৰব্ৰজত্যভয়ং গৃহাৎ।
তস্য তেজোময়া লোকা ভবন্তি ব্ৰহ্মবাদিনঃ ॥৩॥

(মনুঃ ৬।৩৮, ৩৯ ॥)

প্ৰজাপতি অৰ্থাৎ পৰমেশ্বৰ লাভৰ কাৰণে ইষ্টি অৰ্থাৎ যজ্ঞ কৰি সেই যজ্ঞতেই যজ্ঞোপৱীত আৰু শিখাদি চিহ্ন পৰিত্যাগ কৰিব। আহৱনীয়াদি পাঁচ প্ৰকাৰৰ অগ্নিক প্ৰাণ, অপান, ব্যান, উদান আৰু সমান এই পঞ্চ প্ৰাণত আৰোপণ কৰি ব্ৰহ্মবিদ ব্ৰাহ্মণে গৃহত্যাগ কৰি সন্ন্যাসী হব।

যি সর্ব্বভূত অৰ্থাৎ প্ৰাণীমাত্ৰকেই অভয়দান দি গৃহ ত্যাগ কৰি সন্ন্যাসী হয়, সেই ব্ৰহ্মবাদী ধৰ্ম্ম আৰু জ্ঞানৰ উপদেশৰ সন্ন্যাসীয়ে জ্যোতিৰ্ময় আনন্দময় মুক্তি-লোক প্ৰাপ্ত হয়।

প্ৰশ্ন—সন্ন্যাসীৰ ধৰ্ম্ম কি ?

উত্তৰ—নিৰপেক্ষ ন্যায় আচৰণ সত্য গ্ৰহণ, অসত্য বৰ্জন, সত্য

কথন, পৰহিতকেই নিজ হিত জ্ঞান, ইত্যাদিবোৰ সকলো আশ্রমৰ অর্থাৎ মনুষ্য মাত্রেই কর্ত্তব্য ধর্ম্ম। কিন্তু সন্ন্যাসীৰ বাবে বিশেষ ধর্ম্ম এইবোৰ :—

দৃষ্টিপূতং ন্যসেৎ পাদং বস্ত্রপূতং জলং পিবেৎ।
সত্যপূতং বদেদ্বাচং মনঃপূতং সমাচবেৎ ॥ ১॥
ক্রুদ্ধস্যন্তং ন প্রতিক্রুধ্যেদাক্রুষ্টঃ কুশলং বদেৎ।
সপ্তদ্বাবাবকীর্ণাঞ্চ ন বাচমনৃতাং বদেৎ ॥ ২॥
অধ্যাত্মরতিবাসীনো নিরপেক্ষো নিরামিষঃ।
আত্মনৈব সহায়েন সুখার্থী বিচরেদিহ ॥ ৩॥
ক্লৃপ্তকেশনখশ্মশ্রুঃ পাত্রী দণ্ডী কুসম্ভবান্।
বিচরেন্নিয়তো নিত্যং সর্ব্বভূতান্যপীড়য়ন্ ॥ ৪॥
ইন্দ্রিয়াণাং নিরোধেন রাগদ্বেষক্ষয়েণ চ।
অহিংসয়া চ ভূতানামমৃতত্বায় কল্পতে ॥ ৫॥
দূষিতোঽপি চরেদ্ধর্ম্মং যত্র তত্রাশ্রমে রতঃ।
সমঃ সর্ব্বেষু ভূতেষু ন লিঙ্গং ধর্ম্মকারণম্ ॥ ৬॥
ফলং কতকবৃক্ষস্য যদ্যপ্যম্বুপ্রসাদকম্।
ন নামগ্রহণাদেব তস্য বারি প্রসীদতি ॥ ৭॥
প্রাণায়ামা ব্রাহ্মণস্য ত্রয়োঽপি বিধিবৎ কৃতাঃ।
ব্যাহৃতি প্রণবৈর্যুক্তা বিজ্ঞেয়ং পরমন্তপঃ ॥ ৮॥
দহ্যন্তে ধ্মায়মানানাং ধাতূনাং হি যথা মলাঃ।
তথেন্দ্রিয়াণাং দহ্যন্তে দোষাঃ প্রাণস্য নিগ্রহাৎ ॥৯॥
প্রাণায়ামৈর্দহেদ্দোষান্ ধারণাভিশ্চ কিল্বিষম্।
প্রত্যাহারেণ সংসর্গান্ ধ্যানেনানীশ্বরান্ গুণান্ ॥১০॥
উচ্চাবচেষু ভূতেষু দুর্জ্ঞেয়ামকৃতাত্মভিঃ।
ধ্যানযোগেন সংপশ্যেদ্ গতিমস্যান্তরাত্মনঃ ॥১১॥
অহিংসয়েন্দ্রিয়াসঙ্গৈর্বৈদিকৈশ্চৈব কর্ম্মভিঃ।
তপসশ্চরণৈশ্চোগ্রৈঃ সাধয়ন্তীহ তৎপদম্ ॥১২॥

যদা ভাবেন ভবতি সর্ব্বভাবেষু নিস্পৃহঃ।
তদা সুখমবাপ্নোতি প্রেত্য চেহ চ শাশ্বতম্ ॥ ১৩॥
চতুর্ভিরপি চৈবৈতৈর্নিত্যমাশ্রমিভি র্দ্বিজৈঃ।
দশ লক্ষণকো ধর্ম্মঃ সেবিতব্যঃ প্রয়ত্নতঃ ॥ ১৪॥
ধৃতিঃ ক্ষমা দমোঽস্তেয়ং শৌচমিন্দ্রিয়নিগ্রহঃ।
ধীর্বিদ্যা সত্যমক্রোধো দশকং ধর্ম্মলক্ষণম্ ॥ ১৫॥
অনেন বিধিনা সর্ব্বাংস্ত্যক্ত্বা সঙ্গান্ শনৈঃ শনৈঃ।
সর্ব্বদ্বন্দ্ববিনির্মুক্তো ব্রহ্মণ্যেবাবতিষ্ঠতে ॥ ১৬॥
(মনু॰ অ॰ ৬।৪৬।৪৯।৫২।৬০।৬৬।৬৭।৭০।৭১।৭২।৭৩।৭৫।৮০।৯১।৯২।৮১)

গমন কালত সন্ন্যাসীয়ে ইতস্ততঃ দৃষ্টিপাত নকৰি ভূমিত দৃষ্টি ৰাখিব লাগে। কাপোৰেৰে চেকি জল পান কৰিব, সদায় সত্য কথা কব, সত্য অসত্যৰ বিবেচনা কৰি সত্যৰ গ্রহণ আৰু অসত্যৰ বৰ্জ্জন কৰিব ॥ ১॥ কেতিয়াবা কোনোৱে ক্রোধ বা নিন্দা কৰিলেও প্রতিক্রোধ বা প্রতিবাদ নকৰি সেই সকলৰ কল্যাণমূলক উপদেশ দিয়া সন্ন্যাসীৰ কর্ত্তব্য। মুখৰ এক, নাসিকাৰ দুই, চক্ষুৰ দুই আৰু কৰ্ণৰ দুই ছিদ্রত প্রৱেশ কৰা কোনো কথাকেই কোনো কাৰণত মিছা নামাতিব। ২॥ নিজৰ আত্মা আৰু পৰমাত্মাত স্থিৰ নিৰপেক্ষ থাকি মদ্য মাংসাদি বর্জ্জন কৰি, আত্মাৰেই সহায়ত সুখার্থী হৈ এই সংসাৰত ধর্ম্মোন্নতি আৰু বিদ্যাৰ উন্নতি জনক কার্য্যত সদায় লিপ্ত থাকিব। ৩॥ কেশ, নখ, দাড়ি, গোফ খুৰাই, সুন্দৰ পাত্র আৰু দণ্ড ধাৰণ কৰি আৰু কুসুম্ভ আদিৰে ৰঞ্জিত বস্ত্র পৰিধান কৰি আত্মবিশ্বাসী হৈ আৰু কাকো উৎপীড়ন নকৰাকৈ বিচৰণ কৰিব। ৪॥ ইন্দ্রিয় সংযম আৰু ৰাগ দ্বেষ ত্যাগ কৰি কাৰো প্রতি বৈৰভাৱ নেৰাখি মোক্ষৰ সাধন কৰি থাকিব লাগে। ৫॥ আনে নিন্দা বা প্রশংসা কৰিলেও আৰু যেই কোনো আশ্রমত যুক্ত থাকিও ধর্ম্মৰ আচৰণ কৰিব, সকলো প্রাণীতে সমজ্ঞান কৰিব। বেশভূষাই ধর্ম্মৰ কাৰণ নহয় অর্থাৎ কেৱল দণ্ড কমণ্ডলু আদি ধাৰণ কৰিলেই

ধর্ম্ম হব নোৱাৰে। বিদ্যাৰ বৃদ্ধি আৰু অবিদ্যাৰ হ্রাস কৰাই সন্ন্যাসীৰ কর্ত্তব্য।৬॥ যদ্যপি নির্ম্মলী বৃক্ষৰ ফল বতি গুৰি কৰি অপবিত্রৰ জলত দিলে সেই জল পবিত্রৰ হয়, কিন্তু তাৰ জলত মিহলি নকৰি কেৱল নাম ললে বা ডিণ্ডিত বান্ধি ললেই জল পবিত্রৰ হব নোৱাৰে।৭॥ গতিকে ব্রাহ্মণ অর্থাৎ ব্রহ্মবিৎ সন্ন্যাসীয়ে তিনি ওঙ্কাৰৰ লগত সপ্তব্যাহৃতিৰে বিধিবৎ যথাশক্তি প্রাণায়াম কৰা কর্ত্তব্য। প্রাণায়াম তিনিটাৰ কম হব নেলাগে। এই প্রাণায়াম সন্ন্যাসীৰ পৰম তপস্যা।৮॥ ধাতু যেনেকৈ অগ্নিত গলালে বা তপত কৰিলে নির্ম্মল হয়, সেইদৰে প্রাণায়াম অর্থাৎ প্রাণৰ নিগ্রহ কৰিলে মন আদি ইন্দ্রিয়বোৰৰ দোষ দূৰ হয়।৯॥ সকলোৱে প্রতিদিন প্রাণায়ামেৰে আত্ম অন্তঃকৰণ, আৰু ইন্দ্রিয়বোৰৰ দোষ, ধাৰণাৰদ্বাৰা পাপ, প্রত্যাহাৰৰ দ্বাৰা সমদোষ আৰু ধ্যানেৰে অনীশ্বৰ গুণ, অর্থাৎ হর্ষ শোক আৰু অবিদ্যাদি জীৱৰ দোষ ভস্মীভূত কৰিব লাগে।১০॥ এই ধ্যান যোগৰ দ্বাৰা অযোগী আৰু অজ্ঞানী সকলৰ পক্ষে দুর্জ্ঞেয় সকলোতে পৰমাত্মাৰ যি ব্যাপ্তি আৰু নিজৰ আত্মা আৰু অন্তর্য্যামী পৰমাত্মাৰ যি গতি, তাক দর্শন কৰিব।১১॥ সকলো ভূতৰ প্রতি নির্বৈৰ ভাৱ, ইন্দ্রিয়ৰ বশ বৈদিক কর্ম্ম আৰু উগ্র তপস্যাৰ দ্বাৰাই এই সংসাৰত মোক্ষ পদ পূর্ব্বোক্ত সন্ন্যাসীয়েহে সিদ্ধ কৰিব আৰু কৰাব পাৰে।১২॥ যেতিয়া সন্ন্যাসী সর্ব্বপ্রকাৰে সকলো বিষয় পদার্থত নিস্পৃহ, চিত্তাত বাহিৰে ভিতৰে পৰিত্র হয় তেতিয়া দেহ থাকে মানে আৰু মৰণৰ পাছতো পৰম শান্তি পাব পাৰে।১৩॥ গতিকে সকলো অৱস্থাতেই সকলোৱে যত্ন পূর্ব্বক দশ লক্ষণ যুক্ত ধর্ম্ম আচৰণ কৰা উচিত।১৪॥ ধর্মৰ ৰূপ লক্ষণ যথা :— (ধৃতি) ধৈর্য্য, (ক্ষমা) সহিষ্ণুতা, (দম) সংযম অর্থাৎ কর্ত্তব্য ধর্ম্মত বতি আৰু অধর্ম্মত বিৰতি, (অস্তেয়) পৰৰ অপহৰণ বা চুৰি নকৰা, (শৌচ) জল আদিৰে শৰীৰৰ শুদ্ধি আৰু ৰাগ, দ্বেষ, পক্ষপাত ত্যাগ কৰি অন্তৰ শুদ্ধি, (ইন্দ্রিয়নিগ্রহ) ইন্দ্রিয়ক সংযম কৰা, (ধীঃ) বুদ্ধিৰ বৃদ্ধি আৰু বুদ্ধিস্থ (বিদ্যা) সংসাৰৰ সৎ অসৎ বা হিতাহিত

জ্ঞান, (সত্য) আচৰণ কৰা, (অক্রোধ) ক্রোধ পৰিত্যাগ কৰা। এই দশ লক্ষণ বিশিষ্ট পক্ষপাত ৰহিত, ন্যায়াচৰণ ৰূপ ধর্ম্ম চাৰিও আশ্রমীয়েই পালন কৰা পৰম কর্ত্তব্য। এই ধর্ম্মৰ আচৰণ কৰা আৰু আনক হৃদয়ঙ্গম কৰোৱাই সন্ন্যাসীৰ বিশেষ ধর্ম্ম।১৫॥ এই বিধিৰেই সকলো আসক্তি ধীৰে ধীৰে এৰি সংসাৰৰ সকলো দুখ শোক, মায়ামোহৰ পৰা সন্ন্যাসী মুক্ত হৈ পৰমাত্মাত লীন হয়। সকলোকে এনে উপদেশ দিয়া সকলো সংশয় আৰু সমস্যাৰ সমাধান কৰি দিয়া, আৰু কর্ত্তব্য ধর্ম্মত প্রবৃত্ত কৰোৱা সন্ন্যাসীৰ প্রধান কর্ত্তব্য।১৬॥

প্রশ্ন— সন্ন্যাস কেৱল ব্রাহ্মণৰহে ধর্ম্ম, নে ক্ষত্রিয় আদি অন্য বর্ণৰো ধর্ম্ম ?

উত্তৰ—সন্ন্যাস ধর্ম্মত কেৱল ব্রাহ্মণৰহে অধিকাৰ। সকলো বর্ণৰ ভিতৰত যি পূর্ণ বিদ্বান, জ্ঞানী, ধর্ম্মপৰায়ণ, যাৰ সকলো প্রাণীতেই সমতাৰ জ্ঞান, তেনে পুৰুষেই ব্রাহ্মণ। যাৰ এইবোৰ গুণ স্বভাৱ নাই তেওঁৰ সন্ন্যাস গ্রহণ কৰাৰ অধিকাৰ নাই আৰু সেই গুণৰ অধিকাৰী নোহোৱাকৈ সন্ন্যাসী হলে তেওঁৰ বা জগতৰ একো উপকাৰ সাধিব নোৱাৰে। এই কাৰণেই জনশ্রুতি আছে যে কেৱল ব্রাহ্মণৰহে সন্ন্যাসত অধিকাৰ আছে, অন্যৰ নাই। মনুস্মৃতিতো প্রমাণ আছে :—

এষ বোঽভিহিতো ধর্ম্মো ব্রাহ্মণস্য চতুর্ব্বিধঃ।
পুণ্যোঽক্ষয়ফলঃ প্রেত্য ৰাজধর্ম্মান্ নিবোধত ॥ মনুঃ ৬।৯৭

মহাৰাজ মনুৰে কৈ গৈছে "হে ঋষিসকল! এই চতুর্বিধ অর্থাৎ ব্রহ্মচর্য্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্ন্যাস আশ্রম পালন কৰা ব্রাহ্মণৰ ধর্ম্ম। সন্ন্যাস ধর্ম্ম বর্ত্তমানে অর্থাৎ দেহ থাকে মানে পুণ্যস্বৰূপ, আৰু দেহত্যাগ কৰাৰ পাছত মুক্তি স্বৰূপ অক্ষয় আনন্দপ্রদ। ইয়াৰ পাছত ৰাজধর্ম্মৰ বিষয়ে শ্রৱণ কৰক"। ইয়াৰ দ্বাৰা বুজা যায় যে, প্রধানকৈ ব্রাহ্মণৰহে সন্ন্যাস গ্রহণৰ অধিকাৰ, বাকী ক্ষত্রিয়াদিৰ ব্রহ্মচর্য্য আশ্রম।

প্রশ্ন :—সন্ন্যাস লোৱাৰ কি আৱশ্যক ?

উত্তৰ ঃ— শৰীৰৰ ভিতৰত যেনেকৈ মস্তকৰ প্ৰয়োজন, সেইদৰে আশ্রম সমূহৰ ভিতৰত সন্ন্যাস আশ্রমৰ প্ৰয়োজন হয়। কাৰণ সন্ন্যাস নহলে সমাজত কেতিয়াও বিদ্যা আৰু ধৰ্ম্মৰ উন্নতি হ'ব নোৱাৰে। অন্যান্য আশ্রমীয়ে, বিদ্যাধ্যয়ন, গৃহকৃত্য, আৰু তপস্যাত আৱদ্ধ থাকিব লাগে গতিকে অবসৰ নেথাকে। পক্ষপাত সম্পূৰ্ণ ত্যাগ কৰা অন্য আশ্রমীৰ পক্ষে সম্ভৱপৰ নহয়। সৰ্ব্বত্যাগী আৰু সকলোৰে পৰা মুক্ত সন্ন্যাসীৰ সৎ বিদ্যাৰে পদাৰ্থ বিজ্ঞানৰ উন্নতি সাধনৰ যিমান অৱকাশ থাকে, আন কাৰো সিমান থাকিব নোৱাৰে। আৰু ব্রহ্মচর্য্য আশ্রমৰ পৰাই সন্ন্যাসী হৈ সমাজৰ যিমান উপকাৰ সাধন কৰিব পৰা যায়, গৃহস্থ বা বানপ্রস্থ আশ্রমৰ পাছত সন্ন্যাসী হৈ সিমানখিনি কৰিব নোৱাৰি।

প্রশ্ন ঃ—সন্ন্যাস গ্রহণ কৰাটো সৃষ্টি নীতিৰ পৰিপন্থী, কাৰণ সৃষ্টিৰ ক্রমবিকাশ কৰাই সৃষ্টিকর্ত্তাৰ অভিপ্রেত। গৃহাশ্রম নকৰিলে সন্ন্যাসী হবলৈ সন্তান কেনেকৈ হ'ব, আৰু সন্ন্যাসেই যদি প্রধান ধৰ্ম্ম, সেই মতে সকলোৱে সন্ন্যাসী হলে মনুষ্য জাতি একেবাৰে লোপ নাপাব নে ?

উত্তৰঃ—বিবাহ কৰিলেও অনেকৰ সন্তান জন্ম নহয় বা হলেও অকালতে মৰি যায়। এইবোৰো সৃষ্টিৰ বা সৃষ্টি কর্ত্তাৰ বিৰুদ্ধ হব নেকি ? যদি কোৱা হয়—"যত্নে কৃতে যদি ন সিধ্যতি কোঽত্র দোষঃ" এইটো কোনোৱা কবিৰ উক্তি। ইয়াৰ অর্থ হৈছে চেষ্টা কৰা সত্ত্বেও কার্য্যসিদ্ধি নহলে দোষ কি ? অর্থাৎ একো দোষ নাই। সেয়ে যদি হয়, আপোনাক প্রশ্ন কৰোঁ।—যদি গৃহাশ্রমত বহুত সন্তান জন্ম হয় আৰু সেইবোৰে অজ্ঞান অশিক্ষা বশতঃ পৰস্পৰ বিৰুদ্ধাচৰণ আৰু কন্দল বিবাদ কৰি মৰে, তাৰ পৰা মনুষ্য জাতিৰ অনিষ্ট নহবনে ? ভুল বুজা বুজিৰ কাৰণেই অনেক সময়ত বাদ বিবাদ ঘটে। সন্ন্যাসীৰ ধৰ্ম্ম উপদেশৰ প্রভাৱত পৰস্পৰৰ ভিতৰত প্রীতি, সহায়, সহযোগ হলে লক্ষ লক্ষ

মনুষ্য গৃহস্থৰ সমান সংখ্যক মানুহ বাঢ়িব। আৰু সকলোৱে সন্ন্যাসী হোৱাৰ যোগ্যও নহয়, কাৰণ সৰ্ব্বসাধাৰণৰ বিষয় বাসনাৰ আসক্তি কেতিয়াও দূৰ নহয়। সন্ন্যাসীৰ আদর্শ শিক্ষাত যিবোৰ ধৰ্ম্ম পৰায়ণ হয় সেইবোৰ সন্ন্যাসীৰ পুত্র তুল্য।

প্রশ্ন ঃ—সন্ন্যাসী সকলে কয় —যে তেওঁলোকৰ কোনো কর্ত্তব্য কর্ম্ম নাই। কেৱল অন্ন বস্ত্র পালেই শান্তি আৰু সন্তোষত থাকে। অনিত্য মায়াময় সংসাৰৰ কাৰণে চিন্তা দুঃখ কৰি মৰে কিয় ? স্বয়ং ব্রহ্ম বুলি সন্তুষ্ট থাকি যেয়ে সোধে, তাকো ব্রহ্ম বুলি কোৱা হয়। পাপ পুণ্য একোৱে কাকো স্পর্শ কৰিব নোৱাৰে। কাৰণ শীত উষ্ণ শৰীৰৰ, ক্ষুধা-তৃষ্ণা প্রাণৰ আৰু সুখ-দুখ মনৰ ধর্ম। জগত যেতিয়া মিথ্যা, জগতৰ সকলো ব্যবহাৰো কল্পিত অর্থাৎ মিথ্যা। গতিকে মিথ্যা মায়াত আবদ্ধ হোৱা জ্ঞানীৰ কাম নহয়। পাপ পুণ্য সকলো দেহ আৰু ইন্দ্রিয়ৰ ধর্ম, আত্মাৰ নহয়। সন্ন্যাসী সকলে এনেকুৱা উপদেশকে দিয়ে। আপুনি বিপৰীত সন্ন্যাস ধর্মৰ কথা কৈছে। এতিয়া আমি কাৰ কথা সঁচা আৰু কাৰ কথা মিছা বুলি মানিম ?

উত্তৰঃ—সন্ন্যাসীৰ পক্ষে সেইবোৰ সৎকর্ম্মও কর্ত্তব্য নহয় নেকি ? মনুস্মৃতিত কৈছে "বৈদিকৈশ্চৈত্র কর্ম্মভিঃ" অর্থাৎ—বৈদিক কর্ম্ম বিধ্যেৰ ধর্ম্মসঙ্গত সত্যকর্ম্ম, সেইবোৰ সন্ন্যাসীৰ অৱশ্যে কর্ত্তব্য। খোৱা পিন্ধাও সন্ন্যাসীয়ে ত্যাগ কৰিব পাৰে নেকি ? যদি এইবোৰ কর্ম্ম পৰিত্যাগ কৰিব নোৱাৰে, তেন্তে সৎ কর্ম্ম পৰিত্যাগ কৰিলে মহা পাপী নহব জানো ? সন্ন্যাসীয়ে গৃহস্থ সকলৰ পৰা অন্ন বস্ত্র গ্রহণ কৰি নিজৰ জীৱন নির্ব্বাহ কৰে, গৃহস্থ সকলৰ কোনো প্রত্যুপকাৰ নকৰিলে অকৃতজ্ঞ আৰু মহাপাপী নহব নে ? যেনেকৈ চকুৰে দর্শন আৰু কাণেৰে শ্রৱণ নকৰিলে চকু-কাণ নিৰর্থক হয়, সেই দৰেই সত্য জ্ঞানৰ আলোচনা আৰু প্রচাৰ নকৰিলে সন্ন্যাসী সমাজো বৃথা তাৰ স্বৰূপ হে হয়। "মায়া বা অবিদ্যা ৰূপী সংসাৰ চিন্তা কৰা বৃথা" ইত্যাদি সি সকলে

লিখে বা প্রচাৰ কৰে তেওঁলোক স্বয়ং অবিদ্যা আৰু মায়াত মুগ্ধ আৰু পাপী। শৰীৰেৰে যি কোনো কৰ্ম্মই কৰা হয়—সকলো আত্মাৰেই কৰ্ম্ম আৰু কৰ্ম্মৰ ফল ভোগে আত্মাই। যি সকলে জীৱকেই ব্ৰহ্ম বোলে, তেওঁলোক ঘোৰ অন্ধকাৰত নিমগ্ন। কাৰণ জীৱ এক দেশী আৰু অল্পজ্ঞ, কিন্তু ব্ৰহ্ম সৰ্ব্বব্যাপক আৰু সৰ্ব্বজ্ঞ। ব্ৰহ্ম নিত্য শুদ্ধ, বুদ্ধ আৰু মুক্ত স্বভাৱৰ। জীৱ কেতিয়াবা বদ্ধ আৰু কেতিয়াবা মুক্ত হয়। ব্ৰহ্ম সৰ্ব্বব্যাপক আৰু সৰ্ব্বজ্ঞ কাৰণে তেওঁৰ কেতিয়াও অবিদ্যা বা ভ্ৰম হব নোৱাৰে। কিন্তু জীৱৰ কেতিয়াবা বিদ্যা আৰু কেতিয়াবা অবিদ্যা বা ভ্ৰম হয়। ব্ৰহ্মই জন্ম-মৰণৰ দুখ ভোগ নকৰে কিন্তু জীৱেই সেইবোৰ ভোগ কৰে। গতিকে জীৱকেই ব্ৰহ্ম বোলে উপদেশবোৰ মিথ্যা।

প্রশ্ন ঃ—সন্ন্যাসী সর্ব্বকর্ম্মবিনাশী অগ্নি আৰু ধাতু স্পর্শ নকৰে —এই কথা সত্য নে ?

উত্তৰ ঃ—সত্য নহয়। "সম্যঙ্ নিত্যমাস্তে যস্মিন্ যদ্ বা সম্যঙ্ ন্যশ্যন্তি দুঃখানি কর্ম্মাণি যেন স সন্ন্যাসঃ, স প্রশস্তো বিদ্যতে যস্য স সন্ন্যাসী" যি ব্ৰহ্মস্থ, যাৰ দ্বাৰা অসৎ কৰ্ম্ম ত্যাগ কৰা হয়, যি এই সৎ স্বভাৱ বিশিষ্ট তাকেই সন্ন্যাসী বোলে। গতিকে যি সৎকৰ্ম্ম কৰে আৰু অসৎ কৰ্ম্মৰ নাশ কৰে তেওঁকেই সন্ন্যাসী বোলে।

প্রশ্ন ঃ— গৃহস্থয়ো অধ্যাপনা আৰু উপদেশ দিয়ে, তেনেস্থলত সন্ন্যাসীৰ প্রয়োজন কি ?

উত্তৰ ঃ—সকলো আশ্রম বাসীয়েই সত্য আৰু জ্ঞানৰ উপদেশ দিব আৰু শুনিব পাৰে। কিন্তু সন্ন্যাসীৰ যিমান দূৰ অৱকাশ আৰু নিৰপেক্ষতা থাকে, গৃহস্থৰ সিমান হব নোৱাৰে। অৱশ্যে ব্ৰাহ্মণ বৰ্ণৰ ভিতৰত পুৰুষে পুৰুষক আৰু নাৰীসকলে নাৰী সমাজত সত্যবিদ্যাৰ উপদেশ কৰা সম্ভৱ। সন্ন্যাসীৰ ইচ্ছামতে ভ্ৰমণৰ সদায় অবকাশ থাকে, কিন্তু গৃহস্থ ব্ৰাহ্মণৰ গৃহস্থৰ দায়িত্ব এৰি ফুৰিবৰ সিমান সময় কত ? গৃহী ব্ৰাহ্মণেও নিজৰ

কৰ্ত্তব্য ধৰ্ম্মৰ বিকল্পাচৰণ কৰিলে সন্ন্যাসীৰহে তাক নিয়ন্ত্রণ কৰিবৰ অধিকাৰ থাকে। গতিকে সমাজত সন্ন্যাসীৰো প্রয়োজন।

প্রশ্ন ঃ—"একৰাত্রিং বসেৎ গ্রামে" ইত্যাদি বচন অনুসাৰে সন্ন্যাসী কোনো স্থানত মাত্র এৰাতিহে বাস কৰিব পাৰে। বেছিদিন থকা অনুচিত নহয় নে ?

উত্তৰ ঃ—ইয়াত আংশিক সত্য আছে। সন্ন্যাসী একেস্থানত থাকিলে সমাজৰ বেছি উপকাৰ হ'ব নোৱাৰে, আৰু স্থান বিশেষৰ প্রতি আসক্তি আৰু ৰাগ দ্বেষ বাঢ়ে। কোনো এঠাইত থাকিলে যদি বিশেষ উপকাৰ সাধন কৰিব পাৰে, তেতিয়া থকাই ভাল। উদাহৰণ স্বৰূপে জনকৰজাৰ ভৱনত পঞ্চশিখা আদি আৰু অন্যান্য সন্ন্যাসী সকল বহু বছৰ বাস কৰিছিল। কাৰণ কোনো স্থানত বেছিদিন থাকিলে সেই ঠাইৰ ছল চাতুৰী বুজিব পাৰে আৰু সেইবোৰ যাতে বেছি নাবাঢ়ে তাৰ বাবে চেষ্টা কৰিব পাৰে।

প্রশ্নঃ—যতীনাং কাঞ্চনং দদ্যাত্তাম্বূলং ব্রহ্মচারিণাম্।
চৌরাণামভয়ং দদ্যাৎ স নরো নরকং ব্রজেৎ॥

এই শ্লোকৰ অৰ্থমতে সন্ন্যাসীক সুৱৰ্ণ দান কৰিলে দাতা নৰকগামী হয়।

উত্তৰ ঃ—এইবোৰ বৰ্ণাশ্রমবিৰোধী সাম্প্রদায়িক স্বাৰ্থপৰৰ কল্পিত বচনা। কাৰণ সন্ন্যাসীয়ে ধন পালে তেওঁলোকৰ স্বাৰ্থপৰ মতৰ বিৰোধিতা কৰিব, গতিকে স্বাৰ্থৰ ব্যাঘাত হ'ব, সন্ন্যাসীসকল সত্য বক্তা আৰু কাৰো অধীন নহয়। সন্ন্যাসী ভিক্ষাধীন থাকিলে বিৰোধিতা কৰিব নোৱাৰে আৰু যদি মূর্খ আৰু স্বাৰ্থপৰ সকলক দান কৰাটো শ্রেষ্ঠ ধৰ্ম হয়, তেন্তে জ্ঞানী, পৰৰ হিতপৰায়ণ সন্ন্যাসীসকলক দান দিলে কোনো দোষ হব নোৱাৰে। মনুস্মৃতিত আছে :—

বিবিধানি চ বস্ত্রাণি বিবিক্তেষূপপাদয়েৎ।

অর্থঃ—নানাবিধ বস্ত্র, সুবর্ণ আদি ধন বিবিক্ত অর্থাৎ সন্ন্যাসীক দান কবিব। গতিকে পূর্ব্বোক্ত শ্লোকব অর্থ যুক্তিহীন। সেইমতে সন্ন্যাসীক সুবর্ণ দান কবিলে যদি যজমান নবকত পবে. তেন্তে রূপ, মুক্তা, হীবা আদি দান কবিলে স্বর্গলৈ যাব।

প্রশ্ন ঃ—পণ্ডিত দেউ, এই শ্লোক পঢ়োতে ভুল কবিছে। আচলতে "যতিহস্তে ধনং দদ্যাৎ"—অর্থাৎ যি সন্ন্যাসীক ধন দিয়ে সি নবকত পতিত হয়।

উত্তব ঃ—এই বচনো স্বার্থান্ধ প্রবঞ্চকব কল্পিত। কাবণ যদি হাতে হাতে দান দিলে দাতা নবকত পবে, তেন্তে ভবিত বা টোপোলা বান্ধি দিলে স্বর্গলৈ যাব, এইবোব কল্পনা মনাব যুক্তি নাই।

হ'ব পাবে যে, যদি সন্ন্যাসীয়ে যথার্থ ব্যবহাব নকবি ধন হাতত বাখে, তেন্তে চুবি অথবা মোহগ্রস্ত হোবাবো আশঙ্কা থাকে। কিন্তু বিদ্বান্ ব্যক্তি হলে কেতিয়াও অনুচিত ব্যবহাব নকবে আৰু মোহগ্রস্তও হ'ব নোবাবে। কাবণ গৃহাশ্রমত অথবা ব্রহ্মচর্য্য আশ্রমতেই তত্ত্বজ্ঞান পাই পূর্ণ বিবাগত দ্বিজন সন্ন্যাসী হয়, তেওঁক ধন-সম্পত্তি আদি বিষয়ে আসক্ত কেতিয়াও কবিব নোবাবে।

প্রশ্ন ঃ—মানুহে কয় যে, শ্রাদ্ধত সন্ন্যাসীক ভোজন দান কবিলে সেই শ্রাদ্ধ অনুষ্ঠাতাব পিতৃপুৰুষ সকল পলায়ন কবে আৰু নবকত পবে।

উত্তব ঃ—মৃত পিতৃব সকলব আগমন বা অনুষ্ঠিত শ্রাদ্ধক তেওঁলোকলৈ পঠোবাই অসম্ভব। ই বেদ বিৰুদ্ধ আৰু যুক্তি বিৰুদ্ধ; গতিকে মিথ্যা। আগমনেই যেতিয়া অসম্ভব পলোৱাব কথাই নুঠে। সৃষ্টিকর্ত্তাব ব্যবস্থাত কর্ম্ম অকর্ম্ম অনুসাবে জীব মৃত্যুব পাছত নতুন জন্মত আবদ্ধ হয়, সেই শবীব বন্ধন এবি অহা কেনেকৈ সম্ভব হ'ব পাবে? গতিকে এইবোব পৌবাণিক কল্পনা। ইয়াব বহস্য এই যে, শ্রাদ্ধানুষ্ঠানত সন্ন্যাসী উপস্থিত হলে মৃতকব বেদ বিৰুদ্ধ শ্রাদ্ধব ছল-চাতুবী পলাই দূব হয়।

প্রশ্ন ঃ—ব্রহ্মচর্য্যব পবা সন্ন্যাসী জীবন নির্ব্বাহ কবা অতি কঠোব কাম। কাম নিবোধ কবা অতি কষ্টসাধ্য। গতিকে গৃহাশ্রম আৰু বানপ্রস্থাশ্রম শেষ কবি সন্ন্যাসী হোবাহে বাঞ্ছনীয়?

উত্তব ঃ—যি সন্ন্যাস ধর্ম্ম আচবণত আৰু ইন্দ্রিয় নিবোধত অসমর্থ, তেওঁ ব্রহ্মচর্য্য আশ্রমব পবাই সন্ন্যাস গ্রহণ নকবিব। কিন্তু যি সমর্থ, তেওঁ নকবিব কিয়? যি বিষয় ভোগব দোষ আৰু বীর্য্যসংবক্ষণব মহত্ত্ব জানে তেওঁ কেতিয়াও বিষয়ত আসক্ত হ'ব নোবাবে। আৰু তেওঁব বীর্য্য জ্ঞানাগ্নিব ইন্ধন সদৃশ অর্থাৎ জ্ঞানাগ্নিতেই খবচ হয়। যেনেকৈ চিকিৎসক আৰু ঔষধব আবশ্যক বোগীব কাবণেহে, নিবোগীব কাবণে নহয়। যি পুৰুষ বা নাবীব মানব সমাজব বিদ্যা, ধর্ম্মব উন্নতি আৰু কল্যাণ সাধন কবাই উদ্দেশ্য, তেওঁলোকে বিবাহ নকবে। পঞ্চশিখ আদি পুৰুষসকল আৰু গার্গী আদি অনেক নাবী দেবী এনেকুবাই আছিল। গতিকে যি সকল সন্ন্যাসব অধিকাবী, তেওঁলোকহে সন্ন্যাসী হ'ব। অনধিকাবীয়ে সন্ন্যাসী হলে নিজেতো ডুবিবই, আনকো ডুবাব। "সম্রাট" অর্থাৎ চক্রবর্ত্তী বাজা যেনেকুবা, সেইদবে সন্ন্যাসীও "পবিব্রাট্"। বাজা স্বজাতি বা স্বদেশতহে সম্মানিত, কিন্তু সন্ন্যাসী সর্ব্বত্র সম্মানিত হয়।

বিদ্বত্ত্বং চ নৃপত্বং চ নৈব তুল্যং কদাচন।
স্বদেশে পূজ্যতে বাজা বিদ্বান্ সর্ব্বত্র পূজ্যতে॥

(চাণক্য নীতি)

বিদ্বান আৰু বাজা কেতিয়াও সমান হ'ব নোবাবে। কাবণ বাজা স্বদেশতহে সম্মানিত, কিন্তু বিদ্বানব শ্রদ্ধা আৰু খ্যাতি সকলো দেশতে, গতিকে বিদ্যা আৰু বল আৰ্জ্জনব কাবণে ব্রহ্মচর্য্য আশ্রম, সৎ অনুষ্ঠান আৰু ধর্ম্মকার্য্যব কাবণে গৃহস্থ আশ্রম, বিবেচনা ধ্যান, বিজ্ঞান আৰু তপস্যাব কাবণে বানপ্রস্থ আশ্রম আৰু পবম ধর্ম্ম আচবণ, সৎ আদর্শব প্রচাব, সত্য শাস্ত্রব ব্যাখ্যা আৰু সংশয়, সমস্যা সমাধান আদিব কাবণে সন্ন্যাস আশ্রম। যি সন্ন্যাসীয়ে এনেবোব কৰ্ত্তব্য কর্ম্ম পালন কবিব নোবাবে,

তেওঁ পতিত আৰু নৰকগামী হয়। গতিকে সত্যৰ উপদেশ, সংশয় নিবাৰণ, বেদাদি জ্ঞানমূলক শাস্ত্ৰৰ অধ্যাপন আৰু সৎ আদৰ্শৰে জগতৰ উন্নতি সাধন কৰাই সন্ন্যাসীৰ কৰ্ত্তব্য।

প্ৰশ্নঃ—বৈৰাগী, সাধু, গুৰুগিৰী কৰি ফুৰা আদিও সন্ন্যাস আশ্ৰমত গণ্য হয় নে নহয় ?

উত্তৰঃ—নহয়। কাৰণ সেইবোৰৰ ভিতৰত সন্ন্যাসীৰ লক্ষণ এটাও নাই। সেই সকলৰ আচৰণ বেদ-বিৰুদ্ধ, আৰু বেদতকৈও তেওঁলোকৰ সম্প্ৰদায়ৰ গুৰুসকলৰ বাক্যকেই মানে। নিজৰ নিজৰ সম্প্ৰদায়বহে প্ৰশংসা কৰে, আৰু মিথ্যা প্ৰপঞ্চত আৱদ্ধ হৈ স্বাৰ্থৰ কাৰণে আনকো আৱদ্ধ কৰায়। সংশোধনৰ কথাতো নাযেই, তাৰ পৰিবৰ্ত্তে মানৱ সমাজক বিভ্ৰান্ত কৰি অধঃপতিত কৰে আৰু নিজৰ উদ্দেশ্য সিদ্ধি কৰে। গতিকে সেই সকল সন্ন্যাস আশ্ৰমত গণ্য হ'ব নোৱাৰে, কিন্তু স্বাৰ্থাশ্ৰমী হে; তাত সন্দেহ থাকিব নোৱাৰে। যি স্বয়ং ধৰ্ম্মৰ আচৰণ কৰে, সমাজকো পথ প্ৰদৰ্শন কৰায়, নিজে ইহজন্ম আৰু পৰজন্মত শান্তি পায় আৰু আনকো সেই শান্তিৰ অনুভৱ কৰাব পাৰে, সেই সকল প্ৰকৃত সন্ন্যাসী আৰু মহাত্মা। ইমানতে সন্ন্যাস ধৰ্ম্ম এৰি ইয়াৰ পাচত ৰজা আৰু প্ৰজাৰ ধৰ্ম্মৰ বিষয়ে লিখা হ'ব।

ইতি— শ্ৰীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষা-বিভূষিতে বানপ্ৰস্থসন্ন্যাসাশ্ৰমবিষয়ে পঞ্চম সমুল্লাসঃ সম্পূৰ্ণঃ ॥ ৫॥

অথ ষষ্ঠ সমুল্লাসাৰম্ভঃ

অথ ৰাজধৰ্ম্মান্ ব্যাখ্যাস্যামঃ

ৰাজধৰ্ম্মান্ প্ৰবক্ষ্যামি যথাবৃত্তো ভৱেন্নৃপঃ।
সম্ভৱশ্চ যথা তস্য সিদ্ধিশ্চ পৰমা যথা ॥ ১॥
ব্ৰাহ্মং প্ৰাপ্তেন সংস্কাৰং ক্ষত্ৰিয়েণ যথাবিধি
সৰ্ব্বস্যাস্য যথান্যায়ং কৰ্ত্তব্যং পৰিৰক্ষণম্ ॥ ২॥

মনু০ (৭।১-২)

মহাৰাজ মনুৰে ঋষি সকলক কলে—চাৰি বৰ্ণ আৰু চাৰি আশ্ৰমৰ ধৰ্ম্ম আচৰণ বৰ্ণনা কৰাৰ পাচত এতিয়া ৰাজ ধৰ্ম্ম বৰ্ণনা কৰা হব। ৰজাবিলাক যেনেকুৱা হোৱা উচিত, তেনেকুৱাই যাতে হোৱাটো সম্ভৱ হয়, আৰু যাৰ দ্বাৰাই পৰম সিদ্ধি অৰ্থাৎ সফলতা লাভ হব পাৰে, তাকেই সৰ্ব্ব প্ৰকাৰে বৰ্ণনা কৰা হব ধৰিছে। ১ ॥ ব্ৰাহ্মণে যেনেকৈ সংস্কাৰ লাভ কৰে, ক্ষত্ৰিয়ৰো যথাৰ্থ ন্যায় ধৰ্ম্ম ৰক্ষা কৰিবলৈ হলে সেইদৰে উপযুক্ত সংস্কাৰ আৰু সুশিক্ষা লাভ কৰা আৱশ্যক ॥২॥

ৰাজ্য পৰিচালনা প্ৰণালী :—

ত্ৰীণি ৰাজানা বিদথে পুৰূণি পৰি বিশ্বানি ভূষথঃ সদাংসি ॥

ঋ০ ম০ ৩। সূ০ ৩৮। মং ৬॥

ৰজা আৰু প্ৰজাবৰ্গ মিলি জ্ঞান-বিজ্ঞানৰ উন্নতি বিধায়ক আৰু ৰক্ষা আৰু প্ৰজাৰ আচৰণ বিষয়ক তিনিখন সভা, যেনে বিদ্যাবিধান সভা ধৰ্ম্ম কৰ্ম্ম বিধান সভা আৰু ৰাজনৈতিক বিধান সভা গঠন কৰি

নানা প্রকাৰে ৰাজ্যৰ সকলো মানুহ আদি প্ৰাণী সকলক ৰ্থ, বিদ্যা, ধৰ্ম্ম, জ্ঞান আদিৰে সৰ্ব্বতোভাবে অলঙ্কৃত কৰা কৰ্ত্তব্য।

তং সভা চ সমিতিশ্চ সেনা চ ॥ ১

অথৰ্ব্ব, কা॰ ১৫। অনু॰ ২ ব॰ ৯ ম॰ ২॥

সভ্য সভাং মে পাহি যে চ সভ্যাঃ সভাসদঃ ॥ ২॥

অথৰ্ব্ব, কা॰ ১৯ অনু॰ ৭ ব॰ ৫৫ ম॰ ৬॥

সেই তিনিখন সভা, তাৰ অন্তৰঙ্গ ভিন্ন ভিন্ন উপসমিতি আৰু সৈন্য —এই সকলো মিলি ৰাজধৰ্ম্ম পালন কৰা কৰ্ত্তব্য। ১॥ ৰ ই সভাসদ সকলক আহ্বান কৰি ক'ব— "সুযোগ্য সভাসদ সকল, আ নালোকে মোৰ অৰ্থাৎ ৰাজ্যৰ ধৰ্ম্মযুক্ত ব্যৱস্থাবোৰ পালন কৰক" ২॥ াৰ অভি-প্ৰায় এয়েই হয় যে ৰাজ্যৰ ৰজা প্ৰজা সকলো পৰস্পৰ অধীন ৰাজা ৰাষ্ট্ৰৰ সৰ্ব্বপ্ৰধান, ৰজাৰ অধীন সভা, সভাৰ অধীন ৰজা, প্ৰজাৰ অধীন ৰজা আৰু সভা আৰু ৰাজসভাৰ অধীন প্ৰজাসকল। সেয়ে নহলে—

ৰাষ্ট্ৰমেৱ বিশ্যাহন্তি তস্মাদ্ৰাষ্ট্ৰী বিশং ঘাতুকঃ।
বিশমেব ৰাষ্ট্ৰায়াদ্যাং কৃৰোতি তস্মাদ্ৰাষ্ট্ৰী
বিশমত্তি ন পুষ্টং পশুং মন্যত ইতি॥

শত॰ কা॰ ১৩। প্ৰ॰ ২ ব্ৰা॰ ৩। (ক॰ ৭।৮)।

ৰজাসকল যদি প্ৰজাৰ অধীন নহয়, তেন্তে ৰাজ্য শাসনত সোমাই প্ৰজাক নাশ কৰিব পাৰে। তেনে ৰজাই স্বেচ্ছাচাৰী বা উন্মত্ত হৈ প্ৰজাৰ অনিষ্টকাৰী হৈ পৰে, অৰ্থাৎ ৰক্ষক নহৈ ভক্ষক হয় বা ৰৰকৈ উৎপীড়ন কৰে। গতিকে ৰাজ্যত কোনো ব্যক্তি বিশেষক স্বাধীনতা দিয়া অনুচিত। যেনেকৈ সিংহ বা কোনো পৰাক্ৰমী মাংসাহাৰীয়ে হৃষ্টপুষ্ট পশুক ৰক্ষা নকৰি বধ কৰি ভক্ষণ কৰে, সেইদৰে স্বতন্ত্ৰ ৰজাই প্ৰজা নাশ কৰে। অৰ্থাৎ নিজতকৈ আনক প্ৰভাৱৱান হোৱা সহ্য নকৰে, আৰু সকলোকে নিজৰ প্ৰভাৱৰ বশ কৰি ৰাখিবলৈ বিচাৰে। গতিকে :—

ইন্দ্রো জয়াতি ন পৰা জয়াতা অধিৰাজো ৰাজসু ৰ য়াতৈ।
চর্কৃত্য ঈড্যো বন্দ্যশ্চোপসদ্যো নমস্যো ভৱেহ ॥ ১

অথৰ্ব্ব॰ কা॰ ৬। অনু॰ ১০, ব॰ ৯৮, ম॰ ১॥

(বেদবাণী অৰ্থাৎ জ্ঞান মানৰ জাতিৰ কাৰণেই গতিকে) হে মানৱ সকল! যি মানৱ সমাজৰ ভিতৰত শ্ৰেষ্ঠ, পৰম ঐশ্বৰ্য্যৱান, যি সকলোকে জয় কৰিব পাৰে, যি কেতিয়াও পৰাজিত নহয়, যি ৰজাসকলৰ মাজত মাননীয়, যি উৎকৃষ্ট গুণৰাজিৰে প্ৰকাশমান, যি নেতা বা সমাজপতি হোৱাৰ যোগ্য, যি সকলোৰে পূজনীয়, সম্মানীয়, যি শৰণ লোৱাৰ যোগ্য, শ্ৰদ্ধাস্পদ অৰ্থাৎ নেতৃত্বৰ যোগ্য, তেওঁকেই ৰজাই সভাপতি কৰিব।

ইমং দেৱা অসপত্নং সুৱধ্ৱং মহতে ক্ষত্ৰায়
মহতে জ্যেষ্ঠ্যায় মহতে জানৰাজ্যায়েন্দ্রস্যেন্দ্রিয়ায় ॥ ১॥

যজু॰ অ॰ ৯, ম॰ ৪॥

হে জ্ঞানী ৰজাপ্ৰজা সকল! এনেকুৱা পুৰুষক, মহৎ উদ্দেশ্যৰ কাৰণে, সৰ্ব্বাধিনায়কৰ কাৰণে, বিশাল সমৃদ্ধিশালী ৰাজ্য প্ৰতিষ্ঠাৰ কাৰণে আৰু নিয়ন্ত্ৰণ কৰ্ত্তাৰো নিয়ন্ত্ৰণ কৰিবলৈ, পৃথিৱীত নিৰ্ব্বৈৰভাৱ বৃদ্ধি কৰি-বলৈ সমৰ্থহোৱা লোকক সভাপতি কৰি আনুগত্য জনোৱা।

স্থিৰা ৱঃ সন্ত্ৱায়ুধা পৰাণুদে ৱীলু উত প্ৰতিষ্কভে।
যুষ্মাকমস্তু তৱিষী পনীয়সী মা মর্ত্যস্য মায়িনঃ ॥ ১॥

ঋ॰ ম॰ ১ সূ॰ ২৩৯, ম॰ ২॥

তোমালোকৰ নানা ধৰণৰ আগ্নেয় অস্ত্ৰ, শতঘ্নী অৰ্থাৎ তোপ, ভুশুণ্ডী অৰ্থাৎ বন্দুক, অগ্নিবান, ৱৰুণ বান আদি ধ্বংসাত্মক অস্ত্ৰ আৰু তৰোৱাল আদি অন্যান্য অস্ত্ৰ-শস্ত্ৰবোৰে শত্ৰুক পৰাজয় কৰিবলৈ বা প্ৰতিৰোধ কৰিবলৈ প্ৰশংসিত বা ধন্য আৰু দৃঢ় হওক। তোমালোকৰ সেনা প্ৰশংসনীয় শক্তিশালী হওক, তোমালোকৰ বিজয়ৰ কাৰণে, কিন্তু নিন্দনীয় আৰু অন্যায় কৰ্ম্মৰ কাৰণে নহওক। অৰ্থাৎ যিমান দিন ন্যায় ধৰ্ম্ম

কর্ম্মৰ বিবেচনা থাকে, সিমান দিন ৰাজ্য সর্ব্বপ্রকাৰ উন্নতিৰ পথত থাকে, তাৰ বিপৰীত হলে অধোগামী হয়। যথাযোগ্য গুণ বিদ্যা অনুসাৰে বিদ্বান সকলক বিদ্যা-সভাৰ অধিকাৰ, কর্ম্মজ্ঞ বা কর্ম্মকৌশলী সকলক কর্ম্মবিধান সভাৰ অধিকাৰ, ৰাজনীতিজ্ঞ সকলক ৰাজনৈতিক সভাৰ সভাসদ কৰিব লাগে। সর্ব্বশ্রেষ্ঠ সম্মানীয়জনক ৰাজসভাৰ সভাপতি ৰূপে বৰণ কৰিব লাগে। সকলো সভাৰ বিবেচনাৰে নির্ধাৰিত নীতিৰে ৰাজ্য পৰিচালনা কৰিব লাগে। নির্ধাৰিত নীতিৰ সকলো অধীন থাকিব লাগে। ৰাক যি দায়িত্ব দিয়া হয় তাক যথার্থৰূপে পালন কৰাই ধর্ম্ম। সভাপতিৰ যোগ্যতাৰ লক্ষণ :—

ইন্দ্রাঽনিলযমার্কাণামগ্নেশ্চ বরুণস্য চ।
চন্দ্রবিত্তেশয়োশ্চৈব মাত্রা নির্হৃত্য শাশ্বতী। ১॥
তপত্যাদিত্যবচ্চৈব চক্ষূংষি চ মনাংসি চ।
ন চৈনং ভুবি শক্নোতি কশ্চিদপ্যভিবীক্ষিতুম্। ২॥
সোঽগ্নির্ভবতি বায়ুশ্চ সোঽর্কঃ সোমঃ স ধর্ম্মরাট্।
স কুবেরঃ স বরুণঃ স মহেন্দ্রঃ প্রভাবতঃ। ৩॥

মনু০ ৭ (৪।৬।৭)॥

সেই সভাপতি, নৃপতি বা ৰজা, বৰুণ, অগ্নি, সূর্য্য, চন্দ্র, ধনকুৰেৰ আৰু যমৰ দৰে বিশেষ বিশেষ গুণৰ অধিকাৰী হোৱা উচিত আৰু ইন্দ্রৰ দৰে সকলোকে নিয়ন্ত্রণ কৰিব পৰা সমর্থবান হোৱা আৱশ্যক। ইন্দ্র মানে নিয়ন্ত্রণ কাৰী শক্তি। ১॥ সকলোৰে চকুত আৰু মনত অর্থাৎ অন্তৰে বাহিৰে, সূর্য্যৰ দৰে নিজ প্রভাৱেৰে সকলোকে প্রভাৱান্বিত কৰিব পাৰিব আৰু যাক কোনেও পৃথিবীত কটু দৃষ্টিৰে চাব নোৱাৰে॥২॥ যি অগ্নি, বায়ু, সূর্য্য, ধর্ম্ম, কুৰেৰ, বৰুণ, সোম, ইন্দ্রৰ দৰে সকলোপ্রকাৰে বিশেষ বিশেষ গুণৰ অধিকাৰী, তেওঁৰেই সভাপতি, নৃপতি হোৱাৰ উপযুক্ত। ৩॥ (এইবোৰ লাক্ষণিক অর্থ)

প্রকৃত—ৰজা কোন ?

স ৰাজা পুরুষো দণ্ডঃ স নেতা শাসিতা চ সঃ।
চতুর্ণামাশ্রমাণাঞ্চ ধর্ম্মস্য প্রতিভূঃ স্মৃতঃ॥ ১॥
দণ্ডঃ শাস্তি প্রজাঃ সর্ব্বা দণ্ড এবাভিরক্ষতি।
দণ্ডঃ সুপ্তেষু জাগর্ত্তি দণ্ডং ধর্ম্মং বিদুর্বুধাঃ॥ ২॥
সমীক্ষ্য স ধৃতঃ সম্যক্ সর্ব্বা রঞ্জয়তি প্রজাঃ।
অসমীক্ষ্য প্রণীতস্তু বিনাশয়তি সর্ব্বতঃ॥ ৩॥
দ্যুষ্যেয়ুঃ সর্ব্ববর্ণাশ্চ ভিদ্যেরন্ সর্ব্বসেতবঃ।
সর্ব্বলোক প্রকোপশ্চ ভবেদ্দণ্ডস্য বিভ্রমাৎ॥ ৪॥
যত্র শ্যামো লোহিতাক্ষো দণ্ডশ্চরতি পাপহা।
প্রজাস্তত্র ন মুহ্যন্তি নেতা চেৎ সাধু পশ্যতি॥ ৫॥
তস্যাহুঃ সংপ্রণেতারং ৰাজানং সত্যবাদিনম্।
সমীক্ষ্য কারিণং প্রাজ্ঞং ধর্ম্মকামার্থকোবিদম্॥ ৬॥
তং ৰাজা প্রণয়ন্ সম্যক্ ত্রিবর্গেনাভিবর্দ্ধতে।
কামাত্মা বিষমঃ ক্ষুদ্রো দণ্ডেনৈব নিহন্যতে॥ ৭॥
দণ্ডো হি সুমহত্তেজো দুর্ধরশ্চাকৃতাত্মভিঃ।
ধর্ম্মাদ্বিচলিতং হন্তি নৃপমেব সৰান্ধৱম্॥ ৮॥
সোঽসহায়েন মূঢ়েন লুব্ধেনাকৃতবুদ্ধিনা।
ন শক্যো ন্যায়তো নেতুং সক্তেন বিষয়েষু চ॥ ৯॥
শুচিনা সত্যসন্ধেন যথাশাস্ত্রানুসারিণা।
প্রণেতুং শক্যতে দণ্ডঃ সুসহায়েন ধীমতা॥ ১০॥

মনু০ ৭ (১৭-১৯।২৪-২৮।৩০,৩১)॥

দণ্ডই পুরুষ, ৰজা, ন্যায়ৰ প্রৱর্ত্তক, আৰু সকলোৰে শাসন কর্ত্তা চাৰিও বর্ণ আৰু চাৰিও আশ্রমৰ ধর্ম্মৰ প্রতিভূ অর্থাৎ দায়িত্ব স্বরূপ।১॥ দণ্ডই প্রজাক শাসন কৰে, দণ্ডই সকলোকে ৰক্ষা কৰে, দণ্ডই শুই থকা অৱস্থাৰ পৰা সকলোকে জাগ্রত কৰে, জ্ঞানী সকলে দণ্ডকেই ধর্ম্ম

বোলে ।২॥ সু-বিবেচিত দণ্ড প্রজাৰ আনন্দ দায়ক আৰু অবিবেচিত দণ্ডই বিনাশৰ কাৰণ। ৩॥ দণ্ড বিনা সকলো বর্ণ দূষিত হয়, সকলো দায়িত্বৰ সীমা উল্লঙ্ঘন হয়। যথার্থ দণ্ড নহলে সকলো লোকৰ উচ্ছৃঙ্খলতাৰ বৃদ্ধি পায়। ৪॥ কৃষ্ণবর্ণ ভয়ঙ্কৰ কায়ৰ বঙাচকুৱা দণ্ড আগত দেখি থাকিলে প্রজা মোহ-প্রাপ্ত নহয় অর্থাৎ সচেতন হৈ থাকে, যদিহে সেই দণ্ডৰ অধিকাৰী নেতা সাধু হয়। ৫॥ যি সত্যবাদী, বিবেচনাশীল, বুদ্ধিমান, ধর্ম্ম অর্থ কামৰ তত্ত্বজ্ঞ তেওঁকেই জ্ঞানীসকলে দণ্ডৰ অধিকাৰী বজাৰ যোগ্য বুলি বিবেচনা কৰে। ৬॥ যি ন্যায়দণ্ড যথার্থভাৱে চলায়, তেওঁ ধর্ম্ম-অর্থ আৰু কাম এই তিনি বর্গৰ সিদ্ধি কর্ত্তা। কিন্তু যি দণ্ডাধিকাৰী শাসক বিষয়াসক্ত, কুটিল, ঈর্ষা পৰায়ণ, হীনমনা, তেওঁ দণ্ডৰ দ্বাৰাই বিনাশ পায়। ৭॥ ন্যায়দণ্ড যিহেতু মহৎ শক্তিশালী, সেইবাবে তাক অবিদ্বান্ অজ্ঞানী পুৰুষে ধাৰণ কৰা অসাধ্য ও ধর্ম্ম জ্ঞানহীন বজাক সবংশে সেই দণ্ডই নাশ কৰে। ৮॥ কাৰণ যাৰ আপ্ত উপদেষ্টা নাই, বিদ্যা, সদ্-বিবেচনা নাই, যি বিষয়াসক্ত মূর্খ, তেওঁ ন্যায়দণ্ড ৰক্ষাৰ অযোগ্য। ৯॥ পৰিত্রাত্মা, সদাচৰণশীল, সৎসঙ্গ পৰায়ণ, নৈতিক আচৰণশীল, আৰু যি সৎ পুৰুষৰ সহায় সহযোগ পায়, তেওঁৰেই ন্যায়দণ্ড পৰিচালনত সফল হ'ব পাৰে। ১০॥ গতিকেঃ—

সৈনাপত্যং চ বাজ্যং চ দণ্ডনেতৃত্বমেব চ।
সর্ব্বলোকাধিপত্যং চ বেদশাস্ত্রবিদর্হতি। ১॥
দশাবরা বা পরিষদ্যং ধর্ম্মং পরিকল্পয়েৎ।
ত্র্যবরা বাপি বৃত্তস্থা তং ধর্ম্মং ন বিচালয়েৎ। ২॥
ত্রৈবিদ্যো হৈতুকস্তর্কী নৈরুক্তো ধর্ম্মপাঠকঃ।
ত্রয়শ্চাশ্রমিনঃ পূর্ব্বে পরিষৎ স্যাদ্দশাবরা। ৩॥
ঋগ্বেদবিদ্যজুর্বিচ্চ সামবেদবিদেব চ।
ত্র্যবরা পরিষজ্ জ্ঞেয়া ধর্ম্মসংশয়নির্ণয়ে। ৪॥
একোঽপি বেদবিদ্ধর্ম্মং যং ব্যবস্যেদ্দ্বিজোত্তমঃ।

স বিজ্ঞেয়ঃ পরো ধর্ম্মো নাজ্ঞানামুদিতোঽযুতৈঃ॥
অব্রতানামমন্ত্রাণাং জাতিমাত্রোপজীবিনাম্।
সহস্রশঃ সমেতানাং পরিষত্বং ন বিদ্যতে ॥ ৬
যংবদন্তি তমোভূতা মূর্খা ধর্ম্মমতদ্বিদঃ।
তৎ পাপং শতধা ভূত্বা তদ্বক্তৃনেবগচ্ছতি ॥ ৭

মনু০ ১২। (১০০।১১০-১১৫) ॥

সেনা আৰু সেনাপতিৰ আধিপত্য, প্রশাসনীয় অধিকাৰ, দণ্ডবিধিৰ অধিকাৰ, সর্ব্বোপৰি সর্ব্বাধীশ ৰাজ্যাধিকাৰ, এই চতুর্বিধ অধিকাৰ বেদাদি শাস্ত্রৰ যথার্থ জ্ঞানী, জিতেন্দ্রিয়, ধর্ম্মপৰায়ণ, সদাচাৰণশীল ব্যক্তিকহে দিয়া কর্ত্তব্য ॥ ১ ॥ অন্ততঃ দহজন সদস্য বা অতিকমে তিনিজন সদস্যৰ সভাৰ মন্ত্রণাত যি সিদ্ধান্ত হয় সেই ধর্ম্ম সিদ্ধান্ত অর্থাৎ ব্যৱস্থা উলঙ্ঘন কৰা অনুচিত ॥ ২ ॥ এই সভাত তিনিবিদ্যাবিদ, ন্যায় শাস্ত্রজ্ঞ, তর্কশাস্ত্রজ্ঞ নিৰুক্ত শাস্ত্রজ্ঞ, ধর্ম্মশাস্ত্রজ্ঞৰ দহজন সদস্য থকা আৱশ্যক। আৰু সেই দহজন সদস্যই আগতে ব্রহ্মচর্য্য, গৃহস্থ আৰু বানপ্রস্থ এই তিনি আশ্রম পালন কৰা হব লাগিব ॥ ৩ ॥ যি সভাত ঋক, যজু, সাম এই তিনি বেদজ্ঞ সভাসদ থাকে, সেই সভাৰ বিবেচনা কৰা সিদ্ধান্ত উলঙ্ঘন কৰা অনুচিত ॥ ৪ ॥ দ্বিজশ্রেষ্ঠ অর্থাৎ বিশুদ্ধাত্মা, বেদজ্ঞ এজনে বিধান কৰা ধর্ম্মও অযুত সংখ্যক অজ্ঞানীয়ে বিধান কৰা সিদ্ধান্ততকৈ শ্রেষ্ঠ ধর্ম ॥ ৫ ॥ ব্রতহীন, সংযমহীন কেৱল মাত্র জাতিজীৱিৰ শত সহস্র সমবেত হলেও পৰিষদ বা সভা হব নোৱাৰে ॥ ৬ ॥ শাস্ত্র-জ্ঞানহীন মূর্খবোৰে দিয়া ধর্ম্মোপদেশ গণ্য কৰা অনুচিত; মূর্খৰ মতে চলিলে শত শত পাপৰ ভাগী হব লগা হয় ॥ ৭ ॥

বিদ্বান আৰু ধাৰ্ম্মিক পুৰুষৰ লক্ষণ :—

ত্রৈবিদ্যেভ্যস্ত্রয়ীং বিদ্যাং দণ্ডনীতিঞ্চ শাশ্বতীম্।
আন্বীক্ষিকীং চাত্মবিদ্যাং বার্ত্তারম্ভাংশ্চ লোকতঃ॥
ইন্দ্রিয়াণাং জয়ে যোগং সমাতিষ্ঠেদ্দিবানিশম্।

জিতেন্দ্রিয়ো হি শক্নোতি বশে স্থাপয়িতুং প্রজাঃ। ২॥
দশ কামসমুত্থানি তথাষ্টৌ ক্রোধজানি চ।
ব্যসনানি দুরন্তানি প্রযত্নেন বিবর্জ্জয়েৎ। ৩॥
কামজেষু প্রসক্তো হি ব্যসনেষু মহীপতিঃ।
বিযুজ্যতেঽর্থধর্ম্মাভ্যাং ক্রোধজেষ্বাত্মনৈব তু। ৪॥
মৃগয়াক্ষো দিবাস্বপ্নঃ পরীবাদঃ স্ত্রিয়ো মদঃ।
তৌর্য্যত্রিকং বৃথাট্যা চ কামজো দশকো গণঃ। ৫॥
পৈশুন্যং সাহসং দ্রোহ ঈর্ষাসূয়ার্থদূষণম্।
বাগ্দণ্ডজঞ্চ পারুষ্যং ক্রোধজোঽপি গণোঽষ্টকঃ। ৬॥
দ্বয়োরপ্যেতয়োর্মূলং যং সর্ব্বে কবয়ো বিদুঃ।
তং যত্নেন জয়েল্লোভং তজ্জাবেতাবুভৌ গণৌ। ৭॥
পানমক্ষাঃ স্ত্রিয়শ্চৈব মৃগয়া চ যথাক্রমম্।
এতৎ কষ্টতমং বিদ্যাচ্চতুষ্কং কামজে গণে। ৮॥
দণ্ডস্য পাতনং চৈব বাক্পারুষ্যার্থদূষণে।
ক্রোধজেঽপি গণে বিদ্যাৎ কষ্টমেতত্ত্রিকং সদা। ৯॥
সপ্তকস্যাস্য বর্গস্য সর্ব্বত্রৈবানুষঙ্গিনঃ।
পূর্ব্বং পূর্ব্বং গুরুতরং বিদ্যাদ্ ব্যসনমাত্মবান্। ১০॥
ব্যসনস্য চ মৃত্যোশ্চ ব্যসনং কষ্টমুচ্যতে।
ব্যসন্যধোঽধো ব্রজতি স্বর্যাত্যব্যসনী মৃতঃ। ১১॥

মনু০ ৭ (৪৩-৫৩)।

যি ত্রৈবিদ্যার বিশেষজ্ঞ পরা ভিনি বিদ্যার সনাতন দণ্ডনীতি ন্যায়শাস্ত্র, আত্মবিদ্যা আরু লোক ব্যবহারর সম্পূর্ণ জ্ঞানলাভ করিছে, সেই সকলহে রজা আরু রাজসভার সভাপদর যোগ্য। ১॥ সভাসদবর্গ আরু সভাধ্যক্ষই ইন্দ্রিয় সংযম, ধর্ম্মর আচরণ করি আনকো অধর্ম্ম আচরণর পরা নিবৃত্তি করার পারির লাগিব। কারণ নিজে নিজর আচরণর আদর্শ প্রদর্শন করির নোরারিলে আনক আদেশ বা উপদেশ দিয়ার

অধিকার নাই; নীতি পরায়ণ নেতার আদর্শহে প্রজাই অনুকরণ করে। ২॥ কামজ দহ আরু ক্রোধজ আঠ প্রকার দুর্ব্যসনত আসক্ত হলে, মুক্ত হোৱা দুঃসাধ্য। গতিকে অশেষ যত্নরে সেইবোর ব্যসনর পরা স্বয়ং মুক্ত হৈ আনকো নিবৃত্ত করোৱা বাঞ্ছনীয়।৩॥ রজা, বা রাজনৈতিক পুরুষ কামজ ব্যসনত আসক্ত হলে রাজ্য অর্থ সম্পদ আরু ধর্ম্ম বিনষ্ট হয়। ক্রোধজ ব্যসনত আসক্ত হলে নিজরেই বিনাশ ঘটে।৪॥ মৃগয়া পাশা, জুৱা আদি খেল, দিবা-নিদ্রা, কামচর্চা, পরনিন্দা বা অযথা পরর কুৎসা রটনা করা, অত্যধিক স্ত্রীসংসর্গ, মাদকতা, গান-বাদ্য, নৃত্যাদি করা আরু তাত অত্যন্ত আসক্ত হোৱা, নিরর্থক ভ্রমি ফুরা এই, দহ বিধ কামজ ব্যসন।৫॥ পরর কুৎসা, অবলাক বলাৎকার করা দ্রোহ, ঈর্ষা, অর্থাৎ পরশ্রীকাতর, অসূয়া অর্থাৎ দোষত গুণর আরু গুণত দোষর আরোপ করা, অধর্ম্মত ধনব্যয় করা, অযথা বা বিনা কারণে কটু বচন বোলা, বা ক্ষতি করা, এই আঠ প্রকার ক্রোধজ ব্যসন।৬॥ লোভেই যে কামজ আরু ক্রোধজ ব্যসনর মূল, তাক কবি অর্থাৎ তত্ত্বজ্ঞানী সকলে জানে, গতিকে সেই সকলো দুঃখর মূল লোভক যত্নেরে পরিত্যাগ করা কর্ত্তব্য।৭॥ কামজ ব্যসনর ভিতরত প্রধান দোষ মাদকতা, জুৱা, অতিরিক্ত কাম বাসনাত আসক্তি আরু মৃগয়া। এই চারিটা মহা দুষ্ট ব্যসন।৮॥ ক্রোধজর ভিতরত বিনাদোষে শাস্তি, কটু বচন অধর্ম্ম কার্য্যত ধনব্যয়, এই তিনি অত্যন্ত দুঃখর মূল।৯॥ এই কামজ আরু ক্রোধজ সাত দোষর ভিতরত পূর্ব্ব পূর্ব্বর অর্থাৎ আগর দোষত কৈ উত্তর উত্তর অর্থাৎ পাছর পাছর দোষ গুরুতর। অর্থাৎ অপব্যয়তকৈ কটু বাক্য, কটু বাক্যতকৈ অন্যায় দণ্ড, অন্যায় দণ্ডতকৈ মৃগয়া ইত্যাদি।১০॥ এই বিষয়ে নিশ্চিত জনা আবশ্যক যে দুর্ব্যসনত আসক্ত হোৱাতকৈ মরণেই ভাল। কারণ দুরাচারী মানুহ যিমান দিন জীৱিত থাকে, দিনক দিনে পাপ আরু অধর্ম্মর বৃদ্ধি হয় আরু যিমানে দুষ্কর্ম্মর মাত্রা বাঢ়ে, সিমানেই দুঃখভোগ

কবিব লাগে। যি জীৱনত দুকর্ম্মব পৰা মুক্ত, তেওঁ মৃত্যুৰ পাছতো মুক্ত। গতিকে ৰাজনৈতিক নেতা সকলে দুর্ব্যসনত আসক্ত নহৈ সৎ আচৰণশীল হোৱা কৰ্ত্তব্য ॥ ১০ ॥

ৰাজ সভাসদ আৰু মন্ত্রীৰ লক্ষণ :—

মৌলান্ শাস্ত্রবিদঃ শূৰাঁল্লব্ধলক্ষান্ কুলোদগতান্।
সচিবান্ সপ্ত চাষ্টৌ বা প্রকুর্ব্বীত পৰীক্ষিতান্ ॥ ১ ।
অপি যৎ সুকৰং কর্ম্ম তদপ্যেকেন দুষ্কৰম্।
বিশেষতোঽসহায়েন কিন্তু ৰাজ্যং মহোদয়ম্ ॥ ২ ॥
তৈঃ সার্দ্ধং চিন্তয়েন্নিত্যং সামান্যং সন্ধিবিগ্রহম্।
স্থানং সমুদয়ং গুপ্তিং লব্ধ প্রশমনানি চ ॥ ৩ ॥
তেষাং স্বং স্বমভিপ্রায়মুপলভ্য পৃথক্ পৃথক্।
সমস্তানাঞ্চ কার্য্যেষু বিদধ্যাদ্ধিতমাত্মনঃ ॥ ৪ ॥
অন্যানপি প্রকুর্ব্বীত শুচীন্ প্রজ্ঞানবস্থিতান্।
সম্যগর্থসমাহর্ত্তৃনমাত্যান্ সুপৰীক্ষিতান্ ॥ ৫ ॥
নিবর্ত্তেতাস্য যাবদ্ভিৰিতি কর্ত্তব্যতা নৃভিঃ।
তাবতোঽতন্দ্রিতান্ দক্ষান্ প্রকুর্ব্বীত বিচক্ষণান্ ॥ ৬
তেষামর্থে নিযুঞ্জীত শূৰান দক্ষান্ কুলোদগতান্।
শুচীনাকৰকর্ম্মান্তে ভীৰূনন্তর্নিবেশনে ॥ ৭
দূতং চৈব প্রকুর্ব্বীত সর্ব্বশাস্ত্র বিশাৰদম্।
ইঙ্গিতাকাৰ চেষ্টজ্ঞং শুচিং দক্ষং কুলোদগতম্ ॥ ৮
অনুৰক্তঃ শুচিদক্ষঃ স্মৃতিমান্ দেশ-কালৰিৎ।
ৰপুষ্মান্ ৰীতভীৰ্ৰাগ্মী দূতো ৰাজ্ঞঃ প্রশস্যতে ॥ ৯

মনু॰ ৭ (৫৪—৫৭।৬০—৬৫) ॥

মৌলিক বিবেচনাশীল, শাস্ত্রজ্ঞ, শৌর্য্যশালী, অভিজাতশালী, জাতীয়তা-যুক্তৰা আৰু সুপৰীক্ষিত সাত বা আঠজন সচিব (মন্ত্রী) নিযুক্ত কৰা আৱশ্যক ॥ ১ ॥ কাৰণ, সহজ সাধ্য কর্ম্মও একলে কৰা দুঃসাধ্য।

এজন ৰজাই অন্যৰ সাহায্য নাপালে একো কৰিব নোৱাৰে।

অর্থাৎ এক সহ দায়িত্ব ৰাজ্যত কাৰো সুখ-শান্তি থাকিব নোৱাৰে ।২॥ ৰজা বা সভাপ্রতিয়ে সচিব সকলৰ সৈতে সাধাৰণ সন্ধি-বিগ্রহ, ভাল-বেয়া পৰিস্থিতি, অভ্যুদয়ৰ সময়ত শত্রু আক্রমণ, ৰাজ-নিধি ৰক্ষা, সেনা ৰক্ষা, আৰু অধিকৃত দেশ বা অঞ্চলবোৰত শান্তি প্রতিষ্ঠা এই ছয় বিষয়ে সদায় নিয়মিত আলোচনা কৰা কৰ্ত্তব্য।৩॥ সেই সকলৰ পৃথক্ পৃথক্‌কৈ সকলো অভিপ্রায় শুনি নিজৰো বিবেচনাৰে একমত হৈ হিতকার্য্যত প্রবৃত্ত হব লাগে।৪॥ ইয়াৰ উপৰিও, সৎ আচৰণশীল, স্থিৰ বুদ্ধি সম্পন্ন, অর্থনীতিজ্ঞ, সুপৰীক্ষিত মন্ত্রী নিযুক্ত কৰা কর্ত্তব্য।৫॥ ৰাজ্য পৰিচালনাৰ কাৰণে যিমান জন আলস্যহীন, সুদক্ষ বিচক্ষণ পুৰুষৰ আৱশ্যক সিমান জন নিযুক্ত কৰা বাঞ্ছনীয় ।৬॥ সেই সকলৰ অধীনত শৌর্য্য-বীর্য্যশালী, কর্ম্মদক্ষ, জাতীয়তা অনুভৱী সদাচাৰীক গুৰুতৰ কার্য্যত আৰু ভীৰুবোৰক আভ্যন্তৰীণ কামত নিযুক্ত কৰিব লাগে।৭॥ সুপৰীক্ষিত সর্ব্বশাস্ত্র বিশাৰদ, সদাচাৰশীল আকাৰ ইঙ্গিতৰ পৰা অন্তৰৰ ভাৱ আৰু ভবিষ্যৎ বুজাত সুদক্ষ, ৬ র্য্যাদা পৰায়ণ পুৰুষক দূত নিযুক্ত কৰিব লাগে।৮॥ সদাচাৰী, অনুৰক্ত সুদক্ষ, স্মৰণশক্তি সম্পন্ন, দেশ কালৰ বিষয়ে অভিজ্ঞ, নির্ভীক, বাকচতুৰ, সুশ্রী-সম্পন্ন পুৰুষ ৰাজদূতৰ যোগ্য।৯॥

কোন কি দায়িত্বৰ যোগ্য :—

অমাত্যে দণ্ড আয়ত্তো দণ্ডে বৈনয়িকী ক্রিয়া।
নৃপতৌ কোশৰাষ্ট্রে চ দূতে সন্ধিৰ্বিপর্য্যয়ৌ ॥ ১ ।
দূত এব হি সংধত্তে ভিনত্ত্যেব চ সংহতান্।
দূতস্তৎ কুরুতে কর্ম্ম ভিদ্যতে যেন বা ন বা ॥ ২ ॥
বুদ্ধা চ সর্ব্বতত্ত্বেন পৰৰাজচিকীর্ষিতম্।
তথা প্রয়ত্নমাতিষ্ঠেৎ যথাত্মানং ন পীড়য়েৎ ।৩॥
ধনুর্দুর্গ মহীদুর্গমব্দুর্গং ৰার্ক্ষমেৰ ৰা।

নৃদুর্গং গিরিদুর্গং বা সমাশ্রিত্য বসেৎ পুরম ॥৪।
একঃ শতং যোধয়তি প্রাকারস্থো ধনুর্দ্ধরঃ।
শতং দশসহস্রাণি তস্মাদ্দুর্গং বিধীয়তে ॥৫।
তৎ স্যাদায়ুধসম্পন্নং ধনধান্যেন বাহনৈঃ।
ব্রাহ্মণৈঃ শিল্পিভিযন্ত্রৈর্যবসেনোদকেন চ ॥৬।
তস্য মধ্যে সুপর্য্যাপ্তং কারযেদ্ গৃহমাত্মনঃ।
গুপ্তং সর্ব্বর্ত্তুকং শুভ্রং জলবৃক্ষসমন্বিতম্ ॥৭।
তদধ্যাস্যোদ্বহেদ্ভার্য্যাং সবর্ণাং লক্ষণান্বিতাম্।
কুলে মহতি সম্ভূতাং হৃদ্যাং রূপগুণান্বিতাম্ ॥৮।
পুরোহিতং প্রকুর্ব্বীত বৃণুয়াদেব চর্ত্বিজম্।
তেঽস্য গৃহ্যাণি কর্মাণি কুর্য্যুর্বৈ তানি কানি চ ॥৯॥

মনু০ ৭ (৬৫।৬৬।৬৮।৭০।৭৪-৭৮)॥

অমাত্যক দণ্ডাধিকার দিব, দণ্ডত বিনয় ক্রিয়া অর্থাৎ সেই দণ্ডর অধিকার যাতে অন্যায় ভাবে প্রয়োগ হব নোৱাবে তার ব্যবস্থাও থাকিব লাগিব। রাজ কোষ আরু রাজকার্য্য রজার অধীন থাকিব, রজা আরু সকলো কার্য্য সভার অধীন থাকিব, আরু পর রাষ্ট্রর লগত বন্ধুতা বা বিচ্ছেদর বিষয় দূতর অধীন থাকিব।১॥ যি বিরোধর মাজত মিত্রতা স্থাপন করে, মিলিত বিপক্ষর মাজত বিভেদ সৃষ্টি করে, তাকেই দূত বোলে।২॥ দূতর যোগেদি পর রাষ্ট্রর সকলো অভিপ্রায় যথার্থ ভাবে বুজি লৈ স্বরাষ্ট্রর যাতে কোনো বিপর্জ্জয় নহটে তার কারণে যথা যোগ্য চেষ্টা করা কর্ত্তব্য।৪॥ ধনুর্দুর্গং অর্থাৎ অস্ত্র-শস্ত্রধারী সৈন্যর দুর্গ, মাটিরে নির্ম্মাণ করা দুর্গ, পানীর গভীর খাৱৈর দুর্গ, ডাঠ বনেরে বেষ্টিত দুর্গ অথবা নৃদুর্গ অর্থাৎ চারিও ফালে সেনার ছাউনী পাতি বা পর্ব্বত মালার দুর্গর মাজত রাজধানী প্রতিষ্ঠা করিব লাগে।৪॥ নগর বা রাজধানী খন প্রাকারেরে বেষ্টিত হব লাগে। প্রাকার মানে প্রাচীর বা দুর্গ। প্রাকারর ভিতরর পরা একজনমাত্র অস্ত্রধারী সৈন্যই একশজন শত্রুর সৈতে

যুজিব পারে আরু একশজন সৈন্যই দহ হেজাৱর সৈতে যুজিব পারে, গতিকে দুর্গর ব্যবস্থা করা কর্ত্তব্য।৫॥ সেই দুর্গ অস্ত্র-শস্ত্র, ধন-ধান, বাহন জ্ঞানী অধ্যাপক ব্রাহ্মণ, যন্ত্র শিল্পী, যন্ত্র, কলা, ঘাঁহনি আরু পানীয় জল আদিরে পরিপূর্ণ হোৱা আৱশ্যক।৬॥ সেই দুর্গর ভিতরত সু-পর্য্যাপ্ত শুভ্র রাজ ভৱন নির্ম্মাণ করিব লাগে, সকলো ঋতুর গছ গছনি, ফল-ফুল আরু জলর ব্যবস্থা সহ।৭॥ আৱশ্যকীয় অধ্যয়ন পরিপূর্ণ করি নিজর দরেই (রজাই) গুণ, কর্ম্ম স্বভাবর লক্ষণযুক্তা, মহৎ কুলত জন্মা, রূপ আরু গুণর সমন্বয় থকা প্রেয়সীক বিবাহ করা কর্ত্তব্য। ৮॥ রাজ গৃহত শুভানুষ্ঠানরোর সম্পন্ন করিবর কারণে সুপরীক্ষিত পুরোহিত আরু ঋত্বিক্ বরণ করিলোৱা কর্ত্তব্য। সমাজর সকলোরে হিত চিন্তা করা আরু যথার্থ নীতিরে বেদবিহিত কার্য্য সমাধান করা পুরোহিত আরু ঋত্বিজর দায়িত্ব। ৯॥

সাংবৎসরিকমাপ্তৈশ্চ রাষ্ট্রাদাহারয়েদ্বলিম্।
স্যাচ্চাম্নায়পরো লোকে বর্ত্তেত পিতৃবন্নৃষু ॥ ১।
অধ্যক্ষান্ বিবিধান্ কুর্য্যাৎ তত্র তত্রবিপশ্চিতঃ।
তেঽস্য সর্ব্বাণ্যবেক্ষেরন্নৃণাং কার্য্যাণি কুর্ব্বতাম্ ॥ ২।
আবৃত্তানাং গুরুকুলাদ্ বিপ্রাণাং পূজকো ভবেৎ।
নৃপাণামক্ষয়ো হ্যেষ নিধির্ব্রাহ্মো বিধীয়তে। ৩॥
সর্ব্বোত্তমাধমে রাজা স্বাহূতঃ পালয়ন্ প্রজাঃ।
ন নিবর্ত্তেত সংগ্রামাৎ ক্ষাত্রং ধর্ম্মমনুস্মরন্ ॥ ৪।
আহবেষু মিথোঽন্যোঽন্যং জিঘাংসন্তো মহীক্ষিতঃ।
যুধ্যমানাঃ পরং শক্ত্যা স্বর্গং যান্ত্যপরাঙ্মুখাঃ ॥ ৬।
ন চ হন্যাৎ স্থলারূঢ়ং ন ক্লীবং ন কৃতাঞ্জলিম্।
ন মুক্তকেশং নাসীনং ন তবাস্মীতিবাদিনম্ ॥ ৬।
ন সুপ্তং ন বিসন্নাহং ন নগ্নং ন নিরায়ুধম্।
নাযুধ্যমানং পশ্যন্তং ন পরেণ সমাগতম্ ॥ ৭।

নায়ুধব্যসনং প্রাপ্তং নার্ত্তং নাতিপরিক্ষতম্।
ন ভীতং ন পরাবৃত্তং সতাং ধর্ম্মমনুস্মরন্ ॥ ৮।
যস্তু ভীতঃ পরাবৃতঃ সংগ্রামে হন্যতে পরৈঃ।
ভর্ত্তুর্যদ্দুষ্কৃতং কিঞ্চিত্তৎ সর্ব্বং প্রতিপদ্যতে ॥ ৯।
যচ্চাস্য সুকৃতং কিঞ্চিদমুত্রার্থমুপার্জ্জিতম্।
ভর্ত্তা তৎসর্ব্বমাদত্তে পরাবৃত্তহতস্য তু ॥ ১০।
রথাশ্বং হস্তিনং ছত্রং ধনং ধান্যং পশূন্ স্ত্রিয়ঃ।
সর্ব্বদ্রব্যাণি কুপ্যং চ যো যজ্জয়তি তস্য তৎ ॥ ১১।
রাজ্ঞশ্চ দদ্যুরুদ্ধারমিত্যেষা বৈদিকী শ্রুতিঃ।
রাজ্ঞা চ সর্ব্বযোধেভ্যো দাতব্যমপৃথগ্‌জিতম্ ॥ ১২।

মনু০ ৭(৮০-৮২। ৮৭। ৮৯। ৯১-৯৭)।

আপ্ত পুরুষর দ্বারাই বার্ষিক কর সংগ্রহ করিব আরু রাষ্ট্র নায়কে বেদ পরায়ণ হৈ পিতৃবৎ সকলো প্রজাক পালন করিব ॥১। বিভিন্ন বিভাগর অধ্যক্ষ সকলে বিভিন্ন রাজ কার্য্যত নিয়োজিত কর্ম্ম-কর্ত্তা সকলর কাম কাজ নিরীক্ষণ করিব ॥৩। গুরুকুলর পরা শিক্ষা লাভ করি অহা স্নাতক সকলক নৃপতি বা রাষ্ট্র নেতা সকলে সম্মান করিব লাগে, জ্ঞানেই নৃপ সকলর অক্ষয় নিধি। ৩॥ প্রজা পালক রজাক কোনো যুদ্ধলৈ মাতিলে, সর্বোত্তমেই হওক বা নিম্নই হওক অর্থাৎ ডাঙর সরু পক্ষপাত' নেরাখি ক্ষত্রিয়র ধর্ম্ম অনুসারে যুদ্ধত বিমুখ হব নেলাগে ॥ ৪ ॥ যুদ্ধত ইটোরে সিটোক বধ করার কামনারে যুদ্ধ হোরা আরু ভয়ত পলায়ন নকরা যোদ্ধার স্বর্গ সুখ হয় ॥ ৫ ॥ যুদ্ধ কালত ইফালে সিফালে যাকে তাকে, নপুংসকক, ক্ষমাপ্রার্থীক, মুক্তকেশক বহি থকাক, আরু শরণ প্রার্থীক ॥ ৬। নিদ্রিত, মুর্চ্ছিত, নগ্ন, অস্ত্র-শস্ত্রহীন দর্শক শত্রুর সঙ্গীক বধ করা অনুচিত ॥ ৭। অস্ত্রাঘাতত আহত দুখগ্রস্ত, আহত, ভীত, আরু পলায়নপরক সৎপুরুষর আদর্শ পথ অনুসরণ করি বধ নকরিব, কিন্তু কারাগারত আবদ্ধ করি যথাযোগ্য

শুশ্রূষা করিব লাগে ॥৮। কোনো ব্যক্তি ভীত হৈ পলায়ণ করা অবস্থাত হত হলে, বধ কর্ত্তার স্বামীর কলঙ্ক আরু অপরাধ হয় ॥৯। রাষ্ট্রর সংরক্ষণর বারেই সদায় লক্ষ্য রাখি বিধি বিধান আচরণ করা উচিত সুপ্রতিষ্ঠিত রাষ্ট্রর খ্যাতিত হৈ পার্থিব সুখ লাভ হয় ॥১০। রণত রথ, হাতী, ছত্র, ধন, ধান, পশু, স্ত্রী খনি যি জয় করে তেওঁরেই সেইবোরর অধিকারী হোরা উচিত ॥১১। সৈনিকর বিজয় লব্ধ সকলো সম্পত্তির ষোল অংশর একাংশ রাজ কোষলৈ যার আরু রাজ্যর সর্ব্ব মুঠ বিজয় লব্ধর ষোল অংশর একাংশ সৈনিকক বিতরণ করিব ॥১২। যুদ্ধত নিহত যোদ্ধা সকলর পরিয়ালে রাজ কোষর পরা ভরণ-পোষণ পাই প্রতি পালিত হব।

অলব্ধং চৈব লিপ্সেত লব্ধং রক্ষেৎ প্রযত্নতঃ।
রক্ষিতং বর্দ্ধয়েচ্চৈব বৃদ্ধং পাত্রেষু নিঃক্ষিপেৎ ॥ ১।
অলব্ধমিচ্ছেদ্দণ্ডেন লব্ধং রক্ষেদবেক্ষয়া।
রক্ষিতং বর্দ্ধয়েদ বৃদ্ধ্যা বৃদ্ধং দানেন নিঃক্ষিপেৎ ॥ ২
অমায়য়ৈব বর্ত্তেত ন কথঞ্চন মায়য়া।
বুধ্যেতারি প্রযুক্তাঞ্চ মায়ামিত্যং স্বসংবৃতঃ ॥ ৩
নাস্য ছিদ্রং পরো বিদ্যাচ্ছিদ্রং বিদ্যাৎ পরস্য তু।
গুহেৎ কূর্ম্ম ইবাঙ্গানি রক্ষেদ্বিবরমাত্মনঃ ॥ ৪
বকবচ্চিন্তয়েদর্থান্ সিংহবচ্চ পরাক্রমেৎ।
বৃকবচ্চাবলুম্পেত শশবচ্চ বিনিষ্পতেৎ ॥ ৫
এবং বিজয়মানস্য যেঽস্য স্যুঃ পরিপন্থিনঃ।
তানানয়েদ্বশং সর্ব্বান্ সামাদিভিরুপক্রমৈঃ ॥ ৬
যথোদ্ধরতি নির্দ্ধাতা কক্ষং ধান্যং চ রক্ষতি।
তথা রক্ষেন্নৃপো রাষ্ট্রং হন্যাচ্চ পরিপন্থিনঃ ॥ ৭
মোহাদ্রাজা স্বরাষ্ট্রং যঃ কর্ষয়ত্যনবেক্ষয়া।
সোঽচিরাদ ভ্রশ্যতে রাজ্যাৎ জীবিতাচ্চ সবান্ধবঃ ॥ ৮

শরীরকর্ষণাৎ প্রাণাঃ ক্ষীয়ন্তে প্রাণিনাং যথা।
তথা রাজ্ঞামপি প্রাণাঃ ক্ষীয়ন্তে রাষ্ট্রকর্ষণাৎ।
রাষ্ট্রস্য সংগ্রহে নিত্যং বিধানমিদমাচরেৎ।
সুসংগৃহীত রাষ্ট্রোহি পার্থিবঃ সুখমেধতে ॥১০॥
ত্রয়োত্রয়াণাং পঞ্চানাং মধ্যে গুল্মমধিষ্ঠিতম্।
তথা গ্রাম শতানাঞ্চ কুর্য্যাদ্রাষ্ট্রস্য সংগ্রহম্ ॥১১॥
গ্রামস্যাধিপতিং কুর্য্যাদ্দশগ্রামপতিং তথা।
বিংশতীশং শতেশং চ সহস্র পতিমেব চ ॥১২॥
গ্রামে দোষান্ সমুৎপন্নান্ গ্রামিকঃ শনকৈঃ স্বয়ম্।
সংসেদ্ গ্রামদশেশায় দশেশো বিংশতীশিনম ॥১৩॥
বিশতীশস্তু তৎ সর্ব্বং শতেশায় নিবেদয়েৎ।
শংসেদ্ গ্রামশতে শস্তু সহস্র পতয়ে স্বয়ম্ ॥১৪॥
তেষাং গ্রাম্যাণি কার্য্যানি পৃথক্ কার্য্যানি চৈব হি।
রাজ্ঞোঽন্যঃ সচিবঃ স্নিগ্ধস্তানি পশ্যেদতন্দ্রিতঃ ॥১৫॥
নগরে নগরে চৈকং কুর্য্যাৎ সর্ব্বার্থচিন্তকম্।
উচ্চৈঃ স্থানং ঘোররূপং নক্ষত্রাণামিব গ্রহম্ ॥১৬
স তাননুপরিক্রামেৎ সর্ব্বানেব সদা স্বয়ম্।
তেষাং বৃত্তং পরিণয়েৎ সম্যগ্রাষ্ট্রেষু তচ্চরৈঃ ॥১৭॥
রাজ্ঞো হি রক্ষাধিকৃতাঃ পরস্বাদায়িনঃ শঠাঃ।
ভৃত্যা ভবন্তি প্রায়েণ তেভ্যো রক্ষেদিমাঃ প্রজাঃ ॥১৮॥
যে কার্য্যিকেভ্যোঽর্থমেব গৃহ্ণীয়ুঃ পাপচেতসঃ।
তেষাং সর্ব্বস্বামাদায় রাজা কুর্য্যাৎ প্রবাসনম্ ॥১৯॥

মনু০ ৭ (৯৮।১০১।১০৪-১০৭।১১০-১১৭।১২০-১২৪)।

অলব্ধ ধনর প্রাপ্তির কামনা, লব্ধ ধনর রক্ষা, রক্ষিত ধনর বৃদ্ধি আরু বৃদ্ধির পরা সৎ অনুষ্ঠান আরু সৎ পাত্রত ব্যয় করা রজা আরু রাষ্ট্র নেতা সকলর কর্ত্তব্য ॥১॥ এই চতুর্বিধ পুরুষার্থর, আরশ্যক মতে,

সদায় আলস্য এরি যত্ন পর হব। দণ্ডর দ্বারা অপ্রাপ্ত ধনর প্রাপ্তির কামনা, প্রাপ্তর রক্ষা, রক্ষিতর সংবর্দ্ধন আরু বর্দ্ধিত ধন সৎ কার্য্যত ব্যয় করিব লাগে ॥২॥ কারো সৈতে ছল কপট নকরি সৎ ব্যবহার করিব লাগে। সদায় সর্ব্বতোভাবে আত্ম রক্ষা করি, সাবধানে শত্রুর চল-চক্রান্ত প্রতিরোধ করা কর্তব্য ॥৩॥ শত্রুরে যাতে নিজর নিজর দুর্বলতার কথা যাতে শত্রু পক্ষই নাজানে তালৈ সততে চক্ষু রাখিব আরু শত্রুর দুর্বলতার কথা জনার চেষ্টা করিব। গোপনে অঙ্গ গোপনীয় রখার দরে নিজর গোপনীয় ছিদ্রবোর শত্রুর পরা গোপনে রক্ষা করা কর্ত্তব্য ॥৪॥ ধন সংগ্রহত বকর দরে স্থির চিন্তাশীল, সিংহর দরে পরাক্রমশীল, বাঘর দরে ছল চাই শত্রুক আক্রমণ, বলবান শত্রুর সম্মুখীন হলে শহার দরে পলাই পাছত ছলচাই পরাস্ত করা কর্ত্তব্য ॥৫॥ এই দরে বিজয় অভিলাষীর বিরোর বিরোধী, সেই বোরক (সাম) মিত্রতারে, (দান) কিছু দান দি আরু (ভেদ) বিদ্রোহীর ভিতরত পরস্পর বিভেদ সৃষ্টি করি অথবা পরাক্রমেরে সকলোকে বশীভূত করিব লাগে ॥৬॥ ধান রান্ধনীয়ে যেনেকৈ ধানর পরা তুঁহরে গুছায় চাউল নভঙাকৈ রাখে সেইদরে রাষ্ট্র নেতা সকলে রাষ্ট্রর বিরোধী অনিষ্টকারী বোরক বিনাশ করি রাজ্য রক্ষা করিব লাগে ॥৭॥ মোহান্ধ অবিবেকী রজার রাজ্য দুর্বল হলে অবিলম্বে বন্ধু বান্ধর সহ রাজ্য বিনাশ হয় ॥৮॥ যেনেকৈ দেহ ক্ষীণ হলে প্রাণীর প্রাণো ক্ষীণ হৈ যায়, সেই দরে রজাই প্রজাক দুর্বল করিলে, নিজর প্রাণ শক্তি আরু বন্ধু বান্ধরর সৈতে তেওঁ বিনাশ পায় ॥৯॥ রাষ্ট্র সংরক্ষণার্থে সদায় এই বিধিরেই আচরণ করিব। সুপ্রতিষ্ঠিত রাষ্ট্রই সকলোরে পার্থির সুখ ॥১০॥ দুখন, তিনিখন, পাঁচখন আরু এশখন গাওঁর একোটাকৈ রাজ্যিক কার্য্যালয় স্থাপন করি রাজ কার্য্য পরিচালনা করিবলৈ উপযুক্ত কার্য্য কর্ত্তা নিযুক্ত করা কর্ত্তব্য ॥১১॥ একোখন গাওঁত একোজনকৈ অধিপতি, দহখন গাওঁর ওপরত একোজনকৈ অধিপতি, বিশখন গাওঁর ওপরত একোজন অধিপতি, এশখনর ওপরত

একোজন অধিপতি আৰু এহাজাৰ খনৰ ওপৰত একোজন অধিপতি নিৰ্ব্বাচন কৰিব লাগে, যাক আজি কালি পঞ্চায়ত নীতি বোলা হৈছে ॥১২॥ এই নীতিৰেই গাওঁৰ দোষবোৰ গ্ৰামৰ অধিপতিয়ে দশ গ্ৰামৰ অধিপতিক জনাব। সেই দৰে দহখন গাওঁৰ দোষবোৰ দশগ্ৰামৰ অধিপতিয়ে বিশ গ্ৰামৰ অধিপতিক জনাব ॥১৩॥ বিশ বিশ গাওঁৰ অধিপতি সকলে শত গ্ৰামৰ অধিপতিক জনাব। শত গ্ৰামৰ অধিপতি সকলৰ বিষয়ে—সহস্ৰ গ্ৰামৰ অধিপতিক, প্ৰত্যেক সহস্ৰ গ্ৰামৰ অধিপতিয়ে দহ সহস্ৰ গ্ৰামৰ বাৰ্ত্তা ৰাজ সভাক প্ৰতিদিনে জনাব লাগিব। আৰু বিভাগীয় ৰাজ সভাবোৰে—ৰাজ্যৰ সৰ্ব্বোচ্চ ৰাজ সভাক জনাব ॥১৪॥ গাওঁৰ কাৰ্য্য কৰ্ত্তা সকলৰ কৰ্ম্মতৎপৰতা পৰিদৰ্শন কৰিবৰ কাৰণে আৰু প্ৰশাসনীয় কাৰ্য্য পৰিচালনাৰ কাৰণে উপযুক্ত কৰ্ম্ম ধৰ্ম্ম পৰায়ণ পৃথক্ পৃথক্ সচিব নিযুক্ত কৰিব লাগে ॥১৫॥ নগৰৰ প্ৰতি সকলো বিষয় চৰ্চ্চাৰ উপযোগী নক্ষত্ৰৰ মাজত গ্ৰহৰ দৰে অৰ্থাৎ ৰাতিৰ তৰাৰ মাজত চোনৰ দৰে ওখ আৰু ডাঙৰকৈ একোটা কাৰ্য্যালয় নিৰ্ম্মান কৰিব ॥১৬॥ ৰাজ কৰ্ম্মচাৰী সকলৰ চৰিত্ৰ নিৰীক্ষণ কৰিবৰ কাৰণে পৰিদৰ্শকৰ অধীনত গুপ্তচৰ নিযুক্ত কৰিব ॥ ১৭ ॥ ন্যায় ধৰ্ম্মপৰায়ণ সকলৰ হাতত প্ৰজা ৰক্ষাৰ দায়িত্ব দিব। শঠ আৰু পৰৰ ধন সম্পত্তি অপহৰণ কাৰীক দুষ্কৰ্ম্মৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত ৰাজ-ভৃত্য নিযুক্ত কৰিব ॥ ১৮ ॥ যিবোৰ ৰাজকৰ্ম্মচাৰীয়ে বাদী প্ৰতিবাদীৰ পৰা ভেটি খাই অন্যায় পক্ষপাত কৰে তেনে পাপাত্মাবোৰৰ সৰ্ব্বস্ব ৰাজাৰ শেষলৈ আনি নিৰ্ব্বাসন দণ্ড দিব লাগে, যাতে তেনে দণ্ড দেখি আন আন ৰাজ কৰ্ম্মচাৰী বিলাক সাৱধান আৰু সচেতন হয় ॥ ১৯ ॥

যথা ফলেন যুজ্যেত ৰাজা কৰ্ত্তা চ কৰ্ম্মণাম্ ।
তথাবেক্ষ্য নৃপো ৰাষ্ট্ৰে কল্পয়েৎ সততং কৰান্ ॥ ১ ॥
যথাঽল্পাঽল্পমদন্ত্যাদ্যং ৰাৰ্য্যোকোৱৎসষট্ পদাঃ।
তথাঽল্পাঽল্পো গ্ৰহীতব্যো ৰাষ্ট্ৰাদাব্জাব্দিকঃ কৰঃ ॥ ২

নোচ্ছিন্দ্যাদাত্মনো মূলং পৰেষাং চাতিতৃষ্ণয়া।
উচ্ছিন্দন হ্যাত্মনো মূলমাত্মানং তাংশ্চ পীড়য়েৎ ॥
তীক্ষ্ণশ্চৈৱ মৃদুশ্চৈৱ ৰাজা ভৱতি সম্মতঃ ॥ ৪।
এৱং সৰ্ব্বং ৱিধায়েদমিতি কৰ্ত্তব্যমাত্মনঃ।
যুক্তশ্চৈৱা প্ৰমত্তশ্চ পৰিৱক্ষেদিমাঃ প্ৰজাঃ ॥ ৫
ৱিক্ৰোশন্ত্যো যস্য ৰাষ্ট্ৰাদ্ধ্ৰিয়ন্তে দস্যুভিঃ প্ৰজাঃ।
সম্পশ্যতঃ সভৃত্যস্য মৃতঃ স ন তু জীৱতি ॥ ৬ ॥
ক্ষত্ৰিয়স্য পৰো ধৰ্ম্মঃ প্ৰজানামেৱ পালনম্।
নিৰ্দ্দিষ্ট ফল ভোক্তা হি ৰাজা ধৰ্ম্মেণ যুজ্যতে ॥ ৭

মনুঃ ৭ (১২৮।১২৯।১৩৯।১৪০।১৪২-১৪৪)

ৰাজ্যৰ সকলোৰে সুখ সমৃদ্ধিৰ লক্ষ্যতেই যথাযোগ্য কৰ সংগ্ৰহৰ পৰিকল্পনা ৰজাই কৰিব লাগে ॥১॥

জোক, গৰু-পোৱালী আৰু ভোমোৰাই অলপ অলপকৈ আহাৰ সংগ্ৰহ কৰে; সেইদৰে ৰজায়ো প্ৰজাৰ পৰা অলপ অলপহে ৰাষ্ট্ৰিক কৰ আদায় কৰা উচিত ॥২॥ লোভৰ ৰশীভূত হৈ নিজৰ ৰা অন্যৰ সুখৰ মূল উচ্ছেদ কৰা অনুচিত। যি সদ্ আচৰণ আৰু সুখৰ মূল উচ্ছেদ কৰে, তেওঁ নিজেও দুঃখৰ ভাগী আৰু আনকো দুঃখৰ ভাগী কৰে ॥৩॥ কাৰ্য্য অনুৰূপে ৰজা কঠোৰ আৰু কোমল হৃদয়ৰ হ'ল, অসতৰ প্ৰতি কঠোৰ আৰু সন্তৰ প্ৰতি কোমল ব্যৱহাৰ কৰিলে সকলোৱে পৰা সম্মান লাভ কৰে ॥৪॥ এই নীতিৰে ৰাজ্য পৰিচালনাৰ সকলো ব্যৱস্থা কৰি, অপ্ৰমত্ত ভাৱে সদায় প্ৰজাৰ পালন কৰাই ৰজাৰ ধৰ্ম্ম ॥৫॥ যেতিয়া ৰাজ্যত দস্যুৰ উপদ্ৰৱত প্ৰজাৰ ধন সম্পত্তি আদি হানি হয়, তেতিয়া ৰজা, মন্ত্ৰী আৰু ৰাজ কৰ্ম্ম কৰ্ত্তা সকলক জীৱনতে মৃত বুলিব লাগিব ॥৬॥ প্ৰজাৰ পালন কৰাই ৰজা আৰু ৰাজ কৰ্ম্মচাৰী সকলৰ পৰম ধৰ্ম্ম। ৰাজসভাই ভাল বিবেচনা কৰি নিৰ্দিষ্ট কৰ সংগ্ৰহ কৰা ধৰ্ম্ম পৰায়ণ ৰজাৱে সুখী হব পাৱে ॥৭॥

উত্থায় পশ্চিমে যামে কৃতশৌচঃ সমাহিতঃ।
হুতাগ্নির্ব্রাহ্মণাংশ্চার্চ্য প্রবিশেৎ স শুভাং সভাম্ ॥১।
তত্র স্থিতাঃ প্রজাঃ সর্ব্বাঃ প্রতিনন্দ্য বিসর্জ্জয়েৎ।
বিসৃজ্য চ প্রজাঃ সর্ব্বা মন্ত্রয়েৎ সহ মন্ত্রিভিঃ ॥২।
গিরি পৃষ্ঠং সমারুহ্য প্রাসাদং বা রহোগতঃ।
অরণ্যে নিঃশলাকে বা মন্ত্রয়েদবিভাবিতঃ ॥৩।
যস্য মন্ত্রং ন জানন্তি সমাগম্য পৃথক্ জনাঃ।
স কৃৎস্নাং পৃথিবীং ভুঙ্‌ক্তে কোশহীনোঽপি পার্থিবঃ ॥৪।

মনু০ ৭ (১৪৫-১৪৯)॥

রজা বাই নেতা বা রাজ সভাসদ প্রত্যেকেই রাতির শেষ প্রহরত উঠি, শৌচাদি শেষ করি, অগ্নিহোত্র আরু পরমেশ্বরর উপাসনা করি, সময়ানুকূল আহার করি শুভ কামনারে রাজ সভাত প্রবেশ করিব ॥১। রজা বা বাই নেতাই উপস্থিত রাজ কর্ম্মচারী বা প্রজাক প্রতি নমস্কার করি আরু বিদায় দি প্রধান মন্ত্রীর লগত আলোচনা করিব ॥২। পর্ব্বতর শিখর, নির্জ্জন গৃহ বা কাঁইট নোহোৱা অরণ্যত অবিরুদ্ধ আরু অকৃত্রিম ভাবে মন্ত্রীর লগত পরামর্শ করিব ॥৩। অন্য সকলো লোক মিলিত হৈও যি রজার গভীর গোপন মন্ত্রণা জানিব নোৱারে—সেই রজা ধনহীন হৈও বিশাল রাজ্যর পার্থিব সুখ ভোগ করিব পারে॥ অর্থাৎ যি রাজাত রজা স্বেচ্ছাচারী নহয়, যার রাজনীতি বিদ্বান্ সভাসদ সকলর অনুমোদিত, তেওঁ স্বরাষ্ট্রর প্রজার অন্তর জয় করি পররাষ্ট্রও জয় করিব পারে ॥৪।

আসনং চৈব যানং চ সন্ধিং বিগ্রহমেব চ।
কার্য্যং বীক্ষ্য প্রযুঞ্জীত দ্বৈধং সংশ্রয়মেব চ ॥১।
সন্ধিং তু দ্বিবিধং বিদ্যাদ্ রাজা বিগ্রহমেব চ।
উভে যানাসনে চৈব দ্বিবিধঃ সংশ্রয়ঃ স্মৃতঃ ॥২।
সমানযানকর্ম্মা চ বিপরীতস্তথৈব চ।

তথা ত্বায়তিসংযুক্তঃ সন্ধির্জ্ঞেয়ো দ্বিলক্ষণঃ ॥৩।
স্বয়ংকৃতশ্চ কার্য্যার্থমকালে কাল এব বা।
মিত্রস্য চৈবাপকৃতে দ্বিবিধা বিগ্রহঃ স্মৃতঃ ॥৪।
একাকিনশ্চাত্যয়িকে কার্য্যে প্রাপ্তে যদৃচ্ছয়া।
সংহতস্য চ মিত্রেণ দ্বিবিধং যানমুচ্যতে ॥৫।
ক্ষীণস্য চৈব ক্রমশো দৈবাৎ পূর্ব্বকৃতেন বা।
মিত্রস্য চানুরোধেন দ্বিবিধং স্মৃতমাসনম ॥৬।
বলস্য স্বামিনশ্চৈব স্থিতিঃ কার্য্যার্থসিদ্ধয়ে।
দ্বিবিধং কীর্ত্ত্যতে দ্বৈধং ষাড্‌গুণ্যগুণবেদিভিঃ ॥৭।
অর্থসম্পাদনার্থঞ্চ পীড্যমানঃ স শত্রুভিঃ।
সাধুষু ব্যপদেশার্থং দ্বিবিধঃ সংশ্রয়ঃ স্মৃতঃ ॥৮।
যদাবগচ্ছেদায়ত্যামাধিক্যং ধ্রুবমাত্মনঃ।
তদাত্বে চাল্পিকাং পীড়াং তদা সন্ধিং সমাশ্রয়েৎ ॥৯।
যদা প্রহৃষ্টা মন্যেত সর্ব্বাস্তু প্রকৃতীর্ভৃশম্।
অত্যুচ্ছ্রিতং তথাত্মানং তদা কুর্ব্বীত বিগ্রহম্ ॥১০।
যদা মন্যেত ভাবেন হৃষ্টং পুষ্টং বলং স্বকম্।
পরস্য বিপরীতঞ্চ তদা যায়াদ্রিপুং প্রতি ॥১১।
যদা তু স্যাৎ পরিক্ষীণো বাহনেন বলেন চ।
তদাসীত প্রযত্নেন শনকৈঃ সান্ত্বয়ন্নরীন্ ॥১২।
মন্যেতারিং যদা রাজা সর্ব্বথা বলবত্তরম্।
তদা দ্বিধা বলং কৃত্বা সাধয়েৎ কার্য্যমাত্মনঃ ॥১৩।
যদা পরবলানাস্তু গমনীয়তমো ভবেৎ।
তদা তু সংশ্রয়েৎ ক্ষিপ্রং ধার্ম্মিকং বলিনং নৃপম্ ॥১৪।
নিগ্রহং প্রকৃতীনাং চ কুর্য্যাদ্যোঽরিবলস্য চ।
উপসেবেত তং নিত্যং সর্ব্বযত্নৈর্গুরুং যথা ॥১৫।
যদি তত্রাপি সংপশ্যেদ্দোষং সংশ্রয় কারিতম্।

সুযুদ্ধমেব তত্রাপি নির্বিশঙ্কঃ সমাচরেৎ ॥১৬।

মনু০ ৭ (১৬১-১৭৬)।

স্থিবতা, যুদ্ধযাত্রা, শত্রুব লগত মিত্রতা স্থাপন, যুদ্ধব, সেনা দুভাগ কবি পবিচালনা কবা আৰু শক্তিশালী বজাব আশ্রয় লোৱা এই ছয় প্রকাব কার্য্য গভীব বিবেচনাবে সমাধান কবা কর্ত্তব্য ॥ ১ । সন্ধি বিগ্রহ, যান, আসন, দ্বৈধীভাব আৰু সংশয় দুই প্রকাবব, বজা আৰু বাজ পুৰুষ সকলে এইবোৰব প্রত্যেক প্রকাব ভালদবে জনা উচিত ॥২। শত্রুব লগত মিত্রতা অথবা শত্রুব বিপক্ষ বাষ্ট্রব লগত মিত্রতা কবি বর্ত্তমান আৰু ভবিষ্যতব কাবণে সজাগ হৈ কর্ত্তব্য কবা, এই দুই প্রকাবব সন্ধি হয় ॥ ৩। বিগ্রহ সময়ত বা অসময়ত নিজব উদ্দেশ্য সিদ্ধিব কাবণে নিজে কাবো বিৰুদ্ধে যুদ্ধত প্রবেশ কবা, বা মিত্র বাজ্যব শত্রুব বিৰুদ্ধে যুদ্ধ কবা এই দবে দুই প্রকাব বিগ্রহ হয় ॥ ৪। পবিস্থিতিত বিবশ হৈ অকস্মাৎ অকলেই কোনো শত্রু বাজ্যব বিৰুদ্ধে যুদ্ধ কবা, অথবা কোনো মিত্র বাজ্যব সহযোগ হৈ সুপবিকল্পনাবে যুদ্ধ আবম্ভ কবা, এই দুই ধবণব য'ন বা যাত্রা হয় ॥ ৫। নিজব অনুকূল পবিস্থিতি অথবা কোনো মিত্র পক্ষব স্বার্থত নিবপেক্ষতা অবলম্বন কবা এই দুই প্রকাব আসন ॥ ৬। কোনো উদ্দেশ্য সিদ্ধিব কাবণে সেনাব আৰু সেনাধ্যক্ষক দুভাগত বিভক্ত কবি জয়লাভ কবা, এনেকুৱাকৈ দুভাগ কবাব পবা দুই প্রকাব দ্বৈধ হয় ॥ ৭। নিজব সামর্থ্য নোহোৱা বাবে কোনো পবাক্রমী শত্রুব আক্রমণত অন্য কোনো প্রতাপশালী বজাব আশ্রয় লোৱা অথবা কোনো প্রভাবশালী মহাত্মাব আশ্রয় লোৱা এই দুই প্রকাবক সংশ্রয় বা আশ্রয় বোলে ॥ ৮। যি সময়ত যুদ্ধ আবম্ভ কবিলে পবাজয়ব আশঙ্কা থাকে, সেই সময়ত ধৈর্য্য অবলম্বন কবি সন্ধি স্থাপন কবা উচিত আৰু যি সময়ত যুদ্ধ আবম্ভ কবিলে বিজয়ব সম্ভাবনা, সেই সময়ত শত্রুব বিৰুদ্ধে যুদ্ধ কবিব লাগে ॥ ৯। যেতিয়া প্রজা প্রসন্ন, সেনা বাহিনী সবল, উন্নত আৰু বজা প্রজা একতাবদ্ধ প্রতীত

হয়, তেতিয়া শত্রুব লগত যুদ্ধ কবিব পাবে ॥ ১০। যেতিয়া নিজব সেনা সবল আৰু সুসজ্জিত, শত্রুব বল তাব বিপবীত প্রতীত হয়, তেতিয়াই শত্রুব বিৰুদ্ধে যুদ্ধ যাত্রা কবিব লাগে ॥ ১১। নিজব সেনাবল, যানবাহন ক্ষীণ হলে, সকলো প্রকাব চেষ্টা কবি শত্রুক শান্ত কবি নিজে স্থিব বব লাগে ॥ ১২। যেতিয়া শত্রু অতি প্রবল যেন বোধ হয় তেতিয়া নিজব সৈন্য দুগুণ বা দুই প্রকাবব সেনা গঠন কবি অর্থাৎ দুই প্রকাবব যুদ্ধবে কার্য্য সাধন কবিব লাগে ॥ ১৩ ॥ যেতিয়া কোনো পবাক্রমী শত্রুব হঠাৎ আক্রমণব সম্ভাবনা হয়, তেতিয়া অবিলম্বে কোনো নীতি পবায়ণ শক্তিশালী বাজাব আশ্রয় লব লাগে ॥ ১৪ ।

যিবোব প্রজা আৰু সৈন্যই শত্রুব শক্তি প্রতিবোধ কবে, সেই সকলক গুৰুব দবে সদায় কৃতজ্ঞতাবে সেবা শুশ্রূষা কবা কর্ত্তব্য ॥ ১৫। যাব আশ্রয় লোৱা হয়, তেওঁব কার্য্যত দোষ পবিলক্ষিত হলেও নিঃশঙ্ক ভাবে তেওঁব কাবণে যুদ্ধ কবা কর্ত্তব্য ॥ ১৬। কোনো ন্যায় নীতি পবায়ণ বজাব বিবোধিতা কেতিয়াও কবা অনুচিত, তেনে বজা বা বাজ্যব লগত সদায় মিত্রতা বক্ষা কবিবলৈ যত্নপব হোৱা উচিত। দুর্বৃত্ত আৰু শক্তিশালী বজাক পবাজয় কবিবব কাবণে পূর্ব্বোক্ত সকলো প্রকাব উপায় অবলম্বন কবা কর্ত্তব্য।

সর্ব্বোপায়ৈস্তথা কুর্য্যান্নীতিজ্ঞঃ পৃথিবীপতিঃ।
যথাস্যাভ্যধিকা ন স্যুর্মিত্রোদাসীনশত্রবঃ ॥১।
আয়ঞ্চিং সর্ব্বকার্য্যাণাং তদাত্বং চ বিচারয়েৎ।
অতীতানাঞ্চ সর্ব্বেষাং গুণদোষৌ চ তত্ত্বতঃ ॥২।
আয়ত্যাং গুণদোষজ্ঞস্তদাত্বে ক্ষিপ্রনিশ্চয়ঃ।
অতীতে কার্য্যশেষজ্ঞঃ শত্রুভির্নাভিভূয়তে ॥৩।
যথৈনং নাভিসংদধ্যুর্মিত্রোদাসীন শত্রবঃ।
তথা সর্ব্বং সংবিদধ্যাদেষ সামাসিকো নয়ঃ ॥৪।

মনু০ ৭- (১৭৭-১৮০)।

মিত্র যাতে উদাসীন আরু শত্রু যাতে শক্তিশালী হব নোৱাবে তাব কাবণে নীতিজ্ঞ আরু পৃথিৱীপতি ৰজাই সকলো প্রকাৰ উপায় অবলম্বন কৰা কৰ্ত্তব্য ॥ ১। অতীতত কৰা কার্য্যৰ সকলো দোষ গুণ ভালদৰে বিবেচনা কৰি বৰ্ত্তমান আরু ভৱিষ্যতৰ কৰ্ত্তব্যত সচেতন হোৱা উচিত ॥ ২। যি ৰজাই ভৱিষ্যতৰ গুণ দোষ অর্থাৎ কর্ত্তব্য অকর্ত্তব্য অৱগত হৈ বর্ত্তমানৰ কৰণীয় কার্য্য অবিলম্বে নির্ণয় কৰে আরু অতীতত কৰা কার্য্যৰ ফলাফল অৱগত, তেওঁ শত্রুৰ হাতত কেতিয়াও পৰাজিত হব নোৱাৰে ॥ ৩। এই দৰে মিত্র শক্তিৰ উদাসীন আরু শত্রুক বশীভূত কৰি কাৰো দ্বাৰাই অন্য কোনো প্রকাৰে বিরুদ্ধাচৰণ যাতে নহয়, তাৰ কাৰণে ৰাজ্যিক কর্ম্ম কর্ত্তা সকল, বিশেষকৈ ৰজা বা ৰাষ্ট্র নায়ক সদাই সচেতন থকা কর্ত্তব্য। সংক্ষেপত ইয়াকেই ৰাজনীতি বোলে ॥৪॥

কৃত্বা বিধানং মূলে তু যাত্রিকং চ যথাবিধি।
উপগৃহ্যাস্পদং চৈব চারান্ সম্যগ্ বিধায় চ ॥১॥
সংশোধ্য ত্রিবিধং মার্গং ষড়্বিধং চ বলং স্বকম্।
সাংপরায়িককল্পেন যায়াদ্বিপুরং শনৈঃ ॥২॥
শত্রুসেবিনি মিত্রে চ গূঢ়ে যুক্ততরো ভবেৎ।
গত প্রত্যাগতে চৈব সদা কষ্টতরো রিপুঃ ॥৩॥
দণ্ডব্যূহেন তন্মার্গং যায়াত্তু শকটেন বা।
বরাহ-মকরাভ্যাং বা সূচ্যা বা গরুড়েন বা ॥৪॥
যতশ্চ ভয়মাশঙ্কেত্ততো বিস্তারয়েদ্বলম্।
পদ্মেন চৈব ব্যূহেন নিবিশেত সদা স্বয়ম্ ॥৫॥
সেনাপতিবলধ্যক্ষৌ সর্ব্বদিক্ষু নিবেশয়েৎ।
যতশ্চ ভয়মাশঙ্কেৎ প্রাচাং তাং কল্পয়েদ্দিশম্ ॥৬॥
গুল্মাংশ্চ স্থাপয়েদাপ্তান্ কৃতসংজ্ঞান্ সমন্ততঃ।
স্থানে যুদ্ধে চ কুশলানভীরূনবিকারিণঃ ॥৭॥
সংহতান্ বোধয়েদল্পান্ কামং বিস্তারয়েদ্ বহূন্।

সূচ্যা বজ্রেণ চৈবৈতান্ ব্যূহেন ব্যূহ্য যোধয়েৎ ॥৮॥
স্যন্দনাশ্বৈঃ সমে যুধ্যেদনূপে নৌদ্বিপৈস্তথা।
বৃক্ষগুল্মাবৃতে চাপৈর্বিচর্ম্মায়ুধৈঃ স্থলে ॥৯॥
প্রহর্ষয়েদ্ বলং ব্যূহ্য তাংশ্চ সম্যক্ পরীক্ষয়েৎ।
চেষ্টাশ্চৈব বিজানীয়াদরীণাং যোধয়তামপি ॥১০॥
উপকর্ষ্যাবিষাসীত রাষ্ট্রং চাস্যোপপীড়য়েৎ।
দূষয়েচ্চাস্য সততং যবসান্নোদকেন্ধনম্ ॥১১॥
ভিন্দ্যাচ্চৈব তড়াগানি প্রাকারপরিখাস্তথা।
সমবস্কন্দয়েচ্চৈনং রাত্রৌ বিত্রাসয়েস্তথা ॥১২॥
প্রমাণানি চ কুর্ব্বীত তেষাং যুদ্ধোচিতান্ নরান্।
রথৈশ্চ পূজয়েদেনং প্রধানপুরুষৈঃ সহ ॥১৩॥
আদানমপ্রিয়করং দানঞ্চ প্রিয়কারি যৎ।
অভীপ্সিতানামর্থানাং কালে যুক্তং প্রশস্যতে ॥১৪॥

মনু০ ৭ (১৮৭-১৯১ । ১৯৪-১৯৬ । ২০৩ । ২০৪)

যুদ্ধ যাত্রাৰ পূর্ব্বে নিজৰ ৰাজ্য ৰক্ষাৰ ব্যৱস্থা কৰি, চাৰিওফালে গুপ্তচৰ নিযুক্ত কৰি, যুদ্ধ যাত্রাৰ উপযোগী যান, বাহন, সেনা, আরু অস্ত্র-শস্ত্র আরু আৱশ্যকীয় সকল সামগ্রী লৈ যাত্রা কৰা কর্ত্তব্য ॥ ১। তিনি মার্গ সংশোধন কৰি, অর্থাৎ জল, স্থল, আরু আকাশ পথেদি, পদাতি, ৰথ, অশ্ব, হস্তী, অস্ত্র-শস্ত্র আরু আহাৰ সম্বল এই ষড় বিধ বল সম্বল লগত লৈ, কোনো কাৰণ ঘোষণা কৰি, ক্রমান্বয়ে শত্রুৰ নগৰৰ ফালে আগবাঢ়িব ॥ ২। যি ব্যক্তি ভিতৰি শত্রুৰ ফালিয়া, কিন্তু বাহিৰত পৰম মিত্রৰ দৰে দেখুৱায়, তেনে ব্যক্তিৰ চালচলন, গতিগোত্র, ভাৱভঙ্গী আরু কথা বার্ত্তাত অতি সাৱধানে লক্ষ্য দিয়া উচিত। কাৰণ তেনে ব্যক্তি অতি ভয়ঙ্কৰ শত্রু ॥ ৩। যুদ্ধ যাত্রাত আরু আগ বাঢ়োতে দণ্ডব্যূহ, শকটব্যূহ, ৰৰাহব্যূহ, মকৰব্যূহ, সূচী ব্যূহ গৰুড়ব্যূহ ৰচনা কৰি আগ বাঢ়িব লাগে ॥ ৪। যত ভয়ৰ আশঙ্কা জন্মে, সেইফালে সৈন্য বিস্তাৰ কৰি,

কেওকালে অর্থাৎ প্রতি বিভাগত সেনাপতি সঞ্চালক নিয়োগ কবি নিজে অর্থাৎ স্বয়ং বজা বা প্রধান সেনাপতি পদ্মব্যূহব কেন্দ্রত স্থিত হৈ যাব ॥ ৫ সেনাপতি আৰু আদেশদাতা সকলক সকলো দিশতেই নিয়োজিত বাখি যুদ্ধ ক্ষেত্রাভিমুখে আগ বাঢ়িব, কিন্তু পাছ ফালব পবা ভয়ব আশঙ্কা হলে পাছ ফালব পবা বক্ষাবো ব্যবস্থা বাখিব লাগে ॥ ৬। দি সকল গুপ্ত অর্থাৎ দৃঢ় স্তম্ভব দবে, যুদ্ধ কৌশলী, ধর্ম্মব্রতী, নির্ভীক, নির্ব্বিকার চিত্তব সেই সকলক সেনাব সকলো কালে নিয়োগ কবিব ॥ ৭। কম সংখ্যক সৈন্যবে বহু সংখ্যক সৈন্যব বিৰুদ্ধে যুদ্ধ কবিব লগীয়া হলে, নিজব কম সংখ্যক সৈন্য একগোট হৈ ফুবিব লাগে। সূচী আৰু বজ্র ব্যূহ বচনা কবি ব্যূহ কৌশলেবে যুজিব ॥ ৮ সম ভূমিত বথ, অশ্ব, পদাতিকেবে, জলত নৌ সৈন্যবে, অলপীয়া পানীত দ্বিপ অর্থাৎ হাতীবে, গছ গছনিব হাবিত ধনুর্বাণ, আৰু স্থল যুদ্ধত ঢাল-তবোৱাল আদিবে যুদ্ধ কবিব ॥৯। যুদ্ধ কালত আৰু যুদ্ধ স্থগিত সময়ত যোদ্ধা সকলক উৎসাহিত আৰু আনন্দিত কবিব। ব্যূহ আদিও ভালদবে পবীক্ষা কবি থাকিব লাগে, যুদ্ধনিবত সৈন্য সকলব কার্য্যব প্রতিও দৃষ্টি বাখিব লাগে ॥ ১০ আৱশ্যক হলে শত্রুক চাবিওফালব পবা ঘেবি ধবি অবৰুদ্ধ কবি আৰু যব, অন্ন, জল ইন্ধন দূষিত কবি উৎপীড়ন কবিব ॥ ১১। শত্রু বাজ্যব পুখুবী, নগব বেষ্টনী প্রাচীব, খাৱৈ আদি ধ্বংস কবি বাতি ভয় প্রদর্শন কবি জয়লাভ কবাব চেষ্টা কবিব ॥ ১২। শত্রুক পবাজিত কবি প্রমাণ হিচাপে প্রতিজ্ঞা পত্র লিখাই লব লাগে যে ভবিষ্যতে ধর্মানুমোদিত বাজনীতি অনুসাবে প্রজাক পালন কবিব। বাজ্যব প্রধান পুৰুষ সকলক সমবেত কবি পবাজিত শত্রু বজাক ধন বত্ন আদি উপহাব দি সম্মানিত কবিব লাগে, ভবিষ্যতে যাতে উপদ্রবব ষড়যন্ত্র কবিব নোৱাবে তাৰো যথাযোগ্য ব্যবস্থা কবি বাখিব লাগে ॥১৩। সংসাবত পবব পবা গ্রহণ কবা অপ্রীতিকব আৰু পবক দান কবাটো প্রীতিকব, গতিকে পবব মনোবাঞ্ছিত অর্থ সম্পদ প্রদান কবা সমস্ত

যোগী প্রসংশনীয় কার্য্য, বিজিতক বিজিত বুলি বিদ্রূপ কবাটো সত্য হলেও, অপ্রিয় ॥ ১৪।

হিবণ্যভূমিসংপ্রাপ্ত্যা পার্থিবো ন তথৈধতে।
যথা মিত্রং ধ্রুবং লব্ধা কৃশমপ্যায়তিক্ষমম্ ॥১।
ধর্ম্মজ্ঞং চ কৃতজ্ঞং চ তুষ্টপ্রকৃতিমেব চ।
অনুবক্তং স্থিবাবম্ভং লঘুমিত্রং প্রশস্যতে ॥২।
প্রাজ্ঞং কুলীনং শূবং চ দক্ষং দাতাবমেব চ।
কৃতজ্ঞং ধৃতিমন্তঞ্চ কষ্টমাহুবিং বুধাঃ ॥৩।
আর্য্যতা পুৰুষজ্ঞানং শৌর্য্যং ককণবেদিতা।
স্থৌললক্ষ্যং সততমুদাসীনগুণোদয়ঃ ॥৪।

মনু॰ ৭ (২০৮-২১১)।

মিত্রব লক্ষণ :—

অটল বিশ্বাসব বন্ধু হলে, সেই বজা ক্ষীণ শক্তিবেই হওক বা পবাক্রমীয়েই হওঁক, তেনে বন্ধুত্বব পবা যি লাভ হয়, ধনসোণ আৰু ভূমিলাভ তাব সমান হব নোৱাবে ॥ ১। ধর্ম্মজ্ঞ, কৃতজ্ঞ, প্রসন্ন প্রকৃতি, আশাশীল আৰু স্থিব কর্ম্মা মিত্র লঘু নির্ধনী হলেও প্রশংসনীয় ॥ ২। জ্ঞানী, কুলীন, শৌর্য্য-বীর্য্যশালী কর্ম্মচতুব, দাতা, কৃতজ্ঞ আৰু ধৈর্য্যয়ুক্ত পুৰুষব লগত শত্রুতা কবিলে, দুঃখ ভুগিব লগা হয়, এয়েই জ্ঞানী সকলব মত ॥ ৩। যি প্রশংসনীয় গুণযুক্ত, শৌর্য্যবীর্য্য যুক্ত, ককণাশীল কিন্তু সূক্ষ্ম-লক্ষ্য অর্থাৎ সূক্ষ্ম আৰু গভীবকৈ নেভাবে তেওঁক উদাসীন বোলে ॥ ৪।

এবং সর্ব্বমিদং বাজা সহ সংমন্ত্র্য মন্ত্রিভিঃ।
ব্যায়াম্যাপ্লুত্য মধ্যাহ্নে ভোক্তুমন্তঃপুবং বিশেৎ ॥ ১।

মনু॰ (৭।২১৬)॥

এইদবে পূর্ব্বোক্ত সকলো বিধিবে মন্ত্রী সকলব লগত মন্ত্রণা কবি, তাব পাছত ব্যায়াম অর্থাৎ যুদ্ধ বিদ্যাব শাবীবিক অভ্যাস নিজে কবি আৰু আনকো কবাই, অস্ত্র-শস্ত্রব আগাব পাতি দর্শন কবি, মধ্যাহ্নত

আনন্দ উৎসাহ আদি দি, দিনব শেষ ভাগত আহাবাদিব কাবণে অন্তঃপুবলৈ যাব। অন্তঃপুবত প্রবেশ কবি ধাত্রীকব আহাব ভোজন পান কবি অন্তঃপুবব বিষয় দেখা শুনা কবি নৈতিক সুখব জীবন যাপন কবিব।

প্রজাব কব গ্রহণব প্রণালী :—

পঞ্চাশদ্ভাগ আদেয়ো বাজ্ঞা পশুহিবণ্যয়োঃ।
ধান্যানামষ্টমো ভাগঃ ষষ্ঠো দ্বাদশ-এব-বা ॥

মনু০ (৭।১৩০) ॥

বণিক আৰু উদ্যোগীব পবা লাভব পঞ্চাশভাগ, পশু, ধন সোণ লব আৰু কৃষক সকলব পবা ষষ্ঠ, অষ্টম বা দ্বাদশ ভাগ অৱস্থা বুজি অন্নাদি শস্যবে কব গ্রহণ কবিব। কব দি প্রজা যাতে দুঃখ গ্রস্ত নহয় তাবো লক্ষ্য বাখিব লাগিব ॥ ১

প্রজাব উন্নতিয়েই বাজ্যব উন্নতি, প্রজাব আধিক. শাবীবিক আৰু মানসিক স্থিবতা নহলে বাজ্যবো স্থিবতা থাকিব নোৱাবে। প্রজাব পালন কৰাই বজাব বা বাষ্ট্র নেতাব ধৰ্ম্ম; সেইদবে বজা, নেতা আৰু বাজ্যিক কৰ্ম্মকৰ্ত্তা সকলক প্রজাযে প্রীতি শ্রদ্ধাবে পিতৃবৎ জ্ঞান কবা কৰ্ত্তব্য। প্রজাব বক্ষক বজা, কিন্তু কৃষক সৈন্য আদি শ্রমজীবি সকল বাজ্যব বক্ষক; বাজ্য নহলে বজা বা বাজনেতা ক'ত হব? গতিকে শ্রমিক সকল বজাবো বজা। যি বাষ্ট্র নেতা আৰু বাজ্যিক কৰ্ম্মকৰ্ত্তা সকলব এই জ্ঞান নাই, সেই বাজ্য তিষ্ঠি থাকিব নোৱাবে। ব্যক্তিগত ভাবে বজা আৰু প্রজা কোনো কাবো অধীন নহয়, কিন্তু সংহতি আৰু সংযোগত পবস্পাবব অধীন। বজা বা বাষ্ট্র নেতা সকলে প্রজাব সাধাবণ সম্মতি বা বহু মতব বিৰুদ্ধে কোনো কাম নকবিব। বাজ্য ভুবি প্রজাব মাজত জ্ঞান বিদ্যাব অর্থাৎ জ্ঞান কৰ্ম্ম কৌশলব প্রচাব কবা বাষ্ট্র নায়কব প্রধান কৰ্ত্তব্য। সংক্ষেপত ইয়াকেই বাজনীতি বোলে। বিস্তাবিত বাজনীতি জ্ঞানব কাবণে চাবিবেদ, মনুস্মৃতি, শুক্রনীতি আৰু মহাভাবত আদি গ্রন্থ অধ্যয়ন কবিব লাগে। বাজনীতি সময়ব পাবিস্থিতি—মনুকুল্লে

নির্দ্ধাবণ কবা হয়। ন্যায় দণ্ডব সূক্ষ্ম বিবেচনাব কাবণে মনুস্মৃতিব অষ্টম আৰু নবম অধ্যায় অধ্যয়ন যোগ্য। এই প্রসঙ্গত সংক্ষেপকৈ তলত উদ্ধৃত কবা হল :—

প্রত্যহং দেশদৃষ্টৈশ্চ শাস্ত্রদৃষ্টৈশ্চ হেতুভিঃ।
অষ্টাদশসু মার্গেষু নিবদ্ধানি পৃথক্ পৃথক্ ॥১।
তেষামাদ্যমৃণাদানং নিক্ষেপোঽস্বামিবিক্রয়ঃ।
সম্ভূয় চ সমুত্থানং দত্তস্যানপকর্ম্ম চ ॥২।
বেতনস্যৈব চাদানং সংবিদশ্চ ব্যতিক্রমঃ,
ক্রয়বিক্রয়ানুশয়ো বিবাদঃ স্বামিপালয়োঃ ॥৩।
সীমাবিবাদ ধর্ম্মশ্চ পাকষ্যে দণ্ডবাচিকে।
স্তেয়ঞ্চ সাহসঞ্চৈব স্ত্রীসংগ্রহণমেব চ ॥৪।
স্ত্রীপুংধর্ম্মো বিভাগশ্চ দ্যূতমাহ্বয় এব চ।
পদান্যষ্টাদশৈতানি ব্যবহাবাস্পদানিহ ॥৫।
এষু স্থানেষু ভূয়িষ্ঠং বিবাদং চবতাং নৃণাম্।
ধর্ম্মং শাশ্বতমাশ্রিত্য কুর্য্যাৎ কার্য্যবিনির্ণয়ম্ ॥৬।
ধর্ম্মো বিদ্ধস্ত্বধর্ম্মেণ সভাং যত্রোপতিষ্ঠতে।
শল্যং চাস্য ন কৃন্তন্তি বিদ্ধাস্তত্র সভাসদঃ ॥৭।
সভাং বা ন প্রবেষ্টব্যং বক্তব্যং বাসমঞ্জসম্।
অব্রুবন্ বিব্রুবন্, বাপি নবো ভবতি কিল্বিষী ॥৮।
যত্র ধর্ম্মো হ্যধর্ম্মেণ সত্যং যত্রানৃতেন চ।
হন্যতে প্রেক্ষমাণানাং হতাস্তত্র সভাসদঃ ॥৯।
ধর্ম্ম এব হতো হন্তি ধর্ম্মো বক্ষতি বক্ষিতঃ।
তস্মাদ্ধর্ম্মো নহন্তব্যো মা নো ধর্ম্মো হতোঽবধীৎ ॥১০।
বৃষো হি ভগবান্ ধর্ম্মস্তস্য যঃ কুরুতে হলম্।
বৃষলং তং বিদুর্দেবা স্তস্মাদ্ধর্ম্মং ন লোপয়েৎ ॥১১।

এক এব সুহৃদ্ধর্ম্মো নিধনেঽপ্যনুযাতি যঃ।
শরীরেণ সমন্নাশং সর্ব্বমন্যদ্ধি গচ্ছতি ॥১২॥
পাদোঽধর্ম্মস্য কর্ত্তারং পাদঃ সাক্ষিণমৃচ্ছতি।
পাদঃ সভাসদঃ সর্ব্বান্ পাদো রাজানমৃচ্ছতি ॥১৩॥
রাজা ভবত্যনেনাস্তু মুচ্যন্তে চ সভাসদঃ।
এনো গচ্ছতি কর্ত্তারং নিন্দার্হো যত্র নিন্দ্যতে ॥১৪॥

মনু০ ৮ (৩৮।১২-১৯)॥

রাজ সভা, রজা, আরু রাজ্যিক কর্ম্মকর্ত্তা সকলে প্রত্যেকে দেশাচার আরু শাস্ত্রবিধি অনুসারে নিম্নলিখিত বিবাদাস্পদ মার্গর বিবাদাস্পদ কর্ম্মবোরর সভার বিবেচনারে মীমাংসা করিব। যিবোর শাস্ত্রবিধির বাহিরত পরে, অথচ রাজ্যর সামূহিক উন্নতির কারণে প্রয়োজনীয়, রজা আরু রাজ সভাই বিবেচনা করি সেই বিষয়ে বিধি বিধান নির্ণয় করিব ॥১॥ অষ্টাদশ মার্গর ভিতরত :— (১) ঋণদান—ঋণ দিয়া আরু ঋণ লোরা বিষয়র বাদ বিবাদ। (২) নিক্ষেপ—ধন সম্পত্তি বন্ধক দিয়া আরু মুক্ত করা বিষয়র বাদ বিবাদ। (৩) অস্বামিবিক্রয়—এজনর সম্পত্তি আন এজনে বিক্রয় করা। (৪) সম্ভূয় চ সমুত্থানম্—দল বদ্ধ হৈ কারোবাক উৎপীড়ন করা। (৫) দত্তস্যানপকর্ম্ম চ—দান করি অস্বীকার করা/বা দানর বস্তু আত্মসাৎ করা। (৬) বেতনস্যৈব চাদানম্—কারোবার জীবিকার প্রাপ্য বেতন কমকৈ দিয়া, নিদিয়া আরু বেতনর ত্যাগ খোরী। (৭) প্রতিজ্ঞা—প্রতিজ্ঞা ভঙ্গ করা। (৮) ক্রয়বিক্রয়ানুশয়—ক্রয় বিক্রয় সম্বন্ধীয় বাদ বিবাদ। (৯) স্বামিপালয়ো :—পশুর গরাকী আরু পালকর ভিতরত হোরা বাদ বিবাদ॥ (১০) সীমার বিবাদ, (১১) কঠোর দণ্ড দিয়া, (১২) চুরি ডকাতি। (১৩) অবাচ্য বাক্যরে কারোবাক আঘাত করা। (১৪) বল পূর্ব্বক অন্যায় কাম করা। (১৫) স্ত্রী পুরুষর ব্যভিচার। (১৬) স্ত্রী বা পুরুষর কর্ত্তব্য ধর্ম্মত ব্যতিক্রম। (১৭) বিভাগ অর্থাৎ দায়ভাগ সম্বন্ধে

বিবাদ। (১৮) দ্যূত অর্থ সম্পত্তি পণ রাখি জুৱা খেলা। এই অষ্টাদশ ব্যবহারর বিষয়ত পরস্পর বিবাদ ঘটে ॥৫॥ এই রোর বিষয়ত বাদী প্রতিবাদীর সনাতন ধর্ম অনুসারে, পক্ষপাত রহিত হৈ বিচার করা কর্ত্তব্য ॥৬॥ অধর্মর দ্বারাই শরবিদ্ধ হৈ সভাত ধর্ম উপস্থিত হলে, যদি ধর্ম্মর শল্য অর্থাৎ ক্ষত স্থানর শূল বাহির করি অধর্ম্মক সেই শূলরে ছেদন করা নহয়—অর্থাৎ ধর্ম্মপরায়ণক রক্ষা আরু অধর্ম্মপরায়ণক দণ্ড দিয়া নহয়—, তেনেহলে সেই সভার সভাসদ সকলেই আহত বুলি ভাবির লাগিব ॥৭॥ ধার্ম্মিকে সভাত প্রবেশ করিলে সত্য কয়; নহলে সভাত কেতিয়াও প্রবেশ নকরিব। সভাত অন্যায় দেখিও যি নীরব হৈ থাকে বা সত্য আরু ন্যায়র বিরুদ্ধে কয়, তেওঁ মহাপাপী ॥৮॥ যি সভাত সভাসদ সকলর সাক্ষাতত অধর্ম্মর দ্বারাই ধর্ম্ম, আরু অসত্যর দ্বারাই সত্য বিনষ্ট হয় সেই সভাস্থ সকলোরেই মৃতবৎ, তার ভিতরত কোনো জীবিত নাই ॥৯॥ বিনষ্ট ধর্ম্মই বিনাশকারীক বিনাশ করে। রক্ষিত ধর্ম্মই রক্ষককক রক্ষা করে। গতিকে বিনষ্ট ধর্ম্মই যাতে বিনাশ করিব নোরারে—তার বারেই অর্থাৎ সেই ভয়তেই ধর্ম্মক কেতিয়াও বিনাশ করিব নেলাগে ॥১০॥ যি সকলো ঐশ্বর্য্য ও সুখ বর্ধণকারী ধর্ম্মর লোপ করে, তাকেই বিদ্বান লোক সকলে বৃষল অর্থাৎ শূদ্র আরু নীচ বুলি ভাবে। গতিকে ধর্ম্মর লোপ করা উচিত নহয় ॥১১॥ এই সংসারত একমাত্র ধর্ম্মই সুহৃদ্। মৃত্যুর পাচতো ধর্ম্মই লগ নেরে, অন্য সকলো সঙ্গী আরু সম্পত্তি দেহ ত্যাগর লগে লগে নাশ হয় অর্থাৎ এরা-এরি হয় ॥১২॥ ধর্ম্মর সম্বন্ধ কেতিয়াও ছিন্ন হর নোরারে। রাজ সভাত পক্ষ পাতর ফলত কোনো অন্যায় অধর্ম্ম অনুষ্ঠিত হলে, সেই অধর্ম্ম চারি ভাগত বিভক্ত হয়, প্রথম ভাগ অধর্ম্মকারী, দ্বিতীয় ভাগ সাক্ষী, তৃতীয় ভাগ সভাসদবর্গ আরু চতুর্থ ভাগ সভার সভাপতি রজার ওচরলৈ যায় ॥১৩॥ যি সভাত নিন্দনীয়র নিন্দা, প্রশংসনীয়র প্রশংসা, দণ্ডনীয়র দণ্ড আরু মাননীয়র সম্মান হয় সেই সভার রজা, সভাসদ সকলে পবিত্র আরু নিষ্পাপ হৈ থাকে। পাপে

কেবল পাপীকহে আশ্রয় করে ॥১৪॥

সাক্ষীর লক্ষণঃ—

আপ্তাঃ সর্ব্বেষু বর্ণেষু কার্য্যাঃ কার্য্যেষু সাক্ষিণঃ।
সর্ব্বধর্মবিদোঽলুব্ধা বিপরীতাংস্তু বর্জয়েৎ ॥১।
স্ত্রীণাং সাক্ষ্যং স্ত্রিয়ঃ কুর্য্যুর্দ্বিজানাং সদৃশদ্বিজাঃ।
শূদ্রাশ্চ সন্তঃ শূদ্রাণামন্ত্যানামন্ত্যযোনয়ঃ ॥২।
সাহসেষু চ সর্ব্বেষু স্তেয়সংগ্রহণেষু চ।
বাগ্দণ্ডয়োশ্চ পারুষ্যে ন পরীক্ষেত সাক্ষিণঃ ॥৩
বহুত্বং পরি গৃহ্ণীয়াৎ সাক্ষিদ্বৈধে নরাধিপঃ।
সমেষু তু গুণোৎকৃষ্টান্ গুণদ্বৈধে দ্বিজোত্তমান্ ॥৪
সমক্ষদর্শনাৎ সাক্ষ্যং শ্রবণাচ্চৈব সিধ্যতি।
তত্র সত্যাং ব্রুবন্ সাক্ষী ধর্ম্মার্থাভ্যাং ন হীয়তে ॥৫।
সাক্ষী দৃষ্টে শ্রুতাদনাদ্ বিব্রুবন্নার্য্যসংসদি।
অবাঙ্ নরকমভ্যেতি প্রেত্য স্বর্গাচ্চ হীয়তে ॥ ৬।
স্বভাবেনৈব যদ্ ব্রূয়ুস্তদ্ গ্রাহ্যং ব্যাবহারিকম্।
অতো যদন্যদ্ বিব্রূয়ুর্ধর্ম্মার্থং তদপার্থকম্ ॥ ৭
সভান্তঃ সাক্ষিণঃ প্রাপ্তানর্থিপ্রত্যর্থিসন্নিধৌ।
প্রাড্‌বিবাকোঽনুযুঞ্জীত বিধিনানেন সান্ত্বয়ন্ ॥ ৮
যদ্ বয়োবনয়োর্বেত্থ কার্য্যেঽস্মিন্ চেষ্টিতং মিথঃ।
তদ্ ব্রূত সর্ব্বং সত্যেন যুষ্মাকং হ্যত্র সাক্ষিতা ॥ ৯
সত্যং সাক্ষ্যে ব্রুবন্ সাক্ষী লোকানাপ্নোতি পুষ্কলান্।
ইহ চানুত্তমাং কীর্ত্তিং বাগেষা ব্রহ্মপূজিতা ॥ ১০।
সত্যেন পূয়তে সাক্ষী ধর্ম্মঃ সত্যেন বর্দ্ধতে।
তস্মাৎ সত্যং হি বক্তব্যং সর্ব্ববর্ণেষু সাক্ষিভিঃ ॥ ১১
আত্মৈব হ্যাত্মনঃ সাক্ষী গতিরাত্মা তথাত্মনঃ।
মাবমংস্থাঃ স্বমাত্মানং নৃণাং সাক্ষিণমুত্তমম্ ॥ ১২।

যস্য বিদ্বান্ হি বদতঃ ক্ষেত্রজ্ঞো নাভিশঙ্কতে।
তস্মান্ন দেবাঃ শ্রেয়াংসং লোকেঽন্যং পুরুষং বিদুঃ ॥ ১৩।
একোঽহমস্মীত্যাত্মানং যত্ত্বং কল্যাণ মন্যসে।
নিত্যং স্থিতস্তে হৃদ্যেষ পুণ্যপাপেক্ষিতা মুনিঃ ॥ ১৪

মনু০ ৮। (৬৩।৬৪।৭২-৭৭।৭৮-৮১।৮৩।৮৪।৯১।৯৬)

সকলো বর্ণৰ ধাৰ্ম্মিক, বিদ্বান, অকপট, সৰ্ব্বধৰ্ম্মবিদ। নিৰ্লোভী, আৰু সত্যবাদী ব্যক্তিক নায় ব্যৱস্থাত সাক্ষী কৰা কৰ্ত্তব্য, তাৰ বিপৰীত ব্যক্তিক কেতিয়াও সাক্ষী কৰা অনুচিত ॥ ১। স্ত্রীসকলৰ সাক্ষী স্ত্রী, দ্বিজৰ সাক্ষী দ্বিজ, শূদ্ৰৰ সাক্ষী শূদ্ৰ আৰু অন্ত্যজৰ সাক্ষী অন্ত্যজ হে হব ॥২ চুরি, ব্যভিচাৰ, কঠোৰ বাক্যাঘাত, আৰু দণ্ড প্রহাৰ আদি যিবোৰ বল-পূর্ব্বক কৰা অপৰাধ, তাৰ সাক্ষী পৰীক্ষা কৰিব নালাগে। কাৰণ এনেবোৰ অপৰাধ গোপনে কৰে, গতিকে এইবোৰৰ অতি শীঘ্রে মীমাংসা আৱশ্যক ॥ ৩॥ দুয়ো পক্ষৰ সাক্ষীৰ দ্বিধৰত সাক্ষী বহুত হলে দুয়োপক্ষৰ সমান সংখ্যক সাক্ষী হলে উৎকৃষ্ট গুণ সম্পন্ন সাক্ষী প্রমাণ, আৰু উৎকৃষ্ট গুণ সম্পন্ন সাক্ষীত দুয়ো পক্ষৰ সমান হলে, দ্বিজোত্তম অর্থাৎ দ্বিজসকলৰ উত্তম ঋষি মুনি আৰু যতি সকলৰ সাক্ষ্য অনুসাৰে বিচাৰ কৰিব লাগে ॥ ৪। এই দুবিধ সাক্ষীয়েই প্রমাণ যোগ্য : প্রথমতে সাক্ষাৎ দ্রষ্টা আৰু দ্বিতীয়তে শ্রোতা। সভাই যি সাক্ষীক সুধিলে সত্য কথা কয় সেই সাক্ষী ধাৰ্ম্মিক আৰু দণ্ডনীয় নহয়। কিন্তু যি সাক্ষীয়ে মিছা কথা কয়—সি যথাযোগ্য দণ্ডনীয় হব ॥ ৫।

যি সাক্ষীয়ে অর্থাৎ সংসদৰ বা সৎপুরুষৰ আগত দেখা আৰু শুনাৰ বিপৰীত কথা কয়, সি "অবাঙ্‌নস"ক জিহ্বা নাশৰ দুঃখ ভুগিব আৰু মৰাৰ পাচলো স্বর্গ অর্থাৎ সুখ শান্তিৰ পৰা বঞ্চিত হব ॥ ৬। সাক্ষীয়ে কোনো ঘটনাৰ বিষয়ে স্বাভাৱিক ৰূপে যি কয় সেয়েই গ্রাহ্য। তাৰ বাহিৰে পৰৰ শিকোৱা যিবোৰ কয়, সি "ধর্ম্মার্থং অপার্থক অর্থাৎ ন্যায় বিবেচনাৰ অগ্রাহ্য ॥ ৭ সভাত উপস্থিত (অর্থী-)

আৰু (প্রত্যর্থী) প্রতিবাদীৰ সাক্ষী সকলক ন্যায়াধীশ আৰু প্রাড্‌বিবাক অর্থাৎ উকিলে শান্ত ভাৱে প্রশ্ন কৰিব ॥৮॥ সাক্ষী সকল! এই দুজনৰ বা দুয়ো পক্ষৰ মাজত ঘটিত হোৱা কার্য্যৰ বিষয়ে আপোনা-লোকে যি জানে, তাকেই সত্য কৰি কওক, যিহেতু আপোনালোক এই বিষয়ত সাক্ষী ॥৯॥ যি সাক্ষীয়ে সত্য কথা কয়, তেওঁ ইহ-জীৱনত কীর্ত্তি লাভ কৰে আৰু মৃত্যুৰ পাছত উত্তম জন্ম লাভ কৰি সুখ ভোগ কৰে এই বাণীয়েই সম্মান আৰু অপমানৰ হেতু, এই বাণী ব্রহ্ম পূজিতা অর্থাৎ সত্য বাণীয়েই পৰম পূজিতা বুলি বেদে কৈছে ॥১০॥ সত্যৰ দ্বাৰাই সাক্ষী পৱিত্র হয়, সত্যৰ দ্বাৰাই ধর্ম্মৰ উন্নতি হয়, গতিকে সকলো বর্ণৰ সাক্ষীয়ে সত্যহে কোৱা উচিত ॥১১॥ আত্মাই আত্মাৰ সাক্ষী, আত্মাই আত্মাৰ গতি। মানৱ সকলৰ উত্তম সাক্ষী নিজৰ আত্মাৰ অৱমাননা নকৰিবা ॥১২॥ যি জন বিদ্বান্ ক্ষেত্রজ্ঞ অর্থাৎ দেহৰ জ্ঞাতা, আত্মাই অন্তৰত শঙ্কিত নহয়, তেওঁৰ বাহিৰে বিদ্বান্ সকলে অন্য কাকো উত্তম পুৰুষ বুলি নেজানে ॥১৩॥ "মই অকল শৰীৰ, মোৰ মনৰ কথা কোনেও নেজানে গতিকে মোৰ দুর্গতিৰ আশঙ্কা নাই" এনে ভাবনা কৰিব পাৰা কিন্তু তোমাৰ অন্তৰত যি অন্তর্য্যামী পৰম পুৰুষ "দ্রষ্টা মুনি"ৰূপে সদায় বর্ত্তমান আছে তোমাৰ পাপ পুণ্য সকলোকে সাক্ষী ৰূপে দেখি থাকে, গতিকে সচাঁহে কৰা "১৪॥

লোভান্মোহাদ্ভয়ান্মৈত্রাৎ কামাৎ ক্রোধাত্তথৈব চ।
অজ্ঞানাদ্ বালভাবাচ্চ সাক্ষ্যং বিতথমুচ্যতে ॥ ১ ॥
এষামন্যতমে স্থানে যঃ সাক্ষ্যমনৃতং বদেৎ।
তস্য দণ্ডবিশেষান্তু প্রবক্ষ্যাম্যনুপূর্ব্বশঃ ॥ ২ ॥
লোভাৎ সহস্রদণ্ড্যস্তু মোহাৎ পূর্ব্বন্তু সাহসম্।
ভয়াদ্দ্বৌ মধ্যমৌ দণ্ডৌ মৈত্রাৎ পূর্ব্বং চতুর্গুণম্ ॥ ৩
কামাদ্দশগুণং পূর্ব্বং ক্রোধাত্তু ত্রিগুণং পরম্।
অজ্ঞানাদ্ দ্বে শতে পূর্ণে বালিশ্যাচ্ছতমেব তু ॥ ৪

উপস্থমুদরং জিহ্বা হস্তৌ পাদৌ চ পঞ্চমম্।
চক্ষুর্নাসা চ কর্ণৌ চ ধনং দেহস্তথৈব চ ॥ ৫।
অনুবন্ধং পরিজ্ঞায় দেশ কালৌ চ তত্ত্বতঃ।
সাধ্বপরাধৌ চালোক্য দণ্ডং দণ্ড্যেষু পাতয়েৎ ॥ ৬।
অধর্ম্মদণ্ডনং লোকে যশোঘ্নং কীর্ত্তিনাশনম্।
অস্বর্গ্যঞ্চ পরত্রাপি তস্মাত্তৎ পরিবর্জ্জয়েৎ ॥ ৭
অদণ্ড্যান্ দণ্ডয়ন্ রাজা দণ্ড্যাংশ্চৈবাপ্যদণ্ডয়ন্।
অযশো মহদাপ্নোতি নরকং চৈব গচ্ছতি ॥ ৮।
বাগ্‌দণ্ডং প্রথমং কুর্য্যাদ্ ধিগ্‌দণ্ডং তদনন্তরম্।
তৃতীয়ং ধনদণ্ডন্তু বধদণ্ডমতঃ পরম্ ॥ ৯ ॥

মনু০ ৮ (১১৮-১২১। ১২৫-১২৯) ॥

লোভ, মোহ, ভয়, মিত্রতা, কাম, ক্রোধ, অজ্ঞতা আৰু বালক বুদ্ধিৰ সাক্ষীক মিছা বুলি জানিব আৰু তাক বিবেচনা নকৰিব ॥ ১ ॥ কোন ক্ষেত্রত সাক্ষীয়ে মিছা সাক্ষী দিলে কি, কি বিশেষ দণ্ড দিয়া কর্ত্তব্য তাক ব্যাখ্যা কৰা হৈছে ॥ ২ ॥ লোভৰ বশত মিথ্যা সাক্ষী দিলে সাক্ষীৰ (১৫'৬২) পোন্ধৰ টকা বাষষ্টি পইচা দণ্ড হব, মোহ বশতঃ মিছা সাক্ষী দিলে, সেই সাক্ষীৰ (৩'১২) তিনি টকা বাৰ পইচা দণ্ড হব, ভয়ত মিছা সাক্ষী দিলে সাক্ষীৰ (৬'১৫) ছয় টকা পচিশ পইচা দণ্ড হব, মিত্রতা বশতঃ মিছা সাক্ষী দিলে (১২'৫০) বাৰ টকা পঞ্চাশ পইচা দণ্ড হব ॥ ৩ ॥ কামনাৰ বশ হৈ মিছা সাক্ষী দিলে (২৫'০০) পঁচিশ টকা দণ্ড হব, ক্রোধৰ বশত মিছা সাক্ষী দিলে (৪৬'৯০) ছয়চল্লিশ টকা নব্বই পইচা দণ্ড হব, অজ্ঞতা বশত মিছা সাক্ষী দিলে (৬'০০) ছয় টকা দণ্ড হব, বাল-বুদ্ধি বশত মিছা সাক্ষী দিলে (১'৫৬) এটকা ছাপ্পন্ন পইচা দণ্ড হব ॥ ৪ ॥ উপস্থেন্দ্রিয়, উদৰ, জিহ্বা, হস্ত, পদ, চক্ষু, নাসিকা, কর্ণ, দেহ, আৰু ধন এই দহ স্থানত দণ্ড প্রয়োগ কৰা হয় ॥ ৫ ॥ (যিবোৰ দণ্ডৰ বিধান কৰা হয়) সেইবোৰৰ দেশ কাল পাত্র বিবেচনা কৰি যে যথাযোগ্য

দণ্ড দিব লাগে। উদাহবণ স্বৰূপে লোভত মিছা সাক্ষী দিয়াত ১৫'৬২ পইচা দণ্ড বিধান হৈছে কিন্তু অপকাৰী দৰিদ্ৰ হলে. অতি সামান্য আৰু ধনী হলে, দ্বিগুণ ত্ৰিগুণ বা চতুৰ্গুণ পৰ্য্যন্ত দণ্ড আদায় কৰিব লাগে ॥ ৬ ॥ কাৰণ অধৰ্ম্ম দণ্ড দিলে অৰ্থাৎ অন্যায় বিবেচনা কৰিলে দণ্ডাধীশৰ অধোগতি, বৰ্ত্তমান ভবিষ্যৎ কীৰ্ত্তি নষ্ট আৰু পৰজন্মত দুঃখৰ ভাগী হবলগা হয়, গতিকে ধৰ্ম্ম ৰক্ষা কৰিহে দণ্ড দিব লাগে ॥ ৭ ॥ যি ন্যায়াধীশ বা ৰজাই দণ্ডনীয়ক দণ্ড নিদি অদণ্ডনীয়ক দণ্ড দিয়ে, তেওঁ জীৱিত অৱস্থাত ঘোৰ নিন্দা আৰু মৃত্যুৰ পাছত মহা দুঃখ ভোগ কৰিব লগা হয় ॥ ৮।

প্ৰথমতে বাক্ দণ্ড অৰ্থাৎ নিন্দা আৰু সাৱধান; দ্বিতীয়তে "ধিক্" দণ্ড অৰ্থাৎ কুকৰ্ম্মৰ ধিক্কাৰ, তিৰস্কাৰ; তৃতীয়তে "অৰ্থ দণ্ড" আৰু চতুৰ্থতে "বধ" দণ্ড অৰ্থাৎ বেত প্ৰহাৰ অন্তিমত শিৰশ্ছেদ দণ্ড বা প্ৰাণদণ্ড দিব ॥ ৯ ॥

যেন যেন যথাঙ্গেন স্তেনো নৃষু বিচেষ্টতে।
তত্তদেব হরেদস্য প্রত্যাদেশায় পার্থিবঃ ॥ ১।
পিতাচার্য্যঃ সুহৃন্মাতা ভার্য্যা পুত্র পুরোহিতঃ।
নাদণ্ড্যো নাম রাজ্ঞোঽস্তি যঃ স্বধর্ম্মেন তিষ্ঠতি ॥ ২
কার্ষাপণং ভবেদ্দণ্ড্যো যত্রান্যঃ প্রাকৃতোজনঃ।
তত্র রাজা ভবেদ্দণ্ড্যঃ সহস্রমিতি ধারণা ॥ ৩।
অষ্টাপাদ্যন্তু শূদ্রস্য স্তেয়ে ভবতি কিল্বিষম্।
ষোড়শৈব তু বৈশ্যস্য দ্বাত্রিংশৎ ক্ষত্রিয়স্য চ ॥ ৪
ব্রাহ্মণস্য চতুঃষষ্টিঃ পূর্ণং বাপি শতং ভবেৎ।
দ্বিগুণা বা চতুঃষষ্টিস্তদ্দোষগুণবিদ্ধি সঃ ॥ ৫।
ঐন্দ্রং স্থানমভিপ্রেপ্সুর্নৃশংশ্চাক্ষয়মব্যয়ম্।
নোপেক্ষেত ক্ষণমপি রাজা সাহসিকং নরম্ ॥ ৬
বাগ্দুষ্টাত্তস্কৰাচ্চৈব দণ্ডেনৈব চ হিংসতঃ।
সাহসস্য নরঃ কর্ত্তা বিজ্ঞেয়ঃ পাপকৃত্তমঃ ॥ ৭

সাহসে বর্ত্তমানন্তু যো মর্ষয়তি পার্থিবঃ।
স বিনাশং ব্রজত্যাশু বিদ্বেষং চাধিগচ্ছতি ॥ ৮
ন মিত্রকারণাদ্রাজা বিপুলাদ্বা ধনাগমাৎ।
সমুৎসৃজেৎ সাহসিকান্ সর্ব্বভূতভয়াবহান্ ॥ ৯
গুরুং বা বালবৃদ্ধৌ বা ব্রাহ্মণং বা বহুশ্রুতম্।
আততায়িনমায়ান্তং হন্যাদেবাবিচারয়ন্ ॥ ১০।
নাততায়িবধে দোষো হন্তুর্ভবতি কশ্চন।
প্রকাশং বাঽপ্রকাশং বা মন্যুস্তন্মন্যুমৃচ্ছতি ॥ ১১
যস্য স্তেনঃ পুরে নাস্তি নান্যস্ত্রীগো ন দুষ্টবাক্।
ন সাহসিকদণ্ডঘ্নৌ স রাজা শক্রসোকভাক্ ॥ ১২

মনু • ৮ (৩৩৪-৩৩৮। ৩৪৪-৩৪৭। ৩৫০। ৩৫১। ৩৮৬) ॥

যি চোৰ বা দুষ্ট মানুহে যি যি অঙ্গৰে সমাজৰ বিৰুদ্ধ আচৰণ কৰে, লোক শিক্ষাৰ অৰ্থে ৰজাই, সেই দুষ্টৰ সেই সেই অঙ্গ কাটি দিব ॥ ১। পিতা, মাতা, পত্নী, আচাৰ্য্য, পুৰোহিত বা বন্ধু, যিয়েই হওক লাগে, যি স্বধৰ্ম্মত স্থিৰ নহয় অৰ্থাৎ স্বধৰ্ম্ম পালন নকৰে, তেওঁ ৰজাৰ অদণ্ডনীয় হব নোৱাৰে ॥ অৰ্থাৎ ৰজাৰ স্বধৰ্ম্ম হল, ন্যায় বিচাৰ, গতিকে যাৰ ন্যায় ধৰ্ম্ম, তাৰ 'আপোন-পৰ'ৰ পক্ষপাত হব নোৱাৰে ॥ ২। যি অপৰাধত সাধাৰণ লোকৰ এক পইচা দণ্ড হয়, সেই অপৰাধত ৰজাৰ সহস্ৰ গুণ দণ্ড হব। মন্ত্ৰীৰ আঠশত গুণ, মন্ত্ৰীৰ অপেক্ষাত তল শ্ৰেণীৰ সাত শত গুণ, তাৰ তল শ্ৰেণীৰ ছয় শত গুণ, এইদৰে ক্ৰমশঃ নিম্ন পদস্থৰ দণ্ড বিধান হব। ৰাজকীয় বা প্ৰশাসনীয় সৰ্ব্ব নিম্ন ভৃত্যৰো সৰ্ব্ব সাধাৰণতৈকে আঠ গুণ বেচি দণ্ড হব। প্ৰজাতকৈ ৰাজ কৰ্ম্মচাৰীৰ দণ্ড অধিক নহলে নৈতিক মানদণ্ড নেথাকে ॥ ৩। সেইদৰে সামান্য বিবেকী শূদ্ৰৰ চুৰি আদি অপৰাধত আঠ গুণ, বৈশ্যৰ ষোল গুণ, ক্ষত্ৰিয়ৰ বিশ গুণ, আৰু ব্ৰাহ্মণৰ চৌষট্টি গুণ, শত গুণ, বা এশ আঠাইশ গুণ দণ্ড হোৱা উচিত। অৰ্থাৎ যাৰ জ্ঞান প্ৰতিষ্ঠা অধিক তাৰ অপৰাধৰো অধিক দণ্ড হোৱা আৱশ্যক ॥ ৫।

বাজ্যাধিপতি, ধর্ম্ম আৰু ঐশ্বর্য্যৰ অভিলাষী বজাই ক্ষন্তেকো বিলম্ব নকৰি বলপূর্ব্বক কুকর্ম্মকাৰী দুৰ্বৃত্তক যথাযোগ্য দণ্ড দিয়া উচিত ॥ ৬

দুঃসাহসেৰে কুকর্ম্মকাৰীৰ লক্ষণ ঃ—

যি দুষ্ট কথা কয়, চুৰি কৰে, বিনা দোষে দণ্ড দিয়ে, আৰু দুঃসাহসিকতাৰে বল প্ৰয়োগ কৰে, সেইবোৰ পাপিষ্ঠ আৰু দুর্ব্বৃত্ত ॥ ৭। যি বজাই তেনে লোকক দণ্ড নিদি সহ্য কৰে, তেওঁৰ অচিৰেই বিনাশ আৰু বাজ্যত বিদ্রোহ উপস্থিত হয় ॥ ৮। বন্ধুত্বৰ কাৰণেই হওক বা প্ৰচুৰ ধন-লোভৰ কাৰণেই হওক এনেবোৰ উৎপীড়ক দুর্ব্বৃত্তক বজাই কেতিয়াও বন্ধনৰ পৰা মুক্ত কৰা অনুচিত ॥ ৯

গুৰু, পুত্ৰ, বালক, বৃদ্ধ, ব্ৰাহ্মণ, অথবা বহুশ্ৰুত বিদ্বান যেয়েই হওক লাগে, যদি আততায়ী অর্থাৎ হত্যাকৰা অভিপ্ৰায়ত উদ্যত হয়, তাক বিনা বিচাৰে বধ কৰা উচিত। আগতে বধ কৰি তাৰ পাচতহে বিচাৰ কৰা কৰ্ত্তব্য ॥ ১০ ॥ দুর্ব্বৃত্তক (আততায়ী) প্ৰকাশ্যে বা অপ্ৰকাশ্যে বধ কৰিলে হত্যাৰ অর্থাৎ বধ কৰোতাৰ পাপ নহয়। কাৰণ, ক্ৰুদ্ধক ক্ৰোধৰ দ্বাৰাই বধ কৰাক ক্ৰোধৰ লগত ক্ৰোধৰ যুদ্ধ বুলিহে গ্ৰাহ্য কৰা কৰ্ত্তব্য ॥ ১১ যি বজাৰ বাজ্যত চোৰ, পৰস্ত্ৰীগামী, কটুভাষী, দুঃসাহসী দস্যু আৰু দণ্ডঘ্ন অর্থাৎ আইন দণ্ড বা বিধি লঙ্ঘনকাৰী নাই, সেই বজা শক্ৰ লোকতাক্ অর্থাৎ অতি শ্ৰেষ্ঠ ॥ ১২

ভর্ত্তারং লঙ্ঘয়েৎযা স্ত্রী স্বজ্ঞাতি গুণদর্পিতা।
তাং শ্বভিঃ খাদয়েদ্রাজা সংস্থানে বহুসংস্থিতে ॥ ১।
পুমাংসং দাহয়েৎ পাপং শয়নে তপ্ত আয়সে।
অভ্যাদধ্যুশ্চ কাষ্ঠানি তত্র দহ্যেত পাপকৃৎ ॥ ২ মনুঃ ৮ (৩৭১।৪৭২)।

যি স্ত্ৰীয়ে নিজৰ জাতি বংশ আৰু গুণৰ অহঙ্কাৰত স্বামীক পৰিত্যাগ কৰি ব্যভিচাৰ কৰে, সেই স্ত্ৰীক বহুলোকৰ সম্মুখত জীৱিত অৱস্থাতেই 'কুকুৰৰ' দ্বাৰা কামোৰাই বধ কৰাব ॥ ১। সেই দৰেই যি পুৰুষে নিজৰ পত্নীক এৰি পৰস্ত্ৰী বা বেশ্যাগমন কৰে, সেই পাপীক

উত্তপ্ত লৌহ পালঙ্কত শুৱাই বহুলোকৰ সম্মুখত জীৱিত অৱস্থাতেই দগ্ধ কৰিব ॥ ২

প্ৰশ্ন—বজা বা বাণী আৰু ন্যায়াধীশ বা তেওঁৰ পত্নীয়ে ব্যভিচাৰ আদি কুকর্ম্ম কৰিলে তেওঁলোকৰ দণ্ড কোনে কৰিব ?

উত্তৰ—সভাই দণ্ড দিব আৰু প্ৰজা সকলৰ তুলনাত সেইসকলৰ গুৰুতৰ দণ্ড হোৱা উচিত।

প্ৰশ্ন—বজা আদিয়ে প্ৰজাই বিহা দণ্ড মানিব কিয় ?

উত্তৰ—বজাও এজন ভাগ্যবান মানুহ। প্ৰজাৰ দণ্ড বজাই নেমানিলে বজাৰ দণ্ড প্ৰজাই বা মানিব কিয়? প্ৰজা আৰু বাজসভাই ধর্ম্মবিধি অনুসাৰে দণ্ড দিলে বজাই নেমানি কেনেকৈ থাকিব পাৰে ? বজায়ো বাজসভাৰ নীতি দণ্ড অনুসাৰে নচলিলে, বজা আৰু প্ৰভাৱশালী লোক সকল অধর্ম্ম কুকর্ম্মত নিমগ্ন হব। অধর্ম্মত প্ৰবৃত্তি হলে, বজা, বাজ্য আৰু প্ৰজা সকলো নাশ হব। উক্ত শ্লোকৰ ভাৱার্থ হল ন্যায় দণ্ডৰ নামেই বজা আৰু ধর্ম্ম। যি ব্যক্তিয়ে ন্যায় আচৰণ নকৰে তাতকৈ নীচ মনুষ্য কি হব পাৰে ?

প্ৰশ্ন—এনেকুৱা কঠোৰ দণ্ড হোৱা উচিত নহয়; কাৰণ মানুহ স্বাধীনতা বা কোনো অঙ্গৰ নির্ম্মাণ কৰা নহয়, গতিকে এনেকুৱা দণ্ড দিব নোৱাৰে।

উত্তৰ—যি সকলে এনেবোৰ দণ্ড কঠোৰ বুলি কয় তেওঁলোকে ৰাজনীতিকেই বুজিব নোৱাৰে। কাৰণ এক অপৰাধীৰ এনেকুৱা দণ্ড হলে আন সকলোৱে কুকর্ম্মৰ পৰা সাৱধান হৈ ন্যায় ধর্ম্মত স্থিৰ থাকিব। এক অপৰাধীক এনেকুৱা কঠোৰ দণ্ড দিলে ৰাজ্যৰ বা সমাজৰ ডিল পৰিমাণো ক্ষতি নহয়, কিন্তু লঘু দণ্ড দিলে কুকর্ম্মলৈ মানুহে ভয় নকৰে, ফলত কুকর্ম্মৰ বৃদ্ধি হব। আৰু আপুনি যাক লঘু দণ্ড বুলিছে, সেই লঘু দণ্ড কোটি কোটি গুণ বাঢ়ি গলে, কোটি কোটি গুণ কঠিন আৰু জটিল হব। কুকর্ম্মকাৰী সকলোকে লঘু দণ্ড দিব লাগিব। যদক

এক ব্যক্তিক এক মোৰ আৰু অন্য এক ব্যক্তিক এপোৱা দণ্ড দিয়া হল। দুয়োজনৰ মুঠ এমোণ একপোৱা দণ্ড হ'ল। দুজনৰ গড় হিচাবে প্রত্যেকৰ ভাগত বিশ সেৰ আধাপোৱা হয়। দুর্দ্দান্ত দুর্ব্বৃত্তই লঘু দণ্ডলৈ ভয় নকৰে। এপোৱাকৈ সহস্রজনক দণ্ড দি ছয়মোন দহ-সেৰ ব্যয় কৰাতকৈ এজনক এমোণৰ দণ্ড দিয়া ভাল। ৰাজ্যৰ বা সমাজৰ ছয়মোণ দহ সেৰৰ ঠাইত মাত্র এমোণ ক্ষতি হোৱা ভাল। গতিকে সহস্র দণ্ড দি সহস্র ক্ষতি আৰু জটিল কৰাতকৈ এজনক গুৰু দণ্ড দিয়াকে ভাল, আৰু সমাজৰো মঙ্গল।

দীর্ঘাধ্বনি যমাদেশং যথাকালঙ্করো ভবেৎ।
নদীতীরেষু তদ্বিদ্যাৎ সমুদ্রে নাস্তি লক্ষণম্॥

৩। মনুঃ (৪০৬

দীর্ঘ পথ, উপসাগৰ, নদী, আৰু মহানদীত দেশৰ আয়তন অনুসাৰে কৰ ধার্য্য কৰা কর্ত্তব্য। সমুদ্রত নিশ্চিত কৰ ধার্য্য কৰা নেযায়, ৰজা আৰু সমুদ্র যান পৰিচালক উভয়েই যাতে লাভৱান হয় সেই হিচাবে কৰ স্থিৰ কৰা উচিত॥৩। (ইয়াৰ দ্বাৰাই প্রমাণ হয় যে পুর্ব্বকালত দ্বীপ দ্বীপান্তৰ বা দেশ দেশান্তৰলৈ সমুদ্র যান চলাচল কৰিছিল)

অহন্যহন্যবেক্ষেত কর্ম্মান্তান্ বাহনানি চ।
আয়ব্যয়ৌ চ নিয়তাবাকরান্ কোষমেব চ॥৪।
এবং সর্ব্বানিমান্ৰাজা ব্যবহারান্ সমাপয়ন্।
ব্যাপোহ্য কিল্বিষং সর্ব্বং প্রাপ্নোতি পরমাং গতিম্॥৫।

মনু০ ৮ (৪১৯।৪২০)॥

ৰজাই প্রতিদিনে নিত্য কর্ম্ম সমাপ্ত কৰি হস্তী, অশ্ব, বাহন দৈনিক আয় ব্যয়—আকৰ অর্থাৎ ৰত্নৰ খনি আৰু ৰাজ কোষ পর্য্যবেক্ষণ কৰিব॥৪। এই দৰে সকলো কাম যথোচিত ভাবে সম্পন্ন কৰি ৰা

কৰাই ৰজাই সর্ব্ব পাপৰ পৰা মুক্ত হৈ পৰম গতি লাভ কৰে॥৫।

প্রশ্ন—সংস্কৃত শাস্ত্রত যি ৰাজনীতি আছে সি সম্পুর্ণ নে অসম্পুর্ণ ?

উত্তৰ—সম্পুর্ণ। পৃথিৱীত যত প্রকাৰ ৰাজনীতি প্রচলিত হৈছে, আৰু হব, সকলোবোৰ সংস্কৃত শাস্ত্রৰ পৰাই গৃহীত হৈছে আৰু হব। যিবোৰ স্পষ্টকৈ লিখিত হোৱা নাই সেই বিষয়ে—

প্রত্যহং লোকদৃষ্টৈশ্চ শাস্ত্রদৃষ্টৈশ্চ হেতুভিঃ মনু০ ৮। ৩॥

সমাজৰ দৃষ্টি আৰু শাস্ত্রীয় দৃষ্টিৰে সময়ানুকুল বিধিৰ বিবেচনা আৰু নির্দ্ধাৰণ হৈ থাকিব। কিন্তু, বাল্য-বিবাহ, পৰস্পৰ অসম্মতিৰ বিবাহ, বহু বিবাহ, ব্যভিচাৰ ইত্যাদি জাতিৰ সর্ব্বনাশৰ মূল; গতিকে সকলো যুগতেই বর্জ্জনীয়। ব্যভিচাৰ আৰু অতি ইন্দ্রিয় আসক্তিৰ সমান বল বুদ্ধি নাশক আৰু একো নাই। ব্যক্তিৰ শাৰীৰিক আৰু মানসিক উন্নতিত সমাজৰ উন্নতি নির্ভৰ কৰে। ন্যায় দণ্ডৰ অধিকাৰী ৰজা আৰু ৰক্ষক ক্ষত্রিয় সকল। এই ক্ষত্রিয় সকল ইন্দ্রিয়ৰ আসক্ত হলে ৰাষ্ট্র আৰু ধর্ম্ম নষ্ট নহৈ থাকিব নোৱাৰে। "যথা ৰজা তথা প্রজা":—ৰজাৰ আদর্শই প্রজাৰ আদর্শ; গতিকে ৰাজনীতিত এই কথা মনত ৰখা অতি আৱশ্যক। ৰাজ কর্ম্মচাৰী সকলে নিজৰ নিজৰ কর্ত্তব্য যথার্থ ৰূপে পালন কৰাই ধর্ম্ম, আৰু সেই ধর্ম্মই সমাজক বা ৰাষ্ট্রক ধাৰণ কৰি ৰাখে।

ইমানলৈকে সংক্ষেপত ৰাজনীতিৰ আদর্শ বর্ণনা কৰা হ'ল। ৰাজনীতিজ্ঞ হবলৈ হলে বেদ মনুস্মৃতিৰ সপ্তম, অষ্টম আৰু নবম অধ্যায়, শুক্রনীতি, বিদুৰ প্রজাগৰ, মহাভাৰতৰ শান্তি পর্ব্বৰ অন্তর্গত ৰাজ ধর্ম্ম আৰু আপদ্ধর্ম্ম আদি সম্পূর্ণ অধ্যয়ন কৰা কর্ত্তব্য। ৰাজনৈতিক নেতা সকলে মনত ৰখা উচিত" **বয়ং প্রজাপতেঃ প্রজা অভূম**" (যজুঃ অঃ

২৮।২৯) আমি প্রজাপতি অর্থাৎ পরমেশ্বর প্রজা। পরমাত্মা আমার রক্ষা আরু পিতা, আমি তেওঁর আজ্ঞাবহ ভৃত্য বা সন্তান। তেওঁর সৃষ্টি আমি বাজ্য অধিকারী সত্য আরু ন্যায়র প্রতিষ্ঠা আমার ব্রত, আরু ঈশ্বরর সেয়ে আদেশ।

ইয়ার পাছত ঈশ্বর আরু বেদ বিষয় লিখা হব

ইতি শ্রীমদ্দয়ানন্দ সরস্বতীস্বামিকৃত সত্যার্থপ্রকাশে সুভাষাবিভূষিতে
বাজধর্মবিষয়ে ষষ্ঠঃ সমুল্লাসঃ সম্পূর্ণঃ ॥ ৬ ॥

অথ সপ্তম সমুল্লাসারম্ভঃ

অথেশ্বরবেদবিষয়ং ব্যাখ্যাস্যামঃ

ঋচো অক্ষরে পরমে ব্যোমন্যস্মিন্ দেবা অধি বিশ্বে নিষেদুঃ।
যস্তন্ন বেদ কিমৃচা করিষ্যতি য ইত্তদ্বিদুস্ত ইমে সমাসতে ॥১॥

ঋক; ম০ ১। সূ০ ১৬৪। ম০ ৩৯॥

ঈশা বাস্যমিদং সর্ব্বং যৎ কিঞ্চ জগত্যাঞ্জগৎ।
তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্য স্বিদ্ধনম্ ॥২॥

যজু০ অ০ ৪০। ম০ ১॥

অহভুবং বসুনঃ পূর্ব্ব্যস্পতিরহং ধনানি সংজয়ামি শশ্বতঃ।
মাং হবন্তে পিতরং ন জন্তবোঽহং দাশুষে বিভজামি ভোজনম্ ॥৩॥
অহমিন্দ্রো ন পরাজিগ্য ইদ্ধনং ন মৃত্যবেঽবতস্থে কদাচন।
সোমমিন্মা সুন্বন্তো যাচতা বসু ন সে পুরবঃ সখ্যেরিষাথন ॥৪॥

ঋ০ ম০ ১০। সূ০ ৪৮। ম০ ১।৫॥

ঋচো অক্ষরে—এই মন্ত্রর অর্থ ব্রহ্মচর্য্যাশ্রমর শিক্ষার প্রসঙ্গত লিখা হৈছে। অর্থাৎ যি সকলো দিব্য গুণ-কর্ম্ম-স্বভাব আরু বিদ্যাবান যি পৃথিবী আরু সূর্য্যাদি লোকর আধার; যি আকাশর দরে ব্যাপক আরু যি দেবতা সকলরো পরমেশ্বর, যি বিলাকে সেই পরম তত্ত্বক নেজানে, নেমানে আরু ধ্যান নকরে, সেই মন্দমতি নাস্তিক বিলাকে দুঃখরূপী সাগরত নিমগ্ন থাকে। গতিকে সেই পরম তত্ত্ব জানিলে মানুহ সদায় সুখী হব পারে।

প্রশ্ন—বেদত ঈশ্বর অনেক, এই কথা আপুনি স্বীকার করেনে নকরে?

উত্তর—স্বীকার নকরো। চারিও বেদর কিতবত কতো এনেকুরা

লিখা পোৱা নেযায় যাৰ দ্বাৰাই অনেক ঈশ্বৰ প্ৰমাণ হয়। যি ম'ত লিখা আছে সকলো এক ঈশ্বৰেই কথা।

প্ৰশ্ন—বেদত যে অনেক দেৱতাৰ উল্লেখ আছে তাৰ অভিপ্ৰায় কি ?

উত্তৰ—যাৰ দিব্য গুণ আছে সেয়েই দেৱতা; যেনে পৃথিৱী। কিন্তু ইয়াক কতো ঈশ্বৰ বা উপাস্য বুলি কোৱা নাই। এই মন্ত্ৰতেই চাওক—"যত সকলো দেৱতাৰ স্থিতি, সেই জনেই জানিবৰ আৰু উপাসনা কৰিবৰ যোগ্য ঈশ্বৰ।" দেৱতা শব্দৰ অৰ্থ ঈশ্বৰ বুলি ধৰা ভুল। পৰমেশ্বৰ দেৱতাৰো দেৱতা মহাদেৱ বুলি কথিত হয়, কাৰণ তেওঁ সমস্ত জগতৰ উৎপত্তি, স্থিতি, আৰু প্ৰলয় কৰ্ত্তা ন্যায়াধীশ আৰু অধিষ্ঠাতা।

"ত্ৰয়স্ত্ৰিংশৎত্ৰিংশতা"—ইত্যাদিৰে বেদত প্ৰমাণ আছে। শতপথ ব্ৰাহ্মণত ইয়াৰ ব্যাখ্যা কৰা আছে। তেত্ৰিশ দেৱ অৰ্থাৎ পৃথিৱী, জল, অগ্নি বায়ু, আকাশ, চন্দ্ৰমা, সূৰ্য্য আৰু নক্ষত্ৰ সকলৰো সৃষ্টিৰেই নিবাস স্থান; গতিকে, এই বোৰক অষ্ট বসু বোলে; প্ৰাণ, অপান, ব্যান, উদান, সমান, নাগ, কূৰ্ম্ম, কৃকল, দেবদত্ত, ধনঞ্জয়, আৰু জীৱাত্মা এই এঘাৰটাই দেহান্ত কালত ৰোদন কৰায় কাৰণে এই বোৰক ৰুদ্ৰ বোলে; পৰম ঐশ্বৰ্য্যবান বা ঐশ্বৰ্য্যৰ হেতু কাৰণে বিদ্যুতক ইন্দ্ৰ বোলে; সংবৎসৰৰ বাৰ মাহে সকলোৰে আয়ুস হৰণ কৰে গতিকে তাক বাৰ আদিত্য বোলে। বায়ু, বৃষ্টি, জল, ঔষধিৰ বিশুদ্ধি, বিদ্বান সকলৰ সৎকাৰ আৰু নানা প্ৰকাৰ শিল্প বিদ্যাৰ দ্বাৰাই প্ৰজাৰ পালন কৰিব পাৰে গতিকে যজ্ঞক প্ৰজাপতি বোলা হয়। এই তেত্ৰিশ দিব্য গুণেৰে যুক্ত হলে "দেৱ" বোলা হয়। শতপথ ব্ৰাহ্মণৰ চতুৰ্দশ কাণ্ডত স্পষ্ট লিখিত আছে যে সকলো দিব্য গুণৰ স্বামী আৰু সকলোতকৈ পৰম ডাঙৰ গতিকে পৰমাত্মা চতুস্ত্ৰিংশ উপাস্য দেৱ। এই দৰেই অন্যতো লিখিত আছে। যি সকলে এই বোৰ শাস্ত্ৰ অধ্যয়ন কৰিছে, সেই সকলে বেদত

অনেক ঈশ্বৰ মানে বুলি নকয় ॥১॥

হে মানৱ! যি জগতৰ সকলো গতিশীল বস্তুত পৰিব্যাপ্ত হৈ নিয়ন্তাৰূপে বিদ্যমান আছে, সেই পৰমেশ্বৰৰ ভয় ৰাখি কাৰো ধন অন্যায় ভাৱে গ্ৰহণ কৰাৰ আকাঙ্ক্ষা নকৰিবা। তেনে অন্যায় আকাঙ্ক্ষা পৰিত্যাগ কৰি আৰু ন্যায় ধৰ্ম্ম আচৰণ কৰি নিজৰ আত্মাত সন্তুষ্ট থাকিবা ॥২॥

স্বয়ং ঈশ্বৰৰ বাণীত কৈছে—"হে মানৱ সকল! মই সকলোৰে পূৰ্ব্বে বিদ্যমান, সমস্ত জগতৰ পতি, সনাতন জগতৰ কাৰণ, সমস্ত ধনৰ বিজেতা আৰু দাতা। সন্তানে যেনেকৈ পিতাকক সম্বোধন কৰে, সকলো জীৱই মোক সেই দৰে সম্বোধন কৰক। ময়েই সকলোৰে সুখৰ দাতা। জগতৰ পালনৰ অৰ্থে ময়েই সকলো ভোজ্য দ্ৰব্য বিতৰণ কৰো" ॥৩॥

মই পৰম ঐশ্বৰ্য্যশালী, আৰু সূৰ্য্যৰ দৰে সমস্ত জগতৰ প্ৰকাশক। মোৰ পৰাজয় আৰু মৃত্যু নাই। মই জগতৰূপ ঐশ্বৰ্য্যৰ সৃষ্টিকৰ্ত্তা। তোমালোকে মোকেই জগতৰ সৃষ্টিকৰ্ত্তা বুলি জানিবা। তোমালোকে ঐশ্বৰ্য্য লাভৰ কাৰণে যত্নপৰ হৈ মোৰ ওচৰত বিজ্ঞান আদি ধনৰ প্ৰাৰ্থনা কৰিবা। মোৰ মিত্ৰতা নেৰিবা। "হে মনুষ্য! সত্য ভাষণৰূপ স্তুতি, কৰোতাক মই জ্ঞান আদি সনাতন ধন প্ৰদান কৰোঁ। মই ব্ৰহ্ম আৰু বেদৰ প্ৰকাশক। বেদে মোক যথাৰ্থৰূপে প্ৰকাশ কৰে। মই বেদেৰেই সকলোৰে জ্ঞান বৃদ্ধি কৰো। মই সৎ পুৰুষ সকলৰ প্ৰেৰণা দাতা। যজ্ঞানুষ্ঠাতা সকলৰ ফলদাতা। এই বিশ্বৰ সকলো পদাৰ্থৰ স্ৰষ্টা আৰু ধাৰণ কৰ্ত্তা। গতিকে মোক এৰি আন কাকো ঈশ্বৰ বুলি নেভাবিবা উপাসনা নকৰিবা আৰু নেমানিবাও ॥৪॥

হিৰণ্যগৰ্ভঃ সমবৰ্ত্ততাগ্ৰে ভূতস্য জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিৱীং দ্যামুতেমাং কস্মৈ দেৱায় হৱিষা বিধেম ॥

যজুঃ অঃ ১৩। মঃ ৪॥

অর্থ ঃ—যাব গর্ভত সূর্য্যাদি তেজোময় লোক সমূহ অবস্থিত, সেই হিবণ্যগর্ভ আবির্ভাবব পূর্ব্বে ভূতবো স্রষ্টিকর্ত্তা এক পতি আছিল, সেই পবমাত্মায়েই পৃথিবীব পবা দিব্য লোক পর্য্যন্ত সকলোকে সৃষ্টি আৰু ধাৰণ কবি আছে, তেওঁকেই আমি সকলোৱে ভক্তি কবা কর্ত্তব্য।

প্রশ্ন ঃ—আপুনি ঈশ্বব আছে বুলি কয় কিন্তু ঈশ্বৰব প্রমাণ কি ?

উত্তব ঃ—প্রত্যক্ষাদি প্রমাণ।

প্রশ্ন ঃ—ঈশ্বৰব বিষয়ে প্রত্যক্ষাদি প্রমাণ নেথাকে।

উত্তব ঃ—

ইন্দ্রিয়ার্থসন্নিকর্ষোৎপন্নং জ্ঞানমব্যপদেশ্যমব্যভিচাবি ব্যবসায়াত্মকং প্রত্যক্ষম্। (ন্যায় সূত্র, অ॰ ১। সূ॰ ৪)॥

এই হল মহর্ষি গৌতমব ন্যায় দর্শনব সূত্র। কর্ণ, ত্বক্, চকু, জিহ্বা. ঘ্রাণ আৰু মনব শব্দ. স্পৃর্শ, ৰূপ, ৰস, গন্ধ, সুখ, দুঃখ, আৰু সত্য অসত্য বিষয়ব লগত সংযোগ হলে যি জ্ঞান উৎপন্ন হয়, তাকেই প্রত্যক্ষ বোলে। কিন্তু সেই জ্ঞান অভ্রান্ত হব লাগিব। এতিয়া বিবেচনা কবিব লাগে যে, মন আৰু ইন্দ্রিয়ব দ্বাবাই গুণবহে প্রত্যক্ষ হয়, গুণীব প্রত্যক্ষ নহয়। যেনেকৈ ত্বক আদি চাবি ইন্দ্রিয়বে স্পর্শ, ৰূপ, ৰস আৰু গন্ধব জ্ঞান হয় গতিকে গুণ বিশিষ্ট পৃথিবীব প্রত্যক্ষ আত্মা সংযুক্ত মনব দ্বাবাই হয়। সেই দবেই এই প্রত্যক্ষ সৃষ্টিব ৰচনা বিশেষ আদি জ্ঞান গুণব প্রত্যক্ষব পবাই পবমেশ্ববো প্রত্যক্ষ হয়। যেতিয়া আত্মাই মনক আৰু মনে ইন্দ্রিয়বোবব কোনো বিষয়ত নিয়োজিত কবে, চৌর্য্যাদি কুকর্ম্ম বা পবোপকাব আদি সৎকর্ম্ম কবিবলৈ আৰম্ভ কবে, তেতিয়া জীৱব ইচ্ছা আৰু জ্ঞান আদি ঈপ্সিত বিষয়ব প্রতি আকৃষ্ট হয়। তেতিয়াই আত্মাব ভিতবব পবা কুকর্ম্মত ভয়, সংশয়, আৰু লজ্জা আৰু সৎকর্ম্ম হলে. নির্ভয়, নিঃশঙ্কা, আনন্দ আৰু উৎসাহব সঞ্চাব হয়। এনেকুৱা অনুভব জীৱাত্মাই কবিব নোখোজে কিন্তু পবমাত্মাই কবায়। যেতিয়া জীৱাত্মাই বিশুদ্ধ ভাবত পবমাত্মাব ধ্যান আৰু অনুভব কবে তেতিয়া সৎ-অসৎ দুয়োকো

প্রত্যক্ষ কবিব পাবে। এইদবে যেতিয়া পবমেশ্ববব প্রত্যক্ষ অনুভব হয়, তেতিয়া অনুমান আদিবে পবমেশ্ববব জ্ঞান হোৱাত কি সন্দেহ থাকিব ? যিহেতু কার্য্য দেখিয়েই কাৰণব অনুমান হয়।

প্রশ্ন ঃ—ঈশ্বব ব্যাপক, নে কোনো স্থান বিশেষত থাকে ?

উত্তব ঃ—ব্যাপক, কাৰণ এক স্থানত থকা হলে সর্ব্বান্তর্যামী. সর্ব্বজ্ঞ, সর্ব্বনিয়ন্তা, সকলোবে দ্রষ্টা আৰু প্রলয়কর্ত্তা হব নোৱাবে। যি ঠাইত কর্ত্তা নাই সেই ঠাইত কর্ম্ম হব নোৱাবে।

প্রশ্ন ঃ—পবমেশ্বব দয়ালু আৰু ন্যায়কাবী হয়নে নহয় ?

উত্তব ঃ—হয়।

প্রশ্ন ঃ—এই দুই গুণ পবস্পব বিৰুদ্ধ। ন্যায় কবিলে দয়া আৰু দয়া কবিলে ন্যায় হব নোৱাবে। যাব যেনে কর্ম্ম—তাক তেনেকুবা ফল, অর্থাৎ হেবফেব নকবাকৈ সুখ বা দুঃখ দিয়াকেই ন্যায় বোলে। আৰু বিনাদণ্ডত অপবাধীক এবি দিয়াব নাম দয়া।

উত্তব ঃ—ন্যায় আৰু দয়াব প্রভেদ কেৱল নাম মাত্রহে। কাৰণ ন্যায়ব দ্বাবাই যি প্রয়োজন সাধন হয়, সেই প্রয়োজন দয়াব দ্বাবায়ো হয়। মানুহে অপবাধজনক কর্ম্মব পবা বিবত থাকি দুখ ভোগব পবা বক্ষা পবক, এয়েই দণ্ড বিধিব উদ্দেশ্য। পবব দুঃখ মোচনব বা দুঃখব পবা উদ্ধাব কবাব নাম দয়া। আপুনি যি দয়া আৰু ন্যায়ব অর্থ কবিছে সি প্রকৃত অর্থ নহয়। কাৰণ যি যেনেকুৱা আৰু যিমান অপবাধ কবিছে তাক তেনেকুৱা আৰু তিমান দণ্ড দিয়া কর্ত্তব্য। ইয়াকেই ন্যায় বোলে। অপবাধীক দণ্ড নিদিলে দয়া নষ্ট হয়। কাৰণ এজন দস্যু অপবাধীক দণ্ড নিদিলে সহস্র ধর্ম্মাত্মাক দুখ দিয়া হয়। এক অপবাধীক এবি দি সহস্র জনক দুখ দিয়াত দয়া কেনেকৈ হব ? এটা দুর্দ্দান্ত দস্যুক কাবাৰুদ্ধ কবি কুকর্ম্ম কবাব পবা আঁতবাই বাখিলে তাব প্রতি দয়া কবা হয়। আৰু তেনে দস্যুক বধ কবিলে সহস্র জনব প্রতি দয়া কবা হয়।

প্রশ্ন ঃ—তেতিয়া হলে ন্যায় আৰু দয়া এই দুটা ভিন্ন ভিন্ন

শব্দৰ প্ৰয়োজন কি ? এটা শব্দ ৰখাহে উচিত আছিল, ইয়াৰ পৰা বুজিব লাগিব যে ন্যায় আৰু দয়াৰ উদ্দেশ্য একে হব নোৱাৰে।

উত্তৰ ঃ—এটা বস্তুৰ অনেক নাম আৰু এটা নাম বা শব্দৰ অনেক অর্থ নহয় জানো ?

প্রশ্ন ঃঃ—হয়।

উত্তৰ ঃ—তেন্তে সংশয় কিয় হ'ল ?

প্রশ্ন ঃ—কাৰণ সমাজত সেই দৰেই শুনি আহিছো।

উত্তৰ ঃ—সংসাৰত সত্য আৰু মিথ্যা দুয়োটাকেই শুনা যায়। তাৰ বিবেচনা কৰি নির্ণয় কৰা নিজৰ কাম। ঈশ্বৰে যেনেকৈ নানা বিধৰ জীৱ সৃষ্টি কৰিছে, সেই দৰেই সকলো জীৱৰ প্রয়োজনীয় ভিন্ন ভিন্ন বস্তুবোৰ সৃষ্টি কৰিছে, কাকো অৱহেলা কৰা নাই। এয়েই ঈশ্বৰৰ মহৎ দয়া। ন্যায়ৰ পৰিণাম প্রত্যক্ষ দেখা যায়। সুখ বা দুঃখৰ কম বা অধিকৰ পৰাই কর্ম্মৰ ফল বুজিব পাৰি। দয়া হল অন্তৰৰ "সকলোৱেই সুখী হক' 'সকলোৱেই দুঃখ দূৰ হওঁক'—এনেকুৱা মনৰ ভাব আৰু আচৰণ, ৰাহিৰৰ চেষ্টা অর্থাৎ যথাযোগ্য দণ্ড আদিৰ ব্যৱস্থা কৰাই ন্যায়। দুয়োৰো উদ্দেশ্য একে, সকলো দুখ আৰু কুকর্ম্মৰ পৰা নিস্তাৰ কৰা।

প্রশ্ন ঃ—ঈশ্বৰ সাকাৰ নে নিৰাকাৰ ?

উত্তৰ ঃ—নিৰাকাৰ, কাৰণ, সাকাৰ হলে সর্ব্বব্যাপক হব নোৱাৰে। সর্ব্বব্যাপক নহলে সর্ব্বজ্ঞত্বাদি গুণো থাকিব নোৱাৰে। পৰিমিত বস্তুৰ গুণ কর্ম্ম স্বভাৱো পৰিমিত আৰু শীত-উষ্ণ, ক্ষুধাতৃষ্ণা, ৰোগ, দোষ, আৰু ছেদন-ভেদন আদি সহিত, বা মুক্ত হব নোৱাৰে। গতিকে ঈশ্বৰ নিশ্চয় নিৰাকাৰ। সাকাৰ হলে ঈশ্বৰৰ নাক, কাণ আদি অঙ্গ নির্ম্মাণ কৰিবলৈ অন্য এক কর্ত্তাৰ আৱশ্যক হয়। সাকাৰ বস্তু সংযোগতহে উৎপন্ন হয়, তাৰ কাৰণে নিৰাকাৰ চেতন বিশিষ্ট কর্ত্তা আছে। এই ক্ষেত্রত যদি কোনোৱে কয় যে ঈশ্বৰে স্বয়ং নিজৰ দেহ নির্ম্মাণ কৰিছে, তেতিয়াও প্রমাণ হয়, যে শৰীৰ ধাৰণ কৰাৰ পূর্ব্বে ঈশ্বৰ নিৰাকাৰ আছিল। গতিকে

পৰমাত্মাই কেতিয়াও শৰীৰ ধাৰণ নকৰে, নিৰাকাৰ স্বৰূপে তেওঁ সমগ্র জগতক সূক্ষ্ম কাৰণৰ পৰা স্থূলাকাৰ কৰি নির্ম্মাণ কৰিছে।

প্রশ্ন ঃ—ঈশ্বৰ সর্ব্বশক্তিমান্ হয়নে নহয় ?

উত্তৰ ঃ—হয়, কিন্তু, আপুনি সর্ব্বশক্তিমান্ শব্দৰ অর্থ যি বুজিছে সেইটো নহয়। সর্ব্বশক্তিমান শব্দৰ অর্থ হ'ল ঈশ্বৰ, নিজৰ কর্ম্ম, অর্থাৎ সৃষ্টি, স্থিতি, প্রলয় আৰু সকলো প্রাণীৰ পাপ পুণ্যৰ ফলাফল নির্ণয় কৰাত, আন কাৰো সহায় নোলোৱাকৈয়ে সমর্থ। অর্থাৎ তেওঁৰ নিজৰ কর্ম্ম সমাধানত সর্ব্বশক্তিমান্

প্রশ্ন ঃ—মোৰ মতে ঈশ্বৰৰ যি ইচ্ছা তাকেই কৰে, কাৰণ তেওঁৰ ওপৰত দ্বিতীয় আৰু কোনো নাই।

উত্তৰ ঃ—ঈশ্বৰে কি ইচ্ছা কৰে ? যদি আপুনি কব খোজে যে, তেওঁ সকলো ইচ্ছা কৰে আৰু সকলো কৰিব পাৰে, তেতিয়া হলে ঈশ্বৰে আত্মহত্যাও কৰিব পাৰে নেকি ? পৰমেশ্বৰ কি মূর্খও হব পাৰে ? পৰমেশ্বৰে চুৰি, ব্যাভিচাৰাদি পাপকর্ম্ম কৰি তাৰ ফলো ভুগিব পাৰে নেকি ? এইবোৰ কর্ম্ম ঈশ্বৰৰ গুণ কর্ম্ম স্বভাৱৰ বিৰুদ্ধ। আপুনি কোৱা মতে ঈশ্বৰে সকলো কৰিব পাৰে এই কথা হবই নোৱাৰে। গতিকে মই যি সর্ব্বশক্তিমানৰ অর্থ কৰিছো সেয়েই প্রকৃত অর্থ হয়।

প্রশ্ন ঃ—পৰমেশ্বৰ সাদি অর্থাৎ আদি থকা নে অনাদি ?

উত্তৰ ঃ—অনাদি। যাৰ কোনো আদি কাৰণ বা কাল নাই, তাকেই অনাদি বোলে। এইবোৰৰ ব্যাখ্যা প্রথম সমুল্লাসত কৰা হৈছে, পঢ়িলে বুজিব পাৰিব।

প্রশ্ন ঃ—পৰমেশ্বৰৰ কামনা কি ?

উত্তৰ ঃ—তেওঁ সকলোৰে কল্যাণ কামনা কৰে, সকলোৰে স্বাধীনতা কামনা কৰে, বিনা পাপে কাৰো পৰাধীনতা কামনা নকৰে।

প্রশ্ন ঃ—পৰমেশ্বৰৰ স্তুতি-প্রার্থনা আৰু উপাসনা কৰা সঙ্গত নে অসঙ্গত ?

উত্তৰ ঃ—কৰাই সঙ্গত ।

প্রশ্ন ঃ—স্তুতি প্রার্থনা কৰিলে পৰমেশ্বৰ প্রসন্ন হৈ নিজৰ নিয়ম ভঙ্গ কৰি স্তুতি প্রার্থনাকাৰীৰ পাপ মোচন কৰে নেকি ?

উত্তৰ ঃ—নকৰে ।

প্রশ্ন ঃ—তেন্তে স্তুতি-প্রার্থনা কৰিবৰ প্রয়োজন কি ?

উত্তৰ ঃ—দেইবোৰৰ ফল অন্য ।

প্রশ্ন ঃ—কি ?

উত্তৰ ঃ- স্তুতিৰ পৰা ঈশ্বৰৰ প্রতি প্রীতি জন্মে । তেওঁৰ গুণ কর্ম্ম স্বভাৱৰ দ্বাৰাই নিজ নিজ গুণ, কর্ম্ম, স্বভাৱৰ সংশোধন হয় । প্রার্থনাৰ পৰা নিৰভিমানতা, উৎসাহ আৰু সাহায্য লাভ হয় । উপাসনাৰ দ্বাৰা পৰম ব্রহ্মৰ লগত মিলন হৰ পাৰে আৰু ব্রহ্মৰ সাক্ষাৎকাৰ হয়

প্রশ্ন ঃ—এইবোৰ স্পষ্টকৈ ব্যাখ্যা কৰক ।

উত্তৰ ঃ—যেনে :—

স পর্য্যগাচ্ছুক্রমকায়ব্রণমস্নাবিৱং শুদ্ধমপাপবিদ্ধম
কবির্মনীষী পরিভূঃ স্বয়ম্ভুর্যাতাতথ্যতোঽর্থান্
ব্যদধাচ্ছাশ্বতীভ্যঃ সমাভ্যঃ ॥ যজু॰ অ॰ ৪০ । ম॰ ৮ ॥

(ঈশ্বৰৰ স্তুতি) সেই পৰমাত্মা সর্ব্বত্র ব্যাপক, ক্ষিপ্রকর্ম্মা আৰু অনন্ত বলশালী । তেওঁ শুদ্ধ, সকলোৰে অন্তর্য্যামী, সর্ব্বোপৰি বিৰাজমান, সনাতন, আৰু স্বয়ং সিদ্ধ । পৰমেশ্বৰে সনাতন বিদ্যাৰে জ্ঞান প্রকাশ কৰি তেওঁৰ সনাতন আৰু অনাদি জীৱৰূপী প্রজাবোৰক তাৰ অর্থ বোধ কৰায় । এনেকুৱা গুণ কীর্ত্তনৰ সগুণ স্তুতি বোলে । অর্থাৎ পৰমেশ্বৰৰ এইবোৰ গুণবিশিষ্ট স্তুতি সগুণ । (অকায়) অর্থাৎ পৰমেশ্বৰে কেতিয়াও কায় বা দেহ-ধাৰণ বা জন্ম গ্রহণ নকৰে । তেওঁৰ কোনো ছিদ্র নাই । তেওঁ নাড়ী আদিৰ বন্ধনেৰে বদ্ধ নহয় । তেওঁ কেতিয়াও পাপ আচৰণ নকৰে । তেওঁৰ দুঃখ ক্লেশ আৰু অজ্ঞানতা নাই । এইবোৰ ৰাগ দ্বেষ আদিৰ পৰা ঈশ্বৰ সদায় মুক্ত এই জ্ঞানেৰে স্তুতি কৰাৰ নাম নির্গুণ স্তুতি । ইয়াৰ উদ্দেশ্য হ'ল

পৰমেশ্বৰৰ গুণ কর্ম্ম স্বভাৱ অনুসাৰে নিজৰো গুণ, কর্ম্ম, আৰু স্বভাৱ গঠন কৰা । অর্থাৎ পৰমেশ্বৰ যেনেকৈ পক্ষপাত ৰহিত, ন্যায়কাৰী, সেই দৰেই নিজেও ন্যায়পৰায়ণ হোৱা কর্ত্তব্য । যি সকলে স্তুতি, প্রার্থনা গুণ কীর্ত্তন আদি কেৱল বহুৰাব দৰে গায়, কিন্তু সেই দৰে নিজে আচৰণ শীল নহয়, তেওঁলোকৰ স্তুতি প্রার্থনা আদি সকলো নিষ্ফল ।

প্রার্থনা ঃ—

যাং মেধাং দেবগণাঃ পিতরশ্চোপাসতে ।
তয়া মামদ্য মেধয়াগ্নে মেধাবিনং কুরু স্বাহা ॥১॥

যজু॰ অ॰ ৩২। ম॰ ১৪ ॥

তেজোঽসি তেজোময়ি ধেহি । বীর্য্যমসি বীর্য্যং ময়ি ধেহি ।
বলমসি বলং ময়ি ধেহি । ওজোঽস্যোজো ময়ি ধেহি ।
মন্যুরসি মন্যুং ময়ি ধেহি । সহোঽসি সহো ময়ি ধেহি ॥২॥

যজু॰ অ॰ ১৯। ম॰ ৯ ॥

যজ্জাগ্রতো দূরমুদৈতি দৈবন্তদু সুপ্তস্য তথৈবৈতি ।
দূরঙ্গমং জ্যোতিষাং জ্যোতিরেকন্তন্মে মনঃ শিবসঙ্কল্পমস্তু ।
যেন কর্ম্মাণ্যপসো মনীষিণো যজ্ঞে কৃণ্বন্তি বিদথেষু ধীরাঃ ।
যদ পূর্ব্বং যক্ষমন্তঃ প্রজানাং তন্মে মনঃ শিবসঙ্কল্পমস্তু ॥৪॥
যৎ প্রজ্ঞানমুতচেতো ধৃতিশ্চ যজ্জ্যোতিরন্তরমৃতং প্রজাসু
যস্মান্ন ঋতে কিঞ্চন কর্ম্ম ক্রিয়তে, তন্মে মনঃ শিবসঙ্কল্পমস্তু ॥
যেনেদং ভূতং ভুবনং ভবিষ্যৎ পরিগৃহীতমমৃতেন সর্ব্বম্ ।
যেন যজ্ঞস্তায়তে সপ্ত হোতা তন্মে মনঃ শিবসঙ্কল্পমস্তু ॥৬॥
যস্মিন্নৃচঃ সাম যজুংষি যস্মিন্ প্রতিষ্ঠিতা রথনাভাবিবারাঃ ।
যস্মিংশ্চিত্তং সর্ব্বমোতং প্রজানাং তন্মে মনঃ শিবসঙ্কল্পমস্তু ॥৭॥
সুষারথিরশ্বানিব যন্মনুষ্যান্নেনীয়তেঽভীশুভির্বাজিন ইব ।
হৃৎ প্রতিষ্ঠং যদজিরং জবিষ্ঠং তন্মে মনঃ শিবসঙ্কল্পমস্তু ॥৮॥

যজু॰ অ॰ ৩৪। মং ১।২।৩।৪।৫।৬॥

হে অগ্নে! অর্থাৎ জ্যোতিঃস্বরূপ পরমেশ্বর! বিদ্বান জ্ঞানী আরু যোগী সকলে যি (মেধা) বুদ্ধির উপাসনা করে, সেই মেধা বুদ্ধি বা জ্ঞানেরেই আমাক মেধাবী করা ॥১॥

তুমি জ্যোতিঃ স্বরূপ, মোকো জ্যোতি দিয়া। তুমি শক্তিমান মোকো শক্তি দিয়া, তুমি পরম পরাক্রমশালী, মোকো পরাক্রম দিয়া, তুমি পরম উৎসাহশালী, মোকো উৎসাহ দিয়া, তুমি দুর্বৃত্তর দমন কারী, মোকো দুর্বৃত্ত দমনর শক্তি দিয়া। তুমি নিন্দা স্তুতিত সহন শীল, মোকো তেনে সহনশীল হবলৈ শক্তি দিয়া ।২॥

জাগ্রত অবস্থাত মোর মন দূর দূরণিলৈ যায় আরু দিব্য গুণ সন্ধানীও হয়, স্বপ্নতো মনর তেনেকুবাই অনুভব হয়, হে জ্যোতিরু সকলরো জ্যোতি! মোর সেই একমাত্র মন যেন শিবসঙ্কল্প অর্থাৎ সৎসঙ্কল্প যুক্ত হয়, এয়ে মোর প্রার্থনা ।৩॥

যার দ্বারাই কর্ম্মনিষ্ঠ জ্ঞানীসকলে যজ্ঞ আরু ন্যায় যুক্তত কর্ম্ম করে যি অপূর্ব্ব শক্তিসম্পন্ন পূজনীয় আরু প্রজার অন্তর্নিহিত, তাত মোর মন শিবসঙ্কল্পযুক্ত হওক ।৪॥

যি জ্ঞান জ্যোতি আরু আনর প্রতিও জ্ঞানপ্রদ নিশ্চয়াত্মক বৃত্তি, যি প্রজার অন্তর জ্যোতিঃ সম্পন্ন আরু অবিনাশী, আরু যার বিনে কোনেও কর্ম্ম করিব নোৱারে, তাত মোর মন শিবসঙ্কল্পযুক্ত হওক ।৫॥

যার দ্বারাই ভূত বর্ত্তমান, আরু ভবিষ্যতর সকলো অমৃত গ্রহণ করা হয়, যজ্ঞর সপ্ত প্রকার হোৱা যোগী সকলে যি সাধন করে, তাত মোর মন শিবসঙ্কল্পযুক্ত হওক ।৬॥

রথ চক্রর কেন্দ্রত, রথর ধুরাত আরাবোর লাগি থকার দরে যত ঋক্, সাম, যজুর জ্ঞান প্রতিষ্ঠিত, যত প্রজানাং অর্থাৎ সৃষ্টির সকলোরে চৈতন্য শক্তি ওতপ্রোত ভাবে সংলগ্ন, তাত মোর মন শিবসঙ্কল্প যুক্ত হওক ।৭॥

সারথিয়ে অশ্বনিয়ন্ত্রণ করার দরে হৃদয়ত প্রতিষ্ঠিত, গতিশীল আরু

অত্যন্ত বেগবান যি মানুহর ইন্দ্রিয়বোরক শুভ আরু অশুভর নির্দ্দেশ বা নিয়ন্ত্রণ করে, তাত মোর মন শিবসঙ্কল্প যুক্ত হওক ।৮॥

অগ্নে নয় সুপথা রায়েঽস্মান্ বিশ্বানি দেব বয়ুনানি
বিদ্বান্। যুয়োধ্যস্মজ্জুহুরাণ মেনো ভূয়িষ্ঠাং তে
নম উক্তিং বিধেম ॥ যজু॰ অ॰ ৪০। ম॰ ১৬॥

হে অগ্নিস্বরূপ, প্রকাশস্বরূপ পরমাত্মন্। আমাক কুপথর পরা যাবলৈ সুপথ প্রদর্শন করা, প্রজ্ঞান জ্যোতিঃ প্রকাশ করা, ইয়ার কারণেই আমি তোমাক বারে বারে স্তুতি করা কর্ত্তব্য।

মা নো মহান্তমুত মা নোঽর্ভকং মা ন উক্ষন্তমুত
মা ন উক্ষিতম্। মা নো বধীঃ পিতরং মোত
মাতরং মা নঃ প্রিয়াস্তন্বো রুদ্র রীরিষঃ ॥ যজু॰ অ॰ ১৬। ম॰ ১৫॥

হে রুদ্র! দুর্বৃত্তক দুষ্কর্ম্মর দুঃখদায়ক ফল দি বোধন করোৱা। মাতা, পিতা, জ্যেষ্ঠ, কনিষ্ঠ, গর্ভস্থ, প্রিয়জন, আরু শরীরর হনন কারী প্রেরণা আমাক নিদিবা। আমাক সৎ পথত প্রেরণা দিয়া তার বিপরীতে গৈ যেন দণ্ডনীয় নহওঁ।

অসতো মা সদ্গময় তমসো মা জ্যোতির্গময়,
মৃত্যোর্মাঽমৃতং গময়েতি ॥ যাত পথ ব্রা॰ ১৪।৩।১।৩০॥

হে পরমাত্মন্! অসৎ পথর পরা সৎ পথলৈ যাবলৈ আমাক প্রেরণা দিয়া, আন্ধারত প্রকাশ দিয়া অর্থাৎ আমার অজ্ঞান দূর করি জ্ঞান জ্যোতি দিয়া, আরু আমার মৃত্যুর ভয় দূর করি অমরত্বর উপলব্ধি করোৱা। অর্থাৎ যিবোর দুর্গুণর পরা পরমেশ্বর আরু আত্মাক পৃথক ভাবি ঈশ্বরক প্রার্থনা করা হয়, তাকেই বিধেয় আরু অবিধেয় অনুসারে সগুণ আরু নির্গুণ প্রার্থনা বোলা হয়। যি বিষয়র প্রার্থনা বা বাঞ্ছা যিয়ে করে, তেওঁ, সেই দরে কার্য্যত চেষ্টা করা উচিত, অর্থাৎ প্রার্থনার উদ্দেশ্যত সফলতার কারণে সকলো বাধা বিঘিনি অতিক্রম করি চেষ্টা করিব লাগে। যি প্রার্থনাত পরমেশ্বর প্রসন্ন হোৱার

সম্ভাৱনা নাই, তেনে প্রার্থনা কেতিয়াও কৰিব নেলাগে। সেই বোৱ যেনে :—হে ঈশ্বৰ! আমাৰ শত্রুবোৰক বিনাশ কৰা, মোকেই সকলোতকৈ ডাঙৰ ধনী, মানী, খ্যাতি প্রতিপত্তি শালী, কৰা ইত্যাদি। যদি দুটা পৰস্পৰ শত্রুৱে ইটোৱে সিটোক বিনাশ কৰিবলৈ প্রার্থনা কৰে তেন্তে ঈশ্বৰে দুয়োকো নাশ কৰিবনে? কোনেৱে যদি কয় যে, যাৰ প্রেম অধিক তেওঁৰ প্রার্থনাই সফল হব। তেতিয়া হলে যাৰ প্রেম কম তাৰে শত্রুৰ দৰে কমকৈ নাশ হোৱা উচিত হব। এনেবোৰ প্রার্থনা যি কৰিব পাৰে তেওঁ আৰু প্রার্থনা কৰিয়ে কৰ "ভগৱান তুমি মোক ভাত ৰান্ধি খা-জলপান কৰি খুৱাই দিয়া। কাপোৰ ধুই দিয়া, খেতি বাতিও কৰি দিয়া।" এই দৰে যি পৰমেশ্বৰক ভৱসা কৰে, সিয়েই মহা মূর্খ। কাৰণ, পৰমেশ্বৰে পুৰুষার্থ কৰিবলৈ জ্ঞান দিছে, যি পুৰুষার্থ নকৰে সি কেতিয়াও সুখ শান্তি পাব নোৱাৰে। যেনে :—

"কুর্ব্বন্নেবেহ কর্ম্মাণি জিজীবিষেচ্ছতং সমাঃ ॥

যজু॰ অ॰ ৪। ম॰ ২॥

সৃষ্টি কর্ত্তা পৰমেশ্বৰৰ নির্দ্দেশ বা প্রেৰণা এয়ে যে মানুহে এশহৰা নহৈ শত বর্ষ অর্থাৎ যাবজ্জীৱন কর্ম্মৰত থাকিব লাগে। জগতত যিমান প্রাণী বা অপ্রাণী আছে সকলোৱেই আজীৱন সচেষ্ট আৰু কর্ম্মশীল। লোক পকৰা সদায় কর্ম্মৰত, পৃথিবী আদি গ্রহ নক্ষত্রবোৰ ভ্রমণশীল, বৃক্ষ প্রস্তৰ আদিও বৃদ্ধি হ্রাস আদি লক্ষণেৰে কর্ম্মৰত থকা দেখা যায়। ইয়াৰ বাহিৰে মানুহক আৰু কি দৃষ্টান্ত লাগে? পুৰুষার্থীক পুৰুষৰ প্রয়োজন হলে যেনেকৈ আনে সহায় কৰে সেই দৰে সৎ পুৰুষার্থীক পৰমেশ্বৰে সহায় কৰে।

যেনেকৈ কর্ম্মক্ষম মানুহকহে মানুহে নিৰোগ কৰে, এলেহাক নকৰে, আৰু চকু থকা আৰু চাবলৈ ইচ্ছুক ব্যক্তিকহে কোনো বস্তু দেখুৱা হয়, অন্ধক দেখুৱা নহয়, সেই দৰেই সকলোৰে মঙ্গলৰ অর্থে প্রার্থনা কৰীকহে পৰমেশ্বৰে সহায় কৰে। তেওঁ যি কৰে সকলো জগতৰ মঙ্গলৰ অর্থেই

কৰে। কোনো বস্তুৰ নাম কীর্ত্তন কৰিলেই লাভ নহয়, তাক প্রস্তুত বা সংগ্রহ কৰিলেহে পায়। যেনেকৈ গুড় মিঠা বুলিলেই গুড় আহি মুখত নপৰে, প্রস্তুত বা সংগ্রহ কৰি মুখত দিলেহে গুড়ৰ সোৱাদ পোৱা যায়।

তৃতীয় উপাসনা :—

সমাধিনিধুতমলস্য চেতসো নিবিশিতস্যাত্মনি যৎ সুখং ভবেৎ।
ন শক্যতে বর্ণয়িতুং গিৰা তদা স্বয়ন্তদন্তঃকরণেন গৃহ্যতে ॥

এয়া উপনিষদৰ বচন।

সমাধি যোগৰ দ্বাৰা যাৰ অবিদ্যা আদি মল পৰিষ্কাৰ হৈছে, যি আত্মস্থ হৈ পৰমাত্মাত চিত্তসংযোগ কৰিছে, তেওঁ পৰমাত্মাৰ সংযোগত যি আনন্দ পায়, সি অনির্ব্বচনীয়। জীৱাত্মাই নিজ অন্তঃকৰণত সেই আনন্দ উপলব্ধি কৰে।

উপাসনা শব্দৰ অর্থ সমীপস্থ হোৱা। অষ্টাঙ্গ যোগ সাধনাৰে পৰমাত্মাৰ সমীপস্থ হবলৈ আৰু পৰমাত্মাৰ সর্ব্বব্যাপী আৰু সর্ব্বান্তর্যামী স্বৰূপ প্রত্যক্ষ কৰিবলৈ যি যি সাধনা কৰিব লাগে তাক কৰা কর্ত্তব্য। অর্থাৎ :—

তত্রাহিংসা সত্যাস্তেয় ব্রহ্মচর্য্যাপরিগ্রহা যমাঃ ॥

যোগদর্শন সাধন পাদ। সূঃ ৩০ ॥

যি উপাসনা আৰম্ভ কৰিব খোজে তেওঁৰ বৈৰ ভাব দূৰ কৰিব লাগিব, সকলোৰে প্রতি প্রীতি ভাব জাগ্রত কৰিব লাগিব। মিথ্যা পৰিত্যাগ কৰি সত্যৰ আচৰণশীল হব লাগিব। অপহৰণ, চুৰি পৰিত্যাগ, সদায় ব্রহ্মচর্য্যব্রতী, জিতেন্দ্রিয়, নিৰহঙ্কাৰী হোৱা আৱশ্যক। এই পঞ্চবিধ যম উপাসনাযোগৰ প্রথম অঙ্গ।

শৌচ সন্তোষ তপঃ স্বাধ্যায়েশ্বৰ প্রণিধানানি নিয়মাঃ ॥

যোগসূত্র সাধনপাদ। সূ॰ ৩২ ॥

জল আদিৰে দেহৰ বাহিৰ ভাগ শুদ্ধ কৰি ৰাগ দ্বেষ বর্জন কৰি অন্তৰ শুদ্ধ কৰা, কর্ত্তব্য কর্ম্মৰ ফল লাভ বা লোকচানত সন্তুষ্ট থকাত সুখ

বা দুঃখ সহন কবি কর্ত্তব্য কর্ম্মানুষ্ঠান কবা, জ্ঞান শাস্ত্রব অধ্যয়ন আৰু অধ্যাপনা, আৰু সৎসঙ্গ লোৱা, "ওম্" এই ঈশ্বৰব নামব অর্থ সহ পৰমাত্মাব ধ্যান কবি নিজব আত্মাক পৰমাত্মাত সমর্পণ কবা এই পাঁচ বিধ নিয়ম উপাসনাযোগব দ্বিতীয় অঙ্গ।

ইয়াব পাছব বাকী ছয় অঙ্গ যোগশাস্ত্র আৰু ঋক্ বেদাদি ভাষ্য ভূমিকাব উপাসনা বিষয়ব প্রসঙ্গত অধ্যয়ন কবি জানিব পাবিব।

উপাসনা কবিবলৈ হলে এক নির্জ্জন পবিত্র স্থানত আসন কবি প্রাণায়াম সাধনেৰ ইন্দ্রিয়বোবক বাহিবব বিষয় সংযোগব পবা নিরুদ্ধ কবিব লাগে। মনক নাভি, হৃদয়, কণ্ঠ, নেত্র, শিখা, বা মেরুদণ্ডব কোনো এক স্থানত স্থিব কবি আত্মা আৰু পৰমাত্মাব মনন বা চিন্তা কবি পৰমাত্মাত একাগ্র ভাবে মগ্ন হব লাগিব। এইদবে এইবোব সাধন অভ্যাস কবিলে আত্মা আৰু অন্তঃকবণ পবিত্র হৈ সত্যব দ্বাবা পূর্ণ হয়। ক্রমান্বয়ে দিনক দিনে জ্ঞান বিজ্ঞান বৃদ্ধি হৈ গৈ পৰম মোক্ষ প্রাপ্ত কবাব পাবে। যি অষ্ট প্রহবব ভিতবত এঘণ্টা সময় এই দবে ধ্যান কবে, তেওঁব উন্নতি হয়।

আগত উল্লেখ কবা সর্ব্বজ্ঞত্ব আদি গুণব সহিত পৰমাত্মাব উপাসনা কবাক সগুণ আৰু দ্বেষ, ৰূপ, বস, গন্ধ, আৰু স্পর্শ আদি গুণব পবা পৃথক বুলি জ্ঞান কবি পৰম সূক্ষ্ম আত্মাব ভিতবে বাহিবে পবিব্যাপ্ত পৰমাত্মাত চিত্ত স্থিব কবাকে "নির্গুণ উপাসনা" বোলে।

উপাসনাব ফল—যেনেকৈ অগ্নিব কাষ চাপিলে শীতার্ত্ত ব্যক্তিব শীত দূব হয় সেইদবে পৰমেশ্বৰব সামীপ্য লাভ হলে সকলো দোষ, আৰু সকলো দুঃখ দূব হয়, আৰু পৰমাত্মাব গুণ, কর্ম্ম, স্বভাৱব দবেই জীবাত্মাব গুণ, কর্ম্ম, স্বভাব পবিত্র হৈ উঠে। গতিকে পৰমেশ্বৰব স্তুতি, প্রার্থনা আৰু উপাসনা কবা আৱশ্যক। ইয়াব ফল ভিন্ন। কিন্তু ইয়াব ফলত আত্মিক বল ইমান বৃদ্ধি হব যে পর্ব্বতাকাব দুঃখতো ব্যাকুল নহৈ সকলো শাৰীবিক আৰু মানসিক কষ্ট সহ্য কবিব পাবিব। ই জানো সাধাৰণ

কথা? যি এনেকৈ পৰমাত্মাব স্তুতি, প্রার্থনা আৰু উপাসনা নকবে, সি কৃতঘ্ন আৰু মহামূর্খ। কাৰণ যি পৰমেশ্বৰে জীৱজগতব কাৰণে সকলো পদার্থ সৃষ্টি আৰু ব্যৱস্থা কবিছে, তেওঁক স্মৰণ নকৰা বা স্বীকাব নকৰা কৃতঘ্নতা আৰু মূর্খতাব বাহিবে আন একো হব নোৱাবে।

প্রশ্নঃ—পৰমেশ্বৰব যেতিয়া শ্রোত্র-নেত্রাদি নাই তেওঁ ইন্দ্রিয়ব কর্ম্ম কেনেকৈ কবে?

উত্তব—অপাণিপাদো জবনো গ্রহীতা পশ্যত্যচক্ষুঃ
স শৃণোত্যকর্ণঃ। স বেত্তি বিশ্বং ন চ তস্যাস্তি বেত্তা
তমাহুবগ্র্যং পুরুষং পুবাণম্॥ শ্বেতাশ্বতব উ॰ অ॰ ৩। ম' ১৯

পৰমেশ্বৰব হস্ত নাই, কিন্তু নিজ শক্তিৰূপ হস্তবে সকলো ৰচনা আৰু গ্রহণ কবে। চৰণ নাই, কিন্তু সর্ব্বব্যাপক; গতিকে সকলোতকৈ বেগবান। চক্ষু ইন্দ্রিয় নাই, কিন্তু সকলো যথার্থৰূপে দেখে। শ্রোত্র নাই, তথাপি সকলোবে কথা শুনে। অন্তঃকবণ নাই, কিন্তু সমস্ত জগতক জানে। তেওঁক সম্পূর্ণৰূপে জানিব পবা অন্য কোনো নাই। তেওঁ সনাতন, সর্ব্বশ্রেষ্ঠ আৰু সকলোতে পবিপূর্ণ কাৰণে তেওঁক পুৰুষ বোলা হয়। তেওঁ বিনা ইন্দ্রিয় আৰু অন্তঃ কবণেবেই নিজ সামর্থ্যবে নিজব কার্য্য সাধন কবে।

প্রশ্ন—অনেকে ঈশ্বৰক নিষ্ক্রিয় আৰু নির্গুণ বুলি কয়।

উত্তব—ন তস্য কার্য্যং কবণঞ্চ বিদ্যতে ন তৎসমশ্চাভ্যধিকশ্চ দৃশ্যতে।
পবাস্য শক্তির্বিবিধৈব শ্রূয়তে স্বাভাবিকী জ্ঞানবলক্রিয়া চ॥

শ্বেতাশ্বতব উপনিষদ, অ॰ ৬। ম॰ ৮॥

পৰমাত্মাব কোনো কার্য্য আৰু কবণ নাই অর্থাৎ তেওঁব কোনো সাধনব আৱশ্যক নাই। তেওঁব সমান বা তেওঁতকৈ অধিক মহৎ কোনো নাই। তেওঁব সর্ব্ব মহৎ শক্তি অর্থাৎ তেওঁব যি অনন্ত জ্ঞান, অনন্ত বল, আৰু অনন্ত ক্রিয়া শক্তি আছে, সেই বোৰ স্বাভাবিক আৰু সংজাত বুলি শুনা যায়। পৰমেশ্বৰ নিষ্ক্রিয় হলে জগতব উৎপত্তি,

স্থিতি আৰু প্ৰলয় ঘটাব নোৱাৰিলে হেঁতেন। সেই কাৰণেই তেওঁ বিভু। তেওঁ চৈতন্য, গতিকে ক্ৰিয়াশীলো।

প্ৰশ্ন—তেওঁৰ যদি ক্ৰিয়া আছে, তেন্তে তেওঁৰ ক্ৰিয়া শান্ত নে অনন্ত ?

উত্তৰ—তেওঁ জ্ঞানময় গতিকে দেশ কাল অনুসাৰে যত যিমান যিনি ক্ৰিয়াৰ প্ৰয়োজন বোধ কৰে, সেই পৰিমাণেই কৰে।

প্ৰশ্ন—পৰমেশ্বৰে নিজৰ অন্ত জানে নে ?

উত্তৰ—পৰমাত্মা পূৰ্ণজ্ঞানী। যাৰ দ্বাৰাই সকলোকে যথাৰ্থ ভাবে জনা যায় তাকেই জ্ঞান বোলে। অৰ্থাৎ যি বস্তু যেনেকুৱা তাক তেনেকৈ জনাকেই জ্ঞান বোলে। পৰমেশ্বৰ অনন্ত; গতিকে নিজক অনন্ত বুলি জনাই জ্ঞান, তাৰ বিপৰীত হলে অজ্ঞান। অৰ্থাৎ অনন্তক সান্ত আৰু সান্তক অনন্ত বুলি জনাক ভ্ৰম বোলে।

"যথার্থদর্শনং জ্ঞানমিতি" যাৰ যেনেকুৱা গুণ, কৰ্ম্ম, আৰু স্বভাৱ তাক তেনেকৈ জনাকেই জ্ঞান-বিজ্ঞান বোলে। সেয়ে নহলে অজ্ঞান গতিকে—

ক্লেশ কর্ম্ম বিপাকাশয়ৈরপরামৃষ্টঃ পুরুষবিশেষ ঈশ্বরঃ ॥

যোগ সূত্ৰ, (সমাধিপাদ সূ॰ ২৪)॥

যি অবিদ্যাদি ক্লেশ, কুশল, অকুশল, ইষ্ট, অনিষ্ট আৰু মিশ্ৰ-ফলদায়ক কৰ্ম্ম বাসনাবিহীন, তেওঁৰেই সকলো জীৱৰ পৰা ভিন্ন বিশিষ্ট পুৰুষ ঈশ্বৰ।

প্ৰশ্ন—ঈশ্বরাসিদ্ধেঃ ॥১॥ (সাং অ॰ ১। সূ॰ ১২)

প্রমাণাভাবান্নতৎসিদ্ধিঃ ॥১॥ (সাং অ॰ ৫। সূ॰ ১০)॥

সম্বন্ধাভাবান্নানুমানম্ ॥৩॥ সাং সূ॰ (অ॰ ৫। সূ॰ ১১)॥

ঈশ্বৰ প্ৰত্যক্ষ সিদ্ধ নহয় ॥১॥ ঈশ্বৰ সিদ্ধিৰ বিষয়ত প্ৰত্যক্ষ প্ৰমাণ নাই যেতিয়া অনুমান আদি প্ৰমাণো থাকিব নোৱাৰে ॥২॥ আৰু ব্যাপ্তি সম্বন্ধৰ অভাৱত অনুমানো হব নোৱাৰে। আকৌ প্ৰত্যক্ষ আৰু অনুমান নহলে শব্দ প্ৰমাণো হব নোৱাৰে। গতিকে ঈশ্বৰ থকাৰ কোনো প্ৰমাণ নাই ॥৩॥

উত্তৰ—এই ক্ষেত্ৰত ঈশ্বৰ থকাৰ প্ৰত্যক্ষ প্ৰমাণ নাই। ঈশ্বৰ জগতৰ উপাদান কাৰণ নহয়। আৰু অন্য পুৰুষৰ পৰাও বিলক্ষণ, অৰ্থাৎ সকলোতে পৰিপূৰ্ণ কাৰণে পৰমাত্মাৰ নাম পুৰুষ। শৰীৰত শয়ন কৰে গতিকে জীৱৰো নাম পুৰুষ। কাৰণ এই প্ৰকৰণতেই কৈছে যে—

প্রধান শক্তি যোগাচ্চেৎ সঙ্গাপত্তিঃ ॥১॥ সত্তামাত্রাচ্চেৎ সর্বৈশ্বর্য্যম্ ॥২॥ শ্রুতিরপি প্রধান কার্য্যত্বস্য ॥৩॥

সাংখ্য সূ॰ (অ॰ ৫। সূ॰ ৮।৯।১২)॥

পুৰুষৰ লগত প্ৰধান শক্তিৰ যোগ হলে পুৰুষত সঙ্গাপত্তি ঘটে। অৰ্থাৎ যি দৰে প্ৰকৃতি সূক্ষ্মৰূপত মিলিত হৈ কাৰ্য্যৰূপত পৰিণত হৈছে সেই দৰেই পৰমেশ্বৰো স্থূল হৈ পৰে। এই হেতুকেই পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়, নিমিত্ত কাৰণহে ॥১॥

চেতনৰ পৰা জগতৰ উৎপত্তি হলে পৰমেশ্বৰৰ দৰেই জগতত সকলো ঐশ্বৰ্য্যৰ যোগ হোৱা আৱশ্যক। প্ৰকৃতিত তেনে নহয়। এই কাৰণেই পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়, নিমিত্ত কাৰণ হে ॥২॥

অজামেকাং লোহিত শুক্লকৃষ্ণাং বহ্বীঃ প্রজাঃ সৃজমানাং স্বরূপাঃ ॥

শ্বেতাশ্বতৰ উপনিষদ (অ॰ ৪। ম॰ ৫॥)

জন্মৰহিত সত্ত্ব-ৰজঃ-তমোৰূপ যি প্ৰকৃতি সেয়েই স্বৰূপাকাৰ হৈ বহু প্ৰজা সৃষ্টি হয়, অৰ্থাৎ প্ৰকৃতি পৰিণামিনী হোৱা বাবে অৱস্থাৰ পৰিবৰ্ত্তন হয়। কিন্তু পুৰুষ অপৰিণামী, গতিকে অৱস্থান্তৰ হৈ অন্য ৰূপত পৰিণত নহয়, সদায় কূটস্থ আৰু নিৰ্ব্বিকাৰ। গতিকে যি কপিলাচাৰ্য্যক অনিশ্বৰবাদী বোলে, তেওঁহে অনিশ্বৰবাদী, কপিলাচাৰ্য্য নহয়। সেই দৰেই মীমাংসাৰ "ধৰ্ম্ম", "ধৰ্ম্মী"ৰ পৰা, বৈশেষিক আৰু ন্যায়ৰ "আত্মা" শব্দৰ পৰা প্ৰমাণ হয় যে সেই সকল অনিশ্বৰবাদী নহয়। কাৰণ যি সৰ্ব্বজ্ঞত্বাদি ধৰ্ম্মযুক্ত আৰু "অস্তি সর্ব্বত্র ব্যাপ্নোতীত্যাত্মা" যি সৰ্ব্বত্ৰ ন্যাপক

আৰু সৰ্ব্বজ্ঞত্বাদি ধৰ্ম্মবিশিষ্ট আৰু সকলো জীৱৰ আত্মাস্বৰূপ, তাকেই, মীমাংসা, বৈশেষিক, আৰু ন্যায়ে ঈশ্বৰ বুলি মানে।

প্রশ্ন—ঈশ্বৰৰ অৱতাৰ হয়নে নহয় ?

উত্তৰ—নহয়, কাৰণ "**অজ-একপাৎ**" (৩৪।৫৩), "**স পর্য্যগাচ্ছুক্রমকায়ম্**" (৪০।৮) ইত্যাদি যজুৰ্ব্বেদৰ বচন। এইবোৰ বচনৰ পৰা প্ৰমাণ হয় যে ঈশ্বৰে জন্মগ্ৰহণ নকৰে।

প্রশ্ন—যদা যদা হি ধর্ম্মস্য গ্লানির্ভবতি ভাৰত।
অভ্যুত্থানমধর্ম্মস্য তদাত্মানং সৃজাম্যহম্ ॥ (ভ০ গী০ অ০ ৪। ৭)

ভগৱান কৃষ্ণই কৈছে যে যেতিয়া ধৰ্ম্মৰ গ্লানি হয় তেতিয়াই মই জন্ম গ্ৰহণ কৰো।

উত্তৰ— এই বাক্য বেদ বিৰুদ্ধ; গতিকে প্ৰমাণ বুলি ধৰিব নোৱাৰি। হব পাৰে যে ভগৱান কৃষ্ণ ধৰ্ম্মাত্মা আছিল আৰু ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰিছিল। গতিকে "মই যুগে যুগে জন্ম গ্ৰহণ কৰি শ্ৰেষ্ঠ সকলক ৰক্ষা আৰু দুষ্টবোৰক বিনাশ কৰোঁ"। (ইয়াৰ ভাৱাৰ্থ হল যে, যেতিয়া মানৱ সমাজত ধৰ্ম্মৰ অৱনতি অৰ্থাৎ নৈতিক পতন হয় তেতিয়া আত্ম-প্ৰকাশ কৰি নীতি ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰিব পৰাহে মহাত্মাৰ পৰিচয়) এনেকুৱা অৰ্থ হলে বেদ-বিৰুদ্ধ বা বিজ্ঞান-বিৰুদ্ধ হব নোৱাৰে। কাৰণ "**পরোপকারায় সতাং বিভূতয়ঃ**" যি সমাজৰ হিতাৰ্থে দেহ, মন, ধন অৰ্পণ কৰে, সেই সকলেই সৎ পুৰুষ। গতিকে এই বাক্যৰ পৰা ভগৱান কৃষ্ণ ঈশ্বৰ হোৱাৰ প্ৰমাণ নহয়।

প্রশ্ন—তেনেহলে ঈশ্বৰৰ চতুৰ্ব্বিংশ অৱতাৰ মনা হয় কিয় ?

উত্তৰ—বেদৰ অৰ্থ জ্ঞান নথকা সাম্প্ৰদায়িক সকলৰ দ্বাৰাই বিভ্ৰান্ত হৈ সৰ্ব্বসাধাৰণ মানুহ ভ্ৰমজালত আবদ্ধ হয় আৰু এনে ধৰণৰ অপ্রামাণিক কথাত বিশ্বাস কৰে।

প্রশ্ন—ঈশ্বৰৰ অৱতাৰ নহলে কংস আৰু ৰাবণ আদি দুৰ্ব্বৃত্তবোৰক কেনেকৈ বিনাশ কৰিব পাৰিলে ?

উত্তৰ—জন্ম হলেই মৃত্যু হয়। যি ঈশ্বৰে অৱতাৰ বা দেহ ধাৰণ নকৰাকৈয়ে জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয় কৰে, তেওঁৰ মানৱ কংস, ৰাবণ আদি একোটা সামান্য কীট পতঙ্গৰ তুল্যও নহয়। সৰ্ব্বব্যাপক ঈশ্বৰ কংস ৰাবণ আদিতো পৰিব্যাপ্ত হৈ থাকে, ইচ্ছা কৰিলে নিমিষতে বিনাশ কৰিব পাৰে। বাকু, যি সকলে এই অনন্ত গুণ, কৰ্ম্ম, স্বভাৱ বিশিষ্ট পৰমাত্মাক এটা ক্ষুদ্ৰ জীৱৰ দেহ বিনাশৰ কাৰণে জন্ম মৰণ-শীল অৱতাৰ হয় বুলি কয়, তেওঁলোকক জ্ঞানী বুলি বিবেচনা কৰিব পাৰি নে ? যদিও বা কোনোৱে কয় যে ভক্ত সকলক উদ্ধাৰৰ কাৰণে ঈশ্বৰে জন্মগ্ৰহণ কৰে, সিও সত্য হব নোৱাৰে। কাৰণ, যি সকল ভক্তই ঈশ্বৰৰ প্ৰতি ভক্তি ৰাখি ধৰ্ম্ম পথত চলে, সেই সকলৰ উদ্ধাৰ কৰিবলৈ সামৰ্থ্য ঈশ্বৰৰ আছে। পৃথিবী, চন্দ্ৰ, সূৰ্য্য আদি কৰি সকলো সমষ্টিৰ জগতখনৰ সৃষ্টি, স্থিতি, প্ৰলয় ৰূপ কৰ্ম্মতকৈ কংস ৰাবণ আদিৰ বিনাশ বা গোবৰ্দ্ধন পৰ্ব্বত আদিৰ উত্তোলন মহৎ কৰ্ম্ম নেকি ? পৰমেশ্বৰৰ সৃষ্টি কৰ্ম্মৰ বিষয়ে কোনোৱে যদি চিন্তা কৰি চায়, তেন্তে, এই ধাৰণাই হব যে, "**ন ভূতো ন ভবিষ্যতি**," অৰ্থাৎ ঈশ্বৰৰ সম কোনো নাই আৰু নহবও। যুক্তিৰ ফালৰ পৰাও ঈশ্বৰৰ জন্ম প্ৰমাণিত নহয়। 'অনন্ত আকাশ গৰ্ভস্থ হল, বা মুঠি মাৰি ধৰা হল,' এনেকুৱা কথা কোনোৱে যদি কয়, বিশ্বাস যোগ্য বুলি ধৰা নেযায়। কাৰণ আকাশ অনন্ত, ব্যাপক; গতিকে আকাশ ভিতৰলৈও নেযায় আৰু বাহিৰলৈও নাহে। সেইদৰেই অনন্ত সৰ্ব্বব্যাপক পৰমাত্মাৰ গমনাগমন বা স্থান পৰিবৰ্ত্তন নাই। যি স্থানত যি বস্তু নাই সেই স্থানলৈ সেই বস্তুৰ গমনাগমন হব পাৰে। গৰ্ভত থাকোঁতে পৰমেশ্বৰ ব্যাপক নাছিল নে কি যে, অন্য কোনো স্থানৰ পৰা আহি গৰ্ভত প্ৰবেশ কৰিব ? তেওঁ জানো বাহিৰত নাই যে গৰ্ভৰ পৰা জন্ম হৈ বাহিৰ ওলাব ? কেৱল মূৰ্খ আৰু অজ্ঞানীৰ বাহিৰে আন কোনেও ঈশ্বৰৰ বিষয়ে এনে ধৰণৰ কথা কব আৰু বিশ্বাস কৰিব নোৱাৰে। গতিকে ঈশ্বৰৰ গমনাগমন আৰু জন্ম মৰণ কেতিয়াও সম্ভৱ হব নোৱাৰে।

ইয়াব দ্বাবাই স্পষ্টকৈ বুজিব লাগিব যে, "ঈসা" আদি আন কোনোৱেই ঈশ্বব অৱতাব নহয়। কাবণ, বাগ, দ্বেষ, ক্ষুধা, তৃষ্ণা, ভয়, শোক, সুখ, দুঃখ, জন্ম, মৃত্যু আদি গুণ বিশিষ্ট সকলোৱেই মানুহ আছিল।

প্রশ্ন—ঈশ্বৰে তেওঁৰ ভক্ত সকলৰ পাপ বা দুষ্কর্ম্মৰ ক্ষমা কৰে নে নকৰে?

উত্তৰ—নকৰে। কাবণ পাপ ক্ষমা কবিলে ন্যায় কত থাকিব? তাব ফলত মানুহ মহাপাপী হব। ক্ষমাব কথা শুনি পাপ কর্ম্মত মানুহ নির্ভীক আৰু উৎসাহীহে হব। বজাই অপবাধীবোৱক ক্ষমা কবিলে, সিহঁতে বজাক সন্তুষ্ট কবি গুৰুতব পাপত লিপ্ত হব। বজাই অপবাধীব অপবাধ ক্ষমা কবিলে অপবাধীব ভবসা হব যে বজাব স্তুতি প্রার্থনা কবি ক্ষমা ভিক্ষা খুজিলে অপবাধ ক্ষমা কবিব। পবিণামত যি সকলে অপবাধ নকবে, সেই সকলেও দেখাক-দেখি নির্ভয়ে দুষ্কর্ম্মত প্রবৃত্ত হব। গতিকে কর্ম্মানুসাবে ফল বিধান কবাই ঈশ্বব কর্ম্ম; ক্ষমা হব নোৱাবে।

প্রশ্নঃ—জীব স্বাধীন নে পবাধীন?

উত্তৰঃ—জীব নিজব কর্ম্মত স্বাধীন, ঈশ্বব ব্যৱস্থাত পবাধীন। পাণিনীয় ব্যাকবণব সূত্র মতে **"স্বতন্ত্রঃ কর্ত্তা"**। যি স্বতন্ত্র বা স্বাধীন সিয়েই কর্ত্তা।

প্রশ্নঃ—স্বতন্ত্র কাক বোলে?

উত্তৰঃ—শবীব, প্রাণ, ইন্দ্রিয় আৰু অন্তঃকবণ আদি যাব স্বাধীন। স্বতন্ত্র নহলে কর্ম্ম ফলব, পাপ পুণ্যব অধিকাবী হব নোৱাবে। উদাহবণ ৰূপে, পবাধীন ব্যক্তিয়ে স্বামীব আৰু সেনাই সেনাধ্যক্ষব আজ্ঞা বা প্রেবণা অনুসাবে কাম কবি বা যুদ্ধত বহু লোক বিনাশ কবিও অপবাধী নহয়। সেইৰূপে পবমেশ্বৰব প্রেবণা আৰু অধীনতাত কার্য্য সমাধান হলে জীৱক পাপ পুণ্যই স্পর্শ নকবিব। তেনে কর্ম্মব প্রেবক পবমেশ্বৰহে ফলভাগী হব। কোনো ব্যক্তিয়ে কোনো অস্ত্র বিশেষেবে কাবোবাক হত্যা

কবি ধবা পবিলে, ধৃত ব্যক্তিয়েহে দণ্ড ভোগ কবে সেই শাস্ত্র বিশেষে নকবে। সেইদবে পবাধীন ব্যক্তিও পাপ পুণ্যব ভাগী হব নোৱাবে। গতিকে জীৱ নিজব শক্তি সামর্থ্য অনুসাবে কর্ম্ম কবাত স্বতন্ত্র, কিন্তু দুষ্কর্ম্ম কবিলে ঈশ্বৰ বিধি ব্যৱস্থাব পবতন্ত্র হৈ তাব ফল ভোগ কবে। সেয়ে নহলে জীৱই দুষ্কর্ম্ম কবিও সুফল কামনা কবিব।

প্রশ্ন—পবমেশ্বৰে জীৱক সৃষ্টি নকৰিলে আৰু শক্তি সামর্থ্য নিদিলে জীৱই এজোকে কবিব নোৱাবিলে হেঁতেন। গতিকে, ঈশ্বৰৰ প্রেবণাতেই জীৱই কর্ম্ম কবে?

উত্তৰ—জীৱক ঈশ্বৰে উৎপন্ন কবা নাই, জীৱ অজৰ-অমৰ আৰু অনাদি। কিন্তু সূক্ষ্ম জীৱ (পবমাণু ৰূপত) জগতব উপাদান কাবণ আৰু নিমিত্ত কাবণ ঈশ্বৰ দৰেই অনাদি। নিমিত্ত কাবণ পবমেশ্বৰ দ্বাবাই জীৱৰ দেহ আৰু ইন্দ্রিয় গোলোক সৃষ্ট হৈছে। সেইবোৰ জীৱৰ অধীন। যদি কোনোৱে কায়মনোবাক্যে কুকর্ম্ম কবে তাব ফল নিজে ভোগ কবে, ঈশ্বৰে নকবে। ভাবি চ'ক চোন, কোনো এক কমাৰে, কোনো এক পর্ব্বতব পবা লোহ সংগ্রহ কবিলে, কোনো বণিকে সেই লো কিনিলে, অন্য এক কমাৰে সেই বণিকব পবা লো কিনি নি তাৰে তৰোৱাল প্রস্তুত কবিলে, কোনো এক ব্যক্তিয়ে সেই তৰোৱাল কিনি নি তাৰেই কাৰোবাক হত্যা কবিলে। এই ক্ষেত্রত লোৰ উৎপাদন কর্ত্তা, ক্রেতা, তৰোৱাল নির্ম্মাতা আৰু তৰোৱালক ৰাজ্যিক বিধি মতে দণ্ড নিদিয়ে, কেৱল হত্যাকাৰীক হে দণ্ড দিয়ে। সেইদবে দেহাদি সৃষ্টি কর্ত্তা পবমেশ্বৰে তেওঁৰ সৃষ্ট শৰীৰাদিৰে জীৱই কর্ম্ম কবিলে কর্ম্মফল ভোগ নকবে, জীৱইহে ভোগ কবে। পবমেশ্বৰে কর্ম্ম কবিলে জীৱই পাপ কবাৰ প্রশ্নই মুঠিল-হেঁতেন। কাবণ পবমেশ্বৰ পবিত্র ধর্ম্মময়, গতিকে জীৱক পাপৰ প্রেবণা নিদিয়ে। ইয়াৰ পবা প্রমাণ হয় যে জীৱ নিজ কর্ম্মত স্বাধীন। জীৱ যেনেকৈ নিজৰ কর্ম্মত স্বাধীন, সেইদবে ঈশ্বৰো নিজৰ কর্ম্মত স্বাধীন।

প্রশ্ন—জীব আৰু পৰমেশ্বৰৰ স্বৰূপ আৰু গুণ, কৰ্ম্ম, স্বভাৱ কেনেকুৱা ?

উত্তৰ—দুয়োৰো চেতন স্বৰূপ। দুয়োৰো স্বভাৱ পবিত্ৰ। দুয়ো অবিনাশী আৰু ধৰ্ম্মপৰায়ণ আদি গুণ যুক্ত। ইয়াৰ বাহিৰে সৃষ্টি স্থিতি, প্ৰলয় জগতৰ নিয়ন্ত্ৰণ· জীৱৰ কৰ্ম্ম ফলৰ বিচাৰ কৰা আদি পৰমেশ্বৰৰ কৰ্ম্ম। সৎ অসৎ কৰ্ম্ম কৰা আৰু তাৰ ফল ভোগ কৰা জীৱৰ গুণ ধৰ্ম্ম। ঈশ্বৰ অসৎ কৰ্মত নিলিপ্ত আৰু সদানন্দ। জীৱৰ লক্ষণ—

ইচ্ছাদ্বেষ প্ৰয়ত্নসুখদুঃখজ্ঞানান্যাত্মনো লিঙ্গমিতি।

ন্যায় সূ০। (অ০ আ০ ১। সূ০ ১০) ॥

প্ৰাণা পাননিমেষোন্মেষমনো গতীন্দ্ৰিয়ান্তৰবিকাৰাঃ
সুখদুঃখেচ্ছাদ্বেষৌ প্ৰয়ত্নাশ্চাত্মনো লিঙ্গানি।

বৈশেষিক সূ০। (অ০ ৩। আ০ ২। সূ০ ৪) ॥

(ইচ্ছা) বস্তু প্ৰাপ্তিৰ অভিলাষ, (দ্বেষ) দুঃখাদি প্ৰাপ্তিৰ অনিচ্ছা, অৰ্থাৎ বৈৰভাৱ; (প্ৰয়ত্ন) পুৰুষাৰ্থ আৰু বল; (সুখ) আনন্দ, (দুঃখ) অপ্ৰিয় আৰু অপ্ৰসন্নতা; (জ্ঞান) বিবেচনা আৰু জনা এইখিনি লক্ষণ ন্যায় আৰু বৈশেষিক দৰ্শন মতে একে; কিন্তু বৈশেষিকত অতিৰিক্ত আছে (প্ৰাণ) প্ৰাণ বায়ু বাহিৰ কৰা (অপান) অপান বায়ুক ভিতৰলৈ নিয়া, (নিমেষ) চকুৰ পলক পাত কৰা, (উন্মেষ কৰা,) চকু মেলা, (মন) নিশ্চয়, স্মৰণ আৰু অহঙ্কাৰ কৰা (গতি) চলন, (ইন্দ্ৰিয়ৰ) ব্যাপাৰ, (অন্তৰ বিকাৰ) ভিন্ন ভিন্নকৈ ক্ষুধা, তৃষ্ণা, হৰ্ষ, শোক আদিৰ অনুভৱ কৰা, জীৱাত্মাৰ এইবোৰ গুণ পৰমাত্মাৰ গুণৰ পৰা পৃথক্। এইবোৰ লক্ষণৰ পৰাই আত্মাৰ প্ৰতীতি হয়। আত্মা স্থূল পদাৰ্থ নহয়। যেতিয়ালৈকে আত্মা দেহস্থ হৈ থাকে, তেতিয়ালৈকে এই গুণ বোৰৰ প্ৰকাশ পায়। আত্মাই দেহ ত্যাগ কৰিলে এই গুণ বোৰো দেহত নেথাকে। যি থাকিলে যি যি থাকে আৰু যি নেথাকিলে যি যি নেথাকে সেয়েই তাৰ গুণ। যেনেকৈ প্ৰদীপ বা সূৰ্য্যাদি নেথাকিলে প্ৰকাশ নেথাকে,

কিন্তু থাকিলে থাকে। সেই দৰেই গুণৰ দ্বাৰাই জীৱাত্মা আৰু পৰমাত্মাৰ বিশেষ বিশেষ জ্ঞান অনুভূত হয়।

প্ৰশ্ন—পৰমাত্মা ত্ৰিকালদৰ্শী গতিকে ভৱিষ্যতৰ কথা জানে। তেওঁ যি দৰেই সৃষ্টি কৰিব জীৱয়ো সেই দৰেই কৰিব। গতিকে জীৱ স্বতন্ত্ৰ হব নোৱাৰে। আৰু ঈশ্বৰে জীৱক দণ্ডও দিব নোৱাৰে। কাৰণ ঈশ্বৰে সৰ্ব্বজ্ঞভাৱে যিহকে নিৰ্দ্ধাৰণ কৰিছে, জীৱয়ে তাকেই কৰিছে ?

উত্তৰ—ঈশ্বৰক ত্ৰিকালদৰ্শী বোলাই ভুল। কাৰণ হৈ যোৱাক অতীত বোলে, যি হোৱা নাই হব তাক ভৱিষ্যত বোলে। পৰমেশ্বৰৰ কোনো জ্ঞান উৎপন্ন হৈ বিদ্যমান নেথাকে নেকি ? বা কোনো জ্ঞান হোৱা নাই, পাছত হব নেকি ? পৰমেশ্বৰৰ জ্ঞান সদায় এক ৰস আৰু অখণ্ডিত ভাৱে বৰ্ত্তমান। অতীত আৰু ভৱিষ্যত জীৱৰ কাৰণেহে ? অৱশ্যে জীৱৰ কৰ্ম্মৰ অপেক্ষাৰে ত্ৰিকালজ্ঞতা ঈশ্বৰত আছে, স্বতঃ নহয়। যেনেকৈ স্বাধীনতাৰে জীৱই কৰে, সেই দৰেই সৰ্ব্বজ্ঞতাৰে ঈশ্বৰে জানে। আৰু যেনেকৈ ঈশ্বৰে জানে সেই দৰেই জীৱই কৰে ! অৰ্থাৎ ভূত ভৱিষ্যত বৰ্ত্তমানৰ জ্ঞান আৰু ফল দিয়াত ঈশ্বৰ স্বতন্ত্ৰ আৰু জীৱ কিঞ্চিৎ বৰ্ত্তমান আৰু কৰ্ম্ম কৰাত স্বতন্ত্ৰ। ঈশ্বৰৰ অনাদি জ্ঞান হোৱাত যেনেকুৱা কৰ্ম্মৰ জ্ঞান, তেনেকুৱা দণ্ড দিয়াৰ জ্ঞানো অনাদি। তেওঁৰ দুয়ো জ্ঞানেই সত্য। কৰ্ম্মৰ জ্ঞান সত্য আৰু দণ্ডৰ জ্ঞান মিথ্যা এনেকুৱা কেতিয়াও হব নোৱাৰে। গতিকে এই বিষয়ত কোনো দোষ নঘটে।

প্ৰশ্ন—জীৱ শৰীৰত ভিন্ন বিভু নে পৰিচ্ছিন্ন ?

উত্তৰ—বিভু হোৱা হলে জাগ্ৰত, স্বপ্ন, সুষুপ্তি, জন্ম, মৰণ, সংযোগ বিয়োগ, আৰু গমনাগমন কেতিয়াও নহল হেঁতেন। এই কাৰণেই জীৱৰ স্বৰূপ অল্পজ্ঞ আৰু সূক্ষ্ম। পৰমেশ্বৰ সূক্ষ্মতকৈও সূক্ষ্ম, অনন্ত, সৰ্ব্বজ্ঞ, আৰু সৰ্ব্বব্যাপক স্বৰূপ। গতিকে জীৱ আৰু পৰমেশ্বৰৰ ভিতৰত ব্যাপ্য, ব্যাপক সম্বন্ধ।

প্রশ্ন—যি স্থানত এটা বস্তু থাকে, সেই স্থানত আন এটা বস্তু থাকিব নোৱাৰে। গতিকে জীৱ আৰু ঈশ্বৰ ভিতৰত সংযোগ সম্বন্ধ থাকিব পাৰে কিন্তু ব্যাপ্য ব্যাপক সম্বন্ধ থাকিব নোৱাৰে।

উত্তৰ—এই নিয়ম সমআকাৰ বিশিষ্ট পদাৰ্থৰ ভিতৰত খাটে অসমান আকাৰ বিশিষ্ট পদাৰ্থৰ ভিতৰত নেখাটে। যেনে লৌহ স্থূল আকাৰৰ বস্তু আৰু অগ্নি সূক্ষ্ম গতিকে লোৱ ভিতৰত অগ্নি আৰু বিদ্যুৎ ব্যাপক হৈ দুয়ো প্রকাৰ হৈ অৱস্থান কৰে। সেই দৰেই জীৱ পৰমেশ্বৰতকৈ স্থূল, আৰু পৰমেশ্বৰ জীৱতকৈ সূক্ষ্ম গতিকে পৰমেশ্বৰ ব্যাপক আৰু জীৱ ব্যাপ্য। জীৱ আৰু ঈশ্বৰৰ ভিতৰত ব্যাপ্য ব্যাপক সম্বন্ধৰ দৰে, সেব্য, সেৱক, আধাৰ আধেয়, স্বামী ভৃত্য, ৰজা প্রজা আৰু পিতা পুত্ৰ আদিৰ সম্বন্ধও আছে।

প্রশ্ন—যদি পৃথক্ পৃথক্ হয় তেন্তে ঃ—

প্রজ্ঞানং ব্রহ্ম।১॥ অহং ব্রহ্মাস্মি।২॥ তত্ত্বমসি।৩॥ অয়মাত্মা ব্রহ্ম।৪॥ বেদৰ এই মহাবাক্যবোৰৰ অর্থ কি ?

উত্তৰ—এইবোৰ বেদ বাক্য নহয় ব্রাহ্মণ গ্রন্থৰ বচন। এইবোৰ মহাবাক্য বুলি কোনো সত্য শাস্ত্রত লিখিত হোৱা নাই। অর্থ—(অহম্) মই (ব্রহ্ম) অর্থাৎ ব্রহ্মস্থ (অস্মি) হওঁ। এই ক্ষেত্রত তাৎস্থ্যোপাধি। যেনে "মঞ্চাঃ ক্রোশন্তি" মঞ্চবোৰে চিঞৰিছে। মঞ্চ জড় পদাৰ্থ, সেই বোৰৰ চিঞৰিবৰ সাধ্য নাই। অর্থাৎ মঞ্চস্থ মানুহে চিঞৰিছে। সেই দৰেই এই ক্ষেত্রতো বুজিব লাগিব। আৰু যদি কোনোৱে কয় যে—জগতৰ সকলো বস্তুৰেই যোপ ব্রহ্মস্থ, কেৱল জীৱক ব্রহ্মস্থ বোলাৰ অর্থ কি ? ইয়াৰ উত্তৰ হ'ল সকলো পদাৰ্থই ব্রহ্মস্থ হলেও, জীৱ যেনে ঈশ্বৰৰ সাধর্ম্যযুক্ত আৰু সমীপস্থ, অন্য একো তেনেকুৱা লক্ষণ যুক্ত নহয়। ইয়াৰ উপৰিও জীৱৰ ব্রহ্মজ্ঞান হয়, আৰু মুক্তিত জীৱ ব্রহ্মৰ সাক্ষাৎ সম্বন্ধ হয়। এই কাৰণেই ব্রহ্মৰ লগত জীৱৰ তাৎস্থ্য আৰু তৎসহচাৰিতোপাধি, অর্থাৎ জীৱ ব্রহ্মৰ সহচাৰী। গতিকে জীৱ আৰু ব্রহ্ম একে নহয়।

যেনেকৈ কোনোৱে কাৰোবাক কলে "মই আৰু তেওঁ এক" অর্থাৎ অবিৰোধী। সেই দৰেই যি সমাধিস্থ হৈ ব্রহ্মৰ প্রেমত বদ্ধ হৈ আনন্দত নিমগ্ন থাকে, তেওঁ কব পাৰে "মই আৰু ব্রহ্ম এক অর্থাৎ এক অবকাশস্থ।" যি ব্রহ্মৰ গুণ, কর্ম্ম, স্বভাৱ অনুযায়ী নিজে আচৰণশীল হব পাৰে, তেওঁ ব্রহ্মৰ সাধর্ম্য বশতঃ ব্রহ্মৰ লগত এক বুলি কব পাৰে।

প্রশ্ন ঃ—বাক তেনেহলে, (তৎ) ব্রহ্ম (ত্বম্) তুমি জীৱ (অসি) হোৱা" এই বাক্যৰ অর্থ কেনেকৈ কৰিব ?

উত্তৰ ঃ—আপুনি "তৎ" শব্দৰ অর্থ কি বুজিলে ? ব্রহ্ম নেকি ? তেনেহলে ব্রহ্ম পদৰ অনুবৃত্তি ক'ৰ পৰা আনিলে ?

প্রশ্ন ঃ—"সদেব সোম্যেদমগ্র আসীদেকমেবাদ্বিতীয়ং ব্রহ্ম" ॥ ১ এই বাক্যৰ পৰা।

উত্তৰ ঃ—আপুনি বোধহয় ছান্দোগ্য উপনিষদ দেখাই নাই। দেখা হলে জানিলেহেঁতেন যে সেই ঠাইত ব্রহ্ম শব্দ নাই। মিছাকৈয়ে কৈছে কিয় ? ছান্দোগ্যত আছে ঃ—

সদেব সোম্যেদমগ্র আসীদেকমেবাদ্বিতীয়ম্ ॥

(ছা॰ প্র॰ ৬। খ॰ ২। ম॰ ১।)

এনেকুৱা পাঠহে আছে, তাত ব্রহ্ম শব্দ নাই।

প্রশ্ন ঃ—তেনেহলে আপুনি "তৎ" শব্দৰ দ্বাৰা কি অর্থ কৰে ?

উত্তৰ ঃ—স য এষোঽণিমৈতদাত্ম্যমিদং সর্ব্বং তৎ সত্যং স আত্মা তত্ত্বমসি শ্বেতকেতো ইতি ॥ ছা॰ (প্র॰ ৬। ম॰ ৮। ম॰ ৭)

হে প্রিয় পুত্র শ্বেতকেতো ! সেই পৰমাত্মাকেই জানিব লাগে। তেওঁ অতি সূক্ষ্ম আৰু সমস্ত জগত আৰু জীৱৰ আত্মা। তেওঁ সত্য স্বৰূপ আৰু নিজেই নিজৰ আত্মা।

তদাত্মকস্তদন্তর্য্যামী ত্বমসি ॥

তুমি সেই অন্তর্য্যামী পৰমাত্মাৰ লগত যুক্ত। এই অর্থই উপনিষদৰ

অবিরুদ্ধ; কারণ—

য আত্মনিতিষ্ঠন্নাত্মনোন্তরোয়মাত্মা ন বেদ যস্যাত্মা শরীরম্।
আত্মনোন্তরোযময়তি স ত আত্মান্তর্য্যাম্যমৃতঃ।

এয়া বৃহদারণ্যকর বচন। মহর্ষি যাজ্ঞবল্ক্যই নিজর পত্নী মৈত্রেয়ীক কৈছে—হে মৈত্রেয়ি! যি পরমাত্মা অর্থাৎ জীরর ভিতরত বর্ত্তমান আরু জীৱাত্মার পরা পৃথক মূঢ় জীৱাত্মাই নেজানে যে সেই পরমাত্মা নিজর অর্থাৎ জীরর ভিতরত ব্যাপক রূপে আছে। জীৱাত্মা পরমাত্মার শরীর. অর্থাৎ যেনেকৈ শরীরর ভিতরত জীব থাকে, সেই দরেই জীরর ভিতরত পরমেশ্বর ব্যাপক হৈ আছে। তেওঁ জীৱাত্মার পরা পৃথক থাকি, জীরর পাপ পুণ্যর সাক্ষীরূপে, জীরক পাপ পুণ্যর ফল দি নিয়ন্ত্রণ করে। সেই অবিনাশী স্বরূপ আত্মা তোমার অন্তর্য্যামী। কারণ তোমার ভিতরত ব্যাপক হৈ আছে, তেওঁক তুমি জানা।

এইবোর বচনর কোনোৱে অন্য অর্থ করিব পারিবনে? "অয়মাত্মা ব্রহ্ম" ইয়ার অর্থ হ'ল সমাধি অৱস্থাত পরমেশ্বর যেতিয়া যোগীর প্রত্যক্ষ হয়, তেতিয়া সেই যোগীয়ে কব পারে "যি মোর ভিতরত ব্যাপক সেই ব্রহ্মই সকলোতে ব্যাপক। গতিকে যি সকল আধুনিক বেদান্তীয়ে জীব আরু ব্রহ্ম এক বুলি কয় সেই সকলে বেদান্ত শাস্ত্র মুবুজারেই প্রমাণ হয়।

প্রশ্ন—"অনেন আত্মনা জীবেনানুপ্রবিশ্য নামরূপে ব্যাকরবাণি।
(ছা॰ প্র॰ ৬। খ॰ ৩। ম॰ ২॥)

তৎসৃষ্ট্বা তদেবানুপ্রাবিশৎ। (তৈত্তিরীয়॰ ব্রাহ্মণ অনু॰ ৬॥)

পরমেশ্বরে কৈছে—, মই জগত আরু শরীর সৃষ্টি করি জগতত ব্যাপক আরু জীৱরূপে শরীরত প্রবিষ্ট হৈ নাম আরু রূপর ব্যাখ্যা করিম।" পরমেশ্বরে জগৎ আরু শরীর নির্ম্মাণ করি তার ভিতরত প্রবিষ্ট হৈ আছে, ইত্যাদি শ্রুতির অন্য অর্থ কেনেকৈ করিব।

উত্তর—আপুনি পদ, পদার্থ, আরু বাক্যার্থ জনা হলে কেতিয়াও অনর্থ অর্থাৎ বিপরীত অর্থ নকরিলেহেঁতেন। কারণ, এই ক্ষেত্রত বুদ্ধির

লাগিব যে, এক প্রবেশ, অন্য অনুপ্রবেশ, অর্থাৎ পশ্চাৎ প্রবেশ বোলা হয়। পরমেশ্বরে শরীরত প্রবিষ্ট হোৱা জীরর লগত অনুপ্রবিষ্টর দরে থাকি বেদর দ্বারা সকলো নাম রূপ আদি বিদ্যা প্রকাশ করে। শরীরর ভিতরত জীরক প্রবিষ্ট করাই স্বয়ং পরমাত্মাই জীরর ভিতরত অনুপ্রবিষ্ট হৈ আছে। আপুনি "অনু" শব্দর অর্থ জনা হলে এনেকুরা বিপরীত অর্থ নকরিলেহেঁতেন।

প্রশ্ন:—"সোঽয়ং দেবদত্তো য উষ্ণকালে কাশ্যাং দৃষ্ট স ইদানীং প্রাবৃট্‌সময়ে মথুরায়াং দৃশ্যতে॥"

অর্থাৎ সেই দেবদত্তয়েই, যাক মই গ্রীষ্মকালত কাশীত দেখিছিলো, বর্ষা কালত এতিয়া মথুরাত দেখা গৈছে। ইয়াত কাশী দেশ আরু গ্রীষ্ম কাল পরিত্যাগ করি কেৱল শরীরকেই লক্ষ্য করি দেবদত্ত লক্ষিত হৈছে। সেই দরেই এই ভাগ-ত্যাগ লক্ষণর দ্বারা ঈশ্বরর পরোক্ষ দেশ, কাল, মায়া, উপাধি আরু জীরর এই দেশ, কাল, অবিদ্যা আরু অল্পজ্ঞতা উপাধি এরি কেৱল চেতন মাত্র লক্ষ্য করিলে এক ব্রহ্ম বস্তুই উভয়ত্র লক্ষিত হয় অর্থাৎ জীব আরু ব্রহ্ম এক বস্তুরূপে দেখা যায়। এই ভাগ-ত্যাগ লক্ষণা অর্থাৎ কিঞ্চিৎ গ্রহণ আরু কিঞ্চিৎ বর্জ্জনর দ্বারা, যেনে সর্ব্বজ্ঞত্বাদি বাক্যার্থ ঈশ্বরর আরু অল্পজ্ঞত্বাদি বাক্যার্থ জীরর এরি চেতন মাত্র লক্ষ্যার্থ গ্রহণ করিলে অদ্বৈত প্রতিপাদন হয়। এতিয়া ইয়াত আপোনার বক্তব্য কি?

উত্তর:—প্রথমতঃ আপুনি জীৱ আরু ঈশ্বরক নিত্য বুলি মানে নে অনিত্য বুলি?

প্রশ্ন:—এই দুয়োকেই, উপাধিজন্য কল্পিত হোৱা বাবে অনিত্য বুলি ভাবোঁ।

উত্তর—সেই উপাধি নিত্য নে অনিত্য?

প্রশ্ন—আমার মতে:—

জীবেশৌ চ বিশুদ্ধাচিদ্বিভেদস্তু তয়োর্দ্বয়োঃ।
অবিদ্যা তচ্চিতোর্যোগঃ ষড়স্মাকমনাদয়ঃ। ১॥
কার্য্যোপাধিরয়ং জীবঃ কারণোপাধিরীশ্বরঃ।
কার্য্যকারণতাং হিত্বা পূর্ণবোধোঽবশিষ্যতে। ২॥

এইয়া 'সংক্ষেপ শারীরক" আরু "শারীরক ভাষ্যর" কারিকা। আমি বেদান্তী। আমি ছয় পদার্থ (অর্থাৎ জীব, ঈশ্বর, ব্রহ্ম, জীব আরু ঈশ্বরর বিশেষ ভেদ, অজ্ঞান, আরু অবিদ্যা) আরু চেতনর যোগ এই সকলোকে অনাদি বুলি মানো। কিন্তু এক ব্রহ্মকহে অনাদি আরু অনন্ত, বাকী পাঁচোটা অনাদি সান্ত, যেনে প্রাগভাব। যিমান দিন অজ্ঞানতা থাকে সিমান দিন পর্য্যন্ত এই পাঁচোটা থাকে, আরু এই পাঁচোটার আদি বিদিত নহয়, এই কারণেই অনাদি। জ্ঞান হোৱার পাছত ই নষ্ট হৈ যায়, গতিকে এই পাঁচোটাক সান্ত অর্থাৎ বিনাশশীল বোলে।

উত্তরঃ—আপোনালোকর এই শ্লোক দুয়োটাই অশুদ্ধ। কারণ অবিদ্যার বিনা যোগে জীব, আরু মায়ার বিনা যোগে ঈশ্বর আপোনালোকর মতে সিদ্ধ হব নোৱারে। গতিকে "তচ্চিতোর্যোগঃ" এই যে ষষ্ঠ পদার্থ আপোনালোকে গণনা করিছে, সি নেথাকিল। কারণ, সেই অবিদ্যা আরু মায়া, জীব আরু ঈশ্বর চরিতার্থ হৈ গ'ল। আকৌ ব্রহ্ম আরু মায়া বা অবিদ্যার যোগ নহলে ঈশ্বর সিদ্ধ হব নোৱারে। গতিকে ঈশ্বরক অবিদ্যা আরু ব্রহ্মর পরা পৃথক বুলি গণনা করা বৃথা। গতিকে আপোনালোকর মতানুসারে কেৱল মাত্র দুই পদার্থ অর্থাৎ ব্রহ্ম আরু অবিদ্যা সিদ্ধ হব পারে, ছয়টা নহয়। গতিকে আপোনালোকর মত অনুসারে কেৱলমাত্র দুই পদার্থ অর্থাৎ ব্রহ্ম আরু অবিদ্যাহে প্রতিপাদন হব পারে, ছয়টা নহয়। আরু অনন্ত, নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত স্বভাব আরু সর্ব্বব্যাপক ব্রহ্মত অজ্ঞান প্রতিপাদন হলেই আপোনালোকর কার্য্যোপাধি আরু কারণোপাধির পরা জীব আরু ঈশ্বর সিদ্ধ হব পারে।

যদি তেওঁর (ব্রহ্মর) এক দেশর স্বাশ্রয় আরু স্ববিষয়ত অজ্ঞান অনাদি

সর্বত্র স্বীকার করে, তেনেহলে সমস্ত ব্রহ্ম শুদ্ধ হব নোৱারে। আরু এক দেশত অজ্ঞান মানিলে, পরিচ্ছিন্ন হোৱাত ইতস্ততঃ যাতায়াত করিব। তেতিয়া যি যি স্থানলৈ যাব, সেই সেই স্থানর ব্রহ্ম অজ্ঞানী আরু যি যি স্থান এরিব সেই সেই স্থানর ব্রহ্ম জ্ঞানী হৈ হৈ যাব। গতিকে কোনো স্থানর ব্রহ্মকেই অনাদি, শুদ্ধ আরু জ্ঞানী বুলিব নোৱারিব। আরু যি ব্রহ্ম অজ্ঞানর সীমাত থাকিব তেওঁ অজ্ঞানকেহে জানিব। তেওঁর বাহিরর ব্রহ্ম আরু ভিতরর ব্রহ্ম খণ্ড খণ্ড হৈ যাব। খণ্ড খণ্ড বা ভাগ ভাগ হলে ব্রহ্মর একো ক্ষতি নাই বুলি যদি কয়, তেন্তে ব্রহ্ম অখণ্ড হৈ নেথাকিব। আরু যদি অখণ্ড বুলি কয় তেতিয়া অজ্ঞানী হব নোৱারে। আকৌ জ্ঞানর অভাব বা বিপরীত জ্ঞানো গুণ, গুণ সদায় দ্রব্যর লগত নিত্য সম্বন্ধ করি থাকে। যদি সেয়েই হয়, তেন্তে সমবায় সম্বন্ধ হয়, সমবায় সম্বন্ধ হলে কেতিয়াও অনিত্য হব নোৱারে। যেনেকৈ শরীরর এক দেশত ব্রণ অর্থাৎ ফোড়া হলে তার বিষ বেদনা সর্ব্বশরীরত বিয়পে। সেইদরেই ব্রহ্মর একদেশত অজ্ঞান, সুখ-দুখ আদির উপলব্ধি হলে, সমস্ত ব্রহ্মরেই সুখ-দুখাদি অনুভব হব। যদি কার্য্যোপাধি অর্থাৎ অন্তঃকরণর উপাধির যোগত ব্রহ্মক জীব বুলি মানে তেনেহলে সুধির খোজো—আপোনালোকর মতে ব্রহ্ম ব্যাপক নে পরিচ্ছিন্ন? যদি কয় ব্রহ্ম ব্যাপক আরু উপাধি পরিচ্ছিন্ন, অর্থাৎ একদেশী আরু পৃথক পৃথক তেনেহলে অন্তঃকরণ গতিশীল নে স্থিতিশীল?

বেদান্তী—গতিশীল।

স্বামীজী—অন্তঃকরণর লগত ব্রহ্মরো গতি করে, নে স্থির থাকে?

বেদান্তী—স্থির থাকে।

স্বামীজী—তেনেহলে অন্তঃকরণে যি যি স্থান ত্যাগ করে সেই সেই স্থানর ব্রহ্মর অজ্ঞানতা দূর হব আরু যি যি স্থানলৈ যায় সেই সেই স্থানর শুদ্ধ ব্রহ্ম অজ্ঞান হৈ হৈ যাব। ব্রহ্ম এইদরে ক্ষণে ক্ষণে জ্ঞানী আরু ক্ষণে ক্ষণে অজ্ঞানী হব পারে নেকি? মোক্ষবন্ধনো ক্ষণস্থায়ী নেকি? আরু যেনেকৈ এজনে যি

দেখে তাক অন্য এজনে স্মৰণ কৰিব নোৱাৰে, সেইদৰেই অতীতৰ দেখা বা শুনা বস্তু বা বিষয়ৰ জ্ঞান থাকিব নোৱাৰে। কাৰণ যি সময়ত দৰ্শন বা শ্ৰৱণ হৈছিল, সেইটো অন্য দেশ বা অন্য কাল আৰু যি সময়ত তাৰ স্মৰণ কৰা হয়, সেইটো অন্য দেশ বা অন্য কাল।

যদি আপুনি কয় যে, ব্ৰহ্ম এক, তেন্তে ব্ৰহ্ম সৰ্ব্বজ্ঞ নহব কিয়? অন্তঃকৰণ ভিন্ন হলে ব্ৰহ্মও ভিন্ন ভিন্ন হৈ পৰে, তেনেহলে ব্ৰহ্ম জড় বস্তু, জড় বস্তুৰ জ্ঞান হব নোৱাৰে। আৰু যদি আপুনি কয় যে, কেৱল ব্ৰহ্মৰ বা কেৱল অন্তঃকৰণৰ জ্ঞান নহয়, অন্তঃকৰণস্থ চিদাভাসৰহে জ্ঞান হয়, তেনেহলে অন্তঃকৰণৰ দ্বাৰাই চেতনৰহে জ্ঞান হয়, সেয়ে হলে নেত্ৰৰ দ্বাৰাই অল্প অল্পজ্ঞ হব কেলেই? গতিকে কাৰণোপাধি আৰু কাৰ্য্যোপাধি যোগ দি ব্ৰহ্ম, জীৱ, আৰু ঈশ্বৰৰ প্ৰমাণ কৰিব পৰা নেযায়। ঈশ্বৰ ব্ৰহ্মৰেই নাম, আৰু জীৱ ব্ৰহ্মৰ ভিন্ন, যি অনাদি, অনুৎপন্ন আৰু অমৃত স্বৰূপ অৰ্থাৎ অমৰ। আৰু যদি কয় যে, চিদাভাসৰেই নাম জীৱ তেতিয়া হলে ক্ষণভঙ্গুৰ হয়, গতিকে বিনাশশীল হৈ নষ্ট হৈ যাব। তেতিয়া মোক্ষ কাৰ হব বা কোনে মোক্ষ সুখ ভোগ কৰিব? গতিকে ব্ৰহ্ম কেতিয়াও জীৱ আৰু জীৱ কেতিয়াও ব্ৰহ্ম হব নোৱাৰে।

প্ৰশ্নঃ—তেনেহলে, "সদেব সোম্যেদমগ্ৰ আসীদেকমেবাদ্বিতীয়ম্" ছান্দোগ্যৰ এই বাক্য মতে অদ্বৈতৰ প্ৰমাণ কেনেকৈ হয়? আমাৰ মতে হলে সজাতীয়, বিজাতীয় আৰু স্বগত অবয়ৱ বোৰৱ, ব্ৰহ্মৰ পৰা কোনো ভেদ নথকাত এক ব্ৰহ্মই প্ৰমাণ হয়। জীৱ ব্ৰহ্মৰ ভিন্ন হলে অদ্বৈতৰ সিদ্ধি বা প্ৰমাণ কেনেকৈ হব?

উত্তৰঃ—এই ভ্ৰমত পৰি বিবুদ্ধি হৈছে কিয়। ব্যাকৰণৰ বিশেষ্য বিশেষণৰ দৃষ্টিৰে বিবেচনা কৰিলে অৰ্থ কি হয়? আপুনি যদি কয় যে "ব্যাবৰ্ত্তকং বিশেষণং ভবতীতি" বিশেষণ ভেদ কাৰক হয়, আৰু "প্ৰৱৰ্ত্তকং প্ৰকাশকমপি বিশেষণং ভবতীতি" বিশেষণ প্ৰবৰ্ত্তক আৰু প্ৰকাশকো হয়, ইয়াকো স্বীকাৰ কৰিব লাগিব। তেতিয়া বুজিব লাগিব 'অদ্বৈত'

বিশেষণ ব্ৰহ্মৰ। ইয়াত ব্যাবৰ্ত্তক ধৰ্ম্ম হৈছে যে অদ্বৈত বস্তু ব্ৰহ্মক অনেক জীৱ আৰু তত্ত্ব পৰা পৃথক কৰিছে আৰু বিশেষণৰ প্ৰকাশক ধৰ্ম্মৰ দ্বাৰাই ব্ৰহ্মৰ একত্ব প্ৰতিপাদন কৰিছে। ইয়াৰ উদাহৰণ স্বৰূপে "**অস্মিন্নগৱেঽদ্বিতীয়ো ধনাঢ্যো দেৱদত্তঃ। অস্যাং সেনায়ামদ্বিতীয়ঃ শূৰৱীৰো বিক্ৰমসিংহঃ।** এজনে এজনক কলে "এই নগৰত দেৱদত্ত অদ্বিতীয় ধনাঢ্য আৰু বিক্ৰমসিংহ এই সেনাৰ ভিতৰত অদ্বিতীয় শূৰৱীৰ"। ইয়াৰ দ্বাৰাই এয়ে বুজায় যে, এই নগৰত দেৱদত্তৰ সমান অন্য ধনাঢ্য আৰু এই সেনাৰ ভিতৰত বিক্ৰমসিংহৰ সমান শূৰৱীৰ দ্বিতীয় কোনো নাই, তেওঁলোকতকৈ কম অৱশ্যে আছে। ইয়াৰ উপৰিও পৃথিৱী আদি নানা জড় বস্তু পশু আদি নানাবিধ প্ৰাণী আৰু ব্ৰহ্মাদিও আছে। এইবোৰ নিষেধ অৰ্থাৎ নথকা নুবুজায়। সেই দৰেই ব্ৰহ্মৰ সমান জীৱ বা প্ৰকৃতি নহয়, কিন্তু ব্ৰহ্মতকৈ নিকৃষ্ট। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে ব্ৰহ্ম সদায় এক, জীৱ আৰু প্ৰকৃতিস্থ তত্ত্ব অনেক। অদ্বৈত বা অদ্বিতীয় বিশেষণ ব্ৰহ্মৰ, যি জীৱ আৰু প্ৰাকৃতিক তত্ত্ববোৰৰ পৰা পৃথক কৰি প্ৰতিপাদন কৰিছে। ইয়াৰ দ্বাৰাই জীৱ, প্ৰকৃতি আৰু কাৰ্য্যৰূপ জগতৰ অভাৱ বা নিষেধ নুবুজায় এইবোৰ আছে আমি দেখিছো কিন্তু ব্ৰহ্ম এই সকলোৰে ভিতৰত অদ্বিতীয় অৰ্থাৎ যাৰ সমান আৰু কোনো নাই। ইয়াৰ দ্বাৰাই অদ্বৈত আৰু দ্বৈত প্ৰতিপাদনত ব্যাঘাত নহয়। হতবুদ্ধি নহৈ চিন্তা কৰিলেই বুজিব পাৰিব।

প্ৰশ্নঃ—ব্ৰহ্মৰ সৎ, চিৎ আৰু আনন্দ, আৰু জীৱ অস্তি, জাতি, আৰু প্ৰিয়ৰূপৰ দ্বাৰাই একত্ব হয়। তেন্তে আপুনি তাৰ খণ্ডন অৰ্থাৎ প্ৰতিবাদ কৰিছে কিয়?

উত্তৰঃ—মাত্ৰ কিঞ্চিৎ সাধৰ্ম্ম্য থাকিলেই একত্ব হব নোৱাৰে। যেনে পৃথিৱী জড় আৰু দৃশ্যমান। সেই দৰেই জল আৰু অগ্নি আদিও জড় আৰু দৃশ্যমান। ইয়াৰ দ্বাৰাই পৃথিৱী, জল আৰু অগ্নিৰ একত্ব প্ৰমাণিত নহয় এইবোৰৰ ভিতৰত বৈধৰ্ম্ম্য, অৰ্থাৎ বিৰুদ্ধ ধৰ্ম্ম, যি

ইটো শিটোৰ বিপৰীত গুণ আছে। যেনে গন্ধ, ৰুক্ষতা, আৰু কঠিনত্ব, আদি পৃথিবীৰ গুণ। ৰস, দ্রবত্ব, আৰু কোমলত্ব, আদি জলৰ গুণ। ৰূপ, তপ্ততা, দাহকত্ব আদি অগ্নিৰ গুণ বা ধৰ্ম্ম। এইবোৰৰ ভিতৰত একত্ব নাই পৰস্পৰ ভিন্ন। মানুহে কীট আদিও চকুৰে দেখে, মুখেৰে খায়, পদেৰে যাতায়াত কৰে; তথাপি মনুষ্য আকৃতিত পদ দুটাহে আৰু কীটৰ অনেক পদৰ ভেদ থকাত মানুহ আৰু কীটৰ একত্ব নাই। সেই দৰেই পৰমব্ৰহ্মৰ অনন্তজ্ঞান, আনন্দ, বল, ক্রিয়া, অভ্রান্তত্ব, আৰু ব্যাপকত্ব, জীৱৰ অল্পজ্ঞান, অল্পবল, অল্পস্বৰূপ, ভ্রান্তি আৰু পৰিচ্ছিন্নতা আদি গুণ হোৱাত ব্ৰহ্ম আৰু জীৱৰ ভিন্নতা প্ৰমাণ হয়। গতিকে জীৱ আৰু ঈশ্বৰ একে নহয়, দুয়োৰো স্বৰূপো ভিন্ন, পৰমেশ্বৰ অতি সূক্ষ্ম, আৰু জীৱ পৰমেশ্বৰতকৈ স্থূল।

প্রশ্ন ঃ—**অথোদৰমন্তৰং কুৰুতে। অথ তস্য ভয়ং ভৱতি। দ্বিতীয়াদ্বৈ ভয়ং ভৱতি॥**

এইটো বৃহদাৰণ্যকৰ বচন। যি ব্ৰহ্ম আৰু জীৱৰ ভিতৰত অল্পমাত্ৰও ভেদ জ্ঞান কৰে, তেওঁ ভয় অনুভৱ কৰে। কাৰণ ভয় অন্যৰ পৰাহে হয়।

উত্তৰ ঃ—ইয়াৰ অৰ্থ এনেকুৱা নহয়, ইয়াৰ বিপৰীতহে। অৰ্থাৎ যি জীৱই ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে, বা পৰমাত্মাক কোনো দেশ বা কালত পৰিচ্ছিন্ন বুলি ভাবে, অথবা পৰমেশ্বৰৰ প্ৰেৰণা গুণ, কৰ্ম্ম স্বভাৱৰ বিৰুদ্ধাচৰণ কৰে আৰু যদি কোনো মনুষ্যৰ প্ৰতি বৈৰভাৱাপন্ন হয়, সিহে ভয়ভীত হয়। কাৰণ দ্বিতীয় বুদ্ধি অৰ্থাৎ ঈশ্বৰৰ লগত মোৰ কোনো সম্বন্ধ নাই, এনেকুৱা ভাব হলে, আৰু যদি কাৰোবাক কয় "মই তোমাক গণা নকৰো তুমি মোক একো কৰিব নোৱাৰা" অথবা কাৰোবাৰ ক্ষতি কৰে, বা কষ্ট দিয়ে তেতিয়া সেই ব্যক্তিৰ পৰাই তেওঁৰ ভয়ৰ কাৰণ হয়। আৰু সকলো প্ৰকাৰে অবিৰুদ্ধ হলেই এক বোলা হয়। যেনেকৈ মানুহে কয় "দেবদত্ত, যজ্ঞদত্ত আৰু বিষ্ণুমিত্ৰ এক অৰ্থাৎ পৰস্পৰ অবিৰুদ্ধ। বিৰুদ্ধ

নেথাকিলেই সুখ শান্তি আৰু বিৰোধ থাকিলেই দুখ অশান্তি ঘটে।

প্রশ্ন— ব্ৰহ্ম আৰু জীৱ এক নে বেলেগ বেলেগ? যদি বেলেগ, তেন্তে দুয়ো মিলি কেতিয়াবা এক হয় নে নহয়?

উত্তৰ—অলপ আগতে ইয়াৰ কিছু উত্তৰ দিয়া হৈছে। সাধৰ্ম্ম্য অন্বয়ভাৱত একতা হয়। যেনেকৈ আকাশ আৰু মূৰ্ত্তদ্রব্যত সাধাৰণ ধৰ্ম্ম জড়ত্ব থকা বাবে আৰু মূৰ্ত্তদ্রব্যবোৰ সদায় আকাশতে থাকে কাৰণে এই উভয়ৰ একতা আছে। আনহাতে আকাশত থকা বিভুত্ব, সূক্ষ্মত্ব, ৰূপহীনতা, অনন্তত্ব আদি মূৰ্ত্তদ্রব্যত নাই, বৰং তাৰ বিপৰীত গুণ পৰিচ্ছিন্নত্ব, দৃশ্যত্ব, আদিহে আছে; সেয়ে এনেবোৰ বৈধৰ্ম্ম্যৰ বাবে ইহঁত বেলেগ বেলেগ। সকলো মূৰ্ত্ত দ্রব্যৰ আকাশত অৱস্থিতি। ইয়াকেই অন্বয় বোলে, যিহেতু আকাশ বিনা স্থান নাই। কিন্তু স্বৰূপত ভিন্ন হোৱাৰ কাৰণে ব্যতিৰেক। এইদৰেই ব্ৰহ্ম ব্যাপক হোৱাৰ কাৰণে জীৱ আৰু পৃথিবী আদি সকলো দ্রব্য ব্ৰহ্মৰ পৰা পৃথক হব নোৱাৰে আৰু স্বৰূপত একেও নহয়। যেনেকৈ গৃহ নিৰ্ম্মাণ হোৱাৰ আগতে ভিন্ন ভিন্ন দেশৰ বা স্থানৰ মাটি কাঠ, লো আদি পদাৰ্থ আকাশতেই থাকে, নিৰ্মিত গৃহও আকাশতেই থাকে, যেতিয়া গৃহ নষ্ট হয় অৰ্থাৎ ভাগি ছিগি ভিন্ন ভিন্ন ভূত বা অৱস্থালৈ পৰিবৰ্ত্তন হয় তেতিয়াও আকাশতেই থাকে। তিনিও কালত আকাশতেই থাকে, কিন্তু স্বৰূপত গৃহ আকাশৰ পৰা ভিন্ন হোৱাত কেতিয়াও একে নাছিল আৰু হবও নোৱাৰে। এইদৰেই পৰমেশ্বৰ ব্যাপক হোৱাত জীৱ আৰু সংসাৰৰ সকলো পদাৰ্থ পৰমেশ্বৰত ব্যাপ্য হৈ আছে। ব্যাপকৰ পৰা ব্যাপ্য ভিন্ন আৰু স্বৰূপো ভিন্ন হোৱাত একে নহয়। আজি কালি বেদান্তী সকলৰ দৃষ্টিৰে কেৱল অন্বয়ৰ দিক হে দেখে, ব্যতিৰেকৰ দৃষ্টি একেবাৰেই হেৰুৱাই পেলাইছে। এনেকুৱা বস্তু একো নাই যাৰ সগুণ নিৰ্গুণতা, অন্বয় ব্যতিৰেক, সাধৰ্ম্ম্য বৈধৰ্ম্ম্য আৰু বিশেষ্য বিশেষণৰ ভাৱ নাই।

প্রশ্ন—পৰমেশ্বৰ সগুণ নে নিৰ্গুণ?

উত্তৰ—উভয়; অর্থাৎ সগুণ আৰু নিৰ্গুণ।

প্ৰশ্ন—সেয়ে যদি হয় তুখন তৰোবাল একেটা খাপত কেনেকৈ থাকে ? একেটা পদাৰ্থতে সগুণতা আৰু নিৰ্গুণতা কেনেকৈ থকা সম্ভৱ ?

উত্তৰ—যেনেকৈ জড় বস্তুত ৰূপ আদি আছে, চেতনৰ দৰে জ্ঞান আদি গুণ জড় পদাৰ্থত নাই, সেইদৰেই চেতনৰ ইচ্ছা আদি গুণ আছে, কিন্তু জড়ৰ দৰে ৰূপ আদি গুণ চেতনত নাই। গতিকে—"যদ্‌গুণৈঃ সহ বর্ত্তমানং তৎ সগুণম্," "গুণেভ্যো যন্নির্গতং পৃথক্‌ভূতং তন্নির্গুণম্"—অর্থাৎ যি গুণ বিশিষ্ট সি সগুণ আৰু যি গুণ-বিহীন তাক নিৰ্গুণ বোলে। নিজৰ নিজৰ স্বাভাৱিক গুণযুক্ত আৰু অন্য বিৰোধী বা বিপৰীত গুণ ৰহিত হোৱাৰ কাৰণে সকলো পদাৰ্থই সগুণ আৰু নিৰ্গুণ। কেৱল সগুণত্ব বা কেৱল নিৰ্গুণত্ব বিশিষ্ট কোনো পদাৰ্থ নাই। ৰৱং একেটা পদাৰ্থতেই সগুণত্ব আৰু নিৰ্গুণত্ব সদায় আছে। সেইদৰেই পৰমেশ্ৱৰৰ স্বীয় অনন্ত জ্ঞান, বল ইত্যাদি গুণ থকাৰ কাৰণে সগুণ, কিন্তু ৰূপ আদি জড়ৰ গুণ, আৰু ৰাগ, দ্বেষ আদি জীৱৰ গুণ নথকাত তেওঁক নিৰ্গুণ বুলি কোৱা হয়।

প্ৰশ্ন—সংসাৰত নিৰাকাৰক নিৰ্গুণ আৰু সাকাৰক সগুণ বোলে নে ? অর্থাৎ পৰমেশ্ৱৰে যেতিয়া জন্মগ্ৰহণ নকৰে তেতিয়া নিৰ্গুণ, আৰু যেতিয়া অৱতাৰ ৰূপত অৱতীৰ্ণ হয় তেতিয়া তেওঁক সগুণ বোলা নহয় জানো ?

উত্তৰ—এইবোৰ কেৱল অজ্ঞানী আৰু অল্পজ্ঞ সকলৰ কল্পনা মাত্ৰ। মূৰ্খ সকলে সন্নিপাত জ্ৱৰত পীড়িতৰ দৰে প্ৰলাপ বকে, তেনেবোৰ লিখা বা কোৱা জ্ঞানী সকলে নিৰৰ্থক বুলি বিবেচনা কৰে।

প্ৰশ্ন—পৰমেশ্ৱৰ আসক্ত নে নিৰাসক্ত ?

উত্তৰ—এই দুটাৰ এটাও নহয়। কাৰণ নিজতকৈ শ্ৰেষ্ঠ কোনো ভিন্ন বস্তুৰ প্ৰতিহে আসক্তি হয়। পৰমেশ্ৱৰৰ পৰা বিচ্ছিন্ন বা পৰমেশ্ৱৰৰ অপ্ৰাপ্ত আৰু পৰমেশ্ৱৰতকৈ শ্ৰেষ্ঠ পদাৰ্থ হবই নোৱাৰে। গতিকে সেই

পৰম পুৰুষৰ আসক্তি থকা সম্ভৱ নহয়। প্ৰাপ্ত বস্তুৰ প্ৰতি বিতৃষ্ণা বা পৰিত্যাগ কৰাক বিৰাগ বোলে। পৰমেশ্ৱৰ যিহেতু সৰ্ব্বব্যাপক, কোনো বস্তু ভাল নোপোৱাৰ বা ত্যাগ কৰাবো সম্ভৱ নহয়। গতিকে পৰমেশ্ৱৰ বিৰাগীও নহয়।

প্ৰশ্ন—পৰমেশ্ৱৰৰ ইচ্ছা আছে নে নাই ?

উত্তৰ—তথাকথিত ইচ্ছা নাই। কাৰণ, যি বস্তুৰ প্ৰাপ্তিত বিশেষ সুখ হব পাৰে, তেনেকুৱা অপ্ৰাপ্ত উত্তম বস্তুৰ কাৰণে ইচ্ছা হয়। ঈশ্ৱৰৰ বিষয়ে তেনে সম্ভাৱনা থকা হলে, ইচ্ছা থকাবো সম্ভৱ হলহেঁতেন, কিন্তু ঈশ্ৱৰৰ কোনো বস্তু অপ্ৰাপ্ত নাই, আৰু ঈশ্ৱৰতকৈ উত্তম আৰু পৰম সুখজনক কোনো পদাৰ্থই নাই, তেনেস্থলত ঈশ্ৱৰৰ সুখৰ অভিলাষ কেনেকৈ থাকিব ? গতিকে তেওঁৰ ইচ্ছা থকাবো সম্ভৱ নহয়। কিন্তু সকলো প্ৰকাৰৰ বিদ্যাৰ দৰ্শন আৰু সৃষ্টিৰ ৰচনাক ঈক্ষণ বোলে, সেই ঈক্ষণেই তেওঁৰ আছে।

এইবোৰ বিষয় সংক্ষেপতে আলোচনা কৰা হ'ল। সৎপুৰুষে ইয়াৰ পৰাই বিস্তাৰিত বিবেচনা কৰিব পাৰিব।

ঈশ্ৱৰৰ বিষয়ে সংক্ষেপত ইমানলৈকে লিখি, ইয়াৰ পাছত বেদৰ বিষয়ে লিখা হব :—

যস্মাদৃচো অপাতক্ষন্‌ যজুর্যস্মাদপাকষন্‌।
সামানি যস্য লোমান্যথর্বাঙ্গিরসো মুখম্‌।
স্কম্ভস্তং ব্রূহি কতমঃ স্বিদেব সঃ॥

অথর্ব্ব • কা• ১০। প্ৰপা• ২৩। অনু • ম• ২০॥

যাৰ পৰা ঋগ্বেদ, যজুৰ্ব্বেদ, সামবেদ আৰু অথর্ব্ববেদ প্ৰকাশিত হৈছে, তেওঁ কোন, কোন দেৱতা ? ইয়াৰ উত্তৰ এয়ে যে যি সকলো সৃষ্টি কৰি ধাৰণ কৰি আছে, তেওঁ পৰমাত্মা।

স্বয়ম্ভুর্যথাতথ্যতোঽর্থান ব্যদধাচ্ছাশ্বতীভ্যঃ সমাভ্যঃ॥

যজু • অ • ৪। ম • ৮॥

যি স্বয়ম্ভূ, সর্ব্বব্যাপক, শুদ্ধ, সনাতন, নিৰাকাৰ পৰমেশ্বৰ, তেওঁ সনাতন জীৱৰূপী প্ৰজাসকলৰ কল্যাণৰ অৰ্থে, (আৰু) যথাৰৎ ৰীতি অনুসাৰে বেদৰ দ্বাৰাই সকলো বিদ্যাৰ প্ৰকাশ অৰ্থাৎ উপদেশ কৰে।

প্ৰশ্ন—আপুনি পৰমেশ্বৰক নিৰাকাৰ বুলি মানে নে সাকাৰ বুলি ?

উত্তৰ :—নিৰাকাৰ বুলি মানো।

প্ৰশ্ন :—তেনেহলে মুখ আদি অবয়ৱহীন নিৰাকাৰ পৰমেশ্বৰে কেনেকৈ বৰ্ণ উচ্চাৰণ কৰি বেদ বিদ্যাৰ উপদেশ কৰে ? জিহ্বাৰ প্ৰয়ত্ন আৰু তালু আদি স্থান বিশেষতহে বৰ্ণ বিশেষৰ উচ্চাৰণ হব পাৰে।

উত্তৰঃ—পৰমেশ্বৰ সর্ব্বশক্তিমান্ আৰু সর্ব্বব্যাপক গুণে নিজৰ ব্যাপ্তিৰ দ্বাৰাই জীৱ সকলক জ্ঞান বিদ্যাৰ উপদেশ দিয়াত তেওঁৰ মুখ আদিৰ আৱশ্যক নকৰে। কাৰণ, নিজৰ কাৰণে মুখ জিহ্বা আদিৰে বৰ্ণ উচ্চাৰণ কৰাৰ প্ৰয়োজন নাই, আনক জনাবৰ কাৰণেহে প্ৰয়োজন। মুখ জিহ্বাৰে কাম নকৰাকৈও মনে মনে অনেক বিষয়ৰ বিবেচনা আৰু শব্দৰ উচ্চাৰণ হৈ থাকে। আঙুলিৰে কৰ্ণৰন্ধ্ৰ বন্ধ কৰি চাওক, আৰু শুনক, মুখ জিহ্বা আৰু তালু আদিয়ে কাম নকৰাকৈয়ে অনৱৰত শব্দ হবই লাগিছে। সেই দৰেই ঈশ্বৰে অন্তর্য্যামীৰূপে জীৱক উপদেশ দি আহিছে। কেৱল আনক বুজাবৰ কাৰণেহে উচ্চাৰণৰ প্ৰয়োজন হয়। নিৰাকাৰ সর্ব্বব্যাপক পৰমেশ্বৰ জীৱস্থ স্বৰূপে জীৱাত্মাতেই নিজৰ সকলো বেদ বিদ্যাৰ উপদেশ প্ৰকাশ কৰে। পুনঃ তাকেই মানুহে নিজৰ নিজৰ মুখেৰে উচ্চাৰণ কৰি আনক শুনায়। গতিকে নিৰাকাৰ ঈশ্বৰে জ্ঞান বিদ্যাৰ উপদেশ দিয়াত আপোনাৰ সংশয় থাকিব নোৱাৰে।

প্ৰশ্ন :—ঈশ্বৰে কেতিয়া আৰু কাৰ আত্মাত বেদৰ প্ৰকাশ কৰিছিল ?

উত্তৰ :—অগ্নের্ঋগ্বেদো বায়োর্যজুর্ব্বেদঃ সূর্য্যাৎ সামবেদঃ ॥

শত॰ (১১।৪।২।৩) ॥

পৰমাত্মাই প্ৰথম সৃষ্টিৰ আদিতে অগ্নিৰ পৰা ঋগবেদ বায়ুৰ পৰা যজুর্ব্বেদ, সূর্য্যৰ পৰা সামবেদ প্ৰকাশ কৰে আৰু অঙ্গিৰাৰ পৰা অথর্ব্ব বেদ প্ৰকাশ কৰে।

প্ৰশ্ন—যো বৈ ব্ৰহ্মাণং বিদধাতি পূর্ব্বং যো বৈ বেদাংশ্চ প্ৰহিণোতি তস্মৈ ॥ (শ্বেতাশ্ব॰ অ॰ ৩।ম॰ ১৮)

এই উপনিষদৰ বচন অনুসাৰে পৰমেশ্বৰে প্ৰথম ব্ৰহ্মাৰ হৃদয়ত বেদৰ উপদেশ দিছিল, তেনেহলে আকৌ অগ্নি আদি ঋষি সকলৰ আত্মাত তাকেই প্ৰকাশ কৰিলে কিয় ?

উত্তৰ :—ব্ৰহ্মাৰ আত্মাত অগ্নি আদিৰ দ্বাৰাই বেদ প্ৰকাশ কৰিছিল। মনু স্মৃতিত কি লিখিছে শুনক।

অগ্নিবায়ুৰবিভ্যস্তু ত্রয়ং ব্রহ্ম সনাতনম্।
দুদোহ যজ্ঞসিদ্ধ্যর্থমৃগ্ যজু. সামলক্ষণম্ ॥ মনু॰ (১।২৮) ॥

মনুষ্য সৃষ্টিৰ আদিতে পৰমাত্মাই অগ্নি আদি চাৰি ঋষিৰ দ্বাৰাই ব্ৰহ্মাক চাৰি বেদৰ শিক্ষা দিছিল। অগ্নি, বায়ু, আদিত্য আৰু অঙ্গিৰাৰ পৰা ব্ৰহ্মাই ঋক্, যজুঃ, সাম, অথর্ব্ব এই চাৰি বেদৰ জ্ঞান পাইছিল।

প্ৰশ্ন :—এই চাৰিজনৰ অন্তৰতেই জ্ঞান প্ৰকাশ কৰিছিল, অন্য সকলৰ অন্তৰত কৰা নাই যেতিয়া, ঈশ্বৰ পক্ষপাতী নহ'লনে ?

উত্তৰ :—এই চাৰিজনেই সকলো জীৱৰ ভিতৰত সকলোতকৈ পৰিত্ৰ আছিল, তেওঁলোকৰ দৰে অন্য কোনো নাছিল। গতিকেই তেওঁলোকৰ অন্তৰত সত্য জ্ঞানৰ বিকাশ হৈছিল।

প্ৰশ্ন :—অন্যান্য ভাষাত বেদ প্ৰকাশ নকৰি কেৱল সংস্কৃত ভাষাতেই বেদ ৰচনা কৰিলে কিয় ?

উত্তৰ :—কোনো দেশীয় ভাষাত প্ৰকাশ কৰিলেই ঈশ্বৰ পক্ষপাতী হলহেঁতেন। কাৰণ যি দেশৰ ভাষাত প্ৰকাশ কৰিলেহেঁতেন সেই দেশৰ অধিবাসী সকলৰ বেদৰ অধ্যয়ন আৰু অধ্যাপনা সহজ হলহেঁতেন আৰু অন্যান্য দেশৰ বাবে কঠিন হলহেঁতেন। এই বিবেচনাতেই সংস্কৃত ভাষাত

প্রকাশ কবে। সংস্কৃত কোনো দেশব কথিত ভাষা নহয়। আক বেদ ভাষাই অন্য সকলো ভাষাব মূল। সেই ভাষাতেই বেদব প্রকাশ কবা হৈছে। যেনেকৈ ঈশ্বব সৃষ্টি পৃথিবী আদি সকলোদেশ আক দেশবাসীব কাবণে একে আক সকলো শিল্প বিদ্যাব মূল, সেই পবমেশ্ববব বিদ্যাব ভাষাও একে হোৱাই উচিত; যাব অধ্যয়নত সকলো দেশব লোকব সমান পবিশ্রম হব। গতিকে ঈশ্বব পক্ষপাতী নহয় আক সংস্কৃত সকলো ভাষাব মূলো।

প্রশ্ন—বেদ যে ঐশ্বিক প্রকাশ, অন্যব নহয়, এই বিষয়ে প্রমাণ কি ?

উত্তব—যেনেকৈ ঈশ্বব পবিত্র, সর্ব্ববিদ্যাবিদ শুদ্ধ গুণ কর্ম্ম স্বভাব বিশিষ্ট, ন্যায়কাবী দয়ালু আক অন্যান্য গুণ সম্পন্ন, যি শাস্ত্র তেনেকুবা ঈশ্বব গুণ, কর্ম্ম স্বভাবব অনুকুল সেই শাস্ত্র ঈশ্বব বাহিবে আনব দ্বাবাই প্রকাশ হব নোৱাবে। যি শাস্ত্র বা সাহিত্যত সৃষ্টি ক্রম, প্রত্যক্ষাদি প্রমাণ আক পবিত্র আপ্ত পুৰুষসকলব আচবণব বিরুদ্ধকথা নাই, সেই শাস্ত্র ঈশ্বব বাণী। ঈশ্বব জ্ঞান অভ্রান্ত, যি শাস্ত্রত সেইদবে অভ্রান্ত জ্ঞানব প্রতিপাদন হৈছে, সেই শাস্ত্র ঈশ্বব প্রণীত। যি শাস্ত্রব পবা পবমেশ্ববব, সৃষ্টিব, কাবণ, আক জীবব স্বৰূপ জ্ঞান আক উপলব্ধি হয় সেই শাস্ত্র ঈশ্বব প্রেবিত আক বেদত সৎ পুৰুষ সকলব বিবেচনাব অথবা প্রত্যক্ষাদি প্রমাণব বিরুদ্ধবাদ নাই, গতিকে বেদত পবমাত্মাব জ্ঞান বিজ্ঞান পবমাত্মাব দ্বাবাই ধ্বনিত হৈছে। বেদত ব্যক্তি বিশেষব, সম্প্রদায় বিশেষব বা কোনো জাতি বিশেষব পক্ষপাত নাই।

প্রশ্ন—ঈশ্বব দ্বাবাই বেদ প্রকাশব কোনো প্রয়োজন নকবে, কাবণ মানুহব ক্রমশঃ জ্ঞানব বিকাশব ফলত নৈতিক বিষেচনাবো ক্রমোন্নতি হব পাবে।

উত্তব—নহয়, আক হবও নোৱাবে। বিনা কাবণে কার্য্যব উৎপত্তি

অসম্ভব। বনবীয়া বনবাসী মানুহে জগতক দেখি জগৎবিজ্ঞানী নহয়, কোনো শিক্ষকব সহায়তহে হব পাবে। এই জ্ঞান বিজ্ঞানব যুগতো এজনব ওচবত নিশিকিলে কোনোৱে বিদ্বান হব নোৱাবে। সেইদবেই সৃষ্টিব আদিতে ঈশ্বৰে ঋষি সকলক আক ঋষি সকলে অন্যান্য মানুহক জ্ঞান বিদ্যা অর্থাৎ বেদ বিদ্যা নিদিয়া হলে সকলো অজ্ঞান আন্ধাবতেই নিমগ্ন হৈ থাকিলহেতেন। কোনো মানব শিশুক জন্মব পাছব পবাই নির্জ্জন ঠাইত, মূর্খব লগত অথবা পশুব লগত বাখিলে, যাব সঙ্গত ডাঙব হয়, তাব দবেই হব। বনবাসী ভীল আদি উপজাতিব দৃষ্টান্তই যথেষ্ট প্রমাণ দিয়ে। যেতিয়ালৈকে বেদব উৎপত্তিস্থল আর্য্যাবর্ত্তব পবা শিক্ষাব বিস্তাব হোৱা নাছিল, তেতিয়ালৈকে মিচব, গ্রীচ, আক ইউবোপ আদিব অন্যান্য দেশবোবতো কোনো বিদ্যাবেই প্রচাব হোৱা প্রমাণ নাই। ইউবোপব কলম্বচব দবে ব্যক্তি সকলে যেতিয়ালৈকে আমেবিকা আদিব আবিষ্কাব কবা নাছিল তেতিয়ালৈকে তাব মানুহ অজ্ঞান আন্ধাবতেই আছিল। তাব পাছত সুশিক্ষাব সংযোগতহে জ্ঞান বিজ্ঞানত উন্নতি কবিব পাবিছে। সেইদবেই মানুহে আদিতে ঈশ্বব প্রদত্ত জ্ঞানব পবাইহে দিনক দিনে জ্ঞান বিজ্ঞানব উন্নতি কবি আহিব লাগিছে।

স এষ পূর্ব্বেষামপি গুরুঃ কালেনানবচ্ছেদাৎ ॥

(যোগ মুঃ সমাধিপাদ, সূঃ ২৬॥)

বর্ত্তমান কালত আমি যেনেকৈ শিক্ষকব পবা শিক্ষা পাই বিদ্যা লাভ কবিছো, সেইদবেই সৃষ্টিব আবম্ভত উৎপন্ন অগ্নি আদি ঋষি সকলবো গুরু অর্থাৎ শিক্ষক হৈছে পবমেশ্বব। তেওঁব জ্ঞান নিত্য, সুষুপ্তি আক প্রলয় কালতো জীবব দবে জ্ঞান নোহোৱা নহয়। গতিকে নিশ্চিত সিদ্ধান্ত এয়ে যে, নিমিত্ত নাথাকিলে নৈমিত্তিক অর্থ প্রতিপন্ন কেতিয়াও নহয়।

প্রশ্ন—বেদ সংস্কৃত শব্দব ধ্বনিতেই প্রকাশিত হৈছিল। অগ্নি আদি

ঋষি সকলে সেই ভাষা জনা নাছিল, তেনেহলে সেই ব্যক্তি সকলে বেদৰ অর্থ জানিলে কেনেকৈ ?

উত্তৰ :—পৰমেশ্বৰ পৰাই বেদৰ অর্থ জ্ঞান পায়। জিজ্ঞাসু ধর্ম্ম-পৰায়ণ যোগী ঋষি সকলে যি যি মন্ত্ৰৰ অর্থ জিজ্ঞাসাৰে পৰমেশ্বৰত ধ্যানাবস্থিত হৈ সমাধিস্থ হৈছিল, তেতিয়াই পৰমাত্মাই সেই সেই মন্ত্ৰ শব্দৰ অর্থ উপলব্ধি কৰাইছিল। এই দৰে যেতিয়া অনেকৰ আত্মাত বেদার্থৰ অনুভূতি আৰু বিকাশ হয়, তেতিয়াৰ পৰাই সেই সেই বেদার্থ, আৰু সেই সেই ঋষিৰ নাম উল্লেখ কৰি অন্যান্য ঋষি-মুনি সকলে গ্ৰন্থ ৰচনা কৰে। এইবোৰ গ্ৰন্থৰ নাম "ব্ৰাহ্মণ" হয়। ব্ৰহ্ম বা বেদৰ ব্যাখ্যা গ্ৰন্থ হোৱাৰ কাৰণেই এইবোৰৰ নাম ব্ৰাহ্মণ হয়। আৰু—

ঋষয়ো (মন্ত্ৰদৃষ্টয়ঃ)·····**মন্ত্ৰান সম্প্ৰাদুঃ** ॥ নিৰু • (১।২০) ॥

যি যি ঋষিয়ে যি যি মন্ত্ৰৰ অর্থ প্রথম প্রদর্শন কৰিলে, তাৰ আগতে সেইবোৰ মন্ত্ৰৰ অর্থ কোনেও প্রকাশ কৰা নাই। তেওঁলোকে যি অর্থ দর্শন কৰিছিল তাকেই আনকো শিক্ষা দিছিল। সেই কাৰণেই বেদৰ মন্ত্ৰবোৰৰ লগত সেই সেই ঋষি সকলৰ নাম স্মৰণৰ কাৰণে নিবদ্ধ হৈ আছে। সেই ঋষি সকলক মন্ত্ৰ ৰচয়িতা বোলা ভুল, কাৰণ সেই সকল মন্ত্ৰৰ দ্রষ্টা আৰু প্রকাশক হেমাত্র।

প্রশ্ন :—তেনেহলে কোন গ্ৰন্থৰ নাম বেদ ?

উত্তৰ :—ঋক্, যজুঃ, সাম আৰু অথর্ব্ব মন্ত্ৰ সংহিতাৰ নাম বেদ। অন্য কোনো গ্ৰন্থৰ নাম বেদ নহয়।

প্রশ্ন :—"মন্ত্ৰব্ৰাহ্মণয়োর্ব্বেদনামধেয়ম্"॥ ইত্যাদি কাত্যায়ন আদি মুনিৰ প্রতিজ্ঞাসূত্রৰ কি অর্থ কৰিব ?

উত্তৰ :—সংহিতা গ্ৰন্থৰ আৰম্ভ আৰু অধ্যায়ৰ শেষত "বেদ" শব্দ লিখিত হৈ আছে আৰু সেয়েই অনাদি কালৰ পৰাই চলি আহিছে। কিন্তু ব্ৰাহ্মণ গ্ৰন্থৰ আৰম্ভণিত বা অধ্যায় শেষত সেইদৰে 'বেদ' শব্দ লিখিত হোৱা নাই। ইয়াৰ উপৰিও নিৰুক্ত শাস্ত্ৰত আছে :—

ইত্যপি নিগমো ভৱতি। ইতি ব্ৰাহ্মণম্। (নিঃ অঃ ৫ খঃ ৩।৪) ॥ **ছন্দো ব্ৰাহ্মণানি চ তদ্বিষয়াণি ॥** (অষ্টাধ্যাঃ ৪।২।৬৬) ॥

এই পাণিনিৰ সূত্ৰৰ পৰাও স্পষ্টকৈ জানিব পাৰি যে, মন্ত্ৰ ভাগ বেদ আৰু ব্যাখ্যা ভাগ ব্ৰাহ্মণ। এই বিষয়ে বিস্তাৰিত ব্যাখ্যা মোৰ দ্বাৰাই ৰচিত "ঋগ্বেদাদি ভাষ্যভূমিকাত" পাব। মোৰ সেই গ্ৰন্থত প্রতিপাদন কৰা হৈছে যে সকলো দৃষ্টিৰেই প্রমাণৰ অভাৱ গতিকে উক্ত বাক্য কাত্যায়ন মুনিৰ হব নোৱাৰে। কাত্যায়ন মুনিৰ নামত আন কোনোবাই লিখিব পাৰে। সেই বচনৰ অর্থ মতে বেদ কেতিয়াও সনাতন হব নোৱাৰে। কাৰণ ব্ৰাহ্মণ গ্ৰন্থবোৰত বহু ঋষি, মুনি, আৰু ৰজাৰ ইতিহাসৰ উল্লেখ আছে। কাৰণ কাৰোবাৰ ইতিহাস হলে তেওঁৰ জন্মৰ পাছতহে লিখিত হব পাৰে, সেই গ্ৰন্থবোৰো তেওঁলোকৰ জন্মৰ পাছত হৈছে। বেদত তেনে কাৰো ইতিহাস নাই, বেদৰ ভিতৰত যিবোৰ শব্দৰ পৰা জ্ঞান হয় তেনেবোৰ শব্দহে আছে। কোনো মানুহ বিশেষৰ নাম বা কাৰো আখ্যান উপাখ্যান অথবা কথা প্রসঙ্গ বেদত নাই।

প্রশ্ন—বেদত কিমান শাখা আছে ?

উত্তৰ—এঘাৰশ সাতাইশ।

প্রশ্ন—শাখা কাক বোলে ?

উত্তৰ—ব্যাখ্যানকেই শাখা বোলে।

প্রশ্ন—পণ্ডিত সকলে বেদৰ অবয়বভূত বিভাগবোৰক শাখা নোবোলেনে ?

উত্তৰ—সেইটো যথার্থ হয় নে নহয় অলপ বিবেচনা কৰিলেই বুজিব পাৰিব। কাৰণ বেদৰ সকলো শাখা আশ্বলায়ন আদি ঋষি সকলৰ নামেৰে প্রসিদ্ধ, কিন্তু মন্ত্ৰসংহিতা ঈশ্বৰৰ নামেৰে প্রসিদ্ধ। চাৰি বেদক যেনেকৈ ঈশ্বৰৰ বাণী বুলি মনা হয়, সেই দৰেই আশ্বলায়নী আদি শাখাবোৰো সেই সেই ঋষিৰ ৰচিত বুলিয়েই মনা হয়। সকলো শাখাত মন্ত্ৰৰ প্রতীক ধৰিয়েই ব্যাখ্যা কৰা হৈছে।

যেনে. তৈত্তিরীয় শাখাত "ইষেত্বোর্জ্জে ত্বেতি" ইত্যাদি প্রতীক ধৰি ব্যাখ্যা কৰা হৈছে। কিন্তু বেদসংহিতাত কোনো প্রতীক লোৱা নাই। গতিকেই চাৰিবেদেই মূল. আৰু পৰমাত্মাৰ ধ্বনি। আশ্বলায়ন আদি সকলো শাখা ঈশ্বৰৰ বাণী নহয়, ঋষি মুনিসকলৰ প্রণীত। ইয়াৰ বিস্তাৰিত ব্যাখ্যা ঋগ্বেদাদি ভাষ্য ভূমিকাত পাব। মাতা পিতাই যেনে ক সন্তানৰ শুভ কামনাৰে উপদেশ দিয়ে সেই দৰেই পৰমেশ্বৰেও মা ত জাতিৰ শুভ কামনাৰেই বেদ প্রকাশ কৰিছে. যাৰ দ্বাৰাই মানৱ জাতিয়ে অবিদ্যা অন্ধকাৰ আৰু ভ্রমজালৰ পৰা মুক্ত হৈ বিদ্যা-বিজ্ঞান ৰূপ সূৰ্য্যৰ প্রকাশত পৰম তত্ত্ব দর্শন কৰি পৰমানন্দ উপলব্ধি কৰিব পাৰে।

প্রশ্ন—বেদ নিত্য নে অনিত্য ?

উত্তৰ—নিত্য, পৰমেশ্বৰ নিত্য গতিকে তেওঁৰ জ্ঞান আদি গুণো নিত্য। পদার্থ নিত্য হলে গুণ. কর্ম্ম স্বভাবো নিত্য হয়। আৰু অনিত্য পদার্থৰ গুণ কর্ম্ম স্বভাবো অনিত্য।

প্রশ্ন—বেদ পুস্তকবোৰো নিত্য নেকি ?

উত্তৰ—নহয়। পত্র বা কাগজ আৰু চিয়াঁহীৰে প্রস্তুত পুথি কেনেও নিত্য হব পাৰে। বেদৰ শব্দ, অর্থ আৰু সম্বন্ধহে নিত্য।

প্রশ্ন—বোধহয় ঈশ্বৰে পূর্ব্বোক্ত ঋষিসকলক প্রথম জ্ঞান দিছিল। সেই সকলে সেই জ্ঞানৰ সহায়ত বেদ ৰচনা কৰিছিল।

উত্তৰ—জ্ঞেয় বিনা জ্ঞান হব নোৱাৰে। গায়ত্রী আদি ছন্দ, যজ্ঞ আদি ছন্দবোৰৰ ৰচনা কৰাৰ সামর্থ্য সর্ব্বজ্ঞৰ বাহিৰে আন কাৰো নাই। এইদৰে সর্ব্বজ্ঞানৰ শাস্ত্র সৃষ্টি কৰাও ঈশ্বৰৰ বাহিৰে আনৰ অসাধ্য। ঋষি মুনি সকলে বেদৰ জ্ঞান হোৱাৰ পাছত অর্থাৎ বেদ অধ্যয়নৰ পাছত ব্যাকৰণ, নিৰুক্ত, আৰু ছন্দ আদি গ্রন্থ বিদ্যাৰ প্রকাশৰ কাৰণে ৰচনা কৰে। ঈশ্বৰে বেদৰ প্রকাশ নকৰা হলে কোনেও একোকে ৰচনা কৰিব নোৱাৰিলেহেঁতেন। গতিকে বেদৰ প্রকাশক পৰমেশ্বৰ। সকলোৱেই বেদৰ অনুকূলে আচৰণ কৰাই কর্ত্তব্য। যদি কোনোৱে

আপোনাক সোধে যে আপোনাৰ মত কি; তেতিয়া নিশ্চয় বেদেই আপোনাৰ মত বুলিহে কব। অর্থাৎ বেদৰ বিৰেচনাৰ বাহিৰে আপোনাৰ অন্য মত থাকিব নোৱাৰে। ঈশ্বৰ আৰু বেদৰ বিষয়ে সংক্ষেপত ইমানেই লিখা হ'ল। ইয়াৰ' পাছত সৃষ্টিৰ বিষয়ে লিখা হব। ৭॥

ইতি শ্রীমদ্দয়ানন্দ সৰস্বতীস্বামিকৃতে সত্যার্থপ্রকাশে সুভাষা-বিভূষিত ঈশ্বৰবেদবিষয়ে সপ্তমঃ সমুল্লাসঃ সম্পূর্ণঃ ॥৭॥

অথ অষ্টম সমুল্লাসারম্ভঃ

অথ সৃষ্ট্যুৎপত্তিস্থিতিপ্রলয়বিষয়বিষান্ ব্যাখ্যাস্যামঃ

ইয়ং বিসৃষ্টির্যত আবভুব যদি বা দধে যদি বা ন।
যো অস্যাধ্যক্ষঃ পরমে ব্যোমনৎসো অঙ্গ বেদ যদি বা ন বেদ ॥১॥
তম আসীত্তমসা গূঢ়মগ্রেঽ প্রকেতং সলিলং সর্ব্বমা ইদম্।
তুচ্ছ্যেনাভ্বপিহিতং যদাসীত্তপসস্তন্মহিনা জায়তৈকম্ ॥২॥

ঋ॰ ম॰ ১০। সূ॰ ১২৯। ম॰ ৭।৩॥

হিরণ্যগর্ভঃ সমবর্ত্ততাগ্রে ভূতস্য জাতঃ পতিরেক আসীৎ।
স দাধার পৃথিবীং দ্যামুতেমাং কস্মৈ দেবায় হবিষা বিধেম ॥

আ॰ ম॰ ১০। সূ॰ ১২১। ম॰ ১॥

পুরুষ এবেদং সর্ব্বং যদ্ভূতং যচ্চ ভাব্যম্।
উতামৃতত্বস্যেশানো যদন্নেনাতিরোহতি ॥৪॥ যজু॰ অ॰ ৩১।ম॰ ২॥
যতো বা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীবন্তি।
যৎ প্রয়ন্ত্যভিসংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্ব্রহ্ম ॥৫॥

তৈত্তিরীয়োপনিঃ (ভৃগুবল্লী। অনুঃ ১)॥

হে (অঙ্গ) মনুষ্য। যার পরা এই বিভিন্ন স্বরূপর সৃষ্টি প্রকাশিত হৈছে, যি ধারণ আরু প্রলয় করে, যি এই সৃষ্টি জগতর স্বামী, আরু যার পরিব্যাপ্তির ভিতরত জগতর সৃষ্টি, স্থিতি আরু প্রলয় ঘটি থাকে, সেই পরম আত্মাক জানা।১॥

এই সমস্ত জগৎ সৃষ্টির পূর্বে অন্ধকারাচ্ছন্ন রাত্রিরূপে অবিজ্ঞেয় আকাশরূপ সমগ্র জগৎ তুচ্ছ অর্থাৎ অনন্ত পরমেশ্বরর সম্মুখত একদেশী

আরু আচ্ছাদিত আছিল। তার পাছত সেই পরমাত্মাই স্বশক্তি কারণ রূপর পরাই কার্য্য রূপ সৃষ্টি করিলে। ॥২॥

হিরণ্য গর্ভর আবির্ভাবর আগত ভূত সমূহর সৃষ্টিকর্ত্তা এক অদ্বিতীয় পতি অর্থাৎ মূল ব্রহ্ম আছিল। তেওঁরেই এই পৃথিবী, দ্যৌলোক আরু অন্তরীক্ষ ধারণ করি আছে, সেই পরম দেবকেই আমি হবিঃ অর্পণ করা কর্ত্তব্য। ॥ ৩ ॥

যি হৈছে আরু যি ভবিষ্যতেও হব, সকলোরে সৃষ্টিকর্ত্তা পুরুষেই। (উত) অর্থাৎ পুরুষ কেরল জগতর সৃষ্টি কর্ত্তাই নহয়, (অমৃতস্য ঈশানঃ) অমরত্ব দাতা, অর্থাৎ প্রাণ রক্ষকো, (যৎ অন্নেন অতিরোহতি) যি হেতু পুরুষে অন্ন জলাদি সৃষ্টি করি সকলোরে প্রাণ রক্ষা করে।৪॥

যার পরা জগতর সকলো সৃষ্টি হৈছে, যার দ্বারাই সকলোরে জীবন ধারণ করে, আরু যার দ্বারাই সকলো বিনাশ হয় সেয়েই ব্রহ্ম। সেই পরম তত্ত্বকেই জানা অর্থাৎ উপলব্ধি করা।৫॥

জন্মাদ্যস্য যতঃ॥ শারীরিক সূত্র। (অ॰ ১। পা॰ ১ সূ॰ ২)॥

যার পরা জগতর সৃষ্টি, স্থিতি প্রলয় হয় সেই পরম তত্ত্বক জনাই পরম জ্ঞান।

প্রশ্ন—এই জগৎ পরমেশ্বরর পরা নে আনর পরা উৎপন্ন হৈছে?

উত্তর—জগৎ সৃষ্টির নিমিত্ত কারণ পরমাত্মা, আরু উপাদান কারণ প্রকৃতি।

প্রশ্ন—পরমাত্মায়েই প্রকৃতিক সৃষ্টি করা নাই জানো?

উত্তর—নাই, প্রকৃতি অনাদি।

প্রশ্ন—অনাদি কাক বোলে? আরু বিমান পদার্থ অনাদি?

উত্তর—ঈশ্বর, জীব আরু জগতর উপাদান কারণ প্রকৃতি এই তিনি অনাদি।

প্রশ্ন—ইয়ার প্রমাণ কি

উত্তর—দ্বা সুপর্ণা সযুজা সখায়া সমানং বৃক্ষং পরিষস্বজাতে।

তয়োরন্যঃ পিপ্পলং স্বাদ্বত্ত্যনশ্নন্নন্যো অভি চাকশীতি ॥৩॥
(ঋ॰ ম॰ ১। সূ॰ ১৬৪। ম॰ ২০) ॥

শাশ্বতীভ্যঃ সমাভ্যঃ ॥২॥ যজু॰ ৪০। ম॰ ৮॥

ব্রহ্ম আৰু জীৱ দুয়ো চেতনত্ব আৰু পালকত্ব আদি গুণত সদৃশ ; ব্যাপ্য ব্যাপকভাৱে সংযুক্ত ; পৰস্পৰ মিত্ৰ ; সনাতন আৰু অনাদি ; সেইদৰে অনাদি মূল ৰূপ কাৰণ আৰু শাখাৰূপ কাৰ্য্যযুক্ত বৃক্ষ ; অৰ্থাৎ কাৰ্য্যৰূপত বা সৃষ্টিকালত স্থূল আৰু প্ৰত্যক্ষ হৈও প্ৰলয় কালত পুনঃ মূল সূক্ষ্মলৈ পৰিবৰ্ত্তন হয়, সেই তৃতীয় অনাদি পদাৰ্থ ; এই তিনিৰো গুণ কৰ্ম্ম আৰু স্বভাৱ অনাদি। জীৱাত্মা আৰু পৰমাত্মাৰ ভিতৰত জীৱাত্মাই এই বৃক্ষৰূপ সংসাৰৰ দুখ সুখৰূপ ফলবোৰ যথাৰ্থৰূপে ভোগ কৰে। পৰমাত্মাই কৰ্ম্মফল ভোগ নকৰাকৈ অন্তৰে বাহিৰে সাক্ষী ৰূপে আছে। পৰমাত্মাৰ পৰা জীৱাত্মা ভিন্ন আৰু প্ৰকৃতিও জীৱ আৰু পৰমাত্মাৰ পৰা ভিন্ন স্বৰূপ। এই তিনিও অনাদি তত্ত্ব ॥ ১ ॥

ইয়াৰ ভাৱাৰ্থ :—অনাদি সনাতন জীৱৰূপ প্ৰজাৰ কাৰণেই পৰমাত্মাই সকলো জ্ঞান বিকাশ কৰিছে ॥ ২ ॥

অজামেকাং লোহিতশুক্লকৃষ্ণাং বহ্বীঃ প্রজাঃ সৃজমানাং স্বরূপাঃ।
অজো হ্যেকো জুষমাণোঽনুশেতে জহাত্যেনাং ভুক্তভোগামজোঽন্যঃ ॥ (শ্বেতাশ্বতরোপনিষদ। অঃ ৪। মঃ ৫) ॥

প্ৰকৃতি, জীৱ, আৰু পৰমাত্মা—এই তিনি অজ অৰ্থাৎ জন্মহীন। এই তিনি তত্ত্বই জগতৰ কাৰণ। এই তিনিয়েই জগতৰ মূল ; যাৰ অন্য কোনো কাৰণ নাই। অনাদি জীৱ অনাদি প্ৰকৃতিৰ চঞ্চল খেলাত আসক্ত হয়, আৰু তাৰ ফল ভোগ কৰে। পৰমাত্মা আসক্তও নহয় ফল ভোগো নকৰে। ঈশ্বৰ আৰু জীৱৰ লক্ষণ ঈশ্বৰৰ বিষয়ত বৰ্ণিত হৈছে। ইয়াত প্ৰকৃতিৰ লক্ষণহে ব্যাখ্যা কৰা হৈছে :—

সত্ত্বরজস্তমসাং সাম্যাবস্থা প্রকৃতিঃ, প্রকৃতের্মহান্ মহতোঽহঙ্কারাৎ পঞ্চতন্মাত্রাণ্যুভয়মিন্দ্রিয়ং পঞ্চতন্মাত্রেভ্যঃ স্থূলভূতানি পুরুষ ইতি পঞ্চবিংশতির্গণঃ ॥ (সাঙ্খ্য সূ॰ অ॰ ১। সূ॰ ৬১)

(সত্ত্ব) শুদ্ধ, (ৰজ) মধ্যম, (তমঃ) জাড্য অৰ্থাৎ জড়তা—এই তিনি গুণৰ ভাৱসাম্য অৰ্থাৎ মিলিত অৱস্থাৰ নাম প্ৰকৃতি। এই সাম্য প্ৰকৃতিৰ পৰাই মহত্তত্ত্ব অৰ্থাৎ বুদ্ধি বিকাশ হয়, সেই মহত্তত্ত্বৰ পৰা অহঙ্কাৰ, অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰা অৰ্থাৎ সূক্ষ্ম ভূতসমূহ আৰু মন আৰু দশ ইন্দ্ৰিয় আৰু সেই পঞ্চতন্মাত্ৰাৰ পৰাই পৃথিবী আদি পঞ্চ স্থূল ভূত এই চতুৰ্বিংশতি তত্ত্ব আৰু পঞ্চবিংশতি তত্ত্ব পুৰুষ অৰ্থাৎ জীৱ আৰু পৰমেশ্বৰ। প্ৰকৃতি অবিকাৰিণী, মহত্তত্ত্ব, অহঙ্কাৰ, আৰু পঞ্চ সূক্ষ্মভূত প্ৰকৃতিৰ কাৰ্য্য আৰু ইন্দ্ৰিয়, মন, আৰু স্থূল ভূতবোৰৰ কাৰণ। পুৰুষ কাৰো প্ৰকৃতি অথবা উপাদন কাৰণ বা কাৰ্য্য নহয়।

সদেব সোম্যেদমগ্র আসীৎ ॥ ১ ॥ (ছান্দো॰ প্র॰ ৬। খ॰ ২)।
অসদ্বা ইদমগ্র আসীৎ ॥ ২ ॥ (তৈত্তিৰী॰ ব্ৰহ্মানন্দৱ॰ অনু ৭)
আত্মৈবেদমগ্র আসীৎ ॥ ৩ ॥ (বৃহ॰ অ॰ ১। ব্ৰা॰ ৪। ম॰ ১)
ব্রহ্ম বা ইদমগ্র আসীৎ ॥ ৪ ॥
(শত॰ কা॰ ১১। অ॰ ২। ব্ৰা॰ ৬। ক॰ ১ ॥

এইবোৰ উপনিষদৰ বচন। "হে শ্বেতকেতো! এই জগত সৃষ্টিৰ পূৰ্বে সৎ। ১॥ অসৎ। ২॥ আত্মা। ৩॥ আৰু ব্ৰহ্মস্বৰূপ আছিল। ৪॥ পুনঃ—

তদৈক্ষত বহুঃ স্যাং প্রজায়েয়েতি। সোঽকাময়ত বহুঃ স্যাং প্রজায়েয়েতি ॥ (তৈত্তিৰীয় উপনিঃ ব্ৰহ্মানন্দবল্লী, অনু॰ ৬) ॥

সেই পৰমাত্মাই স্বেচ্ছাই বহুৰূপ ধৰিছে।

সর্ব্বং খল্বিদং ব্রহ্ম নেহ নানাস্তি কিঞ্চন ॥

এইবোৰ উপনিষদৰ বচন, নিশ্চয় এই সমস্ত জগৎ ব্ৰহ্ম। জগতৰ ভিতৰ বাহিৰে অন্য কোনো পদাৰ্থৰ অস্তিত্ব নাই, সকলো ব্ৰহ্মৰেই ৰূপ।

উত্তৰ :—এইবোৰ উপনিষদ বচনৰ আপুনি অনৰ্থহে কৰিছে। উপনিষদত লিখিত আছে :—

(এবমেব খলু) সোম্যান্নেন শুঙ্গেনাপো মূলমন্বিচ্ছাদ্ভিঃ সোম্য শুঙ্গেন তেজোমূলমন্বিচ্ছ, তেজসা সোম্য শুঙ্গেন সন্মূলমন্বিচ্ছ সন্মূলাঃ সোম্যেমাঃ সর্ব্বাঃ প্রজাঃ সদায়তনাঃ সৎপ্রতিষ্ঠাঃ ॥

(ছান্দোগ্য উপনি : প্র০ ৬। খঃ ৮। মঃ ৪॥)

অর্থঃ—হে শ্বেতকেতো। অন্নরূপ পৃথিবী কার্য্যর দ্বারাই জলরূপ মূল কারণক তুমি জানিবা। কার্য্যরূপ জলর পরা তেজরূপ মূল আরু তেজরূপ কার্য্যর পরা সৎরূপ কারণ, নিত্য বা অবিনাশী প্রকৃতি এই তত্ত্ব তুমি জানিবা। এই সত্যরূপ প্রকৃতিয়েই সকলো জগতর মূল আরু স্থিতি। এই সমস্ত জগৎ সৃষ্টির আগর অবস্থা অসৎসদৃশ, জীবাত্মা আরু ব্রহ্মাণ্ড প্রকৃতিত লীন হৈ বিদ্যমান আছিল, তার অভাব নাছিল।

সর্ব্বং খল্বিঃ—এই বচন ফাঁকি করবার পরা আনি করবাত জোর লগাইছে। কারণ—

"সর্ব্বং খল্বিদম্ ব্রহ্ম তজ্জলানিতি শান্ত উপাসীত।"

ছান্দোগ্য০ (প্রঃ ৩। খঃ ১৪। মঃ ১)

আরু "নেহ নানাস্তি কিঞ্চন॥"

(কঠোপনি : অঃ ২ বল্লীঃ ৪ অ০ ১১)॥

শরীরর অঙ্গ পরীরত থাকে মানে কার্য্যকরী হয়, শরীরর পরা বিচ্ছিন্ন হলে অকর্ম্মণ্য হয়, সেইদরে প্রকরণর বাক্য প্রকরণতহে খাটে, এক প্রকরণর বাক্য অন্য প্রকরণত যোগ দিলে অবান্তর আরু অনর্থ হয় এতিয়া উক্ত বচনর অর্থ শুনক! হে জীব! তুমি ব্রহ্মর উপাসনা করা সেই ব্রহ্মর পরাই জগতর উৎপত্তি, স্থিতি আরু জীবন ধারণ হয় ব্রহ্মই সৃজন আরু ধারণ করে কারণেই এই সমস্ত জগত বিদ্যমান অথবা সহচারী হৈ আছে। সেই কারণে অন্য কারো উপাসনা নকরিবা এই চৈতন্য মাত্র, অখণ্ড আরু একরস ব্রহ্ম নানা বস্তুর সংমিশ্রণ নহয় কিন্তু সকলো বস্তু ভিন্ন ভিন্ন স্বরূপত পরমব্রহ্ম রূপ আধারত অবস্থিত আছে।

প্রশ্নঃ—জগতর কারণ কিমান ?

উত্তরঃ—তিনিটা। নিমিত্ত, উপাদান আরু সাধারণ। (১) যি বস্তু যার দ্বারাই নির্ম্মিত হয় সেই বস্তুর সি নিমিত্ত কারণ অর্থাৎ নিমিত্ত কারণে নিজর পরা বস্তু সৃষ্টি নকরে, নিমিত্তকারণর সহায়ত আন পদার্থর পরা বস্তু সৃষ্টি হয়। (২) যি পদার্থর পরা রূপান্তর হৈ বস্তু সৃষ্টি হয় তাকেই **উপাদান কারণ** বোলে। (৩) যি বস্তু নির্ম্মাণত সাধন আরু সাধারণ নিমিত্ত হয়, তাকেই **সাধারণ কারণ** বোলে। নিমিত্ত কারণ দুবিধ :- (১) কারণর দ্বারাই জগতর সকলো সৃষ্টি, স্থিতি, আরু প্রলয় করাত পরমাত্মা মুখ্য নিমিত্ত কারণ। (২) এই সৃষ্টির ভিন্ন ভিন্ন বস্তুর কার্য্যান্তর কর্ত্তা সাধারণ নিমিত্ত কারণ জীব। প্রকৃতি পরমাণু উপাদান কারণ জড়, যার দ্বারাই জগতর নানা রূপ ধরর বস্তু বিকশিত হৈছে; জড় গতিকে নিজে নিজে নানা রূপ লয় বা বিনাশ হব নোৱারে, অন্য কারণর দ্বারাইহে সৃষ্টি আরু বিনাশ হয়। কোনো কোনো ক্ষেত্রত জড়র নিমিত্ত কারণ জড় হয়। যেনে এই সৃষ্টিত বীজরূপে বিকশিত হোৱা পদার্থ পৃথিবী আরু জল সংযোগত বৃক্ষাকার হয় আরু তাপ অগ্নি আদির সংযোগত বিনাশ প্রাপ্তও হয়; কিন্তু ইয়ার উৎপত্তি বিনাশর বিধি চৈতন্য স্বরূপ পরমাত্মা আরু জীবর নিয়ন্ত্রণাধীন। যি কোনো বস্তু সৃষ্টি হোৱা জ্ঞান, দর্শন, বল, হাত আদি সাধন আরু দিক, কাল, আরু আকাশ সাধারণ কারণ। যেনে, ঘট নির্ম্মাণত কুমার নিমিত্ত কারণ, মাটি উপাদান কারণ, দণ্ড চক্র আদি সামান্য নিমিত্ত, দিক, কাল, আকাশ, প্রকাশ, চকু, হাত, জ্ঞান আরু ক্রিয়া আদি নিমিত্ত সাধারণ, আরু নিমিত্ত কারণো হয়। এই তিনি কারণ বিনা কোনো বস্তুর সৃষ্টি বা বিকৃতি হব নোৱারে।

প্রশ্ন—নবীন বেদান্তী সকলে কেবল পরম ব্রহ্মকেই জগতর অভিন্ননিমিত্তোপাদান কারণ মানে, অন্য কারণ স্বীকার নকরে ?

যথোর্ণনাভিঃ সৃজতে গৃহ্ণতে চ॥ (মুণ্ডকোঃ মঃ ১। খঃ ১।৭)॥

অর্থ :—মকমাই যেনেকৈ বাহিবব কোনো বস্তুব সহায় নোহোৱা-কৈয়ে নিজব মুখব পবা তন্তু (সূতা) সৃষ্টি কবি জাল নির্ম্মাণ কবে আৰু সেই জালত নিজেই খেলা কবে, সেই দবেই ব্রহ্ময়ো নিজব অন্তবব পবাই জগত বচনা কবি স্বয়ং জগদাকাব হৈ খেলা কবিছে। সেই ব্রহ্মই কামনা কবিলে "মই স্বয়ং বহুৰূপ অর্থাৎ জগদাকাব হওঁ" সেই সংকল্পমাত্রই সমস্ত জগতব বিকাশ হ'ল। কাবণ :—

আদাবন্তে চ যন্নাস্তি বর্ত্তমানেঽপি তত্তথা ॥

(গৌড়পাদীয় কাঃ শ্লোক ৩১) ॥

এই হ'ল মাণ্ডুক্য উপনিষদব কাবিকা। যি আদিতে আৰু অন্তত নাই সি বর্ত্তমানতো নাই। সৃষ্টিব আদিত জগৎ নাছিল কেবল ব্রহ্মহে আছিল। প্রলয়ব অন্তত জগৎ নেথাকে কেবল ব্রহ্মহে থাকিব। সেয়েই যদি হয় তেন্তে বর্ত্তমানব সমস্ত জগৎ ব্রহ্মই নহব কিয়?

উত্তব—আপোনাব মতে জগতব উপাদান কাবণ ব্রহ্ম হলে, ব্রহ্ম পবিণামী, অবস্থান্তবযুক্ত বা বিকাবশীল হব, কাবণ উপাদান কাবণব গুণ স্বভাব কর্ম্ম কার্য্যতো ঘটে।

কাবণগুণপূর্ব্বকঃ কার্য্যগুণো দৃষ্টঃ ॥

(বৈশেষিক সূ॰ অ॰ ২ আ॰ ১। সূ॰ ২৪)॥

উপাদান কাবণব গুণ কার্য্যত থকাটো হলে, সচ্চিদানন্দ স্বৰূপ ব্রহ্মই কার্য্যৰূপ জগৎ হোৱাত ই অসৎ, জড় আৰু আনন্দ হীন কেনেকৈ হব? ব্রহ্ম অজ, কিন্তু জগৎ উৎপত্তিশীল। ব্রহ্ম অদৃশ্য, জগৎ দৃশ্য। ব্রহ্ম অখণ্ড, জগত খণ্ডিত। যদি ব্রহ্মব পবা পৃথিবী উৎপন্ন হয় অর্থাৎ পৃথিবী ব্রহ্মব কার্য্য, তেন্তে পৃথিবী জড় গতিকে পৃথিবীব জড়ত্ব গুণ ব্রহ্মযো হব লাগিব। অর্থাৎ উপাদান কাবণ আৰু কার্য্যব গুণাগুণত ভেদাভেদ থাকিব নোৱাবে; কাবণ আৰু কার্য্যব গুণ একেই থাকে। অথবা পবম ব্রহ্মব যি চৈতন্য, সেই চৈতন্য কার্য্য ৰূপ পৃথিবী আদিতো থাকিব লাগে।

মকবাব দৃষ্টান্তই আপোনাব মতব সমর্থন নকবে তাব বিবোধহে কবে। কাবণ মকবাব তন্তু মকবাব জড় দেহব কার্য্য। অর্থাৎ মকবাব দেহ উপাদান কাবণ, তন্তু সেই দেহ ৰূপ উপাদান কাবণব কার্য্য; মকবাব জীৱাত্মা তন্তুব উৎপত্তিব নিমিত্ত কাবণ। ইয়ো পবম আশ্চর্য্য বচনা কৌশল! কাবণ অন্য কোনো প্রাণীয়ে দেহব পবা তন্তু উৎপত্তি কবিব নোৱাবে। সেই দবেই সর্ব্বব্যাপক ব্রহ্মই নিজব ভিতবত ব্যাপ্য প্রকৃতি আৰু পবমাণু উপাদান কাবণব পবাই স্থূল জগত সৃষ্টি কবি আৰু দৃশ্যমান ৰূপ দি তেওঁ জগতত সর্ব্বব্যাপক, সাক্ষী স্বৰূপ আৰু সদানন্দময় হৈ আছে।

পবম ব্রহ্মই ঈক্ষণ অর্থাৎ দর্শন, আৰু কামনা কবিলে যে জগৎ সৃষ্টি কবিব, অর্থাৎ যেতিয়া জগতব বিকাশ হয় তেতিয়া জীৱব জ্ঞান বিবেচনা, ধ্যান, উপদেশ শ্রৱণত আৰু স্থূল সৃষ্টিতো ব্রহ্ম বিদ্যমান থাকে। এই তত্ত্বব বহস্য পবম ব্রহ্ম আৰু মুক্ত জীৱইহে জানে। পূর্ব্বোক্ত কাবিকা ভ্রম মূলক। কাবণ সৃষ্টিব পূর্ব্বে অর্থাৎ প্রলয় কালত জগৎ স্থূল ৰূপত প্রকাশিত নাছিল আৰু সৃষ্টিব অন্ত অর্থাৎ প্রলয়ব আৰম্ভব পবা দ্বিতীয়বাব সৃষ্টি নোহোৱালৈকে জগতব কাবণ সূক্ষ্ম স্বৰূপত অপ্রকাশিত হৈ থাকে। কাবণ :—

"তম আসীত্তমসা গূঢ়মগ্রে···॥" (ঋ॰ ম॰ ১০। সূ॰ ১২৯। ম॰ ৩)।

আসীদিদং তমোভূতম্ প্রজ্ঞাতমলক্ষণম্।
অপ্রতর্ক্যমবিজ্ঞেয়ং প্রসুপ্তমিব সর্ব্বতঃ ॥ (মনু॰ ১।৫)॥

এই সমস্ত দৃশ্য জগৎ, সৃষ্টিব পূর্ব্বে প্রলয় অৱস্থাত আৱৃত বা আচ্ছাদিত আছিল। আৰু প্রলয় আৰম্ভব পাছতো সেইদবেই থাকে। সেই অৱস্থাত ইয়াক জানিবব, তর্ক কবিবব, বা কোনো সুস্পষ্ট চিহ্নব দ্বাবা ইন্দ্রিয়ব উপলব্ধি কবিবব কোনো উপায় নেথাকে। কিন্তু সৃষ্টি বর্ত্তমানত জনা যায়, বিকশিত চিহ্নবোবব দ্বাবা জানিবব যোগ্য আৰু যথার্থৰূপে উপলব্ধ হয়। উক্ত কাবিকাত বর্ত্তমানেও জগতব অভাব

বোলা হৈছে। গতিকে প্রত্যক্ষ আৰু প্রমাণ বিৰুদ্ধ। যি প্রমাতা প্রমাণৰ দ্বাৰাই জনা যায় আৰু প্রাপ্ত হয়, সি কেতিয়াও অন্যথা হব নোৱাৰে।

প্রশ্ন ঃ— ঈশ্বৰ জগত সৃষ্টি কৰাৰ প্রয়োজন কি ?

উত্তৰ ঃ— সৃষ্টি নকৰাৰ বা প্রয়োজন কি ?

প্রশ্ন ঃ— সৃষ্টি নকৰিলে ঈশ্বৰো আনন্দত থাকিলেহেতেন আৰু জীৱ সকলেও সুখ দুখ ভুগিব নেলাগিলেহেতেন।

উত্তৰ ঃ— ই পুৰুষার্থহীনতাৰহে কথা, পুৰুষার্থ সম্পন্ন ব্যক্তি তেনে হব নোৱাৰে। আৰু প্রলয় অৱস্থাত জীৱৰ সুখ দুখ কি ? সৃষ্টিত সুখ দুখৰ তুলনা কৰিলে দুখতকৈ সুখ বহুগুণে অধিক আৰু অধিক সংখ্যক পৰিত্র আত্মাৰ জীৱেই মুক্তি সাধন কৰি মোক্ষৰ আনন্দ ভোগ কৰে। সৃষ্টি নহলে সুখ দুখৰ অনুভৱেই বা হব কেনেকৈ ? প্রলয় কালত জীৱেই সুষুপ্তৰ দৰে পুৰুষার্থহীন আৰু নিৰ্কৰ্ম্মা হৈ পৰি থাকে। ঈশ্বৰে প্রলয়ৰ পূর্ব্ব সৃষ্টিৰ জীৱবোৰৰ পাপ পুণ্য কেনেকৈ নির্ণয় কৰিব আৰু জীৱবোৰে কর্ম্মফল বা কেনেকৈ ভুগিব ? যদি আপোনাক সোধা হয় "চকুৰ প্রয়োজন কি" ? আপুনি বোধহয় কব যে চকুৰ প্রয়োজন দর্শন। সেয়ে হলে, তেন্তে সৃষ্টি নহলে ঈশ্বৰৰ সৃষ্টিবিজ্ঞান, শক্তি আৰু ক্রিয়াৰ প্রয়োজন কি ? ইয়াৰ উত্তৰ আপোনাৰ নাই আৰু জগৎ সৃষ্টিৰ দ্বাৰাইহে ঈশ্বৰৰ ন্যায়শীলতা, ধাৰণ আৰু দয়া আদি গুণৰ সার্থকতা হব পাবে। জগতৰ সৃষ্টি, স্থিতি আৰু প্রলয় ব্যৱস্থাই ঈশ্বৰৰ অনন্ত শক্তি সামর্থ্যৰ সফলতা আনে। চকুৰ স্বাভাৱিক গুণ দর্শন, সেইদৰে জগতৰ সৃষ্টি, অনন্ত ৰূপ, ৰং, আকৃতি আৰু ভিন্নতাৰ প্রদর্শন আৰু জীৱৰ কল্যাণ সাধন কৰা ঈশ্বৰৰ স্বাভাৱিক গুণ।

প্রশ্ন ঃ— বীজ অদি নে বৃক্ষ আদি ?

উত্তৰ ঃ— বীজ। কাৰণ বীজ, হেতু, নিদান, নিমিত্ত আৰু কাৰণ এই শব্দবোৰৰ অর্থ একে। কাৰণৰ নাম বীজ যেতিয়া বীজেই আদি আৰু কাৰণ সদায় কার্য্যৰ আদি।

প্রশ্ন ঃ— পৰমেশ্বৰ সর্ব্বশক্তিমান হলে কাৰণ বা বীজকো উৎপন্ন কৰিব পাৰে। যদি নোৱাৰে তেন্তে সর্ব্বশক্তিমান হব নোৱাৰে।

উত্তৰ ঃ— সর্ব্বশক্তিমান শব্দৰ অর্থ আগতেই লিখা হৈছে। যি অসম্ভৱক সম্ভৱ কৰিব পাৰে সেয়েই সর্ব্বশক্তিমান নেকি ? যদি ঈশ্বৰে অসম্ভৱ কার্য্য অর্থাৎ কাৰণ নোহোৱাকৈয়ে কার্য্য উৎপন্ন কৰিব পাৰিলেহেতেন, তেনেহলে কাৰণ নোহোৱাকৈ দ্বিতীয় ঈশ্বৰ সৃষ্টি কৰিব স্বয়ং মৃত্যুগ্রস্ত, জড়, দুঃখী অন্যায়কাৰী, অপৰিত্র আৰু দুর্ক্কর্ম্মকাৰী আদিও হব পাৰিলেহেতেন নেকি ? ঈশ্বৰে স্বাভাৱিক গুণ বিশিষ্ট অগ্নিৰ উষ্ণতা, জলৰ শীতলত্ব, পৃথিবীৰ জড়ত্ব গুণ বিপৰীত কৰিব নোৱাৰে। ঈশ্বৰ বিধি সত্য, পুর্ণ সার্থক, গতিকে বিপৰীত কর্ম্ম কৰিব নোৱাৰে। সর্ব্বশক্তিমান শব্দৰ অর্থ হল ঈশ্বৰে আনৰ বিনা সাহায্যত নিজ কর্ম্ম সম্পন্ন কৰিব পাৰে।

প্রশ্ন ঃ— ঈশ্বৰ সাকাৰ নে নিৰাকাৰ ? নিৰাকাৰ হলে হস্তাদি অঙ্গ সাধন নহলে জগৎ সৃষ্টি কৰিব নোৱাৰে। গতিকে সাকাৰ হলে তেনে শঙ্কাৰ প্রশ্ন নুঠে।

উত্তৰ ঃ— নিৰাকাৰ। যি শৰীৰ বিশিষ্ট সি ঈশ্বৰ হব নোৱাৰে। কাৰণ শৰীৰ বিশিষ্ট হলে সসীম, দেশ, কাল, বস্তুবোৰত পৰিচ্ছিন্ন, আৰু ক্ষুধা, তৃষ্ণা, ছেদন, ভেদন, শীত উষ্ণ, অৱপীড়াদি যুক্ত হলহেতেন। এনেবোৰ গুণ ধর্ম্ম ঈশ্বৰৰ হব নোৱাৰে জীৱৰহে। যেনেকৈ সাকাৰ অর্থাৎ দেহধাৰী আমি অণু পৰমাণু ত্রসৰেণু আৰু প্রকৃতিক বশ কৰিব নোৱাৰো সেইদৰেই স্থূল দেহধাৰী পৰমেশ্বৰেও সূক্ষ্ম পদার্থবোৰৰ পৰা স্থূলজগত নির্ম্মাণ কৰিব নোৱাৰে। পৰমেশ্বৰৰ ভৌতিক ইন্দ্রিয়গোলক আৰু হস্তপাদাদি অবয়ব নাই কিন্তু তেওঁৰ অনন্ত শক্তি, বল পৰাক্রমেৰে যিবোৰ সৃষ্টি কৰে, সেইবোৰ জীৱ আৰু প্রকৃতিৰ দ্বাৰাই হব নোৱাৰে। পৰমেশ্বৰ প্রকৃতিতকৈও সূক্ষ্ম আৰু ব্যাপক হৈ প্রকৃতিক জগদাকাৰ দান কৰে।

প্রশ্ন—মনুষ্যাদি প্রাণীৰ মাতা-পিতা সাকাৰ কাৰণে সন্তানবোৰো সাকাৰ হয়, মাতা-পিতা নিৰাকাৰ হলে সন্তানো নিৰাকাৰ হলহেঁতেন। সেইদৰেই পৰমেশ্বৰ নিৰাকাৰ হলে সৃষ্ট জগত খনো নিৰাকাৰেই হলহেঁতেন।

উত্তৰ—আপোনাৰ এই প্ৰশ্ন বালকৰ দৰে হৈছে, কাৰণ এই মাত্ৰ কোৱা হৈছে যে পৰমেশ্বৰ জগতৰ উপাদান কাৰণ নহয়—নিমিত্ত কাৰণ হে। প্ৰকৃতি আৰু পৰমাণু যি পৰমেশ্বৰতকৈ স্থূল, সেয়েহে জগতৰ উপাদান কাৰণ। প্ৰকৃতি আৰু পৰমাণু একেবাৰেই নিৰাকাৰ হব নোৱাৰে কিন্তু পৰমেশ্বৰৰ তুলনাত স্থূল আৰু অন্যান্য প্ৰকৃতিৰ কাৰ্য্যৰ তুলনাত সূক্ষ্ম।

প্রশ্ন—পৰমেশ্বৰে কাৰণ নোহোৱাকৈ কাৰ্য্য কৰিব নোৱাৰে নেকি?

উত্তৰ—নোৱাৰে। কিয়নো, যি অভাৱ অৰ্থাৎ যাৰ বৰ্ত্তমান নাই, তাৰ ভাৱ বা বৰ্ত্তমান হোৱা সৰ্ব্বথা অসম্ভৱ। বন্ধ্যাৰ পুত্ৰ কন্যাৰ বিবাহ-দেখা, নৱ-শৃঙ্গ, আকাশ কুসুমৰ মালা ধাৰণ কৰা, মৃগতৃষ্ণাৰ জলত স্নান কৰা, গন্ধৰ্ব্ব নগৰীত বাস কৰা বিনা মেঘে বৃষ্টি, বিনা মাটিত অন্নৰ উৎপত্তি ইত্যাদি এইবোৰ যেনে অসম্ভৱ, সেইদৰে কাৰণ নোহোৱাকৈ কাৰ্য্যৰ উৎপত্তিও অসম্ভৱ। আৰু যদি কোনোৱে কয়" **মম মাতা-পিতরৌ ন স্তোঽহমেবমেব জাতঃ। মম মুখে জিহ্বা নাস্তি বদামি চ**" অৰ্থাৎ মোৰ মাতা-পিতা নাছিল এনেয়েই হলো, মোৰ মুখত জিহ্বা নাই কিন্তু কথা কওঁ; গাতত সাপ আদি নাছিল কিন্তু গাতৰ পৰা ওলাইছে, আমাৰ কোনো ৰকম অস্তিত্বই নাছিল কিন্তু আমি উৎত্তি হলো। এনেবোৰ অসম্ভৱ কথা প্ৰলাপ বুলি গণ্য হয়।

প্রশ্ন—যদি বিনা কাৰণে কাৰ্য্য হব নোৱাৰে তেন্তে কাৰণৰ কাৰণ কি?

উত্তৰ—যি কেৱল কাৰণ ৰূপহে সি কেতিয়াও কাৰ্য্য হব নোৱাৰে। পৃথিবী, গৃহাদিৰ কাৰণ আৰু জলাদিৰ কাৰ্য্য; কিন্তু পৃথিবীৰ অনাদি কাৰণ প্ৰকৃতি।

মূলে মূলাভাবাদমূলং মূলম্। সাংখ্য (সূ॰ অ॰ ১। সূ॰ ৬৭)॥

মূলৰ মূল অৰ্থাৎ কাৰণৰ কাৰণ নাই। গতিকে যিবোৰ কাৰ্য্যৰ কাৰণ তাৰ আৰু কাৰণ থাকিব নোৱাৰে। কাৰণ, যি কোনো কাৰ্য্যৰ সূচনাতে তিনিও প্ৰকাৰ কাৰণ থাকিবই লাগিব। যেনে, **বস্ত্ৰ নিৰ্ম্মাণৰ** পূৰ্ব্বে তন্তুবায়, সূত্ৰ আৰু তাঁতশাল আদি সৰঞ্জাম বৰ্ত্তমান থাকে **কাৰ-**নেই বস্ত্ৰ নিৰ্ম্মিত হয়। সেই দৰেই জগৎউৎপত্তিৰ পূৰ্ব্বে পৰমেশ্বৰ, প্ৰকৃতি, কাল, আকাশ আৰু জীৱ অনাদি বৰ্ত্তমান হোৱাৰ বাবেই জগতৰ সৃষ্টি হৈ আহিছে। এইবোৰৰ ভিতৰত এটাৰ অভাৱ হলেও জগতৰ উৎপত্তি হব নোৱাৰে।

অত্র নাস্তিকা আহুঃ—শূন্যং তত্ত্বং ভাবো
বিনশ্যতি বস্তুধর্ম্মত্বাদ্বিনাশস্য ॥১॥ (সাংখ্য সূ॰ অ॰ ১। সূ॰ ৪৪)॥
অভাবাৎ ভাবোৎপত্তির্নানুপমৃদ্য প্রাদুর্ভাবাৎ ॥২॥
ঈশ্বরঃ কারণং পুরুষ কর্ম্মাফল্যাদর্শনাৎ ॥৩॥
অনিমিত্ততো ভাবোৎপত্তিঃ কণ্টকতৈক্ষ্ণ্যাদিদর্শনাৎ ॥৪॥
সর্ব্বমনিত্যমুৎপত্তিবিনাশধর্ম্মকত্বাৎ ॥৫॥
সর্ব্বং নিত্যং পঞ্চভূতনিত্যত্বাৎ ॥৬॥
সর্ব্বং পৃথগ্ ভাবলক্ষণপৃথক্ত্বাৎ ॥৭॥
সর্ব্বমভাবো ভাবেষ্বিতরেতরাভাবসিদ্ধেঃ ॥৮॥
ন স্বভাবসিদ্ধিষ্বাপেক্ষিকত্বাৎ ॥ ৯ ॥ (ন্যায় সূ॰ অ॰ ৪। আ॰ ১)॥

এই বিষয়ে নাস্তিকবাদী সকলে কয় যে এক মাত্ৰ শূন্যই পদাৰ্থ; শূন্যৰ বাহিৰে একো নাই। সৃষ্টিৰ আদিত শূন্য আছিল শেষতো শূন্য হব; গতিকে ভাৱ অৰ্থাৎ বৰ্ত্তমান থকা পদাৰ্থবোৰৰ অভাৱ হৈ শূন্যহে থাকিব।

উত্তৰ—ইয়াৰ উত্তৰত কওঁ যে আকাশ, অদৃশ্য, অৱকাশ আৰু বিষ্ণুকো শূন্য বোলে। শূন্য জড় পদাৰ্থ। এই শূন্যৰ ভিতৰত সকলো পদাৰ্থ অদৃশ্য হৈ থাকে। যেনেকৈ এক বিন্দুৰ পৰাই বেখা,

বেখাসমূহব পৰা বৰ্ত্তুলাকাব হয় সেই দবেই ঈশ্বৰব বচনানুসাবে ভূমি পৰ্ব্বতাদি সৃষ্টি হয়। ইয়াব উপৰিও শূণ্যক ভনা জন শূণ্য হব নোৱাবে ॥১॥

দ্বিতীয় নাস্তিকব যুক্তি যে অভাবব পৰাই ভাবব উৎপত্তি হয়। যেনেকৈ গছব বীজ নেফাটিলে অঙ্কুব উৎপত্তি নহয়। বীজ ভাঙি চালে তাব ভিতৰত অঙ্কুব দেখা নেযায়। যিহেতু আগত অঙ্কুবব অভাব আছিল গতিকে অঙ্কুব অভাৱব পৰাই উৎপন্ন হয়। তাব উত্তৰ এয়ে যে বীজ ফালি যি অঙ্কুব বিকাশ হয়, সি বীজব ভিতৰতেই থাকে, নেথাকিলে কেতিয়াও উৎপন্ন হব নোৱাবে। ॥ ২ ॥

তৃতীয় নাস্তিকব যুক্তি যে পুৰুষে কৰ্ম্ম কবি কৰ্ম্ম ফল নেপায়। অনেকৰ অনেক কৰ্ম্ম নিস্ফল হোৱা দেখা যায়। গতিকে অনুমান কবিব পাবি যে, সকলো কৰ্ম্মব ফলে ঈশ্বৰব অধীন, ঈশ্বৰে যাক যি কৰ্ম্ম ফল দিবব ইচ্ছা কবে, দিয়ে আৰু ইচ্ছা নহলে নিদিয়ে। গতিকে কৰ্ম্মফল ঈশ্বৰাধীন।

তাব উত্তৰত কওঁ যে কৰ্ম্মফল ঈশ্বৰব ইচ্ছাধীন হলে যাক ইচ্ছা কবে কৰ্ম্ম নকৰাকৈও ফল দিব পাবে চোন, নিদিয়ে কিয় ? ঈশ্বৰে পুৰুষব কৰ্ম্মানুযায়ী ফল নির্ণয় কবে। উদাসীন নিষ্কৰ্ম্মী পুৰুষে ফল পাব নোৱাবে জীৱই কৰ্ম্ম অনুসাবেহে ফল পাব পাবে। এয়েই ঈশ্বৰব বিধান ॥ ৩ ॥

চতুৰ্থ শ্রেণীব নাস্তিকব যুক্তি যে বিনা নিমিত্তই বা কাৰণ নোহোৱাকৈয়ে বস্তুব উৎপত্তি হয়। যেনে কাইটিয়া গছব কণ্টক তীক্ষ্মাগ্র দেখা যায়। ইয়াব দ্বাৰাই প্রতীত হয় যে সৃষ্টিব আৰম্ভত শৰীৰাদি পদার্থ বিনা নিমিত্তেই উৎপন্ন হয়। তাব উত্তৰ এনে হব— যাব পৰা যি বস্তু উৎপন্ন হয় সেয়েই উৎপন্ন বস্তুব কাৰণ। যিহেতু কাইটীয়া গছবহে কণ্টক উৎপন্ন হয় ॥ ৪ ॥

পঞ্চম শ্রেণীব নাস্তিকব যুক্তি যে সকলো পদার্থই যেতিয়া উৎপত্তি আৰু বিনাশশীল, গতিকে সকলো অনিত্য।

শ্লোকার্ধেন প্রবক্ষ্যামি যদুক্তংগ্রন্থকোটিভিঃ।
ব্রহ্ম সত্যং জগন্মিথ্যা জীবো ব্রহ্মৈব নাপরঃ॥

এইটো কোনো নবীন বেদান্তীব বচিত শ্লোক। নবীন বেদান্তী সকল পঞ্চম শ্রেণীব নাস্তিকব ভিতৰত পবে। কাৰণ তেওঁলোকে কয় যে কোটি কোটি গ্রন্থব সিদ্ধান্ত এয়েই যে "ব্রহ্ম সত্য, জগৎ মিথ্যা, জীৱ আৰু ব্রহ্মব ভেদ নাই।" এই যুক্তিব উত্তৰত কওঁযে সকলোবে অনিত্যতা নিত্য হলে সকলো অনিত্য হব নোৱাবে।

প্রশ্ন—সকলোবে অনিত্যতাও অনিত্য; যেনেকৈ—জুইয়ে কাষ্ঠ ভস্ম কবি নিজেও অন্ত হৈ যায়।

উত্তৰ—যিবোৰ যথার্থ কপত উপলব্ধ হয়, সেইবোৰব বর্ত্তমান অনিত্যৰ আৰু পৰম সূক্ষ্ম কাৰণক কেতিয়াও অনিত্য বুলিব নোৱাবি। যদি বেদান্তী সকলে ব্রহ্মব পৰাই জগতব উৎপত্তি স্বীকাব কবে, আৰু যদি ব্রহ্ম সত্য হয় সেই ব্রহ্মব কার্য্য অসত্য হব নোৱাবে। যদি কয় যে বজ্জু সর্পাদি স্বপ্নবৎ কল্পিত, তথাপিও হব নোৱাবে, কাৰণ, কল্পনা হৈছে গুণ। গুণব পৰা দ্রব্য আৰু দ্রব্যব পৰা গুণ পৃথক্ হব নোৱাবে। কল্পনাকাৰী নিত্য হলে তেওঁব কল্পনাও নিত্য হোৱা আৱশ্যক। কল্পনা অনিত্য হলে কল্পনাকাৰীকো অনিত্য বুলি স্বীকাব কবিব লাগিব। দর্শন আৰু শ্রৱণ নহলে স্বপ্ন কেতিয়াও হব নোৱাৰে। জাগ্রত অৱস্থাত অর্থাৎ বর্ত্তমানত সত্য পদার্থব সাক্ষাৎ সম্বন্ধব পৰা যি প্রত্যক্ষাদি জ্ঞান হয়, তাব সংস্কাব অর্থাৎ বাসনাৰূপ জ্ঞান আত্মাত স্থিত থাকে। সেয়েই স্বপ্নত প্রত্যক্ষৰূপে দৃষ্ট বা শ্রুত হয়। যেনেকৈ সুষুপ্তি অৱস্থাত বাহ্য পদার্থব বিষয়ত জ্ঞানাভাব অর্থাৎ জ্ঞান নহলেও বাহ্য পদার্থবোৰ বিদ্যমান থাকে, সেইদবে প্রলয় কালতো কাৰণ দ্রব্য বিদ্যমান থাকে। বিনা সংস্কাবত স্বপ্ন হোৱা হলে, জন্মান্ধয়ো ৰূপব স্বপ্ন দেখিলে হেঁতেন। গতিকে স্বপ্ন অৱস্থাত পদার্থবোৰব জ্ঞানমাত্রহে থাকে, বাহিবত সকলো পদার্থ বিদ্যমান থাকে।

প্রশ্ন—যেনেকৈ জাগ্রত অবস্থাৰ দৃশ্যমান পদার্থবোৰ সুষুপ্তিত অনিত্য, সেইদৰে জাগ্রত অবস্থাত দৃশ্যমান আন আন পদার্থবোৰকো স্বপ্ন অবস্থাৰ দৃশ্যমান পদার্থ বোৰৰ দৰেই জ্ঞান কৰা উচিত।

উত্তৰ—তেনেকৈ মানিব নোৱাৰি, কাৰণ স্বপ্ন আৰু সুষুপ্তিত বাহিৰৰ পদার্থবোৰৰ মাত্ৰ জ্ঞানৰ অভাৱহে হয়, অস্তিত্বৰ অভাৱ নহয়। যেনেকৈ কাৰোবাৰ পাছফালে কোনো পদার্থ অদৃষ্ট হৈ থাকিলেও সেই বোৰৰ অভাৱ নহয়, সেইদৰে স্বপ্ন আৰু সুষুপ্তি অবস্থাতো অভাব হব নোৱাৰে। গতিকে আগতে কৈ অহা হৈছে যে, ব্ৰহ্ম, জীৱ আৰু জগতৰ কাৰণ অনাদি আৰু নিত্য, সেই সিদ্ধান্তই সত্য ।৫॥

ষষ্ঠ শ্ৰেণীৰ নাস্তিক সকলৰ যুক্তি যে যিহেতু পঞ্চভূত নিত্য, গতিকে সমস্ত জগতেই নিত্য।

তাৰ উত্তৰত কওঁ যে, এইটোও সত্য হব নোৱাৰে। কাৰণ যি পদার্থৰ উৎপত্তি আৰু বিনাশৰ কাৰণ দেখা যায়, সেই পদার্থ নিত্য হব নোৱাৰে। সমস্ত স্থূল জগৎ অর্থাৎ দেহ আৰু ঘট পটাদি পদার্থৰ উৎপত্তি আৰু বিনাশ দেখা যায়। গতিকে উৎপন্ন কার্য্যক নিত্য বুলিব নোৱাৰি ।৬॥

সপ্তম শ্ৰেণীৰ নাস্তিক সকলে কয় যে সকলো পদার্থই ইটো সিটোৰ পৰা ভিন্ন, একে নহয়। আমি যিবোৰ পদার্থ দেখিছো সেই বোৰৰ ভিতৰত একে ধৰণৰ দ্বিতীয় পদার্থ দেখা নাই।

তাৰ উত্তৰ এনে—অবয়ব বোৰৰ ভিতৰত অবয়বী, বর্ত্তমান কাল, আকাশ, পৰমাত্মা আৰু জাতি এইবোৰ ভিন্ন ভিন্ন পদার্থৰ ভিতৰত একেই। এইবোৰৰ পৰা কোনো পদার্থ ভিন্ন হৈ থাকিব নোৱাৰে। গতিকে সকলো পদার্থ পৃথক্ নহয়; কিন্তু স্বৰূপত পৃথক্ পৃথক্ আৰু পৃথক্ পৃথক্ পদার্থ বোৰৰ ভিতৰত এক পদার্থও আছে ।৭॥

অষ্টম শ্ৰেণীৰ নাস্তিক সকলৰ কথন এই যে, সকলো পদার্থৰ ভিতৰত ইতৰেতৰ অভাব সিদ্ধ হয় অর্থাৎ প্রতীত হয়, গতিকে সকলো

অভাবৰূপ। যেনে—"অনশ্বো গৌঃ, অগৌরশ্বঃ।" অর্থাৎ গো অশ্ব নহয়, আৰু অশ্ব গো নহয়। গতিকে সকলোবেই অভাব।

তাৰ উত্তৰ—সকলো পদার্থতেই ইতৰেতৰাভাবৰ যোগ আছে। কিন্তু "গৰি গৌরশ্বেঽশ্বো ভাবরূপো বর্ত্ততে এব," অর্থাৎ গোত গোৰ ভাব আৰু অশ্বত অশ্বৰ ভাবেই আছে, অভাব কেতিয়াও হব নোৱাৰে। পদার্থত পদার্থৰ ভাব নেথাকিলে ইতৰেতৰাভাব কাৰ ভিতৰত হব? ৮॥

নবম শ্ৰেণীৰ নাস্তিক সকলে যুক্তি দিয়ে যে স্বভাবৰ পৰাই জগতৰ উৎপত্তি হয়। যেনেকৈ জল আৰু অন্ন আদি বস্তু গোলি পচি কৃমি উৎপন্ন হয়। বীজ, মাটি আৰু জলৰ সংযোগত ঘাঁহ, বন আৰু শিল পাথৰ উৎপন্ন হয়। সমুদ্ৰ আৰু বায়ুৰ সংযোগত তৰঙ্গ, তৰঙ্গৰ পৰা সমুদ্ৰ ফেন আৰু হালধি, চূণ আৰু নেমুটেঙাৰ ৰসৰ সংমিশ্রণত ফাকু উৎপন্ন হয়, সেইদৰেই সমস্ত জগৎ বিভিন্ন তত্ত্ববোৰৰ স্বাভাৱিক গুণৰ পৰাই উৎপত্তি হয়। জগতৰ সৃষ্টি কর্ত্তা কোনো নাই।

তাৰ উত্তৰ—স্বাভাৱিক ভাৱে জগতৰ উৎপত্তি হলে তাৰ বিনাশ হব নোৱাৰে আৰু যদি স্বাভাৱিক ভাৱেই বিনাশ হয়, পুনৰ উৎপত্তি কেতিয়াও হব নোৱাৰে। দ্ৰব্যত উভয় স্বভাৱ যুগপৎ অর্থাৎ একেলগে থাকিলে কেতিয়াও উৎপত্তি আৰু বিনাশ হব নোৱাৰে। কোনো নিমিত্ত এটা লৈ উৎপত্তি আৰু বিনাশ স্বীকাৰ কৰিলে, সেই নিমিত্তক উৎপন্ন আৰু বিনাশশীল দ্ৰব্যৰ পৰা ভিন্ন বুলি স্বীকাৰ কৰিবই লাগিব। স্বভাবৰ পৰা উৎপত্তি আৰু বিনাশ হলে যথা সময়ত উৎপত্তি আৰু বিনাশ হোৱা সম্ভৱ হব নোৱাৰে। যদি স্বাভাৱিক ভাৱে উৎপত্তি হয় তেন্তে এই পৃথিবীৰ ওচৰতে অন্য এখন পৃথিবী, চন্দ্ৰৰ কাষত অন্য এটা চন্দ্ৰ বা সূর্য্যৰ কাষত অন্য সূর্য্য উৎপন্ন নহয় কিয়? যি যি পদার্থৰ যোগত যি যি উৎপন্ন হয়, সেইবোৰ ঈশ্বৰ সৃষ্ট পদার্থৰ বাহিৰে অন্য হব নোৱাৰে; যেনেকৈ বীজ, অন্ন (পৃথিবী) আৰু জল আদিৰ যোগত ঘাঁহ, বন আৰু কৃমি আদি উৎপন্ন হয়, কিন্তু সেইবোৰৰ সেইদৰে

যোগ নহলে নহয়। হালধি চূণ আৰু নেমু স্বয়ং নানা ঠাইৰ পৰা আহি সংযুক্ত নহয়, এজন চেতন পুৰুষে মিল কৰিলেহে হব আৰু যথোচিত পৰিমাণৰ ব্যতিক্রম হলে পৰিণামো বিপৰীতহে হব। সেই দৰেই চৈতন্য জ্ঞান বিবেচনাপূর্ণ এক পৰমেশ্বৰে সুনিশ্চিত পৰিকল্পনাৰে প্রকৃতি পৰমাণুৰ পৰা বিভিন্ন পদার্থৰ বিশ্বখন সৃষ্টি নকৰা হলে এই জগৎ কাৰো উপযোগী হোৱা সম্ভৱ নহলহেঁতেন। এজন পৰম সৃষ্টি কর্ত্তা নহলে স্বভাৱত সৃষ্টি হব নোৱাৰে।

প্রশ্ন—এই জগতৰ কোনো সৃষ্টিকর্ত্তা নাই, অনাদি কালৰ পৰাই এইদৰেই চলি আহিছে। জগত নতুনকৈ সৃষ্টি বা সম্পুর্ণ বিনাশ হব নোৱাৰে।

উত্তৰ—কর্ত্তা বিনা কোনো ক্রিয়া আৰু ক্রিয়াৰ পৰা কোনো পদার্থ নির্মিত হব নোৱাৰে। পৃথিবী আদি পদার্থবোৰৰ ভিতৰত যি সংযোগ বিশেষৰ দ্বাৰাই ৰচনা (সৃষ্টি) হোৱা দেখা যায় সি অনাদি কেতিয়াও হব নোৱাৰে। যি সংযোগৰ পৰা উৎপন্ন হয় সি সংযোগৰ আগত আৰু বিনাশৰ পাছত বর্ত্তমান নেথাকে। ইয়াৰ প্রমাণ স্বৰূপে সকলোতকৈ কঠিন শিল, প্রস্তৰ, হীৰা, ইস্পাত আদি ভাঙি গুৰি কৰি, গলাই বা ভস্ম কৰি চালে এইবোৰত পৃথক্ পৃথক্ পৰমাণুৰ মিলন পোৱা যাব। যত মিলন, তাৰ কালক্রমত পৃথক্ পৃথক্ হোৱাও অনিবার্য্য ।১০॥

প্রশ্ন—অনাদি ঈশ্বৰ কোনো নাই। যি যোগাভ্যাস কৰি অণিমা আদি অষ্ট সিদ্ধিৰে ঐশ্বর্য্যবান সর্ব্বজ্ঞ, আৰু পুর্ণ জ্ঞানী হব পাৰে সেই জীৱকেই পৰমেশ্বৰ বোলে।

উত্তৰ—জগতৰ স্রষ্টা অনাদি ঈশ্বৰ নহলে সাধনাৰে সিদ্ধি লাভ কৰা জীৱবোৰৰ আধাৰ জীৱন জগৎ, দেহ আৰু ইন্দ্রিয়গোলক কেনেকৈ নির্ম্মিত হব পাৰে? দেহ ইন্দ্রিয় নহলে জীৱই সাধনা কৰিব কেনেকৈ? সাধনা নহলে সিদ্ধি কেনেকৈ হব? জীৱই সাধনা কৰি যিমানেই

সিদ্ধি লাভ কৰক লাগে, অনাদি, সনাতন আৰু অনন্ত সিদ্ধি সম্পন্ন পৰমেশ্বৰৰ সমান হব নোৱাৰে। জীৱৰ চৰম সীমালৈকে জ্ঞান বৃদ্ধি হলেও জীৱৰ জ্ঞান আৰু সামর্থ্য পৰিমিত। জীৱৰ জ্ঞান আৰু সামর্থ্য অনন্ত হব নোৱাৰে। অদ্য পৰিমিত ঈশ্বৰৰ নির্ম্মিত এই সৃষ্টিৰ পৰিবর্ত্তন ঘটাৰ পৰা কোনো যোগী বা সাধক হব পৰা নাই, আৰু হবও নোৱাৰে। চকুৰে দেখা, কাণেৰে শুনা ইত্যাদি পৰমেশ্বৰৰ সৃষ্টিৰ বিধান আজি পর্য্যন্ত কোনো সাধক বা যোগীয়ে পৰিবর্ত্তন ঘটাৰ পৰা নাই, গতিকে জীৱ কেতিয়াও ঈশ্বৰ হব নোৱাৰে।

প্রশ্ন—কল্প কল্পান্তৰত ঈশ্বৰে ভিন্নৰূপৰ সৃষ্টি কৰে নে একে ধৰণৰেই কৰে?

উত্তৰ—বর্ত্তমানৰ যি ৰূপ, সি অতীতত আছিল আৰু ভবিষ্যতেও সেই একেদৰেই হব।

সূর্য্যাচন্দ্রমসৌ ধাতা যথা পূর্ব্বমকল্পয়ৎ।
দিবং চ পৃথিবীং চান্তরিক্ষমথো স্বঃ॥

(ঋ॰ ম॰ ১০। সূ॰ ১৯০। ম॰ ৩)॥

(ধাতা) পৰমেশ্বৰে যেনেকৈ পুর্ব্বকল্পত সূর্য্য, চন্দ্র, বিদ্যুৎ পৃথিবী আৰু অন্তৰিক্ষ আদি সৃষ্ট কৰিছিল বর্ত্তমানো সেইদৰে কৰিছে আৰু ভবিষ্যতেও সেই দৰেই কৰিব। পৰমেশ্বৰৰ কার্য্যত ভ্রম প্রমাদ আদি নাই, গতিকে সদায় এক ৰূপত থাকিব। যি অল্পজ্ঞ আৰু যাৰ জ্ঞান বঢ়া-টুটা হয়, তেওঁৰ কর্ম্মত ভ্রম প্রমাদ হয়, কিন্তু সর্ব্বজ্ঞ ঈশ্বৰৰ কার্য্য তেনে নহয়।

প্রশ্ন—সৃষ্টিৰ বিষয়ে বেদাদি সকলো শাস্ত্রত একমত নে মতৰ অনৈক্য আছে?

উত্তৰ—ঐক্য আছে।

প্রশ্ন—ঐক্য থাকিলে—

তস্মাদ্বা এতস্মাদাত্মন আকাশঃ সম্ভূতঃ। আকাশাদ্বায়ুঃ।

বায়োরগ্নিঃ। অগ্নেরাপঃ। অদ্ভ্যঃ পৃথিবী। পৃথিব্যা ওষধয়ঃ ওষধিভ্যোঽন্নম্। অন্নাদ্রেতঃ। রেতসঃ পুরুষঃ স বা এষ পুরুষোঽন্নরসময়ঃ॥

(তৈত্তিরীয়োপনিষৎ, ব্রহ্মানন্দব০। অনু০ ১॥)

ইয়ার অর্থ এয়ে যে সেই পরম ব্রহ্ম আরু প্রকৃতির পরাই আকাশ বা অবকাশ অর্থাৎ যি কারণরূপ তত্ত্ব সর্ব্বত্র বিস্তৃত আছিল, তার সংহতি করার কারণে অবকাশ সৃষ্টি হয় আচলতে আকাশর সৃষ্টি নহয়। কারণ আকাশ নাথাকিলে প্রকৃতি আরু পরমাণু কত থাকিব? আকাশর পাছত বায়ু, বায়ুর পাছত অগ্নি, অগ্নির পাছত জল, জলর পাছত পৃথিবী, পৃথিবীর পরা গছ-লতা, তার পরা খাদ্য, খাদ্যর পরা বীর্য্য আরু বীর্য্যর পরা পুরুষ অর্থাৎ শরীর উৎপন্ন হয়। তৈত্তিরীয়ত এই-দরে আকাশাদি ক্রমানুসারে ছান্দোগ্যত অগ্নি আদি ক্রমে আরু ঐত-রেয়ত জলাদি ক্রমানুসারে সৃষ্টি বিকাশ হৈছে। বেদর কোনো স্থলত পুরুষর পরা, কোনো স্থলত হিরণ্যগর্ভ আদির পরা, মীমাংসাত কর্ম্মর পরা, বৈশেষিকত কালর পরা, ন্যায়ত পরমাণুর পরা, যোগত পুরুষার্থর পরা, সাংখ্যত প্রকৃতির পরা আরু বেদান্তত ব্রহ্মর পরা সৃষ্টির উৎপত্তি হোৱা বুলি ধরা হয়। এতিয়া কোনটো সত্য আরু কোনটো মিছা বুলি ধরিম?

উত্তর—এই সকলোরোর সত্য, কোনোটো মিছা নহয়। বিপরীত বুজাহে অসত্য। কিয়নো, পরমেশ্বর জগতর নিমিত্ত কারণ আরু প্রকৃতি উপাদান কারণ। মহাপ্রলয়র পাছত সৃষ্টি আকাশাদি ক্রমানুসারে হয়। অর্থাৎ যেতিয়া আকাশ আরু বায়ুর প্রলয় নহয়, অগ্নি আদির হয়, তেতিয়া অগ্নি আদি ক্রমত সৃষ্টি হয়। অর্থাৎ যি প্রলয়ত যি তত্ত্ব বা পদার্থ পর্য্যন্ত প্রলয় হয়, সেই পদার্থর পরা সৃষ্টির আরম্ভ হয়।

প্রথম সমুল্লাসত লিখা হৈছে যে পুরুষ আরু হিরণ্যগর্ভ আদি পরমেশ্বরর নাম। একেই কার্য্যত একে বিষয়ত বিরুদ্ধবাদ হলেহে

বিরোধ রোলে। ছয় শাস্ত্রর ঐক্য এনেকুৱা:—

মীমাংসার মতে কর্ম্ম-চেষ্টা বিনা জগতত কোনো কার্য্যই হব নোৱারে। বৈশেষিকর মতে সময় বিনা সৃষ্টি হব নোৱারে। ন্যায়র মতে উপাদান কারণ বিনা কোনো বস্তুর সৃষ্টি হব নোৱারে। যোগর মতে বিদ্যা, জ্ঞান আরু বিবেচনা বিনা সৃষ্টি হব নোৱারে। সাংখ্যর মতে তত্ত্ব সমূহর মিলন বিনে সৃষ্টি হব নোৱারে। বেদান্তর মতে সৃষ্টি কর্ত্তাই সৃষ্টি নকরিলে কোনো পদার্থ উৎপন্ন হব নোৱারে। গতিকে এই ছয় কারণর পরাই সৃষ্টি হয়। এই ছয় কারণর ব্যাখ্যা ছয় শাস্ত্রত এক এক প্রকারে লিখিত হৈছে। এই বোরর ভিতরত কোনো মৌলিক বিরোধ নাই। ছয় শাস্ত্রই ছয় দৃষ্টিরে সৃষ্টি কার্য্যর ব্যাখ্যা পূর্ণ করিছে। যেনেকৈ পাঁচজন অন্ধ আরু এজন ক্ষীণ দৃষ্টির মানুহর একোজনক হাতীর বেলেগ বেলেগ একোটা অঙ্গর এজনে কথা কৈছিল। পাছত তেওঁলোকক আন এজনে হাতী কেনেকুৱা বুলি সুধিলত **প্রথমজনে** কলে "খুটার দরে" **দ্বিতীয়জনে** কলে "কুলার দরে", **তৃতীয়জনে** কলে "উরাল মারির দরে", **চতুর্থজনে** কলে "ঝাড়ুর দরে", **পঞ্চমজনে** কলে "বেদীর দরে" আরু **ষষ্ঠজনে** কলে 'চারিটা খুটার ওপরত থকা ম'হর" দরে সেই দরেই আধুনিক অনার্ষ নবীন গ্রন্থ পঢ়োতা আরু প্রাকৃত ভাষা ভাষী সকলে ঋষি প্রণীত গ্রন্থ অধ্যয়ন নকরি অল্প বুদ্ধির কল্পিত নবীন সংস্কৃত আরু স্থানীয় ভাষার গ্রন্থ পঢ়ি ইটো সিটোর মাজত মত-ভেদ হোৱা বারে কাজিয়া-পেচাল করে। তেওঁলোকর বাদ বিবাদর যুক্তিয়ে বিদ্বান সমাজক আকর্ষণ করিব নোৱারে। কারণ অন্ধই পথ প্রদর্শন করিব নোৱারে। আচলতে আধুনিক অল্পজ্ঞ স্বার্থপর আরু ইন্দ্রিয়াসক্ত লোকর ছল চাতুরিত জগতর সর্ব্বনাশ হবর উপক্রম হৈছে।

প্রশ্ন—যদি বিনা কারণে কার্য্য নহয়, তেন্তে কারণর কারণ নাই কিয়?

উত্তৰ ঃ—সকল বুদ্ধিৰ ভাই সকল। নিজৰ বুদ্ধিৰেই চিন্তা কৰি চাৰচোন। সংসাৰত দুটা পদাৰ্থহে আছে; তাৰ ভিতৰত এটা কাৰণ আনটো কাৰ্য্য। যি কাৰণ, সি কাৰ্য্য হব নোৱাৰে আৰু যেতিয়া কাৰ্য্য তেতিয়া সেইটো কাৰণ নহয়। যিমান দিন মানুহে সৃষ্টিক যথাৰ্থৰূপে বুজিব নোৱাৰে, সিমান দিন পৰ্য্যন্ত সম্পূৰ্ণ জ্ঞান নহয়।

নিত্যায়াঃ সত্ত্বৰজস্তমসাং সাম্যাবস্থায়াঃ প্ৰকৃতেৰুৎপন্নানাং পৰমসূক্ষ্মাণাং পৃথক্ পৃথক্ বৰ্ত্তমানানাং তত্ত্বপৰমাণূনাং প্ৰথমঃ সংযোগাৰম্ভঃ সংযোগবিশেষাদবস্থান্তৰস্য স্থূলাকাৰপ্ৰাপ্তিঃ সৃষ্টিৰুচ্যতে ॥

অনাদি নিত্যস্বৰূপ সত্ত্ব-ৰজঃ-তমো গুণৰ সাম্যাৱস্থাৰূপ প্ৰকৃতিৰ পৰা উৎপন্ন যি পৰমসূক্ষ্ম পৃথক্ পৃথক্ বিদ্যমান তত্ত্বাবয়ৱৰ প্ৰথম যি সংযোগ আৰম্ভ, সেই সংযোগ বিশেষৰ পৰা অৱস্থান্তৰ অৰ্থাৎ অৱস্থাৰ পৰিবৰ্ত্তন হৈ সূক্ষ্ম আৰু স্থূলাকাৰ হৈ হৈ বিচিত্ৰৰূপ নিৰ্ম্মিত হৈছে। এইদৰে সংসৰ্গ হোৱাকেই সৃষ্টি বোলে।

যি পদাৰ্থ প্ৰথম সংযোগত মিলিত হয় আৰু মিলন ঘটায়, যি সংযোগৰ আদি আৰু বিয়োগৰ অন্ত অৰ্থাৎ যাৰ বিভাগ হব নোৱাৰে, তাকেই কাৰণ বোলে। যি সংযোগত নিৰ্ম্মিত হয়, কিন্তু বিয়োগৰ পাছত তদ্ৰূপ নেথাকে, তাকেই কাৰ্য্য বোলে। যি সেই কাৰণৰ কাৰণ, কাৰ্য্যৰ কাৰ্য্য, কৰ্ত্তাৰ কৰ্ত্তা, সাধনৰ সাধন আৰু সাধ্যৰ সাধ্য ইত্যাদিৰ কথা কয়, তেওঁৰ চকু থাকিও অন্ধ, কাণ থাকিও কলা আৰু জ্ঞান থাকিও মূৰ্খ। চকুৰ চকু, প্ৰদীপৰ প্ৰদীপ, সূৰ্য্যৰ সূৰ্য্য কেতিয়াবা হব পাৰেনে? যাৰ পৰা কোনো বস্তু উৎপন্ন হয় তাক কাৰণ বোলে, আৰু যি উৎপন্ন হয় তাক কাৰ্য্য বোলে। যি কাৰণক কাৰ্য্যৰূপত পৰিণত কৰে তেওঁৰেই কৰ্ত্তা।

নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ।
উভয়োৰপি দৃষ্টোঽন্তস্ত্বনয়োস্তত্ত্বদৰ্শিভিঃ ॥
(ভগবদ্গীতা অঃ ২। ১৬)।

অসতৰ ভাৱ অৰ্থাৎ বিদ্যমানতা আৰু সতৰ অভাৱ অৰ্থাৎ অবৰ্ত্তমানতা কেতিয়াও হব নোৱাৰে। তত্ত্বদৰ্শীসকলে এই দুই তত্ত্ব নিৰ্ণয় কৰিছে। পক্ষপাতী, দুৰাগ্ৰহী, মলিনাত্মা, আৰু অজ্ঞানী সকলে এই কথা উপলব্ধি কৰা সহজ নহয়। যি সকল বিদ্বান পুৰুষে সৎপৰায়ণ হৈ চিন্তা কৰিব নোৱাৰে তেওঁলোক সদায় ভ্ৰমজালতেই আবদ্ধ থাকে। যাৰ অন্তৰত জিজ্ঞাসা উদয় হয়, যিবিলাকে জানিবৰ কাৰণে নিৰপেক্ষ আৰু নিৰন্তৰ চেষ্টা কৰে—আৰু যি সকল ন্যায় আৰু সত্যত ব্ৰতী, সেই সকলেই মানৱ সমাজত শ্ৰেষ্ঠ আৰু ধন্য। গতিকে যি বিনা কাৰণত সৃষ্টি হোৱা বুলি মানে সেই জনে একো তত্ত্ব নেজানে।

সৃষ্টিৰ সময় উপস্থিত হলে পৰমাত্মাই পূৰ্ব্বোক্ত নিত্য বৰ্ত্তমান পৰম সূক্ষ্ম পদাৰ্থবোৰক সংযোগ সম্মিলিত কৰে। সেইবোৰৰ প্ৰথম অৱস্থাত পৰম সূক্ষ্ম প্ৰকৃতিৰূপ কাৰণৰ দ্বাৰা যি কিঞ্চিৎ স্থূল হয়, সেই অৱস্থাকেই মহত্তত্ত্ব বোলা হয়। যি মহত্তত্ত্বতকৈ কিঞ্চিৎ স্থূল হয়, তাক অহঙ্কাৰ বোলা হয়। অহঙ্কাৰৰ পৰা ভিন্ন ভিন্ন পাঁচ বিধ সূক্ষ্মভূত, শ্ৰোত্ৰ, ত্বক, নেত্ৰ, জিহ্বা, আৰু ঘ্ৰাণ এই পঞ্চ জ্ঞানেন্দ্ৰিয় আৰু বাক্, হস্ত, পাদ, উপস্থ আৰু গুহ্য এই পাঁচ বিধ কৰ্ম্মেন্দ্ৰিয় আৰু মন, অপেক্ষাকৃত স্থূলৰূপত উৎপন্ন হয়। ওপৰোক্ত সূক্ষ্মভূত পঞ্চতন্মাত্ৰাৰ পৰাই বহুত স্থূল অৱস্থালৈ পৰিবৰ্ত্তন হৈ ক্ৰমে ক্ৰমে যি পঞ্চ স্থূলভূত উৎপন্ন হয়, সেইবোৰেই আমাৰ প্ৰত্যক্ষ হয়। স্থূলভূতৰ পৰাই নানা বিধ ঔষধি আৰু বৃক্ষাদি উৎপন্ন হয়। ঔষধি আৰু বৃক্ষাদিৰ পৰাই অন্ন, অন্নৰ পৰা বীৰ্য্য আৰু বীৰ্য্যৰ পৰা শৰীৰ উৎপন্ন হয়।

আদিতে মৈথুনী অৰ্থাৎ স্ত্ৰীপুৰুষৰ মিলনৰ পৰা সৃষ্টি নহয়। পৰমাত্মাই স্ত্ৰীপুৰুষৰ শৰীৰ সৃষ্টি কৰি তাত জীৱসংযোগ কৰি দিলে তাৰ পাছত মৈথুনী সৃষ্টি চলি থাকে। শৰীৰ ৰচনাৰ ভিতৰত সৃষ্টি বিদ্যাৰ আশ্চৰ্য্য বিচক্ষণতা চিন্তা কৰি চাওক। এই আচৰিত সৃষ্টি বিদ্যাৰ অন্ত নেপাই পণ্ডিত সকল আশ্চৰ্য্যান্বিত আৰু অবাক্ হয়। দেহৰ ভিত-

ৰত অস্থি যোজনা, নাড়ীবন্ধন, মাংসলেপন, চর্ম্মাচ্ছাদন, স্নীহা, যকৃৎ ক্ষুদ্র পংখা কৌশলৰ দৰে হাওফাও স্থাপন, জীৱ সংযোগ, শিৰোৰূপ মূলৰচনা লোম নখাদি স্থাপন, তন্ত্রীৰ দৰে চকুৰ অতি সূক্ষ্ম শিৰা ৰচনা, ইন্দ্রিয় মার্গ প্রকাশ, জীৱৰ জাগ্রত, স্বপ্ন, সুষুপ্তি অৱস্থাত ভোগৰ বিশেষ বিশেষ স্থানৰ নিৰ্ম্মাণ, সকলো ধাতুৰ বিভাগ, কলা কৌশল স্থাপন, আদি অদ্ভুত সৃষ্টি পৰমেশ্বৰ ৰাহিৰে আন কোনে কৰিব পাৰে? ইয়াৰ বাহিৰেও নানাবিধ ৰত্ন, ধাতু পূর্ণ ভূমি, বট আদি বৃক্ষাদিৰ বীজৰ ভিতৰত অতি সূক্ষ্ম ৰচনা, অসংখ্য হৰিৎ, শ্বেত, পীত, কৃষ্ণ, চিত্রবিচিত্র ও মিশ্রিত ৰণৰ পত্র, পুষ্প আৰু ফল মূলৰ নির্ম্মাণ, মিষ্ট, ক্ষাৰ, কটু, কষায়, তিক্ত, অম্ল (টেঙা) আদি বিবিধ ৰস, সুগন্ধাদি যুক্ত পত্র, পুষ্প ফল, অন্ন, আৰু কন্দ-মূল, আদিৰ ৰচনা, কোটি কোটি পৃথিবী চন্দ্র সূর্য্য আদি লোকৰ সৃষ্টি, ধাৰণ, ভ্রমণ, আৰু নিয়ন্ত্রণ আদি পৰমেশ্বৰৰ ৰাহিৰে কোনে কৰিব পাৰে?

কোনোৱে যেতিয়া কোনো পদার্থ দেখে তাৰ তেতিয়া দুই প্রকাৰৰ জ্ঞান হয়। প্রথম পদার্থৰ জ্ঞান, দ্বিতীয় পদার্থৰ ৰচনা দেখি সৃষ্টি কর্ত্তাৰ জ্ঞান। দৃষ্টান্ত ৰূপে কোনোৱে এঠাইত কোনো এক সুন্দৰ অলঙ্কাৰ পালে মনত অলঙ্কাৰৰ সৌন্দর্য্যৰ জ্ঞান আৰু সুদক্ষ শিল্পীৰ জ্ঞান। সেই দৰেই বিচিত্র ৰচনা দেখি এক সৃষ্টিকর্ত্তা পৰমেশ্বৰৰ প্রতিপাদন হয়।

প্রশ্ন— প্রথমে মানৱ সৃষ্টি হৈছিল নে পৃথিবী আদিৰ?

উত্তৰ— পৃথিবী আদিৰ। কাৰণ আগতে পৃথিবী আদি নহলে মনুষ্যাদিৰ স্থিতি আৰু পালন পোষণ হব নোৱাৰে।

প্রশ্ন—সৃষ্টিৰ আৰম্ভতে এজনৰ নে একেলগে বহু মানুহৰ সৃষ্টি হৈছিল?

উত্তৰ—অনেক। কাৰণ যিবোৰ জীৱৰ কর্ম্ম ঐশী সৃষ্টিত উৎপন্ন হবৰ উপযুক্ত আছিল, সৃষ্টিৰ আৰম্ভত ঈশ্বৰে সেইবোৰক প্রথম উৎপন্ন

কৰে। যজুর্ৱেদ আৰু যজুর্ৱেদীয় ব্রাহ্মণত লিখিত আছে, "মনুষ্যা ঋষয়শ্চ য়ে। ততো মনুষ্যা অজায়ন্ত"। ইয়াৰ দ্বাৰাই নিশ্চিত জ্ঞান হয় যে আদিতে অনেক অর্থাৎ শত সহস্র মনুষ্য উৎপন্ন হৈছিল। সৃষ্টি লক্ষ কৰিলেও বুজিব পাৰি যে মনুষ্য জাতি অনেক মাতা পিতাৰ সন্তান।

প্রশ্ন— আদি সৃষ্টিত মনুষ্যাদি বাল্য, যৌবন, বা বৃদ্ধাবস্থাত নে তিনিও অবস্থাত উৎপন্ন হৈছিল?

উত্তৰ—যৌবন অৱস্থাত। কাৰণ শৈশৱ অৱস্থাত উৎপন্ন কৰিলে প্রতিপালন কৰোঁতাৰ প্রয়োজন হয়। বৃদ্ধাবস্থাত সৃষ্টি কৰিলেও মৈথুনী সৃষ্টি হব নোৱাৰে। গতিকে যৌবন অৱস্থাতেই সৃষ্টি হৈছে

প্রশ্ন—সৃষ্টিৰ আৰম্ভ আছে নে নাই?

উত্তৰ—নাই। যেনেকৈ দিনৰ আগত ৰাতি, ৰাতিৰ আগত দিন, দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন এইদৰেই চলি আহিছে, সেইদৰেই সৃষ্টিৰ আগত প্রলয়, প্রলয়ৰ আগত সৃষ্টি, সৃষ্টিৰ পাছত প্রলয়, প্রলয়ৰ পাছত সৃষ্টি চক্রৱৎ অনাদি কালৰ পৰাই চলি আহিছে। সৃষ্টিৰ আদি বা অন্ত নাই। যেনেকৈ দিন ৰাতিৰ আৰম্ভ আৰু অন্ত দেখা যায় সেইদৰেহে সৃষ্টি আৰু প্রলয়ৰ আদি অন্তহৈ থাকে। যেনেকৈ পৰমাত্মা, জীৱ আৰু জগতৰ কাৰণ এই তিনি স্বৰূপতঃ অনাদি, সেইদে জগতৰ সৃষ্টি আৰু স্থিতি প্রবাহ ৰূপো অনাদি। যেনেকৈ নদীৰ প্রবাহ ৰোৱাবা শুকান, কেতিয়াবা অদৃশ্য দৃষ্টিগোচৰ হয়, অর্থাৎ বর্ষাকালত দৃশ্য আৰু গ্রীষ্মকালত অদৃশ্য হয়, সেইদৰে জগতৰ ব্যাপাৰবোৰো প্রবাহৰূপ বুজিব লাগিব। পৰমেশ্বৰৰ গুণ স্বভাৱ কর্ম্ম যেনে অনাদি, তেওঁৰ জগতৰ সৃষ্টি স্থিতি, প্রলয়ো তেনে অনাদি। ঈশ্বৰৰ গুণ কর্ম্ম স্বভাৱৰ আৰম্ভ আৰু অন্ত নাই, সেইদৰে তেওঁৰ কর্ত্তব্য কর্ম্মৰো আৰম্ভ আৰু অন্ত নাই।

প্রশ্ন—পৰমেশ্বৰে কোনো জীৱক মনুষ্য, কোনোক সিংহাদি ক্রুৰ, কোনোক হৰিণ আৰু গৰাদি পশু, কোনোক বৃক্ষ কৃমি, কীট পতঙ্গ প্রভৃতি ৰূপে জন্ম দিয়াত তেওঁক পক্ষপাত কৰা বুলিব নোৱাৰি নে?

উত্তব—পক্ষপাত কবা হোৱা নাই। কাৰণ পুৰ্ব্ব সৃষ্টিত কবা সেই-বোৰ জীৱৰ কৰ্ম্মানুসাৰেহে ব্যৱস্থা কবা হৈছে। বিনা কৰ্ম্মত জন্ম ব্যৱস্থা কবিলেহে পক্ষপাত হয়।

প্রশ্ন—মানুহৰ আদি সৃষ্টি ক'ত হৈছিল ?

উত্তব—ত্রিবিষ্টপত অর্থাৎ যাক আজিকালি তিব্বত বোলা হয়।

প্রশ্ন—আদি সৃষ্টিত জাতি একেটা আছিল নে বহুতো ?

উত্তব—এক মানৱ জাতি আছিল। পাছত "বিজানীহ্যার্য্যান্ যে চ দস্যবঃ" (ঋ॰ ১।৫১।৮) এয়া ঋগ্‌বেদৰ বচন। শ্রেষ্ঠ সকলে আর্য্য বিদ্বান আৰু দেব আখ্যা পায় আৰু দুষ্টবোৰে অসুৰ দস্যু আৰু মূর্খ আখ্যা পায়। "উত শূদ্রে উতার্য্যে" অথর্ব বেদৰ বচন। আর্য্যসকলৰ ভিতৰত ওপৰত কোৱাৰ দৰে ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র এই চাৰি বিভাগ হ'ল। দ্বিজ বিদ্বান্ সকলৰ সাধাৰণ আখ্যা আর্য্য হয় আৰু মূর্খবোৰৰ শূদ্র, অনার্য্য বা অনাড়ী আখ্যা হ'ল।

প্রশ্ন—বাৰু, তেওঁবিলাক এই দেশলৈ কেনেকৈ আহিল ?

উত্তব—যেতিয়া আর্য্য আৰু দস্যু অর্থাৎ বিদ্বান্ দেব আৰু অবিদ্বান্ অসুৰৰ মাজত বাদ বিবাদ হৈ নানা উপদ্রব হবলৈ ধৰিলে, তেতিয়া আর্য্যসকলে সমগ্র পৃথিৱীৰ ভিতৰত এই ভূভাগক সর্ব্বশ্রেষ্ঠ বুলি জানি এই দেশলৈ আহি বাস কৰিবলৈ ধৰিলে। সেই কাৰণেই এই ভূভাগৰ নাম "আর্য্যাবর্ত্ত" হ'ল।

প্রশ্ন—আর্য্যাবর্ত্তৰ সীমা কলৈকে ?

উত্তব—

আসমুদ্রাত্তু বৈ পূর্ব্বাদাসমুদ্রাত্তু পশ্চিমাৎ।
তয়োৰেবান্তৰং গির্য্যোৰার্য্যাবর্ত্তং বিদুর্বুধাঃ ॥১॥
সৰস্বতীদৃষদ্বত্যো র্দেবনদ্যোর্যদন্তৰম্।
তং দেবনির্ম্মিতং দেশমার্য্যাবর্ত্তং প্রচক্ষতে ॥২॥
মনু॰ (২।২২।১৭)॥

উত্তৰে হিমালয়, দক্ষিণে বিন্ধ্যাচল, পুবে আৰু পশ্চিমে সমুদ্র ॥১॥

পশ্চিমে সৰস্বতী অর্থাৎ অটক নদী আৰু পুব দিশত দৃষদ্বতী নদী। এই নদী নেপালৰ পুৰ্ব্ব ভাগৰ পর্ব্বতশ্রেণীৰ পৰা ওলাই গৈ বঙ্গ আৰু আসামৰ পুব আৰু ব্রহ্মদেশৰ পশ্চিমেদি দক্ষিণৰ সমুদ্রত পৰিছেগৈ। ইয়াৰ নাম ব্রহ্মপুত্র। অটক উত্তৰস্থ পর্ব্বত শ্রেণীৰ পৰা বাহিৰ হৈ দক্ষিণৰ উপসাগৰত মিলিত হৈছে। উত্তৰে হিমালয়ৰ মধ্যৰেখাৰ পৰা দক্ষিণ আৰু পাহাৰবোৰৰ ভিতৰ আৰু ৰামেশ্বৰ পর্য্যন্ত বিন্ধ্যাচলৰ মাজত থকা সকলো প্রদেশকেই আর্য্যাবর্ত্ত বোলে।

প্রশ্ন—এই দেশৰ আদিতে কি নাম আছিল আৰু কোনে বাস কৰিছিল ?

উত্তব—আর্য্য সকলৰ আগত এই দেশৰ কোনো নাম নাছিল আৰু আর্য্য সকলৰ আগত কাৰো বাসস্থানো নাছিল। কাৰণ সৃষ্টিৰ পাতনিতে আর্য্যসকল কিছুকাল তিব্বতৰ পৰা এই দেশলৈ আহি বাস কৰিবলৈ লৈছিল।

প্রশ্ন—কোনো কোনোৱে কয় আর্য্যসকল ইৰাণৰ পৰা আহিছিল যাবে তেওঁলোকে আর্য্য নাম পায়। তাৰ আগত এই দেশত বনৰীয়া লোকৰ বসতি আছিল যাক অসুৰ আৰু ৰাক্ষস বোলা হৈছিল। আর্য্য সকলে নিজক দেবতা বুলি কৈছিল, আৰু আদিবাসী সকলৰ লগত যেতিয়া সংগ্রাম হৈছিল, সেই সংগ্রামবোৰ দেবাসুৰৰ সংগ্রাম নাম দিছিল।

উত্তব—এই কথা একেবাৰেই মিছা—

বিজানীহ্যার্য্যান্যে চ দস্যবো বর্হিষ্মতে ৰন্ধয়া
শাসদব্রতান্ ॥ ঋ॰ ম॰ ১। সূ॰ ৫১। মং ৮॥
উত শূদ্রে উতার্য্যে ॥ অথর্ব॰ কা॰ ১৯। ব॰ ৬২॥

আগতে লিখা হৈছে যে ধর্ম্ম পৰায়ণ, বিদ্বান, আৰু আপ্ত পুৰুষ সকলৰ আখ্যা আর্য্য, ইয়াৰ বিপৰীতবোৰৰ আখ্যা অসুৰ, ৰাক্ষস, অনার্য্য আদি। সেই অর্থতেই ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, দ্বিজৰ নাম আর্য্য আৰু

শূদ্রব নাম অনার্য্য বা অনাড়ী। আর্য্য সংস্কৃতিব মূল বেদে যেতিয়া এনেকুৱা ব্যাখ্যা দিছে, এনে স্থলত বিদেশী লোকব কল্পিত কথা বুদ্ধিমান মানুহে কেতিয়াও মানি লব নোৱাবে। দেবাসুবব সংগ্রামত, অর্থাৎ হিমালয় পর্ব্বতীয়া অঞ্চলব আর্য্য আৰু দস্যু, ম্লেচ্ছ, অসুব আদিব মাজত যিবোৰ যুদ্ধ হৈছিল, তেনেবোৰ যদ্ধত আর্য্যাবর্ত্তীয় অর্জ্জুন, মহাবাজ দশবথ আদিয়ে দেব অর্থাৎ আর্য্য সকলব বক্ষা আৰু অসুবব পবাজয় সাধন কবাত সহায়ক হৈছিল। ইয়াব দ্বাবা এয়েই প্রতিপাদিত হয় যে আর্য্যাবর্ত্তব বাহিবে চাবিওফালে, আৰু হিমালয়ব পুব, পশ্চিম, উত্তব, দক্ষিণ, অগ্নি, বায়ু, নৈঋর্ত ঈশান দিশত থকা মানুহক অসুব বোলা হৈছিল। কাবণ যেতিয়াই তেতিয়াই হিমালয় প্রদেশস্থ আর্য্য সকলব ওপবত অনার্য্যব আক্রম হৈছিল, এই দেশব বীব যোদ্ধা সকলে সেইবোব যুদ্ধত আর্য্য সকলব সহায়তাব কাবণে যুদ্ধ কবিবলৈ গৈছিল। এনেকুৱা আখ্যান বহুত সংস্কৃত সাহিত্যত পোৱা যায়। দক্ষিণত বাম৹ন্দ্র আৰু বাৱণব লগত যি যুদ্ধ হৈছিল সেই যুদ্ধব নাম দেবাসুব সংগ্রাম নহয়, বাম-বাৱণব যুদ্ধ বা আর্য্য বাক্ষসব যুদ্ধ বুলিহে বর্ণিত হৈছে। বেদব পবা আবম্ভ কবি কোনো সংস্কৃত গ্রন্থত উল্লেখ পোৱা নেযায় যে, আর্য্য সকল ইবাণব পবা আহি এই দেশব অনার্য্যবোৰক পবাজয় কবি বাস কবে। এনেবোব বিদেশীব কল্পিত কল্পনা নিজস্ব বুদ্ধি বৃত্তি থকা মানুহে মানি লব নোৱাবে।

আৰু :—

ম্লেচ্ছবাচশ্চার্য্যবাচঃ সর্ব্বে তে দস্যবঃ স্মৃতাঃ॥ (মনু০ ১০।৪৫)

ম্লেচ্ছ দেশস্ততঃ পবঃ॥ মনু০ ২।২৩॥

আর্য্যাবর্ত্ত ভিন্ন অন্য দেশক দস্যুদেশ আৰু ম্লেচ্ছ দেশ বোলে। ইয়াব দ্বাবাই বুজিব পাবি যে আর্য্যাবর্ত্তব বাহিবে পুব ঈশান, উত্তব বায়ব্য, আৰু পশ্চিম দেশবাসীব নাম দস্যু, ম্লেচ্ছ আৰু অসুব আৰু নৈঋত্য, দক্ষিণ, আৰু আগ্নেয় দিকব আর্য্যাবর্ত্তব বাহিবব দেশবাসীব নাম বাক্ষস আছিল। বাক্ষসব যি ভয়ঙ্কব বর্ণনা দিয়া আছে সেইবোবব মিল

'হবশী' সকলব চেহেবাত পোৱা যায়। নাগ মানে পাহাড় আৰু সর্প। কোনো স্থান বা পাহাড় বাসীব নাম নাগী হয়। ঠাই বা দেশব নাম অনুসাবে জাতিব নাম জনাজাত হয়। নাগ বাজ্যব কন্যা উলুপীব লগত অর্জ্জুনব বিবাহ হৈছিল। পূর্ব্বপুৰুষ ইক্ষাকুব পবা আবম্ভ কবি কৌবব পাণ্ডবব সময়লৈকে আর্য্যসকলব বাজ্য দেশান্তবলৈকে বিস্তাবিত আছিল আৰু আর্য্যাবর্ত্তব বাহিবেও অন্যান্য দেশতো বৈদিক সংস্কৃতিব অল্পবিস্তব প্রচাব আছিল। এই বিষয়ে প্রমাণ এয়ে যে, ব্রহ্মাব পুত্র বিবাট, বিবাটব পুত্র মনু, মনুব মবীচি আদি দশ পুত্রব ভিতবত স্বায়ম্ভুবকে আদি কবি সাতজন বজা হৈছিল। সেই সকলব বংশধব ইক্ষাকু আর্য্যাবর্ত্তব প্রথম বজা আছিল। কালক্রমত আর্য্যসকলব আলস্য প্রমাদ আৰু পাবস্পবিক বাদ বিবাদব পবিণামত অন্যান্য দেশব আধিপত্যব বাহিবেও আর্য্যাবর্ত্ত অখণ্ডিত আৰু স্বাধীন থাকিব নোৱাবিলে। জাতীয় প্রমাদব ফলত দেশ বাসীয়ে অশেষ নির্য্যাতন ভোগ কবিব লগা হয়। বিদেশীব শাসনত জাতীয় সংহতি আৰু নৈতিক অধঃ পতন ঘটে। নিজব কলা কৃষ্টি শ্রেষ্ঠ হলেও পবাধীনতাব ফলত শাসকব ভাষা, কলা কৃষ্টিব প্রভাব পবে। শাসক বৎসল হলেও প্রজাক শাসকে বিশ্বাস নকবে, পবস্পব শাসক আৰু প্রজাব ভিতবত সহযোগ নেথাকে। বেদাদি শাস্ত্র আৰু ইতিহাসত এই সম্বন্ধে যি উল্লেখ আছে সেইবোব অধ্যয়ন কবা বাঞ্ছনীয়।

প্রশ্ন—জগতব উৎপত্তি হোৱাব পাছত কিমান কাল অতীত হল ?

উত্তব—এক এক অর্বুদ ছয়ানব্বৈ কোটি, কেবা লক্ষ আৰু কেবা সহস্র বৎসব উৎপত্তি আৰু বেদ প্রকাশব পাছত অতীত হৈছে। ইয়াব বিশদ ব্যাখ্যা মৎপ্রণীত "ঋগ্বেদাদি ভাষ্য ভূমিকাত" লিখিত হৈছে উক্ত গ্রন্থদ্রষ্টব্য। সৃষ্টি উৎপত্তি আৰু বচনা এইদবেই জানিব লাগিব।

সকলোতকৈ সূক্ষ্ম খণ্ড অর্থাৎ যাক আৰু বিভক্ত কবিব নোৱাবি, তাকেই পবমাণু বোলে। ষাঠি পবমাণু লগ হৈ এক অণু হয়। দুই অণু মিলি দ্ব্যণুক হয়। তিনি দ্ব্যণুকব পবা পৃথিবী অর্থাৎ তিনি দ্ব্যণুকে

এক ত্রসবেণু আৰু তাৰ দ্বিগুণ হলে পৃথিবী আদি দৃশ্য পদার্থ সৃষ্টি হয়। এই ক্রম অনুসাৰেই পৰমাত্মাই পৰমাণুৰ মিলন কৰি পৃথিবী আদি নির্ম্মাণ কৰিছে।

প্রশ্ন—পৃথিবী আদিক কোনে ধাৰণ কৰে? কোনোৱে কয় যে সহস্র ফণাধৰ শেষ নাগৰ মস্তকত অৱস্থিত। কোনোৱে কয় বৃষশৃঙ্গৰ ওপৰত পৃথিবী আছে। কোনোৰ মতে পৃথিবী কাৰো ওপৰত নাই। কোনোৱে কয় বায়ুই পৃথিবীৰ আধাৰ। কোনোৱে কয় যে সূর্য্যৰ আকর্ষণত আকৃষ্ট হৈ পৃথিবী নির্দ্দিষ্ট স্থানত আছে। আৰু অনেকৰ মতে পৃথিবীৰ গুৰুত্বৰ কাৰণে আকাশৰ নিম্ন ফালে চলি আছে। ইয়াৰ ভিতৰত কাৰ কথা সত্য?

উত্তৰ—যাৰ মতে পৃথিবী শেষ নাগ আৰু বৃষশৃঙ্গৰ ওপৰত অৱস্থিত সেই সকলক সুধিব লাগে যে সর্প আৰু বৃষৰ মাতা-পিতাৰ জন্মৰ আগত পৃথিবী কাৰ ওপৰত আছিল। সর্প আৰু বৃষ কাৰ ওপৰত আছে? বৃষৰ পক্ষাবলম্বী বোধ হয় নির্ব্বাক হব, কিন্তু সর্পৰ মতবাদীয়ে কব সর্প কুর্ম্মৰ ওপৰত, কুর্ম্ম জলৰ ওপৰত, জল অগ্নিৰ ওপৰত, অগ্নি বায়ুৰ ওপৰত আৰু বায়ু আকাশত অৱস্থিত। তেতিয়া সুধিব লাগে যে সমস্ত সৃষ্টি কাৰ ওপৰত আছে? উত্তৰত নিশ্চয় কব যে পৰমেশ্বৰৰ ওপৰত। আৰু যদি কোনোৱে সোধে শেষ নাগ আৰু বৃষ কাৰ সন্তান? তেওঁলোকে উত্তৰত কব যে শেষ নাগ কশ্যপ আৰু কদ্রুৰ আৰু বৃষ গাভীৰ সন্তান। কশ্যপ মৰীচিৰ, মৰীচি মনুৰ, মনু বিৰাটৰ, আৰু বিৰাট ব্রহ্মাৰ পুত্র। আদিতে ব্রহ্মাই সৃষ্টি কৰিছিল। শেষ সর্পৰ জন্মৰ আগত পাঁচ পুৰুষ অতীত হৈছিল। তেতিয়া কোনে পৃথিবীক ধাৰণ কৰিছিল? অর্থাৎ কশ্যপৰ জন্ম কালত পৃথিবী কাৰ ওপৰত আছিল? তেতিয়া সোধাৰো মুখ বন্ধ আৰু কোৱাৰো মুখ বন্ধ, তাৰ পাছতে বাদ বিবাদ চলিব।

সংক্ষেপত কবলৈ হলে যি অৱশেষ থাকে তাকেই শেষ বোলে। কোনোৱা কবিয়ে কৈছিল—"শেষাধাৰো পৃথিবীত্যুক্তম্" অর্থাৎ শেষৰ আধাৰ পৃথিবী। কোনো কোনোৱে এই বাক্যৰ অর্থ নুবুজি শেষক সর্পৰ কল্পনা কৰিছে। সৃষ্টি আৰু প্রলয়ৰ পাছতো পৰমেশ্বৰ "শেষ" অর্থাৎ পৃথক হৈ থাকে। এই কাৰণেই শেষ বোলা হয়, সেই শেষেই পৃথিবীৰ আধাৰ।

সত্যেনোত্তভিতা ভূমিঃ। (ঋক্বেদ, ১০।৮৫।১॥

সত্য অর্থাৎ যি ত্রিকালাবাধ্য, আৰু যাৰ কেতিয়াও বিনাশ নাই, সেই পৰমেশ্বৰেই পৃথিবী, আদিত্য আদি সকলো লোক ধাৰণ কৰে।

উক্ষা দাধাৰ পৃথিবীমুত দ্যাম্॥ *

এয়াও ঋক্ বেদৰ বচন। এই 'উক্ষা' শব্দৰ অর্থ অনেকে বৃষ বুলি ধৰে। কাৰণ বৃষৰ নামো উক্ষা। কিন্তু বৃষই যে এই বিশাল পৃথিবী খন ধাৰণ কৰা সম্ভৱ নহয়, ইয়াক সেই অল্পজ্ঞ সকলে বিবেচনা কৰিব নোৱাৰে। বর্ষণৰ দ্বাৰাই পৃথিবীৰ ওপৰত জলসিঞ্চন কৰে গতিকে সূর্য্যৰ নাম উক্ষা। সূর্য্যই নিজৰ আকর্ষণৰ দ্বাৰাই পৃথিবীক ধাৰণ কৰি আছে, কিন্তু পৰমেশ্বৰৰ বাহিৰে সূর্য্যক ধাৰণ কৰোতা অন্য কোনো নাই।

প্রশ্ন—পৰমাত্মাই ইমান অসংখ্য গ্রহ নক্ষত্রবোৰ কেনেকৈ ধাৰণ কৰিব পাৰে?

উত্তৰ—অনন্ত আকাশৰ আগত বৃহৎ বৃহৎ গ্রহ নক্ষত্রবোৰ, সমুদ্রৰ আগত ক্ষুদ্র ক্ষুদ্র জল বিন্দুৰ দৰে। সেইদৰে অনন্ত পৰমেশ্বৰৰ আগত অসংখ্য লোক লোকান্তৰবোৰ একোটি পৰমাণুৰ দৰেহে বুলিব পাৰি। পৰমেশ্বৰ অন্তৰে বাহিৰে সকলোতে পৰিব্যাপ্ত। "বিভুঃ প্রজাসু" (যজু॰ ৩২৮), সেই পৰমাত্মাই সকলো প্রজাৰ ভিতৰে বাহিৰে ব্যাপক হৈ ধাৰণ কৰিছে। পৌৰাণিক আৰু অন্যান্য মতাবলম্বী সকলৰ মত অনুসাৰে পৰমেশ্বৰ বিভু নহলে সমস্ত সৃষ্টি কেনেকৈ ধাৰণ কৰিব পাৰে? যদি কোনোৱে কব খোজে যে, সকলো লোক পৰস্পৰ আকৃষ্ট হৈ স্থিত

* ঋক্ বেদত 'উক্ষা স দ্যাবাপৃথিবী বিভর্ত্তি' এই বচন আছে। অথর্ব্ববেদত 'অনন্তান্ দাধাৰ পৃথিবীমুত দ্যাম্'॥ (৪।১১।১) এইদৰে আছে।

আছে, পৰমেশ্বৰৰ ধাৰণ কৰাৰ প্ৰয়োজন নাই। তেওঁক প্ৰশ্ন কৰিব লাগে "এই সৃষ্টি অনন্ত নে সান্ত?" যদি অনন্ত বুলি কয়, তেনেহলে সাকাৰ বস্তু কেতিয়াও অনন্ত হব নোৱাৰে। যদি "সান্ত" বুলি কয় তেন্তে শেষ সীমাত অৰ্থাৎ যাব পাছত আৰু কোনো লোক নাই, তাত শেষ লোকবোৰ কাৰ আকৰ্ষণত ধাৰণ হব পাৰে? উদাহৰণ ৰূপে সমষ্টি আৰু ব্যষ্টি; বৃক্ষৰ সমূহ বা অৰণ্য সমষ্টিক বোলে, এক এক কৈ লেখা বৃক্ষক ব্যষ্টি বোলে,। সেই দৰেই সৃষ্টিৰ সকলো লোক মিলি জগৎ। সমগ্ৰ জগতৰ ধাৰণ বা আকৰ্ষণ কৰ্ত্তা পৰমেশ্বৰৰ বাহিৰে আন কোনো হব নোৱাৰে। পৰমেশ্বৰ সমগ্ৰ জগতৰ সৃষ্টি কৰ্ত্তা আৰু ধাৰণ কৰ্ত্তা।

স দাধাৰ পৃথিবীং দ্যামুতেমাম ॥ (যজু॰ ১৩।৪)॥

অৰ্থ—যি পৰমেশ্বৰে পৃথিবী আদি আলোক বিহীন লোক লোকান্তৰ, সূৰ্য্যাদি আলোকময় লোক সমূহ আৰু অন্যান্য সকলো পদাৰ্থ সৃজন আৰু ধাৰণ কৰি সকলোতে ব্যাপক হৈ আছে, তেওঁৰেই সমস্ত জগতৰ কৰ্ত্তা আৰু ধৰ্ত্তা।

প্ৰশ্ন—পৃথিবী আদি লোকবোৰে ভ্ৰমণ কৰে নে একে স্থিৰে আছে?

উত্তৰ—ভ্ৰমণ কৰে।

প্ৰশ্ন—কোনো কোনোৱে কয় যে সূৰ্য্যইহে ভ্ৰমণ কৰে পৃথিবী একেস্থিৰে থাকে। আৰু অনেকে কয় পৃথিবীয়ে ভ্ৰমণ কৰে সূৰ্য্যই নকৰে। কাৰ কথা সত্য?

উত্তৰ—এই দুয়োটাই অৰ্দ্ধ সত্য। কাৰণ বেদত লিখিত আছে যে—

আয়ং গৌঃ পৃশ্নিরক্রমীদসন মাতরং পুরঃ।

পিতরং চ প্রয়ন্ত্স্বঃ॥ যজু॰ অ॰ ৩ মং ৬॥

অৰ্থাৎ—এই ভূমণ্ডল জলসহ সূৰ্য্যৰ চাৰিওফালে ঘুৰে। গতিকে পৃথিবী ঘুৰে।

আকৃষ্ণেন ৰজসা বর্ত্তমানো নিবেশয়ন্নমৃতং মর্ত্ত্যং চ।

হিৰণ্যয়েন সবিতা ৰথেনা দেবো যাতি ভুবনানি পশ্যন্॥

যজু॰ অ॰ ৩৩। মং ৪৩॥

বৰ্ষা আদিৰ প্ৰবৰ্ত্তক, প্ৰকাশস্বৰূপ, তেজোময় আৰু ৰমণীয় স্বৰূপ সবিতা অৰ্থাৎ সূৰ্য্য অমৃতৰূপ বৃষ্টি আৰু কিৰণৰ দ্বাৰাই সকলো প্ৰাণী অপ্ৰাণীৰ ভিতৰত অমৃত প্ৰবেশ কৰাই আৰু মূৰ্ত্তিমান পদাৰ্থ বোৰক প্ৰকাশিত কৰি আৰু সকলো অন্যান্য লোকৰ লগত আকৰ্ষিত হৈ নিজ পৰিধিত আৰু নিজ গতিত ভ্ৰমণ কৰি থাকে; কিন্তু অন্য কোনো লোকৰ চতুৰ্দ্দিকে ভ্ৰমণ নকৰে। এক এক ব্ৰহ্মাণ্ডত এক এক সূৰ্য্য প্ৰকাশক, যাৰ দ্বাৰাই অন্য সকলো লোক লোকান্তৰ প্ৰকাশ্য; যেনে—

দিবি সোমো অধিশ্রিতঃ॥ অথ॰ কাং ১৪ অনু॰ ১। মং ১॥

যেনেকৈ চন্দ্রলোক সূৰ্য্যৰ প্ৰকাশেৰে প্ৰকাশিত হয় সেইদৰেই পৃথিবী আদি অন্যান্য লোকবোৰো সূৰ্য্যৰ প্ৰকাশত প্ৰকাশিত হয়। কিন্তু দিন আৰু ৰাতি অৰ্থাৎ প্ৰকাশ আৰু অন্ধকাৰ সদায় বৰ্ত্তমান। কাৰণ সূৰ্য্যৰ গ্ৰহলোক বোৰ ঘুৰোতে ঘুৰোতে যি ভাগ সূৰ্য্যৰ সন্মুখীন হয় সেই ভাগত দিন আৰু যি ভাগ পাছফালে হয়, সেই ভাগত ৰাতি। উদয়, অস্ত সন্ধ্যা, মধ্যাহ্ন, মধ্য ৰাত্রি আদি যিবোৰ কালৰ অবয়ব, সেই সকলো বোৰ দেশ দেশান্তৰত সদায় বৰ্ত্তমান থাকে। অৰ্থাৎ যেতিয়া ভাৰতবৰ্ষত সূৰ্য্যোদয় হয়, সেই সময়ত পাতাল অৰ্থাৎ "আমেৰিকাত" অস্ত হয়, আৰু যেতিয়া ভাৰতবৰ্ষত মধ্য দিন বা মধ্য ৰাত্রি হয় সেই সময়ত পাতাল দেশত মধ্য ৰাত্রি বা মধ্য দিন হয়। কেৱল অজ্ঞ লোকেহে কব পাৰে যে পৃথিবী ঘুঘুৰে, সূৰ্য্য ঘুৰে। সেয়ে হলে সহস্র সহস্র বছৰ দিন বা ৰাতি হ'লহেঁতেন, কাৰণ সূৰ্য্যৰ নাম (ধ্রুবঃ) পৃথিবীতকৈ লাখ গুণে ডাঙৰ, আৰু কোটি কোটি মাইল দূৰত অৱস্থিত। যেনেকৈ এটা সৰিষহৰ আগত এখন পাহাৰ ঘুৰিলে অনেক কাল লাগিব, কিন্তু পাহাৰৰ আগত সৰিষহ ঘুৰিলে যি সময় লাগে সি নগণ্য। সেই দৰে পৃথিবী ঘুৰে কাৰণেই পৃথিবীৰ গতি অনুসাৰে দিন ৰাতি হয়; সূৰ্য্যৰ গতিৰ

কাৰণে নহয়। যিয়ে সূর্য্য ঘুৰুৱে বুলি কয় তেওঁলোকৰ জ্যোতিষ বিদ্যাৰ জ্ঞান নাই, কাৰণ সূর্য্য ঘুঘুৰিলে এক ৰাশিৰ পৰা অন্য ৰাশিলৈ সূর্য্যৰ স্থান পৰিবৰ্ত্তন হব নোৱাৰে। আৰু গুৰু পদাৰ্থ ঘুঘুৰিলে বা গতিশীল নহলে আকাশৰ এক নিশ্চিত স্থানত স্থিৰে থাকিব নোৱাৰে। জৈনী সিদ্ধান্তমতে পৃথিবী হেনো ঘুৰুৱে কিন্তু ক্ৰমশঃ তললৈ নামি গৈ আছে। কেৱল জম্বুদ্বীপত দুটা সূর্য্য আৰু দুটা চন্দ্ৰ আছে। এইবোৰ কেৱল গল্পৰ বাহিৰে আন একো হব নোৱাৰে। কাৰণ, পৃথিবী তললৈ গৈ থকা হলে, পৃথিবীৰ চাৰিও ফালে বায়ুৰ চক্ৰ গঠন নোহোৱাত পৃথিবী ছিন্ন ভিন্ন হৈ পৰিলহেঁতেন। আৰু পৃথিবীৰ তল ভাগৰ নিবাসী বোৰৰ বায়ু স্পৰ্শ নহলহেঁতেন, ওপৰ ভাগৰ অধিবাসী বোৰৰ বায়ুৰ স্পৰ্শ অতিপাত হ'ল হেঁতেন আৰু বায়ুৰ গতিও সদায় একেই থাকিল হেঁতেন। দুই সূর্য্য আৰু দুই চন্দ্ৰ থাকিলে ৰাতি আৰু কৃষ্ণ পক্ষ ঘাঁও সম্ভৱ নহলহেঁতেন। গতিকে এক পৃথিবীৰ একেটাই চন্দ্ৰ আৰু অনেক পৃথিবী আদি গ্ৰহৰ মাজত একেটাই সূর্য্য থাকে।

প্ৰশ্ন—চন্দ্ৰ, সূর্য্য আৰু তাৰা কেনেকুৱা বস্তু? সেই বোৰত মনুষ্যাদি প্ৰাণীৰ সৃষ্টি আছে নে নাই?

উত্তৰ—সকলো তাৰা এক এক লোক, তাত মনুষ্যাদি প্ৰজাও আছে। কাৰণ:—

এতেষু হীদং সর্ব্বং বসু। হিতমেতে হীদং সর্ব্বং বাসয়ন্তে তস্যাদিদং সর্ব্বং তস্মাদ্বসব ইতি॥

শত॰ কা॰ ১৪। প্ৰে॰ ৬। ব্ৰা॰ ৭। ক॰ ৪)॥

পৃথিবী, জল, অগ্নি, বায়ু, আকাশ, চন্দ্ৰ, নক্ষত্ৰ, সূর্য্য এইবোৰ নাম বসু। কাৰণ এইবোৰৰ ভিতৰত সকলো পদাৰ্থ আৰু প্ৰজা অৱস্থান কৰে। এই বোৰেই সকলোকে অৱস্থান কৰায়। যিহেতু এইবোৰ বাস-গৃহ স্বৰূপ গতিকে এইবোৰক বসু বোলা হয়। পৃথিবীৰ দৰেই চন্দ্ৰ সূর্য্য আৰু নক্ষত্ৰও বসু। গতিকে এই বোৰত প্ৰজা থকাৰ বিষয়ে

সন্দেহ থাকিব নেলাগে। পৰমেশ্বৰৰ এই ক্ষুদ্ৰ পৃথিবী মনুষ্যাদি জীৱৰ সৃষ্টিৰে পৰিপূৰ্ণ। গতিকে সেই লোকবোৰো শূন্য হৈ থাকিব নোৱাৰে। পৰমেশ্বৰৰ কোনো কৰ্ম্মই নিৰৰ্থক নহয়। সেই অসংখ্য লোকবোৰ মনুষ্যাদিৰ সৃষ্টি বিনে কেতিয়াও সফল হব নোৱাৰে। গতিকে সকলোতে মনুষ্যাদিৰ সৃষ্টি আছে।

প্ৰশ্ন—এই পৃথিবীত সৃষ্টি হোৱা মনুষ্যাদি প্ৰাণীৰ ৰূপ আকৃতি যেনেকুৱা, অন্যান্য লোকবোৰ ঠিক তেনেকুৱাই নে ইয়াৰ বিপৰীত?

উত্তৰ—আকৃতিত কিছু পৰিমাণে হলেও প্ৰভেদ থকাটো সম্ভৱ। এই পৃথিবীতে যেনেকৈ চীন, আফ্ৰিকা, ভাৰতবৰ্ষ, আৰু ইউৰোপ আদি বিভিন্ন দেশৰ মানুহৰ অবয়ব, বৰ্ণ, ৰূপ আৰু আকৃতিত কিছু কিছু পাৰ্থক্য আছে সেই দৰেই লোক লোকান্তৰতো থকাটোও স্বাভাৱিক। কিন্তু এই লোকত যি জাতিৰ যি ধৰণে সৃষ্ট হৈছে অন্য লোকতো সেই জাতি সেই ধৰণেই সৃষ্টি হৈছে। এই লোকৰ শৰীৰৰ যি যি স্থানত নেত্ৰাদি অঙ্গ আছে, অন্যলোকবোৰতে সেই জাতিৰ সেই সেই স্থানতে তেনে বোৰ অঙ্গ আছে। কাৰণ:—

সূর্য্যাচন্দ্রমসৌ ধাতা যথা পূর্ব্বমকল্পয়ৎ।
দিবং চ পৃথিবীং চান্তরিক্ষমথো স্বঃ॥

ধাতা পৰমাত্মাই পূৰ্ব্ব কল্পত সূর্য্য, চন্দ্ৰ, দ্যুলোক, ভূমি, অন্তৰিক্ষ আৰু তাৰ উপযোগী পদাৰ্থবোৰ যি দৰে সৃষ্টি কৰিছিল, এই কল্প অৰ্থাৎ এই সৃষ্টিতো সেই দৰে আৰু সকলো লোক লোকান্তৰতো সেই দৰেই সৃষ্টি কৰিছে। তাৰ ভিতৰত কোনো প্ৰভেদ নাই।

প্ৰশ্ন—এই লোকত যিবোৰ বেদ প্ৰকাশ হৈছে সেইবোৰ লোকতো সেইবোৰ বেদেই প্ৰকাশিত হৈছে নেকি?

উত্তৰ—সেই বোৰেই প্ৰকাশ হৈছে। কেবাখনো দেশৰ এজন ৰজা হলে যেনেকৈ ৰাজ্য ব্যৱস্থা আৰু ৰাজনীতি সকলো দেশত একে থাকে সেইদৰেই জগত ঈশ্বৰ বা পৰমেশ্বৰৰ বেদ নীতি সমস্ত জগতৰ

কাৰণে একে।

প্রশ্ন—যদি জীৱ আৰু প্রকৃতিস্থ তত্ত্ব অনাদি যাক ঈশ্বৰে সৃষ্টি কৰা নাই, তেনেহলে জীৱ আৰু প্রকৃতিৰ ওপৰত ঈশ্বৰৰ অধিকাৰো থাকিব নোৱাৰে যিহেতু তিনিও স্বতন্ত্র।

উত্তৰ—যেনেকৈ ৰজা আৰু প্রজা সমকালীন আৰু পৰস্পৰ ভিন্ন আৰু স্বতন্ত্র, কিন্তু প্রজা ৰজাৰ অধীন সেইদৰেই জীৱ আৰু জড় পদার্থ পৰমেশ্বৰৰ অধীন। পৰমেশ্বৰ যেতিয়া সমস্ত সৃষ্টিৰ কর্ত্তা, জীৱৰ কর্ম্ম অনুসাৰে ফলদাতা, জগতৰ ধাৰণ কর্ত্তা, অনন্ত শক্তিমান, তেতিয়া অল্প শক্তিমান আৰু জড় পদার্থ তেওঁৰ অধীন নহব কিয়? গতিকে জীৱ কর্ম্ম কৰাতহে স্বতন্ত্র, কর্ম্মৰ ফল ভোগত ঈশ্বৰৰ ব্যৱস্থাৰ অধীন। এই দৰেই সর্বশক্তিমান পৰমেশ্বৰে সৃষ্টি, পালন আৰু সংহাৰ কৰে।

ইয়াৰ পাছত বিদ্যা, অবিদ্যা, বন্ধ আৰু মোক্ষৰ বিষয়ে লিখা হব। ইমানতে অষ্টম সমুল্লাস সমাপ্ত কৰা হ'ল।

ইতি শ্রীমদ্দয়ানন্দসৰস্বতীস্বামিকৃতে সত্যার্থপ্রকাশে সুভাষাবিভূষিতে সৃষ্ট্যুৎপত্তিস্থিতি প্রলয় বিষয়ে অষ্টমঃ সমুল্লাসঃ সম্পূর্ণঃ ॥৮॥

অথ নবম সমুল্লাসাৰম্ভঃ

অথ বিদ্যাঽবিদ্যাবন্ধমোক্ষবিষয়ান্ ব্যাখ্যাস্যামঃ

বিদ্যাং চাঽবিদ্যাং চ যস্তদ্বেদোভয়ং সহ।
অবিদ্যায়া মৃত্যুং তীর্ত্বা বিদ্যয়াঽমৃতমশ্নুতে॥

যজু॰ অ॰ ৪০। ম॰ ১৪॥

যিজনে বিদ্যা আৰু অবিদ্যাৰ স্বৰূপ জানে, তেওঁ অবিদ্যা অর্থাৎ কর্ম্মোপাসনাৰ দ্বাৰাই মৃত্যুক অতিক্রম কৰি বিদ্যা-অর্থাৎ যথার্থ জ্ঞানেৰে পৰম মোক্ষ লাভ কৰে। অবিদ্যাৰ লক্ষণ:-

অনিত্যাশুচিদুঃখানাত্মসু নিত্যশুচিসুখাত্মখ্যাতিরবিদ্যা॥

(পাতঞ্জল দর্শন, সাধন পাদ, সূ॰ ৫)

এইটো যোগ সূত্রৰ বচন। আনতা সংসাৰ আৰু দেহ আদিত নিত্য জ্ঞান, অর্থাৎ কার্য্য জগৎ যি দৃষ্ট আৰু শ্রুত হয় সেইবোৰ চিৰকাল থাকিব, বা চিৰকাল আছে, আৰু যোগৰ বলত দেবতা সকলৰ এই কার্য্য-দেহ চিৰকাল থাকে—এনে ধৰণৰ বিপৰীত জ্ঞান হোৱাটোৱেই অবিদ্যাৰ প্রথম ভাগ। অশুচি অর্থাৎ মলময় নাৰীদেহ আদিত আৰু অসত্য কথন আৰু চৌর্য্য, অপহৰণ আদি অপবিত্র বিষয়ত পবিত্র জ্ঞান হোৱাই দ্বিতীয় ভাগ। অত্যন্ত বিষয় সম্ভোগৰূপ দুখত সুখ বুদ্ধি বা সুখ বুলি ভবাটো তৃতীয় ভাগ। অনাত্মাত আত্মজ্ঞান কৰাটো অবিদ্যাৰ চতুর্থ ভাগ। এই চাৰি প্রকাৰৰ বিপৰীত জ্ঞানক অবিদ্যা বোলে। ইয়াৰ বিপৰীত অর্থাৎ অনিত্যত অনিত্যজ্ঞান, নিত্যত নিত্যজ্ঞান, দুঃখত দুঃখ বুদ্ধি, সুখত সুখ বুদ্ধি, অনাত্মাত অনাত্মা বুদ্ধি আৰু আত্মাত আত্ম বুদ্ধি হোৱাক বিদ্যা বোলে। অর্থাৎ "যোঽস্তি যথাবত্তত্ত্ব পদার্থ স্বৰূপং যয়া সা বিদ্যা, যয়া তত্ত্বস্বৰূপং ন জ্ঞায়তে

ভ্রমাদন্যস্মিন্নন্যান্নিশ্চিনোতি যয়া সাঽবিদ্যা।" যাব দ্বাবাই পদার্থব যথার্থ স্বৰূপ জনা যায় সেয়েই বিদ্যা যাব দ্বাবাই তত্ত্বব স্বৰূপ জনা নেযায়—আৰু এটা বস্তুত অন্য বস্তু বুলি প্রতীতি হয়, তাকেই অবিদ্যা বোলে। কর্ম্ম উপাসনাক এই কাবণেই অবিদ্যা বোলা হয় যে এইবোব বাহিব আৰু অন্তবব ক্রিয়া বিশেষহে, জ্ঞান বিশেষ নহয়। সেয়ে উক্ত মন্ত্রত কোৱা হৈছে যে, শুদ্ধ কর্ম্ম আৰু পবমেশ্বৰব উপাসনাব বিনে কোনেও মৃত্যু-দুঃখ অতিক্রম কবিব নোৱাবে। অর্থাৎ পবিত্র কর্ম্ম, সৎ উপাসনা, আৰু যথার্থ জ্ঞানব পবাই মুক্তি, আৰু অপবিত্র মিথ্যা ভাষণ আদি কর্ম্ম, পাষাণাদিত মূর্ত্তিব উপাসনা আৰু মিথ্যা জ্ঞানব পবাই বন্ধন হয়। কোনো মানুহেই ক্ষন্তেক সময়ো কর্ম্ম, উপাসনা আৰু জ্ঞান বহিত হৈ নেথাকে। গতিকে ধর্ম্মব অনুকূল সত্য ভাষণ আদি কর্ম্মব অনুষ্ঠান আৰু মিথ্যাভাষণাদি অধর্ম্ম ত্যাগ কবাই মুক্তিব সাধন।

প্রশ্ন—কোনে মুক্তি পাব নোৱাবে ?

উত্তব—যি বদ্ধ।

প্রশ্ন—বদ্ধ নো কোন ?

উত্তব—যি অধর্ম্ম আৰু অজ্ঞানত আবদ্ধ।

প্রশ্ন—বন্ধন আৰু মোক্ষ স্বাভাবিক নে নৈমিত্তিক ?

উত্তব—নৈমিত্তিক। কাবণ স্বাভাবিক হোৱাহেঁতেন বন্ধন বা মুক্তিব অবসান কেতিয়াও ঘটিব নোৱাবিলেহেঁতেন।

প্রশ্ন—

ন নিবোধো নচোৎপত্তির্নবদ্ধো ন চ সাধকঃ।
ন মুমুক্ষুর্ নৈ মুক্ত ইত্যেষা পবমার্থতা॥

(গৌড়পাদীয় কাবিকা। প্র০ ২। কা০ ৩২॥)

এইটো মাণ্ডুক্যোপনিষদব কাবিকা। ইয়াব অর্থ এয়ে যে জীৱ ব্রহ্ম যেতিয়া বাস্তৱতে জীৱব নিবোধ নাই, জীৱ কোনো আবৰণব দ্বাবাই আচ্ছন্ন নহয়, জন্ম গ্রহণ নকবে আৰু বন্ধনো নাই। জীৱ সাধকো নহয় অর্থাৎ কোনো অপ্রাপ্ত বস্তুব প্রাপ্তিব কাবণে সাধনা নকবে, মুক্তিবো কামনা নাই আৰু জীৱব কোনো কালে মুক্তিও নাই। পবমার্থব দ্বাবা বন্ধনেই নহয় যেতিয়া মুক্তি কিহব ?

উত্তব—নবীন বেদান্তবাদী সকলব এনেবোব উক্তি নিবর্থক। কাবণ জীৱব স্বৰূপ অল্প, গতিকে জীৱ আবৰণেবে আবদ্ধ হয়, দেহব লগত প্রকট হৈ জন্ম গ্রহণ কবে, দুষ্কর্ম্মব ফলব বন্ধনেবে বদ্ধ হয়, সেই বন্ধন মোচনব কাবণে সাধনা কবে, দুঃখব পবা মুক্তি পাবলৈ কামনা কবে আৰু দুখব পবা বিমুক্ত হৈ পবমানন্দ স্বৰূপ পবমেশ্বৰক লাভ কবি মুক্তি ভোগ কবে।

প্রশ্ন—এইবোব দেহ আৰু অন্তঃকবণবহে ধর্ম্ম, জীৱব নহয়। জীৱ পাপ পুণ্য বহিত সাক্ষীমাত্র। শীত উষ্ণ আদি শবীৰবহে ধর্ম্ম আত্মা নির্লিপ্ত।

উত্তব—দেহ আৰু অন্তঃকবণ জড় পদার্থ। এইবোবব শীত উষ্ণ আদিব অনুভব নাই। চেতন প্রাণীয়েহে দণ্ড মাত্রা বোব অনুভব কবিব পাবে। সেই দবেই প্রাণো জড় পদার্থ, প্রাণব ক্ষুধা তৃষ্ণা নাই, প্রাণবান জীৱইহে ক্ষুধা তৃষ্ণাব অনুভব কবে। সেই দবেই মনো জড় পদার্থ, মনব হর্ষ শোক বা সুখ দুখব অনুভব নাই, জীৱেহে মনব দ্বাবাই হর্ষ শোক, বা সুখ দুখ অনুভব কবে। জীৱে শ্রোত্রাদি বাহ্যেন্দ্রিয়ব দ্বাবাই যেনেকুবা উত্তম অধম বিষয় গ্রহণ কবি সুখ দুখ ভোগ কবে, সেই দবেই অন্তঃকবণ অর্থাৎ মন, বুদ্ধি চিত্ত আৰু অহঙ্কাবব দ্বাবাই সংকল্প, বিকল্প, নিশ্চয়, স্মবণ, অহংভাব অনুভব কবে যাব ফলত দণ্ড বা সম্মান ভোগ কবে। যেনেকৈ তবোৱাল আদি অস্ত্রব দ্বাবাই হত্যাকাবী দণ্ডনীয় হয়, তবোৱাল আদি অস্ত্র দণ্ডনীয় নহয়। সেইদবেই দেহ, ইন্দ্রিয়, অন্তঃকবণ আৰু প্রাণ ৰূপ সাধনব দ্বাবাই উত্তম অধম কর্ম্মব কর্ত্তা জীৱই সুখ দুখ ভোগ কবে। জীৱ কর্ম্মব সাক্ষী নহয়; কর্ত্তা, আৰু কর্ম্ম ফলবোভোক্তা। কেবল একমাত্র পবমাত্মাই জীৱব কর্ম্মব সাক্ষী। কর্ম্মানুষ্ঠাতা জীৱ কর্ম্মত লিপ্ত

হয়। জীব পবমেশ্বব দবে সাক্ষী হব নোৱাবে।

প্রশ্ন—জীব ব্রহ্মব প্রতিবিম্ব। যেনেকৈ এখন দর্পণ ভাগিলে জগতব একোই অনিষ্ট নহয়, সেইদবে যিমান দিন অন্তঃকবণ ৰূপ উপাধি থাকে, সিমান দিন পর্য্যন্ত ব্রহ্মব প্রতিবিম্ব ৰূপ জীব থাকে। অন্তঃকবণ বিনষ্ট হলেই জীব উপাধি নেথাকে, তেতিয়া জীবব মৃত্যু হয়।

উত্তব—এইবোব বালক সুলভ কথা। কাবণ সাকাবহে সাকাবব প্রতিবিম্ব হয়। মুখ আৰু দর্পণ সাকাব আৰু ইটো সিটোব পবা পৃথকো। পৃথক্ নহলে প্রতিবিম্বও হব নোৱাবে। ব্রহ্ম নিবাকাব আৰু সর্ব্বব্যাপক গতিকে ব্রহ্মব প্রতিবিম্বই হব নোৱাবে।

প্রশ্ন—আপুনি জানে, গভীব স্বচ্ছ জলত নিবাকাব আৰু ব্যাপক আকাশব আভাস পবে। সেইদবেই স্বচ্ছ অন্তঃকবণত পবমাত্মাব আভাস পবে। এই কাবণেই ইয়াক চিদাভাস বোলে।

উত্তব—এইবোব বালা বুদ্ধিব কল্পনা মাত্র। কাবণ আকাশ দৃশ্যমান পদার্থই নহয় যেতিয়া, চকুবে কেনেকৈ আকাশ দেখিব?

প্রশ্ন—ওপবত যি নীলা আৰু ধোৱাঁবৰণীয়া বস্তু দেখা যায়, সেইখন আকাশ নহয় নেকি?

উত্তব—নহয়তোন।

প্রশ্ন—সেইখননো কি তেন্তে?

উত্তব—পৃথিবী, জল আৰু অগ্নিব পৃথক্ পৃথক্ ত্রসবেণু দৃষ্ট হয়। তাব ভিতবত যি নীলা দেখা যায়, যি জলবাশি বষিত হয়, সেয়েই নীলা। যিভাগ ধূম্রাকাব অর্থাৎ ধোৱাঁবৰণীয়া দেখা যায়, সেয়া পৃথীবীব পবা বায়ুব লগত উবি যোৱা ধূলিকণা, তাবেই প্রতিবিম্ব জল বা দর্পণত দেখ যায়, আকাশব নহয়।

প্রশ্ন—যেনেকৈ ঘটাকাশ, মঠাকাশ, মেঘাকাশ আৰু মহদাকাশব ব্যবহাবিক ভেদ হয়, সেইদবেই ব্রহ্মব ব্রহ্মাণ্ড আৰু অন্তঃকবণব উপাধিগত ভেদব কাবণে ঈশ্বব আৰু জীব সংজ্ঞা হয়। ঘট আদি

বিনাশ হলে এক মহদাকাশেই শেষ থাকে।

উত্তব—ইয়ো তত্ত্বজ্ঞানীব কথা হব নোৱাবে। কাবণ, আকাশ কেতিয়াও বিচ্ছিন্ন হব নোৱাবে। কামব সময়ত "ঘট এটা আনা" ইত্যাদি ব্যবহাব হয় কিন্তু ঘটব আকাশ আনা বুলি কোনেও কেতিয়াও নকয়। গতিকে আপোনাব পুর্ব্বোক্ত যুক্তি সঙ্গত নহয়।

প্রশ্ন—যেনেকৈ মৎস্য আৰু কীট আদি নানা জলচব জীব সমুদ্রত আৰু পক্ষী আদি আকাশত বিচবণ কবে, সেইদবেই চিদাকাশ ব্রহ্মত সকলো অন্তঃকবণ বিচবণ কবে। অন্তঃকবণ জড় পদার্থ হলেও সর্ব্বব্যাপক পবমাত্মাব সত্তাব দ্বাবা, অগ্নি সংযুক্ত লোব দবে চেতন হয়। এইবোবে বিচবণ কবে কিন্তু আকাশ আৰু ব্রহ্ম নিশ্চল, সেই ৰূপেই জীবক ব্রহ্ম মানিলে কোনো দোষ নঘটে।

উত্তব—আপোনাব এই দৃষ্টান্তও নেখাতে, কাবণ, যদি সর্ব্বব্যাপী ব্রহ্ম অন্তঃকবণত প্রকাশমান হৈ জীব হয়, তেওঁ ব্রহ্মব সর্ব্বজ্ঞত্ব আদি গুণ নেথাকে কিয়? যদি কব খোজে যে আবৰণব কাবণে সর্ব্বজ্ঞতা নেথাকে, তেনেহলে ব্রহ্মও আবৃত নেকি? আৰু সোধো, ব্রহ্ম খণ্ডিত নে অখণ্ডিত? যদি ব্রহ্ম অখণ্ডিত বুলি কয় তেন্তে ব্রহ্মত কোনো আবৰণ পেলাব নোৱাবে। আবৰণ নেথাকিলে সর্ব্বজ্ঞতা থাকিবই লাগিব। যদি কব খোজে যে, ব্রহ্মই নিজব স্বৰূপ বিস্মৃত হৈ অন্তঃকবণব লগত বিচবণ কবে, প্রকৃততে সেইটো নহয়, যদি ব্রহ্মই স্বয়ং বিচবণ নকবে, তেনেহলে অন্তঃকবণে পুর্ব্বস্থিতিব যিবোব স্থান ত্যাগ কবি যি যি স্থানলৈ যাব, সেই স্থানব ব্রহ্ম ভ্রান্ত, অজ্ঞানী হৈ যাব আৰু যিবোব স্থান এবি আহে সেইবোবব ব্রহ্ম জ্ঞানী, শুদ্ধ আৰু মুক্ত হৈ হৈ যাব। অন্তঃকবণে এইদবে সমগ্র সৃষ্টিত ব্রহ্মক বিকৃত কবিব আৰু বদ্ধ মুক্তও ক্ষণে ক্ষণে হৈ থাকিব। আপোনাব কথাকেই প্রমাণ বুলি ধবিলে, কোনো জীবৰেই পুর্ব্ব দৃষ্ট আৰু শ্রুত বিষয় স্মবণ নহব। কাবণ যি ব্রহ্মই দেখিছিল বা শুনিছিল সেই ব্রহ্ম নেথাকে

গতিকে ব্রহ্ম আৰু জীৱ কেতিয়াও একে হব নোৱাৰে, দুয়ো পৃথক পৃথক সত্তা।

প্রশ্ন—এইবোৰ সকলো অধ্যাৰোপ মাত্র। এটা বস্তুত অন্য এটা বস্তুৰ স্থাপন কৰাকেই অধ্যাৰোপ বোলে। ব্রহ্ম বস্তুত সমস্ত জগত আৰু জগতৰ ব্যাপাৰ বা ব্যৱহাৰ অধ্যাৰোপ কৰি জিজ্ঞাসুক বুজোৱা হয়। আচলতে যি আছে সকলোৰেই ব্রহ্ম।

প্রতি প্রশ্ন—আধ্যাৰোপ কৰায় কোনে?

উত্তৰ—জীৱই।

প্রশ্ন—জীৱ কাক বোলে?

উত্তৰ—অন্তঃকৰণাৱচ্ছিন্ন চেতনক।

প্রশ্ন—অন্তঃকৰণাৱচ্ছিন্ন চেতন অন্য নে ব্রহ্মই?

উত্তৰ—সেয়েই ব্রহ্ম।

প্রশ্ন—তেনেহলে ব্রহ্মই নিজতেই জগতৰ মিথ্যা কল্পনা কৰিছিল?

উত্তৰ—তেনেহলেও তাৰ পৰা ব্রহ্মৰ কোনো হানি নাই।

প্রশ্ন—যি মিথ্যা কল্পনা কৰে, তেওঁ স্বয়ং মিথ্যা নহয়নে?

উত্তৰ—নহয়, কাৰণ যি মন, বাণীৰে কল্পিত আৰু কথিত হয় সেই বোৰ মিথ্যা।

প্রশ্ন—তেনেহলে মন বাণীৰে মিথ্যা কল্পনা কৰোতা আৰু মিছা বোলোতা ব্রহ্ম কল্পিত আৰু মিথ্যাবাদী হ'ল নে নহল?

উত্তৰ—হওক, আমাৰ ইষ্টাপত্তি আছে।

বাহ! মিথ্যা বেদান্তবাদী সকল! আপোনালোকে সত্য স্বৰূপ, সত্যকাম, আৰু সত্যসঙ্কল্প পৰমাত্মাক মিথ্যাচাৰী কৰিলে! এইবোৰেই আপোনালোকৰ দুর্গতিৰ কাৰণ নহয় নে? কোন উপনিষদত, সূত্রগ্রন্থত বা বেদত লিখিত আছে যে পৰমেশ্বৰ মিথ্যাসংকল্পকাৰী আৰু মিথ্যাবাদী? কব পাৰেনে? আপোনালোকৰ কথা চোৰে ওভোটাই পুলিচক দণ্ড দিয়াৰ দৰে। পুলিচে চোৰক ধৰা স্বাভাৱিক, চোৰে পুলিচক ধৰি

দণ্ড দিয়া বিপৰীত কথা। সেইদৰেই আপোনালোক নিজে মিথ্যা বেদান্তবাদী, আৰু মিথ্যা সঙ্কল্পকাৰী হৈ, আপোনালোকৰ দোষ অনৰ্থক ব্রহ্মৰ গাত আৰোপ কৰিছে। ব্রহ্ম মিথ্যাজ্ঞানী মিথ্যাবাদী আৰু মিথ্যাকাৰী হলে অনন্ত ব্রহ্মই তেনেকুৱা হব। ব্রহ্ম সদায় এক ৰস, সত্য স্বৰূপ, সত্যকামী, সত্যবাদী আৰু সত্যকাৰী। পূর্ব্বোক্ত দোষবোৰ আপোনালোকৰহে, ব্রহ্মৰ নহয়। আপোনালোকৰ কথিত বিদ্যা অবিদ্যা আৰু অধ্যাৰোপ মিথ্যা। কাৰণ আপোনালোক ব্রহ্ম নহৈও নিজকে ব্রহ্ম বুলি কব খোজে আৰু জীৱক ব্রহ্ম বোলে। এইবোৰ মিথ্যা জ্ঞান নহয় যদি কি? ব্রহ্ম সর্ব্বব্যাপক, যাৰ পৰিচ্ছিন্নতা আৰু মিথ্যাজ্ঞান নাই আৰু কোনো বন্ধন নাই। জীৱ অজ্ঞানী, পৰিচ্ছিন্ন, একদেশী, অল্প আৰু অল্পজ্ঞ। সর্ব্বজ্ঞ আৰু সর্ব্বব্যাপী ব্রহ্মৰ লক্ষণ জীৱৰ দৰে নহয়।

এতিয়া মুক্তি আৰু বন্ধনৰ বিষয়ে লিখা হৈছে।

প্রশ্ন—মুক্তি কাক বোলে?

উত্তৰ—"মুচ্যন্তি পৃথক ভবন্তি জনা যস্যাং সা মুক্তিঃ"। যি অৱস্থাত মুক্ত হৈ যায় তাৰ নাম মুক্তি।

প্রশ্ন—কিহৰ পৰা মুক্ত হোৱা?

উত্তৰ—যৰ পৰা সকলো জীৱই মুক্তিৰ বাঞ্ছা কৰে।

প্রশ্ন—কিহৰ পৰালৈ মুক্ত হবলৈ বাঞ্ছা কৰে?

উত্তৰ—দুখৰ পৰা।

প্রশ্ন—মুক্ত হৈ কি পায় আৰু কলৈ যায় বা কত থাকে?

উত্তৰ—সুখ পায় আৰু ব্রহ্মত স্থিতি হয়।

প্রশ্ন—কি কি কৰিলে বন্ধন আৰু কি কি কৰিলে মুক্তি হয়?

উত্তৰ—ঈশ্বৰে দিয়া জ্ঞানেৰে অধর্ম্ম, অবিদ্যা, কুসঙ্গ, কুসংস্কাৰ আৰু দুষ্ট বাসনা এৰি, সত্যপৰায়ণ, পৰোপকাৰ, বিদ্যা আৰু নিৰপেক্ষ ন্যায়, ধর্ম্মাচৰণ, ঈশ্বৰৰ উপাসনা, অর্থাৎ যোগাভ্যাস, অধ্যয়ন, অধ্যাপনা, পুরুষার্থ ইত্যাদি সাধনৰ দ্বাৰাই মুক্তি লাভ হয়। ইয়াৰ বিপৰীত

আচৰণ হলে বন্ধন হয়।

প্রশ্ন—মুক্তিত জীৱৰ লয় হয়নে জীৱ বিদ্যমান থাকে?

উত্তৰ—বিদ্যমান থাকে।

প্রশ্ন—কত থাকে? মুক্তজীৱ কোনো এক স্থানত থাকে নে স্বাধীন ভাবে সকলোতে যথা ইচ্ছা বিচৰণ কৰে?

উত্তৰ—যি ব্রহ্ম সকলোতে পৰিপূর্ণ, মুক্ত জীৱৰো তাত অব্যাহত গতি অর্থাৎ কোনো স্থানতেই বাধা নেথাকে, মুক্ত জীৱ বিজ্ঞান আৰু আনন্দৰে পূর্ণ হৈ স্বাধীন ভাবে বিচৰণ কৰে।

প্রশ্ন—মুক্ত জীৱৰ স্থূল দেহ থাকে নে নেথাকে?

উত্তৰ—নেথাকে।

প্রশ্ন—সুখ আৰু আনন্দ কেনেকৈ ভোগ কৰে?

উত্তৰ—মুক্ত জীৱৰ সত্য সংকল্প আদি স্বাভাৱিক গুণ আৰু সামর্থ্য থাকে, ভৌতিক সঙ্গ নেথাকে। যেনে :—

শৃন্বন্ শ্রোত্রং ভবতি, স্পর্শয়ন্ ত্বগ্ ভবতি, পশ্যন্ চক্ষুর্ভবতি, রসয়ন্ রসনা ভবতি, জিঘ্রন্ ঘ্রাণং ভবতি, মন্বানো মনো, ভবতি বোধয়ন্ বুদ্ধির্ভবতি, চেতয়ংশ্চিত্তন্তবতি, অহংকুর্ব্বাণোঽহঙ্কাৰো ভবতি॥

শত পথ॰ কা॰ ১৪॥

মোক্ষ প্রাপ্তি হলে জীৱৰ ভৌতিক শৰীৰ নাইবা ইন্দ্রিয়ৰ গোলক নেথাকে। কেৱল জীৱৰ স্বভাবিক গুণ থাকে। মুক্ত অৱস্থাত জীৱই শুনিবৰ ইচ্ছা হলে, নিজৰ কামনা শক্তিতেই শ্রোত্র, স্পর্শ কৰিবৰ ইচ্ছা হলে ত্বক, দেখিবলৈ ইচ্ছা হলে চক্ষু, স্বাদ লবৰ ইচ্ছা হলে জিহ্বা, গন্ধ লবৰ ইচ্ছা হলে ঘ্রাণ, সংকল্প বিকল্প কৰিবৰ সময়ত মন, নিশ্চয় কৰিবলৈ বুদ্ধি, স্মৰণ কৰিবলৈ চিত্ত, অহংবুদ্ধিৰ কাৰণে অহঙ্কাৰ, আৰু সংকল্পমাত্রতেই সাংকল্পিক শৰীৰ হয়। স্থূল শৰীৰধাৰী জীৱই যেনেকৈ ইন্দ্রিয় গোলকেৰে স্ব কার্য্য সাধন কৰে, সেইদৰেই মুক্ত অৱস্থাত স্বশক্তিৰ সংকল্পৰ দ্বাৰাই সকলো আনন্দ ভোগ কৰে।

প্রশ্ন—জীৱৰ শক্তি কিমান প্রকাৰৰ আৰু কিমান পৰিমাণৰ?

উত্তৰ—মূল শক্তি এক, সেয়েই বল, পৰাক্রম, আকর্ষণ, প্রেৰণা গতি, ভীতি, বিচাৰ, ক্রিয়া, উৎসাহ, স্মৰণ, নিশ্চয়, ইচ্ছা, প্রেম, দ্বেষ, সংযোগ, বিভাগ, সংযোজন, বিভাজন, শ্রৱণ, স্পর্শন, দর্শন, আস্বাদন, গন্ধ গ্রহণ, আৰু জ্ঞান, এই চতুর্বিংশতি প্রকাৰ হয়। ইয়াৰেই জীৱই মুক্ত অৱস্থাত আনন্দ উপভোগ কৰে। মুক্তিৰ লগে লগে জীৱৰ লয় হলে মুক্তিৰ ফল ভোগ কৰিব কোনে? জীৱৰ লয় মানে নাশ বুলি ভাবিলে মহা ভুল হব। যিহেতু সকলো দুখৰ পৰা মুক্তহৈ সর্ব্বব্যাপক আনন্দ স্বৰূপ পৰমাত্মাৰ আনন্দ ভোগ কৰাই মুক্তি। এই বিষয়ে শাৰীৰক সূত্রত কি কৈছে চক :—

অভাবং বাদৰিৰাহ হোৱম্॥ (বেদান্ত দ॰ ৪।৪।১০)॥

ব্যাসদেৱৰ পিতা বাদৰি মুনিয়ে মুক্ত অৱস্থাত জীৱৰ আৰু জীৱৰ লগত মনৰ বিদ্যমানতা স্বীকাৰ কৰে। অর্থাৎ পৰাশৰ মুনিয়ে মুক্তিত জীৱৰ আৰু মনৰ লয় স্বীকাৰ নকৰে। সেইদৰেই :—

ভাৱং জৈমিনির্বিকল্পামননাৎ॥ (বেদান্ত দ॰ ৪।৪।১১)॥

জৈমিনি আচার্য্যই মুক্ত জীৱৰ মনৰ দৰে সূক্ষ্ম শৰীৰ, ইন্দ্রিয় আৰু প্রাণ আদিৰো বিদ্যমানতা স্বীকাৰ কৰে, অভাৱ স্বীকাৰ নকৰো।

দ্বাদশাহৱদুভয়ৱিধং বাদৰায়ণোঽতঃ। (বেদান্ত দ॰ ৪।৪।১২)॥

বেদান্ত সূত্রৰ ৰচয়িতা ব্যাসমুনিয়ে মুক্ত অৱস্থাত ভাৱ আৰু অভাৱ উভয়কেই স্বীকাৰ কৰে। অর্থাৎ মুক্তিত জীৱৰ শুদ্ধ সামর্থ্য থাকে; অর্থাৎ অপবিত্রতা, পাপ আচৰণ, দুখ আৰু অজ্ঞান আদিৰ অভাব হয় বুলি ভাবে বা বিবেচনা কৰে।

যদা পঞ্চাৱতিষ্ঠন্তে জ্ঞানানি মনসা সহ।
বুদ্ধিশ্চ ন বিচেষ্টতে তমাহুঃ পৰমাং গতিম্॥

(কঠ॰ অ॰ ২। ৱ॰ ৬। ম॰ ১০)॥

এই উপনিষদৰ ৱাক্যত কৈছে—যেতিয়া জীৱৰ লগত শুদ্ধ মন,

পঞ্চ জ্ঞানেন্দ্রিয় বিদ্যমান থাকে আৰু বুদ্ধি স্থিৰ নিশ্চয় হয়, সেই অৱস্থাকেই পৰমাগতি অর্থাৎ মোক্ষ বোলা হয়।

য আত্মা অপহত পাপ্‌মা বিজ্ৰো বিমৃত্যুর্বিশোকোঽবিজিঘৎ সোঽপিপাসঃ সত্যকামঃ সত্যসঙ্কল্পঃ সোঽন্বেষ্টব্যঃ স বিজিজ্ঞাসিতব্যঃ সর্ব্বাংশ্চ লোকানাপ্নোতি সর্ব্বাংশ্চ কামান্‌ যস্তমাত্মানমনুবিদ্য বিজানাতীতি। (ছান্দো॰ প্ৰ॰ ৮। খ॰ ৭। মং ১)॥

স বা এষ এতেন দৈবেন চক্ষুষা মনসৈতান্‌ কামান্‌ পশ্যন্‌ ৰমতে॥ য এতে ব্ৰহ্মলোকে তং বা এতং দেৱা আত্মানমুপাসতে তস্মাত্তেষাং সর্ব্বে চ লোকা আত্তাঃ সর্ব্বে চ কামাঃ স সর্ব্বাংশ্চ লোকানাপ্নোতি সর্ব্বাংশ্চ কামান্‌ যস্তমাত্মানমনুবিদ্য বিজানাতীতি॥ (ছান্দো॰ প্ৰ॰ ৮। খ॰ ১২। মং ৫।৬)

মঘৱন্মর্ত্ত্য বা ইদং শাৰীৰমাত্তং মৃত্যুনা তদস্যাঽমৃতস্য শৰীৰ স্যাত্মনোধিষ্ঠানমাত্তো ৱৈ সশৰীৰঃ প্রিয়াপ্রিয়াভ্যাং ন ৱৈ সশৰীৰস্য সতঃ প্রিয়াপ্রিয়য়োৰপহতিৰস্ত্যশৰীৰং ৱাৱ সন্তং ন প্রিয়াপ্রিয়ে স্পৃশতঃ॥ (ছান্দো॰ প্ৰ॰ ৮। খ॰ ১২। মং ১)॥

যি আত্মা অপহৃত পাপ্‌মা; সর্ব্ব পাপ, জৰা, মৃত্যু, শোক, আৰু ক্ষুৎ পিপাসাৰহিত আৰু যি সত্যকাম, আৰু সত্য সংকল্প, তাৰ অনুসন্ধান কৰা, আৰু তাকেই জনা কর্ত্তব্য। সেই আত্মা স্বৰূপ উপলব্ধি কৰি অর্থাৎ মুক্ত জীৱই সমস্তলোক আৰু সমস্ত কামনা প্রাপ্ত কৰে। যি আত্মাৰ স্বৰূপ জানি বিশুদ্ধ হৈ মোক্ষ সাধন কৰিব পাৰে তেওঁ, সেই মুক্ত শুদ্ধ জীৱ দিব্য নেত্রৰে কামনা বোৰ প্রত্যক্ষ কৰে আৰু শুদ্ধ মনেৰে আনন্দত বিচৰণ কৰে। তেওঁ ব্রহ্মলোক অর্থাৎ দর্শনীয় পৰমাত্মাত স্থিতি হৈ মোক্ষ আনন্দ ভোগ কৰে। মুমুক্ষু বিদ্বান্‌ সকলে আত্মাৰ উপলব্ধিৰে সর্ব্বান্তর্যামী পৰমাত্মাৰ উপাসনা কৰে। তাৰ দ্বাৰাই তেওঁলোকে সর্ব্বলোক আৰু সর্ব্বকামনা লাভ কৰে। মুক্ত জীৱবোৰে স্থূল শৰীৰ এৰি সংকল্প শৰীৰৰ দ্বাৰাই অব্যাহত গতিৰে আকাশত পৰমাত্মাত

ৰিচৰণ কৰে। দেহধাৰী জীৱই সাংসাৰিক দুখৰ পৰা মুক্ত হৰ নোৱাৰে। প্রজাপতিয়ে ইন্দ্রক কৈছিল—"যে পৰম পুজিত ঐশ্বর্য্যৱান পুৰুষ। এই স্থূল শৰীৰ মৰণশীল, সিংহৰ মুখত ছাগলীৰ দৰে এইদেহ মৃত্যুৰ মুখত অৱস্থিত। অমৰ আৰু বিদেহী জীৱাত্মাৰ এই দেহ বাসস্থান। গতিকে জীৱ দেহত থাকে মানে সকলো সুখ দুখ ভোগ কৰে। দেহধাৰী জীৱৰ সাংসাৰিক সুখৰ নিবৃত্তি হয়, আৰু শৰীৰ ৰহিত জীৱাত্মাই ব্রহ্মত অৱস্থান কৰে। সাংসাৰিক সুখ দুখে সেই মুক্ত জীৱক স্পর্শ নকৰে।

প্রশ্ন—জীৱই মুক্তি লাভ কৰাৰ পাছত আকৌ জনম মৰণ দুখত পৰে নে নপৰে? কাৰণঃ—

ন চ পুনৰাৱর্ত্ততে ন চ পুনৰাৱর্ত্ততে ইতি—।
উপনিষদ্ৱচনম্‌ (ছা॰ প্ৰ॰ ৮। অ॰ ১৫)॥

অনাৱৃত্তিঃ শব্দাদনাৱৃত্তিঃ শব্দাৎ॥ (শাৰীৰক সূ॰ ৪।৪।২২)॥

যদ্‌ গত্ৱা ন নিৱর্ত্তন্তে তদ্ধাম পৰমং মম॥ (ভ॰ গীতা)॥

ইত্যাদি ৱচনৰ পৰা বুজিব পাৰি যে যি অৱস্থাৰ পৰা জীৱই সংসাৰলৈ আকৌ প্রত্যাৱর্ত্তন নকৰে তাকেই মুক্তি বোলে।

উত্তৰ—এইবোৰকেই প্রমাণ বুলি মানিব নোৱাৰি; কাৰণ ৱেদত ইয়াৰ নিষেধ আছে। যথা:—

কস্য নূনং কতমস্যামৃতানাং মনামহে চাৰু দেৱস্য নাম।
কো নো মহ্যা অদিতয়ে পুনর্দাৎ পিতৰং চ দৃশেয়ং মাতৰং চ॥১॥
অগ্নের্ৱয়ং প্রথমস্যামৃতানাং মনামহে চাৰু দেৱস্য নাম।
স নো মহ্যা অদিতয়ে পুনর্দাৎ পিতৰং চ দৃশেয়ং মাতৰং চ॥২॥
(ঋ॰ ম॰ ১। সূ॰ ২৪। মং ১। ২॥)

ইদানীমিৱ সর্ব্বত্র নাত্যন্তোচ্ছেদঃ॥৩॥ (সাংখ্য সূ॰ ১। সূ॰ ১৫৯)

প্রশ্ন—আমি কাৰ নাম পৱিত্র বুলি জানিম? অৱিনাশী তত্ত্ৱৰূপ ভিতৰত ৱিদ্যমান চিৰ প্রকাশ স্বৰূপ কোন দেৱতাই আমাক মুক্তি আনন্দ ভোগ কৰাই পুনঃ সংসাৰত জন্মদান দি পিতৃ মাতৃৰ দর্শন কৰায়? ॥১॥

উত্তৰ—আমি এই স্বপ্রকাশ স্বৰূপ, অনাদি আৰু সদামুক্ত পৰমাত্মাৰ নামকেই পৱিত্ৰ বুলি জানিব লাগিব। যি আমাৰ মুক্তিত আনন্দ ভোগ কৰাই পুনৰায় মাতা পিতাৰ সংযোগত জন্ম দি তেওঁলোকৰ দৰ্শন কৰায়, সেই পৰমাত্মাই মুক্তি বিধাতা আৰু সকলোৰে অধিপতি।২॥ যেনেকৈ এই সময়ত জীৱ বদ্ধ আৰু মুক্ত হয় সেই দৰেই সকলো কালতে হয়। বন্ধন আৰু মুক্তিৰ অত্যন্ত বিচ্ছেদ কেতিয়াও হব নোৱাৰে আৰু বন্ধন আৰু মুক্তিও সদায় নেথাকে।৩॥

প্রশ্ন—ঙদত্যন্তবিমোক্ষোঽপবর্গঃ।

দুঃখজন্মপ্রবৃত্তিদোষমিথ্যাজ্ঞানানামুত্তবোত্তবাপায়ে

তদনন্তবাপায়াদপবর্গঃ। (ন্যায় সূত্র ১।২২।২)॥

দুঃখৰ অত্যন্ত বিচ্ছেদকেই মুক্তি বোলে। কাৰণ মিথ্যাজ্ঞান, অবিদ্যা, লোভ আদি দোষ, দুর্ব্যসনত প্রবৃত্তি আৰু জন্ম আদিৰ উত্তৰোত্তৰ অবসানত পূর্ব্বৰ নিবৃত্তি হলেই মোক্ষ হয় আৰু সদায় সি বিদ্যমান থাকে।

উত্তৰ—অত্যন্ত শব্দৰ অর্থ অত্যন্ত অভাবেই হব লাগে, তেনে যুক্তি নাই। যেনে—"**অত্যন্তং দুঃখমত্যন্তং সুখং চাস্য বর্ত্ততে**"—এওঁৰ অত্যন্ত দুঃখ আৰু অত্যন্ত সুখ হৈছে। ইয়াৰ পৰা বুজা যায় যে তেওঁৰ বেছি দুখ আৰু বেছি সুখ হৈছে। সেই দৰেই এই স্থলতো "অত্যন্ত" শব্দৰ অর্থ বুজিব লাগিব।

প্রশ্ন—মুক্তিৰ পাচত যদি জীৱই প্রত্যাবর্ত্তন কৰে, তেন্তে মুক্ত অৱস্থাত সি কিমান কাল থাকে?

উত্তৰ—তে ব্রহ্মলোকে হ পৰান্তকালে পৰামৃতাৎ পৰিমুচ্যন্তি সর্ব্বে॥ (মুণ্ডক• ৩। ম• ২। মং ৬)॥

মুক্ত জীৱবোৰে মুক্ত অৱস্থাত ব্রহ্ম প্রাপ্ত হৈ ব্রহ্মত আনন্দ ভোগ কৰি মহাকল্পৰ পাছত, মুক্তি সুখৰ অৱসানত পুনৰায় সংসাৰলৈ আহে।

মহাকল্পৰ গণনা :—তিয়াল্লিশ লক্ষ, বিশ সহস্র বছৰত এক চতু-

র্যুগী; দুই সহস্র চতুর্যুগীত এক অহোৰাত্র; ত্রিশ অহোৰাত্রত এক মাহ এই দৰে বাৰ মাহত এক বছৰ আৰু এশ বছৰত এক পৰান্ত কাল হয়। এই গণনা গণিত বিদ্যাৰে বুজি লোৱা আৱশ্যক। মুক্তি সুখ ভোগৰ পৰিমাণ কাল ইমানেই।

প্রশ্ন—মানৱ জগতৰ আৰু সকলো গ্রন্থকাৰৰ মত এয়ে যে জীৱই মুক্ত হোৱাৰ পাছত পুনৰায় জন্ম-মৰণৰ চক্রত নপৰে।

উত্তৰ—এনেকুৱা কেতিয়াও হব নোৱাৰে। কাৰণ, জীৱৰ সামর্থ্য আৰু দেহাদি সাধন পৰিমিত। গতিকে এইবোৰৰ ফল অনন্ত কেনেকৈ হব? জীৱৰ অসীম সামর্থ্য, কর্ম্ম আৰু সাধন নাই। এই কাৰণেই জীৱই অনন্ত সুখ ভোগ কৰিব নোৱাৰে। যাৰ সাধন অনিত্য তাৰ ফল নিত্য হব নোৱাৰে। আৰু যদি জীৱই মুক্তিৰ পৰা প্রত্যাবর্ত্তন নকৰে তেন্তে সংসাৰৰ উচ্ছেদ হব আৰু জীৱও নোহোৱা হব লাগিব।

প্রশ্ন—যিমানবোৰ জীৱৰ মুক্তি হয় সিমানবোৰ জীৱ ঈশ্বৰে সৃষ্টি কৰি পঠায় গতিকে জীৱ নিঃশেষ হব নোৱাৰে।

উত্তৰ—তেনেহলে জীৱক অনিত্য বুলি কব লাগিব। কাৰণ যাৰ উৎপত্তি হয় তাৰ বিনাশো হয়। আপোনাৰ মতে তেনেহলে জীৱই মুক্তি পায়ো বিনষ্ট হয়। গতিকে মুক্তি অনিত্য বুলি মানিব লাগিব। তদুপৰি মুক্তিৰ ঠাইত বহুত ভিৰ হব। কাৰণ, সদায় আগমন গমন কিন্তু একেবাৰেই নোহোৱাত সংখ্যা বাঢ়ি অপাৰ হব। দুখৰ অনুভৱ নহলে সুখৰ অনুভবো হব নোৱাৰে। তিতাকেহা নেথাকিলে মিঠা কাক বুলিব? এক স্বাদ, এক ৰসৰ বিরুদ্ধ হোৱাৰ পৰাই দুই ৰসৰ পৰীক্ষা হয়। যদি কোনোৱে কেৱল মিঠা বস্তুকেই ভোগ কৰি থাকে, তেনেহলে সকলো ৰসৰ বস্তু ভোগ কৰোতাৰ সুখ তেওঁৰ অনুভৱ নহয়। আৰু যদি ঈশ্বৰে সান্ত কর্ম্মৰ অনন্ত ফল দিয়ে তেতিয়া ঈশ্বৰৰ ন্যায়শীলতাও নেথাকে। যি যিমানৰ যোগ্য তাক সিমান দিয়াহে ন্যায়-সঙ্গত কর্ত্তব্য। বালক বা দুর্ব্বলক তুলিব নোৱাৰা ভাৰ দিলে ভাৰ

দিওঁতাবহে নিন্দা হয়। সেইদবে অল্পজ্ঞ আৰু অল্প সামর্থ্য বিশিষ্ট জীবক অনন্ত সুখব তাব অর্পণ কবা ঈশ্বৰব ন্যায্য নহব। আৰু যদি ঈশ্বৰে নতুন নতুন জীবব সৃষ্টি কবে, তেতিয়া হলে যি কাৰণব পবা উৎপন্ন হয় সেই কাৰণব অবসান হব। কোনো ভৰাল যিমানেই পৰিপুর্ণ হ'ক লাগে, যাব আয় নাই কেৱল ব্যয়েই হৈ থাকে সি এদিন একেবাৰে নিঃশেষ হবই। গতিকে জীবব মুক্তি লাভ আৰু মুক্তিব পবা প্রত্যাগমন অনিবার্য্য। কোনো অপবাধীয়ে অলপ কালব কাবাগাবতকৈ আজীবন কাৰাবাস বা ফাঁচী দণ্ড নিবিচাবে। মুক্তিব পাছত জীবব প্রত্যাবর্ত্তন নহলে আজীবন ফাটেকব পবা মুক্তিব পার্থক্য এয়েই হব যে, মুক্তিত বাধ্যতামূলক পৰিশ্রম নাই, ফাটেকত আছে। ব্রহ্মত লয় হোৱাও জীবব সমুদ্রত ডুবি মৰাব সমান হব।

প্রশ্ন—পৰমেশ্বৰব দবেই জীব নিত্য মুক্ত আৰু পূর্ণসুখী হলে কোনো দোষ নেথাকে।

উত্তৰ—পৰমেশ্বৰ অনন্ত স্বৰূপ, তেওঁৰ গুণ, কর্ম্ম, স্বভাব আৰু সামর্থ্যও অনন্ত। এই কাৰণেই তেওঁ অবিদ্যা আৰু দুখ বন্ধনব অতীত। জীব মুক্ত হলে, যি শুদ্ধ স্বৰূপ হয় সি অল্পজ্ঞ, আৰু পৰিমিত গুণ, কর্ম্ম, স্বভাব বিশিষ্ট হৈয়েই থাকে। জীব কেতিয়াও ঈশ্বৰব সমান হব নোৱাবে।

প্রশ্ন—তেনেহলে জন্ম আৰু মৰণ যেনে মুক্তিও তেনে, গতিকে তাব কাৰণে চেষ্টা কবা নিৰর্থক।

উত্তৰ—মুক্তিব লগত জন্ম মৰণব তুলনা নেখাতে। ছয়ত্রিশ হেজাব বাৰ (৩৬০০০) সৃষ্টি আৰু প্রলয় হওঁতে যিমান কাল লাগে, সিমান কাল পর্য্যন্ত জীবই মুক্তিব আনন্দত থকা সামান্য বা নিৰর্থক কথা নহয়। আজি উদৰ পুৰণ কবি খালেও যদি কাইলৈ ক্ষুধা তৃষ্ণা হয়, তেন্তে খোৱা পিয়া নিৰর্থক নহয় কিয় ? ক্ষুধা, তৃষ্ণা, সামান্য ধন, বাজ্য, প্রতিষ্ঠা বিবাহ আৰু সন্তান আদিব ব্যবস্থা আৱশ্যক হলে, মুক্তি

চেষ্টা প্রয়োজন নহব কিয় ? মৃত্যু অবশ্যম্ভাবী হোৱা সত্বেও যেনেকৈ জীবন বক্ষাব উপায় অবলম্বন কবা হয়, সেইদবে মুক্তিব পবা প্রত্যাবর্ত্তন কবি জন্ম গ্রহণ কবিব লাগিলেও মুক্তিব উপায় অবলম্বন কবা একান্ত প্রয়োজন।

প্রশ্ন—মুক্তিব সাধন কি কি ?

উত্তৰ—সাধনব কথা কিছু আগতে উল্লেখ কবা হৈছে। আৰু কেইটামান বিশেষ সাধন তলত দিয়া হল। মুক্তিকামী জীবন মুক্ত হব লাগিব অর্থাৎ কুফল দায়ক মিথ্যা আচবণাদি সকলো দুষ্কর্ম্মব পবা মুক্ত হৈ সুফলদায়ক সৎ কর্ম্মপবায়ণ হোৱা আৱশ্যক। যি দুখব নিবৃত্তি আৰু সুখব কামনা কবে তেওঁ অসৎ প্রবৃত্তি আৰু অধর্ম্ম আচবণব পবা আঁতবত থাকি অন্তব শুদ্ধ কবি সৎ হৈও, আৰু ধর্ম্মব আচবণ শীল হব লাগিব। যিহেতু অসৎ আচবণ দুখব আৰু সৎ আচবণ সুখব মূল। সৎ সঙ্গব সহায়ত সৎ অসৎ, ধর্ম্ম-অধর্ম্ম, আৰু কর্ত্তব্য অকর্ত্তব্যব বিবেচনা কবিব পাবিব লাগিব। এইবোবব স্বৰূপ যথার্থ ভাবে উপলব্ধি কবিব লাগিব। জীবব শবীব অর্থাৎ জীবব পঞ্চকোষব ভিন্ন ভিন্ন স্বৰূপ উপলব্ধি কবিব পাবিব লাগিব।

(১) ত্বচা (ছাল)ব পবা অস্থি পর্য্যন্ত "অন্নময়" কোষ। (২) পঞ্চ-বায়ুব সমষ্টি "প্রাণময়" কোষ। ভিতবব বায়ু বাহিব (নিশাহ) কবা প্রাণ বায়ু; বাহিবব বায়ু ভিতবলৈ টনা (উশাহ) "অপান"; যি নাভিস্থ বায়ুয়ে সর্ব্বশবীবত বস সঞ্চাব কবে "সমান"; যি কণ্ঠব পবা অন্নজল টানি নিয়ে তাব নাম "উদান" আৰু যাব দ্বাবাই জীবই সকলো শাৰীবিক চেষ্টা কবে তাব নাম "ব্যান"।

(৩) মন, অহঙ্কাব আৰু পঞ্চ কর্ম্মেন্দ্রিয় অর্থাৎ বাক্, পাণি, পাদ, পায়ু আৰু উপস্থ এই বোবব সমষ্টিক "মনোময়" কোষ বোলে। (৪) বুদ্ধি চিত্ত আৰু পঞ্চজ্ঞানেন্দ্রিয় অর্থাৎ নেত্র, জিহ্বা, শ্রোত্র, ত্বক আৰু নাসিকা এই বোবব সমষ্টিক "বিজ্ঞানময়" কোষ বোলে। এই বিজ্ঞানময়

কোষেবেই জীৱই জ্ঞান সম্পাদন কবে। (৫) প্রীতি প্রসন্নতা, কম বেছি আনন্দ আৰু আধাৰ কাৰণ ৰূপ প্ৰকৃতি "আনন্দময়" কোষৰ ভিতৰত পবে।

জীৱৰ অৱস্থা বা স্থিতি ত্ৰিবিধ; যেনে জাগ্ৰত, স্বপ্ন, আৰু সুষুপ্তি। জীৱৰ শৰীৰ চতুৰ্বিধ—(১) স্থূলশৰীৰ, যি দৃশ্যমান। (২) পঞ্চপ্ৰাণ, পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চসূক্ষ্মভূত, মন, আৰু বুদ্ধি এই সপ্তদশ তত্ত্বৰ সমষ্টিক "সূক্ষ্ম শৰীৰ" বোলে। এই সূক্ষ্ম শৰীৰ জীৱৰ জীবিত আৰু মৃত দুয়ো অৱস্থাতেই থাকে। সূক্ষ্ম শৰীৰো দুই প্ৰকাৰৰ অৰ্থাৎ ভৌতিক আৰু স্বাভাৱিক। সূক্ষ্মভূত অংশৰ পৰা "ভৌতিক" নিৰ্ম্মিত, আৰু যি জীৱৰ স্বভাৱিক গুণ স্বৰূপ সেয়েই "স্বাভাৱিক"। এই দ্বিতীয় বিধ শৰীৰ অভৌতিক, মুক্ত অৱস্থাতো থাকে। এই শৰীৰেবেই জীৱই মুক্তিত সুখ ভোগ কবে। (৩) কাৰণ শৰীৰ, সুষুপ্তি অৱস্থা জীৱৰ কাৰণ শৰীৰ। কাৰণ শৰীৰ প্ৰকৃতিৰূপ কাৰণে সৰ্ব্বব্যাপক আৰু সকলো জীৱবেই একে। (৪) "তুৰীয় শৰীৰ", যেতিয়া জীৱ সমাধিস্থ হৈ পৰমাত্মাৰ আনন্দত থাকে সেয়েই তুৰীয় শৰীৰ।

এই সমাধিৰ পৰা হোৱা শুদ্ধ শৰীৰৰ পৰাক্ৰম মুক্তিতো যথাৰ্থৰূপে সহায় কবে। জীৱ যে এইবোৰ কোষ আৰু অৱস্থাৰ পৰা ভিন্ন বস্তু এই কথা সকলোৱেই জানে। ইয়াৰ প্ৰমাণ এয়ে যে, মৃত্যু হলে সকলোৱেই কয় জীৱ ওলাই গ'ল, জীৱ নাই। এই জীৱকেই সকলো বিষয়ৰ প্ৰেৰয়িতা, ধৰ্ত্তা, সাক্ষী আৰু ভোক্তা বোলা হয়। জীৱ কৰ্ত্তা আৰু ভোক্তা নহয় বুলি কেৱল অজ্ঞ আৰু বিবেচনাহীন ব্যক্তিয়েহে কব পাবে জড় পদাৰ্থবোৰৰ সুখ দুখৰ ভোগ বা পাপ পুণ্যৰ কৰ্ত্তৃত্ব জীৱৰ বাহিবে আন কাৰো হব নোৱাবে। আৰু এইবোৰৰ সংযোগ সম্বন্ধতেই জীৱ পাপ পুণ্যৰ কৰ্ত্তা আৰু সুখ দুখৰ ভোক্তা হয়।

যেতিয়া ইন্দ্ৰিয় অৰ্থ (বিষয়)ৰ লগত, মন ইন্দ্ৰিয়ৰ লগত, আৰু আত্মা মনৰ লগত সংযুক্ত হৈ প্ৰেৰণাবে প্ৰাণক উত্তম বা অধম কৰ্ম্মত

নিয়োজিত কবে, তেতিয়া সেইবোৰ বহিৰ্মুখী হৈ যায়। সেই সময়ত, লগে লগেই ভিতৰৰ পৰা আনন্দ, উৎসাহ, অভয়, আৰু কুকৰ্ম্মলৈ ভয়, শঙ্কা আৰু লজ্জা এইবোৰ উৎপন্ন হয়। এইবোবেই অন্তৰ্য্যামী, সাক্ষী পুৰুষ, পৰমাত্মাৰ শিক্ষা আৰু নিৰ্দ্দেশ। যি এই শিক্ষাৰ অনুকুল আচৰণ কবে তেওঁ মুক্তিজনিত সুখ পায়। যি তাৰ বিপৰীত আচৰণ কবে, তেওঁ বন্ধন জনিত দুখ ভোগী হয়। মুক্তিৰ দ্বিতীয় সাধন হ'ল বৈৰাগ্য অৰ্থাৎ সৎ অসৎৰ বিবেচনা কৰি অসৎ প্ৰবৃত্তি এৰি সৎ পৰায়ণ হোৱাকেই বিবেক বোলে। জড় চৈতন্যৰ গুণ, কৰ্ম্ম, স্বভাৱ উপলব্ধি কৰি, ঈশ্বৰ পৰায়ণ হৈ উপাসনা কৰা, ইয়াৰ বিপৰীত আচৰণ নকৰি সৃষ্টিৰ পৰা অমৃত গ্ৰহণ কৰিব পৰাকেই বিবেক বোলে।

ইয়াৰ পাছত মুক্তিৰ তৃতীয় সাধন হল "ষট্‌ক সম্পত্তি", অৰ্থাৎ ষড়বিধ কৰ্ম্মানুষ্ঠান। প্ৰথম "শম" অৰ্থাৎ আত্মাক অন্তঃকৰণ সহ অসৎ প্ৰবৃত্তিৰ পৰা নিবৃত্ত কৰি সদায় সৎ প্ৰবৃত্তিশীল হোৱা। দ্বিতীয় "দম" অৰ্থাৎ শ্ৰোত্ৰাদি ইন্দ্ৰিয়বোৰক শৰীৰিক ব্যভিচাৰ আদি কুৰ্ম্মৰ পৰা নিবৃত্ত কৰি, জিতেন্দ্ৰিয় আৰু সৎ কৰ্ম্মত প্ৰবৃত্ত কৰা। তৃতীয় "উপৰতি" অৰ্থাৎ অসৎ সঙ্গৰ পৰা আঁতৰি থকা। চতুৰ্থ "তিতিক্ষা" অৰ্থাৎ নিন্দা, স্তুতি, হানি লাভ, হৰ্ষশোক, উপেক্ষা কৰি সদায় মুক্তি সাধনত মনোযোগ দিয়া। পঞ্চম "শ্ৰদ্ধা" অৰ্থাৎ বেদাদি সত্য শাস্ত্ৰ, আৰু ইয়াৰ তত্ত্বজ্ঞ সৎপুৰুষ, আৰু আপ্ত পৰায়ণ মাহাত্মা সকলৰ বাক্যত বিশ্বাস কৰা। ষষ্ঠ "সমাধান"—অৰ্থাৎ চিত্তৰ একাগ্ৰতা। এই ছয়টিক একেলগে তৃতীয় সাধন বোলে।

চতুৰ্থ সাধন "মুমুক্ষুত্ব" অৰ্থাৎ যেনেকৈ ক্ষুধাৰ্ত্ত আৰু তৃষ্ণাৰ্ত্তৰ আহাৰ আৰু জলৰ বাহিবে অন্য একোতে স্পৃহা নেথাকে সেইদৰে মুক্তি সাধনৰ বাহিবে আন একোতেই স্পৃহা নৰখা।

এই চাৰি সাধনৰ পাছত চাৰি "অনুবন্ধ"—অৰ্থাৎ সাধনৰ পৰবৰ্ত্তী অনুষ্ঠেয় কৰ্ম্ম।

ইয়াৰ ভিতৰত প্ৰথম "**মোক্ষৰ অধিকাৰী**" অৰ্থাৎ যি এই চাৰিবিধ সাধনত সফল, তেওঁৰেই মোক্ষৰ অধিকাৰী।

দ্বিতীয়—"**সম্বন্ধ**" অৰ্থাৎ—ব্ৰহ্ম প্ৰাপ্তিৰূপ মুক্তিৰ প্ৰতিপাদ্য আৰু বেদাদি শাস্ত্ৰৰ—প্ৰতিপাদকক যথাৰ্থৰূপে উপলব্ধি কৰি অধ্যয় কৰা।

তৃতীয় "**বিষয়ী**" সকলো শাস্ত্ৰৰ প্ৰতিপাদনৰ বিষয় বস্তু ব্ৰহ্ম, সেই ব্ৰহ্মপ্ৰাপ্তি বিষয় বিশিষ্ট পুৰুষৰ নাম "**বিষয়ী**"।

চতুৰ্থ—"প্ৰয়োজন" অৰ্থাৎ সকলো প্ৰকাৰ দুখনিবৃত্তিৰ অন্তত পৰমানন্দ বা মুক্তি সুখ ভোগ কৰা। এই চাৰিটাক. অনুবন্ধ বোলে।

ইয়াৰ পাছত—"**শ্ৰবণ চতুষ্টয়**"—প্ৰথম "**শ্ৰবণ**" অৰ্থাৎ তত্ত্বজ্ঞানীৰ পৰা শান্ত চিত্তে মনোযোগ দি উপদেশ শুনা। বিশেষকৈ ব্ৰহ্মজ্ঞান শুনাত অত্যন্ত মনোযোগ দিয়া আৱশ্যক। যিহেতু ব্ৰহ্মতত্ত্বৰ বিষয় সকলোতকৈ সূক্ষ্ম। দ্বিতীয় "**মনন**"—অৰ্থাৎ শ্ৰবণৰ পাছত নিৰ্জ্জন স্থানত শান্ত চিত্তে বহি শ্ৰুত বিষয়ৰ চিন্তা কৰা। যি যি বিষয়ত সংশয় হয় সেই বোৰ পুনৰায় প্ৰতিপ্ৰশ্ন কৰি বুজা আৰু শুনাৰ সময়তো বক্তা আৰু শ্ৰোতা দুয়োৰে ভিতৰত প্ৰশ্ন উত্তৰেৰে সমাধান কৰা। তৃতীয় "**নিদিধ্যাসন**" অৰ্থাৎ শ্ৰবণ আৰু মনন কৰি নিঃসন্দেহ হোৱাৰ পাছত—সমাধিস্থ হৈ যি যি শ্ৰবণ মনন কৰা হৈছে, সেইবোৰ ধ্যান যোগেৰে প্ৰত্যক্ষ উপলব্ধি কৰা অৰ্থাৎ যিবোৰ শ্ৰবণ মনন কৰা হৈছে সেইবোৰ সেইমতে হৃদয়ে নহয় তাৰ অনুভব কৰা। চতুৰ্থ—"**সাক্ষাৎকাৰ**"—অৰ্থাৎ তত্ত্ব বা পদাৰ্থ বোৰৰ গুণ, ধৰ্ম্ম, স্বভাৱ যথাৰ্থৰূপত উপলব্ধি কৰা। এই চাৰিটাকেই "**শ্ৰবণ চতুষ্টয়**"—বোলে।

ক্ৰোধ মলিনতা, আলস্য প্ৰমাদ আদি তমোগুণ, আৰু ঈৰ্ষ্যা দ্বেষ, কাম, অভিমান আৰু বিক্ষেপ আদি ৰজোগুণ সংযম কৰি শান্ত প্ৰকৃতি পবিত্ৰতা, জ্ঞান বিবেচনা, আদি সত্ত্ব পৰায়ণ হোৱা। মৈত্ৰী অৰ্থাৎ সুখী লোকৰ লগত মিত্ৰতা কৰুণা অৰ্থাৎ—দুঃখগ্ৰস্তক দয়া কৰা, মুদিত, অৰ্থাৎ—পুণ্যাত্মা দৰ্শনত আনন্দিত হোৱা, উপেক্ষা অৰ্থাৎ—দুৰাত্মা

লোকৰ প্ৰতি প্ৰীতি নৰখা, আৰু বৈৰী ভাব নৰখা।

মুমুক্ষু অৰ্থাৎ মোক্ষৰ কামনাৰে প্ৰতিদিন দুঘণ্টা কাল ধ্যান কৰিব লাগে। কিয়নো তাৰ দ্বাৰাই অভ্যন্তৰস্থিত মন আদি তত্ত্বৰ প্ৰত্যক্ষ হয়। জীৱ চেতন কাৰণেই জ্ঞানস্বৰূপ আৰু মনৰ সাক্ষী। কাৰণ যেতিয়া মন শান্ত, চঞ্চল, প্ৰফুল্ল বিষাদ মুক্ত হয়, তাৰ যথাৰ্থ স্বৰূপ জীৱেই দৰ্শন কৰে। সেইদৰেই ইন্দ্ৰিয়, আৰু প্ৰাণ আদিবো জীৱ জ্ঞাতা, পূৰ্ব্বদৃষ্ট বিষয়ৰ স্মৰণকৰ্ত্তা, আৰু একে সময়তেই অনেক পদাৰ্থৰ বক্তা, ধাৰণ আৰু আকৰ্ষণ কৰ্ত্তা, কিন্তু সকলো পদাৰ্থৰ পৰা ভিন্ন। এইবোৰৰ পৰা ভিন্ন নহলে, এইবোৰৰ কৰ্ত্তা, প্ৰেৰয়িতা, অধিষ্ঠাতা বা নিয়ন্তা হব নোৱাৰিলেহেতেন।

অবিদ্যাঽস্মিতা ৰাগদ্বেষাভিনিবেশাঃ পঞ্চক্লেশাঃ

যোগশাস্ত্ৰ পাদ ২। সূঃ ৩॥

এইবোৰৰ ভিতৰত অবিদ্যাৰ স্বৰূপ আগতে কৈ অহা হৈছে। পৃথক আৰু বৰ্ত্তমান বুদ্ধিক আত্মাৰ অভিন্ন বুলি ভবাই "**অস্মিতা**"। সুখৰ প্ৰীতিৰ নাম "**ৰাগ**"।

দুঃখত অপ্ৰীতিৰ নাম "**দ্বেষ**" প্ৰাণী মাত্ৰৰেই নিজৰ নিজৰ জীৱন আটাইতকৈ প্ৰিয় সকলোৱে ভয় তাক তাক অতিক্ৰম কৰিবলৈ বাঞ্ছা কৰে। মৃত্যুৰ ভয়ক "**অভিনিবেশ**" বোলে। যোগাচৰণ আৰু বিজ্ঞানেৰে এই পঞ্চ ক্লেশ দূৰ কৰি ব্ৰহ্ম সাক্ষৎ স্বৰূপ মুক্তিৰ পৰমানন্দ অনুভৱ কৰিব পাৰি।

প্ৰশ্ন—আপুনি যি বোৰ মুক্তিৰ লক্ষণ ব্যাখ্যা কৰিলে, সেইবোৰ অন্য কোনেও কৰা নাই। আৰু নেমানে।

শুনক! জৈন সকলৰ মতে শিখপুৰলৈ গৈ মোক্ষ শিলাত নিস্তব্ধ ভাবে বহি থকা, খৃষ্টান সকলৰ মতে চতুৰ্থ আকাশত বিবাহ, যুদ্ধ, গীত বাদ্য কৰা, আৰু নানা বস্ত্ৰ আভৰণ পৰিধান কৰি, আনন্দ উপভোগ কৰা; মুছলমান সকলেও সেইদৰেই সপ্তম আকাশত; বামমাৰ্গি সকলে

শ্রীপুৰুষ; শৈৱ সকলে কৈলাসক; বৈষ্ণৱ পন্থী সকলে বৈকুণ্ঠক; আৰু গোকুলৰ গোঁসাই পন্থী সকলে গোলকলৈ গৈ দিব্য অপেক্ষৰী, অন্ন, পানীয় বস্ত্ৰ স্থান আদি লাভ কৰি আনন্দত থকাকেই মুক্তি বোলে। পৌৰাণিক সকলে (সালোক্য) অৰ্থাৎ ঈশ্বৰ ধামত নিবাস, (সান্নুজ্য) অৰ্থাৎ কনিষ্ঠ ভ্ৰাতাৰ দৰে ঈশ্বৰৰ সমীপত অৱস্থান, (সাৰূপ্য) অৰ্থাৎ—উপাস্য দেৱৰ স্বৰূপ ধৰি থকা, (সামীপ্য) অৰ্থাৎ—সেৱক ৰূপত ঈশ্বৰ সমীপত থকা, (সাযুজ্য) অৰ্থাৎ—ঈশ্বৰ লগত সংযুক্ত হোৱা এই পাচ প্ৰকাৰৰ মুক্তি মানে। বেদান্তবাদী সকলে ব্ৰহ্মত লয় হোৱাকেই মুক্তি বোলে।

উত্তৰ—দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ সমুল্লাসত যথাক্ৰমে জৈন, খৃষ্টান, আৰু মুছলমান সম্প্ৰদায়ৰ মুক্তিৰ বিষয়ে বিস্তাৰিত আলোচনা কৰা হব।

এতিয়া ৰামপন্থী সম্প্ৰদায়ৰ মোক্ষ বিষয়েই আলোচন কৰা হ'ক। ৰামপন্থী সকলৰ মতে যদি শ্রীপুৰ লাভ কৰি লক্ষ্মীৰ তুল্য দিব্য ৰমণীৰ লগত সম্ভোগ আৰু মদ্য মাংস আদি ভোজন পান কৰি আমোদ-প্ৰমোদ কৰাই মোক্ষ হয় তেন্তে ইহলোকতকৈ বিশেষতা থাকিল ? মহাদেৱ বিষ্ণুৰ দৰে ৰূপ যৌবন আৰু পাৰ্ব্বতী, লক্ষ্মী আদিৰ দৰে ৰূপবতীৰ লগত আমোদ প্ৰমোদ ভোগ বিলাস কৰাই যদি মোক্ষ হয় তেন্তে ইয়াৰ ধনাঢ্য ৰাজা সকলৰ ভোগ বিলাসতকৈ মোক্ষৰ বিশেষত্ব ক'ত ? যি কয়, যত ৰোগ নাই, চিৰযৌবন থাকে, তেওঁৰ কথা মিছা নহয় বুলি কোনে বিশ্বাস কৰিব ? কাৰণ য'ত ভোগ আছে তাতেই ৰোগ আছে আৰু যত ৰোগ আছে তাত বৃদ্ধাৱস্থাও আছে। ইয়াৰ অধিক আৰু নকলেও হব।

পৌৰাণিক সম্প্ৰদায়ৰ মতে যি পাঁচ প্ৰকাৰ মুক্তি হয়, সেই পাঁচ প্ৰকাৰৰ মুক্তি কৃমি, কীট-পতঙ্গ আৰু পশু আদিৰো স্বাভাবিক ভাৱে প্ৰাপ্তি হয়; কাৰণ পৃথিবী, স্বৰ্গ আদি সকলো লোকেই ঈশ্বৰৰ, য'ত সকলো জীৱৰ স্থিতি আৰু ঈশ্বৰ সৰ্ব্বব্যাপক। গতিকে "সালোক্য" মুক্তি

সকলো জীৱৰ অনায়াসেই প্ৰাপ্ত হৈ আছে। ঈশ্বৰ সকলোতে পৰিব্যাপ্ত যেতিয়া "সামীপ্য" মুক্তিও সকলো জীৱৰেই সমীপস্থ। গতিকে "সামীপ্য" মুক্তি সকলোৰেই স্বতঃসিদ্ধ।

জীৱ ঈশ্বৰৰ তুলনাত সসীম আৰু অতি ক্ষুদ্ৰ, জীৱৰ চৈতন্য থকা হেতুকে ঈশ্বৰৰ চৈতন্যৰ অনুকুল হোৱাত স্বতঃ বন্ধুৱৎ। গতিকে "সান্নুজ্য" মুক্তিৰ কাৰণেও বিশেষ সাধনাৰ প্ৰয়োজন নাই। সকলো জীৱ সৰ্ব্বব্যাপক পৰমাত্মাত ব্যাপ্ত, গতিকে সংযুক্ত গতিকে "সাযুজ্য" মুক্তিও স্বাভাবিক।

নাস্তিকবাদী সকলৰ মতে মৃত্যুৰ পাছত তত্ত্ব লগত তত্ত্ব মিলন হোৱাই পৰম মুক্তি, সেয়েই যদি মুক্তি হয় তেনে মুক্তি নিকৃষ্ট দেহধাৰী জীৱৰো অনায়াসে হয়।

দেখা যায় এইবোৰ মুক্তি হব নোৱাৰে ৰৰঞ্চ একপ্ৰকাৰ বন্ধনহে এই সকলে শিৱসুত, মোক্ষশিলা, চতুৰ্থ আকাশ, সপ্তম আকাশ, শ্রীপুৰ, কৈলাস, বৈকুণ্ঠ আৰু গোলক এই স্থান বিশেষ বোৰক মুক্তিৰ স্থান বুলি মানে। সেই সেই স্থানৰ পৰা বিচ্ছিন্ন হলেই মুক্তিৰ অৱসান হয়। গতিকে কোনো নগৰৰ চাৰি সীমাৰ ভিতৰত নজৰ বন্ধ হৈ থকাৰ দৰে একপ্ৰকাৰ বন্ধনেই হয়।

জীৱই যি অৱস্থাত ইচ্ছানুসাৰে সকলোতে বিনা বাধাই, বিনা সঙ্কোচে, বিনা ভয়ে বিচৰণ কৰিব পাৰে, সেই অৱস্থাকেই জীৱৰ মুক্তি বোলে। জন্মক সৃষ্টি আৰু মৃত্যুক প্ৰলয় বোলে আৰু জীৱই যথা সময়ত জন্ম গ্ৰহণ কৰে।

প্ৰশ্ন—জন্ম এক নে অনেক ?

উত্তৰ—অনেক।

প্ৰশ্ন—অনেক যদি হয় তেন্তে জীৱৰ পূৰ্ব্বজন্ম আৰু মৃত্যুৰ কথাৰ স্মৰণ নহয় কিয় ?

উত্তৰ—জীৱ অল্পজ্ঞ, ত্ৰিকালজ্ঞ নহয়। গতিকে স্মৰণ নেথাকে। ইয়াৰ উপৰিও যি মনৰ দ্বাৰাই জনা যায়, সি একে সময়তে দুটাৰ জ্ঞান

ধাৰণ কৰিব নোৱাৰে। পূৰ্ব্বজন্মৰ কথা নকলেও হব, এই দেহতেই যেতিয়া মাতৃ গৰ্ভত আছিল, সেই গৰ্ভতেই দেহৰ সৃষ্টি হয়, তাৰ পাছত প্ৰসৱ হৈ ভূমিষ্ঠ হয়, কিন্তু পাচ বছৰ বয়সৰ আগত হোৱা ঘটনাবোৰ স্মৰণ নহয়। আৰু জাগ্ৰত আৰু স্বপ্ন অৱস্থাত জীৱই নানা বিষয় প্ৰত্যক্ষ কৰে কিন্তু সুষুপ্তি অৱস্থাত কোনো কথাই স্মৰণ নেথাকে। এই ধৰণে যদি কোনোৱে আপোনাক সোধে যে বাৰ বছৰৰ আগত ত্ৰয়োদশ বৎসৰৰ পঞ্চম মাহৰ নৱম দিনৰ দহটাৰ পাছৰ প্ৰথম মিনিটত আপুনি কি কৰিছিল, তেতিয়া আপোনাৰ হাত মুখ, কাণ আৰু চকুৱে কি কৰিছিল আৰু আপুনি মনেৰে কি চিন্তা কৰিছিল, তাৰ উত্তৰ আপুনি দিব পাৰিব নে? এই জীৱনৰেই যেতিয়া এনে অৱস্থা, পূৰ্ব্বজন্মৰ কথা কেনেকৈ কব? পূৰ্ব্বজন্মৰ বা অতীতৰ স্মৰণ নহয় কাৰণেই সুখ অনুভৱ কৰে, সেয়ে নহলে সকলো জন্মৰ দুখৰ কথা স্মৰণ কৰি জীৱই জীৱন ধাৰণ নকৰিলেহেঁতেন। পূৰ্ব্বজন্ম আৰু ভবিষ্যত জন্মৰ কথা জানিব খুজিলেও কোনেও জানিব নোৱাৰে, কাৰণ জীৱৰ জ্ঞান আৰু স্বৰূপ পৰিমিত। সৰ্ব্বজ্ঞ আৰু অসীম ঈশ্বৰেহে সকলো জানে, জীৱই নোৱাৰে।

প্ৰশ্ন—ঈশ্বৰে জীৱৰ কৰ্ম্মানুসাৰে ফল বিধান কৰে, জীৱৰ যেতিয়া পূৰ্ব্বৰ জ্ঞান নেথাকেই জীৱৰ সংশোধন কেনেকৈ হব? যি যি কৰ্ম্মৰ যি যি ফল (ভাল বা বেয়া পালে) তাক জানিব পাৰিলেহে জীৱই অসৎ কৰ্ম্মৰ পৰা নিবৃত্ত হব পাৰে।

উত্তৰ—আপুনি কেই প্ৰকাৰৰ জ্ঞান মানে?

প্ৰশ্ন—প্ৰত্যক্ষ আদি প্ৰমাণেৰে আঠ প্ৰকাৰৰ জ্ঞান হয়।

উত্তৰ—তেনেহলে আপোনাৰ এই জগতত জন্মৰ পৰা বিভিন্ন সময়ৰ, ৰাজ্য, ধন, বিদ্যা, বুদ্ধি, দৰিদ্ৰতা, মূৰ্খতা আৰু সুখ দুখ আদি দেখি পূৰ্ব্বজন্মৰ জ্ঞান নহয় কিয়? যেনেকৈ দুজন লোকৰ কোনো ৰোগ হলে, আৰু সেই দুজনৰ এজন চিকিৎসক আৰু আনজন চিকিৎসক নহলে, সেই

চিকিৎসক জনে ৰোগৰ নিদান অর্থাৎ কাৰণ জানিব পাৰে কিন্তু চিকিৎসক নোহোৱা জনে জানিব নোৱাৰে। আৰু কোনো ঘৰ আদি ৰোগ হলে চিকিৎসাত অনভিজ্ঞ মানুহেও জানিব পাৰে যে তেওঁৰ ৰোগৰ নিশ্চয় কোনো কাৰণ বা হেতু আছে। কাৰণ, সকলোৰে ৰোগ হোৱা নাই। সেই দৰেই জগতত বিচিত্ৰ সুখ-দুখ আদিৰ কম বেছি দেখি পূৰ্ব্বজন্মৰ কাৰণ অনুমান কৰিব নোৱাৰিনে? পূৰ্ব্ব জন্ম নেমানিলে পক্ষপাতী হৈ পৰে। কাৰণ বিনা দোষে ঈশ্বৰে দাৰিদ্ৰ্য আদি দুখ আৰু পূৰ্ব্বৰ সঞ্চিত সৎকৰ্ম্ম নহলে, ৰাজ্য, ঐশ্বৰ্য্য আৰু সুবুদ্ধি কেনেকৈ দিব? পূৰ্ব্ব জন্মৰ সৎ অসৎ কৰ্ম্মৰ ফল অনুসাৰেই সুখ দুঃখৰ বিধান কৰে কাৰণেই ঈশ্বৰ যথার্থ ন্যায়কাৰী।

প্ৰশ্ন—মাত্ৰ এক জন্ম হলেও ঈশ্বৰ ন্যায়কাৰী হব নোৱাৰে জানো? কাৰণ, ৰজাৰ অধিকাৰ সকলোৰে ওপৰত—ৰজাই যি কৰে সেয়েই ন্যায়। উদ্যান পালকে নিজৰ উদ্যানত নানা বিধৰ গছ গছনি বোৰে। তাৰ ভিতৰত ইচ্ছামতে কোনো গছ কাটি পেলায়, কোনো গছক যত্ন কৰি ৰক্ষা কৰে। তেওঁৰ কাৰ্য্যত কোনেও হস্তক্ষেপ কৰিবৰ অধিকাৰ নাই, গতিকে তেওঁ যি কৰে সেয়েই ন্যায়। তাৰ বাবে তেওঁ কাকো ভয় কৰিব নালাগে।

উত্তৰ—পৰমাত্মাই কেতিয়াও অন্যায় নকৰে, গতিকেই ন্যায়কাৰী, পক্ষপাত আৰু ন্যায় বিৰুদ্ধ কৰিলে জীৱ আৰু তেওঁৰ পাৰ্থক্য বা থাকিব কি? যেনেকৈ উদ্যান পালকে বিবেচনা নকৰি বাটে পথে বা অস্থানত গছ কলে, কাটিবলগীয়া গছক নেকাটিলে, অনাৱশ্যকীয় গছৰ সংৰক্ষণ কৰিলে আৰু আৱশ্যকীয় গছৰ সংখ্যা নবঢ়ালে অপ্ৰশংসনীয় হয় সেইদৰে ঈশ্বৰেও অযথার্থ কাম কৰিলে পূজনীয় নহৈ নিন্দনীয়হে হব। ঈশ্বৰ স্বভাৱতেই নিত্য শুদ্ধ বুদ্ধ আৰু ন্যায়কাৰী; গতিকে ন্যায় সঙ্গত বিবেচনাই তেওঁৰ স্বভাৱ। উন্মত্তৰ দৰে ন্যায় নীতি বিহীন কাম কৰিলে পাৰ্থিব ন্যায়ধীশতকৈ ঈশ্বৰৰ বৈশিষ্ট্য

নেথাকিব আৰু ঈশ্বৰ গুণ কীৰ্ত্তনৰ ঠাইত দুৰ্গুণৰ দুর্নামহে কৰিব। সংসাৰত সৎগুণ, সৎ কৰ্ম্মৰ সম্মান, আৰু দুর্গুণ আৰু দুষ্কৰ্ম্মৰ নিন্দা নহয় জানো ? ঈশ্বৰ স্বভাৱ ন্যায়কাৰী, গতিকে ন্যায়হে কৰে তাৰ কাৰণে কাকো ভেঁও ভয় কৰিব নেলাগে।

প্রশ্ন—ঈশ্বৰে আৰম্ভৰ পৰাই যাক যি পৰিমাণে দিব খোজে তাক সেই পৰিমানেই দিয়ে আৰু যাৰ কাৰণে যি বিবেচনা উচিত বুলি ভাবে তাৰ কাৰণে তেনেকৈয়ে কৰে।

উত্তৰ—জীৱৰ কৰ্ম্ম অনুসাৰেই বিবেচনা কৰে তাৰ বিপৰীত নকৰে। তেনে নকৰিলে ঈশ্বৰ অন্যায়কাৰী আৰু অপৰাধী হয়।

প্রশ্ন—ডাঙৰ সৰু বা ধনী দুখীয়া সকলোৰে দুখ একেই প্রকাৰ। ডাঙৰৰ ডাঙৰ চিন্তা, সৰুৰ সৰু চিন্তা। উদাহৰণ স্বৰূপে, কোনো ধনী লোকৰ লাখ লাখ টকাৰ গোচৰ হলে দোলাত উঠি বিচাৰালয়লৈ ঘাটেদি যেতিয়া যায়, সৰ্ব্ব সাধাৰণ মানুহে দেখি কয়—"পাপ পুণ্যৰ ফল চোৱা ! এজনে দোলাত বহি আৰামত গৈছে—দোলাভাৰী কিটাই মুৰৰ ঘাম মাটিত পেলাই ৰ'দৰ তাপত দোলা বৈছে"। কিন্তু জ্ঞানী মানুহে অনুমান কৰিব পাৰে যে যিমানে বিচাৰালয়ৰ ওচৰ চাপে সিমানেই সেই ধনী জনৰ মনৰ চিন্তা আৰু সন্দেহ বাঢ়ি যায়। ইফালে দোলাভাৰীৰ মনৰ ভাৰ লাঘব হয়। ধনীয়ে দোলাৰ পৰা নামি কাছাৰীৰ চাৰিও ফালে উকিল, মহৰী, পেছকাৰৰ পাছে পাছে জয় পৰাজয়ৰ চিন্তাত ঢপলীয়াই ফুৰিব লগা হয়। অনাপিনে দোলাভাৰীয়ে পান বিৰি খাই কথা বতৰা পাতি গছৰ তলত আৰামত শুই নিঃচিন্তে ভাগৰ পলায়। ধনীৰ গোচৰত জয় হলে কিছু আনন্দ হয়, হাৰিলে দুখ সাগৰত ডুব যায়। কিন্তু দোলাভাৰী যেনে আছিল তেনেই থাকে। এইদৰে ধনী মানুহৰ সুন্দৰ সুকোমল শয্যাত শুলেও সহজে টোপনি নাহে, কিন্তু দৰিদ্র শ্রমজীৱী কাঠ, জাৰৰক ওখ চাপৰ নাটত পৰিয়েই লালকাল টোপনিত শোৱে। সকলো এইদৰেই বুজিব লাগে।

উত্তৰ—জ্ঞানী লোকে এনেদৰে বিবেচনা নকৰে। কাৰণ ধনীক দোলাভাৰী হবলৈ কলে আগ্রহ কৰিব। সুখ দুখ যদি সমান হ'লহেঁতেন তেন্তে কোনেও নিজৰ নিজৰ অৱস্থাৰ পৰা উন্নত বা অবনত হবলৈ ইচ্ছা বা অনিচ্ছা নকৰিলেহেঁতেন। একেখন জগতত এজনে জ্ঞানী, পুণ্যাত্মা, আৰু অতুল ঐশ্বর্য্যশালী ধনীৰ ৰাণীৰ গর্ভত জন্ম পায় আৰু এজনে দিনদৰিদ্র খৰিকটীয়াৰ স্ত্রীৰ গর্ভত জন্ম পায়। এজনে গর্ভস্থ অৱস্থাৰ পৰা আজীৱন সকলো সুখ ভোগ কৰে আৰু এজনে মাকৰ গর্ভৰ পৰা মৰণলৈকে দুখতেই জীৱন কটায়। এজন ভূমিষ্ঠ হোৱাৰ পৰাই সুষজ্জিত সকলো ঐশ্বর্য্য বৈভৱৰ মাজেদি লালিত পালিত হৈ উঠে। বিধে বিধে খেলাৰ পুতুলা লৈ খেলে, ধাত্রীয়ে সুকোমল গাভীত শুৱাই বিশুদ্ধ জলবায়ুৰ মাজত ফুৰাই সর্ব্বশ্রেষ্ঠ আহাৰেৰে পৰিপুষ্ট কৰি স্বর্গ সুখত ৰাখে আৰু এজনে গেলেকনীৰ ভগা জুপুৰীত ভূমিষ্ঠ হৈ মাটিতেই চুচৰি বাগৰী চৰ কিলেৰেই লালিত পালিত হৈ জীৱন নির্ব্বাহ কৰে।

পাপ পুণ্য নকৰাকৈ দুখ সুখ ঘটিলে ঈশ্বৰ দোষী হয়। আৰু আকৌ বিনা কর্ম্মফলত সুখ বা দুখ হলে, স্বর্গ বা নৰকো থাকিব নোৱাৰে। ঈশ্বৰে যদি জীৱনত বিনা কর্ম্মফলেই সুখ বা দুখ দিয়ে তেন্তে মৃত্যুৰ পাছতো বিনা কর্ম্মফলেই স্বর্গ বা নৰকলৈ পঠাব পাৰে।

তেনেকুৱা হলে কাৰো ধর্ম্ম কর্ম্ম কৰাৰ প্রয়োজন নেথাকে। ধর্ম্ম কর্ম্মৰ যদি ফলেই নাই, তাৰ কাৰণে চেষ্টা কৰাৰ আৱশ্যক কি ? সকলো ঈশ্বৰৰ ইচ্ছাৰ ওপৰত নির্ভৰ, যাৰ প্রতি ঈশ্বৰৰ যি ইচ্ছা তাকেই কৰিব। এনেকুৱা বিবেচনা হলে এইখন সংসাৰ এইদৰে নেথাকিব। সেই গতিকে সকলোৱে জনা উচিত যে পূর্ব্বজন্মৰ সৎ অসৎ কর্ম্মৰ ফল অনুসাৰে বর্ত্তমান জন্ম আৰু পূর্ব্বৰ জন্ম আৰু বর্ত্তমানৰ জন্মৰ কর্ম্ম অনুসাৰে ভবিষ্যত জন্মৰ স্বৰূপ নির্ণয় হয়।

প্রশ্ন—মনুষ্য আৰু পশ্বাদি প্রাণী শৰীৰৰ জীৱ একেই নে বিভিন্ন জাতীয় ?

উত্তৰ—সকলো জীৱ একে জাতীয়, কিন্তু পাপ পুণ্যৰ সংযোগ অনুসাৰে অপবিত্ৰ বা পবিত্ৰ হয়।

প্ৰশ্ন—মনুষ্যৰ জীৱ পশ্বাদিত, পশ্বাদিৰ জীৱ মনুষ্যৰ শৰীৰত, স্ত্ৰীৰ জীৱ পুৰুষৰ শৰীৰত আৰু পুৰুষৰ জীৱ স্ত্ৰীৰ শৰীৰত অহা যোৱা কৰে নে নকৰে ?

উত্তৰ—নিশ্চয় কৰে ; পাপৰ ফলত পুণ্যৰ ক্ষয় হলেই মনুষ্যৰূপী জীৱই পশু আদিৰ নিকৃষ্ট দেহ ধাৰণ কৰিব লগা হয়। সেইদৰে ধৰ্ম্মৰ আধিক্য আৰু অধৰ্ম্মৰ ন্যূন হলে, দেৱ দেহ অৰ্থাৎ জ্ঞানৱান শ্ৰেষ্ঠ মানৱ দেহ লাভ হয়। পাপ আৰু পুণ্যৰ পৰিমাণ সমান হলে সাধাৰণ মানৱ দেহ পায়। মানৱ দেহৰ ভিতৰতো উত্তম, মধ্যম, আৰু অধম কৰ্ম্ম অনুসাৰে বা পাপপুণ্য অনুসাৰে উত্তম, মধ্যম আৰু অধম মানৱ দেহ ধাৰণ কৰিব লগা হয়। অধিক পাপৰ ফল পশু আদিৰ শৰীৰৰে ভোগ কৰাৰ পাছত, পাপ আৰু পুণ্য সমান হলে আকৌ মনুষ্য দেহ পায়। পুণ্যৰ ফল ভোগ কৰাৰ পাছত পুনঃ মধ্যম মনুষ্য দেহৰ ৰূপ পায়। জীৱৰ স্থূল দেহৰ পৰা বিয়োগ হোৱাৰ নাম "মৃত্যু" আৰু শৰীৰৰ লগত সংযোগ হোৱাৰ নাম "জন্ম"।

শৰীৰৰ পৰা বিয়োগহৈ জীৱ যমালয়ত থাকে, অৰ্থাৎ আকাশৰ বায়ুত থাকে। যম মানে গৰুড় পুৰাণৰ কাল্পনিক যম নহয়, "যম" বায়ুৰে নাম। যিহেতু বেদত লিখিত আছে "যমেন বায়ুনা"। এই বিষয়ে বিস্তাৰিত আলোচনা একাদশ সমুল্লাসত হব।

আকাশত থকাৰ পাচত ধৰ্ম্মৰাজে অৰ্থাৎ পৰমেশ্বৰে জীৱক পাপ পুণ্য অনুসাৰে জন্মৰূপ দিয়ে। জীৱ ঈশ্বৰ প্ৰেৰণাত বায়ু, অন্ন, জল বা দেহৰ ছিদ্ৰৰ দ্বাৰাই আন দেহত প্ৰবেশ কৰে, তাৰ পাছত কাৰ্য্যত পৰিণত হৈ গৰ্ভস্থিত দেহ ধাৰণ কৰি বিকাশ হয়। কৰ্ম্মৰ পৰিমাণ অনুসাৰে স্ত্ৰী অথবা পুৰুষৰ দেহ ধাৰণ কৰে। গৰ্ভস্থ কালত স্ত্ৰীপুৰুষৰ সংসৰ্গত ৰজ আৰু বীৰ্য্য সমান নহলে পুংসক হয়।

এই দৰে জীৱই যত কাল পৰ্য্যন্ত সৎকৰ্ম্ম উপাসনা আৰু জ্ঞানৰ দ্বাৰাই মুক্তি লাভ নকৰে, ততকাল পৰ্য্যন্ত বহুবিধ জন্ম মৃত্যুৰ চক্ৰত ঘুৰি থাকে, সৎ কৰ্ম্মৰ ফলত মানৱ জীৱনৰ ভিতৰতো শ্ৰেষ্ঠ মানৱ জীৱন পায় আৰু মুক্তি লাভ হলে জন্মান্তৰ দুখৰ পৰা মুক্তহৈ মহাকল্প পৰ্য্যন্ত মোক্ষৰ পৰমানন্দত থাকে।

প্ৰশ্ন—মুক্তিলাভ একে জন্মতেই হব পাৰে নে অনেক জন্ম লাগে।

উত্তৰ—অনেক জন্ম। কাৰণ--

ভিদ্যতে হৃদয়গ্ৰন্থিশ্ছিদ্যন্তে সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্ম্মাণি তস্মিন্ দৃষ্টে পৰাঽৱৰে ॥
মুণ্ডক (২। খঃ ২ মং ৮) ॥

যেতিয়া জীৱৰ হৃদয়ৰ অবিদ্যা আৰু অজ্ঞানৰূপী গ্ৰন্থি বা বন্ধন ছিন্ন হয়, সকলো সংশয় ছিন্ন আৰু অসৎ কৰ্ম্মৰ ক্ষয় হয়, তেতিয়া সেই জীৱ, যি পৰমাত্মা, তাৰ অন্তৰে বাহিৰে ব্যাপ্ত হৈ আছে, সেই পৰম তত্ত্বক পাই তাৰেই আনন্দত থাকে।

প্ৰশ্নঃ—মুক্ত অৱস্থাত জীৱ পৰমেশ্বৰত মিল হৈ যায় নে পৃথকৈ থাকে ?

উত্তৰঃ—পৃথকৈ হৈ থাকে, মিলি গলে মোক্ষৰ আনন্দ পাব কোনে ? আৰু মিলি গলে মুক্তিৰ সকলো সাধন নিষ্ফল হৈ যাব। সেয়ে হলে, জীৱৰ মুক্তি নহৈ প্ৰলয়হে হব। যি জীৱই ঈশ্বৰ বিধান অনুসাৰে সৎসঙ্গ, সৎ কৰ্ম্মানুষ্ঠান আৰু যোগাভ্যাস কৰে আৰু আগত উল্লেখ কৰা সকলো সাধন অৱলম্বন কৰে, সি মুক্তি লাভ কৰে।

সত্যং জ্ঞানমনন্তং ব্ৰহ্ম যো বেদ নিহিতং গুহায়াং পৰমে ব্যোমন্। সোঽশ্নুতে সৰ্ব্বান্ কামান্ সহ ব্ৰহ্মণা বিপশ্চিতেতি।
তৈত্তিৰীয় (আনন্দ ৱঃ অনু॰ ১) ॥

যি জীৱাত্মা স্বীয় বুদ্ধি আৰু আত্মাত অৱস্থিত সত্য, জ্ঞান আৰু

অনন্ত আনন্দ স্বরূপ পরমাত্মাক জানে, সেই জীবাত্মা, সেই সর্ব্বব্যাপক ব্রহ্মত অবস্থিত হৈ "বিপশ্চিৎ" অনন্ত জ্ঞানব ব্রহ্মব লগত যি কামনা কবে তাকেই পায় অর্থাৎ সকলো পরম আনন্দ পাব পাবে, ইয়াকেই মুক্তি বোলে।

প্রশ্নঃ—জীবই যদি বিনা শবীবে সাংসাবিক সুখ ভোগ কবিব নোৱাবে তেনেহলে মুক্তিত বিনা শবীবে কেনেকৈ আনন্দ ভোগ কবিব ?

উত্তবঃ-ইয়াব আগত এই বিষয়ে মীমাংসা কবা হৈছে। আক শুনক তেন্তে। জীবাত্মাই যেনেকৈ দেহব আধাবেবে পার্থিব সুখ দুঃখ ভোগ কবে, সেই দবেই পবমেশ্বব আধাবেবে মুক্তি সুখ ভোগ কবে। মুক্ত জীব অনন্ত ব্যাপক ব্রহ্মত স্বচ্ছন্দে বিচবণ কবে, শুদ্ধ জ্ঞানব দ্বাবা সমস্ত সৃষ্টি দর্শন কবে; অন্য মুক্ত আত্মাবোবব লগত মিলিত হয় আক সৃষ্টি জ্ঞানব ক্রম অনুসাবে দর্শন কবি কবি সকলো লোক লোকান্তব অর্থাৎ সকলো দৃশ্য আক অদৃশ্য লোক পবিভ্রমণ কবে। তেতিয়া সেই মুক্ত আত্মাই নিজব জ্ঞানব অতীত বহস্যবোব উপলব্ধি কবে। জ্ঞানব অধিক হলে আনন্দবো অধিক হয়। মুক্ত অবস্থাত জীবাত্মা নির্ম্মল হৈ থাকে, গতিকে পূর্ণ জ্ঞানেবে সন্নিহিত সকলো তত্ত্ব যথার্থৰূপে উপলব্ধি কবে। এইৰূপ অপাব সুখেই স্বর্গ, আক বিষয় তৃষ্ণাত আবদ্ধ হৈ বিবিধ দুঃখ ভোগ কবাক নবক বোলে। সুখব নাম "স্বঃ"। "স্বঃ সুখং গচ্ছতি যস্মিন্ স স্বর্গঃ"।

"অতো বিপবীতো দুঃখভোগো নবক ইতি"।

সাংসাবিক সুখক সামান্য স্বর্গ আক পবমেশ্বব প্রাপ্তিব সুখক বিশেষ স্বর্গ বোলে। সকলো জীবব স্বভাব সুখ অভিলাষী। সকলোবেই দুঃখব পবা মুক্তি বাঞ্ছা কবে; কিন্তু যিমান কাল পুণ্য কর্ম্মব ফল সঞ্চয় নহয়, আক পাপব ফল পবিশোধ নহয়, সিমান কাল সুখ লাভ আক দুঃখব মোচন নহয়। কাবণ যাব যেতিয়ালৈকে মূল অর্থাৎ কাবণ থাকে তাব

ভেতিয়ালৈকে নাশ নাই। যেনে:—

ছিন্নে মূলে বৃক্ষো নশ্যতি তথা পাপে ক্ষীণে দুঃখং নশ্যতি ॥

যেনেকৈ মূল ছিন্ন হলে বৃক্ষ নাশ হয়, সেইদবে পাপব ফল নির্ম্মূল হলেহে দুখব নাশ হয়। মনুস্মৃতিত পাপ পুণ্যব বহু প্রকাব গতি বর্ণনা কবা আছে। যথা:—

মানসং মনসৈবায়মুপভুঙ্‌ক্তে শুভাশুভম্।
বাচা বাচাকৃতং কর্ম্ম কর্ম্ম কায়েনৈব চ কায়িকম্ ॥১॥
শবীবজৈঃ কর্ম্মদোষৈর্যাতি স্থাববতাং নবঃ।
বাচিকৈঃ পক্ষিমৃগতাং মানসৈবন্ত্যজাতিতাম্ ॥২॥
যো যদৈষাং গুণো দেহে সাকল্যেনাতিবিচ্যতে।
স তদা তদ্‌গুণপ্রায়ং তং কবোতি শবীবিণম্ ॥৩॥
সত্ত্বং জ্ঞানং তমোঽজ্ঞানং বাগদ্বেষৌ বজঃ স্মৃতম্।
এতদ্ ব্যাপ্তিমদেতেষাম্ সর্ব্বভূতাশ্রিতং বপুঃ ॥৪॥
তত্র যৎ প্রীতিসংযুক্তং কিঞ্চিদাত্মনি লক্ষয়েৎ।
প্রশান্তমিব শুদ্ধাভং সত্ত্বং তদুপধাবয়েৎ ॥৫॥
যত্তু দুঃখসমাযুক্তমপ্রীতিকবমাত্মনঃ।
তদ্রজোঽপ্রতিপং বিদ্যাৎ সততং হাবিদেহিনাম্ ॥৬॥
যত্তু স্যান্মোহসংযুক্তমব্যক্তং বিষয়াত্মকম্।
অপ্রতর্ক্যমবিজ্ঞেয়ং তমস্তদুপধাবয়েৎ ॥৭॥
ত্রয়াণামপি চৈতেষাং গুণানাং যঃ ফলোদয়ঃ।
অগ্র্যো মধ্যো জঘন্যশ্চ তং প্রবক্ষ্যাম্যশেষতঃ ॥৮॥
বেদাভ্যাসস্তপো জ্ঞানং শৌচমিন্দ্রিয়নিগ্রহঃ।
ধর্ম্মক্রিয়াত্মচিন্তা চ সাত্ত্বিকং গুণলক্ষণম্ ॥৯॥
আবম্ভকচিতাঽধৈর্য্যমসৎকার্য্যপবিগ্রহঃ।
বিষয়োপসেবা চাজস্রং বাজসং গুণলক্ষণম্ ॥১০॥
লোভঃ স্বপ্নো ধৃতিঃ ক্রৌর্য্যং নাস্তিক্যং ভিন্নবৃত্তিতা।

যাচিষ্ণুতা প্রমাদশ্চ তামসং গুণলক্ষণম্ ॥১১॥
যৎ কর্ম্ম কৃত্বা কুর্ব্বংশ্চ করিষ্যংশ্চৈব লজ্জতি।
তজ্জ্ঞেয়ং বিদুষা সর্ব্বং তামসং গুণলক্ষণম্ ॥১২॥
যেনাস্মিন্ কর্ম্মণা লোকে খ্যাতিমিচ্ছতি পুষ্কলাম্।
ন চ শোচত্যসম্পত্তৌ তদ্বিজ্ঞেয়ংতু রাজসম্ ॥১৩॥
যৎ সর্ব্বেণেচ্ছতি জ্ঞাতুং যন্ন লজ্জতি চাচরন্।
যেন তুষ্যতি চাত্মাস্য তৎ সত্ত্বগুণলক্ষণম্ ॥১৪॥
তমসো লক্ষণং কামো রজসস্ত্বর্থ উচ্যতে।
সত্ত্বস্য লক্ষণং ধর্ম্মঃ শ্রৈষ্ঠ্যমেষাং যথোত্তরম্ ॥১৫॥

মনু॰ অ॰ ১২ (শ্লোক ৮।৯। ২৫ ৩৩। ৩৫-৩৮।)

অর্থাৎ মানুহে এই দবে উত্তম, মধ্যম, আৰু অধম স্বভাৱ জানি উত্তম স্বভাৱ গ্ৰহণ, আৰু মধ্যম আৰু অধম স্বভাৱ ত্যাগ কৰিব লাগে। ইয়াকো নিশ্চয়কৈ জনা আৱশ্যক যে, জীৱই মন, বাক্য আৰু শৰীৰৰ দ্বাৰাই যি শুভ বা অশুভ কৰ্ম্ম কৰে, তাৰ ফল যথাক্ৰমে মন, বাক আৰু দেহৰ দ্বাৰাই ভোগ কৰে অৰ্থাৎ সুখ বা দুঃখ ভোগ কৰে ॥১। মানুহে শৰীৰৰ দ্বাৰাই চুৰি, পৰস্ত্ৰী গমন, শ্ৰেষ্ঠ ব্যক্তিৰ হত্যা, আদি কুকৰ্ম্ম কৰিলে বৃক্ষাদি স্থাৱৰ জন্ম; বাক্য দ্বাৰা কুকৰ্ম্ম কৰিলে পক্ষী আৰু মৃগাদিৰ জন্ম; আৰু মনৰ দ্বাৰাই পাপ কৰিলে চাণ্ডালাদিৰ শৰীৰ পায় ॥২। যি জীৱৰ শৰীৰত যিবোৰ গুণ অধিক, সেই গুণে তাক আত্মৱৎ কৰি তোলে ॥৩। যেতিয়া আত্মাৰ জ্ঞান থাকে তেতিয়া সত্ত্বগুণ, যেতিয়া অজ্ঞান থাকে তেতিয়া তমঃ আৰু যেতিয়া ৰাগ দ্বেষ থাকে তেতিয়া ৰজোগুণ প্ৰবল বুলি জানিব লাগিব। এই তিনিবিধ প্ৰাকৃতিক গুণ সকলো পদাৰ্থতে ব্যাপ্ত হৈ আছে ॥৪। এই বিষয়ে জনা আৱশ্যক যে, যেতিয়া আত্মাৰ প্ৰসন্নতা থাকে, মন প্ৰসন্ন আৰু প্ৰশান্ত অৱস্থাৰ দবে শুদ্ধ জ্ঞানযুক্ত থাকে, তাৰ পৰা বুজিব লাগিব যে সত্ত্বগুণ প্ৰধান আৰু ৰজঃ আৰু তমোগুণ অপ্ৰধান হৈ আছে ॥৫। যেতিয়া আত্মা

আৰু মন দুঃখিত আৰু অপ্ৰসন্ন হৈ বিষয়ত ইতস্ততঃ বিচৰণ কৰে, তেতিয়া বজো গুণ প্ৰধান আৰু সত্ত্ব আৰু তমোগুণ অপ্ৰধান হৈছে ॥৬। যেতিয়া আত্মা আৰু মন সাংসাৰিক বিষয়ত বিমোহিত আৰু বিবেক শূন্য অৱস্থাত থাকে আৰু বিষয়াসক্তিৰ কাৰণে বিতৰ্ক আৰু জ্ঞানৰ উপযুক্ত নেথাকে, তেতিয়া বুজিব লাগিব যে মোৰ শৰীৰত তমোগুণ প্ৰধান আৰু সত্ত্ব আৰু ৰজোগুণ অপ্ৰধান হৈছে ॥৭। এতিয়া আমি এই গুণ ত্ৰয়ৰ উত্তম, মধ্যম আৰু অধম ফলৰ বিষয়ে যথাৰ্থৰূপে আলোচনা কৰিম ॥৮। বেদাভ্যাস, ধৰ্ম্মানুষ্ঠান, জ্ঞানৰ উন্নতি, পবিত্ৰতা ইচ্ছা, ইন্দ্ৰিয় নিগ্ৰহ, ধৰ্ম্মক্ৰিয়া আৰু আত্ম চিন্তা সত্ত্ব গুণৰ লক্ষণ ॥৯। যেতিয়া ৰজোগুণৰ উদয় আৰু সত্ত্ব আৰু তমোগুণৰ তিৰোভাৱ হয়, তেতিয়া কাম আৰম্ভ কৰাত ৰুচি ধৈৰ্য্য নহয়, আৰু অসৎ বিষয় ভোগত আগ্ৰহ হয় সেই অৱস্থাত বুজিব লাগিব যে ৰজোগুণৰ প্ৰাধান্য হৈছে ॥১০। যেতিয়া তমোগুণৰ আবিৰ্ভাব আৰু অন্য দুই গুণৰ তিৰোভাৱ হয়, তেতিয়া অতিলোভ অৰ্থাৎ—সকলো পাপৰ মূল বৃদ্ধি হৈছে, অতি আলস্য, নিদ্ৰা, ধৈৰ্য্যহীন, ক্ৰূৰতা, নাস্তিকতা, জ্ঞান আৰু ঈশ্বৰৰ প্ৰতি অশ্ৰদ্ধা; অন্তঃকৰণৰ বিভিন্ন বৃত্তি আৰু একাগ্ৰতাৰ অভাৱ আৰু দুষ্ট ব্যসনত বিশেষ আসক্তি হয়, সেয়েই তমোগুণৰ লক্ষণ বুলি জ্ঞানীসকলে বুজিব পাৰে ॥ ১১। যেতিয়া কোনো কাম কৰোতে, কোনো কাম কৰি, আৰু কোনো কাম কৰিবৰ ইচ্ছা হলে, নিজৰ আত্মাত লাজ, শোক আৰু ভয় অনুভৱ হয়—তেতিয়া বুজিব লাগিব যে আত্মাত তমোগুণৰ প্ৰাবল্য হৈছে ॥ ১২। যেতিয়া—কৰ্ম্মানুষ্ঠানৰ দ্বাৰাই জীৱনত গৌৰব যশস্যাৰ অন্তৰত আকাঙ্ক্ষা হয়, দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত হৈয়ো দান দক্ষিণা কৰে, তাৰ কাৰণ হৈছে ৰজোগুণৰ প্ৰবলতা ॥ ১৩। যেতিয়া অন্তৰত জ্ঞানলাভৰ আকাঙ্ক্ষা হয়, সৎগুণ আচৰণ কৰে, সৎ-কৰ্ম্মত লজ্জা অনুভৱ নকৰে, ক্ষতি হলেও সৎ কামত প্ৰসন্নতা থাকে, সেই অৱস্থা সত্ত্বগুণৰ প্ৰবলতাৰ লক্ষণ ॥ ১৪। তমোগুণৰ লক্ষণ কামুকতা, ৰজোগুণৰ লক্ষণ অৰ্থসংগ্ৰহৰ আকাঙ্ক্ষা আৰু

সত্বগুণৰ লক্ষণ ধৰ্ম্ম বা কৰ্ত্তব্য পৰায়ণতা। তমোগুণতকৈ ৰজোগুণ ৰজোগুণতকৈ সত্বগুণ শ্ৰেষ্ঠ ॥ ১৫ ।

ইয়াৰ পাছত জীৱই যি যি গুণৰ দ্বাৰাই যি যি গতি পায় তাৰ বৰ্ণনা কৰা হৈছে :—

দেবত্বং সাত্ত্বিকা যান্তি মনুষ্যত্বঞ্চ ৰাজসাঃ।
তিৰ্য্যক্ত্বং তামসা নিত্যমিত্যেষা ত্ৰিবিধা গতিঃ ॥১॥
স্থাৱৰাঃ কৃমিকীটাশ্চ মৎস্যাঃ সর্পাশ্চ কচ্ছপাঃ।
পশৱশ্চ মৃগাশ্চৈৱ জঘন্যা তামসী গতিঃ ॥২॥
হস্তিনশ্চ তুৰঙ্গাশ্চ শূদ্রা ম্লেচ্ছাশ্চ গর্হিতাঃ।
সিংহা ব্যাঘ্র্যা ৱৰাহাশ্চ মধ্যমা তামসী গতিঃ ॥৩॥
চাৰণাশ্চ সুপর্ণাশ্চ পুরুষাশ্চৈৱ দাম্ভিকাঃ।
ৰক্ষাংসি চ পিশাচাশ্চ তামসীষূত্তমা গতিঃ ॥৪॥
ঝল্লা মল্লা নটাশ্চৈৱ পুরুষাঃ শাস্ত্রৱৃত্তয়ঃ।
দ্যূতপানপ্রসক্তাশ্চ জঘন্যা ৰাক্ষসী গতিঃ ॥৫॥
ৰাজনঃ ক্ষত্রিয়াশ্চৈৱ ৰাজ্ঞাং চৈৱ পুৰোহিতাঃ।
ৰাদযুদ্ধ প্রধানাশ্চ মধ্যমা ৰাজসী গতিঃ ॥৬॥
গন্ধর্ৱা গুহ্যকা যক্ষা ৱিৱুধানুচৰাশ্চ যে।
তথৈৱাপ্সৰসঃ সর্ৱা ৰাজসীষূত্তমা গতিঃ ॥৭॥
তাপসা যতয়ো ৱিপ্রা যে চ ৱৈমানিকা গণাঃ।
নক্ষত্রাণি চ দৈত্যাশ্চ প্রথমা সাত্ত্বিকী গতিঃ ॥৮॥
যজ্ঞান ঋষয়ো দেৱা ৱেদা জ্যোতীংষি ৱৎসৰাঃ।
পিতৰশ্চৈৱ সাধ্যাশ্চ দ্বিতীয়া সাত্ত্বিকী গতিঃ ॥৯॥
ব্রহ্মা ৱিশ্বসৃজো ধর্ম্মো মহানব্যক্তমেৱ চ।
উত্তমাং সাত্ত্বিকীমেতাং গতিমাহুর্ম্মনীষিণঃ ॥১০॥
ইন্দ্রিয়াণাং প্রসঙ্গেন ধর্ম্মস্যাসেৱনেন চ।
পাপান্যাতি সংসাৰানৱিদ্বাংসো নৰাধমাঃ ॥১১॥

মনু॰ অ॰ ১২। (শ্লো॰ ৪০। ৪২-৫০।৫২) ॥

সাত্ত্বিক মনুষ্য দেৱ অর্থাৎ ৱিদ্বান, ৰজগুণী মনুষ্য মধ্যম আৰু তমোগুণী মানুহে নীচগতি পায় ॥ ১। যিৰোৰ অতি তমোগুণী সেইৰোৰে স্থাৱৰ বৃক্ষ আদি, কৃমি, কীট মৎস্য, সর্প, কচ্ছপ, পশু আৰু মৃগজন্ম পায় ।।২। যি সকল মধ্যম তমোগুণী সেই সকলে হস্তী, অশ্ব,, শূদ্র, ম্লেচ্ছ নিন্দিত কর্ম্মকাৰী, সিংহ ব্যাঘ্র, আৰু ৱৰাহৰ জন্ম পায় ।।৩। যি উত্তম তমোগুণী সেইৰোৰে চাৰণ (কৱিতা যোজনা কৰি পৰৰ গুণ ৱর্ণনাকাৰী) সুন্দৰ পক্ষী, দাম্ভিক পুৰুষ, অর্থাৎ আত্মপ্রশংসাকাৰী, হিংসুক, ৰাক্ষস, পিশাচ আৰু অনাচাৰী অর্থাৎ জঘন্য ৱৃত্তিৰ জন্ম পায় ॥৪॥ জঘন্য ৰজোগুণীয়ে ভল্ল অর্থাৎ অস্ত্ৰৰে প্রহাৰকাৰী, কোৱেৰে কাম কৰা, মল্লা অর্থাৎ নাৱৰীয়া, নট অর্থাৎ শাৰীৰিক খেলা কৌশল প্রদর্শক, শস্ত্রধাৰী ৰক্ষক আৰু মদপী মানুহৰ জন্ম পাৱ ॥৫। মধ্যম ৰজো গুণ ৱিশিষ্ট সকলে ৰাজ ৱংশ, ৰাজ কর্ম্মচাৰী, ৰাজনীতি জীৱী, ৰাদ ৱিৱাদকাৰী, দূত, প্রাড্ৱিৱাক (উকিল) আৰু যুদ্ধ প্রিয় সৈনিক স্ৱভাৱৰে জন্ম পায় ॥৬। উত্তম ৰজোগুণ ৱিশিষ্ট সকলে গন্ধর্ৱ (গায়ক) গুহ্যক (ৱাদ্য ৱাদক), যক্ষ (ধনাঢ্য), ৱিদ্যানুষ্ঠানৰ অনুৰাগী আৰু অপ্সৰা অর্থাৎ ৰূপৱতী নাৰী আদিৰ স্ৱভাৱ আৰু ৰূপ লৈ জন্ম পায় ।।৭। প্রথম সত্ত্ব গুণৰ কর্ম্মৰ ফল স্ৱৰূপে তপস্ৱী, যতি, সন্ন্যাসী, অধ্যয়নশীল, ৱৈমানিক, (ৱিমান ৱিশাৰদ) জ্যোতিষ ৱিদ্যানুৰাগী আৰু দৈত্য অর্থাৎ দেহ ৰক্ষণশীল স্ৱভাৱৰ মনুষ্য জন্ম পায় ॥৮। মধ্যম সত্ত্বগুণ ৱিশিষ্ট কর্ম্মৰ ফলত জীৱই যজ্ঞ কর্ত্তা (সমাজ সেৱী) জ্ঞান ৱিজ্ঞানানুৰাগী, শিল্পাদি কলা প্রিয়, অধ্যাপনাশীল স্ৱভাৱ লৈ মানৱ জন্ম পায় ।৯। সর্ৱোত্তম সত্ত্বগুণৰ কর্ম্মৰ ফলত ব্রহ্ম (দার্শনিক তত্ত্ৱজ্ঞ) ৱিশ্বসৃজ (ৱিশ্ব ৱিজ্ঞানী) ধর্ম্ম পৰায়ণ, তত্ত্ৱজ্ঞ আৰু প্রকৃতিক ৱশ কৰিৱ পৰা সাধনশীল প্রতিভাৱে মানৱ জন্ম পায় ।।১০। যি সকল ইন্দ্রিয়ৰ ৱশীভূত, ৱিষয়াসক্ত, অধর্ম্মচাৰী, হিতাহিত ৱিৱেচনা শূন্য, মূর্খৰ জীৱন কটায়, সেই সকলে অতি নীচ,

দুখজনক আৰু ঘৃণিত মানৱ জীৱনৱ জন্ম পায় ॥১১॥

এই দৱেই সত্ত্ব, ৰজ, আৰু তমোগুণৰ প্ৰভাৱত জীৱই যেনেকুৱা কৰ্ম্ম কৰে, তেনে ফল পায়। যি সকলে মুক্তিৰ কামনা কৰে, সেই সকলে গুণাতীত হৈ অৰ্থাৎ গুণৰ প্ৰভাৱত আৱদ্ধ নহয়, কিন্তু যোগস্থ হৈ মুক্তি সাধন কৰে। কাৰণ :—

যোগশ্চিত্তবৃত্তিনিৰোধঃ ॥১॥ (যোগসূঃ পাঃ ১।২)

তদা দ্ৰষ্টুঃ স্বৰূপেঽৱস্থানম্ ২ (যোগ সূ॰ পা॰ ১।৩)

এই হ'ল পাতঞ্জল যোগ শাস্ত্ৰৰ সূত্ৰ। প্ৰকৃতিৰ সত্ত্ব, ৰজ আৰু তমো গুণৰ প্ৰভাৱত বিচালিত চিত্তবৃত্তি নিৰুদ্ধ কৰি কেৱল কৰ্ত্তব্য কৰ্ম্মত একাগ্ৰ হোৱাই যোগ ॥১॥ চিত্তৰ বৃত্তি নিৰুদ্ধহৈ যেতিয়া চিত্ত একাগ্ৰ হয়, তেতিয়া সৰ্ব্বদ্ৰষ্টা ঈশ্বৰৰ স্বৰূপত জীৱৰ স্থিতি হয় ॥২॥ মুক্তিৰ কাৰণে এইবোৰ সাধনৰ আৱশ্যক।

অথ ত্ৰিবিধ দুঃখাত্যন্তনিৱৃত্তিৰত্যন্ত পুৰুষাৰ্থঃ ॥

সাংখ্য সূ॰ (১।১)॥

আধ্যাত্মিক, অৰ্থাৎ শৰীৰ সম্বন্ধীয় পীড়া, আধিভৌতিক অৰ্থাৎ অন্যান্য প্ৰাণীৰ পৰা পোৱা দুখ আৰু আধিদৈবিক অৰ্থাৎ অতিবৃষ্টি, অতিতাপ, অতিশীত, মন আৰু ইন্দ্ৰিয়ৰ চঞ্চলতাৰ পৰা উৎপন্ন হোৱা দুখ—এই তিনি প্ৰকাৰৰ দুখৰ পৰা মুক্তিলাভেই পৰম পুৰুষাৰ্থ।

ইয়াৰ পাছত আচাৰ অনাচাৰ আৰু ভক্ষ্যাভক্ষৰ বিষয়ে লিখা হব।

ইতি—শ্ৰীমদ্দয়ানন্দ সৰস্বতীস্বামিকৃতে সত্যাৰ্থপ্ৰকাশে সুভাষাবিভূষিতে বিদ্যাঽবিদ্যাবন্ধমোক্ষবিষয়ে নৱম সমুল্লাসঃ সম্পূৰ্ণঃ ॥৯॥

অথ দশমসমুল্লাসাৱম্ভঃ

অথাচাৰানাচাৰভক্ষ্যাঽভক্ষ্যবিষয়ান্ ব্যাখ্যাস্যামঃ।

ধৰ্ম্ম কৰ্ম্মানুষ্ঠান, সুশীলতা, সৎসংগ আৰু সৎবিদ্যাৰ প্ৰতি আগ্ৰহৰ আচাৰ আৰু তাৰ বিপৰীতক অনাচাৰ বোলে :—

বিদ্বদ্ভিঃ সেবিতঃ সদ্ভিৰ্নিত্যমদ্বেষৰাগিভিঃ।
হৃদয়েনাভ্যনুজ্ঞাতো যো ধৰ্ম্মস্তন্নিবোধত ॥১॥
কামাত্মতা ন প্ৰশস্তা ন চৈৱেহাস্ত্যকামতা।
কাম্যোহি বেদাধিগমঃ কৰ্ম্মযোগশ্চ ৱৈদিকঃ ॥২॥
সঙ্কল্পমূলঃ কামো ৱৈ যজ্ঞাঃ সঙ্কল্পসম্ভৱাঃ।
ৱ্ৰতানি যমধৰ্ম্মাশ্চ সৰ্ৱে সঙ্কল্পজাঃ স্মৃতাঃ ॥৩॥
অকামস্য ক্ৰিয়া কাচিদ্ দৃশ্যতে নেহ কহিচিৎ।
যদ্যদ্ধি কুৰুতে কিঞ্চিৎ তত্তৎ কামস্য চেষ্টিতম্ ॥৪॥
ৱেদোঽখিলো ধৰ্ম্মমূলং স্মৃতিশীলে চ তদ্ৱিদাম্।
আচাৰশ্চৈৱ সাধূনামাত্মনস্তুষ্টিৱেৱ চ ॥৫॥
সৰ্ৱন্তু সমৱেক্ষ্যেদং নিখিলং জ্ঞানচক্ষুষা।
শ্ৰুতিপ্ৰামাণ্যতো ৱিদ্বান্ স্ৱধৰ্ম্মে নিৱিশেত ৱৈ ॥৬॥
শ্ৰুতিস্মৃত্যুদিতং ধৰ্ম্মমনুতিষ্ঠন্ হি মানৱঃ।
ইহ কীৰ্ত্তিমৱাপ্নোতি প্ৰেত্য চানুত্তমং সুখম্ ॥৭॥
যোঽৱমন্যেত তে মূলে হেতুশাস্ত্ৰাশ্ৰয়াদ্দ্ৱিজঃ।
স সাধুভিৰ্ৱহিষ্কাৰ্য্যো নাস্তিকো ৱেদনিন্দকঃ ॥৮॥
ৱেদঃ স্মৃতিঃ সদাচাৰঃ স্ৱস্য চ প্ৰিয়মাত্মনঃ।
এতচ্চতুৰ্ৱিধং প্ৰাহুঃ সাক্ষাদ্ধৰ্ম্মস্য লক্ষণম্ ॥৯॥
অৰ্থকামেষ্ৱসক্তানাং ধৰ্ম্মজ্ঞানং ৱিধীয়তে।
ধৰ্ম্মং জিজ্ঞাসমানানাং প্ৰমাণং পৰমং শ্ৰুতিঃ ॥১০॥

বৈদিকৈঃ কর্ম্মভিঃ পুণ্যৈর্নিষেকাদির্দ্বিজন্মনাম ।
কার্য্যঃ শরীরসংস্কারঃ পাবনঃ প্রেত্য চেহ চ ॥১১॥
কেশান্তঃ ষোড়শে বর্ষে ব্রাহ্মণস্য বিধীয়তে ।
রাজন্যবন্ধোর্দ্বাবিংশে বৈশ্যস্য দ্ব্যধিকে ততঃ ॥১২॥

মনু॰ অ॰ ২, (শ্লোক ১-৪।৬।৮।৯।১১-১৩।২৬।৬৫) ॥

অর্থঃ—মানৱ সমাজৱ আদর্শ, ধর্ম্ম বা কর্ত্তব্য কি ? ৰাগ দ্বেষ বিহীন বিদ্বান সকলে যি সদায় আচৰণ কৰে, আৰু নিজৰ আত্মায়ো যাক সত্য আৰু কর্ত্তব্য বুলি অনুভৱ কৰে ; সেয়েই আচৰণীয় ধর্ম্ম ॥১॥ মানুহৰ অতি কামনা বা অতি নিষ্কামনা প্রশস্ত নহয় । কাৰণ, কামনাৰ দ্বাৰাইহে বেদৰ উপলব্ধি, আৰু বেদানুকুল ধর্ম্ম—কর্ম্মৰ অর্থাৎ জ্ঞান আৰু কর্ম্মৰ সিদ্ধি হয় ॥২॥ নিষ্কাম বা নিস্পৃহ হোৱাটো একেবাৰেই নিৰর্থক,—কাৰণ সকলো কর্ম্মই সঙ্কল্পজাত । যজ্ঞ, ব্রত, যম, নিয়ম, ধর্ম্ম সকলোৰে মূল সঙ্কল্প, আৰু সঙ্কল্প কামনাৰ মূল ॥৩॥ (স্মৃতাঃ মানে বিবেচনা কৰি চালে যি তাৎপর্য্য ওলায় তাকেই স্মৃতি বোলে) কামনা নহলে কোনো ক্রিয়াই হব নোৱাৰে । হাত, ভৰি, চকু, মন আদি কামনাৰ দ্বাৰাইহে লৰচৰ কৰে, যি ৰ'ত কৰে সকলো কামনাৰেই চেষ্টা ॥৪॥ বেদেই সকলো ধর্ম্মৰ মূল, যাক ঋষিমুনিৰ প্রণীত স্মৃতিশাস্ত্রয়ো অনুমোদন কৰে, . সাধুসকলে যি আচৰণ কৰে, আৰু নিজৰ আত্মাৰ যি প্রিয় বোধ হয়, আৰু যি কৰিবলৈ আত্মাত ভয় লজ্জা বা সঙ্কোচবোধ নহয়, সেয়েই কর্ত্তব্য ধর্ম্ম ॥৫॥ জ্ঞান চকুৰে নিৰীক্ষণ কৰাত নির্ণয় হয়, আৰু বেদাদি শাস্ত্রয়ো যাৰ প্রমাণ দিয়ে সেই ধর্ম্মকেই বিদ্বান সকলে আচৰণ কৰে ॥৬॥ বেদৰ বিহিত আৰু স্মৃতিশাস্ত্রৰ অনুমোদিত ধর্ম্মৰ আচৰণ কৰিলে মানুহে ইহজীৱনত কীর্ত্তি আৰু পৰজীৱনত পৰম সুখ লাভ কৰিব পাৰে ॥৭॥ যি তার্কিক বিলাকে কেৱল তর্কৰ কৌশলেৰে মূল বেদ আৰু বেদানুকুল শাস্ত্রৰ নিন্দা কৰে, সেই বেদনিন্দুক নাস্তিকক সাধু সন্ত সকলে বহিষ্কাৰ কৰা কর্ত্তব্য ॥৮॥

বেদ, স্মৃতি, সৎপুৰুষৰ আচৰণ, আৰু নিজৰ আত্মাৰ অনুভৱ এই চাৰিয়েই ধর্ম্ম নির্ণয়ৰ লক্ষণ বা উপায় ॥৯॥ কিন্তু, যি ধনৰ লালসাত আৰু কামনা বাসনাত অনাসক্ত, তেওঁৰহে ধর্ম্মৰ বোধ বা বিবেচনা হব পাৰে । আৰু যাৰ অন্তৰত উপলব্ধিৰ জিজ্ঞাসা উদয় হয়, সেই জিজ্ঞাসা সমাধানৰ বাবে বেদেই পৰম প্রমাণ অর্থাৎ জ্ঞানেই পৰম সমাধান ॥১০॥ গতিকে বেদানুকূল পুণ্যকর্ম্মৰ অনুষ্ঠান মানৱ মাত্রৰেই কর্ত্তব্য । নিষেক আদিৰে শৰীৰ সংস্কাৰ দ্বিজ সকলৰ ইহ আৰু পৰলোকৰ জীৱন পৱিত্রকাৰী হয় ॥১১॥ ব্রাহ্মণৰ ষোল বছৰ বয়সত, ক্ষত্রিয়ৰ বাইশ বছৰ বয়সত আৰু বৈশ্যৰ চৌবিশ বছৰ বয়সত কেশান্ত সংস্কাৰ বা মুণ্ডন সংস্কাৰ কৰা বিধেয় ॥১২॥ (মাত্র শিখা ৰাখি বাকী কেশ, শ্মশ্রু, গুম্ফ, সেই সংস্কাৰৰ পাছৰ পৰা খুৰাই থাকিব লাগে । শীতপ্রধান দেশত এবাৰ সংস্কাৰ কৰাৰ পাছত এইদৰে চুলি কাটিব নালাগে আৰু উষ্ণ প্রধান দেশত শিখা নৰখাকৈ চুলি কাটি থাকিব লাগে । মূৰত দীঘল চুলি থাকিলে গৰমত আৰু ঘামত অস্বস্তিবোধ হয়, ফলত মস্তিষ্ক ক্লান্ত হয় । দাড়ি গোফ ৰাখি আহাৰ পানী খোৱাতো বিশেষ অসুবিধা হয় । আৰু গাল মুখ ধোৱাৰো অসুবিধা ।

ইন্দ্রিয়াণাং বিচরতাং বিষয়েষ্বপহারিষু ।
সংযমে যত্নমাতিষ্ঠেদ্ বিদ্বান্ যন্তেব বাজিনাম্ ॥১॥
ইন্দ্রিয়াণাং প্রসঙ্গেন দোষমৃচ্ছত্যসংশয়ম্ ।
সন্নিয়ম্য তু তান্যেব ততঃ সিদ্ধিং নিয়চ্ছতি ॥২॥
ন জাতু কামঃ কামানামুপভোগেন শাম্যতি ।
হবিষা কৃষ্ণবর্ত্মেব ভূয় এবাভিবর্দ্ধতে ॥৩॥
বেদাস্ত্যাগশ্চ যজ্ঞাশ্চ নিয়মাশ্চ তপাংসি চ ।
ন বিপ্রদুষ্টভাবস্য সিদ্ধিং গচ্ছতি কর্হিচিৎ ॥৪॥
বশে কৃত্বেন্দ্রিয়গ্রামং সংযম্য চ মনস্তথা
সর্ব্বান্ সংসাধয়েদর্থানাক্ষিণ্বন্ যোগতস্তনুম্ ॥৫॥

শ্রুত্বা স্পৃষ্ট্বা চ দৃষ্ট্বা চ ভুক্ত্বা ঘ্রাত্বা চ যো নরঃ।
ন হৃষ্যতি গ্লায়তি বা স বিজ্ঞেয়ো জিতেন্দ্রিয়ঃ ॥৬॥
নাপৃষ্টঃ কস্যচিদ্ ব্রূয়ান্ন চান্যায়েন পৃচ্ছতঃ।
জানন্নপি হি মেধাবী জড়বল্লোক আচরেৎ ॥৭॥
বিত্তং বন্ধুর্বয়ঃ কর্ম্ম বিদ্যা ভবতি পঞ্চমী।
এতানি মান্যস্থানানি গরীয়ো যদ্যদুত্তরম্ ॥৮॥
অজ্ঞো ভবতি বৈ বালঃ পিতা ভবতি মন্ত্রদঃ।
অজ্ঞং হি বালমিত্যাহুঃ পিতেত্যেব তু মন্ত্রদম্ ॥৯॥
ন হায়নৈর্ন পলিতৈর্ন বিত্তেন ন বন্ধুভিঃ।
ঋষয়শ্চক্রিরে ধর্ম্মং যোঽনূচানঃ স নো মহান্ ॥১০॥
বিপ্রাণাং জ্ঞানতো জ্যৈষ্ঠং ক্ষত্রিয়াণাং তু বীর্য্যতঃ।
বৈশ্যানাং ধান্যধনতঃ শূদ্রানামেব জন্মতঃ ॥১১॥
ন তেন বৃদ্ধো ভবতি যেনাস্য পলিতং শিরঃ।
যো বৈ যুবাপ্যধীয়ানস্তং দেবাঃ স্থবিরং বিদুঃ ॥১২॥
যথা কাষ্ঠময়ো হস্তী যথা চর্ম্মময়ো মৃগঃ।
যশ্চ বিপ্রোঽনধীয়ানস্ত্রয়স্তে নাম বিভ্রতি ॥১৩॥
আহিংসয়ৈব ভূতানাং কার্য্যং শ্রেয়োঽনুশাসনম্।
বাক্ চৈব মধুরা শ্লক্ষ্ণা প্রয়োজ্যা ধর্ম্মমিচ্ছতা ॥১৪॥

(মনু॰অ॰ ২। শ্লোক. ৮৮।৯৩।৯৭।৯৭।১০০।৯৮।১১০।১৩৬,১৫৩-১৫৭।১৫৯) ॥

যিবোৰ ইন্দ্রিয়ই চিত্তহৰণকাৰী বিষয়বোৰত মনক প্রবৃত্ত কৰায়, সেইবোৰক নিবোধ কৰাৰ চেষ্টা কৰা প্রধান কর্ত্তব্য। ৰথৰ সাৰথিয়ে অশ্বক সংযত কৰি গন্তব্য পথেদি পৰিচালিত কৰাৰ দৰে; ইন্দ্রিয়বোৰক অসৎ পথৰ পৰা নিবৃত্ত কৰি সৎপথেদি পৰিচালিত কৰা কর্ত্তব্য ॥১॥ ইন্দ্রিয় বোৰক বিষয় আসক্তিত আৰু অসৎ কর্ম্মত প্রবৃত্ত হবলৈ দিলে, মানুহৰ নিশ্চয় দোষ ঘটে, কিন্তু ইন্দ্রিয়ক সংযত কৰি সৎকর্ম্মত নিয়োজিত কৰিলে, অভীষ্ট সিদ্ধি হয়॥২॥ এই কথা নিশ্চিত যে যেনেকৈ অগ্নিত

ইন্ধন আৰু ঘৃত দিলে অগ্নি অধিক প্রজ্বলিত হয়, সেইদৰেই যিমানেই বিষয় ভোগ কৰে সিমানেই বিষয় আসক্তি বাঢ়ি যায়, গতিকে বিষয় আসক্তি সংযম কৰাই কর্ত্তব্য ॥৩॥ যি জিতেন্দ্রিয় নহয় তেওঁক বিপ্রদুষ্ট বোলে। তেওঁৰ (কর্ম্মৰ দ্বাৰাই) বেদজ্ঞান, ত্যাগ, যজ্ঞ, নিয়ম আৰু তপ সিদ্ধি হব নোৱাৰে ॥৪॥ গতিকে পাঁচ কর্ম্মেন্দ্রিয়, পাঁচ জ্ঞানেন্দ্রিয় আৰু মনক নিজৰ বশত ৰাখি যুক্ত আহাৰ বিহাৰ আৰু যোগাভ্যাসেৰে শৰীৰ ৰক্ষা কৰি জীৱনত সকলো অর্থ সিদ্ধি কৰা কর্ত্তব্য ॥৫॥ যি শুনি, স্পর্শ কৰি, চকুৰে দেখি, কোনো বস্তু খাই, আৰু নাকেৰে গোন্ধ লৈ অতি প্রসন্ন বা অপ্রসন্ন নহয়, তেওঁকেই জিতেন্দ্রিয় বোলে ॥৬॥ নোসোধাকৈয়ে বা হেয় আৰু বিদ্রূপৰ সুৰত সুধিলে কোৱা বা উত্তৰ দিয়া অনুচিত, তেনে ক্ষেত্রত বুদ্ধিমান মানুহে জড়ৰ দৰে নির্ব্বাক হৈ থাকে। কিন্তু জিজ্ঞাসু পাত্র যেন বুজি নোসোধাকৈও উপদেশ দিয়া আৱশ্যক ॥৭॥ ধন, বন্ধু, বয়স, কর্ম্ম আৰু বিদ্যা এই পাঁচ বিধ বস্তু মানুহৰ সম্মানাস্পদ, কিন্তু ধনতকৈ বন্ধু সম্মাননীয়, বন্ধুতকৈ বয়স, বয়সতকৈ কর্ম্ম আৰু কর্ম্মতকৈও বিদ্যা অধিক সম্মানাস্পদ ॥৮॥ বয়সত বৃদ্ধ হলেও অজ্ঞ (অর্থাৎ বিদ্যা বিজ্ঞানহীন ব্যক্তি) লোকক বালকৰ দৰে আৰু জ্ঞান বিজ্ঞানৰ উপদেশ দাতা বয়সত বালক হলেও বৃদ্ধৰ দৰে জ্ঞান কৰিব লাগে। কাৰণ অজ্ঞকেই বালক আৰু উপদেশ দাতা জ্ঞানীক পিতৃৰ দৰে ভাবিবলৈ শাস্ত্রত কোৱা হৈছে। ॥৯॥ বয়স বৃদ্ধি হলে, চুলি পকিলে, ধন সম্পত্তিৰ অধিকাৰী, বা আত্মীয় স্বজন থাকিলেই বৃদ্ধ নহয়, সেইবোৰ নোহোৱাকৈয়েই ঋষি সকল মহান ॥১০॥ বিপ্র সকলৰ মাজত জ্ঞানেৰে ক্ষত্রিয় সকলৰ মাজত বীৰত্বেৰে, বৈশ্যসকলৰ মাজত ধন ধানেৰে আৰু শূদ্র সিলাকৰ মাজত বয়সেৰেহে জ্যেষ্ঠতা ধৰা হয় ॥১১॥ মূৰৰ কেৱল চুলি পকিলেই বৃদ্ধ নহয়, কৃতবিদ্য অর্থাৎ জ্ঞান বিজ্ঞানত সফল লোকক যুৱক হলেও জ্ঞানী সকলে বৃদ্ধ ৰূপে সম্মান কৰে ॥১২॥ কাঠৰ হাতী আৰু ছালৰ নির্ম্মিত মৃগ যেনে, বিদ্যাহীন,

বিপ্রও তেনে অর্থাৎ এই তিনিক কৱল নামতহে হাতী, বৃগ আৰু বিপ্র বোলা হয় ॥১৩॥ গতিকে ধর্ম্মকামী অর্থাৎ কল্যাণ ইচ্ছুক সকলক, মধুৰ কোমল বাণী আৰু অহিংসাৰে উপদেশ দিয়াই শ্রেষ্ঠ কর্ম্ম ॥

নিত্য স্নান, বসন, বাসস্থান, অন্ন আৰু মন পৰিস্কাৰ আৰু পবিত্র ভাবে ৰাখিব লাগে। কিয়নো এইবোৰ শুদ্ধ, পবিত্র হলে চিত্তৰ শুদ্ধি, আৰোগ্য, বুদ্ধি আৰু উৎসাহৰ বৃদ্ধি হয়। মলি আৰু দুর্গন্ধ যাতে নহয়, তাৰ কাৰণে সকলোবোৰ বস্তু যথাসম্ভৱ পৰিকাৰকৈ ৰখা কর্ত্তব্য।

আচাৰঃ প্রথমো ধর্ম্মঃ শ্রুত্যুক্তঃ স্মার্ত্ত এব চ ॥ মনুঃ অঃ (১।১০৮)॥

বেদ আৰু স্মৃতিত প্রতিপাদন কৰা আছে যে আচাৰ বা আচৰণেই সর্ব্বপ্রধান ধর্ম্ম অর্থাৎ কর্ত্তব্য।

মা নো বধীঃ পিতৰং মোত মাতৰম্

যজুঃ অঃ ১৬। মঃ ১৫ ॥

আচার্য্যো উপনয়মানো ব্রহ্মচাৰিণমিচ্ছতে।

(অথর্ব্বঃ কাঃ ১১। বঃ ১৫)॥

মাতৃদেবো ভৱ। পিতৃদেবো ভৱ। আচার্য্যদেবো ভৱ। অতিথিদেবো ভৱ ॥ (তৈত্তেৰীয়াৰণ্যকো প্রঃ ৭। অনুঃ ১১)॥

মাতা, পিতা, আচার্য্য আৰু অতিথি—এই সকল দেৱতা, এই সকলৰ শ্রদ্ধা বা পুজাই দেব পূজা। জগতত হিতকৰ কর্ম্ম কৰা আৰু অনিষ্টকৰ কর্ম্ম পৰিত্যাগ কৰাটো মানুহৰ প্রধান কর্ত্তব্য। আচৰণেই কর্ম্ম আৰু কর্ম্মই আচৰণ। নাস্তিক, লম্পট, বিশ্বাসঘাটক, মিথ্যাবাদী, স্বার্থপৰ, হিংসুক, প্রবঞ্চক আদি অসৎবোৰৰ সংগ ত্যাগ কৰাই মঙ্গল। আপ্ত অর্থাৎ সত্যবাদী ধর্ম্মপৰায়ণ আৰু সমাজৰ হিতাকাঙ্ক্ষী পুৰুষৰ সঙ্গ লোৱাটোৱেই শ্রেষ্ঠ আচাৰ।

প্রশ্ন—কোনো আর্য্যাবর্ত্তবাসী আর্য্যাবর্ত্তৰ বাহিৰৰ দেশলৈ গলে আচাৰ নষ্ট হয় নেকি?

উত্তৰ—নহয়, সেইবোৰ মিছা কথা। কাৰণ যেই কোনো স্থান

বা দেশত অন্তৰ বাহিৰ শুদ্ধ ৰাখি সৎ পথত থাকিলে কেতিয়াও ধর্ম্ম ভ্রষ্ট হব নোৱাৰে, আর্য্যাবর্ত্তত থাকিও অসৎ কর্ম্ম কৰিলে ধর্ম্ম ভ্রষ্ট হয়। বিদেশলৈ গলেই জাতি, ধর্ম্ম ভ্রষ্ট হয় বুলি কোনো কথা আমাৰ শাস্ত্র গ্রন্থত নাই আৰু সি যুক্তি সঙ্গত কথাও হব নোৱাৰে। তাৰ প্রমাণ মহাভাৰতত:—

মেৰোর্হৈশ্চ দ্বে বর্ষে বর্ষং হৈমবতং ততঃ।
ক্রমেণৈব ব্যতিক্রম্য ভাৰতং বর্ষমাসদৎ ॥১।
স দেশান্ বিবিধান্ পশ্যংশ্চীনহূণনিষেবিতান্॥
(মহা॰ ভা॰ অ॰ ৩২৭)॥

এই শ্লোক বোৰ মহাভাৰতৰ শান্তিপর্ব্বত মোক্ষধর্ম্মৰ বিষয়ে ব্যাস শুক সংবাদত লিখিত আছে। এসময়ত ব্যাস মুনিয়ে তেওঁৰ পুত্র শুক আৰু অন্যান্য শিষ্য সকলক লগতলৈ পাতালত অর্থাৎ বর্ত্তমানৰ আমেৰিকাত বাস কৰিছিল। শুকদেৱে পিতাকক প্রশ্ন কৰিলে "আত্মজ্ঞান ইমানেই নে আৰু আছে?" ব্যাস দেৱে একো উত্তৰ নিদিলে, কাৰণ এই বিষয়ৰ সকলো উপদেশ আগতেই দিয়া হৈছিল। আনক সাক্ষী কৰিবৰ কাৰণেই ব্যাসদেৱে শুকক কলে "পুত্র! তুমি মিথিলা নগৰলৈ গৈ জনক ৰজাক এই প্রশ্নটো সোধাগৈ, তোমাৰ প্রশ্নৰ যথাযোগ্য উত্তৰ তাত পাবা" পিতাকৰ কথা শুনি শুকদেৱ মিথিলালৈ যাত্রা কৰিলে। ক্রমান্বয়ে দুবছৰ কাল মেৰু অঞ্চলৰ হৰিবর্ষ ভ্রমণ কৰি আৰু হিমালয় অঞ্চল এবছৰত অতিক্রম কৰি ভাৰতবর্ষ পাইছিল। তেওঁ চীন হন আদি নানা দেশ চাই আহিছিল। হৰিবর্ষ হিমালয়ৰ ঈশান, উত্তৰ আৰু বায়ব্য দিশত অৱস্থিত। হৰিবর্ষ লাক্ষণিক নাম, "হরি" মানে বান্দৰ, বান্দৰৰ মুখ ৰঙচুৱা আৰু চকু পিঙ্গল ৰৱণীয়া। সেই অঞ্চলৰ অধিবাসীৰ মুখ ৰঙচুৱা আৰু চকু পিঙ্গল ৰৱণীয়া। যাক সংস্কৃতত হৰিবর্ষ বুলিছে সেয়েই বর্ত্তমানৰ ইউৰোপ। "হূণ" মানে ইহুদী বুলি কৈছে।

শ্রীকৃষ্ণ আৰু অর্জ্জুন অশ্বতরী অর্থাৎ অগ্নিবান বা বাষ্পীয় পোতেৰে

গৈ পাতালৰ পৰা উদ্দালক ঋষিক যুধিষ্ঠিৰৰ যজ্ঞলৈ আনিছিল। গান্ধাৰৰ অর্থাৎ কান্দাহৰৰ, যাক কাবুল বোলে, ৰাজকন্যা গান্ধাৰীৰ লগত ধৃতৰাষ্ট্ৰৰ বিবাহ হৈছিল। পাণ্ডুৰজাৰ পত্নীও ইৰাণৰ ৰাজকন্যা আছিল। আজিৰ আমেৰিকা পাতাল হলে, পাতালৰ ৰাজকন্যা উলুপীৰ লগত অর্জ্জুনৰ বিবাহ হৈছিল। এনেবোৰ ঘটনাৰ পৰা ভাৰত বাসী দেশ-দেশান্তৰলৈ যোৱা অহাৰ কথাই প্ৰমাণ হয়। ইয়াৰ উপৰিও মনুস্মৃতিত সাগৰত চলাচল কৰা জলযান বা পোতৰ কৰ আদায়ৰ কথা উল্লেখ আছে। গতিকে ভাৰতীয়ই দ্বীপ দ্বীপান্তৰলৈ যাতায়াত কৰাবেই পুৰণি শাস্ত্ৰ সমূহে সাক্ষী দিয়ে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত পৃথিবীৰ সকলো ৰজাক নিমন্ত্ৰণ কৰিবলৈ ভীম, অর্জ্জুন, নকুল আৰু সহদেৱ একোএকো ফালে গৈছিল। দোষ বুলি বিবেচনা হোৱা হলে তেনেবোৰ নহল হেঁতেন। অতীতত আৰ্য্যাবৰ্ত্তবাসীয়ে বাণিজ্য আৰু ৰাজনৈতিক উদ্দেশ্য লৈও দেশ-দেশান্তৰ ভ্ৰমণ কৰিছিল। এতিয়াৰ স্পৰ্শদোষ আৰু ধৰ্ম্ম নাশৰ আশঙ্কাৰ মূল মূৰ্খতা, অজ্ঞানতা আৰু ভ্ৰম। যি দেশান্তৰ ভ্ৰমণ কৰি নানা জনৰ সংসৰ্গত নানা বিষয়ত অভিজ্ঞ হব পাৰে, সেই সকলেই স্বদেশৰ ৰীতি নীতি আৰু অর্থ সম্পদৰ উন্নতি সাধন কৰিব পাৰে আৰু লগতে স্বদেশৰ বা স্বজাতিৰ কুসংস্কাৰবোৰো দূৰ কৰাত সহায়ক হব পাৰে। পৰদেশী বা বিভিন্ন আচাৰ ব্যৱহাৰৰ মানুহক স্পৰ্শ কৰিলে অশুদ্ধ বা অপবিত্ৰ হব নোৱাৰে। বেশ্যা বৃত্তি, চৰিত্ৰহীনতা আৰু অধৰ্ম্মৰ আচৰণহে দোষাৰহ আৰু অপবিত্ৰ। এইবোৰ আচৰণ স্বদেশত কৰিলেও দোষ, বিদেশত গৈ কৰিলেও দোষ। যি ইয়াকে বুজিব নোৱাৰে, সি যদি মূৰ্খ নহয়, মূৰ্খনো কোন? অৱশ্যে চৰিত্ৰহীন, অশ্লীল—খাদক লোকৰ সংসৰ্গ আৰু স্পৰ্শ মহাদোষকাৰক, যাৰ পৰিণাম ভয়ানক। স্বদেশতেই হওক বা বিদেশতেই হওঁক দুষ্ট আৰু চৰিত্ৰহীনৰ সংসৰ্গ সংক্ৰামক ব্যাধিতকৈও ভয়াবহ। তাৰ পৰা নিজক আৰু সমাজক ৰক্ষা কৰাই সকলোবে ধৰ্ম্ম। বিদেশীৰ বা

অন্যান্য জাতিৰ গুণ গ্ৰহণ আৰু অনুকৰণ কৰাটো দোষ বুলি কেৱল মুখ'টহে কব পাৰে। নানা দেশৰ লোকৰ লগত যোগাযোগ, সংসৰ্গ আৰু গুণৰ আদান প্ৰদান নহলে নিজৰ, জাতিৰ বা জগতৰ মঙ্গল কেনেকৈ হব? তাকেই নকৰিলে নিজৰ বা স্বদেশৰ দোষ গুণবোৰ কেনেকৈ বুজিব পাৰিব আৰু তাৰ প্ৰয়োজনীয় সংশোধন কৰিব? ধৰ্ম্মৰ সম্বন্ধ আত্মা আৰু কৰ্ত্তব্যৰ লগতহে। ধৰ্ম্মব্ৰতী হৈ ধৰ্ম্মাচৰণ কৰিবলৈ হলে বৈদিক ধৰ্ম্মৰ জ্ঞান অত্যন্ত আৱশ্যক। ধৰ্ম্মৰ জ্ঞান তথা স্বৰূপ দেশে বিদেশে প্ৰচাৰ নকৰাও অধৰ্ম্ম। দেশ দেশান্তৰৰ শিল্প, উদ্যোগ, বাণিজ্য আদিৰ লগত যোগাযোগ স্থাপন নহলে স্বদেশৰ উন্নতি কেনেকৈ কৰিব? "বিদেশলৈ গলে, স্পৰ্শ কৰিলে আৰু বিদেশীৰ ঘৰত খালে জাতি যায়" এনেবোৰ কথা এক শ্ৰেণীৰ স্বাৰ্থপৰ মানুহৰ মৰ্য্যাদা, জীৱিকা আদি ৰক্ষাৰ প্ৰতাৰণাহে। কাৰণ দেশ দেশান্তৰলৈ যোৱাৰ ফলত মানুহৰ চকু মুকলি হলে সেই শ্ৰেণী মানুহৰ প্ৰতাৰণা ৰৱা পৰিব। তেতিয়া আৰু তেওঁলোকৰ জীৱিকা নচলিব।

যুদ্ধত প্ৰত্যেক সৈনিকে সুকীয়া সুকীয়াকৈ টো-খুঁটি মাৰি ৰন্ধাত লাগিলে শত্ৰুৰ লগত যুদ্ধ কৰিব কেনেকৈ? অভাৱত আৰু আতুৰত অর্থাৎ ৰুগ্ন অৱস্থাত যেই কোনো জাতিয়ে স্পৰ্শ কৰা আহাৰ খাই জীৱন ৰক্ষা কৰাও পাপ, দোষ, বা জাতি ভ্ৰষ্ট হোৱা বুলি যিজনে কয়, তাতকৈ অধম মহামূৰ্খ জগতত কোনো থাকিব নোৱাৰে। কিন্তু যি সকলে এনে-কুৱা পৰিকল্পিত চক্ৰান্ত ৰচনা কৰিছিল, তেওঁলোক তেনে মূৰ্খ নহয়, তেওঁলোকে চক্ৰান্তৰ জালেৰে সমাজৰ সৰ্ব্ব সাধাৰণক অজ্ঞান আন্ধাৰত ডুবাই ৰাখিলে আৰু নিজৰ জীৱিকা আৰ্জ্জনৰ স্বাৰ্থত বৈদিক সংস্কৃতি আৰু জাতীয় স্বাৰ্থক বলি দিলে। জ্ঞান, ধৰ্ম্ম আৰু সদাচৰণৰ ঠাইত জাতিভেদ, টোখুটৰ ভেদ প্ৰতিষ্ঠা কৰি জাতীয় স্বাধীনতা, অর্থ, বিদ্যা উদ্যোগ আদি সকলো বিনষ্ট কৰি আহিছে। কেৱল টোখুটি মাৰি নিজে বান্ধি খোৱাই ধৰ্ম্ম হব নোৱাৰে। অৱশ্যে অপবিত্ৰৰ আৰু

সংক্রামক ব্যাধিগ্রস্ত জাতি বা ব্যক্তিব হাতে আহাব কবা অনুচিত।

প্রশ্ন—সখবী আক নিখবী আহাব কাক বোলে ?

উত্তব—পানী আদিবে সিজোৱা অন্নক সখবী আক গাখীব, ঘিউ আদিবে প্রস্তুত কবা আহাবক নিখবী আহাব বোলে। পক্ক বা সখবী আহাব. আনে বন্ধা খালে জাতি যায়, কিন্তু কেচা অর্থাৎ ঘিউ, গাখীব আদিবে প্রস্তুত কবা শ্রেষ্ঠ উপাদেয় আহাব যাবে তাবে ছোৱা খালেও দোষ হব নোৱাবে। এইবোৱো ধূর্ত্ত লোকব ছল চতুবতা মাত্র। যি আহাব সি আহাবেই, পক্ক খালে দোষ হয় আক অপক্ক খালে দোষ নহয়, এনেকুৱা যুক্তি হব নোৱাবে।

প্রশ্ন—দ্বিজ সকলে শূদ্রই বন্ধা আহাব খাব পাবে নে নোৱাবে ?

উত্তব—শূদ্রব বন্ধা কেলেই খাব নোৱাবিব ? ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্যব পুৰুষ স্ত্রীসকলে নিজব নিজব কর্ত্তব্য ধর্ম্ম অর্থাৎ অধ্যয়ন-অধ্যাপনা, দেশ বক্ষা, বাজাব ন্যায় দণ্ড বক্ষা আক বাণিজ্য, কৃষি, উদ্যোগ আদি কবাত ব্যস্ত থাকিব লাগে, গতিকে যিবোব মানুহ এই বোব কামব অনুপযুক্ত অর্থাৎ শূদ্র সেই বোবে ওপবত কোৱা তিনি শ্রেণীব কর্ত্তব্য পবায়ণ সকলক বন্ধা বঢ়া আক অন্যান্য কবিব পৰা কামত সহায় নকবিলে আক তাব পবিবর্ত্তে তেওঁলোকব ভবণ পোষণ নহলে কেনেকৈ চলিব ! অবশ্যে শূদ্রব খোৱা পাত্রত আক শূদ্রব ঘবত বন্ধা আহাব বিশেষ কাবণ নহলে খাব নালাগে। কাবণ তাব যুক্তি আছে।

আর্য্যাধিষ্ঠিতা বা শূদ্রাঃ সংস্কর্ত্তাবঃস্যুঃ ॥

(আপস্তম্ব ধর্ম্মসূত্র। প্রশ্নপাঠক ২। পটল ২। ম০ ২। সূ০ ৪) ॥

শূদ্র অর্থাৎ বুদ্ধি বৃত্তিহীন নব নাবীয়ে দেহ বস্ত্র আদি পবিষ্কাব কবি বীতি নীতিবে সমাজব দায়িত্ব বহন কবা লোক সকলব গৃহত বন্ধন আদিবে পবিচর্য্যা কাম কবিব লাগে। জাতীয় কর্ম্মানুষ্ঠানব যথার্থ দায়িত্ব পালন কবা সকলক আর্য্য বোলে। আর্য্য মানে শিষ্ট আচবণশীল। শূদ্রই আর্য্য সকলব ঘবত বন্ধন কবোতে মুখ আক নাকত আঁব

কাপোব বান্ধি লব লাগে, যাতে নাক আক মুখব পবা বাহিব হৈ উচ্ছিষ্ট খাদ্যত নপবে। প্রতি সপ্তাহে নখ আক দাড়ি গোফ কাটিব লাগে। শৌচ কবাব পাচত হাত আদি চাবোনেবে পবিষ্কাব কবি, গা পা ধুই বন্ধন কবিব লাগে আক গৃহস্থই আহাব কবাব পাছত খাব পাবে।

প্রশ্ন—শূদ্রই স্পর্শকবা কবা অন্ন ভেজনো দোষজনক, ছেলেস্থলত শূদ্রই বন্ধন কবা আহাব কেনেকৈ ভোজ্য হব পাবে ?

উত্তব—এইবোব বিবেচনাহীন লোকবহে কথা, জ্ঞানী মানুহে হব নোৱাবে। গুড়, চেনি, ঘৃত, দুগ্ধ, আটা, ফলমূল আদি যিসকলে খায় সি সকলে লোকব হাতব প্রস্তুত আক উচ্ছিষ্ট আহাবকেই খায়। কাবণ নানা জাতিব মানুহে খেতিব কুঁহিয়াব কাটে, ভবিবে গছকে, পেবি বস উলিয়াই সেই বস, শৌচ পেছাব কবি হাত নোধোৱাকৈয়েই ছোৱে, আধাখোৱা কুঁহিয়াব ডোখবো পেলাই নিদি একেলগে পেৰী বসব লগত মিলাই দিয়ে। বস পগাই থাকোতে সেই গৰম পকা বসত কটা জুবুবীয়াই খায়। চেনি প্রস্তুত কবোতেও পুবণা জোতাবে ঘঁহে। সেই জোতাব তলত কি যে লাগি নেথাকে তাক কোনে জানে ? গাখীবব লগত খোৱা পাত্রব উচ্ছিষ্ট পানীকেই ঢালে। খোৱা পাত্রতেই ঘিউ মাখনো বাখে। ধেঁচ আদি চাকিত বা কলত গুবি কবোতে খোৱা হাতেবেই ছোৱে, গছকে, গাব ঘামো পবে, গা খজুৱায়ো সেই হাতেবেই ছোৱে। কিছুমান ফল মূল শাক পাছলিব কথাতো এনেকুৱা কাণ্ডই হয়, মল মূত্র আদি কবা ঠাইত পবিলেও তাকেই তুলি আনি বিক্রি কবে। এইবোব খালে কাৰো ছোৱা বা উচ্ছিষ্ট খাবলৈ বাকী নেথাকে। বজাবত পোহাব দি খোৱা গুড়, চেনি, আদি খাদ্য বস্তুব অবস্থালৈ মন কবিলে ইয়াব সত্যাসত্য বুজিবলৈ বাকী নাথাকে।

প্রশ্ন—কিনা বেচা বস্তুবোবত হোৱা কাণ্ডবোব অদৃষ্ট, গতিকে

তাত দোষ ধবিব নোৱাবি।

উত্তৰ—এইবোৰ বিবেচনাশীল মানুহৰ কথা নহয়, সুবিধাবাদী মানুহৰহে কথা। ঘিউ, গুড় আৰু চেনিত দোষ নাই, আচৰিত যুক্তি! অদৃষ্ট ভাবে দোষী কৰা বস্তুত যদি কোনো দোষ নাই, তেন্তে অদৃষ্টকৈ কোনোৱে উচ্ছিষ্ট কৰা বা মল মূত্ৰ আদি মিহলি হোৱা খাদ্য কোনোৱে অতি পৱিত্ৰ বুলি আনি দিয়ে তেতিয়া খোৱাত দোষ হবনে নহয়? যদি হয়, তেন্তে অদৃষ্টতো দোষ হয়। সজ শিষ্ট মানুহৰ তত্ত্বাৱধানত পৰিষ্কাৰ ভাৱে শূদ্ৰই ৰন্ধন কৰা আহাৰ খোৱাত কেতিয়াও দোষ হব নোৱাৱে; জঘন্য অপৰিষ্কাৰ আৰু অনাচাৰী মানুহে ৰন্ধন কৰা আহাৰ খোৱাহে দোষ। আহাৰৰ বাহ্য বিচাৰৰ সম্বন্ধ স্বাস্থ্য নীতিৰ লগতহে, বাকী সকলো প্ৰকাৰ উন্নতি নির্ভৰ কৰে জ্ঞান বিদ্যা আৰু তদনুকূল আচৰণত। আৰ্য্যাবৰ্ত্তত পৰম্পৰা নৈতিক ব্যৱস্থাৰ ঠাইত দুর্নীতি দুষ্কৰ্ম্মৰ প্ৰাধান্য হ'ল, পৰিণামত দেশৰ সৰ্ব্বস্ব বিদেশীৰ অধীনস্থ হ'ল। ইয়াৰ কাৰণ হ'ল জাতীয় বৈষম্য, আৰু দুর্নীতিৰ শোষণ। মানুহৰ ভেদ হব নোৱাৱে। কেৱল গুণ, আৰু আচৰণৰহে ভেদ হব পাৱে। নিজৰ ভিতৰত শাসন আৰু ঈর্ষাৰ পৰিণাম মহাভাৰতৰ যুদ্ধ, যাক ব্যাস মুনিয়ে চিত্ৰণ কৰি দেখুৱাই দিছে। তাৰ অনুভূতি আমাৰ এতিয়াও হোৱা নাই আৰু সেইযোৰ জাতীয় ব্যাধিৰ পৰা আমি আৰোগ্য হব পৰা নাই। মহাভাৰত আৰু ৰামায়ণ পাঠ কৰি দুর্য্যোধন আৰু ৰাৱণৰ আদর্শ পৰিত্যাগ কৰিব নোৱাৰিলে সেইবোৰ পঢ়াৰ কোনো অর্থ নাথাকে। ৰাম আৰু কৃষ্ণৰ কেৱল নাম ললেই নহয়, তেওঁলোকৰ প্ৰদর্শিত আদর্শ আচৰণ কৰাহে সকলোৱে বাঞ্ছনীয়। পৰমেশ্বৰক সাক্ষী কৰি এনেকুৱা সংক্ৰামক ব্যাধিবোৰ অন্তৰৰ পৰা নির্ম্মূল কৰিব লাগে।

ভক্ষ্য অভক্ষ্য দ্বিবিধ। এক—ধর্ম্মশাস্ত্রোক্ত, দ্বিতীয়—চিকিৎসাশাস্ত্রোক্ত। ধর্ম্মশাস্ত্রোক্ত যথা—

অভক্ষ্যাণি দ্বিজাতীনামমেধ্য প্রভবানি চ॥ মনু॰ (৫।৫) ॥

দ্বিজ অর্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰয়ো অপবিত্ৰ আৰু মল মূত্ৰাদিৰ সংসর্গজাত শাক, ফল, মূল আদি ভোজন কৰা অনুচিত।

বর্জয়েন্মধুমাংসঞ্চ। মনু॰ (২।১৭৭) ॥

মদ, গণিকা, ভাং আৰু অহিফেন আদি মাদক দ্ৰব্য পৰিত্যাজ্য।

বুদ্ধিং লুম্পতি যদ্দ্রব্যং মদকাৰী তদুচ্যতে ॥

(শাৰ্ঙ্গধৰ অ॰ শ্লোক॰ ২১) ॥

বুদ্ধি নাশক দ্ৰব্য খোৱা অনুচিত। গেলা পচা, দূষিত, কুপক্ক আৰু মাংসাহাৰী ম্লেচ্ছে প্ৰস্তুত কৰা আহাৰ খোৱা অনুচিত। কাৰণ তেনে মানুহৰ দেহত তেনেকুৱা পৰমাণুৱেই পৰিপূর্ণ হৈ থাকে।

উপকাৰী পশুক হিংসা কৰিব নেলাগে। এজনী গাইৰ দেহৰ পৰাই দুগ্ধ, ঘৃত, বৃষ, আৰু গাই উৎপন্ন হয়। এজনী গাইৰ এক পুৰুষত অর্থাৎ এজনী গাইৰ পূর্ণ জীৱন কালৰ ভিতৰত চাৰি লাখ পয়সত্তৰ হেজাৰ আৰু ছয় শ মানুহৰ উপকাৰ হয়। এনে পশুক হত্যা কৰিলে মানৱ জাতিৰেই অহিত হয়। গতিকে নিজৰ অধিক হিতৰ কাৰণেই গো জাতিক ৰক্ষা কৰিব লাগে।

যদি কোনো এজনী গাইৰ প্ৰতিদিনে বিশ লিটাৰ আৰু আন এজনীৰ পৰা দুই লিটাৰ গাখীৰ পোৱা যায় প্ৰতিগাইৰ গড় হিচাবে দিনে এঘাৰ লিটাৰকৈ গাখীৰ হয়। কোনো কোনো গায়ে ১৮ মাহ, আৰু কোনো কোনোৱে ছয় মাহ পর্য্যন্ত গাখীৰ দিয়ে, গতিকে গড় হিচাবত বাৰ মাহ হয়। গতিকে প্ৰত্যেক গাইৰ আজীৱন গাখীৰৰ পৰা ২৪৯৬০ জন মানুহ এবাৰ তৃপ্ত হব পাৱে। যদি প্ৰতি গায়ে ৬টা দমৰা আৰু ৬ জনী চেউৰী পোৱালী দিয়ে, তাৰ ভিতৰত দুটাকৈ মৰিলেও ১০টা থাকে। ৫ জনী গাইৰ গোটেই জীৱনৰ গাখীৰ হিচাব কৰিলে ১২৪৮০০ (এক লাখ চব্বিশ হেজাৰ আঠ শ) মানুহ তৃপ্ত হব পাৱে। বাকী ৫টা দমৰা পকৰে গোটেই জীৱনত ৫০০০ (পাঁচ হেজাৰ) মোণ শস্য উৎপন্ন কৰিব পাৱে। মানুহটোৱে প্ৰতি তিনিপোৱা কৰি শস্য খালে ২৫০০০০ (দুইলাখ পঞ্চাশ

হেজাৰ) মানুহ এবাৰ তৃপ্ত হব পাৰে। সেইদৰে বংশানুবংশৰ হিচাব ললে অসংখ্য মানুহৰ পালন হব পাৰে। ইয়াৰ বাহিৰেও যানবাহন টনা হয়। গৰুৰ গোবৰ শস্যৰ উপযোগী সাৰ। গৰুৰ আৰু মহৰ গাখীৰ উপাদেয় আহাৰ, তাৰ ভিতৰত গৰুৰ গাখীৰ আৰু ঘিউৰ পৰা অধিক বুদ্ধি হয়। গতিকেই আৰ্য্য সভ্যতাত গৰুক সকলোতকৈ বেছি হিতকাৰী বুলি বিবেচনা কৰা হৈছিল। সকলোৱে এনেকৈয়ে বিবেচনা কৰা বাঞ্ছনীয়।

ছাগলীৰ গাখীৰৰ পৰা ২৫৯২০ (পঁচিশ হেজাৰ ন শ বিশ) মানুহৰ পালন হয়। সেই দৰে হাতী, ঘোড়া, উট, ভেড়া আৰু গাধ আদি পশুৰ পৰাও বহুত উপকাৰ হয়। যি এনেকুৱা পশুক হত্যা কৰে— তেওঁলোকে নিজক হত্যা কৰাৰ দৰেই হয়। *

আৰ্য্য সভ্যতা বিকাশ হোৱাত গৰু আদি উপকাৰী পশু হত্যা কৰা নহৈছিল। সেই সময়ত আৰ্য্যাবৰ্ত্ত আৰু অন্যান্য দেশতো মানুহৰ উপকাৰী পশুৰ জীৱন নিৰাপদ আছিল, মানুহে সেইবোৰৰ বংশ বৃদ্ধিৰ কাৰণে যত্ন লৈছিল, তাৰ ফলত মানুহৰ আহাৰৰ অভাৱ নাছিল, কাৰণ গাখীৰ আৰু শস্য উৎপন্ন হৈছিল। পৃথিবীত যেতিয়াৰ পৰা মদ আৰু মাংসাহাৰী মানুহৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে তেতিয়াৰ পৰাই গাখীৰ আৰু অন্নৰ উৎপন্ন হ্রাস হৈ আহিবলৈ ধৰিলে। বৈজ্ঞানিক যন্ত্রৰ উন্নতি হৈছে হয়, কিন্তু যন্ত্রই গাখীৰ আৰু অন্ন উৎপন্ন নকৰে।

নষ্টে মূলে নৈব ফলং ন পুষ্পম্॥

(বৃদ্ধচাণক্য। অ০ ১০।১৩)

বৃক্ষৰ মূল নির্ম্মূল হলে ফুল ফল কৰ পৰা হব?

প্রশ্ন—সকলোৱেই অহিংস হলে বাঘ আদি হিংসুক পশুৰ বৃদ্ধি হব আৰু গৰু আদি নিৰীহ পশুক খাই নিঃশেষ কৰিব আৰু পুৰু-

* (ইয়াৰ বিশেষ ব্যাখ্যা "গোকৰুণানিধি" পুস্তিকাত কৰা আছে)

ষার্থও ব্যর্থ হব।

উত্তৰ—অনিষ্টকাৰী পশু আৰু মানুহক দণ্ড দিয়াই ৰাজনীতি আৰু ন্যায় দণ্ড।

প্রশ্ন—তেনেহলে সেই দৰে বধ কৰা পশুৰ মাংসবোৰ পেলাই দিব নেকি?

উত্তৰ—পেলাই দিবও পাৰে, কুকুৰাদি মাংসাহাৰী পশুক খুৱাবও পাৰে, বা কোনো মাংসাহাৰীক খাবলৈও দিব পাৰে। তাৰ পৰা সংসাৰৰ একো ক্ষতি নহয়; কিন্তু মাংসাহাৰী মানুহৰ স্বভাৱ হিংস্র হব পাৰে। যিবোৰ খাদ্য বস্তু হিংসা, চুৰি, বিশ্বাসঘাতকতাৰে আৰু ছল প্রবঞ্চনাৰে সংগ্রহ কৰা হয়, সেইবোৰ অভক্ষ্য। যিবোৰ অহিংসা, সৎকর্ম্মৰ যোগেদি সংগ্রহ কৰা হয়, সেইবোৰ ভক্ষ্য আৰু আনন্দদায়ক। যিবোৰ খাদ্যৰ পৰা স্বাস্থ্য লাভ, ৰোগ নাশ, আয়ুবৃদ্ধি, বুদ্ধি, বল, পৰাক্রম বৃদ্ধি আৰু স্থিৰ হয়, তেনে খাদ্য— চাউল, ঘেহু, ফল-মূল, গাখীৰ, ঘিউ, মিষ্টান্ন যথোচিত ভাবে প্রস্তুত কৰি, যথাসময়ত পৰিমিত ভাবে খাব লাগে। এইবোৰেই ভক্ষ্য; যিবোৰ নিজৰ প্রকৃতিবিরুদ্ধ আৰু বিকাৰ উৎপাদন কাৰী, তেনেবোৰ পৰিত্যাগ কৰা বাঞ্ছনীয়। যাৰ পক্ষে যি বস্তু বিহিত পথ্য, সি তেনে আহাৰ কৰাহে উচিত। ইয়াকেই ভক্ষ্য বোলে।

প্রশ্ন—একেলগে একে পাত্রতে আহাৰ কৰাত কিবা দোষ আছে নেকি?

উত্তৰ—দোষ আছে। কাৰণ এজনৰ প্রকৃতিৰ লগত সিজনৰ মিল নাই। ৰোগীৰ লগত আহাৰ খালে সুস্থ ব্যক্তিৰো ৰক্ত বিকৃত হয়। সেইদৰে একে পাততে একেলগে আহাৰ কৰিলে অলপ নহয় অলপ বিকৃতি ঘটিবই। এই কাৰণে:—

নোচ্ছিষ্টং কস্যচিদ্দদ্যান্নাদ্যাচ্চৈব তথান্তৰা।
ন চৈবাত্যশনং কুর্য্যান্নচোচ্ছিষ্টঃ ক্বচিদ্ব্রজেৎ॥ মনু০ ২।৫৬॥

কাকো নিজৰ উচ্ছিষ্ট (অর্থাৎ খাই এৰা) খাবলৈ দিয়া অনুচিত। কাৰো লগত একে পাত্ৰতে খোৱা অনুচিত। বেছিকৈ খোৱাও অনুচিত। খোৱাৰ পাছত মুখ হাত নোধোৱাকৈ ইফালে সিফালে ফুৰাও অনুচিত।

প্ৰশ্ন—তেনেহলে "গুৰোৰুচ্ছিষ্ট ভোজনম্" এই বাক্যৰ অৰ্থ কি হব ?

উত্তৰ—ইয়াৰ অৰ্থ গুৰুক আগতে আহাৰ কৰাই তাৰ পাছত শিষ্য সকলে আহাৰ কৰিব লাগে, গুৰুৱে খাই এৰা নহয়।

প্ৰশ্ন—যদি উচ্ছিষ্ট-মাত্ৰই নিষিদ্ধ হয়, তেনেহলে মৌও মৌমাখিৰ উচ্ছিষ্ট, গাখীৰো পোৱালীৰ উচ্ছিষ্ট, নিজৰ আহাৰো এগৰাহৰ পাছত উচ্ছিষ্ট হয়।

উত্তৰ—মৌ মাত্ৰ নামতহে উচ্ছিষ্ট। মৌ মাখিৰ মুখৰ শুং বিশেষেৰে নানা দ্ৰব্যৰ নিৰ্দ্দোষ সাৰ অংশ সংগ্ৰহ কৰে। মৌৰ অনেক ব্যাধি উপশম কৰিব পৰা শক্তি আছে, সি ব্যাধি উৎপত্তি নকৰে। গতিকে উচ্ছিষ্ট হব নোৱাৰে। গৰু পোৱালীয়ে মাকৰ বাহিৰ হৈ অহা গাখীৰ বাহিৰৰ পৰা পান কৰে, ভিতৰৰ গাখীৰ উচ্ছিষ্ট নকৰে। পোৱালীয়ে দুগ্ধ পান কৰাৰ পাছত মাকৰ স্তনবোৰ, যাক বাট বোলা হয়, পানীৰে ভালকৈ ধুই পখালিহে শুদ্ধ পাত্ৰত খীৰাৰ লাগে। আৰু নিজৰ উচ্ছিষ্ট নিজৰ কাৰণে বিকাৰ জনক নহয়। এজনৰ উচ্ছিষ্ট যে আন এজনে খাব নোৱাৰে ই স্বাভাৱিক নীতি। নিজৰ মুখ, নাক, কাণ, চকু, উপস্থ আৰু গুহ্যেন্দ্ৰিয়ৰ মল মূত্ৰাদি স্পৰ্শ কৰাত ঘৃণা বোধ নহয়, কিন্তু আনৰ হলে ঘৃণা হয়। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে এনে ব্যৱহাৰ সৃষ্টি ক্ৰমৰ স্বভাৱ বিৰুদ্ধ। গতিকে মানুহ মাত্ৰই কাৰো উচ্ছিষ্ট বা ভুক্তাৱশেষ খোৱা অনুচিত।

প্ৰশ্ন—তেনেহলে পতি পত্নীয়েও পৰস্পৰৰ উচ্ছিষ্ট খোৱা উচিত নহয় ?

উত্তৰ— অৱশ্যে অনুচিত। কাৰণ পৰস্পৰৰ শৰীৰ বিভিন্ন প্ৰকৃতিৰ।

প্ৰশ্ন—যেই কোনো মানুহে ৰন্ধা খালে দোষ কি ? ব্ৰাহ্মণৰ পৰা চণ্ডাল পৰ্য্যন্ত অস্থি চৰ্ম্ম আৰু শোণিতৰ দেহ, কাৰো পাৰ্থক্য নাই।

উত্তৰ—দোষ আছে। কাৰণ যি যেনেকুৱা বস্তু খায়—তাৰ সেই বস্তুৰ গুণ অনুসাৰে ৰক্ত মাংস সৃষ্টি হয়। সেই দৰেই ৰজ-বীৰ্য্যৰো সৃষ্টি হয়। শৰীৰৰ পৰমাণুবোৰো সেই ধৰণৰে হয়। ব্ৰাহ্মণ আদি সুসভ্য মানুহৰ ৰজবীৰ্য্যৰ দুৰ্গন্ধ আদি দোষ নাই, কিন্তু চাণ্ডাল আদিৰ দৰে আচৰণশীল মানুহৰ তেনে নহয়, দুৰ্গন্ধত ওচৰ চাপিব নোৱাৰি। ব্ৰাহ্মণ আদিৰ বা সৎ আচৰণ পৰায়ণ সুভক্ষাকাৰীৰ তেনে দুৰ্গন্ধ নাই। গতিকে আৰ্য্য, উত্তম, শ্ৰেষ্ঠ আচৰণশীল মানুহৰ হাতে প্ৰস্তুত আহাৰ কৰাহে উচিত। অনাৰ্য্য অৰ্থাৎ জঘন্য আচৰণশীল মানুহৰ হাতে খোৱা দোষ। আপোনাৰ যুক্তিমতে মাতা, শাহু, বাই-ভনী, কন্যা, বোৱাৰী আদিৰ দেহ যেনেকুৱা চৰ্ম্ম নিৰ্ম্মিত, পত্নীৰো তেনে চৰ্ম্ম নিৰ্ম্মিত। কিন্তু আপোনাৰ পত্নীৰ লগত যি ব্যৱহাৰ কৰে তেনে ব্যৱহাৰ আনৰ লগত কৰাত আপোনৰ মন সংকুচিত হয় কিয় ? পৰিকাৰ হাত মুখেৰে উত্তম আহাৰ কৰাই মানুহৰ ধৰ্ম্ম; অখাদ্য, দুৰ্গন্ধিত আৰু অধিক আহাৰ কৰা ধৰ্ম্ম নহব নোৱাৰে।

প্ৰশ্ন—গোৰৰেৰে বাসস্থান আৰু বন্ধন শালা যে লেপন কৰা হয়, আৰু পবিত্ৰ বুলি মনা হয়, নিজৰ মলৰ দ্বাৰাই নকৰে কিয় ? গোৰৰ যদি পবিত্ৰ হয়, নিজৰ মল অপবিত্ৰ হব কিয় ?

উত্তৰ—মানুহৰ ময়লা যেনেকুৱা দুৰ্গন্ধ, গোৰৰৰ তেনেকুৱা দুৰ্গন্ধ নাই। গোৰৰৰ এঠাই মাটি ঢাকি বাখিব পাৰে। গোৰৰেৰে মোহা ঠাই শুকালে, ভাত বহিলেও কাপোৰত দাগ নেলাগে কিন্তু মাটিত বহিলে কাপোৰত মাটিৰ দাগ লাগে। গোৰৰ মাটিৰে মোহা ঠাই দেখাতো সুন্দৰ।

বন্ধনশালাত বন্ধা বঢ়া কবোতে যি অলপ-চলপ চিতিকি পবে তাত অপবিষ্কাব ঠাইব পবা মাখি আৰু নানা পোক পকৰা আদি পবেহি, সদায় পবিষ্কাব নকবিলে দুর্গন্ধ আৰু বোগব সৃষ্টি কবে। গতিকে প্রতিদিনে লিপি মুছি পবিষ্কাব কবি বখা আৱশ্যক। শুকান গোবৰব গোন্ধে বতাহ বিশুদ্ধ কবে আৰু পোক পকৰাকো যথা সম্ভব বাধা দিয়ে। জোতা পিন্ধি বা বাহিবত ফুবি ভবি হাত নোধোৱাকৈ বন্ধনশালাত সোমালে তাব পবা যি অনিষ্ট হোৱাব সম্ভাবনা তাক নকলেও সকলোৱে বুজিব পাবিব। দেখা যায় অনেকব পাকঘবব চাবিওফালে খবি, কয়লা, ছাই, ভগাছিগা বাচন বৰ্ত্তন, ফটা-চিতা লেতেবা কাপোৰ, খাই এবা বস্তু, হাড়মুৰ, ভগাছিগা মাটিব চক কলহ সিচঁবিত হৈ পবি থাকে, পোক পকৰা আৰু মাখিয়ে তেন তেনাই থাকে। দুর্গন্ধব কথাই নাই। পবিষ্কাব স্বভাৱব মানুহে তেনেকুৱা পাকঘব দেখি সেই পাক ঘবত বন্ধা আহাব গৃহস্থই যিমানেই আদব সাদব কবি যাচক লাগে, খোৱাব কথা দূবতে থ'ক, মনত পবিলেও বমি হোৱাব উপক্রম হয়। কিছুমান মানুহে গোবৰেবে ঘব লিপা মোছা দোষ বুলি ভাবে, কিন্তু সেইবোব মানুহেই গোবৰব টিকিবা বা গোবৰসুতি ধলাই ধপাতব চিলিমত দি ধপাত হুপিলে একো দোষব নেভাবে।

প্রশ্ন—পাক ঘবত আহাব কবা উচিত নে বাহিবত কবিব লাগে?

উত্তব—অতি পবিষ্কাব ঠাইত আহাব কবা ভাল, কিন্তু যুদ্ধ বা কর্ম্ম ক্ষেত্রত যানবাহনব ওপবতো খোৱা কর্ত্তব্য।

প্রশ্ন—কেবল স্বহস্তে বান্ধি খোৱাই ভাল নেকি?

উত্তব—সেইটো সকলোবে সম্ভব নহয়। শুদ্ধ বীতি নীতিবে সুসভ্য মানুহে বন্ধা আৰু সুসভ্য সমাজত খোৱা একো বেয়া নহয়। ব্রাহ্মণ আদি শ্রেষ্ঠ গুণ বিদ্যা থকা আৰু কর্ম্মদক্ষ মানুহব পুৰুষ স্ত্রীব বন্ধা বঢ়া, ঘব আদি পবিষ্কাব কবা কামত থাকিলে সমাজব উন্নয়নমূলক কাম কেনেকৈ হব? মহাবাজ যুধিষ্ঠিবব বাজসূয় যজ্ঞত সমস্ত ভাবতবেই নহয়, কিছুমান

ভাবতব বাহিবব বাজা মহাবজাও আমন্ত্রিত হৈ আহিছিল। সেই যজ্ঞত ঋষি মুনিকে আদি কবি সকলোবে একে বাজকীয় বন্ধনশালাব পবাই ভোজন কবিছিল। কুৰুবংশীয় বজাই কান্ধাব অর্থাৎ কাবুলব বাজকুমাবীব লগত বিয়া কবিছিল, উলুপী, হিড়িম্বাক পাণ্ডবে বিয়া কবিছিল। শ্রীকৃষ্ণই ভীষ্মক কুমাবী কক্মিণীব লগত বিয়া কবে। গান্ধাবীব ভ্রাতৃ শকুনিয়ে কৌবৱ পাণ্ডবব লগতেই খোৱা পীয়া কবে, ইত্যাদি। গতিকে প্রাচীন ভাবতীয় সমাজত বিয়াত, খোৱাত, আৰু স্পর্শত দোষ বুলি ভবাব প্রমাণ নহয়। আমাব সমাজত পাছত যিবোব নীতি কবা হ'ল সেইবোব বৈদিক সভ্যতাব প্রতিকূল। গতিকে বেৰ বিকৰ দুর্নীতিবোব যিমান সোনকালে পাবি নির্ম্মূল কবাই দেশব আৰু জাতিব মঙ্গল।

আচাব অনাচাব আৰু ভক্ষাভক্ষ্যব বিষয়ে সংক্ষেপত ইমানকৈই লিখি এই দশম সমুল্লাস সমাপ্ত কবাব লগতে এই গ্রন্থব পূর্ব্বার্দ্ধও সমাপ্ত কবা হ'ল। এই পূর্ব্বার্দ্ধত বিভিন্ন মতবাদব বিশেষ আলোচনা কবা হোৱা নাই। কাবণ মানুহে জগতে সত্য আৰু অসত্যব যথার্থ স্বৰূপ উপলব্ধি কবিব নোৱাবিলে স্থূল আৰু সূক্ষ্ম আলোচনা বুজিব নোৱাবে। গতিকে পূর্ব্বার্দ্ধত সত্য আৰু অসত্যব স্বৰূপ নিৰূপণ কবি উত্তবার্দ্ধত সত্য অসত্যব তুলনামূলক আলোচনা কবা হব। উত্তবার্দ্ধব চাবি সমুল্লাসব ভিতবত প্রথম সমুল্লাসত ভাবতীয় সম্প্রদায় বাদব, দ্বিতীয় সমুল্লাসত জৈন মতব, তৃতীয়ত খৃষ্টিয়ান মতব, আৰু চতুর্থ সমুল্লাসত মুছলমান মতব পর্য্যালোচনা কবা হব। চতুর্থ সমুল্লাসব শেষত নিজব মত প্রকাশ কবা হব। বিশেষ খণ্ডন মণ্ডন অর্থাৎ সমালোচনা এইবাব সমুল্লাসত পাব। পূর্ব্বার্দ্ধব ১০ সমুল্লাসতো সামান্য ভাবে আলোচনা কবা হৈছে। নিবপেক্ষ দৃষ্টিবে চতুর্দশ সমুল্লাস পঢ়িলে আপ্তাত সত্যব প্রকাশ পাব আৰু আনন্দ অনুভবো হব। কিন্তু

অশ্রদ্ধা আৰু ঈৰ্ষা ভাবেৰে পঢ়িলে সত্যৰ অনুভৱ নহব। সত্য-অসত্যৰ বিবেচনা, অসত্যৰ পৰিহাৰ আৰু সত্যৰ আচৰণ কৰাই জ্ঞানী সকলৰ পৰম আনন্দ। সংসাৰত গুণগ্ৰাহী পুৰুষেই ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষৰ আনন্দ লাভ কৰে।

ইতি শ্রীমদ্দয়ানন্দ সৰস্বতী স্বামিকৃতে সত্যার্থপ্রকাশে সুভাষাবিভূষিত আচাৰাহনাচাৰভক্ষ্যাহভক্ষ্যবিষয়ে দশমঃ সমুল্লাসঃ সম্পুর্ণঃ ॥১০॥

সম্মাপ্তোহয়ম্পূর্ব্বার্দ্ধঃ ॥

উত্তৰার্দ্ধ :

অনুভূমিকা

—:oo:—

এইটো সন্দেহাতীত সত্য যে এতিয়াৰ পৰা প্ৰায় পাঁচ হেজাৰ বছৰ পূৰ্ব্বতে বেদৰ বাহিৰে অইন কোনো মত বা সিদ্ধান্ত নাছিল, কিয়নো, বেদোক্ত সকলোবোৰ কাৰ্য্যই জ্ঞান-বিদ্যাৰ অবিৰোধী আছিল। বেদলৈ অশ্রদ্ধা হোৱাৰ কাৰণেই মহাভাৰত যুদ্ধ অৰ্থাৎ কুৰুক্ষেত্ৰ যুদ্ধ হৈছিল। বেদোক্ত কাৰ্য্যসমূহৰ প্ৰতি আস্থাহীন হোৱাৰ ফলত পৃথিবীত অজ্ঞান-অন্ধকাৰ বিয়পি পৰিছিল। এই অজ্ঞান-অন্ধকাৰে মনুষ্যৰ বুদ্ধিৰ প্ৰমাদ ঘটাই প্ৰত্যেককেই নিজৰ ইচ্ছামতে যু-কু সকলো প্ৰকাৰ কাৰ্য্যতেই প্ৰবৃত্ত কৰাইছিল। এইবোৰৰ পৰাই বেদবিৰুদ্ধ চাৰি প্ৰকাৰৰ মত প্ৰচলিত হৈছিল; যেনে প্ৰথমতে পুৰাণী, তাৰ পিচত যথাক্ৰমে কিৰানী আৰু কুৰানী মতৰ প্ৰচলন হবলৈ লয়। এইবোৰেই কালক্ৰমত শাখা-প্ৰশাখাৰে বিস্তৃত হৈ বৰ্ত্তমানে হাজাৰ-বিজাৰ মতবাদত পৰিণত হৈছে। এই বিভিন্ন মতাৱলম্বীসকলে, তেওঁলোকৰ শিষ্য প্ৰশিষ্য সকলে আৰু আন আন সকলেও যাতে পৰস্পৰে নিজৰ মতবাদৰ সত্যাসত্য বিচাৰ-বিবেচনা কৰোতে বিশেষ পৰিশ্ৰম কৰিব লগীয়া নহয়, সেই উদ্দেশ্য আগত ৰাখিয়েই এই গ্ৰন্থ ৰচনা কৰা হৈছে। এই গ্ৰন্থত সত্য মতৰ মণ্ডন আৰু অসত্য মতৰ খণ্ডন কৰি থিবোৰ যুক্তি তৰ্কৰ অৱতাৰণা কৰা হৈছে সেই সকলোবোৰকে প্ৰত্যেকেই জনা উচিত। মোৰ বিদ্যা, বুদ্ধি আৰু

জানেবে এই মতসমূহ বিচাব-বিবেচনা কবি যিবোব প্রথমতে আলোচনা কবা উচিত বুলি বোধ হৈছে, সেই বিলাকেই প্রথমতে উল্লেখ কবা উচিত বুলি ভাবিছো, কাবণ, বিজ্ঞান গুপ্ত হৈ থাকিলে তাব তাৎপর্য্য সঠিকভাবে নির্ণয় কবাটো সম্ভবপব নহয়। যদি কোনোবে নিবপেক্ষ মন লৈ এইবোব বুজিবলৈ চেষ্টা কবে, তেনেহলে প্রকৃত সত্য উদ্ঘাটন নিশ্চিত-ভাবে কবিব পাবিব। ইয়াব পাচত সত্য মতব গ্রহণ আৰু অসত্য মতব বর্জন কবাটো সকলোবে পক্ষেই সহজ-সাধ্য হব।

এইবোবব ভিতবত পুবাণাদি গ্রন্থব পবা শাখা-প্রশাখা সহ যিবোব মত এই আর্য্যাবর্ত্ত দেশত প্রচলিত হৈছে, সেইবোবব দোষ-গুণ চমুকৈ এই একাদশ সমুল্লাসত দেখুবা হৈছে। মোব এই কার্য্যব দ্বাবা যদি কোনোবে উপকাব হোবা বুলি নাভাবে তেনেহলে যেন তেওঁলোকে ইয়াব বিৰুদ্ধাচবণো নকবে। কাবণ এইবোবব সত্যাসত্য নির্ণয় কবাব বাহিবে কাবো অনিষ্ট বা বিবোধ কবাটো মোব উদ্দেশ্য নহয়। মই ভাবো— এনেভাবে সকলো মানুহেই নিবপেক্ষ ন্যায় দৃষ্টিবে সকলো কথা বিবেচনা কবি চোবা উচিত। মনত বখা উচিত যে প্রাণী শ্রেষ্ঠ এই মনুষ্য জীবনটো অনর্থক বাদ-বিসম্বাদ কবিবলৈ নহয়, বিবেক বুদ্ধিবে সকলো চালিজাবি চাই সত্যক নির্ণয় কবাটোহে ইয়াব সার্থকতা। এনে মত মতান্তব লৈ পবস্পবে বিবাদত মগ্নহোবাব ফলত জগতত কিমানবোব কুফল ফলিছে আৰু আগলৈও তেনে হোবাব সম্ভাবনা আছে সেই নিবপেক্ষ সুধীসকলে ভালদবে জানে। যেতিয়ালৈকে মনুষ্য সমাজত পবস্পবব মতদ্বৈধতা, বিবোধ আদি থাকিব, তেতিয়ালৈকে সমাজত মিলাপ্রীতিব আনন্দ আৰু সুফল পোবা নাযাব—ই নিঃসন্দেহ। যদি আমি সকলোবে, বিশেষকৈ বিদ্বানসকলে পবস্পবব মাজত থকা ঈর্ষ্যা, দ্বেষ পবিত্যাগ কবি আৰু সত্যাসত্য নির্ণয় কবি অসত্যক ত্যাগ কবিব আৰু সত্যক গ্রহণ কবিব খোজো তেনেহলেহে সকলোবেই মঙ্গল হব। এই কথা অস্বীকাব কবিব নোবাবি যে তথাকথিত বিদ্বানসকলব মাজত মত বিবোধ থকা কাবণেই জনতাব মাজত বিভেদব সৃষ্টি হৈছে। সেয়ে, যদি তেওঁবিলাকে ব্যক্তি স্বার্থতকৈ সামুহিক স্বার্থত গুৰুত্ব দি মনুষ্য জাতিব মঙ্গল সাধিব খোজে-তেনেহলে **তেওঁলোকে সর্বপ্রথমে ঐক্যমতত উপনীত হওক।** এই বিষয়ে পিচত আলোচনা কবা হব।

সর্ব্বশক্তিমান পবমাত্মাই একমতত উপনীত হবলৈ যেন মানব জাতিব অন্তবত উৎসাহ জাগবিত কবে।

অলমতিবিস্তবেণ বিপশ্চিদ্ববশিবোমণিষু॥

—:oo:—

অথৈকাদশ সমুল্লসাৱাস্তঃ

অথার্য্যাবর্ত্তীয়মতখণ্ডন-মণ্ডনে বিধাস্যামঃ

এতিয়া আর্য্যসকলৰ, যি সকল আর্য্যাবর্ত্ত দেশৰ অধিবাসী তেওঁ-বিলাকৰ মতৰ খণ্ডন-মণ্ডনৰ বিধান কৰিম। এই আর্য্যাবর্ত্ত দেশখন এনে এখন দেশ তাৰ তুলনা পৃথিবীৰ কোনো দেশৰ লগতেই কৰিব নোৱাৰি। সেই কাৰণেই এই দেশৰ আন এটা নাম সুবর্ণভূমি; কিয়নো একমাত্ৰ এই দেশতেই সুবর্ণ আদি বস্তুসমুহ উৎপন্ন হয় আৰু পোৱা যায়। সেই কাৰণেই সৃষ্টিৰ আদিতে আহি আর্য্যসকলে এইদেশত বসতি কৰে। আমি সৃষ্টিৰ বিষয় আলোচনা কৰোতে কৈ আহিছো যে আর্য্য মানে উত্তম পুৰুষ আৰু অনার্য্য মানে দস্যু। পৃথিবীত যিবোৰ দেশ আছে সেই সকলোবোৰ দেশেই এই আর্য্যাবর্ত্ত দেশৰ প্রশংসা কৰি কয় যে সকলো ধাতুক স্পর্শ কৰা মাত্রে সোণলৈ পৰিবর্ত্তন কৰিব পৰা পৰশ মণি নামৰ কোনো শিল নাথাকিলেও আচলতে এই আর্য্যভূমিয়েই পৰশমণি। কাৰণ লৌহময় অর্থাৎ দৰিদ্র দেশবোৰ এই দেশৰ সংস্পর্শলৈ আহিলেই ধন ঐশ্বর্য্যশালী হৈ উঠে।

এতদ্দেশ প্রসূতস্য সকাশদগ্রজন্মনঃ।
স্বং স্বং চৰিত্রং শিক্ষেৰন্, পৃথিব্যাং সর্ব্বমানবাঃ॥
—মনু—২।২

অর্থ—এই আর্য্যাবর্ত্ত দেশত জন্ম গ্রহণ কৰা ব্রাহ্মণ অর্থাৎ জ্ঞানীসকলৰ পৰাই পৃথিবীৰ সকলো মানুহে নিজৰ বাবে উপযুক্ত বিদ্যা চৰিত্র আদি শিকা উচিত। মনুস্মৃতিৰ এই শ্লোকটোৱে মানৱ ইতিহাস বিদ সকলক গভীৰ

চিন্তা সাগৰত ডুবাই দিব পাৰে। বুদ্ধ যুগৰ বহুকাল পাছত পৃথিবীৰ অন্যান্য দেশত সভ্যতা বিস্তাৰ হয়। ভাৰতীয় সাহিত্যৰ ঐতিহাসিক দৃষ্টিত দেখা যায় যে, বুদ্ধৰ বহুকাল পূৰ্ব্বে মহাভাৰত, তাৰো পূৰ্ব্বে ৰামায়ণ, ৰামায়ণৰো পূৰ্ব্বে মনুস্মৃতি ৰচিত হৈছিল। মনুস্মৃতি, মানৱ সভ্যতাত যে সৰ্ব্ব প্ৰথম বিধি এই কথা জগতৰ সকলো মনীষীয়ে স্বীকাৰ কৰে। এই কথা যদি সত্য হয় তেন্তে মনুস্মৃতিৰ কথনৰ পৰা ধাৰণা কৰিব পাৰি যে, মনুস্মৃতিৰ বহুকাল পূৰ্ব্বতেই এই দেশত সভ্যতাৰ বিকাশ হৈছিল আৰু সেই সভ্যতাৰ প্ৰভাৱতেই পৃথিবীৰ অন্যান্য দেশৰ লগতে এই দেশৰ সংযোগ ঘটিছিল। মানৱ সভ্যতাত এই দেশ সৰ্ব্ব প্ৰথম হলে, এই দেশৰ পৰাই সভ্যতাৰ প্ৰচাৰ দেশ দেশান্তৰত হোৱাও সম্ভৱ। এয়েই উক্ত শ্লোকৰ ভাবাৰ্থ।

মানৱ সভ্যতা এই দেশত পূৰ্ণ বিকশিত হৈছিল যদিও, এই দেশৰেই বহুতো মানুহ সভ্য হৈ উঠা নাছিল। কালক্ৰমত এইদেশৰ সভ্যতা শাস্ত্ৰ-সাহিত্যতেই আবদ্ধ হৈ ৰ'ল, কিন্তু বাস্তৱ আচৰণত সেই সভ্যতা নৰ'ল। ইয়াৰ মূলতে হ'ল দাম্ভিকতা, অন্যায়, অতিলোভ, বিদ্যাৰ অপপ্ৰচাৰ, জাতিভেদ, সম্প্ৰদায়—ভেদ, পাৰস্পৰিক বিৰোধ আৰু সংঘৰ্ষ ইত্যাদি।

অথ কিমেতৈর্ব্বা পৰেঽন্যে মহাধনুর্ধৰাশ্চক্ৰৱৰ্ত্তিনঃ কেচিৎ সুদ্যুম্ন, ভূৰিদ্যুম্নেন্দ্রদ্যুম্ন, কুৱলয়াশ্ব যৌৱনাশ্ব ৱদ্ধ্র্য শ্বাশ্বপতি শশৱিন্দু হৰিশ্চন্দ্রাঽম্বৰীষো ননক্তু সৰ্য্যাতি যযাত্য নৰণ্যাক্ষসেনাদয়ঃ। অথ মৰুত্তভৰতপ্রভৃতয়ো ৰাজানঃ।

মৈত্র্যুপনি প্রঃ ১। খঃ ৪।

ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে আৰম্ভৰ পৰা মহাভাৰতৰ যুগ পৰ্য্যন্ত সাৰ্ব্বভৌম চক্ৰৱৰ্ত্তী নৃপতি সকল আৰ্য্যবংশৰেই হৈছিল। অনু-

তাপৰ বিষয় সেই সকলৰ বংশধৰ সকল কালক্ৰমত বিদেশীৰ পদানত হৰ লগা হয়। ইয়াত যেনেকৈ সুদ্যুম্ন, ভূৰিদ্যুম্ন, ইন্দ্রদ্যুম্ন, কুৱলয়াশ্ব, যৌৱনাশ্ব, ৱদ্ধ্র্যশ্ব, অশ্বপতি, শশৱিন্দু, হৰিশ্চন্দ্র, অম্বৰীষ, ননক্তু, সৰ্য্যাতি যযাতি, অনৰণ্য, অক্ষসেন, মৰুত্ত আৰু ভৰত সাৰ্ব্বভৌম অর্থাৎ সৰ্ব্বদেশ প্ৰসিদ্ধ, নৃপতি সকলৰ উল্লেখ আছে, সেইদৰে স্বায়ম্ভুৱ আদি সাৰ্ব্বভৌম নৃপতি সকলৰ উল্লেখ মনুস্মৃতি আৰু মহাভাৰত আদি গ্ৰন্থতো আছে।

প্রশ্ন—আগ্নেয়াস্ত্র আদি যিবোৰ অস্ত্রৰ কথা বর্ণিত আছে, সেইবোৰ সঁচা নে ? তদুপৰি তোপ বন্দুক আদি তেতিয়া আছিল নে ?

উত্তৰ—আগ্নেয় অস্ত্র সেই যুগত আমাৰ দেশত নথকাৰ কোনো সংশয় নাই। যিহেতু আগ্নেয় অস্ত্র আদি পদার্থ বিজ্ঞানৰ বিষয়। পদার্থ বিদ্যা থাকিলে সেইবোৰো থকা সম্ভৱ।

প্রশ্ন—সেইবোৰ দেৱতাৰ মন্ত্রৰ দ্বাৰাই সাধন কৰা হৈছিল নেকি ?

উত্তৰ—নহয়, যিবোৰ বাক্যেৰে যন্ত্র মূলক অস্ত্রশস্ত্র কার্য্যকৰী কৰা যায়—সেইবোৰকেই মন্ত্র বোলে। বেদৰ বাক্যবোৰক মন্ত্র বোলে। যি বাক্যৰ দ্বাৰাই যি কার্য্যকৰী আৰু প্রচলন কৰা যায়, সেই বাক্য মন্ত্র। "মন্ত্র" শব্দমূলক হোৱা বাবে তাৰ দ্বাৰাই কোনো দ্রব্য উৎপন্ন কৰা নাযায়। মন্ত্রৰ দ্বাৰাই অগ্নি উৎপন্ন হলে, যি জনে মন্ত্রবে অগ্নি উৎপন্ন কৰে তেওঁৰ হৃদয় আৰু জিহ্বাই ভস্ম হব আৰু শত্রুক বিনাশ কৰাৰ আগতে নিজে বিনাশ প্রাপ্ত হব। মন্ত্র মানে জ্ঞান বিদ্যা। ৰাজ মন্ত্রী মানে যাৰ ৰাজনৈতিক জ্ঞান আছে। মন্ত্র মানে কার্য্যকৰী জ্ঞান, যাৰ দ্বাৰাই ৰাসায়নিক পদার্থ আৰু কলা কৌশল উৎপন্ন হয়। লোৰে বাণ বা তোপ, গোলা নির্ম্মাণ কৰি, তাত যি পদার্থ দি অগ্নি সংযোগ কৰিলে বায়ুৰ সংস্পর্শত অগ্নি

প্রজ্বলিত হয়, তাকেই আগ্নেয়াস্ত্র বোলে। সেই আগ্নেয়াস্ত্র প্রতিবোধ কবিবলৈ হলে তাব বিপবীত বাৰুণাস্ত্র প্রয়োগ কবিব লাগে। শত্রু সেনাই আগ্নেয়াস্ত্র প্রয়োগ কবি যুদ্ধ কবিলে, নিজব পক্ষব সেনা বক্ষা কবিবলৈ বাৰুণাস্ত্রব দ্বাবাই আগ্নেয়াস্ত্রব ক্রিয়া নিষ্ক্রিয় কবিব লাগে। বাৰুণাস্ত্রও এনেকুৱা দ্রব্য বিশেষব সংযোগত নির্মিত হয় যে, যি বায়ুস্পর্শ মাত্রেই ধূম্র মেঘত পবিণত হৈ তৎক্ষণাৎ বর্ষণ কবিবলৈ আবম্ভ কবে আৰু অগ্নি নির্ব্বাপিত হয়। সেইদবে নাগপাশো অস্ত্র বিশেষ, যাক প্রয়োগ কবিলে শত্রু যোদ্ধাব অঙ্গ নিষ্ক্রিয় হৈ পবে। সেইদবে মোহনাস্ত্রব দ্বাবা মাদকদ্রব্য নিক্ষেপ কবিলেই তাব বাষ্পত সকলো শত্রু সেনা নিদ্রিত বা মূর্চ্ছিত হৈ পবে। এইদবে তাঁব বা অন্য কোনো বিশেষ পদার্থব পবা বিদ্যুৎ সৃষ্টি কবি শত্রু সৈন্য বিনাশ কবা হৈছিল। তাকো আগ্নেয়াস্ত্র আৰু পাশুপাত অস্ত্র বোলা হৈছিল।

"তোপ" আৰু "বন্দুক" অন্যদেশীয় ভাষাব শব্দ, সংস্কৃত বা এই দেশীয় শব্দ নহয়। সংস্কৃতত "তোপ" আৰু "বন্দুক"ক—সংস্কৃত ভাষাত "শতঘ্নী" আৰু "ভুশুণ্ডী" বোলে। সকলো বিদ্যাব মূল বা সূত্র এই আর্য্যাবর্ত্তব। ই আর্য্যাবর্ত্তব পবা মিচবলৈ যায়, মিচবব পবা গ্রীচ, গ্রীচব পবা বোম, বোমব পবা অন্যান্য য়ুবোপীয় দেশ আৰু য়ুবোপব পবা আমেবিকা আদিলৈ যায়।

মানব সভ্যতাব প্রথম বিকাশ আর্য্যাবর্ত্তত। তাব প্রমাণ সংস্কৃত সাহিত্য। সংস্কৃত সাহিত্যব এই দেশত যিমান প্রচাব, অন্যদেশত সিমান নাই। সংস্কৃত নজনা কোনো কোনোৱে কয় যে জার্ম্মানীত সংস্কৃতব বহুল প্রচাব আৰু মোক্ষমূলাব চাহাবে যিমান সংস্কৃত অধ্যয়ন কবিছে আন কোনেও সিমান কবিব পবা নাই। এইবোব কেৱল কথাব কথা। কাবণ, "যস্মিন্ দেশে দ্রুমো নাস্তি তত্রৈবণ্ডোঽপি দ্রুমায়তে।" অর্থাৎ যি দেশত কোনো

বৃক্ষ নাই, সেই দেশত এবা গছেই বৃহৎ বৃক্ষ বুলি গণ্য হয়। জার্ম্মানীত সংস্কৃতত প্রচাব নাছিল, জার্ম্মান সকলে কিছু আৰু বিশেষকৈ মোক্ষমূলাবে অধ্যয়ন কবাত সেয়েই সেই দেশব কাবণে অধিক প্রতীত হৈছে। কিন্তু আর্য্যাবর্ত্তব তুলনাত সেই দেশব সংস্কৃতব গণ্যিত্য অতি নগণ্য। কাবণ জার্ম্মান "প্রিন্সিপাল" এজনব চিঠিব পবা জানিব পবা গৈছে যে সংস্কৃতত লিখা চিঠিব অর্থ কবিব পবা মানুহ সেই দেশত বিবল। মোক্ষমূলাব চাহাবব সংস্কৃত সাহিত্য আৰু কিঞ্চিৎ বেদ-ব্যাখ্যা পাঠ কবি মই বুজিব পাবিছো যে, তেখেতে নানা ঠাইত আর্য্যাবর্ত্তীয় টীকাকাব সকলব টীকা পঢ়ি যেনে তেনে কিছুমান লিখিছে। যেনে—"**যুঞ্জন্তি ব্রধ্নমরুষং চরন্তং পরিতস্থুষঃ। রোচন্তে রোচনা দিবি ॥**" (ঋক্ ১।৬।১)॥ তেখেতে এই মন্ত্রব অর্থ "ঘোবা" কবিছে। সায়ণাচার্য্যই ইয়াব যি সূর্য্য অর্থ কবিছে, সি মোক্ষমূলাবব অর্থতকৈ শ্রেষ্ঠ। কিন্তু ইয়াব প্রকৃত অর্থ হৈছে পবমাত্মা। এই বিষয়ে মোব "ঋগ্বেদাদি ভাষ্যভূমিকা" গ্রন্থ দ্রষ্টব্য। সেই গ্রন্থত এই মন্ত্রব ব্যাখ্যা কবা হৈছে। জার্ম্মানসকলব আৰু মোক্ষমূলাবব—সংস্কৃত ভাষাব জ্ঞান কিমান দূব, এই দৃষ্টান্তব পবাই বুজা যায়। এই কথা নিশ্চিত যে, পৃথিবীত যিবোব বিদ্যা আৰু মতবাদব প্রচাব হৈছে—সকলোবোব এই আর্য্যাবর্ত্তব পবাই উদ্ভাবন হোৱা। "জ্যাকালয়ট" (মূলত গোলুষ্টকাব আছিল) নামব এজন কবাচী দেশীয় লিখকে তেওঁব "বাইবেল-ইন্-ইণ্ডিয়া" নামব গ্রন্থত লিখিছে যে, আর্য্যাবর্ত্ত হৈছে সকলো বিদ্যা আৰু কল্যাণব ভাণ্ডাব। সকলো বিদ্যা আৰু সকলো মত এই দেশব পবাই বিস্তাবিত হৈছে। তেওঁ পবমেশ্বৰক প্রার্থনা কবিছে, "হে পবমেশ্বব! পূর্ব্বকালত আর্য্যাবর্ত্ত যেনেকুৱা উন্নত আছিল আমাব দেশকো তেনে উন্নত কবা।" উক্ত গ্রন্থ দ্রষ্টব্য। সম্রাট্ দাবাচিকোহেও নিশ্চয়কৈ জানিছিল যে, সংস্কৃত

ভাষাত যিমান বিদ্যা আছে, অন্য কোনো ভাষাতে সিমান নাই। তেওঁ উপনিষদৰ অনুবাদত লিখিছে—"মই আৰবী আদি অনেক ভাষা অধ্যয়ন কৰিছো কিন্তু তাৰ পৰা মোৰ মনৰ সংশয় দূৰ হোৱা নাই আৰু আনন্দও পাৰ পৰা নাই। যেতিয়া সংস্কৃত পঢ়িলো আৰু শুনিলো, তেতিয়াহে নিঃসংশয় হৈ পৰম আনন্দ পাইছো।" কাশীৰ মানমন্দিৰৰ শিওমাৰ চক্ৰৰ সম্পূৰ্ণ বক্ষণাবেক্ষণ নোহোৱা সত্তেও কিমান সুন্দৰ হৈ আছে। ইয়াৰ দ্বাৰাই আজি পৰ্য্যন্ত খগোলৰ অনেক বৃত্তান্ত জানিব পাৰি। "সৱাঈ জয়পুৰাধীশ" এ যদি সংৰক্ষণ আৰু ভগ্নাংশবোৰ পুনর্নির্ম্মাণ কৰে তেন্তে সি অতি উত্তম কার্য্য হব। মহাভাৰতৰ যুদ্ধই এই দেশৰ অধঃপতনৰ কাৰণ, সেইয়ে তেতিয়াৰ পৰাই এই দেশৰ পুনৰুত্থান হব পৰা নাই। গৃহ যুদ্ধৰ পৰিণাম যে ভয়াবহ তাত সন্দেহ কি ?

"বিনাশ কালে বিপৰীত বুদ্ধিঃ" (বৃদ্ধ চাণক্য, অঃ ১৬।১৭) এই ফাঁকি কোনোবা কবিৰ বচন। বিনাশ কাল ওচৰ চাপিলে বুদ্ধিও বিপৰীত হয়। মানুহৰ বিপৰীত কার্য্যত প্রবৃত্তি হয়। ভাল কথা বুজালে বিপৰীত জ্ঞান কৰে। আৰু বিপৰীত বুলি কলে তাকেহে ভাল বুলি ভাবে। মহাভাৰতৰ যুদ্ধৰ সংক্রান্তত অনেক বিদ্বান ৰাজা, মহাৰাজা, আৰু ঋষি মুনি মৃত্যু মুখত পতিত হয়। তাৰ ফলত অধ্যয়ন অধ্যাপনা বিদ্যাৰ চর্চ্চা লোপ হয়। সকলোৱে পৰস্পৰে ঈর্ষা-দ্বেষ আৰু দলা দলিৰ সংঘর্ষত মগ্ন হয়। নৈতিক আচৰণৰ ঠাইত শক্তি আৰু অন্যায় অধর্ম্ম বলবৎ হল। এইদৰে আর্য্যাবর্ত্ত দলা দলি আৰু খণ্ড খণ্ড ৰাজ্যত পৰিণত হৈ হিংসাৰ ক্ষেত্র হল। দেশৰ ব্রাহ্মণ শ্রেণী বিদ্যাহীন হলে বাকী ক্ষত্রিয়, বৈশ্য আৰু শূদ্রৰ জ্ঞান থাকিব কত ? পৰস্পৰ ক্রমে অর্থ সহ বেদ অধ্যয়নৰ যি প্রথা আছিল, সি লুপ্ত হয়। ব্রাহ্মণসকলে কেৱল জীৱিকাৰ

অর্থে কোনো মতে সামান্য পাঠ কৰিবলৈ শিকিলে, কিন্তু ক্ষত্রিয় আদিক সামান্যও নিদিয়া হল। গুৰুসকল বিদ্যাহীন হলত, ছল, কপট আৰু অন্যায় অধর্ম্ম বাঢ়ি যাবলৈ ধৰিলে। স্বার্থপৰ ব্রাহ্মণসকল সমাজৰ স্বার্থতকৈ নিজৰ নিজৰ জীৱিকা প্রতিষ্ঠা কৰাত ব্যস্ত হ'ল। গতিকে সেই উদ্দেশ্যতেই প্রচাৰ কৰাত লাগিল যে ব্রাহ্মণেই ক্ষত্রিয় আদি বাকী সকলো বর্ণৰ "পূজ্য দেৱ"। আমাৰ অর্থাৎ ব্রাহ্মণসকলৰ পূজা সেৱা নকৰিলে বাকী বর্ণৰ স্বর্গ বা মুক্তিলাভ হব নোৱাৰে। গতিকে বাকী সকলো বর্ণই ব্রাহ্মণসকলৰ পূজা সৎকাৰ কৰাই ধর্ম্ম—তাকে নকৰিলে ঘোৰ নৰক ভুগিব লাগিব। সর্ব্বমান্য বেদ আৰু ঋষি মুনিসকলৰ অন্যান্য শাস্ত্রত লিখিত আছে যে, জ্ঞানী আৰু ধর্ম্মাত্মা হব পাৰিলেহে ব্রাহ্মণ হব পাৰে, ব্রাহ্মণ কুলত জন্ম হলেই নহয়। কিন্তু মূর্খ, বিষয়াসক্ত, কপটীয়া, লম্পট আৰু অধার্ম্মিক সকলেও ব্রাহ্মণ কুলত জন্ম লোৱা বাবে ব্রাহ্মণ বুলি দাবী কৰিবলৈ ধৰিলে। শাস্ত্রত বিদ্বান আপ্ত পুৰুষসকলৰ যিবোৰ লক্ষণ বর্ণনা কৰা আছে সেইবোৰ জানো মূর্খ ব্রাহ্মণৰ গাত থাকিব পাৰে ? ক্ষত্রিয় আদি যজমান সকল যেতিয়া সংস্কৃত ভাষাত অজ্ঞ হল, তেতিয়া সেই অলীক সাধুকথাবোৰ বিশ্বাস কৰিবলৈ বাধ্য হ'ল। তেতিয়াৰ পৰা সেই নামত ব্রাহ্মণসকলৰ সুবিধাৰ ক্ষেত্র সৃষ্টি হল, সেইসকলে তেওঁলোকৰ কথাৰ জালেৰে সকলোকে বশীভূত কৰিবলৈ ধৰিলে—

ব্রহ্মবাক্যং জনার্দ্দনঃ

অর্থাৎ ব্রাহ্মণৰ মুখৰ পৰা যি কোনো বাক্য নির্গত হয়, সি সাক্ষাৎ ভগৱানৰ মুখৰ নিঃসৃত। যেতিয়া অজ্ঞানেৰে অন্ধ অথচ ধনাঢ্য ক্ষত্রিয়

আদি বর্ণৰ লোক শিষ্য হল, তেতিয়া তথাকথিত ব্রাহ্মণসকলৰ বিষয়ানন্দ ভোগৰ সুযোগ মিলিল। তেওঁলোকে ঘোষণা কৰিলে যে সংসাৰৰ উৎকৃষ্ট ভোগৰ সামগ্রীসমূহ ব্রাহ্মণৰ কাৰণেহে। গুণ, কর্ম্ম-স্বভাৱৰ ভিত্তিত প্রতিষ্ঠিত বর্ণ ব্যৱস্থাৰ ঠাইত জন্মৰ ভিত্তিত বর্ণ ব্যৱস্থা স্থাপন কৰা হ'ল। ব্রাহ্মণসকলে যজমানৰ পৰা মৰা মানুহৰো দান গ্রহণ কৰিবলৈ ধৰিলে। তেওঁলোকে ইচ্ছামতে যি কয়, সেয়েই বিধি ব্যৱস্থা হবলৈ ধৰিলে, তেওঁলোকে নিজে নিজে ঘোষণা কৰিবলৈ ধৰিলে যে, তেওঁলোক ভূদেৱ, তেওঁলোকৰ সেৱা নকৰিলে কোনেও দেৱলোক পোৱাৰ আশা কৰিব নোৱাৰে। তেওঁলোকৰ কুকর্ম্মৰ কোনো দোষ নাই। তেওঁলোকৰ কুকর্ম্মৰ কথা শুধিলে, বিতুষ্ট হৈ শাপ দি ভস্ম কৰিব পাৰে বুলি আনক ভয় খুৱাবলৈ আৰু অজ্ঞ মানুহে তাকেই বিশ্বাস কৰিবলৈ ধৰিলে। নিজৰ নিজৰ কুকর্ম্মৰ ফলত তেওঁলোকেও যে নৰক ভুগিব লাগিব, তেওঁলোকৰ সেই জ্ঞান নাই। শাস্ত্রত অৱশ্যে আছে "ব্রহ্মদ্রোহী বিনশ্যতি" অর্থাৎ যি ব্রাহ্মণৰ বিদ্বেষ কৰে তাৰ সর্ব্বনাশ ঘটে। যি সকল আত্মদর্শী, জগতৰ হিতকাৰী ব্রাহ্মণ সেই সকলৰ বিদ্বেষ কৰিলে নিশ্চয় সর্ব্বনাশ হব, কিন্তু যি সকল প্রকৃত ব্রাহ্মণেই নহয়, যাৰ গাত ব্রাহ্মণৰ লক্ষণেই নাই, সেইসকলৰ সেৱা কিয় কৰিব? আৰু যি সকল অধর্ম্মত লিপ্ত তেওঁলোকৰ নকৰি, কাৰ নিন্দা কৰিব?

প্রশ্ন—যাৰ পিতা-মাতা ব্রাহ্মণ আৰু কোনো সাধুৰ শিষ্য, তেওঁ সাধু ব্রাহ্মণ নহব কিয়?

উত্তৰ—পিতা মাতা ব্রাহ্মণ আৰু কোনো সাধু গুৰুৰ শিষ্যও হব পাৰে কিন্তু স্বয়ং গুণ কর্ম্ম আৰু স্বভাৱত ব্রাহ্মণ আৰু আচৰণত সাধু নহলে ব্রাহ্মণ বা সাধু হব নোৱাৰে। জন্মৰ পৰাই ব্রাহ্মণ হোৱা সকলে আমাৰ সমাজত পোপৰ লীলা চলাবলৈ ধৰিছে।

প্রশ্ন—পোপৰ লীলা নো কি?

উত্তৰ—বোমান ভাষাত জ্যেষ্ঠ আৰু পিতাকক পোপ বোলে। শুনা যায়, বোমৰ পোপসকলে তেওঁলোকৰ শিষ্যবোৰক হেনো কয় "তোমালোকে তোমালোকৰ পাপবোৰ মোৰ আগত প্রকাশ কৰিলে ক্ষমা কৰিব পাৰো মোৰ সেৱা আৰু মোৰ বিনা আদেশে স্বর্গ পাব নোৱাৰা। স্বর্গলৈ যোৱাৰ ইচ্ছা হলে, মোৰ হাতত যিমান ধন জমা দিয়া সিমান মূল্যৰ সুখ সম্পত্তি স্বর্গত পাব পাৰা।" এইদৰে পোপৰ কথা শুনি যেতিয়া কোনো অজ্ঞানান্ধ ধনী মানুহে স্বর্গ লাভৰ আশাত পোপক ধন দিয়ে তেতিয়া পোপে যীশু আৰু মৰীয়ম মূর্ত্তিৰ সম্মুখত ঠিয় হৈ খত লিখি দিয়ে এই বুলি—"হে প্রভু যীশুখৃষ্ট! অমুকে স্বর্গলৈ যোৱাৰ কাৰণে তোমাৰ নামত মোৰ হাতত ইমান ধন জমা দিছে। তেওঁ স্বর্গত উপস্থিত হলেই তোমাৰ পিতাৰ স্বর্গৰাজ্যত তেওঁ জমা দিয়া টকাৰ মূলৰ সুখৰ বাস-ভবন, যান-বাহন, আহাৰ-পানী, বস্ত্র-ভূষণ আদি প্রদান কৰাবা।" তাৰ পাছত পোপে সেই খতৰ শেষত স্বাক্ষৰ কৰি দাতাৰ হাতত দিয়ে—"তোমাৰ আত্মীয় স্বজনক কৈ থবা যে, তোমাৰ মৃত্যু হলে এই খতখন তোমাৰ কবৰত তোমাৰ মুৰৰ তলত যেন থাকে। স্বর্গীয় দূতে তোমাৰ সেই খতখন চাই স্বর্গলৈ লৈ যাব আৰু এই খতত লিখা মতে তোমাৰ স্বর্গ সুখৰ ব্যৱস্থা কৰাব।" পোপ জানিবা স্বর্গৰ ঠিকাদাৰ। ইউৰোপত যিমান দিনলৈ মানুহ অজ্ঞান আছিল, সিমান দিনলৈ এনেকুৱা পোপৰ লীলা চলিছিল। বিদ্যা শিক্ষাৰ প্রচাৰ হোৱাৰ পাছত হেনেকুৱা পোপৰ লীলা আৰু নচলে যদিও, একেবাৰেই নির্ম্মূল হোৱা নাই।

আমাৰ দেশতো সেইদৰেই ছল প্রবঞ্চনাৰে পোপৰ লীলা কৰি সমাজৰ হিতৰ নামত নিজৰ নিজৰ জীৱিকা উপার্জ্জনৰ পৰিকল্পনা চলিল। সেই

বুলি আমাৰ সমাজত একেবাৰে সৎ পুৰুষ নিঃশেষ হোৱা বুলি কব নোৱাৰি। যি সকল বিদ্বান, পৰোপকাৰী, সেইসকলহে ব্ৰাহ্মণ সেই সকলেই এতিয়ালৈকে আমাৰ সমাজক যুগে যুগে ৰক্ষা কৰি আহিছে। সৎ ব্ৰাহ্মণ একেবাৰেই নিঃশেষ হোৱা হলে বেদ বিদ্যাও লোপ পালেহেতেন। **"ব্ৰাহ্মণো ন হন্তব্যঃ সাধুর্ন হন্তব্যঃ"** যি প্ৰকৃত ব্ৰাহ্মণ আৰু সাধু, তেওঁৰ ক্ষেত্ৰতহে এই বাক্যৰোৰ প্ৰযোজ্য হয়। এই বাক্যৰোৰ পোপৰ দৰে ব্ৰাহ্মণ নামধাৰী সমাজৰ প্ৰবঞ্চকৰোৰেও নিজৰ নিজৰ ক্ষেত্ৰত আৰোপ কৰি ললে। সঙ্ঘবদ্ধ হৈ নিজৰ নিজৰ জীৱিকাৰ স্বাৰ্থত ঋষি মুনিসকলৰ নাম দি গ্ৰন্থ ৰচনা কৰি, তাকেই শাস্ত্ৰ বুলি অবিদ্বান শাসক নৃপতিসকলক ব্যাখ্যা কৰি ব্ৰাহ্মণৰ নামত দণ্ড-ব্যৱস্থা নিষেধ কৰি ললে। কিছুমান বিধিৰ বিধান শাস্ত্ৰৰ বাক্যৰোৰ বদলাই আৰু তাৰ ঠাইত প্ৰক্ষিপ্ত বাক্য ৰচনা কৰি প্ৰচাৰ কৰিলে। ঋষিমুনিৰ বিধি-বিধানৰ ঠাইত প্ৰবঞ্চনাৰ বিধি-বিধানৰ প্ৰচলন হল। ৰাজ্যৰ শাসক সকলৰ ধাৰণা বদ্ধমূল কৰিলে যে, ব্ৰাহ্মণ যিখানেই চৰিত্ৰহীন হওক বা দোষ কৰক তাৰ বাবে দণ্ডনীয় কোঁৱাও হব নোৱাৰে, ব্ৰাহ্মণৰ সৰু বৰ নাই ইত্যাদি। দুষ্কৰ্মকাৰী ব্ৰাহ্মণ যে দণ্ডনীয় হব পাৰে এই কথা সমাজৰ কোনেও ভাবিবই নোৱাৰা হ'ল। পৰিণামত বেদাদি শাস্ত্ৰৰ প্ৰচাৰ নোহোৱা হল আৰু জাতি-উপজাতিৰ ওপৰত ব্ৰাহ্মণৰ শোষণ চলিবলৈ ধৰিলে। মহাভাৰতৰ যুদ্ধৰ এহেজাৰ বছৰৰ আগৰ পৰাই এই নৈতিক অধঃপতনৰ সূত্ৰপাত হয়। সেই সময়ত ঋষি মুনিসকলৰ প্ৰতিষ্ঠিত বেদ বিদ্যাৰ শিক্ষানুষ্ঠান থকা সত্ত্বেও কিছুমান চতুৰ প্ৰবঞ্চকে সঙ্ঘবদ্ধ হৈ এনেধৰণৰ ষড়যন্ত্ৰত লিপ্ত হয়।

উপদেশ্যোপদেষ্টৃত্বাৎ তৎসিদ্ধিঃ। ইতৰথান্ধপৰম্পৰা॥
সাংখ্য সূঃ (অঃ ৩।৭৯।৮১)॥

অৰ্থাৎ— সদুপদেষ্টা হলেহে ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষৰ সাধন আৰু সিদ্ধি হব পাৰে, আৰু সদুপদেশ দিওঁতা আৰু শ্ৰোতাৰ অন্তৰত অন্ধপৰম্পৰা চলিবলৈ ধৰে। পুনঃ সৎপুৰুষৰ সৃষ্টি হৈ সদুপদেশ দিলে অন্ধপৰম্পৰা দূৰ হৈ জ্ঞান পৰম্পৰা চলিবলৈ ধৰে। শেষত পোপৰ দৰে জাতি উপজীৱি আত্ম প্ৰবঞ্চক ব্ৰাহ্মণে চৰণৰ পূজা আৰু চৰণ ধোৱা পানী পৰ্য্যন্ত মানুহক পান কৰাই পাপ মুক্ত কৰিবলৈ ধৰিলে। এই দৰে যেতিয়া জনসাধাৰণ আত্ম প্ৰবঞ্চক মিথ্যা গুৰু শিষ্যৰ বশীভূত হৈ পৰিল, তেতিয়া আৰ্য্যাবৰ্ত্তৰ জনসাধাৰণ অজ্ঞান, প্ৰমাদ আৰু বিষয়াসক্তিত নিমগ্ন হ'ল। বিদ্যা, বুদ্ধি, পৰাক্ৰম আৰু শৌৰ্য্য বীৰ্য সকলো নিৰ্ম্মূল হল। সেই প্ৰবঞ্চক সঙ্ঘৰ ভিতৰৰ পৰাই বাম-মাৰ্গীৰ আবিৰ্ভাব হৈ "শিৱ-উবাচ", "পাৰ্ব্বত্যুবাচ" আৰু "ভৈৰৱ উবাচ" ইত্যাদি লিখি তন্ত্ৰ শাস্ত্ৰ ৰচনা কৰি তাৰ ভিতৰত গোপন বিচিত্ৰ লীলা-খেলা সন্নিবিষ্ট কৰা হ'ল—

মীনংমদ্যং মাংসংচ মুদ্ৰা মৈথুনমেৱ চ।
এতে পঞ্চ মকাৰাঃ স্যুৰ্মোক্ষদা হি যুগে যুগে॥
(কালীতন্ত্ৰ)

প্ৰৱৃত্তে ভৈৰৱীচক্ৰে সৰ্ব্বে বৰ্ণা দ্বিজাতয়ঃ॥
নিৱৃত্তে ভৈৰৱীচক্ৰে সৰ্ব্বে বৰ্ণাঃ পৃথক্ পৃথক্॥ ২
(কুলাৰ্ণৱ তন্ত্ৰ)।

পীত্বা পীত্বা পুনঃ পীত্বা যাৱৎ পততি ভূতলে।
পুনৰুত্থায় ৱৈ পীত্বা পুনৰ্জন্ম ন ৱিদ্যতে॥ ৩
(মহানিৰ্ব্বাণ তন্ত্ৰ)।

মাতৃযোনিং পৰিত্যজ্য ৱিহৰেৎ সৰ্ৱযোনিষু॥ ৪

বেদশাস্ত্র পুরাণানি সামান্যগণিকা ইব।
একৈব শাম্ভবী মুদ্রা গুপ্তা কুলবধূরিব ॥ ৫
(জ্ঞান-সঙ্কলনী তন্ত্র)

এইবোর পোপর দরে প্রবঞ্চকর লীলা। যিবোর বেদবিরুদ্ধ অধর্ম্ম, সেই বোরকেই বাম-পন্থীয়ে শ্রেষ্ঠধর্ম্ম বুলি আচরণ করে। তেওঁলোকে মদ, মাংস, মীন (অর্থাৎ মৎস্য) মুদ্রা, পূরী, কচৌরী, কটি আদি চর্ব্বণ, যোনি, পাত্রাধার, মুদ্রা আরু পঞ্চম মৈথুন অর্থাৎ সকলো পুরুষ শিল আরু স্ত্রীসকলো পার্ব্বতীর তুল্য মানি—

"অহং ভৈরবস্ত্বং ভৈরবী হ্যাবয়োরস্তু সঙ্গমঃ।" এই অর্থহীন বচন উচ্চারণ করি সমাগম করাত মহা দোষ বুলি ভাবির নোরারে। চরিত্রহীন স্ত্রীক অতি পবিত্র বুলি কয়। যি রজস্বলা স্ত্রীর স্পর্শ শাস্ত্রত নিষেধ করিছে, তাকেই বামপন্থীয়ে অতি পবিত্র বুলি কয়। তেওঁলোকর শ্লোকর নমুনা—

রজস্বলা পুষ্করং তীর্থং চাণ্ডালী তু স্বয়ং কাশী।
চর্ম্মকারী প্রয়াগঃ স্যাদ্রজকী মথুরা মতা ॥
অযোধ্যা পুক্কসী প্রোক্তা ॥ (রুদ্র যামল তন্ত্র)।

বামপন্থীর মতে রজস্বলা হোরা স্ত্রীর লগত সমাগম পুষ্কর তীর্থস্নান, চাণ্ডালী সহ সমাগম কাশী গমন, চর্ম্মকারিণীর লগত সমাগম প্রয়াগ স্নান; রজকীর লগত সমাগম, মথুরা ভ্রমণ আরু কঞ্জরীর লগত সমাগম, অযোধ্যা, তীর্থ গমন বুলি কয়। তেওঁলোকে মদক "তীর্থ", মাংসর নাম "শুদ্ধি", আরু "পুষ্প", মাছর নাম "তৃতীয়", "জলতুম্বিকা" মুদ্রার নাম "চতুর্থী" আরু মৈথুনর নাম "পঞ্চমী" রাখিছে। আনে যাতে বুজির নোরারে তার কারণেই এনেবোর নাম রাখিছে। তেওঁলোকে নিজক "কৌল"

"আর্দ্রবীর", "শাম্ভর" আরু "গণ" আদি নামেরে পরিচয় দিয়ে। যি তেওঁলোকর মত অনুসরণকারী নহয়, সেই সকলক "কণ্টক" "বিমুখ" আরু "শুষ্কপশু" আদি বোলে। ভৈরবীচক্র আরম্ভ হলে ব্রাহ্মণর পরা আরম্ভ করি সকলো "দ্বিজ" হৈ যায়, ভৈরবীচক্র ভাঙিলে পুনঃ নিজর নিজর বর্ণত ভিন্ন হয়। ভৈরবীচক্রত মাটি বা আসন বিশেষত এটা বিন্দু, ত্রিকোণ, চতুষ্কোণ বা বর্ত্তুলাকার চিহ্ন অঙ্কন করি তার ওপরত মদর পাত্র স্থাপন করি পূজা করে। পূজার মন্ত্র "ব্রহ্মশাপং বিমোচয়" অর্থাৎ হে মদ! তুমি ব্রহ্মার অভিশাপর পরা মুক্ত। কোনো গোপন স্থানত বামপন্থীসকল গোট খায়। তাত অন্য মানুহর প্রবেশ নিষেধ। ভৈরবীচক্রত এক বিবস্ত্রা নারীক পুরুষ সকলে আরু এক বিবস্ত্র পুরুষক নারীসকলে পূজা করে। তাত কারোবার মাক, কারোবার স্ত্রী, কারোবার কন্যা আদি নারী আরু সেই দরেই পুরুষো গোটখায়। তার পাছত এক মদপূর্ণ পাত্র আরু এক পাত্রত মাংস আরু অন্য ভজা খাদ্য তেওঁলোকর গুরুর আগত দিয়ে। গুরুরে মদর পাত্র হাতত লৈ "ভৈরবোঽহম্" "শিরঽহম্" অর্থাৎ মই ভৈরব বা মই শিব বুলি প্রথমতে পান আরু ভোজন আরম্ভ করে। তার পাছত গুরুরে খোরা পাত্রর পরা প্রসাদ বুলি সকলোরে পান আরু আহার আরম্ভ করে। তার পাছত কোনো নারীয়ে কোনো পুরুষক ভৈরব বুলি সম্বোধন করি মদ যাচে আরু পুরুষেও সেইদরে কোনো নারীক ভৈরবী বুলি মদ দিয়ে। এইদরে ভৈরবর প্রসাদ ভৈরবীয়ে আরু ভৈরবীর প্রসাদ ভৈরবে পান করোঁতে যেতিয়া উন্মত্ত হৈ পরে, তেতিয়া নারী পুরুষর বাচ-বিচার এরি ইচ্ছামতে কুকর্ম্মত নিমগ্ন হয়। নিশা অধিক হলে মারপিটো চলে। কোনো কোনোরে বমন করে। সেই বমন তেওঁলোকর ভিতরত যি খার পারে, সেইজন অঘোরী অর্থাৎ সিদ্ধ পুরুষ আরু সর্ব্ব শ্রেষ্ঠ। শ্রেষ্ঠ পুরুষর লক্ষণ—

হালাং পিবতি দীক্ষিতস্য মন্দিরে সুপ্তো নিশায়াং
গণিকাগৃহেষু। বিরাজতে কৌলবচক্রবর্ত্তী ॥

যি সুরীর ঘরত নির্ভয় নিঃসঙ্কোচ হৈ মদ পান করে রাতি বেশ্যার ঘরত শোরে তেওঁরেই বামপন্থীসকলর ভিতরত চক্রবর্ত্তী অর্থাৎ সর্ব্বোচ্চ সম্মানীয়। অর্থাৎ তেওঁলোকর সমাজত যি অধিক কুকর্ম্ম করিব পারে তেওঁ শ্রেষ্ঠ আরু সৎ কর্ম্মত আস্থা রাখে তেওঁ মায়াত আবদ্ধ আরু নিকৃষ্ট। কারণ—

পাশবদ্ধো ভবেজ্জীবঃ পাশমুক্তঃ সদাশিবঃ ॥
(জ্ঞানসঙ্কলিনী তন্ত্র, শ্লোক—৪৩)।

তন্ত্রত কথিত আছে যে, যি লোকলজ্জা, শাস্ত্রলজ্জা, কুললজ্জা আরু দেশলজ্জা, আদি পাশত বদ্ধ থাকে সি জীব, যি এইবোর পাশর পরা মুক্ত অর্থাৎ সভ্য সমাজে যিবোর কুকর্ম্মরূপে বিবেচনা করে, সেইবোর করিব পারিলে সদাশিব হব পারে। উড্ডীশ তন্ত্রত এক প্রকার বিধি আছে। সেই বিধিমতে এটা ঘরর চারিওফালে কোঠাই প্রতি পাত্র ভরাই মদ রাখিব। প্রথম কোঠাত মদ পান করি দ্বিতীয় কোঠালৈ যাব, দ্বিতীয় কোঠার মদ পান করি তৃতীয় কোঠালৈ যাব, তৃতীয় কোঠার মদ পান করি চতুর্থ কোঠালৈ যাব। এইদরে কাঠর দরে মাটিত পরি নোযোরালৈকে মদ পান করিব। তার পাছত মদর নিচা কমিলেহে আরু আগর দরে তিনিবার মদ পান করি যদি উঠিব পারে তেন্তে পুনর্জ্জন্ম নহয়। ৩॥ অরশ্যে এই কথা সত্য বুলিয়েই ভাবিব লাগিব—কারণ এনেকুরা মানুহ বহুকাল নিকৃষ্ট যোনিতেই জন্মিব লাগিব, মানব জন্ম পুনরায় দুর্ল্লভ। বামপন্থীর তন্ত্র গ্রন্থত এনে কথাও আছে যে মাতৃ যোনির বাহিরে ভগ্নী, কন্যা আদি সকলো যোনিত সমাগম করা উচিত। বামাচারীসকলর ভিতরত দশ মহাবিদ্যা প্রসিদ্ধ। তার ভিতরতে কোনো মাতঙ্গী

বিদ্যাবিশিষ্টই কৈছে "মাতরমপি ন ত্যজেৎ", অর্থাৎ মাতৃ সম্মানশ্ৰী ত্যাগ করা নহয়॥ ৪॥ তেওঁলোকর সমাগমর সময়ত মন্ত্র পাঠ করে "আমার সিদ্ধি লাভ হওক।" এয়েই বামাচারী মন্ত্রর বহস্য। অসত্য প্রচার করিবলৈ হলে সত্যর নিন্দা করিবই লাগিব। গতিকে বামাচারীয়ে কয়—যে বেদ, শাস্ত্র, পুরাণ সামান্য গণিকাতুল্য। কিন্তু তেওঁলোকর শাম্ভরী মুদ্রা গুপ্ত কুলবধূতুল্য ॥ ৫॥ এইদরে গোপনে বামাচারী পন্থ চলে। বামাচারী সঙ্ঘ বিস্তার হোরাত বেদর নামতো চতুর বচনা করে। যেনে—

সৌত্রামন্যাং সুরাং পিবেৎ। প্রোক্ষিতং ভক্ষয়েন্মাংসম্। বৈদিকী হিংসা হিংসা ন ভবতি॥
ন মাংস ভক্ষণে দোষো, ন মদ্যে ন চ মৌথুনে
প্রবৃত্তিরেষা ভূতানাং নিবৃত্তিস্তু মহাফলা ॥
মনু (অঃ ৫।৫৬)॥

সৌত্রামণি যজ্ঞত মদ পান করিব—ইয়ার অর্থ সৌত্রামণি যজ্ঞত সোমরস অর্থাৎ সোমলতার রস পান করিব। "প্রোক্ষিত" যজ্ঞত মন্ত্র পূত মাংস ভোজনত দোষ নাই। এনেবোর পাপাচারী বামাচারীর হে বচন কোনো সৎপুরুষর বচন হব নোরারে। বৈদিকী হিংসা যদি হিংসা নহয়, তেন্তে পশু মারি হোম করাতকৈ তেওঁলোকর আত্মীয় স্বজনক বধ করি হোম নকরে কিয়? মাংস ভক্ষণ, মদ্যপান, পরস্ত্রীগমন ইত্যাদি সৎ বিবেচনা শূণ্য মানুহর কথা হব পারে। বিনা অপরাধে প্রাণি বধ কদা ধর্ম্ম কর্ম্ম হব নোরারে। বামাচারীর গ্রন্থর বাহিরে আন সকলো গ্রন্থতেই মদ্য পান নিষেধ। বিনা বিবাহে মৈথুন দোষণীয় কারণেই সভ্য সমাজত বিবাহ বিধির বিবেচনা করা হৈছে। এইদরে মনীষীসকলর রচিত গ্রন্থত অযথা বাক্য প্রক্ষিপ্ত করিছে আরু সৎপুরুষ সকলর রচিত

বাক্যব অংশ মিলাই অসৎ প্রকৃতিব মানুহে নিজব নামত গ্রন্থ বচনা কবিছে। পশু হত্যা কবি যজ্ঞ কবিলে পশু আৰু যজমানে স্বর্গ লাভ কবে। এনেবোব কথা প্রচাব কবি "গোমেধ", "অশ্বমেধ" আদি নাম দি যজ্ঞব প্রচলন কবে। ব্রাহ্মণ গ্রন্থত এইবোব শব্দব অর্থ যিদবে কবিছে সেইদবে বুজিব পবা হলে এনেকুৱা অনর্থ কবিব নোৱাবিলেহেঁতেন।

প্রশ্ন—অশ্বমেধ, গোমেধ আৰু নবমেধ আদি শব্দব অর্থ কি?

উত্তব—ইয়াব অর্থ—

বাষ্টং বা অশ্বমেধঃ ॥ (শতঃ ১৩।১।৬।৩)

অন্নং হি গৌঃ ॥ (শতঃ ৪।৩।১।২৫)

অগ্নির্বা অশ্বঃ। আজ্যং মেধঃ ॥ (শত: পথ ব্রাহ্মণ)

অশ্ব গবাদি পশু আৰু মানুহ বধ কবি হোম কবাব কথা কোনো শাস্ত্রত নাই। কেৱল বামাচাবীব গ্রন্থত হে এনেকুৱা বিপবীত অর্থ লিখা হৈছে। বামাচাবী সকলব দ্বাবাই এনেবোব অর্থ প্রচাবিত হৈছে। অন্যান্য গ্রন্থতো যদি এনেকুৱা বাক্য আছে তেন্তে সিবোব বামাচাবী সকলব দ্বাবাই প্রক্ষিপ্ত হৈছে। শাসক নৃপতিসকলব ন্যায় ধর্ম্মবে প্রজাব পালন, জ্ঞান বিদ্যাব কর্ম্মানুষ্ঠানেবে মানব সমাজত জ্ঞানব বৃদ্ধি কবা, হোমাগ্নিত পবিত্র ঘৃতাহুতি দি বায়ু মণ্ডল বিশুদ্ধ কবাকে **অশ্বমেধ যজ্ঞ** বোলে। গো মানে পৃথিবী, অন্ন শস্য আদিবে পৃথিবীত সর্ব্বপ্রকাব উন্নয়ন মূলক কর্ম্মানুষ্ঠান কবাই **গোমেধ যজ্ঞ**। মৃত মানবব দেহদাহ কবা অনুষ্ঠানক **নবমেধ যজ্ঞ** বোলে। বাষ্ট্রব উন্নয়ন মূলক সকলো কর্ম্ম **অশ্বমেধ যজ্ঞ**। গো মানে অন্ন, পৃথিবী, কিবণ ইত্যাদি। অশ্ব মানে, অগ্নি, জ্ঞান আদি। মেধ মানে হোম।

প্রশ্ন—যজ্ঞব ব্যবস্থাপক সকলে কয়—যে যজ্ঞত বধ কবা পশু আৰু যজমান দুয়ো স্বর্গ লাভ কবে আৰু সেই যজ্ঞত বধ কবা পশুকো হোমব দ্বাবা পুনর্জীবিত কবে এইবোব কথা সঁচা নে?

উত্তব—মিছা কথা, যি সকলে স্বর্গলৈ যায় বুলি কয়—তেওঁলোকক বধ কবি তাবেই হোম কবি স্বর্গলৈ পঠিয়া উচিত। তেওঁলোকে নিজব নিজব প্রিয় মাতা-পিতা, স্ত্রী-পুত্র আদিক বধ কবি হোমব দ্বাবাই স্বর্গলৈ পঠিয়াই নিদিয়ে কিয়? নাইবা যজ্ঞবেদীব পবা পুনর্জীবিত কবি নলয় কিয়?

প্রশ্ন—যজ্ঞ কবোতে বেদব মন্ত্র পাঠ কবা হয়, বেদত সেইবোব তেনে বিষয়ব মন্ত্র নাথাকিলে কেনেকৈ পাঠ কবিব পাবে?

উত্তব—মন্ত্রই পাঠ কবোতাক বাধা নিদিয়ে। মন্ত্র শব্দ বিশেষ হে। পশু বধ কবি হোম কবাটো মন্ত্রব অর্থ নহয়। ঘৃত, অন্ন আদি পুষ্টিকব বোগ নাশক আৰু সুগন্ধি দ্রব্যবে অগ্নিত আহুতি দিলে বায়ু, বৃষ্টি বিশুদ্ধ হয়, আৰু ফলত জগতব সকলো প্রাণীবে উপকাব হয়। মূর্খ বিলাকেহে এই সত্যব তাৎপর্য্য নুবুজি যজ্ঞব নামত স্বার্থ সিদ্ধি কবে। কাবণ স্বার্থ পবে স্বার্থব বাহিবে আন একো ভাবিবই নোৱাবে।

এই দবেই এক বৃত্তি ধাবীসকলে মৃতকব শ্রাদ্ধ তর্পণ আদি অনুষ্ঠান প্রচাব কবি জীৱিকা অর্জ্জন কবে। বেদ বিদ্যাব অধ্যয়ন, অধ্যাপনা লোপ পায়। বক বৃত্তিধাবীসকলব অনাচাব আৰু প্রবঞ্চনাত মানুহে বৈদিক ধর্ম্মত আস্থা হেকৰায়—আৰু বেদ বিৰুদ্ধ বৌদ্ধ আৰু জৈন মত প্রচলিত হয়।

নাস্তিক মত। নাস্তিক সম্প্রদায়ব চার্ব্বাক আৰু আভাণকে বচনা কবা শ্লোক—

পশুশ্চেন্নিহতঃ স্বর্গং জ্যোতিষ্টোমে গমিষ্যতি।

স্বপিতা যজমানেন তত্র কস্মান্ন হিংস্যতে ॥ ১
মৃতানামিহ জন্তূনাং শ্রাদ্ধং চেত্তৃপ্তিকারণম্ ।
গচ্ছতামিহ জন্তূনাং ব্যর্থং পাথেয়কল্পনম্ ॥ ২

অর্থ— যদি পশু বধ করি অগ্নিত হোম করিলে সেই বধ করা পশু স্বর্গলৈ যায়, তেন্তে যজমানে নিজর পিতাকক বধ করি স্বর্গলৈ নপঠায় কিয়? ॥ শ্রাদ্ধ তর্পণর দ্বারাই যদি মৃতকর তৃপ্তি হয়, তেন্তে স্থানান্তরলৈ যোরা মানুহর আহার পানী ঘরতেই অর্পণ করিলে তৃপ্তি হব পারে দেখোন? ॥২॥ এঠাইর মানুহে যদি আন-এঠাইর আহারদ্বারা তৃপ্ত হব নোরারে, তেন্তে মৃতকর শ্রাদ্ধ তর্পণ করিলেও তৃপ্তি হব নোরারে, গতিকে ই মিছা প্রবঞ্চনা। এনেবোর যুক্তির ভিত্তিত জৈন মতর আবির্ভাব হয়। দেশর প্রভাবশালী শাসক নৃপতির অনেকে জৈনমত অবলম্বন করাত আরু জৈনমতর প্রচার হোরাত বরু বৃত্তিধারী সকলেও স্বার্থ সিদ্ধির কারণে জৈনমতর সুযোগ লয়। বেদর অধ্যয়ন অধ্যাপণা হ্রাস হোরাত আরু যার যি ইচ্ছা সংস্কৃতত লিখি বেদ বুলি প্রচারর পরিণামত— সর্ব্ব-সাধারণে বেদর প্রতি আস্থা হেরুরায়—। জৈন মতাবলম্বী সকলে বেদ নজনার কারণে সেই বরু বৃত্তিধারী সকলর লিখিত গ্রন্থবোরকে বেদ বুলি বেদর নিন্দা প্রচার করাত লাগিল। ফলত বেদর অধ্যয়ন-অধ্যাপনা আরু বৈদিক আশ্রম ধর্ম্মর আচরণ উঠি যায় জৈন মতাবলম্বী সকলর ঋষভদেবর পরা মহাবীরলৈকে তীর্থঙ্কর সকলর বৃহৎ মূর্ত্তি নির্ম্মাণ করি পূজা প্রচলিত করে। প্রায় তিনি বছর জুরি দেখাত জৈন মতর প্রভার আরু বেদর জ্ঞান লুপ্ত প্রায় হয়।

এইদরে প্রায় আঢ়ৈ হেজার বছর অতীত হোরার পিছত ভারতর দ্রাবিড় প্রদেশত অখণ্ড ব্রহ্মচারী, ব্যাকরণাদি শাস্ত্র শঙ্করাচার্য্যর আবি-

র্ভার হয়। শঙ্করাচার্য্যই জৈন সম্প্রদায়র গ্রন্থসমুহো সম্পূর্ণ অধ্যয়ন করে। শঙ্করাচার্য্যই উজ্জয়িনী রাজ্যলৈ আহি, উজ্জয়িনীর রজা সুধন্বাক সাক্ষাৎ করে। রজা সুধন্বা জৈন মতাবলম্বী, তেওঁ জৈন গ্রন্থর বাহিরে সংস্কৃত গ্রন্থরো অধ্যয়নশীল আছিল। জৈন পণ্ডিতসকল আরু শঙ্করাচার্য্যর মাজত এক আনুষ্ঠানিক শাস্ত্র আলোচনার বারে শঙ্করাচার্য্যই প্রস্তাব করে। আলোচনার চর্ত্ত আছিল যে, আলোচনাত যি পরাজিত হয়, তেওঁ নিজর মত পরিত্যাগ করি বিজেতার মত গ্রহণ করির লাগির আরু রজায়ো বিজেতার মতকেই গ্রহণ করির লাগির। সুধন্বা জৈনমতাবলম্বী আছিল যদিও সংস্কৃত শাস্ত্রর জ্ঞানো আছিল। যি সত্য আরু অসত্যর বিবেচনা করি সত্যর গ্রহণ আরু অসত্যক পরিত্যাগ করে সেয়েই প্রকৃত জ্ঞানী। জৈন মতর বিষয়ে তেওঁর মনত যিবোর সংশয় আছিল তার দূরীকরণর বারে কোনো জ্ঞানী পুরুষর সাক্ষাৎ লাভ হোরা নাছিল। রজা সুধন্বাই শঙ্করাচার্য্যর প্রস্তাবত আনন্দ আরু আগ্রহ প্রকাশ করি দূর দূরান্তরর জৈন পণ্ডিত সকলক আমন্ত্রণ করি সভা আহ্বান করে। আলোচনার বিষয় শঙ্করাচার্য্যর বৈদিক মত "অনাদি পরমাত্মা জগতর কারণ; জীর আরু জগত পরমেশ্বরর মায়া গতিকে মিথ্যা, জগত স্বপ্নবৎ। বৈদিক মতর বিরুদ্ধে জৈন মত আছিল—জীর আরু জগত অনাদি; এই দুইর অন্য কারণ নাই।

বহুদিন তর্ক-বিতর্ক, আলোচনা হোরার পাছত শঙ্করাচার্য্যই জৈনী পণ্ডিত সকলক নিমাত করি বৈদিক অদ্বৈত মত প্রমাণ করে। পরাজিত জৈন পণ্ডিত সকলে আরু রজাই শঙ্করাচার্য্যর মত গ্রহণ করে। রজা সুধন্বাই দূরস্থ আত্মীয় স্বজন আরু বন্ধু-বান্ধর সকলক আমন্ত্রণ করি অনাই শঙ্করাচার্য্যর লগত আলোচনা করালে। শঙ্করাচার্য্যই তেওঁলোকর সংশয় দূর করাত সকলোরে শঙ্করাচার্য্যর মত গ্রহণ করে।

তাব পাছত বজা সুধন্বা আৰু অন্যান্য বজাসকলে আলোচনা কবি ৰক্ষণাবেক্ষণ আৰু সেৰক আদিব ব্যৱস্থাবে সমগ্ৰ আৰ্য্যাবৰ্ত্তত শঙ্কবাচাৰ্য্যব পৰ্য্যটনব ব্যৱস্থা কবে। সেই সময়ব পবাই আকৌ বৈদিক মতব প্ৰচাব আৰু বেদব অধ্যয়ন অধ্যাপনা চলিবলৈ ধবে। শঙ্কবাচাৰ্য্যই দহ বছব কাল সমস্ত ভাবতবৰ্ষ পবিভ্ৰমণ কবি জৈনমতাৱলম্বী সকলক পবাজিত আৰু নিস্তব্ধ কবে। জৈন মতাৱলম্বী সকলে সমগ্ৰ ভাবতব পৰ্ব্বত ভৈয়ামত জৈন মূৰ্ত্তিব প্ৰতিষ্ঠা কবিছিল, সেইবোব শঙ্কবাচাৰ্য্যব জীৱিত কালব ভিতবতে ভাঙি মাটিব তলত পুটি পেলোৱা হৈছিল। এতিয়াও সেই ভগ্ন বা অৰ্দ্ধভগ্ন জৈন মূৰ্ত্তিবোবব চিনচাব নানা স্থানত পোৱা গৈছে। শঙ্কবাচাৰ্য্যই শৈৱ আৰু বামাচাবী সকলকো তীব্ৰ সমালোচনাবে ক্ষত বিক্ষত কবে। শঙ্কবাচাৰ্য্য আৰু সুধন্বা আদি নৃপতি সকলে জৈন মন্দিব বোব ধ্বংস নকবি তাত বৈদিক শিক্ষানুষ্ঠান স্থাপন কবাব পবিকল্পনা কবিছিল। সেই সময়তে দুজন জৈনে শঙ্কবাচাৰ্য্যব শবণ লৈ বৈদিক মতাৱলম্বী হয়, যাক শঙ্কবাচাৰ্য্যই অতি বিশ্বাস কবিছিল। কিন্তু সেই দুজন আছিল আত্ম গোপন কাৰী। তেওঁলোকব উদ্দেশ্য আছিল চল চাই শঙ্কবাচাৰ্য্যব প্ৰাণ নাশ কবা। তেওঁলোকে সুযোগ পাই শঙ্কবাচাৰ্য্যব আহাবত বিষ মিহলি কবে। পবিণামত শঙ্কবাচাৰ্য্যব উদববোগ আৰু বক্ত দুষিত হয়। শবীবত ফোড়া আদি ভুগি হয় মাহব ভিতবতেই শঙ্কবাচাৰ্য্যই দেহ ত্যাগ কবে। সেই শোকাবহ ঘটনাত সকলো হতাশ হয়। শঙ্কবাচাৰ্য্যই দেহ বৈদিক শিক্ষানুষ্ঠান প্ৰতিষ্ঠাব যি পবিকল্পনা কবিছিল সি শঙ্কবাচাৰ্য্যব লগতে অন্ত পবে। শঙ্কবাচাৰ্য্যই ব্ৰহ্ম সূত্ৰব শাৰীবিক ভাষ্য আৰু প্ৰধান প্ৰধান উপনিষদ কেইখনব ভাষ্য বচনা কবিছিল। শঙ্কবাচাৰ্য্যব শিষ্য সকলে তাকেই প্ৰচাব কবিবলৈ ধবে। জৈন মত নিষ্ক্ৰিয় কবিবব কাবণে শঙ্কবাচাৰ্য্যই যি 'ব্ৰহ্ম সত্য জগন্মিথ্যা' আৰু জীৱ ব্ৰহ্মব

ব্যাখ্যা কাবছিল, তাকেই শঙ্কবাচাৰ্য্যব অনুগামী সকলে প্ৰচাব কবে। শঙ্কবাচাৰ্য্যব অনুগামী সকলে ভাবতব দক্ষিণাংশত শৃঙ্গেৰী, পূৰ্বাংশত ভূগোবৰ্দ্ধন, উত্তবাংশত যোশী, আৰু দ্বাৰিকাত সাবদা মঠ স্থাপন কবে। শঙ্কবাচাৰ্য্যব পাচত তেওঁব শিষ্য-মহন্ত সকলে সন্মান প্ৰতিষ্ঠাব লগত শ্ৰীমন্ত হৈ আনন্দ মুখব হ'ল।

জীৱ আৰু ব্ৰহ্মব স্বৰূপ।

জীৱ আৰু ব্ৰহ্মব একত্বই শঙ্কবাচাৰ্য্যব মত, নে নিৰীশ্বৰবাদী— জৈন মতব পবাজয় ঘটোৱাব বাবেই জীৱ ব্ৰহ্মাব একত্ব যুলি যুক্তি দিয়া হৈছিল? ইয়াব আলোচনা কবা হব

নবীন বেদান্তীব মতে— জগত স্বপ্নবৎ; বজ্জুত সৰ্পভ্ৰম, সীহত ৰূপব ভ্ৰম, মবীচিকাত জলব ভ্ৰম, গন্ধৰ্ব্ব নগব আৰু ইন্দ্ৰজালব দবে এই সংসাব মিছা। এক ব্ৰহ্মহে সত্য।

সিদ্ধান্তীব উত্তব— আপুনি মিছা কাক বোলে?

নবীন বেদান্তী— যি নাই অথচ আছে যেন প্ৰতীত হয় সেয়েই মিছা।

সিদ্ধান্তী— যি বস্তু নায়েই, তাব আকৌ প্ৰতীতি কেনেকৈ হব?

নবীন বেদান্তী—অধ্যাবোপব দ্বাবা হয়।

সিদ্ধান্তী—অধ্যাবোপ নো কাক বোলে?

নবীন বেদান্তী— "বস্তুন্যবস্ত্বাবোপণমধ্যাসঃ" "অধ্যাবোপাদাবাভ্যাং নিষ্প্ৰপঞ্চং প্ৰপঞ্চ্যতে।" এটা বস্তুত আন এটা বস্তুব আবোকে অধ্যাস বা অধ্যাবোপ বোলে আৰু প্ৰকৃত সত্য নিবাকৰণ কবাকে

অপবাদ বোলে। এই দুইন দ্বাবাই প্রপঞ্চবহিত ব্রহ্মত প্রপঞ্চরূপ জগৎ বিস্তৃত হয়।

সিদ্ধান্তী—আপুনি বজ্জুক বস্তু আৰু সৰ্পক অবস্তু বুলি ভাকি নিজেই ভ্রমব জালত পৰিছে। সৰ্প জানো বস্তু নহয়? যদি আপুনি কব খোজে যে বজ্জুত সৰ্প নাই, কিন্তু সৰ্প আছে, বজ্জুত নাই যদি অন্যত আছে। আপোনাব মতত সৰ্পব সংস্কাব বা স্মৃতি আছে কাবণেহে বজ্জু বা বচিকেই সাপ যেন দেখে। গতিকে সৰ্পও অবস্তু হব নোৱাবে। সেইদবে আপোনাব বাকীবোব উদাহবণবো একেই অবস্থা। আৰু স্বপ্নত যিবোব বস্তুব ভান অর্থাৎ অনুভব হোৱা যেন লাগে, সেইবোব বস্তু অন্যত আছে আৰু আত্মাত সেইবোবব সংস্কাব থাকে। গতিকে স্বপ্নও বস্তুত অবস্তুব আবোপব দবে নহয়।

নবীন বেদান্তী—স্বপ্নত নিজব শিবশ্ছেদ, নিজেকন্দা ভূমব পবা ওপবলৈ জল প্রবাহিত হোৱা দেখা যায়—আত্মাত যিবোবব সংস্কাব নাই, সেইবোব কেনেকৈ সত্য হব পাবে?

সিদ্ধান্তী—এই যুক্তিয়েও আপোনাব নিজব পক্ষকে সমর্থন নকবে। কাবণ দর্শন, শ্রবণ নহলে সংস্কাবেই নহয়। সংস্কাব নহলে স্মৃতি আৰু স্মৃতি নহলে সাক্ষাৎ অনুভূতি নহয়। যি কবৰাত কবোবাব শিবশ্ছেদ, কন্দা, প্রস্রবণব জল উৰ্দ্ধলৈ যোৱা দেখিছে বা শুনিছে তাব সেই সংস্কাববোব আত্মাত থাকে। যেতিয়া আত্মা জাগ্রত অবস্থাত নাথাকে আৰু কোনো পদার্থব লগত ইন্দ্রিয় সংযোগ নাথাকে, তেতিয়া নিজব আত্মাত সংস্কাব হৈ থকা অর্থাৎ আগতে দেখা শুনা বোৰকে দেখে। আত্মাবেই সংস্কাব আত্মাই যেতিয়া অনুভব কবে, তেতিয়া নিজব শিবশ্ছেদ কৰা, নিজেই কন্দা আৰু ওপবলৈ পানী যোৱা আদি দেখে। স্বপ্ন দেখাও বস্তুত

অবস্তুব আবোপব দবে নহয়। যেনেকৈ চিত্রকবে পূর্ব্ব দৃষ্ট, শ্রুত বা অঙ্কিত কোনো চিত্র নিজব মনব পৰা অর্থাৎ আত্মাব পবাই আহিব কবি কাগজত অঙ্কন কবে, ইও তেনেকুৱাই। অবশ্যে কেতিয়াবা কেতিয়াবা স্বপ্নত স্মবণ যুক্ত বস্তুবো প্রতীতি হয়; যেনে নিজব শিক্ষক দেখিছে। কেতিয়াবা কেতিয়াবা বহু অতীতত দেখা বা শুনা জানবো সাক্ষাৎকাব হয়। কিন্তু জাগ্রত অবস্থাত দেখা শুনাব দবে স্মবণ নেথাকে। জন্মান্ধই যে ৰূপব স্বপ্ন নেদেখে এই কথা আপুনি জানে নে নেজানে? গতিকে দেখা যায় আপুনি অধ্যাস আৰু অধ্যাবোপব যি লক্ষণ দিছে সেইবোব মিছা। আৰু বেদান্তবাদীসকলব বিবর্ত্তবাদো অর্থাৎ বজ্জুত সৰ্পব ভ্রম হোৱাব দবে ব্রহ্মত জগতব ভ্রমব দৃষ্টান্তও নাখাটে।

নবীন বেদান্তী—অধিষ্ঠান বিনা অধ্যস্ত প্রতীত হব নোৱাবে। যেনেকৈ বজ্জু নহলে সৰ্পব সংশয়ো হব নোৱাবে। যেনেকৈ বজ্জুত সৰ্পব সংশয় তিনিও কালত, অর্থাৎ সদায় হব নোৱাবে, ক্ষীণ প্রকাশ অর্থাৎ পোহব আৰু আন্ধাবব মাজত অকস্মাৎ বজ্জু দেখি সাপব ভ্রমত ভয় হয়। যেতিয়া প্রদীপ জ্বলাই দেখে, তেতিয়া ভ্রম আৰু ভয়ব নিবৃত্তি হয়। সেইদবে ব্রহ্মতেই যি জগতব মিছা প্রতীতি হৈছে, সি ব্রহ্মব সাক্ষাৎকাব হলে জগতব প্রতীতি নাথাকে, ব্রহ্মব প্রতীতি হে থাকে। যেনেকৈ সৰ্পব নিবৃত্তি আৰু বজ্জুব প্রতীতি হয়।

সিদ্ধান্তী—ব্রহ্মত জগতব ভ্রম কাব হয়?

নবীন—জীবব।

সিদ্ধান্তী—জীব কব পবা হ'ল?

নবীন বেদান্তী—অজ্ঞানব পবা।

সিদ্ধান্তী—অজ্ঞান ক'ব পবা হ'ল আৰু ক'ত থাকে?

নবীন—অজ্ঞান অনাদি আৰু ব্ৰহ্মতেই থাকে।

সিদ্ধান্তী—ব্ৰহ্মতেই ব্ৰহ্মৰ বা অন্য কাৰোৰাৰ অজ্ঞান হ'ল? আৰু সেই অজ্ঞান কাৰ হ'ল?

নবীন—চিদাভাসৰ।

সিদ্ধান্তী—চিদাভাসৰ স্বৰূপ কি?

নবীন—ব্ৰহ্ম; ব্ৰহ্মৰেই ব্ৰহ্মৰ অজ্ঞান হয়, অৰ্থাৎ ব্ৰহ্মই নিজৰ স্বৰূপ নিজেই পাহৰি যায়।

সিদ্ধান্তী—ব্ৰহ্মৰ ভ্ৰম হোৱাৰ কাৰণ কি?

নবীন—অবিদ্যা।

সিদ্ধান্তী—অবিদ্যা সৰ্ব্বব্যাপী আৰু সৰ্ব্বজ্ঞৰ গুণ নে অল্পজ্ঞ?

নবীন—অল্পজ্ঞৰ।

সিদ্ধান্তী— আপোনাৰ মতে এক 'অনন্ত সৰ্ব্বজ্ঞ চেতনৰ বাহিৰে অন্য কোনো চেতন আছে নে নাই? অল্পজ্ঞ কি আৰু ক'ৰ পৰা উপস্থিত হ'ল? যদি অল্পজ্ঞ চেতনক ব্ৰহ্মৰ ভিন্ন সত্তা বুলি মানে তেতিয়া ঠিক হয়। যদি ব্ৰহ্মৰেই কোনো এক স্থানত নিজৰ স্বৰূপৰ অজ্ঞান হয়, তেতিয়া সেই অজ্ঞান সৰ্ব্বত্ৰ বিস্তৃত হৈ পৰে। যেনেকৈ দেহৰ এঠাইত ঘা-ফোঁহাৰ যন্ত্ৰণা হলে সমস্ত দেহত অনুভৱ হয়, সেইদৰে যদি ব্ৰহ্মৰ একাংশত অজ্ঞান আৰু ক্লেশ হয়, তেতিয়া সমস্ত ব্ৰহ্মই অজ্ঞান বা ক্লেশ অনুভৱ কৰিব।

নবীন—এইবোৰ উপাধিৰ ধৰ্ম্ম, ব্ৰহ্মৰ নহয়।

সিদ্ধান্তী—উপাধি জড় নে চেতন? আৰু উপাধি সত্য নে মিথ্যা?

নবীন—অনিৰ্ব্বচনীয়; অৰ্থাৎ যাক জড় বা চেতন, সত্য বা মিথ্যা বুলিব নোৱাৰি।

সিদ্ধান্তী—আপোনাৰ কথা "বদতো ব্যাঘাতঃ"ৰ দৰে। কাৰণ যাক আপুনি অবিদ্যা বুলিছে সি জড় নে চেতন, বা সৎ নে অসৎ কব নোৱাৰে। ধৰক আপোনাৰ কথা এনেকুৱা হল:—এজনে সোণ আৰু পিতল মিহলি ধাতু এডোখৰ কোনো সোণাৰীৰ ওচৰত পৰীক্ষা কৰিবলৈ লৈ গ'ল। সোণাৰীয়ে পৰীক্ষা কৰি কলে—ইয়াত সোণ আৰু পিতল দুয়োটা মিহলি আছে গতিকে সোণো বুলিব পাৰি আৰু পিতলো বুলিব পাৰি। আৰু সোণ পিতল দুয়োটাই মিহলি যেতিয়া— মই সোণো বুলিব নোৱাৰো পিতলো বুলিব নোৱাৰো। কিন্তু ইয়াৰ ভিতৰত দুটা ধাতু আছে।

নবীন বেদান্তী—যেনেকৈ ঘটাকাশ, মঠাকাশ আৰু মেঘাকাশ, মহাকাশৰেই উপাধি অৰ্থাৎ ঘট, ঘৰ আৰু মেঘ থাকিলে এক মহা আকাশেই ভিন্ন ভিন্ন প্ৰতীত হয়, যদিও আচলতে এক মহাকাশেই। সেইদৰেই মায়া, অবিদ্যা, সমষ্টি, ব্যষ্টি আৰু অন্তঃকৰণৰ উপাধি বশতঃ ব্ৰহ্ম অজ্ঞানীৰ কাৰণে পৃথক্ পৃথক্ প্ৰতীয়মান হয়। আচলতে ব্ৰহ্ম এক। তলত উদ্ধৃত কৰা শ্ৰুতি বাক্যই তাৰ প্ৰমাণ:—

অগ্নিৰ্যথৈকো ভুবনং প্ৰবিষ্টো ৰূপং ৰূপং
প্ৰতিৰূপো বভূব।
একস্তথা সৰ্ব্বভূতান্তৰাত্মা ৰূপং ৰূপং
প্ৰতিৰূপো বহিশ্চ॥ কঠঃ উঃ বল্লীৰ ৫৯।

যেনেকৈ অগ্নি দীৰ্ঘ, বিস্তৃত, গোলাকাৰ, ক্ষুদ্ৰ আৰু বৃহৎ আদি বেলেগ বেলেগ আকৃতি বিশিষ্ট পদাৰ্থত প্ৰবিষ্ট হৈ তদাকাৰ দেখায়, কিন্তু এই অগ্নি সেইবোৰ পদাৰ্থৰ পৰা ভিন্ন। কিন্তু অন্তঃকৰণৰ পৰা সম্পূৰ্ণ ভিন্ন

সিদ্ধান্তী—আপোনাৰ এই উদাহৰণো যথার্থ নহয়। কাৰণ যেনেকৈ ঘট, মঠ, মেঘৰ পৰা আকাশক ভিন্ন বুলি মানিছে, সেইদৰে কার্য্য কাৰণ ৰূপ জগত আৰু জীৱক ব্ৰহ্মৰ পৰা ভিন্ন, আৰু ব্ৰহ্মক এইবোৰৰ পৰা ভিন্ন বুলি স্বীকাৰ নকৰে কিয় ?

নবীন বেদান্তী—যেনেকৈ অগ্নি সকলো পদার্থতে প্রবিষ্ট হৈ তদাকাৰ দেখায়, সেইদৰেই পৰমাত্মাও জড় আৰু জীৱত ব্যাপক হৈ সাকাৰ অজ্ঞানী কাৰণে সাকাৰ যেন দৃষ্ট হয়। প্রকৃতভে ব্ৰহ্ম জড়ো নহয়—জীৱো নহয়। যেনেকৈ সহস্র জল-কুণ্ডত জল পৃথক্ পৃথক্‌কৈ ৰাখিলে সেই কুণ্ডবোৰত সূর্য্যৰ সহস্র প্রতিবিম্ব দৃষ্ট হয়; আচলতে সূর্য্য এটাহে। কুণ্ডবোৰ ভাঙিলে জল প্রবাহিত বা প্রসাৰিত হলে সূর্য্য নষ্ট, প্রবাহিত বা প্রসাৰিত নহয়। সেইদৰে অন্তঃকৰণত যি ব্ৰহ্মৰ আভাস পৰে তাকেই **চিদাভাস** বোলে। যেতিয়ালৈকে অন্তঃকৰণ থাকে তেতিয়ালৈকে জীৱ হৈ থাকে। জ্ঞানৰ দ্বাৰা অন্তঃকৰণ বিনাশ হলে জীৱ ব্ৰহ্মস্বৰূপ হয়। নিজৰ ব্ৰহ্ম-স্বৰূপ নাজানি জীৱই এই চিদাভাসকে কর্ত্তা, ভোক্তা, সুখী, দুঃখী, পাপী, পুণ্যবান জন্ম মৰণ আদি আৰোপ কৰে। এই মিছা আৰোপ দূৰ নহয় মানে সংসাৰৰ বন্ধনৰ পৰা মুক্ত হব নোৱাৰে।

সিদ্ধান্তী- আপোনাৰ এই দৃষ্টান্তও নাখাটে। কাৰণ সূর্য্য আৰু জল-কুণ্ড দুয়োটা সাকাৰ পদার্থ আৰু পৰস্পৰ ভিন্ন; গতিকে সূর্য্যৰ প্রতি-বিম্ব নাই। পৰমেশ্বৰ নিৰাকাৰ আৰু আকাশৰ দৰে সর্ব্বব্যাপক, গতিকে কোনো পদার্থই পৰমেশ্বৰৰ পৰা পৃথক্ বা পৰমেশ্বৰো কোনো পদার্থৰ পৰা পৃথক্ হোৱা সম্ভৱ নহয়। আৰু সকলো পদার্থ আৰু পৰমেশ্বৰৰ ব্যাপ্য ব্যাপক সম্বন্ধ গতিকে একতাও হব নোৱাৰে। অর্থাৎ অন্বয় ব্যতিৰেক দৃষ্টিৰে দেখিলে ব্যাপ্য আৰু ব্যাপক মিলিত কিন্তু সদায় পৰস্পৰ ভিন্ন হৈ থাকে। যি এক তাৰ ব্যাপ্য ব্যাপক সম্বন্ধ কেনেকৈ থাকে ?

অর্থাৎ ব্যাপ্য আৰু ব্যাপক মানে দুটা পৰস্পৰ ভিন্ন বস্তু। বৃহদাৰণ্যকৰ অন্তর্যামী ব্রাহ্মণত স্পষ্টকৈ লিখা আছে যে ব্ৰহ্মৰ আভাসো পৰিৰ নোৱাৰে যাৰ আকাৰ নাই তাৰ আভাসো নাই। আপুনি যি অন্তঃকৰণ উপাধিৰে ব্ৰহ্মকেই জীৱ বুলিছে তাৰ যুক্তি প্রমাণ কি ? অন্তঃকৰণ চলায়মান আৰু খণ্ড খণ্ড, আনহাতে ব্ৰহ্ম অচল আৰু অখণ্ড।

আপুনি যদি ব্ৰহ্ম আৰু জীৱক পৃথক্‌ৰূপে স্বীকাৰ নকৰে তেনেহলে গতিশীল অন্তঃকৰণ য'লৈ যাৰ তাৰ ব্ৰহ্মক অজ্ঞানী আৰু যি যি স্থান এৰিৰ তাৰ ব্ৰহ্মক জ্ঞানী নকৰিব জানো ? তাৰ উদাহৰণ স্বৰূপে ব'দৰ পোহৰত ছাতি মেলি গলে য'ত ছাতি থাকে—তাত পোহৰ আঁৰ হয়—আৰু য'ত ছাতি নাই সেই ঠাইৰ পোহৰত আঁৰ নাই। এইদৰেই অন্তঃকৰণে ব্ৰহ্মক ক্ষণে ক্ষণে জ্ঞানী, অজ্ঞানী, বদ্ধ আৰু মুক্ত কৰি থাকিব। অখণ্ড ব্ৰহ্মৰ এক অংশত আৱৰণৰ প্রভাৱ হলে সমস্ত ব্ৰহ্মতেই অজ্ঞান হয়, কাৰণ ব্ৰহ্ম চেতন। মথুৰাৰ কোনো অন্তঃকৰণস্থ ব্ৰহ্মই কি বস্তু দেখিল, সেই বস্তুৰ স্মৰণ কাশীৰ অন্তঃকৰণস্থ ব্ৰহ্মই কৰিব নোৱাৰিব। "অন্যদৃষ্টমন্যো ন স্মরতীতি ন্যায়াৎ" অর্থাৎ এজনে দেখা বস্তু আন এজনে স্মৰণ কৰিব নোৱাৰে। যি চিদাভাসে মথুৰাক দেখিছে সেই চিদাভাস কাশীত নাই। যি মথুৰাত স্থিত অন্তঃকৰণৰ প্রকাশক—সি কাশীত স্থিত ব্ৰহ্ম নহয়। যদি ব্ৰহ্মই জীৱ হয় বা ব্ৰহ্ম আৰু জীৱৰ পার্থক্য নাই, তেন্তে জীৱ সর্ব্বজ্ঞ হব লাগিব। ব্ৰহ্মৰ প্রতিবিম্ব বেলেগ বেলেগ হলে প্রত্যভিজ্ঞা অর্থাৎ পূর্ব্বদৃষ্ট বা পূর্ব্বশ্রুতৰ জ্ঞান কাৰো হব নোৱাৰিব। আপুনি যদি কব খোজে যে ব্ৰহ্ম এক কাৰণে স্মৰণ হয়, তেনেহলে কোনো এঠাইত অজ্ঞানতা বা দুঃখ হলে সমস্ত ব্ৰহ্মৰে অজ্ঞানতা বা দুঃখ হোৱা উচিত। আপোনালোকৰ এনেবোৰ দৃষ্টান্ত ব্ৰহ্মৰ লক্ষণৰ বিপৰীত, অর্থাৎ নিত্য, শুদ্ধ, বুদ্ধ মুক্ত স্বভাৱ ব্ৰহ্মক অশুদ্ধ, অজ্ঞানী আৰু বদ্ধ আদি দোষযুক্ত আৰু অখণ্ড ব্ৰহ্মক খণ্ড খণ্ড কৰা হয়।

নবীন বেদান্তী—নিবাকাবৰো আভাস হব পাৰে, দর্পণ বা জল আদিত নিৰাকাৰ আকাশৰ যি আভাস পৰে তাক নীলা বা অন্য কিবা বঙৰ দেখা যায়—সেইদৰে ব্রহ্মৰো সকলো অন্তঃকৰণত আভাস পৰে।

সিদ্ধান্তী—আকাশৰ ৰূপেই নাই, গতিকে আকাশ কোনেও চকুৰে নেদেখে। যি বস্তু দেখাই নেযায়, তাক দর্পণ বা জল আদিত কেনেকৈ দেখিব? যি বস্তু সাকাৰ তাৰ বং গভীৰেই হ'ক বা অগভীৰেই হওক, দেখা যায়,—যি নিৰাকাৰ তাক দেখাৰ প্রশ্নই নাই।

নবীন—ওপৰত যে নীলবর্ণ দেখা যায়— তাকেই দর্পণত দেখোতাই দেখে, সেইবোৰ তেনেহলে কি বস্তু?

সিদ্ধান্তী—সেইবোৰ পৃথিবীৰ পৰাই আকাশলৈ উঠি যোৱা জল, পৃথিবী আৰু অগ্নিৰ ত্রসৰেণু। যৰ পৰা ৰবযুণ হয়, তাত জল নহলে ৰবযুণ কৰ পৰা হব? দূৰ আকাশত যিবোৰ দৃশ্য দেখা যায়, সেইবোৰ জলচক্র বা পানী-গছা। দূৰৰ পৰা কুঁৱলী ঘন দেখা যায়, কিন্তু ওচৰত নিজৰ চাৰিওফালে পাতল পাতল দেখা যায়। সেইদৰে জলীয় বাষ্পকো দূৰ আকাশত নানা দৃশ্যত দেখা যায়।

নবীন বেদান্তী—তেনেহলে বজ্র, সর্প আৰু স্বপ্ন আদিৰ দৃষ্টান্তবোৰ মিছা নেকি?

সিদ্ধান্তী—সেইবোৰ মিছা নহয়, আপোনাৰ ধাৰণা হে মিছা তাক আগতেই কোৱা হৈছে। বাক, এতিয়া কওকচোন অজ্ঞান কাৰ হয়?

নবীন বেদান্তী—ব্রহ্মৰ।

সিদ্ধান্তী—ব্রহ্ম অল্পজ্ঞ নে সর্ব্বজ্ঞ? নবীন—ব্রহ্ম অল্পজ্ঞও নহয় আৰু সর্ব্বজ্ঞও নহয়। অল্পজ্ঞতা আৰু সর্ব্বজ্ঞতাৰ কাৰণ উপাধিহে।

সিদ্ধান্তী—উপাধি কাৰ?

নবীন—ব্রহ্মৰ।

সিদ্ধান্তী—তেনেহলে ব্রহ্ম অল্পজ্ঞ আৰু সর্ব্বজ্ঞ হয়। তেনেহলে কিন্তু ইয়াৰ আগতে আপুনি নহয় বুলিও কৈছিল। যদি আপুনি কব খোজে যে, উপাধি কল্পিত, অর্থাৎ মিছা, তেনেহলে কল্পক বা কল্পনাকাৰী কোন হব? এতিয়া প্রশ্ন কৰে, নবীন বেদান্তীয়ে—জীৱ ব্রহ্ম, নে আন কিবা?

সিদ্ধান্তী—আনবস্তু। জীৱ ব্রহ্মস্বৰূপ হলে মিছা কল্পনা কৰিব নোৱাৰে, আৰু যি মিছা, কল্পনা কৰে, সি ব্রহ্ম হব নোৱাৰে। যাৰ কল্পনাই মিছা, সি কেতিয়াও সত্য হব নোৱাৰে।

নবীন—আমাৰ মতে সত্য আৰু অসত্য উভয়ে মিছা আৰু বাণীৰ দ্বাৰা কথনো মিছা।

সিদ্ধান্তী—আপুনি যেতিয়া মিথ্যাবাদী, আৰু মিছা কল্পনাকাৰী তেতিয়া আপুনিয়েই মিছা নহ'ল জানো?

নবীন—সত্য আৰু মিথ্যা মোৰেই কল্পিত। এই দুয়োবো ময়েই সাক্ষী আৰু অধিষ্ঠান।

সিদ্ধান্তী—আপুনি সত্য আৰু মিথ্যাৰ আধাৰ হলে সাধু আৰু অসৎ দুয়ো একমেই হব। গতিকে আপুনি সাক্ষী কেনেকৈ হব? যি সদায় সত্যৰ বিশ্বাস কৰে, আচৰণ কৰে আৰু কেতিয়াও অসত্যৰ আচৰণ নকৰে—তেওঁহে সাক্ষী আৰু সাক্ষীৰ প্রমাণ। আপুনি নিজেই নিজৰ বাক্য মিছা বুলি স্বীকাৰ কৰিছে যেতিয়া আপুনি মিথ্যাবাদী।

নবীন—মায়া অনাদি, ব্রহ্মতেই যাৰ আশ্রয় আৰু ব্রহ্মকেই যি আবৃত কৰি থাকে, সেইকথা আপুনি নিশ্চয় মানে।

সিদ্ধান্তী—নেমানো। কাৰণ আপুনি মায়াৰ অর্থ কৰিছে—যি বস্তু নাই, অথচ ভাসমান হয়। বিবেচনাহীন লোকেহে এনেকুৱা কথা কব

বা বিশ্বাস কবিব পাবে। যি বস্তু নায়েই, তাব ভাসমান হোৱা কেতিয়াও সম্ভব নহয়। উদাহবণ স্বৰূপে বন্ধ্যা স্ত্রীব পুত্রব কেতিয়াও প্রতিবিম্ব হব নোৱাবে। যাব পুত্রই জন্ম নহয় তেওঁব পুত্রব প্রতিবিম্ব কব পবা হব? তদুপবি আপুনি যি কৈছে, সি ছান্দোগ্য উপনিষদত থকা কথাব বিপবীত। তাত আছে "**সন্মূলাঃ সোম্যেমাঃ প্রজাঃ**" ইত্যাদি। অর্থাৎ মুল আছিল গতিকে সেই মুলব পবাই এইবোব প্রজাব সৃষ্টি হৈছে।

নবীন—বশিষ্ঠ, শঙ্কবাচার্য্য আৰু নিশ্চলদাস আদি আপোনাতকৈ অধিক বিদ্বান—আমি তেওঁলোকব মতকে মানো, আপুনি তেওঁলোকব মতো সত্য নহয় বুলি প্রতিবাদ কবিছে।

সিদ্ধান্তী—আপুনি নিজে বিদ্বান্ নে অবিদ্বান্?

নবীন —মোবো সামান্য বিদ্যা আছে।

সিদ্ধান্তী—তেনেহলে আপুনি তেওঁলোকব মত যুক্তিবে প্রমান নকবে কিয়? তেওঁলোকব আৰু আপোনাব যুক্তিবে মোব কথাওতো আপুনি খণ্ডন কবিব পাবে। আপুনি যদি মোব কথা খণ্ডন কবিব পাবে আপোনালোকব মত মই নিশ্চয় মানিম। যাব পক্ষ যুক্তিত অখণ্ডনীয় তাকেই মানা উচিত। মোব অনুমান হয় যে, শঙ্কবাচার্য্যই কেৱল নাস্তিক জৈন মতব বিৰুদ্ধেই সেই অদ্বৈত যুক্তি অবলম্বন কবিছিল। কাবণ সমাজব হিতৈষী জ্ঞানীসকলে দেশ কাল অনুযায়ী, উদ্দেশ্য সিদ্ধিব কাবণে, নিজব মতব বিৰুদ্ধেও উপায় অবলম্বন কবে। সেয়ে হলে যথার্থ। আৰু যদি তেওঁলোকে জীব আৰু ঈশ্বৰব একত্ব আৰু জগৎ মিছা বুলি মানে,

এতিয়া নিশ্চলদাসব পাণ্ডিত্য চাওক! "**জীবো ব্রহ্মাঽভিন্নশ্চেতনত্বাৎ**"। তেওঁ "বৃত্তি প্রভাকবত" লিখিছে যে জীব আৰু ব্রহ্ম চেতন অর্থাৎ দুয়োবো ধর্ম্ম বা গুণ এক গতিকে জীব আৰু ব্রহ্ম অভিন্ন। এনেবোব যুক্তি কেৱল অল্পবুদ্ধিবহে হব পাবে। কেৱল সাধর্ম্ম্যই ইটো সিটো একত্ব স্থাপন নকবে। ইটো সিটোব বৈধর্ম্ম্যই ইটো সিটোক পৃথক কবে। উদাহবণ স্বৰূপে কোনোবে যদি কয় যে "**পার্থিবা জলাদভিন্না জড়ত্বাৎ**" অর্থাৎ পৃথিবী আৰু জল দুয়ো জড় পদার্থ, গতিকে অভিন্ন। এই যুক্তি যেনে অসঙ্গত, নিশ্চল দাসব যুক্তিও তেনে অসঙ্গত। কাবণ, জীব আৰু ব্রহ্ম দুয়ো চেতন, চৈতন্য দুয়োবো একে ধর্ম্ম কিন্তু জীবব অল্পত্ব আৰু ভ্রান্তিত্ব আদি ধর্ম্ম, ব্রহ্মব বিৰুদ্ধ বা বিপবীত আৰু ব্রহ্মব সর্ব্বাগত্ব, সর্ব্বাজ্ঞত্ব, অভ্রান্তত্ব আদি ধর্ম্ম জীবব, বিৰুদ্ধ। এই বিপবীত গুণব পবা প্রমাণ হয় যে জীব আৰু ব্রহ্ম পবস্পব ভিন্ন। যেনেকৈ গন্ধবত্ত্ব আৰু কঠিনত্ব আৰু দ্রবত্ব আদি জলব গুণব বিপবীত; গতিকে পৃথিবী আৰু আৰু জল একে বস্তু নহয়। সেইদবে জীব আৰু জল একে নহয়। সেইদবে জীব আৰু ব্রহ্মব বৈধর্ম্ম্য থকা গতিকে জীব ব্রহ্ম একে নহয়। ইয়াব দ্বাবাই নিশ্চল দাসব পাণ্ডিত্য বিবেচনা কবা যায়।

যোগবাসিষ্ঠব বচয়িতা কোনোবা আধুনিক বেদান্তী হব। যোগবাসিষ্ঠব কথা বাল্মীকি, বসিষ্ঠ, বা বাম চন্দ্রব দ্বাবা কথিত বা শ্রুত নহয়। সেই সকলে যি কৈ গৈছে, সকলো বেদব অনুকূল। তেওঁলোকে বেদ—বিৰুদ্ধ বচনা কবিব বা শুনিব নোৱাবে। ইমানলৈকে নবীন বেদান্তীব মত আলোচনা কবা হ'ল।

প্রশ্ন—ব্যাসদেৱব বচিত শাৰীৰিক সূত্রতো জীব আৰু ব্রহ্মব একত্ব দেখা যায়ঃ—

সম্পাদ্যাঽঽবির্ভাবঃ স্বেন শব্দাৎ ॥ ১।
ব্রাহ্মেণ জৈমিনিরুপন্যাসাদিভ্যঃ ॥ ২।
চিতিতন্মাত্রেণ তদাত্মকত্বাদিত্যৌডুলোমিঃ ॥ ৩॥
এবমপ্যুপন্যাসাৎ পূর্ব্বভাবাদবিরোধং বাদরায়ণঃ ॥ ৪।
অত এব চানন্যাধিপতিঃ ॥ ৫।

(বেদান্ত, অঃ ৪ পাঃ ৪° সূ ১।৪-৭।১)

অর্থ—জীর স্বীয় স্বরূপ প্রাপ্ত হৈ প্রকট হয়। জীর পূর্ব্বে ব্রহ্মস্বরূপত আছিল। কারণ স্ব শব্দর দ্বারা ব্রহ্মস্বরূপর বোধ হয় ॥ ১ ॥ "অয়মাত্মা অপহতপাপ্মা" ইয়াত উদ্ধৃত বাক্যত ঐশ্বর্য্যপ্রাপ্তি পর্য্যন্ত হেতুদ্বারা ব্রহ্মস্বরূপে জীর স্থিত হয়, এয়েই জৈমিনি আচার্য্যর মত ॥ ২ ॥ ঔডুলোমি আচার্য্যর মতে তদাত্মক স্বরূপনিরূপণ আদি বৃহদারণ্যকর হেতুরূপ বচন অনুসারে, জীর চৈতন্যমাত্র স্বরূপত মুক্তিত স্থিত থাকে ॥৩॥ ব্যাসদেরে পূর্ব্বোক্ত উদ্ধৃত ঐশ্বর্য্য প্রাপ্তিরূপ হেতু বশতঃ জীরর ব্রহ্মস্বরূপ হোৱা বাবে অবিরোধ নাই বুলি কয় ॥ ৪ ॥ যোগীয়ে ঐশ্বর্য্যযুক্ত নিজব্রহ্মস্বরূপ প্রাপ্ত করি অন্য অধিপতি রহিত অর্থাৎ স্বয়ং নিজর আরু সকলোরে অধিপতিরূপে ব্রহ্মস্বরূপ পাই মুক্তিত অবস্থিত থাকে ॥৫॥

উত্তর—এইবোর সূত্রর অর্থ এনেকুরা নহয়। আচল অর্থ শুনক। যেতিয়ালৈকে জীরই স্বীয় শুদ্ধস্বরূপ নেপায়, বা পবিত্র যব নোৱারে, তেতিয়ালৈকে যোগ বলেরে ঐশ্বর্য্য আরু নিজর অন্তর্য্যামী ব্রহ্মক প্রাপ্তির আনন্দত স্থিতি পার নোৱারে ॥ ১ ॥

এইদরে যেতিয়া যোগীয়ে নিষ্পাপ আরু ঐশ্বর্য্যযুক্ত হয়, তেতিয়া ব্রহ্মত্ব স্থিতিত মুক্তির আনন্দ করির পারে। এয়েই জৈমিনি আচার্য্যর

মত ॥ ২ ॥ যেতিয়া জীরই অবিদ্যা আদি দোষর পরা যুক্ত হৈ শুদ্ধ চৈতন্য স্বরূপত স্থির হয় তেতিয়া "তদাত্মকত্ব" অর্থাৎ ব্রহ্মস্বরূপ সাক্ষাৎ বা সংযোগ লাভ হয় ॥ ৩ ব্যাসদেরর মত এয়েই যে, তেতিয়া জীরই জীরন অরস্থাতেও শুদ্ধ, ঐশ্বর্য্য আরু জ্ঞান যুক্ত হয়—তেতিয়া জীর মুক্ত হৈ নিজর বিশুদ্ধ স্বরূপত—আনন্দ ভোগ করে ॥ ৪ ॥ যেতিয়া জীর সত্য সঙ্কল্প যোগী হয়, তেতিয়া স্বয়ং পরমেশ্বরর সাক্ষাৎ লাভ করি মুক্তি সুখ ভোগ করে। সেই অরস্থাত জীর স্বাধীন। সংসারত যেনেকৈ কোনো স্বাধীন, আরু কোনোরা পরাধীন হয়, মুক্তি অরস্থাত তেনেকুরা নহয়; কিন্তু সকলো মুক্ত জীরর একে স্বরূপ হয় ॥ ৫ ॥ তেনে নহলে—

নেতরোনুপপত্তেঃ ॥ (১।১।১৬) ১ ॥
ভেদব্যপদেশাচ্চ ॥ (১।১।১৭) ২ ॥
বিশেষণ ভেদব্যপদেশাভ্যাং চ নেতরৌ ॥ (১।১।২২) ৩ ॥
অস্মিন্নস্য চ তদ্‌যোগং শাস্তি ॥ (১।১।১৯) ৪ ॥
অন্তস্তদ্ধর্ম্মোপদেশাৎ ॥ (১।১।২০) ৫ ॥
ভেদব্যপদেশাচ্চান্যঃ ॥ (১।১।২১) ৬ ॥
গুহাং প্রবিষ্টাবাত্মানৌ হি তদ্দর্শনাৎ ॥ ১।২।১১) ৭ ॥
অনুপপত্তেস্তু ন শরীরঃ ॥ (১।২।৩) ৮ ॥
অন্তর্যাম্যধিদৈবাদিষু তদ্ধর্ম্মব্যপদেশাৎ ॥ (১।২।১৮) ৯ ॥
শারীরশ্চোভয়েঽপি হি ভেদেনৈনমধীয়তে ॥ ১।২।২০

(বেদান্ত সূত্র)

অর্থ—ব্রহ্মতকৈ ভিন্ন ব্রহ্মর ইতর জীরত সৃষ্টির কর্ত্তৃত্ব প্রমাণ নহয়। জীর অল্পজ্ঞ আরু অল্পসমর্থযুক্ত, গতিকে জীর ব্রহ্ম নহয় ॥১॥ "রসং হ্যেবায়ং লব্ধানন্দী ভরতি" এই বচন উপনিষদর। জীর আরু ব্রহ্ম পৃথক্, কারণ এই দুয়োরো ভেদ প্রতিপাদন করা হৈছে। ভেদ নহলে

বস অর্থাৎ আনন্দ-স্বরূপ ব্রহ্মক পাই জীব আনন্দিত হয়, এই প্রাপ্তিব বিষয় ব্রহ্ম আৰু পাওঁতা জীবব নিৰূপণ হব নোৱাবে। গতিকে জীব আৰু ব্রহ্ম এক হব নোৱাবে ॥ ১ ॥

দিব্যো হ্যমূর্ত্তঃ পুরুষঃ স বাহ্যভ্যন্তরো হ্যজঃ।
অপ্রাণো হ্যমনাঃ শুভ্রোহ্যক্ষরাৎ পরতঃ পরঃ ॥
মুণ্ডকোপনিষদ (২ খঃ ১ মঃ ২) ॥

অর্থাৎ দিব্য, শুদ্ধ, অমূর্ত্ত. সকলোতে পূর্ণ, অন্তরে বাহিরে নিরন্তর ব্যাপক, অজ, জন্ম-মরণ শরীর ধারণ আদি রহিত, শ্বাস-প্রশ্বাস শরীর মন সম্বন্ধ রহিত, প্রকাশস্বরূপ ইত্যাদি পরমেশ্বরর বিশেষণ। অক্ষর অর্থাৎ নাশরহিত, প্রকৃতিতকৈ জীব সূক্ষ্ম, জীবতকৈও পরমেশ্বর সূক্ষ্ম, অর্থাৎ সূক্ষ্মাতি সূক্ষ্ম। প্রকৃতি আৰু জীবর পরা ব্রহ্মর ভিন্নতা প্রতিপাদন হৈছে যেতিয়া, প্রকৃতি আৰু জীব ব্রহ্মতকৈ ভিন্ন ॥ ৩ ॥ এই সর্ব্বব্যাপক ব্রহ্মত জীবর যোগ অথবা জীবত ব্রহ্মর যোগ প্রতিপাদন হোৱাত জীব আৰু ব্রহ্ম ভিন্ন। কাৰণ, পদার্থ ভিন্ন ভিন্ন হলেহে যোগ-বিয়োগ হব পাৰে ॥ ৪ ॥ ব্রহ্মর অন্তর্যামিত্ব আদি ধর্ম্ম আছে বুলি কোৱা হৈছে। জীবর অভ্যন্তরত ব্রহ্ম ব্যাপক, গতিকে ব্যাপ্য জীব ব্যাপক ব্রহ্মতকৈ ভিন্ন। ভেদ নহলে ব্যাপ্য-ব্যাপক সম্বন্ধ নঘটে ॥ ৫ ॥ শ্রুতিত ভেদ বুলি কোৱা আছে যেতিয়া, জীব, আৰু ব্রহ্মর ভেদকেই বুজিব লাগিব ॥ ৬ ॥

"গুহাং প্রবিষ্টৌ সুকৃতস্য লোকে" ইত্যাদি উপনিষদ বচন অনুসারে জীব আৰু পরমাত্মা পৃথক্। ইয়াকেই অর্থাৎ ভিন্নতাকেই উপনিষদর বহুঠাই তপ্রদর্শন করিছে ॥ ৭ ॥ **'শরীরে ভবঃ শারীরঃ"**; শরীর ধারী জীব, ব্রহ্ম নহয়। কাৰণ ব্রহ্মর গুণ, কর্ম্ম স্বভাব জীবত নাই ॥ ৮ ॥ অধিদৈব অর্থাৎ দিব্য মন আৰু ইন্দ্রিয় আদি, অধিভূত অর্থাৎ পৃথিবী আদি ভূত আৰু অধ্যাত্ম অর্থাৎ সকলো জীবর ভিতরত পরমাত্মা অন্তর্য্যামী

রূপে আছে। কাৰণ পরমাত্মার ব্যাপকত্ব আদি ধর্ম্ম সকলো উপনিষদতেই ব্যাখ্যা করা হৈছে ॥ ৯ ॥ শরীরধারী জীব ব্রহ্ম নহয়। কাৰণ ব্রহ্মর পরা জীবর ভিন্নতা স্বাভাৰিক ভাবেই সিদ্ধ হৈছে।

এনে এইবোর শারীৰিক সূত্রর দ্বারাও জীব আৰু ব্রহ্মর স্বরূপর ভেদ প্রমাণিত হয়। বেদান্তীসকলর উপক্রম আৰু উপসংহারত তেনেকুরা পরিণাম নঘটে। কাৰণ "উপক্রম" অর্থাৎ আরম্ভ ব্রহ্মর পরা আৰু "উপসংহার"—অর্থাৎ প্রলয় ব্রহ্মতেই করা হয়। আপুনি যদি ব্রহ্মর বাহিরে আন একো স্বীকার নকরে,—তেন্তে উৎপত্তি আৰু প্রলয় ব্রহ্মরেই ধর্ম্ম হৈ পরিব। অর্থাৎ ব্রহ্মরেই উৎপত্তি হয় আৰু বিনাশো হয়। কিন্তু বেদাদি শাস্ত্রত ব্রহ্মর উৎপত্তি আৰু বিনাশ নাই বুলিয়ে প্রতিপাদন করা হৈছে। নির্ব্বিকার, অপরিণামী, শুদ্ধ, সনাতন আৰু অভ্রান্ত আদি গুণ যুক্ত ব্রহ্মক বিকার, উৎপত্তি আৰু অজ্ঞান আদি দোষ থকা অসম্ভব। ব্রহ্মক এনেবোর দোষ যুক্ত বুলি ভাবিলে বেদান্তবাদী সকলর কেতিয়াও মুক্তি লাভ হব নোৱাবে। উপসংহার (প্রলয়) হোৱার পাছত ব্রহ্ম কারণাত্মক প্রকৃতি, আৰু জীব সদায় বিদ্যমান থাকে। গতিকে বেদান্ত বাদীর উপক্রম উপসংহারর কল্পনাও সত্য হব নোৱাবে। বেদান্তবাদী সকলর এনেকুরা অনেক ভ্রান্তি পূর্ণ কথা আছে, যি শাস্ত্র আৰু প্রত্যক্ষ আদি প্রমাণ বিরুদ্ধ।

শৈব সম্প্রদায় মত

বামাচারী সম্প্রদায় চলি থাকোঁতে শঙ্করাচার্য্যর পূর্ব্বে এক শৈব সম্প্রদায় প্রচলিত হয়। বিক্রমাদিত্যর সময়র পরা শৈব সম্প্রদায়র প্রভাব বাঢ়িছিল। বামাচারী সম্প্রদায়র দশমহাবিদ্যা আদি শাখার দরে—শৈব

সম্প্রদায়বো পাশুপত আদি নানা শাখা আছিল। শৈৱ সম্প্রদায়ৰ মানুহে শঙ্কৰাচার্য্যক শিৱৰ অৱতাৰ বুলিবলৈ ধৰাত শঙ্কৰাচার্য্যৰ অনুগামী সন্ন্যাসী সকলেও শৈৱ মত অৱলম্বন কৰে। বামাচাৰী সকলে শিৱ-পত্নীক উপাসনা কৰে আৰু শৈৱসকলো মহাদেৱৰ উপাসক হ'ল। এই দুই সম্প্রদায়েই এতিয়াও রুদ্রাক্ষ আৰু ভস্ম ধাৰণ কৰে। কিন্তু শৈৱসকল বামাচাৰীসকলৰ দৰে বেদ-বিৰোধী নহয়।

ধিক্ ধিক্ কপালং ভস্ম-রুদ্রাক্ষ-বিহীনম্ ॥ ১॥
রুদ্রাক্ষান্ কণ্ঠদেশে দশনপরিমিতান্ মস্তকে বিংশতী দ্বে,
ষট্ ষট্ কর্ণ-প্রদেশে করযুগলগতান্ দ্বাদশন্ দ্বাদশৈর।
বাহ্বোরিন্দোঃ কলাভিঃ পৃথগিতি গদিতমেকমেব শিখায়াম্,
বক্ষস্যষ্টাধিকং যঃ কলয়তি শতকং স স্বয়ং নীলকণ্ঠঃ ॥

অর্থাৎ—যাৰ কপালত ভস্ম আৰু কণ্ঠত রুদ্রাক্ষ নাই তাক ধিক্। "তং ত্যজেদন্ত্যজং যথা" তাক চণ্ডালৱৎ বর্জ্জন কৰা কর্ত্তব্য ॥১॥ যি কণ্ঠত বত্রিশ, মস্তকত চল্লিশ, কাণত ছটাকৈ, হাতত বাৰটাকৈ বাহুত ষোলটাকৈ, শিখাত এটা আৰু হৃদয়ত এশ আঠটা রুদ্রাক্ষ ধাৰণ কৰে, তেওঁ সাক্ষাৎ মহাদেৱ তুল্য ॥ ২। সেই বামাচাৰী সম্প্রদায়েই পাচত শাক্ত পন্থীৰূপে আত্ম প্রকাশ কৰে। আৰু শাক্তয়ো শৈৱৰ দৰেই রুদ্রাক্ষ ধাৰণ কৰিবলৈ ধৰে। তাৰ পাছত শৈৱ আৰু শাক্ত একেমত হৈ—যোনি আৰু লিঙ্গৰ পূজা প্রচলন কৰে, যাক তেওঁলোকে লিঙ্গ আৰু জলাধাৰীৰ পূজা বুলি কয়। সংসাৰত স্বার্থপৰ মানুহে স্বার্থ সিদ্ধি কৰিবলৈ যি কোনো কুকার্য্যকেই কৰিবলৈ কুণ্ঠিত নহয় আৰু তাৰ পৰিণামৰ বিবেচনাও কৰিব নোৱাৰে সর্ব্বসাধাৰণ মানুহে পাষাণ মূর্ত্তিৰ আৰু যোনি লিঙ্গৰ পূজাতেই ধর্ম্ম-অর্থ কাম-মোক্ষ সিদ্ধি লাভ হয় বুলি বিশ্বাস

কৰিবলৈ ধৰিলে। ৰাজা ভোজৰ পাছত জৈন সকলে আকৌ যেতিয়া মন্দিৰ স্থাপন আৰু মূর্ত্তিৰ প্রতিষ্ঠা কৰি দর্শন স্পর্শনৰ কাৰণে যাতায়াত কৰিবলৈ ধৰিলে, তাকেই শৈৱ আৰু শাক্তসকলেও অনুকৰণ কৰিবলৈ লয়। এইদৰে যেতিয়া ভাৰতৰ সমাজত বিভিন্ন মতবাদ, মন্দিৰ আৰু মূর্ত্তি পূজাৰ প্রচলন হল, তেতিয়াৰ পৰাই স্বার্থপৰ সম্প্রদায়বাদী সকলৰ মন্দিৰ আৰু মূর্ত্তিপূজা বাণিজ্যৰূপে চলিবলৈ ধৰিলে। সেই সময়ৰ পৰাই আর্য্যাবর্ত্তৰ পশ্চিম পথেদি যবনসকলৰ আক্রমণ আৰু অনুপ্রবেশ আৰম্ভ হয়। তেতিয়া বক-বৃত্তিৰ সম্প্রদায়বাদী সকলে কিছুমান শ্লোক বচনা কৰিলে; যেনে :—

ন দেদ্যাববনীং ভাষাং প্রাণৈঃ কণ্ঠগতৈৰপি।
হন্তিনা তাড্যমানোঽপি নগচ্ছেজ্জৈননন্দিৰম ॥

অর্থ—প্রাণ গলেও যাবনী অর্থাৎ ম্লেচ্ছ ভাষা উচ্চাৰণ নকৰিব। উন্মত্ত হাতীয়ে খেদি আহিলেও প্রাণ ৰক্ষা কৰিবলৈও জৈন মন্দিৰত প্রৱেশ নকৰিব। এইদৰেই নতুন নতুন মতবাদ আৰু সম্প্রদায় প্রতিষ্ঠা হল আৰু কাল্পনিক অলৌকিক কাহিনীৰ গ্রন্থ বচনাও হল।

ভোজ ৰজাৰ ৰাজ্যত কেইজনমান পণ্ডিতে ব্যাস দেৱৰ নাম মার্কণ্ডেয় পুৰাণ, আৰু শিৱ পুৰাণ বচনা কৰিছিল। সেই বৃত্তান্ত জানিবলৈ পাই ৰজা ভোজে সেই পণ্ডিত কেইজনৰ হস্তছেদন দণ্ড দিয়ে আৰু ভবিষ্যতে যেয়ে যি লিখে নিজৰ নিজৰ নাম দি লিখিবলৈ আদেশ দিয়ে। ঋষি মুনিৰ নাম দি যাতে— কোনোৱে গ্রন্থ বচনা নকৰে তাৰ বাবে সতর্ক কৰিছিল। এই বিষয়ে ভোজ ৰজা প্রণীত "সঞ্জীৱনী" নামৰ ইতিহাসত লিখিত আছে। এই গ্রন্থ গোৱালিয়ৰ ৰাজ্যৰ "ভিণ্ড নগৰৰ তেৱাৰী ব্রাহ্মণৰ পৰিয়ালত ৰক্ষিত হৈ আছে। সেই গ্রন্থত

এই কথাও লিখিত আছে যে ব্যাসদেবে ৪৪০০ আৰু শিষ্য সকলে ৫৬০০ সৰ্ব্বমুঠ— ১০,০০০ শ্লোকৰ মহাভাৰত ৰচনা কৰিছিল। তাৰ পাছত মহাৰাজ বিক্রমাদিত্যৰ সময়ত মহাভাৰতক শ্লোকৰ সংখ্যা ২০,০০০ হয়। মহাৰাজ ভোজে তাত লিখিছে যে, তেওঁৰ পিতাকৰ সময়ত মহাভাৰতৰ শ্লোকৰ সংখ্যা বাঢ়ি ২৫,০০০ হয় আৰু তেওঁৰ আধা বয়সক সময়ত ৩০,০০০ হেজাৰ হয়। এই দৰে যেতিয়া ঋষি মুনিৰ নাম কি নামা পুৰাণ আদি গ্রন্থ ৰচনা হবলৈ ধৰিলে, তেতিয়া আৰ্য্যাবৰ্ত্তবাসী ভ্রমজালত সোমাল। পৰিণামত বৈদিক ভাৰধাৰাৰ পৰা দেশ ভ্রষ্ট হল। ইয়াৰ পৰা এয়েই প্রতীত হয় যে ৰজা ভোজ পর্য্যন্ত কিছু পৰিমাণে হলেও-বৈদিক সংস্কাৰ আছিল।

ভোজ প্রবন্ধত লিখা আছেঃ—

ঘটৈ্যকয়া ক্রোশদশৈকমশ্বঃ সুকৃত্রিমো গচ্ছতি চারুগত্যা।
বায়ং দদাতি ব্যজনং সুপুষ্কলং বিনা মনুষ্যেণ চলত্যজস্রম্॥

অর্থাৎ ভোজ ৰজাৰ ৰাজ্যত সেই সময়ত সুদক্ষ শিল্পী বর্ত্তমান আছিল যি ঘোৰাৰ আকৃতিৰ যন্ত্রকলাযুক্ত যান বিশেষ নির্ম্মাণ কৰিব পাৰিছিল। সেই যান্ত্রিক যানেৰে ঘণ্টাত প্রায় ৮৮ কিলোমিটাৰ যাব পাৰিছিল। সেই যান স্থল আৰু আকাশ দুয়ো পথেৰে যাব পাৰিছিল। এনে বিধ পাংখা বা বিচনী সাজি উলিয়াইছিল যি যান্ত্রিক কলাৰে প্রচুৰ পৰিমাণে বতাহ দিব পাৰিছিল। এনেবোৰ কলা কালৰ সোঁতত লোপ পালে।

যেতিয়া সৰ্ব্ব-সাধাৰণৰ মাজত জৈন ধর্ম্ম প্রচাৰ হ'ল, মানুহে জৈন মন্দিৰলৈ অহা যোৱা কৰিবলৈ ধৰিলে, তেতিয়া বক বৃত্তিধাৰী সকলৰ প্রভাৱ কমি আহিল। গতিকে তেওঁলোকে নানা অলৌকিক আখ্যান উপাখ্যানেৰে পুৰাণ ৰচনা কৰে। আৰু অৱতাৰবাদ, মন্দিৰ, মূর্ত্তিপূজা

বিষয়ৰ গ্রন্থ ৰচনা কৰি শাস্ত্র বুলি প্রচাৰ কৰিবলৈ ধৰিলে। জৈনৰ ২৪ তীর্থঙ্কৰৰ দৰেই ২৪ অৱতাৰৰ আখ্যান ৰচনা কৰি মন্দিৰ স্থাপন আৰু মূর্ত্তি পূজাৰ প্রচলন কৰে। জৈনৰ আদি আৰু উত্তৰ পুৰাণাদিৰ আধিনে অষ্টাদশ পুৰাণ পৰিকল্পিত আৰু সেইমতে ৰচিতো হ'ল।

ভোজৰ ৰাজত্বৰ দেড়শ বছৰৰ পাছত বৈষ্ণৱ মতৰ সূত্রপাত হয়। কলৰ কুলত জন্ম লোৱা "শঠকোপ" নামৰ এক ব্যক্তিয়ে এই মতৰ সূত্রপাত কৰে। তেওঁৰ পাচত মুনিবাহন আৰু যবনাচার্য্য—এই মতৰ আচার্য্য হয়। তাৰ পাছত ব্রাহ্মণ কুলজ চতুর্থ আচার্য্য ৰামানুজ হয় আৰু তেওঁৰ পৰাই বৈষ্ণৱ মতে প্রাধান্য লাভ কৰে। শৈৱসকলে শিৱপুৰাণ আদি গ্রন্থ, শাক্তসকলে দেৱী ভাগৱত আদি, আৰু বৈষ্ণৱসকলে বিষ্ণু পুৰাণাদি ৰচনা কৰে। তেওঁলোকৰ ৰচিত গ্রন্থবোৰত নিজৰ নিজৰ নাম থাকিলে হয়তো মানুহে প্রামাণিক বুলি গণ্য নকৰিব পাৰে, গতিকে তাত ঋষি-মুনিসকলৰ নাম দিলে। আচলতে এই গ্রন্থবোৰ 'পুৰাণ' নহয় নবীন হে। এই তিনিও মতাবলম্বীৰ ভিতৰত পৰস্পৰ যিবোৰ বিবাদ দেখা যায়—সেইদৰেই তেওঁলোকৰ ৰচিত পুৰাণবোৰৰ ভিতৰতো বিবাদ আছে।

দেৱীভাগৱতত শ্রীপুৰৰ অধিষ্ঠাত্রী "শ্রী" নামৰ এক দেৱীৰ উল্লেখ আছে। তেওঁৰেই ব্রহ্মা, বিষ্ণু, মহাদেৱ আৰু সমগ্র জগৎ সৃষ্টি কৰিছে। প্রথমে দেৱীৰ ইচ্ছা হোৱাত হাত দুখন ঘঁহিলে আৰু তাৰ পৰা হাতত এটা ঢৌ অর্থাৎ পানী জোলা উৎপন্ন হল, সেই পানী জোলাৰ পৰা ব্রহ্মাৰ জন্ম হয়। দেৱীয়ে ব্রহ্মাক কলে "তুমি মোক বিবাহ কৰা।" ব্রহ্মাই কলে "তুমি মোৰ মাতৃ; গতিকে বিবাহ কৰিব নোৱাৰো।" দেৱী ক্রুদ্ধা হৈ পুত্রক ভস্ম কৰে। দ্বিতীয় বাৰ দেৱীয়ে হাত ঘঁহিলে, আগৰ দৰেই এক পানী জোলা হল, তাৰ পৰা বিষ্ণু উৎপন্ন হ'ল। সেই

বিষ্ণুরেও আগব দবে বিয়া কবিবলৈ অমান্তি হোৱাত বিষ্ণুকো ভস্ম কবে। তৃতীয়বাব সেইদবেই মহাদেব হয়। মহাদেবকো বিবাহ কবিবলৈ কোৱাত মহাদেৱে কলে, "তুমি মোব মা, বিবাহ কবিব নোৱাৰোঁ। গতিকে তুমি অন্য স্ত্রীব দেহ ধাবণ কবা।" দেবীয়ে সেই মতে অন্য দেহ ধাবণ কবে। তেতিয়া মহাদেৱে সোধে "এই দুই স্থানত ভস্মব দবে এইবোব কি?" দেবীয়ে কলে,—"এই দুই তোমাব অগ্রজ, মোব আজ্ঞা পালন নকবাত ভস্ম কবিছো।" তেতিয়া মহাদেৱে কলে, "মই অকলে কি কবিম, মোব অগ্রজ দুজনকো জীৱিত কবা আৰু দুজনী স্ত্রী সৃষ্টি কবা তেতিয়া আমাব তিনিওবো বিবাহ হব পাবিব। দেবীয়েও সেই মতে কবাত তিনিও বিবাহ কবে। মাতাৰূপে বিবাহ নকবি ভগ্নীৰূপে বিবাহ কবিলে। তাব পাছত ইন্দ্র আদিক সৃষ্টি কবি ব্রহ্মা, বিষ্ণু, মহাদেব আৰু ইন্দ্রক পাৰ্ষ্ণী বাহক কবে। এতিয়া প্রশ্ন হ'ল—দেবীব দেহ আৰু স্ত্রী পুৰুষ সৃষ্টি কবিলে কোনে? দেবীব পিতা-মাতা কোন? যদি স্বয়ম্ভূ, অনাদি বুলি কয়—সংযোগ জাত বস্তু কেতিয়াও অনাদি হব নোৱাবে। মাতা-পুত্রই বিবাহ নকবি ভ্রাতা-ভগ্নী হৈ বিয়া কবিলে। এইবোব কেৱল মনে গঢ়া কল্পনাহে।

দেৱীভাগৱতত যেনেকৈ দেৱীব মহত্ত্ব বর্ণনা কবি মহাদেব, বিষ্ণু ব্রহ্মা আদিব হীনতা প্রতিপন্ন কবিছে, সেইদবেই শিৱপুৰাণত দেৱী আদিব হীনতা বর্ণনা কবি—মহাদেৱক সকলোবে ঈশ্বৰৰূপে প্রতিষ্ঠা কবিছে। তাত লিখা মতে যদি কদ্রাক্ষ আৰু ভস্ম ধাবণ কবিলেই মুক্তি হয়, তেন্তে ছাইত শোৱা পশুবোবব মুক্তি নহয় কিয়?

প্রশ্ন—"কালাগ্নিৰুদ্রোপনিষদত ভস্ম লেপনব যি বিধি আছে সি মিছা নেকি? "ত্র্যায়ুষং জমদগ্নেঃ", ইত্যাদি যজুর্বেদব বেদ।

মন্ত্রত ভস্মধাবণব বিধান আছে। আৰু পুৰাণত কোৱা আছে যে কদ্রব চকুব পৰা অশ্রু পৰি যি বৃক্ষ হৈছিল তাব নাম কদ্রাক্ষ। গতিকে কদ্রাক্ষ ধাবণ কবিলে পুণ্য হয় বুলি লিখিত আছে। এটা মাত্র কদ্রাক্ষ ধাবণ কবিলেও সকলো পাপব পৰা মুক্ত হৈ স্বর্গ লাভ কবিব পাবি, যমবাজ আৰু নবকব ভয় আৰু নেথাকে।

উত্তব—যিজনে "কালাগ্নিকদ্রোপনিষৎ" ৰচনা কবিছে তেওঁ কোনোবা ভস্মধাবীয়েই হব। কাৰণ "যস্য প্রথমা বেখা সা ভূর্লোকঃ," ইত্যাদি যি বচন সেই গ্রন্থত আছে সি অর্থহীন। প্রতিদিনে হাতেৰে দিয়া ভস্ম-বেখা কেনেকৈ ভূলোক বা ভূলোক বাচক শব্দ হব পাবে? আৰু যি "ত্র্যায়ুষং জমদগ্নেঃ" ইত্যাদি বেদ মন্ত্র আছে, তাব অর্থ ভস্ম বা ত্রিপুণ্ড্র ধাবণ নহয়, তাব আচল অর্থ শতপথ ব্রাহ্মণত এনেদবে কবিছে—"চক্ষুর্বৈঃ জমদগ্নিঃ"। গতিকে বেদমন্ত্রব অর্থ হল "হে পৰমেশ্বব! আমাব নেত্রব জ্যোতিঃ (ত্র্যায়ুষম্) তিনি গুণ অর্থাৎ তিনি শ বছব পর্য্যন্ত থাকক; আৰু আমিও সেইদবে পুণ্য কর্ম্ম কবিব লাগে—যাতে আমাব দৃষ্টি নাশ নহয়। অশ্রু পাতব পৰা বৃক্ষ উৎপত্তি হয় বুলি কেৱল জড় বুদ্ধিব লোকব বাহিবে আন কোনেও কব নোৱাবে। সৃষ্টি-ক্রম বা সৃষ্টি বিকাশব নীতি-ক্রম আছে, নীতিক্রম মতেই সকলো উৎপত্তি হয়, তাব অন্যথা কোনেও কবিব নোৱাবে। সৃষ্টিব নীতি অনুসাবে যি গছব যি বীজ বচিত হৈছে সেই বীজব পৰা সেই গছহে উৎপন্ন হয়। তাব বিপৰীত নহয়। গতিকে কদ্রাক্ষ, ভস্ম, তুলসী, কমলাক্ষ, ঘাঁহ, বন, চন্দন আদি ধাবণ কবাত কোনো বোগ বিশেষ দূব হব পাবে, কিন্তু পুণ্য হব নোৱাবে। বামাচাবী আৰু শৈব পন্থব যি সকল বিবেচনাশীল পুৰুষে এনেবোব কথাত বিশ্বাস নকবে সেই সকল সৎপুৰুষ। কদ্রাক্ষ আৰু ভস্ম ধাবণ কবিলে যদি

যমদূতেও ভয় কবে, তেনেহলে কুকুব, সাপ, মাখি মহে ভয় নকবে কিয় ? যদি এইবোবে ভয় নকবে তেনেহলে বিচাব পতি ধর্ম্মবাজ যমে ভস্ম আৰু কদ্রাক্ষ ধাৰীক ভয় কবিব কিয় ?

প্রশ্ন—বামাচাৰী আৰু শৈৱসকল জানিবা নিন্দনীয়ই হ'ল বৈষ্ণৱ সকলতো নিন্দনীয় হব নোৱাবে।

উত্তৰ—বৈষ্ণৱ সকলো বেদ বিৰোধী; গতিকে আপেক্ষিকভাবে নিন্দনীয়।

প্রশ্ন—"নমস্তে কদ্রমন্যবে"। "বৈষ্ণবমসি"। "বামনায় চ"। গণানাং ত্বা গণপতিং হবামহে।" "ভগৱতী ভূয়াঃ।" সুর্য্য আত্মা জগতস্তস্থুষশ্চ।' এইবোৰ বেদ বাক্যৰ প্রমাণেৰে শৈৱ আদি মত সিদ্ধ হয়। আপোনাৰ প্রতিবাদ কৰাৰ যুক্তি কি ?

উত্তৰ—এইবোৰ বেদ বচনৰ দ্বাৰাই শৈৱ আদি সম্প্রদায় সিদ্ধি হ'ব নোৱাবে। কাৰণ "কদ্র", পৰমেশ্বৰ, প্রাণ আদি বায়ু, জীৱ, অগ্নি আদিৰ নাম। যি বিতুষ্ট হৈ দুষ্টবোৰক ৰোদন কৰায় সেই কদ্র পৰমাত্মাক নমস্কাৰ, প্রাণ আৰু জাঠৰাগ্নিক অন্ন দিব লাগে, (নম ইতি অন্ন নাম—নিঘণ্টু, ২। ৭), যি মঙ্গলকাৰী, যি সমস্ত জগতৰ হিতকাৰী সেই পৰমাত্মাক নমস্কাৰ।

"শিৱস্য পৰমেশ্বৰস্যায়ং ভক্তঃ শৈৱঃ।" "বিষ্ণোঃ পৰমাত্মনোঽয়ং ভক্তো বৈষ্ণবঃ।" "গণপতেঃ সকল জগৎ স্বামিনোঽয়ং সেৱকো গাণপতঃ।" "ভগৱত্যা বাণ্যা অয়ং সেৱকঃ ভাগবতঃ।" "সূর্য্যস্য চৰাচৰাত্মনোঽয়ং সেৱকঃ সৌৰঃ।

কদ্র, শিৱ, বিষ্ণু, গণপতি আৰু সূর্য্য আদি পৰমেশ্বৰৰ নাম আৰু

ভগৱতী সত্য-বাণীৰ নাম। যথাযথ অর্থ নুবুজাৰ কাৰণেই বাদ-বিবাদ হয়। এক পৰমেশ্বৰৰ বিভিন্ন লাক্ষণিক নাম, আৰু মূল বস্তু এক; এক পুৰুষৰে দুই পদৰ দৰে। অখণ্ড সচ্চিদানন্দ, অনন্তস্বৰূপ পৰমাত্মাৰ বিষ্ণু, কদ্র আদি অনেক নাম। এইবোৰ নামৰ অর্থ প্রথম সমুল্লাসত বর্ণনা কৰা হৈছে। তাত্ত্বিক অর্থ নুবুজি, নামে প্রতি একোটা সম্প্রদায়ত বিভাগ হৈ পৰস্পৰ নিন্দা আৰু বিবাদ কৰিব লগা হৈছে। জগতৰ ঈশ্বৰ এজনৰ বাহিৰে কেৱা জনো হ'ব নোৱাবে। এজনৰে সর্ব্বজ্ঞত্ব সর্ব্বেশ্বৰত্ব জগদীশ্বৰত্ব আদি গুণ, কর্ম্ম স্বভাৱ অনুসাৰে অনেক নাম। যথার্থ জ্ঞান নহলে আৰু এক ঈশ্বৰৰ বিভিন্ন নামত বাদ বিবাদ কৰিলে ঈশ্বৰ প্রসন্ন হোৱাৰ পৰিবর্ত্তে অপ্রসন্ন হে হ'ব।

চক্রাঙ্কিত বৈষ্ণৱ সকলৰ বিচিত্র লীলাঃ—

তাপঃ পুণ্ড্রং তথা নাম মালা মন্ত্রস্তথৈব চ।
অমী হি পঞ্চ সংস্কাৰাঃ পৰমৈকান্তহেতবঃ॥
অতপ্ততনুর্ন তদামো অশ্নুতে। ইতি শ্রুতেঃ।

(বামানুজ পটল পদ্ধতৌ)।

তাপ—অর্থাৎ শঙ্খ, চক্র, গদা, পদ্মৰ চিহ্ন অঙ্কিত লো অগ্নিত গৰম কৰি বাহুত দাগ দিয়াৰ পাছত সেই গৰম লো দুগ্ধপূর্ণ পাত্রত শীতল কৰা হয় আৰু সেই দুগ্ধামৃত পান কৰে। সেই গৰম লোত নৰমাংসৰ স্বাদ বা বস কিঞ্চিৎ পৰিমাণে হলেও থকাৰ সম্ভৱ, সেই দুগ্ধ অমৃত বুলি পান কৰে। তেওঁলোকৰ মতে সেই দৰে শৰীৰত চিহ্ন অঙ্কন নকৰিলে আমঃ—অর্থাৎ অপৰিপক্ক হৈ থাকে বা অসিদ্ধ হৈ থাকে; গতিকে তেওঁৰ পৰমেশ্বৰ সাক্ষাৎ লাভ হব নোৱাবে। যেনেকৈ কোনো ব্যক্তিৰ বাজ মোহৰৰ চাব লগত থাকিলে তেওঁক বাজ কর্ম্মচাৰী বুলি

সকলোরে ভয়, সম্মান কবে, সেই দবে বিষ্ণুব শংখ চক্র প্রভৃতিব চিহ্ন আদি গাত থাকিলে যম আরু যমদূতেও সেইজনলৈ ভয় কবে। এই বিষয়ে এটা দোহা আছেঃ—

বানা বড়া দয়াল কা, তিলক ছাপ ঔব মালা।
যম ডবপে কালু কহে, ভয় মানে ভুপাল॥

অর্থাৎ ভগবানব ভেশ, তিলক, ছাপ, আরু মালা ধাবণ কবা পুণ্য কর্ম্ম। সেইবোব দেখি জীয়নত নব-বজা আরু মবণত যমবাজেও ভয় কবে।

এই দবেই পুণ্ড্র্ অর্থাৎ কপালত দুডাল উর্দ্ধ বেখা আঁকি চেলাউবিব মাজত দুয়োডালব মুব গোলাকাব কবি মিলাই দিয়া, নাম অর্থাৎ নাবায়ণ দাস, বিষ্ণু দাস, আদি দাস শব্দান্ত নাম বখা, মালা অর্থাৎ পদ্মবীজব মালা ধাবণ, আরু পঞ্চমতে "মন্ত্র" যেনে ওম্ নমো নাবায়ণায়"॥ ১॥ (এইটো সাধাবণ মানুহব কাবণে) আরু শ্রীমন্নাবায়ণ চবণং শবণং প্রপদ্যে॥ শ্রীমতে নাবায়ণায় নমঃ॥ ২॥ শ্রীমতে বামানুজায় নমঃ॥ ৩॥ ইত্যাদি মন্ত্র ধনী আরু সম্ভান্ত সকলব কাবণে বচনা কবিছে।

এইবোবক এক প্রকাব জীবিকাবেই শৌখল বিশেষ বুলিব লাগে। যেনেকুরা মুখ তেনেকুরা তিলক। এই পাচ বিধ সংস্কাবক চক্রাঙ্কিত বৈষ্ণবে মুক্তিব সাধন বুলি মানে। মন্ত্রবোবব অর্থঃ— আমি নাবায়ণক নমস্কাব কবোঁ॥ ১॥ আমি লক্ষ্মী যুক্ত নাবায়ণব চবণাববিন্দত শবণ লৈছো॥ ২॥ আমি শ্রীশোভা যুক্ত নাবায়ণক নমস্কাব কবিছো॥ ৩॥

বামাচাবী সকলে যেনেকে পঞ্চ মকাবক সাধন বুলি মানে, চক্রাঙ্কিত বৈষ্ণব সকলেও সেই দবে পাঁচ সংস্কাবক সাধন বুলি মানে। তেওঁলোকে শঙ্খ, চক্র আদিব দাগ দিবব কাবণে যি বেদ মন্ত্রব প্রমাণ উল্লেখ কবে সেই মন্ত্র হ'ল এইঃ—

পাবত্রং তে বিততং ব্রহ্মণস্পতে প্রভুর্গাত্রাণি পর্য্যেষি বিশ্বতঃ। অতপ্ততনুর্ন তদামো অশ্নুতে শৃতাস ইদ্বহন্ত স্তৎসমাশত॥১॥ তপোষ্পবিত্রং বিততং দিবস্পদে॥২॥

(ঋঃ মঃ ৯, সূঃ ৮৩, মঃ ১-২)॥

অর্থ— হে ব্রহ্মাণ্ডপতে! সর্ব্বশক্তিমান্ প্রভো! তুমি নিজব ব্যাপ্তিবে জগতব সকলো অবয়ব পবিব্যাপ্ত হৈ আছা। শম, দম, সত্য অস্তেয়, ব্রহ্মচর্য্য আদি তপেবে নিজব আত্মাক যিজনে পবিপক্ক কবিব পবা নাই, তেওঁব কাবণে তোমাব সর্ব্বব্যাপক শুদ্ধ, সূক্ষ্ম স্বৰূপ অলভ্য। তপশ্চর্য্যাব দ্বাবা বিশুদ্ধ হোৱা আত্মাই তপশ্চর্য্যাতেই তোমাব শুদ্ধ স্বৰূপ উপলব্ধি কবে॥২॥ এই সৃষ্টিত পবিব্যাপ্ত প্রকাশ স্বৰূপ পবমাত্মাব পোৱাব বাবে তপস্যাব দ্বাবা বিশুদ্ধ হোৱা সকলেহে পবমাত্মাক পাবব যোগ্য॥২॥

এতিয়া আৰ্বি চাওক, বামানুজ আদি বৈষ্ণৱবাদীসকলে এই বেদ মন্ত্রবে চক্র আদি অঙ্কনব সমর্থনত কেনেকৈ প্রমাণ কবিব পাবে? তেওঁলোক যথার্থ বিদ্বান্ হলে এই বেদ মন্ত্রব তেনেকুরা অসঙ্গত অর্থ নকবিলেহেঁতেন। এই মন্ত্রত "অতপ্ততনূঃ" শব্দহে আছে "অতপ্ত ভূভৈকদেশঃ" নাই। আরু "অতপ্ততনুঃ" এই শব্দব অর্থ নখব পবা কেশলৈকে সমস্ত তনুক (শবীবক) বুজায়—, এক অঙ্গক তনু নোবোলে। আরু যদি চক্রাঙ্কিত বৈষ্ণবসকলে এই মন্ত্রব "তাপ" মানে "অগ্নিব তাপ" বুলি অর্থ কবে—তেন্তে তেওঁলোক প্রজ্বলিত অগ্নিত নিজব তনু বিশুদ্ধ কবা উচিত। তেনে অর্থ কবিলেও ভুল নহব পাবে। কাবণ বেদ শাস্ত্র মতে দেহ আরু আত্মাক তপস্যাবেহে পবিত্র কবা যাব পাবে—অগ্নিবে নহয়।

ঋতং তপঃ সত্যং (তপঃ শ্রুতং তপঃ শান্তং)
তপো দমস্তপঃ স্বাধ্যায়স্তপঃ॥ তৈত্তিৰীয়ঃ প্রঃ ১০।অঃ ৮।

ঋতং তপঃ অর্থাৎ যথার্থ শুদ্ধভাব, সত্য শ্রবণ, সত্য ভাষণ, সত্য আচবণ, ইন্দ্রিয় সংযম, স্বাধ্যায় এইবোবকেই তপ বোলে। কোনো ধাতুক তপ্ত কবি দেহব চর্ম্ম দগ্ধ কবাক 'তপ' নোবোলে। বৈষ্ণব সম্প্রদায়ো কেবা ভাগত বিভক্ত হল, তাব ভিতবত চক্রাঙ্কিতসকলে সর্ব্ব-শ্রেষ্ঠ বুলি ভাবে, কিন্তু তেওঁলোকব পবম্পবা চলি অহা কুআচবণব প্রতি লক্ষ্য নাই।

চক্রাঙ্কিত সম্প্রদায়ব প্রবর্ত্তক শঠকোপ। তেওঁব জন্ম কঞ্জব কুলত, চক্রাঙ্কিত সম্প্রদায়ব গ্রন্থ সমূহত আৰু ভক্ত-মালাত লিখা আছে :—

বিক্রীয় শূর্পং বিচচাৰ যোগী।

অর্থাৎ শঠকোপ যোগীয়ে কুলা সাজি বেছি ফুবিছিল। সম্ভব কঞ্জব কুলত জন্ম হোৱাব কাৰণে ব্রাহ্মণ পণ্ডিতব ওচবত অধ্যয়ন আৰু শ্রবণব পবা বঞ্চিত হৈ ব্রাহ্মণব বিৰুদ্ধে তিলক আৰু চক্র অঙ্কনব প্রচলন কবে, যিবোব শাস্ত্রব বিৰুদ্ধ কার্য্য। ভক্ত মালব বচয়িতাব নাম নাভা; জন্ম কুল "ডোম", যি কুলব, তেতিয়াব সমাজত সম অধিকাব নাছিল। শঠকোপব শিষ্য "মুনিবাহন" যাব জন্ম চাণ্ডাল কুলত। মুনিবাহনব শিষ্য যামুনাচার্য" যি পাছত "যামুনাচার্য্য" নামেও জনাজাত হৈছিল। তাব পাছত ব্রাহ্মণ কুলজ "বামানুজ" চক্রাঙ্কিত বৈষ্ণবব আচার্য্য হয়। ইয়াব আগতেই কেইখনমান মাত ভাষাত গ্রন্থ বচিত হৈছিল কিন্তু বামানুজ সংস্কৃতব পণ্ডিত আছিল। গতিকে তেওঁ শঙ্কবাচার্য্যব উপনিষদব আৰু শাৰীবিক সূত্রব টীকাব বিৰুদ্ধে সংস্কৃতত টীকা লিখিছিল।

শঙ্কবাচার্য্য মত— অদ্বৈত। অর্থাৎ জীব আৰু ব্রহ্ম এক, অন্য একো দ্বিতীয় বস্তু নাই, জগৎ প্রপঞ্চ সকলো মিছা, মায়ারূপ আৰু অনিত্য। বামানুজ আচার্য্যব মত ইয়াব বিপবীত অর্থাৎ জীব ব্রহ্ম আৰু মায়া এই তিনটাই নিত্য। এতিয়া চিন্তা কবি চাওক, শঙ্কবাচার্য্যব

মতে এক ব্রহ্মব বাহিবে জীব আৰু জগতব কাবণ নেমানিলে সঙ্গতি নোলায়। শঙ্কবাচার্য্যব বিৰুদ্ধে বামানুজব বিশিষ্ট অদ্বৈতবাদ অর্থাৎ—জীব আৰু মায়াবে সৈতে পবমেশ্বব এক, বুলিছে অথচ তিনিটাবেই ভিন্ন ভিন্ন অস্তিত্বও স্বীকাব কবিছে, আৰু অদ্বৈতো বুলিছে, গতিকে যুক্তিহীন সিদ্ধান্ত। জীবক সদায় ঈশ্বৰব অধীন বোলাবো অর্থ নাই।

ইপিনে কণ্ঠী, তিলক, মালা আৰু মূর্ত্তি পূজা আদিও মানে। দেখা যায় চক্রাঙ্কিত বৈষ্ণবব সিদ্ধান্ত যিমান বেদ বিৰুদ্ধ, শঙ্কবাচার্য্যব সিমান বেদ বিৰুদ্ধ নহয়; ইমানেই পার্থক্য।

প্রশ্ন— মূর্ত্তি পূজাব কেনেকৈ প্রচলন হ'ল ?

উত্তব— জৈন সকলক অনুকবণ কবি।

প্রশ্ন— জৈনসকলে কব পবা প্রচলন কবিলে ?

উত্তব— তেওঁলোকব অজ্ঞতাব পবা।

প্রশ্ন— জৈনসকলব মতে শান্ত ধ্যানাস্থিত মূর্ত্তি দর্শন কবিলেও নিজব আত্মাব পবিণাম শুভ হয়।

উত্তব— জীব হ'ল চেতন, মূর্ত্তি জড়। জড় মূর্ত্তি দেখি জীবেও জড় হৈ যাব নেকি ? মূর্ত্তি পূজা ভ্রান্ত ধাবণা বিশেষ, জৈন সকলব পবাই প্রবর্ত্তিত হৈছে, এই বিষয়ে দ্বাদশ সমুল্লাসত সমালোচন কবা হব।

প্রশ্ন— শাক্ত, বৈষ্ণব, আৰু শৈব সম্প্রদায়ব মূর্ত্তি জৈন মূর্ত্তিব দবে নহয়।

উত্তব— একে নহয় সচাঁ, কাবণ জৈন মূর্ত্তিব অনুকবণ কবিলে সকলো জৈন হৈ যাব, গতিকে জৈনব বিপবীতে নিজব নিজব সাম্প্রদায়িক ধাবণা অনুকপে মূর্ত্তি নির্ম্মাণ কবা হৈছে। সেই সময়ত জৈনব বিৰুদ্ধ আচবণ কবাটো বৈষ্ণবাদিব আৰু বৈষ্ণবাদিব বিৰুদ্ধতা কবাটোৱেই জৈন সকলবো প্রধান কাম আছিল। জৈনসকলে মূর্ত্তিবোব বিষয়,

ধ্যানাবস্থিত, আৰু সংসাৰ বিৰাগী মনুষ্যৰ আকৃতি বিশিষ্ট কৰি নিৰ্ম্মাণ কৰে। আনহাতে বৈষ্ণৱ সকলে তাৰ বিপৰীত শৃঙ্গাৰ ৰস ব্যঞ্জক, ভোগ-বিলাসৰ আসক্তি সূচক আকৃতি বিশিষ্ট, দণ্ডায়মান আৰু উপবিষ্ট মূৰ্ত্তি নিৰ্ম্মাণ কৰে। জৈনসকলে শঙ্খ, ঘণ্টা, কাঁহ আদি বাদ্য নবজায়। বৈষ্ণৱ শাক্ত আদিয়ে নানা বাদ্য বজাই মহা কোলাহল কৰে। শাক্ত আৰু শৈৱসকলেও নিজৰ নিজৰ সাম্প্রদায়িক কল্পনা অনুসাৰেই মূৰ্ত্তি নিৰ্ম্মাণ কৰে। এইদৰে প্রতিযোগিতা চলাত সৰ্ব্ব সাধাৰণ জৈনমতৰ অনুগামী সকল জৈনৰ জালৰ পৰা মুক্ত হৈ বৈষ্ণৱ শাক্ত, শৈৱ আদিৰ জালত আবদ্ধ হয়। লগে লগে ব্যাস আদি মহর্ষিসকলৰ নাম দি মনে গঢ়া নানা আখ্যান উপাখ্যান বচনা কৰিবলৈ ধৰিলে। সেই নব বচিত গ্রন্থ বোৰক পুৰাণ নাম দি পাঠ শুনাবলৈ আৰম্ভ কৰিলে। আৰু এক বিচিত্র মায়া বচনা কৰিলে যে, শিলৰ বা কোনো ধাতুৰ মূৰ্ত্তি গোপনে পৰ্ব্বত অথবা কোনো বিশেষ স্থানত পুতি থৈ, পাছত শিষ্য অনুগামী সৰ্ব্ব-সাধাৰণ মানুহৰ আগত ঘোষণা কৰে যে, মহাদেৱ, পাৰ্ব্বতী, বাধাকৃষ্ণ সীতাৰাম, লক্ষ্মীনাৰায়ণ, ভৈৰৱ, বা হনুমানে স্বপ্নত কৈছে—"মই অমুক স্থানত আছো, মোক তাৰ পৰা আনি কোনো মন্দিৰত স্থাপন কৰি পূজা কৰিলে বা যথা স্থানতেই মন্দিৰ পাতি পূজাৰ ব্যৱস্থা কৰিলে, তোমাৰ মনোবাঞ্ছা পূর্ণ কৰিম।" তাৰেই জ্ঞানান্ধ, ধনী দুঃখী জনসাধাৰণে বিশ্বাস কৰে আৰু সেই মূৰ্ত্তি বিচাৰি পাই আচৰিত হয় অথবা অন্ধবিশ্বাসী জনসাধাৰণক লগত লৈ গৈ সেই ধূর্ত্তই নিজেই দেখুৱাই দিয়ে। তেতিয়া সকলোৱে তেওঁক আচল সিদ্ধ পুৰুষ বুলি বিশ্বাস কৰি তেওঁৰ শৰণাপন্ন হয়। সকলোৱে যথা সম্ভৱ ধন সম্পত্তি ব্যয় কৰি মন্দিৰ সজাই দি পূজা কৰিবলৈ আৰম্ভ কৰে, সকলোৱে নিজৰ নিজৰ মনোবাঞ্ছা পূর্ণ কৰিবলৈ ধন সোণ, ভোজ্য বস্তু উছর্গা কৰি, সেই বক বৃত্তিধাৰীক সমর্পণ

কৰে। এইদৰে ছল চক্রান্ত কৰি ধূর্ত্তসকলে বিভিন্ন মূৰ্ত্তি স্থাপন কৰি সৈ নিজৰ নিজৰ জীৱিকা আর্জ্জন কৰিবলৈ ধৰিলে।

প্রশ্ন—পৰমেশ্বৰ নিৰাকাৰ, গতিকে তেওঁক কেনেকৈ চিন্তা কৰিব? সেইবাবে এটা মূৰ্ত্তিত ধ্যান কৰা উচিত। ধৰক, মূৰ্ত্তি পূজা নকৰিও যদি কোনোৱে মূৰ্ত্তি দেখি কৰযোৰে পৰমেশ্বৰক স্মৰণ কৰে বা নাম লয়, তাত কি ক্ষতি হব পাৰে?

উত্তৰ—পৰমেশ্বৰ নিৰাকাৰ আৰু সর্ব্বব্যাপক; যাৰ মূৰ্ত্তিৰ কল্পনা আৰু নির্ম্মাণ হব নোৱাৰে। পৰমেশ্বৰৰ অদ্ভুত বচনা পৃথিবী, জল, অগ্নি, বায়ু আৰু গছ-গছনি আদিৰ মহামূৰ্ত্তি স্বৰূপ জগতখন দেখি যদি পৰমেশ্বৰৰ স্মৰণ নহয়, মনুষ্য নির্ম্মিত মূৰ্ত্তিবোৰ দেখি কেনেকৈ স্মৰণ হব? মূৰ্ত্তি দর্শনত পৰমেশ্বৰৰ স্মৰণ হয়—এনে যুক্তি নিৰর্থক। কাৰণ সেই মূৰ্ত্তি আগত নেথাকিলে পৰমেশ্বৰৰ স্মৰণো নহব, আৰু যি কোনো কুকর্ম্ম কৰিবলৈও কুণ্ঠিত নহব। তেওঁ ভাবিব যে, নির্জ্জনত তাৰ কুকর্ম্ম কোনেও নেদেখে। সেই ধাৰণাতেই মানুহ কুকর্ম্মত প্রবৃত্ত হয়। জড়-মূৰ্ত্তি পূজি মানৱ মন সংযত কৰা নাযায়

যি জড় মূৰ্ত্তিৰ পূজা নকৰি সর্ব্বব্যাপক, সর্ব্বান্তর্য্যামী আৰু সাক্ষী স্বৰূপ পৰমাত্মাক সদায় সকলোতে অনুভৱ কৰে, নিজৰ অন্তৰতো অনুভৱ কৰে, আৰু সৎ অসৎ কর্ম্মৰ দ্রষ্টা বুলি অনুভৱ কৰে,—তেওঁ কেতিয়াও কুকর্ম্ম কৰিব নোৱাৰে। কায়, মন, আৰু বাক্যৰে যেয়ে যি কর্ম্মই কৰক অন্তর্যামী পৰমেশ্বৰে সকলো জানে আৰু তাৰ ফল ভোগ কৰিব লাগিব—এই উপলব্ধি হলে কেতিয়াও কোনেও কুকর্ম্ম কৰিব নোৱাৰে।

কেৱল ঈশ্বৰৰ নাম স্মৰণ কৰিলেও কোনো ফল পাব নোৱাৰে; কাৰণ মিঠাক মিঠা, বা তিতাক তিতা বুলি—থাকিলেও সেই মিঠা বা

তিতাৰ সোৱাদ মুখত পোৱা নাযায়। জিভাৱে আস্বাদন কৰিলেহে সোৱাদ অনুভৱ হয়।

প্রশ্ন—ঈশ্বৰৰ নাম লোৱাৰ ফল, তেনেহলে মিছা নেকি ? পুৰাণত দেখোন নামৰ মাহাত্ম্য লিখা আছে।

উত্তৰ—ঈশ্বৰৰ নামৰ যেনে অর্থ, তেনে আচৰণ কৰিলেহে তাৰ ফল পায়। যেনে ঈশ্বৰ পক্ষপাত ৰহিত, ন্যায়কাৰী; গতিকে সেই অর্থ স্মৰ কৰি নিজেও ন্যায়পৰায়ণ হব লাগে। এইদৰে এক নামৰ অর্থ উপলব্ধি কৰি আচৰণ কৰিলেহে নিজৰ আৰু জগতৰ কল্যাণ হব পাৰে।

প্রশ্ন—ঈশ্বৰ নিৰাকাৰ বুলি আমিও জানোঁ; কিন্তু শিৱ, বিষ্ণু, দেবী, গণেশ, সূর্য্য আদি স্বৰূপত আৰ্বিভাৱ হয় আৰু ৰাম কৃষ্ণ ৰূপে অৱতাৰ হৈছে। গতিকে সেই ৰূপত মূৰ্ত্তি নিৰ্ম্মিত হৈছে। এইবোৰ মিছা নেকি ?

উত্তৰ—সেইবোৰ মিছা। কাৰণ, বেদত "অজ একপাৎ" "অকায়ম্" ইত্যাদি বিশেষণেৰে ঈশ্বৰ জন্ম আৰু আকাৰ ৰহিত বুলি কোৱা আছে। তদুপৰি যুক্তিৰ ফালৰ পৰা চালেও ঈশ্বৰৰ কেতিয়াও অৱতাৰ হব নোৱাৰে। যি আকাশৰ দৰে সর্ব্বব্যাপক, অনন্ত আৰু সুখ-দুখ, দৃশ্য আদি গুণৰহিত, সেই পৰমেশ্বৰ এক ক্ষুদ্র বীর্য, গর্ভাশয় আৰু দেহত সীমিত বা আবদ্ধ হব পাৰে জানো ? একদেশী খণ্ডিত বস্তু হে এঠাইৰ পৰা আন ঠাইলৈ অহাযোৱা কৰিব পাৰে। যি অচল, অদৃশ্য, যি নোহোৱাকৈ এক পৰমাণু পৰিমাণৰ ঠাইও খালী নাই, সেই বস্তু অৱতাৰ হৈ ভিন্ন কেনেকৈ হব ? বন্ধ্যা নাৰীৰ নাতি হোৱা বুলি কোৱা যেনে অসম্ভৱ, ঈশ্বৰৰ অৱতাৰৰ কথাও তেনে অসম্ভৱ।

প্রশ্ন—পৰমেশ্বৰ সর্ব্বব্যাপক, গতিকে মূর্ত্তিতো ব্যাপক হৈ থাকে। গতিকে যেই কোনো বস্তুকেই ঈশ্বৰ বুলি পূজা কৰাত কি আপত্তি ?

"ন কাষ্ঠে বিদ্যতে দেবো, ন পাষাণে ন মৃণ্ময়ে।
ভাবে হি বিদ্যতে দেবস্তস্মাদ্ভাবো হি কাৰণম্॥

সেই পৰম দেৱ, কাঠ, শিল, বা মাটিৰে নির্ম্মাণ কৰা মূর্ত্তিত নাই বা নহয়, কেৱল ভাৱত হে পৰমেশ্বৰ বিদ্যমান; য'ত যিজনে পৰমেশ্বৰ বুলি ভাবে তেওঁ তাতেই পাব।

উত্তৰ—সর্ব্বব্যাপক পৰমেশ্বৰক এটা বস্তুত বা এক স্থানত ভাবিলে বাকীবোৰ উপেক্ষা আৰু অনীশ্বৰ জ্ঞান কৰা নহব জানো ? তেতিয়া সর্ব্বব্যাপকৰ অর্থ কি হব ? আপোনালোকে ঈশ্বৰক সর্ব্বব্যাপক বুলিও কয় অথচ এটা বস্তুত ভাৱে; ইয়াতকৈ অযুক্তিকৰ অন্ধবিশ্বাস আৰু কি হব পাৰে ? ঈশ্বৰক সর্ব্বব্যাপক বুলি যদি মানে, গছৰ পৰা ফুল ছিঙি আন এটা বস্তুত অর্পণ কৰে কি ? সেই চন্দন, ধূপ, ধূনা বা অন্যান্য বস্তুৰ নৈবেদ্য দিয়ে কিয় ? কাঁহ আদি বাদ্যবোৰ কাষ্ঠ দণ্ডৰে কোবায় কিয় ? ঈশ্বৰ হাততো আছে, হাতযোৰ কৰে কিয় ? মস্তকতো আছে, মুৰ দোঁৱায় কিয় ? ঈশ্বৰ যেতিয়া সকলোতে আছে, ব্যাপকৰ পূজা কৰে; তেন্তে প্রস্তৰ মূর্ত্তিত পুষ্প চন্দন আদি অর্পণ কৰে কিয় ? আৰু যদি ব্যাপ্যৰ পূজা কৰে, তেন্তে পৰমেশ্বৰৰ পূজা কৰা বুলি কয় কিয় ? বা প্রস্তৰ আদিৰ পূজাৰী বুলি সত্য কথা নকয় কিয় ?

এতিয়া ভাবি চ'ক—"ভাৱ" সত্য নে মিথ্যা ? যদি ভাৱ সত্য বুলি কয়, তেন্তে আপুনি যি ভাবে সেয়েই পৰমেশ্বৰ হব নেকি ? বা পৰমেশ্বৰ আপোনাৰ ভাৱৰ অধীন নেকি ? যদি আপোনাৰ ভাৱৰ অধীন কৰিব পাৰে, তেন্তে আপোনাৰ ভাবেৰে মাটিক সোণৰূপ, শিলক হীৰা মণি, সাগৰৰ ফেনক মুকুতা, জলক দুগ্ধ সৃষ্টি কৰিব নোৱাৰে কিয় ? মানুহে দুখৰ কথা কেতিয়াও নেভাবে, কিন্তু দুখ হয় কিয় ? অন্ধই নেত্রৰ ভাৱনা কৰি দেখিব নোৱাৰে কিয় ? মৰণ কোনেও নেভাবে, মৰণ হক

কিয় ? গতিকে, ভাৱনা সত্য হব নোৱাবে। যি বস্তু যেনেকুৱা তাক তেনে জ্ঞান কৰাহে সত্য ভাৱনা। জলক অগ্নি বুলি ভাবিলে, জল অগ্নি হব নোৱাবে। যি বস্তু যেনে কুৱা, তাক তেনে ভাবে জনাকে জ্ঞান বোলে ইয়াৰ বিপৰীত হলেই অজ্ঞান। গতিকে আপোনালোকে অভাৱনাক ভাৱনা আৰু ভাৱনাক অভাৱনা বুলিছে।

প্রশ্ন—যেতিয়ালৈকে বেদ মন্ত্রৰে আবাহন কৰা নহয় তেতিয়ালৈকে দেৱতাৰ আবির্ভাৱ নহয়—আবাহন কৰিলেহে দেৱতা আবির্ভাৱ হয় আৰু বিসর্জ্জন কৰিলেই অন্তর্ধান হয়।

উত্তৰ—মন্ত্র পঢ়ি আবাহন কৰিলেই যদি দেৱতা আহে, মূর্ত্তি জীৱন্ত নহয় কিয় ? অহাৰ প্রমাণ কি ? আৰু বিসর্জ্জন কৰিলে মূর্ত্তিটো নাযায় কিয় ? দেৱতা কৰ পৰা আহে আৰু কলৈ যায় ? মাজানে যদি শুনক। সকলোতে পৰিব্যাপ্ত পৰমাত্মাৰ অহাযোৱাৰ কথাই নুঠে। যদি মন্ত্রবলেৰে পৰমেশ্বৰক মাতি আনিব পাৰি, তেন্তে সেই মন্ত্রবলেৰেই পুত্র মৰিলে জীৱটোক আকৌ মাতি আনিব নোৱাৰি কিয় ? আৰু শত্রুৰ দেহৰ জীৱাত্মাক বিসর্জ্জন কৰাই শত্রু বধ নকৰে কিয় ? আচল কথা হ'ল ধূর্ত্ত বক বৃত্তিধাৰীসকলে সৰল সহজ মানুহক এইবোৰ প্রবঞ্চনাৰ জালত পেলাই নিজৰ নিজৰ জীৱিকা আর্জ্জন কৰিছে। পাষাণ মূর্ত্তিক পূজা আৰু ঈশ্বৰক আবাহন বিসর্জ্জন কৰাৰ বিষয়ে বেদত এটা অক্ষৰো নাই।

প্রশ্ন—প্রাণা ইহাগচ্ছন্তু সুখং চিৰং তিষ্ঠন্তু স্বাহা।
আয়েহাগচ্ছতু সুখং চিৰ তিষ্ঠতু স্বাহা।
ইন্দ্রিয়াণীহাগচ্ছন্তু সুখং চিৰং তিষ্ঠন্তু স্বাহা।

আপুনি বেদত আবাহন আদি নাই বুলিছে, এইবোৰ বেদৰ মন্ত্র নহয় নে ?

উত্তৰ—এইবোৰ বেদ মন্ত্র নহয়, এইবোৰ বামাচাৰীৰ কল্পিত তন্ত্রগ্রন্থৰ বাক্য।

প্রশ্ন—তন্ত্র মিছা নেকি ?

উত্তৰ—সম্পূর্ণ মিছা। বেদত পাষাণাদিৰ মূর্ত্তিত আবাহন প্রাণ প্রতিষ্ঠাৰ বিষয়ে এটি মন্ত্রও নাই। "পাষাণাদি মূর্ত্তিং বচয়িত্বা মন্দিৰে সংস্থাপ্য গন্ধাদিভিৰর্চ্চয়েৎ"—অর্থাৎ পাষাণ মূর্ত্তি নির্ম্মাণ কৰি মন্দিৰত স্থাপন কৰি চন্দন অক্ষতাদিৰ দ্বাৰা পূজা কৰিব, এনে অর্থৰ বাক্যও নাই।

প্রশ্ন—বেদত বিধি নাই যদি, তাৰ প্রতিবাদো নাই। যদি প্রতিবাদ (খণ্ডন) হব পাৰে, তেনেহলে "প্রাপ্তৌ সত্যাং নিষেধঃ" মূর্ত্তি থাকিলেহে খণ্ডন বা প্রতিবাদ হব পাৰে।

উত্তৰ—বিধি নাই, কিন্তু পৰমেশ্বৰৰ স্থানত অন্য কিহবাক পূজা কৰিবলৈ নিষেধ কৰিছে। অপূর্ব্ব বিধি হব নোৱাৰে জানো ? কি কৈছে শুনক—

অন্ধতমঃ প্রবিশন্তি যেঽসম্ভূতিমুপাসতে। ততো ভূয় ইব তে তমো য উ সম্ভূত্যাং ৰতাঃ ॥১॥

যজু॰ অ॰ ৪০ ম॰ ৯॥

ন তস্য প্রতিমা অস্তি ॥২॥ যজু॰ অ॰ ৩২, ম॰ ॥৩॥

যদ্বাচানভ্যুদিতং যেন বাগভ্যুদ্যতে।
ত দেব ব্রহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৩॥
যন্মনসা ন মনুতে যেনাহুর্ম্মনো মতম্।
তদেব ব্রহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥২॥
যচ্চক্ষুষা ন পশ্যতি যেন চক্ষূংষি পশ্যন্তি।
তদেব ব্রহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৩॥
যচ্ছোত্রেণ ন শৃণোতি যেন শ্রোত্রমিদং শ্রুতম্।
তদেব ব্রহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৪॥

যৎ প্রাণেন ন প্রাণিতি যেন প্রাণঃ প্রণীয়তে।
তদেব ব্রহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে ॥৫॥

কেনোপনিষদ ॥

যি সকলে ব্রহ্মব ঠাইত অসম্ভূতি অর্থাৎ অনুৎপন্ন, অনাদি প্রকৃতি কাবণব উপাসনা কবে, তেওঁলোক অন্ধকাব অর্থাৎ অজ্ঞানতা আৰু দুঃখসাগবত নিমগ্ন হয়। যি সকলে ব্রহ্মব ঠাইত সম্ভূতিক অর্থাৎ কাবণব পবা উৎপন্ন কার্যৰূপ পৃথিৱী আদি ভূত, পাষাণ, বৃক্ষাদিব অবয়ব আৰু মনুষ্য আদিব শৰীবব উপাসনা কবে, তেওঁলোক উক্ত অন্ধকাবতকৈয়ো অধিকতব অন্ধকাবত নিপতিত হয়; অর্থাৎ— মহামূর্খৰূপে চিবকাল ঘোব দুঃখৰূপ নবকত পতিত হৈ মহা ক্লেশ ভোগে ॥১॥ সর্ব্বব্যাপক নিৰাকাব পবমব্রহ্মব প্রতিমা নাই, অর্থাৎ পবিণাম, সাদৃশ্য অথবা মূর্ত্তি নাই ॥২॥ যি বাণীব ইয়ত্তাব (বর্ণনাব) বিষয় নহয় অর্থাৎ "এইয়া জল গ্রহণ কবা" এই দবে নির্দিষ্ট কবা নাযায়; কিন্তু যাব দ্বাবাই বাণীব প্রবৃত্ত হয় সেয়েই ব্রহ্ম বুলি জানিবা, উপাসনা কবিবা, তাব বাহিবে যি উপাসনা কবা সেইবোব উপাস্য নহয় ॥১॥ যি মনব ইয়ত্তাবে মনন কবা নাযায়, যাব দ্বাবাই মনে মনন কবে, সেয়েই ব্রহ্ম, তাকেই জানিলোৱা· উপাসনা কবা, তাব বাহিবে অন্য যি উপাসনা কবা সেই বিলাক ব্রহ্ম নহয় ॥২॥ যি চক্ষুব দ্বাবাই দৃষ্ট নহয়, চক্ষুৰে যাব দ্বাবাই দেখে সেয়েই ব্রহ্ম, তাবেই উপাসনা কবা, তাব বাহিবে অন্য বস্তুব উপাসনা নকবিবা ॥৩॥ যি শ্রোত্রব দ্বাবাই শুনা নাযায়, যাব দ্বাবাই শ্রোত্রই শুনে তেওঁকেই ব্রহ্ম বুলি জানিলোৱা আৰু উপাসনা কবা····· ॥৪॥ যি প্রাণব দ্বাবাই পবিচালিত নহয়, যাব দ্বাবাই প্রাণ পবিচালিত হয়, তেওঁকেই ব্রহ্ম বুলি জানিলোৱা আৰু উপাসনা কবা তেওঁৰ বাহিবে যি কোনো বায়ুক উপাসনা নকবিবা ॥৫॥ ইত্যাদি অনেক

নিষেধ আছে। প্রাপ্ত আৰু অপ্রাপ্ত দুয়োবে নিষেধ হব পাবে। প্রাপ্তব নিষেধ যেনে, এঠাইত এজন মানুহ বহি আছে, তেওঁক তাব পবা আঁতবি যাবলৈ কোৱা। অপ্রাপ্তব উদাহবণ যেনেঃ— চুবি নকবিবলৈ, বেয়াকাম নকবিবলৈ, দুষ্টৰ সঙ্গ নকবিবলৈ উপদেশ দিয়া মানেই নিষেধ কবা। যি মানৰ জ্ঞানত অপ্রাপ্ত, সি পবমেশ্বব জ্ঞানত প্রাপ্ত; গতিকে প্রাপ্তবো নিষেধ কবা হৈছে। এই নিমিত্তেই পাষাণাদি মূর্ত্তিব পূজা একান্ত নিষিদ্ধ।

প্রশ্ন— মূর্ত্তি পূজা কবাত পুণ্য নহব পাবে, কিন্তু পাপো হব নোৱাবে।

উত্তব— কর্ম্ম দুই প্রকাৰব, বিহিত আৰু নিষিদ্ধ। সত্যভাষণাদি যিবোব কর্ত্তব্য বুলি বেদাদি শাস্ত্রই প্রতিপাদন কবিছে সেইবোব বিহিত কর্ম্ম। মিথ্যা ভাষণ আদি যিবোব অকর্ত্তব্য বুলি নিষেধ কবিছে— সেইবোব নিষিদ্ধ। বিহিত কর্ম্মব অনুষ্ঠান ধর্ম্ম, তাকে নকবাই অধর্ম্ম। সেইদবে নিষিদ্ধ কর্ম্ম কবাই অধর্ম্ম আৰু তাকে নকবাই ধর্ম্ম। এয়েই যদি হয়, তেন্তে বেদাদি শাস্ত্র-নিষিদ্ধ মূর্ত্তি পূজা আদি অকর্ম্ম কবিলে পাপ নহব কিয়?

প্রশ্ন— বেদ অনাদি। পূর্ব্বকালত মূর্ত্তিব আৱশ্যক নাছিল। কাবণ তেতিয়া দেৱতাসকল প্রত্যক্ষ আছিল। মূর্ত্তিপূজাব পদ্ধতি তন্ত্রপুৰাণাদিব মতে পাচত প্রচলিত হৈছে।

যেতিয়া মানুহব জ্ঞান আৰু শক্তি হ্রাস পাবলৈ ধবিলে, তেতিয়া পবমেশ্বৰব ধ্যান কবাব সমর্থ্য নোহোৱা হ'ল। গতিকে মূর্ত্তিব ধ্যান কবা সহজ; এই কাবণেই অজ্ঞানীসকলব কাবণে মূর্ত্তি পূজা। এটি এটিকৈ খট খটি বগাইহে ওপবলৈ উঠিব পাবি। প্রথম খট খটিত

তবি নিদিয়াকৈ একেবাবে ওপবলৈ উঠিব নোৱাবি। সেইদবে মূর্ত্তি পূজাও প্রথম সোপান বা খট্‌খটি। মূর্ত্তি পূজা কবোঁতে জ্ঞান উদয়ব লগে লগে অন্তঃকবণ পবিত্র হলেহে পবমাত্মাব ধ্যান কবিব পাবি। লক্ষ্য ভেদ কাবীয়ে প্রথমে স্থূল লক্ষ্যত বান, গুলি আদি নিক্ষেপ কবি কবি অভ্যস্ত হলেহে যেনেকৈ সূক্ষ্ম লক্ষ্যও বিদ্ধ কবিব পাবে, সেই দবেই স্থূল মূর্ত্তিব পূজা কবোঁতে কবোঁতে শেষত সূক্ষ্ম ব্রহ্মকো পাব পাবে।

উত্তব— শুনক, বেদবিহিত আচবণ কবাই ধর্ম্ম আক বেদবিরুদ্ধ আচবণ কবাটো অধর্ম্ম, গতিকে মূর্ত্তি পূজা কবাটো অধর্ম্ম। যিবোব গ্রন্থ বেদবিরুদ্ধ, সেইবোব গ্রন্থব প্রমাণ দিয়াও নাস্তিকবহে কাম।

নাস্তিকো বেদনিন্দকঃ ॥১॥ (মনু॰ ২। ১১)।

যা বেদবাহ্যাঃ স্মৃতয়ো যাশ্চ কাশ্চ যকুদৃষ্টয়ঃ।
সর্ব্বাস্তা নিষ্ফলাঃ প্রেত্য তমোনিষ্ঠা হি তাঃ স্মৃতাঃ ॥
উৎপদ্যন্তে চ্যবন্তে চ যান্যতোঽন্যানি কানিচিৎ।
তান্যর্ব্বাক্কালিকতয়া নিষ্ফলান্যনৃতানি চ ॥৩॥

ম॰ অ॰ ১২।৯৫,৯৬

যি বেদব বিরুদ্ধতা বা বেদক নিন্দা কবে, তেওঁ নাস্তিক ॥১॥ যিবোব গ্রন্থ বেদববহির্ভূত, কুৎসিত পুৰুষব দ্বাবা বচিত, সংসাবক দুঃখসাগবত নিমগ্ন কবে, সেইবোব গ্রন্থ নিষ্ফল, অসত্য, অন্ধকাবময় আক ইহ পবলোকত দুঃখদায়ক ॥২॥ এনেবোব বেদ বিরুদ্ধ কল্পিত গ্রন্থ শীঘ্রে নষ্ট হৈ যায়। এনেবোব গ্রন্থ নিষ্ফল আক মিছা ॥৩॥

এই দবেই ব্রহ্মাব পবা আবম্ভ কবি মহর্ষি জৈমিনি পর্য্যন্ত সকলোবে বেদানুকূল আচবণকে ধর্ম্ম আক তাব বিপবীত হলে অধর্ম্ম বুলি বিবেচনা কবিছে। যিহেতু বেদ সত্য অর্থব প্রতিবাদক, ইয়াব

বিপবীত হলে তন্ত্র বা পুবাণ, সকলো মিছা। গতিকে বেদ বিরুদ্ধ গ্রন্থত প্রতিপাদন কবা মূর্ত্তি পূজাও অধর্ম্ম। জড় পূজাব দ্বাবাই মানুহব জ্ঞান বৃদ্ধি হব নোৱাবে, যি আছে সেই খিনিও ভ্রষ্ট হে হ'ব। গতিকে জ্ঞানী সকলব সেৱা আক সংসর্গত হে জ্ঞানবৃদ্ধি হ'ব পাবে, পাষাণাদিত হ'ব নোৱাবে। পাষাণাদিব নিৰ্ম্মিত মূর্ত্তিব পূজা কবি কোনেও কেতিয়াও পবমেশ্ববক ধ্যানগম্য কবিব নোৱাবে। মূর্ত্তি পূজা জ্ঞানব সোপান হব নোৱাবে অধোগতিবহে পথ হব। সেই পথেদি গভীব অন্ধকূপত পতিত হলে তাতেই বিনাশ হব লাগিব। অৱশ্যে সামান্য ধর্ম্মপবায়ণ বিদ্বানব পবা আবম্ভ কবি পবম বিদ্বান যোগী পর্য্যন্ত সকলোবে সঙ্গ লব্ধ সৎগুণ আক জ্ঞানেবে পবমেশ্বব লাভব সোপান হব পাবে। জড় পূজা কবোঁতে কবোঁতে মানব জীৱনব লক্ষ্য ধর্ম্ম, অর্থ, কাম, মোক্ষব পবা বিমুখ হৈ জীৱন বৃথা হব লাগিছে। মূর্ত্তি পূজা ব্রহ্ম প্রাপ্তিব সহায়ক নহয়, ধার্ম্মিক বিদ্বান আক সৃষ্টি বিদ্যাহে ব্রহ্ম প্রাপ্তিব সহায়ক

প্রশ্ন—সাকাবত মন স্থিব হয়, নিবাকাবত মন স্থিব কবা দুঃসাধ্য; গতিকে মূর্ত্তিপূজা কবা আবশ্যক।

উত্তব—সাকাবতো কেতিয়াও মন স্থিব হব নোৱাবে, কাবণ প্রথমতে মূর্ত্তিত মন দি পাচত প্রতিটো অঙ্গলৈ মন ঘূবে আক এটাব পবা আনটোলৈ মন যায়। কিন্তু নিবাকাব ব্রহ্মব গ্রহণত মন, বিমান সদৃশ, প্রবল বেগত ধাবমান হৈও অন্ত নাপায়। আক নিবৱয়ব কাবণে মন চঞ্চলো হব নোৱাবে। কিন্তু নিবাকাব ব্রহ্মব গুণ, কর্ম্ম-স্বভাবব চিন্তা কবোঁতে কবোঁতে অপূর্ব্ব আনন্দত মন স্থিব হয়। সাকাবত মন স্থিব হোৱা হলে জগতত সকলোবেই মন স্থিব হলহেঁতেন। সাকাব স্ত্রী, পুত্র, ধন, বন্ধু আদিত মন আবদ্ধ হৈ থাকে। নিবাকাবত সংযোগ কবিব নোৱাবা পর্য্যন্ত কাবো মন স্থিব নহয়। মনেই নিবৱয়ব; গতিকে নিবাকাবত

মন স্থিব হয়। সকলো বিবেচনা কবি চালে বুজা যায় যে, মুর্ত্তি পূজা অবশ্য। ইয়াব উপবিও অজস্র ধন সম্পত্তি ব্যয় হয়, মন চঞ্চল হয়। মূর্ত্তি পূজা উদ্যম পুবষার্থব আক আত্মবিশ্বাসব প্রতি বন্ধক যাব পাবণাম দবিদ্রতা। মূর্ত্তি পূজাব ভবষাত শত্রুব বিনাশ আক নিজব অভ্যুদয় আশা কবোঁতে, পাশা বা জুরা খেলব দবে, নিজব আক জাতিব সর্ব্বস্বান্ত হয়। বিভিন্ন মূর্ত্তি দর্শন কবি জাগা পবিবর্ত্তন কবাব আশাত দেশ দেশান্তব ভ্রমণ কবোঁতে, কষ্ট, অর্থব্যয় আক অকর্মণ্য হব লগা হয়। মূর্ত্তিব পূজাবী পাণ্ডাব হাতত এই দবে ধন গৈ পবিলে লুভীয়া দুর্নীতি পবায়ণ আক চবিত্রহীন হৈ পবে। প্রত্যক্ষ মাতা পিতা, বিদ্বান জ্ঞানী গুৰু যি প্রকৃত পুবোহিত সেই সকলব পূজাত কৈ মূর্ত্তি আক মূর্ত্তি পূজাবীব পূজাহে সর্ব্বপ্রধান হৈ পবে। মূর্ত্তি আক মূর্ত্তিব বহুমূল্যীয়া আভৰণবোব কোনোৱে ভাঙিলে বা অপহবণ কবিলে অনর্থক দুখ আক মহা কন্দলব সৃষ্টি হয়। এই সকলো দিশ বিবেচনা কবি মূর্ত্তি পূজাব ধাবণা পবিত্যাগ কবাই সৎপুৰুষব পক্ষে বাঞ্ছনীয়।

প্রশ্ন—আপোনাব মতে কোনো মূর্ত্তি পূজাকে সমর্থন নকবে; কিন্তু আর্য্যাবর্ত্তত প্রাচীন পবম্পবাবে "পঞ্চদেবতা" পূজা" বুলি পূজা এভাগ চলি আহিছে। শিব, বিষ্ণু, অম্বিকা, গণেশ আক সূর্য্যব মূর্ত্তিব প্রতিষ্ঠা কবি পূজা কবাকেই "পঞ্চায়তন" বা "পঞ্চদেবতা" নোবোলে জানো ?

উত্তব— কোনো মূর্ত্তিব পূজা নকবি তলত উল্লেখ কবা শাস্ত্রব বচন মতে মূর্ত্তিমান দেবতা সকলক পূজা বা সম্মান কবাহে— পঞ্চ দেবতা পূজা আক সেয়েই পঞ্চায়তন পূজা শব্দব অর্থ। অজ্ঞানতা বশতঃ প্রকৃত অর্থ গ্রহণ কবিব নোৱাবি— বিকৃত অর্থক গ্রহণ কবা

হৈছে। বেদোক্ত, বেদানুকূল পঞ্চায়তন, দেবপূজা আক মূর্ত্তি পূজাব মানে শুনক—

মা নো বধীঃ পিতবং মোত মাতবম্ ॥১॥ যজুঃ (অঃ ১৬।মঃ ১৫)"
আচার্য্যো ব্রহ্মচর্য্যেণ ব্রহ্মচাবিণমিচ্ছতে ॥২॥ অথর্ব্ব
(কা॰ ১১। ব॰ ৫। ম॰ ১৭)
অতিথির্গৃহানাগচ্ছেৎ ॥৩॥ অথর্ব্ব॰ (কা॰ ১৫, ব ১৩। ম॰ ৬)
অর্চ্চত প্রার্চ্চত প্রিয়মেধাসো অর্চ্চত ॥৪॥ ঋগ্বেদ ॥
ত্বমেব প্রত্যক্ষং ব্রহ্মাসি ত্বামেব প্রত্যক্ষং ব্রহ্ম বদিষ্যামি ॥
(তৈত্তিবীয়োপনি॰ বল্লী॰ ১। অনু॰ ১)"

প্রথম মূর্ত্তিমতী মাতৃদেবী পূজনীয়া। সন্তানে কায়-মনো বাক্যবে মাতৃব কোনো প্রকাব বিদ্রোহ নকবি সেৱা শুশ্রূষা কবা কর্ত্তব্য। দ্বিতীয় মূর্ত্তিমান দেবতা পিতৃদেৱ মাতাব দবেই পূজনীয়। তৃতীয় মূর্ত্তিমান দেবতা হৈছে ভাল-বিদ্যা-দাতা আচার্য্য, যাক কায় মনো বাক্যে সেৱা শুশ্রূষা কবিব লাগে। চতুর্থ—দেবতা অতিথি, যি সত্য ধর্ম্ম পবায়ণ, জ্ঞানী, আক সমাজব হিত সাধনব অর্থে কষ্ট সহ্য কবিও ঘূবি ফুবে, সেই অতিথি দেবতাব সেৱা শুশ্রূষাবে পূজা কবা কর্ত্তব্য ॥৩॥ পঞ্চম—পতিব পত্নী পূজনীয়া আক পত্নীব পতি পূজনীয়। এয়েই পাচ মূর্ত্তিমান দেব দেবী। এই পঞ্চ দেব পূজা বা পঞ্চায়তনব দ্বাবা মানব জীবনত ধর্ম্ম অর্থ কাম মোক্ষ অর্থাৎ পবমেশ্বব প্রাপ্তি হব বা এইবোবেই পবমেশ্বব প্রাপ্তিব সোপান। নিবাকাব বস্তুব মূর্ত্তি কল্পনা কবি পূজা কবিলে ইয়াব বিপবীতহে হব।

প্রশ্ন—মাতা পিতা আদিব পূজা কবিও মূর্ত্তি পূজা কবাত কি দোষ ?

উত্তৰ—পাষাণ মূর্ত্তিৰ পূজা কৰা সক লৰাছোৱালীৰ পুতলাৰ খেলা, মূর্ত্তিৰ আগত নৈবেদ্য আদি দিয়াই নিজৰ নিজৰ উদৰ পূৰণ কৰা বাস্তৰ পূজা হব নোৱাৰে; কেৱল অভিনয় বা প্রতাৰণা কৰাহে হয়। যেনেকৈ কোনোৱে কাৰোবাক বুঢ়া আঙুলি দেখুওৱাৰ দৰে হয়— "ত্বমঙ্গুষ্ঠং গৃহাণ, ভোজনং পদার্থবাহহং গ্রহিষ্যামি।" পূজা নামক অনুষ্ঠানৰ পূজাৰী সকল সমাজৰ শত্রু; যাদু কৰৰ দৰে যাদু কৰি নিজৰ উপার্জ্জন বঢ়ায়। মূর্ত্তিৰোৰ জাক জমকেৰে পৰিপাটিকৈ সজাই নিৰ্ব্বাধ জন সাধাৰণক ভুৱা দি জীৱিকা আর্জ্জন কৰি নিজে ভোগ বিলাস কৰে। এই যাদু জালত প্রতাৰিত হৈ জন সাধাৰণে ধন, সোণ, বস্ত্র, অন্ন, ফল, মূল দুধ ঘৃত, মধু আদি শ্রেষ্ঠ বস্তু বোৰ ধাৰ-ধৰ কৰিও অর্পণ কৰে, পৰিণামত পূজাৰী সকল লাভবান হয় আৰু দুর্ভগীয়া সকল অধিক দুর্ভগীয়া হৈ পৰে।

প্রশ্ন—সুন্দৰী যুৱতী নাৰীৰ পাষাণ মূর্ত্তি দেখি যেনেকৈ পুৰুষৰ কাম বাসনা উদ্দীপ্ত হয়, সেইদৰে—বীতৰাগ শান্ত মূর্ত্তি দর্শন কৰিলে শান্তি সংযমৰ প্রেৰণা নহব কিয়?

উত্তৰ—জেনে হব নোৱাৰে। কাৰণ মূর্ত্তি জড়বস্তু; জড় দর্শন স্মৰণ কৰোতে আত্মাও জড় বুদ্ধি প্রাপ্ত হয়, বিবেচনা শক্তি হ্রাস পায়। বিবেক বিনা বৈৰাগ্য, বৈৰাগ্য বিনে বিজ্ঞান আৰু বিজ্ঞান বিনে শান্তি হব নোৱাৰে। যি হয়, সৎপুৰুষৰ সংসর্গ, উপদেশ, আৰু সেই সকলৰ ইতিহাস আদি পাঠ বা শ্রৱণৰ ফলত হে হয়। যাৰ দোষ গুণ নাজানে কেৱল মূর্ত্তি দেখিলেই তাৰ প্রতি প্রীতি হব নোৱাৰে। গুণৰ জানতহে প্রীতি হয়। মূর্ত্তি পূজা আদি কুকর্ম্মৰ প্রচলনৰ ফলত আর্য্যাবর্ত্তত কোটি কোটি নিষ্কর্ম্মা পূজাৰী, ভিক্ষুক, আৰু পুৰুষার্থহীন মানুহৰ সংখ্যা বৃদ্ধি হল। তেনে লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবেই তেনেকুৱা মূর্খতাহে মানৱ সমাজত প্রচাৰিত আৰু বিস্তাৰিত হব।

লাগিছে। মিথ্যা আৰু প্রতাৰণাৰ বাহিৰে মানৱ-সমাজত আৰু কি উন্নতি হৈছে।

প্রশ্ন—আপুনি নেজানে নেকি কাশীৰ "লাটভৈৰৱ" আদিৰ মহিমা? যেতিয়া সম্রাট ঔৰঙ্গজেৱৰ সৈন্যই সেই মূর্ত্তিবোৰ ভাঙি-বলৈ বৰতোপেৰে গোলা বর্ষণ কৰিছিল, মন্দিৰৰ ভিতৰৰ পৰা জাকে জাকে বৰল উৰি আহি মুছলমান সৈন্যৰ ওপৰত উবুৰি খাই পৰিল। মুছলমান সৈন্যই তৎ হেৰুৱাই "তৌবা" "তৌবা" কৰি পলাই সাৰিব লগা হয়?

উত্তৰ—সেই বৰলবোৰ পাষাণ মূর্ত্তিৰ মহিমাত সৃষ্টি হোৱা নাছিল। সেই মন্দিৰবোৰত নিশ্চয় বহুত বৰলৰ বাহ আছিল, বৰ তোপৰ গোলা পৰি সিহঁতৰ বাহ ভঙাত সিহঁতে খণ্ডত সেই অচিনাকী মানুহ বোৰক আক্রমণ কৰে। বৰলৰ কামোৰত বিতৎ হৈ লগৰ কিছুমানক পলোৱা দেখি বাকীবোৰো পলায়। তাকেই মানুহে লাটভৈৰৱ মূর্ত্তিৰ মহিমা বুলি প্রচাৰ কৰিলে। তদুপৰি দুষ্ট প্রবাহৰ কাহিনীটোও পূজাৰী সকলৰেই আন এটা কৌশল।

প্রশ্ন—আৰু শুনক! মুছলমানে যেতিয়া মহাদেৱৰ মন্দি-ৰলৈ যায়, ম্লেচ্ছক দর্শন দিদি মহাদেৱে স্বয়ং অন্তর্দ্ধান হৈ নাদত লুকাই থাকে আৰু বেনী মাধৱেও সেই দৰেই এজন ব্রাহ্মণৰ ঘৰত গৈ লুকাইছিল। এইবোৰ আচৰিত মহিমা নহয় নেকি?

উত্তৰ—কালভৈৰৱ আৰু লাটভৈৰৱ যাৰ ৰক্ষক ভূতপ্রেত, গকড় আদি যাৰ গণ অর্থাৎ অনুচৰ, সেইবিলাকে মুছলমানক মাৰি খেদিব নোৱাৰিলে কিয়? পুৰাণত উপাখ্যান আছে যে মহাদেৱ আৰু বিষ্ণুৱে ত্রিপুৰাসুৰ আদি অনেক মহাভয়ঙ্কৰ আৰু দুৰাত্মা অসুৰক ভস্মীভূত

কবিছিল। তেওঁলোকে মুছলমান আক্রমণকাৰীবোৰক ভস্ম নকবিলে কিয়? এইবোৰ মিছা কল্পনাৰ কাহিনী, জড় মূৰ্ত্তিয়ে একো কৰিব নোৱাৰে। মুছলমানে যেতিয়া চাৰিওফালৰ মূৰ্ত্তি.বাৰ ভাঙি ভাঙি কাশীৰ ওচৰ চাপে তেতিয়া পূজাৰীসকলে পাষাণ লিঙ্গক নাদত পেলাই দিয়ে আৰু বেনী-মাধৱৰ মূৰ্ত্তিক এক ব্ৰাহ্মণৰ ঘৰত লুকুৱাই ৰাখে। কাহিনী প্ৰচলিত আছে যে কালভৈৰৱৰ ভয়ত যমদূতো কাশী প্ৰবেশ কৰিব নোৱাৰে, আৰু কালভৈৰৱে প্ৰলয় কালতো কাশী বিনাশ হবলৈ নিদিয়ে,—সেয়ে যদি সত্য হয়, তেন্তে ম্লেচ্ছ দুতক কাশীত সোমাবলৈ দিলে কিয়? এইবোৰ বঞ্চ বৃত্তিধাৰীসকলৰ চতুৰ কল্পনা, জনসাধাৰণক প্ৰবঞ্চনা কৰি জীৱিকা ৰক্ষা কৰাৰ জাল।

প্ৰশ্ন—গয়াত শ্ৰাদ্ধ কৰিলে পিতৃ-পুৰুষসকলৰ পাপ খণ্ডন হয়, গয়াত কৰা শ্ৰাদ্ধৰ প্ৰভাৱত পিতৃসকলৰ স্বৰ্গ লাভ হয়, আৰু তেওঁলোকে স্ব-হস্তে পিণ্ড গ্ৰহণ কৰে। এই কথাও মিছা নেকি?

উত্তৰ—সকলো মিছা। শ্ৰাদ্ধৰ নামত পাণ্ডাসকলক ধন বস্তু দিয়া হয়, নিষ্কৰ্মা পাণ্ডাই অনেকৰ ধন বস্তুৰে ধনী হৈ যিবোৰ বেশ্যাগমনাদি অসৎ কৰ্ম্ম কৰে, তাৰ ফলত পিতৃ পুৰুষ আৰু শ্ৰাদ্ধ কৰ্ত্তাসকলো পাপৰ ভাগী হয়, কাৰণ যাৰ ধনেৰে অসৎ কৰ্ম্ম কৰা হয়—সিহে সেই কৰ্ম্মৰ ফল পায়। সম্ভৱ, কোনোবা কালত কোনো কোনো প্ৰবঞ্চকে মাটিত গাঁত খান্দি তাৰ ভিতৰত এটা মানুহ বহুৱাই থৈ, ওপৰত কুশ জাপি দি তাৰ ওপৰত ফুল-পাত আদি দি থৈছিল, ধনী ধনী মানুহক ফান্দত পেলাবৰ কাৰণে। পিণ্ড দিওঁতে সেই ফুল-পাত আৰু কুৱাৰ মাজেদি হাত মেলি লোৱা দেখি সেই মূৰ্খ ধনী মানুহ জালত পৰে। সেইদৰেই

ৱাৰণে বৈদ্য নাথ মহাদেৱক কৈলাশৰ পৰা অনা কথাটোও মিছা।

প্ৰশ্ন—কলিকতাৰ কালী ভগৱতীক আৰু অসমৰ কামাখ্যা দেৱীক, কোনো মাহাত্ম্য নথকা হলে, লাখ লাখ মানুহে কিয় মানি আছে?

উত্তৰ—একো মাহাত্ম্য নাই। অজ্ঞানান্ধ মানুহে দেখাক দেখি আৰু শুনাক শুনি অনুকৰণ আৰু অনুগমন কৰি গভীৰ গাঁতত পৰিছে এতিয়া উদ্ধাৰ হোৱাও দুঃসাধ্য হৈছে।

প্ৰশ্ন—এইবোৰ বাৰু মিছা। কিন্তু, জগন্নাথদেৱৰ প্ৰত্যক্ষ আচৰিত মাহাত্ম্যবোৰ, যেনে—(১) কলেৱৰ পৰিবৰ্ত্তনৰ সময়ত সমুদ্ৰৰ পৰা চন্দন কাঠ নিজে নিজে আহে। (২) চৌকাৰ ওপৰত ওপৰা উপৰিকৈ ৭টা পাত্ৰত যি ভোগ ৰন্ধা হয়, তাৰ ভিতৰত একেবাৰে ওপৰৰ টোৰ বস্তু আগতে সিদ্ধ হয়, আৰু জগন্নাথলৈ গৈ যি প্ৰসাদ নাথায়, তাৰ কুষ্ঠৰোগ হয়। (৩) ৰথ নিজে নিজে চলে। (৪) পাপীৰোৱে জগন্নাথৰ দৰ্শন নাপায়। (৫) ইন্দ্ৰদ্যুম্ন ৰজাৰ ৰাজ্যত দেৱতাসকলে মন্দিৰ নিৰ্ম্মাণ কৰিছিল। (৬) কলেৱৰ পৰিবৰ্ত্তনৰ সময়ত এজন ৰজা, এজন পাণ্ডা, এজন ৰাঢ়ৈ মৰে। এই মাহাত্ম্যবোৰ আপুনি মিছা বুলি কব নেকি?

উত্তৰ—এজন লোকে ৰাৰ বছৰ জগন্নাথৰ পূজা কৰাৰ পাছত ৰৈৰাগী হৈ ঘৰ এৰি মথুৰালৈ অহাত মোৰ লগত পৰিচয় হয়। সেই তেওঁক এইবোৰ মাহাত্ম্যৰ কথা সোধাত তেওঁ সকলো মিছা বুলিয়েই কলে। যি হওক, বিবেচনা কৰি চালে দেখা যায়—যে চন্দন কাঠবোৰ নানা ঠাইৰ পৰা সংগ্ৰহ কৰি নি সাগৰৰ ঢৌৰ লগে লগে ওপঙাই নি পাৰত লগোৱা হয়। তাৰেই ৰাঢ়ৈয়ে মূৰ্ত্তি নিৰ্ম্মাণ কৰে। দ্বিতীয়তে ৰান্ধিৰৰ সময়ত ৰন্ধাঘৰৰ দুৱাৰ বন্ধ কৰি দিয়ে, ৰান্ধনিৰ বাহিৰে অন্য

কোনেও ভাত সোমাব নোৱাবে। মজিয়াও ছয় পিনে ছয়টা, তাব মাজত এটা ঘুবণীয়াকৈ চোকা কবা হৈছে। বন্ধা পাত্রবোবব বাহিব ফালে ঘিউ, মাটি আৰু ছাই—লিপি ছয়োটা পাত্রতেই অন্ন সিদ্ধ কবাব পাছত সেই পাত্র কিটাব তলি ধঁহি পবিষ্কাব কবি, সেই মাজব পাত্রত চাউল ঢালি তাব পাছত ছয়টা মুখ লোব ঢাকনিবে ঢাকি দিয়ে। ধনী যাত্রী হলে ভিতবলৈ নি ওপবব পাত্রবোবব সকলো সিদ্ধ একেবাবে তলবটোব চাউল দেখুৱাই দি জগন্নাথব মহিমা বুলি আচবিত কবি দিয়ে, আৰু সেই ভোগ চলি থাকিবব কাবণে সেই ধনী দর্শন কাৰীব পবা ভাল দবে টকা পইচা আদায় কবি লয়। কোনো কোনোৱে আজীবন মাহেকীয়া বৃত্তি পঠিয়াই থাকে। সেই সিদ্ধ ভোগ মুক্তিক অর্পণ কবিবলৈ শূদ্র বা নিম্ন শ্রেণীব মানুহে আনি মন্দিবত মুক্তিব আগত দিয়ে। সেই ভোগ নৈবেদ্য অর্পণ কবাব পাছত সেই শূদ্রলোকে উচ্ছিষ্ট কবি দিয়ে। কোনোৱে টকা বেছিকৈ দিলে বিশেষ ভাবে সেই পাত্রব পবা অনাই দিয়ে। সেই উচ্ছিষ্ট প্রসাদকেই সকলোৱে কোনো বাচ-বিচাব নোহোৱাকৈ একেলগে বহি ইটোৱে সিটোব খোৱাকে খায়। এদলে খাই যোৱাব পাছত, সেই খোৱা পাত্রতেই পাছত অহা সকলকো খাবলৈ দিয়া হয়। এইবোবক একেবাবেই অনাচাব নুবুলি কি বুলিব পাবি? অনেকে তাৰৈ গৈ তেনে উচ্ছিষ্ট প্রসাদ নাখাই নিজ হাতে বান্ধিও খায়। কিন্তু সেই সকলব কুষ্ঠ আদি কোনো বোগেই নহয়। জগন্নাথত অনেক কুষ্ঠ বেমাৰী আছে, সেইবোবে প্রতিদিন সেই উচ্ছিষ্ট প্রসাদ খোৱা সত্ত্বেও বোগ দূব হোৱা নাই। জগন্নাথত বামাচাৰীসকলে ভৈবৱী-চক্র বচনা কবিছিল, তাব কাবণ সুভদ্রা, শ্রীকৃষ্ণ আৰু বলদেবব ভগিনী। সেই ভগীকেই ছয়ো ভাতাব মাজত স্ত্রী আৰু মাতাব স্থানত বহুওৱা হৈছে। ভৈবৱী চক্র নহলে এনে বচনা কেতিয়াও হব নোৱাবে।

বথব চকাব লগতো যন্ত্র কৌশল আছে। যেতিয়া চকা ঘুকৰা হয়, তেতিয়া চলে। বথ-যাত্রাব মেলাব মাজত বথ বাখি চকাব শলা ওভোটাই দিলে চকা ঘুঘুবা হয়। তেতিয়া পূজাবী পাণ্ডাসকলে "জগন্নাথ প্রভুক সকলোৱে দান কবা, পুণ্য কবা, তেহে যদি প্রভু প্রসন্ন হৈ নিজে বথ চলায়, আৰু তোমালোকব ধর্ম্ম বক্ষা কবা," এইদবে চিঞবি থাকে দর্শক যাত্রীসকলে সেই মতে টকা-পইচা, পূজাব সামগ্রী যিয়ে যিমান পাবে দি থাকে। এইদবে দিয়া শেষ হলে এজন পাণ্ডাই দর্শকক আকর্ষণ কবা বস্ত্র আদি পিন্ধি বথব আগত ঠিয় হৈ কবযোবে স্তুতি কবে—"হে প্রভো জগন্নাথ কৃপা কবি বথ চলাই আমাক বক্ষা কবা, আমাব ধর্ম্ম বক্ষা কবা"। এইদবে স্তুতি কবি সাষ্টাঙ্গে দণ্ডবৎ প্রণাম কবি বথত উঠে। সেই মুহূর্ত্ততে বথ যন্ত্রব কাঁটাডাল ঘুবাই দিয়া হয় আৰু সহস্র লোকে জয়ধ্বনি কবি বথব বচি টানে। তেতিয়া বথ চলিবলৈ ধবে।

দর্শন মহিমা—জগন্নাথব মন্দিব প্রকাণ্ড, ঘোপমবা অন্ধকাব দিনতো প্রদীপ জ্বলাব লাগে। মুক্তিবোবব আগত দুই ফালব পবা টানিব পবা ব্যবস্থাবে দুখন পর্দ্দা থাকে। পর্দ্দা টনা পূজাবী পাণ্ডা ভিতবত থাকে। কৌশল খটোৱা কোনো এখন পর্দ্দা টানিলে মুক্তি আঁব হয়। তেতিয়া দর্শন কবোৱা পাণ্ডাসকলে কবলৈ ধবে—"তোমালোকব পাপ ক্ষয় নহলে, দর্শন নোপোৱা যি যেমে পাপ কবিছিল ভাবি চিন্তি সেই পাপ অনুপাতে পূজাব ধন সামগ্রী আদি দি পাপ ক্ষয় কবিলেহে দর্শন হব পাবে।" সকলো অভিনয় কবা দি কবে। সহজ সবল মানুহে বিশ্বাস কবি যেনে তেনে যি পাবে দিলে, তৎক্ষণাৎ কৌশল খটোৱা পর্দ্দা টানি দিলে মুক্তি দর্শন হয়। দর্শনার্থী সকলে গাঁঠিব ধন শেষ কবি মনে মনে কৃতার্থ হোৱা বুলি ভাবি ওলাই আহে।

ইন্দ্রদ্যুম্ন বঙ্গার বংশধর এতিয়াও কলিকতাত আছে। তেওঁ এজন ঐশ্বর্য্যশালী, ধর্ম্মপরায়ণ আরু দেবীর উপাসক আছিল। তেওঁ কৌটি কৌটি টকা ব্যয় করি মন্দির করার উদ্দেশ্য আছিল এয়ে যে, নানা ঠাইর লোকে জাতি বর্ণ নিবিশেষে. মন্দিরর আকর্ষণত মন্দির দর্শন করিবলৈ আহিলে আহার পাব,—স্পৃশ্য-অস্পৃশ্য ভেদ এরি সকলোরে একেলগে বিশুদ্ধ পবিত্র আহার করিব পারিব। ধূর্ত্ত প্রবঞ্চকবোরে সেই মহৎ উদ্দেশ্য সফল হবলৈ কত দিলে? আরু ইন্দ্রদ্যুম্ন রজার রাজ্যত কোনো অলৌকিক দেৱতাই মন্দির নির্ম্মাণ করা নাই, যি সকল শিল্পীয়ে করিছিল, তেওঁলোকেই দেৱতা। কলেবর পরিবর্ত্তনর সময়ত এজন রজা, এজন এজন পাত্র, আরু এজন মিস্ত্রী মরে বুলি কোৱা কথা বিশ্বাস করিব নোৱারি।

প্রশ্ন—গঙ্গোত্তরীর জল ঢালিলে রামেশ্বরর শির লিঙ্গ বাঢ়ি যোৱা কথাও মিছা নেকি?

উত্তর—অরশ্যে মিছা। কারণ, সেই মন্দিরর ভিতরখন অন্ধকার কারণে দিনে বাতিয়ে প্রদীপ জ্বলি থাকে। যেতিয়া জল নি সেই লিঙ্গত ঢলা হয়, তেতিয়া সেই জলত বিদ্যুতর দরে প্রদীপর প্রতিবিম্ব উদ্ভাসিত হয়। তার বাহিরে আন একো নহয়। পাষাণ মূর্ত্তি বঢ়া টুতা নহয়। এনেবোর যাদু কৌশলর দ্বারা নির্ব্বোধ জনসাধারণক প্রতারণা করি ধন উপার্জ্জন করা হয় মাত্র।

প্রশ্ন—রামচন্দ্রই রামেশ্বরর মূর্ত্তি স্থাপন করে। যদি মূর্ত্তিপূজা বেদ বিরুদ্ধ হয়, তেন্তে রামচন্দ্রই মূর্তি স্থাপন করিছিল কিয়? বাল্মীকিয়েই বা রামায়ণত তাক লিখিছিল কিয়?

উত্তর—রামচন্দ্রর সময়ত উক্ত লিঙ্গ বা মন্দিরর নাম গন্ধও নাছিল। দাক্ষিণাত্যর রাম নামর এজন রজাই মন্দির নির্ম্মাণ করি লিঙ্গর নাম

রামেশ্বর থৈছিল। রামচন্দ্রই বিমানত লঙ্কার পরা অযোধ্যালৈ হনুমান আদিরে সৈতে যাওঁতে সীতাক কৈছিল:—

অত্র পূর্ব্বং মহাদেব প্রসাদেমকরোদ্বিভুঃ।
সেতুবন্ধ ইতি বিখ্যাতম্॥

(বাল্মীকি রা॰ লঙ্কা কা॰ সর্গ, ১২৫। শ্লোক ২০)॥

হে সীতা! তোমার বিয়োগত ভ্রমণ করি ফুরোঁতে মই এই স্থানতেই চাতুর্ম্মাস্য ব্রত করি সেই পরমেশ্বরর উপাসনা আরু ধ্যান করিছিলো, যি বিভু (সর্ব্বব্যাপক), যি দেবাদিদেব মহাদেব পরমাত্মা যার কৃপাত সেতু বন্ধনত সফল হলোঁ। তেতিয়ার পরাই এই স্থান "সেতু বন্ধ" এই নামে বিখ্যাত হল। ইয়ার বাহিরে বাল্মীকির রচিত রামায়ণত আরু একো লিখা নাই।

প্রশ্ন—"রঙ্গ হ্যাঁয় কালিয়াকন্ত কো।
জিস্‌নে হুক্কা পিলায়া সন্ত কো॥"

দক্ষিণে কালিয়া কন্তত এটা মূর্ত্তি আছে। সেই মূর্ত্তিয়ে আজিও ধূমপান করি থাকে অর্থাৎ ধোৱা খোৱাত ধপাত থাই থাকে। ইয়ো মূর্ত্তিরেই মহিমা নহয় নে?

উত্তর সেইবোর মূর্ত্তির মাহাত্ম্য নহয়, বরং বৃত্তিধারী প্রবঞ্চকর খেলহে। সেই মূর্ত্তির ভিতরখন ফোপোলা হব। মূর্ত্তির পাছফালে থকা বেরর সিফালে থকা ঘরত নলী সংলগ্ন হৈ আছে বোধ হয়। পূজারীয়ে ধপাত চিলিমত জ্বলাই ধোৱাঁ খোরার নলী মূর্ত্তির মুখত সংলগ্ন করি থৈ পর্দ্দা টানি ওলাই আহে। বেরর সিপারে থকা মানুহে নলীত মুখ দি যেতিয়া হোঁপে, তেতিয়া গড় গড় শব্দ হয় আরু মূর্ত্তির নাকে-মুখে ধোঁৱা ওলায়। এই ভোজ-বাজী দেখুরাই দর্শক যাত্রীর পরা টকা পইচা ঠগি লয়।

প্রশ্ন—আপুনি শুনা নাই নে যে ডাকোৱৰ মূর্ত্তি দ্বাৰিকাৰ পৰা এজন ভক্তৰ লগত গুছি আহিছিল? সেই মূর্ত্তিৰ ওজন কেৱা যোনো, কিন্তু ১।০ চোৱা ৰাতি সোণেৰে ওজন কৰা হয়। এইটো এটা মূর্ত্তিৰ মহৎ আশ্চর্য্যৰ কথা নহয় নে?

উত্তৰ—একো আচৰিত নহয়, সেই মূর্ত্তিটো কোনো ভক্তই চুৰি কৰি আনিছিল। আৰু চোৱা ৰতিৰে কেৱা মোনো ওজন কৰাৰ কথা কোনোবাই ভাঙৰ নিছাত দেখা সপোন হে।

সোম নাথৰ-মূর্ত্তি

প্রশ্ন—সোমনাথদেৱৰ মূর্ত্তি ভূমি স্পর্শ নকৰাকৈ সদায় শূন্যতে স্থিৰ থাকে, এইটো অতি আশ্চর্য্য নহয় নে?

উত্তৰ—আশ্চর্য্য নহয়, মিছা হে। মূর্ত্তিৰ ওপৰত অর্থাৎ মন্দিৰৰ মূৰত আৰু তলত চুম্বক ৰখা হৈছিল, তলে ওপৰে সমানে আকর্ষণ কৰাত মূর্ত্তি মাজতে স্থিৰ হৈ আছিল। সোমনাথৰ মন্দিৰ মহম্মদ গজনবীৰ আক্রমণৰ সময়ত,—মহা মহা প্রবঞ্চক পূজাৰীসকলে "হে মহাদেৱ! তুমি এই ম্লেচ্ছবোৰক বিনাশ কৰি আমাক ৰক্ষা কৰা" এইদৰে স্তুতি প্রার্থনা কৰিছিল। সেই সময়ত ৰজা, যোদ্ধা আৰু জনসাধাৰণক ভুৱা দিলে যে সোমনাথে আমাক ৰক্ষা কৰিব, আপোনালোক নিশ্চিন্ত থাকক। মহাদেৱ ভৈৰৱ অথবা ৰীৰভদ্রৰ আবির্ভাব হৈ ম্লেচ্ছক বিনাশ কৰিব। হনুমান, দুর্গা আৰু ভৈৰৱে স্বপ্নত দর্শন দি কৈছে—"তেওঁলোকে সকলো লক্ষ্য কৰি আছে। ধর্ম্ম বিশ্বাসী সৰল ৰজা আৰু যোদ্ধাসকলে ধূর্ত্ত পূজাৰীৰ কথাত ভৰসা কৰিলে। জ্যোতিষীয়ে কলে "এতিয়াও আমাৰ আক্রমণৰ শুভক্ষণ উপস্থিত হোৱা নাই। কোনোৱে কলে চন্দ্র অষ্টম

স্থানত আছে। আন এজনে সম্মুখত যোগিনী আছে বুলি কলে। বিনা বাধাই ম্লেচ্ছ সেনাই চাৰিওফালে ঘেৰি ধৰি অনেক পূজাৰীক ধৰি বান্ধি লোৱাত সিবিলাকে হাতযোৰ কৰি অনুৰোধ কৰি কৈছিল—"তিনি কোটি টকা লৈ মন্দিৰ আৰু মূর্ত্তি নষ্টভ্রষ্টাকৈ এৰি থৈ য'ক।" তেতিয়া মুছলমানে কি উত্তৰ দিছিল? "আমি বুতপৰস্ত" অর্থাৎ মূর্ত্তি পূজক নহওঁ, 'বুতশিকন' অর্থাৎ মূর্ত্তি-ভঞ্জকহে। মন্দিৰ ভাঙোঁতে মন্দিৰৰ টুপ আৰু ওপৰৰ ছাটনি বিচ্ছিন্ন কৰি দিয়াত মূর্ত্তি মাটিত বাগৰি পৰে। শুনা যায়—সোমনাথৰ মূর্ত্তি ভাঙি ১৮ কোটি টকাৰ বস্তু বাহিৰ কৰে। তাৰ পাছত ধূর্ত্ত পূজাৰীসকলক প্রহাৰেৰে অভ্যর্থনা কৰি ধনৰ ভৰাল ক'ত আছে দেখুৱাবলৈ কোৱাত সকলো দেখুৱাই দিলে। এইবোৰ আছিল প্রবঞ্চনাৰে জনসাধাৰণক দৰিদ্র কৰি সংগ্রহ কৰা ধন সোন আৰু বহুমূল্যীয়া বস্তু। শত্রুৱে ধন ভৰালৰ সর্ব্বস্ব লুটপাত কৰি সবল, আৰু কার্য্যক্ষম শিষ্যসকলক ভাববাহী গোলাম কৰি লৈ যায়। এই প্রস্তৰ পূজাই আমাৰ জাতিৰ সর্ব্বনাশৰ মূল। দূৰদর্শিতাহীন স্বার্থজীবিসকলে এইদৰে প্রবঞ্চনা নকৰা হলে আর্য্যাবর্ত্ত আজিও জ্ঞানবিদ্যা অর্থ আৰু বল বীর্য্যত অজেয় হৈ থাকিলহেঁতেন। যিমান সংখ্যক মূর্ত্তি আছে, সিমান সংখ্যক শূৰ বীৰ যুৱক শিক্ষা জ্ঞান আৰু ভৰণ পোষণেৰে পৰিপুষ্ট কৰি সম্মান কৰা হলে, আমাৰ এনে দুঃখৱহ অৱস্থা নহলহেঁতেন। ইমানবোৰ আচৰিত মাহাত্ম্য থকা মূর্ত্তিৰ এটায়ো শত্রুক আক্রমণ কাৰ নিজক ৰক্ষা কৰিবলৈ কিয় থিয় হব নোৱাৰিলে?

ঋণ পৰিশোধ

প্রশ্ন—দ্বাৰকাৰ ৰণছোড়ে * (কৃষ্ণৰ মূর্ত্তিয়ে) নসীমহতা'লৈ হণ্ডী (Cheque) পঠিয়াই ঋণ পৰিশোধ কৰা আদি ঘটনা মিছা নেকি?

উত্তৰ—বোধ হয় কোনোৱা ধনী বণিকে ধন পঠাই দি ঋণৰ পৰা মুক্ত কৰিছিল,—তাকেই কোনোৱাই বহণ লগাই কৃষ্ণই পঠাইছে বুলি প্ৰচাৰ কৰি দিলে। সম্বৎ ১৯১৪ অত ইংৰাজে তোপৰ গোলা বৰ্ষণ কৰি মন্দিৰ আৰু মূৰ্ত্তিবোৰ উৰুৱাই দিছিল, সেই সময়ত মূৰ্ত্তিৰ মাহাত্ম্য কত আছিল? বাৰেৰ ক্ষত্ৰিয় সকলেহে বীৰত্বৰে যুদ্ধ কৰি শত্ৰু সৈন্যক বিনাশ কৰিছিল কিন্তু মূৰ্ত্তিয়ে মাখি এটাও মাৰিব নোৱাৰিলে। শৰণ দাতাই যেতিয়া প্ৰহৃত হৈছে, শৰণাগত প্ৰহৃত নহব বিয়? F

প্ৰশ্ন—মূৰ্ত্তিপূজা আৰু তীৰ্থ চিৰন্তন কালৰ পৰা প্ৰচলিত আছে। এইবোৰ কেনেকৈ মিছা হব?

উত্তৰ—চিৰন্তন মানে কি? যি চিৰ চলিত আৰু চিৰ সত্য তাকেই চিৰন্তন বোলে। সেয়ে যদি হয়, বেদ, ব্ৰাহ্মণ আদি ঋষি-মুনিৰ ৰচিত গ্ৰন্থত এইবোৰৰ উল্লেখ নাই কিয়? মূৰ্ত্তি পূজা আঢ়ৈ হেজাৰ বা তিনি হেজাৰ বছৰৰ পূৰ্ব্বে জৈন আৰু বামাচাৰীসকলৰ দ্বাৰাই প্ৰচলন কৰা হৈছিল। তাৰ আগত আৰ্য্যাবৰ্ত্তত মূৰ্ত্তিপূজা নাছিল। তীৰ্থ বুলিও একো নাছিল। যেতিয়া জৈনসকলে গিৰনাৰ, পালিটানা, শিখৰ, শত্ৰুঞ্জয় আৰু আবু আদি তীৰ্থ ৰচনা কৰে, তেতিয়াৰ পৰা পুৰাণবাদী সকলেও সেই তীৰ্থ প্ৰতিষ্ঠা কৰে। এই তীৰ্থবোৰ কেতিয়াৰ পৰা প্ৰচলন

* কৃষ্ণই মগধৰ ৰজাসকলৰ লগত যুদ্ধত হাৰি সসৈন্য আৰু সবংশে পলাই গৈ দ্বাৰিকাত জীৱনৰ শেষলৈকে বসতি কৰিছিল। গতিকে কৃষ্ণৰ আন এটা নাম ৰণছোড়। জনশ্ৰুতি আছে, এবাৰ বোলে ৰণছোড়ৰ মূৰ্ত্তিয়ে এজন ভক্তলৈ 'চেক' পঠাই দিছিল।

F ইয়াৰ পাচৰ ৪টা প্ৰশ্ন আৰু উত্তৰৰ ভাঙনি কৰা হোৱা নাই।

হৈছে তাক যদি কোনোৱে অনুসন্ধান কৰিব খোজে তেন্তে পাণ্ডাসকলৰ অতি প্ৰাচীন বহী পত্ৰ আৰু তামৰ-ফলি আদি চাই পৰীক্ষা কৰিব পাৰে। এহেজাৰ বছৰৰ পূৰ্ব্বে প্ৰতিষ্ঠা কৰাৰ প্ৰমাণ পত্ৰ কাৰো হাতত পোৱা হোৱা নাই। গতিকে তীৰ্থবোৰ আধুনিক।

প্ৰশ্ন—তীৰ্থ বা নামৰ মাহাত্ম্য আদি যিবোৰ বৰ্নিত আছে যেনে—"অন্যক্ষেত্ৰে কৃতং পাপং কাশীক্ষেত্ৰে বিনশ্যতি" এইবোৰ সত্য হয় নে নহয়?

উত্তৰ—নহয়। কাৰণ পাপ দূৰ হোৱা হলে দৰিদ্ৰৰ ঐশ্বৰ্য্য আৰু ৰাজসিংহাসন লাভ হলহেঁতেন আৰু অন্ধৰ দৃষ্টিশক্তিও লাভ হলহেঁতেন। কুষ্ঠৰোগীবোৰেও ৰোগৰ পৰা আৰোগ্য হব পাৰিলেহেঁতেন। গতিকে নাম ললে বা তীৰ্থ কৰিলে পুণ্যও নহয় আৰু পাপো দূৰ নহয়।

প্ৰশ্ন—গঙ্গা গঙ্গেতি যো ব্ৰূয়াদ্যোজনানাং শতৈৰপি।
মুচ্যতে সৰ্ব্ব পাপেভ্যো বিষ্ণুলোকং স গচ্ছতি ॥১॥
হৰিৰিত্যক্ষৰদ্বয়ং হৰিৰিত্যক্ষৰদ্বয়ম ॥২॥
প্ৰাতঃ কালে শিৱং দৃষ্ট্বা নিশি পাপং বিনশ্যতি।
আজন্মকৃতং মধ্যাহ্নে সায়াহ্নে সপ্তজন্মনাম্ ॥৩॥

এইবোৰ পুৰাণৰ শ্লোক। শত সহস্ৰ ক্ৰোশ দূৰৰ পৰাও গঙ্গা গঙ্গা বুলি নাম ললেই পাপ নষ্ট হয়, আৰু বিষ্ণুলোক অৰ্থাৎ বৈকুণ্ঠলৈ যাব পাৰে ॥ ১ ॥ "হৰি" এই দুই অক্ষৰ উচ্চাৰণ কৰিলেই সমস্ত পাপ হৰণ কৰে। ৰাম, কৃষ্ণ, শিৱ আৰু ভগৱতী আদি নামৰ মাহাত্ম্যও সেই দৰেই ॥ ২ ॥ প্ৰাতঃ কালত শিৱ অৰ্থাৎ শিৱলিঙ্গ বা শিৱ মূৰ্ত্তি দৰ্শন কৰিলে ৰাতি কৰা পাপ দূৰ হয়। মধ্যাহ্ন কালত দৰ্শন কৰিলে সমস্ত জীৱনৰ আৰু সায়ং কালত দৰ্শন কৰিলে সাত জন্মৰ পাপ দূৰ হয়। এই দৰ্শন মাহাত্ম্য মিছা নেকি?

উত্তর—মিছা, ইয়াত কোনো সংশয় নাই। গঙ্গা, হবি, বাম, কৃষ্ণ, নাবায়ণ, শিব আৰু ভাগৰতী আদি নাম ললে, স্মবণ কবিলে পাপ ধুব কেতিয়াও নহয়। পাপ ধুব হোৱা হলে কোনো দুঃখীয়া দবিদ্র হৈ বাখাকিলহেঁতেন। আজি কালি বকবৃত্তিধাবী সকলে নিজেও মহা পাপ কাবব লাগিছে আৰু নির্বোধ জনসমাজকো পাপত প্রবৃত্ত কবাইছে। মূর্খ মানুহে বিশ্বাস কবিছে যে, পাপ কবিলেও নাম স্মবণ, আৰু তীর্থ যাত্রা কবিলেই পাপ খণ্ডন হব। এই বিশ্বাসত ইহলোক আৰু পবলোক নষ্ট কবিছে, কিন্তু কৃত পাপব ফল ভোগ কবিবই লাগিব।

প্রশ্ন—কোনো প্রকৃত তীর্থ আৰু কোনো নাম স্মবণব মাহাত্ম্য আছে নে নাই?

উত্তর—আছে। বেদ আদি সৎ শাস্ত্রব অধ্যয়ন অধ্যাপনা, ধার্ম্মিক বিদ্বানব সঙ্গ, ধর্ম্মানুষ্ঠান, সংযম, যোগাভ্যাস, অবৈবিভাব, সত্য-কথন, সত্য মনন, ব্রহ্মচর্য্য, আচার্য্য-অতিথি, পিতা-মাতাব সেৱা, পবমেশ্বৰব স্তুতি, প্রার্থনা, উপাসনা, ধৈর্য্য, শান্তি, পুকষার্থ, জ্ঞান, বিজ্ঞান এইবোবে দুঃখব পবা উদ্ধাব কবে; গতিকে এইবোবকেই তীর্থ বোলে। জলময় বা স্থলময় আদি স্থান কেন্দ্রিয়াও তীর্থ হব নোৱাবে। "লোকাঃ যৈস্তবন্তি তানি তীর্থানি" যাব দ্বাবা বা যিবোব আচবণব দ্বাবা মানুহব দুঃখব নিবৃত্তি হয়, তাব নাম তীর্থ। লোকাব নাম তীর্থ হব পাবে কাবণ সি ইপাবব পবা সিপাবব কবি দিব পাবে। জল আৰু স্থলে উপকাবো কবে আৰু অপকাবো কবে।

সমানতীর্থে বাসী ॥ (অষ্টাধ্যায়ী) অ॰ ৪, পা॰ ৪, সু॰ ১০৮ ॥
মমতীর্থ্যায় চ ॥ যজু॰ অ॰ ১৬ (ম॰ ৪২)॥

যিবোব ব্রহ্মচাবী বিদ্যার্থী একেলগে একেই আচার্য্যব পবা বিদ্যা অধ্যয়ন কবে, তেওঁলোকব পবস্পবব সম্বন্ধ সতীর্থ অর্থাৎ সমান ঋ সম

তীর্থসেৱী। যি বেদাদি শাস্ত্র আৰু সৎ আচবণ আদিত মানু, তেওঁক অন্নাদিবে সেৱা শুশ্রূষা কবা আৰু তেনে পুকষব পবা বিদ্যা অধ্যয়ন কবা আদিক তীর্থ বোলে।

এই সকলব নাম স্মবণ কবা কর্ত্তব্য। যেনে—

যস্য নাম মহদ্‌যশঃ॥ যজুঃ (অ॰ ৩২ ম॰ ৩)

ব্রহ্মা, ঈশ্বব, পবমেশ্বব, দয়াশীল, সর্ব্বশক্তিমান, আদি পবমেশ্বৰব গুণ, কর্ম্ম-স্বভাব সূচক আৰু লাক্ষণিক নাম, এই নামবোব স্মবণ কবি গুণ, কর্ম্ম-স্বভাবব আচবণশীল হোৱাই নাম স্মবণ।

প্রশ্ন—গুকব্রহ্মা গুকবিষ্ণু গুকর্দেৱো মহেশ্ববঃ।
গুকবেব পবং ব্রহ্ম তস্মৈ শ্রীগুববে নমঃ।

এইবোব গুকমাহাত্ম্য সঁচা নে মিছা? গুকব চবণামৃত পান কবা, আজ্ঞা পালন কবা, গুক লোভী হলে তেওঁক বামুণব দবে, ক্রোধী হলে নবসিংহব দবে, মোহগ্রস্ত হলে বামব দবে, আৰু কামুক হলে কৃষ্ণব দবে মান্য কবিব লাগে। পাপ কবিলেও গুকক অশ্রদ্ধা কবিব নালাগে। সন্ত বা গুক দর্শন কবিবলৈ যাওঁতে প্রতি খোজত অশ্বমেধ যজ্ঞব ফল পায়। এইবোবব বিষয়ে আপোনাব কি মত?

উত্তর—অসত্য কথা। ব্রহ্মা, বিষ্ণু, মহেশ্বব আৰু পবম ব্রহ্ম পবমেশ্বৰবেই নাম। যাব তুল্য গুক বা আন কোনেও হব নোৱাবে। এই গুক মাহাত্ম্য আৰু গুকগীতাও এক প্রকাব বকবৃত্তিধাবী সকলবেই বচিত। মাতা, পিতা, আচার্য্য আৰু অতিথি এই সকলো গুক। এই সকলক সেৱা শুশ্রূষা কবা, এই সকলব পবা সুশিক্ষা গ্রহণ কবা, শিক্ষা দান কবা গুক আৰু শিষ্যব কর্ত্তব্য। গুক লোভী, ক্রোধী, মোহী আৰু কামুক হলে একেবাবেই পবিত্যাগ কবা উচিত আৰু শিষ্যই সেই গুকক শিক্ষা দিব লাগে। কুকর্ম্ম বত গুকক যথা যোগ্য দণ্ডও দিব লাগে। জ্ঞান

আক গুৰেবে গুৰু হব নোৱাবিলে কণ্ঠী, তিলক জটা, মাসা আদিবে কাণে কাণে মন্ত্র দিলেই গুৰু হব নোৱাবে। গুৰুগিবি কবাটোও জীৱিকা অর্জ্জনব এটা পথ হে। তেনে গুৰুব বিষয়ে এটা দোহা :—

গুৰু লোভী চেলা লালচী, দোনোঁ খেলে দাও।
ভব সাগব মেঁ (ডুব বহেঁ হৈঁ) বৈঠ পথব কী নাও॥

গুৰুৰে ভাবে ভকত-ভকতনীয়ে যি পাবে দিব; শিষ্য-শিষ্যাৰো মিছাতে সৌভাগ্য লাভ আৰু পাপ মোচন আদিব কাবণে গুৰু বিচাবে। ফল স্বৰূপে গুৰু-শিষ্য দুয়ো শিলব নাওত উঠি সাগব পাব হবলৈ বাঁওতে দুখব সাগবতহে নিমগ্ন হয়। এনেকুৱা গুৰুশিষ্যব সংসর্গত কল্যাণ হব নোৱাবে। এনেবোব গুৰুৰে নিজব জীৱিকাব বাহিবে আনব কল্যাণব কথা চিন্তা নকবে। এনেবোব গুৰুগীতা আৰু গুৰু মাহাত্ম্য বচন কবি মানুহক ভ্রান্ত কৰিছে।

প্রশ্ন—অষ্টাদশ পুৰাণানাং কর্ত্তা সত্যৱতীসুতঃ॥ ১॥
ইতিহাস পুৰাণাভ্যাং বেদার্থমুপবৃংহয়েৎ।২। মহাভাৰত।
পুৰাণান্যখিলানি চ।৩। মনুঃ
ইতিহাস পুৰাণঃ পঞ্চমো বেদানাং বেদঃ॥৪।
ছান্দোগ্য—প্র০ ৭ ম০ ১॥
দশমেঽহনি কিঞ্চিৎ পুৰাণমাচক্ষীত॥৫। পুৰাণবিদ্যা বেদঃ॥৬

অষ্টাদশ পুৰাণব ৰচয়িতা ব্যাসদেৱ। ব্যাসব বচন যেতিয়া আৰু প্রমাণ বুলি মানিব লাগিব॥১॥ ইতিহাস, মহাভাৰত আৰু অষ্টাদশ পুৰাণব সহায়েৰে বেদার্থব শিক্ষা কবিব আৰু শিক্ষা দিব। কাবণ ইতিহাস আৰু পুৰাণ বেদার্থবেই অনুকূল॥২॥ পিতৃ কর্ম্মত পুৰাণ আৰু ঘিব

অর্থাৎ হৰিবংশ শ্রৱণ কবিব লাগে॥৩॥ অশ্বমেধব সমাপ্তিত দশম দিনত কিঞ্চিৎ পুৰাণব কথা শ্রৱণ কবিব লাগে॥৪॥ বেদার্থ বোধক হোৱা বাবে পুৰাণ বিদ্যাক বেদ বোলে॥৫॥ ইতিহাস আৰু পুৰাণ পঞ্চম বেদ॥৬॥ ইত্যাদি প্রমাণব পৰা পুৰাণব প্রমাণ আৰু পুৰাণত বর্ণনা কবা মূর্ত্তিপূজা আৰু তীর্থ যাত্রাব বিধিও প্রমাণিত হয়।

উত্তৰ—যি সত্য অন্বেষী বেদব্যাসে ব্রহ্মসূত্র আৰু যোগ দর্শনব ভাষ্য লিখিছে, সেইজন ব্যাসদেৱে এনেবোব পৰস্পৰ বিবোধী ১৮ খন পুৰাণ ৰচনা কবিব নোৱাবে। এই পুৰাণবোব পৰস্পৰ বিবোধী সম্প্রদায়ীবোবে ৰচনা কবি তাত ব্যাসদেৱৰ নাম দিছে, এইবোবত ব্যাসদেৱৰ জ্ঞান লেশ মাত্রও নাই। আৰু বেদ-বিৰুদ্ধ অসত্য কথা লিখাটো ব্যাসদেৱৰ দৰে জ্ঞানী পুৰুষব কাম নহয়। এই পুৰাণবোব পৰস্পৰ বিবোধী সম্প্রদায়ৱাদী ধূর্ত্ত পাপীবোবৰহে কাম। শিৱ পুৰাণ আদিব নাম ইতিহাস আৰু পুৰাণ নহয়।

ব্রাহ্মণানীতিহাসান্ পুৰাণানি কল্পান্ গাথানাৰাশংসীৰিতি॥

এই বচন ব্রাহ্মণ আৰু সূত্র গ্রন্থব। ঐতৰেয়, শত পথ, সাম, আৰু গোপথ ব্রাহ্মণবেই ইতিহাস, পুৰাণ, কল্প, গাথা আৰু নাৰাশংসী এই পাঁচ নাম। (ইতিহাস) যেনে জনক যাজ্ঞৱল্ক্য সংবাদ; (পুৰাণ) জগতৰ উৎপত্তি আদিব বর্ণনা, (কল্প) বৈদিক শব্দবোবব অর্থ নিৰূপণ, (গাথা) দৃষ্টান্ত দৃষ্টান্তৰূপ কোনো কথা প্রসঙ্গ আৰু (নাৰাশংসী) মানুহব প্রশংসনীয় বা নিন্দনীয় কর্ম্মব বর্ণন। এইবোবব দ্বাৰাই বেদার্থব প্রতীতি হয়। অশ্বমেধব অন্তত পিতৃ-কর্ম্ম অর্থাৎ জ্ঞানীসকলব গুণ-জ্ঞানব প্রশংসা শ্রৱণব কথা লিখা আছে। কাবণ ব্যাসদেৱৰ ৰচিত গ্রন্থব শ্রৱণ বা পঠন ব্যাসদেৱৰ জন্মব পাছতহে সম্ভৱ ভাব আগতে নহয়। ব্যাসদেৱৰ

জন্ম আগতে। বেদার্থৰ অধ্যয়ন অধ্যাপনা আৰু শ্রৱণ শ্রাৱণ হৈছিল। গতিকে প্রাচীন ব্রাহ্মণবোৰতহে এনেবোৰ ঘটনা হোৱা সম্ভৱ হব পাৰে। গতিকে নবীন কল্পনাৰ সৃষ্টি শ্রীমদ্ভাগৱত আৰু শিৱপুৰাণাদি অথৱা অন্যান্য কল্পিত গ্রন্থবোৰত এইবোৰ ঘটনা হব নোৱাৰে। ব্যাসদেৱে বেদৰ অধ্যয়ন অধ্যাপনাৰ দ্বাৰাই বেদার্থ বিস্তাৰ কৰিছিল কাৰণেহে বেদব্যাস নাম হৈছিল। পাৰাপাৰৰ মধ্যবেখাক ব্যাস বোলে, অর্থাৎ ওপৰৰ পৰা তললৈকে বা ইমূৰৰ পৰা সিমূৰলৈকে বুৰি স্পর্শ কৰা। ইয়াৰ মানে হল ব্যাসদেৱে ঋক্‌বেদৰ আৰম্ভৰ পৰা অথর্ব্ববেদৰ শেষ পর্য্যন্ত চাৰিও বেদ অধ্যয়ন কৰি শুকদেৱ আৰু জৈমিনি আদি শিষ্যসকলক শিকাইছিল, গতিকেই তেওঁ বেদব্যাস নামে জনাজাত হয়, তেওঁৰ জন্ম নাম আছিল "**কৃষ্ণদ্বৈপায়ন**"। কোনো কোনোৱে ধাৰণা কৰে যে ব্যাসদেৱে বেদবোৰ সংগ্রহ কৰি চাৰি ভাগত বিভাগ কৰিছিল, সেই ধাৰণা ভুল। কাৰণ ব্যাসদেৱৰ পিতা পিতামহ, প্রপিতামহ,—পৰাশৰ, শক্তি, বশিষ্ঠ আৰু ব্রহ্মা আদিয়েও চাৰিও বেদ অধ্যয়ন কৰিছিল।

প্রশ্ন—পুৰাণৰ সকলো কথাই মিছা নেকি? নে সত্যও আছে?

উত্তৰ—বেছি ভাগ মিছা, কিন্তু সত্যও আছে। সত্য ভাগ বেদাদি সত্য শাস্ত্রৰ, বাকী অসত্যবোৰ পুৰাণ ৰচয়িতাৰ কল্পনাৰ। শিৱ পুৰাণত যেনেকৈ—শিৱক পৰমেশ্বৰ মানি বিষ্ণু, ব্রহ্মা, ইন্দ্র, গণেশ আৰু সূর্য্য আদিক তেওঁৰ দাসৰূপে প্রতিষ্ঠা কৰিছে, সেইদৰে বৈষ্ণৱসকলে বিষ্ণু পুৰাণ আদিত বিষ্ণুক পৰমাত্মা আৰু শিৱ আদিক বিষ্ণুৰ দাস মানিছে। দেৱী ভাগৱতত দেৱীক পৰমেশ্বৰী কৰি শিৱ আৰু বিষ্ণুক দাস কৰা হৈছে। গণেশ খণ্ডত গণেশক ঈশ্বৰ আৰু বাকীবোৰক হেয় প্রতি পন্ন কৰা হৈছে।

এতিয়া ভাবি চ'ক এইবোৰ সাম্প্রদায়িক কল্পনা হয় নে নহয়। এজন লিখকৰ হলে এনে পৰস্পৰ বিৰুদ্ধ বচনা হব নোৱাৰে আৰু বিদ্বান লিখক হলে এনেবোৰ কথা লিখিবই নোৱাৰে। এইবোৰৰ এটাক সত্য বুলি ধৰিলে দ্বিতীয়টো অসত্য হয়, দ্বিতীয়টোক সত্য বুলি মানিলে তৃতীয়টো অসত্য হয় আৰু তৃতীয়টো সত্য বুলি ধৰিলে সকলোৱেই মিছা হৈ পৰে। শিৱ পুৰাণবাদীয়ে শিৱৰ পৰা, বিষ্ণু পুৰাণবাদীয়ে বিষ্ণুৰ পৰা, দেৱী পুৰাণবাদীয়ে দেৱীৰ পৰা, গণেশ খণ্ড বাদীয়ে গণেশৰ পৰা, সূর্য্যপুৰাণবাদীয়ে সূর্য্যৰ পৰা বায়ুপুৰাণ বাদীয়ে বায়ুৰ পৰা সৃষ্টিৰ উৎপত্তি আৰু প্রলয় বর্ণনা কৰি, যাৰ পৰা জগতৰ উৎপত্তি হৈছে ৰ যাৰ জগতৰ কাৰণ বুলিছে তাৰো উৎপত্তি, বর্ণনা কৰিছে। যদি পুৰাণবাদীসকলক প্রশ্ন কৰা হয়—"যি জগতৰ উৎপত্তি, স্থিতি আৰু প্রলয় কর্ত্তা তেওঁ উৎপন্ন হব পাৰেনে নোৱাৰে? আৰু যি উৎপন্ন হয়, সি কেতিয়াবা সৃষ্টিৰ কাৰণ হব পাৰেনে নোৱাৰে?" ইয়াৰ সন্তোষজনক উত্তৰ কেওঁলোকে দিব নোৱাৰে। সেই সৃষ্টিকর্ত্তাসকলৰ শৰীৰৰ উৎপত্তিও সৃষ্টিৰ উপাদানৰ পৰাই হব লাগিব। যি নিজেই সৃষ্ট পদার্থ আৰু পৰিচ্ছিন্ন, সি জগতৰ সৃষ্টি-কর্ত্তা কেনেকৈ হব পাৰে? তেওঁলোকৰ সৃষ্টি যেনে আচৰিত, সৃষ্টি বিকাশৰ তত্ত্বও তেনেই আচৰিত আৰু অসম্ভৱ। যেনে—

শিৱ পুৰাণৰ মতে শিৱৰ যেতিয়া সৃষ্টি কৰিবৰ ইচ্ছা হল, তেতিয়া পৰায়ণ অর্থাৎ মহার্ণব সৃষ্টি হল, সেই মহা সমুদ্রৰ নাভি অর্থাৎ মাজৰ পৰা এক পদ্ম উৎপন্ন হল, সেই পদ্মৰ পৰাই ব্রহ্মাৰ উৎপত্তি হল। ব্রহ্মাই দেখিলে চাৰিওকালে জলৰ বাহিৰে আন একো নাই। ব্রহ্মাই এক অঞ্জলি জল তুলি লৈ আকৌ পেলাই দিলে, তেতিয়া জলত বুৰ বুৰণি উঠিল, সেই বুৰবুৰণিৰ পৰা এক পুৰুষ উৎপন্ন হল। সেই পুৰুষে ব্রহ্মাক ক'লে—"পুত্র, সৃষ্টি কৰা।" ব্রহ্মাই উত্তৰ দিলে "মই তোমাৰ পুত্র নহওঁ,

তুমিহে মোব পুত্র। এইদবে দুয়োবো তর্ক-বিতর্ক হোরাত সেই জলব ওপবতে দুয়োবো সহস্র বছব পর্য্যন্ত ঘোব যুদ্ধ চলিল। মহাদেরে নিজে নিজে ভাবিলে যে মই ইহঁন্তক সৃষ্টি কবিবলৈ দিলোঁ। কিন্তু, দুয়ো যুদ্ধতহে লাগিল। তেতিয়া তেওঁলোক দুয়োবো মাজব পবা এক উজ্জ্বল লিঙ্গ উৎপন্ন হৈয়েই আকাশেদি ওপবলৈ গ'ল। তাকে দেখি দুয়ো আচবিত হৈ ভাবিবলৈ ধবিলে যে, ইয়াব আদি অন্ত জনা আবশ্যক। যি আদি নন্ত জানি আগতে ঘুবি আহিব তেওঁ পিতা আক যি পাছত আহিব বা আদি অন্ত জানি ঘুবি নাহে, তেওঁ তেওঁব পুত্র বুলি কোরা হব। এই যুক্তি মতে বিষ্ণুরে কুর্ম্মরূপ ধবি জলব তললৈ গল, আক ব্রহ্মাই হংসরূপ ধবি ওপবলৈ উবা মাবিলে। দুয়ো মনব সমান বেগেবে সহস্র বছব গৈ থাকিও লিঙ্গটোব শেষ সীমা নেপালে। তেতিয়া বিষ্ণুরে ওপবব কথা আক ওপবত ব্রহ্মাই তলব কথা ভাবিবলৈ ধবিলে—"যদি ব্রহ্মাই আদি অন্ত জানি আগতে উভতি আহিছে, তেন্তে মই পুত্র হব লাগিব" আক সেইদবেই ব্রহ্মাই ভাবিছে "যদি বিষ্ণুরে আগতে আদি অন্ত জানি উভতি আহিছে, মই পুত্র হব লাগিব।" তেওঁলোকে এইদবে ভাবি থাকোঁতেই এজনী গাই আক এজোপা কেতেকী বৃক্ষ ওপবব পবা অৱতবণ কবে। ব্রহ্মাই তেওঁলোকক কব পবা আহিছে বুলি সোধাত তেওঁলোকে সহস্র যুগ ঘুবি এই লিঙ্গব আধাবতেই চলি আছে বুলি কলে। তেতিয়া ব্রহ্মাই সেই লিঙ্গব আদি অন্ত আছেনে নাই বুলি সোধাত তেওঁলোকে নাই খুলি কলে। তেতিয়া ব্রহ্মাই কলে যে তোমালোকে মোব লগত গৈ এই খুলি সাক্ষী দিব লাগিব। গাইে 'এই লিঙ্গব মস্তকত দুগ্ধ বর্ষণ কবিছিলোঁ।' খুলি আক বৃক্ষই 'পুষ্প বর্ষণ কবিছিলোঁ।' বুলি। তোমালোকে যদি এই দবে সাক্ষী দিয়া তেনেহলে তোমালোকক যথা স্থানলৈ লৈ যাম। তেতিয়া তেওঁলোক দুয়ো কলে "আমি এনেকৈ মিছা কব নোৱাবো।" তেতিয়া

ব্রহ্মাই খণ্ডত সাক্ষী নিদিলে দুয়োকে ভস্ম কবিব বুলি কলে। ব্রহ্মাই তেনেকৈ কোরাত ভয় খাই দুয়ো সাক্ষী দিবলৈ মান্তি হয়। তাব পাছত তিনিও তললৈ আহিলে। বিষ্ণুরে তাব আগতেই আহি সেই ঠাই পায়হি। বিষ্ণুক দেখি ব্রহ্মাই সুধিলে—"তুমি লিঙ্গব আদি অন্ত জানিব পাবিলানে?" বিষ্ণুরে "জানিব পবা নাই" বুলি কলে। তেতিয়া ব্রহ্মাই কলে "মই জানি আহিছো।" বিষ্ণুরে সুধিলে তুমি যে জানিলা তাব প্রমাণ কি? তেতিয়া গাই আক কেতেকী বৃক্ষই সাক্ষী দি কলে "আমি দুয়ো লিঙ্গব মূবত আছিলো।" এনেতে লিঙ্গব পবা শব্দ ধ্বনি হৈ বৃক্ষক অভিশাপ দিলে "যিহেতু তুমি মিছা কথা কলা, তোমাব ফুল মোক বা অন্য কোনো দেৱতাক অর্পিত নহব। যি মোব বাক্য নামানি অর্পণ কবে, তাবো সর্ব্বনাশ হব।" গাইক অভিশাপ দিলে "যি মুখেবে মিছা কলা, সেই মুখেবে তুমি বিষ্ঠা ভক্ষণ কবিবা। কোনেও তোমাব মুখব পূজা নকবে, পাছ ফালহে পূজা কবিব।" শেষত ব্রহ্মাক শাপ দিলে "যিহেতু তুমি মিছা কথা কলা, সেয়ে সংসাবত কোনেও তোমাব পূজা নকবিব।" বিষ্ণুক বব দিলে "তুমি সত্য কথা কৈছা, গতিকে সকলোরে তোমাব পূজা কবিব।" তাব পাছত ব্রহ্মা বিষ্ণু দুয়ো স্তুতি কবাত সেই লিঙ্গব পুবা এক জটাজুট মূর্ত্তিব আবির্ভাব হৈ কলে "মই তোমালোকক সৃষ্টি কবিবব কাবণে পঠাইছোঁ, তোমালোক বিবাদত প্রবৃত্ত হৈছা কিয়?" তেতিয়া ব্রহ্মা আক বিষ্ণু দুয়ো কলে "আমিনো কিহেবে সৃষ্টি নির্ম্মাণ কবিব?" তেতিয়া মূর্ত্তিমান মহাদেরে জটাব পবা এমুঠি ভস্ম বাহিব কবি দি কলে "ইয়াবেই সমস্ত সৃষ্টি বচনা কবাগৈ" ইত্যাদি। এতিয়া পুবাণ বচয়িতাক যদি সোধা হয়—যেতিয়া একো নাহিল অর্থাৎ সৃষ্টি তত্ত্ব আক পঞ্চভূত নাহিল, তেতিয়া ব্রহ্মা, বিষ্ণু, মহাদেৱ আদিব শবীব আক জল কমল, লিঙ্গী, গাই, কেতেকী বৃক্ষ আক ভস্ম ক'ব পবা হল? তাব উত্তব কি দিব?

সেই দবেই ভাগৱতব মতে বিষ্ণুব নাভিব পবা কমল, কমলব পবা ব্রহ্মা, ব্রহ্মাব দক্ষিণ চবণব অঙ্গুষ্ঠব পবা স্বায়ম্ভুব, বাম-চবণব অঙ্গুষ্ঠব পবা সত্যৰূপা বাণী, ললাটব পবা ৰুদ্র, মবীচি আদি দশ পুত্র আৰু সেই দশ পুত্রব পবা দশ প্রজাপতি উৎপন্ন হয়। কাশ্যপব লগত দহ প্রজাপতিব—এয়োদশ কন্যাব বিবাহ হয়। সেই কন্যাসকলব দিতিব পবা দৈত্য, দনুব পবা দানৱ, অদিতিব পবা আদিত্য, বিনতাব পবা পক্ষী, কদ্রুব পবা সর্প, সবমাব পবা কুকুব, শৃগাল আদি, আৰু অন্যান্য স্ত্রীব পবা হস্তী, অশ্ব, উষ্ট্র, গর্দ্দভ, মহিষ, তৃণ, উলু আৰু কণ্টক আদিব বৃক্ষ উৎপন্ন হয়। এতিয়া বিবেচনা কবি চ'ক—এইবোব কথা কিমান বিশ্বাসব যোগ্য। মানৱ গর্ভত পশু-পক্ষী, সর্প আদি উৎপত্তিব কথা সম্ভৱ নে? এইবোব শাস্ত্রব জ্ঞান-বিজ্ঞান নে লবা ওমোলাব কথা?

প্রশ্ন- এনেবোব বিষয়ত বিবোধ ঘটিব নোৱাবে। বিষ্ণুব স্তুতিব সময়ত বিষ্ণুৰেই পবমেশ্বব, বাকীবোবক দাস, আৰু শিৱব স্তুতিব সময়ত শিৱক পবমাত্মা আৰু অন্যবোবক শিৱব দাস কবা হয়। পবমেশ্বৰব মায়াতেই সকলো হয়। পবমেশ্বৰে মনুষ্যব পবাই পশু আদিব আৰু পশু আদিব পবাও মনুষ্য আদিব উৎপত্তি কবিব পাবে। যি নিজব মায়াবেই কোনো কাবণ নোহোৱাকৈ সকলো সৃষ্টি কবিছে, তেওঁব অসাধ্য আৰু অসম্ভৱ কি থাকিব পাবে? তেওঁব যি ইচ্ছা সেয়ে হয়।

উত্তৱ—এজনব গুণ কীর্ত্তন কবিলে অন্যান্য সকলোকে হেয় প্রতিপন্ন আৰু নিন্দা কবা হয় নেকি? যাব গুণ কীর্ত্তন কবা হয়, তেওঁকেই সকলোবে পিতা বুলি ভবা হয় নেকি? এনেবোব কথা তোষামোদকাৰী চাবণকো (বহৱা) চেব পেলোৱা অলীক গল্প নহয়নে? যাব পক্ষ লয় তেওক সর্ব্বশ্রেষ্ঠ কবা আৰু বিপক্ষক একেবাবেই হেয় কবাত সত্য অসত্যব নির্ণয় হব পাবেনে? সত্য আৰু ধর্ম্মব কিবা প্রয়োজন আছে নে নাই?

নে কেৱল স্বার্থ সিদ্ধি কবাইহে প্রয়োজন? মায়া মানুহবহে। যি ছল চক্রান্ত কবে সিহে মায়াবী। আদি সৃষ্টিত কশ্যপ আৰু কশ্যপব পত্নী যোবব পবা পশু-পক্ষী, সর্প বৃক্ষ আদিব উৎপত্তি হলে এতিয়াও তেনেকৈ নহয় কিয়? এইবোব বকবৃত্তিধাৰী প্রবঞ্চক সকলব অলীক কল্পনা, আৰু জনসাধাবণক ছলনা কবি স্বার্থসিদ্ধি কবাব কৌশল। পূর্ব্বব শাস্ত্রব যি সৃষ্টি ক্রমব বর্ণনা আছে সেইবোবহে যথার্থ।

তস্মাৎ কাশ্যপ্য ইমাঃ প্রজাঃ॥ (শতঃ ৭।৫।১।৫)

শত পথ ব্রাহ্মণত লিখিত আছে যে, ৱমস্ত সৃষ্টি কশ্যপব বচিত।

কাশ্যপঃ কস্মাৎ পশ্যকো ভবতীতি॥

নিৰুঃ (অঃ ২ খঃ ১)॥

সৃষ্টিকর্ত্তা পবমেশ্বৰব নাম "কশ্যপ"।

"পশ্যতীতি পশ্যঃ, পশ্য এব পশ্যকঃ।" যি অভ্রান্ত, চবাচব জগৎ সকলো প্রাণী জীৱব কর্ম্ম আৰু সকলো বিদ্যাব যথার্থৰূপে দ্রষ্টা অর্থাৎ জানে তেওঁ কশ্যপ।

আদ্যন্তবিপর্য্যয়শ্চ"— এই মহাভাষ্যব বচন অনুসাবে আদিব অক্ষব অন্তলৈ আৰু অন্তব অক্ষব আদিলৈ অহাত "পশ্যক"ব স্থানত "কশ্যপ" হৈছে। এই শব্দব অর্থ নেজানি সৃষ্টি বিজ্ঞানব বিৰুদ্ধ বৃথা কল্পনা কবি জনসাধাবণক বিভ্রান্ত কবিছে

উদাহবণ স্বৰূপে মার্কণ্ডেয় পুবাণব দুর্গাপাঠত আছে যে দেৱতাসকলব শবীবব পবা তেজ অর্থাৎ জ্যোতি বাহিব হৈ এক দেবী উৎপন্ন হয়। সেই দেবী শক্তিয়ে মহিষাসুবক বধ কবে। ৰক্তবীজব শবীবব এক এক বিন্দু ৰক্ত ভূমিত পবাত তেনেকুবা ৰক্তবীজ উৎপন্ন হৈ সমস্ত জগৎ ৰক্তবীজেবে পবিপূর্ণ কবিলে আৰু ৰক্তনদী প্রবাহিত হল তেনেহ'ত

বহুত অলীক গল্প বচিত হৈছে। যেতিয়া বক্তবীজেবে সমস্ত জগৎ পূর্ণ হল, তেতিয়া দেবী, দেবীব সিংহ আৰু সেনাবোব কত আছিল? যদি কয় যে, বক্তবীজে দেবীক প্লাবিত কবা নাই তেনেহলে বক্তবীজে সমস্ত জগত পবিপূর্ণ হোৱা হলে সৃষ্টিব জলচব, স্থলচব, খেচব আৰু বৃক্ষ আদি অচব প্রাণী ক'ত আছিল? এইবোব জ্ঞান বিজ্ঞানব সঙ্গতিবিহীন গল্প বচনা।

শ্রীমদ্ভাগবত।

নাবায়ণে ব্রহ্মাক চতুঃশ্লোকী ভাগবতব উপদেশ দিয়ে।

জ্ঞানং পবমগুহ্যং মে যদ্বিজ্ঞানসমন্বিতম্।
সবহস্যং তদঙ্গঞ্চ গৃহাণ গদিতং ময়া॥

ভাগবতব মূলেই মিছা কল্পিত। শ্লোকব অর্থ:—হে ব্রহ্মা! মোব পবম গুহ্য জ্ঞান, যি বিজ্ঞান আৰু বহস্যপূর্ণ আৰু ধর্ম্ম, অর্থ, কাম, মোক্ষব অঙ্গস্বৰূপ, মোব দ্বাবা কথিত হৈছে তাক গ্রহণ কবা।" যেতিয়া বিজ্ঞান যুক্ত জ্ঞান বোলা হৈছে, তেতিয়া জ্ঞানব "পবম" বিশেষণ নিবর্থক আৰু "গুহ্য" বিশেষণৰূপে দিয়াত "বহস্য"ও পুনৰুক্ত হয়। মূল শ্লোক বচনাতেই দোষ, অর্থব ঠাইত অনর্থ হৈছে, সম্পূর্ণ গ্রন্থখন অনর্থক নহব কিয়? ব্রহ্মাক ববদান কবিলে যে,

ভবান্ কল্প-বিকল্পেষু ন বিমুহ্যতি কর্হিচিৎ॥
(ভাঃ স্কঃ ২ অঃ ৯ শ্লোঃ ৩৬)॥

"আপুনি (কল্প) সৃষ্টি আৰু (বিকল্প) প্রলয়ত কেতিয়াও মোহগ্রস্ত নহয়।" এইদবে লিখি পাছত দশম স্কন্ধত লিখিলে যে, ব্রহ্মাই মোহিত হৈ বৎস হবণ কবিলে। এই দুই কথাব ভিতবত এটা সঁচা হলে আনটো মিছা হয়, গতিকে দুয়োটাই মিছা প্রতীত হয়। বহুত সাধনাব ফলতহে বৈকুণ্ঠ লাভ হয়। বৈকুণ্ঠত বাগ, দ্বেষ, ক্রোধ, ঈর্ষা আৰু

দুঃখ অশান্তি নাই। সেয়ে যদি হয় বৈকুণ্ঠব দ্বাবত সনক আদিব ক্রোধ হল কিয়? যত ক্রোধ বা কন্দল হয় সেই স্থান স্বর্গ হব নোৱাবে। জয় আৰু বিজয় দ্বাবপাল আছিল। প্রভুব আজ্ঞা দ্বাব-পালব অবশ্যে পালনীয়। প্রভুব আজ্ঞা পালনত সনক আদিক বাধা দিয়াত দ্বাবপালব কিয় অপবাধ হব? যদি অপবাধ নহয়—তেওঁলোকক দিয়া অভিশাপ কিয় ফলিব? কিন্তু অভিশাপ দিয়া হল "তোমালোক পৃথিবীত পতিত হোৱা।" এই অভিশাপব দ্বাবা বুজিব লাগিব যে তাত ভূমি নাছিল কিন্তু আকাশ, বায়ু, অগ্নি আৰু জল থকা নথকা নুবুজায়। তেনেহলে দ্বাব, মন্দিব আৰু জল কিহব আধাবত স্থিত আছিল? আৰু জয়, বিজয়ে, সনক আদিব স্তুতি কবি সুধিলে "আমি আকৌ কেতিয়া বৈকুণ্ঠলৈ আহিব পাবিম?" তেতিয়া স্তুতিত প্রসন্ন হৈ সনকাদিয়ে কলে—"প্রেম-ভাবে নাবায়ণক ভক্তি কবিলে সপ্ত জন্মত, কিন্তু শত্রুভাবে ভক্তি কবিলে তৃতীয় জন্মতেই বৈকুণ্ঠ লাভ হব।" এই খিনিতে বিবেচনা কবি চাব লাগে যে জয় আৰু বিজয়—নাবায়ণব আজ্ঞা পালনকাবী ভৃত্য। ভৃত্য ভক্তব সকলো প্রকাবে বক্ষা আৰু সহায় কবাটো নাবায়ণব কর্ত্তব্য আছিল। বিনা অপবাধে প্রভুভক্তক কোনোৱে যদি দণ্ড দিয়ে তাব প্রতিকাব প্রভুৱে নকবিব নেকি? ভক্তব তেনে দশা দেখি-শুনি বাক কোন ভক্ত হব? কর্ত্তব্য পবায়ণ জয়-বিজয়ক বক্ষা আৰু বিনা অপবাধে দণ্ডবিধান কবা সনক আদিক দণ্ড বিধান নকবিলে জগতব প্রভু নাবায়ণব ন্যায় কেনেকৈ প্রমাণিত হব? সনক আদি যদি জ্ঞানী হয়, তেন্তে জেদ আৰু জোব কবি বৈকুণ্ঠত প্রবেশ কবিবব কাবণে কর্ত্তব্য পালন কবি নাবায়ণব ভৃত্যব লগত বিবাদ কবিব কিয়? বা অভিশাপ দিয়াব বা যুক্তি কি? তেনে অকর্ম্ম কবাব বাবে নাবায়ণে সনক আদিক পুনঃ পৃথিবীলৈ ঘুবাই নপঠালে কিয়? এই ক্ষেত্রত স্বয়ং নাবায়ণবেই বিবেচনা

যদি মোৰ অন্যায় প্রতীত হয়, তেন্তে তেওঁৰ ভক্ত বৈষ্ণৱসকলৰ কৰ্ম্ম অকৰ্ম্মত বিবেচনাৰ যুক্তি কি থাকিব পাৰে? অভিশাপৰ ফলত জয় বিজয়ে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰূপে জন্ম পায়। হিৰণ্যাক্ষক ৰাহৰূপী নাৰায়ণে বধ কৰে। এই আখ্যানত লিখিত আছে যে হিৰণ্যাক্ষই পৃথিবীক ঢাৰি মেৰিওৱাৰ দৰে মেৰিয়াই উপাধান অৰ্থাৎ গাক কৰি তাৰ ওপৰত মুৰ থৈ শয়ন কৰে। বিষ্ণুৱে ৰাহৰূপ ধৰি হিৰণ্যাক্ষৰ মুৰৰ তলত গাক কৰি থকা পৃথিবীক দাঁতেৰে ধৰি ভাঙি দিয়াত হিৰণ্যাক্ষই সাৰ পায়, তেতিয়া দুয়োৰো ভিতৰত যুদ্ধ হবলৈ ধৰে। শেষত ৰাহে হিৰণ্যাক্ষক যুদ্ধত বধ কৰে। কোনো ভৌগোলিকে যদি সেই পুৰাণ ৰচয়িতাক প্রশ্ন কৰে যে, গোলাকাৰ পৃথিবীক ঢাৰিৰ দৰে মেৰিয়াবলৈ চেপেটা কৰিলে কেনেকৈ? তাৰ উত্তৰ কি দিব? বাৰু, যদি হিৰণ্যাক্ষই পৃথিবীখন চেপেটা কৰি লৈ মেৰিয়াই গাক কৰি তাত মুৰ থৈ শুলে? মুৰটো বাৰু "পৃথিবী গাকত থলে, গাটো ক'ত থৈ শুলে? ৰাহেই বা কিহৰ ওপৰত থিয় হৈছিল? ৰাহে যেতিয়া পৃথিবী মুখত তুলি লৈছিল তেতিয়া ৰাহ আৰু হিৰণ্যাক্ষ কিহৰ আধাৰত থাকি যুদ্ধ কৰিছিল। থিয় হবলৈ যেতিয়া অন্যস্থান নাছিল, ভাগৱত ৰচয়িতাৰ মুৰত উঠি দুয়ো যুদ্ধ কৰিছিল নেকি? এইবোৰ ভৌগোলিক জ্ঞানহীন মিছা আৰু অসঙ্গত কল্পনাৰ বাহিৰে আন একো হব নোৱাৰে।

হিৰণ্যকশিপুৰ পুত্র প্রহ্লাদ বিষ্ণুভক্ত আছিল। পিতাকে শিক্ষকৰ ওচৰত পঢ়িবলৈ পঠোৱাত শিক্ষকৰ ওচৰত কেৱল ৰাম নামৰ কথাকেহে কয়; পিতাকে জানিব পাৰি তেওঁৰ শত্রুৰ নাম লবলৈ পুত্র প্রহ্লাদক মনা কৰে কিন্তু প্রহ্লাদে পিতাকৰ উপদেশ নুশুনিলে। তেতিয়া পিতাকে অবাধ্য পুত্রৰ হাত ভৰি বান্ধি পর্ব্বতৰ ওপৰৰ পৰা ৰগৰাই দিলে, একো নহল; তাৰ পাছত নাদত পেলাই দিলে, তাতো একো নহল। শেষত

হিৰণ্যকশিপুয়ে লোৰ এক স্তম্ভ বিশেষ সজায় আৰু উত্তপ্ত কৰাই প্রহ্লাদক কলে "এতিয়া এই স্তম্ভটো ধৰ, যদি তোৰ ইষ্ট দেৱতা ৰাম সত্য হয়, তেন্তে তোৰ হাত নোপোৱে।" প্রহ্লাদে সেই স্তম্ভ ধৰিবলৈ ওচৰ চপাত মনত সন্দেহ হল জানোচা দগ্ধ কৰে। নাৰায়ণে প্রহ্লাদৰ মনৰ সংশয় বুজিব পাৰি সেই উত্তপ্ত স্তম্ভত কিছুমান পকৰা স্থাষ্ট কৰি ৰগাবলৈ কলে। পকৰা ৰগোৱা দেখি প্রহ্লাদে নির্ভয়ে স্তম্ভটো ধৰা মাত্রকেই স্তম্ভ ফাটি গল আৰু তাৰ ভিতৰৰ পৰা নৃসিংহ আবির্ভূত হৈ হিৰণ্য কশিপুৰ হৃদয় বিদীর্ণ কৰিলে। তাৰ পাছত অতি স্নেহেৰে নৃসিংহই প্রহ্লাদক চেলেকি সুধিলে "তোমাক কি ৰৰ লাগে কোৱা।" প্রহ্লাদে পিতাকৰ সদ্গতিৰ অর্থে ৰৰ প্রার্থনা কৰিলে আৰু নৃসিংহই পিতাকৰ একবিংশ পুৰুষ পর্য্যন্ত সদ্গতি হবলৈ ৰৰ দান কৰিলে।

এইবোৰ গল্পলিখকৰ অসঙ্গত গল্প। ভাগৱত পাঠক আৰু শ্রোতাক কোনোবাই ওপৰলৈ দাঙি মাটিত ঠেকেচা মাৰি পেলাই দিলে কোনেও ৰক্ষা নকৰে। পিতাক হিৰণ্যকশিপুৱে প্রহ্লাদক শিক্ষকৰ ওচৰত বিদ্যা শিকিবলৈ পঠোৱা কোনো নিন্দনীয় কর্ম্ম হল নোৱাৰে। বালক প্রহ্লাদে তাকে নকৰি পিতাকৰ কোনো শত্রুৰ দুর্বুদ্ধিত বৈৰাগী হবলৈ বিচাৰিছিল। প্রজ্বলিত স্তম্ভত পকৰা ৰগোৱা আৰু প্রহ্লাদে ধৰাতো হাত নোপোৱা আদি কথাত যি বিশ্বাস কৰে, তেওঁকো তেনেকৈ গৰম লো চুই প্রমাণ কৰি দেখুৱাবলৈ দিব লাগে। যদি প্রমাণ দেখুৱাব পাৰে, তেহে প্রহ্লাদক নাই পোৱা বুলি মানুহে বিশ্বাস কৰিব পাৰে। নৃসিংহ যে জ্বলি নগল সেইটোহে আচৰিত। পূর্ব্বে সনকৰ ৰৰ আছিল তৃতীয় জন্মৰ পাছতহে জয় বিজয়ৰ বৈকুণ্ঠ লাভ হব, সেই কথা নাৰায়ণে পাহৰি গৈছিল নেকি? ভাগৱতৰ মতেই ব্রহ্মা, প্রজাপতি, কশ্যপ, হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু চতুর্থ পুৰুষৰ অন্তর্গত, সেই মতে

প্রহ্লাদ পঞ্চম পুৰুষ হয়, তেনেস্থলত প্রহ্লাদৰ ২১ পুৰুষৰ সদ্‌গতিৰ কাৰণে বৰ দিয়া ভ্রম কথা নহব জানো? আকৌ সেই হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৱেই ৰাৱণ আৰু কুম্ভকর্ণ, আৰু তাৰ পাছত শিশুপাল আৰু বক্রদন্ত ৰূপে জন্ম লৈছিল। তেনেহলে নৃসিংহৰ বৰ কলৈ গ'ল? নফলিল নেকি? মতিভ্রম মানুহেহে এনেবোৰ কথা কয়, শুনে আৰু বিশ্বাস কৰে: বুদ্ধি বিবেচনা থকা মানুহে তেনে নকৰে।

আৰু অক্রূৰ:—

ৰথেন বায়ুবেগেন॥ (ভা: স্ক: ১০ অ: ৩৯ শ্লোক ৩৮)॥

জগাম গোকুলং প্রতি॥ (ভা: স্ক: পূ: অ: ৩৮ শ্লোক ১৪)॥

কংসই পঠোৱামতে অক্রূৰে বায়ুৰ সমান বেগবান ঘোঁৰাৰ ৰথত উঠি পুৱা সূর্য্য উদয়ৰ লগে লগে যাত্রা কৰি সূর্য্য অস্ত যোৱাৰ সময়ত গোকুল পায়গৈ। গোকুল মথুৰাৰ পৰা মাত্র চাৰি মাইল দূৰ। তেনেহলে ৰথৰ সাৰথিয়ে বাট হেৰুৱাই দিনৰ দিনটো ভাগৱত বচয়িতাৰ চাৰিও-ফালে প্রদক্ষিণ কৰি আছিল বা তেওঁৰ ঘৰত অক্রূৰে দিনটো শুই আছিল নেকি?

লিখিত আছে যে পুতনাৰ দেহ ছয় ক্রোশ বহল আৰু তাতৈকৈ বহুত দীঘল। শ্রীকৃষ্ণই পুতনাক বধ কৰি গোকুল আৰু মথুৰাৰ মাজতে পেলাই দিলে। লিখা কথা সঁচা হোৱা হলে গোকুল আৰু মথুৰাৰ লগতে ভাগৱত লিখকৰ ঘৰবাৰীও তললৈ গৈ ৰসাতল পালেগৈহেঁতেন।

অজামিলৰ উপাখ্যানো অদ্ভুত; নাৰদৰ উপদেশ মতে অজামিলে পুতেকৰ নাম ৰাখিছিল "নাৰায়ণ।" মৰিবৰ সময়ত নিজৰ পুতেকক মাতিছিল কিন্তু পুত্রৰ ঠাইত পালে স্বয়ং নাৰায়ণক। অন্তর্যামী নাৰায়ণে অজামিলৰ মনৰ ভাৱ নেজানিলে নেকি তেওঁক মাতিছেনে পুত্রক? হৰি

নামৰ মাহাত্ম্যই যদি এনে, তেনেহলে আজি কালিও নাৰায়ণৰ নাম লওঁতা সকলৰ দুখ-দুর্গতি মোচন কৰিবলৈ নাৰায়ণ নাহে কিয়? সেইদৰে কাৰাগাৰত আবদ্ধ বন্দীয়েও দেখোন নাৰায়ণৰ নাম লৈ উদ্ধাৰ পাৰ পাৰিলেহেঁতেন।

এইদৰে সুমেৰু পর্ব্বতৰ যি পৰিমাণ দিয়া আছে সি জ্যোতিষ শাস্ত্রৰ বিৰুদ্ধ। প্রিয়ব্রত ৰজাৰ ৰথ-চক্রৰ লিক্ বা লোৰত সমুদ্র হোৱা, পৃথিবীৰ আয়তন উনপঞ্চাশ কোটি যোজন, ইত্যাদি ধৰণৰ সঙ্গতিহীন কথা কাহিনী যে ভাগৱতত কিমান আছে কৈ অন্ত কৰিব নোৱাৰি।

ভাগৱতৰ ৰচয়িতা: এই ভাগৱত বোৰদেবে ৰচনা কৰিছে। বোৰদেৱৰ ভায়েক জয়দেৱে গীতগোবিন্দ ৰচনা কৰিছে। বোৰদেৱে নিজৰ ৰচিত "হিমাদ্রি" নামৰ গ্রন্থত লিখিছে--"ভাগৱত পুৰাণ মই ৰচনা কৰিলোঁ।" আৰু তেওঁৰ ভাগৱত ৰচনাৰ বিষয়ে উক্ত গ্রন্থত যিখিনি শ্লোকবদ্ধ কৰি লিখিছে সেইখিনি আমি তিনিখন কাগজত লিখি ৰাখিছিলো তাৰে এখন কাগজ হেৰাল। সেই হেৰোৱা কাগজৰ কথা খিনিৰ ভাৱার্থ আমি তলত শ্লোক বদ্ধ কৰিছিলো।—কাৰোৰাৰ জানিবৰ ইচ্ছা হলে "হিমাদ্রি" নামৰ গ্রন্থ চাৰ পাৰে।

হিমাদ্রেঃ সচিবস্যার্থে সূচনা ক্রিয়তেঽধুনা।
স্কন্ধাঽধ্যায়কথানাঞ্চ যৎপ্রমাণং সমাসতঃ॥ ১॥
শ্রীমদ্ভাগৱতং নাম পুৰাণঞ্চ ময়েৰিতম্।
বিদুষা বোৰদেবেন শ্রীকৃষ্ণস্য যশোঽন্বিতম্॥ ২॥

সেই হেৰোৱা কাগজত যি উদ্ধৃত কৰা হৈছিল তাৰ অর্থ হ'ল এই যে ৰাজসচিব হিমাদ্রিয়ে পণ্ডিত বোৰদেৱক কৈছিল, "আপোনাৰ ৰচিত সম্পূর্ণ শ্রীমদ্ভাগৱত শুনিবৰ মোৰ সময়ৰ অভাৱ। গতিকে তাৰ সংক্ষিপ্ত সূচী-পত্র এখন শ্লোক বদ্ধ কৰি দিয়ক, যাক পঢ়িলেই মই ভাগৱতৰ

বিষয় জানিব পাবিম।" সেইমতে পণ্ডিত বোবদেবে সূচী-পত্র বচনা কবে। তাবে লিখি থবা পূর্ব্ব ১০টা শ্লোকব পত্রখন হেবোৱাত একাদশ শ্লোকব পবা উদ্ধৃত কবি দিয়া হল। তলব শ্লোকবোব বোবদেব বচিত "হিমাদ্রি" গ্রন্থব :—

বোধয়ন্তীতি হি প্রাহুঃ শ্রীমদ্ভাগবতং পুনঃ।
পঞ্চ প্রশ্নাঃ শৌনকস্য সুতস্যাত্রোত্তবং ত্রিষু। ১১।
প্রশ্নাবতাবয়োশ্চৈব ব্যাসস্য নির্বৃতিঃ কৃতাৎ।
নাবদস্যাত্র হেতুক্তিঃ প্রতীত্যর্থং স্বজন্ম চ ॥ ১২ ॥
সুপ্তঘ্নং দ্রৌণ্যভিভবস্তদস্ত্রাৎ পাণ্ডবা বনম্।
ভীষ্মস্য স্বপদপ্রাপ্তিঃ কৃষ্ণস্য দ্বাবিকাগমঃ ॥ ১৩ ॥
শ্রোতুঃ পবীক্ষিতো জন্ম ধৃতবাষ্ট্রস্য নির্গমঃ।
কৃষ্ণ মর্ত্ত্যত্যাগস্চা ততঃ পার্থমহাপথঃ ॥ ১৪ ॥
ইত্যষ্টাদশভিঃ পাদৈবধ্যায়ার্থঃ ক্রমাৎ স্মৃতঃ।
স্বপবপ্রতিবন্ধোনং স্ফীতং বাজ্যং জহৌ নৃপঃ ॥ ১৫ ॥
ইতি বৈ বাজ্ঞো দার্ঢ্যোক্তৌ প্রোক্তা দ্রৌণিজয়াদয়ঃ।
ইতি প্রথমঃ স্কন্ধঃ ॥ ১।

বোবদেব পণ্ডিতে এইদবে বাব স্কন্ধব সূচীপত্র বচনা কবি বাজ সচিব হিমাদ্রিক দিছিল। অন্যান্য পুবাণবোবতো এনেকুবা অর্থহীন অবান্তব কথা আছে, কোনোখনত কম, কোনো খনত বেছি। ইমানবেই পার্থক্য।

ভগবান কৃষ্ণ আপ্তপুৰুষ, তেওঁব গুণ, কর্ম্ম আৰু স্বভাবব আদর্শ যি মহাভাবতত বর্ণনা কবা হৈছে সি অতি শ্রেষ্ঠ। তেওঁব অধর্ম্ম বা কুকর্ম্মব উল্লেখ মহাভাবতব কতো এটাও নাই। কিন্তু ভাগবত বচয়িতাই শ্রীকৃষ্ণৰ বিষয়ে কিছুমান নিন্দনীয় কলঙ্ক বচনা কবিছে। যেনে, দুগ্ধ, দধি, মাখন আদিব চুবি কবা, কুব্জীব লগত সমাগম, পবস্ত্রীব লগত বাসক্রীড়া ইত্যাদি মিছা মনে গঢ়া দোষবোব কৃষ্ণ চবিত্রত আবোপ কবিছে। যিবোব অন্য মতাবলম্বীয়ে পঢ়ি শুনি নিন্দা কবে। এই ভাগবতব বচনা আৰু প্রচাব নোহোৱা হলে শ্রীকৃষ্ণব দবে মহাত্মাব চবিত্রত কলঙ্কব প্রচাব নহলহেঁতেন। শিব পুবাণত দ্বাদশ জ্যোতির্লিঙ্গব বর্ণনা কবা হৈছে। আচলতে সেইবোব লিঙ্গত জ্যোতিব লেশমাত্রও নাই। এদ্ধাবত লিঙ্গব পোহবেবে অন্য বস্তু দেখা দূবব কথা, প্রদীপ নজ্বলালে লিঙ্গকেই দেখা নেযায়। এইবোব ধর্ম্মব নামত বকবৃত্তিধাবী মহাত্মাসকলব জীৱিকা অর্জ্জনব ছলনা।

প্রশ্ন – যেতিয়া বেদ অধ্যয়নব সামর্থ্য লোপ হল, তেতিয়া স্মৃতি, স্মৃতি পঢ়াবো বুদ্ধি বিবেচনা নোহোৱা হোৱাত শাস্ত্র, তেতিয়া শাস্ত্র পঢ়াবো বিদ্যা বুদ্ধি লোপ পালে তেতিয়া স্ত্রী-শূদ্র আদিব কাবণে পুবাণ বচিত হ'ল। কাবণ স্ত্রী আৰু শূদ্রব বেদ অধ্যয়ন আৰু শ্রৱণব অধিকাব নাই।

উত্তব—এইবোব মিছা কথা। কাবণ অধ্যয়ন আৰু অধ্যাপনাব পবাহে সামর্থ্য হয়। আৰু বেদ পঢ়া আৰু শুনাব অধিকাব সকলোবে আছে। শুনক। গার্গী আদি নাবীসকলে বেদ অধ্যয়ন কবিছিল। ছান্দোগ্যত লিখিত আছে যে শূদ্র জানশ্রুতিয়েও বৈক্যমুনিব ওচবত বেদ অধ্যয়ন কবিছিল। যজুর্ব্বেদব ষড়্বিংশ অধ্যায়ব দ্বিতীয় মন্ত্রত স্পষ্টকৈ কোৱা আছে যে, মানুহ মাত্রবেই বেদ পাঠ আৰু শ্রৱণ কবিবব অধিকাব আছে। যি সকলে এনেকুবা মিছা গ্রন্থ বচনা কবি মানুহক সত্য গ্রন্থ পঢ়া আৰু শুনাব পবা বঞ্চিত কবে, আৰু জনসাধাবণক ভ্রমজালত আবদ্ধ কবি স্বার্থ সিদ্ধি কবে, সেই সকল মহাপাপী নহয় যদি কোন হব?

এই চাওক, সবল জনসাধাবণক প্রবঞ্চনা কবি জীৱিকা অর্জ্জনব কাবণে কেনেকৈ গ্রন্থচক্র বচনা কবিছে ঃ—"আকৃষ্ণেন বজসা" । ১ । (সূর্য্যব মন্ত্র) ॥ অগ্নিমূর্দ্ধা দিবঃ ককুৎপতিঃ...' । ৩ । (মঙ্গলব) ॥ উদ্বুধ্য-স্বাগ্নে....' । ৪ । (বধুব) ॥ বৃহস্পতে অতিযদর্য্যো....' । ৫ । (বৃহস্পতিব) 'শুক্রসন্ধসঃ....' । ৬ । (শুক্রব) ॥ 'শন্নোদেবীবভিষ্টয়....' ।৭। (শনিব) ॥ 'কয়া নশ্চিত্র আভুব ' ।৮। (বাহুব) ॥ আৰু 'কেতুং কৃন্বন্ন কেতবে ' । ৯ । ইয়াকে কেতুব কণ্ডিকা বোলে ॥ ইয়াব আচল অর্থ (আকৃষ্ণে) সূর্য্য আৰু পৃথিবীব আকর্ষণ সূচক ॥১॥ দ্বিতীয়ব অর্থ বাজগুণ বিধায়ক ॥২॥ তৃতীয় মন্ত্র অগ্নিসূচক ॥৩॥ চতুর্থ মন্ত্র যজমান বাচক ॥৪॥ পঞ্চম মন্ত্রব অর্থ বিদ্বান ॥৫॥ ষষ্ঠ মন্ত্রব অর্থ বীর্য্য আৰু অন্ন ॥৬॥ সপ্তম মন্ত্রব অর্থ জল, প্রাণ আৰু ঈশ্বব ॥৭॥ অষ্টম মন্ত্রব অর্থ মিত্র ॥৮॥ নবম মন্ত্রব অর্থ জ্ঞান, গ্রহণ বিধায়ক ॥৯॥ এইবোবব অর্থ গ্রহবাচক নহয়। যথার্থ নেজানি ভ্রমগ্রস্ত হৈছে।

প্রশ্ন—গ্রহব ফল আছে নে নাই ?

উত্তব—বকবৃত্তিধাবী সকলে যিদবে কয় সেইদবে নহয়। কিন্তু সূর্য্য আৰু চন্দ্রব কিবণব দ্বাবা উষ্ণতা আৰু শীতলতা, বা কোনো ঋতুযুক্ত কালচক্রব সম্বন্ধ বশতঃ এইবোবে প্রকৃতিব অনুকূলে সুখ দুখব নিমিত্ত হয়। বকবৃত্তিধাবী গ্রহ পূজাবীসকলে যজমানক কয়—" তোমাব অষ্টম চন্দ্র আৰু সূর্য্যাদি শুভ স্থানব পবা আঁতবি গৈছে, শনিব দৃষ্টি বেয়া। তোমাব অমুক বিষ্ট আছে, ধন ক্ষয় হব। তাব প্রতিকাবৰূপে গ্রহ পূজা দান, জপ পাঠ কবিলে সকলো বিপদব পবা বক্ষা পাবা।" এই দৈবজ্ঞ গ্রহ পূজাবীসকলক সুধিব লাগে—গ্রহ কি বস্তু আৰু গ্রহব লগত তেওঁ-লোকব কিবা সম্বন্ধ আছে নেকি ?

বক তপস্বী—

দৈবাধীনং জগৎ সর্ব্বং মন্ত্রাধীনাশ্চ দেবতাঃ।
তে মন্ত্রা ব্রাহ্মণাধীনাস্তস্মাৎ ব্রাহ্মণদৈবতম্ ॥

শুনক শাস্ত্রব প্রমাণ। সমস্ত জগৎ দেবতাসকলব অধীন। সকলো দেবতা মন্ত্রব অধীন। মন্ত্রবোব ব্রাহ্মণব অধীন। গতিকে ব্রাহ্মণক দেবতা বোলে। দেবতাক আহ্বান আৰু প্রসন্ন কবি কার্য্য সিদ্ধি কবাব অধিকাব ব্রাহ্মণবেই। ব্রাহ্মণব মন্ত্রশক্তি নথকা হলে আপোনালোকব দবে নাস্তিক সকলে ব্রাহ্মণসকলক সংসাবত থাকিবলৈ ঠাই দিলে হেঁতেন জানো ?

বোধ হয় চোব, দস্যু আৰু কুকর্ম্মীবোবো দেবতাব অধীন আৰু দেবতা সকলেই সিহঁতক দুষ্কর্ম্মত প্রবৃত্ত কবায়। তেনেহলে দেবতা আৰু বাক্ষসব কোনো প্রভেদেই নাথাকিলহেঁতেন। যদি মন্ত্র বল ব্রাহ্মণব অধীন আৰু ইচ্ছানুকূপ কার্য্য সিদ্ধ কবিব পাবে—তেনেহলে সেই মন্ত্র বলেবে দেবতাসকলক বশীভূত কবি ধন সম্পত্তি সংগ্রহ কবি তেওঁবিলাক চোন সুখত জীৱন কটাব পাবে, তাকেই নকবে কিয় ? গ্রহ পূজা কবি দান দক্ষিণা গ্রহণব আশাত ঘবে ঘবে ফুবিব লাগে কিয় ? সবল হৃদয়ব দুঃখীয়া দবিদ্রবোবক বয়বস্তু চেপি খুন্দি লৈ যায় কিয় ? গ্রহ শান্তি বা গ্রহ পূজা কবাত ফল যে ধবে, তাব প্রমাণ দেখুৱাব পাবেনে ? গ্রহ পূজকব মন্ত্র শক্তি থাকিলে নিজব ভাগ্য যথা ইচ্ছা পবিবর্ত্তন কবি লব পাবিলে হেঁতেন। বেদ বা জ্ঞান বিবেচনা ঐশ্ববিক আজ্ঞা, যি তাব বিকদ্ধাচবণ কবে সেই সকলহে নাস্তিক।

সূর্য্য, চন্দ্র আদি নক্ষত্র আৰু গ্রহবোব জড় পদার্থ। প্রসন্ন বা অপ্রসন্ন হৈ বা পক্ষপাতী হৈ কাকো দুঃখ বা সুখ নিদিয়ে। গ্রহদান উপজীৱী সকলহে একোটা মূর্ত্তিমান গ্রহ। গ্রহ শব্দৰ অর্থও গ্রহদান উপজীবীতেই খাটে। "যে গৃহ্ণন্তি তে গ্রহাঃ।" গ্রহজীবীব সাক্ষাৎ নোহোৱা

পর্য্যন্ত কোনেও নবগ্রহব কথা নেভাবে। সেই মনুষ্যরূপী গ্রহইহে আক্রমণ কবে, চেপি খুন্দি কিবা নহয় কিবা আদায় নকবা পর্য্যন্ত নেবে।

বক ভণ্ডীয়ে কয় যে জ্যোতিষব ফল প্রত্যক্ষ জ্যোতিষে সুদূবস্থ আকাশব সূর্য, চন্দ্র, বাহু আক কেতুব সংযোগরূপ গ্রহণব কথা, সময় ক্ষণ পর্য্যন্ত নিশ্চিত কবি আগতেই কব পাবে। জ্যোতিষ সত্য। ধনী, দুখীয়া, বজা প্রজা বা বোগী সুখী আদি হোৱা গ্রহবেই ফল।

তাব উত্তবত কওঁ— গ্রহণ হৈছে গণিত বিদ্যাব বিষয়, ফলিত জ্যোতিষ নহয়। গণিত বিদ্যা সত্য। ফলিত জ্যোতিষ প্রাকৃতিক সম্বন্ধ জাত পবিণাম। অনুলোম আক প্রতিলোম ভ্রমণকাবী পৃথিবী আক চন্দ্রব বিষয়ে গণিতব সহায়ত স্পষ্টকৈ জানিব পাবি যে কেতিয়া কোন দেশত, আক কোন অবয়বত সূর্য্য গ্রহণ হব। যেনে:—

ছাদয়ত্যর্কমিন্দুর্বিধুং ভূমিভা।

এইটো "সিদ্ধান্ত শিবোমণিব" বচন। "সূর্য্যসিদ্ধান্ত" আদিতো এইদবেই কোৱা আছে যেতিয়া সূর্য্য আক পৃথিবীব ভিতবত চন্দ্র পবে তেতিয়া সূর্য্যগ্রহণ, আক যেতিয়া সূর্য্য আক চন্দ্রব ভিতবত পৃথিবী পবে তেতিয়া চন্দ্রগ্রহণ হয়। অর্থাৎ চন্দ্রব ছাঁ পৃথিবীব ওপবত আক পৃথিবীব ছাঁ চন্দ্রব ওপবত পবে। সূর্য্য জ্যোতির্ম্ময়, গতিকে সূর্য্যব ওপবত কাবো ছাঁ নপবে। যিকালে সূর্য্য বা প্রদীপ থাকে সেইকালে কোনো বস্তুব ছাঁ নপবে পোহবব বিপবীত কালেহে পবে। মানুহব কর্ম্মফল অনুসাবে ধনী, দবিদ্র, বজা, প্রজা হয়, গ্রহব প্রভাবত নহয়। জ্যোতিষী সকলে নিজব নিজব পুত্র কন্যাব বিবাহব আগতে গ্রহব ফলাফল গণনা কবি বিবাহ স্থিব কবে, তথাপি তাব পবিণাম বেয়া হয় কিয়? তেনে বিবাহতো বিবাহ-বিচ্ছেদ, বাঁবী বা ববলা কোৱা দেখা যায়। গতিকে

কর্ম্মব ফলেই সত্য। পৃথিবী আক অন্যান্য গ্রহবোব আকাশত ঘুবে ঘুবে নিজব নিজব গতিত বিচবণ কবে। পৃথিবীব অন্যান্য গ্রহব লগত কর্ত্তা আক কর্ম্মব কোনো সাক্ষাৎ সম্বন্ধ নাই। কর্ম্ম-কর্ত্তা জীব আক কর্ম্মব ফল ভোক্তাও সাক্ষীস্বরূপ ঈশ্ববে—জীবক কর্ম্মফল ভোগ কবায়। যি ক্ষণত এটা শিশুব জন্ম হয়—সেই ক্ষণকেই 'ধ্রুবক্রটি' বুলি ধবি জন্ম-পত্রিকা গণনা কবা য়। সেই মুহূর্ত্তত পৃথিবীত কিমান শিশুব যে জন্ম হয়, তাব হিচা নাই। সেই সকলোবে ভাগ্য একে নহয় কিয়? জন্ম ক্ষণব পবাইতো গ্রহব ফল গণনা কবা হয়। এজন যদি বজা হয় অন্যজন ডাল দবিদ্র হয় কিয়? ই আচলতে নামত গ্রহফল গণনা বিদ্যা, কিন্তু কামত উদব পুবণ বিদ্যাহে।

প্রশ্ন—গৰুড় পুবাণো মিছা নেকি?

উত্তব—হয়, মিছা।

প্রশ্ন—তেনেহলে মৃত জীবব কেনেকুবা গতি হয়?

উত্তব—যাব যেনে কর্ম্ম, তেনে গতি।

প্রশ্ন—যম বজা, চিত্রগুপ্ত তেওঁব মন্ত্রী। ঘোব ক'লা, ভয়ঙ্কব যমদূতবোবে মবণব সময়ত জীববোবক ধবি নি পাপীক নবকত আক পুণ্যবানক স্বর্গত থাকিবলৈ দিয়ে। জীবই যাতে বৈতবণী নদী পাব হব পাবে, তাব কাবণেই দান পুণ্য, শ্রাদ্ধ তর্পণ আক গো দান আদি কবা হয়। এইবোব মিছা কেনেকৈ হব?

উত্তব—এইবোব কেবল গল্প। আন ঠাইব জীবই পাপ পুণ্য কবিলে যম বাজ্যলৈ নি যম আক চিত্রগুপ্তই ন্যায্য বিচাব কবে। যমলোক বাসীয়ে যদি দুষ্কর্ম্ম কবে, তেন্তে তাব বিচাব কবিবব বাবেও অন্য এখন যমলোকব আৱশ্যক হব দেখোন। সেই যমেহে তেওঁলোকব কর্ম্মফল

বিধান কবিব পাবিব। যমদূতব দেহবোব যদি ডাঙব ভয়ঙ্কব, তেন্তে তাক দেখা নেযায় কিয় ? যমদূতব দেহ যদি পর্ব্বতাকাব, তেন্তে মৃত জীৱব ঘবব ভিতবলৈ সোমাওঁতে ঘব ভাঙি সোমায় নেকি ? যদি কয় পর্ব্বতাকাব দেহ খুদি থৈ সূক্ষ্ম দেহ ধাৰণ কবে, তেন্তে সোলোকাই কত থয়—কোনোবাই দেখে নেকি ? অবণ্যত জুই থাকিলে অনেক জীৱ জন্তু পোক-পকৰা মবে,—সেইবোবক নিবব কাবণে অসংখ্য ক'লা ক'লা পর্ব্বতাকাব দেহব যমদূত একেলগে উপস্থিত হলে সেই অঞ্চলটো অন্ধকাব হৈ যায় নেকি ? যি স্থানত অসংখ্য ক্ষুদ্র জীৱ থাকে তাত অসংখ্য পর্ব্বতাকাব দেহব অসংখ্য যমদূত গোট খাবলৈ ঠায়ে জুবিব জানো ? আৰু তাব ভবত সেই ঠাই তললৈ বহি যাওঁতে গৰুড় পুৰাণব পাঠক—শ্রোতা সকলব ঘব বাবীও তল পবি নগলহেঁতেন নে ? শ্রাদ্ধ, তর্পণ আৰু পিণ্ড মৃত জীৱব মুখত নপবে গৈ। মৃতকব প্রতিনিধি বকবৃত্তিধাৰী সকলব হাতত, ঘবত আৰু উদবতহে পবেগৈ। নেজত ধবি বৈতৰণীব নৈ পাব হবব কাবণে যি গোদান কবা হয়—সেই গো বৈতৰণী পাব নেপাই বক তপস্বীব গোহালিহে পায়গৈ। মৃতকব হাত ইয়াতেই জলোৱা বা পোতা হয়, গতিকে জীৱ গৈ বৈতৰণীব পাব পালেও নিজব হাত নেথাকিলে আৰু গৰু গৈ নেপালে কাব নেজ, কিহেবে ধবি পাব হব ? এই প্রসঙ্গত এটা গল্প শুনা যায় :—

এক মানুহব ঘবত এজনী খীবতী গাই আছিল, দিনে ২০ সেব (লিটাব) কৈ গাখীব দিছিল। ঘবব পবিয়ালে খায়ো ওচব চুবুৰীয়াকো আৱশ্যক মতে দি সহায় কবিব পাবিছিল আৰু মাজে সময়ে কুলব পুবোহিতব ঘবলৈও পঠাইছিল। সেই পুবোহিতব সেই গাইজনী দেখি অতিকৈ লোভ লাগিছিল। সেই মানুহজনব পিতাক অতি বৃদ্ধ আৰু কগ্ন অৱস্থাত আছিল। পুবোহিতেও কগ্ন পিতাকব মৃত্যুব সময়তে গাইজনী দানৰূপে

সৰকাবলৈ মনতে আলচি আছিল আৰু প্রায় সদায় সেই আশাবেই পিতাকব খবব বাতবি লবলৈ অহাযোৱা কবি আছিল। দৈবাৎ এদিন কগ্ন পিতাকব মৃত্যুব কাল উপস্থিত হল। খবব শুনি ওচব চুবুৰীয়া আৰু সেই পুবোহিতো আহিল। অৱস্থা শেষ প্রায় দেখি খাটব পবা নমাই ৰীতি-নীতি অনুসাবে মাটিত থোৱা হল। তেতিয়া পুবোহিতে মাহুহজনক ধীব ভাবে কলে "এতিয়া পিতাবাব হাতেবেই গো দান কবোৱা।" তেওঁ পিতাকব হাতত ১০ টকা দি পুবোহিতক কলে "আপুনি এতিয়া সঙ্কল্প গাওঁক। পুবোহিতে কলে "হেব কি দিছ ? তোব পিতাব বাবে বাবে মবিব নেকি" ? বেছি বয়স নোহোৱা এজনী খীবতী গাই আগলৈ আন।" তেওঁ কলে "মোব ঘবত গাই এজনীয়েই আছে, তাকো দান কবিলে ঘবব লবা-ছোৱালীব গাখীব খোৱাব মুদা মবিব। এই ২০ টকা দিলো পাছত এজনী খীবতী গাই কিনি লব। এতিয়া মন্ত্র পঢ়ক"। পুবোহিতে কলে "ধন্য তুমি পুত্র! পিতাবে পুত্রব কাবণে সকলো কবিলে, এতিয়া সকলো এবি দি যাবলৈ ওলাইছে, তোমাব পিতাবাতকৈও গাইজনীয়েই ডাঙব হ'ল ! এয়েই পিতৃ ভক্তি"! তাকে শুনি গাওঁব মানুহেও পুবোহিতব কথাতেই হয় ভব দিলে। "পিতাবাক বৈতৰণীত ডুবাই মাবিব খুজিছা নেকি" ? মানুহজন নিকপায় হৈ মনব দুঃখত গাইজনী দান কবিলে। পিতাকব মৃত্যু হ'ল, ঘবব সকলোৱে কান্দিবলৈ ধবিলে। পুবোহিতে, সেই দানব গাই-দামুৰী লৈ গৈ নিজব ঘবত বান্ধি থৈ আকৌ তেওঁব ঘবলৈ আহি শ্মশান যাত্রী হৈ গৈ শৱদাহ কবালে। তাব পাছত দহা, শ্রাদ্ধ, পিণ্ড আদি কবালে, যথা সম্ভৱ মানুহক খুৱালে। মানুহজনে ইঘব সিঘবব পবা কেইদিনমান গাখীব খুজি মাগি আনিলে। চৈত্য দিনব দিনা পুৱাই সেই মানুহজন গৈ পুবোহিতব ঘব পালেগৈ। সেই সময়পেত বোহিতে গাখীব খীবাই ঘাগবীত ভবাই ভিতৰলৈ নিয়ক্তে,

ধবিছিল। তেওঁক দেখি বহিবলৈ কলে। মানুহজনে ঘপবাই কলে "আপুনি যব মিছলীয়া"। পুবোহিতে কলে "মই কেনেকৈ মিছলীয়া হলো" ?

মানুহজন—আপুনি গাইজনী কিহলৈ আনিছিল ?

পুবোহিত—তোমাব পিতাবক বৈতবণী পাব কবাবলৈ।

মানুহজন—তেনেহলে গকজনী বৈতবণী নৈব কিনাবলৈ নপঠিয়ালে কিয় ? মই তাব কাবণেহে আপোনাক গকজনী দিছিলো। মোব পিতাই গকব নেজত ধবি বৈতবণী পাব হব নোৱাবি চাগৈ কক বকাব লাগিছে, আপুনি আপোনাব গোহালিত বান্ধি লৈ গাখীব খীবাই ঘাগবী তবাই তবাই খাবলৈ ধবিছে।

পুবোহিত—তোমাব ইয়াত দিয়া দানব ফলত সেই বৈতবণী পাব কবিবলৈ অন্য গাই আবির্ভাব হৈ পাব কবি দিছে।

মানুহজন—বৈতবণী নৈ ইয়াব পবা কিমান দূবত আৰু কোন কালে ?

পুবোহিত—মোব অনুমান মতে ইয়াব পবা ষাঠি কোটি মাইল দূব হব, কাবণ পৃথিবী ঊনপঞ্চাশ কোটি যোজন। আৰু বৈতবণী দক্ষিণ নৈৰ্ঋত দিশত।

মানুহজন— ইয়াত দিয়া দান-পুণ্যব ফলত তাত অন্য গাই আবির্ভাব হৈওঁমোব পিতাক বৈতবণী পাব কবি দিয়াব চিঠি বা অন্য কিবা প্রমাণ পাইছে যদি মোক দেখুৱাওক।

পুবোহিত—গকড় পুবাণত যি লিখা আছে সেয়েই প্রমাণ; তাব বাহিবে মই আন প্রমাণ দিব নোৱাবো।

মানুহজন—এই গকড় পুবাণত কোৱা কথা যে সঁচা, তাক মই কেনেকৈ জানিম ?

পুবোহিত—আনে তাকেই সঁচা বুলি মানে।

মানুহজন—এই পুবাণ আপোনাব পূর্ব পুকষে আপোনালোকব জীৱিকাব কাবণে লিখি থৈ গৈছে। কাবণ পিতাব পুত্রতকৈ বেছি প্রিয় আন একো নাই। যেতিয়া মোব পিতাই মোলৈ খবব দি গাই পঠাবলৈ জনায়, তেতিয়া গাই পঠাই দি পিতাক বৈতবণী নৈ পাব কবাই দিম, তাব পাচত আকৌ গাইজনী ঘবলৈ ঘুবাই আনি ঘবত আমি গাখীব খীবাই খাম। এই বুলি তেওঁ গাখীবব ঘাগবী কান্ধত তুলি, হাতেবে গাইব পখা ধবি গাই আৰু গাখীব লৈ ঘবমুৱা হ'ল।

পুবোহিত—এবাব সঙ্কল্প কবি দিয়া দান ঘুবাই নিলে তোমাব সর্ব্বনাশ হব।

মানুহজন—আজি ১৩ দিন মোব লবা-ছোৱালীক বঞ্চিত কবি গাখীব খোৱাব হোব তুলিব লাগে নেকি' বুলি দাঁত কবচি মানুহজনে ঘবলৈ যাবলৈ ধবিলে। পুবোহিতে তেওঁব উগ্রমূর্ত্তি দেখি মনে মনে চাই থাকিল।

মবাব পাছত 'দশগাত্র' সপিণ্ডন কবিলে জীৱই অঙ্গুষ্ঠ অর্থাৎ বুঢ়া আঙ্গুলিব সমান শবীব ধাবণ কবি যম লোকলৈ যায়। এই কথা যদি সত্য বুলি ধবা হয়, তেন্তে মৃত্যুকালত যমদূতে ধবি বান্ধি নিয়া কথাব লগত সঙ্গতি নেথাকে। মৃত্যুব পাছত যদি জীৱই শবীব ধাবণ কবে তেন্তে আত্মীয় স্বজনব মোহত ঘুবি নাহে কিয় ?

প্রশ্ন—যম আৰু যমলোক যদি নাই, তেন্তে মৃত্যুব পাছত জীৱব কর্ম্ম অকর্ম্ম ন্যায় বিচাব কোনে কবে আৰু জীৱ কলৈ যায় ?

উত্তব—গকড় পুবাণব কথা সত্য নহয়, বেদব বাক্যহে সত্য—যমেন, বায়ুনা। সত্যবাজন্। (যজুঃ ২০।৪)

ইত্যাদি বেদ বাক্যব পবা প্রমাণ হয় যে "যম" বায়ুব নাম জীয়ই দেহ ত্যাগ কবাব পাছত বায়ুব লগত অন্তবীক্ষত থাকে। সত্য-বাজ, ধর্ম্মবাজ পবমাত্মাই সকলোবে ন্যায় বিচাব কর্ত্তা।

প্রশ্ন—আপোনাব মতে কোনো দান বা পুণ্য কবিব নেলাগে নেকি ?

উত্তব—পবোপকাবী পুবোহিত আদি সুপাত্রসকলক ধন, সোণ, অন্ন, বস্ত্র আদি যথা যোগ্য দান কবিব লাগে, কিন্তু কুপাত্রক কেতিয়াও দান কবিব নেলাগে।

প্রশ্ন—সৎপাত্র আৰু অসৎ পাত্রব লক্ষণ কি ?

উত্তব—ছলনাকাবী, কপটী, স্বার্থপব, চবিত্রহীন, বিষয়াসক্ত, পবব অনিষ্টকাবী, মিথ্যাবাদী, বিদ্যাহীন, কুসঙ্গী, এলেহুৱা, বাবে বাবে খোজা, দিলেও সন্তুষ্ট নোহোৱা, অকৃতজ্ঞ, উপকাবীব অহিত চিন্তক, হিংসুক, পবশ্রী কাতব, সাধু সন্তব ভেশধাবী, প্রবঞ্চনাকাবী, অভাবগ্রস্ত নহৈও ভিক্ষা কবা, পবব পালে অবব গাবেও খোৱা, সাধু সন্ত সৎঅনুষ্ঠানব বিকদ্ধা-চবণ কবা, ইত্যাদি কুপাত্রব লক্ষণ।

ব্রহ্মচাবী, জিতেন্দ্রিয়, অধ্যয়ন অধ্যাপনশীল, চবিত্রবান পবো-পকাবী, পুৰুষার্থী, উদাব, বিবেচনাশীল, আত্মবিশ্বাসী, শান্তি প্রিয়, নিবহ-ঙ্কাবী, সহিষ্ণু, নিজব ক্ষতি ক্বাবও পবব উপকাব পবায়ণ ইত্যাদি গুণ সৎপাত্রব লক্ষণ।

এইদবেই দাতাও তিনি প্রকাব উত্তম, মধ্যম আৰু অধম। যি দেশ, কাল, পাত্র আদিব যাথার্থ্য বিবেচনা কবি দান কবে, তেওঁ উত্তম দাতা যি নিজব যশ, স্বার্থ, প্রভুত্ব আৰু প্রবঞ্চনাব কাবণে দান কবে, তেওঁ মধ্যম দাতা। যি অসৎ অভিপ্রায়ব কাবণে দান কবি নিজব বশ কবে তেওঁ অধম দাতা

প্রশ্ন—দানব ফল এই জীৱনতেই, নে পবজীৱনতো হয় ?

উত্তব—দানব ফল সকলোতে থাকে।

প্রশ্ন—দানব ফল বিবেচনা কোনে কবে ?

উত্তব—পবমাত্মাই কবে। যেনেকৈ—দস্যু, তস্কব আদি দুষ্কর্ম্ম কাবীয়ে দণ্ডভোগ স্বইচ্ছাই নকবে, বিচাবকে শাস্তি ভুগিবলৈ বাধ্য কবায় আৰু সাধু সন্তসকলক অত্যাচাবীব পবা বক্ষা কবায়, সেইদবে জীৱব পাপ পুণ্যব ফল ভোগ পবমাত্মাব ন্যায় বিচাবব অধীন।

প্রশ্ন—গৰুড় পুবাণ আদি বেদাদি শাস্ত্রব অনুকূল নে প্রতিকূল ?

উত্তব—বেদব প্রতিকূল। তন্ত্র গ্রন্থবোবো বেদব প্রতিকূল। যেনেকৈ এজনক মিত্রজ্ঞান কবিলে সংসাবব বাকীবোবক শত্রুজ্ঞান কবা হয় তন্ত্রব নীতি বিবেচনাবোবো তেনে।

উপবাসব দিন

প্রত্যেক পুবাণব মতে উপবাসব তিথি আৰু বাব ভিন্ন ভিন্ন। শিব-পুবাণব মতে ত্রয়োদশী আৰু সোমবাবত, আদিত্য পুবাণব মতে ৰবি-বাবত, চন্দ্রখণ্ডব মতে সোমগ্রহ অর্থাৎ চন্দ্রগ্রহণ যুক্ত মঙ্গল, বুধ, বৃহস্পতি শুক্র আৰু শনিত, বিষ্ণুব দুয়ো পক্ষব একাদশীত, বামনব দ্বাদশীত, নৃসিংহ বা অনন্তব চতুর্দশীত, চন্দ্রব পুৰ্ণিমাত, দিগ্‌পালব দশমীত, কার্ত্তি-কব ষষ্ঠীত, নাগব পঞ্চমীত, গণেশব চতুর্থীত, গৌবীব তৃতীয়াত, অশ্বিনী কুমাবব দ্বিতীয়াত, আদ্যাদেবীব প্রতিপদত, আৰু পিতবসকলব—অমাবস্যাত উপবাস কবিব লাগে সকলোবোবতেই লিখা আছে যে সেই বাব, তিথিত উপবাস নকবিলে নবকগামী হয়। "নির্ণয়সিন্ধু," "ধর্ম্মসিন্ধু"

আৰু "ব্ৰতাৰ্ক" আদি গ্ৰন্থবোৰ—চিন্তাবিবেচনাহীন লিখকৰ বচনা। এই গ্ৰন্থবোৰত ব্ৰতৰ দিন-ক্ষণ নিৰ্ণয় কৰিব পৰা নাই, ব্ৰতৰ দুৰ্দ্দশাহে কৰিছে। উদাহৰণ স্বৰূপে একাদশীৰ ব্ৰতকেই কোনোৱে দশমীত পালন কৰে। অদ্ভুত বিবেচনা। অনাহাৰ উপবাসতো বাঁদ বিবাদ আৰু সাম্প্ৰদায়িকতা। এইবোৰৰ পৰা জ্ঞান বিবেচনাৰ ঠাইত অজ্ঞান আৰু স্বাৰ্থ-পৰতাৰ ভাৱহে প্ৰতীত হয়। সেইসকলৰ বচনা মতে :—

"একাদশ্যামন্নে পাপানি বসন্তি।"

অৰ্থাৎ একাদশীৰ দিনত সকলো পাপ অন্নত (আহাৰত) অৱস্থান কৰে। কাৰ পাপ একাদশীৰ দিনা আহাৰত গৈ জমা হৈ থাকে? পাপৰ ফল যদি দুঃখ অশান্তি হয়, তেন্তে একাদশীত অনাহাৰে থকা সকলৰ কোনো প্ৰকাৰ দুখ অনুভৱ হব নোৱাৰে। কিন্তু তেনে নহয়। ভোকৰ যন্ত্ৰণাও হব নোৱাৰে। সেইদিনা পাপ আহাৰ নকৰি ব্ৰত কৰিলে কিয় ভোক যন্ত্ৰণা ভুগিব লাগে? দুঃখ যন্ত্ৰণা পাপৰ ফল। আহাৰ নেখালে ভোক যন্ত্ৰণা ভুগিব লাগে, গতিকে অনাহাৰত উপবাস কৰা মানে পাপ কৰা হয় যাৰ ফলত ভোক যন্ত্ৰণা ভোগ হয়। ইয়াৰ উপৰিও গোটেই দিনটো ভোকৰ যন্ত্ৰণাত নিষ্কৰ্মা হৈ থকা মহাপাপ। একাদশী ব্ৰতৰ বহুত মাহাত্ম্য বচনা হৈছে, যিবোৰ শুনি বহুত লোক প্ৰভাবিত হৈছে। সেই মাহাত্ম্যবোৰৰ এটি আখ্যান তলত দিয়া হল :—

ব্ৰহ্মলোকত এটা বেশ্যা আছিল। সেই বেশ্যাৰ কোনো বিশেষ অপৰাধৰ কাৰণে পৃথিবীত পৰিবলৈ অভিশাপ হয়। সেই বেশ্যাই নামি আহিবৰ সময়ত স্তুতি কৰি পুনঃ ব্ৰহ্মলোক লাভ কৰিবলৈ উপায় প্ৰাৰ্থনা কৰাত এটা ৰব পালে যে পৃথিবীৰ কোনোৱে একাদশী ব্ৰতৰ ফল দিলে পুনঃ স্বৰ্গ লাভ কৰিব পাৰিব। সেই বেশ্যাই বিমানেৰে পৃথিবীত পৰিলত সেই বাক্যৰ বজাই গৈ সুধিলে "তুমি কোন?" তেতিয়া বেশ্যাই নিজৰ

সকলো বৃত্তান্ত জনাই বজাক প্ৰাৰ্থনা কৰিলে যদি কোমোৱে একাদশী ব্ৰতৰ ফল দান কৰে, তেন্তে সেই ফলৰ বলত আকৌ তেওঁৰ স্বৰ্গলাভ হব। বজাই চাৰিওফালে মানুহ পঠিয়াই কোনে একাদশীৰ ব্ৰত কৰে সন্ধান কৰালে। কিন্তু একাদশীৰ ব্ৰত কৰা মানুহ বিচাৰি নেপালে। এঠাইত এক শূদ্ৰ পতি-পত্নীৰ ভিতৰত কাজিয়া লগাত দ্বৈণীয়েকে এদিন এৰাতি খণ্ডত একোকে নেখালে। দৈবাৎ সেইদিনা আছিল একাদশী। বজাৰ মানুহে বিচাৰি গৈ ব্ৰতৰ কথা সোধাত মানুহজনীয়ে কলে "মই একাদশী বুলি ব্ৰত কৰা নাই, মনৰ বেজাৰত লঘোনে আছিলো।" বজাৰ টেকেলাই মানুহজনীক নি বজাৰ আগত হাজিৰ কৰাত বজাই তাইক সেই বেশ্যাৰ বিমানখন চুবলৈ কলে। বজাৰ আজ্ঞাত মানুহজনীয়ে বিমানখনত হাত দিয়া মাত্ৰকে বিমান ওপৰলৈ উৰিবলৈ ধৰিলে নহলে দুবুজাকৈ একাদশীৰ দিনা লঘোণে থকাৰে যদি ইমান মাহাত্ম্য, জানি বুজি ব্ৰত কৰিলে তাৰ মহৎফলৰ কথাই নাই। এই গল্পবোৰ যদি সত্য হয়, তেন্তে এতিয়া সকলো একাদশীৰ ব্ৰতীয়ে লগহৈ তেওঁলোকৰ ব্ৰতৰ সমবেত মহিমাৰে এখন তামোলো যদি স্বৰ্গলৈ পঠাই প্ৰমাণ কৰিব পাৰে, আমিও একাদশীৰ ব্ৰত পালন কৰিম। যদি প্ৰমাণ নহয়, এনেবোৰ অন্ধ বিশ্বাস পৰিত্যাগ কৰা উচিত।

মাহে দুটাকৈ একাদশী হলে বছৰত চৌবিশটা হল। এই একাদশীবোৰৰ নামো বেলেগ বেলেগ। কোনোটোৰ নাম "ধনদা", কোনোটোৰ "কামদা", "পুত্ৰদা", "নিৰ্জ্জলা" ইত্যাদি। কত দৰিদ্ৰ, ধনাকাংক্ষী আৰু নিঃসন্তান মানুহ একাদশীৰ ব্ৰত কৰি কৰি বুঢ়া হল আৰু কত মৰিব লাগিছে; কিন্তু কাম্য বস্তু লাভ নহল। জেঠমহীয়া প্ৰখৰ ৰদৰ তাপত পানীৰ পিয়াহৰ ব্যাকুলতা কি সকলোৱে অনুভৱ কৰিব পাৰে? এনেস্থলত নিৰ্জ্জলা একাদশীৰ ব্ৰত কৰোতা সকলে বিশেষকৈ বঙ্গদেশৰ বিধবা সকলেহে ব্ৰতৰ মহিমা শাস্তিৰূপে অনুভৱ কৰে। এনেবোৰ ব্ৰতৰ নীতি-বিধি বচোঁতাসকলৰ লেশমাত্ৰও দয়া থকা হলে জেঠ মাহৰ একাদশীৰ নাম সজলা আৰু পুহমাহৰ একাদশীৰ নাম নিৰ্জ্জলা বাখি সুবিবেচনা

শীলতাব পবিচয় দিব পাবিলেহেঁতেন। কিন্তু তেওঁলোকব সেই বিবেচনাব অভাব। তেওঁলোকব আচল অন্তর্নিহিত উদ্দেশ্য জীৱিকা আৰু প্রতিপত্তি। গর্ভৱতী, সদ্যবিবাহিতা, নাবী, বালক, আৰু যুৱকসকলে অনাহকত উপবাস কবা ক্ষতিকব। অজীর্ণ বা অভোকতো যথাযোগ্য সববত বা দুষ্ট আহাব আৰু ভোকত অনাহাব, জীৱনব ঘোব ক্ষতিকব। এইবোব ধর্ম্ম হব নোৱাবে, অধর্ম্মহে। গতিকে এনেবোব বিবেচনাহীন লিখকব কথা কেতিয়াও বিশ্বাসযোগ্য হব নোৱাবে। এনেকৈ শবীবব অত্যাচাব কবাব ফলত আজীৱন কণীয়া হৈ শাস্তি ভোগ কবিব লগা হয়।

গুৰু শিষ্য, মন্ত্রোপদেশ আৰু প্রচলিত মত মতান্তৰ

প্রশ্ন—মূর্ত্তি পূজাবাদীসকলে কয় যে বেদ অনন্ত, ঋক্‌বেদব ২১, যজুর্ব্বেদব ১০১, সামবেদব ১০০০ আৰু অথর্ব্ববেদব ৯ শাখা আছে। এইবোবব কিছুমান শাখাহে আছে বাকীবোব লোপ হৈ গল। যিবোব লুপ্ত হল, সেইবোবতেই মূর্ত্তি পূজা আৰু তীর্থ যাত্রাব মহিমাব কথা থকা সম্ভব। নহলে পুৰাণে এইবোব কথা কেনেকৈ জানিব বা লিখিব? কার্য্য দেখিলে যেতিয়া কাৰণব অনুমান হয়, সেইদবে পুৰাণত মূর্ত্তিপূজাব প্রতিপাদন দেখি বেদতো প্রতিপাদন কবাব অনুমান হব পাবে।

উত্তব—বৃক্ষ যেনে তাব শাখাও তেনে দেখা যায়, তাব বিপবীত নহয়। শাখাব ভিতবত সৰু বা ডাঙব হলে, শাখাব ভিতবত পবস্পব বিৰুদ্ধ নুবুজায়। সেইদবে বেদব যিবোব শাখা পোৱা গৈছে সেইবোবত

পাষাণ আদিব মূর্ত্তিব আৰু জল-স্থলৰূপী তীর্থবোবব উল্লেখ দেখা নাযায়। গতিকে জানিব পাবি যে লুপ্ত শাখাবোবতো এইবোব বিষয় নাই। চাবিও বেদ সম্পূর্ণ পোৱা গৈছে, তাব ভিতবত এইবোব বিষয় নাই যেতিয়া শাখাবোবতো নাই। কাৰণ বেদব শাখা বেদবিৰুদ্ধ হব নোৱাবে। বিশেষকৈ পুৰাণ তো বেদব শাখা নহয়। পুৰাণবোব সম্প্রদায়বাদী লিখকব পবস্পব বিৰুদ্ধে বচনা কবা গ্রন্থ। আপোনালোকে যদি বেদক ঐশ্বৰিক জ্ঞান বুলি ভাবে, তেনেহলে "আশ্বলায়ন" আদি ঋষি মুনিসকলব জনা-জাত গ্রন্থবোবক বেদ বোলে কিয়? যেনেকৈ ঠাল পাত দেখিয়েই আহত আৰু আম আদি গছবোব চিনিব পাবি সেইদবে ৰুষি মুনিব বচিত বেদাঙ্গ, চাবি ব্রাহ্মণ, অঙ্গ উপাঙ্গ আৰু উপবেদ আদিব সহায়ত বেদব অর্থ জানিব পাবি। এই কাৰণেই এইবোব গ্রন্থক বেদব শাখা বুলি ধবা হৈছে। যিবোব বেদব বিৰুদ্ধে সেইবোব প্রামণিক আৰু যিবোব বেদব অনুকূল সেইবোব অপ্রামাণিক হব নোৱাবে। যদি আপুনি নেদেখা শাখাবোবব ভিতবত মূর্ত্তি পূজা আদিব প্রমাণ আছে বুলি কল্পনা কবে, সেইদবে আনেও লুপ্ত শাখাবোবত প্রচলিত বর্ণাশ্রম ব্যবস্থাব বিপবীতে শূদ্র আৰু অন্ত্যজাদিব নাম ব্রাহ্মণ, আৰু ব্রাহ্মণাদিব নাম শূদ্র আৰু অন্ত্যজাদি, অকর্ত্তব্যক কর্ত্তব্য, অধর্ম্মক ধর্ম্ম আৰু ধর্ম্মক অধর্ম্ম বুলি কয়, তেতিয়া আপুনিও সেই উত্তবেই দিব যি উত্তব মই আপোনাক দিছো অর্থাৎ বেদ আৰু প্রসিদ্ধ শাখাবোবত যেনেকৈ ব্রাহ্মণ আদি আৰু শূদ্র আদিব নাম শূদ্র আদি লিখিত হৈ আছে সেইদবেই অদৃষ্ট শাখাবোবতো আছে বুলি স্বীকাব কবা উচিত। নহলে বেদব কোনো কথাকেই নিশ্চিত বা প্রামাণিক বুলি নির্ণয় কবিব পবা নেযাব। জৈমিনি, ব্যাস, পতঞ্জলিব সময়লৈকে সকলোবোব শাখা বিদ্যমান—আছিল নে নাছিল কওক-লোন যাক? যদি আপুনি নাছিল বুলি কয় তেন্তে আৰু কোনো প্রশ্নই

মুঠৈ, যদি আছিল বুলি কয়—তেনেহলে থকাৰ প্ৰমাণেই বা কি ? জৈমিনি মীমাংসাত সকলো কৰ্ম্মকাণ্ড, পাতঞ্জলিয়ে যোগশাস্ত্ৰত সকলো উপাসনা কাণ্ড আৰু ব্যাস মুনিয়ে শাৰীৰিক সূত্ৰত সকলো জ্ঞান কাণ্ড বেদানুকূল বুলি লিখিছে। এই শাস্ত্ৰবোৰত মূৰ্ত্তিপূজা আৰু প্ৰয়াগ আদি তীৰ্থবোৰৰ কোনো নাম-নিচান নাই। যদি বেদত এইবোৰ থাকিলহেঁতেন তেন্তে সেই ঋষি মুনিসকলে তাৰ উল্লেখ কৰিলে হেঁতেন। গতিকে লুপ্ত শাখা-বোৰতো মূৰ্ত্তি পূজা বা তীৰ্থৰ কথা থকা সম্ভৱ নহয়। দ্বিতীয় কথা, এই শাখাবোৰ বেদ নহয়। শাখাবোৰৰ আধাৰ বেদ, তাত বেদৰ বিষয়বোৰ ব্যাখ্যা কৰোতে সাংসাৰিক লোকৰ নাম, ইতিহাস আদিও লিখিত হৈছে। বেদত মূৰ্ত্তি পূজা বা তীৰ্থৰ কথা নাই, কোনো মানুহৰ নাম নাই। বেদত কেৱল জ্ঞান-বিজ্ঞানৰ উপদেশহে আছে। গতিকে মূৰ্ত্তি পূজা বেদ বিৰুদ্ধ।

ভাবি চ'কচোন মূৰ্ত্তি পূজাৰ দ্বাৰাই শ্ৰীৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ, নাৰায়ণ আৰু শিৱ আদিৰ নিন্দনীয় উপহাস কৰা হোৱা নাই জানো ? সেই সকল যে ৰাজাধিৰাজ বা মহান ব্যক্তি আছিল এই কথা কোনোৱেই অস্বীকাৰ নকৰে, আৰু সীতা, ৰুক্মিণী, লক্ষ্মী আৰু পাৰ্ব্বতী এই সকল তেওঁলোকৰ চিৰস্মৰণীয় আদৰ্শ পত্নী একো গৰাকী মহাৰাণী আছিল। কিন্তু মূৰ্ত্তি পূজকসকলে তেওঁলোকৰ মূৰ্ত্তিবোৰ মন্দিৰত স্থাপন কৰি তেওঁ-লোকৰ নামত ভিক্ষা প্ৰাৰ্থনা কৰে। অৰ্থাৎ সেইসকলৰ প্ৰতিমূৰ্ত্তিবোৰক ভিক্ষাৰী সজাই ৰজাৰ পৰা প্ৰজালৈকে আমন্ত্ৰণ কৰে "আহক, দৰ্শন কৰক, প্ৰসাদ, চৰণামৃত পান কৰক ; দেৱতাৰ পূজাৰ আৰু ভোগৰ সামগ্ৰী অৰ্পণ কৰক। মূৰ্ত্তিৰ ভোগ দিবলৈ একো নাই, অমুক দিয়ক, তমুক দিয়ক। আপোনাৰ নামত পুৱাৰ বাল্যভোগ দিয়ক, দুপৰীয়াৰ ৰাজভোগ দিয়ক, আবেলিৰ লঘু ভোগ দিয়ক অথবা সন্ধ্যাৰ আৰতি ভোগ দিয়ক

ইত্যাদি মহিলাসকলক কয় আপুনি সীতাদেৱীৰ, পাৰ্ব্বতী দেবীৰ, ৰাধা দেৱী বা লক্ষ্মী দেৱীৰ চৰণৰ নেপুৰ গঢ়াই দিয়ক, আৰু সেই গহনা পিন্ধা-বলৈ এভাগ পূজা আৰু তাৰ দক্ষিণাও দিয়ক। কোনোবাই মূৰ্ত্তিৰ নামত কিবা দিলেও তাক অৰ্পণ কৰিবলৈ পূজাৰীক দক্ষিণাও দিব লাগে। প্ৰথমতে দক্ষিণাৰ নিৰিখ বহুত কৰে, দৰদাম বেহায় কৰোতে কৰোতে শেষত গৈ বহুত কমতেও হয়গৈ। কোনো অঞ্চলত ৰামলীলা আদি পাতি সীতা আৰু ৰাম, ৰাধা আৰু কৃষ্ণ সজাই নচুৱাই গণ্য-মান্য, ধনী দৰিদ্ৰ সকলোৱে চায়। আৰু নাচৰ শেষত ৰাম সীতা বা ৰাধা-কৃষ্ণই প্ৰত্যেকৰ ওচৰলৈ গৈ পইচা খোজে। ভাৱভৰ কিছুমান ঠাইত সৰু লৰা-ছোৱালী আৰু ডাঙৰ মানুহেও ৰামসীতা, বা ৰাধাকৃষ্ণৰ ভেশচন কৰি হাটে বজাৰে আৰু ঘৰে ঘৰে ভিক্ষা কৰি ফুৰে। মন্দিৰ মণিকূটবোৰত ৰাধাকৃষ্ণ, ৰাম সীতা, বা চতুৰ্ভুজ নাৰায়ণৰ মূৰ্ত্তিবোৰ দণ্ডায়মান হৈ থাকে। আগত মঠ মন্দিৰৰ অধিকাৰী মহন্ত, পূজাৰী, পাণ্ডাসকলে গাদীত বহি গাকত আউঁজি আগত শৰাই আদি লৈ থাকে। দিনে তিনিবাৰকৈ ভোগ নৈবেদ্য আদি দিয়ে, কিন্তু জগত ঈশ্বৰৰ মূৰ্ত্তিবোৰ মন্দিৰৰ ভিতৰত গৰমতে দুৱাৰ বন্ধ কৰি বাহিৰৰ পৰা তালা লগাই, পূজাৰী পাণ্ডাসকলে নিজৰ নিজৰ মন্দিৰত বিজুলী বিছনি চলাই খাট-পালেঙত আৰাম কৰে। অনেকে মূৰ্ত্তিবোৰ টেমাত ভৰাই কাপোৰেৰে মেৰিয়াই ডিঙিত আৰি ঘৰে ঘৰে ভিক্ষা মাগি ফুৰে। ঘিউ উপাদেয় বস্তু; ঘিউ নহলে নাৰায়ণৰ পূজাই হব নোৱাৰে, তাৰ কাৰণে ধনী মানুহৰ লগত বিশেষ যোগাযোগ ৰাখে, পূজাৰ প্ৰসাদ, নিৰ্ম্মালি আদি নি ঘৰত দি আহে, যেনেতেনে অলপ হলেও ঘিউ যোগাৰ কৰি পঠাবলৈ আশীৰ্ব্বাদ দিয়ে। যত যেতিয়া উৎসৱ, হাট, মেলা আদিত জনসমাগম হয় তাৰ সম্মুখত প্ৰৱেশ পথৰ কাষত কোনো এটা সৰু লৰাক কানাই সজাই ভিক্ষা কৰোৱা হয়। কোনো এক সেতাৰৰ

মূর্ত্তি মূবত লৈ এজন দুজনে বা দলে দলে ভিক্ষা কবাও দেখা যায়। এইবোব উপহাস আৰু পবিতাপব বিষয় হয় নে নহয় সকলোৱে ভাবি চক! বাম, সীতা, কৃষ্ণ আদি ভিক্ষাবী আছিল নেকি? তেওঁলোকে ভিক্ষাব কিবা আদর্শ থৈ গৈছিল নেকি! অথবা জগতব ঈশ্বব বা দেৱ-দেৱীসকল ভিক্ষাবী নেকি? এনেকুৱা আচবণব দ্বাবাই আমাব ঐতি-হাসিক মহামান্য আদর্শ ব্যক্তিসকলব উপহাস কবা হোৱা নাই নে? সেই সকল বর্ত্তমান থকা হলে, এনেকুৱা আচবণ কবিবলৈ দিলেহেঁতেন নে? মূর্ত্তি পূজাব নামত ধনী দুঃখী সকলোবে পবা ধন সোণ আনি মূর্ত্তি সজায় আৰু জমা কবে শেষত এদিন চুবি হয় বা পূজাবী পাণ্ডায়েই অপহৰণ কবি চোবব বদনাম দিয়ে। শ শ বছব ধবি মূর্ত্তিপূজা কবি আহিছে, কি'তা দেশব, সমাজব বা ব্যক্তিব কি উন্নতি হৈছে? পূজাবী পাণ্ডাসকলে জীৱিকা আর্জ্জন কবিছে, আৰু সেই দুষ্কর্ম্মব ফলো ভুগিছে। পাষাণ মূর্ত্তি পূজা আৰু তীর্থযাত্রাব পবা যে আমাব দেশব আৰু সমাজব মঙ্গল অনিষ্ট হৈছে এই কথা কোনেও অস্বীকাব কবিব নোৱাবে।

বাম মার্গব (বাম্মাচাৰী) মন্ত্র শিক্ষা

মূর্ত্তি পূজকব ভিতবত বামমার্গীসকল গুৰুতব অপবাধী।

দং দুর্গ যৈ নমঃ। তৎ ভৈববায় নমঃ। ঐং ক্লীং চামুণ্ডায়ৈ বিচ্চে॥ এইবোব দীক্ষাব মন্ত্র।

হ্রীং, শ্রীং, ক্লীং॥ [শাবব তন্ত্রঃ বংঃ প্রকীঃ প্রঃ ৪৪] ইত্যাদি। একাক্ষবী মন্ত্র বঙ্গদেশত চলে।

ধনী মানুহ হলে পূর্ণাভিষেক কবা হয়। দশমহাবিদ্যাব মন্ত্র:—

হ্রাং হ্রীং হ্রুং বগলামুখ্যৈ ফট্ স্বাহা॥ [শাঃ প্রকীঃ প্রঃ ৪১]

কোনো কোনো ঠাইত:—

হ্রুং ফট্ স্বাহা॥ (কামবত্ন তন্ত্র, বীজ মন্ত্র ৪)

এই বামাচাবী সকলে মাবণ, মোহন, উচ্চাটন, বিদ্বেষ আৰু বশীকবণ আদি কবে। মন্ত্রবলেবে এইবোবব একোকে কবিব নোৱাবে; গোপনে ক্রিয়া বিশেষব দ্বাবাই কবে। যি মাবণমন্ত্র কবোৱায়, তেওঁব পবা টকা আৰু পূজাব কাবণে অন্যান্য কিবা কিবি বহুত লয়, যাক মাবিবব কাবণে মাবণ মন্ত্র প্রয়োগ কবা হয়, তাব আকৃতিব দবে আটা বা মাটিব পুতলা এটা কবে। সেই পুতলাব বুকু, নাভি, আৰু কণ্ঠত চুবিকা অস্ত্র সুমুৱাই দিয়া হয়। চকু, হাত আৰু ভবিত সাল মাবি দিয়া হয়। সেই পুতলাব ওপবত ভৈবব বা দুর্গাব মূর্ত্তি সাজি হাতত ত্রিশূল দি সেই ত্রিশূল পুতলাটোব বুকুত সংলগ্ন কবা হয়। এক গোপন ঠাইত বেদী পাতি মাংস আদিবে হোম কবে। ইফালে গোপনে অন্য মানুহ নিযুক্ত কবি যাব প্রতি মাবণ মন্ত্র প্রয়োগ কবা হয়—তাক বিহু খুৱাবলৈ বন্ধ-বস্ত কবে। যদি সেইদবে মন্ত্র আদি কবি থকাব সময়ব ভিতবত মানুহটো মবে তেতিয়া নিজক স্বয়ং ভৈবব বা দেৱীব সিদ্ধ সাধক বুলি আত্ম প্রকাশ কবে। আৰু ভৈবরো ভূতনাথশ্চ ইত্যাদি মন্ত্র গায়।

"মাবয় মাবয়, উচ্চাটয় উচ্চাটয়, বিদ্বেষয় বিদ্বেষয়, ছিন্ধি ছিন্ধি, ভিন্দি ভিন্দি, বশীকুরু বশীকুরু, খাদয় খাদয়, ভক্ষয় ভক্ষয়, ত্রোটয় ত্রোটয়, নাশয় নাশয়, মম শত্রূন্ বশীকুরু বশীকুরু হুং ফট্ স্বাহা।" (কামবত্ন তন্ত্র, উচ্চাটন প্রকবণ মং ৫-৭)॥

ইত্যাদি মন্ত্র জপ কবোতে ইচ্ছা অনুসাবে বিমান পাবে মদ আৰু মাংস ভোজন কবে। ভ্রূযুগলব মাজব কপালত সেন্দুবব ফোট অঙ্কন কবি লয়। কোনো কোনো সময়ত কালী দেৱীক মানুহ বলি দিয়ে, বলি দিয়া মানুহব মাংসবে হোম কবে, হোম কবাব পাছত উক্ত মাংস ভক্ষণো কবে।

কোনোবাই ভৈৱৱী চক্রলৈ গৈ তাত মদ আৰু মাংস নেখালে তাক বধ কৰি হোম কৰা হয়। এই তান্ত্রিকসকলৰ ভিতৰত যি সকল অঘোৰী তেওঁলোকে মৰা মানুহৰ মাংসও ভক্ষণ কৰে। যি সকলে "অঘোৰী" "ৰক্তৰী" কৰে, তেওঁলোকে মূত্ৰ আৰু বিষ্ঠাও ভক্ষণ কৰে। তেওঁলোকৰ ভিতৰতো "চোলী মার্গী" আৰু "বীজ মার্গী" পন্থ আছে। চোলি মার্গীসকলে কোনো এক গোপন স্থানত সকলো স্ত্রী, পুৰুষ, পুত্ৰ-বোৱাৰী, জীয়াৰী, মাক-বাপেক লগ হৈ মদ-মাংস খাই এক স্ত্রীক উলঙ্গ কৰি পুৰুষ-সকলে তেওঁক দুর্গাদেৱী বুলি তেওঁৰ গুপ্ত ইন্দ্রিয়ৰ পূজা কৰে। আনফালে এক পুৰুষক সেইদৰেই উলঙ্গ কৰি তেওঁৰ গুপ্ত ইন্দ্রিয়ক স্ত্রীসকলে পূজা কৰে। মদ্যপান কৰোঁতে কৰোঁতে যেতিয়া সকলো উন্মত্ত হৈ পৰে তেতিয়া স্ত্রী সকলৰ "চোলী" অর্থাৎ স্তনৰ আৱৰণবোৰ নি এক মাটিৰ মঠিয়া বা ঘাগৰীৰ ভিতৰত জমা কৰে। তাৰ পাছত পুৰুষসকলৰ এজন এজনকৈ সেই মঠিয়াত হাত দিলে যাৰ কাপোৰত হাত পৰে সেই স্ত্রীৰ লগত সম্বন্ধৰ বাছ-বিচাৰ নকৰি সেই ৰাতিৰ কাৰণে যিমান পাৰে সঙ্গম কৰিব লাগে। তাকে নকৰি সম্বন্ধৰ বাছ-বিচাৰ বা সংকোচ কৰিলে মহা অপৰাধ হয় আৰু আনহাতে মদৰ নিছাত বাছ-বিচাৰ কৰিব পৰা জ্ঞানো নেথাকে। কোনো কোনোৱে অতিপাত মদৰ নিছাত গালি শপনি পাৰি পৰস্পৰৰ ভিতৰত মাৰপিত দৰৱা দৰবিও কৰে। ৰাতিৰ শেষত দিনৰ পোহৰ হোৱাৰ আগতেই কাৰবাৰ বস্ত্র কোনোৱাই পিন্ধি কোনো মতে ঘৰা ঘৰি যায়। ঘৰ গৈ পালেহে আগৰ দৰে যাৰ যি সম্বন্ধ স্থিৰ হয়। বীজ মার্গী-সকলৰ স্ত্রী-পুৰুষে সমাগম কৰাৰ পাছত বীৰ্যবোৰ বাহিৰ কৰি পানী মিহলাই পান কৰে। তেওঁলোকৰ মতে সেইবোৰেই মুক্তিৰ সাধন। ইয়াৰ পৰাই তেওঁলোকৰ জ্ঞান বিবেচনা আৰু শিষ্টতাৰ পৰিচয় পোৱা যায়।

প্রশ্ন—শৈৱসকল এওঁলোকতকৈ ভাল নে?

উত্তৰ—কি ভাল? ৰামাচাৰীয়ে যেনেকৈ মন্ত্র দি মানুহৰ পৰা ধন লয়, সেইদৰেই "ওঁ নমঃ শিৱায়" আদি মন্ত্র দীক্ষা দিয়ে, রুদ্রাক্ষৰ মালা পিন্ধে আৰু ভস্মও সানে, মাটি বা শিলাদিৰ লিঙ্গ সাজি লিঙ্গ পূজা কৰে আৰু "হৰ হৰ, বম্ বম্" উচ্চাৰণ কৰি ছাগলীৰ মাতৰ দৰে বিকট শব্দ কৰে। তেওঁলোকৰ মতে চাপৰি আৰু বম্ বম্ শব্দ কৰিলে পার্ব্বতী প্রসন্ন হয়; কিন্তু মহাদেৱ হলে অপ্রসন্ন হয়। কিয়নো যেতিয়া মহাদেৱে ভস্মাসুৰৰ আগৰ পৰা পলাইছিল তেতিয়া বিদ্রূপ সূচক বম্ বম্ শব্দ আৰু বিদ্রূপৰ হাত চাপৰি হৈছিল। আকৌ গাল বজালে পার্ব্বতী অপ্রসন্ন হয় আৰু মহাদেৱ প্রসন্ন হয়। কাৰণ, পার্ব্বতীৰ পিতা দক্ষ প্রজাপতিৰ শিৰটো কাটি অগ্নিত আহুতি দিয়া হৈছিল আৰু দক্ষ প্রজাপতিৰ গলত এটা ছাগলীৰ মুৰ লগাই দিয়া হৈছিল। তেওঁলোকে শিৱ ৰাত্রিৰ ব্রত কৰিলেই মুক্তি লাভ হয় বুলি ভাবে। গতিকে শৈৱসকলো ৰামাচাৰীৰ দৰেই বিভ্রান্ত। শৈৱৰ ভিতৰত কাণ-কটা, নাথ, গিৰি, পুৰী, বন, অৰণ্য পর্ব্বত আৰু সাগৰ এইবোৰ শৈৱৰ বিভাগ। ইয়াৰ বাহিৰে গৃহস্থীও শিৱভক্ত হয়। কিছুমান দুই ফলিয়া; অর্থাৎ ৰামাচাৰীৰ লগত ৰামাচাৰী আৰু শৈৱৰ লগত শৈৱ হৈ পৰে। আকৌ কিছুমান বৈষ্ণৱৰ লগত বৈষ্ণৱ আৰু শৈৱৰ লগত শৈৱ হৈ পৰে। ইয়াৰ প্রমাণ আছে:—

অন্তঃশাক্তা, বহিশ্ শৈৱাঃ সভামধ্যে চ বৈষ্ণৱাঃ।
নানারূপধৰা কৌলাঃ বিচৰন্তি মহীতলে॥ (তন্ত্রৰ শ্লোক)

এই ৰামাচাৰীসকলে বহু ৰূপ ধৰি পৃথিৱীত বিচৰণ কৰে। এওঁলোক অন্তৰত শাক্ত অর্থাৎ ৰামাচাৰী, বাহিৰত শৈৱ অর্থাৎ রুদ্রাক্ষ, ভস্মধাৰী আৰু সভাত বৈষ্ণৱ অর্থাৎ বিষ্ণুৰ উপাসক বুলি পৰিচয় দিয়ে।

বৈষ্ণৱ

প্রশ্ন—বৈষ্ণৱ কোন?

উত্তৰ—শাক্তই কপালত সেন্দুৰ লয়, শৈৱই ছাই সানে আৰু বৈষ্ণৱে মাটি কলী আদিবে কপালত, বুকত, বাহুত বিষ্ণুৰ পদ চিহ্ন আদিৰ চিত্ৰ অঙ্কন কৰে, ইমানেই পার্থক্য। এই চিত্ৰ-বিচিত্ৰবোৰ নিজৰ হাতে বেই অঙ্কন কৰে, বৈকুণ্ঠৰ বিষ্ণুৱে তেওঁলোকৰ গাত দি যোৱা চিহ্ন নহয়। গাত জড় পদার্থবে চিত্ৰ অঙ্কন কৰি ভিক্ষা কৰি উদৰ পূৰণ কৰাৰ বাহিৰে আন বিশেষত্ব একো নাই।

বৈষ্ণৱসকলৰ ভক্তমাল গ্ৰন্থত এক আখ্যান আছে। "পৰিকাল" নামৰ এজন বৈষ্ণৱ ভক্ত আছিল। ওঁত চুৰি, ডকাইতি, ছল, প্ৰৱঞ্চনা কৰি যি য'ত পায় সকলো বৈষ্ণৱসকলক দিয়ে। এদিন পৰিকালে চুৰি কৰিবলৈ একো নেপাই নিৰাশ মনে ঘুৰি ফুৰিছিল। নাৰায়ণে ভক্তৰ মনৰ দুঃখ বুজিব পাৰি এক ধনী বণিকৰ ৰূপ ধৰি এখন বথত উঠি পৰিকালৰ আগত উপস্থিত হয়। পৰিকালে আগত দেখি বণিকক কলে "তোমাৰ অলঙ্কাৰ যি যত আছে, খুলি মোক দিয়া, নহলে হত্যা কৰা হব।" বণিকৰূপী নাৰায়ণৰ আঙুঠিবোৰ সোলোকাওঁতে পলম হোৱাত পৰিকালে আঙুঠিৰ লগত আঙুলিও কাটি লৈ গল। তেতিয়া নাৰায়ণ অতি প্ৰসন্ন হৈ ভক্তপ্ৰাণ পৰিকালক চতুৰ্ভুজ মূৰ্ত্তি ধাৰণ কৰি দৰ্শন দি কলে "তুমি মোৰ অতি প্ৰিয় ভক্ত; তুমি সকলো লুটপাট কৰি বৈষ্ণৱসকলৰ শুশ্ৰূষা কৰা, তুমি ধন্য!" এনেকুৱা আখ্যান আৰু আছে। সেই চোৰ আৰু দস্যু বৃত্তিৰ পৰিকালৰ মূৰ্ত্তি আজিও বৈষ্ণৱ মন্দিৰত বিষ্ণু ভক্তৰূপে প্ৰতিষ্ঠিত হৈ আছে। এতিয়া বিবেচনা কৰি চ'ক, বৈষ্ণৱ, বৈষ্ণৱৰ সেৱক আৰু স্বয়ং নাৰায়ণ, এই তিনিও চোৰ হলনে নহল? অন্যান্য মত মতান্তৰৰ ভিতৰত বৈষ্ণৱ মতৰ কোনো বিষয় আপেক্ষিক ভাল হলেও সম্পূৰ্ণ সঙ্গত নহয়।

এই বৈষ্ণৱবোৰ নানা মতভেদ, নানা প্ৰকাৰৰ তিলক ধাৰণ আৰু কণ্ঠী ধাৰণ দেখা যায়। ৰামানন্দী পন্থই দুফালে গোপীচন্দন, মাজত ৰঙা

বিন্দু; নিম্বাৰ্ক পন্থই দুডাল সৰল ৰেখাৰ মাজত এটা কলা বিন্দু; মাধ্ব পন্থৰ কলা ৰেখা; গৌড়ীয় বঙালীৰ কণ্ঠাবীৰ দৰে ৰেখা; আৰু ৰাম প্ৰসাদী পন্থৰ দুডাল উজ্জ্বল ৰেখাৰ মাজত এটা ৰঙা গোলাকাৰ ফোঁট লয়। এইবোৰৰ ব্যাখ্যাও তেওঁলোকৰ ভিন্ন ভিন্ন। ৰামানন্দীৰ মতে নাৰায়ণৰ হৃদয়ত অঙ্কিত ৰক্তবৰ্ণ ৰেখা লক্ষ্মীৰ চিহ্ন। গোঁসাই পন্থৰ মতে শ্ৰীকৃষ্ণ চন্দ্ৰৰ হৃদয়ত ৰাধা বিৰাজ মানৰ চিহ্ন ইত্যাদি। ভক্তমাল গ্ৰন্থত এক আখ্যায়িকা আছে:—

এটা মানুহ গছৰ তলত শুই থাকোতে কিবা কাৰণত সেই শুই থকা অৱস্থাতেই মৃত্যু হয়। গছৰ ওপৰৰ পৰা কাউৰীৰ বিষ্ঠা কপালত পৰি তিলকৰ দৰে হল। জীয়াটো নিৰৰ কাৰণে যমদূত আহি উপস্থিত হয়। সেই একে সময়তে বিষ্ণুৰ দূতো আহি উপস্থিত হল। যমদূতে কলে "যমৰাজৰ আজ্ঞা মতে ইয়াক যমলোকলৈ নিম।" বিষ্ণুৰ দূতে কলে "আমাৰ প্ৰভু বিষ্ণুৰ আজ্ঞা মতে আমি ইয়াক নিব লাগিব। দেখা নাই ইয়াৰ কপালত বৈষ্ণৱৰ তিলক আছে, তোমালোকে কেনেকৈ নিবা।" তেতিয়া যমদূত নিমাত হৈ উভতি গল আৰু বিষ্ণুদূতে সগৰ্ব্বে তাক বৈকুণ্ঠলৈ লৈ গল। বিষ্ণুৱে তেওঁক বৈকুণ্ঠত ৰাখিলে। তিলকৰ কিমান মাহাত্ম্য চ'ক। দৈবাৎ কপালত তিলক থকাৰেই ইমান মাহাত্ম্য, যেতিয়া শ্ৰদ্ধা ভক্তিৰে যেয়ে স্বহস্তে তিলক লয় তাৰ নৰকৰ পৰা মুক্তি পোৱাত সন্দেহ ক'ত থাকিব পাৰে? আমাৰ মতে এনেবোৰ কথাত জ্ঞান বিবেচনাশীল মানুহে বিশ্বাস কৰিব নোৱাৰে।

খাখী (যি বল্কলৰ কৌপিন পিন্ধে)

খাখীসকলে ধূনি অৰ্থাৎ জুই জ্বলাই ৰুৱায়; দিনক তিনি বাৰ জটা বুদ্ধি কৰে, শিৰ পুৰুষৰ বেশ ধাৰণ কৰে; ৰমণীৰ দৰে

হৈ থেখুরায়; গাজা ভাং চবসব নিছাত চক বঙা হৈ থাকে। সকলোবে পবা অলপ অলপ ভোজনী অর্থাৎ চাউল, দাইল, আটা, ঘিউ, পহচা আদি ভিক্ষা কবে, আক কাবোবাব লবা ফুচলাই চেলা কবি লয়। এই খাখীসকলব ভিতবত অধিকাংশই শ্রমিক শ্রেণীব মানুহ, লিখা-পঢ়া নাই, কোনোৱে পঢ়িব খুজিলে নিদিয়ে। এওঁলোকে কয়:—

পঠিতব্যং তদপি মর্ত্তব্যং দন্তকটাকটেতি কিং কর্ত্তব্যম্।

অর্থাৎ সাধু সন্যাসীসকলব বিদ্যা-শিক্ষাব প্রয়োজন কি? বিদ্যা শিক্ষা কবাবোবো মবে, গতিকে দাঁত কবকবাই শব্দ কবাব কি লাভ? চাবি ধাম ভ্রমণ কবা, সাধু সন্তব সেৱা আক বামব ভজন কবাই সাধু সকলব কাম।

যি মূর্খ আক অবিদ্যাব মূর্ত্তি বা স্বৰূপ দেখা নাই, তেওঁ খাখীব দর্শন কবিলেই হব। খাখীব পিতা-মাতাব সম বয়সী নবনাবীকো খাখীয়ে "বচ্চা" "বচ্চী" অর্থাৎ "পুত্র" "পুত্রী" বুলি মাতে। খাখী যেনে ৰংখড়, সুংখড়, গোদড়ীয়, জমাতওয়ালে, সুতবেসাই অকালী, কাণকটা যোগী ঔঘড় আদিও তেনে।

এসময়ত এক খাখীব চেলাই "শ্রীগণেশায় নমঃ" অশুদ্ধকৈ গাই গাই নাদব পবা পানী আনিবলৈ গৈছিল। সেই নাদব পাবত এজন পণ্ডিত বহি আছিল। খাখীব মুখত "স্ত্রীগণেসাজনমে" শুনি পণ্ডিত-জনে কলে—সাধু বাবা! অশুদ্ধকৈ গাইছে কিয়? "শ্রীগণেশায় নমঃ" এইদবে গাওঁক। খাখীব চেলাই পানী লৈ গৈ তেওঁব গুৰুক কলে যে এজন বামুণে মোব মন্ত্র গোৱাত অশুদ্ধ হৈছে বুলি কৈছে। খাখীয়ে সেই কথা শুনি তৎক্ষণাৎ গৈ সেই নাদব ওচব পালেগৈ আক পণ্ডিতক কলে "তুমি মোব চেলাক কি ওভাটাই শিকাইছা? তুমি গুৰুব পাঠ নি পঢ়িছা? তুমি এক প্রকাব পাঠহে জানা, মই তিনি বকমে জানো।"

"স্ত্রীগণেসাজন্নমে," "স্ত্রীগণেসায়ন্নমেং," "শ্রীগণেসায়নমেং।" পণ্ডিতে শুনি কলে—সাধু জী! বিদ্যা তেনে সহজলভ্য নহয়, নপঢ়িলে বিদ্যা কব পবা হব? খাখীয়ে কলে—"যা যা, সব বিদ্বান মই মোহাবি পেলাওঁ, ভাঙব চিলিমত ধবি এহোপা মাবি ললেই সব পণ্ডিত উবাই দিওঁ। সন্তব মহিমা তুমি কি জানা?" পণ্ডিতে কলে "সাধু, তুমি বিদ্যা শিক্ষা কবা হলে, সকলো জ্ঞান বিবেচনা হলহেঁতেন আক এনেকুৱা অশিষ্ট বাক্যও তোমাব মুখব পবা উচ্চাবণ নহলহেঁতেন।" খাখীয়ে কলে "হেব! তই জানো মোব গুৰু, যে তোব কথা মই শুনিম?" পণ্ডিতে কলে—"কেনেকৈ শুনিবা? বুদ্ধি হলেহে। উপদেশ শুনিবলৈ আক বুজিবলৈ হলে বিদ্যাও থাকিব লাগিব।" খাখীয়ে কলে—"যেয়ে যিমানেই শাস্ত্র জানক লাগে, সন্তক নেমানিলে সি একোকে নেজানে।" পণ্ডিতে কলে—"অৱশ্যে আমি সন্তসকলক সম্মান কবো, কিন্তু তোমাব দবে মূর্খ ভণ্ডক নকবো। বিদ্বান, ধার্ম্মিক, পবোপকাবী, সজ্জন পুৰুষকহে সন্ত বোলে।" খাখীয়ে কলে—"আমি দিন বাতি বিবস্ত্র হৈ থাকো, ধুনী জ্বলাই তাপ লওঁ, গাজা, চবস পান কবো, তিনি ঘটিকৈ ভাঙব ঘোটা খাওঁ, ভাং আক ধতুবা আদিব পাত ভাজি খাওঁ, সংখি, আফিঙো গিলি থওঁ, নিছাত বিভোব হৈ দিন বাতি নিশ্চন্ত হৈ থাকো, সংসাবব চিন্তাকে নকবো, ভিক্ষা কবি টিক্কবা ধনাই খাওঁ, বাতিব বাতিটো কাহি কাহি কটাও, আমাব কাহব প্রতাপত কোনেও ওচবত বাতি শুব নোৱাবে। ইত্যাদি সিদ্ধি আক সাধুত্ব আমাব আছে। তথাপি তুমি আমাব নিন্দা কবা সাৱধান হৈ কবা, মোক বেছি বিবক্ত কবিলে ভস্ম কবি পেলাম।"

পণ্ডিত—অসাধু, মূর্খ আক নির্ব্বোধেহে এনেকুৱা কথা কয়, সাধুৱে নকয়। শুনা "সাধ্নোতি পবাণি ধর্ম্মকার্য্যাণি স সাধুঃ" যি ধর্ম্মসঙ্গত উত্তম কর্ম্ম কবে, পবোপকাব পবায়ণ, নির্দ্দোষ, বিদ্বান, যি সত্য উপদেশ দি পবব হিত সাধন কবে—সেই জনকেই সাধু বোলে।

খাখী—যা, যা, সাধুর জ্ঞান কি তুমি কেনেকৈ জানিবা? সাধু-সকলর পরাক্রম মহৎ। সাধুর লগত তর্ক-বিতর্ক নকরিবা, নহলে চেপেনার কোরত মুর উরি যাব।

পণ্ডিত—খাখী, এতিয়া ম'র পরা আহিছা তরৈকে ঘোরাগৈ, মোর ওপরত বেছি খং করিব লেলাগে। আইন কানুন কি বস্তু জানা জানো? কারবাক মারিলে, তোমাকো ধরি নি কারাগারত বন্ধ করি থব, বেতর কোরো খার লাগিব বা তোমাকে যদি কোনোবাই মারে তেন্তিয়া কি হব? এইবোর সাধুর লক্ষণ নহয়।

খাখী—উঃ। কেনেকুরা রাক্ষসর মুখ দেখুরালেহি।

পণ্ডিত—তুমি কেতিয়াও সৎসঙ্গ করি পোরা নাই, নহলে তোমার এনেকুরা মূর্খ স্বরূপ নেথাকিলেহেঁতেন।

খাখী—মই নিজেই মহাত্মা, মোর অন্য মহাত্মার দরকার নাই।

পণ্ডিত—দুর্ভগীয়ারহে তোমার দরে দুবুদ্ধি অহঙ্কার হয়।

তার পাছত খাখী নিজর ঠাইলৈ গ'ল আরু পণ্ডিতো ঘরলৈ গ'ল। গধূলি সন্ধ্যা আরতি হোরার পাছত, সেই বৃদ্ধ খাখীক "দণ্ডোৎ" "দণ্ডোৎ" বুলি বহুতো পর খাখীয়ে সাষ্টাঙ্গ প্রণাম করি ওচরতে বহিলে। সেই খাখীয়ে সুধিলে রামদসিয়া, তই কিমানলৈ কি পঢ়িছিলি?

রামদাস—মহারাজ, মই "বেস্নুসহসর নাম" পঢ়িছো।

খাখী—হের গোবিন্দাসিয়ে! তই কি পঢ়িছ।

গোবিন্দদাস—মই অমুক খাখীর ওচরত "রামসতররাজ" পঢ়িছো। তার পাছত রাম দাসে সাধুক সুধিলে, মহারাজ! আপুনি নো কি পঢ়িছিল?

খাখী—মই গীতা পঢ়িছিলো।

রামদাস—কার ওচরত পঢ়িছিল?

খাখী—ধেৎ, মই কাকো গুরু নভজো। শুনা, মই যেতিয়া "গরাগরাজ্ঞ"ত আছিলো, আখর চিনি নেপাইছিলো। যেতিয়া কোনো

আহল বহল ধুতি পিন্ধা পণ্ডিত দেখো তেতিয়া গীতা পন্থীক গৈ সোধো এই কলঙ্কীরালা আক্‌খরর কি নাম? এইদরে সোধোতে ওঠর অধ্যায় গীতা শেষ করিলো, গুরু কাকো নেমানিলো।

এতিয়া অবিদ্যাই এনেকুরা বিদ্যার শত্রুর আশ্রয় নলৈ কলৈ যাব? এইবোর মানুহে নিচা, হেলা, কাজিয়া, শোরা, ঝাঁজ-পিতা, ঘণ্টা ঘড়ি আরু শঙ্খবাদ্য, ধূনি জলোরা, স্নান প্রলেপন করা আরু চারিওফালে ভ্রমি ফুরার বাহিরে অন্য কোনো সৎচিন্তা বা সৎকর্ম্ম নকরে। কোনোরে হয়তো শিলো গলাই পনীয়া করিব পরা সম্ভর; কিন্তু এনেকুরা খাখী সাধুর অন্তরত জ্ঞান সঞ্চার করিব পরা দুঃসাধ্য। এই খাখীরোর সাধারণতে শূদ্র শ্রমজীরী শ্রেণীর মানুহ।

তেওঁলোকে নিজর বৃত্তি এরি হঠাতে গাত ভস্ম সানি বৈরাগী বা খাখী হয়। গতিকে বিদ্যা আরু সৎসঙ্গর মাহাত্ম্য জানিব নোরারে। এওঁলোকর ভিতরর নাথসকলর মন্ত্র "নমঃ শিবায়" খাখীরোরর "নৃসিংহায় নমঃ" রামারত সকলর "শ্রীরামচন্দ্রায় নমঃ" অথবা "সীতারামাভ্যাং নমঃ" কৃষ্ণর উপাসকসকলর "শ্রীরাধা-কৃষ্ণাভ্যাং নমঃ" "নমো ভগরতে বাসুদেবায়" আরু বঙালী বৈষ্ণর সকলর "গোবিন্দায় নমঃ"। এই মন্ত্ররোর কাণে কাণে দি শিষ্য করি লোরা হয় আরু কমণ্ডলুর মন্ত্রও শিকায়:—

জল পরিতর সথল পরিতর ঔর পরিতর কুম্বা।
শির কহে শুন পার্ব্বতী কমণ্ডলু পরিতর হুরা॥

এতিয়া ভারি চ'ক, এনেকুরা মানুহ সাধু বা বিদ্বান হরর বা জগতর উপকার সধার উপযুক্ত নে? খাখীসকলে দিন রাতি কাঠ বা শুকান গোবর জ্বলাই থাকে। এমাহ জ্বলোরা কাঠর দামর শতাংশর একাংশরে জারত লোরা কম্বল কিনিলেও সুখত দিন কটার পারে। এইরোর বি.র-

চনা তেওঁলোকৰ কেনেকৈ হব। ধূনিৰ তাপ লৈ তেওঁলোক তপস্বী হয়। এনেকৈ তপস্বী হব পাৰিলে বনবাসী মানুহো তেওঁলোকতকৈ বেছি তপস্বী হব পাৰে। চুলিত জটা বান্ধিলে, গাত ভস্ম সানিলে আৰু তিলক চিহ্ন লগালেই তপস্বী হলে, সকলোৱেই হব পাৰে। এই সকল বাহিৰত জ্ঞানী কিন্তু অন্তৰত অতি সংগ্রহী।

কবীৰ পন্থী

প্রশ্ন—কবীৰ পন্থীসকল ভাল নে? তেওঁলোকে মূর্ত্তি পূজাৰ প্রতিবাদ কৰে। কবীৰ চাহাবৰ ফুলৰ পৰাই জন্ম হৈছিল, শেষতো ফুল হৈ গল। ব্রহ্মা, বিষ্ণু আৰু মহাদেৱৰ জন্মৰ আগতো কবীৰ চাহাব বিদ্যমান আছিল। কবীৰ এজন সিদ্ধ পুৰুষ আছিল, বেদ পুৰাণ আদিয়ে জানিব নোৱাৰা কথাৎ কবীৰে জানিছিল। কবীৰেইহে সত্য পথ দেখুৱাইছিল। কবীৰ পন্থীসকলৰ মন্ত্র "সত্য নাম কবীৰ" ইত্যাদি।

উত্তৰ—পাষাণ আদিৰ মূর্ত্তিৰ পূজা নকৰি খাট, গাদী, গাৰু, খৰম আৰু প্রদীপ আদিৰ পূজা কৰাৰ পার্থক্য কি? কবীৰ চাহাব কীট আছিল নে কলি আছিল যি ফুলৰ পৰা উৎপন্ন হৈ শেষত যে ফুল হৈ গল? কবীৰৰ জন্ম সম্বন্ধে তলত উল্লেখ কৰা কথা শুনা যায়, সেয়েই সত্য হোৱা সম্ভৱ।

কাশীত এক নিঃসন্তান তন্তুবায় আছিল। এদিন সেই তন্তুবায় বাতিপুৱাৰ পোহৰ নো হওতেই এক সুৰসুৰীয়া বাটেদি গৈ থাকোতে সেই বাটৰ কাষত এটা পাহিত ফুলেৰে সৈতে এটা শিশু পালে। সেই শিশুটি ঘৰলৈ লৈ গৈ ঘৈণীয়েকক দিলে। সেই লৰাটি প্রতিপালিত হৈ

ডাঙৰ হোৱাত বাপেকৰ লগত তন্তুবায় অর্থাৎ কাপোৰ বৈছিল লৰাটিয়ে পঢ়িবৰ ইচ্ছাৰে এক সংস্কৃত পণ্ডিতৰ ওচৰলৈ গৈছিল। পণ্ডিতে তন্তুবায়ক নপঢ়াও বুলি অপমান কৰি পঠালে। তাৰ পাছতো কেবাজনৰ ওচৰ চাপিছিল কিন্তু কোনেও পঢ়াবলৈ সম্মত নহল। তেতিয়াৰ পৰা তেওঁ নিজৰ ভাষাত শুনাক শুনি কিছুমান অর্থ সংগতিহীন বচনা কৰি তন্তুবায় আদি সাধাৰণ মানুহক বুজাবলৈ ধৰিলে। তেওঁ ভজন বচনা কৰি তান পুৰা বজাই-গাইছিল।

পণ্ডিত, শাস্ত্র, বেদ আদিৰ নিন্দা কৰিছিল। কিছুমান অশিক্ষিত লোকক প্রভাবিত কৰিব পাৰিছিল। তেওঁ মৰাৰ পাছত তেওঁক মানুহে সিদ্ধ পুৰুষ পাতিলে। কবীৰৰ জীৱনত যিবোৰ বচনা কৰি গৈছে সেই বোৰকেই তেওঁৰ অনুগামীসকলে পঢ়ে আৰু মানে। কবীৰ পন্থৰ মতে কর্ণবন্ধ্র বন্ধ কৰিলে যি শব্দ শুনা যায় সেয়েই "অনহত" শব্দ মনৰ বৃত্তিবোধক "সৰতি" বোলে। সেই অনাহত শব্দ মনোযোগ দি শুনাই পৰমেশ্বৰৰ ধ্যান, আৰু যি তাকে কৰে তেওঁ সন্ত। সেই অনহত শব্দ কালৰ অতীত। কবীৰ পন্থীসকলে যাঠীৰ আকৃতি কৰি তিলক আৰু চন্দন কাঠৰ কণ্ঠী পিন্ধে। বিবেচনা কৰি চ'ক, এইবোৰৰ পৰা জ্ঞান বা আত্মিক উন্নতি কি হব পাৰে? আচলতে এইবোৰ বালকোচিত খেলা।

নানক পন্থ

প্রশ্ন—পঞ্জাৱ প্রদেশত গুৰু নানকে এক মত প্রবর্ত্তন কৰি মূর্ত্তি পূজাৰ প্রতিবাদ কৰিছে আৰু অনেকক মুছলমান ধর্ম্ম বিশ্বাস গ্রহণ কৰাৰ পৰাও বক্ষা কৰিছে। গুৰু নানকে সন্ন্যাসী নহৈ

গৃহস্থ হৈয়েই আছিল। তেওঁৰ উদ্দেশ্য ভাল বুলিয়ে বুজা যায়। তেওঁ যি মন্ত্ৰৰ উপদেশ দিছিল তাক তলত দিয়া হৈছে ঃ—

ওঁ সত্যনাম কর্ত্তা পুৰুষ নির্ভো নির্ৱৈৰ অকালমূর্ত্ত অজোনি সহভং গুৰুপ্রসাদ জপ আদি সচ জুগাদি সচ হৈ ভী সচ নানক হোসী ভী সচ । (জপজী পৌড়ী)॥ ১ ॥

ওম্ যাৰ সত্য নাম, তেওঁ কর্ত্তা পুৰুষ, ভয় আৰু বৈৰীৰহিত, অকালমূর্ত্তি, যাৰ কাল আৰু যোনি নাই, প্রকাশমান, তেওঁৰ জপ গুৰুৰ কৃপাৰ দ্বাৰা কৰা, সেই পৰমাত্মা আদিতো সৎ, যুগৰ আদিতো সৎ, বর্ত্তমানতো সৎ আৰু ভবিষ্যতেও সৎ থাকিব।

উত্তৰ—নানকৰ উদ্দেশ্য আছিল সৎ, কিন্তু বিদ্যা একেবাৰেই নাছিল। তেওঁ অৱশ্যে সেই দেশৰ গ্রাম্য ভাষা জানিছিল। সংস্কৃত ভাষা আৰু বেদাদি শাস্ত্ৰ একো নেজানিছিল। জনা হলে "নির্ভয়" শব্দটো "নির্ভো" বুলি কিয় লিখিলেহেঁতেন? তেওঁ সংস্কৃতৰো পাৰদর্শিতা মানুহক দেখুৱাৰ খুজিছিল, তাৰ উদাহৰণস্বৰূপে তেওঁৰ ৰচিত স্তোত্রই প্রমাণ। কিন্তু অধ্যয়ন বিনা সংস্কৃতৰ আয়ত্ত কেনেকৈ সম্ভৱ? অৱশ্যে যিবোৰ গাৱঁলীয়া মানুহে কেতিয়াও সংস্কৃত শুনা নাছিল সেইসকলৰ আগত তেওঁৰ ৰচিত সংস্কৃত স্তোত্র শুনাই সংস্কৃতজ্ঞ পণ্ডিতৰূপে গণ্য হব পাৰিছিল বোধ হয়। তেওঁৰ মান, প্রতিষ্ঠা, যশ, খ্যাতিৰ আকাঙ্খা নোহোৱা হলে তেনে কাম নকৰিলেহেঁতেন। গতিকে তেওঁৰ মান প্রতিষ্ঠাৰ আশা আছিল; নহলে যি ভাষা জানিছিল সেই ভাষাতেই ৰচনা কৰিলেহেঁতেন, আৰু সংস্কৃত নেজানো বুলিও কব পাৰিলেহেঁতেন। যাৰ অভিমান থাকে তাৰ মান প্রতিষ্ঠাৰ কাৰণে দম্ভ হোৱাও স্বাভাবিক; এই কাৰণেই তেওঁৰ গ্রন্থত নিন্দাও আছে আৰু প্রশংসাও

আছে। এইদৰে নকৰা হলে, আৰু কোনোৱে তেওঁক বেদৰ বিষয়ে সুধিলে, যদি উত্তৰ দিব নোৱাৰিলেহেঁতেন তেন্তে তেওঁৰ প্রতিষ্ঠা নৰল-হেঁতেন। সেই গতিকে তেওঁ আগৰ পৰাই তেওঁৰ অনুগামীসকলৰ আগত বেদৰ বিৰুদ্ধেও কৈছে আৰু কোনো স্থলত বেদৰ প্রশংসাও কৰিছে। কাৰণ একেবাৰেই যদি বেদৰ বিৰুদ্ধে কয় তেনেহলে মানুহে তেওঁক নাস্তিকহে বুলিলেহেঁতেন। যেনে ঃ—

বেদ পঢ়ত ব্রহ্মা মৰে চাৰোঁ বেদ কহানি। সন্ত (সাধু) কি মহিমা বেদ নজানি ॥ (সুখমনী পৌড়ী ৭। চৌঃ ৮)॥ নানক ব্রহ্মজ্ঞানী আপ পৰমেশ্বৰ॥ (সুঃ পৌঃ ৮। চৌঃ ৬)॥

বেদ পঢ়োতা ব্রহ্মা আদি মৰি গল তেনেহলে নানকে নিজক অমৰ বুলি ভাবিছিল নেকি? স্বয়ং নানক জানো মৰা নাই? বেদ মানেই জ্ঞান বিজ্ঞান, যি চাৰিও বেদক কাহিনী বুলি কয়—তেওঁৰ কোৱা সকলো কথাই কাহিনী। যি মূর্খকেই সন্ত বোলে, তেওঁ বেচেৰাই বেদৰ তত্ত্ব কেনেকৈ বুজিব? নানকে কেৱল বেদকেই মনা হলে তেওঁৰ নামত এটা ভিন্ন সম্প্রদায় নচলিলহেঁতেন, আৰু তেওঁ এক সম্প্রদায়ৰ গুৰুৰ প্রতি-ষ্ঠাও নেপালেহেঁতেন। ইপিনে সংস্কৃতত শাস্ত্র পঢ়ি গুৰু হবলৈও সংস্কৃত ভাষাকে নেজানিছিল। যি সময়ত নানকৰ পঞ্জাৱত আবির্ভাৱ হয়, সেই সময়ত পঞ্জাৱত সংস্কৃত ভাষাৰ একেবাৰে চর্চ্চাই নাছিল আৰু মুছলমান-সকলৰ দ্বাৰা উৎপীড়িত হৈ আছিল। নানকে সেই সময়ত কিছুমান মানুহক মুছলমান হোৱাৰ পৰা ৰক্ষা কৰে। তেওঁৰ জীৱিত অৱস্থাত তেওঁৰ এটা ভিন্ন সম্প্রদায় ৰূপে গঢ়ি উঠা নাছিল আৰু শিষ্যৰ সংখ্যাও সিমান অধিক নাছিল। অশিক্ষিত মানুহৰ এয়েই নীতি যে সমাজৰ কোনো প্রভাৱশীল ব্যক্তিৰ মৃত্যুৰ পাছত সিদ্ধ পুৰুষ বুলি প্রচাৰ কৰে, তাৰ

পাছত অনেক মাহাত্ম্য বর্ণনা কবি ঈশ্বৰসম বুলি ভাবে। নানক তেনে সম্ভ্রান্ত বা অতি ধনবানো নাছিল। কিন্তু তেওঁৰ অনুগামীসকলে "নানক চন্দ্রোদয়" আৰু "জন্মশাখী" আদি গ্রন্থত লিখিছে যে, নানক এজন ৰব সিদ্ধ আৰু ঐশ্বর্য্যশালী পুৰুষ আছিল। নানকে হেনো ব্রহ্মা আদিৰ লগত দেখা সাক্ষাৎ কবি অনেক আলোচনা কবিছিল আৰু তেওঁলোকৰ দ্বাবাই সম্মানিতো হৈছিল। নানকৰ বিয়াত ষোলে ষোবা, বধ, হাতী, সোণ, ৰূপ, মুক্তা আৰু হীবা আদিৰ সীমা সংখ্যা নোহোৱা হৈছিল। এইবোৰ কল্পিত মিছা গল্প নহয় বুলি বিশ্বাস কবিব পাবিনে? অৱশ্যে এনেবোৰ অসম্ভৱ কথা আবোপ কবাৰ বাবে তেওঁৰ শিষ্যবোৱহে দায়ী, তেওঁ নহয়।

তেওঁৰ পাছত তেওঁৰ পুত্রৰ পবা উদাসী-সম্প্রদায় আৰু বাম দাসৰ পবা নির্ম্মল সম্প্রদায় প্রবর্ত্তিত হয়। ইয়াৰ পবাও মতানৈক্য হৈ কিছু ভিন্ন ভিন্ন বীতি-নীতিবে ভিন্ন ভিন্ন গুৰুদ্বাৰ প্রতিষ্ঠিত হয়। তেওঁলোকৰ উত্তবাধিকাৰী সকলে অনেক বচনা কবি মূল গ্রন্থৰ লগত সংযোগ কবে। দশম গুৰু গোবিন্দ সিঙৰ পাছত আৰু কাৰো বচনা সংযোগ কবা হোৱা নাই, তেতিয়ালৈকে যিবোৰ বচনা কবা হৈছিল সেই আটাইবোৰ একেলগে বন্ধাই বখা হয়। নানকৰ পাছত সেই সকলে অনেক বচনা কবে। কিমানে যে পুবাণৰ দবে মিছা কথা বচনা কবি নিজক নিজে একোজন ব্রহ্মজ্ঞ আৰু ঈশ্বৰ বুলি কৈ কৰ্ম্ম আৰু উপাসনা এবি কেৱল শিষ্যাহে সংগ্রহ কবি গল। তাৰ দ্বাবাই তেওঁলোকে গুৰু নানকৰ উদ্দেশ্যকেই বিকৃত ৰূপ দিলে। যি ঈশ্বৰ ভক্তিৰ বিষয়ে গুৰু নানকে লিখি গৈছিল সেই মত আচবণ কবা হলেও ভালেই হলহেঁতেন তেওঁলোকৰ উদাসী সম্প্রদায়ে কয় যে তেওঁলোকহে শ্রেষ্ঠ, নির্ম্মল সম্প্রদায়ে কয় যে নির্ম্মল সম্প্রদায়ী সকলহে শ্রেষ্ঠ, অকালি আৰু সুতবহসাই সকলৰ মতে তেওঁলোকহে সকলোতকৈ শ্রেষ্ঠ।

তেওঁলোকৰ ভিতৰত গোবিন্দসিঙেই শৌর্য্য-বীর্য্যশীল আছিল। তেওঁৰ পুর্ব্বপুৰুষসকল মুছলমান সকলৰ দ্বাবাই অশেষ নির্য্যাতিত হৈছিল যাৰ তেওঁ প্রতিশোধ লবলৈ ভাবিছিল, কিন্তু তেওঁৰ যুদ্ধ কবিবলৈ সম্বল নাছিল। ইপিনে যাৰ ওপৰত তেওঁ প্রতিশোধ লবলৈ ভাবিছিল তেওঁলোকৰ হাতত আছিল দেদীপ্যমান সাম্রাজ্য। গুৰু গোবিন্দসিঙে এক ধর্ম্মানুষ্ঠান পাতি ঘোষণা কবে—"দেবীয়ে মোক এখন খড়্গ দি মুছলমানৰ বিকদ্ধে যুদ্ধ কবিবলৈ আদেশ দিছে আৰু মোৰ জয় হব বুলি ৰব দিছে।" তেওঁৰ কথাত বহুতে সহযোগ কবিবলৈ ধবিলে। তেতিয়া তেওঁ বামপন্থীৰ "পঞ্চ মকাৰ" আৰু চক্রাঙ্কিত পন্থীৰ "পঞ্চ সংস্কাৰৰ" দবে যুদ্ধৰ উপযোগী বিবেচনাবে পঞ্চ ককাৰৰ প্রবর্ত্তন কবে। প্রথম "কেশ" অর্থাৎ মুৰৰ চুলিও যুদ্ধত অস্ত্র প্রহাৰৰ পবা আত্মৰক্ষাত কিছু সহায়ক হয়। দ্বিতীয় "কঙ্গণ" অকালীসকলে তালুৰ ওপৰত খোপাত বাখি পাগুড়ী মাৰে আৰু হাতত পিন্ধি হাত আৰু মুখ আঘাতৰ পবা বক্ষাত সহায় কবে। তৃতীয় হৈছে "কাছ" বা জাঙিয়া, যি আঠুৰ ওপৰলৈকে ঢাকে আৰু লজ্জা নিবাবণত নিবাপদজনক। চতুর্থতে কাকৈ, যাৰ দ্বাবা চুলি আচোবা হয়। পঞ্চমত কাচু বা কৃপাণ, যি হাতাহাতি যুদ্ধৰ অস্ত্র। নীতি নিপুণ গুৰু গোবিন্দসিঙে এইবোৰ নীতি সেই সময়ৰ যুদ্ধৰ অনুকূলে প্রচলন কবিছিল, এই যুগত সেইবোবৰ কোনো প্রয়োজন নাই। যিবোৰ সেই সময়ৰ যুদ্ধৰ কাৰণে নির্দ্ধাবণ কবা হৈছিল সেইবোবেই ধর্ম্মৰূপে প্রচলিত হল। তেওঁলোকে মূর্ত্তি পূজা নকবে কিন্তু গ্রন্থৰ পূজা কবে। এইবোৰ মূর্ত্তিপূজা নহয় জানো? কোনো জড় পদার্থৰ আগত মুৰ দোৱোৱা বা পূজা কবা এই সকলোবোৰেই মূর্ত্তিপূজা। মূর্ত্তি পূজক সকলে যেনেকৈ মূর্ত্তি পূজাৰ ফান্দ পাতি জীৱিকা আর্জ্জনত লাগিল, সেইদবে নানক পন্থী সকলেও কবিছে। যেনেকৈপুৰী জাৰীয়ে মূর্ত্তি দর্শন কবায়, নৈবেদ্য উছর্গা

কবায়, সেইদবেই নানকপন্থীসকলেও গ্রন্থব পূজা কবে, আনকো কবোৱায়, উছর্গা কবে আক কবোৱায়। মূর্ত্তি পূজকসকলে বেদব যিমান সম্মান কবে গ্রন্থ চাহাব পন্থীসকলে বেদক সিমান মান্য নকবে। কেনেকৈ কবিব? যিহেতু তেওঁলোকে বেদ দেখাও নাই আক শুনাও নাই। অন্ধবিশ্বাস আক সাম্প্রদায়িক পক্ষপাত বহিত যেই কোনো সম্প্রদায়ব সদ্‌বিবেচনাশীল মানুহেই বেদ অধ্যয়ন আক শ্রৱণ কবা হলে বৈদিক মতহে অৱলম্বন কবিলেহেঁতেন। নানক পন্থীসকলে অৱশ্যে আহাবব বিষয়ে জাতি ভেদব আচাব-বিচাব প্রায় নাইকিয়া কবিলে, সেইদবেই বিষয় বাসনাব আসক্তি আক দুবভিমানো এবি বৈদিক আদর্শব আচবণ কবিলে মহৎ কল্যাণ সাধিব পাবে।

দাদু সম্প্রদায়

প্রশ্ন—দাদু সম্প্রদায়ব মত কেনে?

উত্তব—বৈদিক আদর্শতে শ্রেয়ঃ। পাবিলে বৈদিক আদর্শকেই অনুসবণ কবক, নহলে চিবকাল দুর্গতিব পবা নিস্তাব নহব। দাদু পন্থী সকলব মতে গুজবাটত দাদুব জন্ম হৈছিল। পাছত গৈ তেওঁ জয়পুবব সমীপবর্ত্তী আমেবত বাস কবিছিল। তেওঁ তেলীব কাম কবিছিল। ঈশ্ববব সৃষ্টিবেই বিচিত্র লীলা, যে দাদুও পূজিত হল। এতিয়া দাদু পন্থীসকলে বেদাদি শাস্ত্রব সকলো কথা এবি কেৱল "দাদুবাম দাদুবাম" জপ কবাকেই মুক্তিব সাধন বুলি মানি লৈছে। সদুপদেশব অভাব হলেই এনেবোব বিভ্রান্তিকব পথ প্রদর্শকব আবির্ভাব হয়।

ব্রাম্মস্নেহী পন্থ

কিছু দিনব পবা শাহ-পুবাত এক "বামস্নেহী" পন্থ চলিবলৈ

ধবিছে। সেই পন্থব প্রবর্ত্তকব মতে বৈদিক ধর্ম্ম এবি "বাম বাম" বোলাহে শ্রেষ্ঠ, তাতেই জ্ঞান, ধ্যান আক মুক্তি লাভ হব। কিন্তু ভোকব আহাব বাম নামব পবা নেপায়—কর্ম্মশীল গৃহস্থব ঘবতহে পোৱা যায়। তেওঁলোকেও মূর্ত্তি পূজাব নিন্দা কবে কিন্তু তেওঁলোকে স্বয়ং মূর্ত্তি হৈছে। তেওঁলোকব স্ত্রী সংসর্গত অধিক সময় যায় কাবণ "বামকী" (বমণী বা বামব পত্নী) নহলে বামে আনন্দ নেপায়। এতিয়া বামস্নেহী মতব বিষয়ে অলপ আলোচনা কবি চোৱা য'ক। বামচবণ নামে এজন সাধু হয়। তেওঁব মত বিশেষকৈ মেবাবব অন্তর্গত শাহপুবাব পবা প্রচলিত হয়। তেওঁব মতে "বাম" নামেই পবম মন্ত্র আক পবম সিদ্ধান্ত। তেওঁব এক গ্রন্থত সন্তদাস আদিব বাণী তলত উদ্ধৃত কবা হল:—

ভবম বোগ তব হী মিট্যা, ৱট্যা নিবঞ্জন বাই।
তব জম কা কাগজ ফট্যা, কট্যা কর্ম্ম তব জাই॥সাখা ৬॥ *

এতিয়া বিবেচনাশীল সকলে বিবেচনা কবি চ'ক—"বাম বাম" বুলিলেই অজ্ঞানতা, ভ্রম বা পাপব ফল নির্ণয় কবা যমবাজব অধিকাব আক কর্ম্মব ফল নষ্ট হব পাবে নে নোৱাবে। এইবোব কেৱল মানুহক পাপ কর্ম্মত জড়িত কবি মানব জন্ম নষ্ট কবাব বাহিবে আন একো নহয়। এই প্রসঙ্গত তেওঁলোকব প্রধান গুৰু বামচবণব কেইটামান বাক্য উদ্ধৃত কবা হল:—

মহমা নাঁব প্রতাপকী, সুণো সৱবণ চিত্ত লাই।
বামচবণ ৱচনা ৱটৌ, ক্রম সকল ঝড় জাই॥

* ভ্রম বা অজ্ঞানৰূপী বোগ তেতিয়াই দূব হয়। নিষ্কলঙ্ক তেতিয়াই ঘোষিত হৈ যায়। যমবাজব পত্র তেতিয়াই ছিন্ন হৈ যায়। সকলো কর্ম্মফল কটা অর্থাৎ নষ্ট হৈ যায়।

জিন ছিন সুমর্য্যা, নাঁব কুং, সো সব উতব্যা পাব।
বামচবণ জো বীসর্য্যা,. সোহী জমকে দ্বাব ॥

বাম বিনা সব ঝুঠ বতায়ো ॥

বাম ভজত ছুট্যা সব কর্মা। চন্দ অরু সুব দেহ পবক বাম কহে তিন কুঁ ভৈ নাহীঁ। তীন লোক মেঁ কীবতি গাহীঁ ॥

বাম বটত জম জোব ন লাগৈ ॥

বাম নাম লিখ পথব তবাঁই। ভগতি হেতি ঔতাব হী ধবহী ॥ উঁচ নীচ কুল ভেদ বিচাবৈ। সো তো জনম আপণো হাবৈ ॥ সন্তা কৈ কুল দীসৈ নাঁহীঁ। বামঁ বামঁ কহ বাগ সমূহাঁহীঁ ॥ ঐসো কুণ জো কীবতি গাবৈ। হবি হবি জন কো পাব ন পাবৈ ॥ বামঁ সঁন্তাঁ কা অন্ত ন আবৈ। আপ আপ কী বুদ্ধি সম গাবৈ ॥

* **অর্থ :**—একাগ্রমনে বামব মহিমা শুনা। বসনাব দ্বাবাই সদাই বাম বাম উচ্চাবণ কবা, তোমাব সকলো ক্লেশ অচিবে দূব হব। যি বাম নাম স্মবণ কবে, তাব দুঃখ দূব হয়, তেওঁ ভবসাগব পাব হয়। যি বাম নাম স্মবণ নকবে, তেওঁ যমব দ্বাবত দুঃখেবে আবদ্ধ হয়। বাম বিনা সকলো মিছা। বামব ভজন কবাই তোমাব কর্ত্তব্য। তাব পবা সকলো পাপ খণ্ডন হব। চন্দ্র, সূর্য্য তেওঁব দেহব অন্তবীক্ষত স্থিত। বাম নাম ললে কোনো ভয় নেথাকে : তিনিও লোকত তেওঁব গুণ কীর্ত্তন হয়। বাম নাম ললে যমবো জোব নেথাকে। বাম নাম লিখা পাথবো ওপঙে। ভক্তব কাবণেই বাম অৱতাব হৈছিল। যি উচ্চ নীচ জাতি বিচাব কবে তাব জীৱন নষ্ট হয়। সাধুবে জাতি কুলব বিচাব নকবে বাম বাম বোলা, বাম সকলোতে আছে। বাম নামব মহিমাব অন্ত নাই মানুহে নিজব নিজব বুদ্ধি অনুসাবে তেওঁব গুণ গান কবে।

ইয়াব খণ্ডন

বামচবণ আদিব গ্রন্থ পঢ়িলে বুজিব পবা যায় যে তেওঁ এক সবল গাৱঁলীয়া মানুহ আছিল। তেওঁ একো পঢ়া-শুনা কবা নাছিল নহলে এনে নিবর্থক কথা নিলিখিলেহেঁতেন। বাম নাম ললেই যে কর্ম্ম ফল খণ্ডন হয় -এই ধাবণা ভুল। তেওঁ নিজব আৰু আনবো জীৱন বৃথা কবিছে। বাম নামব পবা চিপাহী, চোব, ডকাইত, বাঘ, সাপ, মহ আদিব ভয়েই দূব নহয়, যমব ভয় কেনেকৈ দূব হব? দিন বাতি সদায় বাম বাম বুলিলেও একো নহয়। যেনেকৈ চেনি চেনি বুলিলেই মুখ মিঠা নহয়, সেইদবে সৎকর্ম্ম নকবিলে একো নহয়। যদি বাম বাম বুলিলে তেওঁব বামে শুণ্ডনে, তেন্তে জনমটো বাম বাম বুলিলেও শুণ্ডনে। যদি শুনে এবাব বুলিলেই শুনিব, দ্বিতীয়বাব বোলা নিবর্থক। এইবোব মানুহে নিজব উদব পুবণ আৰু আনব জীৱন বৃথা কবাব কাবণে ভ্রম-জাল বচনা কবিছে। আশ্চর্য্যব বিষয় হৈছে যে, দেখাত আৰু শুনাত তেওঁলোকব নাম "বামস্নেহী" কিন্তু কাম কবে "বাঁড়স্নেহী"। যিফালেই দৃষ্টিপাত কবা হয়, ততেই সন্তসকল নাবীসকলেবে পবিবেষ্টিত। এনে ধবণব ভণ্ডামী নচলা হলে আর্য্যাবর্ত্ত দেশব এই দুর্দশা কেনেকৈ হলহেঁতেন? তেওঁলোকে শিষ্যসকলক উচ্ছিষ্ট খোৱায়। নাবীসকলে তেওঁলোকক দণ্ডবৎ হৈ প্রণাম কবে। নির্জ্জনত নাবীসকলব লগত সাধুসকলব লীলা খেলাও চলি থাকে।

কুণ্ডাপন্থী

মাবৱাড়ব অন্তর্গত "খেড়পা" গ্রামব পবা তেওঁলোকবেই অন্য এটা শাখা উৎপত্তি হৈছে; তাব বৃত্তান্ত হল এই—বামদাস নামে চর্ম্মকাব জাতীয়

এক চতুৰ মানুহ আছিল। তেওঁৰ পত্নী আছিল দুগৰাকী। তেওঁ প্ৰথমতে অঘৰী হৈ বহুত দিন পৰ্য্যন্ত কুকুৰৰ লগত একেলগে খাইছিল। তাৰ পাছত ৰামাচাৰী আৰু তাৰ পাছত কুণ্ডাপন্থী হয়। শেষত "ৰামদেৱৰ কামাড়িয়া" হৈ দুয়োজনী ঘৈণীয়েকৰ সৈতে গান কৰে। এইদৰে ভ্ৰমি ফুৰোতে ফুৰোতে "সীথল" গাঁৱত চৰ্ম্মকাৰসকলৰ "গুৰু ৰামদাসৰ" লগত সাক্ষাৎ হয়। ৰামদাসে তেওঁক "ৰামদেৱৰ" মতবাদৰ উপদেশ দি চেলা কৰে। ৰামদাসে "খেড়াপা" গাঁৱত থাকিবলৈ লৈ তেওঁৰ মত প্ৰচাৰ কৰিবলৈ ধৰিলে। ইপিনে সাহপুৰত ৰামচৰণৰ মত প্ৰচাৰ হৈছে। তেওঁৰো বৃত্তান্ত শুনা মতে এই :— ৰামচৰণ জয়পুৰৰ এক বণিক আছিল। তেওঁ "দাতাড়া" গাঁৱত এজন সাধুৰ বেশ লৈ তেওঁকেই গুৰু মানে। তাৰ পাছত ছাহ পুৰলৈ গৈ ৰাহৰ পাতিলে। সৰল জন-সাধাৰণৰ মাজত অতি সহজে আৰু সোনকালে প্ৰবঞ্চনাৰ কৌশল খাটে। গতিকে তেওঁৰ মত প্ৰচাৰিত হৈ পৰিল। পূৰ্ব্বোক্ত ৰামচৰণৰ বচন প্ৰমাণ অনুসাৰে সেই পন্থৰ অন্তৰ্ভুক্ত হলে তেওঁলোকৰ ভিতৰত জাতি ভেদৰ বাধা নেথাকে। ব্ৰাহ্মণৰ পৰা অন্ত্যজ পৰ্য্যন্ত তেওঁলোকৰ শিষ্য হয়। এতিয়াও তেওঁলোকে কুণ্ডাপন্থীৰ দৰেই মৃন্ময় পাত্ৰত খায় আৰু সাধুৰ উচ্ছিষ্ট ভোজন কৰে। তেওঁলোকে পৰৰ সন্তানবোৰক ফুচলাই বৈদিক ধৰ্ম্ম, মাতা, পিতা আৰু সাংসাৰিক কৰ্ম্মক্ষেত্ৰৰ পৰা আঁতৰাই নি চেলা কৰি লয়। তেওঁলোকে ৰাম নামকেই মহামন্ত্ৰ আৰু "ছুচ্ছম্" অৰ্থাৎ সূক্ষ্ম বেদ বোলে। ৰাম ৰাম বুলিলেই অনন্ত জন্মৰ পাপ দূৰ হয় আৰু ৰাম নাম বিনে কাৰো মুক্তি হব নোৱাৰে। যি শ্বাস আৰু প্ৰশ্বাসৰ লগে লগে ৰাম নাম লবলৈ উপদেশ দিয়ে তেওঁকেই সত্যগুৰু বোলে, আৰু সেই সত্য গুৰুক পৰমেশ্বৰতকৈও ডাঙৰ বুলি মানে, তেওঁৰ মূৰ্ত্তি ধ্যান কৰে। সাধুৰ পাদোদক অৰ্থাৎ চৰণ ধোৱা জল পান কৰে।

যেতিয়া চেলা গুৰুৰ ওচৰৰ পৰা আঁতৰি দূৰলৈ যাব লগা হয়— তেতিয়া গুৰুৰ নখ আৰু ডাৰীৰ টুকুৰা লগত ৰাখে। সেইবোৰ ধুই তাৰ জল নিতৌ পান কৰে। ৰামদাস আৰু হৰিৰামদাসৰ বাণীৰ পুস্তক বেদতকৈও অধিক মান্য কৰে। তেওঁৰ পৰিক্ৰমা আৰু আঠবাৰ দণ্ডৱত দি প্ৰণাম কৰে। গুৰুৰ ওচৰত থাকিলে দণ্ডৱৎ হৈ প্ৰণাম কৰে। স্ত্ৰী পুৰুষ উভয়কেই একেই ৰাম নামৰ মন্ত্ৰ দিয়া হয়। তেওঁলোকে নাম স্মৰণতেই কল্যাণ আৰু অধ্যয়নক পাপ বুলি মানে। তেওঁলোকৰ সাখী :—

পণ্ডতাই পানে পড়ী। ও পূৰব লো পাপঁ।
ৰাম ৰাম সুমৰ্যাঁ বিনা, ৰাইগো ৰীতো আপ ॥
বেদ পুৰাণ পঢ়ে পঢ় গীতা, ৰাম ভজন বিন বই গয়ে ৰীতা।

এনে ধৰণৰ পুস্তক ৰচনা কৰা হৈছে। তেওঁলোকৰ মতে তিৰোতাৰ পতিসেৱা পাপ, গুৰু আৰু সাধুৰ সেৱা কৰাহে ধৰ্ম্ম। বৰ্ণাশ্ৰম ধৰ্ম্ম নেমানে। যি ব্ৰাহ্মণ ৰামস্নেহী নহয়, তেওঁক নীচ আৰু চাণ্ডাল ৰামস্নেহী হলে উত্তম বুলি মানে। ঈশ্বৰৰ অৱতাৰ নেমানে কিন্তু ৰামচৰণৰ আগত উল্লেখ কৰা বচন— "ভগতি হেতি ঔতাৰ হী ধৰহী" মানে আৰু সাধুসকলৰ হিতাৰ্থে অৱতাৰবাদো স্বীকাৰ কৰে। এনে ধৰণৰ যিমানবোৰ হল প্ৰবঞ্চনা প্ৰচলিত হৈছে, এইবোৰ আৰ্য্যাবৰ্ত্ত দেশৰ অহিতকৰ। ইয়াৰ পৰাই বিবেচনাশীল মানুহে সকলো বুজিব পাৰে।

গোকুলিয়া গোঁসাই পন্থ

প্ৰশ্ন—গোকুলিয়া গোঁসাইসকলৰ মতেই সৰ্ব্বশ্ৰেষ্ঠ। দেখা নাই, তেওঁলোকে কেনে ঐশ্বৰ্য্য ভোগ কৰে? ঐশ্বৰিক লীলা নহলে কেনেকৈ সম্ভৱ হব?

উত্তৰ—এইবোৰ ঐশ্বর্য্য গৃহস্থ লোকবহে, গোঁসাইবোৰৰ একো নাই।

প্রশ্ন—বাহ বাহ! গোঁসাইসকলৰ প্রতাপত নহয় যদি, আনেও তেনে ঐশ্বর্য্য ভোগ কৰিবলৈ নেপায় কিয়?

উত্তৰ—আনেও যদি এইদৰে চতুৰ প্রপঞ্চ ৰচনা কৰিব পাৰে তেন্তে ঐশ্বর্য্যবান হোৱাত কি সন্দেহ থাকিব? আৰু যদি কোনোৱে তেওঁলোকতকৈও বেছি ধূর্ত্ততা কৰিব পাৰে তেনেহলে আৰু বেছি ঐশ্বর্য্যবান হব পাৰিব।

প্রশ্ন—বাহ বাহ! ইয়াৰ ভিতৰত কি ধূর্ত্ততা আছে? এইবোৰ সকলো গোলোকৰ লীলা।

উত্তৰ—গোলোকৰ লীলা নহয় গোঁসাইসকলবহে লীলা। যদি গোলোকৰ লীলা হয় তেনেহলে গোলোকো এনেকুৱাই হব। এই পন্থ "তৈলঙ্গ" দেশৰ পৰা প্রচলিত হয়। এক তৈলঙ্গী লক্ষ্মণ ভট্ট নামৰ ব্রাহ্মণে বিয়া কৰাৰ পাছত কোনো কাৰণত নিজ স্ত্রী আৰু মাক বাপেকক এৰি কাশীলৈ গৈ সন্ন্যাসী হয়। সন্ন্যাস লবৰ সময়ত বিয়া হোৱা নাই বুলি মিছা কথা কৈছিল। দৈবযোগত খবৰ পাই তেওঁৰ মাতা, পিতা আৰু স্ত্রী গৈ কাশী পায়গৈ। কাশী গৈ পোৱাত যি তেওঁক সন্ন্যাস দিছিল তেওঁক মাক-বাপেকে দেখা কৰি কলে যে, আপুনি আমাৰ পুত্রক সন্ন্যাসী কৰিলে। এতিয়া তাৰ এই যুৱতী স্ত্রীৰ কি গতি হব? যুৱতী স্ত্রীয়েও কলে, যদি আপুনি মোৰ পতিক মোৰ লগত ঘৰলৈ যাবলৈ নিদিয়ে, তেন্তে মোকো সন্ন্যাসিনী কৰক। তেতিয়া গুৰুৱে তেওঁক (লক্ষ্মণভট্টক) মতাই সি কলে, তুমি মিথ্যাবাদী, তুমি এতিয়া সন্ন্যাস এৰি দি গৃহস্থী হোৱা, যিহেতু তুমি মিছা কথা কৈ সন্ন্যাসী হৈছিলা। তেওঁ তেতিয়া সেই মতে সন্ন্যাস

এৰি মাক-বাপেক আৰু স্ত্রীৰ লগত ঘৰলৈ যাত্রা কৰিলে। এতিয়া দেখক, এই পন্থৰ মূলেই মিছা আৰু কপটৰ পৰা আৰম্ভ। তেওঁ গৈ যেতিয়া তৈলঙ্গ দেশ পালেগৈ তেতিয়া তেওঁক নিজৰ জাতিত স্থান নিদিলে। আকৌ নিজৰ দেশৰ পৰা বাহিৰ হৈ ভ্রমণ কৰি কৰি কাশীৰ সমীপবর্ত্তী "চর্ণাৰগড়ৰ" ওচৰৰ "চম্পাৰণ্য" নামৰ বনলৈ গৈছিল। সেই ঠাইত কোনোৱে এক বালকক হাবিত এৰি থৈ দূৰে দূৰে তাৰ চাৰিওফালে জুই জ্বলাই গুছি গল। তৎক্ষণাৎ কোনো জন্তুৱে মাৰাৰ আশংকাতেই চাৰিওফালে জুই জ্বলাই দি গৈছিল। লক্ষ্মণভট্ট আৰু তেওঁৰ পত্নীয়ে সেই লৰাটো পাই পুত্রৰূপে ললে আৰু কাশীত গৈ বাস কৰিবলৈ ধৰিলে। সেই লৰা ডাঙৰ হোৱাৰ পাছত মাক-বাপেকৰো মৃত্যু হল।

ব্রহ্মভাচার্য্য

সেই লৰাই কাশীতেই থাকি যৌবন অৱস্থালৈকে কিছু পঢ়িছিল। তাৰ পাছত কোনো এক স্থানৰ কোনো এক বিষ্ণুস্বামীৰ মন্দিৰত শিষ্য হয়। তাৰ পাছত তাত কোনো গোলমাল হোৱাত আকৌ কাশীলৈ আহি সন্ন্যাসী হয়। সেই সময়তে কোনো এক ব্রাহ্মণ জাতিৰ পৰা বহিষ্কৃত হৈ কাশীত বাস কৰিছিল। যাৰ এক যুৱতী কন্যা আছিল। সেই যুৱতীকেই এই সন্ন্যাসীয়ে সন্ন্যাস এৰি বিয়া কৰে। বাপেকে যি লীলা কৰিছিল তাক পুতেকে নকৰিব কিয়? তাৰ পাছত সপত্নীৰে গৈ সেই বিষ্ণু স্বামীৰ মন্দিৰ পালেগৈ, যত আগতে শিষ্য হৈছিল। কিন্তু বিবাহিত হোৱাৰ বাবে তাত স্থান নাপাই—ব্রজদেশলৈ গল; যত অবিদ্যাই আচ্ছন্ন কৰি ৰাখিছিল। ব্রজদেশত নানা ছল-কৌশল আৰু যুক্তিৰে তেওঁৰ মায়া মহিমা বিস্তাৰ কৰিবলৈ লাগিল। তেওঁ মিছা কথা সাজি প্রচাৰ কৰে—"শ্রীকৃষ্ণৰ সৈতে তেওঁৰ সাক্ষাৎ হৈছিল, গোলোকৰ

পৰা দিব্যলোকবাসী জীৱবোৰ মৰ্ত্ত্যলোকলৈ আহিছে, সেইবোৰক ব্ৰহ্ম সম্বন্ধ আদিৰে পবিত্ৰ কৰি পুনঃ গোলোকলৈ পঠাবলৈ কৃষ্ণই তেওঁক কৈছে।" ইত্যাদি। এইদৰে মূৰ্খ মানুহক প্ৰলোভন দি চৌৰাশী জনক বৈষ্ণৱ কৰি তলত দিয়া ৰচনা কৰি তাৰ ভিতৰতো ভেদ ৰাখিলে। যেনে :—

শ্রীকৃষ্ণঃ শৰণং মম। ১ ক্লীং কৃষ্ণায় গোপীজনবল্লভায় স্বাহা।।২

(গোপাল সহস্র নাম)॥

এই দুই হল সাধাৰণ মন্ত্ৰ। তলত দিয়া ব্ৰহ্ম সম্বন্ধ আৰু সমৰ্পণ কৰাৰ মন্ত্ৰ—

শ্রীকৃষ্ণঃ শৰণং মম সহস্রপৰিবৎসৰমিতকালজাতকৃষ্ণ-বিয়োগজনিততাপক্লেশান্ত তিৰোভাৰোঽহং ভগৱতে কৃষ্ণায় দেহেন্দ্রিয় প্রাণান্তঃকৰণ তদ্ধর্ম্মাংশ্চ দাৰাগাৰপুত্রাপ্তবিত্তেহ পৰাণ্যাত্মনা সহ সমর্পয়ামি দাসোঽহং কৃষ্ণ তবাস্মি ॥৩॥

এই মন্ত্ৰৰ উপদেশ দি শিষ্য-শিষ্যাক সমৰ্পণ কৰায়। "ক্লীং কৃষ্ণায়েতি"—ইয়াৰ "ক্লীং" শব্দ তন্ত্ৰ গ্ৰন্থৰ। ইয়াৰ দ্বাৰাই প্ৰতীত হয় যে বল্লভ পন্থও বামাচাৰী পন্থৰেই ৰূপান্তৰ মাত্ৰ। এই কাৰণেই গোসাই সকলৰ স্ত্ৰীসঙ্গ প্ৰধান।

"গোপীবল্লভেতি" ইয়াৰ অৰ্থ কি? গোপীবোৰহে শ্রীকৃষ্ণৰ প্ৰিয়া আছিল নেকি? অন্যবোৰ প্ৰিয় নাছিল নেকি? স্ত্ৰী সম্ভোগত আসক্ত ত্ৰৈণৰহে স্ত্ৰী অধিক প্ৰিয়া। শ্রীকৃষ্ণ তেনেই আছিল নেকি? "সহস্র-পৰিবৎসৰেতি" সহস্র বৰ্ষৰ গণনা নিৰৰ্থক, কাৰণ বল্লভ আৰু তেওঁৰ শিষ্যসকল সৰ্ব্বজ্ঞ নহয়। কৃষ্ণৰ বিয়োগ সহস্র বছৰৰ পৰাহে হৈছে নেকি? বল্লভপন্থ আৰু বল্লভ[illegible]ম্ম হোৱাৰ আগতে সেই দিব্যলোকবাসী জীৱ বোৰক উদ্ধাৰ কৰিবলে নাহিলে কিয়? "তাপ" আৰু "ক্লেশ" এই

দুয়োটা পৰ্য্যায়বাচী শব্দ। এই দুটাৰ যেই কোনো এটাহে লিখিব লাগিছিল, দুয়োটা নেলাগে। পাঠত "অনন্ত" শব্দ ৰাখিলে "সহস্র" শব্দও বৃথা নিৰৰ্থক হয়। বা "সহস্র" শব্দ পাঠত ৰাখিলে সেই পাঠত "অনন্ত" শব্দৰ অৰ্থ নিৰৰ্থক হয়। আৰু যি অনন্ত কাল পৰ্য্যন্ত "তিৰোহিত" অৰ্থাৎ আচ্ছাদিত থাকে, তাৰ মুক্তিৰ কাৰণে বল্লভৰ প্ৰয়োজন নাই; কাৰণ অনন্ত কাল মানে অন্তহীন। দেহ, ইন্দ্রিয়, প্রাণ অন্তঃকৰণ আৰু তেওঁৰ ধৰ্ম্ম পত্নী, পুত্র, বাসস্থান আৰু ধন সম্পত্তি কৃষ্ণক কিয় অৰ্পণ কৰিব লাগে? কৃষ্ণ পূৰ্ণকাম; গতিকে তেওঁ কাৰো দেহ আদিৰ কামনা কৰিব নোৱাৰে (তেওঁ নিষ্কাম), দেহ আদিৰ অৰ্পণ হবও নোৱাৰে; কাৰণ দেহ বুলিলে কেশাগ্রৰ পৰা নখাগ্র পৰ্য্যন্ত বুজায়। দেহৰ ভিতৰত ভাল বেয়া সকলো আছে, মলমূত্রাদি পৰ্য্যন্ত কেনেকৈ অৰ্পণ কৰা যাব? আৰু পাপ পুণ্যৰ কৰ্ম্ম কৃষ্ণক অৰ্পণ কৰিলে কৃষ্ণহে তাৰ ফলভোগী হব লাগিব। আচলতে নাম লোৱা হয়, কৃষ্ণৰ সমৰ্পণ কৰা হয় নিজৰ কাৰণে। দেহৰ মলমূত্র আদিও গোঁসাই প্রভুক অৰ্পণ কৰা নহয় কিয়? মিঠাবোৰ গিলিবলৈ আৰু যিবোৰ তিতা লাগে তাক থুৰায় পেলাবলৈ নেকি? তাত এই কথাও লিখিত আছে যে গোঁসাই প্রভুকহে অৰ্পণ কৰিব, অন্য মতাবলম্বীক নহয়। এইবোৰ কেৱল স্বাৰ্থপৰৰ চতুৰতা, পৰস্ত্রী হৰণ আৰু বৈদিক ধৰ্ম্ম নাশ কৰিবলৈ লীলা ৰচনা কৰিছে। এতিয়া বল্লভৰ প্রপঞ্চ চ'ক :—

শ্রাবণস্যামলে পক্ষ একাদশ্যাং মহানিশি।
সাক্ষাদ্ভগবতা প্রোক্তং তদক্ষৰশ উচ্যতে। ১।

ব্রহ্মসম্বন্ধকৰণাৎ সর্ব্বেষাং দেহজীৱয়োঃ।
সর্ব্বদোষনিৰ্ব্বৃত্তি হি দোষাঃ পঞ্চবিধাঃ স্মৃতাঃ ॥ ২

সহজা দেশকালোত্থা লোকবেদনিরূপিতাঃ।
সংযোগজাঃ স্পর্শজাশ্চ ন মন্তব্যাঃ কদাচন ॥৩
অন্যথা সর্ব্বদোষাণাং ন নিবৃত্তিঃ কথঞ্চন।
অসমর্পিত বস্তূনাং তস্মাদ্বর্জ্জনমাচরেৎ ॥৪
নিবেদিভিঃ সমর্পৈ্যব সর্ব্বং কুর্য্যাদিতি স্থিতিঃ।
ন মতং দেবদেবস্য স্বামিভুক্তিসমর্পণম্ ॥৫
তস্মাদাদৌ সর্ব্বকার্য্যে সর্ব্ববস্তুসমর্পণম্।
দত্তাপহার বচনং তথা চ সকলং হরেঃ ॥৬
ন গ্রাহ্যমিতি বাক্যং হি ভিন্নমার্গপরং মতম্।
সেরকানাং যথা লোকে ব্যবহারঃ প্রসিধ্যতি ॥৭
তথা কার্য্যং সমর্পৈ্যব সর্ব্বেষাং ব্রহ্মতা ততঃ।
গঙ্গাম্ভে গুণদোষাণাং গুণদোষাদিবর্ণনম্ ॥৮

ইত্যাদি শ্লোক গোঁসাই পন্থর সিদ্ধান্তরহস্যাদি গ্রন্থত লিখা আছে, গোঁসাই পন্থর এয়েই মূল তত্ত্ব। এওঁলোকক যদি কোনোরে সোধে যে শ্রীকৃষ্ণর দেহান্ত হোরার পাঁচ হাজার বছরর অলপহে কম হব, তেওঁ শ্রাবণ মাহর একাদশীর মাজ বাতি কেনেকৈ বল্লভক সাক্ষাৎ করিলে ? ॥১॥ যি গোঁসাইর শিষ্য হয় আরু তেওঁক সকলো সমর্পণ করে তার দেহ আরু জীরর সকলো দোষ নিবৃত্তি হৈ যায়, মূর্খ মানুহক বিভ্রান্ত করি নিজর মতর অন্তর্ভুক্ত করার এয়েই বল্লভর প্রপঞ্চ। গোঁসাইর শিষ্য শিষ্যার (ভকত-ভকতনীর) সকলো দোষ দূরীভূত হয় যদি দারিদ্র্যাদি দুঃখত কিয় পীড়িত হৈছে ? আরু দোষ পাঁচ বিধ।২॥ প্রথম সহজ দোষ, যি স্বাভাবিক অর্থাৎ কাম ক্রোধ আদির পরা উৎপন্ন হয়।

দ্বিতীয় কোনো দেশ কালত নানা প্রকার পাপ করা হয়। তৃতীয় সংসারত যাক ভক্ষ্যাভক্ষ্য বোলে, আরু বেদোক্ত অসৎ কর্ম্ম। চতুর্থ সংযোগ অর্থাৎ বেয়া সঙ্গর পরা হোরা চুরি, লাম্পট্য আরু মাতা, ভগিনী, কন্যা, পুত্রবধু, গুরুপত্নী আদি অগম্যার লগত সমাগম। পঞ্চম স্পর্শজ দোষ অর্থাৎ যি অস্পর্শনীয়র স্পর্শর পরা উৎপন্ন হয়। গোঁসাই পন্থীসকলে এই পাঁচ প্রকার দোষ কেতিয়াও দোষ বুলি নামানে অর্থাৎ তেওঁলোকে যথেচ্ছাচার করে ॥৩॥ গোঁসাই পন্থর ভক্ত নহলে কোনো দোষরেই হেনো নিবৃত্তি হব নোরারে। গতিকে কোনো বস্তু প্রথমতে গোঁসাইক সমর্পণ নকরাকৈ ভক্তসকলে ভোগ নকরে। শিষ্যই নব-বিবাহিত স্ত্রীক প্রথম গোঁসাইর চরণ সেরাত সমর্পণ নকরাকৈ স্পর্শও নকরে।৪। গতিকে গোঁসাইক শিষ্যই সমর্পণ করিহে নিজর বস্তু ভোগ করে, আগতে নিজে ভোগ করার পাছত আরু সমর্পণ হব নোরারে।৫। এই নিমিত্তে সকলো কামত সকলো বস্তু প্রথম সমর্পণ করিব লাগে। ভার্য্যা আদিরো প্রথম গোঁসাই প্রভুক সমর্পণ করি পাছত গ্রহণ করা হয়। এইদরেই হরিক সকলো বস্তু সমর্পণ করি গ্রহণ করা কর্ত্তব্য ॥৬॥ গোঁসাইর বিনা অনুমতিত অন্য মতর বিষয় কোনো কথাকে গোঁসাইর ভকত-ভকতনীসকলে কেতিয়াও শুনিব বা মানিব নোরারে। তেওঁলোকর এই নীতি জনাজাত ॥৭ এইদরে সকলো বস্তু সমর্পণ করি সকলোতে ব্রহ্মবুদ্ধি করিব লাগে। তার পাছত যেনেকৈ অন্য জল গঙ্গাত মিলিত হলে গঙ্গারূপ হয়, সেইদরে আনর মতে যিবোর দোষ নিজর মতত সেইবোর গুণ হৈ যায়। গতিকে নিজর মতে গুণর বর্ণনা করিব লাগে ॥ ৮ ॥

এতিয়া বিবেচনা করি চক, গোঁসাই পন্থই অন্যান্য পন্থর তুলনাত অধিক স্বার্থপর। এই গোসাঁই পন্থীসকলক কোনোরে যদি সোধে, "তোমালোকে ব্রহ্মর এটা লক্ষণো নেজানা, শিষ্য-শিষ্যাক ব্রহ্মসম্বন্ধ কেনেকৈ

কবাব পাবিবা ?" যদি কয়—"আমিয়েই ব্রহ্ম, আমাব লগত সম্বন্ধ হলেই ব্রহ্মসম্বন্ধ হয়," তেতিয়া হলে আমিও কব পাবো যে—"তোমালোকব ভিতবত ব্রহ্মব গুণ স্বভাব কর্ম্মব একো লক্ষণ নাই। তোমালোক কেবল ভোগবিলাসব কাবণেই ব্রহ্ম হৈছে নেকি ? বাক কোৱা চোন, তোমালোকে যে তোমালোকব শিষ্য-শিষ্যাসকলক তোমালোকতেই সমর্পণ কবি বিশুদ্ধ কবা, তোমালোক আৰু তোমালোকব স্ত্রী, কন্যা, পুত্রবধূ আদি অসমর্পিত হৈ থকাব বাবে অশুদ্ধ হৈ নেথাকে জানো ? অসমর্পিত বস্তু যদি তোমালোকে অপবিত্র বুলি জ্ঞান কবা, তেনেহলে অসমর্পিত মাতা, পিতাব পবা উৎপন্ন হৈ তোমালোক অপবিত্র নোহোৱা কিয় ? তোমালোক আৰু তোমালোকব স্ত্রী, কন্যা, পুত্রবধূ আদিক অন্য কোনো মতাবলম্বীক অর্পণ কবি লোৱা উচিত। যদি কবিব নোখোজা তেনেহলে তোমালোকেও অন্য স্ত্রী পুৰুষ আৰু ধন আদি বস্তু সমর্পণ কবা আৰু কবাবলৈ এবি দিয়া। এতিয়ালৈকে যি কবিলা কবিলা, এতিয়াব পবা নিজব মিথ্যা প্রপঞ্চ, কুঅভিসন্ধি আদি অসৎ কর্ম্মবোব পবিত্যাগ কবি ঐশ্বিক বেদ বিহিত আচবণশীলহৈ মানব জনম সফল কবি ধর্ম্ম, অর্থ, কাম, মোক্ষ এই চতুষ্টয় ফল লাভ কবি আনন্দ ভোগ কবা।"

আৰু শুনক। গোঁসাই পন্থীসকলে তেওঁলোকব পন্থক পুষ্টিমার্গ বোলে। আহাব পান কবি পুষ্ট হোৱা, স্ত্রী সংসর্গ আৰু নানা ভোগ বিলাস কবাকে পুষ্টিমার্গ বোলা হয়। কিন্তু ইয়াব ফলত যেতিয়া গুৰুতব ভগন্দব আদি বোগত আক্রান্ত হৈ ছট ফটাই মবিব লগা হয় তাক নাজানো আচলতে সেইটো "পুষ্টিমার্গ" নহয় "কুষ্ঠীমার্গ"হে। যি দবে কুষ্ঠবোগীব দেহব পবা সকলো ধাতু গলি গলি পবি যায়—যন্ত্রণা ভুগি দেহত্যাগ কবিব লগা হয়—সেইদবে এনেবোৰ লীলা-খেলা কবোতাসকলব ভিতবতো দেখিবলৈ পোৱা যায়। ইয়াকেই নবক মার্গ বুলি কোৱা সঙ্গত হব পাবে

কাবণ দুঃখব নাম নবক আৰু সুখব নাম স্বর্গ। এইদবে মিছা কথাব জাল বচনা কবি নির্ব্বোধ সবল মানুহক জালত পেলাই, নিজক নিজে শ্রীকৃষ্ণ বুলি ভাবি সকলোবে স্বামী হৈ পবে। তেওঁলোকে কয়—"যিবোব দৈবী-জীব গোলোকব পবা ইহলোকলৈ আহিছে, সেইবোবব উদ্ধাবব কাবণেই আমি লীলা পুৰুষোত্তম ৰূপে জন্মগ্রহণ কবিছো। যেতিয়ালৈকে আমাব উপদেশ গ্রহণ নকবে তেতিয়ালৈকে গোলোক লাভ হব নোৱাবে। সেই ঠাইত শ্রীকৃষ্ণই একমাত্র পুৰুষ বাকী সকলোবোব স্ত্রী। বাহ ! কিযে শ্রেষ্ঠ মত গোঁসাইসকলব ॥ তেওঁলোকব সকলো শিষ্যাই গোপী হৈ যাব। এতিয়া ভাবি চক এটা মানুহব দুজনী স্ত্রী হলে কিমান দুঃখ অশান্তি হয়, তেনে স্থলত এজন পুৰুষব পাছত যদি কোটি কোটি স্ত্রী লাগি থাকে তেওঁব দুঃখ দুর্গতিব সীমা পবিসীমা থাকেনে ? যদি কয় যে, শ্রীকৃষ্ণব অনন্ত শক্তি, তেওঁ সকলোকে সন্তুষ্ট কবে। তেনেহলে তেওঁব স্ত্রী হলে তেওঁবে শক্তিও তুল্য ; যিহেতু তেওঁ শ্রীকৃষ্ণব অর্দ্ধাঙ্গিনী। যেনেকৈ ইয়াত স্ত্রী-পুৰুষব কাম বাসনা সমান বা পুৰুষতকৈ স্ত্রীব বেছি হয় তেনেকৈ গোলোকতো কিয় নহব ? যদি সেয়েই হয় তেনেহলে অন্য স্ত্রীসকলব লগত খুব হাই কাজিয়া লাগি থাকিব ; কাবণ সপত্নী ভাব বব বেয়া। তেনেহলে গোলোক স্বর্গব ঠাইত নবকব দবেই হব। আৰু বহুস্ত্রীগামী পুৰুষ ভগন্দব আদি বোগগ্রস্ত হয়, গতিকে গোলোকতো তেনে হোৱা সম্ভব। ছি ! ছি !! ছি !!! এনেকুৱা গোলোকতকৈ মর্ত্ত্যলোকেই ভাল। ইহলোকত যেনেকৈ গোঁসায়ে নিজক শ্রীকৃষ্ণ পাতি, বহুত স্ত্রীব লগত লীলা কবাব ফলত ভগন্দব আৰু প্রমেহ আদি বোগ ভোগ কবে, সেই দবেই, গোলোক নাথ শ্রীকৃষ্ণই এই বোগবোব ভুগিব কিয় ? কাবণ গোঁসাই সেই গোলোক নাথবেই নিজ স্বৰূপ। তেওঁ পীড়িত নহলে, তেওঁবে স্বৰূপ গোঁসাই পীড়িত কিয় হব ?

প্রশ্ন—মর্ত্ত্যলোকত তেওঁ লীলা অৱতাৰ ধৰে কাৰণে ৰোগ দোষ আদি হয়, গোলোকত নহয়। কাৰণ তাত ৰোগ দোষ নায়েই।

উত্তৰ—'ভোগে ৰোগভয়ম্" ভোগৰ পৰা ৰোগ অৱশ্যম্ভাৰী। ইয়াৰ বাহিৰে শ্রীকৃষ্ণৰ কোটি কোটি স্ত্রীৰ সন্তান হয়নে নহয়। যদি হয় কেৱল কন্যাহে হয় নে পুত্ৰ আৰু কন্যা উভয়েই হয়? যদি কেৱল কন্যাহে হয় তেন্তে কন্যাবোৰৰ বিবাহ কাৰ লগত হয়? গোলোকত শ্রীকৃষ্ণৰ বাহিলৈ অন্য পুৰুষেই নাই। যদি আছে বুলি কয়—তেনেহলে তোমাৰ প্রতিজ্ঞা হানি অর্থাৎ কথা মিছা প্রমাণ হয়। আৰু সকলো পুত্ৰই হয় বুলি কলেও সেই একেই দোষ ঘটে যে বিবাহ ক'ত বা কাৰ লগত হয়। যদি নিজৰ ঘৰতেই তেনে গোলমাল সংঘটিত হয় অথবা যদি কাৰোবাৰ পুত্ৰ আৰু কাৰোবাৰ কন্যা হয়—তেতিয়াহলে তোমাৰ কথা "গোলোকত একেই পুৰুষ শ্রীকৃষ্ণ"—মিছা বা প্রতিজ্ঞা হানি বুজায়। সন্তানেই নহয় বুলি কলে শ্রীকৃষ্ণৰ নপুংসকত্ব, আৰু স্ত্রীসকলৰ বন্ধ্যাত্ব (বাজী) দোষ আছে। সেই গোলোকখন দিল্লীৰ বাদশাহৰ বেগমপুৰ নেকি? গোঁসাই সকলে শিষ্য-সকলৰ দেহ-মন ধন সকলো তেওঁলোকত অর্পণ কৰাইহে ভোগ কৰে, এইবোৰ উচিত কাম নহয়। কাৰণ বিবাহৰ সময়ত পত্নীয়ে পতিক আৰু পতিয়ে পত্নীক নিজৰ নিজৰ দেহ মন সমর্পণ কৰে। পুনৰাই সেই দেহ মন অন্যক সমর্পণ কৰা নাযায়। কেৱল মনৰ লগতেই দেহৰ সমর্পণ হব পাৰে। গতিকে এইদৰে সমর্পণ কৰিলে ব্যভিচাৰী হব। বাকী ধন আদিৰ বিষয়েও এনেকুৱা লীলা-খেলাই প্রতীতি হয়। কাৰণ মন নগলে একোৱেই অর্পণ নহয়। গোঁসাইসকলৰ অভিপ্রায় হৈছে শিষ্য সকলে উপার্জ্জন কৰক আৰু তেওঁলোকে ভোগ বিলাস কৰিব। বল্লভ সম্প্রদায়ৰ গোঁসাইসকলৰ কোনোৱেই তৈলঙ্গী জাতীয় নহয়। যি তেওঁ-

লোকক ভুল কৰি কন্যাদান কৰে সিও জাতিভ্রষ্ট আৰু কলুষিত হয়। যিহেতু গোঁসাইবোৰ স্বজাতিৰ পৰা বহিষ্কৃত, বিদ্যাহীন আৰু দিনৰাতি বিষয় বাসনাত আসক্ত থাকে। আৰু শুনক, শিষ্যই ঘট গহকাৰলে অনুষ্ঠান পাতি যেতিয়া গোঁসাইক দিয়ে, তেতিয়া গোঁসাই তাৰে গৈ কেৱল কাঠৰ পুতলাৰ দৰে থাকে, একো নকয়ো, নকৰেও। যেচেৰাইত মূর্খ নোহোৱা হলে কথা নোকোৱাকৈ থাকিব নোৱাৰিলেহেঁতেন। "মূর্খাণাং বলং মৌনম্"—অর্থাৎ মৌনতাই মূর্খৰ বল। কাৰণ কথা কলেই মূর্খতা ওলাই পৰে। স্ত্রীসকলৰ ফালে হলে ভালকৈ চায়, আৰু যি জনী স্ত্রীৰ প্রতি বিশেষ দৃষ্টিপাত হয় সেই স্ত্রী ভাগ্যৱতী আৰু সেই স্ত্রীৰ পতি ভাই ককাই, মাক-বাপেক আদিৰ মনত সন্তোষ হয়। স্ত্রীসকলে গোঁসাই প্রভুৰ চৰণ স্পর্শ কৰোতে যাৰ প্রতি গোঁসাইৰ মন আকৃষ্ট হয় বা যাৰ কৃপা হয়—সেই স্ত্রীৰ হাত আঙুলিও গোঁসাইৰ চৰণৰ বৃদ্ধ আঙুলিৰে চেপি দিলে সেই স্ত্রী আৰু তেওঁৰ পতি আদিও সৌভাগ্য বুলি ভাবে আৰু সেই স্ত্রীক গোঁসাইৰ চৰণ সেৱা কৰিবলৈ পঠাই দিয়ে আৰু কোনো ক্ষেত্রত পতি বা অভিভাৱক সকলৰ মনত শঙ্কা বা আপত্তি বোধ হলে, দূতী আৰু কুটনীয়ে বুজাই বঢ়াই কাম সম্পন্ন কৰে। এনেবোৰ অভিপ্রায় পূৰণ কৰিবৰ কাৰণেই গোঁসাইসকলৰ কাষত বা মন্দিৰত তেনে কামৰ উপযোগী মাইকী মানুহ তৎপৰ হৈ থাকে।

গোঁসাইসকলৰ দক্ষিণাৰ লীলা খেলা। তেওঁলোকে ভিন্ন ভিন্নকৈ প্রত্যেকৰ কাৰণে দক্ষিণা বিচাৰে—"গোঁসাই প্রভুৰ দক্ষিণা, স্ত্রীৰ, পুত্ৰৰ কন্যাৰ, প্রধান কর্ম্ম কর্ত্তাৰ, ভৃত্যৰ, গায়কৰ আৰু মূর্ত্তিৰ পূজাৰ সামগ্রী আদি প্রত্যেকৰ ভিন্ন ভিন্ন। এইদৰে তেওঁলোকে আঠ দোকানৰ পৰা যথেষ্ট সমল সামগ্রী আদায় কৰে। গোঁসাইৰ কোনো সেৱকৰ মৃত্যুকাল উপস্থিত হলে, তাৰ বুকুৰ ওপৰত চৰণ থৈ যি ব'ত পায় সকলো

আত্মসাৎ কবে। এনেবোব আচবণ মহাব্রাহ্মণ আক মবা শ পেলোৱা ডোমব কাম নহয়নে ?

কোনো শিষ্যই পুত্র-কন্যাব বিয়াব সময়ত গোঁসাইক নি গোসাইব ঘবাই পুত্র-কন্যাব পাণি গ্রহণ কবায়। কোনো কোনো সেয়কে গোসাই প্রভুক কেশব স্নান কবায়, অর্থাৎ স্ত্রীসকলে গোঁসাইব শবীবত কেশব সানি এটা বৃহদাকাব পাত্রব ভিতবত পিবা পাবিলৈ স্ত্রী-পুৰুষসকলোৱে একেলগে স্নান কবায় (এই হল বিশেষ আনুষ্ঠানিক স্নান) সাধাবণতে সদায় স্ত্রীসকলেহে স্নান কবায়। গোঁসায়ে পীতাম্বব পবিধান আক চবণত ধবম পিন্ধি ওলাই আহে আক পিন্ধি গাধোৱা বস্ত্র অর্থাৎ ধুতিখন সেই গা ধোৱা কেশবব পানীত পেলাই দিয়ে, তাব পাছত সেই পানীবে শিষ্য সকলে আচমন কবে। সুগন্ধি মছলা দিয়া তামোল গোঁসাইক খাবলৈ দিয়া হয়, গোঁসায়ে চোবাই এবাব ধোৱা গিলাব পাছত এক ৰূপব বাতিত মুখব পবা উলিয়াই দিয়ে। সেইবোব প্রসাদ বুলি শিষ্যসকলে বাতিলৈ খায়; ইয়াকেই "খাস" প্রসাদী বোলে।

এই সকল কেনে মনুষ্য এতিয়া বিবেচনা কবি চক। মূর্খতা আক অনাচাব ইয়াতকৈ বেছি কি হব পাবে। ভেওঁলোকব অনেকে সমর্পণ লয় (পত্ত আহাব সমর্পণ কবা খায়) কিমানে আকো বৈষ্ণবব হাতেও নেখায়। খবি পর্য্যন্ত ধুই লয়। কিন্তু আটা, গুব, চেনি, ঘিউ আদি হলে ধুধুলেও হয়—কাবণ সেইবোব ধুলেই শেষ হয়। কণ্ঠতে গোঁসাই সকলে কয় "আমি ঠাকুব অর্থাৎ মূর্ত্তি গোঁসাইব বস্ত্র, বাগ আক ভোগব কাবণে অনেক খবচ কবো"; কিন্তু দেখা যায় সকলো বস্ত্র বাগ আক ভোগ নিজব বাবেহে কবে। সত্য কথা কব লাগিলে ভেওঁলোকে গুকতব নিম্নলীয় কর্ম্ম কবে, অর্থাৎ হোলীব সময়ত পিচকাবী ভবাই লৈ ভিবোতাসকলব

অস্পর্শনীয় অঙ্গ বা গুপ্ত স্থানত নিক্ষেপ কবে। ব্রাহ্মণব দুগ্ধ আক দুগ্ধজাত বস্তু বিক্রি নিসিদ্ধ; কিন্তু তাকো কবে।

প্রশ্ন—কটী, দাইল, কাড়ী, ভাত, শাক, মিঠাই আদি গোঁসায়ে নিজে প্রকাশ্যে নেবেচে চাকব কর্ম্মচাবীব দ্বাবাই বেচায়। সেইবোব চাকব কর্ম্মচাবীক পাতত ভাগ কবি দিয়ে।

উত্তব—গোঁসাই সকলে ভৃত্যবোবক মাসিক বেতন দিলে, সিহঁতে খাদ্য দ্রব্যব পাত লব কিয়? ভেওঁলোকে ভৃত্যবোবক বেতনব পবিবর্ত্তে ডাইল ভাত আদি দিয়ে। সিহঁতে সেইবোব বজাবলৈ নি বিক্রী কবে। গোঁসাই সকলে নিজে বজাবত বেচিলে, ভেওঁলোকব বামুণ ভৃত্যবোবে দুগ্ধ বিক্রীৰূপ পাপব পবা বক্ষা পালেহেঁতেন, কেবল গোঁসাইবোবেই সেই পাপব ভাগী হলহেঁতেন। ভেওঁলোকে নিজে এই পাপত নিমগ্ন হৈ আনকো সেই পাপত নিমগ্ন কবে। নাথদ্বাবা আদি ঠাইত গোঁসাইবোবে নিজেই এই বস্তুবোব বিক্রী কবে। দুগ্ধ বিক্রয় হীনব কর্ম্ম, শ্রেষ্ঠব নহয়। এইবোব মানুহেই আর্য্যাবর্ত্তব অধঃপতন আনিছে।

স্বামী নাৰায়ণ পন্থ

প্রশ্ন—স্বামী নাবায়ণব মত কেনে ?

উত্তব—"যাদৃশী শীতলা দেবী তাদৃশো বাহনঃ খবঃ"—গোঁসাইবোবব ধনহবণ আদিত যেনেকুৱা বিচিত্র লীলা, স্বামী নাবায়ণবে, তেনেকুৱাই। শুনক, অযোধ্যাব ওচববে কোনো এখন গাৱঁত সহজানন্দ নামব এক ব্যক্তিব জন্ম হয়। তেওঁ ব্রহ্মচাবী হৈ গুজবাট, কাঠিয়াৱাড় কচ্ছকুচ্ছ আদি দেশত ফুবি ফুবিছিল। তেওঁ দেখিলে যে সেইবোব ঠাইব মানুহ মূর্খ আক সবল প্রকৃতিব গতিকে তেওঁ যি মতেই ঘুবাব খোজে, সেই মতেই ঘুবিব। তাকে ভাবি তেওঁ তাত দুই চাবিটামান চেলা কবি ললে। ভেওঁলোকব ভিতবত মন্ত্রণা

কবি প্রচাব কবি দিলে যে সহজানন্দ নাবায়ণব অবতাব আৰু মহা সিদ্ধ পুৰুষ। তেওঁব ভক্তবোবক চতুর্ভুজ মূর্ত্তি ধবি সাক্ষাৎ দর্শন দিয়ে। কাঠিয়াবাড়ব কোনো এক অঞ্চলত "দাদাখাচব" নামব কৃষক জমিদাব আছিল। সহজানন্দব শিষ্যবোবে গৈ দাদাখাচবক কলে যে, তুমি যদি চতুর্ভুজ নাবায়ণব দর্শন কবিব খোজা আমি তোমাব কাবণে সহজানন্দক প্রার্থনা কাবয়। তেওঁ আছিল অতি সবল হৃদয়ব মানুহ; চতুর্ভুজ ৰূপ দর্শন কবিবলৈ আগ্রহ কবিলে। সেই মতে সহজানন্দই এটা কোঠাব ভিতবত সোমাই মুবত মুকুট পিন্ধি হাতত শংখ আৰু চক্র লৈ ওপবলৈ হাত ডাঙি থিয় হল। অন্য এটা মানুহে পিছফালে থিয়হৈ হাতত গদা আৰু পদ্ম লৈ সহজানন্দব দুকাষেদি হাত মেলি চতুর্ভুজব আকাব ধবিলে। সহজানন্দব চেলাই দাদাখাচবক কলে যে এবাব চকুমেলি চায়েই চকু মুদিবা আৰু তৎক্ষণাত তাব পবা ওলাহ আহিবা। বহুত পব চাই থাকিলে নাবায়ণ অপ্রসন্ন হব: তাব মানে বেছিপব দেখিলে তেওঁলোকব চালাকী ধবা পবিব পাবে। সহজানন্দই উজ্জ্বল ঝিকুমিকিয়া গুণাব বন কবা বেছমব বস্ত্র পিন্ধি আন্ধাব কোঠাত থিয় হৈ আছিল। চেলাবোবে দাদাখাচবক ভিতবলৈ লৈ গল, বাকী চেলাবোবে প্রদীপ জ্বলাই সম্মুখব ফালে পোহব কবি দিলে। পোহবব লগে লগে দাদাখাচবে চতুর্ভুজ মূর্ত্তি দেখিলে আৰু থিক দেখাব পাহতেই প্রদীপব পোহব আঁব কবি দিলে। সকলোৱে আঠুকাঢ়ি সেৱা কবি আনফালেদি ওলাই আছিল আৰু তেতিয়াও দাদাখাচবক কলে যে তেওঁব ভাগ্য ধন্য। এতিয়া তুমি মহাবাজব শবণ লোৱা, তেওঁ ও সেই মতেই সম্মত হল। যেতিয়া ঘুবি অন্য ঠাইলৈ গৈ দেখে তাত অন্য বস্ত্র পিন্ধি সহজানন্দ আসনত বহি থকা দেখিলে। চেলাবোবে কলে এতিয়া চোৱা বেলেগ স্বৰূপ ধবি বিবাজমান হৈ আছে। তেতিয়া দাদাখাচবব মনত পবিল, তেওঁ এক ধনী জমিদাব আছিল। তেতিয়াব পবাই সেই মতব ভেটি স্থাপন হয়। সেইদবে ভেটি স্থাপন কবি লৈ ইফালে সিফালে

প্রচাব কবি বহুতক সাধু কবি ললে। মাজে সময়ে কোনো এক সাধুব কণ্ঠ নালী টিপি ধবি মুচ্ছিত কবি লৈ কৈছিল যে এওঁক সমাধিস্থ কবা হৈছে। এনেকুৱা ধূর্ত্তবোবে কাঠিয়াবাড়ব সবল নির্বোধসকলক তেওঁ কান্দত পেলাই ললে সহজানন্দ মবাব পাছত শিষ্যবোবে নানা ভণ্ডামী আৰু ছল চতুবতা কবিবলৈ ধবিলে। এই বিষয়ত এটা দৃষ্টান্ত দিয়া ভাল হব।

ধবি ল'ক এটা মানুহ চুবি কবোতে ধবা পবে। বিচাবত তাব নাক কাণ কটাব দণ্ড হল। তাব নাক কাটি দিয়াত সেই ধূর্ত্তই হাঁহি হাঁহি গাই গাই নাচিবলৈ ধবিলে মানুহে তাকে দেখি সুধিলে "হাঁহিবব কাবণ কি?" ধূর্ত্তই কলে 'এইটো কব পবা কথা নহয়।" আকৌ মানুহে সুধিলে "কিনো এনে কব নোৱাবা কথা?" ধূর্ত্তই কলে—"বব আচবিত কথা, মই এনেকুৱা কেতিয়াও দেখা নাই" মানুহে শুনহে "কি দেখিছ ক'চোন।" ধূর্ত্তই কলে—"মোব আগত চতুর্ভুজ নাবায়ণব দেখি ধন্য হৈছো আৰু অপাব আনন্দ লাগিছে।" মানুহবোবে কলে "কতা আমি দেখা নাই কিয়"? ধূর্ত্তই কলে "নাক থাকে মানে দেখা নেযায়, নাক ছেদন হলেহে দর্শন হয়।" তেতিয়া মানুহব মাজব পবা কোনো মুখই কলে "নাক যায় যক—নাবায়ণব দর্শন পালেই হব"। সি কলে "মোবো নাক কাটি নাবায়ণব দর্শন কবোঁৱা"। সেই ধূর্ত্তই তাব নাকটো কাটি লৈ কাণে কাণে কলে—"তুমিও মোব দবেই নাবায়ণক দেখিছো বুলি কোৱা, নহলে আমাব ছয়োকো মানুহে হাঁহিব।" সিয়ো অনুতাপ কবি ভাবিলে, কটা নাকতো আৰু নাহে, আৰু মানুহেও হাঁহিব; গতিকে ইয়াব দবেই কবা উচিত। তেতিয়া সিও সেই ধূর্ত্তব দবেই "নাবায়ণক দেখিছো" বুলি হাঁহি হাঁহি গাই নাচিবলৈ ধৰলে। এইদবে ইটোব পাছত সিটোকৈ সহস্র লোক সিহঁতব দলভুক্ত হল। খুব জলস্থূল

হৰলৈ ধৰিলে। সেই দল বা সম্প্রদায়ৰ নাম হল "নাৰায়ণ দশী"। কোনো এক মূর্খ ৰজাই শুনিবলৈ পাই তেওঁলোকক মতাই অনালে। ৰজা সেই নাৰায়ণদশীৰ আগলৈ ওলাই অহাত সিহঁতে খুব হাঁহি হাঁহি নাচিবলৈ ধৰিলে। তেতিয়া ৰজাই সুধিলে "কি হল তোমালে'কৰ ?" তেতিয়া তেওঁলোকে কলে "আমি সাক্ষাৎ নাৰায়ণক আগত দেখিছোঁ।" ৰজা—"মই দেখা নাই কেলেই" ? নাৰায়ণদশী—"নাক থাকিলে দেখা নেযায়, নাক কাটিলেহে নাৰায়ণৰ দৰ্শন হয়"। ৰজাই সিহঁতৰ কথাত বিশ্বাস কৰি জ্যোতিষীক নাক কাটিবৰ শুভ দিন ৰাৰ মুহূর্ত্ত চাবলৈ কলে। জ্যোতিষীয়ে তেতিয়াই চাই চিন্তি কলে "মহাৰাজ ! দশমীৰ দিনা প্রাতঃ আঠ বজাত নাক কাটি নাৰায়ণ দর্শন কৰাৰ কাৰণে শুভ মুহূর্ত্ত"। ৰাঃৰে ধূর্ত্তজীৰি ! নিজৰ পুথিত নাককটা আৰু কটোৱাৰ মুহূর্ত্তও লিখি দিছে। ৰজাৰ ইচ্ছাত যেতিয়া সেই এহেজাৰ নাককটাৰ কাৰণে ভোজনৰ যোগাৰ দিয়া হল, তেতিয়া আনন্দত পুলকিত হৈ আৰু গাই গাই সিহঁতে নাচিবলৈ ধৰিলে। কিন্তু ৰজাৰ তেনে কামত দেৱান আদি বুদ্ধিমান ব্যক্তিসকলৰ মনত ভাল লগা নাছিল। ৰজাৰ চাৰিপুৰুষীয়া এজন দেৱান আছিল, যাৰ বয়স নব্বৈ বছৰ। সেই সময়ত তেওঁৰ প্রপৌত্রই দেৱানৰ কামত আছে। এই প্রপৌত্র দেৱানে গৈ বুঢ়া দেৱানক ঘটনা জনোৱাত, বৃদ্ধ দেৱানে কলে—"ইহঁত ধূর্ত্ত, মোক ৰজাৰ ওচৰলৈ লৈ চলা।" সেই মতে গৈ পাই বৃদ্ধ দেৱান ৰজাৰ আগত বহাত ৰজাই আনন্দিত হৈ সেই নাক কটাৰ বৃত্তান্ত শুনালে। বৃদ্ধ দেৱান—"মহাৰাজ ! কোনো শুকৰৰ কাম ঘপহকৈ কৰিব নাপায় আগতে সন্ভেদ নোলোৱাকৈ কৰিলে পশ্চাত্তাপো কৰিব লগা হয়"। ৰজা—"এই হেজাৰ মানুহেই মিছা কথা কৈছেনে" ? দেৱান—"সচাঁই কৈছেনে, মিছা কৈছে তাৰ সন্ভেদ নেপালে কেনেকৈ কব ?"

ৰজা—পৰীক্ষা কৰা যাব কেনেকৈ ?

দেৱান—বিদ্যা, সৃষ্টিক্রম আৰু প্রত্যক্ষ আদি প্রমাণৰ দ্বাৰা।

ৰজা—যি এইবোৰ অধ্যয়ন কৰা নাই—সি কেনেকৈ পৰীক্ষা কৰিব ?

দেৱান—বিদ্বানৰ সংসর্গৰে জ্ঞানৰ উন্নতি কৰি।

ৰজা—বিদ্বান লোক নাপালে কেনেকৈ হব ?

দেৱান—পুৰুষার্থীৰ কাৰণে একো দুর্লভ নহয়।

ৰজা—তেনেহলে কি কৰিব লাগে, আপুনিয়েই কৰক।

দেৱান—মই এতিয়া বৃদ্ধ অকর্ম্মণ্য হৈ আছোঁ, আৰু নো কিমান দিন জীয়াই থাকিম ? গতিকে প্রথম পৰীক্ষা ময়েই কৰো, তাৰ পাছত যি সমুচিত হয় তাকেই কৰিব।

ৰজা—তেনেহলে বৰ ভাল কথা। জোতিষী দেউ ! দেৱান মহোদয়ৰ কাৰণে শুভ মুহূর্ত্ত গণনা কৰক।

জ্যোতিষী—ভাল মহাৰাজ, এই শুক্ল পঞ্চমীৰ পুৱা দহ বজাত শুভ মুহূর্ত্ত আছে।

পঞ্চমীৰ দিনা পুৱা আঠ বজাত বৃদ্ধ দেৱান ৰজাৰ ওচৰলৈ আহি কলে যে লগত দুই-এক হেজাৰ সৈন্য লগত লৈ যোৱা উচিত হব। ৰজা-"তাত সৈন্যৰ কি কাম আছে" ? দেৱান—"আপোনাৰ ৰাজনীতিৰ খবৰ নাই। মই যি কৈছো তাকেই কৰক"। তেতিয়া ৰজাই সৈন্য সাজু কৰিবলৈ আদেশ দিলে আৰু পুৱা চাৰে ন' বজাত সকলোকে লগত লৈ যাত্রা কৰিলে। ৰজাৰ সমদল দেখি সিহঁতে খুব নাচি নাচি গাবলৈ ধৰিলে। ৰজা গৈ ৰহাৰ পাছত, সেই নাৰায়ণদশী সম্প্রদায়ৰ মহন্তক যাৰ প্রথম নাক কটা হৈছিল, তেওঁক মতাই আনি কোৱা হ'ল যে আজি আমাৰ এই দেৱান মহোদয়ে নাৰায়ণৰ দর্শন কৰিব খোজে।

মহন্তই "বাক" বুলি কলে আৰু দহ বজাৰ সময়ত এটা মানুহে হাতত এখন থালী লৈ দেৱানৰ আগত থিয় হ'ল, দেৱানৰ নাকৰ তলত এটাই থালীখন পাতিলে আৰু আন এটাই চোকা ছুৰীৰে বেপ মাৰি নাক কাটিলে, নাকৰ পৰা তেজ ববলৈ ধৰিলে আৰু দেৱানৰ মুখ সেঁতা পৰি গ'ল। তাৰ পাছত সেই ধূর্ত্তই দেৱানৰ কাণত মন্ত্ৰ উপদেশ দি কলে যে— "আপুনিও হাঁহি মুখে নাৰায়ণ দৰ্শন কৰিছো বুলি সকলোকে কওক। এতিয়া আৰু কটা নাক ঘূৰি নাহে। এইদৰে নকলে মানুহে হাঁহি আপোনাক ঠাট্টা কৰিব"। ইয়াকে কৈ সেই নাক কটা নাৰায়ণদৰ্শী আঁতৰি গ'ল। দেৱানে গামোছাৰে নাকটো সোপামাৰি ধৰিলে। তেতিয়া বজাই নাৰায়ণ দৰ্শন কৰিছেনে নাই সোধাত দেৱানে বজাৰ কাণে কাণে দেখা নাই বুলি কৈ এই ধূর্ত্তই মিছাকৈ সহস্ৰ মানুহক নষ্ট কৰিছে বুলি কলে। বজাই তেতিয়া শুধিলে "এতিয়া কি কৰা কর্ত্তব্য?" দেৱানে কলে "ইহঁতক ধৰি কঠোৰ শাস্তি বিহি আজীৱন কাৰাগাৰত ৰাখিব লাগে। আৰু ধূর্ত্তক, যি এই মানুহবোৰক নষ্ট কৰিলে তাক গাধত তুলি বাটে বাটে মানুহক দেখুৱাই বেতেৰে কোবাই ফুৰিব লাগে"। বজা আৰু দেৱানে গোপনে আলোচনা কৰা দেখি সিহঁতে ভয়ত পলাবলৈ চেষ্টা কৰিছিল, কিন্তু চাৰিওফালৰ সৈন্যই ঘেৰি ৰখাৰ বাবে পলাব নোৱাৰিলে। বজাৰ হুকুমত সকলোকে ধৰি বন্দী কৰা হ'ল আৰু হুকুম কৰা হ'ল যে, সিহঁতৰ মহন্তক ধৰি মুখত কলা ৰং সানি গাধৰ পিঠিত বহুৱাই কণ্ঠত ফটা জোতাৰ মালা পিন্ধাই বাটে বাটে ঘুৰাওক, লৰাবোৰে তাৰ গাত ছাই, ধুলি আদি চটিয়াওক,। তিনি চাৰি আলিৰ চকত জোতাৰে কোবাই আৰু কুকুৰ লগাই কামোৰাই কামোৰাই বধ কৰিব লাগে। এনেকুৱা শাস্তি নিদিলে ভবিষ্যতে আনেও এনেকুৱা কাম কৰাত ভয় নকৰা হব। সেই দৰে

কৰাত নাককটা সম্প্রদায় বিলুপ্ত হব। বেদ বিৰোধী সম্প্রদায়বোৰ এই দৰেই লোকৰ যথা সর্ব্বস্ব হৰণ কৰাত অতিশয় চতুৰ। সম্প্রদায়বাদীসকলৰ লীলা কৌশল এনেকুৱাই।

স্বামী নাৰায়ণৰ মতাবলম্বীসকলে পৰস্ব হৰণ কৰে, ছল প্রবঞ্চনা কৰে, আৰু নির্ব্বোধ মানুহক মৰণৰ সময়ত বিভ্রান্ত কৰিবৰ কাৰণে কয় "সহজানন্দ স্বামী অশ্বত আৰোহণ কৰি তোমাক মুক্তিধামলৈ লৈ যাবলৈ আহিব; তেওঁ এই মন্দিৰলৈ প্রতিদিনে এবাৰকৈ আহি থাকে।" উৎসৱ মেলাৰ সময়ত পূজাৰীবোৰ মন্দিৰৰ ভিতৰত থাকে, মন্দিৰৰ তলত বা কাষত দোকান পোহাৰ দিয়া থাকে। মন্দিৰৰ ভিতৰৰ পৰা দোকানলৈ এক গোপন ছিদ্ৰ পথ (সুৰঙ্গ) থাকে। কোনোৱে মন্দিৰৰ ভিতৰত নাৰিকল উৎসর্গা কৰিলে, সেই নাৰিকল পোন বাটেদি গৈ দোকানত জমা হয়, এইদৰেই একোটা নাৰিকলেই দিনটোত হেজাৰবাৰ বেচা কিনা হয়। এইদৰেই অন্যান্য বস্তুও কিনা বেচা হয়। যি জাতিৰ মানুহ তেওঁলোকৰ পন্থত সাধু হয়, তেওঁক সেই জাতিৰ জেনে কামৰ ভাৰ দিয়া হয়। যেনে নাপিত হলে নাপিতৰ কাম, কুমাৰ হলে কুমাৰৰ, শিল্পী হলে শিল্পৰ, বেপাৰী হলে বেপাৰৰ, শূদ্রক শ্রম আৰু পৰিচর্য্যাৰ কামত লগোৱা হয়। শিষ্যবোৰৰ কৰ ধার্য্য কৰা হয়। এনেকুৱা প্রস্তাৱণাৰে কোটি কোটি টকা সংগ্রহ কৰা হৈছে আৰু হবই লাগিছে। যি গাদীৰ অধিকাৰী হয়, তেওঁ বিবাহ কৰি সকলো অলঙ্কাৰ আদি পৰিধান কৰে। কেতিয়া কোনোৱে অধিকাৰীক আমন্ত্রণ কৰি উৎসৱ পাতিলে গোকুলৰ গোঁসাইৰ দৰে পত্নী পুত্ৰ আদিৰ কাৰণে ভাগে ভাগে দক্ষিণা দিব লাগে। তেওঁলোকে নিজক "সৎসঙ্গী" আৰু আন সম্প্রদায়ীবোৰক "কুসঙ্গী" বোলে। অন্যান্য সম্প্রদায়ৰ মানুহ যিমানেই বিদ্বান আৰু ধর্ম্মপৰায়ণ হওক লাগে, তেওঁলোকক সম্মান নকৰে, কাৰণ অন্য সম্প্রদায়ৰ সম্মান কৰিলে পাপ হয়।

তেওঁলোকৰ সাধুসকলে প্ৰকাশ্যে স্ত্ৰীসকলৰ দৰ্শন নকৰে, কিন্তু গোপনে কি কৰে কোনে জানে ? কোনো কোনো স্থানত তেওঁলোকৰ সাধুৰ পৰস্ত্ৰীৰ লগত লীলা-খেলা কৰাও ধৰা পৰিছে। তেওঁলোকৰ বিশেষ বিশেষ ব্যক্তিৰ মৃত্যু হলে মৃতদেহ গোপনে লুপ্ত কৰি সশৰীৰেৰে বৈকুণ্ঠ-গামী হল বুলি চাৰিওফালে জনাজাত কৰে। "সহজানন্দই আহি লৈ গল। এই মহাত্মাক ইয়াতে ৰখা আৱশ্যক বুলি আমি কত প্ৰাৰ্থনা কৰি মাতিলো কিন্তু আমাৰ কথা নেমানি কলে যে তেওঁৰ এতিয়া বৈকুণ্ঠতহে ইয়াতকৈ বেছি আৱশ্যক হৈছে, গতিকেই নিবলৈ আহিছোঁ। আমি স্বচক্ষে সহজানন্দক দেখিছো আৰু মৃতককো বিমানত তুলি দিলো, বিমান ওপৰলৈ যাওঁতে পুষ্প বৰ্ষণ কৰি গৈছে।" কেতিয়াবা তেওঁলোকৰ কোনো সাধু ৰোগগ্ৰস্ত হৈ যদি জীয়াই থকাৰ আশা নাথাকে তেতিয়া প্ৰচাৰ কৰে যে, "মই কাইলৈ ৰাতি বৈকুণ্ঠলৈ যামগৈ।" শুনিবলৈ পোৱা মতে সেই সাধু সেই মতে সেই সময়ত নমৰিলে, বা অচেতন হলেও তাক নি গোপন নাদত পেলাই দি লুপ্ত কৰে, নহলে তেওঁলোকৰ কথা মিছা প্ৰমাণ হয়। গতিকেই এনে কামো কৰিব পাৰে। এইদৰেই গোকুলীয়া গোঁসাই যেতিয়া মৰে তেতিয়া শিষ্যৰোৰে কয়—"গোসায়ে লীলা বিস্তাৰ কৰি গল।" গোঁসাই পন্থী আৰু স্বামীনাৰায়ণ পন্থীৰ দীক্ষাৰ মন্ত্ৰ একেই "শ্ৰীকৃষ্ণঃ শৰণং মম"। ইয়াৰ অৰ্থ শ্ৰীকৃষ্ণ মোৰ শৰণ অৰ্থাৎ মই শ্ৰীকৃষ্ণৰ শৰণাগত, কিন্তু ইয়াৰ বিপৰীত অৰ্থ হব পাৰে, শ্ৰীকৃষ্ণ মোৰ শৰণাগত বা মোৰ শৰণ প্ৰাপ্ত। এইৰোৰ সম্প্ৰদায়ৰ প্ৰবৰ্ত্তকে নিজৰ মূৰ্খতা বশতঃ এনেৰোৰ শাস্ত্ৰ বিৰুদ্ধ অৰ্থহীন বাক্য ৰচনা কৰে। তেওঁলোকৰ জ্ঞান বিবেচনা নাই।

মাধ্ব সম্প্ৰদায়

প্ৰশ্ন—মাধ্ব সম্প্ৰদায় কেনে ?

উত্তৰ—অন্যান্য মতাৱলম্বী যেনে, মাধ্বও তেনে, কাৰণ এওঁলোকো চক্ৰাঙ্কিত। মাধ্ব সম্প্ৰদায় আৰু চক্ৰাঙ্কিতৰ ভিতৰত এয়েই পাৰ্থক্য যে, ৰামানুজী মাত্ৰ এবাৰেই চক্ৰাঙ্কিত হয় কিন্তু মাধ্ব প্ৰতি বছৰে চক্ৰাঙ্কিত হৈ থাকে। চক্ৰাঙ্কিতে কপালত হালধীয়া ৰেখা আৰু মাধ্ব পন্থীয়ে কলা ৰেখা লগায়। এবাৰ এক মাধ্ব পণ্ডিতৰ লগত কোনো এজন মহাত্মাৰ শাস্ত্ৰ আলোচনা হৈছিল। মহাত্মা—আপুনি এই কলা ৰেখা আৰু চান্দলা (তিলক) কিয় লগাইছে ? মাধ্বৰ পন্থী—এইৰোৰ ধাৰণ কৰাৰ ফলত আমাৰ বৈকুণ্ঠ লাভ হব আৰু শ্ৰীকৃষ্ণৰ ৰৰণো শ্যাম ৰৰণীয়া আছিল, এই কাৰণেই আমি কলা তিলক ধাৰণ কৰো। মহাত্মা—কলা ৰেখা তিলক লগালেই যদি বৈকুণ্ঠলৈ যাব পাৰি, গোটেই মুখখন কলা কৰি ললে কলৈ যাব ? বৈকুণ্ঠও পাৰ হৈ যাব নেকি ? যেনেকৈ শ্ৰীকৃষ্ণ কলা আছিল তোমালোকৰো গোটেই দেহৰোৰ কলা কৰি নোলোৱা কিয় ? তেতিয়া হলে শ্ৰীকৃষ্ণৰ সাদৃশ্য লাভ হব পাৰে। গতিকে মাধ্ব পন্থও আগত বৰ্ণনা কৰা সম্প্ৰদায়ৰোৰৰ দৰেই।

লিঙ্গাঙ্কিত পন্থ

প্ৰশ্ন—লিঙ্গাঙ্কিত পন্থ কেনে ?

উত্তৰ—লিঙ্গাঙ্কিতো চক্ৰাঙ্কিতৰ দৰেই। চক্ৰাঙ্কিতে চক্ৰৰ দাগ দি লয় আৰু নাৰায়ণৰ বাহিৰে আনক নেমানে, সেইদৰে লিঙ্গাঙ্কিতে লিঙ্গৰ আকৃতিৰে দাগ দি লয় আৰু মহাদেৱৰ বাহিৰে আন কাকো নেমানে। লিঙ্গাঙ্কিতৰ বিশেষত্ব ইমানেই যে তেওঁলোকে শিলৰ লিঙ্গ এটা সোণ বা ৰূপেৰে বন্ধাই ডিঙিত পিন্ধি থাকে। পানী খাৱৰ সময়তো সেই লিঙ্গক দেখুৱাইহে পানী গ্ৰহণ কৰে। তেওঁলোকৰ মন্ত্ৰও শৈৱসকলৰ দৰেই।

ব্রাহ্ম সমাজ আরু প্রার্থনা সমাজ

প্রশ্ন—ব্রাহ্ম সমাজ আরু প্রার্থনা সমাজ কেনে ?

উত্তৰ—কিছুমান ভাল আরু অনেক বেয়াও আছে।

প্রশ্ন— ব্রাহ্ম সমাজ আরু প্রার্থনা সমাজৰ নীতি বেছি ভাল গতিকে সর্ব্বশ্রেষ্ঠ।

উত্তৰ— নীতি নিয়ম সম্পূর্ণৰূপে ভাল বুলি কব নোৱাৰি, কাৰণ বেদবিদ্যাহীন মানুহৰ কল্পনা সম্পূর্ণ সত্য কেনেকৈ হয় ? ব্রাহ্ম-সমাজ আরু প্রার্থনা সমাজে কিছুমান লোকক খৃষ্টীয়ান মত গ্রহণ কৰাৰ পৰা ৰক্ষা কৰিছে, পাষাণাদি মূর্ত্তিৰ পূজাও কিছু পৰিমাণে দূৰ কৰিছে। আরু কিছুমান কাল্পনিক গ্রন্থৰ ফান্দৰ পৰা কিছু পৰিমাণে মুক্ত কৰিছে এইবোৰ ভাল। (১) কিন্তু এওঁলোকৰ ভিতৰত স্বদেশ ভক্তি খুব কম। খৃষ্টীয়ানৰ আচৰণ অধিক পৰিমাণে অনুকৰণ কৰিছে। খোৱালোৱা বিবাহ আদিৰ আচাৰ বিচাৰো পৰিবর্ত্তন কৰিছে। (২) স্বদেশ আরু পূর্ব্বপুৰুষৰ গৌৰৱ দূৰৰ কথা, নিন্দাহে বেছিকৈ কৰে। তেওঁলোকৰ বক্তৃতাত ইংৰাজ আদি কৰি খৃষ্টিয়ান সকলৰহে খুব গুণ কীর্ত্তন কৰে, ব্রহ্মা আদি মহর্ষিসকলৰ নাম মাত্রও উল্লেখ নকৰে। ৰৰং এইদৰে কয় যে জগতত অদ্য পৰিমিত ইংৰাজতকৈ বিদ্বান কোনো হোৱা নাই। আর্য্যাবর্ত্তবাসী আদিৰ পৰাই মূর্খ হৈয়েই আছে কেতিয়াও কোনো উন্নতি কৰিব পৰা নাই। (৩) বেদাদিৰ শ্রেষ্ঠতাৰো প্রতিপাদন নকৰেই নিন্দা কথাতো কুণ্ঠিত নহয়। ব্রাহ্ম সমাজৰ ৰচিত পুস্তক বোৰত "ঈশা" "মুসা" "মহম্মদ" "নানক" আরু "চৈতন্য" সন্তৰূপে গণ্য হৈছে। তাত কোনো ঋষি মুনিৰ নামো নাই। ইয়াৰ পৰাই বুজিব লাগিব যে ব্রাহ্ম সমাজ সেই সকলৰে মতানুগামী। যদিও এই সমাজৰ মতবাদী সকল আর্য্যাবর্ত্ততেই জন্ম লৈ এই দেশৰ অন্ন জলেৰেই প্রতি পালিত

হৈছে তথাপি পূর্ব্বপুৰুষৰ আদর্শ পৰিত্যাগ কৰি অন্য বিদেশী আদর্শৰ প্রতি আগ্রহশীল আরু স্বদেশৰ সংস্কৃত বদ্ধা অর্থাৎ সংস্কাৰসংস্কৃতিত অনভিজ্ঞ হৈও তেওঁলোকে নিজক নিৰ্ বিদ্বান বুলি ভাবে। ইংৰাজী ভাষা শিকি পাণ্ডিত্যৰ অভিমানী হৈ স ।কোনো মত বিশেষৰ প্রচলন কৰাটোৱে কেনেকৈ স্থায়ী উন্নতি সাধন কৰিব। (৪) তেওঁলোকে ইংৰাজ, যবন আদি বিপৰীত আচাৰ ব্যৱহাৰী আরু অন্ত্যজ আদিৰ লগত আহাৰ পানীৰ কোনো ভেদাভেদ নেৰাখে। তেওঁলোকৰ ধাৰণা হব পাৰে যে, সকলোৱে সৈতে নিৰ্বিচাৰে আহাৰ পানী খাই জাতিভেদ তুলি দিলেই সমাজৰ সংস্কাৰ হব। কিন্তু এনে কার্য্যৰ পৰা সংস্কাৰৰ পৰিবর্ত্তে বিকাৰহে ঘটে।

প্রশ্ন—জাতিভেদ ঈশ্বৰৰ সৃষ্টি নে মানুহৰ সৃষ্টি ?

উত্তৰ—ঈশ্বৰেও সৃষ্টি কৰে আরু মানুহেও সৃষ্টি কৰে।

প্রশ্ন - কোনবোৰ ঈশ্বৰৰ সৃষ্ট আরু কোনবোৰ মানুহৰ সৃষ্ট ?

উত্তৰ – মানুহ, পশু, পক্ষী, বৃক্ষ, জলচৰ আদি জাতি ঈশ্বৰ সৃষ্ট। যেনেকৈ পশুৰ ভিতৰত গো, অশ্ব, হস্তী, আদি জাতি, বৃক্ষৰ ভিতৰত অশ্বত্থ, বট, আম্র আদি, পক্ষীৰ ভিতৰত হংস, কাক, বক আদি, জল জন্তুৰ ভিতৰত মৎস্য মকৰ আদি জাতিভেদ আছে সেইদৰে মনুষ্যৰ ভিতৰত, ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র, অন্ত্যজৰ জাতিভেদ ঈশ্বৰৰ সৃষ্ট। কিন্তু মনুষ্যৰ ভিতৰত ব্রাহ্মণ আদিক সামান্য জাতিৰূপে গণ্য কৰা নহয়, সামান্য বিশেষাত্মক জাতিত হে ধৰা হয়। বর্ণাশ্রম ব্যৱস্থা প্রসঙ্গত এই বিষয়ে লিখি অহা হৈছে যে গুণ, কর্ম্ম, স্বভাৱ অনুসাৰে বর্ণব্যৱস্থা স্বীকাৰ কৰা আৱশ্যক। গুণ কর্ম্ম-স্বভাৱ অনুসাৰে ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্রাদিৰ বর্ণবিভাগ সমাজ, আরু বিদ্বান বাইজৰ দ্বাৰাই কৰা সৃষ্ট (অর্থাৎ মনুষ্যৰ সৃষ্টি।) আহাৰবোৰ ঈশ্বৰকৃত আরু মনুষ্য কৃত আছে। যেনেকৈ সিংহ আদি মাংসাহাৰী,

আৰু গড়, মহিষ আদি তৃণাহাৰী। এনে ভেদ ঈশ্বৰ কৃত। দেশ, কাল আৰু বস্তু ভেদৰ আহাৰভেদ মনুষ্যকৃত।

প্রশ্ন—দেখক, ইয়ুৰোপবাসী সকলে কোট পটলুন জোতা পিন্ধি হোটেলত যেই কোনো সকলোৰে হাতৰ পৰিবেশন কৰা খায়। গতিকে উন্নতি পথত আগ বাঢ়িব পাৰিছে।

উত্তৰ—এইটো আপোনাৰ ভুল ধাৰণা; কাৰণ, মুছলমান অন্ত্যজ লোকে সকলোৰে হাতে খায়—তাৰ পৰা তেওঁলোকৰ কিমান উন্নতি হৈছে? য়ুৰোপবাসীৰ ভিতৰত বাল্যবিবাহ নাই, বালক-বালিকাবোৰৰ বিদ্যা আৰু সুশিক্ষাৰ ব্যৱস্থা প্রচলিত। তেওঁলোকৰ ভিতৰত স্বয়ম্বৰ বিবাহ প্রচলিত, তেওঁলোকে অসতৰ উপদেশ নলয়; জ্ঞান বিদ্যা হোৱাত তেওঁলোকে কাৰো জালত আবদ্ধ নহয়; তেওঁলোকে যি কৰে সকলো পৰস্পৰৰ ভিতৰত বিবেচনা আৰু সমাজৰ নির্দ্ধাৰিত নীতি অনুসাৰে আচৰণ কৰে, তন, মন, ধন দি জাতিৰ উন্নতি সাধন কৰে, তেওঁলোক আলস্যহীন আৰু সদায় উদ্যোগশীল। দেখক! ইংৰাজ সকলে তেওঁলোকৰ দেশীয় জোতা পিন্ধিহে আদালত আৰু কার্য্যালয়লৈ যোৱাৰ অনুমতি দিয়ে। আমাৰ দেশীয় জোতা পিন্ধি যাবলৈ নিদিয়ে। ইয়াৰ পৰা বুজিব পাৰি যে, তেওঁলোকে স্বদেশী জোতাৰ যিমান সন্মান কৰে, সিমান অন্যদেশৰ মানুহকো নকৰে। য়ুৰোপীয় সকল আমাৰ দেশলৈ অহা এশবছৰৰো বেছি হল কিন্তু তেওঁলোকে স্বদেশত যিদৰে মোটা বস্ত্র পৰিধান কৰিছিল আজি পর্য্যন্ত সেইদৰেই পৰিধান কৰে। তেওঁলোকে নিজৰ ৰীতি-নীতি এৰি আনৰ অনুকৰণ কৰা নাই কিন্তু আপোনালোকৰ অনেকে অনুকৰণ কৰিছে। গতিকে আপোনালোক নির্ব্বোধ আৰু তেওঁলোক বুদ্ধিমান বুলি বিবেচিত হয়। পৰৰ অনুকৰণ কৰা বুদ্ধিমানৰ কাম নহয়। তেওঁলোকৰ ভিতৰত যেয়ে যি নিযুক্ত হয়—তাকেই যথার্থৰূপে সম্পাদন কৰে। তেওঁলোক আজ্ঞানুবর্ত্তী আৰু বেপাৰ বাণিজ্যতো স্বদেশীক সহায়তা কৰে। এইবোৰ ভাল গুণৰ দ্বাৰাইহে তেওঁলোকৰ উন্নতি হৈছে তেওঁলোকৰ, কোট পটলুন জোতা পৰিধান, হোটেলৰ আহা�ৰ আদি সাধাৰণ আৰু গর্হিত কর্ম্মৰ দ্বাৰাই উন্নতি হোৱা নাই। য়ুৰোপীয়সকলৰ ভিতৰতো জাতিভেদ আছে। দেখক! যি কোনো উচ্চপদস্থ আৰু উচ্চাধিকাৰী য়ুৰোপীয়ই হওক লাগিলে তেওঁ যদি ভিন্ন দেশীয় বা মতাৱলম্বীৰ কন্যা বিবাহ কৰে, অথবা যদি কোনো য়ুৰোপীয় কন্যাৰ লগত কোনো ভিন্নদেশীয় পুৰুষৰ বিবাহ হয়, তেতিয়া তেওঁলোকৰ ৰীতি অনুসাৰে তৎক্ষণাৎ সিহঁতৰ লগত নিমন্ত্রণ, সহ-ভোজন, আৰু বিবাহ আদিৰ সম্বন্ধ বন্ধ কৰে। এইবোৰ জাতিভেদ নহয় যদি কি? আপোনালোকৰ দৰে সৰল আৰু অজলা মানুহক তেওঁলোকৰ জাতিভেদ নাই বুলি ভুৱা দিব পাৰে আৰু আপোনালোকেও বিশ্বাস কৰিব পাৰে, ইয়াৰ দ্বাৰাই আপোনালোকৰ অজ্ঞতাহে প্রমাণ হয়।

গতিকে কিবা কৰিব লগা হলে, সকলো দিশ বিবেচনা কৰিহে কৰা উচিত, তাৰ পাছত যাতে অনুতাপ কৰিব লগাত নপৰে। দেখক! ৰোগীৰ কাৰণেহে বৈদ্য আৰু ঔষধৰ প্রয়োজন, নীৰোগীৰ কাৰণে নহয়। যিসকল বিদ্বান তেওঁলোক নীৰোগীয়া, আৰু যিসকল বিদ্যাহীন তেওঁলোক অবিদ্যাৰূপী ৰোগগ্রস্ত। এই অবিদ্যাৰূপী ৰোগ দূৰ কৰিবলৈ হলে সত্য, বিদ্যা আৰু সৎ উপদেশৰ প্রয়োজন। আহাৰ পানী খোৱাতেই ধর্ম্ম থাকে বা যায়—এই মনোবৃত্তিৰে তেওঁলোক ৰোগগ্রস্ত হৈছে আৰু এই ৰোগৰ কাৰণ হল অবিদ্যা আৰু অজ্ঞতা। কাৰোবাক আহাৰ পানী খোৱাত অনাচাৰ কৰা দেখিলে, তেওঁলোকে কয় যে ধর্ম্মভ্রষ্ট হৈ গৈছে। তেতিয়া আৰু কোনেও তাৰ কথাও শুশুনে, তাৰ লগত নৰহে আৰু কাকো তাৰ লগত বহিবলৈও নিদিয়ে।

এতিয়া কওকচোন! আপোনাৰ বিদ্যা স্বার্থৰ কাৰণে নে পৰাৰ্থৰ কাৰণে? পৰাৰ্থ তেতিয়াহে হব যেতিয়া আপোনাৰ জ্ঞান বিদ্যাৰে সেই অজ্ঞানীৰ উপকাৰ হব। যদি আপুনি কয় যে তেওঁলোকে আমাৰ কথা শুনিলে আমি কি কৰিব পাৰো? ইয়াত তেওঁলোকৰ দোষ নাই আপোনালোকৰহে. কাৰণ আপোনালোকৰ সদাচাৰ দেখিলে তেওঁলোক আপোনালোকৰ সংসৰ্গত আহি উপকৃত হলহেঁতেন। কিন্তু আপোনালোকে সহস্রজনৰ হিতক তুচ্ছ কৰি কেৱল নিজৰ সুখ-ভোগৰ চিন্তাহে কৰিছে। এইটো আপোনালোকৰ গুৰুতৰ অপৰাধ। কাৰণ পৰৰ হিত সাধনাকে ধৰ্ম্ম আৰু পৰৰ অহিত সাধনাকে অধৰ্ম্ম বোলে। গতিকে বিদ্বানে যথাযোগ্য আচৰণেৰে অজ্ঞানীক দুঃখ সাগৰৰ পৰা পাৰ কৰিব পৰা তৰণী হোৱা উচিত। সদায় অজ্ঞানীৰ দৰে আচৰণ নকৰি যাৰ দ্বাৰা আনৰ আৰু নিজৰ দিনক দিনে উন্নতি হয়—তেনে আচৰণ কৰাহে কৰ্ত্তব্য।

প্রশ্ন—আমি কোনো গ্রন্থকেই ঈশ্বৰ প্রণীত বা সর্ব্বাংশ সত্য বুলি মানিব নোৱাৰো; কাৰণ, মানৱ বুদ্ধি অভ্রান্ত নহয়। মানৱ ৰচিত সকলো গ্রন্থই ভ্রান্ত। গতিকে আমি সকলোৰে যিবোৰ সত্য, গ্রহণ কৰো আৰু অসত্যক পৰিত্যাগ কৰো। সত্য হলে, বেদ, বাইবেল, কোৰাণ আৰু অন্যান্য গ্রন্থৰ পৰাও গ্রহণ কৰো, আৰু অসত্য কাৰো পৰা নকৰো।

উত্তৰ—যি যুক্তিৰে আপুনি সত্যাগ্রহী হব খুজিছে, সেই একে যুক্তিৰেই অসত্যাগ্রহীও হয়, কাৰণ সকলো মানুহেই যদি নির্ভুল হব নোৱাৰে তেন্তে আপুনিও বিভ্রান্ত হব নোৱাৰে। ভ্রান্তৰ কথাৰ যেতিয়া সর্ব্বাংশ প্রামাণিক নহয় আপোনাৰ কথাও বিশ্বাস যোগ্য নহয়। তেনে হলে আপোনাৰ বাক্যও একেবাৰে বিশ্বাস কৰা অনুচিত। গতিকে বিহ মিহলি মিষ্টান্নৰ দৰে বর্জ্জনীয়। আপোনালোকৰ ৰচিত ব্যাখ্যা গ্রন্থবোৰো

কোনেও প্রমাণ বুলি গ্রহণ কৰিব নোৱাৰে। "চলে তো চৌবেজী ছব্বেজী বননে কো গাঠ কে দো খোকৰ ছবেজী বন গয়ে।" অর্থাৎ চতুর্ব্বেদী দেউ ষষ্ঠবেদী হবলৈ যাওঁতে নিজৰ চাৰিবেদবো দুই বেদ হেকৰাই শেষত দুইবেদী হৈ ৰল। আনৰ দৰেই আপোনালোকে সর্ব্বজ্ঞ নহয়। কেতিয়াবা হয়তো ভ্রমত পৰি সত্যক এৰি অসত্যকেই গ্রহণ কৰে। গতিকে আমাৰ দৰে অল্পজ্ঞ মানুহৰ বাবে সর্ব্বজ্ঞ পৰমাত্মাৰ বাক্যৰ সহায়তাৰ আৱশ্যক। আগত বেদৰ ব্যাখ্যানত যিদৰে লিখি অহা হৈছে সেইদৰেই আপোনাৰো সহানুভূতি হোৱা উচিত। সেয়ে নহলে "**যতো ভ্রষ্টস্ততো ভ্রষ্টঃ**" হৈ যায়। যিহেতু বেদত যি আছে সকলো সত্য; অসত্যৰ লেশমাত্রও নাই, গতিকে তাক গ্রহণ কৰাত শঙ্কা কৰা মানে নিজৰ আৰু পৰৰো হানি কৰা, এই কাৰণেই আপোনালোক আর্য্যাবর্ত্ত বাসীয়ে আপোন বুলি ভাবিব নোৱাৰে, আৰু আপোনালোক আর্য্যাবর্ত্তৰ উন্নতিৰ কাৰণো হব নোৱাৰে— কাৰণ আপোনালোকে ঘৰতেই ভিক্ষাৰী হৈছে। আপোনালোকে হয়তো ভাবিছে যে এইদৰে নিজৰ আৰু আনৰ উপকাৰ সাধন কৰিব পাৰিব; কিন্তু তাক কৰিব নোৱাৰে। যেনেকৈ কোনো সন্তানৰ মাক-বাপেকেই যদি সংসাৰৰ সকলো সন্তানৰ প্রতিপালনৰ দায়িত্ব লয়, সকলোৰে প্রতিপালন হোৱাটোতো অসম্ভৱেই আৰু নিজৰ সন্তানো প্রতিপালিত নহৈ নষ্টহে হব। আপোনালোকৰো তেনে অৱস্থাই ঘটিব। বেদাদি সত্য শাস্ত্র নমনাকৈ আপোনালোকৰ বিচাৰ বিবেচনাৰ সত্য অসত্যৰ পৰীক্ষা আৰু স্বদেশৰ কল্যাণ কেতিয়াবা কৰিব পাৰিব নে? এই দেশে যি ৰোগ ভুগিছে তাৰ ঔষধ আপোনালোকৰ হাতত নাই। য়ুৰোপবাসীসকলেও আপোনালোকৰ আৰোগ্যতাৰ চিন্তা নকৰে আৰু আর্য্যাবর্ত্তবাসীয়েও আপোনালোকক ভিন্ন মতাবলম্বী বুলি ভাবে। এতিয়াও যদি আপোনালোক চিন্তা বিবেচনা কৰি, বেদাদি শাস্ত্রৰ প্রদর্শীত পথ অনুসৰণ কৰি

দেশৰ উন্নতি সাধনত প্রবৃত্ত হয় তেতিয়াহে আপোনালোকৰ কল্যাণ হব পাৰে। আপোনালোকেতো কয় যে সকলো সত্য পৰমেশ্বৰ দ্বাৰাই প্রকাশিত হয়। তেনেহলে পৰমেশ্বৰ দ্বাৰাই ঋষিসকলৰ আত্মাত প্রকাশিত সত্য স্বৰূপ বেদক নেমানে কিয় ? আপোনালোকে বেদ নমনাৰ কাৰণ হব পাৰে যে, আপোনালোকে বেদ অধ্যয়ন কৰা নাই আৰু তাৰ বাবে আগ্রহো নাই। তেতিয়াহলে আপোনালোকৰ বেদৰ জ্ঞান কেনেকৈ হয় ?

৬। খ্রীষ্টিয়ান আৰু মুছলমান সকলৰ দৰেই আপোনালোকেও উপাদান কাৰণ বিনাই জগতৰ উৎপত্তি আৰু জীৱও উৎপন্ন হয় বুলি মানে। জগতৰ সৃষ্টি জীৱ আৰু ঈশ্বৰৰ ব্যাখ্যা প্রসঙ্গত এই বিষয়ে উত্তৰ দিয়া হৈছে। বিনা কাৰণে কার্য্য হোৱা যেনেকৈ অসত্তৰ উৎপন্ন হোৱা বস্তুৰ বিনাশ নোহোৱাও তেনেকৈ অসত্তৰ।

৭। পশ্চাত্তাপ আৰু প্রার্থনাৰ দ্বাৰাই পাপ ক্ষয় হয় বুলি যদি আপোনালোকে বিশ্বাস কৰে, সিয়ো আপোনালোকৰ ভুল ধাৰণা। এনে বিশ্বাসৰ পৰাই জগতত পাপৰ বৃদ্ধি হৈছে। পুৰাণবাদী সকলে তীর্থযাত্রাৰ দ্বাৰা, জৈনসকলে "নৱকাৰ" মন্ত্রজপ, আৰু তীর্থাদিৰ দ্বাৰা; খ্রীষ্টিয়ান সকলে যিশুৰ প্রার্থনাৰ দ্বাৰা, আৰু মুছলমানসকলে "তোৱা, তোৱা" শব্দ উচ্চাৰণৰ দ্বাৰাই পাপ ভোগ নকৰাকৈ পাপৰ খণ্ডন হয় বুলি বিশ্বাস কৰে। এনেকুৱা যুক্তিহীন বিশ্বাসৰ পৰা পাপলৈ মানুহৰ ভয় নহয়, প্রবৃত্তিহে হয়। এই বিশ্বাসত ব্রাহ্ম আৰু প্রার্থনা সমাজ পন্থীসকল পৌৰাণিক সকলৰ দৰেই একমত। তেওঁলোকৰ বেদৰ জ্ঞান হলে উপলব্ধি কৰিব পাৰিলেহেঁতেন যে যি পাপ আৰু পুণ্যৰ কর্ম্ম কৰে তাৰ ফল ভোগ নকৰাকৈ নিবৃত্ত হব নোৱাৰে। এই উপলব্ধি হলে সদায় পাপত ভয়

আৰু ধর্ম্মত মতি হলহেঁতেন বিনা ভোগে নবৃত্তি মানিলে ঈশ্বৰ ন্যায়কাৰী হব নোৱাৰে।

৮। আপোনালোকে যে জীৱৰ উন্নতি অনন্ত বুলি বিশ্বাস কৰে সেইটো কেতিয়াও সম্ভৱ নহয়; কাৰণ জীৱ সসীম; জীৱৰ গুণ-কর্ম্ম-স্বভাৱৰ ফলো নিশ্চয় সসীম।

প্রশ্ন—যিহেতু পৰমেশ্বৰ দয়ালু, গতিকে তেওঁ অসীম, কর্ম্মতো অসীম ফল দিব পাৰে।

উত্তৰ—তেতিয়া হলে পৰমেশ্বৰ ন্যায়কাৰী নহয়, ধর্ম্ম কর্ম্মৰো উন্নতি নহব যদি পৰমেশ্বৰে অলপ সৎ কর্ম্মৰ বাবে অনন্ত ফল দিয়ে আৰু যদি প্রার্থনা বা অনুতাপ কৰিলেই গুৰুতৰ পাপ দূৰ হয়। এনে বিশ্বাসৰ পৰাই অধর্ম্মৰ বৃদ্ধি আৰু ধর্ম্মৰ হ্রাস হয়।

প্রশ্ন—আমি স্বাভাৱিক জ্ঞানক বেদতকৈও শ্রেষ্ঠ বুলি মানো, নৈমিত্তিকক শ্রেষ্ঠ বুলি নেমানো, কাৰণ পৰমেশ্বৰ প্রদত্ত স্বাভাৱিক জ্ঞান আমাৰ নহলে বেদকো কেনেকৈ অধ্যয়ন কৰি বুজিব বা বুজাব পাৰিব ? গতিকে আমাৰ মত সর্ব্বশ্রেষ্ঠ।

উত্তৰ—আপোনাৰ যুক্তি নিৰর্থক, কাৰণ, আনৰ প্রদত্ত জ্ঞান স্বাভাৱিক হব নোৱাৰে। সহজাত জ্ঞানহে স্বাভাৱিক যাৰ বৃদ্ধি বা হ্রাস নাই। তাৰ দ্বাৰাই কোনেও উন্নতি কৰিব নোৱাৰে, কাৰণ স্বাভাৱিক জ্ঞান থকা সত্ত্বেও বনৰীয়া মানুহে উন্নতি কৰিব নোৱাৰে কিয় ? নৈমিত্তিক জ্ঞানহে উন্নতিৰ কাৰণ। দেখক! বাল্যকালত আমাৰ আৰু আপোনালোকৰো কর্ত্তব্য-অকর্ত্তব্য বা ধর্ম্ম-অধর্ম্মৰ যথার্থ জ্ঞান নাছিল। আন জ্ঞানী বিজ্ঞানীৰ পৰা শিকাৰ পাছতহে কর্ত্তব্য অকর্ত্তব্য বা হিতাহিতৰ বোধ হবলৈ ধৰিছে। গতিকে স্বাভাৱিক জ্ঞানক শ্রেষ্ঠ বুলি মনাৰ কোনো যুক্তি নাই।

৯। আপোনালোকে যে পূর্ব্বজন্ম আৰু পৰজন্ম স্বীকাৰ নকৰে, এই ধাৰণা আপোনালোকে খ্ৰীষ্টিয়ান আৰু মুছলমানসকলৰ পৰা গ্ৰহণ কৰিছে। পুনর্জ্জন্ম আলোচনা প্ৰসঙ্গত পুনৰ্জন্মৰ যুক্তি প্ৰদৰ্শন কৰা হৈছে। এই প্ৰসঙ্গত ইমানেই জানি ৰাখক যে জীৱ শাশ্বত অৰ্থাৎ নিত্য আৰু জীৱৰ কৰ্ম্মও প্ৰবাহ ৰূপে নিত্য। যিহেতু কৰ্ম্ম আৰু কৰ্ম্মীৰ সম্বন্ধ নিত্য। জীৱ কোনো অৱস্থাতেই নিষ্কৰ্ম্মা হৈ নেথাকে। আপোনালোকৰ মতে পৰমেশ্বৰো নিষ্কৰ্ম্মা হয়। পূৰ্ব্বাপৰ জন্ম অস্বীকাৰ কৰিলে কৃতহানি আৰু অকৃতাভ্যাগম নৈৰ্ঘৃণ্য আৰু বৈষম্য দোষো ঈশ্বৰত ঘটে। কাৰণ জন্ম নহলে জীৱৰ পাপ পুণ্যৰ ফল ভোগ কৰিব নোৱাৰে। কাৰণ পৰৰ যেনেকৈ সুখ দুঃখ, আৰু লাভ ক্ষতি কৰা হয়, সেই অনুসাৰে তাৰ ফল ভোগ জীৱই দেহ ধাৰণ বিনা কৰিব নোৱাৰে। পূৰ্ব্ব জন্মৰ পাপ পুণ্যৰ ফল অনুসাৰে নহলে ঈশ্বৰ ন্যায়পৰায়ণ হব নোৱাৰে। তেতিয়া হলে কৰ্ম্মফল ভোগৰ প্ৰশ্নই নুঠে। এইবোৰ কাৰণত আপোনালোকৰ ধাৰণা যুক্তি সঙ্গত নহয়।

১০। ইয়াৰ উপৰিও ঈশ্বৰৰ বাহিৰে দিব্য গুণবিশিষ্ট বস্তুবোৰ আৰু বিদ্বানসকলক দেৱতাৰূপে নমনাও অসঙ্গত হয়। কাৰণ পৰমেশ্বৰক যেতিয়া মহাদেৱ বোলা হয়, অন্য দেৱ নেথাকিলে মহাদেৱ কেনেকৈ বুলিব? সকলো দেৱতাৰ অধিপতি কাৰণেই তেওঁৰ নাম মহাদেৱ।

১১ অগ্নিহোত্রাদি পৰহিতকৰ—কৰ্ম্মানুষ্ঠানবোৰৰ কৰ্ত্তব্য বুলি নমনাও সঙ্গত নহয়। (১১) ঋষি মুনিসকলে কৰি যোৱা উপকাৰ অস্বীকাৰ কৰি যীশু আদিৰ প্ৰতি অনুৰক্ত হোৱাও সঙ্গত নহয়। (১৩) কাৰণ বিদ্যা বেদৰ বাহিৰে অন্য কাৰ্য্য বিদ্যাৰ প্ৰবৃত্তি স্বীকাৰ হোৱা একেবাৰেই অসম্ভৱ। (১৪) বিদ্যাৰ চিহ্নস্বৰূপ যজ্ঞোপবীত আৰু শিখাক পৰিহাৰ কৰি মুছলমান আৰু খ্ৰীষ্টিয়ান সকলক অনুকৰণ কৰা অযুক্তিকৰ। পটলুন

আদি পৰিধান কৰে আৰু "তমগো" অৰ্থাৎ পদক আদি পাৱলৈও আকাঙ্খা যেতিয়া কৰে—যজ্ঞোপবীত আদিৰ ভাৰ বহন কৰিব নোৱাৰে নেকি? (১৫) ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি তাৰ পাছতো আৰ্য্যাবৰ্ত্তত অনেক বিদ্বান হৈ গৈছে। সেই সকলৰ গৌৰৱ নকৰি ইয়ুৰোপীয় সকলৰেই প্ৰশংসাৰত হোৱা মানে পক্ষপাত আৰু ভোষামোদৰ বাহিৰে আন কি হব পাৰে? (১৬) বীজাঙ্কুৰৰ দৰে জড় আৰু চেতনৰ সংযোগত জীৱৰ উৎপত্তি, উৎপত্তিৰ পূৰ্ব্বে জীৱতত্ত্বৰ অভাৱ মনা আৰু উৎপন্ন বস্তুৰ বিনাশ নমনা, পূৰ্ব্বাপৰ বিৰুদ্ধ। উৎপত্তিৰ আগত চেতন আৰু জড় নেথাকিলে জীৱ কৰ পৰা আহে আৰু কাৰ লগত সংযুক্ত হয়? যদি জীৱ আৰু জড় দুয়োকো সনাতন মানে তেনেহলে ঠিক, যদিহে সৃষ্টিৰ পূৰ্ব্বে ঈশ্বৰৰ বাহিৰে আন কোনো তত্ত্বৰ অস্তিত্ব স্বীকাৰ নকৰে—তেনেহলে আপোনাৰ পক্ষ নিৰৰ্থক হয়। গতিকে যদি উন্নতি সাধন কৰিব খোজে তেনেহলে "আৰ্য্য সমাজৰ" লগত যোগ হৈ সেই উদ্দেশ্য অনুসাৰে কৰ্ত্তব্যত ব্ৰতী হওক, সেয়ে নহলে একো লাভ নহব। কাৰণ আপোনালোকৰ আৰু আমাৰো কৰ্ত্তব্য একেই যে, যি দেশৰ পদাৰ্থৰে আমাৰ দেহৰ সৃষ্টি হৈছে, তৰণ পোষণ হৈ আছে আৰু থাকিব, সেই দেশৰ উন্নতি সাধনত আমি মিল হৈ তন, মন আৰু ধন অৰ্পণ কৰা উচিত। আৰ্য্য সমাজৰ দ্বাৰা আৰ্য্যাবৰ্ত্তৰ যিমান উন্নতি সাধন হোৱাৰ সম্ভৱ অন্যৰ দ্বাৰাই সিমান সম্ভৱ নহয়। এই সমাজৰ সহায়-সংযোগত যথাৰ্থ উন্নতি সাধন সম্ভৱ, কাৰণ সমাজৰ সৌভাগ্য বৰ্দ্ধন কৰা কলোৱে কাম, এজনৰ নহয়।

প্ৰশ্ন—আপুনি চোন সকলো মতকেই খণ্ডন কৰি আহিছে, কিন্তু নিজৰ নিজৰ ধৰ্ম্মত সকলোৱেই শ্ৰেষ্ঠ, গতিকে কাৰো মত খণ্ডন কৰা অনুচিত। আপুনি খণ্ডন কৰি তেওঁলোকতকৈ বিশেষ কি কৰ পাৰিছে? যদি কিবা বিশেষ কৈছে তেনেহলে আপোনা-

তকৈ শ্রেষ্ঠ বা আপোনাৰ সমান কোনো কেতিয়াও নাছিল নেকি? আপোনাৰ এনে অভিমান কৰা অনুচিত; কাৰণ ঈশ্বৰৰ সৃষ্টিত কোনো কাৰোবাৰ তুলনাত শ্রেষ্ঠ, সমতুল্য বা নিকৃষ্ট অনেক আছে। তাৰ বাবে কোনেও গর্ব্ব কৰা অনুচিত।

উত্তৰ—ধর্ম্ম সকলোৰে এক নে অনেক? যদি অনেক তেন্তে ইটো সিটোৰ বিরুদ্ধ নে অবিরুদ্ধ? যদি বিরুদ্ধ বুলি কয়—তেন্তে ধর্ম্ম একৰ বাহিৰে দুই হব নোৱাৰে। যদি অবিরুদ্ধ বুলি কয়—তেনেহলে বেলেগ বেলেগ থকা নিৰর্থক। গতিকে ধর্ম্ম আৰু অধর্ম্ম সকলোৰে একেই; অনেক হব নোৱাৰে। মই যি বিশেষ কৈছো, সেইটো এই যে, যদি কোনো বজাই সকলো সম্প্রদায়ৰ নেতাসকলক একেলগ কৰে, তাৰ সংখ্যা এহেজাৰৰ কম নহব। কিন্তু সকলো সম্প্রদায় প্রধানকৈ চাৰি ভাগত বিভক্ত যেনে:—"পুৰাণী" (পৌৰাণিক) "কিৰাণী" (খ্রীষ্টিয়ান) "জৈন" আৰু "কুৰাণী" (মুছলমান)। সকলো সম্প্রদায় এই চাৰিটাৰ অন্তর্গত। সকলো সম্প্রদায়ৰ নেতাসকলৰ এখন সভা পাতি, তাৰ ভিতৰত প্রথম বামমার্গীৰ যদি কোনো জিজ্ঞাসুৱে সোধে, হে ধর্ম্মাত্মা! মই এতিয়া-লৈকে কোনো ধর্ম্ম বা গুৰু গ্রহণ কৰা নাই। সকলো ধর্ম্মৰ ভিতৰত কোন ধর্ম্ম শ্রেষ্ঠ কওক চোন, যিটো মই গ্রহণ কৰা উচিত?

বামমার্গী—আমাৰ।

জিজ্ঞাসু—বাকী ন শ নিৱানব্বৈ (৯৯৯) ধর্ম্ম কেনে?

বামমার্গী—সকলোৱেই মিথ্যাবাদী আৰু নৰকগামী; "কৌলাৎ পৰতৰং নহি", এই বাক্যই প্রমাণ যে কোনো ধর্ম্মই আমাৰ ধর্ম্মতকৈ শ্রেষ্ঠ নহয়।

জিজ্ঞাসু—আপোনালোকৰ নো ধর্ম্ম কি?

বামমার্গী—ভগৱতীক উপাসনা কৰা, মদ, মাংস আদি পঞ্চমকাৰ

সেৱন কৰা আৰু কদ্রযামল আদি চৌষট্টি তন্ত্র মানি চলা ইত্যাদি। আপুনি মুক্তি কামনা কৰে যদি আমাৰ ধর্ম্মগ্রহণ কৰি আমাৰ শৰণ লওক।

জিজ্ঞাসু—বাৰু, এতিয়া অন্য ধর্ম্মাত্মাসকলৰ লগত সাক্ষাৎ কৰি সুধি চাওঁ, তাৰ পাছত মোৰ যাৰ প্রতি শ্রদ্ধা আৰু প্রীতি হয়, তেওঁৰেই শিষ্য হম।

বামমার্গী—কেলেই মিছাকৈ ভ্রমত পৰে? তেওঁলোকে আপোনাক নানা বকমে ভুৱা দি তেওঁলোকৰ ফান্দত পেলাই লব! মিছাকৈ কাৰো ওচৰলৈ নেযাব, আমাৰেই শৰণ লওক; নহলে, উদ্ধাৰ নহব। দেখক! আমাৰ মতত সকলো ভোগ আৰু মোক্ষ দুয়োটাকে পাব।

জিজ্ঞাসু—বাৰু, এবাৰ সুধি পুছি চোৱা ব'ক।

তাৰ পাছত শৈৱৰ ওচৰলৈ গৈ সোধাত এনেকুৱা উত্তৰেই দিলে। শৈৱই বিশেষকৈ কলে যে, শিৱ, রুদ্রাক্ষ, ভস্মধাৰণ আৰু লিঙ্গ পূজাৰ বিনা মুক্তি কেতিয়াও হব নোৱাৰে। তাৰ পাছত নবীন বেদান্তীৰ ওচৰলৈ গল।

জিজ্ঞাসু—মহাৰাজ! আপোনাৰ ধর্ম্ম কেনে কওকচোন।

বেদান্তী—মই ধর্ম্ম-অধর্ম্ম একো নেমানো, মই সাক্ষাৎ ব্রহ্ম। মোৰ আৰু ধর্ম্ম-অধর্ম্ম কি আছে? এই জগতৰ সকলো মিছা। যদি জ্ঞানী আৰু শুদ্ধ চেতন হব খোজে, তেতিয়া নিজক ব্রহ্মৰূপে ভাবি আৰু জীৱভাৱ পৰিহাৰ কৰি নিত্য মুক্ত হব পাৰে।

জিজ্ঞাসু—আপুনি যদি ব্রহ্ম, নিত্য মুক্ত তেনেহলে ব্রহ্মৰ গুণ, কর্ম্ম স্বভাৱ আপোনাৰ নাই কিয়? আৰু শৰীৰ আবদ্ধ কিয়?

বেদান্তী—আপুনি শৰীৰ দেখিছে; কাৰণ আপুনি মায়াত মুগ্ধ; মই ব্রহ্মৰ বাহিৰে আন একোকে দেখা নাই।

জিজ্ঞাসু—দ্রষ্টা আপুনি কোন? আৰু কাক দেখিছে?

বেদান্তী—দ্রষ্টা ব্রহ্ম, ব্রহ্মই ব্রহ্মকেই দেখিছে।

জিজ্ঞাসু—ব্রহ্ম দুটা নেকি?

বেদান্তী—নহয়। ব্রহ্মই নিজেই নিজকে দেখিছে।

জিজ্ঞাসু—কোনোবাই নিজেই নিজৰ কান্ধত উঠিব পাৰে নেকি? আপোনাৰ কথাত অর্থ নাই, এইবোৰ কেৱল উন্মাদৰ প্রলাপ মাত্র।

তাৰ পাছত জিজ্ঞাসুয়ে জৈনক গৈ সুধিলে। জৈনেও এই দৰেই কলে; কিন্তু বিশেষকৈ কলে যে, জৈনধর্ম্মৰ বাহিৰে আন সকলো ধর্ম্মই মিছা। জগত অনাদি কালৰ পৰা যেনেকৈ আছিল তেনেকৈয়ে আছে আৰু ভবিষ্যতেও থাকিব। কাৰণ আমি "সম্যক্‌কৃত্বী", অর্থাৎ সর্ব্বোতোভাবে যি উত্তম কথা সেইবোৰহে মানো। জৈন পন্থীৰ বাহিৰে বাকী সকলোবোৰ "মিথ্যাত্বী"।

তাৰ পাছত জিজ্ঞাসু আগবাঢ়ি গৈ খ্রীষ্টিয়ান পাদ্ৰীক সুধিলে। বামমার্গীৰ দৰেই প্রশ্নোত্তৰ হল, তাৰ ভিতৰত বিশেষকৈ কলে যে, "সকলো মানুহেই পাপী, মানুহে নিজে নিজৰ পাপ দূৰ কৰিব নোৱাৰে। যীশুখ্রীষ্টক বিশ্বাস নকৰিলে কোনেও পবিত্র হৈ মুক্তি লাভ কৰিব নোৱাৰে। যীশুই সকলোৰে প্রায়শ্চিত্তৰ কাৰণে নিজৰ জীৱন বিসর্জ্জন কৰি দিয়া প্রদর্শন কৰিছে। আপুনি আমাৰ চেলা (শিষ্য) হৈ য'ক।" জিজ্ঞাসুয়ে পাদ্ৰী চাহাবক এৰি মৌলবী চাহাবৰ ওচৰলৈ গ'ল। তেওঁৰ লগতো কথোপকথন হল। মৌলবীয়ে বিশেষকৈ ইমানকেই কলে যে "লাশৰীক এক অদ্বিতীয় খুদা, তেওঁৰ পৈগম্বৰ মহম্মদ আৰু কোৰাণ শৰীফক বিশ্বাস বিনা কোনেও নিজাত (মুক্তি) পাব নোৱাৰে। যি এই মজহব নেমানে তওঁ দোজখী আৰু কাফিৰ, বাজিযুলকৎল অর্থাৎ পাপী, নৰকী আৰু বধৰ

তাৰ পাছত জিজ্ঞাসু গৈ বৈষ্ণৱৰ ওচৰ চাপি আগৰ দৰেই সোধ পোছ কৰিলে। বৈষ্ণৱে বিশেষকৈ কলে "আমাৰ তিলক আৰু ছাপ দেখি যমৰাজেও ভয় কৰে।" জিজ্ঞাসুয়ে তাকেই শুনি মনে মনে ভাবিলে" মহ, মাখি, চোৰ, ডকাইত, পুলিচ আৰু শত্রুয়ে ভয় নকৰে যেতিয়া যমদূতে ভয় কৰিব কিয়"? জিজ্ঞাসুয়ে এইদৰে ইটোৰ পাছত সিটোকৈ সুধি গল। সকলো মতবাদীয়েই নিজৰ নিজৰ মতকেই সত্য আৰু শ্রেষ্ঠ বুলি কলে। কোনোয়ে কলে "আমাৰ কবীৰ সত্য, কোনোয়ে কলে নানক, কোনোয়ে দাদু, কোনোয়ে বল্লভ, কোনোয়ে সহজানন্দ, কোনোয়ে মাধ্ব আদিক শ্রেষ্ঠ আৰু অৱতাৰ বুলি কলে। জিজ্ঞাসুয়ে সকলোবোৰ শুনিলে।

এইদৰে সহস্র মতাৱলম্বীক সুধি বুজিব পাৰিলে যে তেওঁলোকৰ সকলোৱেই সকলোৰে বিৰোধী। তেওঁ দেখিলে যে তেওঁলোকৰ ভিতৰত গুৰু হবৰ উপযুক্ত কোনো নহয়, কাৰণ তেওঁলোকৰ প্রত্যেকৰ মত যে মিছা তাৰ নাশ নিৰানব্বৈই জনে সাক্ষী দিছে। মিথ্যাবাদী, দোকানী, বেশ্যা বা বেশ্যাৰ ভৃত্যবোৰে যেনেকৈ নিজৰ নিজৰ বস্তুৰ গৌৰৱ আৰু পৰৰ নিন্দা কৰে এওঁলোকবো তেনে।

তদ্বিজ্ঞানার্থং স গুরুমেবাভিগচ্ছেৎ।
সমিৎপাণিঃ শ্রোত্রিয়ং ব্রহ্মনিষ্ঠম্ ॥১॥
তস্মৈ স বিদ্বানুপসন্নায় সম্যক্ প্রশান্তচিত্তায় শমান্বিতায়।
যেনাক্ষরং পুরুষং বেদ সত্যং প্রোবাচ তাং তত্ত্বতো ব্রহ্মবিদ্যাম্ ॥২

মুণ্ডক (খং ২, মং ১২।১৩)

অর্থঃ—সেই সত্যৰ বিজ্ঞানৰ অর্থে—(স) জিজ্ঞাসুয়ে সমিৎপাণি অর্থাৎ হাতত সমিধ আদি উপহাৰ লৈ বেদজ্ঞ ব্রহ্মনিষ্ঠৰ ওচৰলৈহে যোৱা উচিত। অর্থাৎ প্রবঞ্চকৰ ওচৰলৈ যোৱা অনুচিত ॥১॥ এইদৰে কোনো

জিজ্ঞাসু তেনেকুৱা বিদ্বানৰ ওচৰ চাপিলে, তেওঁ সেই সমাগত শান্তচিত্ত, জিতেন্দ্রিয় জিজ্ঞাসুক যথার্থ ব্রহ্মজ্ঞান আৰু পৰমাত্মাৰ গুণ-কৰ্ম্ম স্বভাৱ সম্বন্ধে উপদেশ দিব। যিবোৰ সাধন অৱলম্বন কৰিলে শ্রোতাৰ ধৰ্ম্ম, কৰ্ম্ম, কাম, মোক্ষ লাভ হয়, পৰমাত্মাক জানিব পাৰে, তাৰ শিক্ষা দিব ॥২॥

জিজ্ঞাসুৱে এইদৰে এজন আপ্ত পুৰুষৰ ওচৰলৈ গৈ কলে দেউ! সম্প্রদায়বাদী সকলৰ বাদ-বিবাদত মোৰ চিত্ত চঞ্চল হৈ পৰিছে, মই যদি এইবোৰৰ কোনো এটা মানি লওঁ তেন্তে বাকী (৯৯) ন শ নিৰানব্বৈ সম্প্রদায় মোৰ শত্রু হব। যাৰ মাত্র এজন মিত্র আৰু ন শ নিৰানব্বৈ জন শত্রু, তেওঁ কেতিয়াও শান্তিত থাকিব নোৱাৰে। গতিকে মই আপোনাৰ শৰণ লওঁ, আপুনি মোক উপদেশ দিয়ক।

আপ্তবিদ্বান – এই সকলোবোৰ মত অজ্ঞানতাৰ পৰা উৎপন্ন হৈছে আৰু বিদ্যাৰ বিৰোধী। এই সম্প্রদায়বাদী সকলে মূর্খ, অবোধ, বনবাসী মানুহক ভুৱা প্রৱঞ্চনাৰে নিজৰ নিজৰ ফান্দত পেলাই লৈ স্বার্থ সিদ্ধি কৰে। সেই দুর্ভগীয়া অজলা মানুহবোৰে মানৱ জীৱনৰ কৰ্ম্মফলৰ পৰা বঞ্চিত হৈ নিজৰ নিজৰ জীৱন নিৰর্থক কৰে। দেখক! যি বিষয়ত এই সহস্রমতৰ ভিতৰত ঐক্য আছে, সেই বেদ মত গ্রাহ্য। যিবোৰ বিষয়ত পৰস্পৰৰ ভিতৰত বিৰোধ, সেইবোৰ কল্পিত, মিছা আৰু অগ্রাহ্য।

জিজ্ঞাসু—ইয়াক পৰীক্ষা কৰা যায় কেনেকৈ?

আপ্ত বিদ্বান—আপুনি সকলো সম্প্রদায়বাদীৰ ওচৰলৈ গৈ এই বিষয়বোৰ সোধক, তাত সকলো এক মত হব। তেতিয়া জিজ্ঞাসুৱে সেই মতে সেই এহেজাৰ সম্প্রদায়বাদীৰ আগত থিয় হৈ কলে:— আপোনালোকে শুনক! আৰু তাৰ উত্তৰ দিয়ক! সত্য কথন ধৰ্ম্ম নে অসত্য কথন ধৰ্ম্ম?

সকলোৱে সমস্বৰে কলে—"সত্য কথন ধৰ্ম্ম, অসত্য কথন অধৰ্ম্ম"।

জিজ্ঞাসুৰ—বিদ্যা অধ্যয়ন, ব্রহ্মচর্য্যপালন, পূর্ণ যৌবনত বিবাহ, সৎসংসর্গ পুৰুষার্থ আৰু সদাচৰণ আদি ধৰ্ম্ম নে অবিদ্যা, ব্রহ্মচর্য্য হানি, ব্যভিচাৰ অসৎসংসর্গ, আলস্য, অসদাচৰণ, ছল, কপট, হিংসা আৰু পৰৰ অহিত চিন্তা আদি?" সকলোৱে উত্তৰ দিলে" বিদ্যাদি আচৰণ ধৰ্ম্ম, আৰু অবিদ্যাদিৰ আচৰণ অধৰ্ম্ম"। তেতিয়া জিজ্ঞাসুৱে কলে" এইদৰে আপোনালোক সকলো একেমত হৈ সত্য ধৰ্ম্মৰ উন্নতি আৰু অসত্য মার্গৰ হানি নকৰে কিয়?" তেতিয়া আকৌ সকলোৱে কলে—'তেনে কৰিলে আমাক আৰু কোনে মানিব? তাৰ পৰা আমাৰ শিষ্যবোৰে আমাৰ আজ্ঞা নমনা হব; আমাৰ জীবিকাও নষ্ট হব আৰু আমি যি সুখ সম্মান ভোগ কৰিছো, তাৰ পৰাও বঞ্চিত হব লাগিব। গতিকে এইবোৰ জানি শুনিও আমি নিজৰ নিজৰ ভিন্ন কবি প্রচাৰ কৰো, আৰু তাৰ কাৰণেহে আমাৰ আগ্রহ; কাৰণ "বোটী খাইয়ে শঙ্কৰ সে দুনিয়া ঠগিয়ে মক্কৰ সে", আচল কথা কি জানেনে? সংসাৰত সৰল সত্যবাদীক কোনেও একো নিদিয়ে, আৰু নোসোধেও। যি চালাক চতুৰ আৰু ধূর্ত্ত তাৰ সকলো পিনে জয় জয় ময় ময়"।

জিজ্ঞাসু—আপোনালোকে এইদৰে জনসাধাৰণক প্রৱঞ্চনা কৰাৰ বাবে ৰাজ্যাধিকাৰীয়ে আপোনালোকক দণ্ড নিদিয়ে কিয়? (

মতবাদী—আমি ৰাজ্য পৰিচালক সকলক শিষ্য কৰি লৈছো। আমি যি ফান্দত পেলাই ৰাখিছো তাৰ পৰা মুক্ত হোৱা সহজ নহয়।

জিজ্ঞাসু—আপোনালোকে যে ছল প্রৱঞ্চনা কৰি অন্ত মতাৱলম্বীক প্রতাৰিত আৰু ক্ষতিগ্রস্ত কৰিছে তাৰ বাবে অন্তর্য্যামী ঈশ্বৰক কি উত্তৰ দিব? আপোনালোকে যে ঘোৰ নৰকত পৰিব লাগিব। কেৱল জীৱিকাৰ কাৰণে এনেকুৱা গুৰুতৰ অপৰাধৰ পৰা বিৰত নহয় কিয়? যি হব লগা আছে, দেখা যাব। নৰক ভোগ বা ঈশ্বৰৰ শাস্তি যেতিয়া

মতবাদী—যেতিয়াহয় হব ; এতিয়াতো আমি সুখ ভোগ কবিব পাবিছো । মানুহে আমাক সন্তোষ মনে ধন বস্তু দান কবে, আমি বলপূর্ব্বক কাবো পবা নলওঁ যেতিয়া কিয় আমাব বাজদণ্ড হব ?

জিজ্ঞাসু—কোনোবে নাবালকব পবা ফুচুলাই ধন বস্তু হবন কবিলে, দণ্ডিত হয় । আপোনালোকবেই বা নহব কিয় ? কাবণ—

অজ্ঞো ভবতি বৈ বালঃ পিতা ভবতি মন্ত্রদঃ ॥

মনুঃ (অঃ ২ শ্লোকঃ ৫৩) ॥

বয়সত বৃদ্ধ হলেও অজ্ঞলোকক বালক আক জ্ঞান দাতাক পিতা আক বৃদ্ধ বোলে । বুদ্ধিমান বিদ্বান আপোনালোকব কথাত মোহ নাযায় ; যিবোব বালকব দবে জ্ঞান বিবেচনাহীন, সেইবোবক আপোনালোকে প্রতাবণা কবে । তাব কাবণে আপোনালোকে বাজদণ্ড পাব লাগে ।

মতবাদী—বজা, বাজ্যিক কর্ম্মচাবী আক প্রজা সকলোরেই যেতিয়া আমাব মতাবলম্বী আমাক কোনে দণ্ড দিব ? যেতিয়া তেনেকুবা কিবা ঘটে তেতিয়া এইবোব এবি অন্য কিবা ব্যবস্থা অবলম্বন কবা যাব ।

জিজ্ঞাসু—আপোনালোকে অকর্ম্মন্য হৈ, নিবর্থক পবব ধনেবে উদব পুবণ কবি নাথাকি ; বিদ্যা শিক্ষা কবি গৃহস্থব বালক-বালিকাবোবক শিক্ষা দিব পাবিলে সমাজব আক আপোনালোকবো কল্যাণ সাধিব পাবে ।

(মতবাদী)—শৈশবব পবা বৃদ্ধ পর্য্যন্ত সুখ ভোগ এবি, বাল্যব পবা যৌবনলৈকে বিদ্যা শিকাত কষ্ট কবা, তাব পাছত আকৌ অধ্যাপন আক উপদেশ দিয়াত চিবজীবন পবিশ্রম কবাব প্রয়োজন কি ? আমি বিনা যত্ন আক বিনা পবিশ্রমে অজস্র ধন সম্পত্তি লাভ কবি সুখ ভোগ কবিব পাবিছো যেতিয়া তাক পবিত্যাগ কবিম কেলেই ?

জিজ্ঞাসু— ইয়াব পবিণাম ভাল নহয় । দেখক ! আপোনালোকে ভয়ানক বোগ ভুগীব লগা হয়, অকাল মৃত্যু ঘটে, আক জ্ঞানীসকলব তথাপি বুজিব নোৱাবে কিয় ?

মতবাদী—অবে ভাই !

টকা ধর্ম্মষ্টকা কর্ম্ম টকা হি পবমং পদম্ । ।
যস্য গৃহে টকা নাস্তি হা ! টকা টক্ টকায়তে ॥১॥
আনা অংশকলাঃ প্রোক্তা রূপ্যোঽসৌ ভগবান্ স্বয়ম্ ।
অতস্তং সর্ব্ব ইচ্ছন্তি রূপ্যং হি গুণবত্তমম্ ॥ ২ ॥

তুমি এতিয়া বালক, সংসাবব বিষয় একো নেজানা । চোৱা ! টকা বিনে ধর্ম্ম, টকা বিনে কর্ম্ম, টকা বিনে পবমপদ লাভ নহয় । যাব ঘবত টকা নাই সি "হায় টকা হায় টকা" ! কবি কবি টক্ টক্ কৈ ভাল বস্তুলৈ চায় থাকে, আক মনব লোভত ভাবে হায় ! মোবো টকা থকা হলে এই ভাল ভাল বস্তুবোব ভোগ কবিব পাবিলো হেতেন" ॥ ১ ॥ ষোল কলাযুক্ত ভগবানব কথা সকলোরেই শুনিছে কোনেও দেখিবলৈ পোৱা নাই কিন্তু ষোল অনা আক পইচা কড়িরূপ কলা যুক্ত টকাই সাক্ষাৎ ভগবান । এই কাবণে সকলোরেই টকাব চিন্তা কবে ; কাবণ টকাবেই সকলো কার্য্য সিদ্ধি হয় ।

জিজ্ঞাসু—হয় নেকি ? আপোনালোকব ভিতবব লীলা খেলা এতিয়া বাহিব হৈছে । আপোনালোকে এই সকলোবোব ভণ্ডামী কেবল নিজব স্বার্থব কাবণেই বচনা কবিছে কিন্তু ইয়াব দ্বাবাই সমাজব সর্ব্বনাশ ঘটিব লাগিছে—যেনেকৈ সৎ উপদেশব পবা জগতব কল্যাণ হয় অসৎ উপদেশব পবা নাশ হয় । আপোনালোকব যদি টকাবেই প্রয়োজন তেনেহলে চাকবি বা বেপাব কবি ধন নঘটে কিয় ?

মতবাদী—তাত অশেষ পবিশ্রম আক কেতিয়াবা ক্ষতিও হয় হয় ; কিন্তু আমাব এই লীলা খেলাত কেতিয়াও অলপো ক্ষতি নহয়; সদায় লাভেই লাভ । দেখক ! তুলসী পাতব নির্ম্মালী দিলে, চবণামৃত প্রদান কবিলে বা কণ্ঠত কণ্ঠী বান্ধি দি নতুন কবালে শিষ্যসকল চিবজীবন

পশুৰ দবে বশ হৈ যায়; তাৰ পাছত সিহঁতক ইচ্ছামতে চলাব পাবি।

জিজ্ঞাসু—মানুহে (শিষ্যবোবে) ইমানকৈ ধনবন্ত কিহৰ কাৰণে দিয়ে?

মতবাদী—ধর্ম্ম, স্বর্গ আৰু মুক্তিৰ কাৰণে।

জিজ্ঞাসু—আপোনালোক নিজেই যেতিয়া মুক্ত নহয়, মুক্তিৰ স্বৰূপ আৰু তাৰ সাধনো নেজানে, আপোনালোকৰ শিষ্য সকলে আপোনালোকৰ পৰা কি পাব?

মতবাদী—ইহলোকত কেনেকৈ পাব। মৰাৰ পাছত পৰলোকত হে পাব পাবে। তেওঁলোকে আমাক যিমান দান কৰে আৰু আমাৰ যিমান সেৱা শুশ্রূষা কৰে তাৰ সকলো ফল পৰলোকত লাভ কৰিব।

জিজ্ঞাসু—তেওঁলোকে আপোনালোকক দিয়াৰ ফল পাওক বা নেপাওক আপোনালোকে লোৱাবোবে কি পাব। নৰক নে অন্য কিবা?

মতবাদী—আমি ভজন কীর্ত্তন কৰো তাৰ বাবে আমি সুখ পাম।

জিজ্ঞাসু—আপোনালোকে টকাৰ কাৰণে কৰে: টকা ইয়াতেই পৰি থাকিব। যি মাংসপিণ্ডৰ ভৰণ-পোষণ কৰিছে সিও ভস্ম হৈ ইয়াতেই পৰি থাকিব। ঈশ্বৰ উপাসনা কৰাহেঁতেন আপোনালোকৰ আত্মা পবিত্র হলহেঁতেন।

মতবাদী—কেলেই আমি অশুদ্ধ নেকি?

জিজ্ঞাসু—আপোলোকৰ অন্তৰ অতি পবিত্র।

মতবাদী—তুমি কেনেকৈ জানিলা?

জিজ্ঞাসু—আপোনালোকৰ ৰীতি-নীতি আৰু ব্যৱহাৰেই কৈছে

মতবাদী—মহাত্মাসকলৰ ব্যৱহাৰ হাতী দাঁতৰ দৰে। হাতীৰ আহাৰ খোৱা দাঁতৰ স্বৰূপ একৰকম আৰু দেখুৱা দাঁতৰ স্বৰূপ অন্য ৰকম সেইদৰে আমাৰো অন্তৰ পবিত্র, কেৱল বাহিৰত হে লীলা কৰো।

জিজ্ঞাসু—আপোনালোকৰ অন্তৰ পবিত্র হলে, বাহিৰৰ কর্ম্মও পবিত্র হলহেঁতেন। গতিকে আপোলোকৰ অন্তৰ অপবিত্র।

মতবাদী—আমি যেনেকুৱাই হওঁ লাগে, আমাৰ শিষ্যসকল অৱশ্যে ভাল।

জিজ্ঞাসু—আপুনি যেনে গুৰু আপোনাৰ ভকতো তেনেই হব।

মতবাদী—একেৰকম কেতিয়াও হব নোৱাৰে, কাৰণ মানুহৰ গুণ, কর্ম্ম, স্বভাৱ ভিন্ন ভিন্ন।

জিজ্ঞাসু—বাল্যকালৰ পৰা সত্য আদি ধর্ম্মৰ গ্রহণ, আৰু অসত্য আদি অধর্ম্মৰ ত্যাগ কৰিবলৈ শিকা হলে নিশ্চয় একমত হব পাবে। মতদ্বৈধ অর্থাৎ ধর্ম্মাত্মা আৰু অধর্ম্মাত্মা সদায় থাকিব। সংসাৰত ধর্ম্মাত্মাৰ সংখ্যা অধিক হলে সুখ শান্তিৰ বৃদ্ধি আৰু অধর্ম্মাত্মাৰ সংখ্যা অধিক হলে দুঃখ অশান্তিৰ বৃদ্ধি হয়। বিদ্বান সকলে একে শিক্ষা দিলে সকলো একেমত হোৱাত একো পলম নহয়।

মতবাদী—সেইবোৰ আছিল সত্য যুগৰ কথা, এতিয়া কলিযুগ।

জিজ্ঞাসু—কলিযুগ কালৰ নাম। কাল নিষ্ক্রিয়, গতিকে কোনোৱে ধর্ম্ম অধর্ম্মৰ সাধক বা বাধক হব নোৱাৰে। আচলতে আপোনালোকেই সাক্ষাৎ মূর্ত্তিমান কলিযুগ হৈ আবির্ভাৱ হৈছে। মানুহেই সত্যযুগ আৰু কলিযুগ, নহলে সংসাৰত ধর্ম্মাত্মা কোনোৱেই নেথাকিলেহেঁতেন। দোষ গুণ সংসর্গজাত, স্বাভাৱিক নহয়।

ইমানলৈকে কথোপকথন কৰাৰ পাছত জিজ্ঞাসু গৈ আপ্তপুৰুষক কলে—"দেউ! আপুনি মোক ৰক্ষা কৰিলে। নহলে ময়ো এওঁলোকৰ ফাণ্ডত পৰি নষ্ট ভ্রষ্ট হলো হেঁতেন। এতিয়াৰ পৰা ময়ো এই পাষণ্ডবোৰৰ প্রতিবাদ আৰু বৈদিক সৎ আদর্শৰ প্রতিপাদন আৰু প্রচাৰ কৰিম।

আপ্ত—যাতে সত্যৰ আচৰণ, আৰু অসত্যৰ পৰিত্যাগ কৰিব পাৰি, তাকেই সকলোকে পঢ়োৱা, শুনোৱা আৰু সকলোৱে সেইমতে আচৰণ কৰা, বিশেষকৈ বিদ্বান আৰু সন্যাসী সকলৰ প্রধান কর্ত্তব্য।

প্রশ্ন— ব্রহ্মচাৰী আৰু সন্ন্যাসী সকল কেনে?

উত্তৰ—ব্রহ্মচর্য্য সন্ন্যাস এই দুয়ো আশ্রমৰ নৈতিক সিদ্ধান্ত আদর্শনীয়, কিন্তু আজি কালি এইবোৰতো নিন্দনীয় আচৰণ দেখা যায়। কতই যে

জটা বঢ়াই নামত ব্রহ্মচাৰী হৈ সাধুতাৰ প্রদর্শন কৰে ; জপ, তপ আদি আচৰণত ব্যস্ততা দেখুৱায়, কিন্তু বিদ্যা অধ্যয়নৰ ফালে একো নাই ; ব্রহ্মচাৰী মানে (ব্রহ্ম) বেদবিদ্যা আদি অধ্যয়নত ব্রতী। আচলতে তেওঁলোকে বেদ বিদ্যা চর্চ্চা লেশ মাত্রও নকৰে। এনেকুৱা ব্রহ্মচাৰী ছাগলীৰ গলস্তনৰ দৰে নিৰর্থক। এইদৰেই যিবোৰ বিদ্যাহীন সন্ন্যাসী দণ্ড, কমণ্ডলু লৈ কেৱল ভিক্ষা কৰি ফুৰে, কম বয়সতেই সন্ন্যাসী হৈ ঘুৰি ফুৰে, তীর্থ আৰু পাষাণাদি মূর্ত্তি দর্শন, পূজন কৰি ঘুৰি ফুৰে, ভৰপেট ভোজন কৰি কোনো নির্জ্জন স্থানত আৰাম কৰি শুই শুই দিন কটায়, ঈর্ষা-দ্বেষগ্রস্ত, পৰনিন্দা আৰু কুচেষ্টাশীল, সন্ন্যাসীৰ বেশ ধাৰণ কৰিয়েই নিজক কৃতার্থ বুলি ভাবে, যি পৰোপকাৰ আৰু সৎকর্ম্মত আগ্রহহীন, এনেকুৱা সন্ন্যাসীৰ জীৱন নিৰর্থক আৰু সমাজৰ ভাৰমাত্র। যিসকল জগতৰ হিত সাধক তেওঁলোকৰ সন্ন্যাস জীৱন ধন্য।

প্রশ্ন—গিৰি, পুৰী, ভাৰতী, আদি গোঁসাইবোৰ কেনে ? কাৰণ তেওঁলোকে যলৈ তলৈ গলে মণ্ডলী বান্ধি যায়, শ শ সাধুক আনন্দিত কৰে, অদ্বৈত বাদৰ প্রচাৰ কৰে, আৰু পঠন পাঠনো কৰে, গতিকে তেওঁলোক ভাল যেন লাগে।

উত্তৰ—এই গিৰি, পুৰী আদি দহ নাম কল্পিত, এইবোৰ সনাতন নাম নহয়। তেওঁলোকৰ মণ্ডলীবোৰ কেৱল ভোজনৰ অর্থে হয়। অনেকে কেৱল ভোজনৰ কাৰণেই মণ্ডলীভুক্ত হয় আৰু মণ্ডলীৰ গৌৰবো কৰে : তেওঁলোকৰ ভিতৰত এজনক মহন্ত পাতি সন্ধ্যা সময় প্রধানৰূপে গাদীত বহুৱাই ব্রাহ্মণ আৰু বাকী সাধুবোৰে ঠিয় হৈ পুষ্প হস্তে—

"নাৰায়ণং পদ্মভৰং বসিষ্ঠং শক্তিং তৎপুত্রপৰাশৰং চ।
ব্যাসং শুকং গৌৰপদং মহান্তম্ ॥"

ইত্যাদি শ্লোক পঢ়ি "হৰ হৰ" বুলি তেওঁৰ ওপৰত পুষ্প বর্ষা কৰি সাষ্টাঙ্গ প্রণাম কৰে। কোনোৱে সেই মতে নকৰিলে তেওঁলোকৰ মণ্ডলীত

থাকিব নোৱাৰে। লোকক দেখুৱাবৰ কাৰণেই এনেবোৰ ভণ্ডামী বচনা কৰে, তাৰ পৰা তেওঁলোকৰ সন্মান আৰু অর্থ সামগ্রী লাভ হয়। কত মঠাধিকাৰী গৃহস্থতৈও সন্ন্যাসীৰ অভিমান কৰে, কিন্তু তেনে কোনো কর্ম্ম নকৰে। সন্ন্যাসীৰ কর্ত্তব্য পঞ্চম সমুল্লাসত লিখা হৈছে, তাকে নকৰি কেৱল নিৰর্থক জীৱন কটায়। তেওঁলোকক কোনোৱে সৎ উপদেশ দিলেও তাৰ বিপৰীতহে বুজে। নানা ধৰণৰ রুদ্রাক্ষ, ভস্ম ধাৰণ কৰে আৰু তেওঁলোকৰ ভিতৰত অনেকে শৈৱ বুলিও গর্ব্ব কৰে আৰু কেতিয়াবা শাস্ত্রৰ অর্থ আলোচনা হয়, তেতিয়া শঙ্কৰাচার্য্যৰ যুক্তি প্রতিপাদন কৰাত লাগে। যেতিয়ালৈকে পাষণ্ড মত থাকে, তেতিয়ালৈকে পাষণ্ড মতৰ প্রতিবাদ আৰু বৈদিক আদর্শৰ প্রচাৰ হব নোৱাৰে। এই ধৰণৰ সন্ন্যাসীবোৰৰ ধাৰণা যে তেওঁলোকৰ কোনো মতৰ প্রতিপাদন বা প্রতিবাদ কৰাৰ আৱশ্যক নাই। তেওঁলোকে নিজে নিজক মহাত্মা বুলি ভাবে, গতিকে তেনেকুৱা মানুহ সংসাৰৰ বোজাহে। তেওঁলোকৰ এনেকুৱা অৱস্থাৰ কাৰণেই বৈদিক আদর্শৰ বিৰোধী বামাচাৰী আদি সম্প্রদায়, খ্রীষ্টিয়ান, মুছলমান আৰু জৈন আদিৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ ধৰিছে। তাৰ ফলত তেওঁলোকৰ যে সর্ব্বনাশ ঘটিব লাগিছে তাৰ উপলব্ধি তেওঁলোকে কৰিব পৰা নাই। তেওঁলোকৰ কর্ত্তব্যৰ বোধ আৰু তাৰ প্রতি উৎসাহ থাকিলেহে তেওঁলোকৰ সেই উপলব্ধি হব পাৰে। তেওঁলোকৰ নিজৰ নিজৰ মান সম্মান আৰু ভোজন সুখ আদিৰ বাহিৰে অন্য কিবা ডাঙৰ কর্ত্তব্যৰ দায়িত্ব আছে বুলি নেভাবে। তেওঁলোকে লোক নিন্দা বেছি ভয় কৰে (অর্থাৎ তেওঁলোক উদাস আৰু সকলোৰে প্রিয় হৈ থাকিব খোজে) কাৰণ (লোকেষণা) ইহলোকত সন্মান, (চিত্তেষণা) ধনৰ আকাঙ্খা আৰু বিষয় ভোগ আৰু (পুত্রৈষণা) শিষ্যসকলৰ প্রতি পুত্রবৎ আসক্তি, এই তিনি প্রকাৰ পৰিত্যাগ কৰা কর্ত্তব্য। এষণা দূৰ নহলে সন্ন্যাসী কেনেকৈ হয় ? পক্ষপাতৰহিত হৈ বৈদিক উপদেশেৰে

সদায় জগতৰ কল্যাণ সাধন কৰাত সন্ন্যাসী তৎপৰ থকা প্ৰধান কৰ্ত্তব্য। সন্ন্যাসীয়ে সন্ন্যাস আশ্ৰমৰ দায়িত্ব পালন নকৰিলে নামত সন্ন্যাসী হোৱা অৰ্থহীন।

গৃহাশ্ৰমী সকলে যেনেকৈ স্বাৰ্থৰ কাৰণে উদ্যোগ আৰু পৰিশ্ৰম কৰে, সেই দৰেই বা তাতোতকৈও অধিক পৰিশ্ৰম সন্ন্যাসী সকলে কৰিলেহে বাকীবোৰ আশ্ৰমৰ উন্নতি হব পাৰে। দেখক, আপোনালোকৰ আগতেই পাষণ্ড মতৰ সংখ্যা দিনকদিনে বৃদ্ধি হব লাগিছে। এইবোৰ দেখি শুনি মানুহে খ্ৰীষ্টিয়ান আৰু মুছলমান মত অবলম্বন কৰিব লাগিছে। আপোনালোকে স্বজাতিৰ ৰক্ষা আৰু আনক আপোনালোকৰ আদৰ্শৰে অনুপ্ৰেৰিত কৰিব পৰা নাই! তাৰ বাবে আপোনালোকে কোনো চেষ্টাকেই কৰা নাই। যদিহে আপোনালোক আদৰ্শ পৰায়ণ নহয়, বৰ্ত্তমান আৰু ভবিষ্যতেও আৰ্য্যাবৰ্ত্ত আৰু অন্যান্য দেশৰ কল্যাণ হব নোৱাৰে। বেদাদি সৎ শাস্ত্ৰবোৰৰ অধ্যয়ন আৰু অধ্যাপনা, ব্ৰহ্মচৰ্য্য আদি আশ্ৰম বোৰৰ যথাৰ্থ অনুশীলন আৰু সদায় সৰ্ব্বত্ৰ সৎ আলোচনাই সকলোৰে উন্নতিৰ উপায়। আপোনালোকে জানেনে নেজানে যে, আমাৰ দেশত কত পাখণ্ডৰ ছল চতুৰতা চলিব লাগিছে। উদাহৰণ স্বৰূপে কোনো জীবিকাৰ্থী সাধুৱে মানুহক জনায় যে তেওঁৰ পুত্ৰহীনক পুত্ৰ দিব পৰা অলৌকিক সাধন আছে, তাকে শুনি কত মাইকী মানুহ তেওঁৰ ওচৰলৈ গৈ চৰণ স্পৰ্শ কৰি পুত্ৰ লাভৰ কাৰণে কত কি অৰ্পণ কৰে। সেই সিদ্ধ সাধুৱে সকলোক পুত্ৰ লাভৰ নিমিত্তে আশীৰ্বাদ দিয়ে। সেই সকল নাৰীৰ ভিতৰত যাৰ যাৰ পুত্ৰ হল তেওঁলোকে ভাবে সাধুৰ আশীৰ্ব্বাদত হে পুত্ৰ লাভ হল। যদি তেওঁলোকক সোধা হয় যে গাহৰি, কুকুৰ, গাই আদিৰ পোৱালীবোৰ কোন সাধুৰ আশীৰ্ব্বাদত হয়, তেতিয়া তেওঁলোকৰ উত্তৰ নাই। যিবোৰ সাধুৱে কয় যে তেওঁলোকে সন্তান জীয়াই ৰাখিব পাৰে,

তেওঁলোকক সুধিব লাগে তেওঁলোক নিজে মৰে কিয়? কত যে ধূর্ত্তই নানা ধৰণৰ মায়া ৰচনা কৰে, তাত পৰি অতি বুদ্ধি বিবেচনা থকা মানুহো প্ৰতাৰিত হয়। এই প্ৰসঙ্গত ধনসাৰীৰ ঠগৰ কথা উল্লেখ কৰিব পাৰি।

ধনসাৰীৰ ঠগ– সিহঁতৰ পাঁচ সাতটামান লগ হৈ দূৰ প্ৰদেশলৈ যায়। যাওঁতে লগতে এটা শাৰীৰিক সুগঠন সম্পন্ন মানুহ লৈ যায়। ধনী মানুহৰ বসতি কোনো এক গাওঁ অঞ্চল বা নগৰৰ কাষৰ অৰণ্যৰ ওচৰত সেই সুশ্ৰী সম্পন্ন জনক সিদ্ধ পুৰুষ সজাই বহুৱাই ৰাখে। লগৰ কেই-টামানে সাধুৰ ভেশছন ধৰি সেই অঞ্চলৰ মানুহক সুধি ফুৰে "আপোনালোকে এনেকুৱা লক্ষণৰ এজন সিদ্ধ পুৰুষ দেখিছিলেনে"? তেতিয়া মানুহে সেই সিদ্ধৰ কথা শুনি সোধা পোছা কৰিলে অলপ ইটো সিটো ইঙ্গিত দি কয় "সেইজন এজন মহা সিদ্ধ পুৰুষ, মানুহৰ মনৰ কথাও কব পাৰে, যাকে যি কয় সেয়েই ফলিয়ায়, সেইজন মহাযোগী, আমি তেওঁক দৰ্শন কৰিবলৈ বহু দূৰৰ পৰা আহিছো। আমি বিশেষ ভাৱে শুনিছো তেওঁ এই ফালে আহি কৰবাত নিৰ্জ্জন ঠাইত আছে"। তেতিয়া শুনোতা মানুহবোৰে কয় "কেতিয়াবা সেই মহাত্মাক আপোনালোকে লগ পালে আমাকো জনাব, আমিও দৰ্শন কৰিবলৈ যাম"। এইদৰে সেই ভেশচনকাৰীবোৰে গাৱঁ নগৰে দিনত মানুহক সেই সিদ্ধৰ কথা কৈ ফুৰে। ৰাতি হলে সেই আটাইবোৰ ঠগ লগহে খাই বৈ অটাই শুই থাকে। এইদৰে কেই দিন মান প্ৰচাৰ কৰাৰ পাছত চাৰিজন ভেশচনকাৰী গৈ আগত কথা পতা কোনো এজন ধনী মানুহক জনায় যে আমি সেই পুৰুষক বিচাৰি পাইছো, আপুনি ৰৰকৈ কোৱাৰ বাৰে আপোনাক খবৰ দিবলৈ আহিছো, দৰ্শন কৰিবৰ ইচ্ছা হলে আমাৰ লগত ওলাওক, আমি নহলে আপুনি তেওঁক দেখা নেপায়"। সিহঁতৰ কথাত

বিশ্বাস কবি কোনো ধনী মানুহ যাবলৈ ওলালে সিহঁতে তেওঁক সোধে "আপোনাব বিশেষ কি মনব বাঞ্ছা আছে আমাক কওক"। তেতিয়া কোনোৱে পুত্র লাভ, কোনোৱে ধন লাভ, কোনোৱে দুবাবোগ্য ব্যাধিব আবোগ্যতা, কোনোৱে বা শত্রুক জয় কবাব ইচ্ছা প্রকাশ কবে। সেই সাধুভেশধাবীকিটাই সেই মতে যাক যেনেকৈ পায় সিদ্ধ পুৰুষব লগত পূর্ব্বব নিশ্চিত সঙ্কেত মতে ধনাকাঙ্ক্ষীক সোঁও ফালব পবা পুত্রাকাঙ্ক্ষীক আগফালব পবা আবোগ্য কামীক বাওঁফালব পবা আৰু শত্রু জয়াকাঙ্ক্ষীক পাছ ফালব পবা নি সন্মুখত মানুহব লগত বহিবলৈ দিয়ে। দর্শনার্থীসকলে নমস্কাব কবোতে সিদ্ধপুৰুষে অলৌকিক শক্তিব বলত কবলৈ ধবে— "মোব ওচবত ল'বা আছেনেকি তুমি যে পুত্র কামনা কবি আহিছা"? ধনাকাঙ্ক্ষীক কয় "মোব ইয়াত ধনভবাল আছেনেকি তুমি যে ধনব আকাঙ্খা কবি আহিছা? ফকিবব ধন কত?" বোগীব কয়— "মই জানো চিকিৎসক ধন্বন্তবী, তুমি যে মোব ওচবত আবোগ্য কামনা কবি আহিছা? মই ধন্বন্তবী বৈদ্য নহওঁ অন্য কোনো বৈদ্যব ওচবলৈ যোৱা"।

আবৌ দর্শনাভিলাষীব পিতাব বোগ হলে, সেই লগত যোৱা ছদ্মবেশীয়ে তাব বৃদ্ধাঙ্গুষ্ঠব মাকব বোগ হলে তর্জ্জনীব, ভ্রাতাব হলে মধ্যমা, পত্নীব হলে অনামিকা আৰু কন্যাব হলে কনিষ্ঠ আঙুলিবে সংকেত কবে। সেই মতে সিদ্ধ পুৰুষে কাব কি বোগ হৈছে কৈ দিয়ে। তেতিয়া সেই দর্শনার্থী কিজন মোহিত হৈ পবে। সাধু বেশী ঠগে কয় "আমি যি কৈছিলো তাব প্রমাণ পালেনে?" তেতিয়া দর্শনার্থীবোবে অবশ্যে কয়—"আপোনালোকব অনুগ্রহ আৰু আমাব সৌভাগ্যব ফলতেই এই মহাত্মাব দর্শন পাই কৃতার্থ হৈছো"। তেতিয়া সেই ভেশচন কাবীবোবে গম্ভীব আৰু আপোন ভাবে তেওঁলোকক কয়—"এই অন্তর্যামী

মহাত্মা ইয়াত বেছিদিন নেথাকে। কোনো বিশেষ আশীর্ব্বাদ লাভ কবিব খোজে যদি তন, মন, ধন, যথা সাধ্যে অর্পণ কবি সেৱা শুশ্রূষা কবক। দান দক্ষিণা সেৱা শুশ্রূষাব ফল আছে; এওঁ কাবোবাব প্রতি প্রসন্ন হলে কোৱা টান—কাক কি বব দান কবে! সিদ্ধ পুৰুষব শক্তি মহিমা অপাব"।

দর্শনকাবী সকলে সিহঁতব এনেবোব হিতোপদেশ শুনি মনব সুখ আৰু আনন্দত ঘব মুৰা হয়, সিহঁতো তেওঁলোকব লগে লগে অনুসবণ কবে, জানোচা কোনোৱে কোনেবাকৈ সিহঁতব গোপন বহস্যব সন্ধেদ উলিয়ায়, তাবো নিবীক্ষণ কবা সেইদবে দর্শনকাবীসকলে তেওঁলোকব বন্ধু-বান্ধবক মহাসিদ্ধ পুৰুষব প্রশংসা কবে। শুনিলে তাবো সুযোগ গ্রহণ কবে।

এনেকুৱা অলৌকিক সিদ্ধ মহাত্মাব বাতবি নগবব চাবিওফালে মানুহব মুখত গুণ-গুণনি শুনিলে দলে দলে দর্শনার্থী মহাত্মাব ওচবলৈ গৈ মনব বাঞ্ছা সোধে। বহুলোকব সমাগম হলে পূর্ব্ব নির্দ্দিষ্ট ব্যবস্থা অচল হৈ পবে। সিদ্ধ পুৰুষে তেতিয়া মৌনতা অবলম্বন কবে। ভেশচনকাবী ঠগে প্রচাব কবি দিয়ে "মহাত্মাই ধ্যানত আছে, বেছি বিবক্ত হলে ইয়াব পবা অন্তর্ধান হব।" তেনেকুৱা পবিস্থিতি হলে, তাব ভিতবত ধনী ধনী মানুহ চাই সেই ভেশচনকাবী ঠগে তেওঁলোকব ওচব চাপে। গোপনে তেওঁলোকব উদ্দেশ্য সুধি লয়। দর্শনার্থীও মনব কথা জানিবলৈ আকাঙ্ক্ষা কবে। তেওঁলোকক সেই নির্দ্দিষ্ট সঙ্কেত মতে বহুৱাই দিয়া হয়,—সিদ্ধ পুৰুষেও সঙ্কেত বুজি তৎক্ষণাৎ কৈ দিয়ে। তাব পাছত পবস্পব কোৱা মেলা শুনি জনসাধাবণে আচবিত পুৰুষ বুলি ভাবে। তেতিয়া উপাদেয় ভোজন, ফল-মূল, ধন-বস্ত্র আদি অর্পণ কবি অনেকে প্রার্থনা কবে। এইদবে যেয়ে যিমান দিন দান দক্ষিণা আদি অর্পণ কবে, সেই

বোব ঠগে লুণ্ঠন কবে। কোনো কোনো পুত্রহীন ধনীক পুত্র লাভব কাবণে ভস্ম অকণ দিও হেজাব হেজাব টকা পাই কয় "তোমাব ভক্তি সত্য হলে পুত্রলাভ নিশ্চয় হব।"

এইদবে অনেক প্রবঞ্চকে প্রতাবণা কবিবই লাগিছে, কেবল বুদ্ধি বিবেচনাশীল লোকেহে এনেধবণব ধূত্তব চক্রান্ত বুজিব পাবে, নির্ব্বোধ সাধাবণ মানুহে বুজিব নোৱাবে। গতিকে বেদাদি শাস্ত্রব অধ্যয়ন আক সৎসংসর্গব আৱশ্যক; যাব দ্বাবাই নিজব আক সমাজব কল্যাণ সাধিব পাবে। কাবণ বিদ্যাই মানুহব নেত্রস্বৰূপ। বিদ্যাহীনব জ্ঞান হব নোৱাবে যি বাল্যকালব পবাই সুশিক্ষা পায় সেই মানুহহে জ্ঞানী হব পাবে। যিবোব কুসঙ্গ পবায়ণ সেইবোব মহামূর্খ দুষ্ট আক পাপী হৈ অশেষ দুঃখ ভোগ কবিব লগা হয়। গতিকে জ্ঞানেই পবম শ্রেষ্ঠ। যি জানে সিহে মানে—

ন বেত্তি যো যস্য গুণপ্রকর্ষং স তস্য নিন্দাং সততং কৰোতি।
যথা কিবাতী কবিকুম্ভজাতা মুক্তাঃ পবিত্যজ্য বিভর্ত্তি গুঞ্জাঃ॥

(বৃঃ, চাঃ, অঃ, ১১, শ্লোঃ ১২)॥

এইটো কোনো কবিব বচিত শ্লোক। বনবাসী ভীলে যেনেকৈ গজমুক্তা এবি গুঞ্জাব মালা পিন্ধে, সেইদবে যি যাব গুণ নাজানে, সি সদায় তাব নিন্দাকেই কবে। যি বিদ্বান, জ্ঞানী, ধর্ম্মপবায়ণ, সৎসঙ্গী, যোগী, উদ্যোগশীল আক জিতেন্দ্রিয় তেৱেঁই ধর্ম্ম, অর্থ, কাম আক মোক্ষ লাভ কবি ইহ আক পবজন্মত আনন্দ পায়।

এইয়া আর্য্যাবর্ত্তবাসীব মতমতান্তবব বিষয়ে সংক্ষেপ আলোচনা কবা হল।

ইয়াব পাছত আর্য্যাবর্ত্তীয় বজাসকলব যি সামান্য ইতিহাস পোৱা হৈছে, তাকেই পাঠকসকলব অৱগতিব কাবণে বিবৃত কবা হৈছে :—

স্বায়ম্ভুব মনুব পবা আবম্ভ কবি মহাবাজ যুধিষ্ঠিব পর্য্যন্ত ইতিহাস মহাভাবত আদি গ্রন্থত লিখিত আছে। এতিয়া ইয়াত মহাবাজ যুধিষ্ঠিবব পবা মহাবাজ যশপাল পর্য্যন্ত আর্য্যাবর্ত্তীয় বাজবংশব ইতিহাসব সংক্ষেপ আভাস জানিব পাবিব। এই বিষয়ে ইয়াত যি লিখা হৈছে সেয়া উদয়পুব মেৱাব বাজ্যব বাজধানী চিতোব গড়ব শ্রীনাথব দ্বাবা প্রকাশিত আক ছাত্র পযেকীয়া—"হবিশ্চন্দ্র চন্দ্রিকা" আক "মোহন চন্দ্রিকা" নামব পত্রিকাব পবা অনুবাদ কবা হৈছে। বিদ্বান সজ্জনসকলে এনেকুৱা ইতিহাস আক অন্যান্য বিষয়ব গ্রন্থাবলী অনুসন্ধান কবি প্রকাশ কবিলে অতি প্রশংসনীয় কাম হব। উক্ত পত্রিকা দুখনব সম্পাদক মহোদয়ে ১৭৮২ বিক্রম সম্বতব লিখিত এখন গ্রন্থ তেওঁব কোনো বন্ধুব পবা পাই প্রচলিত ১৯৩৯ সংবতব মার্গশীর্ষ শুক্লপক্ষব ১৯ আক ২০ কিবণত অর্থাৎ পত্রিকা সংখ্যাত মুদ্রিত কবে। তাকেই প্রমাণ স্বৰূপে তলত দিয়া হল :—

আর্য্যাবর্ত্তদেশীয় ৱাজবংশাৱলী

ইন্দ্রপ্রস্থত আর্য্য বজাসকলে মহাবাজ যশপাল পর্য্যন্ত বাজত্ব কবিছিল। মহাবাজ যুধিষ্ঠিবব পবা মহাবাজ যশপাল পর্য্যন্ত আনুমানিক ১২৪ (এশ চৌব্বিশ) জন বজাই সর্ব্বমুঠ ৪১৫৭ বছব ৯ মাহ ১৪ দিন বাজত্ব কবিছিল তাব বিৱবণ তলত দিয়া হ'ল।

আর্য্য বজা ১২৪ জন। বাজত্বব কাল ৪১৫৭ বছব ৯ মাহ ১৪ দিন। ইয়াব ভিতবত যুধিষ্ঠিবব পবা ৩০ পুৰুষ পর্য্যন্ত যি সকলে আনুমানিক ১৭৭০ বছব ১১ মাহ ১০ দিন বাজত্ব কবিছিল, সেই সকলব বিৱবণ এই :—

	রজা	বছর	মাহ	দিন
১।	যুধিষ্ঠির	৩৬	৮	২৫
২।	পরীক্ষিত	৬০	০	০
৩।	জন্মেজয়	৮৪	৭	২৩
৪।	অশ্বমেধ	৮২	৮	২২
৫।	দ্বিতীয় রাম	৮৮	২	৮
৬।	ছত্রমল	৮১	১১	২৭
৭।	চিত্ররথ	৭৫	৩	১৮
৮।	দুষ্টশৈল্য	৭৫	১০	২৪
৯।	উগ্রসেন	৭৮	৭	২১
১০।	শূরসেন	৭৮	৭	২১
১১।	ভুবন পতি	৬৯	৫	৫
১২।	রণজীত	৬৫	১০	৪
১৩।	ঋক্ষক	৬৪	৭	৪
১৪।	সুখদের	৬২	০	২৪
১৫।	নরহরি দেব	৫১	১০	২
১৬।	শুচিরথ	৪২	১১	২
১৭।	শূরসেন (২য়)	৫৮	১০	৮
১৮।	পর্ব্বত সেন	৫৫	৮	১০
১৯।	মেধাবী	৫২	১০	১০
২০।	সোনচীর	৫০	৮	২১
২১।	ভীমদের	৪৭	৯	২০
২২।	নহরিদের	৪৫	১১	২৩
২৩।	পূর্ণমল	৪৪	৮	৭

	রজা	বছর	মাহ	দিন
২৪।	কবদবী	৪৪	১০	৮
২৫।	অলংমিক	৫০	১১	৮
২৬।	উদয় পাল	৩৮	৯	০
২৭।	ভুবনমল	৪০	১০	২৬
২৮।	দমাত	৩২	০	০
২৯।	ভীম পাল	৫৮	৫	৮
৩০।	ক্ষেমক	৪৮	১১	২১

রজা ক্ষেমকর প্রধান মন্ত্রী বিশ্রবাই ক্ষেমকক হত্যা করি সিংহাসন অধিকার করে। তেওঁর বংশর ১৪ পুরুষে ৫০০ বছর ৩ মাহ ১৭ দিন রাজত্ব করে। তেওঁলোকর বিবরণ :—

	রজা	বছর	মাহ	দিন
১।	বিশ্রব্ধ	১৭	৩	২৯
২।	পুরসেনী	৪২	৮	২১
৩।	বীরসেনী	৫২	১০	৭
৪।	অনঙ্গশায়ী	৪৭	৮	২৩
৫।	হরিজিৎ	৩৫	৯	১৭
৬।	পরমসেনী	৪৪	২	২৩
৭।	সুখপ্রাতাল	৩০	২	২১
৮।	কক্রান্ত	৪২	৯	২৪
৯।	সজ্জ	৩২	২	১৪
১০।	অমরচুড়	২৭	৩	১৬
১১।	অমীপাল	২২	১১	২৫

	ৰজা	বছৰ	মাহ	দিন
১২।	দশৰথ	২৫	৪	১২
১৩।	বীৰসাল	৩১	৮	১১
১৪।	বীৰসাল সেন	৪৭	০	১৪

ৰজা বীৰসাল সেনৰ প্ৰধান মন্ত্ৰী বীৰ মহা প্ৰধানে তেওঁক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ১৬ পুৰুষে ৪৪৫ বছৰ ৫ মাহ ৩ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ :—

	ৰজা	বছৰ	মাহ	দিন
১।	বীৰমহা	৩৫	১০	৮
২।	অজিত সিং	২৭	৭	১৯
৩।	সৰ্ব্বদত্ত	২৮	৩	১০
৪।	ভুবন পতি	১৫	৪	১০
৫।	বীৰ সেন	২১	২	১০
৬।	মহীপাল	৪০	৮	৭
৭।	শত্ৰুপাল	২৬	৪	৩
৮।	সঙ্ঘৰাজ	১৭	২	১০
৯।	তেজ পাল	২৮	১১	১০
১০।	মাণিক চন্দ	৩৭	৭	২১
১১।	কাম সেনী	৪২	৫	১০
১২।	শত্ৰুমৰ্দ্দন	৮	১১	১৩
১৩।	জীয়ন লোক	২৮	৯	১৭
১৪।	হৰিৰাও	২৬	১০	২৯
১৫।	বীৰ সেন (২য়)	৩৫	২	২০
১৬।	আদিত্য কেতু	২৩	১১	১৩

প্ৰয়াগৰ ৰজা ধন্ধুৰে মগধৰ ৰজা আদিত্যকেতুক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ৯ পুৰুষে ৩৭৪ বছৰ ১১ মাহ ২৬ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যথা :—

	ৰজা	বছৰ	মাহ	দিন
১।	ধন্ধুৰ	৪২	৭	২৪
২।	মহৰ্ষি	৪১	২	২৯
৩।	সনৰচচী	৫০	১০	১৯
৪।	মহাযুদ্ধ	৩০	৩	৮
৫।	ভুৱনাথ	২৮	৫	২৫
৬।	জীয়নৰাজ	৪৫	২	৫
৭।	কুন্দ্ৰসেন	৪৭	৪	২৮
৮।	আৰীলক	৫২	১০	৮
৯।	ৰাজপাল	৩৬	০	০

সামন্ত মহান পালে ৰজা ৰাজপালক হত্যা কৰে। তেওঁ ১৪ বছৰ ৰাজত্ব কৰে। তেওঁতেই ৰাজবংশ শেষ।

ৰজা বিক্ৰমাদিত্যই অৱন্তিকাৰ (উজ্জয়নী) পৰা যুদ্ধত ৰজা মহান পালক নিহত কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁ ৯৩ বছৰ ৰাজত্ব কৰে। তেওঁৰ পাছত তেওঁৰ বংশত ৰজা নহল।

শালিবাহনৰ মন্ত্ৰী পৈঠনক যোগী সমুদ্ৰপালে বিক্ৰমাদিত্যক হত্যা কৰি ৰাজ্যাধিকাৰ কৰে। তেওঁৰ বংশত ১৬ পুৰুষে ৩৭২ বছৰ ৪ মাহ ২৭ দিন ৰাজত্ব কৰে। তেওঁলোকৰ বিৱৰণ যেনে :—

	ৰজা	বছৰ	মাহ	দিন
১।	সমুদ্ৰ পাল	৫৪	২	২০

	বজা	বছব	মাহ	দিন
২।	চন্দ্রপাল	৩৬	৫	৪
৩।	সাহায় পাল	১১	৪	১১
৪।	দেবপাল	২৭	১	২৮
৫।	নবসিংহ পাল	১৮	০	২০
৬।	সাম পাল	২৭	১	১৭
৭।	বঘুপাল	২২	৩	২৫
৮।	গোবিন্দপাল	২৭	১	১৭
৯।	অমৃত পাল	৩৬	১০	১৩
১০।	বলীপাল	১২	৫	২৭
১১।	মহীপাল	১৩	৮	৪
১২।	হবীপাল	১৪	৮	৪
১৩।	সীমপাল	১১	১০	১৩
১৪।	মদন পাল	১৭	১০	১৯
১৫।	কর্ম্ম পাল	১৬	২	২
১৬।	বিক্রম পাল	২৪	১১	১৩

বজা বিক্রম পালে শশ্চিমাঞ্চলব বজা মলুখচন্দ বোহবাক আক্রমণ কবি মুখমুখিকৈ যুদ্ধ কবে। সেই যুদ্ধত মলুখচন্দে বিক্রম পালক নিহত কবি ইন্দ্রপ্রস্থব সিংহাসন অধিকাব কবে। এই বংশত ১০ পুকষে ১৯১ বছব ১ মাহ ১৬ দিন বাজত্ব কবে। তেওঁলোকব বিৱবণ যথা :—

	বজা	বছব	মাহ	দিন
১।	মলুখচন্দ	৫৪	২	০
২।	বিক্রমচন্দ	১২	৭	১২
৩।	অনীনচন্দ +	১০	০	৫

	বজা	বছব	মাহ	দিন
৪।	বামচন্দ্র	১৩	১১	৮
৫।	হবীচন্দ	১৪	৯	২৪
৬।	কল্যাণ চন্দ	১০	৫	৪
৭।	ভীমচন্দ	১৬	২	৯
৮।	লোবচন্দ	২৬	৩	২২
৯।	গোবিন্দচন্দ	৩১	৭	১২
১০।	বাণী পদ্মাবতী *	১	০	০

বাণী পদ্মাবতীব নিঃসন্তানা অৱস্থাতেই পবলোক হয়। তেওঁব মন্ত্রীসকলব সর্ব্বসম্মতি ক্রমে হবিপ্রেম বৈবাগীক সিংহাসনত বহুৱাই বাজত্ব কবে। এই বংশত ৪ পুকষে ৫০ বছব ২১ দিন বাজত্ব কবে। তেওঁলোকব নাম যথা :—

	বজা	বছব	মাহ	দিন
১।	হবিপ্রেম	৭	৫	১৬
২।	গোবিন্দপ্রেম	২০	২	৮
৩।	গোপাল প্রেম	১	৭	২৮
৪।	মহাবাহু	৬	৮	২৯

বজা মহাবাহুৱে বাজ্য ত্যাগ কবি বনবাসী হৈ তপস্যা কবিবলৈ গল। সেই সম্বাদ পাই বঙ্গদেশব বজা আধীসেনে ইন্দ্র প্রস্থলৈ গৈ নিজে বাজত্ব কবিবলৈ আবম্ভ কবে। তেওঁব বংশত ১২ পুকষে ১৫১ বছব ১১ মাহ ২ দিন বাজত্ব কবে। তেওঁলোকব বিৱবণ যথা :—

+ কোনো ইতিহাস ভীমপাল বুলি লিখা আছে—

+ কোনো কোনো গ্রন্থত মানকচন্দ বুলি আছে।

* পদ্মাবতী গোবিন্দচন্দব বাণী আছিল।

	বজা	বছব	মাহ	দিন
১।	আধী সেন	১৮	৫	২১
২।	বিলাবল সেন	১২	৪	২
৩।	কেশব সেন	১৫	৭	১২
৪।	মাধ সেন	১২	৪	২
৫।	ময়ুব সেন	২০	১১	২৭
৬।	ভীম সেন	৫	১০	৯
৭।	কল্যাণ সেন	৪	৮	২১
৮।	হবীসেন	১২	০	২৫
৯।	ক্ষেমসেন	৮	১১	১৫
১০।	নাবায়ণ সেন	২	২	২৯
১১।	লক্ষ্মী সেন	২৬	১০	০
১২।	দামোদব সেন	১১	৫	১৯

দামোদব সেনে তেওঁব পাত্র মন্ত্রী বর্গক উৎপীড়ন কবিছিল, ফলত দীপসিং নামব এজন মন্ত্রীয়ে সৈন্য সংগ্রহ কবি যুদ্ধ কবে। যুদ্ধত দামোদব সেনক নিহত কবি স্বয়ং বাজত্ব কবে। তেওঁব বংশত ৬ পুকষে ১৩৭ বছব ৬ মাহ ১২ দিন বাজত্ব কবে। তেওঁলোকব বিৱৰণ যথা :—

	বজা	বছব	মাহ	দিন
১।	দীপক সিংহ	১৭	১	২৬
২।	বাজ সিংহ	১৪	৫	০
৩।	বণসিংহ	৯	৮	১১
৪।	নবসিংহ	৪৫	০	১৫
৫।	হবিসিংহ	১৩	২	২৯
৬।	জীবন সিংহ	৮	০	১

কোনো কাবণত বজা জীবন সিংহে তেওঁব সৈন্য উত্তব ফালে পঠিওৱাত বৈবাতব বজা পৃথিবাজ চৌহানে সম্বাদ পাই জীবন সিংহক আক্রমণ আক যুদ্ধত নিহত কবি ইন্দ্রপ্রস্থ অধিকাব কবি বাজত্ব কবিবলৈ আবম্ভ কবে।

* তেওঁব বংশত ৫ পুকষে ৮৬ বছব ২০ দিন বাজত্ব কবে। তেওঁলোকব বিৱৰণ যথা :—

	বজা	বছব	মাহ	দিন
১।	পৃথিবাজ	১২	২	১৯
২।	অভয় পাল	১৪	৫	১৭
৩।	দুর্জ্জন পাল	১১	৪	১৪
৪।	উদয় পাল	১১	৭	৩
৫।	যশ পাল	৩৬	৪	২৭

গজনীব চুলতান ছাহাবুদ্দিন ঘোবীয়ে বজা যশপালক আক্রমণ কবে আক ১২৪৯ সংবতত তেওঁক প্রয়াগব দুর্গত বন্দী কবি ইন্দ্রপ্রস্থত (দিল্লীত) বাজত্ব কবিবলৈ আবম্ভ কবে। তেওঁলোকব বংশত ৫৩ পুকষে ৭৫৪ বছব ১ মাহ ১৭ দিন বাজত্ব কবে। তেওঁলোকব বিষয়ে ইতিহাসত অনেকে লিখিছে।

ইয়াব পাছত বৌদ্ধ আক জৈন মতব বিষয়ে আলোচনা হব।

ইতি শ্রীমদ্দয়ানন্দসৰস্বতী স্বামীনির্ম্মিতে সত্যার্থপ্রকাশে সুভাষাবিভূষিতে আর্য্যাবর্ত্তীয়মতখণ্ডনমণ্ডন বিষয় একাদশঃ সমুল্লাসঃ সম্পূর্ণঃ।

---

* অন্যান্য ইতিহাসত আছে ছাহাবুদ্দিন ঘোবীয়ে অনেকবাব ভাবত আক্রমণ কবিও পবাজিত হয়। শেষত ১২৪৯ সংবতত পৃথিবাজক ছাহাবুদ্দিনে পবাজিত কবে আক অন্ধ কবি স্বদেশলৈ লৈ যায়। তাব পাছত ছাহাবুদ্দিনে ইন্দ্রপ্রস্থত বাজত্ব কবে। মুছলমানব বাজত্ব কাল ৪৫ পুকষব ৬১৩ বছব।

অনুভূমিকা (২)

আর্য্যাবর্ত্তবাসী সকলৰ মাজত সত্য অসত্য নির্ণয়ৰ সাধন স্বৰূপ বেদবিদ্যাৰ পৰিবর্ত্তে অবিদ্যাৰ বিস্তাৰ হোৱা যাবে নানা মত মতান্তৰৰ উৎপত্তি হয়। ফলত জৈন আদি বিদ্যাবিৰুদ্ধ মতবোৰ প্ৰচাৰ হবলৈ ধৰে। ৰামায়ণ আৰু মহাভাৰত আদি গ্ৰন্থত জৈনৰ নাম মাত্ৰও উল্লেখ নাই, কিন্তু জৈন গ্ৰন্থবোৰত ৰামায়ণ আৰু মহাভাৰতৰ ৰাম, কৃষ্ণ আদিৰ কাহিনীবোৰ বিস্তৃত ৰূপে লিখিত আছে। ইয়াৰ পৰা এইটোৱেই প্ৰমাণিত হয় যে, জৈন মত মহাভাৰত ৰচনা হৈ যোৱাৰ পাছত প্ৰৱৰ্ত্তিত হৈছে। জৈনসকলে কোৱা মতে তেওঁলোকৰ মত অতি প্ৰাচীন হোৱা হলে ৰামায়ণ আদি গ্ৰন্থত নিশ্চয় তাৰ উল্লেখ থাকিলহেঁতেন।

কোনোৱে যদি কয় যে, জৈন গ্ৰন্থৰ আখ্যানবোৰৰ আধাৰত ৰামায়ণ আদি গ্ৰন্থ ৰচিত হৈছে, তেতিয়া তেওঁক সুধিব লাগে যে— ৰামায়ণ আদিত সেই জৈন গ্ৰন্থবোৰৰ উল্লেখ নাই কিয়? আৰু জৈন গ্ৰন্থবোৰত ৰামায়ণ আদিৰ উল্লেখ কৰাৰ কাৰণ কি? পুত্ৰই পিতাকৰ জন্ম দৰ্শন কৰিব পাৰে নেকি? কেতিয়াও নোৱাৰে। গতিকে এয়েই সিদ্ধি হয় যে জৈন 'বৌদ্ধ মত' শৈৱ, শাক্ত আদি মতবোৰ পাছত হে প্ৰকাশিত হয়।

এতিয়া এই দ্বাদশ সমুল্লাসত জৈন মতৰ বিষয়ে যিবোৰ লিখা হৈছে সেইবোৰৰ প্ৰমাণ ৰূপে জৈন গ্ৰন্থৰ পৰা উদ্ধৃতি দিয়া হৈছে। গতিকে জৈন ভ্ৰাতৃসকলে খেয়া পোৱা অনুচিত; কাৰণ তেওঁলোকৰ প্ৰতি আমাৰ লেশমাত্ৰও বিদ্বেষ ভাৱ নাই, কেৱল সত্য-অসত্যৰ যুক্তিৰেহে আলোচনা

কৰিছো। আমাৰ আলোচনা পঢ়িলে জৈন, বৌদ্ধ আৰু অন্যান্য সকলো সম্প্ৰদায়েই সত্য অসত্যৰ বিবেচনা কৰিবলৈ বা প্ৰতিবাদ কৰিবলৈকো সুযোগ পাব আৰু তাৰ পৰা সকলোৱে বাস্তৱ অনুভূতি হব পাৰে। যেতিয়ালৈকে বাদী প্ৰতিবাদী দুয়ো পক্ষই পৰস্পৰে প্ৰেম প্ৰীতিৰে যুক্তি, তৰ্ক প্ৰদৰ্শন কৰি মৌলিক বা লিখিতভাৱে আলোচনা নকৰে, তেতিয়ালৈকে সত্য-অসত্যৰ নিৰ্ণয় হব নোৱাৰে। সমাজৰ জ্ঞানীসকলে মিলা প্ৰীতিৰে সত্যাসত্যৰ নিৰ্ণয় কৰি সৎপথ প্ৰদৰ্শন কৰিব নোৱাৰিলে জন-সাধাৰণে অজ্ঞতা বশতঃ অশেষ কষ্টভোগ কৰে। গতিকে প্ৰেম প্ৰীতিৰে সকলোৱে সত্যৰ জয় আৰু অসত্যৰ ক্ষয় সাধন কৰা পৰম কৰ্ত্তব্য। ইয়াকে নকৰিলে মানৱ সমাজৰ উন্নতি সম্ভৱপৰ নহয়।

বৌদ্ধ আৰু জৈন মতৰ বিষয়ে যিবোৰ আলোচনা কৰা হৈছে সেইবোৰ বৌদ্ধ আৰু জৈনৰ বাহিৰেও অন্যান্য মতাৱলম্বীৰ পক্ষেও লাভদায়ক হব পাৰে, কাৰণ জৈনসকলে তেওঁলোকৰ গ্ৰন্থবোৰ অন্য মতাৱলম্বীক চাবলৈ, পঢ়িবলৈ বা লিখি লবলৈও নিদিয়ে। বোম্বাইৰ আৰ্য্য সমাজৰ মন্ত্ৰী শেঠ সেৱকলাল কৃষ্ণদাস আৰু আমাৰ অনেক চেষ্টাত কিছুমান জৈনগ্ৰন্থ আমাৰ হাতত পৰিছে। এই গ্ৰন্থবোৰৰ কাশীস্থ "জৈন প্ৰভাকৰ" যন্ত্ৰালয়ত মুদ্ৰণ হৈছে আৰু বোম্বাইত "প্ৰকৰণ ৰত্নাকৰ" নামৰ গ্ৰন্থখন মুদ্ৰিত হোৱাতো সকলোৱে জৈন মতৰ বিষয়ে জনাটো সম্ভৱ হৈছে।

নিজৰ সম্প্ৰদায়ৰ পুথি আনক চাবলৈ নিদিয়াটো কেনেকুৱা পণ্ডিতৰ কথা! ইয়াৰ পৰা এনে অনুমান হয় যে, এই গ্ৰন্থবোৰৰ লিখক আগৰ পৰাই সংশয়াত্মক হৈ আছে, জানোচা এই গ্ৰন্থবোৰত লিখিত অসত্য কথাবোৰ আন সম্প্ৰদায়ৰ মানুহে শুনি নিন্দা প্ৰতিবাদ কৰে আৰু নিজৰ মতানুযায়ী সকলেও অন্যান্য মতৰ গ্ৰন্থ পঢ়ি হয়তো সিথিলাকৰ প্ৰতি শ্ৰদ্ধাহীন হয়। যিকিহওক, এনেকুৱা অনেক মানুহ আছে যি নিজৰ দোষ

নেহেখে কিন্তু পহর দোষ দেখাত পাকৈত। তেনে লোকক ন্যায়াধীশে দোষ দেয়ায়। আগতে নিজৰ দোষ সংশোধন কবিহে আনৰো দোষ সংশোধন কবা কৰ্ত্তব্য। এই সমুল্লাসত বৌদ্ধ আৰু জৈন মতৰ আলোচনা কৰাত পাঠকসকলৰ বিবেচনাৰ কাৰণে আগবঢ়ালো। তেওঁলোকে নিজেই ভালকৈ বিবেচনা কবিব পাৰিব।

কিমধিক লেখেন বুদ্ধিমদ্বর্য্যেষু ॥

অথ দ্বাদশ সমুল্লাসারম্ভঃ

অথ নাস্তিকমতান্তর্গতচার্বাকবৌদ্ধজৈনমত খণ্ডনমণ্ডনবিষয়ান্ ব্যাখ্যাস্যামঃ।

কোনোবা যুগত বৃহস্পতি নামৰ এজন মানুহ আছিল, যি বেদ, ঈশ্বৰ, যজ্ঞ আদি উত্তম কৰ্ম্মবোৰ নামানিছিল। তেওঁৰ মত শুনক :—

যাবজ্জীবং সুখং জীবেন্নাস্তি মৃত্যোৰগোচৰঃ।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ॥

মনুষ্য আদি কোনো প্ৰাণীয়েই মৃত্যুৰ অগোচৰ নহয়, অর্থাৎ সকলোৱেই এদিন মৰিবই লাগিব। গতিকে যিমান দিনলৈ দেহত জীৱ থাকে সিমান দিনলৈ সুখেৰে থকা কৰ্ত্তব্য। যদি কোনোৱে কয়—যে ধৰ্ম্ম আচৰণ কৰিলে কষ্ট হয় আৰু নকৰিলেও পৰজন্মত বহুত দুখ ভুগিব লাগে। তাৰ উত্তৰো চার্বাকে দিছে—"অবোধ মানুহ। মৰাৰ পাছত দেহ ভস্ম হৈ যায়, যি যত খাইছিল সি আকৌ সংসাৰলৈ ঘুৰি নাহে। যি কোনো উপায়েৰে আনন্দত দিন কটোৱা, সংসাৰৰ ৰীতি অনুসাৰে চলা, ঐশ্বর্য্য বৃদ্ধি কৰা, যিমান পাৰা ভোগ কৰা। ইহলোকৰ বাহিৰে পৰলোক বুলি একো নাই। দেখক! পৃথিবী, জল, অগ্নি আৰু বায়ু এই চাৰি দ্ৰব্যৰ পৰিণামতেই দেহৰ নির্ম্মাণ হৈছে। আৰু তাত এইবোৰৰ সংযোগতেই চৈতন্যৰ উৎপত্তি হয়। যেনেকৈ মাদক বস্তু খালে মাদকতা (নিছা) উৎপন্ন হয়, সেইদৰেই জীৱ শৰীৰৰ লগত উৎপন্ন হৈ শৰীৰৰ নাশৰ লগত স্বয়ং বিনাশ হৈ যায়। তাত কাৰ পাপ বা পুণ্য হব?

তচ্চৈতন্যবিশিষ্টদেহ এব আত্মা,
দেহাতিরিক্ত আত্মনি প্রমাণাভাবাৎ॥

চারি ভূতর সংযোগত এই দেহত আত্মার উৎপত্তি হয় আরু এইবোরর বিয়োগ হলে আত্মারো বিনাশ হয়। কারণ মৃত্যুর পাছত জীর রূপে একো প্রত্যক্ষ নহয়। আমি কেরল প্রত্যক্ষকহে প্রমাণরূপে মানো; কারণ, আগতে প্রত্যক্ষ নহলে অনুমানাদি হবই নোরারে। মুখ্য প্রমাণ প্রত্যক্ষ নহলে অনুমান আদি গৌণ, গতিকে তাক প্রমাণ রূপে মানিব নোরারি। সুন্দরী স্ত্রীক আলিঙ্গন করিলে হোরা সুখ পুরুষার্থর ফল।

উত্তর—পৃথিবী আদি ভূত জড় জড়র পরা কেতিয়াও চৈতন্যর উৎপত্তি হর নোরারে। এতিয়া যেনেকৈ মাতা-পিতার সংযোগত দেহর সৃষ্টি হয়, সেইদরে সৃষ্টির আদিতে মনুষ্য আদি দেহর আকৃতির নির্ম্মাণ কর্ত্তা ঈশ্বরর বাহিরে আন একো হর নোরারে। (অর্থাৎ ঈশ্বরে নকরিলে হর নোরারে) মদর মাদকতার দরে চেতনর উৎপত্তি আরু তার বিনাশ নহয়, কারণ মদর নিছা চেতনরহে হয় জড়র নহয়। পদার্থ নষ্ট হোরা মানে অদৃশ্যহে হয়; অভার নহয়। দেহর লগত সংযোগ হলে জীরর প্রত্যক্ষ হয়। জীরই দেহত্যাগ করিলে অর্থাৎ মৃত্যু হলে দেহর চৈতন্য নেথাকে, তেতিয়া জড়। এই কথাকেই বৃহদারণ্যকত কৈছে :—

নাহং মোহং ব্রবীমি অনুচ্ছিত্তিধর্ম্মায়মাত্মেতি॥

যাজ্ঞবল্ক্যই মৈত্রেয়ীক কৈছে—"হে মৈত্রেয়ি! মই মোহত কথা কোরা নাই; আচলতে আত্মা অবিনাশী। আত্মার যোগ হলেহে শরীরে চেষ্টা করে, যেতিয়া দেহর পরা জীরর বিয়োগ হয়—তেতিয়া শরীরর একো জ্ঞান নেথাকে। দেহতকৈ ভিন্ন আত্মা যদি নাই, তেন্তে কার সংযোগত চৈতন্য আরু কার বিয়োগত দেহর জড়তা হয়। গতিকে চেতন আত্মা দেহতকৈ পৃথক। যেনেকৈ চকুরে সকলোকে দেখে, কিন্তু নিজক

নেদেখে, সেইদরে যি প্রত্যক্ষ করে, সি নিজে ইন্দ্রিয়র দ্বারা প্রত্যক্ষ নহয়। যেনেকৈ নিজর চকুরে ঘট পট আদি বস্তু দেখে—সেইদরে চকুক নিজর জ্ঞানরে দেখে। দ্রষ্টা কেতিয়াও দৃশ্য হর নোরারে। যেনেকৈ আধার বিনা আধেয়, কারণ বিনা কার্য্য, অবয়বী বিনা অবয়ব আরু কর্ত্তা বিনা কর্ম্ম থাকির নোরারে, সেইদরে কর্ত্তা বিনা প্রত্যক্ষ কেনেকৈ হব? সুন্দরী স্ত্রীর লগত সমাগম পুরুষার্থর ফল হলে, ক্ষণিক সুখ আরু তার পরা হোরা যি দুখ, সিও পুরুষার্থরেই ফল হব। তেনে যদি হয়, স্বর্গ সুখর শেষ হলে দুখ ভোগ করিব লাগিব। যদি কয় যে, দুখ দূর করিবলৈ আরু সুখর বৃদ্ধি করিবলৈ যত্ন করিব লাগে, তেতিয়া মুক্তি সুখর হানি হয়, গতিকে সেইরোর পুরুষার্থর ফল নহয়।

চার্বাক—যিসকলে দুখ যুক্ত সুখ পরিত্যাগ করে, তেওঁলোক মূর্খ। যেনেকৈ মানুহে পতান তিলি ধান জারি-বাছি পতান পেলাই দি ধান রাখে, সেইদরে বুদ্ধিমান মানুহে সুখ ভোগ আরু দুখ বর্জ্জন করিব লাগে। যি সকলে ইহলোকর উপস্থিত সুখ পরিত্যাগ করি অনাগত স্বর্গসুখর আশাত ধূর্ত্তর কথিত বেদোক্ত অগ্নিহোত্র আদি কর্ম্ম, উপাসনা আরু জ্ঞানকাণ্ডর অনুষ্ঠান করে—তেওঁলোক অজ্ঞানী। পরলোকেই যেতিয়া নাই, তার চিন্তা করা মূর্খতা। কারণ :—

অগ্নিহোত্রং ত্রয়ো বেদাস্ত্রিদণ্ডং ভস্মগুণ্ঠনম্।
বুদ্ধিপৌরুষহীনানাং জীবিকেতি বৃহস্পতিঃ

চার্বাক মতর প্রচারক বৃহস্পতিয়ে কৈছে যে, বুদ্ধিহীন আরু পুরুষার্থহীন মানুহে অগ্নিহোত্র, ত্রিবেদ, ত্রিদণ্ড আরু ভস্ম ঘঁহা আদি কার্য্য জীরিকা অর্জ্জনর কৌশল করি লৈছে। আচলতে কাঁইটে বিন্ধা আদির পরা যি দুখ উৎপন্ন হয় তাকেই বোলে নরক; প্রসিদ্ধ রজাই

পৰমেশ্বৰ আৰু দেহৰ নাশ হোৱাই মোক্ষ। ইয়াৰ বাহিৰে মোক্ষ বুলি একো নাই।

উত্তৰ—বিষয়ৰ সুখেই পুৰুষাৰ্থৰ ফল আৰু বিষয়ৰ দুখ নিবৃত্তি কৰাই কৃতকাৰ্য্যতা বা স্বৰ্গসুখ বুলি ভবাটো মূৰ্খতা। অগ্নিহোত্ৰ আদি যজ্ঞৰ পৰা বায়ু, বৃষ্টি আৰু জল বিশুদ্ধ হয়; তাৰ পৰা আৰোগ্য, ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ হয়। ইয়াকেই নাজানি, বেদ, ঈশ্বৰ, আৰু বেদোক্ত কৰ্ম্মৰ নিন্দা কৰা ধূৰ্ত্তৰহে কাম। ত্ৰিদণ্ড আৰু ভস্মসনাৰ নিন্দা অৱশ্যে যুক্তি সঙ্গত। কাঁইটে বিন্ধা বিষৰ পৰা হোৱা দুখ নৰক হলে, তাতোকৈ দুৰ্ঘোৰ ব্যাধিবোৰ নৰক নহব কেলেই? ঐশ্বৰ্য্যশালী আৰু প্ৰজা পালনৰ সমৰ্থ- ৰজাক শ্ৰেষ্ঠ বুলি মানা কৰা সঙ্গত কিন্তু পাপী, অন্যায়কাৰী ৰজাক পৰমেশ্বৰ জ্ঞান কৰাতকৈ অধিক মূৰ্খতা আৰু কি হব পাৰে? শৰীৰৰ বিচ্ছেদ হোৱাই মোক্ষ হলে গাধ, কুকুৰ আদিৰ লগত তোমাৰ প্ৰভেদ কি থাকিব? কেৱল আকৃতিহে ভিন্ন।

চার্ব্বাক—অগ্নিৰুষ্ণো জলংশীতং, সম স্পৰ্শস্তথাঽনিলঃ।
কেনেদং চিত্ৰিতং তস্মাৎ স্বভাবাত্তদ্ব্যস্থিতিঃ॥ ১॥
ন স্বৰ্গো নাঽপবৰ্গো বা নৈবাত্মা পাৰলৌকিকঃ।
নৈব বৰ্ণাশ্ৰমাদীনাং ক্ৰিয়াশ্চ ফলদায়িকাঃ॥ ২॥
পশুশ্চেন্নিহতঃ স্বৰ্গং জ্যোতিষ্টোমে গমিষ্যতি।
স্বপিতা যজমানেন তত্ৰ কস্মান্ন হিংস্যতে॥ ৩॥
মৃতানামপি জন্তূনাং শ্ৰাদ্ধং চেত্তৃপ্তিকাৰণম্।
গচ্ছতামিহ জন্তূনাং ব্যৰ্থং পাথেয়কল্পনম্॥ ৪॥
স্বৰ্গস্থিতা যদা তৃপ্তিং গচ্ছেয়ুস্তত্ৰ দানতঃ।
প্ৰাসাদস্যোপৰিস্থানামত্ৰ কস্মান্ন দীয়তে॥ ৫॥

যাৱজ্জীৱেৎ সুখং জীৱেদৃণং কৃত্বা ঘৃতং পিৱেৎ।
ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ॥ ৬॥
যদি গচ্ছেৎ পৰং লোকং দেহাদেৱ ৱিনির্গতঃ।
কস্মাদ্ভূয়ো ন চায়াতি বন্ধুস্নেহসমাকুলঃ॥ ৭॥
ততশ্চ জীৱনোপায়ো ব্ৰাহ্মণৈৰ্ৱিহিতস্ত্ৱিৱ।
মৃতানাং প্ৰেতকাৰ্য্যাণি ন ত্বন্যদ্ৱিদ্যতে ক্ৱচিৎ॥ ৮॥
ত্ৰয়ো ৱেদস্য কৰ্ত্তাৰো ভণ্ডধূৰ্ত্তনিশাচৰাঃ।
জৰ্ফৰীতুৰ্ফৰীত্যাদি পণ্ডিতানাং ৱচঃ স্মৃতম্॥ ৯॥
অশ্বস্যাত্ৰ হি শিশ্নস্তু পত্নীগ্ৰাহ্যং প্ৰকীৰ্ত্তিতম্।
ভণ্ডৈস্তদ্বৎ পৰৈঞ্চৈৱ গ্ৰাহ্যজাতং প্ৰকীৰ্ত্তিতম্॥ ১০॥
মাংসানাং খাদনং তদ্বন্নিশাচৰসমীৱিতম্॥ ১১॥

চার্ৱাক, আভাণক, বৌদ্ধ আৰু জৈনৰ মতে জগতৰ উৎপত্তি স্বাভাৱিক। যিবোৰ স্বাভাৱিক গুণ আছে, সেইবোৰৰ লগত দ্ৰব্যৰ সংযোগ হৈ সকলো বস্তুৰ সৃষ্টি হয়। জগতৰ সৃষ্টি কৰ্ত্তা কোনো নাই॥১॥

উক্ত চাৰিও পন্থৰ ভিতৰত বৌদ্ধ আৰু জৈনে কিন্তু পৰলোক আৰু জীৱাত্মাৰ অস্তিত্ব স্বীকাৰ কৰে। চার্ৱাকৰ বাহিৰে বাকী তিনিও পন্থৰ, দুই এটা বিষয় বাদে প্ৰায় একে মত। চার্ৱাকৰ মতে স্বৰ্গ, নৰক আৰু পৰলোক গামী আত্মা নাই আৰু বৰ্ণাশ্ৰমৰ ক্ৰিয়াও ফলদায়ক নহয়॥২॥ যদি পশু ৱধ কৰি যজ্ঞ কৰিলে সেই পশু স্বৰ্গলৈ যায়, তেন্তে যজমানে নিজৰ পিতাকক ৱধ কৰি তাৰে হোম কৰি স্বৰ্গলৈ নপঠায় কিয়?॥৩॥ শ্ৰাদ্ধ আৰু তৰ্পণ কৰিলেই যদি মৃত জীৱৰ তৃপ্তি হয়, তেনেহলে প্ৰৱাসলৈ যোৱা সকলে অন্ন, ৱস্ত্ৰ আৰু ধন আদি কঢ়িয়াই নিব লাগে কিয়? মৃতকৰ নামত ৱস্তু অৰ্পণ কৰিলে যদি পৰলোকত পাৱ পাৱে, তেন্তে পৰদেশলৈ যোৱা সকলৰ কাৰণে তেওঁলোকৰ ঘৰৰ আত্মীয় স্বজনেও ঘৰৰ

পবাই তেওঁলোকব নামত অর্পণ কবিয়েই দেশান্তবলৈ বয়বস্তু পঠাব পাবে চোন, যদি পবদেশলৈ পঠাব নোৱাবে, তেন্তে স্বর্গলৈ কেনেকৈ পঠাব ? ॥৪॥ ইয়াত্ৰ দান কবিলেই যদি স্বর্গবাসী তৃপ্ত হয়, তেনেহলে ওপব মহলত থকা মানুহব কাবণে তলব মহলব পবা বস্তু দিলে তৃপ্ত নহয় কেলেই ? ।৫। গতিকে যিমান দিন জীৱিত থাকে সিমান দিন যিমান পাবে সুখ ভোগ কবা উচিত, ধাব, ঋণ কাবও ঘিউ আদি ভাল বস্তু খোৱা উচিত, মবাব পাছত ঋণ দাতা ঋণ লওঁতা কোনো নাথাকে। গতিকে ঋণ পবিশোধ কবাব প্রশ্ন নাই ॥৬॥ মৃত্যুব সময়ত জীৱ দেহব পবা ওলাই পবলোকলৈ যায় বুলি যি সকলে কয়, তেওঁলোকব কথা মিছা। মিছা নহয় যদি, মবাব পাছতো ঘবব আত্মীয় স্বজনব স্নেহাবদ্ধ জীৱ পবলোকব পবা পুনঃ ঘুবি নাহে কিয় ? ॥৭॥ সেই দেখি এইবোব ব্রাহ্মণব বচিত জীৱিকাব উপায়। মৃতকব দহা-শ্রাদ্ধ আদি প্রেত কর্ম্মবোবো তেওঁলোকব জীৱিকাব উপায়ব বাহিবে অন্য একো নহয় ॥৮॥ বেদব বচয়িতা তিনিও ভণ্ড, ধূর্ত্ত, নিশাচব। "জর্ফবী" "তুর্ফবী" ইত্যাদি ধূর্ত্ত পণ্ডিতব বচিত বচন ॥৯॥ যজমানব স্ত্রীয়ে অশ্বলিঙ্গ স্পর্শ কবিব লাগে, অশ্বব লগত যজমানব স্ত্রীব সমাগম কবাই, যজমানব কন্যাব লগত ঠাট্টা পবিহাস কবে, এনেবোব কথা কেৱল ধূর্ত্তব বাহিবে আন কোনে লিখিব পাবে ? ।১০। বেদব য'ত য'ত মাংস খোৱাব কথা লিখা আছে, সেইবোব বাক্ষসব বচনা ॥১১॥

উত্তব—চেতন পবমেশ্ববে নির্ম্মাণ নকবিলে জড় পদার্থবোব স্বাভাবিক ভাবে নিয়ম পূর্ব্বক মিল হৈ উৎপন্ন হব নোৱাবে। যদি স্বভাবতেই হৈছে তেনেহলে দ্বিতীয় সূর্য্য, চন্দ্র, পৃথিবী আৰু গ্রহ নক্ষত্র-লোক স্বয়ং নির্ম্মিত নহয় কিয় ? ॥১॥ সুখ ভোগব নাম স্বর্গ আৰু দুঃখ-ভোগব নাম নবক। জীৱাত্মা নাথাকিলে সুখ-দুঃখ কোনে ভুগিব ? বর্ত্তমানব দবেই পবজন্মতো জীৱ সুখ-দুঃখব ভোক্তা। বর্ণাশ্রমীসকলব

সত্য কথন, পবোপকাব আদি ক্রিয়া কেতিয়াও নিষ্ফল হব নোৱাবে ॥২॥ বেদ আদি সত্য শাস্ত্রত কতো পশুবধ কবি হোম কবাব কথা লিখা নাই। মৃত্যুব পাছত শ্রাদ্ধ তর্পণ কবাব বিধি জীৱিকাৰ্থীব পবিকল্পিত ; কাবণ এইবোব বেদ আদি সত্য শাস্ত্রব বিৰুদ্ধ। এইবোব ভাগৱত আদি পুবাণব মত, গতিকে এইবোব নিন্দা আৰু প্রতিবাদবেই যোগ্য। তাত আমাব প্রতিবাদ বা খণ্ডন কবিবলগীয়া একো নাই ॥৩।৪।৫॥ যি বস্তু আছে তাব কেতিয়াও অভাব হব নোৱাবে, বিদ্যমান জীৱব অভাব হব নোৱাবে, দেহ ভস্ম হলে জীৱই অন্য দেহ লয়। গতিকে যি পবব ঋণ লৈ পবিশোধ নকবে, সি পাপী হৈ পবজন্মত দুখৰূপী নবক ভোগে, এই বিষয়ে কোনো সন্দেহ নাই ॥৬॥ দেহ ত্যাগ কবিলে জীৱ স্থানান্তব বা শবীবান্তব হয়, পূর্ব্বজন্ম আৰু কুটুম্ব আদিব জ্ঞান নাথাকে. গতিকে পুনব কুটুম্বব স্নেহত ঘাব আহিব নোৱাবে ॥৭॥ ব্রাহ্মণে যে প্রেত কর্ম্ম নিজব জীৱিকাব অর্থেই বচনা কবিছে, এই কথা সত্য আৰু বেদোক্তও নহয় কাবণে খণ্ডনীয় অর্থাৎ প্রতিবাদবেই যোগ্য ॥৮॥ চার্বাক আদিয়ে বেদ আদি সত্য শাস্ত্র দেখা শুনা আৰু অধ্যয়ন কবা হলে বেদ ভণ্ড, ধূর্ত্ত আৰু নিশাচবব দ্বাবাই বচিত বুলি কেতিয়াও নিন্দা নকবিলেহেঁতেন। মহীধব আদি বেদব ভাষ্যকাব সকলহে ভণ্ড ধূর্ত্ত নিশাচব। বেদত ধূর্ত্ততা নাই। অতি অনুতাপব বিষয় যে চার্বাক আভাণক, বৌদ্ধ আৰু জৈন পন্থীসকলে মূল চাবিবেদব সংহিতাবোব দর্শন, শ্রবণ আৰু কোনো বিদ্বানব পবা অধ্যয়ন কবি পোৱা নাই। তেওঁলোকব অজ্ঞতাব কাবণেই আৰু দুষ্ট বামমার্গীবোবব যুক্তি প্রমাণ হীন কল্পিত ভ্রষ্ট ভাষ্যবোব পঢ়ি বেদ বিবোধী হৈ অজ্ঞান সাগবত পতিত হৈছে ।৯।

বিবেচনা কবি চ'ক, তিবোতাই অশ্বলিঙ্গ স্পর্শ কবা, অশ্বব লগত সমাগম কবা, যজমানব কন্যাব লগত হাস্য পবিহাস কবা, এনেবোব কথা

কেৱল বামমার্গীৱ বাহিৰে আন কাৰো হব নোৱাৰে। এনেবোৰ বেদ বিৰুদ্ধ জঘন্য ভাষ্য মহাপাপী বামমার্গীৱ বাহিৰে আন কোনে কৰিব পাৰে ? চার্বাক আদিৱ প্রতি অনুশোচনা হয় যে, তেওঁলোকে কোনো বিবেচনা নকৰাকৈয়ে বেদৱ নিন্দা কৰাত লাগিল আৰু নিজৱ বুদ্ধি বিবেচনা ব্যৱহাৰকে নকৰিলে। সত্য আৰু অসত্যৱ বিবেচনা কৰি সত্যৱ মণ্ডন আৰু অসত্যৱ খণ্ডন কৰিব পৰা তেওঁলোকৱ বিদ্যা নাছিল, ই তেওঁলোকৱ দুর্ভাগ্য। বেদত হিংসাহাৱৱ কথা নাই, কেৱল বামমার্গীৱ ব্যাখ্যাতহে আছে। গতিকে বামমার্গীক বাক্ষস বোলাই উচিত। বেদৱ মিথ্যা ব্যাখ্যা কৰা, আৰু বেদ নপঢ়া দুশুনাকৈ বেদৱ নিন্দা কৰা পাপ। যি সকলে বেদৱ নিন্দা কৰি আহিছে, তেওঁলোকে জ্ঞানৱ পোহৰ দেখা নাই আৰু ঘেডিয়া-লৈকে বেদৱ পোহৰত নেদেখে ঘেডিয়ালৈকে সুখৱ পৰিবর্ত্তে দুখকেহে ভুগিব লাগিব। গতিকে মানুহ মাত্রই বেদৱ পোহৰত বেদানুকূল আচৰণ কৰাই সমুচিত ॥১১। বামমার্গীবোৰে ছল কল্পনা কৰি বেদৱ নামত নিজৱ প্রয়োজন সিদ্ধ কৰিছে, অর্থাৎ মদ, মাংস ভোজন আৰু পৰস্ত্রী গমনাদিৱ প্রবর্ত্তন কল্পনা কৰি বেদৱ ওপৰত কলঙ্ক আৰোপ কৰিছে। এইবোৰ দেখি শুনিয়েই চার্বাক, বৌদ্ধ আৰু জৈনসকলে বেদৱ নিন্দা কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে বেদবিৰোধী একোটা অনীশ্বৰবাদী অর্থাৎ নাস্তিক মতৱ প্রচলন কৰে। চার্বাক আদিয়ে মূলবেদৱ অর্থ উপলব্ধি কৰা হলে, মিছা ভাষ্যবোৰত বিশ্বাস নকৰিলেহেঁতেন আৰু বৈদিক মতো পৰিত্যাগ নকৰিলেহেঁতেন। "বিনাশ কালে বিপৰীত বুদ্ধিঃ" বিনাশৱ সময় উপস্থিত হলে মানুহৱ বুদ্ধি বিপৰীত হয়।

এতিয়া চার্বাক আদিৱ মাজত যিবোৰ ভেদ আছে সেইবোৰৱ আলোচনা কৰা হব। তেওঁলোক অনেক বিষয়ত একে মত। চার্বাকৱ মতে দেহৱ উৎপত্তিৱ লগত জীৱৱ উৎপত্তি আৰু দেহৱ নাশৱ লগত

জীৱৰো নাশ হয়। তেওঁলোকে পুনর্জন্ম আৰু পৰলোক বিশ্বাস নকৰে আৰু প্রত্যক্ষ প্রমাণৱ বাহিৰে অনুমান আদি আন কোনো প্রমাণ নমানে। চার্বাক শব্দৱ অর্থ "বাক্ চতুৰ, বিশেষকৈ বৈতণ্ডিক অর্থ বোধক"। বৌদ্ধ আৰু জৈনে প্রত্যক্ষ আদি চাৰিও প্রমাণ, অনাদি জীৱ, পুনর্জন্ম, পৰলোক আৰু মুক্তিও মানে। চার্বাক আৰু জৈন-বৌদ্ধৱ ভিতৰত ইমানেই পার্থক্য। নাস্তিকতা, বেদ ঈশ্বৰৱ নিন্দা, পৰমত দ্বেষ, ছয় যত্ন, (আগত কোৱা ছয় কর্ম) আৰু জগতৱ কর্ত্তা স্বীকাৰ নকৰা ইত্যাদিত সকলো নাস্তিকৱ একে মত। চার্বাকৱ মত সংক্ষেপত আলোচনা কৰা হ'ল।

সংক্ষেপত বৌদ্ধ মত

এতিয়া বৌদ্ধ মতৱ বিষয়ে সংক্ষেপত আলোচনা কৰা হৈছে—

কার্য্যকাৰণভাবাদ্বা স্বভাবাদ্বা নিয়ামকাৎ।
অবিনাভাবনিয়মোঽদর্শনান্নতু দর্শনাৎ ॥

কার্য্যকাৰণভাৱ অর্থাৎ কার্য্যৱ দর্শনৱ পৰা কাৰণ আৰু কাৰণৱ দর্শনৱ পৰা কার্য্য আদিৱ সাক্ষাৎকাৰ প্রত্যক্ষৱ শেষত অনুমান হয়। ইয়াৰ যোগেদি প্রাণীৱ সম্পূর্ণ ব্যৱহাৰ সম্পাদন হব নোৱাৰে—ইত্যাদি লক্ষণৱ দ্বাৰাই অনুমানৱ প্রাধান্য স্বীকাৰ কৰাত চার্বাকৱ পৰা বৌদ্ধ এক পৃথক্ শাখা হৈছে।

বৌদ্ধৱ চাৰিটা বিভাগ আছে—"মাধ্যমিক, যোগাচাৰ, সৌত্রান্তিক আৰু বৈভাষিক"। "বুদ্ধ্যা নিৰ্ব্বর্ত্ততে স বৌদ্ধঃ"। যি বুদ্ধিৰে সিদ্ধ হয় অর্থাৎ যিবোৰ নিজৱ বুদ্ধিৰ দ্বাৰাই বুজা যায়, সেইবোৰ মানিব লাগে আৰু যিবোৰ বুদ্ধিৰ অগম্য সেইবোৰ অমান্য কৰাই বৌদ্ধৱ লক্ষণ। বৌদ্ধৱ ভিতৰত "মাধ্যমিক" সর্ব্বশূন্যবাদী। তেওঁলোকৱ মতে সকলো

বস্তু শূন্য অর্থাৎ সকলো আদিতে নাছিল আৰু অন্তত৷ নেথাকে, মাজতে প্রতীতি হলে প্রতীতি কাল পর্য্যন্ত থাকি শেষত শূন্য হৈ যায়। উদাহৰণ-ৰূপে ঘটৰ উৎপত্তিৰ আগত ঘট নাছিল, ঘট ধ্বংস হৈ গলেও ঘট নেথাকে। ঘটজ্ঞানৰ সময়ত ভাসমান হয় আৰু পদার্থান্তৰৰ জ্ঞান হলে ঘটৰ জ্ঞান নেথাকে। গতিকে শূন্যহে এক তত্ত্ব।

যোগাচাৰ—বাহ্যশূন্যবাদী; অর্থাৎ ভিতৰৰ জ্ঞানত পদার্থ ভাসমান হয়, বাহিৰত নহয়। যেনেকৈ আত্মাত ঘটৰ জ্ঞান আছে কাৰণেহে মানুহে "**এইটো ঘট**" বুলি কয়। ভিতৰত জ্ঞান নহলে কৰ নোৱাৰে। তেওঁলোকে এই যুক্তি মানে।

সৌত্রান্তিক—তেওঁলোকৰ মতে বাহিৰত বস্তুৰ অনুমান হয়; কাৰণৰ বাহিৰত কোনো পদার্থ সাঙ্গোপাঙ্গ প্রত্যক্ষ নহয়। কেৱল একাংশ প্রত্যক্ষ হোৱাত বাকী অংশবোৰ অনুমান হয়।

বৈভাষিকৰ মতে—পদার্থ বাহিৰতহে প্রত্যক্ষ হয়, ভিতৰত নহয়। যেনে "**অয়ং নীলো ঘটঃ**" এই প্রতীতিত নীলযুক্ত ঘটাকৃতি বাহিৰৰ প্রতীতি।

এক বুদ্ধদেৱেই এওঁলোকৰ গুৰু, তথাপি শিষ্যসকলৰ বুদ্ধি ভেদ হোৱাত চাৰিটা শাখা হয়। যেনেকৈ সূর্য্যাস্ত হলে লম্পট মানুহে পৰস্ত্রী গমনাদি আৰু বিদ্বানসকলে সৎ আচৰণ কৰে। সময় একেই, ভিন্ন ভিন্ন মানুহৰ ভিন্ন ভিন্ন বুদ্ধিয়ে ভিন্ন ভিন্ন চেষ্টা কৰে

বৌদ্ধৰ এই চাৰি সম্প্রদায়ৰ ভিতৰত **মাধ্যমিকে** সকলো ক্ষণিক বুলি মানে। অর্থাৎ ক্ষণে ক্ষণে বুদ্ধিৰ পৰিবর্ত্তন হয় গতিকে পূৰ্ব্বক্ষণৰ বস্তুৰ জ্ঞান তাৰ পাছৰ ক্ষণত একে নেথাকে। গতিকে তেওঁলোক ক্ষণিকবাদী।

যোগাচাৰৰ মতে—প্রবৃত্তিয়েই সকলো দুঃখৰ মূল। কাৰণ, প্রাপ্তিত কোনো সন্তুষ্ট নহয় এটাৰ বা অলপ প্রাপ্তি হলে আৰু অধিক প্রাপ্তিৰ কামনা হৈয়েই থাকে

সৌত্রান্তিকৰ মতে—সকলো বস্তু নিজৰ নিজৰ লক্ষণেৰে লক্ষিত। যেনেকৈ গৰুৰ লক্ষণেৰে গৰু আৰু ঘোঁৰাৰ লক্ষণেৰে ঘোঁৰাৰ জ্ঞান হয়। এইদৰে সকলো বস্তুৰ লক্ষণ লক্ষ্যত সদায় বিদ্যমান।

বৈভাষিক—শূন্যবাদী। প্রথমতে মাধ্যমিকে সকলো শূন্য বুলি মানিছিল। বৈভাষিকও শূন্যবাদকেই মানে। বৌদ্ধসকলৰ ভিতৰতো অনেক বাদ বিবাদ (পক্ষ) আছে। এইদৰে চাৰি প্রকাৰ ভাবনা মানে।

উত্তৰ—যদি সকলোৰেই শূন্য হয়, শূন্যক জানোতাজন শূন্য হব নোৱাৰে আৰু যদি সকলো শূন্যই হব তেতিয়া হলে শূন্যক শূন্যই জানিব নোৱাৰে। গতিকে শূন্যৰ জ্ঞাতা আৰু জ্ঞেয় দুটা পদার্থৰ প্রমাণ হয়।

যোগাচাৰে যদি বাহিৰত শূন্য মানে তেতিয়া হলে পর্ব্বত তেওঁলোকৰ ভিতৰত থাকিব লাগিব। যদি পর্ব্বত ভিতৰত আছে বুলি কয়, তেনেহলে পর্ব্বতৰ সমান খালি স্থান তেওঁলোকৰ হৃদয়ত আছে জানো? গতিকে পর্ব্বত বাহিৰত আৰু পর্ব্বতৰ জ্ঞান আত্মাত থাকে।

সৌত্রান্তিকে কোনো বস্তুকেই প্রত্যক্ষ হয় বুলি স্বীকাৰ নকৰে, সেই মতে তেওঁলোক স্বয়ং আৰু তেওঁলোকৰ বাক্যও অনুমানহে হব লাগিব, প্রত্যক্ষ হব নোৱাৰে। যদি প্রত্যক্ষ নহয় তেনেহলে "**অয়ং ঘটঃ**" এনে প্রয়োগো নহৈ "**অয়ং ঘটৈকদেশঃ**" অর্থাৎ এইয়া ঘটৰ একাংশ হোৱা উচিত। কিন্তু একাংশৰ নাম ঘট নহয়, গোটেইটোৰ নাম ঘট। "**অয়ং ঘটঃ**" এইটো ঘট প্রত্যক্ষ অনুমেয় নহয় কাৰণ সকলো অবয়বত অবয়বী এক। অবয়বী প্রত্যক্ষ হলে ঘটৰ সকলো অবয়বো প্রত্যক্ষ হয়। অর্থাৎ সাবয়ব ঘট প্রত্যক্ষ হয়।

বৈভাষিকে বাহিৰৰ পদার্থহে প্রত্যক্ষ মানে। সিও যুক্তি সঙ্গত নহয়, কাৰণ, যত জ্ঞাতা আৰু জ্ঞান হয় (যত জ্ঞাতা আৰু জ্ঞান থাকে) সেইখিনেই প্রত্যক্ষ নহয় তেতিয়া বিষয় বাহিৰত থাকে, তাৰাকাৰ জ্ঞান

আত্মাব হয়। এইদবে ক্ষণিক পদার্থব জ্ঞানো যদি ক্ষণিক হয়, তেতিয়া হলে "প্রত্যভিজ্ঞা" অর্থাৎ 'মই এই কথা কৈছিলোঁ' এনে স্মবণ হব নোৱাবে, কিন্তু পুর্ব্ব দৃষ্ট আৰু শ্রুতব স্মবণ হয়। গতিকে ক্ষণিকবাদ সত্য নহয়। যদি যি হয় সকলো দুঃখেই হয়, সুখ একেবাবেই নাই, তেনেহলে বাতিব অপেক্ষাত দিন আৰু দিনব অপেক্ষাত বাতিব দবে সুখব অপেক্ষা নহলে দুঃখব প্রমাণেই হব নোৱাবে। গতিকে 'সংসাবত সকলোবেই দুঃখ' এই কথা যুক্তি সঙ্গত নহয়। যদি স্বলক্ষণ মানে তেনেহলে নেত্র ৰূপব লক্ষণ আৰু ৰূপ লক্ষ্য। যেনে ঘটব ৰূপ, ঘটব ৰূপব লক্ষণ চকু, লক্ষ্যব পবা ভিন্ন। গন্ধ পৃথিবীব পবা অভিন্ন। এইদবেই ভিন্নাভিন্ন লক্ষ্য লক্ষণ স্বীকাব কবিব লাগিব। শূন্যবাদীব উত্তব আগত দিয়া হৈছে অর্থাৎ শূন্যক জানোতা শূন্য নহয়, শূন্যতকৈ পৃথক।

সর্ব্বস্য সংসাবস্য দুঃখাত্মকত্বং সর্ব্বতীর্থঙ্কবসংমতম্ ॥

যিবোবক বৌদ্ধই তীর্থঙ্কব মানে, সেইবোবকেই জৈনসকলেও মানে। গতিকে দুয়ো সম্প্রদায়ব এইবিষয়ত কোনো প্রভেদ নাই আৰু তেওঁলোকে পুর্ব্বোক্ত ভাবনা চতুষ্টয় অর্থাৎ চাবি প্রকাব ভাবনাব দ্বাবাই বাসনাব নিবৃত্তি হৈ শূন্যৰূপ নির্ব্বাণ অর্থাৎ মুক্তি মানে। তেওঁলোকে তেওঁলোকব শিষ্যবোবক যোগ আৰু আচাবব উপদেশ দিয়ে। নজনা কথা গুৰুক সোধাই হৈছে যোগ আৰু গুৰুব বাক্যক প্রমাণ বুলি মনাই হৈছে—আচাব। তেওঁলোকব মতে গুৰুবাক্যই প্রমাণ, অনাদি বুদ্ধিত বাসনা উৎপন্ন হয় কাবণে বুদ্ধি অনেকাকাব হৈ ভাসমান হয়। বৌদ্ধব মতত পাঁচোটা স্কন্ধ আছে।

ৰূপবিজ্ঞান বেদনাসংজ্ঞাসংস্কাবসংজ্ঞকঃ ॥

(বৌ. দ. পৃঃ ৩৯)

প্রথমস্কন্ধ :—ইন্দ্রিয়বোধব দ্বাবাই যি ৰূপ আদি বিষয় গ্রহণ হয় তাকেই **"ৰূপস্কন্ধ"**। দ্বিতীয় স্কন্ধ— আলয়বিজ্ঞান প্রবৃত্তিব জ্ঞানৰূপ ব্যবহাব কার্য্য **"বিজ্ঞান স্কন্ধ"**। তৃতীয় স্কন্ধ—ৰূপ স্কন্ধ আৰু বিজ্ঞান স্কন্ধব পবা উৎপন্ন সুখ-দুঃখ আদিব প্রতীতিৰূপ ব্যাপাবক **"বেদনা স্কন্ধ"**। চতুর্থ স্কন্ধ—গো আদি সংজ্ঞাব লগত প্রকৃত বস্তুব সম্বন্ধ মনা ৰূপ ব্যবহাবক **"সংজ্ঞাস্কন্ধ"**। পঞ্চম স্কন্ধ বেদনা স্কন্ধব পবা উৎপন্ন বাগ দ্বেষাদি ক্লেশ, আৰু ক্ষুধা তৃষ্ণাদি উপক্লেশ, মদ, প্রসাদ, অভিমান, ধর্ম্ম আৰু অধর্ম্মৰূপ ব্যবহাবক **"সংস্কাব স্কন্ধ"** বোলে। সমস্ত সংসাব দুঃখ, দুঃখব আলয় আৰু দুঃখব সাধন স্বৰূপ, এই দবে ভাবনা কবি সংসাবব পবা মুক্ত হোৱা বৌদ্ধ সকলব মত বা সিদ্ধান্ত। চার্বাকে মুক্তি, অনুমান আৰু জীব নেমানে, এয়েই চার্বাকব বিশেষত্ব।

দেশনা লোকনাথানাং সত্ত্বাশয়বশানুগাঃ।
ভিদ্যন্তে বহুধা লোকে উপায়ৈৰ্ব্বহুভিঃ কিল ॥১॥
গম্ভীবোত্তানভেদেন ক্বচিচ্চোভয়লক্ষণা।
ভিন্না হি দেশনাঽভিন্না শূন্যতাদ্বয়লক্ষণা ॥২॥
অর্থানুপার্জ্জ্য বহুশো দ্বাদশায়তনানি বৈ।
পবিতঃ পূজনীয়ানি কিমন্যৈবিহ পূজিতৈঃ ॥৩
জ্ঞানেন্দ্রিয়াণি পঞ্চৈব তথা কর্ম্মেন্দ্রিয়াণি চ।
মনো বুদ্ধিবিতি প্রোক্তং দ্বাদশায়তনং বুধৈঃ ॥৪

অর্থাৎ যি জ্ঞানী, অনাসক্ত, জীবন্মুক্ত, যি লোকনাথ, বুদ্ধ আদি তীর্থঙ্কবসকলব পদার্থব বিষয়ে জ্ঞাতা, যি বিভিন্ন পদার্থব উপদেষ্টা আৰু যি বহুৰূপে আৰু বহু উপায়ে বর্ণিত হৈছে তেওঁক মান্য কবিব ॥১॥

অতি গম্ভীব আৰু প্রসিদ্ধ, কোনো স্থলত গুপ্ত আৰু কোনো স্থলত প্রকাশ্য, ভিন্ন ভিন্ন গুৰুব ন্যূন লক্ষণযুক্ত উপদেশবোব, যিবোব পুর্ব্বে

কোরা হৈছে, মান্য কবিব লাগে ॥২॥ দ্বাদশায়তন পূজা মোক্ষ দায়ক, সেই পূজাব কাৰণে ধন, দ্রব্য আদি সংগ্রহ কবি দ্বাদশায়তন অর্থাৎ বাব প্রকাব বিশেষ স্থান বচনা কবি সকলো প্রকাবে পূজা কবা বিধেয়, আনব পূজা কবাব প্রয়োজন কি ? ॥৩॥ তেওঁলোকব দ্বাদশায়তন পূজা এই :—পাঁচ জ্ঞানেন্দ্রিয় অর্থাৎ শ্রোত্র, ত্বক্, চক্ষু জিহ্বা আৰু নাসিকা। পাঁচ কর্ম্মেন্দ্রিয় অর্থাৎ বাক্, হস্ত, পাদ, গুহ্য আৰু উপস্থ। এই ১০ ইন্দ্রিয় আৰু মন বুদ্ধি, এই বাৰবিধব সংকাব অর্থাৎ এইবোবক আনন্দত প্রবৃত্ত কবি বখা আদি বৌদ্ধ সম্প্রদায়ব মত ॥৪॥

উত্তব—সমস্ত সংসাব দুঃখময় হোৱা হলে কোনো জীৱবেই প্রবৃত্তি নেথাকিলেহেঁতেন, কিন্তু সংসাবত জীৱব প্রবৃত্তি দেখা যায়। গতিকে সমস্ত সংসাব একেবাবে দুঃখময় হব নোৱাবে, সংসাবত সুখ আৰু দুঃখ দুয়ো বিধেই আছে। বৌদ্ধসকলব সিদ্ধান্ত অনুসাবে সংসাব যদি একেবাবেই দুঃখময় হয়, তেন্তে তেওঁলোকে আহাব পানী খাই আৰু ঔষধ, পথ্য আদি সেৱন কবি দেহ বক্ষা আৰু আবোগ্য সুখ বিচাবে কিয় ? যদি তেওঁলোকে কয় যে, যদিও তেওঁলোকে সকলো যত্ন কবে তথাপি সংসাবব সকলোবোব দুঃখময়। তেওঁলোকব তেনে কথাব যুক্তি নাই ; কাৰণ জীৱব সুখব প্রতি প্রবৃত্তি আৰু দুঃখব প্রতি নিবৃত্তি হয়। সংসাবত ধর্ম্মানুষ্ঠান, বিদ্যাচর্চ্চা, সৎসঙ্গ আদি সকলো শ্রেষ্ঠ কর্ম্ম সুখকব বৌদ্ধসকলব বাহিবে আন কোনো পণ্ডিতে এইবোব দুঃখজনক বুলি ভাবিব নোৱাবে।

তেওঁলোকব পূর্ব্বোক্ত পঞ্চ স্কন্ধ একেবাবেই অপূর্ণ। কাৰণ এই স্কন্ধবোবব এটা এটাকৈ বিবেচনা কবি চালে একোটাবে অনেক ভেদ হব পাবে।

অনাদি, অর্থাৎ নাথবো নাথ পবমাত্মাব পবিবর্ত্তে যিসকল তীর্থঙ্কবক উপদেষ্টা আৰু লোকনাথ বুলি মনা হয়, সেই তীর্থঙ্কবসকলক কোনে

উপদেশ দিছিল ? যদি কব খোজে যে, তেওঁলোকে স্বয়ং জ্ঞান লাভ কবিছিল, সেইটো সম্ভব হব নোৱাবে, যিহেতু বিনা কাৰণে কার্য্য হব নোৱাবে। তেওঁলোকব কথানুসাবে যদি এনেকুৱা হয়, তেনেহলে এতিয়াও বিনা পঠন-পাঠন, শ্রবণ-শ্রাবণ আৰু বিনা সৎসঙ্গে জ্ঞানী কিয় নহয় ? নহয় যদি এনেকুৱা কথাবোব একেবাবেই নিবর্থক, যুক্তিহীন আৰু সন্নিপাত অবগ্রস্তব প্রলাপব দবে। বৌদ্ধসকলে যে কয় সকলো শূন্যৰূপ অদ্বৈত অর্থাৎ শূন্যই এক সত্য, সেই কথা যুক্তিহীন, কাৰণ বিদ্যমান বস্তু শূন্য হব নোৱাবে। অৱশ্যে প্রত্যক্ষ হোৱা বস্তুবোব সূক্ষ্ম হৈ যেতিয়া কাৰণ ৰূপলৈ পবিবর্ত্তন হয়, তেতিয়া অপ্রত্যক্ষ অৱস্থাত থাকে।

যদি উপার্জ্জিত অর্থব্যয়বে দ্বাদশায়তন পূজা কবাই মোক্ষ সাধন বুলি ভাবে, তেন্তে দহ প্রাণ আৰু একাদশ জীবাত্মাব পূজা নকবে কিয় ? ইন্দ্রিয় আৰু অন্তঃকবণব পূজাও যদি মোক্ষ সাধক হয় তেন্তে বৌদ্ধ আৰু বিষয়াসক্ত সকলব ভিতবত পার্থক্য কি থাকে ? বৌদ্ধ সকলে বিষয়াসক্তিব পবা যদি নিস্তাব নেপায় ; তেনেহলে মুক্তি কেনেকৈ বা কিহব হয় ? আৰু মুক্তিকেই বা প্রয়োজন কি ? অজ্ঞান অবিদ্যাত বৌদ্ধসকলে যিমান উন্নতি কবিছে সিমান উন্নতি আন কোনেও কবিব পবা নাই। সত্য কথা কবলৈ হলে তেওঁলোকে বেদ আৰু ঈশ্বৰব বিৰোধিতা কবিয়েই এই ফল লাভ কবিছে যে প্রথমতে সমস্ত সংসাব দুঃখময় বুলি ভাবি তাব পাছত মাজতেই দ্বাদশায়তন পূজা আবম্ভ কবি দিলে। এই দ্বাদশায়তনব পূজা পার্থিব বস্তুব বাহিবে শূন্যবে কবে নেকি ? যদি তাব দ্বাবাই মুক্তি লাভ হব পাবে তেনেহলে কোনোৱে চক্ষু মুদি অন্বেষণ কবিলেও বত্ন লাভ কবিব পাবে নেকি ? বেদ আৰু ঈশ্বৰত বিশ্বাস নথকাব কাৰণেই তেওঁলোকব এনেকুৱা লীলা খেলা হৈছে। এতিয়াও সুখব বাঞ্ছা আছে যদি, তেওঁলোকে বেদ আৰু ঈশ্বৰব শবণাপন্ন হৈ জীৱন সফল কবক।

"বিবেক বিলাস" নামৰ গ্ৰন্থত বৌদ্ধমত এইদৰেলিখা আছে :—

বৌদ্ধানাং সুগতো দেবো বিশ্বং চ ক্ষণভঙ্গুরম্ ।
আর্য্যসত্ত্বাখ্যয়াতত্ত্বচতুষ্টয়মিদং ক্রমাৎ ॥ ১ ।
দুঃখমায়তনং চৈব ততঃ সমুদয়ো মতঃ ।
মার্গশ্চেত্যস্য চ ব্যাখ্যা ক্রমেণ শ্রূয়তামতঃ ॥ ২ ॥
দুঃখসংসাবিণ স্কন্ধাস্তে চ পঞ্চ প্রকীর্ত্তিতাঃ ।
বিজ্ঞানং বেদনা সংজ্ঞা সংস্কাবো রূপমেবচ । ৩ ।
পঞ্চেন্দ্রিয়াণি শব্দাদ্যা বিষয়াঃ পঞ্চ মানসম্ ।
ধর্ম্মায়তনমেতানি দ্বাদশায়তনানি তু ॥ ৪ ।
বাগাদীনাং গণো যঃ স্যাৎ সমুদেতি নৃণাং হৃদি ।
আত্মাত্মীয়স্বভাবাখ্যঃ স স্যাৎ সমুদয়ঃ পুনঃ ॥ ৫ ।
ক্ষণিকাঃ সর্ব্ব-সংস্কাবা ইতি যা বাসনা স্থিবা ।
স মার্গ ইতি বিজ্ঞেয়ঃ স চ মোক্ষোঽভিধীয়তে । ৬ ।
প্রত্যক্ষমনুমানং চ প্রমাণং দ্বিতয়ং তথা ।
চতুঃ প্রস্থানিকা বৌদ্ধাঃ খ্যাতা বৈভাষিকাদয়ঃ ॥ ৭ ।
অর্থো জ্ঞানান্বিতো বৈভাষিকেণ বহু মন্যতে ।
সৌত্রান্তিকেন প্রত্যক্ষগ্রাহ্যোঽর্থো ন বহির্ম্মতঃ ॥ ৮ ।
আকাবসহিতাবুদ্ধির্যোগাচাবস্য সম্মতা ।
কেবলাং সংবিদাং স্বস্থাং মন্যন্তে মধ্যমাঃ পুনঃ ॥ ৯
বাগাদিজ্ঞানসন্তানবাসনাচ্ছেদসম্ভবা ।
চতুর্ণামপি বৌদ্ধানাং মুক্তিবেষা প্রকীর্ত্তিতা ॥ ১০ ।
কৃত্তিঃ কমণ্ডলুর্ম্মৌণ্ড্যং চীবং পূর্ব্বাহ্ণ ভোজনম্ ।
সংঘো বক্তাম্ববত্বং চ শিশ্রিয়ে বৌদ্ধভিক্ষুভিঃ ॥ ১১ ।

অর্থ— বৌদ্ধ সকলৰ সুগতদেব বুদ্ধ ভগবান পূজনীয় দেব, আৰু জগত ক্ষণভঙ্গুৰ, আৰ্য্য পুৰুষ, আৰ্য্যা স্ত্ৰী আৰু তত্ত্বৰ আখ্যা সংজ্ঞা আদি প্ৰসিদ্ধি এই চাৰিটা বৌদ্ধ সকলৰ মনন কৰিব লগীয়া বিষয় ॥১॥ এই বিশ্ব দুঃখৰ আলয়, ইয়াকে জানিব পাৰিলে মানুহে সমুদয় অৰ্থাৎ উন্নতি লাভ কৰে। এইবোৰৰ ব্যাখ্যা ক্ৰম অনুসাৰে শ্ৰৱণ কৰা ॥ ২ ॥ সংসাৰত কেৱল দুঃখহে আছে। পূৰ্ব্বোক্ত পঞ্চ স্কন্ধ সম্যক্‌ৰূপে জানিবা ॥ ৩ ॥ পঞ্চ জ্ঞানেন্দ্ৰিয়, এইবোৰৰ শব্দ আদি পঞ্চ বিষয় আৰু মন তথা বুদ্ধি, অন্তঃকৰণ ধৰ্ম্মৰ এই দ্বাদশ স্থান ॥ ৪ ॥ মানুহৰ হৃদয়ত যিবোৰ ৰাগ দ্বেষ আদি উৎপত্তি হয়, সেইবোৰক সমুদয় আৰু আত্মা আৰু আত্মাৰ স্বভাব আৰু গুণক আখ্যা বোলে। এইবোৰৰ পৰাই পুনৰায় সমুদয় হৈ থাকে ॥ ৫ ॥ সকলো সংস্কাৰ ক্ষণিক। বাসনাৰ স্থিৰতাই বৌদ্ধ সকলৰ পন্থা। উক্ত শূন্যত্ব শূন্যৰূপ হোৱাৰ নাম মোক্ষ ॥ ৬ ॥ বৌদ্ধ সকলে প্ৰত্যক্ষ আৰু অনুমান এই দুই প্ৰমাণক মানে। বৌদ্ধ সকলৰ ভিতৰত চাৰি প্ৰকাৰ ভেদ আছে, যেনে—বৈভাষিক, সৌত্ৰান্তিক, যোগাচাৰ, আৰু মাধ্যমিক ॥ ৭ ॥ তেওঁলোকৰ ভিতৰত বৈভাষিকৰ মতে জ্ঞানত যি পদাৰ্থ আছে সেয়ে বিদ্যমান বুলি স্বীকাৰ্য্য। যি জ্ঞানত নাই, সিদ্ধ পুৰুষ সকলে তাৰ অস্তিত্ব স্বীকাৰ কৰিব নোৱাৰে। সৌত্ৰান্তিক সকলে ভিতৰক পদাৰ্থ বুলি স্বীকাৰ কৰে, বাহিৰক নকৰে ॥ ৮ ॥ যোগাচাৰে আকাৰ বিশিষ্ট বিজ্ঞান যুক্ত বুদ্ধি স্বীকাৰ কৰে অৰ্থাৎ মানে আৰু মাধ্যমিকে কেৱল নিজৰ ভিতৰত পদাৰ্থবোৰৰ জ্ঞান মাত্ৰ (কেৱল জ্ঞানহে) মানে, পদাৰ্থ স্বীকাৰ নকৰে ॥ ৯ ॥ চাৰিও প্ৰকাৰ বৌদ্ধৰ মতেই ৰাগ আদি জ্ঞান প্ৰবাহৰ বাসনাৰ নাশৰ পৰা মোক্ষ লাভ হয় ॥ ১০ ॥ মৃগাদিৰ চৰ্ম্ম কমণ্ডলু, মুণ্ডিত মস্তক, বল্কলবস্ত্ৰ পূৰ্ব্বাহ্নত অৰ্থাৎ ৯ বজাৰ আগত আহাৰ, নিঃসঙ্গ নথকা আৰু বক্ত বস্ত্ৰ পৰিধান, এইবোৰেই বৌদ্ধ সাধুৰ লক্ষণ ॥ ১১ ॥

উত্তর—সুগত বুদ্ধই যদি বৌদ্ধ সকলব দেব হয়, তেনেহলে তেওঁব গুরু কোন আছিল? বিশ্ব ক্ষণভঙ্গুব হয় যদি, বহু কাল পূর্ব্বে দৃষ্ট পদার্থব 'এইটো সেইটোরেই' এনেকুরা স্মরণ হব নোৱাবে। ক্ষণভঙ্গুব হলে কোনো পদার্থ পদার্থ হৈ নেথাকে, তেতিয়া কিহব স্মরণ হয়? 'ক্ষণিক বাদেই বৌদ্ধ সকলব মার্গ হলে তেওঁ লোকব মোক্ষও ক্ষণভঙ্গুব হব। যদি জ্ঞানযুক্ত অর্থই দ্রব্য হয়, তেনেহলে জড়দ্রব্যতো জ্ঞান থকা উচিত। সেয়েহলে সঞ্চালন আদি ক্রিয়া কাব ওপবত হয়? (অর্থাৎ ক্রিয়াব বিষয় বস্তু কি হব?) বাহিবত যি দেখা যায় সিনো কেনেকৈ মিছা হব পাবে? বুদ্ধি আকাব বিশিষ্ট হলে দৃশ্য হব লাগিব। (অর্থাৎ যাব আকাব আছে তাক দেখা যায়) যদি বাহিবব বস্তুবোব অন্তবব জ্ঞানব বাহিবে আন একো নহয় বুলি কৈছে, কিন্তু জয় নহলে জ্ঞান হবই নোৱাবে যদি বাসনাচ্ছেদেই মুক্তি হয়, তেনেহলে সুষুপ্তি অবস্থাতো মুক্তি হয় বুলি মনা উচিত। এনেবোব সিদ্ধান্ত যুক্তি বিবেচনাব বিরুদ্ধ; গতিকে নিন্দনীয়। বৌদ্ধ সকলব মতবাদ ইমানলৈকে সংক্ষেপত প্রদর্শন কবা হল, বুদ্ধি বিবেচনাশীল সকলে ইয়ব পবাই বিবেচনা কাব চালে তেওঁলোকব বিদ্যা বুদ্ধি যুক্তিব পাবিব। জৈন সকলবো এয়েই মত।

ইয়াৰ পৰা জৈন মত

প্রকৰণবত্নাকৰ প্রথম ভাগ, নয়চক্রসাবত তলত দিয়া কথাবোব আছে:—

বৌদ্ধসকলে সময়ে প্রতি অর্থাৎ ভিন্ন ভিন্ন সময়ত ভিন্ন ভিন্ন অবস্থাব (১) আকাশ, (২) কাল, (৩ জীব, (৪) পুদ্‌গল এই চাবি দ্রব্য মানে। জৈনসকলে ধর্ম্মাস্তিকায়, অধর্ম্মাস্তিকায়, আকাশাস্তিকায়

পুদ্‌গলাস্তিকায়, জীবাস্তিকায় আৰু কাল এই ছয় দ্রব্য মানে। এইবোবব ভিতবত কালক অস্তিকায় বুলি নধবে, তেওঁলোকব মতে কাল উপচাবভহে (ভাষিক ব্যবহাবত) বস্তুগতৰূপে নহয়।

এইবোবব ভিতবত (১) "ধর্ম্মাস্তিকায়" গতি পবিণামিত্ব গুণত পবিণামী জীব আৰু পুদ্‌গলব গতি নিয়ন্ত্রণব কাবণ স্বৰূপ আৰু অসংখ্য স্থান দেহত ব্যাপ্ত হৈ আছে।

(২) "অধর্ম্মাস্তিকায়"—স্থিবতাব গুণত, পবিণামী জীব আব পুদ্‌গলব স্থিতিব আশ্রয়হেতু। অধর্ম্মাস্তিকায় জীব পবমাণু অর্থাৎ জীব আৰু দেহ সংযোগব কাবণ।

(৩) "আকাশাস্তিকায়"—অর্থাৎ সর্ব্বব্যাপী আকাশ, যি সকলোবে আধাব, যত জীব আৰু পুদ্‌গলব প্রবেশ আৰু নির্গমনাদি ক্রিয়া হয়।

(৪) "পুদ্‌গলাস্তিকায়"—জগতব মুল বা কাবণ স্বৰূপ, নিত্য, সূক্ষ্ম আৰু বস, বর্ণ-গন্ধ-স্পর্শ কার্যাব লিঙ্গ, পূর্ণ আৰু দ্রবত্ব স্বভাব বিশিষ্ট।

(৫) "জীবাস্তিকায়"—যাব লক্ষণ চেতন, জ্ঞান, দর্শনক্ষম, অনন্ত পর্য্যায়ত পবিণামী, কর্ত্তা আৰু ভোক্তা।

(৬) —"কাল" যি পূর্ব্বোক্ত, পঞ্চ আস্তিকায়ব পবত্ব, অপবত্ব, নবীনত্ব আৰু প্রাচীনত্ব, বর্ত্তমান আৰু পর্য্যায়ব (পবিবর্ত্তন) স্বৰূপ বোধক।

সমীক্ষক—বৌদ্ধসকলে চাবি দ্রব্যবেই ক্ষণে ক্ষণে পবিবর্ত্তন বা নতুন নতুন হয় বুলি যি সিদ্ধান্ত কবিছে সি মিছা। যিহেতু আকাশ, কাল, জীব আৰু পবমাণু কেতিয়াও নতুন বা পুবণি নহয়, এইবোব অনাদি আৰু কাবণ ৰূপত অর্থাৎ মুল স্বৰূপত অবিনাশী। গতিকে এইবোব নতুন বা পুবণি হব নোৱাবে।

জৈন মতে যি ষষ্ঠ তত্ত্বব সিদ্ধান্ত কবিছে সিও সঙ্গত নহয়। কাৰণ জৈনসকলে ধর্ম্ম আৰু অধর্ম্মক দ্রব্য বুলিছে, ধর্ম্ম-অধর্ম্ম দ্রব্য নহয় গুণহে।

ধর্ম্ম-অধর্ম্ম "জীবাস্তিকায়"ব লগত সংলগ্ন। গতিকে আকাশ, পবমাণু, জীব আক কাল এইৰূপে মনা হলে সঙ্গত হলহেঁতেন বৈশেষিক দর্শনব মতে দ্রব্য ৯ টা। পৃথিবী, জল, তেজ, বায়ু, আকাশ এই পাঁচ তত্ত্ব আক কাল, দিক্, আত্মা আক মন এই ন টা পৃথক পৃথক দ্রব্যৰূপে নিশ্চিত হৈছে। এক মাত্র জীবকেই চেতন মানি ঈশ্ববক অস্বীকাব কবা জৈন আক বৌদ্ধ সম্প্রদায়ব যুক্তিহীন পক্ষপাতিতাহে মাত্র।

বৌদ্ধ আক জৈনসকলে 'সপ্তভঙ্গী' আক 'স্যাদ্‌বাদ' মানে। যেনে :—(১) "সন্ ঘটঃ" ইয়াক প্রণম ভঙ্গ বোলে। অর্থাৎ "ঘট আছে" এই বাক্যব দ্বাবাই ঘটব অভাবব বিবোধ কবিছে। (২) দ্বিতীয় ভঙ্গ **"অসন্ ঘটঃ"** অর্থাৎ ঘট নাই, এই বাক্যবে ঘটব ভাবব বিবোধ কবিলে; গতিকে দ্বিতীয় ভঙ্গ হল। (৩) তৃতীয় ভঙ্গ—"সন্নসন্ন ঘটঃ" অর্থাৎ এইটো ঘট আছে কিন্তু এইটো পট নহয়। এই ভঙ্গ প্রথম আক দ্বিতীয় ভঙ্গব ভিন্ন হ'ল।

(৪) **চতুর্থ ভঙ্গ**—"ঘটোঽ ঘটঃ" যেনে "অঘটঃ পটঃ" নিজব ভিতবত অন্য পটব অভাব হোৱাত ঘটক অঘট বোলা হয়। ঘটব যুগপৎ দুই সংজ্ঞা অর্থাৎ ঘট আক অঘটো হয়।

(৫) **পঞ্চম ভঙ্গ** হল যে, ঘটক পট বোলা অসঙ্গত; অর্থাৎ ঘটব ঘটত্বই বক্তব্য, পটত্ব অবক্তব্য।

(৬) **ষষ্ঠ ভঙ্গ হল**—যি ঘট নহয়, তাক ঘট বোলা নেযায়; যি ঘট সেয়েহে ঘট, তাকহে ঘট বোলা সঙ্গত।

(৭) **সপ্তম ভঙ্গ** হল যে, যাব বিষয়ে বোলা অভিপ্রেত, সেইটো নাই, আক সেইটো ঘট বুলিবব অযোগ্য। সেই দবেই :—

স্যাদস্তি জীবোঽয়ং **প্রথমো** ভঙ্গঃ ॥১
স্যান্নাস্তি জীবো দ্বিতীয়ো ভঙ্গঃ ।২

স্যাদবক্তব্যো জীবস্তৃতীয়ো ভঙ্গঃ ॥৩
স্যাদস্তি নাস্তি নাস্তিৰূপো জীবশ্চতুর্থো ভঙ্গঃ ॥৪
স্যাদস্তি অবক্তব্যো জীবঃ, পঞ্চমো ভঙ্গঃ ॥৫
স্যান্নাস্তি অবক্তব্যো জীবঃ ষষ্ঠো ভঙ্গঃ ॥৬
স্যাদস্তি নাস্তি অবক্তব্যো জীব ইতি সপ্তমো ভঙ্গঃ ।৭

অর্থাৎ—"হে জীব" এইদবে কলে জীবব বিপবীত জড় পদার্থব অভাব হোৱাত প্রথম ভঙ্গ বোলে। দ্বিতীয় ভঙ্গ **"জড়ত জীব নাই"** এইদবে কোৱা হয়, গতিকে ইয়াকেই দ্বিতীয় ভঙ্গ বোলে। **"জীব আছে কিন্তু** কোৱাব যোগ্য নহয়" ইয়াক তৃতীয় ভঙ্গ বোলে। জীবই যেতিয়া দেহ ধাবণ কবে তেতিয়া ব্যক্ত আক যেতিয়া দেহব পবা পৃথক হয় তেতিয়া অব্যক্ত হয়, এইদবে কোৱাক চতুর্থ ভঙ্গ বোলে। **জীব আছে কিন্তু** কবব যোগ্য নহয়, এইদবে কোৱাকেই পঞ্চম ভঙ্গ বোলে। প্রত্যক্ষ প্রমাণেবে জীবব বিষয়ে কব নোৱাবি। গতিকে জীব চাক্ষুষ প্রত্যক্ষ নহয়; এনেকুৱা ব্যবহাবক ষষ্ঠ ভঙ্গ বোলে। এই সময়তে অনুমানব দ্বাবা জীব থকা আক অদৃশ্য কাবণে নথকা; এইদবে নথকা, কিন্তু ক্ষণে ক্ষণে পবিবর্ত্তন হোৱা, অস্তি-নাস্তি আক নাস্তি-অস্তি ব্যবহাব নোহোৱা, ইয়াক সপ্তম ভঙ্গ বোলে।

এইদবে নিত্যত্ব সপ্তভঙ্গী, অনিত্যত্ব সপ্তভঙ্গী, সামান্য ধর্ম্ম, বিশেষ ধর্ম্ম গুণ আক পর্য্যায়ব প্রত্যেক বস্তুত সপ্তভঙ্গী হয়। সেইদবে দ্রব্য, গুণ, স্বভাব আক পর্য্যায়, অনন্ত হোৱাব কাবণে সপ্তভঙ্গীও অনন্ত। বৌদ্ধ আক জৈন সকলব স্যাদ্‌বাদ আক সপ্তভঙ্গী ন্যায় এইদবে বর্ণনা কবা আছে।

সমীক্ষক—এনে কথন কেবল অন্যোন্যাভাব, সাধর্ম্ম্য আক বৈধর্ম্ম্যতেই চবিতার্থ হব পাবে। এই সহজ বোধ্য যুক্তিবাদব পবিবর্ত্তে ঘুবাই পকাই শব্দব চাকনৈয়াবে জটিল বচনা কবাব উদ্দেশ্য সর্ব্বসাধাবণক বিভ্রান্ত

কথা। দেখক! জীৱৰ অভাৱ, অজীৱত আৰু অজীৱৰ অভাৱ জীৱত বিদ্যমান; যেনেকৈ জীৱ আৰু জড়ৰ অস্তিত্ব সাধৰ্ম্য, চেতনত্ব আৰু জড়ত্ব বৈধৰ্ম্য; অৰ্থাৎ জীৱত চেতনত্ব আছে, আৰু জড়ত্বৰ অভাৱ বা নাই। এই দৰে জড়ত জড়ত্ব আছে চেতনত্বৰ অভাৱ বা নাই। এই নীতিৰে গুণ, কৰ্ম্ম, স্বভাৱৰ সাধৰ্ম্য আৰু বৈধৰ্ম্যৰ যুক্তিৰে বিবেচনা কৰিলে এইবোৰৰ সকলো সপ্তভঙ্গী আৰু স্যাদ্‌বাদ সহজে বোধগম্য হয়। যেয়ে হলে ইমানকৈ জটিল শব্দৰ প্রপঞ্চ অর্থাৎ মায়াজাল বিস্তাৰ কৰাৰ প্রয়োজন কি? এই বিষয়ত বৌদ্ধ আৰু জৈনৰ একেই মত। ইয়াৰ ভিতৰত অলপ ভেদ হলেও ভাৱৰো ভেদ হয়।

কেৱল জৈন মত:—

চিদচিদ্‌ দ্বে পরে তত্ত্বে বিবেকস্তদ্বিবেচনম্‌।
উপাদেয়মুপাদেয়ং হেয়ং হেয়ং চ কুর্ব্বতঃ ॥১
হেয়ং হি কর্ত্তৃরাগাদি তৎকার্য্যমবিবেকিনঃ।
উপাদেয়ং পরং জ্যোতিরূপযোগৈকলক্ষণম্‌ ॥২

জৈনে "চিৎ" আৰু "অচিৎ" অর্থাৎ চেতন আৰু জড় এই দুটাকহে মাত্র পৰতত্ত্ব মানে। এই দুটাৰ বিবেচনাৰ নাম বিবেক। যি সকলে গ্রহণযোগ্য পদার্থ গ্রহণ কৰে আৰু বর্জ্জনীয়ক বর্জ্জন কৰে তেওঁলোকক বিবেকী বোলে ॥১॥ জগতৰ কর্ত্তা, ৰাগ আদি আৰু ঈশ্বৰ জগতৰ কাৰণ, এই অবিবেকী মতৰ বর্জ্জন আৰু যোগৰ দ্বাৰাই লক্ষিত পৰম জ্যোতিঃ স্বৰূপ জীৱৰ গ্রহণেই শ্রেয়ঃ ॥২

অর্থাৎ জৈন আৰু বৌদ্ধসকলে একমাত্র জীৱকেই চেতন তত্ত্ব বুলি মানে। জীৱৰ বাহিৰে অন্য কোনো অনাদি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। এই বিষয়ে ৰজা শিৱ প্রসাদে "ইতিহাসতিমিৰনাশক" নামৰ গ্রন্থত লিখিছে যে, বৌদ্ধ আৰু জৈন একেটা মতৰে দুটা নাম। এই দুটা শব্দৰ

পর্য্যায়বাচক। বৌদ্ধসকলৰ ভিতৰত মদ্যমাংসাহাৰী ৰামমার্গী আছে, কিন্তু জৈন তাৰ বিপৰীত, ইমানেই পার্থক্য। কিন্তু মহাবীৰ আৰু গৌতম গণধৰক বৌদ্ধসকলে বুদ্ধ আৰু জৈনসকলেও গণধৰ আৰু জিনৰৰ বোলে। জিনৰ পৰাই পৰম্পৰা ক্রমে জৈন সম্প্রদায় চলি আহিছে।

ৰজা শিৱপ্রসাদে তেওঁৰ "ইতিহাসতিমিৰ নাশক" নামৰ গ্রন্থৰ তৃতীয় খণ্ডত লিখিছে যে; স্বামী শঙ্কৰাচার্য্যৰ প্রায় এহেজাৰ বছৰৰ আগতেই জিনৰ আবির্ভাৱ হয়। অর্থাৎ শঙ্কৰাচার্য্যৰ পূর্ব্বে সমগ্র ভাৰতত বৌদ্ধ অথবা জৈন ধর্ম্ম প্রচাৰিত হৈ আছিল। সেই গ্রন্থত তেওঁৰ মন্তব্য প্রকাশ কৰিছে 'যি বেদৰ বিৰুদ্ধ মত মহাবীৰ, গণধৰ গৌতম স্বামীৰ সময়ৰ পৰা স্বামী শঙ্কৰাচার্য্যৰ সময়লৈকে ভাৰতবর্ষত বিস্তৃত হৈ আছিল আৰু যাক সম্রাট অশোক আৰু সম্প্রতি মহাৰাজে অৱলম্বন কৰে, জৈন মতক ইয়াৰ পৰা ভিন্ন বুলি ধৰিব নোৱাৰি। "জিনৰ" পৰা "জৈন" আৰু "বুদ্ধৰ" পৰা বৌদ্ধ এই দুয়োটা পর্য্যায়বাচী শব্দৰ উৎপত্তি হৈছে। অভিধানত্তো এই দুয়োটা শব্দৰ একেই অর্থ লিখিছে। বৌদ্ধ আৰু জৈন দুয়ো সম্প্রদায়েই গৌতমক মানে। ইয়াৰ বাহিৰেও দীপবংশ আদি প্রাচীন বৌদ্ধ গ্রন্থবোৰত শাক্যমুনি গৌতম বুদ্ধক প্রায় মহাবীৰ নামে উল্লেখ কৰা হৈছে। সম্ভৱ শাক্যমুনিৰ সময়ত বৌদ্ধ আৰু জৈন দুয়োটা একে মতেই আছিল। আমি যে গৌতমৰ অনুগামীসকলক জৈন নুবুলি বৌদ্ধ বোলো, তাৰ কাৰণ এয়ে যে অন্য দেশীয় লোকে তেওঁলোকক বৌদ্ধ নামেই অভিহিত কৰি আহিছে।" অমৰ কোষতো এইদৰে লিখিত আছে:—

সর্ব্বজ্ঞঃ সুগতস্তুক্ত বুদ্ধো ধর্ম্মরাজস্তথাগতঃ।
সমন্তভদ্রো ভগবান্মারজিল্লোকজিজ্জিনঃ ॥
ষড়ভিজ্ঞো দশবলোঽদ্বয়বাদী বিনায়কঃ।
মুনীন্দ্রঃ শ্রীঘনঃ শাস্তা মুনিঃ শাক্যমুনিস্তু যঃ ॥২

স শাক্যসিংহ সর্ব্বার্থঃ সিদ্ধশ্শৌদ্ধোদনিশ্চ সঃ।
গৌতমশ্চার্কবন্ধুশ্চ মায়াদেবীসুতশ্চ সঃ ॥৩

অমর কোষ কাঃ ১—বর্গ—১, শ্লোঃ ৮১৩

ইয়াৰ পৰা এতিয়া চ'ক বুদ্ধ আৰু জিন বা বৌদ্ধ আৰু জৈন এইবোৰ একৰেই নাম হয়নে নহয়। অমৰ সিংহবো ভ্ৰম হল নেকি, বুদ্ধ আৰু জিন এক ব্যক্তি বুলিয়ে লিখিছে? যিবোৰ জৈনৰ বিদ্যা বুদ্ধি নাই, তেওঁলোকে নিজৰ বা আনৰ বিষয়ে একোকে নেজানে, নিজ ধাৰণা মতেই আগ গুৰি নোহোৱা কথা কয়—কিন্তু জৈনৰ ভিতৰত যি সকল বিদ্বান তেওঁলোকে জানে যে "বুদ্ধ" আৰু "জিন" তথা "বৌদ্ধ" আৰু "জৈন" পর্য্যায়বাচক শব্দ তাত কোনো সন্দেহ নাই। [জৈনসকলৰ কোৱা মতে জীৱেই পৰমেশ্বৰ হৈ যায়। জৈনসকলে তেওঁলোকৰ তীৰ্থঙ্কৰ সকলকেই কেৱলী মুক্তি প্ৰাপ্ত আৰু পৰমেশ্বৰ বুলি বিশ্বাস কৰে। তেওঁলোকৰ মতে অনাদি পৰমেশ্বৰ কোনো নাই। সৰ্ব্বজ্ঞ, বীতৰাগ, অৰ্হন, কেৱলী, তীৰ্থঙ্কৰ আৰু জিন এইবোৰ নাস্তিকসকলৰ ছয় দেৱতাৰ নাম। আদি-দেৱৰ স্বৰূপ চন্দ্ৰসূৰিয়ে "আপ্তনিশ্চয়ালঙ্কাৰ" নামৰ গ্ৰন্থত বৰ্ণনা কৰিছে—

সর্ব্বজ্ঞো বীতরাগাদিদোষস্ত্রৈলোক্য পূজিতঃ।
যথা স্থিতার্থবাদী চ দেবোঽর্হন্ পরমেশ্বরঃ ॥১

"তৌতাতিতোৱেও লিখিছে :-

সর্ব্বজ্ঞ দৃশ্যতে তাবন্নেদানীমস্মদাদিভিঃ।
দৃষ্টো ন চৈকদেশোঽস্তি লিঙ্গং বা যোঽনুমাপয়েৎ ॥২
ন চাগমবিধিঃ কশ্চিন্নিত্য সর্ব্বজ্ঞ বোধকঃ।
ন চ তত্রার্থবাদানাং তাৎপর্য্যমপি কল্প্যতে ॥৩
ন চান্যার্থপ্রধানৈস্তৈস্তদস্তিত্বং বিধীয়তে।
ন চানুবাদিতুং শক্যঃ পূর্ব্বমন্যৈরবোধিতঃ ॥৪

অৰ্থ—যি ৰাগ আদি দোষৰহিত, যি ত্ৰিলোক পূজ্য, যি পদাৰ্থ-বোৰৰ যথাৰ্থ বক্তা আৰু যি সৰ্ব্বজ্ঞ, অৰ্হনদেব, তেওঁৰেই পৰমেশ্বৰ ॥১

হিহেতু আমি এতিয়া পৰমেশ্বৰক নেদেখো গতিকে সৰ্ব্বজ্ঞ, অনাদি পৰমেশ্বৰ প্ৰত্যক্ষ নহয়। ঈশ্বৰ বিষয়ে প্ৰত্যক্ষ প্ৰমাণৰ অভাৱত অনুমানো হব নোৱাৰে। কাৰণ একদেশ (একাংশ) প্ৰত্যক্ষ নহলে অনুমান হব নোৱাৰে ॥২॥ প্ৰত্যক্ষ আৰু অনুমানৰ অভাৱত আগম অৰ্থাৎ নিত্য, অনাদি আৰু সৰ্ব্বজ্ঞ পৰমাত্মাৰ বোধক শব্দপ্ৰমাণো হব নোৱাৰে। গতিকে ত্ৰিবিধ প্ৰমাণৰ অভাৱত অৰ্থবাদ অৰ্থাৎ স্তুতি, নিন্দা, পৰকৃতি (পৰৰ চৰিত্ৰ বৰ্ণন) আৰু পুৰাকল্প অৰ্থাৎ ইতিহাসৰ তাৎপৰ্য্যও নেথাটে ॥৩॥ ইয়াৰ উপৰিও অন্যাৰ্থপ্ৰধান বহুব্ৰীহি সমাসৰ দৰে পৰোক্ষ পৰমাত্মাৰ সিদ্ধিও বিধান নহয়। আৰু ঈশ্বৰৰ উপদেষ্টাসকলৰ পৰা শুনিব নোৱাৰিলে পুনৰাবৃত্তিও হব নোৱাৰে ॥৪॥

ইয়াৰ প্ৰত্যাখ্যান অৰ্থাৎ খণ্ডন :—

অনাদি ঈশ্বৰ নেথাকিলে, "অৰ্হন দেৱৰ" মাতা-পিতা আদিৰ দেহাকৃতিৰ সাঁচ (অৰ্থাৎ আদিৰ পৰিকল্পনা) কোনে নিৰ্ম্মাণ কৰিলে? সংযোগকৰ্ত্তা নহলে যথাযোগ্য সৰ্ব্ব অবয়ৱ সম্পন্ন আৰু যথোচিত কাৰ্য্যক্ষম দেহযন্ত্ৰৰ নিৰ্ম্মাণ হব নোৱাৰে। দেহৰ উপাদান জড়; জড় পদাৰ্থই স্বয়ং এনেকুৱাকৈ যথাযোগ্য ভাবে সুগঠিত হৈ নিৰ্ম্মিত হব নোৱাৰে। কাৰণ জড় পদাৰ্থৰ যথাযোগ্য ভাবে নিৰ্ম্মিত হবৰ জ্ঞানেই নাই। আৰু যি প্ৰথমতে ৰাগ আদি সদোষ হৈ, পাছত নিৰ্দ্দোষ হয়, সি কেতিয়াও ঈশ্বৰ হব নোৱাৰে। কাৰণ যি, যি নিমিত্তে ৰাগ আদি দোষৰ পৰা মুক্ত হয়, সেই নিমিত্ত নষ্ট হলে, নিমিত্তৰ কাৰ্য্য মুক্তিও অনিত্য হব। যি অল্প আৰু অল্পজ্ঞ, সি কেতিয়াও সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপক হব নোৱাৰে। জীৱৰ স্বৰূপ একদেশী আৰু পৰিমিত গুণ-কৰ্ম্ম স্বভাৱ বিশিষ্ট। জীৱ সৰ্ব্বভাৱে সৰ্ব্ববিদ্যাৰ যথাৰ্থ বক্তা হব নোৱাৰে, গতিকে তীৰ্থঙ্কৰ কেতিয়াও পৰমেশ্বৰ হব নোৱাৰে ॥১॥

আপোনালোক জৈন মতাবলম্বীয়ে কেৱল প্রত্যক্ষ পদার্থকহে স্বীকাব কবে নেকি ? অপ্রত্যক্ষ পদার্থক স্বীকাব নকবে নেকি ? যেনেকৈ ৰূপ দর্শনব সাধন চক্ষু, শব্দ শ্রৱণব সাধন কর্ণ, সেইদবে অনাদি পবমাত্মাক দর্শন কবাব সাধন শুদ্ধ অন্তঃকবণ। পবিত্র আত্মাই বিদ্যা আৰু যোগাভ্যাসব দ্বাবাই পবমেশ্বৰক প্রত্যক্ষ দর্শন কবে। যেনেকৈ অধ্যয়ন বিনা বিদ্যালাভ নহয়, সেইদবে বিনা যোগাভ্যাসে, আৰু জ্ঞান-বিজ্ঞান বিনা পবমাত্মাব দর্শন হব নোৱাবে। যেনেকৈ পৃথিবীব ৰূপ আদি গুণ দেখি আৰু জানি, গুণব পৰা অব্যবহিত সম্বন্ধবিশিষ্ট পৃথিৱী প্রত্যক্ষ হয়, সেইদবে সৃষ্টিত পবমাত্মাব বচনা বিশেষ লিঙ্গ (চিহ্ন) দেখি পবমাত্মাক প্রত্যক্ষ কবা যায়। পাপ আচবণব ইচ্ছাব সময়ত মনত যে ভয়, সংশয় আৰু লজ্জা অনুভৱ হয়, সেইবোব অন্তর্য্যামী পবমাত্মাব পৰাই হয়। ইয়াব দ্বাবাই পবমাত্মা প্রত্যক্ষ হয়। গতিকে অনুমানব বিষয়ে কোনো সন্দেহ থাকিব পাবে নেকি ? ॥২

প্রত্যক্ষ আৰু অনুমান প্রমাণ হোৱাত আগম প্রমাণো নিত্য, অনাদি আৰু সর্ব্বজ্ঞ ঈশ্বৰব বোধক। গতিকে ঈশ্বৰব বিষয়ে শব্দ প্রমাণো আছে। যেতিয়া জীৱই ত্রিবিধ প্রমাণব দ্বাবা ঈশ্বৰক জানিব পাবে,—তেতিয়া যথার্থৰূপে অর্থবাদ অর্থাৎ পবমেশ্বৰব গুণাৱলীব প্রশংসা কবাত সমর্থ হয়। যি পদার্থ নিত্য, তাব গুণ, কর্ম্ম স্বভাবো নিত্য। তেতিয়া প্রশংসাত কোনো প্রতিবন্ধ নেথাকে ॥৩ যেনেকৈ মানুহব হিতৰত বিনা কর্ত্তাই কোনো কার্য্য হব নোৱাবে, সেইদবে মহৎ কার্য্যও কর্ত্তা নহলে হোৱা সর্ব্বথা অসম্ভৱ। এই কথা যদি সত্য হয়, তেন্তে ঈশ্বৰব অস্তিত্ব বিষয়ে মূর্খবো সন্দেহ হব নোৱাবে। উপদেষ্টা সকলব পৰা পবমাত্মাব বিষয়ে উপদেশ শুনাব পাছত তাব অনুবাদ অর্থাৎ পুনৰুক্তিও সহজ সাধ্য। ৪ গতিকে প্রত্যক্ষাদি প্রমাণব অভাব বুলি ঈশ্বৰব অস্তিত্ব অস্বীকাব কবা জৈনসকলব অনুচিত।

প্রশ্ন—অনাদের্বাগমস্যার্থো ন চ সর্ব্বজ্ঞ আদিমান্।
কৃত্রিমেণ ত্বসত্যেন স কথং প্রতিপাদ্যতে ॥১
অথ তদ্বচনেনৈব সর্ব্বজ্ঞোঽন্যৈঃ প্রতীয়তে।
প্রকল্প্যেত কথং সিদ্ধিরন্যোঽন্যাশ্রয়য়োস্তয়োঃ ॥২
সর্ব্বজ্ঞোক্ততয়া বাক্যং সত্যং তেন তদস্তিতা।
কথং তদুভয়ং সিধ্যেৎ সিদ্ধমূলান্তরাদৃতে ॥৩

মাজতে সর্ব্বজ্ঞ হোৱা অনাদি শাস্ত্রব অর্থ হব নোৱাবে, কাবণ কৃত অসত্য বচনেবে তাব প্রতিপাদন কেনেকৈ হব পাবে ? ॥১। যদি পবমেশ্বৰব বাক্যবেই পবমেশ্বৰব সিদ্ধি হয়, তেতিয়া হলে অনাদি ঈশ্বৰব পৰা অনাদি শাস্ত্রব সিদ্ধি, অনাদি শাস্ত্রব দ্বাবা অনাদি ঈশ্বৰব সিদ্ধি, এইদবে অন্যোঽন্যাশ্রয় দোষ হয় ॥২। সর্ব্বজ্ঞব বাক্য মতে বেদবাক্য সত্য আৰু সেই বেদ বাক্যেবেই ঈশ্বৰব সিদ্ধি কবে, সেইটো কেনেকৈ যুক্তিসঙ্গত হব পাবে ? সেই শাস্ত্র আৰু পবমেশ্বৰ সিদ্ধিব কাবণে তৃতীয় কিবা প্রমাণব আৱশ্যক—এইদবে কলেও অনৱস্থা দোষ ঘটে ॥৩।

উত্তৰ—আমাব মতে পবমেশ্বৰ আৰু পবমেশ্বৰব গুণ-কর্ম্ম-স্বভাব অনাদি। অনাদি আৰু নিত্য পদার্থব মাজত অন্যোঽন্যাশ্রয় দোষ ঘটিব নোৱাবে। যেনেকৈ কার্য্যব দ্বাবা কাবণব আৰু কাবণব দ্বাবা কার্য্যব জ্ঞান হয় ; কার্য্যত কাবণব আৰু কাবণত কার্য্যব স্বভাব নিত্য, গতিকে ঈশ্বৰ কৃত বেদত অনৱস্থা দোষ নঘটে ॥১।২।৩॥ আপোনালোকে যে তীর্থঙ্কৰক পবমেশ্বৰ বুলি মানে, সেইটো কেতিয়াও যুক্তি সঙ্গত হব নোৱাবে। কাবণ পিতা-মাতাব বিনা সংযোগে তেওঁলোকব শৰীব হব নোৱাবে, তেনেহলে তেওঁলোকে তপশ্চর্য্যা, জ্ঞান আৰু মুক্তি কেনেকৈ লাভ কবিব পাবে ? সংযোগব আদি নিশ্চয় আছে ; কাবণ বিয়োগ নহলে সংযোগ হবই নোৱাবে। গতিকে অনাদি সৃষ্টিকর্ত্তা পবমেশ্বৰক মনা কর্ত্তব্য। দেখক !

যেয়ে যিমানেই সিদ্ধ হওক লাগে, কোনেও শৰীৰ আদিৰ সৃষ্টিৰ বিষয়ে সম্পূর্ণৰূপে জানিব পৰা সম্ভৱ নহয়। সুষুপ্তি অৱস্থাত সিদ্ধ জীৱৰ কোনো ভান নেথাকে। আৰু যেতিয়া কোনোৱে দুঃখগ্রস্ত হয়, তেতিয়া তাৰ জ্ঞানো হ্রাস পায়। বিভ্রান্ত বুদ্ধিৰ জৈনৰ বাহিৰে আন কোনেও পৰিমিত সামর্থ্য বিশিষ্ট একদেশী তীর্থঙ্কৰক ঈশ্বৰ বুলি মানিব নোৱাৰে। যদি আপোনালোকে কৰ খোজে যে, তীর্থঙ্কৰসকলৰ তেওঁলোকৰ মাতা-পিতাৰ পৰা জন্ম হৈছে, তেতিয়া হলে তেওঁলোকৰ মাতা-পিতা কাৰ পৰা হল, আৰু সেইসকলৰ মাতা-পিতা বা কাৰ পৰা হল? গতিকে এইদৰে অনৱস্থা দোষ ঘটিব।

আস্তিক নাস্তিকৰ সম্বাদ

ইয়াৰ পাছত "প্রকৰণৰত্নাকৰ"ৰ দ্বিতীয় ভাগৰ আস্তিক আৰু নাস্তিকবাদ সম্বন্ধীয় আলোচনা মূলক প্রশ্নোত্তৰ লিখিত হৈছে। কেইজনমান বিশিষ্ট জৈনৰ সর্ব্বসম্মতিক্রমে এই সকলোবোৰ বোম্বাইৰ পৰা প্রকাশিত হৈছে।

নাস্তিক—ঈশ্বৰৰ ইচ্ছাত একো নহয়, যি হয় কর্ম্মৰ পৰাহে হয়।

আস্তিক—কর্ম্মৰ দ্বাৰাই যে সকলো হয়, কর্ম্ম কাৰ দ্বাৰাই হয়? যদি কয় যে জীৱ আদিৰ দ্বাৰাই হয়, তেনেহলে শ্রোত্র আদি যিবোৰ সাধনেৰে জীৱই কর্ম্ম কৰে—সেইবোৰ কাৰ পৰা হ'ল? অনাদি কাল আৰু অনাদি স্বভাবেৰে হয় বুলি কয় যদি, যি অনাদি তাৰ কেতিয়াও অন্ত নহব। গতিকে আপোনালোকৰ মত অনুসাৰে মুক্তিৰ অভাৱ হব। যদি কব খোজে যে প্রাগভাববৎ অনাদি সান্ত, তেতিয়া হলে বিনা চেষ্টাতেই সকলো কর্ম্মৰ নিবৃত্তি হব। ঈশ্বৰ যদি ফলদাতা নহয়, তেন্তে পাপৰ ফল দুঃখ জীৱই স্বইচ্ছাই কেতিয়াও নুভুগে। যেনেকৈ চোৰ আদি অপৰাধীয়ে

শাস্তি ভুগিব নোখোজে, কিন্তু ৰাজ্যৰ ব্যৱস্থাই ভুগিবলৈ বাধ্য কৰে, সেইদৰে পৰমেশ্বৰে ভোগ কৰিবলৈ বাধ্য কৰে কাৰণে জীৱই পাপ পুণ্যৰ ফল ভোগ কৰে; নহলে কর্ম্মসঙ্কৰ সৃষ্টি হব অর্থাৎ এজনৰ কৃতকর্ম্মৰ ফল আন এজনে ভোগ কৰিব লাগিব।

নাস্তিক—ঈশ্বৰ নিষ্ক্রিয়; সক্রিয় হলে ঈশ্বৰেও কর্ম্মৰ ফল ভোগ কৰিব লাগে। গতিকে আমাৰ মতে কেৱলী প্রাপ্ত মুক্তসকল নিষ্ক্রিয়, ইয়াকেই আপোনালোকেও স্বীকাৰ কৰা কর্ত্তব্য।

আস্তিক—ঈশ্বৰ নিষ্ক্রিয় নহয়, সক্রিয়। যি চেতন সি অকর্ত্তা কেনেকৈ হব? আৰু যি কর্ত্তা সি ক্রিয়াৰ পৰা পৃথক্ কেতিয়াও হব নোৱাৰে। যেনেকৈ আপোনালোকে কৃত্রিম ঈশ্বৰ তীর্থঙ্কৰক জীৱৰ পৰা হোৱা বুলি মানে, এইদৰে আন কোনো পণ্ডিতে নেমানে, কাৰণ ঈশ্বৰ যদি কোনো নিমিত্ত বশতঃ হয়, তেতিয়া অনিত্য আৰু পৰাধীন হয়। ঈশ্বৰ হোৱাৰ আগত জীৱ হৈ থাকিও পাছত কোনো কাৰণ বশতঃঈশ্বৰ হয়, তেন্তে আকৌ জীৱ হৈ যাব। নিজৰ জীৱত্ব স্বভাৱ কেতিয়াও এৰিব নোৱাৰিব, কিয়নো অনন্ত কালৰ পৰা জীৱ আছে আৰু অনন্ত কাললৈকে থাকিব। গতিকে এই অনাদি স্বতঃ সিদ্ধ ঈশ্বৰক মনা উচিত। দেখক! বর্ত্তমানত জীৱই যেনেকৈ পাপ পুণ্য কৰে আৰু সুখ দুঃখ ভোগে; ঈশ্বৰে তেনে নকৰে। ঈশ্বৰ ক্রিয়াবান নোহোৱা হলে এই জগতৰ কেনেকৈ সৃষ্টি হ'লহেঁতেন? যদি ভৱা হয় যে, কর্ম্ম প্রাগভাববৎ অনাদি আৰু সান্ত, তেতিয়া কর্ম্মৰ সমবায় সম্বন্ধ থাকিব নোৱাৰে, তেনেহলে কর্ম্ম সংযোগজ আৰু অনিত্য হব। মুক্ত অৱস্থাত ক্রিয়া অস্বীকাৰ কৰিলে মুক্ত জীৱৰ জ্ঞান থাকিব নে নেথাকে? থাকে বুলি মানে যদি, অন্তঃ ক্রিয়াযুক্ত হয়। মুক্ত অৱস্থাত জীৱই জড় পদার্থৰ দৰে লৱচৱহীন হৈ এঠাইত পৰি থাকে নেকি? তেনে মুক্তি, তেনেহলে কি মুক্তি হল? অন্ধকাৰ আৰু বন্ধনতহে থাকিল দেখোন?

নাস্তিক—ঈশ্বৰ ব্যাপক নহয়, ব্যাপক হলে সকলো বস্তু চেতন নহয় কিয় ? আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদিৰ উত্তম, মধ্যম আৰু নিকৃষ্টতা কেলেই হব ? যিহেতু ঈশ্বৰ সৰ্ব্বব্যাপক হৈ আছে, কোনো উত্তম মধ্যম হব নোৱাৰে ।

আস্তিক—ব্যাপ্য আৰু ব্যাপক একে নহয়। ব্যাপ্য একদেশী আৰু ব্যাপক সৰ্ব্বদেশী। যেনেকৈ আকাশ সকলোতে ব্যাপক আৰু ভূগোল, ঘটপট আদি সকলো ব্যাপ্য, একদেশী। যেনেকৈ আকাশ আৰু পৃথিৱী একে নহয়, সেইদৰে ঈশ্বৰ আৰু জগৎ একে নহয়। যেনেকৈ সকলো ঘটপট আদিত আকাশ ব্যাপক, ঘটপট আদি আকাশ নহয়, সেইদৰে পৰমেশ্বৰৰ চেতন সকলোতে আছে, কিন্তু সকলো চেতন নহয়। যেনেকৈ বিদ্বান্ অবিদ্বান্ আৰু ধৰ্ম্মাত্মা অধৰ্ম্মাত্মা একে নহয়, সেইদৰে বিদ্যাদি সদ্‌গুণ আৰু সৎকৰ্ম্ম আৰু সুশীলতা আদি স্বভাৱৰ ন্যূনাধিক্যৰ কাৰণে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু অন্ত্যজ বা সক-ৰ মনা হয়। বৰ্ণৰ ব্যাখ্যা চতুৰ্থ সমুল্লাসত দিয়া হৈছে ।

নাস্তিক—ঈশ্বৰৰ ইচ্ছাত যদি সৃষ্টি হয়, মাতা-পিতাৰ কি কাম থাকে ?

আস্তিক—ঐশ্বৰিক সৃষ্টিৰ ঈশ্বৰ কৰ্ত্তা, জৈৱী সৃষ্টিৰ কৰ্ত্তা ঈশ্বৰ নহয়। জীৱৰ কৰ্ত্তব্য কৰ্ম্ম ঈশ্বৰে নকৰে, জীৱইহে কৰে। ঈশ্বৰে বৃক্ষ, ফল, ঔষধি, অন্ন আদি সৃষ্টি কৰিছে, সেইবোৰ মানুহে কাটি ছিণ্ডি, বান্ধি-খুন্দি নেখালে, সেই কামো ঈশ্বৰে কৰিব নেকি ? তাকে নকৰিলে জীৱৰ জীয়নো হব নোৱাৰে। আদি সৃষ্টিত জীৱৰ শৰীৰ আৰু সাঁচ নিৰ্ম্মাণ কৰা ঈশ্বৰৰ অধীন, তাৰ পাছত পুত্ৰাদিৰ উৎপত্তি কৰা জীৱৰ কৰ্ত্তব্য।

নাস্তিক—শাশ্বত, অনাদি, চিদানন্দ, জ্ঞানস্বৰূপ পৰমাত্মাই জগতৰ প্ৰপঞ্চ আৰু দুঃখত কিয় আৱদ্ধ হল ? সাধাৰণ মানুহেও আনন্দ, সুখ এৰি দুঃখ ভোগ নকৰে, ঈশ্বৰে নো কিয় কৰিছে ?

আস্তিক—পৰমাত্মা প্ৰপঞ্চ বা দুঃখত নপৰে, নিজৰ আনন্দও পৰিত্যাগ নকৰে। যি একদেশী, সিহে প্ৰপঞ্চ আৰু দুঃখত পৰে, সৰ্ব্বদেশী কেতিয়াও নপৰে। অনাদি, চিদানন্দ, জ্ঞানস্বৰূপ পৰমাত্মাই এই জগৎখন ৰচনা নকৰিলে আন কোনে কৰিব পাৰে ? জগৎ ৰচনা কৰিব পৰা শক্তি জীৱৰ নাই ; জড় পদাৰ্থৰো স্বয়ং হব পৰা সামৰ্থ্য নাই। ইয়াৰ পৰা প্ৰমাণ হয় যে, পৰমাত্মায়েই জগৎ সৃষ্টি কৰে আৰু তেওঁ স্বয়ং আনন্দত থাকে। পৰমাত্মাই পৰমাণুৰ পৰা যেনেকৈ জগতৰ সৃষ্টি কৰিছে, সেই দৰেই মাতা-পিতাৰূপ নিমিত্ত কাৰণৰ পৰা উৎপত্তিৰ ব্যৱস্থা আৰু নিয়মো তেওঁৰেই প্ৰচলন কৰিছে ।

নাস্তিক—ঈশ্বৰে মুক্তি সুখ এৰি জগতৰ সৃষ্টিকৰণ, ধাৰণ আৰু প্ৰলয়ৰ জঞ্জালত কিয় সোমালে ?

আস্তিক—ঈশ্বৰ সদা মুক্ত। যি ঈশ্বৰ, তেওঁ আপোনালোকৰ সাধনা বিশিষ্ট তীৰ্থঙ্কৰসকলৰ দৰে বন্ধনৰ পাছত মুক্তিলাভ নকৰে। যি সনাতন পৰমাত্মা অনন্ত গুণ-কৰ্ম্ম স্বভাৱ বিশিষ্ট, তেওঁ এই অকিঞ্চিৎকৰ জগতৰ সৃষ্টি-স্থিতি প্ৰলয় কৰিবৰ কাৰণে বন্ধনত আবদ্ধ নহয়। বন্ধন আৰু মুক্তি আপেক্ষিক, অৰ্থাৎ বন্ধন মুক্তিৰ সাপেক্ষ আৰু মুক্তি বন্ধনৰ সাপেক্ষ। যিজন কেতিয়াও বদ্ধই নাছিল, তেওঁৰ আকৌ মুক্তি কেনেকৈ হব পাৰে ? জীৱ সসীম আৰু একদেশী কাৰণে জীৱৰ মুক্তি আৰু বন্ধন আদি সদায় হৈ থাকে। অনন্ত সৰ্ব্বব্যাপী আৰু সৰ্ব্বব্যাপক ঈশ্বৰ আপোনালোকৰ তীৰ্থঙ্কৰসকলৰ দৰে কেতিয়াও নৈমিত্তিক বন্ধন বা মুক্তিচক্ৰত নপৰে। এই কাৰণেই পৰমাত্মাক সদা মুক্ত বোলা হয় ।

নাস্তিক—ভাং খোৱাৰ ফল মাদকতাৰ দৰে জীৱই কৰ্ম্মফল নিজে নিজে ভোগ কৰে, গতিকে ঈশ্বৰৰ নো কি প্ৰয়োজন ?

বোৱ নোম বাহিৱ কৰোতে যিমান কাল লাগে সেই সময়কেই "অসংখ্যাত" বোলে।

আকৌ সেই নোমৱ প্ৰত্যেক ক্ষুদ্ৰ খণ্ডবোৱ অসংখ্য খণ্ড কৰি, তাৰে এনেভাবে সেই নাদটো ভৰাব, তাৰ ওপৰেদি এক ৰাজচক্ৰৱৰ্ত্তীৰ সকলো সৈন্য গলেও যাতে তললৈ বহি নাযায়। তাৰ পাছত সেই নাদৱ পৰা নোমৱ ক্ষুদ্ৰ ক্ষুদ্ৰ টুকুৰাবোৱৰ একো একো ডোখৰ এশ বছৰৰ অন্তৰে অন্তৰে বাহিৱ কৰিব। এইদৰে সেই নাদটো খালি কৰোঁতে যিমান সময় লাগে তাকেই অসংখ্য "পূৰ্ব্ব" বোলে। এনেকুৱা অসংখ্য পূৰ্ব্ব বছৰে এক "পল্যোপম" কাল হয়। এইদৰে ১০ কোটি পল্যোপম কাল অতীত হলে এক "সাগৰোপম" কাল হয়। ১০ কোটি সাগৰোপম কাল অতীত হলে এক "উৎসর্পণী" কাল হয়। এক উৎসর্পণী আৰু এক অৱসর্পণী কাল অতীত হলে এক "কালচক্ৰ" হয়। তেনেকুৱা অনন্ত কালচক্ৰ অতীত হলে এক 'পুদ্‌গলপৰাবৃত্ত" হয়। অনন্ত কাল কি? এই সিদ্ধান্তবোৰত যি ৯টা উদাহৰণেৰে কালৰ গণনা কৰা হৈছে, ইয়াৰো সীমা যি অতিক্ৰম কৰে, তাকেই অনন্তকাল বোলে। জীৱবোৰে অনন্ত "পুদ্‌গলপৰাবৃত্ত কাল" ভ্ৰমণ কৰোতে অভিহিত হৈছে ইত্যাদি।

গণিত বিদ্যাৰ পণ্ডিতসকল! আপোনালোকে জৈনগ্ৰন্থৰ আৰ্য্যা-মতে কাল গণনা কৰিব পাৰিব নে? এতিয়া ভাবি চ'ক, তীৰ্থঙ্কৰসকলৰ গণিত বিদ্যাৰ জ্ঞান কিমান গভীৰ। জৈন মতাৱলম্বীসকলৰ ভিতৰত এনে-কুৱা অনেক গুৰু আৰু শিষ্য আছে—যাৰ অবিদ্যাৰ সীমা নাই।

জৈন পন্থীৰ অজ্ঞতাৰ কথা আৰু আছে। ৰত্নসাৰ ভাগ জৈন সিদ্ধান্তৰ গ্ৰন্থ। তাৰ ১০৩ পৃষ্ঠাৰ পৰা তীৰ্থঙ্কৰসকলৰ অর্থাৎ ঋষভদেৱৰ পৰা মহাবীৰ পর্য্যন্ত ২৪ জন তীৰ্থঙ্কৰৰ বচনবোৰৰ সাৰ সংগ্ৰহ। সেই ৰত্নসাৰ ভাগৰ ১৪৮ পৃষ্ঠাত লিখা আছে যে, মাটি প্ৰস্তৰ আদিৰ

ভিন্ন ভিন্ন আকৃতিৰ পৃথিবী বিশেষক পৃথিবীকায় জীৱ বোলে। সেই-বোৰত অৱস্থিত জীৱৰ দেহ এটা আঙুলিৰ অসংখ্য ভাগৰ এভাগ অর্থাৎ অতি সূক্ষ্ম। সেইবোৰৰ আয়ুষ সর্ব্বাধিক ২২ বছৰ পর্য্যন্ত। (ৰত্নসাৰ ভাগ পৃষ্ঠা ১৪৯) এফ এক বনস্পতি দেহত অনন্ত জীৱ থাকে, সেই-বোৰক সাধাৰণ বনস্পতি বোলে। যিবোৰ কন্দমূল প্ৰমুখ আৰু অনন্তকায় প্ৰমুখ-সেইবোৰক সাধাৰণ বনস্পতিৰ জীৱ বোলা উচিত। সেইবোৰৰ আয়ুষ পৰিমাণ অনন্ত মুহূৰ্ত্ত; কিন্তু ইয়াত পূৰ্ব্বোক্ত মুহূৰ্ত্তকেই বুজিব লাগে। সেইবোৰৰ দেহৰ কেৱল এটাই ইন্দ্ৰিয় অর্থাৎ স্পর্শ ইন্দ্ৰিয় আছে। তাৰ ভিতৰত এক জীৱ থাকে, সেইবোৰৰ প্ৰত্যেক বনস্পতি বোলে। সেইবোৰৰ দেহৰ পৰিমাণ এক সহস্ৰ যোজন। পৌৰাণিকৰ মতে ৪ ক্ৰোশত এক যোজন; কিন্তু জৈনসকলৰ মতে ১০০০ (দহ চেজাৰ) ক্ৰোশত এক যোজন হয়। এনেকুৱা ৪ সহস্ৰ ক্ৰোশ পৰিমাণৰ দেহ সেইবোৰ জীৱৰ আয়ুষ অত্যধিক দহ সহস্ৰ বছৰ

দুই ইন্দ্ৰিয় বিশিষ্ট জীৱ অর্থাৎ শংখ আৰু মূল বিশিষ্ট শঙ্খ কড়ি, ওকনি আদি এই ধৰণৰ জীৱৰ দেহৰ আয়তন সর্ব্বাধিক ৪৮ ক্ৰোশ আৰু আয়ুষৰ পৰিমাণ সর্ব্বাধিক ১২ বছৰ। এই লিখিত ডাঙৰ ভুল হৈছে, কাৰণ প্ৰকাণ্ড দেহবিশিষ্ট জীৱৰ আয়ুষৰ পৰিমাণো সেইমতে অধিক লিখি থোৱা উচিত হলহেঁতেন। আৰু ৪৮ ক্ৰোশ আয়তন দেহ বিশিষ্ট ওকনি কেৱল জৈনসকলৰ দেহতহে থকা সম্ভৱ, গতিকে তেওঁলোকেহে এনেকুৱা ওকনি দেখাটো সম্ভৱ। ইমান প্ৰকাণ্ড দেহৰ ওকনি দেখাৰ ভাগ্য জৈনৰ বাহিৰে আন কাৰ হব পাৰে !!!

(ৰত্নসাৰ ভাগ পৃষ্ঠা ১৫০) জৈনসকলৰ অজ্ঞতাৰ কথা আৰু শুনক। তেওঁলোকে ভাবে যে বৃশ্চিক, উৰহ, ডাঁহ আৰু মাখিৰ দেহৰ আয়তন ১ যোজন, আয়ুৰ পৰিমাণ সর্ব্বাধিক ছয় মাহ পর্য্যন্ত! ৪ ক্ৰোশ

মূল—সামিঅণাই অণন্তে চ নুগই সংসাৰ ঘোৰকান্তবে।
মোহাই কর্ম্মগুরু ঠিই বিবাগ বসনু ভমই জীৱবো॥
(প্রকৰণৰত্নাকৰ ২য় ভাগ। ষষ্ঠীশতক ৬০।সূত্র ২)

এই হল ৰত্নসাৰ ভাগ নামৰ গ্রন্থৰ সম্যকত্ব প্রকাশ প্রকৰণত গৌতম আৰু মহাবীৰৰ কথোপকথন।

ইয়াৰ প্রয়োজনীয় অর্থ সংক্ষেপত হল এই যে, এই জগত অনাদি আৰু অনন্ত। জগতৰ সৃষ্টি কেতিয়াও হোৱা নাই আৰু বিনাশো নাই। অর্থাৎ জগৎ কোনেও সৃষ্টি কৰা নাই। ইয়াকেই আস্তিক নাস্তিক সংবাদত লিখিত আছে, "হে মূঢ়! জগতৰ কর্ত্তা কোনো নাই। জগত কেতিয়াও সৃষ্ট হোৱা নাই আৰু কেতিয়াও বিনাশো নহয়।"

সমীক্ষক—যি সংযোগজ, সি কেতিয়াও অনাদি আৰু অনন্ত হব নোৱাৰে। আৰু কর্ম্ম উৎপত্তি তথা বিনাশ নোহোৱাকৈ নেথাকে। জগতত যিবোৰ বস্তুৰ উৎপত্তি হৈছে সকলো সংযোগজ। দেখা যায় উৎপত্তি সদায় বিনাশশীল। গতিকে জগতৰ উৎপত্তি হৈছে যেতিয়া বিনাশ নহব কিয়? গতিকে আপোনাৰ তীর্থঙ্করসকলৰ সম্যক বোধ নাছিল। সম্যক্ জ্ঞান হোৱা হলে এনেকুৱা অসঙ্গত কথা কেনেকৈ লিখিলেহেঁতেন? আপোনা-লোকৰ গুৰু যেনে আপোনালোক শিষ্যও তেনে। আপোনালোকৰ কথা শুনোতাসকলৰ কেতিয়াও পদার্থৰ জ্ঞান হব নোৱাৰে বাৰু, যিবোৰ সংযোগজ পদার্থ প্রত্যক্ষ দেখা যায় সেইবোৰৰ যে উৎপত্তি আৰু বিনাশ হয় এই কথা স্বীকাৰ নকৰাৰ যুক্তি কি? ইয়াৰ পৰা বুজিব পাৰি যে জৈন আচার্য্যসকলৰ ভূগোল আৰু খগোল বিদ্যাৰ জ্ঞান নাছিল, আৰু এতিয়ালৈকে হোৱা নাই, সেয়ে নহলে তলত উল্লেখ কৰা অসম্ভৱ কথা-বোৰ তেওঁলোকে কেনেকৈ কব বা বিশ্বাস কৰিব পাৰে?

দেখক! জৈনসকলে এই সৃষ্টিত পৃথিবীকায় আৰু জলকায় আদি অর্থাৎ পৃথিবী আৰু জলৰ শৰীৰ আকৃতি বিশিষ্ট জীৱৰ অস্তিত্ব স্বীকাৰ

কৰে। এনেকুৱা অদ্ভুত কথা কোনেও বিশ্বাস কৰিব নোৱাৰে। ইয়াৰ বাহিৰেও জৈনসকলৰ আৰু অনেক মিছা কথা আছে। যিসকল তীর্থঙ্কৰক তেওঁলোকে সম্যক্ জ্ঞানী আৰু পৰমেশ্বৰ বুলি মান্য কৰে, সেই সকলৰ কিছুমান মিছা বাক্যৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল।

"ৰত্নসাৰভাগ" (জৈনসকলে যাক প্রামাণিক গ্রন্থৰূপে মানে। এই গ্রন্থ ইংৰাজী ১৮৭৯ চনৰ ১৮ এপ্রিলত বেনাৰসৰ জৈনপ্রভাকৰ প্রেছত নানক চন্দ্র জতীৰ দ্বাৰাই ছপা আৰু প্রকাশিত হৈছে।) এই গ্রন্থৰ ১৪৫ পৃষ্ঠাত তলত দিয়া দৰে কালৰ ব্যাখ্যা আছে:—

সময়ৰ নাম সূক্ষ্ম কাল। অসংখ্যাত সময়ক "আৱলি" বোলে। ১ কৌটি ৬৬ লাখ, ৭০ হেজাৰ, ২শ, ১৬ আৱলিয়ে এক মুহূর্ত্ত। এইদৰে ৩০ মুহূর্ত্তত এদিন, ১৫ দিনত এক পক্ষ, দুই পক্ষই এক মাহ, ১২ মাহত এক বছৰ। এইদৰে ৭০ লাখ, ৫৬ হেজাৰ কৌটি বছৰত এক 'পূর্ব্ব"। এনেকুৱা অসংখ্যাত পূর্ব্বৰ এক "পল্যোপম" কাল হয়।

অসংখ্যাতৰ স্বৰূপ—৪ ক্রোশ (২ মাইলে এক ক্রোশ) বহল, আৰু সিমানেই গভীৰ অর্থাৎ দ, এটা নাদ খানি, সেই নাদটো "জুগুলিয়া" (জজা) মানুহৰ নোম তলত দিয়া হিচাবে খণ্ড খণ্ড কৰি পুৰাব। জুগু-লিয়া মানুহৰ নোম, আধুনিক মানুহৰ এদাল নোমৰ ৪ হেজাৰ ৯৬ ভাগৰ এভাগৰ সমান সূক্ষ্ম অর্থাৎ জুগুলিয়া মানুহৰ উক্ত ৪ হেজাৰ ৯৬ খণ্ড নোম জোৰা দিলে আধুনিক মানুহৰ এদাল নোমৰ সমান হব।

জুগুলিয়া মানুহৰ একাঙ্গুল নোম, ৭ বাৰ ৮ খণ্ডকৈ ভাগ কৰিলে ২০,৯৭,১৫২ (বিশ লখ, সাতানব্বৈই হেজাৰ এশ বাৱন্ন) ভাগ হয়। এইদৰে খণ্ড খণ্ড কৰা নোমেৰে পূর্ব্বোক্ত পৰিমাণৰ নাদ পৰিপূর্ণ কৰিব। সেই নাদৰ পৰা এশবছৰৰ অন্তৰে অন্তৰে এক এক খণ্ড কৰি আটাই-

আস্তিক—যেনেকৈ বিনা বাজশাসনে লম্পট, দস্যু, চোৰ আদি দুৰ্ব্বত্তবোৰে নিজে নিজে ফাঁচী, কাৰাবাসৰ ইচ্ছা নকৰে, কিন্তু বাজ্যৰ ন্যায় বিধি অনুসাৰে বাধ্য কৰি যথাযোগ্য শাস্তি দিয়া হয়, সেইদৰে পৰমাত্মাৰ স্বকীয় বিধিব্যৱস্থা অনুসাৰে জীৱবোৰক নিজৰ নিজৰ কৰ্ম্মৰ ফল অনুসাৰে যথাযোগ্য ফলভোগ কৰায়। কোনো জীৱই নিজৰ কুকৰ্ম্মৰ ফল ভোগ কৰিব নোখোজে, গতিকে ন্যায়াধীশ বা বিচাৰপতি পৰমাত্মাৰ প্ৰয়োজন।

নাস্তিক—জগতৰ ঈশ্বৰ এক নহয়, সকলো মুক্ত জীৱেই ঈশ্বৰ।

আস্তিক—এনেকুৱা কথা একেবাৰেই অৰ্থহীন। যদি কোনো জীৱক বন্ধনৰ পৰা মুক্ত হয়, তেনেহলে পুনৰায় তেওঁ বন্ধনত পৰিব লাগিব; কাৰণ জীৱ স্বভাৱতঃ নিত্যমুক্ত নহয়। আপোনালোকৰ চব্বিশজন তীৰ্থঙ্কৰ পূৰ্ব্বে বদ্ধ আছিল, পাছত মুক্ত হৈছে; গতিকে তেওঁলোক পুনৰায় বন্ধনত পৰিব লাগিব। আৰু বহুত ঈশ্বৰ হলে, জীৱৰ দৰেই তেওঁলোকৰ ভিতৰতো পৰস্পৰ বাদ-বিবাদ হব।

নাস্তিক—হে মূঢ়! জগতৰ কৰ্ত্তা কোনো নাই। জগৎ স্বয়ং সিদ্ধ।

আস্তিক—এয়েই জৈনসকলৰ মহা ভ্ৰম। বাৰু, সংসাৰত কৰ্ত্তা নোহোৱাকৈ ক্ৰিয়া আৰু ক্ৰিয়া নোহোৱাকৈ কোনো কাম হোৱা দেখা যায় নেকি? ই এনে এটা কথা হব যেনিবা—ঘেহুৰ পথাৰত ঘেঁহু নিজে নিজে গুচি হৈ কটি হৈ জৈনসকলৰ পেটলৈ সোমাই যায়। কপাহ নিজে নিজে সূতা, বস্ত্ৰ, চোলা, চাদৰ চুৰীয়া, পাগুৰি আদি হব পাৰে জানো? কিন্তু তেনে কেতিয়াও নহয়। গতিকে সৃষ্টি কৰ্ত্তা ঈশ্বৰ নহলে এই বিচিত্ৰ জগৎ আৰু এই বিচিত্ৰ ৰচনা কেনেকৈ সম্ভৱ হব পাৰে? যদি যুক্তিত সৈমান নহৈ জগৎ স্বয়ং সিদ্ধ বুলি ভাবে, তেনেহলে আগত উল্লেখ কৰা উদাহৰণৰ দৰে কৰ্ত্তা নোহোৱাকৈ বস্ত্ৰ আদি কেনেকৈ স্বয়ং হব পাৰে তাক প্ৰত্যক্ষ

ৰূপে প্ৰদৰ্শন কৰক। যদি প্ৰমাণ প্ৰদৰ্শন কৰিব নোৱাৰে, তেনেহলে কোনো বুদ্ধি বিবেচনাশীল মানুহে আপোনালোকৰ যুক্তিপ্ৰমাণহীন কথা মানিব পাৰে নে?

নাস্তিক—ঈশ্বৰ অনাসক্ত নে মোহগ্ৰস্ত? অনাসক্ত হলে তেওঁ জগৎ প্ৰপঞ্চত সোমালে কিয়? যদি ঈশ্বৰ মোহগ্ৰস্ত হয়, তেনেহলে তেওঁৰ জগৎ সৃষ্টিৰ সামৰ্থ্য থাকিব নোৱাৰে।

আস্তিক—পৰমেশ্বৰৰ বৈৰাগ্য অথবা মোহ ঘটিব নোৱাৰে। কাৰণ যি সৰ্ব্বব্যাপক, তেওঁ কাক ত্যাগ কৰিব বা কাক গ্ৰহণ কৰিব? পৰমেশ্বৰতকৈ শ্ৰেষ্ঠ কোনো নাই আৰু তেওঁৰ অপ্ৰাপ্ত বস্তুও একো নাই। গতিকে তেওঁৰ কোনো বস্তুৰ প্ৰতি মোহ নাই। বৈৰাগ্য আৰু মোহ জীৱৰ হে সম্ভৱ, ঈশ্বৰৰ নহয়।

নাস্তিক—ঈশ্বৰক জগৎ কৰ্ত্তা আৰু জীৱৰ কৰ্ম্মফলদাতা মানিলে তেওঁ প্ৰপঞ্চী হৈ দুঃখী হব।

আস্তিক—তেনেহলে, নানা কৰ্ম্মৰ কৰ্ত্তা, প্ৰাণীবোৰৰ কৰ্ম্মফলদাতা, ধাৰ্ম্মিক, বিচাৰপতি আৰু জ্ঞানী মানুহো কৰ্ম্মত আৱদ্ধ বা প্ৰপঞ্চী নহয়, অনন্ত সামৰ্থ্যবান্ পৰমেশ্বৰ কেনেকৈ প্ৰপঞ্চী আৰু দুঃখগ্ৰস্ত হব পাৰে? অৱশ্যে আপোনালোকৰ অজ্ঞানতা বশতঃ পৰমেশ্বৰক তীৰ্থঙ্কৰ আৰু নিজৰ নিজৰ দৰে ভাবে। এইবোৰ আপোনালোকৰ অজ্ঞানতাৰ মহিমা! যদি আপোনালোকে অবিদ্যা আদি দোষৰ পৰা মুক্ত হব খোজে, তেনেহলে বেদ আদি শাস্ত্ৰৰ শৰণাপন্ন হওক। বিভ্ৰান্ত হৈ দুঃখত কিয়?

জগতৰ বিষয়ে জৈনসকলৰ যি মত আছে, এতিয়া তাৰ সূত্ৰ প্ৰমাণ অনুসাৰে প্ৰদৰ্শন কৰা হব। সূত্ৰবোৰৰ মূল অৰ্থ সংক্ষেপত বিবৃত কৰি সত্য-অসত্যৰ বিবেচনা কৰা হৈছে:—

বহল দেহব বৃশ্চিক আৰু কোনেও দেখা পোৱা নাই। এনেকুৱা ৮ মাইল যোৱা দেহব বৃশ্চিক, মাখি আদি বোধ হয় জৈনসকলব গৃহে গৃহে থাকে, আৰু কেৱল তেওঁলোকেহে দেখিছে, সংসাবব আন কোনেও তেনেকুৱা প্ৰকাণ্ড বৃশ্চিক, মাখি আদি দেখা নাই। এনেকুৱা বৃশ্চিকে কেনেবাকৈ জৈনক দংশন কবিলে তেওঁলোকব কি অৱস্থা হব?

জলচব মৎস্য আদিব দেহব আয়তন এক সহস্ৰ যোজন অর্থাৎ দহ হেজাব ক্ৰোশ। যোজন হিচাবে এটা এটা জলচব জীবব দেহব আয়তন ১০,০০০,০০০ (এক কোটি) ক্ৰোশ হয়। সেইবোব জীবব আয়ুষব পবিমাণো এক কোটি পূৰ্ব্ব বছব। ইমান বিশাল জীব জৈনব বাহিবে আন কোনেও দেখা নাই। চতুষ্পদ হস্তী আদিব দেহব আয়তন দুইব পবা ন ক্ৰোশ পৰ্য্যন্ত, আৰু আয়ুষব পবিমাণ চৌবাশী হেজাব বছব ইত্যাদি। এনেকুৱা বিশাল দেহব জীব জৈনব বাহিবে আন কোনেও দেখা নাই, গতিকে জৈনব বাহিবে আন কোনো বুদ্ধিমান মানুহে বিশ্বাস কবিব নোলাবে। (বত্নসাব ভাগ ১৫১ পৃষ্ঠা) জলচব গৰ্ভজ জীবব দেহব আয়তন অত্যধিক এক সহস্ৰ যোজন অর্থাৎ এক কোটি ক্ৰোশ আৰু আয়ুষব পবিমাণ কোটি পূৰ্ব্ব বছব। ইমান বিশাল দেহ আৰু আয়ুষবিশিষ্ট জীৱ জৈন আচার্য্যসকলে কেৱল স্বপ্নতহে দেখা সম্ভব! সেয়ে নহলে এইবোব অসম্ভব আৰু মিছা কথা।

এতিয়া পৃথিবীব পবিমাণ যেনেকৈ লিখিত আছে তাক শুনক। (বত্নসাব ভাগ ১৫২ পৃষ্ঠা) এই বিষম কোণ—বিশিষ্ট লোকত অসংখ্যাত দ্বীপ আৰু অসংখ্য সমুদ্ৰ আছে। অসংখ্যাতব মানে আঢ়ৈ সাগবোপম কালত যিমান সময় হয়, সিমান সংখ্যক দ্বীপ আৰু সমুদ্ৰ বুজিব লাগিব। পৃথিবীত "জম্বুদ্বীপ" প্ৰথম আৰু সকলো দ্বীপব মাজত অৱস্থিত। ইয়াব আয়তন এক লক্ষ যোজন অর্থাৎ এক "অর্বুদ" ক্ৰোশ। ইয়াব চাবিও

ফালে লুণীয়া সাগব। ইয়াব আয়তন দুই লক্ষ যোজন অর্থাৎ দুই "অর্বুদ" ক্ৰোশ। জম্বুদ্বীপব চতুৰ্দিকে "ধাতকী খণ্ড" নামব দ্বীপ অৱস্থিত। ইয়াব আয়তন চাবি লক্ষ যোজন অর্থাৎ চাবি "অর্বুদ" ক্ৰোশ। তাব বাহিবে "কালোদধি" সমুদ্ৰ। ইয়াব আয়তন আঠ লক্ষ "অর্বুদ" ক্ৰোশ। তৎপৰবৰ্ত্তী "পুষ্কবাবর্ত্ত" দ্বীপ যাব পবিমাণ ষোল অর্বুদ ক্ৰোশ। এই দ্বীপব অভ্যন্তব ভাগ অসমান। এই দ্বীপব অৰ্দ্ধ ভাগত মানুহব বসতি। ইয়াব অতিবিক্ত অসংখ্যাত দ্বীপ, সমুদ্ৰ আছে, সেইবোবত তিৰ্য্যগ যোনিব জীব বাস কবে। (বত্নসাব ভাগ, ১৫৩ পৃষ্ঠা) জম্বুদ্বীপত (১) হিমবন্ত, (২) ঐবণ্যবন্ত, (৩) হবিবর্ষ, (৪) বম্যক, (৫) দেবকুক, (৬) উত্তব কুৰু—এই ছয়ক্ষেত্ৰ আছে॥

সমীক্ষক— এতিয়া ভূগোল বিদ্যাবিৎসকল! ভূমণ্ডলব আয়তন নিৰ্ণয় কবোঁতে আপোনালোকে ভুল কবিছে, নে জৈনসকলে ভুল কবিছে? যদি জৈনসকলে ভুল কবিছে তেনেহলে আপোনালোকে তাব প্ৰমাণ কবি তেওঁলোকক বুজাই দিয়ক। আৰু যদি আপোনালোকব ভুল হৈছে, তেনেহলে জৈনসকলব পবা শিকি বুজি লওক! অলপ চিন্তা কবি চালে বুজা যায় যে, জৈন আচার্য্যসকল আৰু তেওঁলোকব অনুগামীসকলে ভূগোল, খগোল আৰু গণিত বিদ্যাব একেবাবেই অধ্যয়ন কবা নাই; সেয়ে নহলে তেওঁলোকে এনেবোব অসম্ভব গল্পব বচনা কবিব কিয়? এনেকুৱা অজ্ঞলোকে জগৎ অকর্ত্তৃক বুলি ভবাত আৰু ঈশ্বৰব অস্বীকাব কবাত আশ্চর্য্য কি হব পাবে? জৈনসকলে তেওঁলোকব গ্ৰন্থসমূহ কোনো ভিন্ন মতাবলম্বী বিদ্বানক পঢ়িবলৈ নিদিয়ে, কাবণ তেওঁলোকে সেই গ্ৰন্থবোব তীৰ্থঙ্কবসকলব বচিত সিদ্ধান্ত গ্ৰন্থ বুলি বিশ্বাস কবে। উক্ত গ্ৰন্থবোব এনেকুৱা অবিদ্যাব কথাবে পবিপূৰ্ণ যে, আনক পঢ়িবলৈ দিলে বহস্য ওলাই পবে। জৈনসকলব বাহিবে আন কোনো বুদ্ধিমান ব্যক্তিয়ে এনে অসঙ্গত গল্প

ভুগিব লাগে, তেনেবোব দেহ কেতিয়াও নলব, সদায় উত্তম দেহ লৈহে জন্ম ধবিব। যদি কয় যে কর্ম্ম প্রতিবন্ধক হয়, তথাপি মানিব লাগিব যে, চোবে যেনেকৈ নিজে নিজে কাবাগাবলৈ নাযায় বা নিজে নিজে ফাঁচী নলয়, বাজ দণ্ডইহে বাধ্য কবে, সেই দবেই পবমেশ্বব নির্দেশতহে জীবই দেহ ধাবণ কবে, আৰু তেওঁ—কর্ম্মানুসাবে জীবক ফল দান কবে—এই যুক্তি মানি লওক।

প্রশ্ন—মাদকতা (নিছা)ব দবে কর্ম্মব পবা নিজে নিজেই কর্ম্মফল প্রাপ্ত হয়, ফল দিবলৈ কাবো প্রয়োজন নাই।

উত্তব—তেনেহলে যেনেকৈ ঘোব মদপীব মাদকতা অল্প আৰু অনভ্যস্ত মদপীব অধিক হয়, সেই দবে যি সকলে সদায় অধিক পাপ-পুণ্য কবে তেওঁলোকে অল্প ফল আৰু যি সকলে অল্প পাপ পুণ্য কবে, অধিক ফল পাব পাবে।

প্রশ্ন—যাব যেনে স্বভাব, সি তেনে ফল পায়।

উত্তব—স্বভাব বশতঃ হলে তাব নাশ বা ফল প্রাপ্তি অসম্ভব। অবশ্যে, যেনেকৈ নির্ম্মল বস্ত্রত কাবণ বশত মলি লাগে আৰু কাবণব বশতেই মলি দূব হয়, সেই দবে ভবাহে যুক্তি সঙ্গত।

প্রশ্ন—বিনা সংযোগত কর্ম্ম পবিণাম প্রাপ্তি নহয়। যেনেকৈ গাখীব আৰু টেঙাব সংযোগ নহলে দৈ নহয় সেই দবে জীব আৰু কর্ম্মব সংযোগ নহলে কর্ম্মব পবিণাম প্রাপ্তি নহয়।

উত্তব—যেনেকৈ কোনো তৃতীয় পক্ষই গাখীব আৰু টেঙাব সংযোগ ঘটায়, সেইদবে জীবব লগত তাব কর্ম্মফলব সংযোগ ঘটাবব কাবণে ঈশ্বৰব প্রয়োজন। কাবণ, জড় পদার্থ স্বয়ং নিয়মানুসাবে সংযুক্ত নহয়, আৰু জীবো অল্পজ্ঞ; গতিকে—স্বয়ং নিজব কর্ম্মফল লাভ কবিব নোৱাবে। ইয়াব পবা প্রমাণ হয় যে, ঈশ্বৰব দ্বাবা নির্দ্ধাবিত সৃষ্টিক্রমব বাহিবে কর্ম্মফলব ব্যবস্থা হব নোৱাবে।

প্রশ্ন—যি কর্ম্মব পবা মুক্ত হয় তেওঁকেই ঈশ্বৰ বোলে।

উত্তব—অনাদি কালব পবাই জীবব লগত কর্ম্মব যোগ আছে। গতিকে জীব কেতিয়াও কর্ম্মব পবা মুক্ত হব নোৱাবিব।

প্রশ্ন—কর্ম্মব বন্ধন সাদি অর্থাৎ আৰম্ভ থকা।

উত্তব—সাদি হলে কর্ম্মব যোগ অনাদি নহয়, আৰু সংযোগব আগত জীব নিষ্কর্মা হয়। আৰু নিষ্কর্মাব কর্ম্ম সংযোগ হলে মুক্তবো কর্ম্ম সংযোগ হব। কর্ম্ম আৰু কর্ত্তাব যি সমবায় অর্থাৎ নিত্য সম্বন্ধ তাব কেতিয়াও বিয়োগ হব নোৱাবে। গতিকে নবম সমুল্লসত যিদবে লিখা হৈছে 'সেই দবে মনাহে সঙ্গত হয়। জীবব জ্ঞান আৰু সামর্থ্য যিমানেই বাঢ়ক লাগে, অপবিমিত আৰু অসীম হব নোৱাবে। অর্থাৎ ঈশ্বৰব দবে জ্ঞান শক্তি অসীম হব নোৱাবে। জীবই যোগ সাধনাব দ্বাবাই যিমান দূব সম্ভব সিমান অবশ্যে বঢ়াব পাবে। জৈন অর্হত সকলে যে দেহব পবিমাণ অনুসাবে জীবব পবিমাণ মানে, তেওঁলোকক সোধাব আবশ্যক যে সেয়ে হলে হাতীব জীব কীটব দেহত আৰু কীটব জীব হাতীব দেহত কেনেকে সোমাব? এইবোবো মুর্খতাবেই কথা, কাবণ জীব অতি সূক্ষ্ম পদার্থ যি এক পৰমাণু তা থাকিব পাবে। কিন্তু তাব শক্তিসমূহ দেহস্থ প্রাণ, বিদ্যুৎ আৰু নাড়ী আদিব লগত সযুক্ত হৈ থাকে। গতিকে জীবই সমস্ত দেহব অবস্থা জানে। সৎ বা অসৎ সঙ্গব ফলত জীব উত্তম বা অধম হয়।

জৈনসকলে ধর্ম্ম কেনেকৈ মানে তাব স্বৰূপ তলত দিয়া হল:—

মূল—বে জীব ভবদুহাইং ইক্কং চিয় হবই জিনমযং ধম্মং
ইয়বাণং পৰমতো সুহকপ্যে মূঢ় মুসিওসি॥

(প্রকবণ বত্নাকব ভাগ—২, ষষ্ঠী শতক ৬০। সূত্রাঙ্ক—৩॥)

হে জীব! একমাত্র জিনমতহে শ্রীবীতবাগ ভাষিত ধর্ম্ম সংসাব সম্বন্ধী জন্ম মবণাদিদুঃখহবণকর্ত্তা। এইদবে জৈন মতাবলম্বী

স্বীকাৰ কৰা যুক্তি সঙ্গত, কিন্তু অল্প আৰু অল্পজ্ঞ হোৱা বাবে মুক্তি অৱস্থাত জীৱক সৰ্ব্বজ্ঞ বুলি কোৱা অসঙ্গত। যি অল্প আৰু অল্পজ্ঞ তাৰ সামৰ্থ্যও সদায় সীমাবদ্ধ। জৈনসকলে জীৱ, জগৎ, জীৱৰ কৰ্ম্ম আৰু বন্ধনক অনাদি বুলি মানে। এই বিষয়তো জৈন তীৰ্থঙ্কৰ-সকলে পাহৰিছে যে, সংযুক্ত জগতৰ কাৰ্য্য-কাৰণ প্ৰবাহত সৃষ্টি হোৱা কাৰ্য্য আৰু জীৱৰ কৰ্ম্ম আৰু বন্ধন অনাদি হব নোৱাৰে। যদি অনাদি বুলি ভাবে, তেনেহলে কৰ্ম্ম আৰু বন্ধনৰ পৰা মুক্তি হয় বুলি মানে কিয়? যি অনাদি, তাৰ কেতিয়াও নাশ হব নোৱাৰে। যদি অনাদিবো নাশ হয় বুলি কয়, তেনেহলে তেওঁলোকৰ সকলো অনাদি পদাৰ্থবেই নাশ মানিব লগা হব। যদি অনাদিক নিত্য বুলি ধৰা হয়, তেতিয়া কৰ্ম্ম আৰু বন্ধনো নিত্য হব। আৰু যদি সকলো কৰ্ম্ম নাশৰ প্ৰসঙ্গ হয়, আৰু অনাদিক নিত্য বুলি মনা হয়, তেতিয়া হলে, কৰ্ম্ম আৰু বন্ধনো নিত্য হব। যদি সকলো কৰ্ম্মৰ খণ্ডনত মুক্তি হয় বুলি কয়, তেনেহলে সকলো কৰ্ম্মৰ খণ্ডন মুক্তিৰ নিমিত্ত হব। তেনে নৈমিত্তিকী মুক্তি সদায় থাকিব নোৱাৰে। আৰো কৰ্ম্ম আৰু কৰ্ত্তাৰ নিত্য সম্বন্ধ হলে, কৰ্ম্মবো কেতিয়াও নাশ হব নোৱাৰে। গতিকে জৈনসকলে তেওঁলোকৰ তীৰ্থঙ্কৰ-সকলৰ যে নিত্য মুক্তি বিশ্বাস কৰে, সেইটো কেতিয়াও হব নোৱাৰিব।

প্ৰশ্ন—যেনেকৈ ধানৰ বাকলি (তুহ) গুচালে বা ধান সিজালে সেই ধানৰ বীজ নগজে, সেইদৰে জীৱই মুক্তি লাভ কৰিলে পুনঃ জন্মমৰণৰূপ সংসাৰলৈ নাহে।

উত্তৰ- জীৱৰ আৰু কৰ্ম্মৰ সম্বন্ধ ধানৰ বীজ আৰু তুহৰ দৰে নহয়, জীৱ আৰু কৰ্ম্মৰ সমবায় সম্বন্ধ। অনাদি কালৰ পৰাই জীৱৰ লগত কৰ্ম্ম আৰু কৰ্ত্তৃত্ব শক্তিৰ সম্বন্ধ আছে। জীৱৰ কৰ্ম্মশক্তিৰ অভাৱ বুলি ধৰিলে ও সকলো জীৱ প্ৰস্তৰৰ দৰে হব। তেতিয়া

মুক্তিৰ সুখভোগতো সামৰ্থ্য-হীন হব।। আৰু যদি অনাদি কালৰ কৰ্ম্ম বন্ধন ছিন্ন হৈ মুক্তি লাভ কৰে বুলি কয়, তেতিয়া হলে জীৱই আপোনালোকে কল্পনা কৰা নিত্য মুক্তিৰ পৰা বিচ্যুত হৈ বন্ধনত পৰিব। সাধনাত সিদ্ধ পদাৰ্থ কেতিয়াও নিত্য হব নোৱাৰে। আৰু যদি কব খোজে যে, সাধনাত সিদ্ধ নহলেও মুক্তি লাভ হব পাৰে, তেনেহলে কৰ্ম্ম নকৰাকৈও বন্ধনত পৰাৰ সম্ভৱ হয়। যেনেকৈ বস্ত্ৰত মলি লাগে, ধুলে পৰিষ্কাৰ হয় আকৌ মলি লাগে, সেই দৰো "মিথ্যাত্ব" আদি কাৰণত আৰু ৰাগ দ্বেষ আদিৰ আশ্ৰয়ত জীৱই কৰ্ম্মৰ ফল পায়। যদি সম্যক্ জ্ঞান, দৰ্শন আৰু চাৰিত্ৰৰ দ্বাৰা জীৱ নিৰ্ম্মল হয় আৰু মলি লগাৰ কাৰণ বশতঃহে মলি লাগে, তেনেহলে নিশ্চয় মানিব লাগিব যে, মুক্ত জীৱো সংসাৰী হয় আৰু সংসাৰী জীৱো মুক্ত হয়। কাৰণ বশতঃ মলিনতা দূৰ হলে সেই দৰেই কাৰণ বশতঃ মলিনতা সংলগ্নও হব। গতিকে মানিবই লাগিব যে, জীৱ বন্ধন আৰু মুক্তি প্ৰবাহ ৰূপে অনাদি; সেই বুলি স্বভাৱতঃ অনাদি আৰু অনন্তৰূপ নহয়।

প্ৰশ্ন—জীৱ নিৰ্ম্মল কেতিয়াও নাছিল, কিন্তু মলযুক্তহে।

উত্তৰ—যদি নিৰ্ম্মল কেতিয়াও নাছিল, তেনেহলে নিৰ্ম্মলো কেতিয়াও হব নোৱাৰে। যেনেকৈ নিৰ্ম্মল বস্ত্ৰত মলি লাগিলে, তাক ধুলে নিৰ্ম্মল হয়, কিন্তু বস্ত্ৰৰ স্বাভাৱিক শ্বেত বৰ্ণ দূৰ নহয়, অথচ পুনঃ কাপোৰত মলি লাগে, মুক্তিতো তেনেকৈ মলিনতা হব।

প্ৰশ্ন—জীৱই প্ৰাক্তন কৰ্ম্ম বশতঃ দেহ ধাৰণ কৰে গতিকে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰাৰ অৰ্থ নাই।

উত্তৰ—যদি কেৱল কৰ্ম্মই দেহ ধাৰণৰ কাৰণ হয়, ঈশ্বৰ কাৰণ নহয়, তেনেহলে জীৱই যিবোৰ দেহ ধাৰণ কৰিছে খোৱা মাখ কই

সত্য বুলি বিশ্বাস কবিব নোৱাবে। জগতক অনাদি প্রমাণ কবিবৰ কাৰণেই এনেবোৰ জাল প্রপঞ্চৰ অৱতাৰণা কবিছে। কিন্তু এইবোৰ সম্পূর্ণ মিছা। জগতৰ কাৰণ অৱশ্যে অনাদি, কাৰণ পৰমাণু আদি তত্ত্বস্বৰূপ অকর্তৃক। কিন্তু পৰমাণুৰ নিয়মানুসাৰে স্বয়ং নির্ম্মিত অথবা ভগ্ন হবৰ সামর্থ্য একো নাই। দ্রব্যৰ পৰমাণু স্বভাৱতঃ ভিন্ন ভিন্ন আৰু জড়, গতিকে স্বয়ং মিল হৈ কার্য্যৰূপ জগৎ সৃষ্টি হব নোৱাৰে। জগতৰ চেতন সৃষ্টিকর্ত্তা থকা সুনিশ্চিত যি জ্ঞান স্বৰূপ। দেখক! জগতৰ সূর্য্য, পৃথিবী আদি সকলো লোকৰ নিশ্চিত নিয়ন্ত্রণ অনাদি অনন্ত, চেতন পৰমাত্মাৰ কার্য্য। স্থূল জগতৰ যিবোৰ সংযোগজ সৃষ্টি দেখা যায়—সেইবোৰ কেতিয়াও আদি অন্তহীন নহয়। কার্য্য জগৎ নিত্য বুলি ধৰিলে তাৰ কোনো কাৰণ নেথাকে। কার্য্য আৰু কাৰণৰ অভেদ মানিলে, অর্থাৎ নিজৰ কার্য্য আৰু কাৰণ নিজে নিজে হলে অন্যোহন্যাশ্রয় আৰু আত্মাশ্রয় দোষ হয়। উদাহৰণ স্বৰূপে নিজে নিজৰ স্কন্ধত আৰোহণ কবিব নোৱাৰে আৰু নিজেই নিজৰ পিতা পুত্র হব নোৱাৰে। গতিকে জগতৰ কর্ত্তা জগতৰ পৰা ভিন্নৰূপে মানিবই লাগিব।

প্রশ্ন—যদি ঈশ্বৰ জগতৰ কর্ত্তা তেনেহলে ঈশ্বৰৰ কর্ত্তা কোন?

উত্তৰ—কর্ত্তাৰ কর্ত্তা বা কাৰণৰ কাৰণ থাকিব নোৱাৰে। প্রথম কর্ত্তা বা কাৰণৰ পৰাই কার্য্যৰ সৃষ্টি হয়; যি প্রথম সংযোগ বা বিয়োগৰ কাৰণ, তাৰ কোনো কর্ত্তা অথবা কাৰণ একো থাকিব নোৱাৰে। এই বিষয়ে বিশেষ ব্যাখ্যা অষ্টম সমুল্লাসৰ সৃষ্টি প্রকৰণত কৰা হৈছে. গতিকে সেই প্রকৰণত দ্রষ্টব্য। জৈনসকলৰ স্থূল বিষয়বেই যেতিয়া যথার্থ জ্ঞানৰ অভাৱ, তেনে স্থলত পৰম সূক্ষ্ম সৃষ্টি-বিজ্ঞানৰ জ্ঞান কেনেকৈ হব? "প্রকৰণ বত্নাকৰ" প্রথম ভাগত লিখিত আছে যে, জৈন মতে এই সৃষ্টি

অনাদি আৰু অনন্ত, দ্রব্যপর্য্যায়ো অনাদি আৰু অনন্ত, প্রত্যেক গুণ আৰু প্রত্যেক দেশত অনেক পর্য্যায়, প্রত্যেক বস্তুতো অনন্ত পর্য্যায় বিদ্যমান, এনেবোৰ কথাও বিজ্ঞান সম্মত নহয়। কাৰণ যাৰ অন্ত অর্থাৎ সীমা বা অবধি আছে তাৰ সকলো সম্বন্ধও অন্তবিশিষ্ট। যদি অনন্তক অসংখ্য বুলি ধৰে সিও সঙ্গত নহয়। জীৱৰ বিষয়ে এনেবোৰ লক্ষণ অৱশ্যে ঘটিব পাৰে, পৰমেশ্বৰৰ বিষয়ে হব নোৱাৰে। কাৰণ, এক এক দ্রব্যত নিজৰ নিজৰ এক এক কার্য্য কাৰণ সামর্থ্যক অবিভাগ পর্য্যায় দ্বাৰা অনন্ত সামর্থ্য মনাটো কেৱল অজ্ঞতাৰহে কথা। দ্রব্যৰ সীমা যিহেতু এটা পৰমাণু, তাত অনন্ত বিভাগৰূপ পর্য্যায় কেনেকৈ থাকিব পাৰে? সেইদৰেই এক এক দ্রব্যত অনন্ত গুণ আৰু এক গুণৰ প্রদেশত অবিভাগৰূপ অনন্ত পর্য্যায়কো অনন্ত বুলি মনা কেৱল লৰালি কথাহে, কিয়নো যাৰ অধিকৰণৰ অন্ত আছে, সেই অধিকৰণৰ অধিবাসীৰ অন্ত নেথাকিব কিয়? এনেকুৱা বহু বিস্তৃত মিছা কথাই লিখিত আছে।

জীৱ আৰু অজীৱ এই দুই পদার্থৰ বিষয়ে জৈনসিদ্ধান্ত এনে:—

চেতনালক্ষণো জীৱঃ স্যাদজীবস্তদন্যকঃ।
সৎকর্ম্ম পুদ্‌গলাঃ পুণ্যং পাপং তস্য বিপর্য্যয়ঃ॥

এই বচন হল জিনদত্তসুৰিৰ। এই বচন প্রকৰণৰত্নাকৰৰ প্রথম ভাগৰ নয়চক্রসাৰতো লিখিত আছে যে, জীৱ চেতনালক্ষণ বিশিষ্ট আৰু অজীৱ চেতনাৰহিত অর্থাৎ জড়। (পুদ্‌গল মানে পৰমাণু) সৎকর্ম্মৰূপ পুদ্‌গলে পুণ্য আৰু অসৎ কর্ম্মৰূপ পুদ্‌গলে পাপ কৰায়।

সমীক্ষক—জীৱ আৰু জড়ৰ যি লক্ষণ বর্ণনা কবিছে সেইটো যথার্থ; কিন্তু পুদ্‌গল জড় পদার্থ; গতিকে পুদ্‌গলৰ পাপ বা পুণ্য কেতিয়াও হব নোৱাৰে। কাৰণ পাপ বা পুণ্যৰ প্রবৃত্তি চেতনৰহে হয়। দেখক! জড় পদার্থৰ পাপ বা পুণ্যৰ জ্ঞান নাই। জীৱক অনাদি বুলি

সকলকেই সুদেব আৰু সুগুৰু বুলি জানিবি। যিবোৰ জীৱই সিহঁতৰ কল্যাণৰ অৰ্থে বীতৰাগ ঋষভদেৱৰ পৰা মহাবীৰ পর্য্যন্ত দেৱ সকলৰ বাহিৰে অন্য হৰি, হৰ আৰু ব্রহ্মা আদি কুদেৱসকলৰ পূজা কৰে, তেওঁলোক প্রতাৰিত হয়। ইয়াৰ ভাৰার্থ হল, জৈন মতৰ সুদেৱ, সুগুৰু সুধর্ম্মক এৰি অন্য কুগুৰু, কুদেৱ আৰু কুধর্ম্মৰ সেৱা কৰিলে তেওঁলোকৰ কোনো কল্যাণ নহয়।

সমীক্ষক—এতিয়া সুধীসকলেই বিবেচনা কৰক, জৈনৰ ধর্মগ্রন্থ কিমান নিন্দনীয়।

মূল—অৰিহং দেৱো সুগুৰু সুদ্ধং ধম্মং চ পঞ্চ নৱকাৰো।
ধন্নাণং কয়চ্ছাণং নিৰন্তৰং বসই হিয়য়ম্মি ॥
(প্রকঃ ভাঃ ২। ষষ্ঠী ৬০।সূঃ ১)

যি অৰিহন্, দেৱেন্দ্রকৃত পূজাদিৰ যোগ্য, সর্ব্বশ্রেষ্ঠ, দেৱাদিদেৱ, শোভায়মান "অৰিহন্ত" দেৱ আৰু যি জ্ঞানৱান, ক্রিয়াৱান, শাস্ত্রোপদেষ্টা, শুদ্ধ, কষায়-মল ৰহিত, সেই শ্রীজিনভাষিত "সম্যক্ত্ব" বিনা এৱং দয়া-মূলক ধর্ম্মইহে দুর্গত প্রাণীসকলক উদ্ধাৰ কৰে। অন্য হৰি হৰ আদিৰ ধর্ম্মই জীৱবোৰক সংসাৰৰপৰা উদ্ধাৰ কৰিব নোৱাৰে। সেই সর্ব্বোত্তম ধর্ম্মৰ লগত সংশ্লিষ্ট পঞ্চ অৰিহন্তদেৱক নমস্কাৰ। এই চাৰি পদার্থ ধন্য অর্থাৎ শ্রেষ্ঠ, যেনে দয়া, ক্ষমা, সম্যক্ত্ব জ্ঞান, দর্শন আৰু চাৰিত্র। এয়েই জৈন ধর্ম্ম।

সমীক্ষক—যত মনুষ্য মাত্রৰেই প্রতি দয়া নাই, তাত দয়া ক্ষমা একোৱেই নাই। তাত জ্ঞানৰ পৰিৱর্ত্তে অজ্ঞানতা, দর্শনৰ পৰিৱর্ত্তে অন্ধকাৰ আৰু "চাৰিত্রৰ" পৰিৱর্ত্তে ভোকত মৰাত কিহৰ শ্রেষ্ঠতা?

জৈন ধর্ম্মৰ প্রশংসা তলত দিয়া হল :—

মূল—জইন কুণসি তৱ চৱণং ন পঢ়সি ন
ন গুণোসি দেসি নো দাণম্।

তা ইন্দ্রিয়ং ন সক্কিসি জং দেৱো ইক্ক অৰিহন্তো॥
(প্রকৰণ ভাঃ২ ষষ্ঠীঃ সূঃ ২॥)

হে মানৱ! যদি তুমি তপ, চৰিত্র সূত্র, অধ্যয়ন, প্রকৰণ আদিৰ ৰিচনা আৰু সুপাত্রক দান কৰাত অক্ষম, তথাপিও আমাৰ একমাত্র আৰাধ্য "অৰিহন্ত" দেৱ আৰু সুগুৰু আৰু সুধর্ম্ম জৈনমতৰ প্রতি শ্রদ্ধাৱান হোৱাই সর্ব্বশ্রেষ্ঠ উপায় আৰু উদ্ধাৰৰ কাৰণ।

সমীক্ষক—দয়া আৰু ক্ষমা উত্তম গুণ হলেও যেতিয়া পক্ষপাত দুষ্ট হয়, তেতিয়া দয়া নির্দ্দয়তাত আৰু ক্ষমা প্রতিহিংসাত পৰিণত হয়। ইয়াৰ অর্থ এই যে, কোনো প্রাণীকেই একেৱাৰে কষ্ট নিদিয়া সদায়শয় সকলৰ ক্ষেত্রত সন্তুৰপৰ হৰ নোৱাৰে। দুষ্টক দণ্ড দিয়াও দয়াৰ ভিতৰত গণ্য। কাৰণ এটা দুষ্টক দণ্ড নিদি দয়া কৰাত সহস্র সহস্র লোকৰ-দুঃখ দুর্গতি হয়। গতিকে তেনে দয়া নির্দ্দয়তা আৰু তেনে ক্ষমা ও প্রতিহিংসাহে। সকলো প্রাণীৰ দুঃখৰ নিৰাৰণ, আৰু সুখৰ উপায় অৱলম্বন কৰাকেই যে দয়া বোলে—এই কথা নিশ্চিত সত্য; কিন্তু কাপোৱেৰে ছাকি পানী পান কৰা, আৰু ক্ষুদ্র প্রাণীবোৰক ৰক্ষা কৰাই কেৱল দয়া নহয়। আচলতে জৈন সকলৰ এই দয়া কেৱল মুখৰ কথাহে মাত্র। তেওঁলোকৰ কার্য্যত সেই দয়া প্রকাশ নেপায়। যেই কোনো মতাৱলম্বী মানুহৰ প্রতি দয়া কৰা, অন্ন, জল আদিৰে উপকাৰ কৰা আৰু বিভিন্ন মতাৱলম্বী বিদ্বানসকলৰো সম্মান আৰু সেৱা শুশ্রূষা কৰা দয়া নহয় নেকি? যদি জৈন সকলৰ সঁচা দয়া আছে, তেনেহলে বিবেক সাৰৰ ২২১ পৃষ্ঠাত কি লিখা আছে চাওক! (১) "এক পৰমতী কী স্তুতি অর্থাৎ জৈনসকলে অন্য মতাৱলম্বীৰ স্তুতি অর্থাৎ-গুণকীর্ত্তন কেতিয়াও কৰিব নেলাগে। (২) "উনকো নমস্কাৰ" অর্থাৎ বন্দনাও নকৰিব। (৩) "আলাপন" অর্থাৎ অন্য মতাৱলম্বীৰ লগত বেছি কথাও

নকব। (৪) "সংলপন" অর্থাৎ সঘনে কথা বতবা নেপাতিব। (৫) উনকো অন্ন বস্ত্রাদি দান" অর্থাৎ-অজৈন মানুহক অন্ন বস্ত্র আদি দান কবিব নেলাগে। (৬) 'গন্ধপুষ্পাদি দান" অর্থাৎ অজৈন মতব প্রতিমা পূজনব কাবণে গন্ধ-পুষ্প আদিও দিয়া নিষেধ। এই ছয় যতনা অর্থাৎ এই ছয় প্রকাব কর্ম্ম জৈনসকলে কেতিয়াও নকবিব।

সমীক্ষক—এইখিনিতে সুধীসকলে বিবেচনা কবা উচিত যে জৈনসকলব অজৈন সকলব প্রতি কিমান নির্দ্দয়তা, কুদৃষ্টি আৰু বিদ্বেষ! জৈন সকলে যেতিয়া অজৈন মানুহব প্রতি দয়া নকবে তেওঁলোকক দয়াহীন বোলাই সমুচিত হয়। কাবণ নিজব ঘবব মানুহব সেৱা কবাই বিশেষ ধর্ম্ম হব নোৱাবে, তেওঁলোকব পন্থব মানুহ তেওঁলোকব ঘবব মানুহব দবে। গতিকে তেওঁলোকে যেতিয়া নিজব ঘবব মানুহবহে সেৱা (উপকাব) কবে, আনব নকবে, তেনেস্থলত তেওঁলোকক কোনো বুদ্ধি বিবেচনা শীল লোকে দয়াবান বুলি কব পাবে নে?

বিবেকঃ ১০৮ পৃষ্ঠাত লিখা আছে যে মথুবাব বজাব দেৱান (মন্ত্রী) যাব নাম নমুচী আছিল, জৈন মতব বিবোধী আছিল কাবণে হত্যা কবি আলোয়না অর্থাৎ প্রায়শ্চিত কবি শুদ্ধ হয়। এইবোব জানো দয়া আৰু ক্ষমাব বিৰোধ কর্ম্ম নহয়? অন্য মতাৱলম্বীব প্রতি হিংসা ভাৱ বখা আৰু প্রাণ হত্যা কবা কার্য্যক দয়া নুবুলি হিংসা বোলাহে সঙ্গত।

সম্যক্ত্ব দর্শনাদিব লক্ষণ "আহ'ত প্রবচন সংগ্রহ পৰমাগমসাৰ" ত কোৱা হৈছে। সম্যক্ শ্রদ্ধান, সম্যক্ দর্শন, জ্ঞান আৰু চাৰিত্র এই তিনি মোক্ষমার্গব সাধন। যোগদেৱে ইয়াব ব্যাখ্যা কৰিছে। যি ৰূপত জীৱ আদি দ্রব্য অৱস্থিত, সেই ৰূপত জিন প্রতিপাদিত গ্রন্থ অনুসাৰে বিপৰীত অভিনিবেষাদিবহিত যি শ্রদ্ধা অর্থাৎ জিন মতব প্রতি যি প্রীতি সেয়েই সমাক্ শ্রদ্ধান আৰু সম্যক্ দর্শন।

রুচির্জিনোক্ততত্ত্বেষু সম্যক্ শ্রদ্ধানমুচ্যতে।

(সঃ দঃ সঃ আঃ দঃ পৃষ্ঠ ৬২)

জিনব কথিত তত্ত্ববোৰব প্রতি সম্যক শ্রদ্ধা কবা কর্ত্তব্য অর্থাৎ অন্যো কোৱাবোবত শ্রদ্ধা কবা অনুচিত।

যথাবস্থিততত্ত্বানাং সংক্ষেপাদ্বিস্তবেণ বা।

যোঽববোধস্তমত্রাহুঃ সম্যগ্ জ্ঞানং মনীষিণঃ॥

জীবাদিব তত্ত্ব-সম্বন্ধে সংক্ষিপ্ত বা বিস্তাবিত জ্ঞানকেই সুধীসকলে সম্যক্ জ্ঞান বোলে।

সর্ব্বথাঽবদ্যযোগানাং ত্যাগশ্চাবিত্রমুচ্যতে।

কীর্ত্তিতং তদহিংসাদিব্রতভেদেন পঞ্চধা॥

অহিংসানৃতাস্তেয়ব্রহ্মচর্য্যাপরিগ্রহাঃ।

অন্য মতাৱলম্বীসকলব সম্বন্ধ সর্ব্বপ্রকাব নিন্দনীয়, তাক পৰিত্যাগ কবাকে "চাৰিত্র" বোলে। অহিংসাদি ভেদেৱে ব্রত পাঁচ প্রকাব। (১) অহিংসা=কোনো প্রাণীকেই বধ নকবা। (২) সূনৃতা=প্রিয়বাক্য বোলা। (৩) অস্তেয়=চুবি নকবা। (৪) ব্রহ্মচর্য্য=উপস্থ ইন্দ্রিয়ব সংযম। (৫) অপৰিগ্রহ=সকলো বস্তুব পৰিত্যাগ কবা। এইবোব বিষয়ব অনেকেই ভাল; যেনে অহিংসা আচবণ কবা আৰু চুবি আদি নিন্দনীয় কর্ম্ম পৰিত্যাগ কবা ভাল আদেশ; কিন্তু তেওঁলোকব মতব ভিন্ন হলেই নিন্দা কবা আদিব পবা তেওঁলোকব বাকী ভাল বিষয়বোবো দোষযুক্ত হৈছে। তাব উদাহবণ স্বৰূপে প্রথম সূত্রত লিখা আছে যে, অন্য হবিহব আদিব ধর্ম্মই কাকো সংসাবব পবা উদ্ধাব কবিব নোৱাবে। যাব গ্রন্থ অধ্যয়ন কবিলে সম্পূর্ণ জ্ঞান আৰু ধর্ম্মব যদি সন্ধান পাব পাবি, তেনেবোব সম্প্রদায়ক হেয় প্রতিপন্ন কবা সামান্য নিন্দাব কথা নে? আগত উল্লেখ কবি অহা একেবাবেই অসম্ভব কথাবোব কওঁতা জৈন তীর্থঙ্কব

সকলৰ গুণকীৰ্ত্তন কৰা কেৱল অন্ধবিশ্বাসহে। এইটো কেনেকুৱা যুক্তি, যে, যি মানুহে "চাৰিত্ৰ", অধ্যয়ন-আৰু দান কৰিব নোৱাৰে, কেৱল জৈন মতক সত্য বুলিলেই শ্ৰেষ্ঠ জৈন হব পাৰে আৰু অন্য মতৰ শ্ৰেষ্ঠ মানৱো অশ্ৰেষ্ঠ হব! এনেৱোৰ কথা কোৱা মানুহক মতিভ্ৰষ্ট বা জানত বালক মুবুলি আৰু কি বুলিব পাৰি? ইয়াৰ পৰা বিদিত হয় যে, জৈন আচাৰ্য্যৱোৰ অবিদ্বান আৰু স্বাৰ্থপৰ আছিল, কাৰণ তেওঁলোকে পৰৰ নিন্দা নকৰা হলে, তেওঁলোকৰ এনেৱোৰ মিছা কথাত কোনেও ভোল নগলহেঁতেন আৰু তেওঁলোকৰ স্বাৰ্থ সিদ্ধিও নহলহেঁতেন। ইয়াৰ পৰা এয়েই প্ৰমাণ হয় যে, জৈনমতে মানুহক ডুবায় আৰু বেদমতে মানুহক উদ্ধাৰ কৰে। অজৈনসকলেও যদি কয় যে, হৰিহৰ আদি সুদেৱ আৰু ঋষভদেৱ আদি কুদেৱ, তেতিয়া জৈনসকলৰ শুনাত ভাল লাগিব নে? জৈন আচাৰ্য্য আৰু তেওঁলোকৰ অনুগামীসকলৰ আৰু ভুল চ'ক।

মূল—জিণবৰ আনা ভংগং উমগ্গ উস্মুত্ত লেস দেসণউ।
আণা ভংগে পাবন্তা জিণময় দুক্কৰং ধম্মম্ ॥
(প্ৰকৰঃ ভাগ ২ ষষ্ঠী শঃ ৬, সূঃ ১১॥)

"উন্মাৰ্গ উন্সূত্ৰ"ৰ জিনৰৰ অৰ্থাৎ ৰাগৰাগ তীৰ্থঙ্কৰসকলৰ প্ৰদৰ্শিত পথ আৰু ৰচিত সূত্ৰৰ লেশমাত্ৰ অজৈনক দেখুৱাৰেও তীৰ্থঙ্কৰৰ আজ্ঞা ভঙ্গ কৰা হয়, যি দুঃখৰ হেতু—পাপ হয়। জিনেশ্বৰৰ কথিত সম্যক্ত্ব আদি ধৰ্ম্ম গ্ৰহণ কৰা দুঃসাধ্য, গতিকে যাতে তেওঁৰ আজ্ঞা ভঙ্গ নহয় তাৰ চেষ্টা কৰা কৰ্ত্তব্য॥

সমীক্ষক—নিজে নিজৰ প্ৰশংসা কৰা, নিজৰ ধৰ্ম্মৰ নিজে প্ৰশংসা কৰা আৰু আনৰ নিন্দা কৰা মূৰ্খতাৰহে চিন। যাৰ প্ৰশংসা অন্য বিদ্বান সকলে কৰে, তেওঁৰ প্ৰশংসাহে যথাৰ্থ প্ৰশংসা, নিজে নিজৰ প্ৰশংসা চোৱেও কৰে, তাকো প্ৰশংসা বোলে নেকি? এনেৱোৰেই তেওঁলোকৰ কথা।

মূল—বহুগুণবিজ্ঝা নিলও উস্সুত্তভাসী তহাবিমুত্তথো।
জহবৰমণিজুতো বিহুবিগ্ঘকৰো বিসহৰো লোএ।
(প্ৰকৰঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৮।)

মণিৰে ভূষিত হলেও যেনেকৈ বিষধৰ সৰ্প পৰিত্যাজ্য, সেইদৰে অজৈন মতাৱলম্বী ধাৰ্ম্মিক পণ্ডিত হলেও জৈনসকলৰ কাৰণে বৰ্জ্জনীয়।

সমীক্ষক—ইয়াৰ পৰা ভাৰি চ'ক জৈনসকলৰ কিমান ভ্ৰম! জৈন আচাৰ্য্যসকল আৰু তেওঁলোকৰ শিষ্যৱোৰ বিদ্বান হোৱা হলে অন্য পন্থৰ বিদ্বানকো শ্ৰদ্ধা, প্ৰীতি কৰিলেহেঁতেন। যাৰ তীৰ্থঙ্কৰসকলো বিদ্যাহীন, গতিকে তেওঁলোকে বিদ্বানৰ সম্মান কৰিব কিয়? মল-মূত্ৰত পৰি থাকিলে জানো সোণ কোনোৱাই পৰিত্যাগ কৰে? ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে জৈনৰ দৰে পক্ষপাতী আৰু অন্ধবিশ্বাসী বা অজ্ঞ, দুৰাগ্ৰহী আন কোনো নহব।

মূল—অই সয়পা বিয়পা বাধাস্মি অপব্বেসু তোবি পাবৰয়া।
ন চলন্তি সুদ্ধধম্মা ধন্না কিবিপাব্ পব্বেসু ॥
(প্ৰকৰঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ২৯॥)

যি অন্য দৰ্শনী কুলিংগী অৰ্থাৎ জৈন মতৰ বিৰোধী, তেওঁলোকক জৈন সকলে দৰ্শনো কৰিব নেলাগে॥

সমীক্ষকঃ—এইৱোৰ যে কিমান অজ্ঞতাৰ কথা, তাৰ বিবেচনা সুধী সকলে কৰিব। আচল কথা হল, যাৰ মত সত্য, তেওঁ কাকো ভয় নকৰে। তেওঁলোকৰ গুৰুসকলে জানিছিল যে, তেওঁলোকৰ মত সত্য নহয়, আন বিদ্বান্সকলে জানিব পাৰিলে খণ্ডন কৰিব। গতিকে আন সকলোৰে নিন্দা কৰি মূৰ্খ জনসাধাৰণক ভুৰা দিয়াই তেনে কৰাৰ উদ্দেশ্য।

মূল– নামং পিতস্স অসুহং জেণ নিদি ঠাই মিচ্ছা পব্বাই।
জেসিং অনুসংগা উধম্মীণ বি হোই পাবমই ॥
(প্রকঃ ডাঃ ২ ষষ্ঠী ৬, সূঃ ২৭ ॥)

যি ধর্ম্ম জৈনধর্ম্মৰ বিৰুদ্ধ, সি সকলোকে পাপী কবে। গতিকে অন্য ধর্ম্ম নেমানি কেৱল জৈন ধর্ম্ম মনাহে বিবেচকৰ কাম।

সমীক্ষকঃ—ইয়াৰ পৰাই প্রমাণ হৈছে যে মানুহৰ শত্রুতা, বিৰুদ্ধতা, নিন্দা, হিংসা আদি সকলো দুর্গুণৰূপী সাগৰত ডুবুৰাত জৈন পন্থই সকলোকে চেৰ পেলাব পাৰে। সকলোকে নিন্দা কৰিব পৰা জৈনৰ দৰে মহা নিন্দুক আৰু অধর্ম্মী আন কোনো নাই। এফালৰ পৰা সকলোৰে নিন্দা আৰু নিজৰ প্রশংসা কৰাটো শঠৰ লক্ষণ নহয় জানো? বিবেচনাশীল মানুহে যেই কোনো মতৰেই ভালক ভাল আৰু বেয়াক বেয়া বুলি কয়।

মূল—হাহা গুরুঅ অকজ্ঝং স্বামী নহু আছিক্কস্স পুরু কৰিমো।
কহ জিণ বয়ণ কহ সুগুরু সাবয়া কহইয় অকজ্ঝং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৩৫ ॥)

ক'ত সর্ব্বজ্ঞ জিনভাষিত বচন, জৈনৰ গুৰু আৰু জৈন ধর্ম্ম আৰু ক'ত তাৰ বিপৰীত অসৎ গুৰু, অন্য পন্থৰ উপদেষ্টা (অর্থাৎ জৈনৰ সুগুৰু, সুদেৱ, সুধর্ম্ম আৰু অজৈন সকলৰ কুদেৱ, কুগুৰু আৰু কুধর্ম্ম)।

সমীক্ষকঃ—এনেবোৰ কথা বগৰী বেচা পোহাৰীৰ দৰে অর্থাৎ বগৰী বেচা পোহাৰীয়ে নিজৰ টেঙা বগৰীবোৰকে মিঠা আৰু আনৰ মিঠা বগৰীকে টেঙা বুলি কয়। জৈন সকলৰ কথাও ঠিক তেনেকুৱাই। জৈন মতাৱলম্বীয়ে অজৈনৰ ভাল আদর্শৰ প্রতি শ্রদ্ধা কৰাও পাপ যুমি গণ্য কৰে।

মূলঃ—সগ্গো ইক্কং মরণং কুগুরু অনন্তা ইদেই মরণাই।
তোবরিসপ্পং গহিয়ুং মা কুগুরু সেরণম্ ভহম্ ॥
(প্রকঃ ভাঃ ২ সূঃ ৩৭ ॥

ইয়াৰ আগত উল্লেখ কৰা হৈছে যে, মণিৰে ভূষিত সর্পৰ দৰে অজৈন মতাৱলম্বী জন শ্রেষ্ঠ পুরুষ হলেও পৰিত্যাজ্য। ইয়াত আকৌ বেছি নিন্দা কৰিছে যে, অজৈন মতৰ সকলোৱে কুগুরু অর্থাৎ সর্পতকৈও বেয়া। তেওঁলোকৰ দর্শন, সেৱা, আরু সঙ্গ কেতিয়াও কৰিব নেলাগে; কাৰণ, সর্পৰ সঙ্গত এবাৰহে মৰণৰ ভয়, কিন্তু অন্য পন্থী (অজৈন) কুগুরুৰ সঙ্গত অনেক বাৰ জন্ম-মৰণৰ চক্রত পৰিব লাগে। গতিকে হে ভদ্র! অজৈন, কুগুৰৰ সীমাতো ঠিয় নহবা, কাৰণ অজৈনৰ অতি সামান্য সেৱা কৰিলেও দুঃখ ভোগ কৰিব লাগিব।

সমীক্ষকঃ—দেখক! জৈনৰ সমান কেতিয়াও অজৈন মতাৱলম্বী ঘোৰ ভ্রান্ত, বিদ্বেষী, নিন্দুক, আরু আত্মজ্ঞানহীন হব নোৱাৰে। তেওঁলোকে বোধহয় মনে মনে ভাবে যে, আনৰ নিন্দা আরু নিজৰ প্রশংসা নকৰিলে, তেওঁলোকৰ সম্মান আরু প্রতিষ্ঠা নহব। এইটো তেওঁলোকবেই দুর্ভাগ্যৰ বিষয়। কাৰণ, যেতিয়ালৈকে সাধু বিদ্বানৰ সঙ্গী নকৰে, তেতিয়ালৈকে সত্য ধর্ম্মৰ যথার্থ জ্ঞান লাভ কেতিয়াও হব নোৱাৰে। গতিকে জৈন সকলে তেওঁলোকৰ বিদ্যাবিৰুদ্ধ মিছা কথাবোৰ এৰি বৈদিক সত্যৰ আদর্শ গ্রহণ কৰিলে তেওঁলোকৰ অশেষ কল্যাণ হব।

মূলঃ—কিং ভণিমো কিং করিমো তাণহয়াসাণ বিঠ্ঠুঠাণং
জে দংসি উণ লিংগং ধিরংতি নরয়ম্মি যুত্তজনং ॥
(প্রকঃ ভাঃ ষষ্ঠীঃ সূঃ ৪০ ॥)

কল্যাণৰ আশা বিনষ্ট, ঘোৰা দুরাগ্রহী, দুর্গুণী, আরু কুকর্ম্ম চতুৰৰ বিষয়ে কি কব আরু কৰিব পাৰি? যি তাৰ উপকাৰ কৰে তাৰেই সি

সর্ব্বনাশ কবে। যেনেকৈ কোনো দয়ালুরে অন্ধ সিংহব চক্ষুব বন্ধন খুলিবলৈ গলে সিংহই তাকেই গ্রাস কবে, সেই দবে কুণ্ডক অর্থাৎ অজৈনব উপকাব কবিবলৈ গলে নিজব সর্ব্বনাশ হয়। গতিকে সদায় অজৈনব পবা দূবত থকা কর্ত্তব্য।

সমীক্ষকঃ—অজৈন সকলেও জৈনব দবে বিবেচনা কবিলে তেওঁলোকব কিমান দুর্দ্দশা ঘটিব? যদি কোনেও তেওঁলোকব উপকাব নকবে তেতিয়া তেওঁলোকব অনেক কর্ম্ম নষ্ট হলে কিমান দুঃখ হব? জৈন সকলে আনব কাবণেও তেনে চিন্তা বিবেচনা নকবে কিয়?

মূলঃ—জহ জহ তুটই ধম্মো জহ জহ দুঠান হোয় অইউদউ।
সমদ্দিঠি জিয়াণ তহ তহ উল্লসই সমত্তং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৪২)

এইটো আশ্চর্য্যব বিষয় যে, যেনেকৈ দর্শনভ্রষ্ট নিহুব, পাসচ্ছা, উসন্না আক কুসীলিয়াদি আক অন্য দর্শনী, ত্রিদণ্ডী, পবিব্রাজক, বিপ্র আদি দুষ্ট লোকব অতিশয় বল, সম্মান আক আদব হব, সেইদবে সম্যক্‌দৃষ্টি জীব-সকলব সম্যক্‌ত্ব প্রকাশিত হব।

সমীক্ষক—এতিয়া ভাবি চ'ক! এইবোব জৈনতকৈ বেছি ঈর্ষ্যা, দ্বেষ আক বৈবী প্রবৃত্তিব আন কোনোবা আছে নে? অন্যান্য সম্প্রদায়ব ভিতবতো অবশ্যে ঈর্ষ্যা-দ্বেষ আছে, কিন্তু জৈনব দবে অন্য কোনো সম্প্রদায়তে নাই। দ্বেষেই পাপব মূল। গতিকে জৈনসকলব ভিতবত পাপব আচবণ নেথাকিব কিয়?

মূল—সংগো বিজাণ অহিউতে সিংধম্মাই জেপকুব্বন্তি।
মুতুণ চোবসংগং কবন্তি তে চোবিয়ং পাবা ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৭৫ ॥)

ইয়াব ভাবার্থ এই যে, যেনেকৈ মূর্খ মানুহে নাসিকা ছেদন আদি দণ্ডব ভয় নকবি চোবব সঙ্গ কবে, সেইদবে যি সকলে জৈন ধর্ম্মত বিশ্বাস কবে, তেওঁলোকেও অকল্যাণব ভয়ত ভীত নহয়।

সমীক্ষক—যি নিজে যেনে, আনকো তেনে দেখে। কেবল জৈন পন্থই সাধু সন্তব পন্থ, বাকী সকলোবোব চোবব পন্থ। এনে কথা সঁচা হব পাবেনে? মানুহব যেতিয়ালৈকে কুসঙ্গ জনিত অসৎ বুদ্ধি থাকে, তেতিয়ালৈকে তেওঁ ঈর্ষ্যা দ্বেষ পবিত্যাগ নকবে। জৈন পন্থী অজৈন পন্থীব প্রতি যেনেকুবা, অন্য কোনো পন্থ তেনে নহয়।

মূল—জচ্চ পসুমহিসলবকা পব্বংহোমন্তি পাবন বমী এ।
পূঅন্তি তংপি সঢ্ঢাহা হী লাবী পধায়সূসং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূ৷ ৭৬ ॥

পূর্ব্বব এটা সূত্রত কৈছে যে, কেবল জৈন সকলেই সম্যক্‌ত্বী, বাকী সকলো অজৈন মিথ্যাত্বী অর্থাৎ পাপী। পুণ্যাত্মা জৈন সকলে মিথ্যাত্বীব ধর্ম্ম স্থাপন কবিলে পাপী হব।

সমীক্ষক—যেনেকৈ অম্বব চামুণ্ডা, কালিকা, জাল্পা আদি দেবীব পূজা উপলক্ষে দুর্গানবমী আদি পাপজনক হয়, জৈনব অতি কষ্টকব পঞ্চসূন আদি পাপজনক নহয় কিয়? এই ক্ষেত্রত বামমার্গীসকলব লীলা খেলাব খণ্ডন অবশ্যে যুক্তি সঙ্গত। কিন্তু জৈনসকলে যে শাসনদেবী আক মকত-দেবী আদিক দেবী বুলি মানে, সেইবোবব পূজাব খণ্ডন কবিলেও ভাল হলহেঁতেন। তেওঁলোকব দেবী হিংসুক নহয় বুলি কলেও মিছা কোবাহে হব; কাবণ, শাসন দেবীয়ে এজন মানুহব আক এটা ছাগলীব চক্ষু বাহিব কবিছিল। সেয়ে যদি হয়—শাসনদেবী বাক্ষসী; দুর্গা আক কালিকাব সহোদবা ভগ্নী নহব কিয়? সেইদবেই জৈনব—"যচ্চখান" আদি ব্রতক অতি শ্রেষ্ঠ আক "নবমী" আদিক দূষণীয় বোলাও মূঢ়তা। নিজব উপবাসব প্রশংসা আক আনব উপবাসবঁ নিন্দা কবা মূর্খলাবহে পবিচায়ক। সত্য

ভাষণ আদি ব্রত হলে সকলোবেই ভাল। উপবাস জৈনবেই হক বা অজৈনবেই হওক, ভাল নহয়।

মূল—বেসাণবং দিয়াণয় মাহণডুং বাণজব কসিবকাণম্।
ভত্তা ভব কঠাণং বিয়াণং জন্তি দূবেণং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮২ ॥)

ইয়াব ভাবার্থ এয়ে যে, বেশ্যা, চাবণ আক ভাট আদিব আক ব্রাহ্মণ, যক্ষ, গণেশ আদিব মিথ্যাদৃষ্টি (মিছা) দেব-দেবীব যিসকল ভক্ত আক যিসকল এনে ভক্তবোবব অনুসবণকাবী তেওঁলোকে নিজেও দুঃখত ডুবে আক আনকো ডুবায়। তেওঁলোকে সেই দেব-দেবীব পবা কাম্য বস্তু লাভ হোৱাব আশাত বীতবাগ পুৰুষসকলব পবা দূবৈত থাকে।

সমীক্ষকঃ—নিজব দেব-দেবী সত্য আক আন সকলোবে মিছা বোলাটো কেবল পক্ষপাতিতা মাত্র। জৈনসকলে বাম পন্থী সকলব দেব-দেবীব খণ্ডন কবে, কিন্তু শ্রাদ্ধদিনকৃত্যব ৪৬ পৃষ্ঠাত লিখা আছে যে, শাসনদেবীয়ে বাতি ভোজন কবাব অপবাধত এক ব্যক্তিক চবিয়ায় আক তাব চকু কাঢ়ি নি সেই চকুব ঠাইত ছাগলীব চকু বাহিব কবি লগাই দিয়ে। সেই দেবীক হিংসাকাবিণী বুলি নধবে কিয়? বত্নসাব ১ম ভাগব ৬৭ পৃষ্ঠাত লিখা আছে যে, মক্ষতদেবীয়ে প্রস্তব মূর্ত্তি ধবি পথিকসকলক সহায় কবিছিল। এওঁকো সেইদবে নেমানে কিয়? অর্থাৎ জন্মই বা হল কিয় আক জন্মাব লগে লগে নমবিলে কিয়?

মূল—কিংসোপি জণণি জাও জানো জণণী ইকিং গওবিদ্ধি।
জইমিচ্ছবও জাও গুণে সুতমহচ্ছবং বহই ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮১ ॥)

যিবোব জৈনমত বিবোধী "মিথ্যাত্বী" অর্থাৎ মিথ্যাধর্ম্মাবলম্বী, সিহঁতব জন্ম হয় কিয়? জন্ম হলেও বাঢ়ে কিয়? অর্থাৎ জন্মই বা হ'ল কিয় আক জন্মাব লগেলগে নমবিলে কিয়?

সমীক্ষক—এতিয়া জৈনসবলব বীতবাগ ভাষিত দয়া ধর্ম্ম কেনেকুৱা চ'ক! অজৈন মতাবলম্বী মানুহ সংসাবত জীৱিত থকাটো তেওঁলোকে বাঞ্ছা নকবে। গতিকে তেওঁলোকব দয়া ধর্ম্মব কথা কেবল মুখতহে, অন্তবত নাই। তেওঁলোকব যি দয়া আছে, সেই দয়া কেবল ক্ষুদ্রপ্রাণী আক পশুব কাবণেহে, অজৈন মানুহব বাবে নহয়।

মূল—সুদ্ধে মগ্গে জায়া সুহেণ ভচ্ছন্তি সুদ্ধমগ্গ গমি।
জে পুণঅমগ্গপায়া মগ্গে গচ্ছংতি তংচুপ্পং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৮৩ ॥)

ইয়াব বিশেষ অর্থ—জৈন কুলত জন্মাবোবব মুক্তি লাভ একো আচবিত কথা নহয়, কিন্তু অজৈন কুলত জন্মা মিথ্যাত্বী অন্যপন্থীয়ে মুক্তি পোৱাটোহে অতি আচবিত কথা। ইয়াব ভাবার্থ হল এয়ে যে, জৈন মত গ্রহণ কবিলেহে মুক্তি লাভ হব, যি জৈনমত গ্রহণ নকবে তেওঁলোক নবকগামী হব।

সমীক্ষক—জৈনব ভিতবত কোনো দুষ্ট বা নবকগামী নাই নেকি? সকলোৱেই মুক্তি পায় নে? অন্য মতাবলম্বীসকলব কোনেও মুক্তি পাব নোৱাবে নেকি? উন্মাদগ্রস্ত মানুহব বাহিবে আন কোনেও এনে কথা নকয়। অতি নির্ব্বোধ মূর্খব বাহিবে কোনেও এনে কথা মানিব নোৱাবে।

মূল—তিচ্ছবাণং পুআসয়মত্ত গুণাণকাবিণী ভণিয়া।
সাবিয়মিচ্ছুত্তবী জিণ সময়ে দেয়িয়া পূআ ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৯০।)

কেবল জিন মূর্ত্তিবোবব পূজাহে সাব, অজৈন মূর্ত্তিবোবব পূজা অসাব। যিসকলে জিনব আজ্ঞা পালন কবে, সেই সকল তত্ত্বজ্ঞানী আক যি নকবে তেওঁলোক তত্ত্বজ্ঞানী নহয়।

সমীক্ষক—বাহ্! আক কবই নেলাগে!! বৈষ্ণব আদি অন্যান্য সম্প্রদায়ব মূর্ত্তিবোব যেনে জড় পদার্থ, আপোনালোকবযোব জড় নহয় নেকি? যেনেকৈ আপোনালোকব মূর্ত্তি পূজা মিছা, সেইদবে বৈষ্ণব আদিবো মিছা। জৈনসকল তত্ত্বজ্ঞানী আক অজৈনসকল তত্ত্বজ্ঞানী নহয়! ইয়াব পবাই বুজিব পাবি যে, জৈনমতত তত্ত্বজ্ঞান নায়েই।

মূল—জিণ আণা এধম্মো আণা বহি আণ ফুডং অহম্মুত্তি।
ইয়মুণি উণয়তত্তং জিণ আণা এ কুণহু ধম্মং॥
(প্রকঃ ভাঃ ষষ্ঠিঃ ২ সূঃ ৯২॥)

জিনদেবব যি আজ্ঞা, দয়া, ক্ষমা আদি সেয়েই ধর্ম্ম; তাব বাহিবে আন সকলোবেই অধর্ম্ম॥

সমীক্ষক—এইবোব কেনে অনুচিত কথা। জৈনব বাহিবে আন কোনো সত্যবাদী আক ধর্ম্মাত্মা কিয় নহয়? অন্য কোনো ধার্ম্মিক পুৰুষক মান্য কবা অনুচিত নেকি? যদি জৈনসকলব মুখ আক জিহ্বা চর্ম্মবে নির্ম্মিত নহলহেঁতেন, আনবোববহে চর্ম্মনির্ম্মিত হলহেঁতেন, তেতিয়াহে এনেবোব কথা কোবাব যুক্তি থাকিলহেঁতেন। জৈনসকলে তেওঁলোকব গ্রন্থব বাক্যবোবব আক সাধুসকলব যিমান আক যেনেকৈ প্রশংসা কবিছে, তাব পবা প্রতীত হয় যে, তেওঁলোকে ভাট অর্থাৎ বহুরাকো চেব পেলাইছে।

মূল—বন্নেমিনাবয়া ঈবিজোসিন্দুব কাই সম্ভবন্তাণম্।
ভব্বাণ জণই হবিহববিদ্ধি সমিদ্ধী বিউদ্ধোসং॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ৯৫॥)

ইয়াব তাৎপর্য্য হল, হবিহব আদি দেৱতাসকলব বিভূতি নবকব কাবণ। তাক দেখি জৈনসকলব বোমাঞ্চ হয়। যেনেকৈ বাজ আজ্ঞা ভঙ্গ কবিলে মৃত্যুদণ্ড পর্য্যন্ত দুঃখ ভোগ কবিব লাগে, সেইদবে জিনেন্দ্র দেৱব আজ্ঞা লঙ্ঘন কবিলেও জন্ম-মবণ দুখ ভোগ কবিব নেলাগিব কিয়?

সমীক্ষক—জৈন আচার্য্যসকলব ছল, কপটতা আক ভণ্ডামিব লীলা খেলা দেখক। তেওঁলোকব মনব কথাও প্রকাশ পাইছে। তেওঁলোকে হবিহব আদি দেৱতাসকলব ঐশ্বর্য্য দেখিবও নোৱাবে। আনব উন্নতি দেখিলে তেওঁলোকব বোমাঞ্চ হয়। সদায় তেওঁলোকব আকাঙ্ক্ষা যে, অন্যব সকলো ঐশ্বর্য্য তেওঁলোকব হস্তগত হওক, অন্য কাবো শ্রীবৃদ্ধি নহওক। সকলোবেই দবিদ্র হৈ থ'ক। আক বাজ আজ্ঞাব দৃষ্টান্ত দিয়াব কাবণ হ'ল এই যে, জৈনসকল বজাব অতি তোষামোদকাবী, মিথ্যাবাদী আক ভীৰু। বজাই মিছা কলেও মানি লব লাগিব নে? আচলতে জৈনসকলব অপেক্ষা অধিক ঈর্ষ্যাদ্বেষী আন কোনো নাই।

মূল—জো দেইসুদ্ধধম্মং সো পবমপ্পা জয়ম্মি নহু অন্নো।
কিং কপ্পদ্দুম্ম সবিসো ইয়ৰতব্ধ হোইকইযাবি॥
(প্রকঃ ভাঃ ২, ষষ্ঠীঃ সূঃ ১০১॥)

যি সকল জৈনধর্ম্ম বিবোধী, তেওঁলোক মূর্খ। যিসকল জিনেন্দ্র ভাষিত ধর্ম্মব উপদেষ্টা, তেওঁলোক সাধু, গৃহীয়েই হওক বা গ্রন্থকাবেই হওক, তেওঁলোক তীর্থঙ্কবব দবে, তেওঁলোকব দবে কোনো নাই।

সমীক্ষক—কেনেকৈ থাকিব? বালক বুদ্ধিব মানুহ নহলে এইবোব কথা বিশ্বাস কবিব কিয়? যেনেকৈ বেশ্যাই আত্ম প্রশংসাব বাহিবে পবব প্রশংসা কেতিয়াও নকবে, এওঁলোকো তেনে যেনেই প্রতীত হয়।

মূল—জে অমুণি অগুণ দোষাতে বহ অবুহাণহুত্তিম ঝচ্ছা।
অহতে বিহুম ঝচ্ছাতা বিসঅমি আণ তুল্লত্তং॥
(প্রকঃ ভাঃ ২, ষষ্ঠীঃ সূঃ ১০২।)

জিনেন্দ্র দেৱ, তেওঁব সিদ্ধান্ত আক জৈনমতব উপদেষ্টাসকলক পবিত্যাগ কবাটো জৈনসকলব পক্ষে অনুচিত।

সমীক্ষক—জৈনসকলৰ এনেবোৰ মইমতালি, অবিয়া-অবি আৰু অজ্ঞতাৰ যদি ফল নহয়, কি ? জৈনৰ কেইটামান কথাৰ বাহিৰে বাকী সকলোবোৰ পৰিত্যাজ্য। সামান্য জ্ঞান থকা মানুহেও জৈনসকলৰ দেৱ, সিদ্ধান্ত গ্ৰন্থ, উপদেষ্টাৰ উপদেশ দেখিলে বা শুনিলে সেইবোৰ তৎক্ষণাৎ যে পৰিত্যাগ কৰিব, তাত কোনো সন্দেহ নাই।

মূল—বয়ণে বিসুগুরু জিণবল্লহস্সকে সিংন উল্লস ঈসম্মং।
অহকহদিণ মণিতেয়ং উল্লুআণংহবই অন্ধত্তং ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১০৮।)

যিসকলে জিনৰ বচন অনুসাৰে আচৰণ কৰে, তেওঁলোক পূজ্য; যি তাৰ বিৰুদ্ধাচৰণ কৰে, তেওঁলোক পূজ্য নহয়। জৈন গুৰুসকলৰেই মান্য কৰিব, আন কোনো অজৈনক মান্য নকৰিব॥

সমীক্ষক—ঠিক! জৈনসকলে অজ্ঞ মানুহক শিষ্য কৰি পণ্ডৰ দৰে জালত আবদ্ধ নকৰিলে তেওঁলোকে জালৰ পৰা ওলাই মুক্তি সাধন কৰি মানৱ জীৱন সফল কৰিব পাৰিলেহেঁতেন। কোনোৱে জৈনসকলক "কুমাৰ্গী", "কুগুৰু", "মিথ্যাত্বী" আৰু 'কুউপদেষ্টা" বুলিলে তেওঁলোকৰ কিমান দুঃখ হয়! তেওঁলোকে পৰক দুঃখ দিয়ে কাৰণেই তেওঁলোকৰ ধৰ্ম্মমত অনেক অসাৰ কথাৰে পৰিপূৰ্ণ।

মূল—তিহুঅণ জণং মৰংতং দট্ঠুণ নি অন্তিজেন অপ্পাণং।
বিৰমংতি ন পাবাউ ধিদ্ধী ধিঠত্তণং তাণম্ ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১০৯।

মৰণ কাল পৰ্য্যন্ত দুখ ভুগিব লগা হলেও জৈনসকলে ক্ষাৰ বাণিজ্য আদি নকৰিব; কাৰণ এইবোৰ কৰ্ম্মই মানুহক নৰকলৈ নিয়ে॥

সমীক্ষক—এতিয়া কোনোৱে যদি জৈনসকলক সোধে যে আপোনালোকে বাণিজ্য আদি কৰে কেলেই। এইবোৰ কৰ্ম্ম এতিয়া পৰিত্যাগ

নকৰে কিয়? পৰিত্যাগ কৰিলে আপোনালোকৰ ভৰণ পোষণ হব নোৱাৰে আৰু আপোনালোকৰ উপদেশ মতে সকলো জৈন হৈ এইবোৰ কাম পৰিত্যাগ কৰিলে আপোনালোকে কি খাই জীৱন ধাৰণ কৰিব? এনেবোৰ নিৰ্ব্বোধ উপদেশৰ অৰ্থ নাই। কৰিব কি? বেচেৰাসকল বিদ্যা-বুদ্ধিহীন, সৎসঙ্গৰ অভাৱ, মুখত যি আহিল তাকেই কলে।

মূল—তইয়া হমাণ অহমা কাৰণ ৰহিয়া অণাণ গৱ্বেণ।
জে জ পন্তি উসুত্তং তেসিং দিদ্ধিচ্ছপন্তিচ্চং ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২১॥)

যি সকলে জৈন-শাস্ত্ৰ বিৰুদ্ধ ধৰ্ম্মশাস্ত্ৰত বিশ্বাস কৰে, তেওঁলোক অধমতকৈও অধম। স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা থাকিলেও জৈনমতৰ বিৰুদ্ধে একো নকৰিব আৰু বিশ্বাসো নকৰিব। স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা থাকিলেও অজৈন মত পৰিত্যাগ কৰিব।

সমীক্ষক—আপোনালোক জৈনসকলৰ আদি পুৰুষৰ পৰা আৰম্ভ কৰি আজি পৰ্য্যন্ত যিমান হৈ ছে আৰু ভৱিষ্যতেও হব, তেওঁলোকে অজৈন মতৰ নিন্দা কৰাৰ বাহিৰে আন একো কৰা নাই আৰু নকৰেও। দেখক! য'ত য'ত জৈনসকলে স্বাৰ্থসিদ্ধিৰ সম্ভাৱনা দেখে, সেইবোৰ ঠাইত তেওঁলোক শিষ্যতকৈও শিষ্য হৈ পৰে। তথাপিও তেওঁলোকে ইমান ডাঙৰ মিছা কথা কোৱাত অলপো সঙ্কোচবোধ নকৰে, এইহে অতি পৰিতাপৰ বিষয়।

মূল—জম্বীৰ জিণস্সজিও মিৰই উস্সুত্ত লেসদেসণও।
সাগৰ কোড়া কোড়িংহিং মই হই ভীমভৱৱণে ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২২॥)

যদি কোনোৱে কয় যে, জৈন সাধুসকল যেনেকুৱা ধাৰ্ম্মিক, অজৈন সকলো তেনেকুৱাই; তেতিয়া সি কৌটি কৌটি বৎসৰ নৰকত বাস কৰিব আৰু তাৰ পাছতো হীন জন্মহে পাব।

সমীক্ষক—চাবাইস্ ! বিদ্যাব বৈবীসকল ! আপোনালোকব, বোধ হয় অভিপ্রায়েই এনে যে, কে নেও যা'ত আপোনালোকব মিছা কথা-বোবক খণ্ডন কবিবলৈ নেপায় । সেই উদ্দেশ্যতেই আপোনালোকে এনেবোব ভয়ঙ্কৰ কথা লিপিবদ্ধ কবিছে । কিন্তু এইবোব অসত্তৰ আপোনালোকক আৰু কেনেকৈ বুজাব পাবি ? আপোনালোকে মিছা, পৰনিন্দা, অজৈন মতবোবৰ বিদ্বেষ প্রদর্শন আৰু বিবোধ কবিবব কাবণেহ কোমৰ বান্ধি, নিজব স্বার্থসিদ্ধিকেই মোহনভোগ ৰূপে ভাবি লৈছে ।

মুল—দূবে কৰণং দূবম্মি সাহূণং তহবভাবণা দূবে ।
জিণধম্ম সদ্দহাণং পিতিব কদুৰকাই নিঠবই ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২৭ ॥

যিজনে কেতিয়াও জৈন ধর্ম্মব কোনো অনুষ্ঠান নকবে, সিজনেও 'কেৱল জৈনধর্ম্মহে সত্য, অজৈন কোনো ধর্ম্মই সত্য নহয়' এই বিশ্বাসব বলত দুঃখব পবা উদ্ধাব হয় ।

সমীক্ষক—বেছ । নির্ব্বোধ মানুহক নিজব মতৰূপী জালত পেলাবব কাৰণেইয়াতকৈ প্রবল কৌশল আৰু কি হব পাবে ? কোনো কৰ্ম্ম কবিব নালাগে, অথচ মুক্তি হব, এনেকুৱা আৰু মূঢ় মত সংসাবত আছে নে ?

মূল—কইয়া হোহী দিবসো জইয়া সুগুৰুণ পায়মুলম্মি ।
উসূসুত্তলে সবিসলব ৰহিলেও নিসুণে সুজিন ধম্মং ।

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১২৮ ॥)

"মানুহ হও যদি জিন আগম অর্থাৎ জৈনশাস্ত্র শ্রৱণ কাৰম । "উৎসূত্র" অর্থাৎ অজৈন বিষয়ব গ্রন্থ কেতিয়াও শ্রৱণ নকবো," ইয়াকেই ইচ্ছা কবিব । ইয়াকে ইচ্ছা কবিলেই মানুহ দুখ সাগবব পবা উদ্ধাব হয় ।

সমীক্ষক—এইবোব কথা কেৱল নির্ব্বোধ মানুহক ফান্দত পেলাবব কাৰণেহে হব পাবে । কাৰণ, ইচ্ছা কবিলেই ইহজন্মব দুখ সাগবব পবাও উদ্ধাব পাব নোৱাবে আৰু পূর্ব্বজন্মব সঞ্চিত পাপব পবাও দুখৰূপী ফল ভুগিলে উদ্ধাব পাব নোৱাবে । এনেকুৱা মিছা অর্থাৎ নিন্দা বিকদ্ধ কথা নেদেখিলে, মানুহে বেদাদি শাস্ত্রব অধ্যয়ন আৰু শ্রৱণ কবি আৰু সত্য, অসত্য অৱগত হৈ তেওঁলোকব অবিদ্যাৰূপী অসাব গ্রন্থবোব পবিত্যাগ কবিলেহেঁতেন । কিন্তু কোনো বুদ্ধিমান সৎসঙ্গ লাভ কবা মানুহে সেই ফান্দব পবা মুক্ত হব পাবিলেও, অশিক্ষিত জড় বুদ্ধিব জনসাধাবণে সেই ফান্দব পবা মুক্ত হোৱা সহজ সাধ্য নহয় ।

মুল—জঙ্ঘাজেণং হিংভণিয়ং সুযব্বহাবং বিসোহিয়ংতসূস
জায়ই বিসুদ্ধ বোহী জিণআণা বাহ গত্তাও ॥

(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৩৮ ॥)

যি সকলে জিনাচার্য্য সকলব দ্বাবা উপদিষ্ট সূত্র, নিৰুক্তি, বৃত্তি আৰু ভাষ্যচূর্ণী মান্য কবে, সেই সকলেই শুভ ব্যৱহাব আৰু দুঃসহ ব্যৱহাব (ব্রতাদি) ব দ্বাবা সুখ লাভ কবে, অজৈন পন্থব গ্রন্থ পাঠ কবি সেই ফল পাব নোৱাবে ।

সমীক্ষকঃ—অত্যন্ত ক্ষুধার্ত্ত হৈ কষ্ট ভোগ কবা বা মবাকে "চাবিত্র" বোলে যদি, যিবিলাকে দুর্ভিক্ষ, অথবা খাদ্যব অভাৱত মবে, সেইবোবেও শুদ্ধ হৈ শুভফল পোৱা উচিত । আচলতে সেইবোব মানুহ যেনেকে শুদ্ধ হব নোৱাবে আপোনালোকো শুদ্ধ হব নোৱাবে । কেৱল পিত্ত আদি বিকাবব প্রকোপত বোগগ্রস্তহৈ সুখব পবিবর্ত্তে দুঃখ হে ভুগিব লাগে । ন্যায়, সত্য, আৰু ব্রহ্মচর্য্য আদিব আচবণহে ধর্ম । অসত্য আৰু অন্যায় আচবণ আদিয়েই পাপ । সকলোবে লগত প্রেম-প্রীতিবে ব্যৱহাব আৰু পবোপকাব কবাকে শুভ চবিত্র বোলে ।

জৈন মতাবলম্বীসকলব ক্ষুধার্ত্ত আক তৃষ্ণার্ত্ত হৈ থকাক ধর্ম্ম নোবোলে। পূর্ব্বোক্ত সূত্রবোব মানিলে সত্যতকৈ অসত্যহে অধিক মনা হয়। যাব ফলত দুঃখ সাগবত নিমগ্ন হব লগা হয়।

মূল—জইজাণসি জিণনাহো লোয়ায়া বাবিপবকএভু ও।
তাতংতং মন্নং তো তো কহমন্নসি লোঅ আয়াবং ॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৪৮ ॥)

যাব প্রাবক্ত উত্তম, তেওঁলোকেই জৈনধর্ম্ম গ্রহণ কবে, অর্থাৎ যি সকলে জৈনধর্ম্ম গ্রহণ কবা নাই তেওঁলোকব প্রাবক্ত বিনষ্ট হৈছে॥

সমীক্ষক—এই কথা একেবাবে ভুল আক মিছা নহয় নে? অজৈন পন্থত শ্রেষ্ঠ প্রাবক্তী আক জৈন পন্থত নষ্ট প্রাবক্তী নাই নে? আক কৈছে যে স্বধর্ম্মী অর্থাৎ জৈন সকলব ভিতবত হাই কাজিয়া নকবি মিলাপ্রীতিবে চলিব লাগে, ইয়াব অর্থ এয়েই হয় যে, জৈন সকলে অজৈন সকলব লগত হাই-কন্দল কবাক দোষ বুলি গণ্য নকবে। এইটো কোনো যুক্তিব কথা নহয়, কাবণ সজ্জন সকলে সজ্জনব সৈতে মিলাপ্রীতিবে থাকিব লাগে আক দুষ্ট জনকো শিক্ষা দি সুশিক্ষিত কবিব লাগে। এই কথাও লিখা আছে যে ব্রাহ্মণ, ত্রিদণ্ডী, পবিব্রাজকাচার্য্য, অর্থাৎ সন্ন্যাসী, আক তাপস অর্থাৎ বৈবাগী আদি সকলো জৈন মতব শত্রু।

এতিয়া ভাবিচ'ক, সকলোকে শত্রুভাবে দেখে আক নিন্দা কবে যেতিয়া, জৈনব দয়া আক ক্ষমা ধর্ম্ম কত? আনব প্রতি দ্বেষ ভাব থকা মানেই দয়া আক ক্ষমা ভাব নথকা। দ্বেষব সমান আক হিংসাদোষ আন একো হব নোৱাবে। জৈনসকলব দবে হিংসা দ্বেষব মূর্ত্তি বিবল। আনে যদি ঋষভদেবব পবা আবম্ভ কবি মহাবীব পর্য্যন্ত ২৪ জন তীর্থঙ্কবক বাগদ্বেষ যুক্ত "মিথ্যাত্বী" বোলে, জৈনসকলক সন্নিপাতজ্বব গ্রস্ত, জৈনধর্ম্মক নবক আক বিষ সদৃশ বুলি ভাবে, তেতিয়া তেওঁলোকব

মনত ভাল লাগিব নে? গতিকে জৈনপন্থী সকলে পবনিন্দা আক দ্বেষদ্বেষরূপ নবকত নিমগ্ন হৈ ঘোব ক্লেশ ভুগিব লাগিছে। তেওঁলোকে এই দোষবোবব পবা মুক্ত হব পাবিলে বিশেষ কল্যাণ হব।

মূলঃ—এগো অকন্ধ এগো বিসাব গোচে ইআণি বিবহাণি
তচ্ছয়জং জিণদব্বং পরুপ্পবন্তং ন বিচ্চন্তি॥
(প্রকঃ ভাঃ ২ ষষ্ঠীঃ সূঃ ১৫০ ॥)

শ্রোতা সকলব কাবণে দেব, গুরু, আক ধর্ম্ম এক। "চৈত্যবন্দন" অর্থাৎ জিনব প্রতিমূর্ত্তি, দেবমন্দিব আক জিনব সম্পত্তি বক্ষা কবা আক মূর্ত্তিপূজা ধর্ম্ম॥

সমীক্ষকঃ—এতিয়া চাব! জৈন পন্থব পবাই সকলো মূর্ত্তিপূজাব কন্দল, বিবাদ প্রচলিত হৈছে। পাষণ্ডতাব অর্থাৎ ভ্রান্তি অসত্য আদিব মূল কাবণো জৈনমত। শ্রাদ্ধদিন কৃত্যব ১ পৃষ্ঠাত মূর্ত্তিপূজাব প্রমাণঃ—

নবকাবেণ বিবোহো ॥ ১ ॥ অনুসবণং সাবউ ॥ ২ বয়াইং ইমে ॥ ৩ জোণে ॥ ৪ চিব বন্দণ গো ॥ ৫ যচ্চবখাণং তু বিহি পুচ্ছম্।

ইত্যাদি সকলো শ্রাবকে প্রথম দ্বাবত নবকাবব জপ কবিব ॥ ১ দ্বিতীয় দ্বাবত নবকাবব জপ কবাব পাছত স্মবণ কবিব "মই শ্রাবক" ॥২ তৃতীয় দ্বাবত চিন্তা কবিব। আমাব অণুব্রত আদি কি নাম ॥৩ চতুর্থ দ্বাবত ভাবিব চাবি-বর্গব ভিতবত মোক্ষ প্রধান। জ্ঞানব দ্বাবাই মোক্ষ প্রাপ্ত হয়, সেই গতিকে যোগ বোলে। এই ষড়্বিধ উপায়েবে সকলো পাপ দূব হলে মনুষ্য পবিত্র হয়। এইবোবক যোগ বোলে, এই যোগ আগলৈ কোৱা হব ॥ ৪ ॥ পঞ্চম দ্বাবত "চৈত্যবন্দ" অর্থাৎ মূর্ত্তিবন্দনা, দ্রব্যভাব আক পূজা, এই বিষয়ও কোৱা হব ॥ ৫ ॥ ষষ্ঠ প্রত্যাখানদ্বাবত "নবকাবশ্রী" আদি বিধি পূর্ব্বক কোৱা হব ॥ ৬ ॥ ইত্যাদি। ইয়াব পাছত এই গ্রন্থত নানা

প্রকাব বিধি লিখা হৈছে যেনে---সান্ধ্যভোজন কালত জিনবিম্ব অর্থাৎ তীর্থঙ্কবসকলব মূর্ত্তি পূজা আৰু দ্বাব পূজা কবিব লাগে। দ্বাব পূজাবো অনেক আড়ম্বব আছে। মন্দিব নির্ম্মাণ বিষয়ে কোৱা আছে যে, পুবণি মন্দিব নতুনকৈ নির্ম্মাণ কবিলে আৰু জীর্ণতা সংস্কাব কবিলে মুক্তিলাভ হয়। মন্দিবত প্রবেশ কবি ভক্তিভাবে বহি অতি প্রেম শ্রদ্ধাবে পূজা কবিব লাগে। "নমো জিনেন্দ্রেভ্যঃ" ইত্যাদি মন্ত্রবে মূর্ত্তিবোবক স্নান কবাব লাগে আৰু "জলচন্দনপুষ্পধূপদীপনৈঃ" ইত্যাদি মন্ত্রবে গন্ধাদি নিবেদন কবিব লাগে। বত্নসাবভাগব ১২ পৃষ্ঠাত মূর্ত্তিপূজাব ফল লিখিত আছে যে, পূজাবীক বজা বা প্রজা কোনোৱে বাধা দিব নোৱাবে।

সমীক্ষক—এইবোব কল্পনাপ্রসূত কাহিনী; কাবণ অনেক জৈন পূজাবীক বজাসাংলে আৰুশুক মতে বন্ধ কবে। বত্নসাব ভাগব ৩ পৃষ্ঠাত লিখা আছে যে, মূর্ত্তি-পূজাব দ্বাবাই বোগ, যন্ত্রণা আৰু মহাপাপ দূব হয়। এজন মানুহে ৫ কড়ি মূল্যব ফুল নিবেদন কবি ১৮ খন দেশব বাজত্ব লাভ কবিছিল। তেওঁব নাম আছিল কুমাবপাল। নির্ব্বোধ মানুহক প্রলোভিত কবিবব কাবণেই এইবাব মিছা কথা বচনা কবা হৈছে। কাবণ অনেক জৈন পূজাবীক বোগগ্রস্ত দেখা গৈছে আৰু শিলব মূর্ত্তি পূজা কবি এবিঘা মাটিব বাজত্বও লাভ কবিব পবা নাই। পাঁচ কড়ি মূল্যব ফুল অর্পন কবি যদি বাজ্য লাভ কবিব পাবে, তেনেহলে সেই-দবে বাবে বাবে নিবেদন কবি সমস্ত পৃথিবীব অধিপত্য লাভ নকবে কিয়? অপবাধব বাবে বাজদণ্ড ভোগ কবিব লগা হয় কিয়? মূর্ত্তি পূজাবেই ভবসাগব পাব হব পাবিলে, জ্ঞান, সম্যক্ দর্শন আৰু "চাৰিত্রব" প্রয়োজন থাকে কত?

বত্নসাব ভাগব ১৩ পৃষ্ঠাত লিখা আছে যে, গৌতমব অঙ্গুষ্ঠব ভিতবত অমৃত আছে আৰু তাকেই স্মবণ কবিলে মনোবাঞ্ছিত ফল পায়।

সমীক্ষক—সেয়ে হলে জৈন মাত্রেই অমব হোৱা উচিত। কিন্তু কোনো জৈনেই অমব নহয়। দেখা যায়, নির্ব্বোধসকলক বিভ্রান্ত কবিবব কাবণেই এইবোব কথা বচনা কবা হৈছে, তাব বাহিবে ইয়াব ভিতবত কোনো সত্য নাই।

বত্নসাবভাগব ৫২ পৃষ্ঠাত জৈনমূর্ত্তিপূজাব শ্লোক লিখা আছে, যেনে:—

জলচন্দনধূপনৈবথ দীপাক্ষতকৈর্নৈবেদ্যবস্ত্রৈঃ।
উপচাববৈর্জিনেন্দ্রান্ কচিবৈবদ্য যজামহে॥-

আমি জল, চন্দন, চাউল, পুষ্প, ধূপ, দীপ, নৈবেদ্য, বস্ত্র, আৰু অতি উত্তম উপচাববে সৈতে জিনেন্দ্র অর্থাৎ তীর্থঙ্কব সকলব পূজা কবিম। ইয়াব দ্বাবাই কব পাবি যে, মূর্ত্তি পূজা জৈন সকলব দ্বাবাই প্রচলিত হৈছে। (বিবেকসাব, পৃষ্ঠা ২২) জিন মন্দিবত মোহ ভাব নাহে আৰু ভবসাগব পাব কবায়।

বিবেক সাবব ৫১-৫২ পৃষ্ঠাত লিখা আছে যে, মূর্ত্তি পূজাব দ্বাবাই মুক্তিলাভ হয়। জিন মন্দিবলৈ গলেই সদ্‌গুণ উদয় হয়। যি জল, চন্দন আদিবে তীর্থঙ্কবসকলব পূজা কবে, সি নবকব পবা মুক্ত হৈ স্বর্গলৈ যায়।

বিবেক সাবব ৫৫ পৃষ্ঠাত লিখা আছে যে, জিন মন্দিবত ঋষভদেৱ আদিব মূর্ত্তি পূজা কবিলে ধর্ম্ম-অর্থ-কাম মোক্ষ সিদ্ধি হয়। বিবেক সাবব ৬১ পৃষ্ঠাত লিখা আছে যে, জিন মূর্ত্তিব পূজা কবিলে জগতব সকলো ক্লেশ দূব হয়।

সমীক্ষক—এতিয়া ভাবি চাওক, জৈনসকলব কথা কেনে অজ্ঞতা পূর্ণ আৰু অসম্ভব। যদি এই দবেই পাপ, কুকর্ম্ম দূব হয়, মোহগ্রস্ত নহয়, ভবসাগবব পবা উদ্ধাব হব পাবে, সদ্‌গুণ উদয় হয়, নবকব পবা স্বর্গলৈ যাব পাবে, ধর্ম্ম, অর্থ, কাম, মোক্ষ প্রাপ্তি হয়, আৰু সমস্ত ক্লেশ

হয়, তেনেহলে জৈন মাত্রই সুখী আৰু সৰ্ব্বসিদ্ধি লাভ নকৰে কিয়!

এই বিবেকসাৰৰ ৩ পৃষ্ঠাত লিখা আছে যে, যি সকলে জিনমূৰ্ত্তি স্থাপন কৰিছে, তেওঁলোকে নিজৰ আৰু আত্মীয় স্বজনসকলৰ জীৱিকাৰ ব্যৱস্থা কৰিছে। (বিবেকসাৰ, পৃষ্ঠা ২২৫) শিৱ আৰু বিষ্ণু আদিৰ মূৰ্ত্তি পূজা কৰা অতি দূষণীয় অৰ্থাৎ নৰকৰ কাৰণ।

সমীক্ষক—শিৱাদিৰ মূৰ্ত্তি নৰকৰ কাৰণ হলে জৈন মূৰ্ত্তিবোৰ নৰকৰ কাৰণ নহয় কিয়? যদি কয়,—"জৈনমূৰ্ত্তিবোৰ ত্যাগী, শান্ত আৰু শুভ লক্ষণযুক্ত; গতিকে শ্ৰেষ্ঠ; শিৱ আদিৰ মূৰ্ত্তিবোৰ তেনে নহয়, গতিকে নিন্দনীয়" সেয়ে হলে তাৰ উত্তৰত কব পাৰি যে "জৈন মূৰ্ত্তিবোৰ লক্ষ লক্ষ টকাৰ মন্দিৰত থাকে, আৰু তাত চন্দন, কেশৰ আদি অৰ্পণ কৰা হয়, গতিকে ত্যাগী বুলি কয় কেনেকৈ? শিৱাদিৰ মূৰ্ত্তি অনাবৃত স্থানতো থকা হয় যেতিয়া, ত্যাগী বুলিব নোৱাৰি কিয়! জড় পদাৰ্থ মাত্রই নিশ্চল আৰু শান্ত, জৈন মূৰ্ত্তিক শান্ত বোলাৰ কাৰণ কি! আচলতে সকলো মতৰ মূৰ্ত্তি পূজাই নিৰৰ্থক।

প্রশ্ন—আমাৰ জৈন মূৰ্ত্তিবোৰৰ বস্ত্রালঙ্কাৰ নাই কাৰণ উহ্য।

উত্তৰ—সকলোবে আগত নগ্ন মূৰ্ত্তি থকা আৰু দর্শন কৰা শাস্ত্রিক আচৰণ।

প্রশ্ন—নাৰীৰ চিত্র বা মূৰ্ত্তি দেখিলে যেনেকৈ কাম উৎপন্ন হয়, সেইদৰে সাধুৰ আৰু যোগীৰ মূৰ্ত্তি দেখিলে শুভ গুণ প্রাপ্তি হয়।

উত্তৰ:—প্রভৰ মূৰ্ত্তি দর্শনৰ পৰা যদি শুভফল হব পাৰে যুক্তি তাৰে, তেনেকুণ জড় মূৰ্ত্তি, জড়ত আদি গুণো জৈনসকলৰ ভিতৰত

সংক্রামিত হব। জড় বুদ্ধি হলে আপোনালোক জৈনসকলৰ সৰ্ব্বথা। বিনাশ হব। শ্রেষ্ঠ বিদ্বান সকলৰ সেৱা আৰু সংসর্গ নকৰিলে আপোনালোকৰ মূঢ়তা বাঢ়ি যাব। এই গ্রন্থৰ একাদশ ল্ল মূৰ্ত্তিপূজা যিবোৰ দোষ উল্লেখ কৰা হৈছে, পাষাণাদিৰ মূৰ্ত্তিৰ পূজকসকলোকো সেইবোৰ দোষ ঘটে। জৈনসকলৰ মূৰ্ত্তিপূজাৰ যেনেকুৱা মিছা কথা প্রচলিত হৈছে, তেওঁলোকৰ মন্ত্রবোৰতো তেনেকুৱা অসম্ভৱ কথা লিখিত আছে। ৰত্নসাৰ ভাগৰ পৃষ্ঠাত আছে:—

নমো অৰিহন্তাণং। নমো সিদ্ধাণং। নমো আয়ৰিয়াণং নমো উৱজ্ঝায়াণং নমো লোএ সৱ্বসাহূণং। এসো পঞ্চ নমুক্কাৰো সৱ্বং পাৱ-প্পণাসণো। মঙ্গলাচণৱং চ সৱ্বে সিংপ্রঢমং হৱই মঙ্গলং ॥১১॥

এই মন্ত্রৰ খুব মাহাত্ম্য লিখা আছে। এইটো হল জৈন-সম্প্রদায়ৰ গুৰুমন্ত্র। এই মন্ত্রৰ এনেকুৱা মাহাত্ম্য বর্ণনা কৰা হৈছে যে, ই ব্রহ্ম, পুৰাণ আৰু ভাটৰ (তোষামোদকাৰী) বর্ণনাও চেৰ পেলাইছে। আদ্ধ-দিনকৃত্য, ৩ পৃষ্ঠাত লিখা আছে:—

নমুক্কাৰ তউপঢ়ে। ৯॥ জউকব্বং। মন্তাণমন্তো পৱরো ইমুত্তি ধেয়াণধেয়ং পৱমং ইমুত্তি। তত্তাণতত্তং পৱমং পৱিত্তং সংসাৱসত্তাণ দুহাহ য়াণং ॥১০॥ তাণং অন্নস্ত নো অথি। জীৱাণং ভৱসায়ৱে। বুড্ডুং তাণং ইমং যুত্তুং। নমুক্কাৱং সুপোয়য়ম্ ॥১১॥ ফব্বং। অণেসজন্মং তৱসং চিআণং দুহাণং সাৱীৱি অনাদুলাণু-সাণং। কৎতোয় ভব্বাণং ভৱিজ্জমাসো ন জাৱপত্তো নৱকাৱমন্তো ॥১২॥

এই মন্ত্র পৱিত্র আৰু এয়েই পৱম মন্ত্র। এই সকলই ধ্যেয় বিষয়-বোৰবো পৱম ধ্যেয়, তত্ত্ববোৰবো পৱম তত্ত্ব। এই 'নৱকাৱ মন্ত্র", দুঃখু-

পীড়িত সাংসাবিক জীৱৰ কাৰণে সমুদ্ৰপাৰ হোৱাৰ তৰণীসদৃশ ॥ ০॥ এই নৱকাৰ মন্ত্ৰ নৌকা তুল্য। যি সকলে এই মন্ত্ৰ পৰিত্যাগ কৰে, তেওঁলোকে ভৱসাগৰত নিমগ্ন হয়। যিসকলে ইয়াক গ্ৰহণ কৰে তেওঁলোকে দুঃখ অতিক্ৰম কৰে। দুঃখমোচনকাৰী, পাপনাশক আৰু মুক্তিদায়ক, এই মন্ত্ৰৰ বাহিৰে জীৱৰ আৰু একো নাই ॥১॥ এই মন্ত্ৰই জন্ম-জন্মান্তৰৰ উৎপন্ন শাৰীৰিক দুঃখমোচন কৰে আৰু সাংসাবিক জীৱবোৰক ভৱসাগৰৰ পৰা ত্ৰাণ কৰে। জীৱই যিমান দিন নৱকাৰ মন্ত্ৰ সাঙ নকৰে সিমান দিন পৰ্য্যন্ত ভৱসাগৰৰ পৰা উত্তীৰ্ণ হব নোৱাৰে। উক্ত মন্ত্ৰৰ এই অৰ্থ সূত্ৰত ব্যাখ্যা কৰা হৈছে। এই একমাত্ৰ "নৱকাৰ" মন্ত্ৰৰ বাহিৰে অগ্নি আদি অষ্ট মহাভয়ৰ অন্য কোনো সহায় নাই। যেনেকৈ মহাৰত্ন বৈদূৰ্য্য মণি অথবা শত্ৰুৰ ভয়ত অমোঘ অস্ত্ৰ শস্ত্ৰ গ্ৰহণ কৰা হয়, সেইদৰে "শ্ৰুতকেৱলী" গ্ৰহণ কৰিব। এই "নৱকাৰ মন্ত্ৰ" সমস্ত "দ্বাদশাঙ্গীৰ" ৰহস্য। ইয়াৰ অৰ্থাৎ উক্ত মন্ত্ৰৰ অৰ্থ :—(নমো অৰিহন্তাণং) তীৰ্থঙ্কৰসকলক নমস্কাৰ। (নমোসিদ্ধাণং) জৈন সিদ্ধ পৰমসকলক নমস্কাৰ। (নমো আয়ৰিয়াণং) জৈনাচাৰ্য্যসকলক নমস্কাৰ। নমো উৱজ্ঝায়াণং জৈন উপাধ্যায় সকলক নমস্কাৰ। (নমো লোএ সৱ্ব সাহূণং) এই পৃথিবীত যিমান জৈন সাধু আছে সেই সকলক নমস্কাৰ।

এই মন্ত্ৰত জৈনপদ নেথাকিলেও বহুত জৈন গ্ৰন্থত লিখা আছে যে, জৈনমতাবলম্বীৰ বাহিৰে আন কাকো নমস্কাৰ কৰিব নালাগে। গতিকে এয়েই যথার্থ অৰ্থ।

তত্ত্ববিবেক—(পৃষ্ঠা ১৬৯) যি ব্যক্তিয়ে কাষ্ঠ আৰু প্ৰস্তৰকে দেৱবুদ্ধি কৰি পূজা কৰে, তেওঁ উত্তম ফল পায়।

সমীক্ষক—তেনেহলে মূৰ্ত্তিদৰ্শন কৰি সকলোৱে উত্তমফল নেপায় কিয় ?

(বত্নসাৰ ভাগ পৃষ্ঠা ১০) পাৰ্শ্বনাথৰ মূৰ্ত্তিদৰ্শন কৰিলে পাপ বিনষ্ট হয়। কল্পভাষাৰ ৫১ পৃষ্ঠাত লিখা আছে যে, চোৱা লাখ মন্দিৰৰ জীৰ্ণোদ্ধাৰ কৰা হৈছে ইত্যাদি। মূৰ্ত্তিপূজাৰ বিষয়ে এনে ধৰণৰ অনেক কথা লিখা আছে। ইয়াৰ পৰাই জানিব পাৰি যে, জৈন মতেই মূৰ্ত্তিপূজাক মূল কাৰণ।

জৈন সাধু আৰু গৃহস্থৰ লীলা ! বিবেকসাৰ, পৃষ্ঠা ২২৮

কোনো এজন জৈন সাধুৰে কোশা নামৰ এক বেশ্যা গমন কৰাৰ পাছত ত্যাগী হৈ স্বৰ্গলৈ গ'ল। (বিবেকসাৰ, পৃষ্ঠা ১০) অৰ্ণকমুনি চাৰিত্ৰভ্ৰষ্ট হৈ কেইবছৰমান দত্ত শেঠৰ গহত বিষয় ভোগ কৰাৰ পাছত দেৱলোকলৈ যায়। শ্ৰীকৃষ্ণৰ পুত্ৰই ঢ়ংঢ়স মুনিৰ স্থালী চুৰি কৰিছিল, পাছত তেওঁ দেৱতা হয়। (বিবেকসাৰ পৃষ্ঠা ১৫৬) কেৱল সাধুৰ চিহ্ন আৰু বেশধাৰী হলেও জৈনসাধুসকলক" শ্ৰাৱকসকলে" সম্মান কৰিব লাগে। সৎচৰিত্ৰবান বা অসৎচৰিত্ৰবান সাধু মাত্ৰই পূজ্য। (বিবেকসাৰ পৃষ্ঠা ১৬৮) জৈনসাধুসকল চৰিত্ৰহীন হলেও অন্যান্য সম্প্ৰদায়ৰ সাধুসকলৰ তুলনাত শ্ৰেষ্ঠ। (বিবেকসাৰ, পৃষ্ঠা ১৭১) শ্ৰাৱকসকলে চৰিত্ৰহীন আৰু ভ্ৰষ্টাচাৰী জৈনসাধুসকলৰো সেৱা কৰিব লাগে। (বিবেকসাৰ, পৃষ্ঠা ২১৬) এটা চোৰে পাঁচ মুঠি কেশ ছিঙি "চাৰিত্ৰ" গ্ৰহণ কৰে। তেওঁ বহু কষ্ট সহ্য আৰু অনুতাপ কৰাৰ পাছত ষষ্ঠ মাহত "কেৱল" জ্ঞান লাভ কৰি সিদ্ধ হল।

সমীক্ষক—এতিয়া জৈন সাধু আৰু গৃহস্থসকলৰ লীলা খেলা চ'ক। তেওঁলোকৰ মতে অনেক দুষ্ট কৰ্ম্মচাৰী সাধুৱেও সদ্‌গতি লাভ কৰিছে।

বিবেকসাবৰ, ১০৬ পৃষ্ঠাত লিখা আছে যে, শ্রীকৃষ্ণ তৃতীয় নৰকত পৰিছে। বিবেক সাৰৰ, ১৪৫ পৃষ্ঠাত লিখা আছে যে ধন্বন্তৰি নৰকত পৰিছে। বিবেকসাৰৰ ৪৮ পৃষ্ঠাত আছে যে, কত যোগী, পৌৰাণিক সাধু, কাজী আৰু মোল্লা অজ্ঞতাৰ বশতঃ তপঃ ক্লেশ সহ্য কৰিও দুৰ্গতি প্ৰাপ্ত হয়।

"ৰত্নসাৰভাগ"ৰ ১৭১ পৃষ্ঠাত লিখা আছে যে, নজন বাসুদেৱ অৰ্থাৎ ত্ৰিপৃষ্ঠ বাসুদেৱ, দ্বিপৃষ্ঠ বাসুদেৱ, স্বয়ম্ভু বাসুদেৱ, পুৰুষোত্তম বাসুদেৱ, সিংহপুৰুষ বাসুদেৱ, পুণ্ডৰীক বাসুদেৱ, দত্ত বাসুদেৱ, লক্ষ্মণ বাসুদেৱ আৰু শ্ৰীকান্ত বাসুদেৱ – যথাক্ৰমে একাদশ, দ্বাদশ, চতুৰ্দ্দশ, পঞ্চদশ, অষ্টদশ, বিংশতি আৰু দ্বাবিংশতি তীৰ্থঙ্কৰৰ সময়ত নৰকত পতিত হৈছে। আৰু নজন "প্ৰতি বাসুদেৱ" অৰ্থাৎ অশ্বগ্ৰীব প্ৰতিবাসুদেৱ, তাৰক প্ৰতিবাসুদেৱ, মোদক প্ৰতিবাসুদেৱ, মধু প্ৰতিবাসুদেৱ, নিশুম্ভ প্ৰতিবাসুদেৱ, বলী প্ৰতিবাসুদেৱ, প্ৰহ্লাদ প্ৰতিবাসুদেৱ, ৰাৱণ প্ৰতিবাসুদেৱ আৰু জৰাসিন্ধু প্ৰতিবাসুদেৱ এই সকলোৱেই নৰকত পৰিছে। কল্পভাষ্যত লিখা আছে যে, ঋষভদেৱৰ পৰা মহাবীৰ পৰ্য্যন্ত ২৪ তীৰ্থঙ্কৰসকলে মোক্ষ প্ৰাপ্ত কৰিছে।

সমীক্ষক—এতিয়া সুধীসকলে বিবেচনা কৰি চ'ক! জৈন সাধু, গৃহস্থ আৰু তীৰ্থঙ্কৰসকলৰ ভিতৰত অনেক বেশ্যা, পৰস্ত্ৰীগামী আৰু চোৰ আছিল, সেই সকলোৱেই স্বৰ্গ আৰু মুক্তিলাভ কৰিলে, কিন্তু শ্ৰীকৃষ্ণ আদি ধৰ্ম্মপৰায়ণ মহাত্মাসকলৰ সকলোৱেই নৰকত পৰিছে। এইবোৰ কেনে অন্যায় কথা! আচলতে বিবেচনা কৰি চালে জৈন সংসৰ্গহে নেলাগে, জৈনসকলৰ প্ৰতি দৃষ্টিপাত কৰাও সৎপুৰুষৰ পক্ষে দূষণীয় হয়। কাৰণ এওঁলোকৰ সংসৰ্গত থাকিলে এনেবোৰ অসম্ভৱ কথাই হৃদয়ত বদ্ধমূল হব পাৰে। এনেকুৱা অতি বিচাৰবিবেচনাহীন আৰু অসৎ অভিলাষী মানুহৰ সংসৰ্গত অনিষ্টৰ বাহিৰে আন একো লাভ হব নোৱাৰে। অৱশ্যে

জৈনসকলৰ ভিতৰতো যিসকল সৎচৰিত্ৰবান, তেওঁলোকৰ সংসৰ্গ দূষণীয় হব নোৱাৰে। আৰু বিবেকসাৰৰ ৫৫ পৃষ্ঠাত লিখা আছে যে, গঙ্গা, কাশী, আদি তীৰ্থ দৰ্শন কৰিলে কোনো পৰমাৰ্থ সিদ্ধ নহয়, কিন্তু জৈন সকলৰ গিৰনাৰ, পালীটাণা আৰু আবু আদি তীৰ্থক্ষেত্ৰই মুক্তি পৰ্য্যন্ত প্ৰদান কৰে।

সমীক্ষক—এই বিষয়ে বিবেচনা কৰিব পাৰি যে, জলস্থলময় জৈনতীৰ্থবোৰ শৈৱ, বৈষ্ণৱ আদিৰ তীৰ্থবোৰৰ দৰেই জড় স্বৰূপ। গতিকে জৈনৰ প্ৰশংসা আৰু আনৰ নিন্দা কৰা মূৰ্খৰহে কাম।

জৈনৰ মুক্তি বৰ্ণন ৰত্নসাৰ ভাঃ পৃষ্ঠা ২৩

মহাবীৰ তীৰ্থঙ্কৰে গৌতমক কৈছিল যে, ঊৰ্দ্ধলোকত স্বৰ্গপুৰীৰ ঊৰ্দ্ধভাগত অৱস্থিত এক সিদ্ধশিলা ক্ষেত্ৰ আছে। তাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ পঞ্চত্ৰিশ লাখ বৰ্গ যোজন আৰু স্থূলতাত আঠ যোজন। মুক্তাহাৰ বা গোহুমতকৈও শ্বেতবৰ্ণ, সুবৰ্ণতকৈ উজ্জ্বল আৰু স্ফটিকতকৈও নিৰ্ম্মল। এই সিদ্ধশিলা চতুৰ্দ্দশলোকৰ সৰ্ব্বোচ্চ ভাগত অৱস্থিত। সেই সিদ্ধশিলাৰ ওপৰত শিৰপুৰ ধাম। সেই ঠাইত সিদ্ধপুৰুষসকলে নিৰলম্বন হৈ বাস কৰে। সেই স্থান জন্ম মৰণ আদি দোষ ৰহিত। সেই স্থানত সকলোৱে আনন্দত থাকে, পুনঃ জন্ম-মৰণ চক্ৰত নপৰে আৰু সকলো কৰ্ম্মবন্ধনৰ পৰা মুক্তহৈ থাকে। এয়েই জৈনসকলৰ মুক্তি।

সমীক্ষক—ইয়াত বিবেচ্য হল, পৌৰাণিক মতে বৈকুণ্ঠ, কৈলাস, গোলোক আৰু শ্ৰীপুৰ আদি, খ্ৰীষ্টান মতে চতুৰ্থ আকাশ আৰু মুছলমানমতে সপ্তম আকাশ মুক্তি ধাম বুলি বৰ্ণনা কৰিছে। জৈনৰ সিদ্ধশিলা আৰু শিৰপুৰো তেনেকুৱাই। কিন্তু জৈনৰ মতে সেই স্থান ঊৰ্দ্ধ

হলেও আমাৰ পৃথিবীৰ নিম্নদেশত যিসকল থাকে তেওঁলোকৰ তুলনাত নিম্নহে হব। উচ্চ আৰু নিম্ন ব্যৱস্থিত পদার্থ নহয়। আর্য্যাবর্ত্তবাসী জৈনসকলে যি স্থানক ওপৰ বুলি ভাবে, আমেৰিকাবাসীসকলে তাক নিম্ন বুলি ভাবে আৰু আর্য্যাবর্ত্তবাসীসকলে যাক নিম্ন বুলি ভাবে আমেৰিকা-বাসীসকলে তাকেই ওপৰ বুলি ভাবে। আৰু সেই সিদ্ধ শিলা পঞ্চল্লিশ লাখৰ দুগুণ হলে নব্বৈ লাখ হলহেঁতেন, তথাপি তাৰ মুক্ত জীৱবোৰ বন্ধনৰ ভিতৰতেই থাকিলেহেঁতেন। কাৰণ সেই শিলাৰ নির্দ্দিষ্ট সীমাৰ ভিতৰতহে মুক্তি, শিৰপুৰৰ বাহিৰ হলেই মুক্তি শেষ। মুক্ত জীৱবোৰ যি স্থানত থাকে তাৰ প্রতি প্রীতি আৰু আন স্থানৰ প্রতি অপ্রীতি হোৱাও স্বাভাবিক। গতিকে যি অৱস্থাত প্রীতি আৰু অপ্রীতি থাকে তাক মুক্তি বুলি কেনেকৈ কব? প্রকৃততে মুক্তি কি তাক এই গ্রন্থৰ নৱম সমুল্লাসত ব্যাখ্যা কৰা হৈছে; সেয়েই যুক্তি সঙ্গত। জৈন-সকলে যাক মুক্তি বুলি ধাৰণা কৰে—সি এক প্রকাৰ বন্ধনহে। গতিকে জৈনসকলে মুক্তিৰ বিষয়ে ভ্রমতহে আৰদ্ধ হৈ আছে। বেদৰ প্রকৃত অর্থবোধ নহলে কোনোৱেই মুক্তিৰ যথার্থ স্বৰূপ উপলব্ধি কৰিব নোৱাৰে, এই কথা সত্য।

ইয়াৰ পাছত জৈনসম্প্রদায়ৰ আৰু কিছুমান অসম্ভৱ কথা শুনক। (বিবেকসাৰ, পৃষ্ঠা ৭৮) মহাবীৰৰ জন্ম হওঁতে তেওঁক এক কোটি ষাঠী লাখ কলহৰ জলেৰে স্নান কৰোৱা হৈছিল। (বিবেকসাৰ, পৃষ্ঠা ১৩৬) বজ্রা দশার্ণই মহাবীৰৰ দর্শন কৰিবলৈ আহোঁতে কিঞ্চিৎ দম্ভ প্রকাশ কৰে। সেই দম্ভ নিবাৰণৰ কাৰণে সেই স্থানত ১৬, ৭৭, ৭২, ১৬০০০ ইন্দ্র আৰু ১৩, ৩৭, ০৫, ৭২, ৮০,০০০০০০০ ইন্দ্রাণী উপস্থিত হয়। তাক দেখি তেওঁ আচৰিত হৈছিল।

সমীক্ষক—বিবেচনা কৰি চ'ক ইমানবোৰ ইন্দ্র ইন্দ্রাণীয়ে থিয় হবলৈ এইখন পৃথিবীৰ দৰে কিমানবোৰ পৃথিবীৰ প্রয়োজন হব?

শ্রাদ্ধদিনকৃত্য, আত্মনিন্দাতারনা, পৃষ্ঠা ৩১ অত লিখা আছে যে, বিশাল বা ক্ষুদ্র কুৱা অথবা পুখুৰী খনা উচিত নয়।

সমীক্ষক—সেই মতে সকলোৱে যদি জৈন মতাবলম্বী হয় আৰু কুৱা, পুখুৰী আদি নেখান্দে তেনেহলে মানুহে পানী ক'ৰ পৰা পাব?

প্রশ্ন—কুৱা, পুখুৰী আদি খনালে তাত জীৱ পৰে আৰু মৰে; গতিকে যি খনায় তেওঁলোকৰ পাপ হয়। সেই কাৰণেই জৈনে এই কাম নকৰে।

উত্তৰ—জৈনসকলৰ বুদ্ধি নষ্ট হৈছে। কাৰণ ক্ষুদ্র ক্ষুদ্র জীৱ মৰিলে যদি পাপ হয়, ডাঙৰ ডাঙৰ গৰু আদি পশু আৰু মানুহে জল পান কৰি মৃত্যুৰ পৰা বক্ষা পৰিলে যে পুণ্য হয়, সেই কথা বিবেচনা নকৰে কিয়?

(তত্ত্ববিবেক, পৃষ্ঠা ১৯৬) এই নগৰীত নন্দ মণিকাৰ নামৰ এজন সদাগৰে এক পুখুৰী খনোৱাত ধর্ম্মভ্রষ্ট হৈ ষোড়শ প্রকাৰ মহাৰোগত আক্রান্ত হ'ল। মৃত্যুৰ পাছত তেওঁ সেই পুখুৰীতেই ভেকুলী হৈ জন্ম ললে। এদিন মহাবীৰৰ দর্শনৰ ফলত তেওঁৰ পূর্ব্বজন্মৰ স্মৰণ হ'ল। মহাবীৰে কৈছে—"মোৰ আগমন বার্ত্তা শুনি, মোক পূর্ব্বজন্মৰ ধর্ম্মা-চার্য্য বুলি জানি বন্দনা কৰিবলৈ আহিছিল। বাটতে শ্রেণিকৰ অশ্ব-পদাঘাতত নিহত হৈ তেওঁ শুভ ধ্যান যোগৰ ফলত দর্দুৰাঙ্ক নামৰ মহর্দ্ধিক দেৱতা হয়। মই যে এই স্থানলৈ আহিছো তাক তেওঁৰ সীমিত জ্ঞানৰ বলেৰে অৱগত হৈ মোক বন্দনা কৰে আৰু অলৌকিক শক্তি প্রদর্শন কৰি গুছি যায়"।

সমীক্ষক—যি এনেবোৰ জ্ঞান বিৰুদ্ধ অসম্ভৱ কথা কৈছে তেওঁক সৰ্ব্বশ্ৰেষ্ঠ বুলি ভবাটো মহা ভ্ৰম।

শ্ৰাদ্ধদিন কৃত্যৰ ৩৬ পৃষ্ঠাত লিখা আছে যে, সাধু সকলে মৰা মানুহৰ বস্ত্ৰ ধাৰণ কৰিব পাবে।

সমীক্ষক—মৃতকৰ বস্ত্ৰ ললে জৈন সাধুবোৰ মহাব্ৰাহ্মণ সকলৰ দবে হয়, কিন্তু মৃতকৰ অলঙ্কাৰবোৰ কোনে লব? বোধহয় অলঙ্কাৰবোৰ মূল্যবান হোৱা বাবে গৃহস্থৰ মানুহেই বাখে। তেনে হলে সেই অলঙ্কাৰ বখাবোৰক কি বোলা হব?

(বত্নসাৰ ভাগ, পৃষ্ঠা ১০৫) খাদ্য বস্তুবোৰ ভঁজা, খুন্দা আৰু বন্ধা আদি কাৰ্য্য পাপজনক।

সমীক্ষক--এইবোৰ জৈনৰ অজ্ঞতাবেই কথা, কাৰণ এইবোৰ কাম নকৰিলে মনুষ্য আদি প্ৰাণীয়ে কেনেকৈ জীৱন ধাৰণ কৰিব? জৈন সকলো নেখাই—নৈ মৰি যাব।

(বত্নসাৰ ভাগ, পৃষ্ঠা ১০৪) উদ্যান পতা মালীৰ এক লক্ষ পাপ হয়।

সমীক্ষক—মালীৰ এক লক্ষ পাপ হয় যদি, অনেক জীৱে পাত, ফুল, ফল আৰু ছাঁ আদিৰ সুখ ভোগ কৰে, তাৰ পৰা কোটিগুণ পুণ্যও হয়, এই সত্য বিবেচনা কৰিব নোৱাৰাও নিৰ্ব্বোধতা।

(তত্ত্ববিবেক, পৃষ্ঠা ২০২)—লব্ধি নামৰ এজন সাধুৱে এদিন ভ্ৰমক্ৰমে কোনো বেশ্যাৰ ঘৰ গৈ পালে আৰু ধৰ্ম্মানুসাৰে বেশ্যাক ভিক্ষা প্ৰাৰ্থনা কৰে। বেশ্যাই কলে "ইয়াত ধৰ্ম্মৰ কাম নাই, কিন্তু ধনৰ কামহে আছে"। তেতিয়া সেই লব্ধি সাধুৱে বেশ্যাৰ ঘৰত চাৰে বাৰ লাখ সুবৰ্ণ মুদ্ৰা বৰ্ষণ কৰোৱালে।

সমাক্ষকঃ—বুদ্ধি ভ্ৰষ্ট নহলে এইবোৰ কথা সঁচা বুলি কোনেও বিশ্বাস কৰিব নোৱাৰে।

বত্নসাৰভাগৰ ৬৭ পৃষ্ঠাত লিখা আছে যে, যদি কোনোৱে কোনো স্থানত অশ্বাৰূঢ় প্ৰস্তৱমূৰ্ত্তি স্মৰণ কৰে, তেতিয়া সেই মূৰ্ত্তি সেই স্থানত উপস্থিত হৈ তেওঁক ৰক্ষা কৰে।

সমীক্ষক—আজি কালি জৈন মহাশয় সকলৰ ঘৰতো চুৰি ডকাইতি আদিৰ শত্ৰুভয় হয়। তেওঁলোকে সেই মূৰ্ত্তি স্মৰণ কৰি আত্মৰক্ষা নকৰে কিয়? পুলিচ আৰু বিচাৰালয়ৰ সহায় বিচাৰি হাবাথুবি খায় কিয়?

জৈন সাধুৰ লক্ষণ :—

সৰজোহৰণা ভৈক্ষ্যভুজো লুঞ্চিতমূৰ্দ্ধজাঃ
শ্বেতাম্বৰাঃ ক্ষমাশীলা নিঃসঙ্গা জৈনসাধবঃ॥ ১
লুঞ্চিতা পিচ্ছিকাহস্তা পাণিপাত্রা দিগম্বৰাঃ।
ঊৰ্দ্ধাসিনো গৃহে দাতুৰ্দ্বিতীয়াঃ স্যুৰ্জিনৰ্ষয়ঃ॥ ২
ভুঙ্‌ক্তে ন কেৱলং ন স্ত্রী মোক্ষমেতি দিগম্বৰঃ
প্রাহুৰেষাময়ং ভেদো মহান্ শ্বেতাম্বৰৈঃ সহ॥ ৩

জিনদত্তসুৰীয়ে এইবোৰ শ্লোকত জৈন সাধুৰ লক্ষণ বৰ্ণনা কৰিছে। (সৰজোহৰণ) চমৰী বা চোৱাঁৰ (এবিধ পশুৰ ফাল) বখা, ভিক্ষান্ন ভোজন কৰা মূৰৰ চুলি খুৰাই পেলোৱা, শ্বেতবস্ত্ৰ পিন্ধোতা, ক্ষমাশীল, কাৰো সঙ্গ নোলোৱা-এইবোৰ লক্ষণৰ শ্বেতাম্বৰ জৈনসাধুক যতি বোলে॥১। উলঙ্গবোৰক দ্বিতীয় প্ৰকাৰৰ দিগম্বৰ জৈন সাধু বোলে, তেওঁলোকে কোনো বস্ত্ৰ ধাৰণ নকৰে চুলি ছিঙি পেলায়, 'পিচ্ছিকা' নামৰ এটা সোতা কাষলতিত ধাৰণ কৰে, কোনোৱে ভিক্ষা দিলে হাততে লৈ খায়—এইবোৰ দিগম্বৰ সাধুৰ লক্ষণ।

তৃতীয় প্রকাৰৰ জৈন সাধু হৈছে জিনৰ্ষি। ভিক্ষাদাতা গৃহস্থৰ ভোজন সমাপ্ত হলে এওঁলোকে ভোজন কৰে। দিগম্বৰ জৈনৰ মতে নাৰীৰ অপবর্গ (মোক্ষ) নাই, কিন্তু শ্বেতাম্বৰৰ মতে আছে।।৩। জৈন সাধুবোৰৰ চুলি ছিঙাৰ নিয়ম সকলোতে প্রসিদ্ধ। বিবেকসাৰৰ ২১৬ পৃষ্ঠাত লিখা আছে যে, 'এক ব্যক্তিয়ে পাঁচ মুঠি কেশ ছিণ্ডি চাৰিত্র গ্রহণ কৰিলে, অর্থাৎ সাধু হ'ল'। (কল্পসূত্র ভাষ্য, পৃষ্ঠা ১০৮) 'কেশ ছিণ্ডি গৰুৰ নোমৰ সমান কৰি ৰাখিব লাগে'।

সমীক্ষক—জৈনৰ অহিংসা, দয়া-ধর্ম্ম কেনে? স্বহস্তে, গুৰুৰ দ্বাৰাই বা আন কাৰোবাৰ দ্বাৰাই চুলি উঘলা অতি কষ্ট কৰ। জীৱক কষ্ট দিয়াই হিংসা নহয় নে?

বিবেকসাৰত লিখা আছে যে ১৬৩৩ সম্বৎসৰত শ্বেতাম্বৰ সম্প্রদায়ৰ পৰা ঢুণ্ডিয়া আৰু ঢুণ্ডিয়াৰ পৰা তেৰটা সম্প্রদায় পৃথক হয়॥ ঢুণ্ডিয়াসকলে প্রস্তৰ আদিৰ মূর্ত্তি নেমানে আৰু স্নান আহাৰৰ সময়ৰ বাহিৰে বাকী সকলো সময়তে মুখত আঁৰ কাপোৰ এডোখৰ আঁৰি ৰাখে। যতি সম্প্রদায়ে গ্রন্থ-পাঠৰ সময়তহে মুখত কাপোৰ আঁৰে, অন্য সময়ত নাঁৰে।

প্রশ্ন—মুখত আঁৰকাপোৰ বন্ধা অৱশ্যে কর্ত্তব্য, কাৰণ, "বায়ুকায়" অর্থাৎ সূক্ষ্ম জীৱ বায়ুত থাকে, সেইবোৰ মুখৰ উষ্ণ বাষ্পত মৰি যায়। যি মুখত কাপোৰ আঁৰি নলয়, তেওঁলোকৰ তাৰ বাবে পাপ হয়। এই কাৰণেই মুখত আঁৰকাপোৰ বন্ধা উচিত।

উত্তৰ—এইবোৰ বিদ্যা আৰু প্রত্যক্ষ আদি প্রমাণ অনুসাৰে যুক্তিহীন। কাৰণ জীৱ অজৰ আৰু অমৰ, মুখৰ বাষ্পৰ দ্বাৰাই কোনো জীৱ কেতিয়াও মৰিব নোৱাৰে। জৈন মতেও জীৱ অজৰ আৰু অমৰ।

প্রশ্ন—জীৱ নমৰে হয়, কিন্তু উষ্ণ বাষ্পৰ পৰা কষ্ট পায়। সেই কাৰণে যি তেনে কষ্ট দিয়ে, তেওঁলোকৰ পাপ হয়। গতিকে মুখত আঁৰকাপোৰ বন্ধা আৱশ্যক।

উত্তৰ—আপোনাৰ কথাৰ কোনো যুক্তি নাই, কাৰণ কষ্ট দূৰ কৰা একেবাৰেই অসম্ভৱ। বিনা কষ্টত কোনো জীৱেই চলিব নোৱাৰে। মুখৰ বাষ্পৰ পৰা যদি জীৱৰ কষ্ট হয়, তেনেহলে অহা-যোৱা, উঠা-বহা, হাত ভৰি লৰচৰ কৰা আৰু চকু মেলা-মুদাতো জীৱৰ আৰু আনৰ কষ্ট হয়, গতিকে আপোনালোকেও জীৱক কষ্ট নিদিয়াকৈ থাকিব নোৱাৰে।

প্রশ্ন—অৱশ্যে যিমান সম্ভৱ জীৱক ৰক্ষা কৰা উচিত। যত ৰক্ষা কৰা সম্ভৱ নহয়, তাত নিৰুপায়। বায়ু আদি সকলো বস্তুতেই জীৱ পৰিপূর্ণ হৈ আছে। মুখ আৱৃত নকৰিলে অনেক জীৱ মৰে, বস্ত্র বান্ধিলে কম সংখ্যক জীৱহে মৰিব।

উত্তৰ—আপোনাৰ কথা যুক্তিবিৰুদ্ধ। কাৰণ বস্ত্র বান্ধিলে জীৱৰ বেছি কষ্ট হয়। মুখত বস্ত্র বান্ধিলে বা মৌন হৈ থাকিলে, বাষ্পবোৰ অস্বাভাৱিক ভাবে কদ্ধ হৈ অধিক উষ্ণ আৰু প্রবল বেগত ভিতৰৰ পৰা মুখৰ তলফালেদি, কাষেদি বা নাকেৰে বাহিৰ হব, গতিকে বাষ্পৰ বেগ আৰু উষ্ণতা অধিক হ'লে, আপোনালোকৰ মতানুসাৰে, জীৱৰ অধিক কষ্ট হব। ঘৰৰ বা কোঠা বিশেষৰ দুৱাৰবোৰ বন্ধ ৰাখিলে বা পর্দ্দা টানিলে ভিতৰৰ উষ্ণতা বেছি হয়, খোলা ৰাখিলে নহয়, সেইদৰে মুখত কাপোৰ বান্ধিলেও দেহৰ ভিতৰৰ বাষ্প বেছি গৰম, কিন্তু কাপোৰ নেবান্ধিলে গৰম বেছি নহয়। তাৰ পৰা জীৱই অধিক কষ্টহে পাব। উদাহৰণ স্বৰূপে মুখেৰে জুইত ফু দিলে মুখৰ বায়ুৰ বেগ যিমান হয় তাতকৈ এটা চুঙাৰে ফু দিলে বায়ুৰ বেগ বেছি হয়। সেইদৰে মুখৰ বায়ুৰ বাধা হলে

ভিতৰৰ বায়ু অধিক গৰম আৰু বেগেৰে নাকেদি চলাচল কৰে, তাৰ ফলত জীৱৰ অধিক ক্ষতি হয়। গতিকে মুখত কাপোৰ বন্ধাতকৈ নবন্ধাহে কৰ্ত্তব্য ধৰ্ম্ম। ইয়াৰ উপৰিও মুখত বস্ত্ৰ বান্ধি পঢ়িলে বৰ্ণ বা শব্দবোৰৰ যথাৰ্থ ভাবে শুদ্ধকৈ উচ্চাৰণ নহয়। অনুনাসিক বৰ্ণবোৰবো সানুনাসিক উচ্চাৰণ হয়। মুখৰ বায়ু আৱৰণেৰে বন্ধ কৰিলে মুখৰ দুৰ্গন্ধও বেছি হয়, কাৰণ দেহৰ ভিতৰ ভাগ দুৰ্গন্ধৰে ভৰা। দেহৰ ভিতৰৰ পৰা বায়ু যিমানে বাহিৰ হয়, সিমানে দুৰ্গন্ধ কমে, এই কথা প্ৰত্যক্ষ। কাৰণ দেহৰ ভিতৰৰ বায়ু দুৰ্গন্ধ যুক্ত। বন্ধ শৌচ-গৃহ যিমান দুৰ্গন্ধময়, তাতকৈ বায়ু চলাচল হৈ থকা শৌচ-গৃহ অতি কম দুৰ্গন্ধযুক্ত, এই কথাও প্ৰত্যক্ষ। মুখৰ বাষ্প আবদ্ধ কৰি বাখিলে, দাঁত মুখ পৰিষ্কাৰ নকৰিলে, স্নান নকৰিলে আৰু কাপোৰ ধুধুলে জৈনসকলৰ গাৰ দুৰ্গন্ধ বেছি হয়। তাৰ ফলত পৃথিবীৰ জীৱবোৰ বোগাক্ৰান্ত হলে জৈনৰ পাপ বৃদ্ধি হয়। মলি, আবর্জ্জনা আদিৰ দুৰ্গন্ধৰ পৰা বসন্ত, কলেৰা আদিবো উৎপন্ন হয় আৰু জীৱৰ অধিক কষ্ট হয়। গতিকে অধিক দুৰ্গন্ধ উৎপন্ন কৰাৰ বাবে জৈনসকল অধিক অপৰাধী। যি সকলে মুখত কাপোৰ নেবান্ধে, দাঁত মুখ, দেহ পৰিষ্কাৰ কৰি বাখে, তেওঁলোক জৈনৰ তুলনাত অধিক শ্ৰেষ্ঠ। অন্ত্যজ সকলৰ দুৰ্গন্ধযুক্ত সংসৰ্গৰ পৰা পৃথক্ হৈ থকা খুব মঙ্গল! এনে মানুহৰ সংসৰ্গৰ পৰা বুদ্ধি নিৰ্ম্মল হব নোৱাৰে—সেইদৰে জৈন আৰু তেওঁলোকৰ সহচৰবোৰৰ বুদ্ধিও উন্নত হব নোৱাৰে। বোগাধিক্য আৰু স্বল্পবুদ্ধিতাই ধৰ্ম্মানুষ্ঠানত বিঘ্ন সৃষ্টি কৰে। গতিকে জৈনসকলৰ অৱস্থা তেনেকুৱাই।

প্ৰশ্ন—বন্ধ ঘৰৰ প্ৰজ্জ্বলিত অগ্নিৰ শিখাই বাহিৰৰ জীৱবোৰক কষ্ট দিব নোৱাৰে, আমিও মুখৰ বাষ্প আৱৰণেৰে ঢাকি বাহিৰৰ জীৱৰ কষ্ট লাঘব কৰিব পাৰো। মুখৰ বায়ু আৱৃত কৰিলে বাহিৰৰ বায়ুত থকা জীৱৰ কষ্ট নহয়। যেনেকৈ সন্মুখত প্ৰজ্জ্বলিত

অগ্নিক হাতেৰে আঁৰ কৰিলেও তাপ অনুভৱ কম হয়, সেইদৰে মুখৰ বায়ুক বস্ত্ৰৰে আঁৰ কাৰি বাহিৰৰ জীৱৰ কষ্ট দূৰ কৰা হয়। অৱশ্যে জীৱদেহধাৰীৰ তেতিয়া কষ্ট হয়।

উত্তৰ—আপোনাৰ কথাবোৰ শিশুৰ কথাৰ দৰে হৈছে। যত বাহিৰৰ বায়ু চলাচল কৰিব পৰা ছিদ্ৰ নাই, তাত অগ্নি জ্বলিবই নোৱাৰে। ফানুচ বা কোনো আইনাৰ বয়ামৰ ভিতৰত এটা প্ৰদীপ জ্বলাই মুখখন বন্ধ কৰি দিলে প্ৰদীপ তৎক্ষণাৎ নুমাই যাব। এই কথা প্ৰমাণ কৰি চাব পাৰে। বিনা বায়ুৰে যেনেকৈ পাৰ্থিব প্ৰাণী জীৱিত থাকিব নোৱাৰে, মুখৰ আগৰ অগ্নিক হাতেৰে আঁৰ কৰিলে মুখত তাপ কম লাগিব হয়। কিন্তু হাতত তাপ বেছিকৈ লাগিব, গতিকে আপোনাৰ কথা যুক্তিহীন।

প্ৰশ্ন—সকলোৱে জানে যে, যেতিয়া কোনো নিম্নপদস্থ ব্যক্তিয়ে উচ্চপদস্থ ব্যক্তিৰ কাণৰ কাষত বা অতি কাষত কথা কয়, তেতিয়া হাতেৰে মুখ আৱৰণ কৰি লয়, যাতে মুখৰ পৰা থূৰ কণিকা গৈ গাত নপৰে আৰু দুৰ্গন্ধও যাতে অনুভৱ কৰিব নোৱাৰে। পঢ়োতেও মুখৰ থূৰ কণিকা গৈ গ্ৰন্থত পৰি গ্ৰন্থ উচ্ছিষ্ট আৰু বিকৃত কৰে, এই কাৰণেও মুখত বস্ত্ৰ বন্ধা উচিত।

উত্তৰ—এতিয়া প্ৰমাণ হল যে, জীৱ বক্ষাৰ কাৰণে মুখত কাপোৰ বন্ধা অৰ্থহীন। উচ্চ পদস্থ ব্যক্তিৰ লগত মুখ আৱৰণ কৰি কথা কোৱাৰ বহস্য হল এয়ে যে, সেই গোপন কথা যাতে আনে শুনিবলৈ নেপায়। প্ৰকাশ্য কৰি কথা কওঁতে মুখ অৱৰণ কৰা নহয়। কোনো গোপন কথা কবৰ সময়ত আগত বহু লোক থাকিলে মুখত আঁৰ কৰা হয়, নহলে মুখৰ বায়ুৰ বেগত মুখৰ শব্দ গৈ আনৰ কাণত প্ৰৱেশ কৰে। নিৰ্জ্জন ঠাইত কথা কবৰ সময়ত মুখ ঢাকি কৰৰ প্ৰয়োজন নকৰে। উচ্চ স্তৰৰ ব্যক্তিৰ গাত থূৰ কণিকা নপৰিবৰ কাৰণে

যদি মুখত আৱৰণ দিয়া হয়, তেনেহলে নিম্ন স্তৰৰ ব্যক্তিৰ গাত থুৰ কণিকা পেলোৱা যুক্তি সঙ্গত নহয়। থুৰ কণিকা পৰাৰ পৰা ৰক্ষা কৰা সম্ভৱো নহয়, কাৰণ দৰৰ পৰা কথা কলেও থুৰ কণিকা সূক্ষ্ম ত্ৰস-ৰেণুৰূপে সম্মুখৰ মানুহৰ গাত পৰে। সেইটোও দোষ বুলি ভৱা অসঙ্গত। মুখৰ দুৰ্গন্ধ দূৰ কৰাৰ উপায় পেট আৰু দাঁত-মুখ পৰিষ্কাৰ কৰা আৰু নাকে মুখে বাহিৰৰ বিশুদ্ধ বায়ু চলাচল কৰি ৰখা। মুখৰ উষ্ণ বায়ুৰ পৰা জীৱ মৰা বা কষ্ট পোৱা হলে জেঠ মহীয়া প্ৰখৰ তাপত বায়ুকায় জীৱ একেবাৰেই নিঃশেষ হলহেঁতেন। গতিকে সূৰ্য্যৰ প্ৰখৰ তাপত জীৱ নমৰে যেতিয়া, জৈন সিদ্ধান্ত যুক্তিহীন। জৈন তীৰ্থঙ্কৰবোৰ পূৰ্ণবিদ্য হোৱাহলে এনেবোৰ কথা কেতিয়াও নকলে হেঁতেন। শুনক! যিবোৰ জীৱৰ বৃত্তিবোৰ সকলো অবয়ৱৰ লগত বিদ্যমান থাকে সেইবোৰৰ কষ্টবোধ সম্ভৱপৰ। ইয়াৰ প্ৰমাণ—

পঞ্চাবয়বযোগাৎ সুখসংবিত্তিঃ॥

সাংখ্যঃ অ. ৫। সূঃ ২৭॥

পঞ্চ বিষয়ৰ লগত পঞ্চ ইন্দ্ৰিয়ৰ সম্বন্ধ হলেই জীৱৰ সুখ-দুখ অনুভৱ হয়। কলাক গালি পৰা, অন্ধক ৰূপ দেখুৱা, বা অন্ধৰ আগেদি ভয়ঙ্কৰ সাপ বাঘ আদি যোৱা নিৰৰ্থক। সেইদৰে স্পৰ্শ জ্ঞানহীনৰ স্পৰ্শ, ঘ্ৰাণশক্তিহীনৰ গন্ধ আৰু জিহ্বাহীনৰ ৰসৰ আস্বাদন অসম্ভৱ। সেইদৰেই 'বায়ুকায়' জীৱবো একেই অৱস্থা। মানুহ যেতিয়া সুষুপ্তি অৱস্থাত থাকে, তেতিয়া সুখ-দুখ অনুভৱ নহয়; কাৰণ জীৱ শৰীৰস্থ হৈ থাকিলেও, জীৱৰ বাহিৰৰ অৱয়ৱবোৰৰ লগত সম্বন্ধ নেথাকে, গতিকে সুখ-দুখ অনুভৱ হব নোৱাৰে। আধুনিক চিকিৎসক সকলে ৰোগীক মাদক দ্ৰব্য খুৱাই বা ঘ্ৰাণ কৰাই ৰোগীৰ দেহত অস্ত্ৰোপচাৰ কৰে।

অন্যান্য স্থাৱৰ দেহধাৰী জীৱবোৰৰ সুখ দুখ কেতিয়াও অনুভৱ হব নোৱাৰে। যেনেকৈ মূৰ্চ্ছিত অৱস্থাত কোনো প্ৰাণীয়ে সুখ দুখ অনুভৱ কৰিব নোৱাৰে, সেইদৰে বায়ুকায় আদি জীৱবোৰেও একেবাৰেই মূৰ্চ্ছিত অৱস্থাত থাকে; গতিকে সুখ দুখ অনুভৱ কৰিব নোৱাৰে, সেয়েই যদি হয়, তেন্তে সেইবোৰ জীৱক কষ্টৰ পৰা ৰক্ষা কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেইবোৰ জীৱৰ সুখ বা দুখৰ কোনো প্ৰত্যক্ষই যেতিয়া নহয়, তেনে স্থলত অনুমান আদিৰ যুক্তি কেনেকৈ সঙ্গত হব পাৰে?

প্ৰশ্ন—সেইবোৰো জীৱ যেতিয়া সিহঁতৰ সুখ দুখ নহব কিয়?

উত্তৰ—সৰল বুদ্ধিৰ ভাইসকল! সুষুপ্তি অৱস্থাত আপোনালোকৰ নো সুখ-দুখ অনুভৱ নহয় কিয়? সুখ-দুখ অনুভৱৰ কাৰণ আত্মাৰ লগত মন আৰু ইন্দ্ৰিয়ৰ সম্বন্ধ প্ৰসিদ্ধ। ইয়াৰ অলপ আগতে কোৱা হৈছে যে, চিকিৎসকসকলে ৰোগীক মাদক দ্ৰব্য সুঙাই অস্ত্ৰোপচাৰ কৰে। সেই অৱস্থাত ৰোগীৰ সুখ বা দুখৰ অনুভৱ নহয়। সেইদৰে অতি মূৰ্চ্ছিত জীৱবোৰৰ সুখ-দুখ অনুভৱ নহয়, কাৰণ সেই অৱস্থাত সুখ-দুখৰ কোনো সাধন নাই।

প্ৰশ্ন—আমি জৈনে হৰিৎ বৰ্ণৰ অৰ্থাৎ কেচা শাক পাত কন্দমূল ভক্ষণ নকৰো; কাৰণ সেইবোৰত বহুত আৰু কন্দমূলত অনন্ত জীৱ থাকে। সেইবোৰ বস্তু খালে তাৰ ভিতৰত থকা জীৱক হত্যা বা দুখ দিয়া হয়, ফলত আমাৰ পাপ হয়।

উত্তৰ—আপোনালোকৰ অজ্ঞতাৰ কাৰণেই এনেবোৰ কথা কয়। আপোনালোকে কেনেকৈ জানে কেচা শাক পাত আদি খালে যে জীৱ-হত্যা বা দুখ দিয়া হয়? সেইবোৰৰ

আপোনালোকে প্রত্যক্ষ দেখাও নাই আৰু আমাকো দেখুৱাব নোৱাবে। প্রত্যক্ষৰ অভাৱত অনুমান, উপমান আৰু শব্দ প্রমাণো হব নোৱাবে। গতিকে ইয়াৰ উত্তৰ আগতেই দিয়া হৈছে। তীর্থঙ্কৰসকলে যদি ভাবে যে, যিবোৰ জীৱ ঘোৰ অন্ধকাৰ, সুষুপ্তি আৰু মাদকতা অৱস্থাত আচ্ছন্ন হৈ থাকে সেইবোৰেও সুখ-দুখ অনুভৱ কৰে—তেন্তে তেওঁলোকৰ ধাৰণা ভুল। তেওঁলোকৰ এনেকুৱা উপদেশ যুক্তি জ্ঞানৰ বিৰুদ্ধ। বাক কওক চ'ন, সীমাবদ্ধৰ ভিতৰত অনন্ত অর্থাৎ সীমা সংখ্যাহীন জীৱ কেনেকৈ থাকিব পাৰে? কন্দ যেতিয়া সসীম, তাৰ ভিতৰত থকা জীৱবোৰো সসীম; অনন্ত কেনেকৈ হব? গতিকে আপোনালোকৰ ধাৰণা একেবাৰেই ভুল।

প্রশ্ন—আপোনালোকে নুতলোৱা জলপান কৰে, তাৰ পৰা আপোনালোকৰ পাপ হয়। আমি জল উতলোৱাৰ পাছত পান কৰো, আপোনালোকেও তেনেই কৰা কর্ত্তব্য।

উত্তৰ—এই সিদ্ধান্তও আপোনালোকৰ ভুল। জলত অনেক ক্ষুদ্র জীৱ থাকে, উতলালে সেইবোৰ মৰি যায়। সেইবোৰৰ দেহবোৰ গৰম পানীত সিজি পানীৰ ৰং গুৰামুৰিৰ ৰসৰ দৰে হয়। জৈনে জীৱৰ দেহৰ আৰক পান কৰে, তাৰ পৰা ঘোৰ পাপ হয়। কিন্তু যি পানী সিদ্ধ নকৰাকৈ পান কৰে তেওঁলোকৰ তেনে পাপ হব নোৱাবে। কাৰণ জল উত্তপ্ত নকৰাকৈ পান কৰিলে জলৰ জীৱবোৰ উদৰস্থ হোৱাৰ পাছত উদৰৰ তাপ পালে নিঃশ্বাসৰ লগত বাহিৰ হৈ যায়। আচলতে জলকায় জীৱবোৰৰ ওপৰত হোৱাৰ দৰে সুখ-দুখ অনুভৱ হব নোৱাবে, এই বিষয়ত কৰো পাপ হব নোৱাবে।

প্রশ্ন—জঠৰাগ্নিৰ তাপত যদি জীৱবোৰ ওলাই যাব পাৰে, তেনেহলে জল তপত কৰোতে তপত পানীৰ পৰা সেইবোৰ ওলাই যাব নোৱাৰিব কিয়?

উত্তৰ—অৱশ্যে ওলাই যায়, কিন্তু আপোনালোকৰ জৈনমতে মুখৰ বায়ুৰ তাপত জীৱ মৰি যায়। সেই গতিকে জল গৰম কৰিলে জীৱবোৰ মৰি যাব বা অধিক কষ্টভোগ কৰি ওলাই যাব। সিহঁতৰ দেহবোৰো সিজি পানীত মিলি যাব, তেতিয়া আপোনালোকৰ বেছি পাপ হব নে নহয়?

প্রশ্ন আমি নিজে পানী গৰম নকৰো আৰু কোনো গৃহস্থকো গৰম কৰিবলৈ নকওঁ। গতিকে আমাৰ পাপ হব নোৱাৰে।

উত্তৰ—আপোনালোকে কেৱল গৰম কৰা জলহে পান আৰু ব্যৱহাৰ কৰে; গতিকে আপোনালোকৰ কাৰণেহে আনে পানী গৰম কৰে। গতিকে আপোনালোকেই সকলোতকৈ বেছি পাপৰ ভাগী। কোনো এঘৰক পানী গৰম কৰিবলৈ কলে সেই ঘৰেই কৰিব। কিন্তু কোনো জৈন সাধু কেতিয়া কাৰ ঘৰত আৰু কিমান যাব তাক নজনাৰ বাবে সকে ঘৰে পানী গৰম কৰি ৰাখিব লগা হয়। গতিকে আপোনালোকেই প্রধান পাপী, আনৰ কর্ম্মৰ বাবেও আপোনালোকেই দায়ী। দ্বিতীয়তে অধিক কাঠ নষ্ট কৰাৰ বাবে আগতে দিয়া যুক্তি মতে বহুত কৃষি, বাণিজ্য আদিত আপোনালোকেই সর্ব্বাধিক পাপী আৰু নৰকগামী হয়। গৰম কৰা জল পান কৰিবলৈ বা ব্যৱহাৰ কৰিবলৈ আপোনালোকেই যেতিয়া বিধি দিয়ে আৰু উপদেশ কৰে, সেয়ে আপোনালোকহে তাৰ বাবে পাপৰ ভাগী আৰু যি আপোনালোকৰ আদেশ মতে আচৰণ কৰে তেওঁলোকে পাপী। এতিয়া ভাবি চ'ক আপোনালোক ঘোৰ অজ্ঞানত আছেনে নাই। ক্ষুদ্র প্রাণীবোৰৰ প্রতি দয়া কৰা আৰু ভিন্ন মতাৱলম্বীবোৰক নিন্দা কৰা আৰু অপকাৰ কৰা সামান্য পাপ নেকি? আপোনালোকৰ তীর্থঙ্কৰ-বিলাকৰ মত সঁচা হোৱা হলে ঈশ্বৰৰ সৃষ্টিত ইমান বৰষুণ, ইমান নদীৰ প্রবাহ বা ইমান পানীৰ সৃষ্টি কৰিলে কিয়? সূর্য্যকো সৃষ্টি কৰিব

নেলাগিছিল; কাৰণ, আপোনালোকৰ মত অনুসাৰে সূৰ্য্যৰ তাপত অসংখ্য জীয় মৰিব লাগিছে। যি সকল তীৰ্থঙ্কৰক আপোনালোকে ঈশ্বৰ বুলি বিশ্বাস কৰে, তেওঁলোকে দয়া কৰি সূৰ্য্যৰ তাপ দূৰ আৰু মেঘৰ উৎপত্তি নিবাৰণ নকৰিলে কিয়? আগত উল্লেখ কৰা মতে যিবোৰ প্ৰাণীয়ে জীৱন ধাৰণ কৰে, সেইবোৰে সুখ দুখ অনুভৱ কৰিব পাৰে, কন্দমূলৰ ভিতৰত থকা জীৱৰ সুখ-দুখৰ অনুভৱ অসম্ভৱ। আৰু সকলো জীৱকেই সদায় দয়া কৰাটোও দুখৰ কাৰণ হয়। কাৰণ সকলোৱেই যদি জৈনমতাৱলম্বী হয়, তোৰ ডকাইতকো শাস্তি দিয়া নহয়, তেতিয়া পাপৰ বল কিমান বাঢ়িব, ভাবি চাওক। গতিকে দুষ্টক উপযুক্ত শাস্তি আৰু সাধুসকলক পালন কৰাকেই দয়া বোলে। ইয়াৰ বিপৰীত আচৰণ কৰিলে দয়া আৰু ক্ষমাৰ স্বৰূপ নষ্ট হয়।

বহুত জৈনে বেহা-বেপাৰ কৰে, বেপাৰৰ ক্ষেত্ৰত মিছা কথা কয়, পৰৰ ধন অপহৰণ কৰে আৰু দৰিদ্ৰক প্ৰতাৰণা কৰে। এই কুকৰ্ম্মবোৰ নিবাৰণ কৰিবৰ কাৰণে উপদেশ নিদিয়ে কিয়? মুখত কাপোৰ অঁৰা ভাও ধৰিব লাগে কিয়? শিষ্যক শৰণ দিবৰ সময়ত মুৰৰ চুলি উঘালে কিয়? বহুত দিনলৈ উপবাস কৰি আত্মঘাতী হয় কিয়? এনেবোৰ হিংসাজনক কামৰ প্ৰয়োজন কি? জৈনসকলে উট, ঘোঁৰা বা গৰুৰ পিঠিত উঠা আৰু মানুহক পৰিশ্ৰম কৰোৱা পাপ বুলি নধৰে কিয়? আপোনালোকৰ অসঙ্গত কথাবোৰ যেতিয়া সত্য বুলি প্ৰমাণ কৰিব নোৱাৰে, সেইবোৰ আপোনালোকৰ গুৰু তীৰ্থঙ্কৰেও প্ৰমাণ কৰিব নোৱাৰে। গতিকে পাপৰ মুখ্য কাৰণ জৈন মতাৱলম্বীসকল নহৰ কিয়?

এই সংক্ষেপ আলোচনাৰ পৰাই বুজিব পাৰিব যে, জল, স্থল বা বায়ুৰ স্থাৱৰ শৰীৰ ধাৰী মূৰ্চ্ছিত জীৱৰ সুখ বা দুখ অনুভৱ হব নোৱাৰে।

ইয়াৰ পাছত জৈনৰ আৰু কিছুমান অসম্ভৱ কথা উল্লেখ কৰা হল। সেইবোৰ বিবেচনা কৰি চ'ক। মনত ৰাখিব যে নিজৰ হাতৰ চাৰে তিনি হাত পৰিমাণে এক ধনুক হয়। জৈনৰ কাল গণনা আগতে কৈ অহা হৈছে।

বত্নসাৰ প্ৰথম ভাগত ১১৬ ৰ পৰা ১৬৭ পৃষ্ঠাত তলত দিয়া বিৱৰণ লিখা আছে:—

তীৰ্থঙ্কৰ	দেহৰ আয়তন	আয়ু
১। ঋষভদেৱ	৫০০ ধনুঃ দীৰ্ঘ	৮৪ লক্ষ পূৰ্ব্ব বছৰ
২। অজিত নাম	৪৫০ ,, ,,	৭২ ,, ,, ,,
৩। সংভৱ নাম	৪০০ ,, ,,	৬০ ,, ,, ,,
৪। অভিনন্দন	৩৫০ ,, ,,	৫০ ,, ,, ,,
৫। সুমতি নাম	৩০০ ,, ,,	৪০ ,, ,, ,,
৬। পদ্ম প্ৰভ	১৪০ ,, ,,	৩০ ,, ,, ,,
৭। পাৰ্শ্বনাথ	১০০ ,, ,,	২০ ,, ,, ,,
৮। চন্দ্ৰ প্ৰভ	১৫০ ,, ,,	১০ ,, ,, ,,
৯। সুবিধিনাথ	১০০ ,, ,,	২ ,, ,, ,,
১০। শীতলনাথ	৯০ ,, ,,	১ ,, ,, ,,
১১। শ্ৰেয়াংস নাথ	৮০ ,, ,,	৮৪ ,, ,, ,,
১২। বাসু পূজ্য স্বামী	৭০ ,, ,,	৭২ ,, ,, ,,
১৩। বিমল নাথ	৬০ ,, ,,	৬০ ,, ,, ,,
১৪। অনন্ত নাথ	৫০ ,, ,,	৩০ ,, ,, ,,
১৫। ধৰ্ম্ম নাথ	৪৫ ,, ,,	১০ ,, ,, ,,
১৬। শান্তি নাথ	৪০ ,, ,,	১ ,, ,, ,,

১৭।	কুংথু নাথ	৩৫ ,, ,,	৯৫ সহস্র বছৰ
১৮।	অমৰ নাথ	৩০ ,, ,,	৮৪ ,, ,,
১৯।	মল্লীনাথ	২৫ ,, ,,	৫৫ ,, ,,
২০।	মুণি সুব্রত	২০ ,, ,,	৩০ ,, ,,
২১।	নমি নাথ	১৪ ,, ,,	১০ ,, ,,
২২।	নেমি নাথ	১০ ,, ,,	১ ,, ,,
২৩।	পার্শ্ব নাথ	৯ হাত দীর্ঘ	১ শত বছৰ
২৪।	মাহাবীৰ স্বামী	৭ ,, ,,	৭২ বছৰ।

এই ২৪ তীর্থঙ্কৰ জৈন মতৰ প্রৱর্ত্তক, আচার্য্য আৰু গুৰু। তেওঁলোকক জৈনসকলে পৰমেশ্বৰ বুলি বিশ্বাস কৰে। এই ২৪ জনেই মোক্ষ লাভ কৰিছে। সুধীসকলে বিবেচনা কৰি চ'ক যে ইমান প্রকাণ্ড মানৰ দেহ আৰু মানৰ জীৱনৰ ইমান আয়ু হব পৰা সম্ভৱ হয় নে নহয়? এনেকুৱা অতি কম সংখ্যক মানুহকহে এই পৃথিবীত বাস কৰিবলৈ জুৰিব। জৈনৰ এই কাল্পনিক আখ্যানবোৰ অৱলম্বন কৰিয়ে পৌৰাণিক সকলে এক লক্ষ, দশ সহস্র, আৰু এক সহস্র বছৰ আয়ু উল্লেখ কৰিছে। সেইবোৰো অসম্ভৱ। গতিকে জৈন সকলৰ কথা কেনেকৈ সম্ভৱ হব পাৰে? ইয়াৰ পাছত আৰু আছে:—

জৈন সকলৰ মিছা সাধু

কল্পভাষ্যৰ ৪ পৃষ্ঠাত লিখা আছে যে, নাগকেতুৱে এখন গাৰৰ সমান এটা শিল আঙ্গুলিৰ মূৰত তুলি ললে! কল্পভাষ্যৰ ৩৫ পৃষ্ঠাত লিখা আছে যে মহাবীৰে আঙ্গুলিৰে পৃথিবীখন টিপা মাৰি দিয়াত শেষ-নাগ কঁপি উঠিছিল। কল্পভাষ্যৰ ৪৬ পৃষ্ঠাত লিখা আছে যে, মহাবীৰক

সর্পই দংশন কৰাত তেজৰ সলনি গাখীৰ ওলাইছিল আৰু সেই সর্প অষ্টম স্বর্গলৈ গ'ল! কল্পভাষ্যৰ ৪৭ পৃষ্ঠাত লিখা আছে যে, মহাবীৰৰ ভৰিৰ ওপৰতে পায়স সিজালে তথাপি ভৰি নুপুৰিল! কল্পভাষ্যৰ ১৬ পৃষ্ঠাত আছে যে, এটা সৰু পাত্রত এটা উট ভৰাই অনা হৈছিল।

ৰত্নসাৰ প্রথম ভাগৰ ১৪ পৃষ্ঠাত লিখা আছে যে শৰীৰৰ মলিও গুছাৰ নেলাগে আৰু খজুৰাবও নেলাগে। বিবেকসাৰ প্রথম ভাগৰ ১৫ পৃষ্ঠাত লিখা আছে যে, "দমসাৰ" নামৰ এজন জৈন সাধুৰে খণ্ডত উদ্বিগ্নজনক এটা সূত্র পাঠ কৰি কোনো এখন নগৰ ভস্ম কৰি দিছিল। সেই সাধুজন তীর্থঙ্কৰ মহাবীৰৰ প্রিয় পাত্র আছিল। বিবেকসাৰৰ ১ম ভাগৰ ১২৭ পৃষ্ঠাত লিখা আছে যে ৰজাৰ আজ্ঞা মনা অৱশ্য কর্ত্তব্য। বিবেকসাৰৰ ১ম ভাগৰ ২২৭ পৃষ্ঠাত লিখা আছে যে, "কোশা নামৰ এজনী বেশ্যাই এখন কাঁহীত সৰিয়হ ভৰাই তাৰ মাজত বেঙীৰোৰ উপৰ মুৰাকৈ পুতি তাৰ আগৰোৰ ফুলেৰে ঢাকি, সেই বেঙীৰ ওপৰত নৃত্য কৰা সত্ত্বেও বেশ্যাৰ ভৰিত বেজীও নুফুটিল আৰু সৰিয়হৰোৰো কাঁহীৰ পৰা বাগৰি নপৰিল। তত্ত্ববিবেকৰ ২২৮ পৃষ্ঠাত লিখা আছে যে "স্থূল" নামৰ এজন খুনীয়ে সেই কোশা বেশ্যাৰ লগত ১২ বছৰ সহবাস কৰাৰ পাছত দীক্ষা গ্রহণ কৰি সদ্গতি লাভ কৰিলে। আৰু কোশাও জৈন ধর্ম্ম গ্রহণ কৰি সদ্গতি লাভ কৰিলে। বিবেকসাৰৰ ১ম ভাগৰ ১৮৫ পৃষ্ঠাত আছে যে, এজন বৈশ্যই এজন সিদ্ধ পুৰুষৰ কঁথাৰ পৰা দিনে ৫০০ কৈ স্বর্ণমুদ্রা পাইছিল। বিবেক সাৰৰ ১ম ভাগৰ ২২৮ পৃষ্ঠাত লিখা আছে যে বলবান ব্যক্তিৰ আদেশ, দেৱতাৰ আদেশ, অটব্য অৰণ্যত অতি কষ্টৰে জীৱন যাপন আৰু গুৰু, মাতা, পিতা, কুলগুৰু, জ্ঞাতি আৰু ধর্ম্মোপদেষ্টা—এই ছয় জনৰ বিৰুদ্ধ আচৰণৰপৰা ধর্ম্ম পালনত ব্যতিক্রম হলে ধর্ম্মহানি নহয়।

সমীক্ষক—এতিয়া এই মিছা কথাবোৰ বিবেচনা কৰি চ'ক। কোমোৱে গাওঁ এখনৰ সমান এটা শিল আঙুলিৰ ওপৰত তুলিব পাৰেনে? আঙুলিৰ হেচাত পৃথিবীখন বহি যাব পাৰেনে? শেষনাগ বুলি কাৰো আস্তিত্বই নাই যেতিয়া, কঁপিলে কোনে? শৰীৰ কাটিলে গাখীৰ ওলোৱা কোনোৱে দেখা নাই। ইন্দ্রজাল নহ'লে তেনে ভ্রম হব নোৱাৰে। শৰীৰ দংশন কৰি সর্প স্বর্গলৈ গল, কিন্তু মহাত্মা শ্রীকৃষ্ণ আদি তৃতীয় নৰকলৈ গ'ল—ইয়াতকৈ ডাঙৰ মিছা কথা আৰু কি হব পাৰে! মহাবীৰৰ চৰণৰ ওপৰত পায়স বন্ধাতো চৰণ দূপুৰিলে কিয়? বাৰু, এটা ক্ষুদ্র পাত্রত এটা উট ভৰাব পাৰিলে কেনেকৈ? গাৰ মলি পৰিষ্কাৰ নকৰিলে চর্ম্মৰোগ হয় আৰু দুর্গন্ধৰূপ মহানৰক ভোগ কৰিব লাগে। যিজন সাধুৱে খণ্ডত এখন নগৰ জ্বলাই দিলে তেওঁৰ ক্ষমা, দয়া একো নাছিল নেকি? মহাবীৰৰ আশ্রয়ত থাকিও যতিয়া সেই সাধুৰ আত্মা পৱিত্র নহ'ল, মহাবীৰৰ মৃত্যুৰ পাছত মহাবীৰৰ নাম ললে জৈন সকলৰ আত্মা পবিত্র কেতিয়াও হ'ব নোৱাৰে। ৰজাৰ আদেশ পালন কৰা অৱশ্যে কর্ত্তব্য। জৈন সকল বেপাৰী, গতিকে ৰজাৰ ভয়তেই বোধ হয়, এই কথা লিখিলে। কোশা বেশ্যাৰ দেহ যিমানেই পাতল হওক লাগে, বেজী পুতি খোৱা সৰিয়হৰ দমৰ ওপৰত নচা, বেজীয়ে নিৰিদ্ধা আৰু সৰিয়হো বাগৰি নোযোৱা, এনেবোৰ কথা সম্পূর্ণ মিছা নহব পাৰেনে? যিয়েই হওক লাগে, যেই কোনো অৱস্থাতেই ধর্ম্ম ত্যাগ কৰা অনুচিত। কাপোৰৰ কেথাই নো কেনেকৈ প্রতিদিনে নির্দ্দিষ্ট ভাবে ৫০০ কৈ স্বর্ণ মুদ্রা দিব পাৰে? জৈনৰ অসম্ভৱ কাহিনীবোৰৰ সকলো লিখিব লাগিলে এই গ্রন্থও জৈনৰ দৰে নিৰর্থক গ্রন্থহে হব। গতিকে বেছি বাহুল্য কৰা নিষ্প্রয়োজন। আচলতে জৈন গ্রন্থৰ বেছিভাগ কথাই অসত্য আৰু চ'ক:—

দো সসি দো ৰবি পঢ়মে দুগুণা লবণং মিধায় ঈসং মে।
বাৰস সসি বাৰস ৰবি। তপ্পাভি ইংনি দিউ সসি ৰবিণো॥
প্রকৰণঃ ভাঃ ৪ সংগ্রহণী সূত্র ৭৭॥

লিখিত আছে যে, জম্বুদ্বীপৰ আয়তন একলক্ষ যোজন অর্থাৎ ৪ লক্ষ ক্রোশ! জৈন গ্রন্থত জম্বুদ্বীপক প্রথম দ্বীপ বোলা হৈছে। তাৰ ভিতৰত দুটা চন্দ্র আৰু দুটা সূর্য্য আছে। লবণ সমুদ্রত তাৰ দুগুণ অর্থাৎ ৪টা চন্দ্র আৰু ৪টা সূর্য্য আছে। ধাতকী খণ্ডত ১২টা চন্দ্র আৰু ১২টা সূর্য্য আছে, ইয়াক তিনিগুণ কৰিলে ৩৬ হয়, তাৰ লগত জম্বুদ্বীপৰ ২, লবণ সমুদ্রৰ ৪ যোগ কৰিলে ৪২টা চন্দ্র আৰু ৪২টা সূর্য্য কালদধি সমুদ্রত আছে। এইদৰেই ইয়াৰ বাহিৰৰ দ্বীপ আৰু সমুদ্রবোৰত চন্দ্র সূর্য্য আছে। আগৰ ৪২ টাক তিনিগুণ কৰিলে ১২৬ হয়। এইবোৰৰ লগত ধাতকীখণ্ডৰ ১২, লবণ সমুদ্রৰ ৪ আৰু জম্বুদ্বীপৰ ২ যোগ কৰিলে পুষ্পৰ দ্বীপত ১৪৪টা চন্দ্র আৰু ১৭৪টা সূর্য্য আছে। এইবোৰ আধা মনুষ্য ক্ষেত্রৰহে গণনা। যাত মানুহ নাই তাত অনেক চন্দ্র আৰু সূর্য্য আছে, সেই কথা নিশ্চিত। উল্লেখিত জম্বুদ্বীপৰ ২টা চন্দ্র, ২টা সূর্য্য, লবণ সমুদ্রৰ ৪টা, ধাতকী খণ্ডৰ ১২টা আৰু কালোদধি সমুদ্রৰ ৪২টা যোগ কৰিলে পুষ্কৰ সমুদ্রত ৪৯২টা চন্দ্র আৰু ৪৯২টা সূর্য হয়। এইবোৰ বিষয় শ্রীজিনভদ্রগণীক্ষমাশ্রমণ বচিত বৃহৎ "সঙ্ঘয়ণী" "যোতীসকৰণ্ডক পয়ন্না" "চন্দ্রপন্নতি" আৰু "সুৰপন্নতি" আদি জৈনসিদ্ধান্ত গ্রন্থত বর্ণিত

সমীক্ষক—এতিয়া ভূগোল আৰু খগোল বিদ্যা বিদসবলে শুনক। জৈনসকলৰ মতে এই পৃথিবীতে এক প্রকাৰৰ গণনা অনুসাৰে ৪৯২টা আৰু অন্য প্রকাৰ গণনা মতে অসংখ্য চন্দ্র আৰু সূর্য্য আছে। আপোনালোকৰ সৌভাগ্য এই যে, আপোনালোকে বেদানুকূল "সূর্য্য-সিদ্ধান্ত" আদি জ্যোতিষ গ্রন্থবোৰ অধ্যয়ন কৰি ভূগোল আৰু খগোল-

তত্ত্ব যথার্থরূপে জানিব পাবিছে। আপোনালোকেও জৈন মতৰ অন্ধকাৰত আচ্ছন্ন থকা হলে, আজিও জৈনসকল যেনেকৈ অন্ধকাৰত আ'ছ, অপোনালোকেও চিৰ জীৱন অন্ধকাৰতেই থাকিব লাগিলহেঁতেন। এই অজ্ঞানী সকলৰ মনত সংশয় হৈছিল যে, জম্বুদ্বীপত এটা চন্দ্র আৰু এটা সূর্য্যই ইমান বিশাল পৃথিবীক ২৪ ঘণ্টা প্রকাশিত কৰিব নোৱাৰে। তেওঁলোকৰ বিশ্বাস যে, সূর্য্যতকৈ পৃথিবী বিশাল, তেওঁলোকৰ সেই কাৰণেই ভ্রম হয়।

দো সংস দো ৰবি পংতী এগংতৰিয়াছ সঠিতসংখায়া।
মেরুং পয়াহিণংতা। মাণুসাখত্তে পৰিঅডংতি ॥

প্রকৰণঃ ভাঃ ৪। সংগ্রহ সূঃ ৭৯॥

মনুষ্যলোকত চন্দ্রপঙ্‌ক্তি আৰু সূর্য্যপংক্তিৰ সংখ্যা কোৱা হৈছে :— দুই চন্দ্র-পংক্তি আৰু দুই সূর্য্যপঙ্‌ক্তি আছে। এইবোৰে এক এক লাখ যোজন অর্থাৎ ৪ লাখ ক্রোশ অন্তৰত ভ্রমণ কৰে যেনেকৈ সূর্য্য পঙ্‌ক্তিৰ অভ্যন্তৰত এই চন্দ্র পঙ্‌ক্তি আছে, সেইদৰে চন্দ্র পঙ্‌ক্তিৰ অভ্যন্তৰতো এক সূর্য্য পঙ্‌ক্তি আছে। এইদৰে ৪ পঙ্‌ক্তি আছে। এক এক চন্দ্র পঙ্‌ক্তিত ৬৬ চন্দ্র আৰু এক সূর্য্য পঙ্‌ক্তিত ৬৬টাকৈ সূর্য্য আছে। উক্ত ৪ পঙ্‌ক্তিয়ে জম্বুদ্বীপৰ মেৰু পর্ব্বত প্রদক্ষিণ কৰোঁতে কৰোঁতে মনুষ্য ক্ষেত্রত পৰিভ্রমণ কৰে। অর্থাৎ যি সময়ত জম্বুদ্বীপৰ মেৰুৰ পৰা এটা সূর্য্যই দক্ষিণ ফালে ভ্রমণ কৰে, সেই একে সময়ত আনটো সূর্য্যই উত্তৰ দিশত ভ্রমণ কৰে। ধাতকী খণ্ডৰ ৬, কালোদধিৰ ২১; পুষ্কৰার্দ্ধৰ ৩৬, সকলো মিলি ৬৬ টা সূর্য্য দক্ষিণ দিশত, আৰু ৬৬ টা সূর্য্য উত্তৰ দিশত নিজৰ নিজৰ ক্রমানুসাৰে ভ্রমণ কৰে। দুই দিশৰ সূর্য্যসমষ্টি ১৩২ টা আৰু ৬৬ টাকৈ দুই দিশৰ চন্দ্র পঙ্‌ক্তিত সর্ব্ব-

সমেত ১৩২ টা চন্দ্র মনুষ্য ক্ষেত্রত ভ্রমণ কৰে। এইদৰে চন্দ্রৰ লগত নক্ষত্র আদিৰো বহুত পঙ্‌ক্তি আছে।

সমীক্ষক—সুধীসকলে এতিয়া জানি লওক! এই পৃথিবীত থকা ১৩২টা সূর্য্য আৰু ১৩২ টা চন্দ্রই সন্তৰ জৈনসকলৰ গৃহতেই প্রকাশ আৰু তাপ দি থাকে। বাৰু, সেয়েই যদি হয়, তেনেহলে তেওঁলোকে জিয়াই থাকে কেনেকৈ? ৰাতি হলে বোধ হয় তেওঁলোক শীতত বৰফ হৈ যায়।

যাৰ ভূগোল আৰু খগোলৰ জ্ঞান নাই সেইসকলেহে এনেবোৰ অসম্ভৱ কথা বিশ্বাস কৰিব পাৰে, আনে বিশ্বাস কৰিব পৰা সম্ভৱ নহয়। মাত্র এটা সূর্য্যয়েই এই পৃথিবীৰ দৰে অনেক ভূমণ্ডলক আলোকিত কৰিছে, গতিকে এই ক্ষুদ্র পৃথিবীৰ বিষয়ে কৰৰ কি আছে? পৃথিবীয়ে যদি ভ্রমণ নকৰে আৰু সূর্য্যই যদি পৃথিবীৰ চাৰিওফালে ভ্রমণ কৰিলেহেঁতেন বহু বছৰ ব্যাপি দিন আৰু বহু বছৰ ব্যাপি ৰাতি হলহেঁতেন। সুমেৰু, হিমালয় পর্ব্বতৰ বাহিৰে আন পর্ব্বত নহয়। এটা কলহৰ তুলনাত এটা সৰিয়হ যেনে, এটা সূর্য্যৰ তুলনাত ই তাতকৈও ক্ষুদ্র। যিমান দিন জৈন সকল এনে ধাৰণা লৈ থাকিব, সিমান দিন পর্য্যন্ত তেওঁলোকে এইবোৰ বিষয় বুজিব নোৱাৰিব আৰু সদায় অন্ধকাৰতেই থাকিব।

সমত্তচৰণ সহিয়াসব্বং লোগং ফুসে নিৰবসেসং।
সত্তয়চউদসভাএ পংচয়সুপদে সবিৰঈ এ ॥

প্রকৰণঃ ভাঃ ৪। সংগ্রহ সূঃ ১৩৫॥

যি সকল "কেৱলী" সম্যক্ চৰিত্রযুক্ত, তেওঁলোকে "সমুদ্‌ঘাত" অৱস্থাৰ দ্বাৰাই চতুর্দ্দশ ৰাজ্যলোকত আত্মপ্রদেশ কৰি বিচৰণ কৰিব।

সমীক্ষক—জৈনে ১৪ ৰাজ্য মানে, চতুর্দ্দশ ৰাজ্যৰ শিখাৰ ওপৰত অৱস্থিত সর্ব্বার্থসিদ্ধি বিমানৰ ধ্বজাৰ অলপ দূৰৈত সিদ্ধশিলা আৰু দিব্য

আকাশ আছে। সেই ভাবেই নাম শিরপুব। যি সকলে "কেৱলী" অর্থাৎ কেৱলজ্ঞান, সর্বজ্ঞতা আৰু পূর্ণ পবিত্রতা লাভ কবে, তেওঁলোকেই সেই লোকলৈ গমন কবে আৰু নিজব আত্ম প্রদেশবে সর্ব্বজ্ঞ হৈ তাত অৱস্থান কবে। এতিয়া বিবেচনা কবি চ'ক। যাব আত্ম-প্রদেশ আছে সি বিভু হব নোৱাবে, যি বিভু নহয় সি সর্ব্বজ্ঞ, কেৱলজ্ঞানী কেতিয়াও হব নোৱাবে, কাবণ যাব আত্মা একদেশী সি অহা-যোৱা কবে, বদ্ধ, মুক্ত, জ্ঞানী, অজ্ঞানী হয়। সর্ব্বজ্ঞ, সর্ব্বব্যাপী কেতিয়াও হব নোৱাবে। জৈন তীর্থঙ্কব, যি জীৱৰূপ, পবিমিত, অল্পজ্ঞ হৈ আছিল তেওঁলোকে সর্ব্বব্যাপক আৰু সর্ব্বজ্ঞ কেতিয়াও হব নোৱাবে। কিন্তু যি পবমাত্মা অনাদি, অনন্ত, সর্ব্বব্যাপক, সর্ব্বজ্ঞ, পবিত্র, জ্ঞানস্বৰূপ, তেওঁক জৈনে নেমানে। সেই পবমাত্মাতহে সর্ব্বজ্ঞ আদি গুণ যথার্থ ভাবে থাকিব পাবে।

গৱভনৱতি পলিয়াউ। তিগাউ উক্কোসতে জহন্নে ণং।
মুচ্ছিক্ষ দুহাবি অন্তমুহু। অঙ্গুল অসংখ ভাগতণু ॥ ২৪১ ॥

তাত মানুহ দুই প্রকাবব হয়, এক হল গর্ভজ, দ্বিতীয় প্রকাব বিনা গর্ভই উৎপন্ন হোৱা। উৎকৃষ্ট গর্ভজ মানুহব আয়ুস ৩ পল্যোপম আৰু দেহব আয়তন ৩ ক্রোশ।

সমীক্ষক—এই পৃথিবীত ৩ পল্যোপম আয়ুসব আৰু ৩ ক্রোশ পবিমাণ দেহ বিশিষ্ট মানুহব অতি কম সংখ্যকহে সমাবেশ হব পাবে। "পল্যোপম" শব্দব ব্যাখ্যা আগতে কবি অহা হৈছে। তেনেকুৱা ৩ পল্যোপম আয়ুস, আৰু ৩ ক্রোশ দেহব মানুহ যদি হয় আৰু তেওঁলোকব সন্তানো সেইদবে হয়, তেনেহলে বোম্বাইব দবে চহবত দুটা আৰু কলিকাতাব দবে চহবত তিনটা বা চাবিটাব বেছি বাস কবিব নোৱাবে। জৈন গ্রন্থত লিখিছে যে, একোখন নগবত লাখ লাখ মানুহ বাস কবে।

তেতিয়া হ'লে তেওঁলোকব বাস কবা নগবব আয়তনো লাখ লাখ ক্রোশ হব লাগিব। সমস্ত পৃথিবীত এনেকুৱা এখন নগববো স্থান হব নোৱাবে।

পণয়াল লৱকায়োয়ণ। বিষকং ভা সিদ্ধিসিল ফলিহ
বিমলা। তদুবৰি গজোয় গতৈ। লোগন্তো তচ্ছ সিদ্ধঠিই। ২৫৮ ॥

সর্ব্বার্থসিদ্ধি বিমানব ধ্বজাব ওপবত ১২ যোজন পবিমাণব যি শিলা আছে, তাব দৈর্ঘ্য, প্রস্থ আৰু গভীবতা ৪৫ লাখ যোজন। ই সিদ্ধশিলা সিদ্ধভূমি শুভ্র, উজ্জ্বল, সুবর্ণময় আৰু স্ফটিকব দবে নির্ম্মল। কোনো কোনোৱে তাকেই "ঈষৎ" আৰু "প্রাগ্ ভৱা" বোলে। এই সর্ব্বার্থসিদ্ধশিলা বিমানব পবা ১২ যোজন অলোক অর্থাৎ লোকব অতীত। এই পবমার্থ অর্থাৎ গূঢ় বহস্য কেৱলী আৰু বহু শ্রুত অর্থাৎ মুক্ত পুৰুষসকলেহে জানে। এই সর্ব্বার্থসিদ্ধশিলাব মধ্য ভাগ ৮ যোজন স্থূল; সেই স্থানবপবা চাবি দিক্ আৰু চাবিও উপদিক্ কমি কমি মাখিব ডেউকাব দবে সূক্ষ্ম আৰু মুকলি ছত্রব (ছাতি) দবে স্থাপিত হৈ আছে। এই শিলাব পবা ওপবে এক যোজন আঁতবত লোকান্ত। সেই স্থানত সিদ্ধ সকলে বাস কবে।

সমীক্ষক—এতিয়া বিবেচনা কবিব লগা কথা হল যে, সর্ব্বার্থসিদ্ধি বিমানব ধ্বজাব ওপবত ৪৫ যোজন পবিমাণব শিলা জৈন সিদ্ধ সকলব মুক্তিধাম কিন্তু সেই স্থান ইমান উত্তম আৰু নির্ম্মল হোৱা সত্ত্বেও তাত অৱস্থান কবা মুক্ত জীৱসকল এক প্রকাব বদ্ধ। কাবণ, উক্ত শিলাব বাহিবলৈ গলেই তেওঁলোকব মুক্তি সুখ অৱসান হয়; আৰু তাব ভিতবত থাকিলেও বায়ু সেৱন কবিব নোৱাৰে। এইবোব কেৱল কল্পনাব কথা আৰু নির্ব্বোধ মানুহক ভ্রমত পেলোৱাব জাল।

জোয়ণ সহস্স মহিয়ং। এগিং দিয়বেহ মুক্কোসং।
প্রকৰণ ভাঃ ৪। সংগ্রহ সূঃ ২৬৬ ॥

বিতিচউবিং দিস সবীবং। বাব সজোয়বতি কোসংচ
উকোসং জোয়ণসুহস পণিংদিয়। উহে বুচ্ছন্তি বিসেসংতু॥

প্রকবণঃ ভাঃ ৪। সংগ্রহ সূঃ ২৬৭॥

সাধাবণতে এক ইন্দ্রিয়বিশিষ্ট উৎকৃষ্ট জীবব দেহব আয়তন এক সহস্র যোজন, দুই ইন্দ্রিয় বিশিষ্ট শঙ্খ আদিব ১২ যোজন, চাবি ইন্দ্রিয়-বিশিষ্ট ভ্রমব আদিব ৪ ক্রোশ আব পঞ্চ ইন্দ্রিয় বিশিষ্ট জীবব দেহব আয়তন এক সহস্র যোজন অর্থাৎ চাবি সহস্র ক্রোশ।

সমীক্ষক—চাবি সহস্র ক্রোশ পবিমাণব দেহধাবী হলে নিচেই কম সংখ্যক অর্থাৎ কেই শ মান মানুহেবেই পৃথিবীখন ভবি হেচা-ঠেলা কবিব লগা হব। তাব বাহিবে বাসস্থান আব বাট পথব বিষয়ে জৈন সকলেহে জানে, তেওঁলোককহে সুধিব লাগিব। তেওঁলোকে যেতিয়া লিখিছে, তেওঁলোকেই ঘবব স্থান দিব লাগিব। কিন্তু ৪ সহস্র ক্রোশ পবিমাণব শবীববিশিষ্ট কেইজনমান মানুহব বাসব কাবণে ৩২সহস্র ক্রোশ পবিমাণব গৃহব আবশ্যক। জৈন সকলব সমস্ত ধন নিঃশেষ কবি ব্যয় কবিলেও ইমান ডাঙব ঘব নির্ম্মাণ নহব। আব সেই ৮ সহস্র ক্রোশ পবিমাণব ছাল নির্ম্মাণ কবিবলৈ তেনে পবিমাণব কাঠ কত পাব? যি খুটা লগাব তেওঁব কাবণে প্রবেশ কবাও সম্ভব নহব। গতিকে এইবোব বিশ্বাস যোগ্য কথা নহয়।

তে থূলা পল্লে বিহুৎস খিজ্জাচে বহুংতি সব্বেবি।
তেইক্কিক্ক অসংখে। সুহুমে খম্মে পকপ্পেহ॥

প্রকবণ ভাঃ ৪, লঘুক্ষেত্র।
সমাস প্রকবণ সূত্র ৪॥

পূর্ব্বোক্ত একাঙ্গুল পবিমাণব নোমব খণ্ডবোববে চাবিবর্গ ক্রোশ পবিমাণ আব সমপবিমাণব দ এটা গাত পূর্ণ কবা হয়। একাঙ্গুল পবিমাণ

মাপ নোমব যিমানবোব খণ্ড হয়, সেইবোবব সমষ্টি ২০, ৫৭, ১৫২। ঘণ যোজন পল্যোপমত অতি বেছি পক্ষে ৩৩০, ৭৬২১০৪, ২৪৫৫৬২৫, ৪২১৯৯৬০, ৯৭৫৩৬০০,০০০০০০০, সংখ্যা নোমব টুকুবা হয়। এইবোবো সংখ্যাত কাল। পূর্ব্বোক্ত এডোখব নোমব অসংখ্য টুকুবা মনে মনে কল্পনা কবিলে অসংখ্য সূক্ষ্ম বোমাণু হব।

সমীক্ষক—এতিয়া জৈনব গণনা নিয়ম চ'ক! একাঙ্গুল পবিমাণব নোমক কিমান ভাগ কবা হৈছে। এইবোব এইদবে কোনোরে কেতিয়াও গণনা কবিব পাবেনে? তাব উপবিও মনে মনে অসংখ্য কল্পনা কবা হয়। ইয়াব পবা এইটোও প্রমাণ হৈছে যে, অসংখ্য কাল গণনাত এওলোকে যেন হাতেবেই উল্লেখিত খণ্ড-বিখণ্ডবোব কবিছে; যেতিয়া হাতেবে কবা সম্ভব নহয় তেতিয়া মনেবেই কবিছে। বাক, এক আঙুলি পবিমাণব নোমড'ল অসংখ্য টুকুবা কবা সম্ভব নে?

জম্বুদীপপমাণং গুলজোয়াণলবক বট্টবিবককংভী।
লবণাঈয়াসেসা। বলয়া ভাদুগুণ দুগুণ দুগুণায়॥

প্রকবণঃ ভাঃ ৪, লঘুক্ষেত্রসমাঃ সূঃ ১২॥

জম্বুদীপব আয়তন এক লাখ যোজন আব ই ফোপোলা। বাকী লবণ আদি ৭ সমুদ্র, ৭ দ্বীপ জম্বুদ্বীপব আয়তনতকৈ প্রত্যেকেই ইটোতকৈ সিটো দুগুণ। এই পৃথিবীত জম্বুদ্বীপ আদি ৭ দ্বীপ আব ৭ সমুদ্র আছে, যাব উল্লেখ আগতেই কবা হৈছে।

সমীক্ষক—জম্বুদ্বীপব পবা দ্বিতীয় দ্বীপ ২ লাখ যোজন ডাঙব, তৃতীয় ৪ লাখ যোজন, চতুর্থ ৮ লাখ যোজন, পঞ্চম ১৬ লাখ যোজন, ষষ্ঠ ৩২ লাখ যোজন আব সপ্তম ৬৪ লাখ যোজন দূববর্ত্তী। মহাসমুদ্রব আয়তনো ইমানেই বা ইয়াতকৈ বেছি। তেতিয়া হলে এই ১৫ সংখ্য

ক্রোশ পরিধি বিশিষ্ট ভূমণ্ডলত এইবোৰৰ সমাবেশ কেনেকৈ হব পাৰে? গতিকে এইবোৰ কথা একেবাৰেই মিছা।

কুৰুনইচুলসী সহসা। ছচ্চেবন্তনৰঈ উপই বিজয়ং।
দোদো মহানঈউ। চণুদ্স সহসা উপত্তেয়ং ॥

প্রকৰণঃ ৰত্নাঃ ভাঃ ৪ লঘুক্ষেত্রসমাঃ সূঃ ৬৩॥

কুৰুক্ষেত্ৰত ৮৪ সহস্র নদী আছে।

সমীক্ষক—কুৰুক্ষেত্র অতি ক্ষুদ্র দেশ। সেই দেশ নেদেখাকৈয়ে মিছা কথা কোৱাত লাজো বোধ নকৰিলে।

জমুত্তৰা উতাউ। ইগেগ সিংহাসণাউ অইপুব্বং।
চউ সু বিতাসু নি আসণ দিসিভবজিণ মজ্জণং হোঈ॥

প্রকৰণ ৰত্নাকৰ ভাঃ লঘুক্ষেত্র সমাঃ ৪। সূঃ ১১৯॥

সেই শিলাৰ ঠিক উত্তৰ আৰু দক্ষিণ দিশত একোখনকৈ সিংহাসন আছে। দক্ষিণ দিশত অতি পাণ্ডু কম্বলা, উত্তৰ দিশত অতিৰিক্ত কম্বলা নামৰ শিলা অৱস্থিত। এইবোৰ সিংহাসনত তীর্থঙ্কৰসকলে উপবেশন কৰে।

সমীক্ষক—জৈন তীর্থঙ্কৰসকলৰ জন্মোৎসৱ আদি অনুষ্ঠানৰ কাৰণে ব্যৱহাৰ হোৱা শিলাখণ্ড চাঁক! জৈনৰ মুক্তিধাম সিদ্ধ শিলাও এনেকুৱা। জৈনৰ গ্রন্থবোৰত এনেকুৱাই অনেক কথাৰ গোলমাল। কিমান বর্ণনা কৰিম? যাহক, জল ছেকি পান কৰা, ক্ষুদ্র প্রাণীৰ প্রতি নাম মাত্র দয়া কৰা আৰু ৰাতি আহাৰ নকৰা, এই তিনিটা ভাল কথাৰ বাহিৰে বাকী সকলোবোৰ কথা অসম্ভৱ।

ইমানলৈকে যিমান খিনি লিখা হল তাৰ পৰাই সুধীসকলে সকলো বুজি পাব। এইখিনি উদাহৰণ হিচাবেহে লিখা হল। জৈনৰ সকলো অসম্ভৱ কথা লিখিলৈ হলে এখন বিশাল গ্রন্থ হব. যাক গোটেই

জীৱন পঢ়িও শেষ কৰিব পৰা নহব। এচক ভাতৰ পৰা এটা পিটিকি চালেই যেনেকৈ গোটেই চক ভাতৰ বিষয়ে জনা যায়, সেইদৰে সুধীসকলে এই সামান্য উদাহৰণৰ পৰাই অনেক বিষয় বুজিব পাৰিব সুধীসকলৰ কাৰণে বিস্তৃত বিৱৰণৰ প্রয়োজন নকৰে, কাৰণ ভেওঁলোকে দিগ্দর্শনৰ দৰে অলপ দেখিও সম্পূর্ণ অভিপ্রায় অবগত হয়।

ইয়াৰ পাছত খ্রীষ্টিয়ান মতৰ বিষয়ে লিখা হব।

ইতি শ্রীমদ্দয়ানন্দ সৰস্বতী—স্বামিনির্ম্মিতে সত্যার্থ প্রকাশে সুভাষাবিভূষিতে নাস্তিকমতান্তর্গত চার্বাকবৌদ্ধ জৈনমতখণ্ডনমণ্ডন বিষয়ে দ্বাদশঃ সমুল্লাসঃ সম্পূর্ণঃ ॥১২॥

অনুভূমিকা (৩)

বাইবেলৰ মত কেৱল খ্রীষ্টীয়ানৰেই নহয়; ইহুদী আদিবো বাইবেলৰেই মত। এই ত্রয়োদশ সমুল্লাসত খ্রীষ্টীয়ান মতৰ বিষয়ে লিখা হৈছে। আজি কালি বাইবেলৰ মত বুলিলে মুখ্যতঃ খ্রীষ্টীয়ানকেই বুজায়, ইহুদী আদি গৌণ। মুখ্যৰ উল্লেখ কৰিলে গৌণও তাৰ ভিতৰত পৰে। গতিকে বুজিব লাগিব যে, ইহুদী আদিও ইয়াৰ অন্তর্ভুক্ত। এই সমুল্লাসত কেৱল বাইবেল অৱলম্বন কৰিয়েই তেওঁলোকৰ বিষয়ে লিখা হৈছে। কাৰণ খ্রীষ্টীয়ান আৰু ইহুদী আদি সকলোৱেই বাইবেলৰ কথা বিশ্বাস কৰে আৰু তেওঁলোকৰ ধর্ম্মৰ মূল কাৰণ বুলি মানে। কেইজনমান খ্রীষ্টীয়ান ধর্ম্ম-যাজকে বিভিন্ন ভাষাত বাইবেলৰ অনুবাদ প্রকাশ কৰিছে। ইয়াৰ ভিতৰত দেবনাগেৰী আখৰত লিখিত সংস্কৃত অনুবাদ পঢ়ি বাইবেলৰ বিষয়ে মোৰ মনত যিবোৰ সংশয় উৎপন্ন হৈছে, সেইবোৰৰেই মাত্র কেইটামান সর্ব্ব-সাধাৰণৰ বিবেচনাৰ অর্থে এই ত্রয়োদশ সমুল্লাসত লিখা হৈছে। সত্যৰ প্রচাৰ আৰু অসত্যক ত্যাগ কৰাই ইয়াৰ উদ্দেশ্য। কাৰোবাক দুখ দিয়া, অনিষ্ট কৰা বা অযথা দোষাৰোপ কৰাৰ অভিপ্রায় আমাৰ নাই। বাইবেলৰ মতৰ বিষয়ে প্রশ্নোত্তৰ প্রসঙ্গত সকলোৱে এই কথা বুজিব পাৰিব। মোৰ লিখাৰ অভিপ্রায় হৈছে যাতে মানুহ মাত্রেই দেখি, শুনি, পঢ়ি পক্ষ প্রতিপক্ষৰ দৃষ্টিৰে খ্রীষ্টীয়ান মতৰ যথার্থ আলোচনা কৰিব পাৰে। ইয়াৰ প্রয়োজন এই যে, মানুহৰ ধর্ম্মবিষয়ৰ জ্ঞান বাঢ়িব, মতৰ সত্য অসত্য বুজিব পাৰিব, কর্ত্তব্য-অকর্ত্তব্যৰ বোধ হব, সত্য আৰু কর্ত্তব্যৰ প্রতি প্রবৃত্তি হব আৰু অসত্যক তথা অকর্ত্তব্যক পৰিত্যাগ কৰাটো সহজ সাধ্য হব।

সকলো মানুহেই প্রচলিত মতবাদৰ গ্রন্থবোৰ পঢ়ি নিজৰ নিজৰ বিবেচনাৰে অভিমত প্রকাশ কৰা কর্ত্তব্য; নেয়ে নহলে কেৱল পঢ়ি পণ্ডিত আৰু শুনি বহুশ্রুত হোৱাহে হব। পঢ়া-শুনা কৰি আনক বুজাৰ নোৱা-বিলেও নিজে বুজিব পৰা হয়। যি পক্ষপাতৰ ধ্বজা ধৰি থাকে, সি নিজৰ বা আনৰ গুণ বা দোষ বুজিব নোৱাৰে।

পঢ়ি-শুনি মানুহৰ অন্তৰাত্মাই যথাযোগ্য সত্য-অসত্যৰ বিবেচনা কৰিব পাৰে। পৰস্পৰৰ মতবাদ জানিলে বাদ-প্রতিবাদেৰে সত্য-অসত্যৰ বিবেচনা কৰিব পাৰে, কিন্তু যিসকলে পৰস্পৰৰ মত নাজানে তেওঁলোক ভ্রমত পৰে। এই অভিপ্রায়েৰেই সকলো প্রচলিত মতৰ বিষয়ে সংক্ষেপকৈ আলোচনা কৰা হৈছে। ইয়াৰ পৰাই বাকী সকলো বিষয়ৰ সত্য-অসত্যৰ অনুমান কৰিব পাৰিব। সত্য সকলোৰে কাৰণে সত্য আৰু সর্ব্বমান্য। কেৱল অসত্য বিষয়ত বা সত্য আৰু অসত্যৰ ভিতৰতহে বাদ-বিবাদ হয়। বাদী আৰু প্রতিবাদীয়ে যদি সত্য আৰু অসত্যৰ নির্ণয়ৰ কাৰণে বাদ-প্রতিবাদ কৰে—তেনেহলে তাৰ নির্ণয় হব পাৰে। সুধীসকলৰ বিবেচনাৰ কাৰণে এই ত্রয়োদশ সমুল্লাসত খ্রীষ্টীয়ান মত সংক্ষেপে উত্থাপন কৰা হ'ল।

অলমতিলেখেন বিচক্ষণবরেষু।

অথ ত্রয়োদশ সমুল্লাসারম্ভঃ

অথ কৃশ্চানমতবিষয়ং সমীক্ষিষ্যামঃ ॥

এতিয়া খ্রীষ্টীয়ান মতব বিষয়ে লিখা হৈছে। এই আলোচনাব পবাই খ্রীষ্টীয়ান মত কিমান দূব নিদোষ বা বাইবেল স্বয়ং ঈশ্বৰ কথিত হয় নে নহয় সকলোরে বিবেচনা কবিব পাবিব। প্রথমতে প্রাচীন বাইবেলব বিষয়ে আলোচনা কবা হৈছে :—

১—আৰম্ভতে ঈশ্বৰে আকাশ আৰু পৃথিৱী সৃষ্টি কৰে। পৃথিবী আকৃতিহীন শূন্য আছিল আৰু অন্ধকাৰ জলধিব ওপৰত ঈশ্বৰব আত্মা ভাসমান হৈ আছিল ॥ পৰ্ব্ব ১। আয়ঃ ১-২ ॥

সমীক্ষক—আৰম্ভ কাল কাক বোলে?

খ্রীষ্টীয়ান—সৃষ্টিব প্রথম উৎপত্তিক।

সমীক্ষক—সৃষ্টি এইবাবেই প্রথম হল নেকি? ইয়াব আগতে কেতিয়াও হোৱা নাছিল নেকি?

খ্রীষ্টীয়ান—আগতে আৰু সৃষ্টি হৈছিল নে নাই আমি নাজানো, ঈশ্বৰেহে জানে।

সমীক্ষক—যদি নেজানেই তেনেহলে এই গ্রন্থখন বিশ্বাস কবিলে কেনেকৈ? যাব দ্বাবাই সংশয় দূব নহয় সেই গ্রন্থক ভবষা কবি, সংশয় থকা এটা মতব উপদেশ দি জনসাধাবণক কিয় অনর্থক ভ্রমত পেলাইছে? কোনো সংশয়হীন বৈদিক মত নেমানে কিয়? আপোনালোকে যেতিয়া ঈশ্বৰব সৃষ্টি তত্ত্ব নেজানে ঈশ্বৰক কেনেকৈ জানিব? আকাশ মানে কি বুজায়?

খ্রীষ্টীয়ান—ওপৰব শূন্য বা খালি ঠাইখিনিক।

সমীক্ষক—শূন্যব উৎপত্তি কেনেকৈ হ'ল? কাবণ শূন্য বিভু আৰু অতি সূক্ষ্ম পদার্থ, যাব তলে ওপবে একে স্বৰূপ। আকাশ সৃষ্টি কবাব আগতে শূন্য আৰু আকাশ আছিল নে নাই? যদি নাছিল তেনেহলে ঈশ্বৰ, জগতব কাবণ আৰু জীব কত আছিল? আকাশ নহলে কোনো পদাৰ্থই থাকিব নোৱাবে। গতিকে বাইবেলব কথন যুক্তি সঙ্গত নহয়। ঈশ্বৰব জ্ঞান আৰু কৰ্ম্ম নীতিবদ্ধ হয় নে নহয়?

খ্রীষ্টীয়ান—নীতি বদ্ধ।

সমীক্ষক—তেনেহলে ঈশ্বৰব সৃষ্ট পৃথিবী নিশ্চিত আকাবহীন বুলি লিখা হল কিয়?

খ্রীষ্টীয়ান—নিশ্চিত আকাবহীন মানে, ওখ চাপব আছিল, সমান নাছিল।

সমীক্ষক—পাছত সমান কবিলে কোনে? এতিয়া বাক পৃথিবীখন ওখ চাপব বা অসমান নহয় নেকি? ঈশ্বৰ কৰ্ম্ম নীতিহীন হব নোৱাবে; কাবণ ঈশ্বৰ সৰ্ব্বজ্ঞ। ঈশ্বৰব কৰ্ম্মত কোনো ভুল ভ্রান্তি হব নোৱাবে। বাইবেলত ঈশ্বৰব সৃষ্টি অনিশ্চিত স্বৰূপব বুলি লিখিছে, গতিকেই বাইবেল ঈশ্বৰব বাণী হব নোৱাবে। কওক চোন, ঈশ্বৰব আত্মা কি?

খ্রীষ্টীয়ান—চেতন।

সমীক্ষক—সেই চেতন আত্মা সাকাব নে নিৰাকাব? ব্যাপক নে একদেশী?

খ্রীষ্টীয়ান—নিৰাকাব চেতন আৰু ব্যাপক। কিন্তু "সেনাই" নামব কোনো পর্ব্বত আৰু চতুর্থ আকাশ আদি স্থানত বিশেষকৈ থাকে।

সমীক্ষক—ঈশ্বৰ যদি নিৰাকাবেই তেনেহলে দেখিলে কোনে? যি ব্যাপক, সি জলব ওপবত ওপ্তাঁ থাকিব নোৱাবে। বাক, ঈশ্বৰব

আত্মা যেতিয়া জলৰ ওপৰত ওপঙি ফুৰিছিল, তেতিয়া ঈশ্বৰ কত আছিল ? ইয়াৰ পৰা এয়েই প্রতীত হয় যে, ঈশ্বৰৰ দেহ অন্য ঠাইত আছিল নাইবা ঈশ্বৰৰ আত্মাৰ অংশ বিশেষক পানীত ওপোঙাইছিলে বোধ হয়। এনেকুৱা হলে, ঈশ্বৰ বিভু আৰু সৰ্ব্বজ্ঞ কেতিয়াও হব নোৱাৰে আৰু বিভু নহলে জগতৰ সৃষ্টি, প্রলয়, ধাৰণ, পোষণ আৰু জীৱৰ কৰ্ম্মৰ ব্যৱস্থা কৰিব নোৱাৰে। কাৰণ, যি পদার্থৰ স্বৰূপ একদেশী, সেই পদার্থৰ গুণ, কৰ্ম্ম, স্বভাৱো একদেশী হয়, এনেকুৱা পদার্থ ঈশ্বৰ হব নোৱাৰে। ঈশ্বৰ সর্ব্বব্যাপক, অনন্ত গুণ, কৰ্ম্ম স্বভাৱযুক্ত, সচ্চিদানন্দ স্বৰূপ, নিত্য, শুদ্ধ, বুদ্ধ, মুক্তস্বভাৱ, অনাদি অনন্ত আদি লক্ষণযুক্ত বুলি বেদে কৈছে। এই মত মানিলেহে কল্যাণ হব পাবে; ইয়াৰ বাহিৰে উপায়ান্তৰ নাই। ১ ॥

২—পাছত ঈশ্বৰে কলে—'পোহৰ হওক' তেতিয়া পোহৰৰ সৃষ্টি হ'ল। তেতিয়া পোহৰ দেখি ঈশ্বৰৰ প্রসন্নতা হ'ল।

পৰ্ব্ব ১। আঃ ৩। ৪॥

সমীক্ষক—প্রকাশ বা পোহৰ জড় পদার্থ; সিও ঈশ্বৰৰ কথা শুনিলেনে ? যদি শুনিলে তেনেহলে সূর্য্য, প্রদীপ আৰু অগ্নিৰ প্রকাশে আমাৰ বা আপোনালোকৰ কথা শুশুনে কিয় ? প্রকাশ জড়, জড় পদার্থই কাৰো কথা কেতিয়াও শুনিব নোৱাৰে। ঈশ্বৰে প্রকাশ দেখাৰ পাছতহে প্রকাশ ভাল বুলি জানিব পাৰিলে নেকি ? তাৰ আগতে প্রকাশ ভাল বুলি নেজানিছিল নেকি ? যদি জানিছিল তেনেহলে দেখাৰ পাছতহে ভাল বুলি কিয় কলে ? যদি জানা নাছিল তেনেহলে ঈশ্বৰ নহয়। গতিকে বাইবেল ঈশ্বৰৰ বাণী নহয় আৰু বাইবেলে যি বর্ণনা দিছে সেই ঈশ্বৰ সর্ব্বজ্ঞ নহয় ॥ ২ ॥

৩—তাৰ পাছত ঈশ্বৰে কলে—জলৰ মাজত শূন্য আকাশ হওক আৰু জল দুভাগত বিভক্ত হওক। ঈশ্বৰে এইদৰে দুভাগ

কৰাত ওপৰৰ ভাগ জলৰ পৰা তলৰ ভাগ জল পৃথক হল। ঈশ্বৰে আকাশৰ নাম স্বর্গ ৰাখিলে, সন্ধ্যা আৰু প্রাতঃকালৰ পৰা দ্বিতীয় দিন হল। পৰ্ব্ব ১। আঃ ৬—৮ ॥

সমীক্ষক—আকাশ আৰু জলেও ঈশ্বৰৰ কথা বা আদেশ শুনিলে নেকি ? জলৰ মাজত আকাশ নেথাকিলে জল থাকে কত ? প্রথম আয়তত অর্থাৎ সৰ্ব্ব প্রথম আকাশৰ সৃষ্টি কৰিলে, আকৌ দ্বিতীয় বাৰ আকাশ সৃষ্টিৰ কথা নিৰর্থক হয়। আকাশকেই স্বর্গ বুলিছে যেতিয়া, আকাশ সৰ্ব্বব্যাপক, গতিকে সকলোৱে স্বর্গ, তেনেহলে ওপৰক স্বর্গ বোলা অর্থহীন। সূর্য্য সৃষ্টি হোৱাৰ আগতেই দিন ৰাতি কেনেকৈ হল ? ইয়াৰ পাছৰ বাইবেলৰ বাণীবোৰত এনেকুৱা অসম্ভৱ কথাবেই ভৰা ॥ ৩ ॥

৪—তাৰ পাছত ঈশ্বৰে কলে, মই আদমক মোৰ নিজৰ স্বৰূপত আৰু মোৰ সাদৃশ্যত সৃষ্টি কৰিম; তাৰ পাছত সেই দৰে আদমক সৃষ্টি কৰিলে; ঈশ্বৰৰ প্রতিমূর্ত্তিতেই আদমক সৃষ্টি কৰিলে; পুৰুষ আৰু স্ত্রী কৰি সিহঁতক সৃষ্টি কৰিলে। তাৰ পাছত ঈশ্বৰে সিহঁতক আশীর্ব্বাদ দিলে। পৰ্ব্ব ১। আঃ ২৬।২৭।২৮।

সমীক্ষক—যদি আদমক ঈশ্বৰে নিজৰ স্বৰূপত সৃষ্টি কৰিলে তেনেহলে ঈশ্বৰৰ যেনেকুৱা পৰিত্র, সৰ্ব্বজ্ঞ, আনন্দময় আদি স্বৰূপযুক্ত সদ্‌গুণ আছে, আদমৰ তেনেকুৱা নহল কিয় ? আদমৰ তেনে গুণ নাই যদি, ঈশ্বৰৰ স্বৰূপত সৃষ্টি কৰা নাই আৰু যদি আদমক সেই মতে উৎপত্তি কৰিলে তেনেহলে ঈশ্বৰে নিজৰ স্বৰূপকেই উৎপত্তি শীল কৰিলে; সেয়ে হলে ঈশ্বৰ অনিত্য নহব নে ? আৰু আদমকেই বা উৎপত্তি ক'ৰ পৰা কৰিলে ?

খ্রীষ্টীয়ান—মাটিৰে সৃষ্টি কৰিলে।

সমীক্ষক—মাটি কিহব পৰা কৰিলে ?

খ্ৰীষ্টীয়ান—ঈশ্বৰৰ স্বাভাৱিক শক্তি সামৰ্থ্যেৰে

সমীক্ষক—ঈশ্বৰৰ সামৰ্থ্য অনাদি নে নতুন ?

খ্ৰীষ্টীয়ান—অনাদি।

সমীক্ষক—অনাদি হলে জগতৰ কাৰণো সনাতন, তেনেহলে অভাৱৰ পৰা ভাৱ (অৰ্থাৎ নোহোৱাৰ পৰা হোৱা) বুলি মানে কিহ ?

খ্ৰীষ্টীয়ান—সৃষ্টিৰ আগতে ঈশ্বৰৰ বাহিৰে আন একো নাছিল।

সমীক্ষক—তেনেহলে এই জগত ক'ৰ পৰা উৎপত্তি হল ? আৰু ঈশ্বৰৰ সামৰ্থ্য দ্ৰব্য নে গুণ ? যদি দ্ৰব্য হয়, তেনেহলে সৃষ্টিৰ পূৰ্ব্বে ঈশ্বৰৰ বাহিৰে দ্ৰব্যও আছিল। যদি গুণ হয়, তেনেহলে গুণৰ পৰা দ্ৰব্য সৃষ্টি হব নোৱাৰে। যেনেকৈ ৰূপৰ পৰা অগ্নি আৰু ৰসৰ পৰা জল হব নোৱাৰে। ঈশ্বৰৰ পৰাই জগতৰ উৎপত্তি হোৱা হলে জগতৰ গুণ কৰ্ম্ম স্বভাৱো ঈশ্বৰৰ দৰেই হলহেঁতেন। ঈশ্বৰৰ গুণ-কৰ্ম্ম স্বভাৱৰ দৰে নহলে ঈশ্বৰৰ পৰা জগত হোৱা নাই, গতিকে এই কথা নিশ্চিত যে, জগতৰ কাৰণ জড় পৰমাণু। জগতৰ উৎপত্তি যেনেকৈ হল আৰু যিহৰ পৰা ঈশ্বৰে জগতৰ সৃষ্টি কৰিলে এই বিষয়ে বেদাদি শাস্ত্ৰত যি লিখা আছে তাক জনা আৰু মনাটোৱেই কৰ্ত্তব্য। যদি আদমৰ ভিতৰৰ স্বৰূপ জীৱ আৰু বাহিৰ স্বৰূপ মনুষ্যৰ দৰে হয়, তেনেহলে আদমৰ স্বৰূপ ঈশ্বৰৰ দৰে নহল কিয় ? আদম ঈশ্বৰৰ সদৃশ হলে ঈশ্বৰো আদমৰ দৰে অদৃশ্য হব লাগিব ॥৪॥

৫—আৰু প্ৰভু ঈশ্বৰে মাটিৰ ধূলিৰে আদমৰ মানৱ দেহ নিৰ্ম্মাণ কৰিলে, সেই দেহৰ নাকৰ বিন্ধাই দি বায়ু সুমুৱাই দি জীৱনৰ প্ৰাণ বায়ু দিলে, তেতিয়া আদম প্ৰাণী হল। আৰু প্ৰভু ঈশ্বৰে পূৱফালে স্বৰ্গত এখন বাৰী সৃষ্টি কৰিলে আৰু সেই বাৰীত **তেওঁ** সৃষ্টি কৰা আদমক ৰাখিলে। সেই উদ্যানৰ মাজত প্ৰভু

ঈশ্বৰে ভূমিৰ পৰা জীৱন বৃক্ষ উৎপন্ন কৰিলে আৰু সৎ অসতৰ জ্ঞান বৃক্ষ সৃষ্টি কৰিলে। পৰ্ব্ব ২। আঃ ৭।৮।৯॥

সমীক্ষক—যেতিয়া ঈশ্বৰে স্বৰ্গত বাৰী সৃষ্টি কৰি তাত আদমক ৰাখিলে তেতিয়া ঈশ্বৰে জনা নাছিল নেকি যে আৰো আদমক তাৰ পৰা বাহিৰ কৰিব লাগিব ? আদমক যেতিয়া ধূলিৰেই সৃষ্টি কৰিলে আদমক ঈশ্বৰৰ সাদৃশ্য কৰি নিৰ্ম্মাণ কৰা নাই। যদি ঈশ্বৰৰ দৰেই সৃষ্টি কৰিলে, তেনেহলে ঈশ্বৰো ধূলিৰেই সৃষ্টি হৈছে। ঈশ্বৰে যে আদমৰ নাসিকা ৰন্ধ্ৰেৰে দি প্ৰাণ বায়ু নিঃশ্বাসিত কৰিলে, সেই প্ৰাণ বায়ু ঈশ্বৰৰ স্বৰূপ নে অন্য কিবা ? যদি অন্য কিবা বুলি কয়—তেনেহলে ঈশ্বৰৰ স্বৰূপত সৃষ্টি কৰা নাই। যদি সেই প্ৰাণবায়ু ঈশ্বৰৰ স্বৰূপ, তেনেহলে ঈশ্বৰ আৰু আদম পৰস্পৰৰ স্বৰূপ একে। তেনেহলে ঈশ্বৰতো আদমৰ দৰেই জন্ম মৃত্যু, বৃদ্ধি, জৰা আৰু ভোক-পিয়াহ আদি দোষ আছে। এনেকুৱা হলে ঈশ্বৰ কেনেকৈ হ'ব ? গতিকে প্ৰাচীন বাইবেলৰ এই বিৱৰণবোৰ সচাঁ যেন নেলাগে আৰু বাইবেলো ঈশ্বৰৰ কথা হব নোৱাৰে ॥৫॥

৬। তাৰ পাছত প্ৰভু ঈশ্বৰে আদমক ঘোৰ নিদ্ৰাত মগ্ন কৰিলে আৰু আদম নিদ্ৰাত মগ্ন হল। তেতিয়া ঈশ্বৰে আদমৰ বুকুৰ বাওঁফালৰ পৰা এডাল কামিহাড় উলিয়াই লৈ সেইখিনি মাংসৰে পূৰ্ণ কৰি দিলে। প্ৰভু ঈশ্বৰে আদমৰ সেই হাড় বা অস্থিৰ পৰাই এক স্ত্ৰী সৃষ্টি কৰি নাম দিলে ঈভ আৰু সেই স্ত্ৰীক আদমৰ ওচৰলৈ আনিলে। পৰ্ব্ব ২। আঃ ২১।২২॥

সমীক্ষক—পৰমেশ্বৰে যদি আদমক ধূলিৰেই সৃষ্টি কৰিলে তেনেহলে আদমৰ স্ত্ৰীকো ধূলিৰেই সৃষ্টি নকৰিলে কিয় ? বা আদমৰ স্ত্ৰীক যে অস্থিৰে সৃষ্টি কৰিলে আদমকো সেইদৰেই অস্থিৰে সৃষ্টি নকৰিলে কিয় ? যেনেকৈ নৱৰ পৰা নাৰী সৃষ্টি হোৱাৰ কাৰণে নাৰী নাম হল, সেই

দবেই নাবীব পবা নব নাম হোৱা উচিত। পতি-পত্নীব ভিতবত পবস্পব প্রেম বাসনা বাঞ্ছনীয়। এতিয়া বিবেচনা কবক সুধীসকল! ঈশ্ববব পদার্থ বিদ্যাব জ্ঞান "ফিলছফি" কেনেকুৱা অদ্ভুত প্রতীত হৈছে। ঈশ্বৰে যদি আদমব এডাল হাড় লৈ তাবে নাবী সৃষ্টি কবিলে তেনেহলে সকলো মানুহব এডালকৈ তেনেকুৱা হাড় কম নেথাকে কিয়? স্ত্রীব দেহ যদি এডাল হাড়েবেই সৃষ্টি কবা হৈছে, তেনেহলে নাবীব মাত্র এডাল হাড়হে থাকিব লাগে। যি উপাদানেবে জগৎ সৃষ্টি হল, সেই একেই উপাদানেবে নাবী সৃষ্টি হব নোৱাবিলেহেঁতেন নেকি? গতিকে বাইবেলত বর্ণিত ঈশ্বব ক্রম সৃষ্টি বিদ্যাব বিপবীত।

৭— প্রভু ঈশ্ববব সৃষ্ট ভূচব প্রাণীব ভিতবত সর্প সকলোতকৈ ক্রূব। সর্পই সেই স্ত্রীক কলে "ঈশ্বৰে নিশ্চয় তোমালোকক এই বাবীব আটাইবোব গছব ফল খাবলৈ কোৱা নাই"। সেই নাবীয়ে কলে—"আমি এই বাবীব ফল খাইছো, কেৱল উদ্যানব মাজত যিডাল গছ আছে, সেই ডালব বিষয়ে ঈশ্ববে আমাক খাবলৈ মনা কবিছে, চুবলৈও মনা কবিছে আৰু নহলে মবিব লাগিব বুলি কৈছে"। সর্পই স্ত্রীক কলে—"তোমালোক কেতিয়াও নমবা। ঈশ্ববে জানে যে, যিদিনা তোমালোকে সেই বৃক্ষব ফল খাবা, সেইদিনাব পবাই তোমালোকব চকু মুকলি হব, (বুজিব পাবিবা)। ভাল বেয়াব অনুভব হলে ঈশ্ববব সমান হৈ পবিবা"। সেই নাবীয়ে যেতিয়া বুজিলে যে, এই বৃক্ষব ফল সোৱাদ, দেখাত লোভনীয় আৰু জ্ঞান দায়ব, তেতিয়া সেই গছব ফল নি নিজে খালে আৰু পতিকো খুৱালে। তেতিয়া দুয়ো বুজিব পাবিলে যে, সিহঁত উলঙ্গ। তেতিয়া সিহঁতে গছব পাত নি চিলাই কবি নিজব নিজব লজ্জা নিবাবণব বাবে আৱৰণ কবি পিন্ধিলে। তেতিয়া প্রভু ঈশ্বৰে সাপক কলে "তুমি এই কাম কবিলা; তাব বাবে গাঁৱবাসী আৰু বনবাসী সকলো প্রাণীব ভিতবত তুমিয়েই বেছি অভিশপ্ত হবা, বুকুবে চুচপি ফুবিবা আৰু আজীৱন মাটি খাবা। তোমাব আৰু নাবীব ভিতবত আৰু নাবীব আৰু

তোমাব বংশত পবস্পবব বিৰুদ্ধে শত্রুতা উৎপন্ন কবিম। সিহঁতে তোমাব মূৰ ভাঙিব আৰু তুমি সিহঁতব ভবিত দংশন কবিবা"। তাব পাছত ঈশ্ববে নাবীক কলে—"মই তোমাব গর্ভবেদনা বৃদ্ধি কবিম, তুমি বেদনা ভুগি সন্তান প্রসব কবিবা, পতিব প্রতি তোমাব বাসনা হব আৰু পতিব তোমাব ওপবত প্রভুত্ব থাকিব"। ঈশ্ববে আদমক কলে—"মই যি গছব ফল খাবলৈ হাক দিছিলো তোমাব স্ত্রীব কথা শুনি সেই গছব ফল খালা, এই কাবণে ভূমি তোমাব বাবে অভিশপ্ত হব, আজীবন ক্লেশ ভুগিব লাগিব, তোমাব বাবে ভূমিত কাঁইটব সৃষ্টি হব আৰু তুমি ক্ষেত্রব শাক পাত খাব লাগিব। তৌবেত উৎপত্তি পর্ব্ব ৩। আঃ ১-৭, ১৪-১৮॥

সমীক্ষক—খ্রীষ্টীয়ান সকলব ঈশ্বব যদি হয়, এই ক্রূব সর্প অর্থাৎ চয়তানক সৃষ্টি কবিলে কিয়? যদি ঈশ্ববেই চয়তানক সৃষ্টি কবিলে তেনেহলে সেই ঈশ্ববেই অপবাধব ভাগী; কাবণ চয়তানক দুষ্ট ৰূপে সৃষ্টি নকবা হলে সি দুষ্টামিও নকবিলেহেঁতেন। আৰু পূর্ব্বজন্মও যদি নেমানে তেনেহলে বিনা অপবাধত তাক দুষ্ট বা পাপী কিয় কবিলে? আচলতে সেইটো সর্প নাছিল, মানুহহে আছিল; কাবণ মানুহ নোহোৱা হলে মানুহব ভাষা কেনেকৈ কৈছিল? যি মিথ্যাবাদী আৰু আনকো অসত্য পথত পবিচালিত কবে তাকহে চয়তান বোলা উচিত। এই ক্ষেত্রত দেখা যায় চয়তানহে সত্যবাদী; যিহেতু সেই স্ত্রীক প্রতাবণা নকবি সত্য কথা কৈছিল। ইয়াব বিপবীতে ঈশ্ববে আদম আৰু আদমব পত্নী হাব্বাক (ইভ) মিছা কথা কৈছিল "এই বৃক্ষব ফল খালে তোমালোকব মৃত্যু হব"। যি গছব ফল জ্ঞান আৰু অমবত্ব দায়ক, ঈশ্ববে সেই ফল খাবলৈ মানা কবিছিল কিয়? ইয়াব দ্বাবাই প্রতীত হয় যে, ঈশ্বব মিথ্যাবাদী আৰু প্রতাবক। যি বৃক্ষব ফল মানুহব কাবণে জ্ঞান আৰু সুখদায়ক, অজ্ঞান আৰু মৃত্যুজনক নহয়, তাক যদি ঈশ্ববে খাবলৈ নিষেধ কবিছিল তেনেহলে সেই গছ আৰু ফলব সৃষ্টিয়েই বা কাবিছিল কিয়? ঈশ্ববে যদি সেই ফল নিজব কাবণেই সৃষ্টি কবিছিল

তেনেহলে তেওঁ অজ্ঞান আৰু মৰণশীল নেকি? যদি আনৰ কাৰণে সৃষ্টি কৰিছিল, তেনেহলে সেই ফল ভোগ কৰাত কোনো অপৰাধ হোৱা নাই। আজি কালি জ্ঞানদায়ক আৰু মৃত্যু নিবাৰক কোনো বৃক্ষ দেখিবলৈ পোৱা নাযায়। সেই বৃক্ষৰ বীজ ঈশ্বৰে একেবাৰেই নষ্ট কৰি পেলালে নেকি? যি সকলে এনে কাম কৰে তেওঁলোক ভণ্ড আৰু কপটাচাৰী। সেইদৰেই ঈশ্বৰকো ভণ্ড আৰু কপটাচাৰী বোলা নহব কিয়? ইয়াৰ উপৰিও ঈশ্বৰে বিনা অপৰাধত জ্ঞানী জনক অভিশাপ দিলে। ইয়াৰপৰা তেওঁ অন্যায়কাৰী হৈছে। এই অভিশাপ ঈশ্বৰৰ ওপৰতহে হোৱা উচিত। যিহেতু তেওঁ মিছা কথা কৈ সিহঁতক বিভ্রান্ত কৰিছিল। কেনেকুৱা দৰ্শন (ফিলচফি) ভাৰি চক। বিনা ক্লেশে গৰ্ভ-ধাৰণ আৰু সন্তান প্রসৱ সম্ভৱ নে? কোনোৱে বিনা পৰিশ্রমে জীৱিকা অৰ্জ্জন কৰিব পাৰেনে? পূৰ্বে কাঁইটিয়া গছ নাছিল নেকি? ঈশ্বৰৰ আদেশ মতে শাক পাত ভোজন কৰাই কৰ্ত্তব্য; সেয়েই যদি হয়, বাইবেলৰ উত্তৰাংশত যে মাংস ভোজনৰ কথা লিখা আছে, সেই-বোৰ মিছা নহব কিয়? পূৰ্ব্বোক্ত বাক্য সত্য হলে শেষোক্ত বাক্য মিছা। আদমৰ কোনো অপৰাধেই প্রমাণ হোৱা নাই; তেনেহলে খ্রীষ্টীয়ানসকলে মানুহ মাত্রকেই আদমৰ সন্তান বুলি অপৰাধী বোলে কিয়? বাৰু, জ্ঞানীসকলে এনেকুৱা গ্রন্থ আৰু এনেকুৱা ঈশ্বৰ মানিবলগীয়া বুলি ভাবিব পাৰেনে? ৭॥

৮ আৰু প্রভু ঈশ্বৰে কলে, "চোৱাচোন, সজ-জ্ঞান পাবৰ কাৰণে আদম মোৰ সমান হল, হয়তো বি এদিন হাত মেলি জীৱন বৃক্ষৰ ফলো ছিঙি খাই অমৰ হব পাৰে"। সেই কাৰণে প্রভু ঈশ্বৰে তাক স্বৰ্গৰ উদ্যানৰ পৰা বাহিৰ কৰি দিলে আৰু জীৱনবৃক্ষৰ পথ ৰক্ষা কৰিবৰ কাৰণে স্বৰ্গ উদ্যানৰ পূৱপিনে কোৱোবীমবোৱক আৰু চাৰিওফালে ঘূৰ্ণীয়-মান উজ্জ্বল খড়্গ ৰাখিলে॥ পৰ্ব্ব ৩। আঃ ২২। ২৪॥

সমীক্ষক— আদম জ্ঞানত তেওঁৰ তুল্য হৈ উঠিল—এই ভাবি ঈশ্বৰৰ ঈর্ষ্যা আৰু ভ্রম হ'ল কিয়? সমতুল্য হলেই বা, তাত নো কি অন্যায় হব? এনেকুৱা সংশয় হল বা কিয়? কোনো কেতিয়াও ঈশ্বৰৰ সমান হব নোৱাৰে। এনেবোৰ অসঙ্গত কথা লেখাৰ পৰা প্রমাণ হয় যে, তেওঁ প্রকৃত ঈশ্বৰ নাছিল· কোনো মানুহবিশেষহে আছিল। সমস্ত বাইবেলতেই মানুহৰ দৰেই ঈশ্বৰৰ বর্ণনা দেখা যায়। এতিয়া চ'ক! আদমৰ জ্ঞান বৃদ্ধি হোৱাত ঈশ্বৰ বৰ দুঃখিত হল। আৰু অমৰ বৃক্ষৰ ফল খায় বুলি আদমৰ প্রতি ঈর্ষা হল। আগতে যেতিয়া আদমক—সেই উদ্যানত ৰাখিছিল, আদমক যে আকো বাহিৰ কৰিব লাগিব এই ভবিষ্যত জ্ঞান ঈশ্বৰৰ নাছিল। গতিকে খ্রীষ্টীয়ানৰ ঈশ্বৰ সর্ব্বজ্ঞও নাছিল, আৰু জিলিকি থকা খড়্গধাৰী প্রহৰী ৰখাও মানুহৰহে কাম, ঈশ্বৰৰ তেনে কাম নহয়।

কাইন আৰু এবেল (Cain and Abel)

৯। কালক্রমত কাইনে ভূমিজাত ফল প্রভু ঈশ্বৰক উপহাৰ স্বৰূপে উৎসর্গ কৰিলে। আৰু এবেলেও নিজৰ ভেড়াৰ পালৰ পৰা কেইটামান হৃষ্ট-পুষ্ট, প্রথম প্রসূত ভেড়া আনিলে। তেতিয়া প্রভু ঈশ্বৰে এবেলক আদৰ কৰি তেওঁৰ উপহাৰ গ্রহণ কৰিলে, কিন্তু কাইনক আদৰ নকৰিলে আৰু উপহাৰো গ্রহণ নকৰিলে। সেই নিমিত্তে ক্রোধত কাইনৰ মুখ বৰ বিষণ্ণ হ'ল। তেতিয়া পৰমেশ্বৰে কাইনক কলে—"তুমি কিয় কুপিত হ'লা আৰু তোমাৰ মুখ কিয় বিষণ্ণ হ'ল"? তৌঃ পৰ্ব্ব ৪। আঃ ৩-৬॥

সমীক্ষক—ঈশ্বৰ মাংসাহাৰী নোহোৱা হলে ভেড়াৰ উছর্গা গ্রহণ কৰি এবেলক আদৰ আৰু কাইন আৰু কাইনৰ ভেটী অৱজ্ঞা নকৰিলে-হেঁতেন। এইদৰে বিবাদৰ সৃষ্টি কৰি এবেলৰ মৃত্যু ঘটোৱাৰ বাবে তেওঁৰেই

দায়ী। খ্রীষ্টীয়ানসকলৰ ঈশ্বৰে এই ক্ষেত্ৰত মানুহৰ দৰেহে আচৰণ কৰিছে। উদ্যানৰ সৃষ্টি কৰা আৰু উদ্যানলৈ অহাযোৱা কৰা মানুহবহে কাম। গতিকে বুজা যায় যে, বাইবেল মনুষ্য ৰচিতহে, ঈশ্বৰ কথিত নহয় ॥৯॥

১০। পাছত প্ৰভু ঈশ্বৰে কাইনক কলে,—"তোমাৰ ভ্ৰাতৃ এবেল ক'ত"? কাইনে কলে—"মই নেজানো, মই মোৰ ভাইৰ ৰক্ষক নেকি?" তেতিয়া ঈশ্বৰে কলে—"তুমি কৰিলা কি? তোমাৰ ভায়েৰাৰ ৰক্তই মাটিৰ পৰা মোক মাতিছে"॥ তৌঃ পৰ্ব্বঃ ৪। আঃ ৯॥ ১১॥

সমীক্ষক—কাইনক সোধাৰ আগতেই ঈশ্বৰে এবেলৰ অৱস্থা জনা নাছিল নেকি? ৰক্তৰ শব্দই মাটিৰ পৰা কাৰোবাক কেতিয়াবা মাতিব পাৰে নেকি। এইবোৰ অজ্ঞৱহে কথা। গতিকে বাইবেল ঈশ্বৰ কথিততো নহয়েই, কোনো বিদ্বানৰো ৰচিত নহয় ॥১০॥

১১। মথুচেলহৰ জন্মৰ পাছত হনুক তিনি শ বছৰ ঈশ্বৰৰ লগে লগে চলাইছিল।

তৌঃ পৰ্ব্বঃ ৫। আঃ ২২॥

সমীক্ষক—খ্রীষ্টিয়ানৰ ঈশ্বৰ মানুহ নোহোৱা হলে হনুক নিজৰ লগত ৰাখি কিয় চলালেহেঁতেন। গতিকে, খ্রীষ্টিয়ানসকলে বেদোক্ত নিৰাকাৰ ঈশ্বৰৰ বিশ্বাস যদি হে কৰে, তেওঁলোকৰ কল্যাণ হব ॥১১॥

১২। আদমৰ কন্যাবোৰ সুন্দৰী দেখি ঈশ্বৰৰ পুত্ৰবোৰে নিজৰ নিজৰ পছন্দ অনুসাৰে বিয়া কৰিলে। সেই কালত পৃথিবীত দানৰ আছিল আৰু তাৰ পিছতো যেতিয়া ঈশ্বৰৰ পুত্ৰবোৰ আদমৰ কন্যাবোৰৰ লগত মিলিত হল, এওঁলোকৰ সন্তান জন্ম হল আৰু সিহঁতেই তাৰ পাছত প্ৰসিদ্ধ বীৰ হ'ল। আৰু প্ৰভু ঈশ্বৰে দেখিলে পৃথিবীত আদমৰ দুষ্টামি পৃথিবীত বেছি হল, আৰু মনৰ চিন্তা ভাৱনা দিনে দিনে কেৱল বেয়াহে হৈছে। তেতিয়া প্ৰভু ঈশ্বৰে পৃথিবীত আদমৰ সৃষ্টি কৰি অনুতাপ দুখ অনুভৱ কৰিলে। আৰু প্ৰভু ঈশ্বৰে তেতিয়া কলে—"মই মানুহক সৃষ্টি

কৰিলো, এতিয়া পৃথিবীৰ পৰা উচ্ছন্ন কৰিম, মানুহৰ লগতে পশু, সৰীসৃপ, জীৱ আৰু আকাশৰ পক্ষীবোৰো উচ্ছন্ন কৰিম, কাৰণ এইবোৰ সৃষ্টি কৰাৰ পৰা মোৰ অনুশোচনা হৈছে"। তৌঃ পঃ ৬। আঃ ১-২। ৪-৭॥

সমীক্ষক—খ্রীষ্টীয়ানসকলক প্ৰশ্ন সুধিব লাগে যে, ঈশ্বৰৰ পুত্ৰ কোন? তেওঁৰ পত্নী, শহুৰ, শাহুৰেক আদি আত্মীয় কুটুম্ব কোন কোন? মানুহৰ কন্যাবোৰৰ লগত ঈশ্বৰৰ পুত্ৰবোৰৰ বিবাহ হোৱাত ঈশ্বৰ মানুহৰ আত্মীয় হল। পুত্ৰৰ সন্তান সন্ততিবোৰ ঈশ্বৰৰ পৌত্ৰ-প্ৰপৌত্ৰ হ'ল। ঈশ্বৰৰ বিষয়ে এনেবোৰ কথা কৰ পৰা সম্ভৱ নে? ঈশ্বৰৰ কথিত গ্ৰন্থত এনেবোৰ কথা থকাটো সম্ভৱ নে? এইবোৰৰ পৰা প্ৰমাণ হয় যে, বাইবেল ৰচয়িতা বনবাসী মানুহ আছিল। যি সৰ্ব্বজ্ঞ নহয়, ভৱিষ্যতৰ কথা নেজানে, সি জীৱ। সৃষ্টি কৰোঁতে মানুহ দুষ্ট হব পাৰে বুলি জনা নাছিল। নেকি? অনুশোচনা কৰা, শোক কৰা, ভুল কাম কৰি পশ্চাত্তাপ কৰা আদি খ্রীষ্টীয়ান ঈশ্বৰৰহে লক্ষণ হব পাৰে। খ্রীষ্টীয়ানৰ ঈশ্বৰ পূৰ্ণ বিদ্বান বা যোগীও নহয়। তেনে হোৱা হলে তেওঁ শান্তি আৰু বিজ্ঞানেৰে শোক আদি অতিক্ৰম কৰিব পাৰিলেহেঁতেন। পশু পক্ষীও দুষ্ট হল। ঈশ্বৰ সৰ্ব্বজ্ঞ হোৱা হলে এনেকৈ বিষাদগ্ৰস্ত হলহেঁতেন নে? গতিকে তেওঁ যথাৰ্থ ঈশ্বৰ নহয় আৰু বাইবেলো ঈশ্বৰৰ কথিত নহয়। বেদত যি ঈশ্বৰৰ কথা কোৱা আছে, তেওঁ পাপ আৰু দুখ, শোক আদি ৰাহিত আৰু সচ্চিদানন্দ স্বৰূপ। খ্রীষ্টীয়ানসকলে যদি সেইদৰে তেনে ঈশ্বৰক বিশ্বাস কৰিলেহেতেন বা এতিয়াও কৰে- তেতিয়া হলে তেওঁলোকৰ মানৱ জন্ম সাৰ্থক হয় ॥১২॥

১৩। দীঘলে তিনিশ হাত, পথালিয়ে পঞ্চদশ হাত, ওখই ত্ৰিশ হাত এখন নাৱত তুলি, তোমাৰ পুত্ৰ, স্ত্ৰী, আৰু বোৱাৰীবোৰক লগত লৈ উঠিবা। আৰু সকলো জীৱজন্তুৰেই মতা মাইকীৰ যোৰা যোৰকৈ সিহঁতৰ প্ৰাণ ৰক্ষাৰ কাৰণে, তোমাৰ লগতে সেই নৌকাত (জাহাজত) তুলিবা, সকলোবিধৰ পক্ষী, সকলোবিধৰ পশু, আৰু সকলোবিধৰ

তুচব, সবীসৃপব মতা মাইকীব যোবা যোবাকৈ সিহঁতব প্রাণ বক্ষাব কাবণে তোমাব লগত নাবত তুলি লবা। তোমাব আক সেই প্রাণী বোবব আহাবব কাবণে সকলা প্রকাবব খাদ্য বস্তু সংগ্রহ কবি নিজব ওচবত সঞ্চয় কবিবা। সেই মতে নূহই ঈশ্ববব আজ্ঞানুসাবে সকলো কাম কবিলে॥ তৌঃ পর্বঃ ৬। আঃ ১৫। ১৮—২২॥

সমীক্ষক—কোনোবা বিদ্যা বুদ্ধি থকা মানুহে এনেকুবা বিদ্যা বিৰুদ্ধ অসম্ভব কথা কওঁতাক ঈশ্বব বুলি মানিব পাবেনে? তেনেকুবা দীঘল, বহল আক ওখ নাৰক এযোব এযোবকৈ হলেও হাতী, উট আদিব কোটি কোটি পশু পক্ষী আক সেইবোবব খাদ্য বস্তু আক লগত সকলো মিতিব কুটুম সোমাব পবাটো সম্ভব নে? গতিকে বাইবেল মনুষ্য বচিত পুস্তক আক সেই লিখকজন যথার্থ বিদ্বানো নাছিল॥ ১৩॥

১৪ আক নূহে পবমেশ্ববব কাবণে এখন থাপনা পাতিলে আক সকলোবিধ পশু আক সর্ব্ববিধ পবিত্র পক্ষীব কিছুমান নি সেই বেদীব থাপনাব ওপবত হোম কবিলে। তাব পবা প্রভু ঈশ্ববে সুগন্ধ গ্রহণ কবিলে আক মনে মনে কলে, "মই মানুহব নিমিত্তে ভূমিক আক অভিশাপ নিদিওঁ, কাবণ বাল্যকাল পর্য্যন্ত মানুহব মনব ভাব দুষ্ট। যেনেকৈ মই সকলো জীবক সংহাব কবিছো তেনেকৈ প্রাণীবোবক আক সংহাব নকবো॥ তৌঃ পর্ব্বঃ ৮। আঃ ২০।২১॥

সমীক্ষক—বেদী নির্ম্মাণ আক হোমানুষ্ঠানবপবা বুজিব লাগিব যে, বাইবেলে এইবোব বেদব পবাই লৈছে। বাক সুগন্ধ লবলৈ পবমেশ্ববব নাক আছে জনো? খ্রীষ্টীয়ান সকলব ঈশ্বব মনুষ্যব দবে অল্পজ্ঞ ৰ? ঈশ্বব কেতিয়াবা অভিশাপ দিয়ে, কেতিয়াবা অনুতাপ কবে ।া আক অভিশাপ নিদিওঁ বুলি কয়। আগতে অভিশাপ দিছিল, ত আকৌ দিব, আগতে সকলোকে বিনাশ কবিছিল, পাছত কৈছে আক কেতিয়াও বিনাশ নকবোঁ' !!! এইবোব কেবল চঞ্চল বালকবহে

কথা, ঈশ্ববব কথা বা কার্য্যতো নহয়েই, আনকি কোনো শিক্ষিত মানুহ হবো কাম নহয়; কাবণ যি শিক্ষিত, তেওঁব কথা আক প্রতিজ্ঞাও সবচব নাই॥ ১৪॥

১৫। পাছত ঈশ্বৰে নূহ আক নূহব পুত্রবোবক আশীর্ব্বাদ কবি কলে—"গমনশীল জীবিত প্রাণী মাত্রেই তোমালোকব খাদ্য হব; মই এইবোব তোমালোকক শাক পাচলি ৰূপে দিলোঁ। কিন্তু কেবল মাংসহে খাবা, জীব অর্থাৎ বক্ত সহ মাংস আহাব নকবিবা।

তৌঃ পর্ব্ব ৯। আঃ ১—৪॥

সমীক্ষক—এটা জীবব প্রাণ বিনষ্ট কবি আনক আনন্দ দিয়া খ্রীষ্টীয়ান ঈশ্ববব নির্দ্দয়তা নহয় জানো? যি মাক বাপেকে এক সন্তানক হত্যা কবি, অন্য সন্তানক খুবালে, তেওঁ পাপী নহবনে? সকলো প্রাণীয়েই ঈশ্ববব মানত সন্তান। খ্রীষ্টীয়ান সকলব ঈশ্ববব লক্ষণ তেনে নহয়; তেওঁ ব্যাধ অর্থাৎ হত্যাকাবীব দবে কর্ম্ম কবে। এইদবেই তেওঁ সকলো মানুহক হিংসুক কবিছে। গতিকে নির্দ্দয় হোবাব বাবে খ্রীষ্টীয়ান সকলব ঈশ্বব পাপী নহব কিয়? ১৫॥

১৬। সমস্ত পৃথিবীতেই এক ভাষা আক একে কথাই আছিল। আক তেওঁলোকে পবস্পবক কলে,—"আহা আমি আমাব কাবণে এখন নগব আক গগনস্পর্শী এটা উচ্চ গৃহ নির্ম্মাণ কবি আমাব নাম বিখ্যাত কবোঁ, সমস্ত পৃথিবীতেই যাতে আমি ছিন্ন ভিন্ন হৈ বিভাগ নহওঁ।" তাব পাছত আদমব সন্তানবোবে যি নগব আক উচ্চ গৃহ নির্ম্মাণ কবিছিল, তাক চাবলৈ প্রভু ঈশ্বব নামি আহিল। আক প্রভু ঈশ্বৰে তেতিয়া কলে,—"চোৱা, ইহঁত সকলো এক আক এক ভাষাভাষী। এতিয়া এইদবে কামত ইহঁত প্রবৃত্ত হৈছে যে, ইয়াব পাছত যি কবিবলৈ সংল্প কবিব, তাবপবা নিবাবিত নহব। আহা, আমি নামি গৈ তাত সিহঁতব ভাষাত গোলমাল সৃষ্টি কবোঁ, যাতে সিহঁতব ইটোৱে সিটোব ভাষা বুজিব নোৱাবে।" আক প্রভু ঈশ্ববে তাব পবা গোটেই

পৃথিৱীতেই সিহঁতক ছিন্ন ভিন্ন কৰিলে, আৰু সিহঁতে নগৰ নির্ম্মাণৰ কাম এৰি দিলে ॥ তৌঃ পঃ ১১। আঃ ১।৪—৮॥

সমীক্ষক—যেতিয়া সমগ্ৰ পৃথিৱীত একে ভাষা আৰু একে কথা আছিল তেতিয়া নিশ্চয় সকলো মানুহৰ ভিতৰত প্ৰেম আৰু আনন্দ আছিল। কিন্তু দুখৰ বিষয় যে, খ্ৰীষ্টীয়ানসকলৰ হিংসুক ঈশ্বৰে এক ভাষাৰ ঠাইত ভাষা ভিন্ন ভিন্ন কৰি সকলোৰে সৰ্ব্বনাশ কৰিলে, ইয়াতকৈ আৰু ঘোৰ অপৰাধ কি হব পাৰে। তেনেহলে এইটো চয়তানৰ কৰ্ম্মতকৈও অতি ঘৃণিত কৰ্ম্ম নহয় নে। এই কথাও কোৱা আছে যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ সেনাই পৰ্ব্বত আদি স্থানত বাস কৰিছিল, জীৱৰ কল্যাণ কামনা কৰা নাছিল, এনেবোৰ কেৱল অজ্ঞৰ বাহিৰে ঈশ্বৰৰ কথা হব নোৱাৰে, গতিকে এই বাইবেল ঈশ্বৰৰ বাণী কেনেকৈ হব পাৰে ? ॥১৬॥

আব্রাহম (Abraham)

তেতিয়া তেওঁ (আব্রাহমে) তেওঁৰ পত্নী চাৰাক কলে "শুনা, তুমি দেখাত সুন্দৰী। সেই কাৰণে যেতিয়া মিছৰীয় মানুহে তোমাক দেখিব, তেতিয়া তোমাক তেওঁৰ পত্নী বুলি কৈ তোমাৰ কাৰণে মোক বধ কৰিব॥ তুমি মোৰ ভনীহে বুলি কৰা, তোমাৰ কাৰণে মোৰ মঙ্গল হব আৰু তোমাৰ কাৰণেই মই জীৱিত থাকিব পাৰিম॥ তৌঃ পঃ আঃ ১১-১৩॥

সমীক্ষক—এতিয়া বিবেচনা কৰক! খ্ৰীষ্টীয়ান আৰু মুছলমানে আব্রাহমক এজন ডাঙৰ পয়গম্বৰ বুলি কয়, তেওঁৰেই মিছা কথাবে কুকৰ্ম্ম কৰে। যাৰ পয়গম্বৰেই এনে, তেওঁলোকৰ বিজ্ঞান আৰু কল্যাণৰ পথ প্ৰদৰ্শন কেনেকৈ হব পাৰে।

Circumcision (চুন্নৎ)

১৮। আৰু ঈশ্বৰে আব্রাহমক কলে, "তুমি আৰু তোমাৰ বংশধৰ সকলোৱে মোৰ নিয়ম পালন কৰিবা, তুমি আৰু তোমাৰ ভাবী বংশই পুৰুষানুক্ৰমে সেই নিয়ম পালন কৰিব। তুমি আৰু তোমাৰ ভাবী বংশধৰসকলে মোৰ যিটো নিয়ম পালন কৰিবা সেইটো হ'ল প্ৰত্যেক পুৰুষেই খতনা কৰিবা। তোমালোকে নিজৰ নিজৰ লিঙ্গৰ মূৰৰ ছাল ছেদন কৰিবা, সেয়ে মোৰ আৰু তোমালোকৰ ভিতৰত নিয়মৰ চিহ্ন হব। তোমালোকৰ পুৰুষানুক্ৰমে প্ৰত্যেক পুত্ৰৰ জন্মৰ ৮ দিনৰ দিনা ছাল ছেদন আৰু যি তোমাৰ বংশজাত নহয়, কিন্তু তোমালোকৰ ঘৰত জন্ম বা ধন দি কিনা সিহঁতবো সেইদৰে ত্বক্ ছেদন কৰা আৱশ্যক। আৰু তোমালোকৰ মঙহত মোৰ নিয়ম চিৰকাল থাকিব। যাৰ লিঙ্গাগ্ৰৰ চৰ্ম্মছেদন কৰা নহয়, সিহঁতৰ আত্মীয় স্বজনৰ পৰা বিচ্ছেদ হব, মোৰ নির্দ্দেশ ভঙ্গ কৰাৰ কাৰণে। তৌঃ পঃ ১৭। আঃ ৯-১৪ ॥

সমীক্ষক—এতিয়া চ'ক ঈশ্বৰৰ কেনে বিপৰীত আজ্ঞা! ত্বক্ছেদন যদি ঈশ্বৰৰ অভিপ্ৰেত, তেনেহলে তেওঁ সৃষ্টিৰ সময়ত সেই চৰ্ম্মৰ অংশ সৃষ্টিকে নকৰিলেহেঁতেন। চকুৰ বাহুৰ দৰে অঙ্গৰ অতি কোমল অংশ ৰক্ষা কৰিবৰ নিমিত্তেই সেই চৰ্ম্মৰ সৃষ্টি। সেই গুপ্ত স্থান (লিঙ্গ) অতি কোমল; তাত চৰ্ম্মৰ আৱৰণ নেথাকিলে কোনো পোক পকৰাৰ বা আন কোনো বস্তুৰ আঘাতত কষ্ট হব পাৰে, তদুপৰি প্ৰস্ৰাবৰ পাছত প্ৰস্ৰাবৰ টোপা বস্ত্ৰত পৰিব পাৰে: এইবোৰ কাৰণত সেই চৰ্ম্মছেদন কৰা অনুচিত। আজি কালি খ্ৰীষ্টীয়ানসকলে এই নিয়ম পালন নকৰে কিয়! এই নিয়ম চিৰকালৰ কাৰণে। যীচুৰ সাক্ষ্য আছে—"এই ব্যৱস্থা পুস্তকৰ এক বিন্দু

ও মিছা নহয়" এতিয়া পালন নকবা বাবে সেই সাক্ষ্য মিছা বুলি প্রমাণিত হৈছে। খ্রীষ্টীয়ানসকলে এই বিষয়ত একো নেভাবে ॥১৮॥

১৯। পাছত কথা শেষ কবি আব্রাহমক এবি ঈশ্বব ওপবলৈ গ'ল। তৌঃ পঃ ১৭ আঃ ২২ ॥

সমীক্ষক—ইয়াব পবা প্রতীত হয় যে, ঈশ্বব মানুহ অথবা পক্ষীব দবে আছিল। তেওঁ ওপবব পবা তললৈ আৰু তলব পবা ওপবলৈ অহা যোৱা কবিছিল। তেওঁ কোনো এজন যাদুকব যেন বোধ হয় ॥১৯॥

ঈশ্বব মাংস ভোজী

২০। পাছত প্রভু ঈশ্ববে মমবে ভূমিব ওচবত তেওঁক দর্শন দিলে। তেওঁ তেতিয়া দিনব ব'দত তম্বুব দুৱাব মুখত বহি আছিল. চকু পবাত দেখিলে তিনিজন পুৰুষ তেওঁব সন্মুখত থিয় হৈ আছে। দেখা মাত্রকে তেওঁ তম্বুব পবা বেগাই গৈ তেওঁলোকব ওচবত মাটিত আঠুকাঢ়ি প্রণাম কবি কলে—"হে প্রভু! মিনতি কবিছোঁ, যদি আপোনাব দৃষ্টিত অনুগ্রহব পাত্র হৈছোঁ, তেনেহলে আপোনাব এই দাসব ওচবব পবা আঁতবি নাযাব। মই বিনীত ভাবে পানী আনি দিওঁ, চবণ ধুই গছব তলতে অলপ বিশ্রাম কবক। আহাবব যোগাব কবি দিওঁ, তাবেই অলপ তৃপ্ত হওক। তাব পাছত গন্তব্য পথেদি অগ্রসব হব; যিহেতু এই দাসব ওচবলৈ আহি দর্শন দিলে"। তেতিয়া তেওঁলোকে কলে—"বাৰু, যি কবিব খজিছা কবা'। তেতিয়া আব্রাহমে বেগাই তম্বুব ভিতব সোমাই চাবাক কলে—"বেগতে তিনিজনব জোখাবে উত্তম ৰুটি কবা"। তাব পাছত আব্রাহমে গৰুব খুটিলৈ বেগাই গৈ ভাল চাই বাছি এটা দমবা গৰু পোৱালি আনি তেওঁব ভৃত্যক দি বেগতে

বান্ধিবলৈ কলে। ভৃত্যই সেই মতেই কবিলে। তাব পাছত তেও মাখন, গাখীব, গো মাংস আনি তেওঁলোকব আগত দি গছব তলত থিয় হ'ল আৰু তেওঁলোকে আহাব কবিলে।

তৌঃ পর্ব্বঃ ১৮। আঃ ১-৮ ॥

সমীক্ষক—এতিয়া ভাবি চ'ক! যিসকলব ঈশ্বৰে গোস ভোজন কবে, সেই ঈশ্বৰব উপাসক সকলে গৰু, গৰুপোৱালি আদি অন্যান্য প্রাণী ভক্ষণ কবিবলৈ এবিব কিয়? যি মাংসলোভী, যাব অকণো দয়া নাই, তেওঁ হিংসুক মানুহব বাহিৰে ঈশ্বব হব পাবেনে? ঈশ্বৰব লগত বাকী দুজন কোন আছিল জনা নাযায়। সম্ভৱ বনবাসী মানুহ হব, তাব ভিতৰত যিজন প্রধান, তেওঁব নাম "ঈশ্বব" ৰখা হৈছে। গতিকে বিবেচনাশীল মানুহে খ্রীষ্টীয়ান গ্রন্থক ঈশ্বৰব বাণী বুলি বিশ্বাস কবিব নোৱাবে আৰু তেনেকুৱা পুৰুষকো ঈশ্বব বুলি ভাবিব নোৱাবে ॥২০॥

২১। তেতিয়া প্রভু ঈশ্বৰে আব্রাহমক সুধিলে—"মই যে বুঢ়ী, মই সন্তান প্রসব কবিব পাবিম নে কি?" এই বুলি কিয় চাবাই হাঁহিলে? প্রভু ঈশ্বৰব কিবা কাম অসাধ্য নেকি?

তৌঃ পঃ ১৮। আঃ ১০।১৪॥

সমীক্ষক—খ্রীষ্টীয়ানব ঈশ্বৰব লীলা বিবেচনা কৰক! ঈশ্বৰেও বালক বা স্ত্রীব দবেই জোকায় আৰু ঠাট্টা কবে ॥২১॥

২২। সেই সময়ত প্রভু ঈশ্বৰে স্বৰ্গৰপবা চোডোম আৰু গোমোৰাব ওপবত গন্ধক আৰু অগ্নি বর্ষণ কবি তাব সকলো নগব, সকলো অঞ্চল, সকলো নগৰবাসী আৰু সেই ভূমিজাত সকলো বস্তু উচ্ছন্ন কবিলে ॥ তৌঃ উৎপঃ পঃ ১৯। আঃ ২৪।২৫॥

সমীক্ষক—বাইবেলব ঈশ্বৰব আৰু এক লীলা বিবেচনা কৰক। শিশুবোৰব প্রতিও লেশ মাত্র দয়া নহ'ল। সেই স্থানব সকলোৱেই

অপৰাধ কৰিছিল নে যে, ভূমি বিধ্বস্ত কৰি সকলোকে একেলগে বিনাশ কৰিলে? যি ঈশ্বৰে এনেবোৰ ন্যায়, দয়া আৰু বিবেচনাহীন কৰ্ম্ম কৰে, সেই ঈশ্বৰৰ উপাসক সকলে তেনে কাম নকৰিব কিয়? ২২॥

লোটৰ কন্যা গমন

২৩। "আমি আমাৰ পিতাক দ্ৰাক্ষাৰস পান কৰাই পিতাৰ লগত শুম আৰু পিতাৰ বংশ এইদৰে ৰক্ষা কৰিম"। সেই ৰাতি পিতাকক দ্ৰাক্ষাৰস পান কৰাই লৈ ডাঙৰ জীয়েকে পিতাকৰ লগত শুলে। তাৰ পাছদিনা ৰাতি পিতাকক দ্ৰাক্ষাৰস পান কৰাই কনিষ্ঠা কন্যাও পিতাকৰ লগত শয়ন কৰিলে। এই লোটৰ দুই কন্যাই নিজৰ পিতাকৰ পৰাই গৰ্ভৱতী হল॥

তৌঃ উৎপঃ পঃ ১৯ আঃ ৩২—৩৬॥

সমীক্ষক—এতিয়া চ'ক! মদৰ জালত কন্যা আৰু পিতাও কুকৰ্ম্মৰ পৰা বিৰত হব নোৱাৰিলে! খ্ৰীষ্টীয়ান আদি যি সকলে জঘন্য মদ পান কৰে, তেওঁলোকৰ কুকৰ্ম্মৰ অন্ত নাই। গতিকে মদ পানৰ নাম লোৱাও সৎপুৰুষৰ অনুচিত॥ ২৩॥

২৪। নিজৰ কথা অনুসাৰে পাছত প্ৰভু ঈশ্বৰে চাৰাৰ লগত দেখা কৰিলে; আৰু প্ৰভু ঈশ্বৰে যি কৈছিল সেই মতেই চাৰাৰ লগতো কৰিলে। চাৰা গৰ্ভৱতী হল॥

তৌঃ উৎপঃ পঃ ২১। আঃ ১।২॥

সমীক্ষক—এতিয়া বিবেচনা কৰক, কেৱল ঈশ্বৰৰ দৰ্শনতেই চাৰাৰ গৰ্ভ কেনেকৈ হব পাৰে? পৰমেশ্বৰ আৰু চাৰাৰ মাজত তৃতীয় কাৰণ ব্যক্তি নাই, যাৰ দ্বাৰাই সাৰাৰ গৰ্ভ হোৱা সম্ভৱ॥ ২৪॥

হাজাৰা আব্ৰাহমৰ উপপত্নী

২৫। তাৰ পাছত আব্ৰাহম পুৱাতে উঠি এটেকেলী পানী আৰু কটি হাজাৰাক দিলে আৰু সেই সন্তানটোও হাজাৰাৰ

কোলাত দি ঘৰৰ পৰা বিদায় দিলে। হাজাৰাই সন্তানটো লৈ গৈ এটা জোপোহাৰ তলত পেলাই দি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেতিয়া ঈশ্বৰে সেই বালকৰ কান্দোন শুনিলে॥

তৌঃ উৎপঃ পঃ ২১। আঃ ১৪—১৭॥

সমীক্ষক—খ্ৰীষ্টীয়ান ঈশ্বৰৰ লীলা চ'ক। তেওঁ প্ৰথম চাৰাৰ পক্ষপাত কৰি হাজাৰাক ঘৰৰ পৰা বহিষ্কাৰ কৰিলে। হাজাৰাই চিঞৰি চিঞৰি কান্দিলে কিন্তু ঈশ্বৰে বালকবহে ৰোদন শুনিবলৈ পালে। আশ্চৰ্য্যৰ কথা! ঈশ্বৰে বোধ হয় ভুলতেই শিশুৰ ক্ৰন্দন যেন শুনিছিল। তেনেজন ঈশ্বৰ আৰু সেই বাইবেল ঈশ্বৰৰ বাণী হব পাৰেনে? সাধাৰণ মানুহৰ উপযোগী কেইটামান সত্যৰ বাহিৰে বাইবেলৰ বাকী কথাবোৰ অসাৰ॥ ২৫॥

নৰ বলি

২৬। এইবোৰ ঘটনা ঘটাৰ পাছত ঈশ্বৰে আব্ৰাহমক পৰীক্ষা কৰিলে। ঈশ্বৰে আব্ৰাহামক কলে—"আব্ৰাহম! তোমাৰ অদ্বিতীয় পুত্ৰ ইস্হাকক, যাক তুমি ভাল পোৱা, আনা আৰু যজ্ঞত আহুতি দিয়া"। আব্ৰাহমে নিজৰ পুত্ৰ ইস্হাকক বান্ধি আনি যজ্ঞ বেদীৰ কাঠৰ ওপৰত ৰাখিলে। তাৰ পাছত পুত্ৰক বধ কৰিবৰ কাৰণে হাতত চুৰি ললে। এনে সময়তে আকাশৰ পৰা প্ৰভু ঈশ্বৰৰ দূতে কলে—"আব্ৰাহম! আব্ৰাহম! তোমাৰ পুত্ৰক হত্যা নকৰিবা, আৰু একো নকৰিবা, কাৰণ, মই বুজিলোঁ তুমি ঈশ্বৰক ভয় কৰা"॥

তৌঃ উৎপঃ পঃ ২২। আ. ১।২ ৯—১২॥

সমীক্ষক—ইয়াৰ পৰা বুজা যায় বাইবেলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়, অল্পজ্ঞহে। আব্ৰাহমো নিৰ্ব্বোধ নোহোৱা হলে এনে কাম নকৰিলে

হেঁতেন। বাইবেলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ হোৱা হলে আব্ৰাহমৰ ভৱিষ্যত অন্তৰৰ শ্ৰদ্ধা বুজিব পাবিলেহেঁতেন। গতিকে বাইবেলৰ ঈশ্বৰ যে সৰ্ব্বজ্ঞ নহয় এই কথা সুনিশ্চিত। ২৬॥

কৱৰ

২৭। আপুনি আপোনাৰ শটো আমাৰ কৱৰ-স্থানৰ ভিতৰত আপোনাৰ অভীষ্ট কৱৰত ৰাখক। তৌঃ উৎপঃ প' ২৩। অঃ ৬॥

সমীক্ষক—শৰ সমাহিত কৰিলে (মাটিত পুতি থলে) জগতৰ বিশেষ অপকাৰ হয়; যিহেতু শ গেলি পচি বায়ু দুৰ্গন্ধ হলে ৰোগ বিস্তাৰিত হয়।

প্ৰশ্ন—আমি যাক ভাল পাওঁ সেই সকলৰ মৃতদেহ দাহ কৰা অবাঞ্ছনীয়। সযত্নে সমাহিত কৰি ৰখা মানে শুৱাই ৰখা, গতিকে শ্ৰেষ্ঠ।

উত্তৰ—মৃত প্ৰিয়জনক ভাল পায় যদি, ঘৰতে নেৰাখে কিয়? আঁতৰত সমাহিত কৰে কিয়? যি জীৱাত্মাক ভাল পায় সি দেহ এৰি গৈছে। গেলা দুৰ্গন্ধময় দেহৰ লগত কি প্ৰেম থাকিব পাৰে? ভালেই পায় যদি, মাটিত পুতি নথয় কিয়? "তোমাক মাটিত পুতি থোৱা হব" এইদৰে কোনোৱে কাৰোবাক কলে—যদি শুনাত অপ্ৰিয় হয়, দেহ, মুখ, চকু আদিৰ ওপৰত বালি ইটা, শিল আৰু চুণ আৰু বুকুত শিল ৰখাটো জানো প্ৰীতিকৰ কাৰ্য্য? শটো বাকচত ভৰাই পুতি ৰাখিলে বেছিকৈ দুৰ্গন্ধ উৎপন্ন হৈ বায়ু দূষিত হয়, আৰু ৰোগৰ উৎপত্তি হয়। ইয়াৰ উপৰিও একোটা শৰ নিমিত্তে নিশ্চয় কমেও ৬ হাত দীঘল আৰু ৪ হাত বহল মাটিৰ আৱশ্যক। এই হিচাপে হেজাৰ, লাখ আৰু কোটি শৰকাৰণে বহুত পৰিমাণৰ ভূমি অযথা আবদ্ধ কৰা হয় আৰু সেই ভূমি, কৃষি, বাৰী বা বাস-স্থানৰ অনুপযোগী হৈ পৰে। গতিকে শৰ পুতি থোৱা ব্যৱস্থাটো একেবাৰেই

নিকৃষ্ট। পানীত পেলাই দিয়াটো পোতাতকৈ ভাল, কাৰণ জলচৰ জন্তুবোৰে তৎক্ষণাৎ তাক টনা আজোৱা কৰি খাই শেষ কৰে। কিন্তু পানীত হাড় আৰু মল পৰি থাকে, সেইবোৰ জগতৰ অনিষ্টকৰ হয়। শৰ দূৰ অৰণ্যত পেলাই দিয়া অপেক্ষাকৃত কম অনিষ্টকৰ। কাৰণ, মাংস ভক্ষক পশু পক্ষীবোৰে তৎক্ষণাৎ হেতা ওপৰা কৰি তাক খাই শেষ কৰে। তথাপি শৰৰ অস্থি মজ্জা আৰু মল গেলি পচি যিমান দুৰ্গন্ধ হয়, তাৰ পৰা জগতৰ অনিষ্ট হয়। গতিকে দাহ কৰাই সকলোতকৈ উত্তম ব্যৱস্থা। দাহ কৰিলে সকলো অণু পৰমাণু হৈ বায়ুত মিলি যায়।

প্ৰশ্ন—দাহ কৰিলেও দুৰ্গন্ধ উৎপন্ন হয়।

উত্তৰ—নিয়মমতে দাহ নকৰিলে অৱশ্যে সামান্য দুৰ্গন্ধ হয়, কিন্তু সমাহিত কৰিলে থুব বেছি দুৰ্গন্ধ উৎপন্ন হয়। শৰদাহ কৰাৰ বিধি বেদত এনেদৰে লিখিত আছে—শৰৰ হাতৰ সমান তিনি হাত দ, চাৰে তিনি হাত বহল আৰু পাঁচ হাত দীঘল গাত খানিব। তাৰ ভিতৰত ১৮ আঙ্গুলি ওখকৈ বেদী (চিতা) এখন সাজিব। আধামোন (২০ কেজি) বা তাতকৈও অধিক চন্দন কাঠ, অগৰু, তগৰ, কৰ্পূৰ আৰু পলাশ আদি কাঠেৰে চিতা প্ৰস্তুত কৰি তাৰ ওপৰত শৰটো ৰাখিব। শৰৰ ওপৰতে সেই পৰিমাণে কাঠ জাপি দিব, চিতাৰ সম্মুখেদি দুই জলাৰ পৰাকৈ খালি ৰাখিব। সেই পিনেদি অগ্নি প্ৰজ্বলন কৰি শৰৰ ওজনৰ পৰিমাণে ঘিউ, ঘিউৰ ৫০০ ভাগৰ এভাগ কস্তুৰী আৰু তিনিশ ভাগৰ এভাগ কেশৰ মিহলাই আহুতি দিব। এই নিয়মেৰে শৰদাহ কৰিলে লেশ মাত্ৰও দুৰ্গন্ধ নহয়। ইয়াকেই অন্ত্যেষ্টি ক্ৰিয়া, নৱমেধ বা পুৰুষমেধ যজ্ঞ বোলে। কমপক্ষেও আধামোণ ঘিউৰ আহুতি দিব লাগে। দৰিদ্ৰ হলে, ভিক্ষা কৰি বা গঞা, জ্ঞাতি অথৱা ৰাইজৰ সহায়ত এই পৰিমাণৰ ঘিউ সংগ্ৰহ কৰা আৱশ্যক। বিধি মতে ঘিউ সংগ্ৰহ কৰিব নোৱাৰিলে কেৰল খৰিৰেই দাহ কৰাটোও মাটিত

পোতা বা সমাহিত কবাতকৈ ভাল। এটা চিতাৰ ঠাইতেই কোটি কোটি শৱদাহ কবিব পৰা যায়। শৱ পুতি থলে ভূমি ভাগ যেনেকৈ বিকৃত হয়, দাহ কবিলে তেনে নহয়। ইয়াৰ উপবিও কৱব দেখিলে মনত ভয়ৰ সঞ্চাৰ হয়। গতিকে কবৰ দিয়া বা সমাহিত কৰা অনুচিত ॥২৭॥

আব্রাহমৰ ঈশ্বৰ

২৮। আমাৰ মালিক আব্রাহমৰ ঈশ্বৰ ধন্য। ঈশ্বৰে আমাৰ মালিকক দয়া আৰু সৎ আচৰণৰ পৰা নিবৃত্ত কৰা নাই; প্রভু ঈশ্বৰে আমাক আৰু আমাৰ মালিকৰ জ্ঞাতিসকলৰ ঘৰত পথ প্রদর্শন কবি আগে আগে আহিছে॥

তৌঃ উৎপঃ পঃ ২৪। আঃ ২৭॥

সমীক্ষক—তেওঁ কেৱল আব্রাহমৰহে ঈশ্বৰ আছিল নেকি? ঈশ্বৰেও আজি-কালিৰ ভৃত্য আৰু পথ-প্রদর্শকসকলৰ দৰেই আগে আগে খোজ কাঢ়ি পথ প্রদর্শন কবিছিল নেকি? সেয়ে যদি হয়, আজি কালিও তেওঁ পথ প্রদর্শন আৰু মানুহৰ লগত কথাবার্ত্তা নাপাতে কিয়? গতিকে এইবোৰ কেতিয়াও ঈশ্বৰ বা ঈশ্বৰৰ বচিত গ্রন্থৰ বিষয় হব নোৱাৰে; এইবোৰ অশিক্ষিত মানুহৰহে কথা ॥২৮॥

২৯। ইস্মাইলৰ সন্তানবোৰৰ ঃ- নাম জ্যেষ্ঠপুত্র নবীত আৰু কীদাৰ, অদ্‌বি এল, মিবসম, নিশমা, দুমা, মস্‌সা, হদৰ, তৈমা ইটুৰ, নাফীশ আৰু কিদমা। তৌঃ উৎপঃ পঃ ২৫ আঃ ১৩--১৫ ॥

সমীক্ষক—এই ইস্মাইল আব্রাহমৰ ঔৰসত নিজ দাসী হাজাৰাৰ গর্ভত জাত হৈছিল ।২৯।

৩০। তোমাৰ পিতাৰাই যেনেকুৱা ভাল পায় তেনেকুৱা ৰুচিকৰ খাদ্য মই প্রস্তুত কবি দিওঁ তোমাৰ পিতাৰাই সেইবোৰ তৃপ্তিৰে ভোজন কবি তেওঁৰ মৃত্যুৰ আগতে যাতে তোমাক

আশীর্ব্বাদ কৰে আৰু বিবিকা ভিতৰলৈ গৈ তেওঁৰ জ্যেষ্ঠ পুত্র এষৌৰ সুন্দৰ বস্ত্র আৰু ছাগলী পোৱালিৰ দুখন ছাল আনি য়াকোবৰ হাতত আৰু নিৰ্লোম ডিঙিত পিন্ধাই দিলে। য়াকোবে গৈ পিতাকক কলে, "মই আপোনাৰ জ্যেষ্ঠ পুত্র এষৌ; আপুনি মোক যি আদেশ কৰিছিল মই তাকেই কবিছো। মই মিনতি কৰিছো, আপুনি উঠি বহক আৰু মই আপোনালৈ মাংস আনিছো আপুনি আহাৰ কৰক আৰু যেন আপোনাৰ প্রাণে মোক আশীর্ব্বাদ কৰে। তৌঃ উৎপঃ পঃ ২৭। আঃ ৯॥১০। ১৫।১৬।১৯"

সমীক্ষক—এওঁ প্রবঞ্চনা কবি পিতাকৰ আশীর্ব্বাদ লৈ সাধু আৰু পাছত পয়গম্বৰ বুলি পবিচয় দিয়ে। এইবোৰ বিস্ময়ৰ কথা নহয় নে? এনেবোৰ পুৰুষেই যেতিয়া খ্রীষ্টীয়ানসকলৰ অগ্রণী, সেই ধর্ম্মপথ কেনেকৈ বিশুদ্ধ হব পাবে?।৩০॥

৩১। তাৰ পাছত য়াকোব অতি পুৱাতে উঠি যি ডোখৰ শিল গাৰু কবি শুইছিল, তাকেই স্তম্ভৰূপে স্থাপন কবিলে, তাৰ ওপৰত তেল ঢালি সেই ঠাইৰ নাম বৈতয়েল (ঈশ্বৰৰ গৃহ) ৰাখিলে। য়াকোবে মনতে ভাবিলে, যিডোখৰ শিল মই স্তম্ভৰূপে স্থাপন কৰিছো, সেয়েই ঈশ্বৰৰ গৃহ হব। তৌঃ উৎপঃ পঃ ২৮। আঃ ১৮।১৯।২২।

সমীক্ষক—এইবোৰ বনবাসী মানুহৰ কাম নহয় নে? তেওঁলোকে প্রস্তৰ পূজা কবে আৰু আনকো সেইমতে প্রবর্ত্তিত কবে। মুছলমানসকলে ইয়াকেই "বয়তলমুকদ্দস্" বোলে। এই পাথৰ ডোখবেই ঈশ্বৰৰ গৃহ হব পাবেনে? ঈশ্বৰে ইয়াৰ ভিতৰত বাস কবিছিল নেকি? অধিক কি কম, খ্রীষ্টীয়ানসকলেই ঘোৰ পৌত্তলিক। ৩১॥

৩২। আৰু ঈশ্বৰে বাখেলক স্মৰণ কৰিলে, ঈশ্বৰে তেওঁৰ প্ৰাৰ্থনা শুনিলে আৰু তেওঁক গৰ্ভমুক্ত কৰিলে। তেওঁ গৰ্ভৰ পৰা পুত্ৰ প্ৰসৰ কৰিলে। ঈশ্বৰে তেওঁৰ অপযশ হৰণ কৰিলে।

তৌঃ উৎপঃ পঃ ৩১। আঃ ২৪।৩০॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ ডাক্তৰো; তেওঁ যন্ত্ৰ বিশেষ আৰু ঔষধ আদিৰে নাৰীৰ গৰ্ভাশয় উন্মোচন কৰিলে নেকি? এইবোৰ কেৱল অজ্ঞানী মানুহৰহে কথা॥৩২॥

৩৩। কিন্তু ঈশ্বৰে বাতি সপোনত আৰামী লাবানৰ ওচৰলৈ আহি কলে—সাৱধান! য়াকোবক ভাল বেয়া ব্যৱহাৰ নকৰিবা। কাৰণ তুমি তোমাৰ পিতাৰাৰ ঘৰৰ ওচৰ পাবলৈ বিচাৰিছা, কিয় মোৰ দেৱতা-বোৰক চুৰি কৰিলা? তৌঃ উৎপঃ পঃ ৩৩ আঃ ২২।২৩।

সমীক্ষক—এইটো মাত্ৰ উদাহৰণ ৰূপেহে লিখা হ'ল। বাইবেলত লিখা আছে যে, ঈশ্বৰে সহস্ৰ মানুহক স্বপ্নত স্বয়ং দৰ্শন দিছে, একেলগে আহাৰ পানী খাইছে, কথাবাৰ্ত্তা কৈছে ইত্যাদি। কিন্তু এতিয়া তেওঁ আছে নে নাই কোনে জানে? এতিয়া চোন স্বপ্নত বা জাগৰণত ঈশ্বৰৰ দৰ্শন কাৰো নঘটে। বুজিব পৰা গৈছে যে বনবাসী মানুহে প্ৰস্তৰাদি নিৰ্ম্মিত মূৰ্ত্তিকেই দেৱতা বুলি পূজা কৰিছিল। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰেও শিলকেই দেৱতা জ্ঞান কৰিছিল; নহলেনো দেৱতাবোৰৰ অপহৰণ কেনেকৈ সম্ভৱ হব পাৰে? ৩৩॥

৩৪। আৰু য়াকোব নিজৰ গন্তব্য পথেদি গৈ থাকোতে ঈশ্বৰৰ দূতসকলে তেওঁক দেখা কৰিছিল। তেতিয়া য়াকোৱে তেওঁলোকক দেখি কৈছিল "এই সকল ঈশ্বৰৰ সৈন্যৰ দল"। তৌঃ উৎপঃ পঃ ৩২। আঃ ১-২॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ যে, মানুহহে এই বিষয়ে কোনো সন্দেহ নাই। কাৰণ তেওঁৰ সেনাও আছে। তেতিয়া হলে তেওঁৰ অস্ত্র-

শস্ত্রও আছে আৰু কোনো স্থানৰ ওপৰত আক্রমণ কৰি যুদ্ধও কৰিব লগা হয়, নহলে, সৈন্য কথাৰ প্ৰয়োজন কি? ৩৪॥

৩৫। আৰু য়াকোব তাতেই অকলে আছিল, আৰু এজন পুৰুষে য়াকোবৰ লগত ৰাতিপুৱা পৰ্য্যন্ত মল্লযুদ্ধ কৰিলে, কিন্তু য়াকোবক জয় কৰিব নোৱাৰি য়াকোবৰ কৰঙনত আঘাত কৰিলে। এইদৰে যুদ্ধ কৰোতে য়াকোবৰ উৰুৰ শিৰ স্থানচ্যুত হ'ল। তাৰ পাছত সেই পুৰুষে কলে—"এতিয়া ৰাতি পুৱাল গতিকে মোক এৰি দে"। য়াকোবে কলে—আপুনি মোকআশীৰ্ব্বাদ নিদিলে নেৰোঁ"। তেতিয়া সেই পুৰুষজনে কলে, "তোমাৰ নাম কি"? তেওঁ উত্তৰ দিলে, "য়াকোব"। তেতিয়া তেওঁ কলে, "তুমি আৰু য়াকোব নামেৰে জনাজাত নহবা, ইস্ৰায়েল নামেৰেহে জনাজাত হবা, কাৰণ তুমি ঈশ্বৰ আৰু মনুষ্যৰ লগত যুদ্ধ কৰি জয়যুক্ত হৈছা"। তেতিয়া য়াকোবে বিনয় কৰি সুধিলে, "আপোনাৰ নাম কি"? সেই পুৰুষে কলে—কিহৰ কাৰণে মোৰ নাম সুধিছা"? তাৰ পাছত তেওঁ য়াকোবক আশীৰ্ব্বাদ দিলে। তেতিয়াৰ পৰা য়াকোবে সেই ঠাইৰ নাম ফনুয়েল ৰাখিলে; কাৰণ তেওঁ কৈছিল, "আমি ঈশ্বৰক প্ৰত্যক্ষ দেখিলোঁ আৰু আমাৰ প্ৰাণ বাঁচিল"। তাৰ পাছত তেওঁ ফনুয়েল পাৰ হোৱাত সূৰ্য্যৰ জ্যোতি তেওঁৰ ওপৰত পৰিল। আৰু তেওঁ উৰুৰ বিষত খোৱাবলৈ ধৰিলে। এই কাৰণেই ইস্ৰায়েলৰ সন্তান সকলে এতিয়াও উৰুৰ ওপৰৰ শিৰা নেখায়। কাৰণ তেওঁ য়াকোবৰ উৰু সন্ধিৰ শিৰা (শিৰ) স্পৰ্শ কৰিছিল॥ তৌঃ উৎপঃ পঃ আঃ ২৪-৩২॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ যোদ্ধা কাৰণেহে কৃপা কৰি চাৰা, আৰু ৰাখেলক পুত্ৰ দান কৰিছিল। বাৰু ভাবি চ'ক চোন, এনেকুৱা ঈশ্বৰ আচল ঈশ্বৰ হব পাৰেনে? তেওঁৰ আৰু লীলা দেখক। কোনোৱে নাম সুধিলে, নিজৰ নাম কোৱা উচিত নহয় নেকি? ঈশ্বৰে য়াকোবৰ নাড়ী স্থানচ্যুত কৰাত পৰাজিত হল। কিন্তু ঈশ্বৰ ডাক্তৰ হোৱা হলে, তেওঁৰ উৰুস্থানৰ নাড়ীক আৰোগ্য কৰি দিলেহেঁতেন। এইদৰে য়াকোবৰ দৰে ঈশ্বৰ ভক্তিৰ ফলত অন্যান্য ভক্ত সকলো খোৱা হব লাগিব। ঈশ্বৰ দেহ

ধাৰী নহলে তেওঁৰ প্রত্যক্ষ দর্শন আৰু তেওঁৰ লগত মল্লযুদ্ধ আদি কেনেকৈ সম্ভৱ হব? গতিকে এইবোৰ কেৱল বালকৰ কথা। ৩৫।

৩৬। প্রভু ঈশ্বৰৰ দৃষ্টিত যিহূদাহৰ জ্যেষ্ঠ পুত্ৰ দুষ্ট; গতিকে প্রভু ঈশ্বৰে তাক মাৰি পেলালে। তেতিয়া যিহূদাহে ওনামক কলে, "তুমি তোমাৰ ভ্রাতৃপত্নী গমন কৰা, আৰু বিয়া কৰি ভ্রাতৃৰ বংশ ৰক্ষা কৰা"। ভ্রাতৃজায়াৰ সন্তান তেওঁৰ বংশ ৰক্ষক নহব, এই কথাকে ভাবি ওনামে ভ্রাতৃজায়াক গমন কৰিও, ভ্রাতৃ বংশ ৰক্ষা কৰাৰ অনিচ্ছা হেতুকে বেতঃ-পাত ভূমিত কৰিলে। তেওঁৰ সেই কার্য্যত প্রভু ঈশ্বৰ বিতুষ্ট হৈ তাকো বধ কৰিলে। তৌঃ উৎপ: পঃ ৩৮। আঃ ৭-১০॥

(তৌৰেত প্রাচীন বাইবেল Old Testimony)

সমীক্ষক—এতিয়া বিবেচনা কৰক! এইবোৰ মানুহৰ কাম নে ঈশ্বৰৰ কাম? তেওঁৰ আজ্ঞা মতে নিয়োগ কৰিলে, তথাপি ঈশ্বৰে তেওঁক বধ কৰিলে কিয়? তেওঁক জ্ঞান নিদিলে কিয়? ইয়াৰ পৰা নিশ্চিত হয় যে, আদি কালত সকলোতে নিয়োগ প্রথা প্রচলিত আছিল॥৩৬॥

প্রাচীন বাইবেলৰ অন্তর্গত যাত্রা পুস্তক

৩৭। মুছা যেতিয়া ডাঙৰ হ'ল, এদিন দেখিলে যে তেওঁৰ ইব্রাণীয় ভাইসকলৰ এক ইব্রাণীক মিছৰীয়ে মাৰিলে, তেতিয়া তেওঁ চাৰিওফালে চাই কাকো নেদেখি সেই মিছৰীক হত্যা কৰি বালিত পুতি থলে। তাৰ পাছদিনা তেওঁ বাহিৰলৈ ওলাই যাওঁতে দুটা ইব্রাণীক পৰস্পৰে কাজিয়া কৰি থকা দেখিলে; তেওঁ সিহঁতৰ ভিতৰত দোষীটোক কলে—"তোমাৰ প্রতিবেশীক কিয় মৰিয়াইছা"? প্রত্যুত্তৰত সি কলে—"তোমাক আমাৰ অধ্যক্ষ আৰু বিচাৰপতি কোনে পাতিলে? তুমি যেনেকৈ মিছৰীক হত্যা কৰিলা সেইদৰেই আমাকো বধ কৰিবলৈ মন কৰিছা নেকি"? সেই কথা শুনি মুছাই ভয়ত পলাল। তৌঃ যাঃ পঃ ২। আঃ ১১-১৫॥

সমীক্ষক—বিবেচনা কৰক এতিয়া! যি মুছা বাইবেলৰ ধর্ম্ম প্রতিষ্ঠাতা আচার্য্য, তেওঁৰ চৰিত্রত খং আদি দোষ আছিল, তেওঁ চোৰ

আৰু হত্যা কাৰীৰ দৰে বাজ বিধিৰ দণ্ডৰ পৰা মাৰিবলৈ বিচাৰিছিল, তেওঁ সত্যক গোপন কৰিছিল, গতিকে তেওঁ মিথ্যাবাদীও। মুছাৰ দৰে মানুহেই ঈশ্বৰ দর্শন কৰি পয়গম্বৰ হয় আৰু ইহূদী আদিৰ ধর্ম্ম প্রৱর্ত্তক হয়। ইয়াৰ পৰা বুজিব পাৰি যে, মুছাকে ধৰি খ্রীষ্টীয়ানসকলৰ পূর্ব্ব-পুৰুষসকল আদিম অৱস্থাৰেই মানুহ আছিল; তেওঁলোকৰ ভিতৰত কোনোৱেই বিদ্বান্ ব্যক্তি নাছিল॥৩৭

৩৮। *** তোমালোকে এটা ভেৰাৰ পোৱালী বাহিৰ কৰি মাৰিবা। পাত্রত থোৱা ৰক্তত এমুঠি পাত বিশেষ জুবুৰিয়াই তাৰে দুৱাৰ দলি আৰু দুয়ো ফালৰ খুটাত লগাই দিবা আৰু ৰাতিপুৱা তোমালোক ঘৰৰ ভিতৰৰ পৰা নোলাবা। কাৰণ প্রভু ঈশ্বৰে মিছৰীয়বোৰক মাৰিবৰ কাৰণে, তোমালোকৰ ঘৰৰ দুৱাৰৰ আগেদি যাব। তোমালোকৰ দুৱাৰ মুখৰ চাৰিওফালে ৰক্তৰ চিন দেখিলে, সেই ঘৰ এৰি যাব, সংহাৰ কর্ত্তাৰ সংহাৰৰ পৰা ৰক্ষা পাবা। তৌঃ যাঃ পঃ ২। আঃ ২১।২২।২৩॥

সমীক্ষক—এইবোৰ ভোক বাজী যেন লাগে! এনেকুৱা ঈশ্বৰ সর্ব্বজ্ঞ হব পাৰেনে? তেওঁ ৰক্তৰ চিন নেদেখিলে ইস্রায়েল বংশীয় বোৰৰ ঘৰ চিনিব নোৱাৰে। এইবোৰ সর্ব্বজ্ঞৰ লক্ষণ নহয়, ক্ষুদ্র বুদ্ধিৰহে লক্ষণ। গতিকে বুজিব পাৰি যে এইবোৰ কোনো অৰণ্যবাসী মনুষ্যৰ লিখা কথা॥ ৩৮॥

৩৯। তাৰ পাছত মাজ ৰাতি এই ঘটনা হল, প্রভু ঈশ্বৰে মিছৰ দেশৰ সিংহাসনত উপবিষ্ট ফেৰাহৰ প্রথমজাত সন্তান, বন্দীগৃহত থকা সকলৰ প্রথমজাত সন্তান, পশুৰ প্রথমজাত সন্তান এই সকলো-বোৰ বিনাশ কৰে। তেতিয়া মিছৰৰ ফেৰাহ, তেওঁলোকৰ দাসবোৰ আৰু সকলো মিছৰবাসী সাৰ পাই উঠি সেই ঘটনা দেখি সকলোৱে ৰবকৈ চিঞৰি কান্দা কটা কৰিবলৈ ধৰিলে, কাৰণ এঘৰো এৰা নপৰিল যাৰ ঘৰত মৰা নাই॥ তৌঃ যাঃ পঃ ১২। আঃ ২৯-৩০॥

সমীক্ষক—খ্রীষ্টীয়ান সকলৰ ঈশ্বৰ এনেকুৱাই নে? যি নির্দ্দয় দস্যুৰ দৰে বিনা অপৰাধত আবাল-বৃদ্ধ-বনিতা সকলোকে, আনকি পশু পর্য্যন্ত হত্যা কৰিলে! ঈশ্বৰৰ লেশ মাত্ৰও দয়া নহল নে? মিছৰ বাসীৰ মহা ক্ৰন্দনতো খ্রীষ্টীয়ান ঈশ্বৰৰ চিত্তৰ পৰা নিষ্ঠুৰতা দূৰ নহল নে? ঈশ্বৰহে নালাগে, এক অতি সাধাৰণ মানুহেও এনে কাম কৰিব নোৱাৰে। অৱশ্যে আচৰিত হব লগা একো নাই, কাৰণ লিখিত আছে, "মাংসাহাৰিণঃ কুতো দয়া"। খ্রীষ্টীয়ান সকলৰ ঈশ্বৰ মাংসাহাৰী; গতিকে তেওঁৰ দয়া কেনেকৈ থাকিব পাৰে? ৩৯ ॥

৪০। প্ৰভু ঈশ্বৰে তোমালোকৰ পক্ষৰ পৰা যুদ্ধ কৰিব। ইস্ৰায়লৰ সন্তানবোৰক আগ বঢ়িবলৈ কোৱা। আৰু তুমি লাঠিলৈ সাগৰৰ ওপৰত হাত দাঙা, সাগৰক দুভাগ কৰা; তেতিয়া ইস্ৰায়লৰ সন্তান সকলে সাগৰৰ মাজৰ শুকান পথেদি পাৰ হৈ যাব।

তৌঃ যাঃ পঃ ১৪। আঃ ১৪—১৬॥

সমীক্ষক—কিয়? ঈশ্বৰেচোন আগতে ভেড়া বখীয়াৰ পাছত ভেড়া বখীয়াৰ দৰেই ইস্ৰায়েল বংশীয় সকলৰেই অনুকৰণ কৰিছিল। কোনে কব পাৰে তেওঁ এতিয়া ক'ত অন্তর্হিত হল? তেওঁ থকা হলে এতিয়া সাগৰৰ মাজেদি চাবিও ফালে বেল পথ নির্ম্মাণ কৰি দিলে হেঁতেন। তাৰ পৰা সমস্ত সংসাৰৰ উপকাৰ হল হেঁতেন, আৰু জলযান আদি নির্ম্মাণৰ পৰিশ্ৰম কৰাৰ প্ৰয়োজনেই নহল হেঁতেন। কিন্তু এতিয়া কি উপায়? তেওঁ এতিয়া ক'ত লুকাই থাকিল? বাইবেলৰ ঈশ্বৰে এই দৰে মুহাৰ লগত অনেক লীলা খেলা কৰিলে। যি বুজিব পাৰি, যেনেকুৱা খ্রীষ্টীয়ান সকলৰ ঈশ্বৰ, তেনেকুৱাই তেওঁৰ ভক্ত আৰু তেনেকুৱাই তেওঁৰ ৰচিত গ্ৰন্থ। এনেধৰণৰ ঈশ্বৰ আৰু গ্ৰন্থৰ পৰা আমাৰ আতৰত থকাই শ্ৰেয়ঃ ॥ ৪০ ॥

৪১। মই তোমালোকৰ প্ৰত্যক্ষ সর্ব্বশক্তিমান ঈশ্বৰ। যি মোৰ অপৰাধ কৰে, তাক তাৰ প্ৰতিফল চাবি পুৰুষলৈ দিওঁ।

তৌঃ যাঃ পঃ ২০। আঃ ৫॥

সমীক্ষক—পিতাকৰ অপৰাধৰ বাবে সন্তানৰ চাবি পুৰুষ পর্য্যন্ত শাস্তি দিয়া কেনেকুৱা ন্যায় বিবেচনা? সৎ পিতাৰ কুসন্তান আৰু অসৎ পিতাৰ সুসন্তান হোৱা দেখা নাই নে? তেনেহলে চতুর্থ পুৰুষ পর্য্যন্ত কেনেকৈ শাস্তি ভোগ হল? পঞ্চম পুৰুষৰ পাহত দুষ্ট হলে দণ্ড ভোগ কৰিব নেলাগে নেকি? বিনা অপৰাধত দণ্ড দিয়া কেতিয়াও ন্যায় সঙ্গত হব নোৱাৰে ॥ ৪১ ॥

৪২। তুমি বিশ্ৰামৰ দিনটো পবিত্ৰ ৰাখিবৰ কাৰণে স্মৰণ কৰিবা। ছয় দিন শ্ৰম কৰি নিজৰ সকলো কাম কৰি সপ্তম দিনা তোমাৰ প্ৰভু ঈশ্বৰৰ উদ্দেশ্যে বিশ্ৰাম কৰিবা। প্ৰভু ঈশ্বৰে বিশ্ৰামৰ দিনটোক আশীৰ্ব্বাদ কৰিছে। তৌঃ যাঃ পঃ ২০। আঃ ৮-১১॥

সমীক্ষক—কেৱল ৰবিবাৰহে পবিত্ৰ? বাকী ছয়দিন অপবিত্ৰ নেকি? পৰমেশ্বৰে ছয়দিন ঘোৰ পৰিশ্ৰম কৰি সপ্তম দিনত টোপনিত আছিল নেকি? তেওঁ যদি কেৱল ৰবিবাৰক আশীৰ্ব্বাদ দিলে বাকী ছয় দিনক কি দিলে? অভিশাপ দিলে নেকি? কোনো বিদ্বান ব্যক্তিয়ে এনে কাম নকৰে। ঈশ্বৰে কেনেকৈ কৰিব? ৰবিবাৰৰ কি গুণ আৰু অন্যবোৰ বাৰৰ কি দোষ? ঈশ্বৰে ৰবিবাৰক পবিত্ৰ বুলি ঘোষণা কৰিলে আৰু বৰ দান দিলে, বাকীবোৰ দিনক অপবিত্ৰ বুলি ঘোষণা কৰিলে? ৪২।

৪৩। তোমাৰ প্ৰতিবেশীৰ বিৰুদ্ধে মিছা সাক্ষী নিদিবা। তোমাৰ প্ৰতিবেশীৰ ঘৰলৈ লোভ নকৰিবা। প্ৰতিবেশীৰ স্ত্ৰী, দাস-দাসী পশু আদিত বা অন্য কোনো বস্তুত লোভ নকৰিবা।

তৌঃ যাঃ পঃ ২০। আঃ ১৬।১৭॥

সমীক্ষক—এই কাৰণেই তেনেহলে, যেনেকৈ ভোকাতুৰে আহাৰৰ কাৰণে আৰু তৃষ্ণাতুৰে জলৰ কাৰণে হেপাহ কৰে, সেইদৰেই খ্ৰীষ্টীয়ান সকলেও প্ৰতিবেশীৰ ধন সম্পত্তিৰ কাৰণে লোভাকৃষ্ট হয়। এইবোৰ কেৱল স্বাৰ্থপৰ আৰু পক্ষপাতিত্বৰ কাম। সম্ভৱ খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰো তেনে-কুৱাই যদি তেওঁলোকে মানুহ মাত্ৰকেই প্ৰতিবেশী বুলি ভাৱে, তেনেহলে মানুহৰ বাহিৰেও আন কোনো প্ৰাণীৰ স্ত্ৰী আৰু দাসী আছে নেকি, যাক প্ৰতিবেশী বুলি নেভাবে? গতিকে এয়া স্বাৰ্থপৰহে কথা, ঈশ্বৰৰ নহয়। ৪৩ ॥

৪৪। বালক-বালিকাৰ ভিতৰত সকলো লৰাক আৰু পুৰুষৰ লগত সংযোগ কৰা সকলো স্ত্ৰীক বধ কৰা। যিবোৰ ছোৱালীৰ পুৰুষৰ লগত সংযোগ হোৱা নাই, সেইবোৰক নিজৰ কাৰণে ৰাখিবা।

তৌঃ গণনা পৰ্বঃ ৩১। আঃ ১৭।১৮॥

সমীক্ষক—ধন্য খ্ৰীষ্টীয়ানৰ পয়গম্বৰ মুছা আৰু ঈশ্বৰ! তেওঁলোকে নাৰী, শিশু, বৃদ্ধ আৰু পশু আদিও হত্যা কৰাত কুণ্ঠিত নহয়। নিশ্চয়কৈ বুজিব পাৰি যে, মুছা কাম বাসনাসক্ত আছিল, সেয়ে নহলে, যিবোৰ কন্যাৰ পুৰুষ সংসৰ্গ হোৱা নাই সেইবোৰক তেওঁৰ কাৰণে আনিবলৈ এনেকুৱা নিৰ্দ্দয় লম্পটৰ দৰে আদেশ কিয় দিব? ৪৪ ॥

৪৫। কোনো মানুহে কাৰোবাক আঘাত কৰাৰ ফলত যদি মৃত্যু হয়, তাৰ প্ৰাণ দণ্ড হব। আৰু যদি কোনোৱে কাৰোবাক বধ কৰিবলৈ বিচাৰি নাপায় আৰু ঈশ্বৰে তাক তেওঁৰ হাতত সমৰ্পণ কৰে, তেতিয়া যৰ পৰা পলাব পাৰে—এনে স্থান মই তোমাৰ নিমিত্তে নিৰ্ণয় কৰি দিম। তৌঃ যাঃ পঃ ২১। আঃ ১২।১৩॥

সমীক্ষক—ঈশ্বৰৰ যদি এই কাৰ্য্য ন্যায় সঙ্গত হয়, মুছাই যেতিয়া এটা মানুহক হত্যা কৰি পুতি থৈ পলাইছিল, ঈশ্বৰে তেওঁক দণ্ড দিলে কিয়? ঈশ্বৰে সেই ব্যক্তিক বধ কৰিবলৈকে তেওঁৰ হাতত যদি সমৰ্পণ

কৰিছিল তেনেহলে ঈশ্বৰ পক্ষপাতী। কাৰণ ৰাজ্যৰ বিধিমতে মুছাৰ দণ্ড হবলৈ নিদিলে কিয়? ৪৫ ॥

৪৬। তেওঁলোকে প্ৰভু ঈশ্বৰক উদ্দেশ্য কৰি মঙ্গলৰ কাৰণে গৰুবোৰ বলিদান কৰিলে। তেতিয়া মুছাই সেইবোৰৰ আধা ৰক্ত লৈ পাত্ৰত ৰাখিলে আৰু আধা বলি বেদীৰ ওপৰত প্ৰক্ষেপ কৰিলে। পাছত মুছাই সেই ৰক্ত লৈ মানুহবোৰৰ ওপৰত প্ৰক্ষেপ কৰি কলে, "চোৱা এইবোৰ সেই নিয়মৰ ৰক্ত, যাক প্ৰভু ঈশ্বৰে তোমালোকৰ লগত এইবোৰ বাক্যৰ বিষয়ে স্থিৰ কৰিছে"। আৰু প্ৰভু ঈশ্বৰে মুছাক কলে—"তুমি মোৰ লগত পৰ্ব্বতলৈ উঠি মোৰ লগত থাকা, তাত মই দুখন প্ৰস্তৰ ফলি আৰু মোৰ লিখিত ব্যৱস্থা আৰু আজ্ঞা তোমাক দিম"।

তৌঃ যাঃ পঃ ২৪। আঃ ৫।৬।৮ ১২।

সমীক্ষক—পৰমেশ্বৰৰ বৃষ বলি গ্ৰহণ আৰু পৰমেশ্বৰৰ নামত বেদীত ৰক্ত সিঞ্চন, এইবোৰ বনজ মানুহৰ অসভ্য প্ৰথা। যাৰ ঈশ্বৰে বলধৰ বলিদান গ্ৰহণ কৰে আৰু তেওঁৰ ভক্ত সকলে গাই গৰুৰ বলিদানৰ প্ৰসাদেৰে পেট নভৰাব কিয়? তেওঁলোকে পেটৰ কাৰণে ভাবে নে জগতৰ মঙ্গলৰ কাৰণে ভাবে? এনেকুৱা জঘন্য কথাবেই বাইবেল পৰিপূৰ্ণ। বাইবেলৰ এনেকুৱা কুসংস্কাৰৰ কাৰণেই এইদৰে বেদতো মিছা দোষাৰোপ ৰ ...জ, কিন্তু বেদত এনেকুৱা অন্ধবিশ্বাসৰ নামো নাই। এই ...য়কৈ বুজিব পাৰি যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ এক পৰ্ব্বতবাসী মনুষ্য ঈশ্বৰে মহী, লিখন আৰু কাগজ পত্ৰ তৈয়াৰ কৰিব নাজানিছিল পাইছিলো গতিকে শিলৰ ফলিত লিখিছিল আৰু বনজ নিৰ্বোধ মানত ঈশ্বৰ হৈ পৰিছিল ॥ ৪৬ ॥

৪৭। আৰু কৈছিল যে, "তুমি মোৰ ৰূপ চাব খুখুজিবা, কাৰণ কোনো মানুহে দেখিলে তেওঁ জীয়াই থাকিব নোৱাৰে"। আৰু

পৰমেশ্বৰে কলে, "দেখা, মোৰ এক স্থান আছে, তুমি সেই টিলাত থিয় হৈ থাকিবা। তেতিয়া মোৰ বিভৱ যাত্ৰাৰ সময়ত তোমাক মই শিলৰ ফাটৰ ভিতৰত ৰাখি মোৰ গন্তব্য স্থানৰ শেষলৈকে হাতৰ তলুৱাৰে আঁৰ কৰি ৰাখিম। তাৰ পাছত মই কৰতলৰ আঁৰ এৰি দিলে মোৰ পাছ ফাল দেখিবলৈ পাবা, কিন্তু মোৰ মুখ দৰ্শন কৰিবলৈ নোপোৱা।

তৌঃ যাঃ পঃ ৩৩। আঃ ২০—২৩॥

সমীক্ষক—এতিয়া বুজক, খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ দেহধাৰী। তেওঁ মুছাৰ লগত কিমান চতুৰতা কৰি স্বয়ং সিদ্ধ ঈশ্বৰ হৈ পৰিল। যাৰ কেৱল পাছ ফালৰ ভাগহে দেখা যায়, আকৃতি দেখা নেযায়, তেওঁক হাতেৰেও ঢাকিব নোৱাৰি। যেতিয়া ঈশ্বৰে মুছাক হাতেৰে ঢাকিছিল, তেতিয়া মুছাই তেওঁৰ হাতৰ আকৃতিও নেদেখিলে নেকি? ৪৭॥

প্ৰচীন বাইবেলৰ লয় ব্যৱস্থাৰ পুস্তক।

৪৮। পাছত পৰমেশ্বৰে মুছাক মাতি মণ্ডলীৰ তম্বুৰ ভিতৰৰপৰা কলে, "তুমি ইস্ৰায়েলৰ সন্তানবোৰক কোৱা,—"তোমালোকৰ যদি কোনোৱে পৰমেশ্বৰৰ উদ্দেশ্যে উপহাৰ উছৰ্গা কৰে তেন্তে নিজৰ নিজৰ গৰু, ভেড়া আদি পশু পালৰ পৰা উপহাৰ আনি উছৰ্গা কৰক।"

তৌঃ লয় ব্যৱস্থাৰ পুস্তক॥ পৰ্ব্ব ১। অঃ ১।২।

সমীক্ষক—এতিয়া ভাবি চাৰ পাৰে। খ্ৰীষ্টীয়ান ঈশ্বৰে গাই, বলধ আদি বলি ৰূপে গ্ৰহণ কৰে আৰু তাৰ কাৰণে আৱশ্যক হলে নিজেই উপদেশ দিয়ে। তেতিয়া হলে ঈশ্বৰ গৰাদি পশুৰ ৰক্তপিপাসু আৰু মাংসলোভী। গতিকে তেওঁক অহিংস আৰু ঈশ্বৰ বুলিব নোৱাৰি; যিহেতু তেওঁ এজন মাংসাহাৰী আৰু কপট আচৰণশীল মানুহৰ দৰে॥ ৪৮॥

৪৯। পাছত তেওঁ পৰমেশ্বৰৰ সম্মুখত সেই গো হনন কৰিব আৰু হাৰুণৰ পুত্ৰ যাজকে ওচৰলৈ ৰক্ত আনি যজ্ঞ বেদীৰ চাৰিও ফালে

মণ্ডলী তম্বুৰ দুৱাৰৰ কাষত থকা বেদীৰ ওপৰত সেই ৰক্ত চাৰিও ফালে সিঞ্চন কৰিব। আৰু তেওঁ সেই হোমবলিৰ চাল গুছাই ডোখৰ ডোখৰকৈ কাটিব। পাছত হাৰুণ যাজকৰ পুত্ৰ সকলে বেদীৰ ওপৰৰ অগ্নিত কাঠ জাঁপি দিব। আৰু হাৰুণৰ পুত্ৰ যাজকবোৰে সেই বেদীৰ ওপৰৰ অগ্নি আৰু কাঠৰ ওপৰত মণ্ডহৰ টুকুৰা, মুৰ আৰু তেল, চৰ্ব্বিবোৰ দিব। পাছত যাজকে সেই আটাইবোৰ পুৰিব; এই হোমবলি পৰমেশ্বৰৰ উদ্দেশ্যে সৌৰভাৰ্থক অগ্নিৰ উপহাৰ।। তৌঃ লঃ পঃ ১। আঃ ৫—৯॥

সমীক্ষক—এতিয়া ভাবি চ'ক! পৰমেশ্বৰৰ ভক্তই তেওঁৰ আগত বৃষ হত্যা কৰিব আৰু আনৰ দ্বাৰাই হত্যা কৰাব; ভক্তসকলে চাৰিও ফালে ৰক্ত সিঞ্চন কৰিব, অগ্নিত হোম কৰিব, পৰমেশ্বৰে তাৰ সুগন্ধ আঘ্ৰাণ কৰিব! যিবোৰ মাংস বেপাৰী কচাইৰ ঘৰত সদায় হয়। এই বোৰ কচাইতকৈ কোন গুণে শ্ৰেষ্ঠ? গতিকে বাইবেল ঈশ্বৰৰ বচিত নহয়, আৰু যি ঈশ্বৰে বনজ মানুহৰ দৰেই কৰ্ম্ম কৰে, তেওঁ যথাৰ্থতে কেতিয়াও ঈশ্বৰ হৰ নোৱাৰে। ৪৯॥

পাপ খণ্ডন

৫০। আৰু পৰমেশ্বৰে মুছাক কলে—"অভিষিক্ত যাজকে যদি সাধাৰণ মানুহৰ দৰে পাপ কৰে, তেনেহলে তেওঁ নিজৰ কৃত পাপৰ কাৰণে পৰমেশ্বৰৰ উদ্দেশ্যে এটা নিৰ্দ্দোষ গোবৎস পাপ নাশক বলিৰূপে উৎসৰ্গ কৰিব"।

লৈঃ ব্যঃ তৌঃ পঃ ৪। আঃ ১—৩—৪॥

সমীক্ষক—পাপ ক্ষয় কৰা প্ৰায়শ্চিত্ত কেনেকুৱা চ'ক! কোনোৱে পাপ কৰাৰ পাছত প্ৰায়শ্চিত্তৰ কাৰণে গো আদি প্ৰয়োজনীয় পশু হত্যা কৰিব আৰু স্বয়ং ঈশ্বৰেই হত্যা কৰাব! ধন্য খ্ৰীষ্টীয়ান সকল! যি এনেবোৰ কাৰ্য্য কৰে, আপোনালোকে তাকেই ঈশ্বৰ বুলি বিশ্বাস কৰে আৰু তেওঁৰ ওচৰত মুক্তি সুখৰ আশা কৰে। ৫০॥

৫১। আৰু যদি কোনো অধ্যক্ষই পাপ কৰে, তেনেহলে নিজৰ উপহাৰ ৰূপে এটা নির্দ্দোষ মতা ছাগলী আনিব। তাৰ পাছত পৰমেশ্বৰৰ আগত হত্যা কৰিব; এয়েই হ'ল পাপ খণ্ডনৰ উছৰ্গা। তৌঃ লৈঃ পঃ ৪। আঃ ২২-২৪॥

সমীক্ষক—বেছ! তেনেহলে খ্রীষ্টীয়ান কর্ত্তৃপক্ষ অর্থাৎ বিচাৰপতি, সেনাপতি আদিয়ে পাপ কৰিবলৈ ভয় কৰিব কিয়? তেওঁলোকে নিজে ইচ্ছামতে পাপ কৰিব, পাছত প্রায়শ্চিত্ত ৰূপে গাই, দমৰা বা ছাগলী হত্যা কৰিব। এই কাৰণেই খ্রীষ্টীয়ানসকলে প্রাণী হত্যা কৰাত শঙ্কিত নহয়। খ্রীষ্টীয়ানসকলে এতিয়াও এই বনবাসীৰ জঘন্য মত এৰি সুসভ্য বৈদিক মত অৱলম্বন কৰক; তাৰ পৰা কল্যাণ সাধন হব। ৫১॥

৫২। আৰু যদি ছাগলী দিয়াত অসমর্থ, তেনেহলে নিজৰ পাপৰ কাৰণে এজোৰ পাৰ বা কপৌ তেওঁৰ কৃত পাপ মোচনৰ বাবে আনিব। যাজকে সিহঁতৰ দিঙি মোছাৰিব কিন্তু ছিঙি নেপেলাব। এইদৰে যাজকে নিজৰ পাপৰ প্রায়শ্চিত্ত কৰিব, তেওঁৰ পাপৰ ক্ষমা কৰিব। আৰু যি এজোৰ পাৰ দিয়াতো অসমর্থ তেওঁ পাপ খণ্ডাবৰ কাৰণে এসেৰৰ দশাংশ চুজি বলি ৰূপে আনিব। ●● তাৰ লগত তেল নিদিব। তাৰ দ্বাৰাই তেওঁৰ পাপৰ ক্ষমা হব। তৌঃ লৈঃ পঃ ৫। আঃ ৭-৮।

সমীক্ষক—খ্রীষ্টীয়ানৰ ধনীবোৰে পাপ কার্য্যক ভয় নকৰে আৰু দয়ো নকৰে, কাৰণ তেওঁলোকৰ ঈশ্বৰে পাপৰ প্রায়শ্চিত্ত কৰা অতি সহজ কৰি দিছে। বাইবেলৰ এইটোও এটা অতি অদ্ভুত কথা; কাৰণ কোনো এটা কৃত পাপ আন এটা পাপৰ দ্বাৰাই খণ্ডন হয়। এটাই পাপ কৰি অন্য প্রাণীক হিংসা বা হত্যা কৰি খুব আনন্দৰে খালেই পাপ মোচন হৈ যায়। গাৰৰ ডিঙি মুহৰিলে বহুত পৰলৈকে সি কষ্টত ধৰফৰাই থাকে

তথাপি খ্রীষ্টীয়ানৰ দয়া ভাৰ নহয়। তেওঁলোকৰ ঈশ্বৰৰ উপদেশেই হৈছে হিংসা কৰা আৰু সকলো পাপৰ এইদৰে হিংসাতেই প্রায়শ্চিত্ত হয়, তেনেহলে যীশুক বিশ্বাস কৰি পাপৰ বাবে অনুতাপ কৰিব লাগে বুলি কোৱা কথাষাৰ মুখৰ আৰু উপকৰাহে। ৫২॥

৫৩। আৰু যি বলি উৎসর্গ কৰে, বলি দিয়া জন্তুৰ ছাল, টৌ-কেৰাহীত অৱশিষ্ট হৈ থকা মাংস আদি আহাৰ সকলো তেওঁৰেই পাব। তৌঃ লৈঃ পঃ ৭। আঃ ৮-৯॥

সমীক্ষক—মই ভাবিছিলো এই দেশতহে দেৱতা, পোপ আৰু মন্দিৰৰ পূজাৰীবোৰৰহে বিচিত্র (অদ্ভুত) পোপলীলা আছে, কিন্তু খ্রীষ্টীয়ানৰ ঈশ্বৰ আৰু ঈশ্বৰৰ পূজাৰীবোৰৰ পোপলীলা সহস্রগুণে বেছি। কাৰণ ছাগৰ দাম আৰু খাদ্য বস্তু পালে খ্রীষ্টীয়ানসকলে বোধহয় খুব আমোদ প্রমোদ কৰিছিল আৰু এতিয়াও কৰে। নিজৰ পুত্রক হত্যা কৰি তাৰ মাংস অন্য পুত্রক কোনো মানুহে খুৱাৰ পৰাটো সম্ভৱ নে? মনুষ্য আদি সকলো প্রাণী ঈশ্বৰৰ সন্তান তুল্য। গতিকে ঈশ্বৰে এনে কাম কেতিয়াও কৰিব নোৱাৰে। গতিকে বাইবেল ঈশ্বৰৰ ৰচিত নহয়, বাইবেলৰ ঈশ্বৰ আৰু সেই ঈশ্বৰৰ বিশ্বাসপৰায়ণসকল ধর্ম্মজ্ঞ হব নোৱাৰে। লয় ব্যৱস্থা আদি গ্রন্থবোৰ এনেবোৰ অযুক্তিকৰ কথাৰেই পৰিপূর্ণ। অধিক উল্লেখ আৰু নকৰিলেও হয়। ৫৩॥

গণনা পুস্তক

৫৪। আৰু এজনী গাধই পৰমেশ্বৰৰ দূতক তৰোৱাল লৈ বাটত থিয় হৈ থকা দেখিলে। গাধজনীয়ে বাট এৰি পথাৰলৈ গ'ল, তেতিয়া বিলিয়মে সেই গাধজনীক বাটলৈ আনিবলৈ লাঠিৰে মৰিয়ালে। তেতিয়া পৰমেশ্বৰে সেই গর্দ্দভীৰ মুখেৰে কথা কোৱালে, গর্দ্দভীয়ে বিলিয়মক সুধিলে, "মইনো তোমাৰ কি অপকাৰ কৰিলো

তুমি যে মোক তিনিটা মাৰ মাৰিলা ?

তৌঃ গঃ পঃ ২২ । আঃ ২৩ । ২৮ ॥

সমীক্ষক—পূৰ্ব্বকালত গাধয়ো ঈশ্বৰ দূতক দেখিছিল, কিন্তু আজি কালি বিচপ, পাদ্ৰী আদি শ্ৰেষ্ঠ অথবা নিকৃষ্ট কোনেও ঈশ্বৰ বা ঈশ্বৰৰ দূত নেদেখে। তেনেহলে খ্ৰীষ্টীয়ানৰ ঈশ্বৰ আৰু দূত এতিয়া নাই নেকি ? আছে যদি তেওঁলোক গভীৰ নিদ্ৰাত অভিভূত হৈ পৰি আছে ; নহলে অন্য কোনো লোকত গৈ আছে নেকি ? তেওঁলোক আন কামত ব্যস্ত আছে নেকি ? বা খ্ৰীষ্টীয়ানসকলৰ ওপৰত অসন্তুষ্ট হৈ আছে নে মৰি গ'ল ? আচলতে তেওঁলোকৰ কি হ'ল জনাৰ উপায় নাই। এতিয়া যিহেতু তেওঁলোক নাই, খ্ৰীষ্টীয়ানসকলৰ দৃষ্টিগোচৰ নহয়, সেয়ে অনুমান হয় যে, তেওঁলোক আগতো নাছিল আৰু দৃষ্টিগোচৰো হোৱা নাছিল। এইবোৰ মনেৰে কল্পনা কৰা ভুৱা কাহিনী মাত্ৰ । ৫৪ ॥

স্যামুয়েলৰ দ্বিতীয় পুস্তক

৫৫। কিন্তু সেই ৰাতিতে পৰমেশ্বৰৰ এই বাণী নাথনলৈ কৈ পঠোৱা হল- "তুমি গৈ আমাৰ দাস দায়ুদক কৰা যে, পৰমেশ্বৰে এই কথা কৈছে। তুমি মোৰ থকা ঘৰ নিৰ্ম্মাণ কৰিবা নে ? ইস্ৰায়েলৰ সন্তানবোৰক মিছৰৰ পৰা বাহিৰ কৰি অনাৰ দিন ধৰি আজি পৰ্য্যন্ত মই কোনো গৃহত বাস কৰা নাই, কেৱল তম্বু আৰু পঁজা ঘৰত থাকিয়েই ঘুৰি ফুৰিছো।

তৌঃ স্যামুয়েল ২য় পুঃ পঃ ৭ । আঃ ৪-৬ ॥

সমীক্ষক—ইয়াৰ পৰা নিঃসন্দেহে বুজিব পাৰি যে, খ্ৰীষ্টীয়ানৰ ঈশ্বৰ মানুহৰ দৰেই দেহধাৰী। তেওঁ পৰিশ্ৰান্ত হৈ জনাইছে যে তেওঁ কোনো স্থান স্থিতি নোহোৱাকৈ যতে ততে ঘুৰি ফুৰোতে ভাগৰি পৰিছে, তেওঁৰ কাৰণে দাউদে গৃহনিৰ্ম্মাণ কৰি দিলেহে তাত আশ্ৰয় লৈ বিশ্ৰাম কৰিব পাৰে। এনেকুৱা ঈশ্বৰ আৰু এনেকুৱা পুস্তক বিশ্বাস

কৰাত খ্ৰীষ্টীয়ান সকলৰ বিবেকে বাধা নিদিয়ে নে ? কিন্তু উপায় পোৱা নাই। এবাৰ যেতিয়া বিশ্বাস কৰি আবদ্ধ হৈ পৰিছে, তাৰ পৰা ওলোৱা সহজ নহয়, গতিকে বিশেষ চেষ্টাৰ প্ৰয়োজন ॥ ৫৫ ।

ৰজাসকলৰ পুস্তক

৫৬। ঊনবিংশতি বৰ্ষৰ পঞ্চম মাহৰ সপ্তম দিনা বেবিলনৰ ৰজাৰ প্ৰধান সেনাপতি নেবুজৰ এদেন জেৰুজেলেমলৈ আহিলে। তেওঁ পৰমেশ্বৰৰ মন্দিৰ, ৰজাৰ ৰাজভৱন আৰু জেৰুজেলেমৰ আটাইবোৰ ঘৰ জ্বলাই দিলে আৰু চাডীজ সৈন্যৰ ৰক্ষক সেনাপতিৰ অধীনত থকা ৰক্ষী বাহিনীয়ে জেৰুজেলেমৰ চাৰিওফালৰ গড়বোৰ ভাঙি পেলালে। তৌঃ ৰাঃ পঃ ২৫। আঃ ৮-১০ ॥

সমীক্ষক—খ্ৰীষ্টীয়ান সকলৰ ঈশ্বৰে দাউদ আদিৰ ঘাৰাই কোনো ৰকম ঘৰ সজাই তাত বিশ্ৰাম কৰিছিল বোধহয় ; কিন্তু নেবুজৰ এদেনে ঈশ্বৰৰ ঘৰ জ্বলাই পুৰি পেলালে, ঈশ্বৰ আৰু দূত সৈন্যই একো কৰিব নোৱাৰিলে। পূৰ্ব্বতে খ্ৰীষ্টীয়ানৰ ঈশ্বৰ মহাযোদ্ধা আৰু দিগ্বিজয়ী আছিল। তেওঁৰ নিজৰ ঘৰ জ্বলাই দিয়া সত্ত্বেও নিষ্ক্ৰিয় হৈ থাকিলে কিয় ? তেওঁৰ দূত সৈন্যবোৰ ক'লৈ পলাল সেই সময়ত ? ঈশ্বৰৰ পৰাক্ৰম কলৈ গ'ল ? যদি এই ঘটনা সত্য হয়, তেনেহলে পূৰ্ব্বে কথিত বিজয়ৰ কাহিনী মিছা। ঈশ্বৰে মিছৰ দেশৰ শিশুবোৰক হত্যা কৰিও শৌৰ্য্য বীৰ্য্যৰ সম্পূৰ্ণ পৰিচয় দিছিল। তাৰ পাছত তেওঁ শত্ৰুৰ সম্মুখত নিষ্ক্ৰিয় হৈ থাকিল কিয় ? গতিকে খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ নিন্দা আৰু অকীৰ্ত্তিৰ ভাজন। এনেকুৱা হাজাৰ হাজাৰ অৰ্থহীন গল্পৰেই গ্ৰন্থখন পৰিপূৰ্ণ ॥ ৫৬ ॥

বাইবেল ধৰ্ম্ম পুথিৰ দ্বিতীয় ভাগ

সাময়িক ঘটনাবলীৰ প্ৰথম পুস্তক।

৫৭। তাৰ পাছত পৰমেশ্বৰে ইস্ৰায়েললৈ মহামাৰী পঠিয়ালে তাৰ ফলত ইস্ৰায়েলৰ ৭০,০০০ (সত্তৰ হেজাৰ) লোক মৰিল। কাঃ দ্বিঃ ২। পঃ ২১। আঃ ১৪॥

সমীক্ষক—এতিয়া ইস্ৰায়েলৰ খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰৰ লীলা চ'ক! যি ইস্ৰায়েলবাসীক তেওঁ অনেক বাৰ বৰ দিছিল আৰু যাৰ কল্যাণৰ কাৰণে দিনে বাতিয়ে পৰিশ্ৰম কৰিছিল, হঠাৎ তেওঁলোকৰ প্ৰতি ক্ৰুদ্ধ হৈ মহামাৰী পঠিয়াই ৭০,০০০ (সত্তৰ হেজাৰ) মানুহ বিনাশ কৰিলে। এই বিষয়ে এজন কবিয়ে যি লিখিছে সত্য :—

ক্ষণে রুষ্টঃ ক্ষণে তুষ্টঃ তুষ্টঃ রুষ্টঃ ক্ষণে ক্ষণে।
অব্যবস্থিত চিত্তস্য প্রসাদোঽপি ভয়ঙ্করঃ ॥১॥

যি ব্যক্তি ক্ষণে ক্ষণে প্ৰসন্নও হয় অপ্ৰসন্নও হয়, তেওঁৰ প্ৰসন্নতাও ভয় জনক। খ্ৰীষ্টিয়ানসকলৰ ঈশ্বৰৰ লীলাও এনেকুৱাই। ৫৭॥

ঐয়ুবৰ পুস্তক (The Book of Job)

৫৮। আৰু এদিন ঈশ্বৰৰ পুত্ৰবোৰে ঈশ্বৰৰ সম্মুখত ঠিয় হ'ল আৰু তেওঁলোকৰ লগত চয়তান (অসুৰ) এটাও পৰমেশ্বৰৰ আগত ঠিয় হ'ল। পৰমেশ্বৰে চয়তানক সুধিলে, "তুমি ক'ৰ পৰা আহিলা"? চয়তানে পৰমেশ্বৰক উত্তৰ দি কলে—"মই পৃথিৱী ভ্ৰমি আৰু ইফালে সিফালে ঘুৰি-পকি আহিছো"। তেতিয়া পৰমেশ্বৰে চয়তানক সুধিলে—"মোৰ সেৱক ঐয়ুবক তুমি পৰীক্ষা কৰিছা নেকি? কাৰণ, তেওঁৰ সমান সিদ্ধ, সৰল, ঈশ্বৰ ভক্ত, অকাৰণে দুষ্কৰ্ম্মত ভাগী পৰুষ পৃথিৱীত আৰু কোনো নাই। তুমি তেওঁক অকাৰণে বিনষ্ট কৰিবলৈ মোক প্ৰবৃত্ত কৰাইছা যদিও, তেওঁ এতিয়াও সততা ৰক্ষা কৰি আহিছে"। চয়তানে পৰমেশ্বৰক উত্তৰ দি কলে, "লোকে ছালৰ নিমিত্তে ছাল আৰু প্ৰাণৰ কাৰণে সৰ্ব্বস্ব দিব। তুমি এবাৰ হাত মেলি তেওঁৰ হাড় আৰু মাংস স্পৰ্শ কৰা, তেওঁ নিশ্চয় তোমাৰ আগতেই তোমাক জলাঞ্জলি দিব"। পৰমেশ্বৰে চয়তানক কলে, "চোৱা তেওঁ তোমাৰ হস্তগত; কেৱল তেওঁৰ প্ৰাণটো বচোৱা"। পাছত

চয়তান পৰমেশ্বৰৰ সম্মুখৰ পৰা বাহিৰ ওলাই ঐয়ুবৰ ভৰিৰ পৰা মূৰলৈকে ফোঁহা ৰোগ উৎপন্ন কৰিলে॥ জব, ঐয়ুঃ পঃ ২। আঃ ১-৭।

সমীক্ষক—খ্ৰীষ্টীয়ান ঈশ্বৰৰ ক্ষমতা শক্তি চ'ক! চয়তানে তেওঁৰ আগতেই তেওঁৰ প্ৰিয় ভক্তক নিৰ্য্যাতিত কৰিছে; কিন্তু তেওঁ চয়তানক বাধা দি ভক্তক ৰক্ষা কৰিব নোৱাৰে আৰু ঈশ্বৰৰ কোনো দূতেও চয়তানৰ বিৰুদ্ধে ঠিয় হবলৈ সাহ নকৰিলে! চয়তানে অকলেই সকলোকে সন্ত্ৰস্ত কৰি ৰাখিছে। খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়। সৰ্ব্বজ্ঞ হোৱা হলে তেওঁ চয়তানৰদ্বাৰাই ঐয়ুবৰ পৰীক্ষা কৰালেহেঁতেন কিয়? ৫৮॥

উপদেশ-পুস্তক

৫৯। মোৰ হৃদয়ত নানা প্ৰকাৰ জ্ঞান আৰু বুদ্ধিৰ অনুভূতি হৈছে। মই জ্ঞান জিজ্ঞাসাত আৰু অজ্ঞান জিজ্ঞাসাত মনোযোগ দিলো, মই অনুভৱ কৰিলো যে, সেইবোৰ মনৰেই ভ্ৰম। কাৰণ জ্ঞানৰ বৃদ্ধি মানে মনস্তাপৰো বৃদ্ধি, আৰু অজ্ঞানৰ বৃদ্ধি হলে দুখৰো বৃদ্ধি হয়॥ জ: উঃ পঃ ১। আঃ ১৬-১৮॥

সমীক্ষক—এতিয়া চ'ক! জ্ঞান আৰু বুদ্ধি পৰ্য্যায় বাচক শব্দ; এই দুটা শব্দৰ পৃথক অৰ্থ, আৰু জ্ঞানৰ বৃদ্ধিত দুখ আৰু শোকৰ হোৱাৰ বুলি ভৱা, অজ্ঞান মানুহৰহে সম্ভৱ হব পাৰে। দেখা যায়, বাইবেল ঈশ্বৰৰ ৰচিত বুলি ভৱা দুবৈৰ কথা, বিদ্বান ব্যক্তিৰো ৰচিত হব নোৱাৰে।৫৯।

প্ৰাচীন বাইবেলৰ বিষয়ে ইমানকেই আলোচনা কৰা হল। ইয়াৰ পাছত নব্য বাইবেলৰ বিষয়ে অলপ আলোচনা কৰা হব। খ্ৰীষ্টীয়ান-সকলে ইয়াকেই নিশ্চিত প্ৰমাণ বুলি ভাবে আৰু সাৰ সত্য বুলি কয় (Gospel Truth)। এই গ্ৰন্থৰ বিষয়ে এতিয়া আলোচনা কৰি চোৱা য'ক।

নতুন বাইবেল

মেথিউৰ প্ৰমাণ

৬০। যীচুখ্ৰীষ্টৰ জন্ম। তেওঁৰ মাক মেৰী যোছেফৰ লগত বাগ্‌দত্তা হোৱাত তেওঁলোকৰ সহবাসৰ পূৰ্ব্বেই জানিব পৰা গল যে, পবিত্ৰ আত্মাৰ ঔৰসত মেৰীৰ গৰ্ভ হৈছে। প্ৰভুৰ এক দূতে যোছেফক সপোনত দৰ্শন দি কলে—"যোছেফ! তুমি দায়ুদৰ (Dvid) সন্তান, তোমাৰ স্ত্ৰী মেৰীক গ্ৰহণ কৰিবলৈ ভয় নকৰিবা, কাৰণ তেওঁৰ গৰ্ভ পবিত্ৰ আত্মাৰ পৰা হৈছে।

মেথিউঃ ইঃ পঃ ১। আঃ ১৮-২০॥

সমীক্ষক—প্ৰত্যক্ষাদি প্ৰমাণ আৰু সৃষ্টিক্ৰম-বিৰুদ্ধ এনেবোৰ কথা বিশ্বাস কেৱল মূৰ্খ আৰু বন্য মানুহেহে কৰিব পাৰে; সভ্য মানুহে নকৰে। ঈশ্বৰৰ সৃষ্টি বিধি কোনোৱে উল্লঙ্ঘন কৰিব পাৰেনে? পৰমেশ্বৰেও বিধি স্বয়ং পৰিবৰ্ত্তন কৰিলে, তেওঁকো কোনোৱে নেমানিব। পৰমেশ্বৰ সৰ্ব্বজ্ঞ আৰু অভ্ৰান্ত। এইদৰে যিবোৰ কুমাৰী নাৰী গৰ্ভৱতী হয়, সেইবোৰ পৰমেশ্বৰৰ কৃপাতেই গৰ্ভৱতী হোৱা বুলি ধৰিব লাগিব। তেওঁলোকেও মিছাকৈ কব পাৰে, "পৰমেশ্বৰৰ দূতে সপোনত কৈছে যে, পৰমেশ্বৰৰ কৃপাত গৰ্ভ হৈছে"। পুৰাণতো এইদৰে সূৰ্য্যৰ দ্বাৰাই কুন্তীৰ গৰ্ভাধান হোৱা আদি কিছুমান অসম্ভৱ আখ্যান ৰচনা কৰা হৈছে। এনেবোৰ অলীক কাহিনীৰে নিৰ্ব্বোধ আৰু সম্পত্তিশালী মূৰ্খবোৰক ধূৰ্ত্ত ধৰ্ম্মধ্বজীয়ে ভ্ৰম-জালত পেলায়। মেৰী, বোধহয় কোনো পুৰুষৰ সংসৰ্গত গৰ্ভৱতী হৈছিল। সেই পুৰুষ অথবা অন্য কোনোৱে এই অসম্ভৱ কাহিনী প্ৰচাৰ কৰি মানুহক ভুৰা দিলে যে, মেৰী ঈশ্বৰদ্বাৰাই গৰ্ভৱতী হৈছে।৬০॥

৬১। তাৰ পাছত যীচুক চয়তানৰ দ্বাৰাই পৰীক্ষা কৰিবৰ কাৰণে আত্মাই হাবিলৈ নিলে। হাবিৰ মাজত ৪০ দিন আৰু ৪০ ৰাতি ভোকত একো খাবলৈ নিদিয়াকৈ ৰাখি পৰীক্ষক ওচৰলৈ

আহি কলে, "তুমি যদি ঈশ্বৰৰ পুত্ৰ হোৱা, তেনেহলে এই শিল বোৰক কটি হবলৈ কোৱা"। মঃ ইঃ পঃ ৪। আঃ ১-৩॥

সমীক্ষক—ইয়াৰ পৰাই জানিব লাগিব যে, খ্ৰীষ্টীয়ানসকলৰ ঈশ্বৰ সৰ্ব্বজ্ঞ নহয়, হলে তেওঁ স্বয়ং জানিব পাৰিলেহেঁতেন। আৰু চয়তানৰ দ্বাৰাই ঈশ্বৰৰ পৰীক্ষা নকৰালেহেঁতেন। বাক, আজি কালি কোনোবা খ্ৰীষ্টীয়ান ৪০ দিন ৪০ ৰাতি অনাহাৰে থাকিব পাৰেনে। এই কথাৰ পৰাই প্ৰমাণ হয় যে, যীচু ঈশ্বৰৰ পুত্ৰ নহয়, তেওঁৰ কোনো আলৌকিক শক্তিও নাছিল। থকা হলে চয়তানৰ কথামতে শিলবোৰ কটি নকৰিলে কিয়? তেওঁৰেই বা অনাহাৰে থাকিল কিয়! গতিকে সিদ্ধান্ত এই যে, পৰমেশ্বৰৰ সৃষ্ট শিলক কোনোৱে কটি কৰিব নোৱাৰে, ঈশ্বৰে নিজেও তেওঁৰ পূৰ্ব্বে নিৰ্দ্ধাৰণ কৰা নিয়ম পৰিবৰ্ত্তন কৰিব নোৱাৰে, কাৰণ তেওঁ সৰ্ব্বজ্ঞ, ভ্ৰম-প্ৰমাদ আদি দোষ ৰহিত। ৬১॥

৬২। তেওঁ তেওঁলোকক কলে, "মোৰ পিছে পিছে আহা। মানুহ ধৰা জালোৱা হব পাৰিবা"। তেওঁলোকে নিজৰ নিজৰ জাল ত্যাগ কৰি তেওঁক অনুসৰণ কৰিলে। মঃ ইঃ পঃ ৪। আঃ ১৯-২১॥

সমীক্ষক—ইয়াৰ পৰাই জনা যায় যে, প্ৰাচীন বাইবেলত দশমটো আজ্ঞাত পাপৰ উল্লেখ আছে যে, মাতাপিতাৰ সেৱা-শুশ্ৰূষা আৰু সম্মান নকৰিলে সন্তানৰ আয়ুক্ষয় হয়। যীচুৱে তেওঁৰ মাতাপিতাৰ সেৱা শুশ্ৰূষা কৰা নাই, আনকো মাতাপিতাৰ সেৱা-শুশ্ৰূষাৰ পৰা বিৰত কৰিছে। তাৰ ফলত যীচু দীৰ্ঘজীৱী নহল। আৰু যীচুৱে জনসাধাৰণক জালত পেলাৰৰ কাৰণেই নিজৰ বিশেষ মতৰ প্ৰচাৰ কৰিছিল। তেওঁ ভাবিছিল যে, সকলোকে মাছৰ দৰে তেওঁৰ মতৰ জালত পেলাই স্বাৰ্থসিদ্ধি কৰিব। স্বয়ং যীচুই যেতিয়া তেনে আছিল, তেওঁৰ পাছৰী সকলে জনসাধাৰণক

তেওঁলোকৰ জালত পেলোৱাত আচৰিত হব লগীয়া একো নাই। যেনেকৈ বেছি ডাঙৰ ডাঙৰ মাছ জালত পেলাব পাৰিলে মাছমৰীয়াৰ অৰ্থলাভ আৰু যশ হয়, সেইদৰে নিজ চক্রান্তেৰে মানুহক জালত পেলাই অনুগামী কৰিব পাৰিলেও বিশেষ সম্মান আৰু জীৱিকা সুচল হয়। যিবোৰ সৰল প্রকৃতিৰ মানুহ আৰু যি সকলে বেদ আদি শাস্ত্র অধ্যয়ন বা শ্রৱণ কৰা নাই সেইবোৰক পাদ্রী সকলে তেওঁলোকৰ মতৰ জালত পেলাই তেওঁলোকৰ মাতা-পিতা আৰু আত্মীয়-স্বজনৰ পৰা আঁতৰাই নিয়ে। গতিকে সহজলৰে পাদ্রীৰ জালৰ পৰা নিজক আৰু নিৰ্ব্বোধ জনসাধাৰণকো ৰক্ষা কৰাৰ বাবে যত্নবান হোৱা সৎ পৰায়ণ মানুহ মাত্রৰেই কৰ্ত্তব্য ।৬২ ॥

অলৌকিক মহিমা

৬৩। পাদ্রত যীচুৱে সকলো গালীল দেশ ভ্রমণ কৰিবলৈ ধৰিলে। তেওঁ সভাত উপদেশ দিছিল, ৰাজ্যত সুসমাচাৰ প্রচাৰ কৰিছিল। নানা প্রকাৰৰ ৰোগগ্রস্ত সকলক, দুঃখিতক, ক্লান্তক, ভূতগ্রস্তক, আওঁ (মৃগী) ৰুগীয়াক, আৰু একাঙ্গী ৰেমাৰীক আৰোগ্য কৰিছিল। মঃ ইঃ পঃ ৪। আঃ ২৩-২৫ ।।

সমীক্ষক—মন্ত্র, পুৰশ্চৰণ, আশীৰ্ব্বাদ, বীজমন্ত্র আৰু ভস্মৰ ফোঁট দি ভূত খেদা, আৰু ৰোগ দূৰ কৰা আদি পোপ লীলা সঁচা হলে বাইবেলৰ কথাৰোৰো সচাঁ হব। এই গল্পৰোৰ কেৱল নিৰ্ব্বোধ মানুহক বিভ্রান্ত কৰিবৰ কাৰণেই ৰচনা কৰা হৈছে। এই বিষয়ত যীচুৰ লগত পোপ (প্রবঞ্চক) সকলৰো সাদৃশ্য আছে। খ্রীষ্টীয়ান সকলে যদি যীচুৰ বাক্য বিশ্বাস কৰে, দেৱদেৱীৰ পূজক পোপ সকলৰ কথা বিশ্বাস নকৰে কিয়? ৬৩ ॥

৬৪। যি সকল দীন-দৰিদ্র তেওঁলোকেই ধন্য; কাৰণ স্বর্গৰাজ্য তেওঁলোকৰহে। মই তোমালোকক সত্যকৈ কৈছোঁ যে, যেতিয়ালৈকে

আকাশ আৰু পৃথিবী বিলুপ্ত নহয়, তেতিয়ালৈকে সেই ব্যৱস্থাৰ এক মাত্রা অথবা এক বিন্দুও সফল নোহোৱালৈকে নেথাকে। গতিকে যি এই অতি ক্ষুদ্র আজ্ঞাবোৰৰ ভিতৰত যি কোনো আজ্ঞা উল্লঙ্ঘন কৰে, আৰু আনক তেনে কৰিবলৈ শিকায়, তেওঁ স্বর্গৰাজ্যত অতি ক্ষুদ্ররূপে গণ্য হব। ইঃ মঃ পঃ ৫। আঃ ৩-৪ । ১৮ ১৯ ।।

সমীক্ষক—স্বর্গ এখনেই যেতিয়া, তাৰ ৰজাও এজনেই হব লাগে, পিছ যিবোৰ দীন-দৰিদ্রই স্বর্গ লাভ কৰিব তাৰ ভিতৰত ৰাজ্যৰ অধিকাৰ কাৰ কাৰ হব? ৰাজ্যৰ অধিকাৰ লৈ পৰস্পৰৰ ভিতৰত যুজ-বাগৰ হব, ফলত ৰাজ্যও ছিন্ন ভিন্ন হৈ যাব। দীন শব্দৰ 'নিৰ্ব্বোধ' অৰ্থ অসঙ্গত। দীন শব্দৰ অৰ্থ 'নিৰহঙ্কাৰো' সঙ্গত নহয়, কাৰণ দীন আৰু নিৰহঙ্কাৰৰ অৰ্থ একে নহয়। যাৰ মন দীন, তেওঁৰ কেতিয়াও সন্তোষ নহয় গতিকে এই অৰ্থও যুক্তিহীন। যেতিয়া আকাশ আৰু পৃথিবী বিলুপ্ত হব তেতিয়া বিধানো লৰিব বা পৰিবৰ্ত্তন হব, এনেকুৱা অনিত্য অস্থিৰ ব্যৱস্থা মানুহবহে হব পাৰে, সৰ্ব্বজ্ঞ ঈশ্বৰৰ নহয়। এইবোৰ ভয় আৰু প্রলোভনৰ কথাহে যে, যি এই আদেশবোৰ নামানে, তেওঁ স্বর্গ ৰাজ্যত সকলোতেকৈ হেয় ৰূপে পৰিগণিত হব। ৬৪ ।

৬৫। আমাৰ দিনটোৰ আহাৰ আজি আমাক দিয়া। তোমালোকে নিজৰ কাৰণে পৃথিবীত ধন সঞ্চয় নকৰিবা। ইঃ মঃ পঃ ৬। আঃ ১১।১৯ ॥

সমীক্ষক—ইয়াৰ পৰা বুজিব পাৰি যে, যি সময়ত যীচুৰ জন্ম হৈছিল, সেই সময়ত জনসাধাৰণ বনৰীয়া আৰু দৰিদ্র অৱস্থাত আছিল, আৰু যীচুও স্বয়ং দৰিদ্র আছিল। সেই কাৰণেই তেওঁ প্রতি দিনৰ আহাৰৰ কাৰণে ঈশ্বৰক প্রার্থনা কৰিছিল আৰু সেই দৰেই আনকো উপদেশ দিছিল। তেনেহলে খ্রীষ্টীয়ান সকলে ধন-সম্পত্তি সঞ্চয় কিয়

কবে যীচুৰ আদেশ সমান্য নকবি পুণ্য অর্জ্জন কবা আৰু দীন-দবিদ্ৰ হোৱাই তেওঁলোকৰ কৰ্ত্তব্য ধৰ্ম্ম ॥ ৬৫ ॥

৬৬। যি সকলে মোক 'হে প্ৰভু, হে প্ৰভু" বোলে সেই সকলো স্বৰ্গ-ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে।

ইঃ-মঃ পঃ ৭। আঃ ২১ ॥

সমীক্ষক—এই বিষয়ে বিবেচনা কবি চ'ক! প্ৰধান ধৰ্ম্মযাজক বিহুপ আৰু খ্ৰীষ্টীয়ানসকলে যদি ভাবে যে, যীচুৱে যি কৈছিল সেয়ে সত্য, তেনেহলে যীচুক প্ৰভু অৰ্থাৎ ঈশ্বৰ বোলা তেওঁলোকৰ পক্ষে উচিত নহয়। এই উপদেশ লঙ্ঘন কৰিলে তেওঁলোক পাপী হব। ৬৬ ॥

৬৭। সেইদিনা অনেকে মোক কব, (Lord, Lord, have we not prophesied in thy name) আৰু তেতিয়া মই তেওঁ-লোকক স্পষ্টকৈ কম, "মই তহঁতক কোতিয়াও জনা নাছিলো; হেৰ অধৰ্ম্মীহঁত, মোৰ ওচৰৰ পৰা দূৰ হ"।

ইঃ মঃ পঃ ৭। আঃ ২২-২৩॥

সমীক্ষক—চক! যীচুৱে নিৰ্ব্বোধ মানুহৰ বিশ্বাস জন্মাবৰ কাৰণেই নিজেই স্বৰ্গৰ বিচাৰপতিৰ ৰূপ ধৰিছিল। নিৰ্ব্বোধ মানুহক প্ৰলোভন দেখুৱাটোৱেই তেওঁৰ অভিপ্ৰায় আছিল। ৬৭।

৬৮। আৰু শুনক, এক কুষ্ঠৰোগী তেওঁৰ ওচৰলৈ আহি প্ৰণাম কৰি কলে, "হে প্ৰভু, আপোনাৰ ইচ্ছা হলে মোক শুচি কৰিব পাৰে।" তেতিয়া তেওঁ হাত মেলি সেই কুষ্ঠৰোগীক স্পৰ্শ কৰি বলে "মোৰ ইচ্ছা তুমি শুচি হবা" আৰু তৎক্ষণাৎ সেই কুষ্ঠ বেমাৰী আৰোগ্য হ'ল। ইঃ ম. পঃ ৮। আঃ ২-৩।।

সমীক্ষক—কেৱল সৰল নিৰ্ব্বোধ মানুহক বিশ্বাস কৰাবৰ কাৰণেই এই কাহিনীবোৰৰ কল্পনা কৰা হৈছে। বিদ্যা আৰু সৃষ্টিক্ৰমৰ বিৰুদ্ধ এই কথাবোৰ যদি খ্ৰীষ্টীয়ানসকলে বিশ্বাস কৰে, তেনেহলে শুক্ৰাচাৰ্য্য,

ধন্বন্তৰি, আৰু কশ্যপ আদিৰ উপাখ্যানবোৰ মিছা বুলিবৰ যুক্তি কি? পুৰাণ আৰু মহাভাৰতত বৰ্ণনা আছে যে, অসুৰবোৰৰ অনেক মৃত যোদ্ধাক পুনর্জীৱিত কৰা হৈছিল। বৃহস্পতিৰ পুত্ৰ কচক খণ্ড খণ্ড কৰি পশু মাংসৰ দৰে শুক্ৰাচাৰ্য্যক খুৱোৱা হৈছিল। তথাপি শুক্ৰাচাৰ্য্যই কচক পেটৰ ভিতৰতেই পুনর্জীৱিত কৰি বাহিৰ কৰিছিল। কচক জীয়াবলৈ শুক্ৰাচাৰ্য্য নিজে নিহত হয়, কিন্তু কচে আকৌ শুক্ৰাচাৰ্য্যক পুনর্জীৱিত কৰে। ধন্বন্তৰিয়ে লক্ষ লক্ষ মৃতকক পুনর্জীৱিত, লক্ষ লক্ষ কুষ্ঠৰোগীক আৰোগ্য, লক্ষ লক্ষ অন্ধক চক্ষুদান আৰু বধিৰক শ্ৰৱণ শক্তি দিয়ে। এই ঘটনাবোৰ তেনে হলে কেনেকৈ মিছা বোলে? এইবোৰ যদি মিছা বুলি কয় তেনেহলে যীচুৰ কৰ্ম্মবোৰ মিছা নহব কিয়? আনৰ কথা মিছা, কিন্তু নিজৰ মিছাক সঁচা বুলি প্ৰতিপন্ন কৰিবলৈ বৃথা চেষ্টা কৰাক কি বুলি কব? গতিকে খ্ৰীষ্টীয়ানসকলৰ অলৌকিক ঘটনাৰ কাহিনীবোৰ অবোধ বালক আৰু মহা মূৰ্খহঁহে শুনিব। ৬৪ ॥

৬৯। তাৰ পাছত দুটা ভূতহৈ থকা মানুহ কবৰস্থানৰ পৰা বাহিৰ হৈ তেওঁৰ সম্মুখত উপস্থিত হ'ল। সিহঁত অতি দুৰ্দ্দান্ত আছিল, সেই বাটেদি কোনেও অহাযোৱা কৰিব নোৱাৰিছিল। সিহঁতে চিঞৰ-বাখৰ কৰি কলে,—"হে ঈশ্বৰৰ পুত্ৰ যীচু, আমাৰ লগত আপোনাৰ কি কাম? নিৰ্দ্দিষ্ট সময়ৰ আগতেই আমাক যাতনা দিবৰ কাৰণে আপুনি ইয়ালৈ আহিছে নেকি"? এইদৰে ভূত দুটাই মিনতি কৰি তেওঁক কলে, "আপুনি যদি আমাক বাহিৰ কৰিব খোজে তেনেহলে সৌ শূকৰৰ পালটোলৈ পঠিয়াই দিয়ক"। তেওঁ তেতিয়া সিহঁতক কলে,—"যা"। তেতিয়া সিহঁত গৈ গাহৰিৰ জাকত সোমাল। আৰু আটাইবোৰ গাহৰি এঢলীয়া পাবেদি বেগাই দৌৰি যাওঁতে সাগৰত ডুবি মৰিল। ইঃ মঃ পঃ ৮। আঃ ২৮—৩৩ ॥

সমীক্ষক—এইবোৰ মিছা কথা; কাৰণ মৰা শ কৰবৰ পৰা বাহিৰ হৈ আহিব নোৱাৰে, কাৰো লগত কথা কব নোৱাৰে। কেৱল অজ্ঞ

মানুহেহে এনেবোৰ কথা কয় আৰু তাকেই মূৰ্খ মানুহে শুনি বিশ্বাস কৰে। গাহৰিবোৰক হত্যা কৰি গাহৰি পালকবোৰৰ ক্ষতি কৰাৰ বাবে যীচুৰ পাপ হৈছিল। খ্রীষ্টীয়ান সকলৰ বিশ্বাস যে, যীচু পাপৰ ক্ষমাকাৰী আৰু তেওঁ সকলোকে পবিত্ৰ কৰে। তেনেহলে তেওঁ সেই ভূতবোৰক পবিত্ৰ কৰিব নোৱাৰিলে কিয়? আৰু সেই শূকৰ পালক সকলক ক্ষতি পূৰণ কৰি নিদিলে কিয়? এই আধুনিক যুগৰ সুশিক্ষিত খ্রীষ্টীয়ান ইংৰাজ সকলেও এই অসম্ভৱ কথাবোৰ বিশ্বাস কৰে নেকি? বিশ্বাস কৰে যদি তেওঁলোকো অন্ধ বিশ্বাসী। ৬৯ ॥

৭০। কেইজনমান মানুহে এটা অৰ্দ্ধাঙ্গী বোগীক তেওঁৰ ওচৰলে আনিলে, তেওঁ খাটত শয়ন কৰি আছিল। যীচুৱে তেওঁলোকৰ বিশ্বাস বুজি সেই অৰ্দ্ধাঙ্গীক কলে, "পুত্ৰ, সাহ কৰি উঠা, তোমাৰ পাপ ক্ষমা কৰা হল। ধাৰ্ম্মিক সকলৰ কাৰণে নহয় পাপীবোৰক পশ্চাত্তাপৰ কাৰণে মই সিহঁতক মাতিবলৈ আহিছো"। ইঃ মঃ পঃ ৯। আঃ ২। ১৩ ॥

সমীক্ষক—আগত উল্লেখ কৰা বিষয়বোৰৰ দৰেই এইটোও অসম্ভৱ আৰু বিশ্বাসযোগ্য নহয়। কেৱল মূৰ্খ মানুহক বিশ্বাস কৰাবৰ কাৰণেই সাজি কোৱা হৈছে যে, যীচুৱে পাপ ক্ষমা কৰে। এক ব্যক্তিয়ে মদ, ভাং বা কানি খালে যেনেকৈ আন মানুহৰ নিছা নহয়, সেই দৰে এটাই কৰা পাপৰ ভাগী আন হব নোৱাৰে। যি পাপ কৰে সিয়েই তাৰ ফল ভোগে। এয়েই ঈশ্বৰৰ ন্যায় বিধান। এজনৰ পাপ পুণ্যৰ ফল আন এজনে পালে, বা বিচাৰপতিয়ে স্বয়ং ললে, অথবা কৰ্ম্মকৰ্ত্তাক যথাযোগ্য ফল নিদিলে ঈশ্বৰ ন্যায়কাৰী হব নোৱাৰে। চাওক কেৱল ধৰ্ম্মহে সকলোৰে একমাত্ৰ কল্যাণকাৰী যীচু বা আন কোনো কল্যাণকাৰী হব নোৱাৰে। ধৰ্ম্মাত্মা, বা পাপীৰ কাৰণে যীচু বা আন কাৰো

আৱশ্যক নকৰে, কাৰণ কাৰো নিজৰ নিজৰ কৰ্ম্মৰ ফল খণ্ডন হব নোৱাৰে। ৭০ ॥

৭১। যীচুয়ে তেওঁৰ ১২ জন শিষ্যক মতাই আনি তেওঁলোকক অশুদ্ধ আত্মাবোৰৰ ওপৰত অধিকাৰ দিলে, যাতে তেওঁলোকে সিহঁতক বাহিৰ কৰি সকলো প্ৰকাৰ বোগ-ব্যাধি আবোগ্য কৰিব পাৰে। কণ্ডতাজন তুমি নোহোৱা, তোমাৰ পিতাৰ আত্মাই তোমাক অন্তৰৰ পৰা কথা কৈছে। মই পৃথিবীত মিলন ঘটাবলৈ আহিছো বুলি নেভাবিবা, মই খড়্গ চলাবলৈহে আহিছো। মই পিতাৰ পৰা পুত্ৰ, মাতাৰ পৰা কন্যা, আৰু শাহুয়েকৰ পৰা বোৱাৰীৰ বিভেদ সৃষ্টি কৰিবলৈহে আহিছো। নিজৰ নিজৰ আত্মীয় স্বজনেই মানুহৰ শত্ৰু হব। ইঃ মঃ পঃ ১০। আঃ ১৩। ৩৪। ৩৫। ৩৬'।

সমীক্ষক—এই শিষ্যসকলৰ ভিতৰৰে এজনে মাত্ৰ ৩০ [ত্ৰিশ] টকাৰ লোভত যীচুক ধৰাই দিব আৰু বাকী কিজনে মত পৰিবৰ্ত্তন কৰি বেলেগ বেলেগ হৈ পলাব। ভূতৰ যাতায়াত আৰু বিনা ঔষধ-পথ্যৰে বোগ নিবাৰণ কৰা আদিৰ কথা বিজ্ঞান বিৰুদ্ধ আৰু সৃষ্টিক্ৰম অনুসাৰে অসম্ভৱ। অজ্ঞসকলেহে এনেবোৰ কথা বিশ্বাস কৰিব পাৰে। জীৱ যদি বক্তা নহয়, জীৱৰ ভিতৰত ঈশ্বৰেই কথা কয়, তেনেহলে জীৱৰনো কাম কি? তেনেহলে ঈশ্বৰেই সদাচৰণৰ ফল সুখ আৰু অসদাচৰণৰ ফল দুখ ভোগ কৰে নেকি? এইটোও মিছা। যীচুৱে বিভেদ আৰু বিবাদ ঘটাবৰ কাৰণেই আহিছিল। বৰ্ত্তমানো জনসাধাৰণৰ মাজত হাই কাজিয়া চলিব লাগিছে। পৰস্পৰৰ ভিতৰত বিভেদ সৃষ্টি কৰা অতি গৰ্হিত কাম। তাৰ ফলত মানৱ সমাজত দুৰ্ঘোৰ দুৰ্গতি ভোগ কৰিব লগা হয়। কিন্তু খ্রীষ্টীয়ান সকলে যেন কলহ-বিভেদৰ সৃষ্টি কৰাকেই গুৰুমন্ত্ৰ বুলি ভাবিছে। যীচুৱেই যেতিয়া মানৱ সমাজত বিভেদ

সৃষ্টি কবাকে আদর্শ বুলি কৈছে, খ্রীষ্টীয়ান সকলেও তেনে কার্য্যকে নকবিব কিয়? যীচুৱে পবিয়ালব পৰম্পৰব ভিতবত শত্রুভাৱ উৎপন্ন কবিব পাৰে, কিন্তু এনে কার্য্য কোনো শ্রেষ্ঠ পুৰুষৰ হব নোৱাবে। ৭১ ॥

৭২। যীচুৱে তেওঁলোকক কলে "তোমালোকব কিমান কটি আছে"? তেওঁলোকে উত্তবত কলে—"৭টা কটি আৰু অলপ সৰু মাছ"। তেতিয়া তেওঁ মানুহবোবক মাটিত বহিবলৈ আজ্ঞা দিলে। তাৰ পাছত তেওঁ সেই ৭টা কটি আৰু মাছ লৈ ধন্যবাদ দিলে। সেইবোৰ ভাঙি পেলাই শিষ্য সকলৰ হাতত দিলে, আৰু শিষ্যসকলে সকলো মানুহক ভগাই দিলে। তেতিয়া সকলোৱে আহাৰ কৰি তৃপ্ত হ'ল আৰু অৱশিষ্টখিনি ৭টা পাছিত ভৰাই তুলি ললে। খাওঁতা বিলাকৰ ভিতৰৰ স্ত্রী আৰু শিশুক বাদ দিলেও পুৰুষ আছিল—চাৰি হাজাৰ। ইঃ মঃ পঃ ১৫। আঃ ৩৪–৩৯ ॥

সমীক্ষক—এইবোৰ আধুনিক ভণ্ড সিদ্ধ পুৰুষ আৰু যাদুকৰৰ দৰেই চতুৰ চক্রান্ত। সাতোটা কটিৰ পৰা ইমানবোৰ কটি কৰ পৰা আছিল? যীচুৰ তেনে কিবা অলৌকিক শক্তি থকা হলে স্বয়ং অনাহাৰী হৈ ভোকত ডিমৰু ফল খাই ঘুৰি মুফুৰিলেহেঁতেন। পানী, মাটি আৰু শিল আদিৰ পৰা তেওঁৰ কটি প্রস্তুত কৰি লব পাৰিলেহেঁতেন। এইবোৰ শিশুৰ খেমালিৰ কথা যেনহে লাগে। কতই সাধু বৈৰাগীৰ ভেশধৰি কৰি এনেদুৰা ছলনাৰে নির্ব্বোধ মানুহক প্রতাৰিত কৰে। ৭২ ॥

অসঙ্গত ন্যায় আৰু ক্ষমা

৭৩। আৰু তেতিয়া প্রত্যেক ব্যক্তিক নিজৰ নিজৰ কর্ম্ম অনুসাৰে ফল দিব। ইঃ মঃ পঃ ১৬। আঃ ২৭ ॥

সমীক্ষক—কর্ম্ম অনুসাৰেই যদি ফল পায়, তেনেহলে খ্রীষ্টীয়ান সকলৰ পাপক্ষমাৰ উপদেশ মিছা। আৰু যদি পাপ ক্ষমা কবাই সত্য

হয়, তেনেহলে কর্ম্ম অনুসাৰে ফল পোৱা মিছা। আৰু যদি কয় যে, যি ক্ষমাৰ যোগ্য তাকেই ক্ষমা কৰা হয়, যি ক্ষমাৰ অযোগ্য তাক ক্ষমা কৰা নহয়, সেই কথাও যুক্তি সঙ্গত হব নোৱাৰে; কাৰণ, সকলো কর্ম্মৰ যথাযোগ্য ফলদান হলেহে ন্যায় আৰু দয়া হব পাৰে। ৭৩ ॥

৭৪। হে অবিশ্বাসী আৰু বিপথগামী মানৱসকল! মই তোমালোকক সত্যকৈ কৈছোঁ, যদি তোমালোকৰ এটা সবিয়হৰ সমানো বিশ্বাস হয়, তেনেহলে তোমালোকে এই পর্বতটো এই ঠাইৰ পৰা আঁতৰি যাবলৈ কলেও আঁতৰি যাব আৰু তোমাৰ একো অসাধ্য নেথাকিব। ইঃ মঃ পঃ ১৭। আঃ ১৭–৩০ ॥

সমীক্ষক—আজি কালি খ্রীষ্টীয়ানসকলে উপদেশ প্রচাৰ কৰে—"আমাৰ ধর্ম্ম গ্রহণ কৰা, পাপ ক্ষমা কবাই লোৱা, মুক্তি লাভ কৰা" ইত্যাদি। তেওঁলোকৰ এই উপদেশবোৰ মিছা। যীচুৰ পাপ খণ্ডন, মানুহক বিশ্বাসী আৰু পবিত্র কবিব পৰা শক্তি সামর্থ্য আছে যদি, তেওঁৰ শিষ্য বোৰৰ আত্মাবোৰ নিষ্পাপ বিশ্বাসী আৰু পবিত্র নকৰে কিয়! তেওঁৰ শিষ্যসকলক, তেওঁৰ লগে লগে ঘুৰি ফুৰা সত্ত্বেও, পবিত্র, বিশ্বাসী, সৎ আচৰণশীল কবিব নোৱাৰিলে। তেওঁৰ মৃত্যুৰ পাছত তেওঁ এতিয়া ক'ত আছে কোনে জানে? এতিয়া আৰু তেওঁ কাকো পবিত্র কবিব নোৱাৰে। তেওঁৰ শিষ্যসকলৰ অন্তৰত সবিয়হৰ এটা কণিকামানো বিশ্বাস নাছিল, গতিকে তেওঁলোকেই নব্য বাইবেল ৰচনা কবিলে! গতিকে এই গ্রন্থ (বাইবেল) প্রমাণিত হব নোৱাৰে। যিসকল হিতকামী, তেওঁলোকে কোনো অবিশ্বাসী, অপবিত্র আত্মা আৰু অধার্ম্মিক মানুহৰ লিখিত গ্রন্থ বিশ্বাস কবিব নোৱাৰে। ইয়াৰ পৰা এই কথাও প্রমাণ হব পাৰে যে, যীচুৰ বাক্য সত্য হলে, কোনো খ্রীষ্টীয়ানৰ অন্তৰত এটা সবিয়হৰ কণিকা মানো বিশ্বাস অর্থাৎ ধর্ম্মজ্ঞান নাই। যি সম্পূর্ণ বা সামান্য বিশ্বাস আছে

বুলি কয়, তেওঁ এটা পর্ব্বত স্থানান্তবিত কবি প্রমাণ কবি পাবিব লাগিব। যদি তেনেকৈ প্রমাণ কবিব পাবে, তেতিয়া হলে বুজিব লাগিব যে, তেওঁব এটা সবিয়হব কণিকামানহে বিশ্বাস আছে, পুর্ণ বিশ্বাস নাই আৰু তেওঁ যদি পর্ব্বত স্থানান্তব কবি দেখুবাব নোৱাবে, তেনেহলে বুজিব লাগিব যে, তেওঁব অন্তবত ধর্ম্মব প্রতি লেশমাত্রও বিশ্বাস নাই। কৌনোৱে যদি কব খোজে যে, এই ক্ষেত্রত অভিমান আদি দুর্গুণকেই ৰূপক অর্থত পর্ব্বত বোলা হৈছে, সিয়ো সঙ্গত হব নোৱাবে। কাৰণ, সেয়ে হলে মৃতকক জীৱন সঞ্চাব, অন্ধ, কুষ্ঠ, ভূতগ্রস্তব আবোগ্য বিধান আৰু অলসব আলস্য, অজ্ঞানব অজ্ঞানতা, বিষয়াসক্তব আসক্তি আৰু বুদ্ধি ভ্রান্তব ভ্রান্তি নিবাবণো বুলিব পবা যায়। কিন্তু এনে ব্যাখ্যাও যুক্তি সঙ্গত নহয়, কাৰণ, এইবোব সঁচা হলে যীচুৱে নিজব শিষ্যবোবব হিতব অর্থে এইবোব কাম নকবিলে কিয়? গতিকে এনে অসম্ভব কথাবোবব পবা যীচুব অজ্ঞতাহে প্রকাশ পাইছে। যীচুব যৎসামান্য বিদ্যা থকা হলেও এনেকুৱা বিদ্যা-বুদ্ধিহীন মানুহব দবে নিবর্থক কথাবোব কব নোৱাবিলে হেঁতেন। অৱশ্যে "নিবন্ত পাদপে দেশে এবণ্ডোঽপি দ্রুমায়তে" যি ঠাইত বৃক্ষ নাই সেই ঠাইত এবা গছেই বৃহৎ বৃক্ষৰূপে পবিগণিত হয়। সেইদবে একেবাবেই বন্যপ্রকৃতিব মূর্খব দেশত যীচুই সম্ভব শ্রেষ্ঠ পুৰুষ ৰূপে গণ্য হৈছিল। আজিব সভ্যতাব বিদ্বৎ সমাজত যীচুব স্থান কত? ৭৪॥

৭৫। মই তোমালোকক সত্য কবি কৈছো, তোমালোক যদি নুঘুবা আৰু শিশুব দবে হৈ নুঠা, তেনেহলে তোমালোকব স্বর্গবাজ্য প্রবেশ কবাব উপায় আৰু নাই। ইঃ মঃ পঃ ১৮। আঃ ৩।

সমীক্ষক—যদি স্বইচ্ছানুৰূপ মনব পবিবর্ত্তন স্বর্গব আৰু তাব বিপবীত মনোভাব নবকব কাৰণ হয়, তেনেহলে এয়েই প্রমাণ হয় যে, কোনেও কাৰো পাপ পুণ্যব ভাব লব নোৱাবে। আৰু শিশুব দবে হবলৈ

যে উপদেশ লিখিছে তাব পবা জনা যায় যে, যীচুব বাক্যবোব জ্ঞান বিজ্ঞান আৰু সৃষ্টিক্রমব বিপবীত। সকলোৱেই শিশুব দবে বিনাশ্রমে চকু মুদি তেওঁব কথাবোব বিশ্বাস কবিব লাগে, এয়েই বোধ হয় যীচুব অভিপ্রায় আছিল। খ্রীষ্টীয়ানসকলব ভিতবত এনেকুৱা বালক বিবেচনাব দবে কর্ম্ম বহুত আছে, জ্ঞান-বিজ্ঞানব যুক্তিবে বিবেচনা কবিব পবা হলে এনেবোব কথা বিশ্বাস নকবিলেহেঁতেন। ইয়াব পবা এয়েই প্রমাণ হয় যে, স্বয়ং যীচুবো বুদ্ধি বিবেচনাব অভাব আছিল, নহলে তেওঁ আনক লবাব দবে উপদেশ নিদিলেহেঁতেন। যি নিজে যেনেকুৱা তেওঁ আনকো তেনে হোৱাটোকে বাঞ্ছা কবে। ৭৫॥

৭৬। মই তোমালোকক সচাকৈয়ে কওঁ যে, ধনীব কাৰণে স্বর্গবাজ্য দুর্ল্লভ। আৰু মই তোমালোকক কওঁ যে, ঈশ্বৰব বাজ্যত ধনীব প্রবেশতকৈ বেজীব ফুটাইদি উট এটা সৰকি যোৱাটো সহজ। ইঃ মঃ পঃ ১৯। আঃ ২৩-২৪।

সমীক্ষক—ইয়াব পবা বুজিব পাবি যীচু অতি দবিদ্র আছিল। ধনীসকলে বোধহয় তেওঁক কোনো বকম সম্মান নকবিছিল; সেই গতিকেই তেওঁ তেনে কথা কৈছিল। কিন্তু তেওঁব উপদেশ সঁচা নহয়; কাৰণ, ধনী আৰু দবিদ্রব ভিতবতো উত্তম আৰু অধম দুই শ্রেণীবেই মানুহ আছে। যি উত্তম কর্ম্ম কবে তেওঁ উত্তম আৰু যি অধম কর্ম্ম কবে তেওঁ অধম ফল পায়। যীচুব বাক্যবপবা ইয়াকে বুজা যায় যে, ঈশ্বৰব বাজ্য সর্ব্বব্যাপক নহয়। কোনো নির্দ্দিষ্ট স্থান বিশেষতহে অবস্থিত। যি যথার্থতে ঈশ্বৰ, তেওঁব বাজ্য সকলোতে পবিব্যাপ্ত, তাত প্রবেশ কবা বা নকবাব কথা কেবল অজ্ঞতাবহে সূচক। আৰু ইয়াত প্রশ্ন হব পাবে যে, সকলো ধনবান খ্রীষ্টীয়ানেই নবকগামী আৰু সকলো দবিদ্র খ্রীষ্টীয়ান স্বর্গগামী হব নেকি? যীচুৱে অলপ ভাবি চোৱা হলে বুজিব পাবিলেহেঁতেন যে, ধনবানব যেনেকুৱা সঙ্গতি থাকে

দৰিদ্রবোৰৰ তেনেকুৱা নেথাকে। জ্ঞান বিবেচনা থকা ধনশালীয়ে যদি ধর্ম্ম পথত অর্থ ব্যয় কৰে, তেনেহলে তেওঁলোকে উত্তম গতি লাভ কৰিব পাৰে, কিন্তু দৰিদ্রসকল হীন অৱস্থাতেই নিপতিত হৈ থাকে। ৭৬॥

৭৭। যীচুৱে তেওঁলোকক কলে, মই তোমালোকক সত্যকৈ কৈছো যে, তোমালোকৰ ভিতৰত যি কিজন মোৰ অনুগামী হৈছা, পুনঃ নতুন সৃষ্টিৰ কালত যেতিয়া মনুষ্য পুত্রই নিজৰ ঐশ্বর্য্যৰ সিংহাসনত বহিব, তেতিয়া তোমালোকেও দ্বাদশ সিংহাসনত বহি ইস্রায়েলৰ দ্বাদশ বংশৰ বিচাৰ কৰিবা আৰু যি কোনোৱে মোৰ নামৰ কাৰণে ঘৰ, ভ্রাতা, ভগিনী, পিতা, মাতা, সন্তান, বা ক্ষেত্র পৰিত্যাগ কৰিছে, তেওঁলোকে তাৰ এশ গুণ পাব আৰু অনন্ত জীৱনৰ অধিকাৰী হব। ইঃ মঃ পঃ ১৯। আঃ ২৮।২৯ ॥

সমীক্ষক—এতিয়া যীচুৰ মনৰ কথা শুনক! তেওঁৰ উদ্দেশ্য আছিল যে, তেওঁৰ মৃত্যুৰ পাছতো কোনেও যেন তেওঁৰ জালৰ পৰা ওলাই নাযায়। যিজনে ৩০ [ত্রিশ] টকাৰ আশাত তেওঁৰ গুৰুক ধৰাই দি তেওঁৰ বধৰ কাৰণ হৈছিল, তেনে পাপীও তেওঁৰ কাষত সিংহাসনত উপবেশন কৰিব আৰু ইস্রায়েলবংশীয় সকলৰ প্রতি পক্ষপাত কৰি ন্যায় বিচাৰ নকৰি তেওঁলোকৰ সকলো পাপ ক্ষমা কৰিব আৰু ইস্রায়েলৰ বাহিৰে আন বংশীয়বোৰৰ বিচাৰ কৰিব। অনুমান কৰিব পাৰি যে, এই কাৰণেই খ্রীষ্টীয়ানসকলে খ্রীষ্টীয়ান সকলৰ প্রতি বিশেষ পক্ষপাত কৰে। কোনো শ্বেতাঙ্গই কোনো কৃষ্ণাঙ্গক হত্যা কৰিলে, শ্বেতাঙ্গৰ প্রতি নানা ৰূপে পক্ষপাত কৰা হয়, আৰু হত্যাকাৰীকো নিৰপৰাধী ৰূপে স্থিৰ কৰি মুক্তি দিয়া হয়। স্বর্গত ঈশ্বৰৰ ন্যায় বিচাৰো বোধহয় এনেকুৱাই হয়! ইয়াৰ পৰা এক গুৰুতৰ দোষ ঘটে। উদাহৰণ স্বৰূপে ধৰা হওক এক ব্যক্তি সৃষ্টিৰ আৰম্ভতে মৰিল আৰু আন এটা প্রলয়ৰ আগ মুহূর্ত্তত।

অর্থাৎ ঈশ্বৰৰ বিচাৰৰ আগ মুহূর্ত্তত মৰিল। প্রথম মৰাটোৱে আদিৰ পৰা অন্তলৈকে ন্যায় বিচাৰৰ আশাত পৰি থাকিব আৰু শেষৰটোৰ লগে লগে তেতিয়াই বিচাৰ হব, এইটো ঘোৰ অন্যায়। আৰু যি নৰকলৈ যাব সি অনন্ত কাল নৰকক ভুগিব; যি স্বর্গলৈ যাব সি অনন্ত কাল স্বর্গসুখ ভুগিব। ইয়ো ঘোৰ অন্যায়; কাৰণ সীমিত কর্ম্ম আৰু সাধনৰ ফলো সীমিত হোৱা উচিত। আৰু দুজনৰ পাপ পুণ্যও একে সমান হব নোৱাৰে। গতিকে সুখ দুখৰ তাৰতম্য অনুসাৰে কম বেছি সুখদুখ পাব পৰা অনেক স্বর্গ আৰু অনেক নৰক থাকিলেও সেইমতে সুখদুখ ভুগিব পাৰে। কিন্তু খ্রীষ্টীয়ান ধর্ম্ম শাস্ত্রৰ কতো তেনেকুৱা বিধি-ব্যৱস্থা নাই। গতিকে বাইবেল ঈশ্বৰৰ ৰচিত নহয় আৰু যীচুও কেতিয়াও ঈশ্বৰৰ পুত্র হব নোৱাৰে। এজনৰ শ শ মাতা পিতা থকাটো অতি অসম্ভৱ কথা। এজনৰ এক মাতা আৰু এক পিতা থকাটোৱেই স্বাভাৱিক। মুছলমানৰ মতে স্বর্গত এটা পুৰুষৰ বাসন্তবজনী স্ত্রী লাভ হয়, ইত্যাদি কথা লিখা আছে। অনুমান হয়, তেওঁলোকে এইবোৰ বিষয় এই বাইবেলৰ পৰাই লৈছে। ৭৭ ॥

৭৮। প্রাতঃ কালতে, তেওঁৰ নগৰলৈ উভতি যাবৰ সময়ত ভোক লাগিল। বাটৰ কাষত এজোপা ডিমৰু গছ দেখি তেওঁ তাৰ ওচৰলৈ গ'ল, কিন্তু কেৱল পাতৰ বাহিৰে গছত "আৰু একো নেদেখিলে। তেতিয়া তেওঁ গছ জোপাক কলে, আৰু কেতিয়াও তোমাৰ ফল নধৰিব"। হঠাৎ তেতিয়াই সেই ডিমৰু গছজোপা শুকাই গ'ল। ইঃ মঃ পঃ ২১। আঃ ১৮।১৯।

সমীক্ষক—খ্রীষ্টীয়ান ধর্ম্ম প্রচাৰকসকলে কৈ ফুৰে যে, যীচু অতি শান্ত প্রাকৃতিৰ, ক্রোধাদিদোষৰহিত আৰু শম গুণী আছিল। কিন্তু এই কথাৰ পৰা জনা যায় যে, তেওঁ ক্রোধী, ঋতুজ্ঞানবিহীন, আৰু বন্য

প্রকৃতিবহে আছিল। গছ জড় পদার্থ; সেই জড় গছজোপাক কি অপৰাধত অভিশাপ দিলে? অভিশাপৰ ফলত গছজোপা তৎক্ষণাৎ শুকাই গ'ল। বোধহয় তেওঁৰ অভিশাপত গছজোপা শুকাই যোৱা নাই। গছজোপা মাৰিবৰ কাৰণে কোনোৱে কিবা বিষাক্ত ঔষধ প্ৰয়োগ কৰাটো একো আচৰিত হব নোৱাৰে। ৭৮ ॥

৭৯। আৰু সেই সময়ৰ ক্লেশৰ পাছতেই সূৰ্য্য অন্ধকাৰ হব, চন্দ্রই প্রকাশ নিদিয়া হব, আকাশৰ তৰাবোৰৰ পতন হ'ব আৰু আকাশ মণ্ডলৰ সৈন্যবোৰো বিচলিত হব ॥ ইঃ মঃ পঃ ২৪। আঃ ২৯ ॥

সমীক্ষক—যীচুৱে কি বিদ্যাৰ বলত জানিব পাৰিলে যে, আকাশৰ পৰা নক্ষত্রবোৰ ভূতলত পতিত হয়? আকাশখনো কোন সেনাৰ পতন হব? যীচুৰ সামান্য বিদ্যা, শিক্ষা থকা হলেও জানিব পাৰিলে হেঁতেন—যে, এই তৰাবোৰ ভূমণ্ডলৰ দৰেই এক এক লোক বিশেষ, গতিকে এই বোৰৰ পতন অসম্ভৱ। ইয়াৰ পৰা জানিব পাৰি যে যীচুৱে বাটৈ কুলত জন্ম লাভ কৰিছিল, তেওঁ সদায় কাঠ কটা, ফলা, খোলা আৰু যোৱা দিয়া আদি কামত নিযুক্ত আছিল। তেওঁ মনে মনে ভাবিছিল চাগৈ যে, তেৱোঁও সেই জঙ্গলী দেশত এক পয়গম্বৰ হব পাৰিব। সেই উদ্দেশ্যতেই তেওঁ উপদেশ প্রচাৰ কৰিবলৈ ধৰিলে। তেতিয়াৰ ইউৰোপ আধুনিক ইউৰোপৰ দৰে উন্নতিশীল হোৱা হলে তেওঁৰ এইবোৰ আলৌকিক শক্তি প্রদর্শনৰ কথা প্রচাৰ কৰা সম্ভৱ নহলহেঁতেন। বৰ্ত্তমান যুগৰ ইউৰোপবাসীৰ জ্ঞানবিজ্ঞানৰ উন্নতি হোৱা সত্ত্বেও তেওঁলোকে সুবিধা বাদ আৰু অন্ধ বিশ্বাসৰ পক্ষপাতিতা পৰিত্যাগ কৰি সর্ব্বতোভাবে সত্য বৈদিক ধর্ম্মৰ প্রতি আকৃষ্ট হব পৰা নাই, এয়েই হ'ল তেওঁলোকৰ ত্রুটি বা অভাব ৭৯॥

৮০। আকাশ আৰু পৃথিবী লৰচৰ হব, কিন্তু মোৰ বাক্যৰ লৰচৰ কেতিয়াও নহব। ইঃ মঃ পঃ ২৪। আঃ ৩৫ ॥

সমীক্ষক—ইয়াৰ দ্বাৰাই যীচুৰ অজ্ঞতা আৰু মূর্খতাই প্রকাশ পায়। আকাশ লৰি কলৈ যাব? আকাশ অতি সূক্ষ্ম, চকুৰ অগোচৰ, গতিকে আকাশৰ অপসৰণ (লৰচৰ) কোনে দেখিব পাৰে? আৰু নিজৰ প্রশংসা নিজ মুখে জ্ঞানীলোকে নকৰে। ৮০ ॥

৮১। তাৰ পাছত তেওঁৰ বাওঁফালে অৱস্থিত মানুহবোৰক কলে, "হে শাপগ্রস্ত লোকসকল! মোৰ আগৰ পৰা আঁতৰি যোৱা, চয়তান আৰু সিহঁতৰ দূতবোৰৰ কাৰণে যি অনন্ত অগ্নি জলোৱা হৈছে, সেই অগ্নি কুণ্ডত গৈ পৰা।

ইঃ মঃ পঃ ২৫। আঃ ৪১ ॥

সমীক্ষক—এতিয়া চ'ক, নিজৰ শিষ্যবোৰক স্বর্গলৈ পঠোৱা আৰু আন মানুহক অগ্নিত পেলাই দিয়া কেনে ভয়ঙ্কৰ পক্ষপাতিতা! কিন্তু আকাশেই যেতিয়া নেথাকে, তেতিয়া অগ্নি, নৰক আৰু স্বর্গ ক'ত থাকিব? ঈশ্বৰে চয়তান আৰু চয়তানৰ দূতবোৰ সৃষ্টি নকৰা হলে সিহঁতৰ নৰকৰ কাৰণে এনেবোৰ আয়োজন কৰিব নেলাগিল হেঁতেন। যি ঈশ্বৰক এটা চয়তানে ভয় নকৰে তেওঁনো কেনেকুৱা ঈশ্বৰ? চয়তান ঈশ্বৰৰেই দূতহৈও ঈশ্বৰৰ বিদ্রোহ কৰিলে; তথাপিও ঈশ্বৰে তাক ধৰি কাৰাগাৰত আবদ্ধ বা নিহত কৰিব পৰা নাই; তেনেহলে কেনেকুৱা ঈশ্বৰ? চয়তানে স্বয়ং যীচুকো চল্লিশ দিন পর্য্যন্ত দুর্গতি কৰিলে, তথাপি যীচুৱে চয়তানৰ একো কৰিব নোৱাৰিলে, গতিকে তেওঁ ঈশ্বৰৰ পুত্র হোৱাও বৃথা। গতিকে যীচু ঈশ্বৰৰ পুত্র নহয়, আৰু বাইবেলৰ ঈশ্বৰো যথার্থ ঈশ্বৰ হব নোৱাৰে। ৮১ ॥

৮২। তেতিয়া বাৰজন শিষ্যৰ ভিতৰৰে ঈস্কৰিয়োতীয়হুদা নামৰ এজনে প্রধান যাজকৰ ওচৰলৈ গৈ কলে,—মই যদি যীচুক

আপোনালোকৰ হস্তগত কৰি দিওঁ তেতিয়া মোক কি পুৰস্কাৰ দিব?" যাজক সকলে তেওঁক ত্রিশটা ৰূপৰ মোহৰ দিবলৈ স্থিৰ কৰিলে। ইঃ মঃ পঃ ২৬। আঃ ১৪।১৫ ॥

সমীক্ষক—এতিয়া চ'ক! এই খিনিতেই যীচুৰ সকলো আলৌকিত্ব আৰু ঈশ্বৰত্ব প্ৰকাশ পায়। তেওঁৰ এক প্ৰধান শিষ্য তেওঁৰ সাক্ষাৎ সংসৰ্গত থাকিও পবিত্ৰাত্মা হব নোৱাৰিলে; তেনেহলে যীচুৰে মৃত্যুৰ পাছত আনক কেনেকৈ পবিত্ৰাত্মা কৰিব? যীচুৰ বিশ্বাসী সকলে যীচুৰ ওপৰত নিৰ্ভৰ কৰি কিমান যে প্ৰতাৰিত হব লাগিছে! যি সাক্ষাৎ সংসৰ্গত থাকিও শিষ্যসকলৰ কোনোৰকম কল্যাণ কৰিব নোৱাৰিলে মৃত্যুৰ পাছত তেওঁ কাৰ কি কল্যাণ কৰিব পাৰিব? ৮২॥

৮৩। পাছত তেওঁলোকে আহাৰ কৰি আছিল, সেই সময়তে যীচুৰে ৰুটি লৈ আশীৰ্ব্বাদ সহ ভাঙিলে আৰু শিষ্যসকলক দি কলে—"এয়া মোৰ দেহ, আহাৰ কৰা"। তাৰ পাছত তেওঁ পান পাত্ৰ লৈ ধন্যবাদ পূৰ্ব্বক তেওঁলোকক দি কলে—"তোমালোকে সকলোৱে এয়া পান কৰা। কাৰণ এয়া মোৰ অৰ্থাৎ নব বিধানৰ ৰক্ত।" ইঃ মঃ পঃ ২৬ আঃ ২৬—২৮ ॥

সমীক্ষক—বনবীয়া আৰু অজ্ঞ নহলে কোনো সভ্য মানুহে শিষ্যসকলৰ খাদ্য বস্তুক নিজৰ মাংস আৰু পানীয় বস্তুক ৰক্ত বুলি কব নোৱাৰে। কিন্তু আধুনিক খ্ৰীষ্টীয়ানসকলে ইয়াকেই প্ৰভুভোজন বোলে, অৰ্থাৎ যীচুৰ মাংস আৰু ৰক্ত বুলি ভাবি আহাৰ আৰু পানীয় গ্ৰহণ কৰে। এইবোৰ অতি জঘন্য আচৰণ। যি গুৰুৰ মাংস ভোজন আৰু ৰক্ত পানৰ ধাৰণা পৰিত্যাগ কৰিব পৰা নাই, তেওঁলোকে অন্যান্য প্ৰাণীৰ মাংস খাবলৈ আৰু ৰক্তপান কৰিবলৈ কেনেকৈ এৰিব? ৮৩॥

৮৪। তাৰ পাছত তেওঁ পিতাকক আৰু দুইজনৰ দুই পুত্ৰক লগত লৈ গল, আৰু ক্লান্ত আৰু ব্যাকুল হবলৈ ধৰিলে। তেতিয়া তেওঁ তেওঁলোকক কলে—"মোৰ প্ৰাণ মৃত্যুৰ সমান দুঃখাৰ্ত্ত হৈছে।" তাৰ পাছত তেওঁ অলপ আগবাঢ়ি ওপৰলৈ মুখ কৰি পৰি প্ৰাৰ্থনা কৰিলে, "হে পিতঃ যদি সম্ভৱ হয়, তেনেহলে এই পান পাত্ৰটো মোৰ ওচৰৰ পৰা দূৰলৈ য'ক॥ ইঃ মঃ পঃ ৩৬। আঃ ৩৭—৩৯ ॥

সমীক্ষক—যীচু মানুহ নহৈ ঈশ্বৰৰ পুত্ৰ, ত্ৰিকালজ্ঞ আৰু বিদ্বান হোৱাহলে, এনেবোৰ অশোভনীয় কাম নকৰিলেহেঁতেন। ইয়াৰ পৰাই প্ৰমাণ হয় যে, যীচুৰে বা তেওঁৰ শিষ্যসকলে এই মিছা প্ৰপঞ্চবোৰ ৰচনা কৰিছে যে, তেওঁ ঈশ্বৰৰ পুত্ৰ, ভূত-ভবিষ্যৎবেত্তা আৰু পাপক্ষমাকাৰী। আচলতে বুজিব পাৰি যে, তেওঁ এজন সৰল প্ৰকৃতিৰ অশিক্ষিত সাধাৰণ লোকহে আছিল; বিদ্বান, যোগী বা সিদ্ধ পুৰুষ নাছিল। ৮৪ ॥

৮৫। তেওঁ যেতিয়া কথা কৈ আছিল সেই সময়তে সেই বাৰজনৰে য়িহূদা নামৰ এজন আহিল, তেওঁৰ লগত প্ৰধান যাজক আৰু মুখিয়াল সকলৰ অনেক মানুহ হাতত খড়্গ আৰু লাঠী লৈ আছিল। যি তেওঁক ধৰাই দিছিল, তেওঁ সিহঁতক আগতে সঙ্কেতেৰে কৈ থৈছিল যে, তেওঁ যাক চুম্বন কৰিব, সেই জনেই, ধৰিব লগীয়াজন অৰ্থাৎ যীচু। য়িহূদাই তেতিয়া যীচুৰ ওচৰলে গৈ কলে "গুৰুদেৱ প্ৰণাম" আৰু আগ্ৰহেৰে চুম্বন কৰিলে।.....তেতিয়া মানুহবোৰে যীচুৰ ওচৰলৈ আহি গাৰ বলেৰে যীচুক ধৰিলে।..... তেতিয়া শিষ্যবোৰে তেওঁক এৰি পলাই গ'ল।.....অৱশেষত দুজনে মিছা সাক্ষী দি কলে—এওঁৰেই কৈছিল, "মই ঈশ্বৰৰ মন্দিৰ ভাঙি পেলাব পাৰোঁ আৰু তিনি দিনৰ ভিতৰতেই সাজিবও পাৰোঁ"। তেতিয়া মহাযাজকে থিয়হৈ তেওঁক কলে—

"তুমি একো উত্তৰ নিদিয়া কিয়? এওঁলোকে তোমাৰ বিৰুদ্ধে যি সাক্ষী দিছে তাৰ উত্তৰ দিয়া। যীচুৱে একো নেমাতিলে, তেতিয়া মহাযাজকে যীচুক কলে "মই তোমাক জীৱন্ত ঈশ্বৰৰ নামত শপত দিছো; আমাক কোৱাচোন, তুমিয়েই ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট নেকি?" তেতিয়া যীচুৱে উত্তৰ দিলে "তুমিয়েই চোন কলা"। তেতিয়া মহাযাজকে নিজৰ বস্ত্ৰ ফালি কলে "এওঁ ঈশ্বৰৰ নিন্দা কৰিলে, এতিয়া আৰু আমাৰ সাক্ষীৰ প্ৰয়েজন কি? চোৱা, তোমালোকে এতিয়া এওঁৰ মুখৰ পৰাই ঈশ্বৰৰ নিন্দা শুনিলা, এতিয়া ইয়াৰ কি বিধান কৰিব লাগে"? তেতিয়া তেওঁলোকে উত্তৰ দিলে—"এওঁ মৃত্যু দণ্ডৰ যোগ্য"। তেতিয়া মানুহ-বোৰে যীচুৰ মুখত থু পেলালে, আৰু চৰ-গটা মাৰি কলে, "হে খ্ৰীষ্ট! আমাক ভবিষ্যৎ বাণী কৈছিলা, এতিয়া কোনে তোমাক মৰিয়ালে"? পিটৰ বাহিৰ চোতালত বহি আছিল, এজনী দাসী তেওঁৰ ওচৰ চাপি কলে—"তুমিও সেই গালীলীৰ যীচুৰ লগত আছিলা"। পিটৰে সক-লোৰে আগত অস্বীকাৰ কৰি কলে, "তই কি কৈছ? মই একো নেজানো!" তাৰ পাছত পিটৰ যেতিয়া বাহিৰৰ জপনামুখলৈ গ'ল, আৰু এজনী দাসীয়ে তেওঁক দেখি, সেই ঠাইত গোট খাই থকা মানুহ-বোৰক কলে, "এই মানুহজন সেই নাচৰী যীচুৰ লগত আছিল"। পিটৰে আকৌ অস্বীকাৰ কৰি, প্ৰতিজ্ঞা কৰি কলে "মই সেই মানুহজনক চিনি নাপাওঁ".....তাৰ পাছত তেওঁ ধিক্কাৰ দি আৰু শপত খাই কবলৈ ধৰিলে "মই সেই মানুহ জনক চিনিকে নাপাওঁ"।

ইঃ মঃ পঃ ২৬। আঃ ৪৭—৫০।৬১—৭২।৭৪ ॥

সমীক্ষক—এতিয়া চক! যীচুৰ শিষ্যসকলৰ মনত বিশ্বাস জন্মাৰ পৰা প্ৰভাৱ আৰু প্ৰতিপত্তি নাছিল। যীচুৰ প্ৰতি বা যীচুৰ কথাত শিষ্য বোৰৰ বিশ্বাস থকা হলে, ধৰাই নিদি, অস্বীকাৰ নকৰি আৰু মিছাকৈ

শপত নেখাই তেওঁলোকৰ জীৱন বিসৰ্জ্জন দিয়াকেই কৰ্ত্তব্য বলি ভাবিলে হেঁতেন। যীচুৰ অলৌকিক শক্তিও একো নাছিল। প্ৰাচীন বাইবেলত কোৱা আছে যে, 'লোত'ৰ ঘৰত অতিথিবোৰক বধ কৰিবৰ কাৰণে বহুলোকে আক্ৰমণ কৰিছিল। সেই ঠাইত ঈশ্বৰৰ দুজন দূত আছিল; তেওঁলোকে সেই আক্ৰমণকাৰী মানুহবোৰক অন্ধ কৰি দিলে। যদিও এইটো এটা অসম্ভৱ গল্প, তথাপি ইয়াৰ পৰা জানিব পাৰি যে, দূতৰ যি সামৰ্থ্য আছিল, যীচুৰ সিও নাছিল। কিন্তু আজি-কালি খ্ৰীষ্টীয়ানসকলে যীচুৰ কিমান যে, অলৌকিক শক্তিৰ গল্প কৈ গৰ্ব্ব কৰে! এইদৰে দুৰ্গতিত মৰাতকৈ স্বয়ং যুদ্ধ কৰি, যোগত সমাধিস্থ হৈ বা অন্য প্ৰকাৰে মৃত্যু বৰণ কৰাই ভাল আছিল। কিন্তু বিদ্যা নহলে তেনে বুদ্ধি কেনেকৈ হব? ৮৫।

আৰু যীচুৱে এই কথাও কৈছিল যে।

৮৬। মই এতিয়া মোৰ পিতাৰ ওচৰত মিনতি নকৰো। তেওঁ মোৰ কাৰণে স্বৰ্গদূতৰ বাৰজন সেনাতকৈও বেছি পঠাব।

ইঃ মঃ পঃ ২৬। আঃ ৫৩ ॥

সমীক্ষক—তেওঁ সেইদৰে সেই অৱস্থাত ভয় প্ৰদৰ্শন কৰিছিল আৰু তেওঁৰ পিতাৰ গুৰুত্ব প্ৰকাশ কৰিবলৈ বিচাৰিছিল, কিন্তু তাৰ পৰি-ণাম একো নহল। আশ্চৰ্য্যৰ কথা হল এয়ে যে, যেতিয়া মহাযাজকে সুধিলে, "এই মানুহবোৰে তোমাৰ বিৰুদ্ধে সাক্ষী দিছে, তুমি তোমাৰ কি কবলগীয়া আছে কোৱা"; তেতিয়া যীচু অবাক্ হৈ বল। সেইটো তেওঁ ভাল কাম নকৰিলে, তেওঁৰ পক্ষে সত্যৰ প্ৰকাশ কৰাই কৰ্ত্তব্য আছিল। তেওঁৰ পক্ষে তেনে অভিমান প্ৰকাশ কৰা, আৰু তেওঁৰ হত্যা-কাৰীসকলেও তেওঁৰ বিৰুদ্ধে মিছা অভিযোগ কৰি হত্যা কৰা ধৰ্ম্মৰ কাম হোৱা নাই। যীচুক যি অপৰাধৰ কাৰণে অভিযুক্ত কৰিছিল, সেইবোৰ তেওঁৰ অপৰাধ নাছিল। কিন্তু সেইবোৰ আছিল বন্য প্ৰকৃতিৰ মানুহ তেওঁলোকৰ ন্যায় বা অন্যায়ৰ জ্ঞান কত? যীচুৱে অনৰ্থক নিজক ঈশ্বৰৰ

পুত্র বলি ছলনা নকবা হলে, তেওঁকো সেইবোৰ মানুহে তেনে দুর্ব্ব্যবহাৰ নকৰিলেহেঁতেন। কিন্তু তাত যথার্থ বিদ্যা, ধর্ম্ম আৰু ন্যায়ৰ কথাই নাছিল। ৮৬॥

৮৭। যীচুক অধ্যক্ষৰ আগত থিয় কৰোৱা হ'ল। অধ্যক্ষই যীচুক সুধিলে—"তুমি ইহুদীসকলৰ ৰজা নেকি?" যীচুৱে উত্তৰ দিলে, "তুমি যি কৈছা"। প্ৰধান যাজক আৰু মুখীয়াল সকলে, যেতিয়া তেওঁক যিবোৰে দোষাৰোপ কৰিছিল, যীচুৱে তেতিয়া নিমাত হৈ ৰ'ল। তেতিয়া পীলাতে কলে—"তোমাৰ বিৰুদ্ধে কতই কিমান সাক্ষী দিছে, তুমি শুনা নাই নেকি?" যীচুৱে এটাৰো উত্তৰ নিদিলে, তেতিয়া অধ্যক্ষজন আচৰিত হ'ল। পীলাতে তেতিয়া তেওঁলোকক কলে, "যাক খ্ৰীষ্ট বোলে, সেই যীচুক কি কৰিব লাগে?" তেতিয়া সকলোৱে কলে—"এওঁক ক্ৰচত দিব লাগে।" তেতিয়া যীচুক চাবুকেৰে কোবাই ক্ৰচত দিবলৈ সমৰ্পণ কৰিলে। তাৰ পাছত অধ্যক্ষ অৰ্থাৎ শাসকৰ সৈন্য বাহিনীয়ে যীচুক শাসকৰ ভৱনলৈ নিলে,তাত সকলো সৈন্য উপস্থিত হ'ল। যীচুৰ গাৰ কাপোৰ সোলোকাই বঙা কাপোৰ পিন্ধালে, আৰু কাঁইটৰ মুকুট সজায় যীচুৰ মুৰত পিন্ধালে, সোঁহাতত এডাল নল দিলে। তাৰ পাছত যীচুৰ আগত আঠুকাড়ি বিদ্ৰূপ কৰি কলে, "হে ইহুদীৰাজ! প্ৰণাম." তেওঁৰ গাত থু পেলালে, আৰু সেই নলডাল লৈ মুৰত মাৰিলে। এইদৰে নানা বিদ্ৰূপ ভৎৰ্সনা কৰাৰ পাছত, গাৰ পৰা সেই বঙা কাপোৰ গুচাই তেওঁৰ আগৰ কাপোৰ পিন্ধাই ক্ৰচত তুলিবলৈ নিলে। তাৰ পাছত তেওঁক গলগথা নামৰ ঠাইলৈ নিয়া হল, তেওঁক তাত চিৰিকা পানীৰ লগত তিতা মিহলাই খাবলৈ দিলে। যীচুৱে সেই পানী এধোক মুখত লগাই আৰু নাখালে। তাৰ পাছত যীচুক ক্ৰচত তুলি অভিযোগ পত্ৰবোৰ মুৰত আঁৰি দিলে। তেওঁৰ লগতে অন্য দুটা ডকাইতো (তেওঁৰ সোঁফালে এটা আনটো বাওঁফালে) ক্ৰচত তুলি দিলে। সেই পিনে

অহাযোৱা মানুহে মুখ জোকাৰি জোকাৰি যীচুক নিন্দা কৰি কৈছিল, "হে ঈশ্বৰৰ মন্দিৰ ভাঙোতা, এতিয়া নিজকে ৰক্ষা কৰ, ঈশ্বৰৰ পুত্ৰ হয় যদি, এতিয়া ক্ৰচৰ পৰা নামি আহ!" এইদৰেই প্ৰধান যাজক, অধ্যাপক মুখিয়াল আৰু অন্যান্য সকলোৱে বিদ্ৰূপ কৰি কবলৈ ধৰিলে, "আনক বচাইছিলা, এতিয়া নিজক বচাব নোৱাৰা কিয়? তেওঁ যদি ইস্ৰায়েলৰ ৰজা হয় তেন্তে ক্ৰচৰ পৰা নামি আহক, তেতিয়া আমি বিশ্বাস কৰিম। এওঁ ঈশ্বৰক ভৰসা কৰে, ঈশ্বৰে তেওঁক বচাব খুজিলে বচাওক, তেওঁ কৈছিল নহয়? তেওঁ বোলে ঈশ্বৰৰ পুত্ৰ"। যি দুটা ডকাইতক যীচুৰ লগত ক্ৰচত দিয়া হৈছিল, সিহঁতেও যীচুক নিন্দা কৰিলে। দুই প্ৰহৰৰ পৰা তৃতীয় প্ৰহৰ পৰ্য্যন্ত গোটেই দেশ অন্ধকাৰ হৈ পৰিছিল। তৃতীয় প্ৰহৰৰ সময়ত যীচুৱে চিঞৰি কৈছিল—"এলী, এলীলমা সবক্তানী" অৰ্থাৎ হে মোৰ ঈশ্বৰ! হে মোৰ ঈশ্বৰ! তুমি মোক কিয় এৰিলা?" তাত থকা মানুহবোৰৰ কিছুমানে যীচুক তেনেকৈ চিঞৰা শুনি কৈছিল "তেওঁ এলিয়াহক মাতিছে।" তাৰে এজনে লগি গৈ এটা স্পঞ্জ চিৰিকাত জুবুৰিয়াই এডাল নলত লগাই তেওঁক পান কৰিবলৈ দিলে। তাৰ পাছত যীচুৱে আকৌ চিঞৰি চিঞৰি প্ৰাণ ত্যাগ কৰিলে। ইঃ মঃ প· ২৭। আঃ ১১-১৪। ২২-২৪। ২৬-৩১-৩৪। ৩৭-৫০॥

সমীক্ষক—দুৰ্ব্বৃত্তবোৰে যীচুৰ প্ৰতি সকলো প্ৰকাৰৰ দুৰ্ব্যবহাৰ কৰিছিল। যীচুৰো যে দোষ নাছিল এনে নহয়। ঈশ্বৰ কাৰো পিতা নহয়। ঈশ্বৰ কাৰোবাৰ পিতা হলে, কাৰোবাৰ শ্বশুৰ, কাৰোবাৰ শ্যালক আদি সম্বন্ধীয় হব লাগিব। অধ্যক্ষই যেতিয়া তেওঁক সুধিছিল তেতিয়া তেওঁ সঁচা কথা কোৱাই উচিত হলহেঁতেন। তেওঁৰ পূৰ্ব্বকথিত অলৌকিক মহিমাবোৰ সত্য হোৱা হলে তেওঁ ক্ৰচৰ পৰা অৱতৰণ কৰি সকলোকে আচৰিত আৰু শিষ্য কৰিব পাৰিলেহেঁতেন। সঁচাকৈয়ে তেওঁ ঈশ্বৰৰ পুত্ৰ হোৱা হলে ঈশ্বৰেও তেওঁক ৰক্ষা কৰিলেহেতেন। যীচু ত্ৰিকালজ্ঞ হোৱা হলে

আস্বাদন কবাব আগতেই চিবিকাব পানী তিতা মিহলি কবা নে নকবা জানিব পাবিলেহেঁতেন, মুখত দি জানিবলৈ বাকী নেথাকিল হেঁতেন। তেওঁ অলৌকিক শক্তি সম্পন্ন হোৱা হলে কিয় চিঞবি চিঞবি প্রাণ ত্যাগ কবিলেহেঁতেন? গতিকে জনা উচিত যে, তেওঁ যিমানেই চতুবতা কবক লাগে, পবিণামত সত্য সত্যই আৰু মিছা মিছা হৈ প্রমাণিত হয়। আৰু জনা গল যে, সেই সময়ত সেই দেশব বনবীয়া স্বভাবব মানুহব ভিতবত যীচু কিছুপবিমানে উন্নত আছিল, নহলে তেওঁ তেনে দুর্গতি ভোগ কবিলেহেঁতেন কিয়? ৮৭॥

৮৮। আৰু চোৱা, মহা ভূমিকম্প হল, তাব লগে লগে প্রভুব এক দূত নামি আহি সেই কববব দ্বাবব শিলচটা আঁতৰাই তাব ওপবত বহিলে। তেওঁ (দূতে) কলে তেওঁ ইয়াত নাই; অর্থাৎ দূতে কোৱাব আগতেই জী উঠিল। যেতিয়া এই বাতবি শিষ্যবোৰক দিবলৈ গৈছিল, তেতিয়া যীচু তেওঁলোকব আগত উপস্থিত। যীচুৱে কলে—"কল্যাণ হওক"। তেতিয়া তেওঁলোক ওচব চাপি আহি তেওঁব চবণত ধবি প্রণাম কবিলে। তেতিয়া যীচুৱে কলে "ভয় নকবিবা, এতিয়া মোব ভাইহঁতক গালীললৈ যাবলৈ কোৱাগৈ, তাত মোক দেখিব"। এঘাবজন শিষ্য যীচুৱে আগলে কোৱামতে গালীললৈ সেই পর্ব্বতলৈ গ'ল। তেওঁলোকে যীচুক তাত দেখি প্রণাম কবিলে কিন্তু কেইজনমানব সংশয় হল। যীচুৱে তেওঁলোকব ওচবলৈ আহি কলে, স্বর্গ আৰু পৃথিবীব সকলো অধিকাব মোক দিয়া হৈছে আৰু চোৱা জগতব অন্তলৈকে মই সদায় তোমালোকব লগতে আছোঁ"। ইঃ মঃ পঃ ২৪। আঃ ১। ৬৯।১০।১৬—১৮।২০॥

সমীক্ষক—বিজ্ঞান আৰু সৃষ্টিক্রম বিৰুদ্ধ গতিকেই এই কথাও বিশ্বাসযোগ্য নহয়। ঈশ্বৰব লগত দূত বখা, তেওঁলোকক যলৈ তলৈ পঠোৱা, আৰু স্বর্গব পবা অৱতবণ কবা আদি হলে ঈশ্বৰ তহশীলদাব

বা কলেক্টাব নেকি? যীচুৱে সেই শবীবেবেই স্বর্গলৈ গৈছিল নেকি? আৰু সেই শবীবেবেই জীয়াই উঠিছিল নেকি? স্ত্রী সকলে তেওঁব চবণস্পর্শ কবি প্রণাম কবিলে। তেনেহলে তেতিয়াও তেওঁব সেই একে শবীবেই আছিল নেকি? সেই শবীব ৩ দিন যেতিয়া কববব ভিতবত আছিল, গেলি পচি নগ'লনে? নিজ মুখে "মই সর্ব্বাধিকাবী হৈছোঁ" বুলি কোৱাব অর্থ কি? কববব পবা ওলাই আহি শিষ্যব লগত দেখা সাক্ষাৎ আৰু কথা বতবা হোৱা অসম্ভব কথা। এইবোব কথা সঁচা হলে আজি কালিও কোনোৱে কববব পবা পুন জীবিত হৈ নাহে কিয়? সশবীবে স্বর্গলৈ নেযায় কিয়?

ইমানলৈকে মথিউব লিখিত সুসমাচাব লিখা হল। ইয়াব পাছত মার্কব লিখিত সুসমাচাবব বিষয়ে লিখা হব। ৮৮॥

মার্কলিখিত সুসমাচাব।

৮৯। এওঁ সেই বাঢ়ৈ নহয়নে? ইঃ মার্কঃ পঃ ৬। আঃ ৩॥

সমীক্ষক—আচলতে জোছেফ বাঢ়ৈ আছিল, গতিকে যীচুও বাঢ়ৈ বুলীয়া। যীচুৱে কেইবছবমান বাঢ়ৈ কাম কবি তাব পাছত পয়গম্বব হ'ল, আৰু পয়গম্ববব পবা ঈশ্বৰব পুত্র হৈ পবিল। নির্ব্বোধ মানুহবোৰে তেওঁক ঈশ্বৰব পুত্র বুলি বিশ্বাস কবিছিল। গতিকে তেওঁ বেছিকৈ চতুবতা দেখুৱাব পাবিছিল; কিন্তু কাঠ কটা চিঙা কবাই তেওঁব জীবিকা আছিল। ৮৯॥

লুকব লিখিত সুসমাচাব।

৯০। যীচুৱে তেওঁক কলে, মোক সৎ বুলিছা? এজনব বাহিবে সৎ আৰু কোনো নাই, তেওঁ ঈশ্বব"। ইঃ লুকঃ পঃ ১৮। আঃ ১৯॥

সমীক্ষক—যীচুৱে যেতিয়া স্বয়ং কৈছিল, যে ঈশ্বৰ এক আৰু অদ্বিতীয় তেনেহলে, খ্রীষ্টীয়ানসকলে, পিতা, পুত্র আৰু পবিত্রাত্মা এই তিনি ক'ব পবা পালে? ৯০॥

৯১। তেতিয়া তেওঁক হেৰোদৰ ওচৰলৈ পঠাই দিলে। যীচুক দেখি হেৰোদ অতি আনন্দিত হল, কাৰণ তেও যীচুৰ কথা শুনিছিল আৰু তেওঁক দেখা কৰিবলৈ বহুত দিনৰ পৰা বাট চাই আছিল আৰু যীচুৰ অলৌকিক কৰ্ম্ম দেখিবলৈ আশা কৰিছিল। যীচুক তেওঁ বহুত কথা সুধিলে কিন্তু যীচুৱে তেওঁক কোনো উত্তৰকে নিদিলে। ই, লুঃ পঃ ২৬। আঃ ৮-৯ ॥

সমীক্ষক—মেথিউৰ লিখিত সুসমাচাৰত ইয়াৰ উল্লেখ নাই। গতিকে এই সাক্ষ্য বিকৃত। সকলো সাক্ষীৰেই বিবৃতি একে হোৱা উচিত। যীচু চতুৰ আৰু শক্তি সম্পন্ন হোৱা হলে হেৰোদক উত্তৰ দিলেহেঁতেন। আৰু তেওঁৰ অলৌকিক শক্তিও প্রদর্শন কৰিলেহেঁতেন। গতিকে জানিব লাগিব যে, যীচুৰ বিদ্যা আৰু অলৌকিক শক্তি একো নাই। ৯১ ॥

যোনৰ লিখিত সুসমাচাৰ

৯২। আদিতে শব্দ আছিল, শব্দ ঈশ্বৰত আছিল আৰু শব্দই ঈশ্বৰ আছিল। সকলো তেওঁৰ দ্বাৰাই সৃষ্ট হৈছে, যি হৈছে, সেইবোৰ তেওঁৰ বাহিৰে আন কাৰো দ্বাৰাই সৃষ্ট হোৱা নাই। তেওঁৰ ভিতৰত জীৱন আছিল, সেই জীৱনেই মানুহৰ জ্যোতি আছিল। পঃ ১। আঃ ১-৪ ॥

সমীক্ষক—দেখক, আদিতে ব্যক্ত নহলে শব্দ হব নোৱাৰে, গতিকে শব্দ ঈশ্বৰৰ লগত আছিল বোলাটো অর্থহীন। শব্দ কেতিয়াও ঈশ্বৰ হব নোৱাৰে। শব্দ যদি আদিতে ঈশ্বৰৰ সৈতে আছিল, তেতিয়া প্রশ্ন উঠে—ঈশ্বৰ আদি নে শব্দ আদি? কাৰণ নহলে শব্দৰ দ্বাৰাই কেতিয়াও সৃষ্টি হব নোৱাৰে। আৰু বিনা শব্দবেই সৃষ্টি কৰ্ত্তাই নিঃশব্দে সৃষ্টি কৰিব পাৰে। জীৱন, কত আছিল বা কি আছিল—এই বাক্যৰ পৰাই যদি জীৱক অনাদি বুলি মনা হয় তেনেহলে জীৱ অনাদি। তেনেহলে আদমৰ নাকৰ

বিন্ধাই দি শ্বাস প্রবাহ কৰি জীৱন সৃষ্টি কৰা কথা মিছা হয়। আৰু কেৱল মানুহৰহে জীৱন উজ্জ্বল? পশু আদিৰ জীৱন উজ্জ্বল নহয় নেকি? ৯২ ॥

৯৩। আৰু ৰাতিৰ আহাৰৰ শেষত চয়তানে যীচুৰ প্রতি বিশ্বাসঘাতকতা কৰিবৰ বুদ্ধি ছাইমনৰ পুত্র ইষ্কৰিয়োট বুদাৰ অন্তৰত স্থাপন কৰিলে। যোঃ ইঃ পঃ ১৩। আঃ ২ ॥

সমীক্ষক—এই কথাও সত্য হব নোৱাৰে। কাৰণ চয়তানেই যদি সকলোকে বিভ্রান্ত কৰে, তেনেহলে চয়তানক বিভ্রান্ত কৰে কোনে? যদি কয় যে চয়তানে নিজক নিজেই বিভ্রান্ত কৰে তেনেহলে মানুহেও নিজক নিজেই বিভ্রান্ত কৰিব পাৰে, চয়তানৰ আৱশ্যক কি? ঈশ্বৰেই যদি চয়তানকো সৃষ্টি কৰে আৰু বিভ্রান্তও কৰে, তেনেহলে খ্রীষ্টীয়ান-সকলৰ ঈশ্বৰ চয়তানৰো চয়তান, ঈশ্বৰেই চয়তানৰ দ্বাৰাই সকলোৰে মতিভ্রম কৰায়। কিন্তু এয়েই ঈশ্বৰৰ কাম নে? বাস্তৱত যি খ্রীষ্টীয়ান সকলৰ বাইবেল ৰচনা কৰিছে আৰু যীচুক ঈশ্বৰৰ পুত্র বুলি বর্ণনা কৰিছে, তেৱেঁই চয়তান! গতিকে বাইবেল ঈশ্বৰৰ বাণী নহয়, বাইবেলত বর্ণনা কৰা ঈশ্বৰো যথার্থ ঈশ্বৰ নহয়, আৰু যীচুও ঈশ্বৰৰ পুত্র নহয়। ৯৩ ॥

৯৪। তোমালোকৰ মন ব্যাকুল নহওক, ঈশ্বৰত বিশ্বাস কৰা, মোক বিশ্বাস কৰা। মোৰ পিতাৰ গৃহত থকা ঠাই বহুত আছে, নোহোৱা হলে মই তোমা-লোকক কলোহেঁতেন যে, মই তোমালোকৰ কাৰণে বাসস্থান প্রস্তুত কৰিবলৈ যাওঁ বুলি। আৰু মই তোমালোকৰ কাৰণে বাসস্থান কৰিবলৈ যাওঁ যদিও, তোমালোকক লৈ যাবলৈ আকৌ আহিম। মই যত থাকিম তোমালোকো তাতেই থাকিবা। যীচুৱে তেওঁলোকক কলে, "ময়েই পথ, সত্য আৰু জীৱন; মোৰ দ্বাৰেদি নগলে, পিতাৰ ওচৰলৈ কোনো যাব নোৱাৰে। মোক জানিব পাৰা যদি, মোৰ পিতাকো জানিব পাৰিবা"।

সমীক্ষক—এতিয়া চ'ক! যীচুৰ এইবোৰ কথা পোপ লীলাৰ (পোপৰ চক্রান্ত) বাহিৰে আন একো নহয়। এনেকুৱা প্রপঞ্চ ৰচনা

নকৰা হলে তেওঁৰ মত কোনে বিশ্বাস কৰিলেহেঁতেন। যীচুৱে তেওঁৰ পিতাৰ অধিকাৰ একচেটিয়া কৰি লৈছিল নেকি? ঈশ্বৰ যদি তেওঁৰ বশীভূত, তেনেহলে পৰাধীন। যি পৰাধীন তেওঁ ঈশ্বৰ কেনেকৈ হব? আচলতে ঈশ্বৰে কাৰো অনুৰোধ শুশুনে। যীচুৰ জন্মৰ আগতে ঈশ্বৰক কোনেও পোৱা বা জনা নাছিল নেকি? এইদৰে স্থান আদিৰ প্ৰলোভন দেখুৱা আৰু নিজে নিজকে পন্থা, সত্য আৰু জীৱন বোলা আত্মপ্ৰশংসাৰ পৰিচয় মাত্ৰ। গতিকে এইবোৰ সত্য বুলি বিবেচনা কৰিব নোৱাৰি। ৯৪ ॥

৯৫। মই তোমালোকক সঁচাসঁচিকৈ কৈছো, যি মোক বিশ্বাস কৰে, মই যি কৰ্ম্ম কৰো, তেৱোঁ সেই কৰ্ম্ম কৰিব পাৰিব আৰু তাতকৈও ডাঙৰ ডাঙৰ কৰ্ম কৰিব পাৰিব।

যোঃ ইঃ পঃ ১৪। আঃ ১২ ॥

সমীক্ষক—বাৰু, খ্ৰীষ্টীয়ানসকলে যদি যীচুক সম্পূৰ্ণ বিশ্বাস কৰে তেনেহলে তেওঁলোকে মৃতক জীয়াই তোলা আদি কৰিব নোৱাৰে কিয়? তেওঁলোকে যদি বিশ্বাসৰ বলত বিস্ময়জনক কৰ্ম্ম কৰি দেখুৱাব নোৱাৰে, তেনেহলে যীচুৱেও তেনে কৰ্ম্ম কৰা নাই বুলি জানিব লাগিব। যীচুৱে স্বয়ং কৈছে 'তোমালোকেও আশ্চৰ্য্যজনক কাৰ্য্য কৰিবা"; তথাপি চোন খ্ৰীষ্টীয়ানসকলৰ কোনেও একো আশ্চৰ্য্যৰ কৰ্ম্ম কৰিব পৰা নাই। তেনেহলে কোন অজ্ঞান অন্ধই যীচুৰ মৰাক জীওৱা আদি বিশ্বাস কৰিব? ৯৫।

৯৬। ঈশ্বৰ অদ্বিতীয় আৰু সত্য। ইঃ যোঃ ১৭। আঃ ৩ ॥

সমীক্ষক—যদি ঈশ্বৰ এক আৰু অদ্বিতীয় হয়, তেনেহলে খ্ৰীষ্টীয়ান সকলে যে তেওঁক "তিনি" বোলে, সেইটো মিছা। ৯৬ ॥

নব্য বাইবেলৰ বেছিভাগেই এনেধুৰা বিপৰীত কথাৰেই পৰিপূৰ্ণ।

যোনৰ প্ৰকাশিত বাক্য

এতিয়া যোনৰ অদ্ভুত কথাবোৰ শুনক—

৯৭। তেওঁলোকৰ মূৰত সুবৰ্ণৰ মুকুট। সেই সিংহাসনৰ সম্মুখত সপ্ত প্ৰদীপ জ্বলি আছে, সেইবোৰ ঈশ্বৰৰ সপ্ত আত্মা। আৰু সেই সিংহাসনৰ সম্মুখত স্ফটিকৰ এক সমুদ্ৰ আছে আৰু সিংহাসনৰ চতুৰ্দ্দিকে চাৰিটা প্ৰাণী আছে। তেওঁলোকৰ আগত আৰু পাছত চকু আছে। যোঃ প্ৰঃ পঃ ৪। আঃ ৪-৬ ॥

সমীক্ষক—এইবাৰ চ'ক; খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গ জানিবা এখন গৰ, আৰু তেওঁলোকৰ ঈশ্বৰ দীপকৰ দৰে প্ৰজ্বলিত অগ্নি। স্বৰ্ণমুকুট আদি অলঙ্কাৰ ধাৰণ আৰু আগে পাছে নেত্ৰবিশিষ্ট জীৱৰ অস্তিত্ব অসম্ভৱ। তাৰ উপৰিও তাত সিংহ আদি চাৰিটা পশুৰো উল্লেখ আছে। এই কথাবোৰ কোনে বিশ্বাস কৰিব পাৰে? ৯৭ ॥

৯৮। আৰু যি সিংহাসনত বহি আছে, তেওঁৰ সোঁ হাতত মই এখন পুস্তক দেখিলোঁ; তাৰ ভিতৰে-বাহিৰে লিখা আৰু সপ্ত মুদ্ৰাত মুদ্ৰাঙ্কিত। সেই পুস্তকৰ মোহৰ বন্ধন উন্মুক্ত কৰি মেলিবৰ যোগ্য কোন? স্বৰ্গত, পৃথিবীত আৰু ভূতলত সেই পুস্তক মেলিবৰ অথবা দৃষ্টিপাত কৰিবলৈ কাৰো সাধ্য নহ'ল। তেতিয়া মই বহুত বোদন (কন্দা) কৰিবলৈ ধৰিলো, কাৰণ সেই পুস্তক মেলিবলৈ আৰু দৃষ্টিপাত কৰিবলৈ যোগ্য কাকো পোৱা নহল। যোঃ প্ৰঃ পঃ ৫। আঃ ১-৪ ॥

সমীক্ষক—এতিয়া বুজক খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গত সিংহাসন আৰু মানৱপ্ৰিয় খিতাপী আছে। ইয়াৰ উপৰিও মোহৰ যুক্ত আৱৰণৰে আবৃত কৰা পুস্তকো আছে পৃথিবীৰহে কোনাগে স্বৰ্গলো কাৰো সেই পুস্তক মেলিবৰ বা দেখিবৰ অধিকাৰ নাই। মোনে বোদন কৰাত এজন

মুখ্যলোকে কলে যে, যীচুৱে সেই পুস্তক মুকলি কৰিব পাৰিব। এই বিষয়ে এটা প্ৰবাদৰ প্ৰয়োজন হয় যে "যাৰ বিয়া তেওঁৰেই গীত"। চ'ক। যীচুৰ ওপৰতেই সকলো মাহাত্ম্য আৰোপ কৰা হৈছে; কিন্তু এইবোৰ কেৱল গল্পহে। ৯৮ ॥

৯৯। পাছত মই দেখিলোঁ। সেই সিংহাসন আৰু চাৰিও প্ৰাণীৰ মাজত আৰু মুখ্যসকলৰ মাজত এটা মৃতবৎ মেষশাবক অৱস্থিত, যাৰ সপ্তশৃঙ্গ আৰু সপ্ত চক্ষু; সেইবোৰ পৃথিবীলৈ প্ৰেৰিত ঈশ্বৰৰ সপ্ত আত্মা। বোঃ প্ৰঃ পঃ ৫। আঃ ৬॥

সমীক্ষক—এইবোৰ চ'ক। এইবোৰ হ'ল যোনৰ স্বপ্নদৃষ্ট মনৰ ব্যাপাৰ, সেই স্বৰ্গৰ মাজত খ্ৰীষ্টীয়ানসকলৰ চাৰিটা পশু আৰু যীচুৰ বাহিৰে আন কোনো নাই! সকলোতকৈ আচৰিত কথা হল এয়ে যে, ইহলোকত যীচুৰ দুটা মাত্ৰ চকু আছিল, শিঙৰ নামমাত্ৰও নাছিল, কিন্তু স্বৰ্গত তেওঁৰ সাতোটা চকু আৰু সাতটা শিং হ'লগৈ, আকৌ সেইবোৰ আচলতে ঈশ্বৰেই আত্মা। খ্ৰীষ্টীয়ান সকলে যে এইবোৰ কথা বিশ্বাস কৰিছে, সেয়েই পৰিতাপৰ বিষয়। তেওঁলোকে অলপো বিবেচনা কৰিব নোৱাৰিলে নে? ৯৯।

১০০। তেওঁ যেতিয়া সেই পুস্তকখন গ্ৰহণ কৰে, তেতিয়া চাৰি প্ৰাণী আৰু মুখ্যসকলৰ বা বৃদ্ধসকলৰ চৌবিশ জনে মেষ শাবকৰ সাক্ষাতত প্ৰণিপাত কৰিলে। প্ৰত্যেকৰ হাতত বীণা আৰু ধূপ সহ সোণৰ পাত্ৰ, যিবোৰ আচলতে পবিত্ৰলোক সকলৰ প্ৰাৰ্থনাহে আছিল। বোঃ প্ৰঃ পঃ ৫। আঃ ৮ ॥

সমীক্ষক—বাৰু, এতিয়া কওকচোন, যীচু যেতিয়া স্বৰ্গত নাছিল, সেই স্বৰ্গৰ বেছেবাসকলে ধূপ, দীপ নৈবেদ্য আৰতি আদিবে তেতিয়া কাক পূজা কৰিছিল? ইয়াত এতিয়া প্ৰোটেষ্টেণ্ট খ্ৰীষ্টীয়ানসকলে বুৎপৰস্তী

অৰ্থাৎ মূৰ্ত্তি পূজা অস্বীকাৰ কৰে, কিন্তু তেওঁলোকৰ স্বৰ্গ মূৰ্ত্তি পূজাৰেই ঘৰ। ১০০।

১০১। তাৰ পাছত দেখিলোঁ, যেতিয়া সেই ভেড়াৰ পোৱালিয়ে সেই সাতজনৰ মাজত প্ৰথম মোহৰটো খুলিলে, তেতিয়া মই সেই চাৰি প্ৰাণীৰে এক প্ৰাণীৰ মেঘ গৰ্জ্জনৰ দৰে এই বাণী শুনিলো—"অহাঁ আৰু চোৱা,"। মই এক শুক্লবৰ্ণ অশ্ব দেখিলো আৰু তাৰ ওপৰত যি বহি আছে, তেওঁ ধনুৰ্দ্ধাৰী, তেওঁক এক মুকুট পিন্ধাই দিয়া হল আৰু তেওঁ জয় কৰি কৰি আকৌ জয় কৰিবলৈ ওলাইছে। আৰু যেতিয়া তেওঁ দ্বিতীয়টো মোহৰ খুলিলে তেতিয়া দ্বিতীয় ৰঙা ঘোঁৰা ওলাল। তেওঁক পৃথিবীত ঐক্য নষ্ট কৰিবলৈ আদেশ দিয়া হ'ল। যেতিয়া তেওঁ তৃতীয়টো মোহৰ খুলিলে তেতিয়া এক ক'লা তৃতীয় ঘোঁৰা ওলাল। আৰু যেতিয়া তেওঁ চতুৰ্থটো মোহৰ খুলিলে তেতিয়া এক হালধীয়া ঘোঁৰা ওলাল আৰু সেই ঘোঁৰাৰ পিঠিত যি বহি আছিল তেওঁৰ নাম মৃত্যু ইত্যাদি। যোঃ প্ৰঃ ৬। আঃ ১—৮ ॥

সমীক্ষক—এতিয়া চক, এইবোৰ পুৰাণকো চেৰ পেলাব পৰা মিছা কল্পনা হয়নে নহয়? কিতাপত মেৰিয়াই থোৱা আৱৰণৰ ভিতৰত অশ্বাৰোহী কেনেকৈ থাকিব পাৰে? যি এইবোৰ স্বপ্ন প্ৰলাপক সত্য বুলি বিশ্বাস কৰে তেওঁৰ অজ্ঞতা যিমানেই বেছি বুলি কোৱা হওঁক সিমানেই কমহে হয়। ১০১ ॥

১০২। তেওঁলোকে উচ্চৈঃস্বৰে কলে, "হে পবিত্ৰ সত্যময় অধিপতি, পৃথিবীবাসীসকলৰ বিচাৰ আৰু আমালোকৰ ৰক্তপাতৰ প্ৰতিফল দিঅঁতে কিমান কাল বিলম্ব কৰিবা„? তেতিয়া তেওঁলোকৰ প্ৰত্যেককে শুক্লবস্ত্ৰ দিয়া হল, আৰু তেওঁলোকক কোৱাও হল যে, তেওঁলোকৰ সঙ্গী, দাস, আৰু ভ্ৰাতৃসকলক তোমালোকৰ দৰে বধ কৰোঁতে কৰোঁতে যেতিয়ালৈকে সিহঁত

শেষ নহয়, সিমান সময়ৰ কাৰণে কিঞ্চিৎ কাল বিশ্রাম কৰিব লাগিব। যোঃ প্রঃ পঃ ৬। আঃ ১০।১১॥

সমীক্ষক—এইদৰে খ্রীষ্টীয়ানসকলে "দৌৰে সুপুর্দ" হৈ ন্যায় বিচাৰৰ কাৰণে বাট চাই কান্দি থাকিব লাগিব; কিন্তু যি সকল বৈদিক মতাৱলম্বী তেওঁলোকৰ বিচাৰৰ কাৰণে কিঞ্চিৎ মাত্রও বিলম্ব নহয়। খ্রীষ্টীয়ানসকলক যদি সোধা হয়, আজি-কালি ঈশ্বৰৰ বিচাৰালয় বন্ধ আছে নেকি? আৰু বিচাৰ কার্য্যৰ অভাৱত বিচাৰক নিষ্কর্ম্মা হৈ ৰহি আছে নেকি? তেওঁলোকে এই প্রশ্নৰ কোনো যুক্তি সঙ্গত উত্তৰ দিব নোৱাৰে। আকৌ খ্রীষ্টীয়ানসকলৰ ঈশ্বৰক অতি সহজে ভুলাবও পাৰি। কাৰণ ঈশ্বৰে খ্রীষ্টীয়ানসকলৰ অনুৰোধত তৎক্ষণাৎ তেওঁলোকৰ শত্রুৰ বিৰুদ্ধে প্রতিশোধ লবলৈ আৰম্ভ কৰে। তেওঁ ইমানেই নৃশংস প্রকৃতিৰ যে, মৃত্যুৰ পাছতো প্রতিশোধ লয়। খ্রীষ্টীয়ানসকলৰ ভিতৰত শান্তিৰ লেশমাত্রও নাই: য'ত বা যাৰ ক্ষমা নাই, ত'ত বা তাৰ দুখৰ অন্ত নাই।১০২॥

১০৩। আৰু ধুমুহা বতাহৰ জোকাৰত যেনেকৈ ডিমৰ গছৰ [illegible]চা ফলোৰ সৰি পৰে, সেইদৰেই আকাশৰ তৰাবোৰ পৃথিৱীত পতিত হ'ল আৰু কাগজৰ দৰে কোচ খাই পৃথক্ হল। যোঃ প্রঃ [illegible] ৬ আঃ ১৩।১৪॥

সমীক্ষক—ভবিষ্যত বক্তা যোন অজ্ঞ নোহোৱা হলে [illegible]নেবোৰ লাগবান্ধ নোহোৱা কথা নকলেহেঁতেন। প্রত্যেকটো তৰা একোটা একোটা লোক বিশেষ; গতিকে সেই সকলোবোৰ পৃথিৱীত পৰাটো সম্ভৱনে? সূর্য্য আদিৰ আকর্ষণে নক্ষত্রবোৰক নিজৰ নিজৰ কক্ষ পথ অতিক্রম কৰিবলৈ কিয় দিব? যোন আকাশক ঢাবি বুলি ভাবিছিল নেকি? আকাশ সাকাৰ পদার্থ নহয় যে, কোনোৱে জাপি-জুপি বা মেৰিয়াই ঘুৰিয়াই পেলাব পাৰে। আচলতে যোনৰ বিদ্যাই নাছিল, তেওঁ এইবোৰ বিষয় কেনেকৈ জানিব? ১০৩॥

সীমিত মনোভাব

১০৪। পাছত মই মুদ্রাঙ্কিত মানুহবোৰৰ সংখ্যা শুনিলো, ইস্রায়েলৰ সন্তানসকলৰ সকলো বংশৰ ভিতৰত ১,৪৪,০০০ লোক মুদ্রাঙ্কিত। য়ীহূদাবংশৰ ১২০০০ (বাৰ হেজাৰ) লোক মুদ্রাঙ্কিত। যোঃ প্রঃ পঃ ৭। আঃ ৪-৫॥

সমীক্ষক—বাইবেলৰ ঈশ্বৰ কেৱল ইস্রায়েল বংশীয় মানুহবোৰৰহে প্রভু নে সমস্ত জগতৰ প্রভু? কেৱল বনবীয়া মানুহৰ প্রভু নহলে তেওঁলোকৰ সংসর্গতেই কিয় থাকিলহেঁতেন? তেওঁ কেৱল সেইবোৰ মানুহৰহে সহায় কৰিছিল আন মানুহৰ নামো লোৱা নাই। ইয়াৰ কাৰণ কি? গতিকে তেওঁ যথার্থ ঈশ্বৰ নহয়। ইস্রায়েলবংশীয়সকলৰ ওপৰত মোহৰৰ ছাপ লগাই দিয়া অল্পজ্ঞভাৱহে লক্ষণ হব পাৰে অথবা এইবোৰ যোনৰ মিছা কল্পনা। ১০৪॥

১০৫। এই কাৰণেই এওঁলোক ঈশ্বৰৰ সিংহাসনৰ সম্মুখত আছে আৰু এওঁলোকে দিনে ৰাতিয়ে তেওঁৰ মন্দিৰত তেওঁৰ আৰাধনা কৰে। যোঃ প্রঃ পঃ ৭। আঃ ১৫॥

সমীক্ষক—ইয়াকেই মহাবুৎপৰস্তী অর্থাৎ মূর্ত্তি পূজা নোৱোলে নে, তেওঁলোকৰ ঈশ্বৰ দেহধাৰী মানুহৰ দৰে একদেশী নহয় নে? আৰু খ্রীষ্টীয়ানৰ ঈশ্বৰে ৰাতিও নোশোৱে, শুলে ৰাতি তেওঁৰ পূজা কেনেকৈ কৰিব? সম্ভৱ তেওঁৰ নিদ্রাও লোপ পাইছিল। যি দিন ৰাতি উজাগৰে থাকে তেওঁৰ চিত্ত বিক্ষিপ্ত হয়, আৰু অতি ৰোগাক্রান্ত হৈ পৰে। ১০৫॥

১০৬। পাছত এক দূত আহি বেদীৰ ওচৰত থিয় হল, তেওঁৰ হাতত সোণৰ ধূপদানী আছিল, আৰু তাত বহুত ধূপ

দিয়া হ'ল। আৰু ধূপৰ ধোৱাঁ পবিত্ৰ লোকসকলৰ প্ৰাৰ্থনাৰ লগত দূতৰ হাতৰপৰা ঈশ্বৰৰ আগত অৰ্পিত হ'ল আৰু দূতে সেই ধূপদানী লৈ বেদীৰ অগ্নিৰে পূৰ্ণ কৰি পৃথিবীলৈ নিক্ষেপ কৰিলে, ফলত মেঘগৰ্জ্জন, বিজুলী আৰু ভূমিকম্প হ'ল।

যোঃ প্ৰঃ পঃ ৮। আঃ ৩-৫ ॥

সমীক্ষক—এতিয়া ৮'ক খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গত বেদী, ধূপ, দীপ, নৈবেদ্য আৰু তুৰীবাদ্য আছে। গতিকে বৈৰাগীসকলৰ মন্দিৰতকৈ তেওঁলোকৰ স্বৰ্গ কোনো গুণে কম নহয়, ৰবঞ্চ তেওঁলোকৰ স্বৰ্গৰ জাকজমক বেছিহে। ১০৬ ॥

১০৭। প্ৰথম দূতে তুৰী বজালে, তাৰ পৰা ৰক্ত মিশ্ৰিত শিল আৰু অগ্নি ওলাই পৃথিবীত পাতত হ'ল, ফলত পৃথিবীৰ ৩ ভাগৰ এভাগ জ্বলি গল। যোঃ প্ৰঃ পঃ ৮। আঃ ৭ ॥

সমীক্ষক—ধন্য খ্ৰীষ্টীয়ানসকলৰ ভৰিষ্যত বক্তা! ঈশ্বৰ আৰু ঈশ্বৰৰ দূতে তুৰীৰ শব্দ আৰু প্ৰলয়ৰ লীলা কেৰল ল'ৰাৰ খেলৰ দৰেই দেখুৱাইছে। ১০৭ ॥

অনন্ত গভীৰ কুপ

১০৮। পাছত পঞ্চম দূতে তুৰী বজালে, মই, তেতিয়া স্বৰ্গৰ পৰা পৃথিবীত পৰা যেন এটা তৰা দেখিলো; যাক অগাধ কুণ্ডৰ কূপৰ চাবি দিয়া হৈছিল, তেওঁ সেই অগাধ কুণ্ডৰ কূপ খুলিলে, আৰু বৃহৎ অগ্নিকুণ্ডৰ ধোৱাঁৰ দৰে কূপৰপৰা ধোঁৱা উৱিৰলৈ ধৰিলে আৰু সেই ধোঁৱাৰ পৰা এবিধ পতঙ্গ পৃথিবীত উৎপন্ন হল; বৃশ্চিকৰ বিষৰ সমান বিষৰ অধিকাৰ সিহঁতক দিয়া হ'ল। আৰু সিহঁতক নিৰ্দ্দেশ দিয়া হৈছিল যে, যিবোৰ মানুহৰ মুৰত ঈশ্বৰৰ ছাপ নাই, সেইবোৰক পাঁচ মাহ পীড়ন কৰিব।

যোঃ প্ৰঃ পঃ ৯। আঃ ১-৫ ॥

সমীক্ষক—তুৰীৰ শব্দ শুনি নক্ষত্ৰবোৰ সেই দূতবোৰৰ ওপৰত আৰু সেই স্বৰ্গতে পৰিছিল হবলা? পৃথিবীত পৰা নাই। ঈশ্বৰে প্ৰলয়ৰ কাৰণেই সেই কূপটো ৰাখিছিল নে? আৰু তাত পতঙ্গবোৰ পুহিছিল নেকিনো? সেই পতঙ্গবোৰে বোধহয় ছাপ মোহৰ দেখি কাক কামুৰিব লগে আৰু কাক নেলাগে জানিছিল। সৰল নিৰ্ব্বোধ মানুহক এনেবোৰ ভয় দেখুৱাই খ্ৰীষ্টীয়ান কৰাৰেই প্ৰতাৰণাহে। "তুমি যদি খ্ৰীষ্টীয়ান নোহোৱা তেন্তে তোমাক পতঙ্গই কামুৰি পীড়ন কৰিব।" যি দেশত জ্ঞানৰ পোহৰ নাই, সেইখিনি দেশতহে এনেবোৰ প্ৰতাৰণা সম্ভৱ, আৰ্য্যাবৰ্ত্ত দেশত নহয়। আৰু প্ৰলয় এনেকুৱাই নেকি? ১০৮॥

১০৯। আৰু অশ্বাৰোহী সৈন্যৰ সংখ্যা বিশ কোটি।

যোঃ প্ৰঃ পঃ ৯। আঃ ১৬ ॥

সমীক্ষক—স্বৰ্গত ইমানবোৰ ঘোঁৱা ক'ত থাকিব? ক'ত খুৰিব? স্বৰ্গত সেই ঘোঁৱাবোৰৰ হগা-মুতাৰ পৰা কিমান যে দুৰ্গন্ধ হব! আৰু বেছি নকলেও হব। আৰ্য্যসকলে এনেকুৱা স্বৰ্গ, এনেকুৱা ঈশ্বৰ আৰু এনে মতক তিলাঞ্জলি দিছে। সৰ্ব্ব-শক্তিমান পৰমেশ্বৰৰ কৃপাত খ্ৰীষ্টীয়ান-সকলৰ মস্তিষ্কৰ পৰা এনে ধাৰণাবোৰ দূৰ হলেই মঙ্গল। ১০৯ ॥

১১০। পাছত মই আৰু এক শক্তিমান দূতক স্বৰ্গৰ পৰা নামি অহা দেখিলো। তেওঁৰ পৰিধান মেঘ, আৰু মস্তকৰ ওপৰত মেঘৰ ধেনু আছিল, মুখ সূৰ্য্যৰ দৰে, চৰণ অগ্নিস্তম্ভৰ দৰে। তেওঁ সমুদ্ৰত সোঁ চৰণ আৰু স্থলত বাওঁ চৰণ থলে।

যোঃ প্ৰঃ পঃ ১৯। আঃ ১-৩ ॥

সমীক্ষক—এনেকুৱা দূতৰ বৃত্তান্ত পুৰাণৰ কাহিনী বা বঙ্গালৰ কথাতকৈও কৌতুকজনক। ১১০॥

১১১। আৰু লাঠিৰ সমান এডাল নল মোৰ হাতত দি কলে "উঠা, ঈশ্বৰৰ মন্দিৰ, বেদী আৰু তাত ওজন কৰা সকলৰ ওজন কৰা"। যোঃ প্ৰঃ পঃ ১১। আঃ ১ ॥

সমীক্ষক—ইয়াবতো কথাই নাই, স্বর্গতো খ্রীষ্টীয়ানসকলে মন্দিব নির্ম্মাণ কবিছে আৰু জোখ-মাখ কবে। ভালেই এওঁলোকব স্বর্গ যেনে কথাও তেনে, এই কাবণেই ইয়াত তেওঁলোকে প্রভুভোজন কবোঁতে যীচুব মাংস আৰু বক্ত বুলি খায় আৰু গাৰ্জ্জাতো ক্রুচ আদিব আকাবক পূজা কবে ১১১॥

১১২। আৰু স্বর্গত ঈশ্বৰব মান্দৰ খোলা হল, আৰু তাৰ নিয়মৰ চন্দুক মন্দিৰত দেখুৱা হ'ল। যোঃ প্রঃ পঃ ১১। আঃ ১৯।

সমীক্ষক—বোধহয় স্বর্গব মন্দিব সদায় বন্ধ থাকে, আৰু কেতিয়াবা কেতিয়াবা খোলে। কিন্তু পবমেশ্বৰব কোনো মন্দিব থকা সম্ভব জানো? পবমেশ্বব, যাক সর্ব্বব্যাপক স্বৰূপ বুলি বেদে ব্যাখ্যা কবিছে তেনে পবমেশ্বব কোনো মন্দিবত আবদ্ধ হোৱা সম্ভব নহয়। খ্রীষ্টীয়ানব সাকাব ঈশ্বব অৱশ্যে মন্দিবত আবদ্ধ থাকে। ঈশ্বৰব বাসস্থান স্বর্গই হওক বা পৃথিবীয়েই হওক, ইয়াব দবেই স্বর্গতো পো. পা, টং টং, ঢং ঢং বাদ্যবে পূজা হৈয়েই থাকে। বোধহয় খ্রীষ্টিয়ানসকলে কেতিয়াবা কেতিয়াবাহে চন্দুক খুলি ধর্ম্মাবধান দেখে। সেইদবে দর্শন কবাত কি লাভ হয় তাকহে বুজা নেযায়। সম্ভব নির্ব্বোধ সাধুহক প্রলোভিত কবাব কাবণেই এনে অনুষ্ঠান কবা হয়। ১১২॥

১১৩। স্বর্গত আৰু এটা বব আশ্চর্য্য দেখা গ'ল। এগবাকী স্ত্রী, সূর্য্য হৈছে তেওঁব পোচাক, চন্দ্র তেওঁব পদ তলত, আৰু তেওঁব মস্তকত বাদশ তাবকাব এক 'মুকুট। তেওঁ গর্ভবেদনাগ্রস্ত হৈ চিঞৰিছে, প্রসবব বেদনা ভোগ কবিছে। স্বর্গত আৰু এটা আশ্চর্য্য দেখা গ'ল। সেইটো এটা প্রকাণ্ড বঙা অজগব। তাব সাতোটা মুব আৰু দহোটা শিং। সাতোটা শিবত বাজমুকুট আৰু তাব নেজেবে আকাশব এক তৃতীয়াংশ নক্ষত্রক আকর্ষণ কবি পৃথিবীত নিক্ষেপ কবিলে। যোঃ প্রঃ পঃ ১২। আঃ ১-৪॥

সমীক্ষক—কেনে কৌতূহল জনক কাহিনী শুনক, খ্রীষ্টীয়ানসকলব স্বর্গতো সেই দুর্ভগীয়া স্ত্রী গবাকীয়ে চিঞৰিছে। কোনেও তেওঁব দুখব কথা শুনা নাই আৰু দুখব নিবাবণো কবিব পবা নাই। অজগব টোৱে যিডাল নেজেবে নক্ষত্রবোবব এক তৃতীয়াংশ পৃথিবীত পেলাই দিছিল সেই নেজডাল কিমান ডাঙব আছিল? নক্ষত্রবোব এক তৃতীয়াংশ যে পৃথিবীব ওপবত নিক্ষেপ কবিছিল পৃথিবী অতি ক্ষুদ্র গ্রহ, আৰু নক্ষত্রবোব পৃথিবীব তুলনাত সহস্র গুণে বিশাল নহয় জানো? পৃথিবীত চোন এটা নক্ষত্রবো সমাবেশ হব নোৱাবে। তেনেহলে অনুমান কবিব পাবি যে, যি এই গল্প লিখিছে তেওঁব ঘবতেই সেই নক্ষত্রবোব নিক্ষেপ কবা হৈছিল বোধহয়। আৰু যিটো অজগবব নেজ ইমান প্রকাণ্ড আছিল যে, নক্ষত্রবোবব এক তৃতীয়াংশ মেবিয়াই ধবি পৃথিবীত পেলাই দিছিল, সেই অজগবো বোধহয় তেওঁব ঘবতেই আছিল, নহলে আৰু কত থাকিব পাবে? ১১৩॥

স্বর্গত যুদ্ধ

১১৪। আৰু স্বর্গত যুদ্ধ লাগিল, মাইকেল আৰু তেওঁব দূতবোবে অজগববিৰুদ্ধে যুদ্ধত লাগিল। যোঃ প্রঃ পঃ ১২। আঃ ৭॥

সমীক্ষক—কোনোবে যদি খ্রীষ্টীয়ানসকলব ঘবলৈ যায় তেনেহলে তাব যুদ্ধব কাবণে অশেষ দুখ ভুগিব লাগিব। গতিকে এতিয়াব পবাই তেনে স্বর্গব আশা পবিত্যাগ কবা ভাল। যত শান্তি ভঙ্গ আৰু উপদ্রব ঘটে, তেনে স্থানহে খ্রীষ্টীয়ানসকলব কাবণে উপযোগী। ১১৪॥

১১৫। আৰু সেই প্রকাণ্ড অজগব নিক্ষিপ্ত হল। এয়েই সেই সেই পুৰাতন সর্প যাক চয়তান বোলা হয়, যি সমস্ত সংসাবত ভ্রান্তিব সৃষ্টি কবে। যোঃ প্রঃ পঃ ১২। আঃ ৯॥

সমীক্ষক—চয়তান যেতিয়া স্বর্গত আছিল তেতিয়া সি মানুহবোবক প্রতাবণা কবা নাছিল নেকি? সেই চয়তানক যাবজ্জীবন কাবাকদ্ধ অথবা

নিজস্ত কবা নহল কিয়? চয়তানে যদি সংসাবব সকলোকে প্রলোভিত কবে, চয়তানক নো প্রলোভিত কোনে কবে? চয়তানে যদি নিজে নিজে প্রলোভিত হব পাবে, তেনেহলে বিনা চয়তানে আন সকলেও প্রলোভিত হব পাবে। আক যদি ঈশ্ববে চয়তানক প্রলোভিত কবে তেনেহলে সেই ঈশ্বব ঈশ্ববেই হব নোৱাবে। দেখা গৈছে যে, খ্রীষ্টীয়ানসকলব ঈশ্বৰেও চয়তানক ভয় কবে, চয়তানতকৈ ঈশ্বব বলবান হোৱা হলে চয়তানক পাপ কবাব লগে লগেই শাস্তি দিব পাবিলেহেঁতেন। কিন্তু জগতত চয়তানব যিমান বাজ্য আছে, খ্রীষ্টীয়ান ঈশ্বৰব তাব সহস্রাংশব একাংশও নাই। হোৱহব এই কাবণেই খ্রীষ্টিয়ানসকলব ঈশ্বৰে—চয়তানব দুষ্কর্ম্মত বাধা দিব নোৱাবে। বুজিব পবা হৈছে যে, আজি-কালি খ্রীষ্টিয়ান বাজ্যাধিকাবী-সকলে যেনেকৈ দস্যু তস্কব আদিক তৎক্ষণাৎ দণ্ডবিধান কবে খ্রীষ্টিয়ান-সকলব ঈশ্বৰে তেনেকৈ দণ্ড দিব নোৱাবে। সেয়ে হলে এনেকুৱা নির্ব্বোধ আক কোন থাকিব পাবে যি বৈদিক মত পবিত্যাগ কবি কপোল কল্পিত খ্রীষ্টিয়ান মত গ্রহণ কবিব? ১১৫॥

১১৬। হায়! পৃথিবী আক সমুদ্র বাসীসকল! তোমালোকব ওপৰুত চয়তান নম্তিছে। যো: প্র: প: ১২। আ: ১২॥

সমীক্ষক—ঈশ্বৰ কেৱল স্বর্গবহে অধিপতি আক বক্ষক নেকি? তেওঁ পৃথিবী আক পৃথিবীব প্রাণীবোৰব অধিপতি আক বক্ষক নহয় নেকি তেওঁ যদি এই পৃথিবীবো বজা, তেনেহলে চয়তানক বিনাশ নকবিলে কিয়? চয়তানে যেতিয়া সকলোকেই প্রতাবিত কবিছে, ঈশ্বৰে তাত বাধা নিদিয়ে কিয়? ইয়াব পবা দুজনা ঈশ্বৰ থকাব প্রতীতি হয়। আৰ এজন সৎপ্রকৃতিব আক যে দুষ্ট প্রকৃতিব আক এজন দুষ্ট প্রকৃতিবজন সৎপ্রকৃতিব জনতকৈ বেছি বলবান্। ১১৬॥

১১৭। আক তেওঁক বিয়াল্লিশ মাহ পর্য্যন্ত যুদ্ধ কবিবব ক্ষমতা দিয়া হ'ল। তাব পৱা তেওঁ ঈশ্বৰব নিন্দা কবিবলৈ

আৰম্ভ কবিলে, ঈশ্বৰব নাম, তেওঁৰ তম্বু, আক স্বর্গবাসীসকলব নিন্দা। আক পবিত্র ব্যক্তিবোৰব বিৰুদ্ধে যুদ্ধ আক জয় কবাব ক্ষমতা আক সকলো বংশ, ভাষা আক দেশব ওপৰত অধিকাব দিয়া হ'ল। যো: প্র: ১৩। আ: ৫-৭।

সমীক্ষক—পৃথিবীব মানুহবোৰব মতিভ্রম কবিবব নিমিত্তে চয়তান আক পশু আদি প্রেৰণ কবা আক সৎপ্রবৃত্তিব মানুহব বিৰুদ্ধে যুদ্ধ কবিবলৈ প্রবৃত্ত কবা দস্যুপতিব কাম নহয় নে? কোনো ঈশ্বৰ ভক্তই এনে কাম কবিব নোৱাবে। ১১৭॥

১১৮। পাছত মই দৃষ্টিপাত কবিলো, আক দেখিলো, সেই ভেড়াব পোৱালি 'চিয়োন' পর্ব্বতব ওপৰত থিয় হৈ আছে। তাব লগত এক লাখ চৌৱাল্লিশ হেজাৰজন মানুহ আছে। সেই লোকবোৰব কপালত যীচুব আক তেওঁৰ পিতাকব নাম লিখা আছে। যো: প্র: প: ১৪। আ: ১॥

সমীক্ষক—যত যীচুব পিতাক আছিল সেই চিয়োন পাহাৰতেই তেওঁৰ পুত্রও আছিল, কিন্তু ১৪৪০০০ মানুহব গণনা কেনেকৈ কবিলে? এক লাখ চৌৱাল্লিশ হেজাৰ হ'ল স্বর্গবাসী, বাকী কোটি কোটি খ্রীষ্টীয়ানব মুৰত মোহবব ছাপ লগোৱা নহল; সেইবোৰ তেনেহলে নৰকগামী হ'ল নেকি? চিয়োন পাহাৰত যীচুব পিতা আক সৈন্যবোৰ আছেনে নাই খ্রীষ্টীয়ানসকলে তালৈ গৈ চাই অহা উচিত। যদিহে তাত আছে, লিখা কথাবোৰ সচাঁ; আক নাই যদি মিছা, আক যদি তেওঁলোক অন্যস্থানব পবা তালৈ আহিছে তেনেহলে ক'ৰ পবা আহিছে? স্বর্গৰ পবা তালৈ আহিছে বুলি যদি কয়, তেনেহলে তেওঁলোক পক্ষী নেকি যে, তলে ওপৰে সেই বিশাল সেনা লৈ উৰি ফুবিব পাবে? যদি সেইদৰেই যাতায়াত কবি ফুবে ঈশ্বৰ এজন পবিদর্শকৰ দৰেই। ঈশ্বৰ পবিদর্শকৰ দৰে হলে, এক বা দুই ঈশ্বৰব দ্বাৰাই সমস্তজগতব কাম

সমাধান হব নোৱাবে; প্রত্যেক ভুৱনত অন্ততঃ একোজনকৈ পবিদর্শক ঈশ্বৰৰ প্রয়োজন হব। কাৰণ, এজন ঈশ্বৰৰ পক্ষে বহুত ব্রহ্মাণ্ডত একে সময়তে উপস্থিত হৈ ন্যায় বিচাৰ কৰা সম্ভৱ নহয়। ১১৮ ॥

১১৯। আত্মাই কলে—হোঁ, সিহঁতে নিজৰ নিজৰ কর্ম্মৰ পৰা বিশ্রাম পাব; কিন্তু সিহঁতৰ কর্ম্ম সিহঁতৰ লগে লগে যায়। যোঃ প্রঃ পঃ ১৪ আঃ ১৩।

সমীক্ষক—এইয়া চ'ক! খ্রীষ্টীয়ানৰ ঈশ্বৰে কৈছে সিহঁতৰ কর্ম্ম সিহঁতৰ লগতেই থাকিব অর্থাৎ কর্ম্ম অনুসাৰেই সকলোৱে ফল পাব। কিন্তু তেওঁলোকে কয় যে, যীচুৱে সকলো পাপ গ্রহণ কৰি সিহঁতক ক্ষমা কৰিব। এতিয়া বিবেচনাশীলসকলে ভাবি চ'ক ঈশ্বৰৰ কথা সঁচা নে তেওলোকৰ কথা সঁচা? দুয়োটা পৰস্পৰ বিরুদ্ধ বাক্যৰ এটা নিশ্চয় সচাঁ, দুয়োটা সচাঁ হব নোৱাৰে। খ্রীষ্টীয়ানৰ ঈশ্বৰৰ বা খ্রীষ্টীয়ানসকলৰ বাক্যই মিছা হওক লাগে, তাত আমাৰ একো ক্ষতি নাই। ১১৯

১২০। আৰু তাত ঈশ্বৰৰ ক্রোধৰ ৰসৰ মহাকুণ্ডত নিক্ষেপ কৰা হ'ল। পাছত নগৰৰ বাহিৰত সেই কুণ্ডত তাক গচকা হ'ল আৰু সেই ৰসৰ কুণ্ডৰ পৰা ৰক্ত বাহিৰ হৈ ঘোঁৰাৰ লাকাম পর্য্যন্ত ওখহৈ এশ ক্রোশ পর্য্যন্ত বাগৰি গল। যোঃ প্রঃ পঃ ১৪। আঃ ১৯।২০ ॥

সমীক্ষক—এইবোৰ মিছা কাহিনীয়ে পুৰাণকো অতিক্রম কৰিলে। খ্রীষ্টীয়ান ঈশ্বৰৰ খং উঠিলে অতি দুঃখিত হয় আৰু ক্রোধত যে কুণ্ড ভৰে, তেওঁৰ ক্রোধ পানী নেকি? নে অন্য কিবা দ্রাবক পদার্থৰ দৰে? আৰু এশ ক্রোশলৈকে ৰক্ত হৈ যাব পৰাটো অসম্ভৱ কথা; কাৰণ বায়ু লাগিলে ৰক্ত গোট মাৰে। গতিকে এই কথাবোৰ মিছা। ১২০ ॥

১২১। আৰু চোৱা, স্বর্গত সাক্ষীৰ কাৰণে তম্বুৰে মন্দিৰ খোলা হ'ল। যোঃ প্রঃ পঃ ১৫ আঃ ৫ ॥

সমীক্ষক—খ্রীষ্টিয়ানসকলৰ ঈশ্বৰ সর্ব্বজ্ঞ হোৱা হলে সাক্ষীৰ প্রয়োজন হ'লহেঁতেন জানো? সর্ব্বজ্ঞ হোৱা হলে স্বয়ং সকলো জানিব পাৰিলেহেঁতেন আৰু সেইদৰে ন্যায়ৰ নির্ণয়ো কৰিব পাৰিলেহেঁতেন। গতিকে দেখা গ'ল তেওঁলোকৰ ঈশ্বৰ সর্ব্বজ্ঞ নহয়, মানুহৰ দৰে অল্পজ্ঞহে। তেওঁ ঈশ্বৰৰ কাম কেতিয়াও কৰিব নোৱাৰে। এই কাৰণেই দূতৰ অসম্ভৱ আৰু অলৌকিক কথাবোৰ লিখিছে। এইবোৰ কোনেও সঁচা বুলি নেমানে। আৰু কিমান লিখিম? প্রায় সকলোবোৰে এনেকুৱা কথাৰেই ভৰা। ১২১ ॥

১২২। আৰু ঈশ্বৰে তেওঁৰ অপৰাধবোৰ স্মৰণ কৰিলে। তেওঁ তোমালোকক যেনে কৰিছিল, তোমালোকেও তেওঁৰ প্রতি তেনে কৰা। আৰু তেওঁৰ আচৰণৰ দুগুণ প্রতিশোধ লৱা।

যোঃ প্রঃ পঃ ১৮। আঃ ৫-৬।

সমীক্ষক—ইয়াৰ পৰাই প্রমাণ হ'ল যে, খ্রীষ্টিয়ানৰ ঈশ্বৰ অন্যায়কাৰী। যেয়ে যেনে কাম আৰু যিমান কাম কৰে, তাক সেই কর্ম্ম অনুপাতে ফল দিয়াই হ'ল ন্যায়, আৰু বিপৰীত ফল দিয়াই হ'ল অন্যায়। গতিকে, যি অন্যায়কাৰীৰ উপাসনা কৰে তেওঁ অন্যায়কাৰী নহব কিয়? ১২২ ॥

১২৩। ভেড়াপোৱালিৰ বিবাহৰ সময় উপস্থিত হল, আৰু তেওঁৰ ভার্য্যাই তাৰ কাৰণে নিজেই সাজু হল।

যোঃ প্রঃ পঃ ১৯। আঃ ৭ ॥

সমীক্ষক—এইবাৰ শুনক খ্রীষ্টীয়ানসকলৰ স্বর্গতে বিবাহো হয়। ঈশ্বৰে যীচুৰ বিয়া পাতিছিল। এতিয়া জানিব লগীয়া হ'ল—যীচুৰ শহুৰ, শাহুয়েক, শ্যালক আদি কোন কোন আছিল? যীচুৰ সন্তান কিমান আছিল, আৰু বীর্য্যৰ নাশ হোৱাত, বল, বুদ্ধি, পৰাক্রম আয়ুস আদি হ্রাস হোৱাত যীচুৱে তাত দেহ ত্যাগ কৰিছে চাগৈ, কাৰণ সংযোগ বস্তুৰ বিয়োগো অৱশ্যম্ভাবী। খ্রীষ্টীয়ানসকলে এতিয়ালৈকে যীচুৰ বিশ্বাসত

প্রতাৰিত হৈছে আৰু কতকাল এইদৰেই প্রতাৰিত যে হব লাগিব, তাক কোনে জানে? ১২৩ ॥

১২৪। তেওঁ সেই অজগৰক ধৰিলে, এয়েই সেই পুৰাণত অপবাদকাৰী আৰু চয়তান। তেওঁ তাক ধৰি সহস্র বছৰ পর্য্যন্ত বন্ধ কৰি ৰাখিলে। আৰু তাক গভীৰ কুণ্ডত পেলাই বন্ধ কৰি তাত মোহৰ ছাপ মাৰি দিলে, যাতে সি সহস্র বছৰ শেষ নোহোৱা পর্য্যন্ত সেই দেশবোৰৰ মানুহৰ মতিভ্রম কৰিব নোৱাৰে। যোঃ প্রঃ পঃ ২০। আঃ ২–৩ ॥

সমীক্ষক—দেখক, অশেষ কষ্টৰে চয়তানক ধৰি এহাজাৰ বছৰ পর্য্যন্ত কাৰাবন্ধ কৰি ৰখা হ'ল। হাজাৰ বছৰৰ পাছত আকৌ মুক্ত হলে সকলোকে প্রতাৰণা নকৰিবনে? এনেকুৱা দুর্ব্বৃত্তক যাবজ্জীবন কাৰাবন্ধ বা বধ কৰাহে উচিত আছিল। আচলতে খ্রীষ্টীয়ানৰ চয়তান বুলি একো নাই। চয়তান খ্রীষ্টীয়ানসকলৰ ভ্রমহে মাত্র। কেৱল জনসাধাৰণক এইবোৰ ভয় দেখুৱাই নিজৰ ছলনা জালত পেলাবৰ কাৰণেই এইবোৰ উপায় ৰচনা কৰা হৈছে। এক ধূর্ত্তই কেইটামান নির্ব্বোধক কলে,—"আহা মই তোমালোকক দেৱতা দেখুৱাম"। সেই ধূর্ত্তই এক নির্জ্জন ঠাইত এটা মানুহক চতুর্ভুজ সাজি এটা জোপাৰ আৰঁত থৈ সিহঁতক সেই ঠাইলৈ লৈ গৈ কলে "এতিয়া চকু মুদি থাকিবা, যেতিয়া মই চকু মেলিবলৈ কওঁ তেতিয়াহে মেলিবা, আৰু আকৌ যেতিয়া মই চকু মুদিবলৈ কওঁ, তেতিয়া মুদিবা; নহলে চকুৱেই কণা হব"। এইদৰেই ধূর্ত্তই সিহঁতক চতুর্ভুজ নাৰায়ণক দর্শন কৰালে। খ্রীষ্টীয়ানসকলৰ কথাও তেনেকুৱাই। তেওঁলোকে কয় "যি আমাৰ ধর্ম্ম বিশ্বাস নকৰে তাৰ গাত চয়তান লম্ভিব"। খ্রীষ্টীয়ানৰ বাহিৰেও অন্যান্য মতাৱলম্বীসকলৰো এনে ধৰণৰ অনেক লীলা-খেলা আছে। সকলোৱে তেনে প্রৱঞ্চনাৰ পৰা সাৱধান হব যেন। ১২৪ ॥

১২৫। তেওঁৰ আগৰ পৰা পৃথিবী আৰু আকাশ পলাই আঁতৰ হ'ল। তেওঁলোকে আৰু স্থান নেপালে, আৰু মই দেখিলো, সৰু-বৰ সকলো মৃত ব্যক্তি সেই সিংহাসনৰ আগত ঠিয় হৈ আছে। পাছত পুস্তক খোলা হ'ল। আৰু এখন পুস্তক অর্থাৎ জীৱনপুস্তক খোলা গ'ল, সেই পুস্তকত লিখিত প্রমাণ আৰু নিজৰ নিজৰ কর্ম্মানুসাৰে মৃতকসকলৰ বিচাৰ হ'ল। যোঃ প্রঃ পঃ ২০ আঃ ১১-১২ ॥

সমীক্ষক—এইবোৰ লবাৰ দৰে কথা। পৃথিবী আৰু আকাশ কেনেকৈ পলালে? আৰু এইবোৰ ক'ত অৱস্থিত? যাৰ আগৰ পৰা এইবোৰ পলালে, তেওঁ আৰু তেওঁৰ সিংহাসন নো ক'ত আছিল? আৰু মৃতকবোৰক ঈশ্বৰৰ আগত ঠিয় কৰাওঁতে পৰমেশ্বৰ বহিয়েই আছিলনে ঠিয় হৈ আছিল? ইয়াৰ দোকান আৰু কার্য্যালয়বোৰত যেনেকৈ কাগজ পত্রত লিখা অনুসাৰে কাম-কাজ চলে, সেইদৰেই ঈশ্বৰৰ কার্য্যালয়ো চলে নেকি? আৰু জীৱৰ আচৰণৰ তালিকা স্বয়ং ঈশ্বৰেই লিখে নে তেওঁৰ কর্ম্মচাৰীবোৰে লিখে? এনেবোৰ অসঙ্গত কথা লিখি খ্রীষ্টীয়ান আৰু অন্যান্য সম্প্রদায়ীসকলে ঈশ্বৰক অনীশ্বৰ আৰু অনীশ্বৰক ঈশ্বৰ পাতিছে। ১২৫॥

১২৬। তেওঁলোকৰ ভিতৰৰে এজনে মোৰ লগত আলোচনা কৰি কলে,—"আহা, মই তোমাক সেই বধূক অর্থাৎ ভেড়াপোৱালীৰ ভার্য্যাক দেখুৱাওঁ।" যোঃ প্রঃ পঃ ২১। আঃ ৯ ॥

সমীক্ষক—যীচুৱে বোধহয় স্বর্গত পত্নীলাভ কৰি আমোদ-প্রমোদ কৰিছিল। যি সকল খ্রীষ্টীয়ান স্বর্গলৈ যাব পাৰে তেওঁলোকেও স্ত্রী আৰু সন্তান লাভ কৰে আৰু জন-সংখ্যা বেছিহৈ, নানা ৰোগ উৎপত্তি হৈ অনেকৰ মৃত্যু হয়। এনেকুৱা স্বর্গক দুৰতেই নমস্কাৰ। ১২৬ ॥

১২৭। আৰু তেওঁ সেই নলডালেৰে নগৰ জুখিলে। জোখত পৰিমাণ

হ'ল চাবে সাত শ ক্রোশ। দীঘলে, পথালিয়ে আৰু ওখই একে সমান। তাৰ পাছত নগৰৰ প্ৰাচীৰ জুখিলে, মানুহ অৰ্থাৎ দূতৰ হাতৰ জোখত ১৪৪ (এশ চৌৰাল্লিশ) হাত হল। প্ৰাচীৰৰ গাঁথনি সূৰ্য্যকান্তমণিৰ আৰু নগৰ নিৰ্ম্মল স্ফটিকৰ দৰে স্বচ্ছ সুবৰ্ণময়। নগৰৰ প্ৰাচীৰৰ ভেটিৰ মূল-বোৰ সৰ্ব্ববিধ মূল্যবান শিলেৰে শোভিত। প্ৰথম ভেটিৰ মূল সূৰ্য্যকান্তৰ, দ্বিতীয় নীলকান্তৰ, তৃতীয় বজ্ৰকান্তৰ, চতুৰ্থ মৰকতৰ, পঞ্চম বৈদূৰ্য্যৰ, ষষ্ঠ মাণিকৰ, সপ্তম পীতমণিৰ, অষ্টম পৰাগমণিৰ, নবম পুষ্পৰাজৰ, দশম লহনীয়ৰ, একাদশ ধূম্ৰকান্তৰ, দ্বাদশ মোতীৰ। আৰু দ্বাদশ দ্বাৰ দ্বাদশ মুক্তাৰে নিৰ্ম্মিত আৰু নগৰৰ পথ স্ফটিকৰ দৰে নিৰ্ম্মল সুবৰ্ণময়।

যোঃ প্ৰঃ পঃ ২১। আঃ ১৬।২১ ॥

সমীক্ষক—খ্ৰীষ্টীয়ানসকলৰ স্বৰ্গৰ বৰ্ণনা শুনিলে! মৰাৰ পাছত খ্ৰীষ্টীয়ানসকল স্বৰ্গলৈ গলে সেই পৰিমাণৰ স্বৰ্গখনত সকলোকে দুজুৰিবই চোন। আৰু স্বৰ্গলৈ মানুহ গলে তাৰ পৰা কেতিয়াও ঘূৰি আহিব নালাগে। বহু মূল্য বস্তু আৰু স্বৰ্ণনিৰ্ম্মিত স্বৰ্গৰ বৰ্ণনা কৰাৰ অভিপ্ৰায় হ'ল কেৱল নিৰ্ব্বোধ জনসাধাৰণক প্ৰতাৰণা কৰি জালত পেলোৱা। স্বৰ্গৰ দৈৰ্ঘ্য, প্ৰস্থ যিদৰে বৰ্ণনা কৰা হৈছে, সেইটো সম্ভৱ হব পাৰে, কিন্তু তাৰ উচ্চতা চাবে সাত শ ক্ৰোশ কেনেকৈ সম্ভৱ? গতিকে এইবোৰ অসঙ্গত কল্পনা মাত্ৰ। ইমান ডাঙৰ মুকুতা ক'ৰ পৰা পালে? যিসকলে এইবোৰ লিখিছে তেওঁলোকৰ ঘৰত জমা কৰি থোৱা আছিল নেকি? তেওঁলোকে পুৰাণ লিখককো চেৰ পেলালে। ১২৭ ॥

১২৮। আৰু কোনো অপবিত্ৰ বস্তু, কুকৰ্ম্মী আৰু চৰিত্ৰহীনৰ তাত প্ৰৱেশ নাই। যোঃ প্ৰঃ ২০। আঃ ২৭ ॥

সমীক্ষক—সেয়েই যদি সত্য হয় তেনেহলে "খ্ৰীষ্টিয়ান হলে পাপী-য়েও স্বৰ্গলৈ যাব পাৰে" বুলি খ্ৰীষ্টিয়ানসকলে কোৱাৰ কাৰণ কি? এই কথা সঁচা নহয় নেকি? যদি সেয়ে হয় তেন্তে 'যোনে' সপোনৰ মিছা কথা

বোৰ সিথি, স্বৰ্গত বোধহয় প্ৰৱেশ কৰিব নোৱাৰিলে। আৰু যীচুও বোধহয় স্বৰ্গলৈ যাব পৰা নাই। কাৰণ, এটা পাপীও যেতিয়া স্বৰ্গলৈ যাব নোৱাৰে তেনেহলে যীচুৱে অনেক পাপীৰ পাপৰ ভাৰ লৈ কেনেকৈ স্বৰ্গবাসী হব পাৰে? ১২৮ ॥

১২৯. অভিশাপ আৰু নহয়, ঈশ্বৰৰ আৰু ভেড়াপোৱালিৰ সিংহাসন তাত থাকিব আৰু তেওঁলোকৰ দাসে তেওঁলোকৰ আৰাধনা কৰিব। তেওঁলোকৰ মুখ দৰ্শন কৰিব আৰু তেওঁলোকৰ নাম সিঁতৰ কপালত থাকিব। তাত আৰু বাতি নহব, প্ৰদীপৰ পোহৰ বা সূৰ্য্যৰ প্ৰকাশ, মানুহৰ আৱশ্যক নহব। কাৰণ, প্ৰভু ঈশ্বৰেই তেওঁলোকক প্ৰকাশ বিস্তাৰ কৰিব আৰু তেওঁলোকে সদায় ৰাজত্ব কৰিব। যোঃ প্ৰঃ পঃ ২২। আঃ ৩-৫ ॥

সমীক্ষক—এয়েই খ্ৰীষ্টিয়ানৰ স্বৰ্গবাস! ঈশ্বৰ আৰু যীচু সদায়েই সিংহাসনত বহি থাকিব নেকি? আৰু তেওঁলোকৰ সেৱকে সদায় তেওঁ-লোকৰ আগত মুখ দৰ্শন কৰি থাকিব নেকি? বাৰু কওকচোন, আপোনা-লোকৰ ঈশ্বৰৰ মুখ য়ুৰোপীয়সকলৰ দৰে গৌৰ, নে আফ্ৰিকাবাসীৰ দৰে ক'লা অথবা অন্য কোনো দেশবাসীৰ দৰে? আপোনালোকৰ স্বৰ্গও বন্ধনহে; কাৰণ তাত সক-বৰৰ প্ৰভেদ আছে। আৰু একেখন নগৰতেই আবদ্ধ থাকিব লাগিব যেতিয়া, তাত দুখ কিয় নহব? আৰু ঈশ্বৰৰ যদি মুখ আছে—সেই ঈশ্বৰ, সৰ্ব্বজ্ঞ, সৰ্ব্বেশ্বৰ কেতিয়াও হব নোৱাৰে। ১২৯ ॥

১৩০। চোৱা মই শীঘ্ৰে আহিছো আৰু মোৰ প্ৰতিফল মোৰ লগত। যাৰ যি কৰ্ম্ম, তাক তেনে ফলকেই দিম।

যোঃ প্ৰঃ পঃ ২২। আঃ ১২ ॥

সমীক্ষক—মানুহে নিজৰ নিজৰ কৰ্ম্মানুসাৰেই যদি ফল পায়, তেনেহলে পাপৰ কেতিয়াও ক্ষমা হব নোৱাৰে, যদি ক্ষমা কৰা হয় তেনেহলে

বাইবেলব বাণী মিছা। পাপ ক্ষমা কবাব কথা যদি বাইবেলত লিখা আছে, তেনেহলে আগব কথা পাছব কথাব বিপবীত হোৱাব কাবণে মিছা। গতিকে এইবোব কথা বিশ্বাসযোগ্য নহয়।

আৰু নো কিমান উদাহবণ দিম? খ্রীষ্টীয়ানসকলব বাইবেলত এনেকুৱা লাখ লাখ খণ্ডনীয় অর্থাৎ বিপবীত কথা আছে। ইয়াত মাত্র কেইটামান উদাহবণহে দিয়া হ'ল। ইয়াব পবাই বিবেচনাশীল সকলে কলো বিস্তাবিতকৈ বুজিব পাবিব। অতি কম সংখ্যক সত্যহে বাইবেলত আছে, বাকী সকলোবোবেই মিছা। অসত্য যোগ হলে সত্যও সত্য হৈ থাকিব নোৱাবে। গতিকে বাইবেল বিশ্বাসব যোগ্য নহয়। সত্যক গ্রহণ কবিবলৈ হলে, বেদেই সত্য। ১৩০ ॥

ইতি শ্রীমদ্দয়ানন্দসবস্বতী-স্বামিনির্ম্মিতে সত্যার্থপ্রকাশে সুভাষাবিভূষিতে কৃশ্চীনমত বিষয়ে ত্রয়োদশঃ সমুল্লাসঃ সম্পূর্ণঃ ১৩॥

অনুভূমিকা (৪)

এই চতুর্দ্দশ সমুল্লাসত কেৱল কোৰাণবহে আলোচনা কবা হৈছে। কাবণ কোৰাণেই মুছলমান ধর্ম্মবিশ্বাসব আধাব। সম্প্রদায় ভেদে শব্দ আৰু অর্থ আদিব মতভেদ থাকিলেও কোৰাণ সর্ব্বমান্য। কোৰাণ আৰবী ভাষাত লিখিত। মৌলবীসকলে কোৰাণ উর্দ্দুভাষাত অনুবাদ কবিছে। আৰবী ভাষাব সুবিখ্যাত পণ্ডিতসকলব দ্বাবাই সংশোধিত হৈ সেহ উর্দ্দু অনুবাদব দেৱনাগৰী আখবত হিন্দী অনুবাদো হৈছে। কোনোৱে যদি এই অনুবাদ অশুদ্ধ বুলি কয় তেনেহলে সেই মৌলবীসকলবহ অশুদ্ধ।

সত্য অসত্যব নির্ণয় আৰু মানব জাতিব উন্নতি সাধনেই আমাব আলোচনাব বিষয়। মানব সমাজত প্রচলিত বিভিন্ন মতবোব সকলোবে জন্য আবশ্যক, কাবণ সকলোবে পবস্পবব মতব বিচাব বিবেচনাবে দোষ পবিত্যাগ কবি গুণ গ্রহণ কবাত সহজ হয়। মুছলমান মতবেই হওক বা আন কোনো মতবেই অনর্থক নিন্দা বা প্রশংসা কবা মোব অভিপ্রায় নাই। ভালক ভাল বুলি আৰু বেয়াক বেয়া বুলি জনাই সকলোবে কর্ত্তব্য বুলি মই বিশ্বাস কবো। তাব পবা কোনেও কাকো দোষাবোপ আৰু সত্যব অপলাপ কবিব নোৱাবে। সত্য বা অসত্য ৰূপে প্রকাশ হোৱাতো তাক সেই মতে স্বীকাব কবা বা নকবা প্রত্যেকব নিজব নিজব ইচ্ছাব অধীন। নিজে যি স্বীকাব নকবে তাক আনে বলেবে স্বীকাব কবাব নোৱাবে। নিজবেই হওক বা পববেই হওক পক্ষপাতমুক্ত হৈ দোষবর্জ্জন আৰু গুণগ্রহণ কবাহে সজ্জনসকলব পবম কর্ত্তব্য।

পক্ষপাতিতাব কাবণেই জগতত কিমান যে, অঘটন ঘটিছে আৰু ঘটিবই লাগিছে। এয়েই সত্য উপলব্ধি যে, এই অনিশ্চিত আৰু ক্ষণস্থায়ী জীৱনত পৰব অনিষ্ট চিন্তা কৰি নিজৰ উন্নতিব পথা বঞ্চিত হোৱা আৰু আনকো বঞ্চিত কৰা মানৱ জীৱনব উচিত কার্য্য নহয়। এই আলোচনা প্রসঙ্গত মোৰ কোনো অসত্য কথা দৃষ্টিগোচৰ হলে, তাক সদাশয় মহোদয়-সকলে জনাই বাধিত কবে যেন। উচিত কথা স্বীকাৰহে মোৰ ধর্ম্ম। পক্ষপাতিতা, জেদা-জেদি, ঈর্ষা-দ্বেষ আৰু বাদ-বিবাদ বঢ়োৱাব উদ্দেশ্যত একোকে লিখা নাই। কোনেও যাতে কাৰো অনিষ্ট নকৰি সকলোৱে পৰস্পৰৰ হিতসাধনত যত্নপব হয়, সেয়েই আমাব সকলোবে সর্ব্বপ্রধান কর্ত্তব্য হোৱা উচিত।

এই চতুর্দ্দশ সমুল্লাসত মুছলমান মতব আলোচনা সুধী মণ্ডলীৰ আগত নিবেদন কৰা হৈছে। সকলোৱে বিবেচনা কৰি হিতখিনি গ্রহণ আৰু অহিতকবখিনি বর্জ্জন কবে যেন।

অলমিতিবিস্তবেণ বুদ্ধিমদ্বর্য্যেষু ইতি অনুভূমিকা।

অথ চতুর্দ্দশ সমুল্লাসাৰম্ভঃ

অথ যবনমতবিষয়ং ব্যাখ্যাস্যামঃ।

এতিয়া মুছলমান মতব বিষয়ে আলোচনা কবা হব।

১। **আল্লাহৰ নামৰ লগত আৰম্ভ; তেওঁ ক্ষমাকাৰী আৰু দয়ালু। মঞ্জিল ১। সিপাৰা ১। সূৰত ১।।**

সমীক্ষক—মুছলমানসকলব মতে কোৰাণ হৈছে খোদাব বাণী। কিন্তু এই বচন ফাঁকিব পৰাই জনা যায় যে, ইয়াব ৰচয়িতা আন কোনো-বাহে। কাৰণ স্বয়ং ঈশ্বৰব বাণী হোৱা হলে "আল্লাহৰ নামৰ লগত আৰম্ভ" বুলি কোৱা নহলহেঁতেন তাব সলনি "মানৱসকলৰ প্রতি উপ-দেশৰ অর্থে আৰম্ভ" এই ৰূপে হ'লহেঁতেন। "তুমি এনেকৈ কবিবা" বুলি আল্লাহে মানুহক উপদেশ দিছে, বুলি ধৰিলেও সঙ্গত নহয়, কাৰণ তাব পৰা পাপৰ আৰম্ভ খোদাব নামতহে হব আৰু তেওঁৰ নাম কলঙ্কিত হব। আল্লাহ যদি ক্ষমাকাৰী আৰু দয়ালু হয়, তেন্তেহ'লে তেওঁৰ সৃষ্টিত মানৱ-সকলৰ সুখৰ কাৰণে অন্যান্য প্রাণীবোৰক অসহ্য কষ্ট দি হত্যা কবি মাংস খাবলৈ আদেশ দিলে কিয়? সেই প্রাণীবোব নিবপৰাধী নহয় জানো? সিহঁতকো ঈশ্বৰেই সৃজন কৰা নাই জানো? "পৰমেশ্বৰৰ নামত সৎ কর্ম্মৰ আৰম্ভ" কুকর্ম্মৰ নহয়, এইদৰে বোলাহে সঙ্গত যেন হ'লহেঁতেন। পূর্ব্বোক্ত বাক্যত অসঙ্গতি দেখা যায়, কাৰণ চোৰ কৰা, ব্যভিচাৰ কৰা, মিথ্যা আচৰণ কৰা আদি পাপ কর্ম্মবোবৰো আৰম্ভ পৰমেশ্বৰৰ নামৰ লগত কবিব নেকি? এই কাৰণেই বোধহয় মুছলমান কচাইবোৰে গৰু আদি প্রাণীৰ কণ্ঠচ্ছেদন কবিবৰ সময়তো "**বিস্মিল্লাহ**" ইত্যাদি পাঠ কৰে। উক্ত বচনৰ

এই অর্থকেই ভাবি মুছলমানসকলে কুকর্ম্মব আৰম্ভণ ঈশ্বৰব নাম লৈয়েই কবে। মানুহব বাহিবে অন্যান্য প্রাণীবোৰব প্রতি তেওঁব দয়া নহলে খোদা দয়ালু হব নোৱাবে। উক্ত বাক্যব অর্থ যদি মুছলমানসকলে নেজানে, তেনেহলে সেই বাক্য প্রকাশ কৰাও নিৰর্থক। আৰু যদি কিবা অন্য অর্থ কবে, তেনেহলে সেই আচল অর্থ কি ? ১॥

২। সকলো স্তুতি, প্রার্থনা পৰমেশ্বৰব কাৰণে; তেওঁ "পৰৱৰদিগাৰ," অর্থাৎ সমস্ত জগতব পালনকর্ত্তা। তেওঁ ক্ষমাকাৰী আৰু দয়ালু। মঃ ১। সিঃ ১। সুৰতুল্ ফাতিহা। আঃ ১-২॥

সমীক্ষক—কোৰাণত কোৱা মতে খোদা জগতব পালনকর্ত্তা, সকলোবে প্রতি ক্ষমাশীল আৰু দয়াশীল হোৱা হলে তেওঁ ভিন্ন মতাৱলম্বী আৰু পশু আদিক মুছলমানসকলৰ হাতেবে হত্যা কৰাবলৈ আদেশ নিদিলেহেঁতেন। তেওঁ ক্ষমাকাৰী হোৱা বাবে পাপীকো ক্ষমা কবিব নেকি ? তেনেহলে পাছত দেখা যাব, "কাফেৰবোধক হত্যা কৰা" বুলি কব কিয় ? যি কোৰাণ আৰু পয়গম্বৰক নামানে তেওঁলোকক কাফেৰ বোলা হয়। এই কাৰণে কোৰাণ ঈশ্বৰব বাণী বুলি মনে নধৰে। ২।

৩। বিচাৰ ন্যায় দিবসৰ অধিপতি! আমি তোমাকেই ভক্তি কৰো, তোমাৰেই সহায় প্রার্থনা কৰো। তুমি আমাক সহজ পথ প্রদর্শন কৰা। মঃ ১। সিঃ ১। সুঃ ১। আঃ ৩-৫॥

সমীক্ষক—খোদাই সকলো সময়ত ন্যায় বিচাৰ নকৰে নেকি ? কোনো বিশেষকৈ নির্দ্দিষ্ট দিনতহে তেওঁ ন্যায় বিচাৰ কৰে নেকি ? তেনেহলে অন্যায় যেন হে মনে ধৰে। তেওঁক ভক্তি কৰা আৰু তেওঁৰ সহায় প্রার্থনা কৰা অৱশ্যে সঙ্গত ; কিন্তু সেই বুলি কুকর্ম্মব কাৰণেও তেওঁৰ সহায় প্রার্থনা কবিব লাগিব নেকি ? সত্য পথ কেৱল মুছলমানৰহে, নে আনবো আছে ? মুছলমানসকলে সৎ পথত নো নহলে কিয় ? যি পথেদি কুকর্ম্ম

কৰা যায়, তাকেই সহজ পথ বোলে নেকি ? যি ভাল, সকলোবে কাৰণেই ভাল, তাত মুছলমানৰ বৈশিষ্ট্য একো থাকিব নোৱাবে। আনৰ ভালটো স্বীকাৰ নকৰিলে পক্ষপাত কৰা হব। ৩॥

৪। তুমি যি সকলক কৃপা কৰিছা, তেওঁলোকৰ পথকেই আমাকো প্রদর্শন কৰা। যিবোৰৰ প্রতি তোমাৰ "গজব" অর্থাৎ কোপ- দৃষ্টি আৰু যিবোৰ পথভ্রষ্ট তেওঁলোকৰ পথ আমাক যেন নেদেখুৱা। মঃ ১ সিঃ ১। সুঃ ১। আঃ ৬॥

সমীক্ষক—মুছলমানসকলে পূর্ব্বজন্ম অ ৰ প্রাক্তন পাপ বা পুণ্য স্বীকাৰ নকৰে, গতিকে কাৰোবাৰ প্রতি "নয়ামত" অর্থাৎ কজল বা দয়া কৰাত আৰু কাৰোবাৰ প্রতি নকৰাত খোদাৰ পক্ষপাত হব। পাপ পুণ্যৰ বিচাৰ-বিবেচনা নকৰাকৈ সুখ-দুখ দিয়া অন্যায়। কাৰণ বিনা কাৰণে দয়া বা কোপ দৃষ্টি কৰাটো অস্বাভাৱিক কথা। ঈশ্বৰৰ দয়া বা ক্রোধ নাই। পূর্ব্বসঞ্চিত পাপ-পুণ্য বিনা তেওঁ কাৰো প্রতি দয়া বা ক্রোধ কবিব নোৱাবে। যিহেতু এই সুৰতৰ টিপ্পনীত লিখা আছে—"এই সুৰা আল্লাহ চাহেবে মানৱসকলৰ মুখেদি কোৱাইছে ; তেওঁলোকে যেন মহাৰ এইদবে কয়," গতিকে "আলিফ বে" ইত্যাদি আখৰ খোদায়েই তেওঁলোকক শিকাইছে বোধ হয়। আখৰ নেজানিলে উক্ত সুৰা কেনেকৈ পঢ়িলে ? তেওঁলোকে কেৱল কণ্ঠবেই উচ্চাৰণ কবিছিল বা কৰাইছিল নেকি ? সেইটো সম্ভৱ হলে সমস্ত কোৰাণ মুখে মুখেই শিকোৱা হৈছিল। কি পুস্তকত পক্ষপাত আছে সেই পুস্তক ঈশ্বৰৰ প্রণীত হব নোৱাবে। আৰবী ভাষাত কোৰাণ লিখিত হোৱাত আৰবীসকলৰ কাৰণে কোৰাণ পাঠ সহজ আৰু আন ভাষা-ভাষীসকলৰ কাৰণে টান হয়। এয়ে হলে খোদাৰ পক্ষপাত কৰা হয়। এই কাৰণেই ঈশ্বৰে তেওঁৰ সৃষ্টিৰ সকলো দেশৰ অকথিত আৰু পক্ষপাত ৰহিত সংস্কৃত ভাষাত বেদ (জগতৰ জ্ঞান) প্রকাশ কবিছে। কাৰণ এই ভাষা জানিবলৈ হলে সকলো দেশৰ ভাষা-ভাষীয়েই

একে পবিশ্রম কবিব আগিব। এনে এটা ভাষাত কোৰাণ প্রকাশ কৰা হলে পূর্ব্বোক্ত পক্ষপাত দোষ নঘটিল হেঁতেন। ৪॥

৫। এই পুস্তকত কোনো সংশয় নাই। ই পবহেজগাৰক অর্থাৎ ধার্ম্মিকসকলক পথ প্রদর্শন কৰে, যি সকলে 'ইমান' অর্থাৎ বিশ্বাস কৰে, গৈব অর্থাৎ পৰোক্ষ বিষয় নামাজ পঢ়ে আৰু মই যি বস্তু দিছো তাৰ পৰাই ব্যয় কৰে। পূর্ব্বে অথবা তোমাৰ পূর্ব্বে যি পুস্তকৰ অৱতৰণ হৈছে তেওঁলোকে সেই পুস্তক আৰু কয়ামততো বিশ্বাস কৰে আৰু তেওঁলোকৰ প্রভুৰ আদেশ অনুসাৰে চলে, তেওঁলোকেই মুক্তি পায়। যিবোৰ সচাকৈয়ে কাফেৰ, তেওঁলোকক ভয় প্রদর্শন কৰা বা নকৰা একে সমান। সিহঁতে বিশ্বাস নকৰে; আল্লাই সিহঁতৰ অন্তৰত আৰু কাণত তলা লগাই বন্ধ কৰি দিছে। সিহঁতৰ চকুত আৱৰণ আছে আৰু সিহঁতৰ কাৰণে ঘোৰ পৰিশ্রম আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১। ৩-৭॥

সমীক্ষক—নিজে নিজৰ কিতাপৰ প্রশংসা কৰাটোৱে খোদাৰ নিজৰ দম্ভ প্রকাশ কৰা নহ'ল নে? পৰহেজগাৰ অর্থাৎ ধর্ম্মপৰায়ণসকল নিজেই সৎ পথত চলে। কাফেঁৰ অর্থাৎ অসৎ প্রকৃতিৰ মানুহ যদি অসৎ পথতেই থাকে কোৰাণে যদি সিবিলাকক পথ প্রদর্শন কৰিব নোৱাৰে তেনেহলে কোৰাণৰ প্রয়োজন কি থাকিব? পাপ-পুণ্য আৰু চেষ্টা নকৰা-কৈয়ে খোদাই দিয়া সম্পত্তিকে খৰচ কৰিবলৈ দিছেনে? যদি দিছে তেনেহলে সকলোকে একে সমানে নিদিয়ে কিয়? মুছলমানসকলে কিয় পৰিশ্রম কৰিব লগা হয়? বাইবেল, এনজেল আদি যদি বিশ্বাস-যোগ্য হয়, মুছলমানসকলে যেনেকৈ কোৰাণ বিশ্বাস কৰে, সেইদৰেই বিশ্বাস নকৰে কিয়? যদি বাইবেলকো বিশ্বাস-যোগ্য বুলি ধৰে তেনেহলে কোৰাণৰ প্রয়োজন ক? আৰু যদি কয় যে, কোৰাণত বেছি কথা আছে, তেনেহলেও হব পাবে যে, ঈশ্বৰে বাইবেল আগতে লিখোঁতে সকলো লিখিবলৈ পাহৰিলে।

যদি ঈশ্বৰে আগতে বাইবেলত যি লিখিছে তাতকৈ অধিক লিখিবলৈ পাহৰা নাই, তেনেহলে কোৰাণ লিখাৰ প্রয়োজনেই নাই। মই যি বুজিব পাৰিছো, ঠায়ে ঠায়ে অলপ অমিল থকাৰ বাহিৰে বাকী সকলো কথা বাইবেল আৰু কোৰাণ—দুয়োখন গ্রন্থতে একে। পৰমেশ্বৰে তেনেহলে বেদৰ দৰে এখন গ্রন্থ নকৰিলে কিয়? কেৱল মাত্র কয়ামতকেই বিশ্বাস কৰিব লাগে—অন্য একো বিশ্বাস যোগ্য নহয় নেকি? কেৱল খ্রীষ্টীয়ান আৰু মুছলমানসকলেহে খোদাৰ নির্দ্দেশ মানি চলে নেকি? তেওঁলোকৰ ভিতৰত কোনো পাপী নাই নেকি? তেওঁলোক অধার্ম্মিক হলেও মুক্ত হব নেকি? আৰু অন্যান্য মানুহে ধার্ম্মিক হলেও মুক্তি পাব নোৱাৰে নেকি? সেয়ে যদি হয়, তেনেহলে ঈশ্বৰৰ অজ্ঞতা আৰু অন্যায় নহব জানো? আৰু যি-সকলে মুছলমান মত নামানে তেওঁলোকক কাফেৰ বোলাটো এক পক্ষীয় বিচাৰ নহয় নে? পৰমেশ্বৰে যিবোৰৰ অন্তৰত আৰু কাণত তলা লগাই বন্ধ কৰি দিছে, তেওঁলোকে পাপকেই কৰি যাব লগা হৈছে। গতিকে তেওঁলোকৰ দোষ নাই, তাৰ বাবে দোষী খোদাহে। গতিকে তেওঁলোকৰ পাপ-পুণ্য আৰু দুখ-সুখ হব নোৱাৰে। যিবোবে নিজৰ ইচ্ছাৰে পাপ নকৰে, তেওঁলোকে তাৰ বাবে দণ্ড ভোগ কৰিব কিয়? ৫॥

৬। তেওঁলোকৰ অন্তৰত ৰোগ আছে, আল্লাই সিবিলাকৰ ৰোগ বৃদ্ধি কৰি দিছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৯॥

সমীক্ষক—যিবোৰ ৰোগগ্রস্ত সেইবোৰক আৰু বঢ়াই দি অতি কষ্ট দিয়াত খোদাৰ অন্তৰত দয়া নহল নে? এনে কৰিলে চয়তানৰ চয়তানিত-কৈও বেছি চয়তানি কৰা নহয় নে? খোদাই কাৰো অন্তঃকৰণ তালাবন্ধ কৰি বা কাৰো ৰোগ বৃদ্ধি কৰি নিদিয়ে, নিজৰ নিজৰ দুষ্কর্ম্মৰ ফলত ৰোগগ্রস্ত হৈ ৰোগ বৃদ্ধি হয়। ৬

৭। যিজনাই তোমালোকৰ কাৰণে পৃথিবী শয্যা আৰু আকাশ ছত অর্থাৎ ঘৰৰ ছাল বা আৱৰণৰূপে ৰচনা কৰিছে তেওঁক ভয় কৰিবা। মঃ ১। সিঃ১। সূঃ ২ আঃ ২২॥

সমীক্ষক—আকাশ জানো ছাল হব পাবে? আকাশক ছাল বা আবৰণ বুলি ধাৰণা কৰা অজ্ঞতাৰ সূচক আৰু হাস্যজনক। যদি কোনোৱে আন কোনো গ্ৰহ বা নক্ষত্ৰক ছাল বা আৱৰণ বুলি ভাবে সেইটো তেওঁৰ নিজস্ব মনৰ কল্পনা মাত্ৰ। ৭॥

৮। আমি আমাৰ পয়গম্বৰৰ যোগেদি যি প্ৰকাশ কৰিছো, তাত যদি তোমাৰ সন্দেহ হয়, ঈশ্বৰৰ বাহিৰেও যদি তুমি সত্য বাণী বুলি কব খোজা, তেনেহলে এটা সূৰত (নমুনা) দি সাক্ষী দিয়া। মানুহ, যি নৰকৰ অগ্নিৰ ইন্ধন, সেই অগ্নিক আৰু অবিশ্বাসীৰ কাৰণে যি প্ৰস্তৰ প্ৰস্তুত আছে, তাৰৈ ভয় কৰিবা।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ২৩।২৪॥

সমীক্ষক—তেনেকুৱা এটা সূৰত অৰ্থাৎ কো�ৰাণৰ দৰে এখন গ্ৰন্থ ৰচনা কৰিব পৰাটোনো কি অসম্ভৱ কথা? সম্ৰাট আকবৰৰ সময়ত মৌলবী ফৈজীয়ে কোনো বিন্দু ১। নৰকৰ অগ্নি ব্যৱহাৰ নকৰাকৈয়ে এখন কোৰাণ * ১। ৰচনা কৰা নাই জানো? নৰকৰ অগ্নি নো কেনেকুৱা, যাক ভয় কৰিব লাগে? পার্থিব অগ্নিক ভয় কৰিব নেলাগে নেকি? এই অগ্নিয়েও যিহকে পায় তাকে ভস্ম কৰি দিয়ে। কোৰাণত লিখা আছে যে কাফেৰৰ কাৰণে প্ৰস্তৰ প্ৰস্তুত আছে। সেইদৰে পুৰাণতো লিখিছে ম্লেচ্ছবোৰৰ কাৰণে ঘোৰ নৰক প্ৰস্তুত আছে। এই দুটাৰ কাক সত্য বুলি মানিব? দুয়োপক্ষৰ মত অনুসাৰে তেওঁলোকৰ মতাৱলম্বী হলে স্বৰ্গগামী হয়, কিন্তু দুয়োপক্ষৰ মতেই বিপৰীত মতাৱলম্বীবোৰ

* ১। আৰবী ভাষাত আচল শব্দ "কুৰআন" ভাৰতীয় ভাষাবোৰত কুৰাণ, আৰু কোৰাণ বুলি প্ৰচলন হৈ পৰিছে।১ আৰবী আখৰবোৰৰ বহুতৰ তলে ওপৰে বিন্দু ব্যৱহাৰ হয়। মৌলবী ফৈজীয়ে তেনে বিন্দু নিদিয়াকৈয়ে কোৰাণ ৰচনা কৰিছিল।

নৰক-বাসী হব লাগিব। গতিকে দুয়ো মতেই বিশ্বাস যোগ্য নহয়। কিন্তু সকলো মততেই সত্য কথা হল এয়ে যে, সৎ আচৰণশীলসকলে সুখ আৰু অসৎ আচৰণশীলসকলে দুখ ভোগ কৰিব লাগিব। ৮॥

৯। যি সকলৰ ইমান অর্থাৎ বিশ্বাস আছে আৰু যিবিলাকে ভাল কাম কৰে, তেওঁলোকক এই সুসংবাদ দিবা যে, তেওঁলোকৰ কাৰণে বেহেস্ত অর্থাৎ স্বর্গ প্রস্তুত আছে, যি স্বর্গৰ তলেদি নদী প্রবাহিত হৈ আছে। তাত যেতিয়া তেওঁলোকক খাবলৈ মিঠা ফল দিয়া হব, তেতিয়া তেওঁলোকে কব যে, সেই বস্তু তেওঁলোকক পূর্ব্বেও দিয়া হৈছিল। পবিত্র ৰমণীসকলে তেওঁ লোকক আহ্বান জনাই অপেক্ষা কৰিছে। মং ১। সিঃ ১। সূঃ ২। আঃ ২৪॥

সমীক্ষক—তেনেহলে কোৰাণে বর্ণনা দিয়া বেহেস্ত (স্বর্গ) আমাৰ পৃথিবীতকৈ কোন গুণে শ্রেষ্ঠ? পৃথিবীত যিবোৰ বস্তু আছে স্বর্গতো মুছলমানসকলৰ কাৰণে সেইবোৰ বস্তুৰেই আছে, স্বর্গ আৰু পৃথিবীৰ বিশেষ পার্থক্য ইমানেই যে, পৃথিবীত মানুহ জন্ম হলে মৰিবও লাগে, আৰু যাতায়াত কৰে, স্বর্গত তেনে নহয়। ইয়াত কোনো ৰমণী চিৰকাল জীৱিত নেথাকে, কিন্তু স্বর্গত চিৰ-জীবিত হৈ থাকে। তেনেহলে কয়ামতৰ বাতি, [শেষ প্রলয়ৰ সময়] নোহোৱা পর্য্যন্ত, ইমানখিনি কাল সেই দুর্ভগীয়া নাৰীবোৰে কেনেকৈ অতিবাহিত কৰে? তেওঁলোকৰ প্রতি যদি ঈশ্বৰৰ দয়া থাকে, আৰু সেই নাৰীসকলে যদি তেওঁৰ আশ্রয়ত তত কাল কটাব পাৰে, তেনেহলে অৱশ্যে ভাল কথা। কিন্তু যি দেখা যায়, মুছলমানসকলৰ সেই বেহেস্ত গোকুলিয়া গোসাঁইসকলৰ গোলোক আৰু মন্দিৰৰ দৰেই। গোলোকত নাৰীৰ সম্মান বেছি, পুৰুষৰ সম্মান নাই। সেইদৰে খোদাৰ গৃহতো নাৰীৰ সম্মান বেছি, তেওঁলোকৰ প্রতি

খোদাব প্রেম-মহবতো বেছি, পুরুষ সকলব প্রতি কম। এই কাবণেই বোধহয় খোদাই 'খুব সুবত বীবী' আর্থাৎ সুন্দবী নাবীবোব সদায় বেহেস্তত বাখিছে; পুরুষসকলক বখা নাই। খোদাব মর্জি নহলে বীবী-বোব স্বর্গত সদায় কেনেকৈ থাকিব পাবিব? খোদা সেই নাবীসকলব প্রতি [illegible] হব পাবে। ৯॥

১০। আদমক সকলো বস্তুব নাম শিকোৱা হ'ল। তাব পাছত ফেবিস্তাবোবলৈ মুখ কবি তেওঁ কলে—"যদি তোমালোক সত্যবাদী হোৱা, মোক এই বস্তুবোবব নাম কোৱা"। তেওঁ তেতিয়া আদমক কলে—"হে আদম! এইবোবব নাম কোৱা"। আদমে সকলো বস্তুব নাম কৈ দিলে, তেতিয়া খোদাই ফেবিস্তা-বোবক কলে, "মই তোমালোকক কোৱা নাই নে যে, মই নিশ্চিতভাবে পৃথিবী আৰু আকাশব গুপ্ত বস্তুবোব আৰু প্রকাশ্য কর্ম্মবোব জানো? মং ১। সিঃ ১। সূঃ ২। আঃ ৩১। ৩৩॥

সমীক্ষক—এইদবে ফেবিস্তা অর্থাৎ স্বর্গীয় দূতবোবক প্রভাবিত কবি নিজব যশস্যা গোৱাটো খোদাব কাম হব পাবে নে? এইবোব প্রতাবণাব বাহিবে একো নহয়; কোনো বিবেচনাশীল মানুহে এইবোব বিশ্বাস নকবে আৰু তেনে অভিমানো কবিব নোৱাবে। এইবোবব দ্বাবাই খোদাই তেওঁব আলৌকিক শক্তিব পবিচয় দিব খুজিছিল নেকি? নির্ব্বোধ জনসাধাবণক প্রতাবণা কবি ইচ্ছামতে যি কোনো মতকেই প্রবর্ত্তন কবিব পাবি, কিন্তু সভ্য মানুহব মাজত তেনে কবা সম্ভব নহয়। ১০॥

১১। আমি যেতিয়া ঈশ্বৰব দূতবোবক কলো "আদমক প্রণাম কবা"। তেতিয়া সকলোৱে তাকে কবিলে, কিন্তু চয়তানে সেই কথা নামানি গর্ব কবিলে—কাবণ সিও এটা কাফেব।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ৩২॥

সমীক্ষক—খোদা যদি সর্ব্বজ্ঞ হলহেঁতেন, অর্থাৎ ভূত, বর্ত্তমান, আৰু ভবিষ্যত জনা হলহেঁতেন, তেনেহলে চয়তানক সৃষ্টিকে নববিলে-হেঁতেন। খোদা শক্তিমানো নহয়, কাবণ, মাত্র এটা কাফেব চয়তানে, তেওঁব আজ্ঞা লঙ্ঘন কবা সত্ত্বেও তাক একো কবিব নোৱাবিলে। আৰু দেখক, এটা কাফেব চয়তানেই খোদাক হতবুদ্ধি কবিলে। তেনেহলে মুছলমান সকলব মতে যত কোটি কোটি কাফেব আছে, তাত তেওঁলোকে আৰু তেওঁলোকব খোদাই কি কবিব পাবিব? খোদাই কাবোবাব বোগ বৃদ্ধি কবে, আৰু কাবোবাক পথভ্রষ্ট কবে, এইবোবো খোদাই বোধহয় চয়তানব পবাই শিকিলে। নহলে, খোদায়েই বোধহয় চয়তানক শয়তানি শিকাইছে, কাবণ খোদাব বাহিবে চয়তানব আন কোনো গুৰু হব নোৱাবে। ১১॥

১২। আমি কলো,—"আদম! তুমি আৰু তোমাব ভার্য্যা এই বেহেস্তত থাকি মনব আনন্দেবে ইচ্ছামতে ভোগ কবা; কিন্তু সেই গছ-জোপাব ওচবলৈ নাযাবা, গলে পাপী হবা।" চয়তানে তেওঁলোকক বিভ্রান্ত কবি স্বর্গব ভোগ বিলাসব পবা বঞ্চিত কবিলে। আমি তেতিয়া কলো,—"স্বর্গব পবা নামি যোৱা, তোমালোকব পবস্পবব ভিতবত কোনো শত্রু আছে; তোমালোকব বাসস্থান এতিয়া পৃথিবী আৰু তাত তোমালোকে একো একো সময়ত একো একোটা বস্তু পাবা"। আদমে তেওঁব প্রভুব পবা কিছু কথা শিকি পৃথিবীলৈ আগমন কবিলে।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ৩৫-৩৭॥

সমীক্ষক—খোদা যে অল্পজ্ঞ, এতিয়া ওলাই পবিল। আগতে আশীর্ব্বাদ দিলে, "স্বর্গত থাকা," আকৌ তাব পাছত কলে,—"স্বর্গব পবা ওলাই যোৱা"। তেওঁব ভবিষ্যতব জ্ঞান থকা হলে তেনে বব দিলেহেঁতেন জানো? দেখা যায় যে, তেওঁ প্রতাবণাকাবী চয়তানকো দণ্ড দিয়াত অক্ষম। তেওঁ কাব কাবণে বা কিহব কাবণে সেই বৃক্ষ সৃষ্টি কবিছিল? তেওঁব নিজব কাবণে কবিছিল নে আনব কাবণে? পবব কাবণে সৃষ্টি কবিছিল যদি নিষেধ কবাব কাবণ কি? গতিকে এইবোব

কথা ঈশ্বৰৰ বচিত গ্ৰন্থত থকাটো সম্ভৱ নহয়। আদম চাহেবে খোদাৰ পৰা কিমান বিষয় শিকি আহিছিল? তেওঁ পৃথিবীলে কেনেকৈ আহিল। স্বৰ্গখন কোনো পৰ্ব্বত নে আকাশত অৱস্থিত? তেওঁ তাৰ পৰা কেনেকৈ অৱতৰণ কৰিলে? চৰাইৰ দৰে উৰি আহিল নে শিল এডোখৰৰ দৰে ওপৰৰ পৰা পৰিল? যিহেতু আদম চাহাবক মাটিৰেই সৃষ্টি কৰা হৈছে, গতিকে স্বৰ্গতো মাটিয়েই আছে। তাৰ ঈশ্বৰৰ দূতবোৰৰো বোধহয় সেইদৰেই সৃষ্টি হৈছে। কাৰণ, পাৰ্থিৱ দেহ নহলে ইন্দ্ৰিয়ৰ সুখ ভোগ হব নোৱাৰে। পাৰ্থিৱ দেহৰ মৃত্যু আছে, মৃত্যুৰ পাছত তেওঁলোক স্বৰ্গৰ পৰা কলৈ যায়? মৃত্যু নাথাকিলে জন্মও হব নোৱাৰে। জন্ম যেতিয়া আছে, মৃত্যুও নিশ্চয় আছে। সেয়ে যদি হয়, বমণীসকলে চিৰকাল স্বৰ্গত বাস কৰি থাকে বুলি কোৰাণে কোৱা কথা মিছা; কাৰণ তেওঁলোকৰ মৃত্যু নিশ্চিত। গতিকে স্বৰ্গবাসীসকলৰো মৃত্যু অৱশ্যম্ভাবী। ১২॥

১৩। সেই দিনটোলৈ ভয় কৰিবা, যিদিনা কোনো জীৱে কোনো জীৱৰ ওপৰত ভৰসা নাৰাখিব, কাৰো অনুৰোধ ৰক্ষা কৰা নহব, কাৰো পৰা ক্ষতি পূৰণ গ্ৰহণ কৰা নহব আৰু কোনো-ৱেই সাহায্যও নেপাব। মঃ ১। সিঃ ১। সূঃ ২। আঃ ৪৮॥

সমীক্ষক—বৰ্ত্তমান দিনবোৰত ভয় কৰিব নেলাগে নেকি? কুকৰ্ম্মৰ কাৰণে সদায় ভয় কৰা উচিত। "পয়গম্বৰৰ সাক্ষী অথবা চুপাৰিচ অনুসাৰে খোদাই স্বৰ্গ দান কৰিব, এই কথা তেনেহলে কেনেকৈ সঁচা হব, যদি অনুৰোধ ৰক্ষা নহবে? খোদা কেৱল স্বৰ্গবাসীসকলৰহে সহায়ক নেকি? তেওঁ যদি অন্য নৰকবাসীবোৰৰহে সহায়ক নহয়, তেনেহলে তেওঁ পক্ষপাতী হব। ১৩॥

১৪। আমি মুছাক কিতাপ আৰু আলৌকিক শক্তি দিলো, আৰু তেওঁক কলো, "তুমি নিন্দিত বান্দৰ হৈ যোৱা"। সম্মুখত

থকা আৰু কাষত থকা বিলাককো এই ভয় দেখুৱালো, আৰু বিশ্বাসী সকলকো শিক্ষা দিলো। মঃ ১। সিঃ ১। সূ ২ আঃ ৫৩।৬৫।৬৬।

সমীক্ষক—মুছাক কিতাপ দিছে যদি কোৰাণৰ প্ৰকাশ নিৰৰ্থক। বাইবেল আৰু কোৰাণতো লিখা আছে যে, ঈশ্বৰে মুছাক অলৌকিক শক্তি দিছিল; কিন্তু সেই কথা বিশ্বাস যোগ্য নহয়। কাৰণ যি পূৰ্ব্বত আছিল সি এতিয়াও থকা উচিত। যিহেতু বৰ্ত্তমান কাৰো অলৌকিক শক্তি নাই, গতিকে পূৰ্ব্বতো নাছিল। আজি কালি যেনেকৈ স্বাৰ্থপৰ সকলে নিৰ্ব্বোধ সাধাৰণ মানুহৰ আগত পাণ্ডিত্যৰ ভাও ধৰে, বোধহয় সেই যুগতো তেনেকুৱা ভণ্ডামি কৰা হৈছিল। খোদা আৰু তেওঁৰ ভক্ত-সকল এতিয়াও বিদ্যমান আছে, তেনেহলে খোদাই আজি-কালি, তেওঁৰ কোনো ভক্তকে অলৌকিক শক্তি নিদিয়ে কিয়? আজি-কালি কোনেও অলৌকিক শক্তি প্ৰদৰ্শন কৰিব নোৱাৰে কিয়? ঈশ্বৰে যদি মুছাক কিতাপ দিছিলেই, তেনেহলে আকৌ কোৰাণ প্ৰেৰণ কৰাৰ কি প্ৰয়োজন আছিল? সৎ কৰ্ম্ম কৰা আৰু অসৎ কৰ্ম্ম নকৰাৰ বিষয়ে সকলোৱে উপদেশ একেই। একে কথাকেই ভিন্ন ভিন্ন কিতাপত লিখিলে পুনৰুক্তি দোষ হয়। মুছা আদিক যি যি পুস্তক দিয়া হৈছিল, তাৰ ভিতৰত খোদাৰ কিবা ভুল হৈছিল নেকি? খোদাই যদি কেৱল ভয় দেখুৱাৰৰ কাৰণেই 'নিন্দিত বান্দৰ' হবলৈ কৈছিল তেনেহলে তেওঁৰ বাক্য মিছা অথবা তেওঁ ছলনা কৰিছিল। যি এনেবোৰ কথা কয়, তেওঁ খোদা হব নোৱাৰে আৰু যি পুস্তকত এনেবোৰ কথা আছে সেই পুস্তক খোদাৰ বচিত হবও নোৱাৰে। ১৪॥

১৫। এইদৰে খোদাই মৃতবোৰক পুনৰ্জীৱিত কৰে আৰু তোমালোকক তাৰ সাঙ্কেতিক চিনবোৰ দেখুৱায়; তোমালোকে যাতে বুজিব পাৰা। মঃ ১। সিঃ ১। সূঃ ২ আঃ ৭৩॥

সমীক্ষক—খোদাই মৃতকসকলক পুনৰ্জীৱিত কৰিছিল যদি

এতিয়াও নকৰে কিয়? কয়ামতৰ ৰাতি পর্য্যন্ত জীৱবোৰ কবৰৰ ভিতৰত কিয় পৰি থাকিব লাগে? মৃতকবোৰ বর্ত্তমান বিচাৰালয়ৰ বিচাৰাধীন হৈ আছে নেকি? কেৱল এইকিটাই ঈশ্বৰ সঙ্কেত চিন নেকি! পৃথিবী, চন্দ্র, সূর্য্য আদি খোদাৰ সঙ্কেত নহয় নেকি? ভিন্ন ভিন্ন সৃষ্টি প্রত্যক্ষ কৰি খোদাৰ সঙ্কেত জানিব নোৱাৰি নেকি? ১৫॥

১৬। তেওঁ চিৰকাল বেহেস্ত অর্থাৎ বৈকুণ্ঠবাসী।

মঃ ১। সিঃ ১। সূ ২। আঃ ৮২॥

সমীক্ষক—কোনো জীৱৰেই অনন্ত পাপ বা পুণ্য কৰিবৰ সামর্থ্য নাই; গতিকে সদৈৱ স্বর্গ বা নৰকত থাকিব নোৱাৰে, এনেকুৱা বিচাৰ কৰিলে খোদা অন্যায়কাৰী আৰু অবিবেচকহে হব। কয়ামতৰ ৰাতিত পাপ পুণ্যৰ ন্যায় বিচাৰ যদি হয়, মানুহৰ পাপ পুণ্যও সমান হোৱা উচিত। কর্ম্ম যদি অনন্ত নহয়, কর্ম্মৰ ফল অনন্ত কেনেকৈ হব? যদি জগতৰ সৃষ্টি হবৰ সাত বা আঠ হেজাৰ বছৰ হৈছে বুলি ধৰা হয়, তেনেহলে তাৰ আগত খোদা নিষ্কর্ম্মা হৈ আছিল নেকি? আৰু কয়ামতৰ পাছতো তেওঁ নিষ্কর্ম্মা হৈ থাকিব নেকি? এইবোৰ লৰাৰ কথাৰ দৰে; কাৰণ পৰমেশ্বৰৰ কার্য্য নিত্য বর্ত্তমান। যাৰ যিমান পৰিমাণৰ পাপ বা পুণ্য, সেই সেই পৰিমাণৰ ফল তেওঁ পায়; গতিকে কোৰাণৰ এইবোৰ কথা সঁচা হব নোৱাৰে। ১৬॥

১৭। আমি তোমালোকক প্রতিজ্ঞাবদ্ধ কৰিছো যে, তোমালোকে নিজৰ পৰস্পৰৰ ভিতৰত ৰক্তপাত নকৰিবা আৰু পৰস্পৰে ঘৰৰ পৰা উচ্ছেদ যাতে নকৰা। তোমালোকৰ প্রতিজ্ঞাৰ সাক্ষী তোমালোক প্রত্যেকে নিজে নিজে। কিন্তু তোমালোকেই চোন পৰস্পৰক হত্যা কৰিব লাগিছা, আৰু তোমালোকৰে দলা-দলি হৈ এদলে আনদলক ঘৰৰ পৰা উচ্ছেদ কৰিছা।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ৮৪।৮৫॥

সমীক্ষক—প্রতিজ্ঞা কৰা বা কৰোৱা অল্পজ্ঞৰহে কাম, পৰমেশ্বৰৰ নহয়। পৰমেশ্বৰ সর্ব্বজ্ঞ, তেওঁ সাধাৰণ মানুহৰ দৰে কঠোৰতা অবলম্বন কৰিব কিয়? কেৱল স্বমতাৱলম্বীসকলৰ ভিতৰত ৰক্তপাত নকৰিব আৰু তেওঁলোকৰ ভিতৰত পৰস্পৰৰ ঘৰ-বাৰী উচ্ছেদ নকৰিব। অর্থাৎ ভিন্ন মতাৱলম্বীৰ কৰিব। এনেবোৰ ধার্ম্মিকৰ আচৰণ হব নোৱাৰে। পক্ষপাতিতা আৰু অজ্ঞতাৰ পৰা এনেবোৰ অসদাচৰণ হয়। তেওঁলোকে যে প্রতিজ্ঞা ভঙ্গ কৰিব এই কথা সর্ব্বজ্ঞ ঈশ্বৰে আগতেই নাজানিছিল নেকি? মুছলমান সকলৰ ঈশ্বৰৰ স্বৰূপ খ্রীষ্টীয়ানৰ ঈশ্বৰৰ দৰেই আৰু কোৰাণো বাইবেলতকৈ সম্পূর্ণ ভিন্ন নহয়। কাৰণ কোৰাণৰ কেইটামান বিশেষ উপদেশৰ বাহিৰে বাকী সকলোবোৰ বাইবেলতেই আছে। ১৭॥

১৮। যিসকলে আখৰতৰ অর্থাৎ পৰলোকৰ কাৰণে ইহজীৱন ক্রয় কৰিছে (অর্থাৎ পৰজন্মৰ আশা কৰা নাই) তেওঁলোকৰ পাপ কেতিয়াও লাঘৱ নহব আৰু সহায়তাও নেপাব।

মঃ ১ সিঃ ১। সূঃ ২। আঃ ৮৬॥

সমীক্ষক—ঈশ্বৰৰ জানো ঈর্ষা-দ্বেষ থাকিব পাৰে? কাৰ পাপ লাঘৱ কৰিব আৰু কাক সহায় কৰিব? পাপীক পাপৰ দণ্ড নিদি লাঘৱ কৰিলে অন্যায় হব। দণ্ড দি পাপ লঘু কৰা হলে, এই ক্ষেত্রত যাৰ উল্লেখ আছে, তেওঁলোকেও দণ্ড পাই লঘু হব পাৰে। দণ্ড দিও যদি পাপ লঘু কৰা নহয় তেনেহলে অন্যায় হব। যাৰ পাপ লঘু কৰাৰ কথা, তেওঁলোক ধর্ম্মপৰায়ণ হলে, স্বভাৱতেই লঘু তেনেহলে খোদাই কৰিব কি? গতিকে এইবোৰ বিদ্বানৰ লিখা নহয়! নিজৰ নিজৰ কর্ম্মানুসাৰে ধার্ম্মিকৰ সুখ আৰু অধার্ম্মিকৰ দুখ হোৱা উচিত। ১৮॥

১৯। নিশ্চিতভাবে আমি বিধি পুস্তক মুছাক দিছো, আৰু তেওঁৰ পাছত পয়গম্বৰো পঠাইছো, আৰু মেৰীৰ পুত্র যীচুক আৰু তেওঁৰ

লগত ৰহুল কুদসকো [জিব্রাঈল, যি সদায় যীচুৰ লগত থাকে] দৈৱী শক্তি দিছো। যি তোমালোকৰ প্রীতিকৰ নহয়। যেতিয়া সেই বস্তুলৈ পয়গম্বৰ তোমালোকৰ আগলৈ গৈছে, তোমালোকে অভিমানত এটা মস্তক মিছা বুলিলা আৰু এজনক হত্যা কৰিলা। মঃ ১। সিঃ ১। সুঃ ২। আঃ ৮৭ ॥

সমীক্ষক—মুছাক বিধি পুস্তক দিয়া হৈছে, ইয়াৰ প্রমাণ কোৰাণেই দিছে, গতিকে মুছলমানে সেই কথা বিশ্বাস কৰা উচিত। সেই পুস্তকত যিবোৰ দোষ দেখা যায় সেইবোৰোক মুছলমান মতবেই দোষ হব। দৈৱী-শক্তিৰ কথাবোৰ মিছা, সবল সাধাৰণ মানুহৰ বিশ্বাস জন্মোৱাৰ কাৰণেই মিছা কথা ৰচনা কৰি প্রচাৰ কৰা হৈছে। কাৰণ যি সৃষ্টি বিজ্ঞান বিৰুদ্ধ; সি মিছা। তেতিয়া যদি দৈৱশক্তি আছিল, এতিয়া নাই কিয়? এতিয়া যদি নাই তেতিয়াও নাছিল, এই বিষয়ে কোনো সন্দেহ নাই। ১৯ ॥

২০। ইয়াৰ আগতে কাফেৰবোৰক বিজয় কৰিবলৈ বিচাৰিছিল। যেতিয়া সেই বস্তু আহিল সিহতে চিনি পায়ো ঘপ-ৰাই কাফেৰ হৈ পৰিল। কাফেৰবোৰৰ ওপৰত আল্লাহৰ লানত (শাপ) আছে। মঃ ১। সিঃ ১। সূ ২। আঃ ৮৯।

সমীক্ষক—আপোনালোকৰ মতে যেনেকৈ ভিন্ন মতাৱলম্বীবোৰ কাফেৰ সেইদৰে তেওঁলোকৰ মতেওতো আপোনালোকক কাফেৰ বুলিব পাৰি? তেওঁলোকৰ মতে তেওঁলোকৰ ঈশ্বৰেও আপোনালোকৰ শাপ দিব পাৰে। তেনেহলে কাৰ মত সঁচা আৰু কাৰ মত মিছা? বিচাৰ বিবেচনাৰে অনুসন্ধান কৰি চালে সকলো মতেই মিছা পোৱা যায়; কিন্তু সত্যৰ সদাই সকলোতে এক ৰূপ। বাদবিবাদৰ মূল হ'ল অজ্ঞতা ২০ ॥

২১। বিশ্বাসীসকলৰ প্রতি আল্লাহৰ সু-সমাচাৰ, এই যে,

আল্লাহ, দেবদূতসকল, পয়গম্বৰসকল, জিব্রাইল আৰু মাইকেলৰ যিবোৰ কাফেৰ শত্রু, আল্লাহো তেনে কাফেৰবোৰৰ শত্রু। মঃ ১। সিঃ ১। সুঃ ২। আঃ ৯৭।৯৮ ॥

সমীক্ষক—মুছলমানৰ মতে খোদা লাশৰীক অর্থাৎ খোদাৰ অংশীদাৰ নাই। তেনেহলে এই অংশীদাৰবাহিনী কৰ পৰা হল? যি তেওঁলোকৰ শত্রু সি খোদাৰো শত্রু হব পাৰে নেকি? এনে কথা সঁচা হব নোৱাৰে, কাৰণ ঈশ্বৰ কাৰো শত্রু হব নোৱাৰে। ২১ ॥

২২। তোমালোকে ক্ষমা প্রার্থনা কৰা যদি, তোমালোকৰ পাপ ক্ষমা কৰিম আৰু সৎকর্ম্ম কৰোতাসকলক অধিক ক্ষমা কৰিম। মঃ ১। সি ১। সুঃ ২। আঃ ৫৮ ॥

সমীক্ষক—খোদাৰ যদি এনেকুৱা উপদেশ হয়, তেনেহলে সকলোৱে পাপত প্রবৃত্ত নহবনে? কাৰণ, পাপ ক্ষমা হোৱাৰ আশা থাকিলে পাপ কৰিবলৈ কোনে ভয় কৰিব? গতিকে এনে উপদেশ দিয়াজন খোদা হব নোৱাৰে আৰু এনে উপদেশ থকা গ্রন্থও খোদাৰ ৰচিত হব নোৱাৰে। খোদা সদায় ন্যায়কাৰী, তেওঁ কেতিয়াও কাৰো অন্যায় নকৰে, কিন্তু তেওঁ পাপ ক্ষমা কৰিলে অন্যায়কাৰী হব। ২২॥

২৩। মুছাই যেতিয়া স্বজাতীয়সকলৰ কাৰণে পানী খুজিলে, আমি তেতিয়া তেওঁক নিজৰ লাখুটি ডালেৰে শিলত মাৰিবলৈ কলো, তেতিয়া শিলৰ মাজৰ পৰা ১২ টা প্রস্রৱণ [চশ্মা] ওলাই পৰিল। মঃ ১। সিঃ ১। সুঃ ২। আঃ ৬০ ॥

সমীক্ষক—শুনক, এনেকুৱা অসম্ভৱ কথা কোনে কব পাৰে? এটা শিলত লাখুটিৰে টঙনিয়ালে ১২ টা প্রস্রৱণ ওলোৱা একেবাৰেই অসম্ভৱ কথা। শিল এটাৰ মাজত খুলি, সেই খোলনিৰ পৰা ১২টা ফুটা উলিয়াই দি, সেই খোলনিত পানী ঢালি দিলে সেইটো অৱশ্যে সম্ভৱ হব পাৰে। ২৩।

২৪। আল্লাহব যাব প্রতি ইচ্ছা হয়, তাক প্রধান আৰু দয়াব পাত্র কবে। মঃ ১। সিঃ ১। আঃ ১০৫ ॥

সমীক্ষক--যি প্রধানব আৰু দয়াব যোগ্য নহয় তাকো দয়া কবে নেকি? খোদাব এনেকুৱা ইচ্ছা হলে মহাগোলমাল হ'ব, তেতিয়া, ভাল কাম কোনে কবিব আৰু বেয়া কাম কবিবলৈ বা কোনে এৰিব? কাৰণ সকলো খোদাব ইচ্ছাব ওপৰত নির্ভব কবে, কর্ম্মফলত নির্ভব নকবে। এনেকুৱা অনিশ্চয় হলে, সকলোৱে ভাল বেয়া কর্ম্মব প্রতি উদাসীন হব, যিহেতু কর্ম্মফল নিৰর্থক। ২৪ ॥

২৫। কাফেৰবোৰে যেন ঈর্ষ্যাত তোমালোকক বিশ্বাসব পৰা বিচলিত নকবে; কাৰণ সিহঁতবো বিশ্বাসীসকলব অনেকব লগত বন্ধুত্ব আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১০৯ ॥

সমীক্ষক—এতিয়া চ'ক, স্বয়ং খোদায়েই তেওঁলোকক সাৱধান কবিছে, কাফেৰবোৰে যেন তেওঁলোকক বিশ্বাসব পৰা বিচলিত নকবে। তেনেহলে খোদা সর্ব্বজ্ঞ নহয় নেকি? এইবোব খোদাব কথা বুলি কলে সচাঁ বুলি মানিব নোৱাৰি ২৫।

২৬। তোমালোকে যিফালেই মুখ কৰা সেইফালেই আল্লাৰ মুখ আছে। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১১৫ ॥

সমীক্ষক—এই কথা যদি সঁচা হয় তেনেহলে মুছলমান সকলে মক্কাব ফালে মুখ কবাব কাৰণ কি? যদি কয় যে, মক্কাব ফালে মুখ কবিবলৈ আদেশ আছে, তেনেহলে "যি ফালে ইচ্ছা সেইফালেই মুখ কবিব পাবে" এই আদেশো দেখোন আছে। তেনেহলে কোনটো সচা? আল্লাহব যদি মুখ আছে। এখন মুখ সকলো পিনে থাকিব নোৱাৰে, এফালেহে থাকিব। গতিকে ইয়াব কোনো যুক্তি নাই। ২৬ ॥

২৭। যি আকাশ আৰু পৃথিবীৰ সৃষ্টি কর্ত্তা তেওঁ যেতিয়া

যি কৰিব খোজে কৰিব নেলাগে, "হ" বুলি কলেই হৈ যায়। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১১৭ ॥

সমীক্ষক—খোদাই জানিবা হুকুম দিলে "হ" বুলি, কিন্তু হুকুম শুনিলে কোনে? আৰু কাক শুনালে? কি সৃষ্টি হল? কিহব পৰা সৃষ্টি হল অর্থাৎ কি মূল উপাদানব পৰা সৃষ্টি হল? জগত সৃষ্টিব পূর্ব্বে এক খোদাব বাহিবে আন একোৱেই নাছিল, তেনেহলে এই জগত-খন ক'ব পৰা আহিল? বিনা কাৰণে কোনো কাম হব নোৱাৰে, এই বিশাল জগতখন কোনো মূল বস্তু নোহোৱাকৈ কিহব পৰা হ'ল? গতিকে এইবোব কথা বালকব দবে। ২৭ ॥

পূর্ব্বপক্ষী - খোদাব ইচ্ছাৰ পৰাই উৎপন্ন হল।

উত্তৰপক্ষী—আপোনালোকব ইচ্ছাত এটা মাখিব ঠেঙো উৎপন্ন হব পাৰেনে? যদি নোৱাৰে খোদাব ইচ্ছাত জগতখন উৎপন্ন হোৱা বুলি কেনেকৈ কয়?

পূর্ব্বপক্ষী—খোদা সর্ব্বশক্তিমান, গতিকে যি ইচ্ছা তাকে কবে।

উত্তৰপক্ষী—সর্ব্বশক্তিমানব অর্থ কি?

পূর্ব্বপক্ষী—যি ইচ্ছা তাকে কবিব পাবে।

উত্তৰপক্ষী—তেনেহলে খোদাই দ্বিতীয় এজন খোদা সৃষ্টি কবিব পাবে নেকি? নিজেই মূর্খ, ৰোগী হব পাবে নে? বা মবিব পাবেনে?

পূর্ব্ব পক্ষী—এইবোব কেতিয়াও সম্ভব নহয়।

উত্তৰ পক্ষী—গতিকে খোদাই নিজব বা আনব গুণ কর্ম্ম আৰু স্বভা-ৱব বিৰুদ্ধ কোনো কাম কবিব নোৱাৰে। সংসাৰত যেই কোনো বস্তু নির্ম্মাণ কবিবলৈ বা কৰাবলৈ তিনটা পদার্থ অর্থাৎ কাৰণব আৱশ্যক। উদাহৰণ স্বৰূপে এটা ঘট সৃষ্টি কবিবলৈ, কুমাৰ, মাটি আৰু সজুলিব আৱশ্যক হয়। এই ৩টা কাৰণ নহলে ঘট সৃষ্টি হব নোৱাৰে আৰু ঘটব সৃষ্টি হোৱাৰ আগতো এই তিনিটা কাৰণ বা পদার্থ বিদ্যমান থাকে। সেইদবেই জগত

সৃষ্টি হোৱাৰ পূৰ্ব্বে জগতৰ উপাদান কাৰণ প্ৰকৃতি আৰু প্ৰকৃতিৰ অনাদি গুণ, কৰ্ম্ম, স্বভাৱ বিদ্যমান অৰ্থাৎ আছে। গতিকে কোৱাণৰ জগতসৃষ্টিৰ কথা অসম্ভৱ। ২৭॥

কাবা অৰ্থাৎ মক্কাৰ উপাসনা মন্দিৰ

২৮। আমি মানুহৰ কাৰণে কাবাক পবিত্ৰ স্থান ৰূপে সৃষ্টি কৰিছো, তোমালোকে নামাজৰ কাৰণে আব্ৰাহমৰ স্থানত আশ্ৰয় গ্ৰহণ কৰা। মঃ ১। সিঃ ১। সুঃ ২। আঃ ১২৫॥

সমীক্ষক—কাবা সৃষ্টি হোৱাৰ আগতে খোদাই আন কোনো পবিত্ৰ স্থান সৃষ্টি কৰা নাছিল নেকি? কৰিছিল যদি কাবা নিৰ্ম্মাণ কৰাৰ কোনো আৱশ্যকেই নাছিল, আৰু যদি নাই কৰা, তেনেহলে তাৰ আগত যি সকলে জন্ম গ্ৰহণ কৰিছিল সেই বেছেৰাসকলৰ কাৰণে কোনো পবিত্ৰ স্থান নাছিল নেকি? অথবা আগতেই পবিত্ৰ স্থান সৃষ্টি কৰিবলৈ ঈশ্বৰৰ মনত নপৰিল নেকি? ২৮॥

২৯। কেৱল হতবুদ্ধি মানুহৰ বাহিৰে কোনে আব্ৰাহমৰ দীন অৰ্থাৎ ধৰ্ম্মৰ পৰা বিপৰীত হব? আমি তেওঁকেই মনোনীত কৰিছো। তেওঁ নিশ্চয় আখৰত অৰ্থাৎ পৰলোকত নেক অৰ্থাৎ ধাৰ্ম্মিক হব। মঃ ১। সিঃ ১। সুঃ ২। আঃ ১৩০॥

সমীক্ষক—যি আব্ৰাহমৰ দীন অৰ্থাৎ ধৰ্ম্ম গ্ৰহণ নকৰে তেওঁলোক মূৰ্খ! এইটো অসম্ভৱ কথা নহয় নে? আব্ৰাহমকেই যে খোদাই মনোনীত কৰিলে তাৰ কাৰণ কি? ধৰ্ম্মপৰায়ণতাৰ কাৰণে যদি কৰিছে, তেনেহলে ধৰ্ম্মপৰায়ণ লোক আৰু থকাটো সম্ভৱ। ধৰ্ম্মপৰায়ণ নহলেও যদি কৰিছে তেনেহলে অন্যায় হৈছে। ধৰ্ম্মপৰায়ণ ঈশ্বৰৰ প্ৰিয় আৰু অধৰ্ম্মপৰায়ণ যে প্ৰিয় নহয় এই কথা অৱশ্যে সত্য। ২৯॥

৩০। তোমাক আকাশৰ ফালে মুখ কৰা আমি নিশ্চয় দেখিছো, আমি নিশ্চয় তোমাক কাবাৰ অভিমুখী কৰিম, যি তোমাৰ

প্ৰিয় হব। গতিকে তোমাৰ মুখ মস্‌জিদুল্‌হৰামৰ ফালে ঘুৰোৱা; তুমি লাগে যতেই থাকা তোমাৰ মুখ সেইফালে কৰিবা।

মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৪৪॥

সমীক্ষক—এইবোৰ বুৎপৰস্তী অৰ্থাৎ মূৰ্ত্তি পূজাতকৈ কোন গুণে কম? নে মূৰ্ত্তি পূজাতকৈও বহুত বঢ়া?

পূৰ্ব্বপক্ষী—আমি মুছলমানবিলাক বুৎপৰস্ত অৰ্থাৎ মূৰ্ত্তি পূজক নহওঁ বুৎচিকণ অৰ্থাৎ মূৰ্ত্তি ধ্বংসকাৰীহে, কাৰণ আমি কাবাক খোদা বুলি নাভাবো।

উত্তৰপক্ষী—যাক আপোনালোকে বুৎপৰস্ত বুলি ভাবে, তেওঁলোকেও মূৰ্ত্তিক ঈশ্বৰ বুলি নাভাবে। মূৰ্ত্তিৰ আগত ঈশ্বৰক স্মৰণ কৰে। যদি আপোনালোক (বুৎ) মূৰ্ত্তি ভাঙোতাই হয়, তেনেহলে সেই কাবা বুৎ অৰ্থাৎ কাবা মস্‌জিদৰূপী মূৰ্ত্তিক ভঙা নাই কিয়?

পূৰ্ব্ব পক্ষী—আপুনি কি জানে? আমাৰ কিবলে (কাবা মক্কা)ৰ ফালে মুখ কৰিবলৈ কোৱাণ ছৰীফত হুকুম আছে, কিন্তু তেওঁলোকৰ (মূৰ্ত্তি পূজকসকলৰ) তেনে আদেশ বেদত নাই, তেনেহলে তেওঁলোক মূৰ্ত্তি পূজক নহব কিয়? আমি মূৰ্ত্তি-পূজক নহওঁ, আমি খোদাৰ হুকুম মানিব লাগিব।

উত্তৰপক্ষী—আপোনালোকৰ কাৰণে যেনেকৈ কোৱাণ ছৰীফত হুকুম আছে, সেইদৰেই তেওঁলোকৰ কাৰণেও পুৰাণত আজ্ঞা আছে। আপোনালোকে যেনেকৈ কোৱাণক খোদাৰ কলাম (আদেশ) বুলি ভাবে পৌৰাণিক মতাবলম্বীসকলেও পুৰাণক খোদাৰ অৱতাৰ ব্যাস মুনিৰ বচনক খোদাৰ বাণী বুলি ভাবে। আপোনালোক আৰু তেওঁলোকৰ ভিতৰত মূৰ্ত্তি পূজাৰ স্বৰূপৰ একো পাৰ্থক্য দেখা নাযায়, কিন্তু আপোনালোকৰ তেওঁলোকতকৈ এখোপ চৰাহে। যেনেকৈ কাৰোৰাৰ ঘৰৰ পৰা মেকুৰী

খেদিবলৈ যাওঁতে উট সোমাই গ'ল, সেইদবেই হজবত মহম্মদ চাহেবেও মুছলমান মতব পবা সামান্য মূর্ত্তি-পূজা বাহিব কবোতে মক্কাব মস্‌জিদৰূপী পর্ব্বতাকাব বৃহৎ মূর্ত্তিপূজা সোমাই গ'ল। ইয়াক কম মূর্ত্তি পূজা বুলিব পাবি নে? গতিকে আপোনালোকেও যদি বৈদিক মত স্বীকাব কবে তেনেহলে মূর্ত্তি পূজা আদি কু-কর্ম্মব পবা সম্পূর্ণ নিষ্কৃতি পাব পাবে। তাব বাহিবে নিষ্কৃতি নাই। যেতিয়ালৈকে আপোনালোকে বৃহৎ-মূর্ত্তি পূজা পবিত্যাগ নকবে, তেতিয়ালৈকে আনব সামান্য-মূর্ত্তি পূজাব নিন্দা নকবি, মস্‌জিদ পূজাব অন্ধবিশ্বাসব পবা বিবত হৈ আপোনালোকব ভিতবত সংস্কাব কবাহে পবম কর্ত্তব্য হব। ৩০॥

৩১। যিসকল আল্লাহব পথত নিহত হয়, তেওঁলোকক মৰা বুলিব নোৱাবি; তেওঁলোক জীৱিত। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৫৪॥

সমীক্ষক—ঈশ্বৰব পথত মবিবব বা মাবিবব নো প্রয়োজন কি? নিজব স্বার্থ সিদ্ধি কবাই উদ্দেশ্য বুলি মকয় কিয়? প্রলোভন আৰু ফুচু-লনিত হোজা মানুহে মবণত শবণ লৈ উৎসাহেবে যুঁজিব, ফলত আমি বিজয়ী হ'ম, হোজা মানুহে নির্ভয়েবে হত্যা আৰু লুটপাত কবিব, তাব পবা আমি ঐশ্বর্য্যশালী হৈ বিজয়ব সুখ ভোগ কবিম, এনে স্বার্থসিদ্ধিব বাবেহে এনেবোব বিপৰীত কর্ম্ম কবা বা কবোৱা হয়। ৩১॥

৩২। আল্লাহ কঠোৰ শাস্তিদাতা। চয়তানৰ অনুসবণ নকবিবা; চয়তান তোমাব প্রত্যক্ষ শত্রু। অসৎ আৰু নির্লজ্জ কর্ম্মব বাহিবে আন কর্ম্মত তোমাক সি প্রেবণা নিদিয়ে। আল্লাহৰ বিষয়ে যি তোমালোকে নাজানা তাকেই কব। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৬৫।১৬৮।১৬৯॥

সমীক্ষক—দয়ালু খোদাই পাপী আৰু পুণ্যবান সকলোকে শাস্তি দিয়ে নেকি? অথবা তেওঁ মুছলমানবোবক দয়া কবে, বাকীবোবক দুখ

দিয়ে? তেনেকুৱা হলে তেওঁ খোদা হবই নোৱাবে। ঈশ্বব যদি পক্ষ-পাতী নহয়, তেনেহলে ধার্ম্মিকসকলব প্রতি সদয় আৰু অধার্ম্মিকবোবক শাস্তি দিব। গতিকে হজবত মোহম্মদ চাহেবক মধ্যবর্ত্তীৰূপে মনাব আৰু কোবাণ বিশ্বাস কবাব কোনো আবশ্যক নকবে। যি চয়তান সকলোবে অনিষ্টকাবী শত্রু, তাক খোদাই সৃষ্টি কবিলে কিয়? ভবিষ্যতত কি ঘটিব পাবে তাক তেওঁ নাজানিছিল নেকি? যদি কয় যে, তেওঁ সকলো জানিছিল, কিন্তু পবীক্ষা কবিবব কাবণেই সৃষ্টি কবিছে, তেনেহলেও সত্য হব নোৱাবে, কাবণ যি পবীক্ষা কবিলেহে জানে, তেওঁ অল্পজ্ঞ। খোদা সর্ব্বজ্ঞ, তেওঁ সকলোবে সৎ অসৎ কর্ম্ম সদায় ভালদবে জানে। তেওঁ সকলোবে অন্তর্যামী। আৰু যদি চয়তানে সকলোকে বিভ্রান্ত কবে, তেনেহলে চয়তানক নো বিভ্রান্ত কবে কোনে? আৰু যদি কব খোজে, চয়তান নিজে নিজেই বিভ্রান্ত হয়, তেনেহলে আনেও নিজে নিজে বিভ্রান্ত হব পাবে। মধ্যবর্ত্তী চয়তানব নাম লবব আবশ্যক কি? খোদা-য়েই যদি চয়তানকো বিভ্রান্ত কবে, তেনেহলে খোদা চয়তানকৈও চয়তান। ঈশ্বৰব এনেবোব লক্ষণ হব নোৱাবে। মানুহে নিজব নিজব অজ্ঞানতাব কাবণে কুসঙ্গ আৰু অসৎ পথ অবলম্বন কবি বিপথগামী হয়। ৩২॥

৩৩। মৰা জন্তু, তেজ, সুৱৰব গোস্ত (গাহবিব মঙহ) আৰু আল্লাহৰ নাম নলৈ আনৰ নাম লোৱা—তোমালোকৰ কাৰণে হাৰাম (নিষিদ্ধ)। মঃ ১। সিঃ ১। সূঃ ২। আঃ ১৭৩॥

সমীক্ষক—মৰা মানে নিজে নিজে মবিলেও মৰা, আনে মাবিলেও মৰা, দুয়োটাৰ ভেদ অৰণ্যে আছে। কিন্তু দুয়োটাই যে মৰা তাত কোনো ভেদ নাই। কেবল গাহবিব মাংসহে যে নিষেধ কবিছে বাকী অন্যান্য পশু-পক্ষীব আৰু মানুহব মাংসও খাব পাবে নেকি? পবমে-শ্বৰব নামত জীৱ জন্তুক ঘোব কষ্ট দি প্রাণ বধ কবা উচিত কর্ম্ম নে? এনে কর্ম্মব পবা খোদাব নাম কলঙ্কিত কবা নহয় নে? অৰণ্যে পূর্ব্বজন্মব

অপবাধ নহলে ঈশ্বৰে কচাইব হাতত ঘোৰ যন্ত্ৰণাবে প্ৰাণ বধ হবলৈ কিয় দিলেহেঁতেন? এইবোৰ প্ৰাণীৰ ওপবত ঈশ্ববব দয়া নাই নেকি? খোদাই নিজে সৃষ্টি কবা প্ৰাণীববোৰব প্ৰতি দয়া নাই নেকি? গাই আদি যিবোৰ প্ৰাণীৰ পৰা জগতৰ অধিক হিত হয়, তেনে প্ৰাণীক হত্যা কবিবলৈ নিষেধ নকৰা বাবে খোদা জগতৰ অহিতকাৰকহে হব। জীৰ হিংসাৰ পাপেবেও কলঙ্কিত হব। এনেকুৱা বিপৰীত আৰু অহিতকৰ বিবেচনা খোদাৰ বচিত পুস্তকত কেতিয়াও থাকিব নোৱাৰে। ৩৩॥

৩৪। বোজাৰ বাতি নিজৰ নিজৰ বীবীৰ লগত কৰা মদনোৎসৱক হলাল অর্থাৎ বৈধ কৰা হৈছে। তোমালোকৰ বীবী তোমালোকৰ কাৰণে আৰু তোমালোক বীবীৰ কাৰণে পৰ্দ্দা বা আৱৰণ স্বৰূপ। আল্লাহই জানে যে, তোমালোকে চুৰি অর্থাৎ ব্যভিচাৰ কৰা। তাৰ কাৰণে তোমালোকক আল্লাহই আৰু ক্ষমা কবিছে। তোমালোকে সিহতৰ লগত সঙ্গম কৰা আৰু আল্লাহই তোমালোকৰ কাৰণে সন্তান লিখি দিছে, সন্ধান কৰা। যেতিয়ালৈকে তোমালোকৰ কাৰণে কলা সূতাৰ পৰা বগা সূতা প্ৰকাশ নহয় অর্থাৎ বাতিৰ পৰা দিনৰ পোহৰ নহয়, তেতিয়ালৈকে খোৱা-পিয়া কৰা। মং ১। সিঃ ১। সূঃ ২। আঃ ১৮৭॥

সমীক্ষক—এই বোজাৰ বিষয়ে ইয়াকেই নির্ণয় কবিব পাবি যে, মুছলমান মত প্ৰৱর্ত্তনৰ সময়ত বা তাৰ আগত কোনোৱে কোনো পৌৰাণিকৰ পৰা মাহেকীয়া চন্দ্ৰায়ণ ব্ৰতৰ কথা শুনে। যাৰ পৰা শুনিলে তেওঁৰ, বোধহয়, চান্দ্ৰায়ণ ব্ৰতৰ নিয়ম বিধি অর্থাৎ চন্দ্ৰকলাৰ হ্ৰাস বৃদ্ধি অনুসাবে আহাবৰ হ্ৰাস বৃদ্ধি কৰা আৰু দিনৰ মাজ ভাগত আহাৰ কৰা আদিৰ জ্ঞান নথকাত, হয়তো, চন্দ্ৰ উদয় হলেই আহাৰ কৰা উচিত বুলি কলে। শুনোতাইও সিমানেই বুজিলে, সেই চান্দ্ৰায়ণ ব্ৰতেই ৰূপান্তৰত মুছলমান মতত বোজা হয়। কিন্তু ব্ৰত চলি থকা কালত স্ত্ৰী-সহবাস নিষেধ। ইয়াৰ

বিপৰীতে খোদাই বঢ়াই কলে "যথা ইচ্ছা স্ত্ৰী-সমাগম কবিব আৰু বাতিৰ ভিতবত, দিনৰ পোহৰ নোযোৱা পর্য্যন্ত যিমানবাৰ পাবে খোৱাপিয়া কবিব"। দিনত আহাৰ নকবি সন্ধিয়াৰ পৰা বাতি পুৱাৰ আগলৈ খোৱা--ই কেনেকুৱা ব্ৰত? আচলতে দিনত আহাৰ নাখাই বাতি খোৱা বিজ্ঞান-বিৰুদ্ধ।৩৪।

৩৫। যি তোমালোকৰ লগত যুজে, সিহঁতৰ বিৰুদ্ধে আল্লাহৰ পথেদি যুদ্ধ কবিবা। সিহঁতক যতে পোৱা হত্যা কবিবা। হত্যাতকৈও মূর্ত্তি পূজা নিন্দনীয়। যেতিয়ালৈকে মূর্ত্তি পূজাৰ বিশ্বাস দূৰ নহয় আৰু আল্লাহৰ ধর্ম্ম প্ৰতিষ্ঠিত নহয়, তেতিয়ালৈকে যুদ্ধ কবিবা। যি সকলে তোমালোকৰ ওপবত যিমান বল প্ৰয়োগ কবে, তোমালোকেও সিহঁতৰ ওপবত সিমান বল প্ৰয়োগ কবিবা।

মঃ ১। সিঃ ২। সূঃ ২। আঃ ১৯০।১৯১।১৯৩।১৯৪॥

সমীক্ষক—ভিন্ন মতাৱলম্বীৰ বিৰুদ্ধে এনেবোৰ কথা কোৰাণত নথকা হলে মুছলমানসকলে গুৰুতৰ অপবাধ নকবিলেহেঁতেন। বিনা অপবাধত আনক হত্যা কৰা মহাপাপ। যি মুছলমান মত নামানে, তেওঁলোকক কুফ্ৰ বোলে, কুফ্ৰ অর্থাৎ কাফেৰক হত্যা কৰা মুছলমানে ধৰ্ম্ম বুলি ভাবে। তেওঁলোকৰ মজহব বা দীন অর্থাৎ ধর্ম্ম যিসকলে বিশ্বাস নকবে, তেওঁলোকক হত্যা কবিব লাগে, এনেকুৱা হিংসা ভাবেবে যুজোতে যুজোতে তেওঁলোকৰ নিজৰ বাজ্য বিচ্ছিন্ন হৈ গৈছে আৰু এতিয়াও তেওঁলোকে ভিন্ন ধর্ম্মবিশ্বাসীৰ প্ৰতি হিংসা ভাৱেবেই পবিপুষ্ট হৈ আছে। চুৰ কৰাৰ প্ৰতিকাৰ জানো চুৰি কবিলে হব? কোনোৱে চুৰি কবি আমাৰ অপবাধ কবিলে তাৰ প্ৰতিকাৰ কবিবলৈ আমিও চুৰিকে কবিব লাগিব নে? কোনো অজ্ঞানীয়ে আমাক গালি পাবিলে আমিও গালিকে পাবিম নে? এনেবোৰ জ্ঞানী মানুহৰ আচৰণ হব নোৱাৰে। এইবোৰ কথা ঈশ্ববৰতো নহয়েই, জ্ঞানী ঈশ্ববভক্তৰো নহয়, আৰু ঈশ্ববৰ প্ৰণীত পুস্তকৰো হব নোৱাৰে। এইবোৰ কেবল অজ্ঞানী স্বার্থপৰ মানুহৰহে কথা। ৩৫॥

৩৬। কন্দল আল্লাহৰ প্রিয় নহয়। হে মানৱ সকল। বিশ্বাস হলে ইস্‌লাম গ্রহণ কৰা। মঃ ১। সিঃ ২। সূঃ ২। আঃ ২০৫-২০৮॥

সমীক্ষক—কলহ-বিবাদ যদি খোদাৰ প্রিয় নহয়, তেনেহলে তেওঁ কিয় মুছলমানসকলক কলহ কন্দল কৰাত প্রেৰণা দিয়ে? আৰু হাই-কাজিয়া কৰা মুছলমানসকলক তেওঁ কিয় ভাল পায়! মুছলমান মতৰ অনুকূল হলেই যদি খোদা প্রসন্ন হয়, তেনেহলে খোদা মুছলমানৰ পক্ষ-পাতী আৰু সমগ্র জগতৰ সৃষ্টি কর্ত্তা ঈশ্বৰ নহয় আৰু কোৰাণ ছবীফো খোদাৰ বাণী নহয়। ৩৬॥

৩৭। খোদা যাৰ প্রতি প্রসন্ন, তাক অনন্ত ৰিজক অর্থাৎ ঐশ্বর্য্য দিয়ে। মঃ ১। সিঃ ২। সূঃ ২। আঃ ২১২॥

সমীক্ষক—খোদাই পাপ বা পুণ্য কর্ম্মৰ বিবেচনা নকৰাকৈ যাকে তাকে খুছি মতে অর্থ জীৱিকা দিয়ে নে? কেৱল খোদাৰ ইচ্ছাতেই যদি সুখ-দুখ নির্ভৰ কৰে, তেনেহলে ভাল বা বেয়া কর্ম্ম কৰা একে সমান। ইয়াৰ পৰা মুছলমানসকল ধর্ম্ম-কর্ম্মত নিৰাশ হৈ স্বেচ্ছাচাৰী হয়। আৰু কোৰাণত বিশ্বাস নকৰিও কোনো কোনো লোক ধর্ম্মপৰায়ণ হোৱা দেখা যায়।৩৭॥

৩৮। তেওঁলোকে তোমাক ৰজস্বলাৰ বিষয়ে প্রশ্ন কৰিলে, ৰজস্বলা অপবিত্র বুলি কৰা। ঋতুৰ সময়ত তেওঁলোকৰ পৰা পৃথককৈ থাকব লাগে। পবিত্র নোহোৱা পর্য্যন্ত তেওঁলোকৰ ওচৰলৈ নাযাবা। তেওঁলোকে স্নান কৰাৰ পিছত খোদাই যি স্থানেদি তেওঁলোকৰ ওচৰলৈ যাবৰ কাৰণে আজ্ঞা দিছে, সেই স্থানেদি যাবা। তোমালোকৰ ভার্য্যাবোৰ তোমালোকৰ ক্ষেত্র, গতিকে ইচ্ছানুসাৰে নিজ নিজ ক্ষেত্রত গমন কৰিবা। মিছা শপথ (প্রতিজ্ঞা) কৰিলে আল্লাহে তোমালোকৰ দোষ গ্রহণ নকৰে।

মঃ ১। সিঃ ২। সূঃ ২। আঃ ২২-২২৪॥

সমীক্ষক—ৰজস্বলাৰ স্পর্শ আৰু সঙ্গম যে নিষেধ কৰিছে সি অতি প্রশংসনীয়। কিন্তু নাৰীক ক্ষেত্র তুল্য আৰু ইচ্ছানুৰূপ সঙ্গম কৰিবলৈ কোৱা হৈছে, তাৰ দ্বাৰাই মানুহক ইন্দ্রিয়াসক্ত হোৱাত প্রবৃত্ত কৰে। খোদাই মিছা শপতৰ দোষ নকৰে, কাৰণ তেনে কৰিলে সকলোৱে মিছা শপত বা প্রতিজ্ঞা ভঙ্গ কৰিব আৰু খোদা মিছাৰ প্রশ্রয়দাতা হব।৩৮।

৩৯। এনেকুৱা কোন মানুহ আছে যি আল্লাহক ঋণ দান কৰিব পাবে? তেনেহলে আল্লাহই তাৰ বাবে দুগুণ দিব। মঃ ১। সিঃ ২ সূঃ ২। আঃ ২৪৫॥

*সমীক্ষক—খোদাই ঋণ গ্রহণ কৰিব কিয়? যি বিশ্ব-জগতখন সৃষ্টি কৰিছে তেওঁ মানুহৰ পৰা ঋণ গ্রহণ কৰিব নে? খোদাই কেতিয়াও ঋণ নলয়। এনেবোৰ অবিবেচকৰহে উক্তি হব পাৰে। তেওঁ জানো ধন সম্পত্তিৰ দুখীয়া? তেওঁ বেহা-বেপাৰত ক্ষতিগ্রস্ত হৈছে নেকি যাৰ কাৰণে দুগুণ দিয়াৰ প্রতিশ্রুতিত ঋণ গ্রহণ কৰিব? এইদৰে ঋণ লবলৈ তেওঁ জানো বেপাৰী? যি দেউলীয়া হৈছে বা যাৰ আয়তকৈ ব্যয় বেছি, তেনে ব্যক্তিৰহে ঋণ লোৱাৰ প্রয়োজন হয়, ঈশ্বৰৰ তেনে কৰিবৰ প্রয়োজন নাই। ৩৯॥

৪০। তেওঁলোকৰ ভিতৰত কাৰো বিশ্বাস নহল, আৰু কোনো কোনো কাফেৰ হৈ গ'ল। আল্লাহৰ ইচ্ছা হলে সিহঁতে

* তফচীৰ হুছেনীত এই আয়তৰ বিষয়ে ভাষ্যৰ টিপ্পনীত লিখা আছে যে, কোনো এজন মানুহে হজৰত মোহম্মদক সোধে, "হে বচুল্লাহ! খোদাই ঋণ বিচাৰিছে কিয়"? হজৰত মোহম্মদে উত্তৰ দিলে "তোমাক বেহেস্তলৈ নিবৰ কাৰণে"। মানুহজনে উত্তৰ দিলে "আপুনি জামিন হলে মই দিম"। হজৰত মোহম্মদ জামিন হল। কিন্তু খোদাৰ ওপৰত ভৰসা নহল, ভৰসা হ'ল তেওঁৰ দূততহে।

যুদ্ধ নকবিলেহেঁতেন। আল্লাহৰ যি ইচ্ছা তাকেই কৰে।

মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৩

সমীক্ষক—ঈশ্বৰৰ ইচ্ছাতেই কলহ-বিবাদবোৰ হয় নেকি? খোদাৰ ইচ্ছা হলে পাপো কৰিব পাৰে নেকি? সেয়ে হলে তেওঁ ঈশ্বৰ নহয়। বিবাদ-কন্দল ঘটোৱা আৰু শান্তি ভঙ্গ কৰা কোনো সৎপুৰুষৰ সৎ কার্য্য নহয়। ইয়াৰ পৰা যি বুজা যায় কোৰাণ খোদাৰ ৰচিত নহয় আৰু ।ৰ ৰচনা কৰিছে তেৱোঁও ধর্ম্মজ্ঞ পুৰুষ নহয়। ৪০॥

৪১। পৃথিবী আৰু আকাশত যি আছে সকলো তেওঁৰ কাৰণেই। তেওঁৰ ইচ্ছাতেই আকাশ আৰু পৃথিবীব্যাপি তেওঁৰ সিংহাসন আছে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৫ ।।

সমীক্ষক—আকাশ আৰু পৃথিবীত যি আছে সেই সকলোবোৰ খোদাই জীৱৰ কাৰণেই সৃষ্টি কৰিছে। তেওঁৰ কাৰণে কৰা নাই, কাৰণ, তেওঁ পূর্ণকাম, তেওঁৰ কোনো বস্তুৰেই আৰশ্যক নাই। তেওঁৰ আসন থাকিলে, সর্ব্বব্যাপী নহৈ একদেশী হব। একদেশী হলে তেওঁক ঈশ্বৰ বুলিব নোৱাৰি।৪১ ।।

৪২। আল্লাহই সূর্য্যক পূবফালৰ পৰা আনে, গতিকে তুমি পশ্চিম ফালৰ পৰা আনা। তাৰ পৰা কাফেৰবোৰ বিবুদ্ধি হৈ গ'ল। আল্লাহই পাপীক নিশ্চয় পথ প্রদর্শন নকৰে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৫৮ ।।

সমীক্ষক— সূর্য্য পূবৰ পৰা পশ্চিমলৈ বা পশ্চিমৰ পৰা পূবলৈ ঘুঘুৰে, নিজৰ পৰিধিতেই ঘুৰে। কোৰাণ লেখকৰ ভূগোল আৰু খগোল বিদ্যা জনা নাছিল। পাপীবোৰক যদি খোদাই সুপথ প্রদর্শন নকৰে, তেনেহলে পুণ্যবান সকলৰ কাৰণে খোদাৰ প্রয়োজনেই নেথাকে; কাৰণ ধার্ম্মিকসকল সদায় ধর্ম্মপথতেই চলে। নজনা মানুহকহে সৎ পথ দেখুৱাব লাগে; তাকেই যদি নকৰে, শাস্ত্র লেখকৰ মহা ভুল হব। ৪২॥

৪৩। তেওঁ কলে চাৰিটা জন্তু আনি সিহতঁৰ ৰূপ আকৃতিৰ চিন ৰাখিবা, তাৰ পাছত সিহঁতৰ এক এক ডোখৰ এক এক পাহাৰত থৈ আহি সিহঁতক মাতা। সিহত তোমাৰ ওচৰলৈ দৌৰি আহিব। মঃ ১॥ সিঃ ৩। সূঃ ২। আঃ ২৬০ ।।

সমীক্ষক—খোদাই ভানুমতীৰ খেলৰ দৰে খেলা কৰে নেকি? এইবোৰ কর্ম্মৰ পৰা খোদাৰ কি মহিমা প্রকাশ পায়? এনেকুৱা খোদাক জলাঞ্জলি দি দূৰৈত থকাই ভাল। কেৱল মূর্খ মানুহেহে এনেবোৰ কথা বিশ্বাস কৰি ফান্দত পৰিব পাৰে। ইয়াৰ পৰা খোদাৰ মহিমা প্রকাশ নহৈ অপযশহে প্রকাশ পায়। ৪৩॥

৪৪। তেওঁ যাক ইচ্ছা কৰে তাকেই নীতি জ্ঞান দিয়ে। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৬৯॥

সমীক্ষক—যাক ইচ্ছা কৰে তাক নীতিজ্ঞান দিয়ে আৰু যাক ইচ্ছা নকৰে তাক অনীতি দিয়ে, এনে কথা ঈশ্বৰৰ হব নোৱাৰে। কিন্তু যি পক্ষপাত এৰি সকলোকে নীতি-জ্ঞান দিয়ে তেওঁহে ঈশ্বৰ বা আপ্ত পুৰুষ হব পাৰে। তাৰ বিপৰীতে নহয়। ৪৪ ॥

খোদাৰ ইচ্ছা

৪৫। তেওঁ যাক ইচ্ছা কৰে ক্ষমা আৰু যাক ইচ্ছা কৰে দণ্ড দিয়ে, কাৰণ তেওঁ সকলোতকৈ বলবান। মঃ ১। সিঃ ৩। সূঃ ২। আঃ ২৮৪ ॥

সমীক্ষক—যি ক্ষমাৰ যোগ্য, তাক ক্ষমা নকৰা আৰু যি ক্ষমাৰ অযোগ্য তাক ক্ষমা কৰাটো স্বেচ্ছাচাৰী বজাৰ আচৰণ নহব নে? যদি খোদাই যাক ইচ্ছা কৰে তাকেই পাপী বা পুণ্যবান কৰে, তেনেহলে জীৱ পাপ-পুণ্যৰ বাবে দায়ী নহব। ঈশ্বৰৰ ইচ্ছা মতে জীৱক পাপী বা পুণ্যবান কৰিলে জীৱই সুখ-দুখো ভোগা উচিত নহয়। কাৰণ সেনাপতিৰ আদেশ

মতে সৈন্যই যাক মাৰে বা ৰক্ষা কৰে, তাৰ ফলাফলৰ বাবে সৈন্য দায়ী নহয়। ৪৫॥

৪৬। **পৰহেজগাৰ অর্থাৎ ধর্ম্মপৰায়ণসকলক ইয়াতকৈনো ভাল খবৰ কি দিম ? কৰা, আল্লাহৰ ওচৰত বেহেস্ত আছে, যত নদী প্রবাহিত হৈ আছে, তাত সদায় শুদ্ধ ৰমণী সকল আছে। তেওঁলোকক আল্লাহই তেওঁৰ ভক্ত সকলৰ লগত দেখি প্রসন্ন হয়। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ১৫ ॥**

সমীক্ষক—তেনেহলে সেইখন স্বর্গ নে বেশ্যাবন ? সেই ঈশ্বৰক ঈশ্বৰ বুলিব নে স্ত্রৈণ বুলিব ? এনেবোৰ কথা যত আছে, তাক কোনো বিবেচনাশীল মানুহে ঈশ্বৰৰ বচিত শাস্ত্র বুলি কব পাৰে নে ? পক্ষপাত তেওঁ কৰে কিয় ? যিবোৰ ৰমণী বেহেস্তত আছে সেইবোৰে ইয়াত জন্ম লৈ তালৈ গৈছে, নে স্বর্গতেই জন্ম লৈছে ? যদি ইয়াৰ পৰাই স্বর্গলৈ নিয়া হৈছে আৰু যদি কয়ামতৰ ৰাতিৰ আগতেই নিয়া হ'ল, তেনেহলে তেওঁলোকৰ খাবিন্দ (পতি) বোৰক কিয় নিয়া নহ'ল ? কয়ামতৰ ৰাতিহে সকলোৰে ন্যায় বিচাৰ হয়, এই নিয়ম তেওঁলোকৰ কাৰণে কিয় উল্লঙ্ঘন কৰা হ'ল ? যদি বেহেস্ততেই জন্ম হৈছে, তেনেহলে প্রলয়ৰ ৰাতি পর্য্যন্ত কেনেকৈ জীৱন যাপন কৰিছিল ? যদি সেই স্বর্গবাসী ৰমণীসকলৰ কাৰণে তাত পুৰুষো আছে, তেনেহলে যিবোৰ মুছলমান ইয়াৰ পৰা স্বর্গলৈ যায় সেইবোৰক খোদাই ৰমণীবোৰ ক'ৰ পৰা দিয়ে ? আৰু খোদাই যে, স্বর্গবাসী ৰমণীবোৰ সৃষ্টি কৰিলে সেইদৰেই স্বর্গবাসী পুৰুষো নস্রজিলে কিয় ? গতিকে এনেকুৱা খোদা বেচমঝ্‌দাৰ আৰু অন্যায়কাৰী। ৪৬॥

৪৭। **ইস্‌লাম ধর্ম্ম নিশ্চয় আল্লাহৰ প্রেৰিত। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ১৮ ॥**

সমীক্ষক—আল্লাহ কেৱল মুছলমানৰহে নেকি ? আনৰ নহয় ? তেৰ শ বছৰৰ আগত ঈশ্বৰ প্রেৰিত কোনো মত নাছিলেই নেকি ?

গতিকে কোৰাণ খোদাৰ ৰচিত নহয়, কোনোৱা পক্ষপাতীয়েহে লিখিছে ।৪৭॥

৪৮। প্রত্যেক জীৱই যি উপার্জ্জন কৰিছে সেই সম্পূর্ণ উপার্জ্জন তেওঁকেই দিয়া হব ; কাৰো প্রতি অন্যায় কৰা নহব। কোৱা হে আল্লাহ ! তুমি ৰাজ্যৰ অধীশ্বৰ। তুমি যাক দিব খোজা তাকেই দিয়া ; যাৰ পৰা কাঢ়ি লব খোজা তাৰ পৰা কাঢ়ি লোৱা। যাক সম্মান দিব খোজা তাকেহে সম্মান দিয়া যাক অপমানিত কৰিব খোজা তাক অপমানিত কৰা ; সকলো তোমাৰেই হাতত। সকলোৰে ওপৰত তুমি বলবান। তুমিয়েই দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিন প্রবিষ্ট কৰা। তুমিয়েই জীৱিতৰ পৰা মৃত্যুলৈ আৰু মৃত্যুৰ পৰা জীৱিত লৈ অনা-নিয়া কৰা। তুমি যাক ইচ্ছা কৰা অপৰিমিত অন্ন দান কৰা' ॥ মুছলমানে মুছলমানৰ বাহিৰে কোনো কাফেৰৰ লগত মিত্রতা কৰা অনুচিত। তেনে কাম ঈশ্বৰৰ অনুমোদিত নহয়। তোমালোকে যদি আল্লাহক পাবলৈ বিচাৰা, তেনেহলে মোক অনুসৰণ কৰা। তেওঁৰ দয়া হলে তোমালোকৰ পাপ ক্ষমা কৰিব। তেওঁ নিশ্চয় দয়ালু। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ২১-২২ ২৩-২৪। ২৭ ॥

সমীক্ষক—যদি প্রত্যেক জীৱক নিজৰ নিজৰ সম্পূর্ণ কর্ম্মফল দিয়া হয়, তেনেহলে ক্ষমা কৰা নহয় ; আকৌ ক্ষমা কৰিলে সম্পূর্ণ কর্ম্মফল দিয়া নহয় আৰু অন্যায় হব। উত্তম কর্ম্মৰ বাহিৰে কাৰোবাক ৰাজ্য দান কৰাও তেওঁৰ পক্ষে অন্যায়। বাৰু, মৃত জীৱিত আৰু জীৱিত মৃত হব পাৰে নে কেতিয়াবা ? ঈশ্বৰৰ বিধি-ব্যৱস্থা অচ্ছেদ্য আৰু অভেদ্য, তাৰ কোনো পৰিবর্ত্তন ঘটিব নোৱাৰে। এতিয়া পক্ষপাত চ'ক, যিসকল মুছলমান মতাৱলম্বী নহয়, তেওঁলোকক কাফেৰ বোলা, অমুছলমানৰ ভিতৰত যি সকল শ্রেষ্ঠ তেওঁলোকৰ লগত মিত্রতা কৰাত নিষেধ কৰা আৰু দুষ্ট প্রকৃতিৰ মুছলমানসকলৰ লগতো মিত্রতা কৰিবলৈ উপদেশ কৰা ঈশ্বৰত্বৰ বহির্ভূত। এয়েই যদি হয়, কোৰাণৰ খোদা আৰু মুছলমানসকল অজ্ঞ আৰু পক্ষপাতী। গতিকে মুছলমানসকল অন্ধকাৰতেই আছে। মহম্মদ

চাহেবৰ লীলাখেলাও চ'ক। তেওঁ কৈছে—'তোমালোক যদি মোৰ পক্ষত থাকা, তেনেহলে খোদাও তোমালোকৰ পক্ষত থাকিব। তোমালোকে পক্ষপাত ৰূপ পাপ কৰিলে তেওঁ ক্ষমাও কৰিব"। ইয়াৰ পৰা বুজিব লাগিব যে, মহম্মদ চাহাবৰ অন্তঃকৰণ পবিত্ৰ নাছিল, সেই কাৰণেই তেওঁ নিজৰ উদ্দেশ্য সিদ্ধিৰ কাৰণে কোৰাণ ৰচনা কৰিছিল বা কৰাইছিল।৪৮॥

৪৯। যেতিয়া ঈশ্বৰৰ দূতসকলে কলে, "মেৰি! আল্লাহে তোমাক পছন্দ কৰিছে আৰু জগতৰ সকলো নাৰীতকৈ তোমাকেই পবিত্ৰ কৰিছে"। মঃ ১। সিঃ ৩। সূঃ ৩। আঃ ৪১॥

সমীক্ষক—বাৰু, আজি কালি খোদা অথবা ঈশ্বৰৰ কোনো দূতে কাৰো লগত কথা-বতৰা পাতিবলৈ নাহে দেখোন? আগতে নো কেনেকৈ আহিছিল? যদি কোৱা হয় যে, পূৰ্ব্ব কালত মানুহবোৰ পুণ্যাত্মা আছিল, আজি-কালিৰ মানুহবোৰ পুণ্যাত্মা নহয়, এই কাৰণেই নাহে; এই কথাও অসত্য: কাৰণ যি সময়ত খ্ৰীষ্টীয়ান আৰু মুছলমান মতৰ সৃষ্টি হয়, সেই সময়ত সেইবোৰ দেশত বন্য আৰু অজ্ঞ লোকহে অধিক আছিল। সেই কাৰণেইতো এনেবোৰ বিজ্ঞানবিৰুদ্ধ মত প্ৰচলিত হৈছিল: বৰ্ত্তমান যুগত অনেক মানুহেই সুশিক্ষিত; গতিকে এনেবোৰ সাম্প্ৰদায়িক মত বেছি দিন চলিব নোৱাৰে। এনেধৰণৰ সাৰশূন্য মতৰ বৃদ্ধি হোৱা দূৰৈৰ কথা, দিনক দিনে লোপ পাব লাগিছে।৪৯।

৫০। আল্লাহে তাক কলে, "হৈ যা" সি হৈ গ'ল। কাফেৰবোৰে প্ৰতাৰণা কৰিলে, আল্লাহয়ো সিহঁতৰ লগত প্ৰতাৰণা কৰিলে। আল্লাহে অনেক ছল চাতুৰি কৰে।

মঃ ১। সিঃ ৩। সূঃ ৩ আঃ ৪৬-৫৩।

সমীক্ষক—মুছলমান সকলেজগত সৃষ্টিৰ আগত আল্লাহৰ বাহিৰে আন একোৰে অস্তিত্ব স্বীকাৰ নকৰে। তেনেহলে খোদাই কাক কলে? কোন বা 'হই গ'ল'? মুছলমানসকলে সাত জনমতো ইয়াৰ উত্তৰ দিব নোৱাৰে। যিহেতু উপাদান কাৰণ নহলে কাৰ্য্য হোৱা অসম্ভৱ। গতিকে বিনা কাৰণে কাৰ্য্যৰ উৎপত্তি অসম্ভৱ; যিদৰে পিতা মাতা নোহোৱাকৈয়ে সন্তান উৎপত্তিৰ স্বীকাৰ কৰা অসম্ভৱ। যি প্ৰতাৰিত হয় আৰু প্ৰতাৰণা বা গৰ্ব্ব কৰে তেওঁ কেতিয়াও ঈশ্বৰ হব নোৱাৰে। কোনো সৎ পুৰুষৰ কাৰণেও এনেবোৰ কাৰ্য্য সম্ভৱ নহয়। ৫০॥

৫১। আল্লাহই তোমালোকক তিনি হেজাৰ দেৱদূতৰ সহায়তা দিব। সেয়েই তোমালোকৰ কাৰণে যথেষ্ট নহব নে? মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১২৩॥

সমীক্ষক—আল্লাহই যদি তিনি হেজাৰ স্বৰ্গীয় দূতেৰে মুছলমানসকলক সহায়তা কৰে, তেনেহলে এতিয়া যে বহুত মুছলমান ৰাজ্য নষ্ট হৈ গৈছে আৰু যাব লাগিছে তাৰ কাৰণে সহায়তা নকৰে কিয়? গতিকে মূৰ্খ মানুহক প্ৰলুব্ধ কৰি জালবদ্ধ কৰাৰ কাৰণেই এইবোৰ কথা কোৱা হৈছে। এইবোৰ একেবাৰেই অন্যায়। ৫১॥

৫২। কাফেৰবোৰৰ বিৰুদ্ধে আমাক সহায় কৰা। আল্লাই তোমালোকৰ উত্তম সহায়ক আৰু কাৰ্য্যসাধক। তোমালোক যদি আল্লাহৰ পথত নিহত বা মৃত্যু মুখত পৰা, তেনেহলে ঈশ্বৰৰ দয়া অতি উত্তম বুলি জানিবা। মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১৪৬। ১৪৯।১৫৬॥

সমীক্ষক—এতিয়া মুছলমান সকলৰ ভ্ৰম চ'ক! তেওঁলোকে ভিন্ন মতাৱলম্বীসকলক বধ কৰিবৰ নিমিত্তে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰে। ঈশ্বৰ জানো নিৰ্ব্বোধ তেওঁলোকৰ প্ৰাৰ্থনা স্বীকাৰ কৰিবলৈ? খোদাই যদি তেওঁলোকৰ কাৰ্য্যকৰ্ত্তা হয়, তেনেহলে তেওঁলোকৰ কাৰ্য্য নষ্ট হয় কিয়? দেখা যায় যে খোদাও তেওঁলোকৰ লগতে মোহগ্ৰস্ত। যি এনে-

কুরা পক্ষপাতী, তেওঁ ধর্ম্মাত্মাসকলৰ উপাস্য হব নোৱাৰে। ৫২।

৫৩। আল্লাহই তোমালোকক পৰোক্ষ জ্ঞাতাৰূপে সৃষ্টি নকৰে, তেওঁৰ মনোনীত পয়গম্বৰসকলৰ দ্বাৰাই তোমালোকক জনায়। গতিকে আল্লাহক আৰু তেওঁৰ বচুলক বিশ্বাস কৰা। মঃ ১। সিঃ ৪। সূঃ ৩। আঃ ১৭৯ ॥

সমীক্ষক—[illegible]ৰ বাহিৰে আন কাকো বিশ্বাস নকৰে আৰু কাকো খোদাৰ সহযোগী বুলি স্বীকাৰ নকৰে। তেনেহলে পয়গম্বৰ চাহাবক ধর্ম্মবিশ্বাসৰ কাৰণে খোদাৰ অংশীদাৰ কৰা হ'ল কিয়? আল্লাহই যেতিয়া পয়গম্বৰক বিশ্বাস কৰিবলৈ লিখিছে, গতিকে পয়গম্বৰ তেওঁৰ অংশীদাৰ। তেনেহলে খোদাক "লাশৰীক" অর্থাৎ অংশীদাৰ-বিহীন বোলা সঙ্গত হোৱা নাই। যদি এই অর্থ কৰা হয় যে, মহম্মদ চাহাবক পয়গম্বৰ বুলি মনাই কর্ত্তব্য, তেনেহলে প্রশ্ন হয় যে, মহম্মদ চাহেবৰ প্রয়োজন কি? যদি খোদাই মহম্মদ চাহেবক পয়গম্বৰ নকৰি স্বয়ং তেওঁৰ অভিপ্রেত কার্য্য কৰিব নোৱাৰে, তেনেহলে তেওঁ শক্তিহীন। ৫৩ ॥

৫৪। হে বিশ্বাসীসকল। সন্তোষ আশ্রয় কৰা, পৰস্পৰে পৰস্পৰক ধাৰণ কৰা। যুদ্ধ কৰি যোৱা আৰু আল্লাক ভয় কৰিবা। তেহে তোমালোকে মুক্তি লাভ কৰিব পাৰিবা।

মঃ ১। সিঃ ৪। সূঃ ৩ আঃ ১৭৮ ॥

সমীক্ষক— এই কোৰাণৰ খোদা আৰু পয়গম্বৰ দুয়ো যুদ্ধাসক্ত। যি যুদ্ধৰ আজ্ঞাদাতা, তেওঁ শান্তি ভঙ্গকাৰী। খোদা বা ধর্ম্ম-বিৰুদ্ধ যুদ্ধ আদিক নাম মাত্র ভয় কৰিলেই জানো মুক্তি পায়? ঈশ্বৰক ভয় কৰা বা নকৰা একে সমান, ধর্ম্মবিৰুদ্ধ যুদ্ধৰ ভয় কৰা অৱশ্যে যুক্তিসঙ্গত। ৫৪।

৫৫। আল্লাৰ নির্দ্ধাৰিত নিয়ম হ'ল যে, যি আল্লা আৰু বচুলৰ বাক্য মান্য কৰে, সি বেহেস্তলৈ যাব পাৰে। তাত নৈ বৈ আছে আৰু সেয়েই অধিক প্রয়োজনীয়। যি আল্লাৰ আৰু তেওঁৰ বচুলৰ আজ্ঞা ভঙ্গ কৰিব, আৰু নির্দ্ধাৰিত নিয়মৰ বাহিৰ হৈ যাব, তেওঁক চিৰস্থায়ী অগ্নিত দগ্ধ কৰা হ'ব। তেওঁৰ কাৰণে গ্লানি আৰু দুখ আছে। মঃ ১। সিঃ ৪। সূ ৪। আঃ ১৩।১৪ ॥

সমীক্ষক—খোদাই স্বয়ং পয়গম্বৰ মহম্মদ চাহেবক তেওঁৰ অংশীদাৰ কৰি লৈছে আৰু তেওঁৰেই কোৰাণত তেনেকৈ লিখিছে। দেখক, পয়গম্বৰ চাহেব খোদাৰ ইমানেই প্রিয় পাত্র যে, খোদাই তেওঁক বেহেস্তত অংশীদাৰ কৰি লৈছে। মুছলমানৰ খোদা কোনো বিষয়তেই স্বতন্ত্র নহয়, গতিকে তেওঁক "লাশৰীক" বোলা বৃথা। ঈশ্বৰ বচিত গ্রন্থত এনেবোৰ কথা থকা অসম্ভৱ।৫৫ ॥

৫৬। আল্লাই ত্রসৰেণু পৰিমাণ অন্যায়ো নকৰে। যি কল্যাণ জনক কর্ম্ম কৰে, তেওঁক তাৰ দ্বিগুণ দিয়ে। মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ৩৭ ॥

সমীক্ষক—খোদাই যদি ত্রসৰেণু পৰিমাণ অন্যায়ো নকৰে, তেনেহলে তেওঁ কৃত পুণ্যৰ দ্বিগুণ ফল দিয়ে কিয়? তেওঁ মুছলমানৰ প্রতি পক্ষপাতেই বা কৰে কিয়? কৃত কর্ম্মৰ দ্বিগুণ বা কম ফল দিয়াটো খোদাৰ পক্ষে অন্যায় কথা। ৫৬ ॥

৫৭। যেতিয়া সিহঁত তোমাৰ ওচৰৰ পৰা বাহিৰলৈ আহে, তেতিয়া তোমাৰ বাক্যৰ বিপৰীত চিন্তা কৰে। আল্লাই সিহঁতৰ কথা-বতৰাবোৰ লিখি ৰাখে। তেওঁ সিহঁতৰ কৃত কর্ম্মৰ কাৰণে সিহতঁক বিপৰীতগামী কৰিছে। আল্লাই সিহতঁক বিভ্রান্ত কৰিছে, তুমি সিহঁতক সৎপথলৈ আনিবলৈ ইচ্ছা কৰা নেকি? কিন্তু আল্লাই যাক পথ ভ্রষ্ট কৰে, সিহঁতে কেতিয়াও সৎপথ নেপায়।

সমীক্ষক—আল্লাই যদি কথাবোৰ বহীত লিখি ৰাখে, তেনেহলে আল্লা সর্ব্বজ্ঞ হ'ব নোৱাৰে। যি সর্ব্বজ্ঞ, তেওঁৰ বহীত লিখাৰ আৱশ্যক নকৰে। মুছলমানসকলৰ মতে চয়তানে সকলোকে বিভ্রান্ত কৰে, তাৰ বাবে চয়তান অপৰাধী। কিন্তু খোদায়ো যদি জীৱক পথভ্রষ্ট ৰ'ব, তেনেহলে খোদা আৰু চয়তানৰ ভিতৰত প্রভেদ কি? প্রভেদ অৱেশ্য ইমানেই হব যে, খোদা অধিক চয়তান আৰু চয়তান কম চয়তান। মুছলমানসকলৰ ভিতৰত এটা প্রবাদ প্রচলিত আছে যে, যি বিভ্রান্ত কৰে, সেয়েই চয়তান। গতিকে উক্ত প্রবাদ অনুসাৰে তেওঁলোকৰ খোদাও চয়তানৰেই সমান। ৫৭॥

৫৮। সিহতেঁ যদি নিজে হাত বন্ধ নকৰে, তেনেহলে সিহতঁক য'তে দেখা, ত'তে ধৰি হত্যা কৰিবা। মুছলমানে মুছলমানক বধ কৰা উচিত নহয়। যদি কোনোৱে অজ্ঞাতসাৰে কোনো মুছলমানক বধ কৰে, তেনেহলে এজন মুছলমানক দাসত্ৱৰ পৰা মুক্ত কৰিব। নিহতৰ ৰক্তৰ ক্ষতিপূৰণ স্ৱৰূপ, তেওঁ নিহতৰ পৰিবাৰক অর্থ দান কৰিব। নিহতৰ পৰিবাৰে ক্ষমা কৰিলে নিদিলেও হব। কোনোৱে স্ৱজ্ঞানে কোনো মুছলমানক বধ কৰিলে চিৰকাল নৰকত বাস কৰিব। তেওঁৰ ওপৰত আল্লাৰ ক্রোধ আৰু ধিক্কাৰ পৰিব। (এই খিনিত আধুনিক কোৰাণৰ লগত সামান্য পাঠান্তৰ আছে)। ম: ১। সি: ৫। সূ: ৪। আ: ৯০।৯১।৯২॥

সমীক্ষক—কিমানবোৰ পক্ষপাত চ'ক! যি মুছলমান নহয়, তাক য'তে পায় ত'তেই হত্যা কৰিব; কিন্তু কোনো মুছলমানক বধ নকৰিব। ভ্রমবশতঃ কোনো মুছলমানক বধ কৰিলে প্রায়শ্চিত্ত কৰিব লাগিব। কিন্তু ভিন্ন ধর্ম্মাৱলম্বীক বধ কৰিলে স্ৱর্গ লাভ! এনেকুৱা উপদেশ ৰসাতলে য'ক। এনেকুৱা গ্রন্থ, এনেকুৱা পয়গম্বৰ, এনেকুৱা খোদা আৰু এনেকুৱা মতৰ দ্বাৰাই অনিষ্টৰ বাহিৰে কাৰো উপকাৰ হব নোৱাৰে। এইবোৰ

নথকাহে ভাল। এনেকুৱা ভ্রান্তিপূর্ণ মতবাদৰ পৰা দূৰৈত থাকি বেদোক্ত বিষয়বোৰ মানি চলাহে উচিত। কাৰণ, বেদত অসত্যৰ লেশমাত্রও নাই। মুছলমানক বধ কৰিলে নৰকলৈ যাব লাগে; কোনো কোনো মতবাদীয়ে কয় যে মুছলমানক বধ কৰিলে স্ৱর্গলাভ হয়। এতিয়া ভাবি চক! এই দুই ৰকম মতৰ ভিতৰত কোনটো গ্রহণ যোগ্য আৰু কোনটো ত্যাজ্য? এনেকুৱাবোৰ মূর্খৰ কল্পিত মতবাদ পৰিত্যাগ কৰি বেদোক্ত মত গ্রহণ কৰাই সকলোৰেই কর্ত্তব্য। বেদত লিখা আছে যে, আর্য্যপথেদি অর্থাৎ শ্রেষ্ঠ পুৰুষসকলে প্রদর্শিত কৰা পথেদি চলিব আৰু দস্যু অর্থাৎ দুষ্টই চলা পথৰপৰা দূৰৈত থকাই সকলোতকৈ মঙ্গল। ৫৮॥

৫৯। শিক্ষা প্রকট (শিক্ষাৰ প্রচাৰ) হোৱাৰ পাছত যিবোৰে ৰচুলৰ বিৰোধ কৰিছে আৰু মুছলমানৰ বিপক্ষে গৈছে, মই সিহতঁক নৰকত বাস দিম। মঃ ১। সিঃ ২। সূ. ৪। আঃ ১১৩॥

সমীক্ষক—খোদা আৰু ৰচুল কেনেকুৱা পক্ষপাতী চ'ক! মহম্মদ চাহেৰ আদিয়ে ভাবিছিল যে, খোদাৰ নামত সেইদৰে নিলিখিলে, তেওঁলোকৰ "মজহব" সম্প্রদায় প্রচাৰিত নহব, আৰু ধন-সম্পত্তিও সংগ্রহ নহব। সুখ ভোগ কৰাও নচলিব। ইয়াৰ পৰাই বুজিব পাৰি যে, মহম্মদ চাহেৰ স্ৱার্থ সিদ্ধিত আৰু পৰৰ অর্থ ক্ষতি কৰাত নিপুণ আৰু চতুৰ আছিল। গতিকে তেওঁ "আপ্ত" অর্থাৎ ধর্ম্মজ্ঞ নাছিল আৰু তেওঁৰ বাক্যবোৰো আপ্ত আৰু বিদ্বান্‌সকলৰ দ্বাৰাই কেতিয়াও প্রমাণ বুলি গৃহীত হব নোৱাৰে। ৫৯॥

৬০। যি আল্লাহ, স্ৱর্গীয় দূত, কিতাপ, ৰচুল আৰু কয়ামত (প্রলয়) সম্বন্ধে অবিশ্বাসী হয়, সি নিশ্চয় পথভ্রষ্ট। যি-বিলাকে বিশ্বাসী হৈও পুনঃ কাফেৰ হয়, তাৰ পাছত আকৌ বিশ্বাসী হয়, তাৰ পাছতো আকৌ কাফেৰ হয়, আৰু যাৰ অবি-

শ্বাস বাঢ়ে আল্লাই সিহঁতক কেতিয়াও ক্ষমা নকৰে আৰু সৎ পথো প্রদর্শন নকৰে। মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ১৩৪।১৩৫ ॥

সমীক্ষক—এতিয়া ইয়াৰ পাছত খোদা "লাশৰীক" বুলি কব পাৰিনে? "লাশৰীক" বোলাৰ লগতে অনেক "শৰীক" বা অংশীদাৰ স্বীকাৰ কৰা পৰস্পৰ বিৰোধী নহয় নে? তিনি বাৰ ক্ষমা কৰাৰ পাছত খোদাই আৰু ক্ষমা নকৰে নেকি? আৰু তিনিবাৰ অবিশ্বাস কৰাৰ পাছত সৎপথ প্রদর্শন কৰে বা চতুর্থবাৰৰ পাছত সৎপথ নেদেখুৱায় আৰু যদি চৰিবাৰকৈ সকলোৱে অবিশ্বাস বা কুকর্ম্ম কৰে, তেনেহলে অবিশ্বাসৰ বহুত বৃদ্ধি পাব। ৬০ ॥

৬১। আল্লাই নিশ্চয় দুর্ব্বৃত্ত আৰু কাফেৰবোৰক পৰকৎ লগ লগাব। নিশ্চয় দুর্ব্বৃত্তবোৰে আল্লাক প্রতাৰিত কৰে আৰু আল্লায়ো সিহঁতক প্রতাৰিত কৰে। হে বিশ্বাসীসকল! তোমালোকে মুছলমানক এৰি কাফেৰৰ লগত মিত্রতা নকৰিবা।

মঃ ১। সিঃ ৫। সূঃ ৪। আঃ ১৪০।১৪২।১৪৪।।

সমীক্ষক—মুছলমানবোৰ যে স্বর্গলৈ যাব আৰু অমুছলমানবোৰ নৰকলৈ যাব, ইয়াৰ প্রমাণ কি? যি দুর্ব্বৃত্তৰ দ্বাৰাই প্রতাৰিত হয়, আৰু নিজেও আনক প্রতাৰিত কৰে এনেকুৱা খোদা আমাৰ পৰা দূৰৈত থকাই ভাল। তেওঁ প্রতাৰকবোৰৰ লগত সম্বন্ধ হৈ থাকক আৰু প্রতাৰকসকলেও যেন তেওঁৰ সঙ্গ নেৱে। কাৰণ—

যাদৃশী শীতলা দেবী, তাদৃশঃ খৰবাহনঃ ॥

যি যেনেকুৱা, তাৰ লগত তেনেকুৱা লোক সম্বন্ধ হলেই উদ্দেশ্য সিদ্ধি হয়। যি খোদা প্রতাৰক, তেওঁৰ উপাসকসকল প্রতাৰক নহব কিয়? মুছলমান দুষ্ট প্রকৃতিৰ হলেও তেওঁলোকৰ লগত বন্ধুতা কৰা আৰু মুছলমানৰ বাহিৰে অন্য মতাৱলম্বী সৎ প্রকৃতিৰ হলেও তেওঁলোকৰ লগত শত্রুতা কৰা উচিত হব পাৰেনে? ৬১ ॥

৬২। হে মানৱসকল! পয়গম্বৰ নিশ্চয় পৰমেশ্বৰৰ পৰা সত্য লৈ তোমালোকৰ মাজলৈ আহিছে। গতিকে তোমালোকে তেওঁক বিশ্বাস কৰা। আল্লাহ একমাত্র উপাস্য।

মঃ ১। সিঃ ৬। সূঃ ৪। আঃ ১৭০। ১৭১ ॥

সমীক্ষক—পয়গম্বৰক যেতিয়া বিশ্বাস কৰিবলৈ লিখা আছে, বিশ্বাসত পয়গম্বৰ খোদাৰ অংশীদাৰ নহল জানো? আল্লাহ সর্ব্বব্যাপক নহৈ একদেশী হলেহে আল্লাহৰ ওচৰলৈ পয়গম্বৰৰ অহাযোৱা সম্ভৱপৰ হব পাৰে। যি সর্ব্বব্যাপক নহয় সি ঈশ্বৰো হব নোৱাৰে। কোনো কোনো ঠাইত সর্ব্বদেশী আৰু কোনো কোনো ঠাইত একদেশী লিখা আছে। ইয়াৰ দ্বাৰাই প্রতীত হয় যে, কো�ৰাণ কেৱল এজনৰ লিখা নহয়, অনেকৰহে। ৬২ ॥

৬৩। মৰা জীৱ, ৰক্ত, শূকৰৰ মাংস, আল্লাহৰ বাহিৰে আন কাৰোবাৰ নামত অর্পণ কৰা কোনো বস্তু, গলবন্ধনত, লাঠি বা শৃঙ্গৰ আঘাতত মৰা, ওপৰৰ পৰা পতিত অথবা হিংস্র জন্তুৰ দ্বাৰা ভক্ষিত জীৱ তোমালোকৰ কাৰণে 'হাৰাম' (নিষিদ্ধ) কৰা হৈছে। মঃ ১। সিঃ ৬। সূঃ ৫। আঃ ৩ ॥

সমীকক্ষ—কেৱল এইবোৰ বস্তুহে নিষিদ্ধ নেকি? বাকী আন বহু প্রকাৰৰ পশু, তির্য্যক জীৱ আৰু কীট আদি মুছলমানৰ কাৰণে হালাল (বধ্য) নেকি? গতিকে এইবোৰ মানুহৰহে কল্পনা, ঈশ্বৰৰ নির্দ্দেশ নহয় আৰু ইয়াক প্রমাণ বুলি ধৰিব নোৱাৰি। ৬৩ ॥

৬৪। আল্লাহক যথেষ্ট ঋণদান কৰা। তোমালোকৰ ভিতৰত যিবোৰ দোষজনক মই সেইবোৰ দূৰ কৰিম আৰু তোমালোকক বেহেস্তলৈ পঠাম। মঃ ২। সিঃ ৬। সূঃ ৫। আঃ ১২ ॥

সমীক্ষক– বোধহয় মুছলমানব খোদাব ধন সম্পত্তি নাই, নহলে তেওঁ ঋণ লব কি? তোমালোকক "কুকর্ম্মব পবা মুক্ত কবি স্বর্গলৈ পঠাম" বুল তেওঁলোকক বিভ্রান্ত কবিলে কিয়? এইবোধব পবাই বুজা যায় যে মহম্মদ চাহেবে খোদাব নামত স্বার্থ সিদ্ধি কবিছে। ৬৪ ॥

৬৫। আল্লাহই যাক ইচ্ছা কবে ক্ষমা কবে আৰু যাক ইচ্ছা কবে তাক কষ্ট দিয়ে। যি বস্তু আমি কাকো দিয়া নাই তাক তোমালোকক দিছো। মঃ ২। সি ৬। সূঃ ৫। আঃ ১৬।১৮ ॥

সমীক্ষক—মুছলমানব খোদাই চয়তানব দবেই যাকে ইচ্ছা তাকে পাপী কবে; গতিকে তেওঁ পুণ্যব ফলত স্বর্গ আৰু পাপব ফলত নৰকলৈ যায়। যিহেতু তেওঁ পাপ বা পুণ্য কর্ম্ম কবে। জীব পবাধীন, যেনেকৈ সৈনিকে সেনাপতিব অধীনত কাবোবাক বক্ষা আৰু কাবোবাক বধ কবে; কিন্তু তাব সৎ অসৎ কর্ম্মব দায়ী হয় সেনাপতি, সেই দবেই জীৱো স্বকর্ম্মব বাবে দায়ী নহয়, দায়ী হব পবমেশ্বব। ৬৫ ॥

৬৬। আল্লাহব আদেশ মানিবা আৰু বচুলব আদেশ মানিবা। মঃ ২। সিঃ ৭। সূঃ ৫। আঃ ৯২ ॥

সমীক্ষক—এই কথাব পবা বুজা যায় যে খোদা "শবীক "হে গতিকে খোদাক "লাশবীক" বুলি মনাব অর্থ নাই। ৬৬ ॥

৬৭। আগতে যি কবা হ'ল তাব বাবে খোদাই ক্ষমা কবিছে। পুনঃ তেনে কর্ম্ম (কুকর্ম্ম) কবিলে খোদাই তাব প্রতিশোধ লব। মঃ ২। সিঃ ৭। সূঃ ৫। আঃ ৯৫ ॥

সমীক্ষক—পাপ কর্ম্ম কবাতো ক্ষমা কবা মানে আকৌ কবিবলৈ উৎসাহহে দিয়া হয়। যি শস্ত্রত পাপ ক্ষমা কবাব কথা আছে, সেই গ্রন্থ ঈশ্বৰব অথবা কোনো বিদ্বান পুৰুষ বচিত নহয়; ইয়াব দ্বাবাই পাপব বৃদ্ধিহে কবা হয়। ভবিষ্যতে পাপ কর্ম্মব নিবৃত্তি কবিবলৈ কাবোবাব

ওচবত প্রার্থনা আৰু নিজেও পাপব পবা নিবৃত্ত থাকিবলৈ চেষ্টা আৰু পশ্চাত্তাপ কবা অবশ্য কর্ত্তব্য। যদি কেবল পশ্চাত্তাপহে কবে পাপ কর্ম্ম কবিবলৈ নেবে, তেনেহলে একো লাভ নহব ।৬৭ ॥

৬৮। "মোব প্রতিহে আদেশ দিছে, তেওঁব প্রতি আদেশ নাই, ময়ো আল্লাহব দবেই তেনে আদেশত অবতীর্ণ হম" এই ভাবে যদি কোনোবে জেদ দবে তেওঁব সমান আৰু মহাপাপী কোন হব? মঃ ২। সি ৭। সুঃ ৬। আঃ ৯৩।

সমীক্ষক—ইয়াব অভিপ্রায় হব পাবে যে, মহম্মদ চাহেবে "ঈশ্বৰব প্রেবণাত কোবাণব বাক্যবোব লাভ কবিছে" এই বুলি ঘোষণা কবাত আন কোনোবাইও হয়তো তেনেকুবা ঘোষণা কবিব পাবে, অর্থাৎ আনেও খোদাব পয়গম্বব বুলি ঘোষনা কবিব পাবে; তাব প্রতিবোধব কাবণেই সেই উপায় অবলম্বন কবি পাপব দোহাই দিছে। ৬৮ ॥

৬৯। নিশ্চয় মই তোমাক উৎপন্ন আৰু তোমাব আকৃতিব নির্মাণ কবিছো। মই স্বর্গীয় দূতসকলক কৈছিলো "আদামক দণ্ডবৎ হৈ প্রণাম কবা"। তেওঁলোকে সেই মতে দণ্ডবৎ হৈ প্রণাম কবিলে, কিন্তু চয়তানে দণ্ডবৎ হৈ প্রণাম নকবিলে। আল্লাহই কলে,—"মই তোমাক আজ্ঞা দিলো, তাক পালন নকবিবলৈ কোনে আজ্ঞা দিলে?" চয়তানে কলে, "মই তেওঁতকৈ শ্রেষ্ঠ; তুমি মোক অগ্নিবপবা আৰু তেওঁক মাটিবপবা উৎপন্ন কবিছা"। আল্লাহই কলে,—"তুমি এই স্থানব পবা তললৈ যোৱা; তুমি এই স্থানত থাকি অহঙ্কাব কবিবৰ উপযুক্ত নোহোবা"। চয়তানে কলে, "জীৱবোব কববৰ পবা উঠা দিনলৈকে যি মোক অভিশাপ দিছা তাক শিথিল কবা"। আল্লাহই কলে,—"বাক শিথিল কবিছো"। চয়তানে কলে,—"যিহেতু তুমি আমাক পথভ্রষ্ট কবিলা, গতিকে শপথ কবি কৈছো যে সিহঁতব কাবণে যি সৎপথ দিছা, তাত বাধা দিম। তাবপবা সিহঁতক

কৃতজ্ঞ নেদেখিবা"। আল্লাহে কলে, "দুর্দ্দশাগ্রস্ত হৈ ইয়াৰ পৰা বাহিৰ হোৱা, সিহঁতৰ ভিতৰৰ যিবোৰে তোমাৰ কথাত চলিব, সিহঁতকো তোমাৰ লগত নৰকত ৰাখিম"। মঃ ২। সিঃ ৮। সূঃ ৭। আঃ ১১—১৮॥

সমীক্ষক—এতিয়া খোদা আৰু চয়তানৰ কন্দলৰ কথা মনদি শুনক। চাপৰাচীৰ দৰে খোদাৰ এক ফেৰিস্তা আছিল। তেওঁও খোদাৰ ওচৰত হাৰ নেমানিলে আৰু খোদায়ো তাৰ আত্মাক পবিত্ৰ কৰিব নোৱাৰিলে। পাছত যি পাপী হৈ বিদ্রোহ কৰিলে, তেনে বিদ্রোহীকো এৰি দিলে। তাৰ পাছত আনক অসৎ পথত পৰিচালিত কৰাই তেওঁৰ কাম হল। ইয়াত খোদাই ভয়ানক ভুল কৰিছে। কাৰণ চয়তানে সকলোকে কুপথত পৰিচালিত কৰে আৰু খোদায়ো চয়তানক পথভ্রষ্ট কৰে, গতিকে খোদা চয়তানৰো চয়তান। চয়তানে খোদাক মুখামুখিকৈ কলে,—"তুমি মোক পথভ্রষ্ট কৰিছা"। গতিকে খোদাৰ পবিত্রতাও দেখা নগল; কেৱল দেখা গল যে তেওঁৰেই সকলো কুকৰ্ম্মৰ নেতা আৰু ঘাই কাৰণ। এনেকুৱা খোদা কেৱল মুছলমানসকলৰহে হোৱা সম্ভৱ; শ্রেষ্ঠ বিদ্বানসকলৰ কাৰণে সম্ভৱ নহয়। আৰু খোদাই যেতিয়া মানুহৰ দৰে ফেৰিস্তা সকলৰ লগত কথা বতৰা পাতিলে, তেতিয়া তেওঁ দেহধাৰী, অল্পজ্ঞ আৰু অন্যায়কাৰী হল বুলি কব লাগিব। এনেবোৰ কাৰণত জ্ঞানীসকলে মুছলমানৰ মত সমর্থন কৰিব নোৱাৰে। ৬৯॥

৭০। নিশ্চয় আল্লাহ তোমালোকৰ প্রভু। তেওঁ আকাশ আৰু পৃথিবী ছয় দিনত উৎপন্ন কৰি ঊৰ্দ্ধ লোকত সিংহাসনত অবস্থান কৰিছে। দীনতাৰে তেমালোকৰ প্রভুক মাতা।

ম: ২। সিঃ ৮। সূঃ ৭। আঃ ৫৪-৫৫॥

সমীক্ষক—যি ঈশ্বৰে ছয় দিনত জগৎ সৃষ্টি কৰে আৰু "অৰ্শ" অর্থাৎ ঊৰ্দ্ধলোকত জ্যোতির্ম্ময় সিংহাসনত বিশ্রাম কৰে, তেওঁ কেতিয়াও

সর্ব্বশক্তিমান আৰু সর্বব্যাপক হব নোৱাৰে। মুছলমানৰ খোদাই কাণেৰে কম শুনে নেকি? চিঞঁৰি চিঞঁৰি মাতিলেহে যে শুনে। গতিকে এইবোৰ ঈশ্বৰৰ বাক্য নহয় আৰু কোৰাণো ঈশ্বৰৰ ৰচিত নহয়। খোদাই ছয় দিনত জগৎ ৰচনা কৰি সপ্তম দিনত সিংহাসনত বিশ্রাম কৰিছে যদি, তেওঁ ক্লেনে-হলে অতি ক্লান্ত হৈ পৰিছিল। তেওঁ এতিয়াও শুই আছে নে সাৰ পাই আছে? জাগ্রত হৈ আছে যদি, কি কামত ব্যস্ত হৈ আছে, নে নিষ্কর্ম্মা হৈ ইফালে সিফালে ঘুৰি পকি আমোদ-প্রমোদত আছে? ৭০॥

৭১। পৃথিবীৰ কাৰো লগত হাই কন্দল নকৰিবা।

ম: ২। সিঃ ৮। সূঃ ৭। আঃ ৭৪॥

সমীক্ষক—এইয়া ৰব ভাল কথা, কিন্তু আন ঠাইত "জিহাদ" (ধর্ম্মৰ কাৰণে যুদ্ধ) আৰু "কাফেৰক হত্যা"ৰ কথাও লিখা আছে। এতিয়া ভাবি চ'ক এইবোৰ পৰস্পৰ বিৰোধী হয় নে নহয়? গতিকে বুজিব পাৰি যে মহম্মদ চাহেবে দুর্ব্বল অৱস্থাত প্রথমোক্ত আৰু শক্তি-শালী অৱস্থাত শেষোক্ত পথ অৱলম্বন কৰিছিল। দুয়োটা পৰস্পৰ বিৰোধী শিক্ষা হ'ল যেতিয়া, দুয়োটাই মিছা। ৭১॥

৭২। তাৰ পাছত তেওঁ এবাৰ যষ্টি (লাখুটি) পেলাই দিলে, সেয়েই প্রত্যক্ষ অজগৰ হল। ম: ২। সিঃ ৯ সূঃ ৭। আঃ ১০॥

সমীক্ষক—এনেবোৰ লিখিত বৃত্তান্তৰ পৰা জনা যায় যে খোদা আৰু মহম্মদ চাহেবে এনেবোৰ মিছা কথাত বিশ্বাস কৰিছিল। আৰু সেয়ে নহলে তেওঁলোক দুয়ো বিদ্বান নাছিল। চকুৰে দেখা আৰু কাণেৰে শুনা নীতিৰ কোনেও পৰিবর্ত্তন কৰিব নোৱাৰে। গতিকে এইবোৰ ভোজ-বাজীৰহে কথা। ৭২॥

৭৩। তাৰ পাছত মই সিহঁতৰ (মিছৰীয়) বিৰুদ্ধে প্লাবন পোক-পতঙ্গ, মৎকুন (জোক), ভেকুলী আৰু ৰক্ত প্রেৰণ কৰি

সিহঁতৰ বিৰুদ্ধে প্রতিশোধ ললো (যিহেতু মিছৰীয়বোৰে মোছেজক বিশ্বাস নকৰিলে)। সিহঁতক নদীত ডুবাই দিলো, ইজৰায়েলৰ সন্তানবোৰ নদীৰ পাৰ কৰি দিলো। নিশ্চয় সিহঁত যি মতত আছে সেই মত আৰু তেওঁলোকৰ কৰ্ম্ম মিছা।

ম: ২। সিঃ ৯। সূঃ ৭। আঃ ১৩৩। ১৩৬। ১৩৮। ১৩৯॥

সমীক্ষক—এতিয়া চ'ক! যেনেবৈ কোনো মহা অত্যাচাৰীয়ে কাৰোবাক ভাবুকি দি কয় যে, মই তোক মাৰিবলৈ সাপ পঠাম, এই-বোৰো তেনেকুৱাই কথা। যদি এনেকুৱাই পক্ষপাতী যে এটা জাতিক ডুবাই মাৰে আৰু আন এটাক পাৰ কৰে তেনেহলে তেওঁ অধৰ্ম্মী খোদা নহব কিয়? যি মতে সহস্ৰ কোটি লোকৰ ধৰ্ম্ম বিশ্বাসক মিছা আৰু নিজক সত্য বুলি ঘোষণা কৰে, তেনে মতৰ দৰে মিছা আন কোন মত হব পাৰে? কোনো মতাৱলম্বীসকলৰ ভিতৰত সকলোৱেই ভাল বা সকলোৱেই বেয়া হব নোৱাৰে। এইদৰে এক পক্ষৰ ডিক্ৰী দিয়া একেবাৰেই মূৰ্খবৎ কাৰ্য্য। তেওঁলোকৰ প্ৰাচীন বাইবেলৰ মত মিছা নেকি? অথবা তাত আন কোনো মতক মিছা বুলিছে? যদি আন কোনো মতক মিছা বুলিছে সেইটো কোনটো? আৰু কোৱাণত সেইটো কি নামত উল্লেখ কৰিছে? ৭২॥

ঈশ্বৰ দৰ্শন

৭৪। তুমি (Moses) মোক দেখিব পাৰিবা। তেওঁৰ প্ৰভুৱে যেতিয়া পৰ্ব্বতৰ ওপৰত প্ৰকাশ আৰু পৰ্ব্বত চূৰ্ণ-বিচূৰ্ণ কৰিলে, তেতিয়া মুছা অচেতন হৈ পৰিল। ম: ২। সিঃ ৯। সূঃ ৭। আঃ ১৪৩॥

সমীক্ষক—যি দৃষ্ট, সি ব্যাপক হব নোৱাৰে। খোদাই যদি আগেয়ে তেনেকুৱা অলৌকিক কৰ্ম্ম কৰিছিল, তেনেহলে এতিয়াও তেনে অলৌকিক কাৰ্য্য নেদেখুৱায় কিয়? এনে কাৰ্য্য সৰ্ব্বভাবে বিৰুদ্ধ, গতিকে বিশ্বাসৰ যোগ্য নহয়। ৭৪॥

৭৫। পূৰা আৰু গধূলি ভয় আৰু দীনতাৰে অনুচ্চৈঃ স্বৰত নিজৰ প্ৰভুক স্মৰণ কৰা। ম: ২। সিঃ ৯। সূঃ ৭। আঃ ২০৫॥

সমীক্ষক—কোৰাণৰ কোনো কোনো ঠাইত নিজ প্ৰভুক উচ্চৈঃস্বৰে প্ৰাৰ্থনা কৰাৰ আৰু কোনো কোনো স্থানত অনুচ্চৈঃস্বৰে স্মৰণ কৰাৰ কথা লিখা আছে, তেনেহলে কোনটো সঁচা আৰু কোনটো মিছা? বাক্যৰ পৰস্পৰ বিৰুদ্ধ হলে উন্মাদৰ প্ৰলাপৰ দৰে প্ৰতীত হয়। অৱশ্যে ভুলত কোনো বিৰুদ্ধ কথা কোৱাৰ পাছত সেই ভুল স্বীকাৰ কৰিলে দোষ হৰ নোৱাৰে। ৭৫॥

৭৬। তোমাক প্ৰশ্ন কৰিলে লুণ্ঠিত দ্ৰব্য আল্লাহ আৰু ৰছুলৰ কাৰণে বুলি কবা, আৰু কবা আল্লাহক ভয় কৰিবলৈ।

ম: ২। সিঃ ৯। সূঃ ৮। আঃ ১॥

সমীক্ষক—অতি আচৰিত এয়ে যে, যি লুটপাত কৰে বা কৰায় তেওঁলোকক খোদা, পয়গম্বৰ আৰু (ঈশ্বৰ) বিশ্বাসী বুলি গণ্য কৰা। আকৌ আল্লাহক ভয় কৰাৰ লগতেই ডকাইতি আদি কুকৰ্ম্মও কৰা হব, অথচ "আমাৰ মতেই শ্ৰেষ্ঠ" বুলি কোৱাত সংকোচো নহ'ল। গতিকে মিছা দুৰাগ্ৰহ এৰি সত্য বৈদিক মত গ্ৰহণ নকৰাহে নিন্দণীয়। ৭৬॥

৭৭। কাফেৰবোৰৰ মূল উচ্ছেদ কৰিবা। মই তোমালোকৰ সাহায্যৰ কাৰণে সহস্ৰ ফেৰিস্তা অনুচৰ আৰু কাফেৰবোৰৰ অন্তৰত ভয় সঞ্চাৰ কৰিম। সিহঁতৰ গলদেশ আৰু প্ৰত্যেক পোৰী অৰ্থাৎ যোৰা চিণ্ডি দিবা। ম: ২। সিঃ ৯। সূঃ ৮। আঃ ৭-৯॥

সমীক্ষক—এতিয়া চ'ক! মুছলমানৰ মতে অবিশ্বাসীবোৰক নিৰ্ম্মূল কৰিব লাগে। কেনেকুৱা নিৰ্দ্দয়। খোদাই কাফেৰবোৰৰ মূলোচ্ছেদ, গলধন ছেদন, হস্ত পদৰ যোৰা ছেদন কৰিবলৈ আদেশ আৰু সাহায্য কৰিব। এনেকুৱা খোদা লঙ্কেশ্বৰ ৰাৱণতকৈ কোন গুণে কম? অৱশ্যে

এইবোৰ কুচক্রান্ত খোদাৰ হব নোৱাৰে, কোৱাণ বচয়িতাবহে। খোদাবেই যদি হয় তেনেহলে এনেকুৱা খোদাৰ পৰা আমি দূৰৈত থাকাই ভাল। ৭৭ ॥

৭৮। আল্লাহ মুছলমানৰ পক্ষে আছে। হে বিশ্বাসী মনুষ্যসকল! তোমালোকে আল্লাহ আৰু বচূলৰ আহ্বান মানি চলিবা। আল্লাহৰ, বচূলৰ আৰু নিজৰ সঞ্চিত হৰণ নকৰিবা। আল্লাহই (মকৰ) কপট-চক্রান্ত কৰিছে আৰু আল্লাহে তেনে চক্রান্ত কৰাত বৰ চতুৰ।

মঃ ২. সিঃ ৯। সূঃ ৮। আঃ ১৯। ২৪। ২৭। ৩০ ॥

সমীক্ষক—সমস্ত জগতৰ ঈশ্বৰ হৈও আল্লাহ কেৱল মুছলমান-সকলৰহে পক্ষপাতী নেকি? তেনেহলে তেওঁ অধাৰ্ম্মিক। উচ্চৈঃস্বৰে নামা-তিলে যে শুনে তেওঁ কাণেৰে কম শুনে নেকি? বচূলক খোদাৰ অংশীদাৰ কৰা অন্যায় হোৱা নাই জানো? আল্লাহৰ ধনৰ ভৰাল আছে নেকি যে চুৰি কৰিবলৈ বাৰণ কৰিছে? বচূলৰ ধন সম্পত্তি আৰু নিজৰ সঞ্চিত ধন সম্পত্তিৰ বাহিৰে আনৰ ধন সম্পত্তি চুৰি কৰিব লাগে নেকি? কেৱল অবিদ্বান আৰু অধাৰ্ম্মিক মানুহেহে এনেকুৱা উপদেশ দিব পাৰে। বাৰু, যি খোদা নিজেই প্রতাৰক আৰু প্রতাৰকৰোৰৰ সহযোগী তেওঁক ভণ্ড আৰু অধাৰ্ম্মিক বুলিব পাৰি নে নোৱাৰি? গতিকে কোৱাণ খোদাৰ ৰচিত নহয় আন কোনো ভণ্ড আৰু অধাৰ্ম্মিকৰ দ্বাৰাহে ৰচিত।৭৮॥

৭৯। যেতিয়ালৈকে কাফেৰ ফিত্‌না অর্থাৎ দুর্ব্বল থাকে, আৰু আল্লাহৰ দীন অর্থাৎ ধর্ম্ম প্রতিষ্ঠিত নহয় তেতিয়ালৈকে সিহঁতৰ বিৰুদ্ধে যুঁজি থাকিবা। নিশ্চয় মনত ৰাখিবা যে, তোমা-লোকে লুট কৰা ধন সম্পতিৰ এক পঞ্চমাংশ আল্লাহ আৰু ৰচুলৰ।

মঃ ২। সিঃ ৯। সূঃ ৮। আঃ ৩৯-৪১ ॥

সমীক্ষক—কেৱল মুছলমানৰ খোদাৰ বাহিৰে আন কোনে এনেকুৱা অন্যায় যুদ্ধ কৰি বা কৰাই শান্তি ভঙ্গ কৰিব? এতিয়া চ'ক এই মজহৰ

কেনেকুৱা! লুটপাত কৰি তাৰ এক পঞ্চমাংশ আল্লাহ আৰু ৰচূলক দিব লাগে। এইবোৰ লুণ্ঠনকাৰীৰ কাম নহয় নে? লুণ্ঠিত ধন-সম্পত্তিৰ অংশীদাৰ হলে খোদাও দস্যুবৃত্তিৰ অপৰাধত অপৰাধী হয়। এনেকুৱা লুণ্ঠনকাৰীৰ প্রতি পক্ষপাত কৰিলে ঈশ্বৰৰ ঈশ্বৰত্বও হীন হ'ব। মানৱ জগতত অশান্তি উপদ্রৱ বিস্তাৰ কৰিবৰ কাৰণে এনেকুৱা গ্রন্থ (শাস্ত্র) এনেকুৱা খোদা, আৰু এনেকুৱাই পয়গম্বৰ যে ক'ৰ পৰা আহিল সেইটোহে অতি আশ্চর্য্যৰ কথা। এনেকুৱা মত প্রচাৰ নোহোৱা হলে জগতবাসী অনেক শান্তিত থাকিব পাৰিলেহেঁতেন।৭৯।

৮০। তোমালোকে কেতিয়াবা দেখা হলে জানিব পাৰিলা-হেঁতেন যে, ফেৰিস্তাসকলে কেনেকৈ কাফেৰবোৰৰ ধৰি মুখত আৰু পিঠিত মাৰে আৰু প্রজ্বলিত অগ্নিৰ দহন সহ্য কৰিবলৈ দিয়ে। সিহঁতৰ পাপৰ কাৰণেই মই সিহঁতক বিনাশ কৰিছো আৰু মই ফিৰাওন জাতিক ডুবাই দিছো। তোমালোকে সিহঁতৰ কাৰণে যি কৰিব পাৰা, তাৰ কাৰণে সাজু হোৱা।

মঃ ২। সিঃ । সূঃ ৮। আঃ ৫০। ৫৪। ৬০ ॥

সমীক্ষক—তেতিয়া সেই ফেৰিস্তাবোৰ কত শুই আছিল? যেতিয়া কচিয়াই ৰোম আৰু ইংলাণ্ডে মিচৰৰ দুর্দ্দশা কৰিছিল? আগতে খোদাই তেওঁৰ সেৱক ভক্তসকলৰ শত্রুবোৰক ডুবাই দিছিল, এই কথা যদি সত্য হয়, তেনেহলে এতিয়াও তেনেকৈ নকৰে কিয়? আজি-কালিদেখো তেনে নহয়। গতিকে এইবোৰ কথা বিশ্বাস কৰিব নোৱাৰি। "বিশ্বাসীসকলে অবিশ্বাসীসকলক যিমান পাৰে অত্যাচাৰ কৰিব" এইটো কেনে জঘন্য আদেশ ভাবি চ'ক! কোনো বিদ্বান, ধাৰ্ম্মিক আৰু দয়ালু ব্যক্তিয়েই এনেকুৱা আদেশ দিব নোৱাৰে; তথাপি লিখা হৈছে যে, খোদা দয়ালু আৰু ন্যায়কাৰী। ইয়াৰ পৰা জানিব পাৰি যে, ন্যায়, দয়া আদি সদগুণবোৰ মুছলমানৰ খোদাৰ পৰা বহুত দূৰৈত থাকে। ৮০ ॥

৮১। হে নবী! আল্লাহৰ সহায় আৰু মুছলমানসকলৰ ভিতৰত যি সকল তোমাৰ ফলীয়া তেওঁলোকৰ সহায়েই তোমাৰ বাবে যথেষ্ট। হে নবী! মুছলমানসকলক যুদ্ধৰ কাৰণে উত্তেজিত কৰা। অটল অধ্যৱসায়সম্পন্ন তোমালোকৰ বিশ জনেই সিহঁতৰ ২০০ জনক পৰাজিত কৰিব পাৰিব। গতিকে লুটৰ বস্তু ভোগ কৰা; সেয়া হালাল অর্থাৎ বধ্য আৰু পবিত্র। আল্লাহক ভয় কৰিবা; তেওঁ ক্ষমাকাৰী আৰু দয়ালু।

মঃ ২। সিঃ ১০। সূঃ ৪। আঃ ৬৪। ৬৫। ৬৯॥

সমীক্ষক—এইটো ন্যায়, বিবেচনা আৰু ধর্ম্মৰ কথা হব পাৰেনে যে, কোনো নিজৰ ফলীয়া মানুহে অন্যায় কৰিলেও তাৰেই উন্নতি কৰিব? প্রজাৰ শান্তি ভঙ্গ কৰি যুদ্ধ-বিগ্রহ কৰি, লুটপাত কৰি লোৱা বস্তুক হালাল বুলি লিখাটো দয়ালু ক্ষমাবান বোলা খোদাৰহে নেলাগে কোনো ভাল মানুহৰ হব নোৱাৰে। গতিকে এনেবোৰ কথা য'ত আছে, সেই কোৰাণ ঈশ্বৰৰ বাক্য হব নোৱাৰে। ৮১॥

৮২। তেওঁলোকৰ মাজত চিৰকাল থাকিব। আল্লাহৰ ওচৰত পুণ্যৰ মহান পুৰস্কাৰ আছে। হে বিশ্বাসীসকল! তোমালোকৰ পিতা-ভ্রাতাসকলেও কাফেৰৰ লগত মিত্রতা কৰিলে, তেওঁলোককো মিত্র বুলি নল'বা। আল্লাহেই তেওঁৰ বচূল আৰু মুছলমানসকলৰ প্রতি সান্ত্বনা প্রেৰণ কৰিছে। পৰমেশ্বৰে যি সৈন্য প্রেৰণ কৰিছে তাক তোমালোকে দেখা নাই। তেওঁ অবিশ্বাসীবোৰক যন্ত্রনা দিছে। সেয়েই কাফেৰৰ প্রতি দণ্ড। আল্লাহৰ যাৰ প্রতি ইচ্ছা, তাৰ প্রতি বাৰে বাৰে তেনেকুৱাই কৰিব। অবিশ্বাসীবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা।

মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ২২-২৩ ২৬-২৭-২৯॥

সমীক্ষক—বেহেস্তবাসীৰ লগতেই যদি আল্লাহ সদায় থাকে, তেনেহলে সর্ব্বব্যাপক কেনেকৈ হব? সর্ব্বব্যাপক নহলে আল্লাহ সৃষ্টি কর্ত্তা আৰু বিচাৰপতি কেনেকৈ হব? কাকো পিতা, মাতা, ভ্রাতা আৰু বন্ধুৰ পৰা বিচ্ছেদ কৰা অন্যায়। তেওঁলোকৰ অৰশ্যে অন্যায় উপদেশ শুনা অনুচিত, কিন্তু সদায় তেওঁলোকক সহায় শুশ্রূষা কৰা উচিত। "খোদা পূর্ব্বে মুছলমানসকলৰ প্রতি সদয় আৰু তেওঁলোকৰ সহায়তাৰ কাৰণে সৈন্য পঠাইছিল"। এই কথা যদি সঁচাই হয়, তেনেহলে এতিয়ানো তেনে নকৰে কিয়? আৰু "খোদাই আগতে কাফেৰবোৰক দণ্ড দিছিল, বাৰে বাৰে আক্রমণ কৰিছিল", এই কথাও যদি সত্য হয়, তেনেহলে এতিয়ানো সেই দৰে নকৰে কিয়? খোদাই যুদ্ধ নকৰাকৈ ধর্ম্ম প্রতিষ্ঠা কৰিব নোৱাৰে নেকি? তেনেকুৱা খোদাক তিলাঞ্জলি দিয়াই ভাল। খোদা কোনো খেলুৰৈ নেকি? ৮২॥

৮৩। আল্লাহ নিজেই বা আমাৰ দ্বাৰাই তোমালোকক কি দণ্ড দিয়ে, তাকেহে চাবৰ কাৰণে আমি বাট চাই আছো।

মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৫২॥

সমীক্ষক—মুছলমানবোৰ ঈশ্বৰৰ পুলচ নেকি? যে তেওঁ স্বয়ং অথবা তেওঁলোকৰ দ্বাৰাই ভিন্ন মতাৱলম্বীবোৰক ধৰিব? তেওঁলোকৰ বাহিৰে যিবোৰ কোটি কোটি মানুহ আছে, সেইবোৰ ঈশ্বৰৰ অপ্রিয় নেকি? আৰু মুছলমানবোৰৰ ভিতৰত যিবোৰ পাপী আছে সেইবোৰো ঈশ্বৰৰ প্রিয় নেকি? সেয়ে যদি হয়, তেনেহলে অজ্ঞানৰ ৰাজ্যত স্বেচ্ছাচাৰী নির্বোধ ৰজাৰ ৰাজত্বৰ দৰে হব। বিবেচনাশীল মুছলমান সকলেও যে, এই ভিত্তিহীন আৰু যুক্তিবিহীন মত বিশ্বাস কৰে এইটোহে আটাইতকৈ আশ্চর্য্যৰ কথা। ৮৩॥

৮৪। আল্লাহে বিশ্বাসী নৰ-নাৰীবোৰক স্বর্গভোগৰ প্রতিশ্রুতি দিছে। তাৰ তল ভাগেদি নদী প্রবাহিত হৈ আছে। স্বর্গৰ

সেই পবিত্র উদ্যানৰ ভিতৰত তেওঁলোকে চিৰদিন বাস কৰিব। কিন্তু আল্লাহৰ শুভ ইচ্ছাৰ ওপৰতহে সিহঁতৰ সর্ব্বশ্রেষ্ঠ সফলতা নির্ভৰ কৰে। যি তেওঁক উপহাস কৰে, তেওঁও সিহঁতক ঠাট্টা বিদ্রূপ কৰিব।

মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৭২। ৭৯ ॥

সমীক্ষক—এইবোৰ কেৱল স্বার্থসিদ্ধিৰ কাৰণে খোদাৰ নামত নৰ-নাৰীবোৰক প্রলোভিত কৰাৰ বাহিৰে আন একোৱেই নহয়। এনেকৈ প্রলোভন নেদেখুৱালে কোনোৱেই মহম্মদ চাহেবৰ পাপত আবদ্ধ নহলহেঁতেন। অন্যান্য মতবাদীসকলেও এনেকুৱাকেই কৰে। মানুহে পৰস্পৰৰ ভিতৰত ঠাট্টা মস্কৰা কৰেই, কিন্তু ঈশ্বৰে কাৰো লগত ঠাট্টা কৰা অনুচিত। এই কোৰাণ যেন কিবা এটা ডাঙৰ খেলাহে। ৮৪ ॥

৮৫। কিন্তু ৰচূল আৰু যিবোৰ ধর্ম্মবিশ্বাসীয়ে তেওঁলোকৰ ধন প্রাণ দি জেহাদ কৰে; তেওঁলোকৰো কল্যাণ হব। আল্লাহে সিহঁতৰ হৃদয়ত শীল মোহৰেৰে অবৰুদ্ধ কৰি নিজে অন্তৰত বহি আছে সিহঁতে সেই কথা নাজানে। মঃ ২। সিঃ ১০। সূঃ ৯। আঃ ৮৮-৯৩॥

সমীক্ষক—যি মহম্মদ চাহেবৰ কথাত বিশ্বাস কৰে তেওঁলোকেই ভাল আৰু যি নকৰে তেওঁলোক বেয়া, এইবোৰ স্বার্থপৰতাৰ কথা হয়নে নহয়? এনেবোৰ কথা পক্ষপাত আৰু অজ্ঞতা জড়িত নহয় নে? খোদাই সিহঁতৰ হৃদয়ত শীলমোহৰ মাৰি নিজে বহি থাকিলে সিহঁতৰ পাপৰ বাবে সিহঁত অপৰাধী নহৈ খোদাহে হব. কাৰণ সিহঁতৰ হৃদয়ত শীলমোহৰ মাৰি সিহঁতৰ সৎকর্ম্ম কৰাত বাধা দিছে। গতিকে ভয়ঙ্কৰ অন্যায় হৈছে। ৮৫ ॥

৮৬। সিহঁতৰ ধন সম্পত্তিৰ দান লৈ সিহঁতৰ অন্তৰ আৰু বাহিৰ পবিত্র কৰা। আল্লাহে বেহেস্তৰ বিনিময়ত মুছলমানৰ জীৱন আৰু ধন সম্পত্তি লৈছে। তেওঁলোকে ঈশ্বৰৰ পথত স্থিৰ হৈ যুদ্ধত আনক মাৰিব আৰু নিজেও মৰিব লাগিব।

মঃ ২। সিঃ ১১। সূঃ ৯। আঃ ১১৩। ১১১ ॥

সমীক্ষক—বেচ! মহম্মদ চাহেব, গোকুলীয়া গোঁসাইবোৰৰ দৰেই আপুনিও কৰিলে। মানুহৰ ধন-সম্পত্তি লৈ পবিত্র কৰিব পৰা সেই গোঁসাই-বোৰৰহে কাম! খোদায়ো তেনেহলে ভাল বেপাৰ কৰিছে! তেওঁ মুছলমানৰ হতুৱাই দৰিদ্রবোৰক মৰাটোকেই লাভজনক বুলি ধৰিছে। তেওঁ অসহায়বোৰক হত্যা কৰাই নির্দ্দয়বোৰক স্বর্গসুখ দান কৰিছে। ইয়াৰ দ্বাৰাই মুছলমানৰ খোদা নির্দ্দয়, অন্যায়কাৰী আৰু জ্ঞানী ধার্ম্মিকসকলৰ মনত ঘৃণাৰ পাত্র হৈছে। ৮৬ ॥

৮৭। হে বিশ্বাসী মুছলমানসকল। তোমালোকে তোমা-লোকৰ প্রতিবেশী কাফেৰবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা; তোমালোকৰ ভিতৰত যে দৃঢ়তা আছে তাক যেন সিহঁতে বুজিব পাৰে। প্রতি বছৰে দুই এবাৰকৈ সিহঁত যে বিপদগ্রস্ত হয়, তাকো সিহঁতে বুজিব নোৱাৰে। তথাপি সিহঁতে "তোবা" অর্থাৎ অনুতাপ আৰু শিক্ষা গ্রহণ নকৰে।

মঃ ২। সিঃ ১১। সূঃ ৯। আঃ ১২৩। ১২৬ ॥

সমীক্ষক—এইবোৰো বিশ্বাসঘাতকতাৰ কথাহে। খোদাই মুছল-মান সকলক শিক্ষা দিছে যে, প্রতিবেশীয়েই হওক বা কাৰোবাৰ ভৃত্যই হওক যেতিয়াই সুযোগ পায় তেতিয়াই সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিব বা যি কোনো প্রকাৰে আঘাত কৰিব। কোৰাণত লিখিত এনেবোৰ বাণীত বিশ্বাস কৰি মুছলমানসকলে সেই মতে অনেক কাম কৰিছে। এনেকুৱা যিবোৰ দোষনীয় কথা কোৰাণত লিখিত আছে, সেইবোৰ তেওঁলোকে বিবে-চনা কৰি পৰিত্যাগ কৰিলে জগতৰ কল্যাণ সাধনত সহায় হব পাৰে। ৮৭ ॥

৮৮। নিশ্চয় আল্লাহ তোমালোকৰ পালনকৰ্ত্তা। তেও ছয় দিনত আকাশ আৰু পৃথিবী সৃষ্টি কৰি সিংহাসনত বহিলৈ সকলো কামৰ তত্ত্বাৱধান কৰিব লাগিছে।

মঃ ৩। সিঃ ১১।সুঃ ১০। আঃ ৩ ॥

সমীক্ষক—আচমান আৰু আৱাশ একেই বস্তু আৰু ই সৃষ্টি হোৱা নাই; অনাদি। কিন্তু কো�ৰাণত সৃষ্ট হৈছে বুলি লিখা হৈছে। ইয়াৰ পৰা কোৰাণ ৰচয়িতাৰ যে পদার্থ বিদ্যাৰ জ্ঞান নাই, সেয়েই প্রমাণ হৈছে। সৃষ্টি কৰোতে পৰমেশ্বৰৰ ছয় দিন লাগে নে? কোৰাণত লিখা আছে "সৃষ্টি হ" এই বুলি খোদাই আদেশ দিয়াতেই সৃষ্টি হৈ গল গতিকে ছয় দিনত সৃষ্টি হৈছে বুলি কলে মিছা প্রমাণ হয়। খোদা যদি সর্ব্ব-ব্যপক হয়, তেনেহলে আকাশৰ সিংহাসনত কিয় বহি থাকিব? কামত তত্ত্বাবধান কৰিলে খোদা মানুহৰ দৰে হয়। যি সর্ব্বব্যপক তেওঁ কোনো স্থান বিশেষত থাকি কামৰ তত্ত্বাবধান কৰে নেকি? ইয়াৰ পৰা প্রতীত হয় যে, যাৰ ঈশ্বৰৰ জ্ঞান নাই, তেনে মানুহেহে এনে গ্রন্থ ৰচনা কৰিছে। ৮৮।

৮৯। দয়া আৰু উপদেশ মুছলমানৰ কাৰণেহে।

মঃ ৩। সি. ১১। সুঃ ১১। আঃ ৫৭ ॥

সমীক্ষক—খোদা কেৱল মুছলমানৰ কাৰণেহে নেকি? খোদা আনৰ নহয় নেকি? তেওঁ কেৱল মুছলমানৰহে পক্ষপাতী নেকি? মুছল-মানক দয়া কৰে আনক দয়া নকৰে? বিশ্বাসী বুলিলে যদি কেৱল মুছলমানকেই বুজায়; তেনেহলে মুছলমানৰ কাৰণে উপদেশৰ কোনো প্রয়োজনেই নাই। খোদাই মুছলমানৰ বাহিৰে আন কাকো উপদেশ নিদিয়ে, তেনেহলে তেওঁৰ জ্ঞানেই বৃথা ৮৯ ॥

৯০। তোমালোকৰ ভিতৰত কর্ম্মদক্ষ কোন আল্লাহই

তাৰ পৰীক্ষা কৰিব পাৰে। জানিব খোজা যদি—মৃত্যুৰ পাছত তোমাক উঠোৱা হব।

মঃ ৩। সি ১১। সুঃ ১১। আঃ ৭ ॥

সমীক্ষক—খাদায়ো যদি কর্ম্মৰ পৰীক্ষা কৰে তেন্তে তেওঁ সর্ব্বজ্ঞ হব নোৱাৰে। মৃত্যুৰ পাছত যদি আকৌ উত্থাপিত কৰা হয় তেনেহলে বিচাৰ পুনৰ বিবেচনাধীন কৰা হয় আৰু মৃত্যুৰ পাছত পুনর্জীৱিত নোহোৱাৰ নিয়ম ভঙ্গ কৰা হয়। এনেহলে ঈশ্বৰৰ ঈশ্বৰত্ব লাঘব কৰা হয়। ৯০ ॥

৯১। কোৱা হল—"হে পৃথিবী! তোমাৰ জল উদবস্থ কৰা, হে আকাশ, জলবর্ষণ স্থগিত কৰা"; তেতিয়া জল শুকাই গ'ল। হে স্বজাতীয় সকল এই উটনীয়েই তোমালোকৰ কাৰণে আল্লাহৰ নিচান। গতিকে এইক খোদাৰ পৃথিবীত ৰৰাৰে খোদাৰ কাৰণে বিচৰণ কৰিবলৈ দিয়া।

মঃ ৩। সিঃ ১০। সুঃ ১১। আঃ ৪৪।৬৪ ॥

সমীক্ষক—লৰাৰ কথাৰ দৰে। পৃথিবী আৰু আকাশেও কথা শুনিব পাৰেনে? আৰু খোদাৰ বোলে উটনী আছে। তেনেহলে উটো আছে আৰু হাতী, ঘোৰা, গাধ আদিও আছে। খোদাৰ উটনীৰ ৰাবাই পথাৰৰ শস্য খুওৱাটো ভাল কথা নহয়। খোদাৰ উটনীৰ প্রয়োজন কি, বাহন নোৱাক! তেওঁৰ নবাবৰ খিতাপত থাকে নেকি? ৯১ ॥

৯২। যিমান দিন আকাশ আৰু পৃথিবী থাকিব সিমান দিন সিহঁত তাৰ মাজত সদায় থাকিব। যিবোৰ ভাগ্যবান, তেওঁ-লোক যিমান দিন আকাশ আৰু পৃথিবী থাকিব সিমান দিন বেহেস্তত থাকিব।

মঃ ৩। সিঃ ১২। সুঃ ১১। আঃ ১০৮।১০৯ ॥

সমীক্ষক—কয়ামতব পাছত যদি কোনো স্বর্গলৈ যায় আৰু কোনো নৰকলৈ যায় তেনেহলে আকাশ আৰু পৃথিবী কাৰ কাৰণে থাকিব? আৰু যিমান দিন আকাশ আৰু পৃথিবী থাকে, সিমান দিন স্বর্গত বা নৰকত থকিব লগা হয়, তেনেহলেও চিৰকাল স্বর্গত বা নৰকত থকাৰ কথা মিছা। কেৱল অজ্ঞ মানুহেহে এনেবোৰ কথা কব পাৰে; ঈশ্বৰ অথবা কোনো বিদ্বান মানুহৰ পক্ষে সম্ভৱ নহয়। ৯২॥

৯৩। যেতিয়া ইউচুফে পিতাকক কলে—"পিতা! মই এটা সপোন দেখিছো।" মঃ ৩। সিঃ ১২। সূঃ ১২। আঃ ৪-১০১

সমীক্ষক—এই প্ৰকৰণটো পিতা-পুত্ৰৰ সম্বন্ধৰ আখ্যান, গতিকে কোৰাণ ঈশ্বৰৰ ৰচিত নহয়, মানুহৰ লিখা ইতিহাসহে ৯৩॥

৯৪। যিজনে কোনো খুটা নোহোৱাকৈয়ে আকাশক স্থাপন কৰিছে তেওঁৰেই আল্লাহ। তোমালোকে তাক দেখিছা। তেওঁ সিংহাসনত উপবিষ্ট হৈ চন্দ্ৰ সূৰ্য্যক আজ্ঞাবাহক কৰিছে। তেওঁৰেই পৃথিবীক বিস্তীৰ্ণ আৰু আকাশৰ পৰা জল অৱতাৰণ কৰাইছে; তাৰ পৰা জলধাৰা প্ৰবাহিত কৰাইছে। তেওঁ ইচ্ছানুসাৰেই কাৰোবাক মুক্তহস্তে আহাৰ্য্য দান কৰে, আৰু কাৰোবাৰ আহাৰৰ পৰিমাণ সঙ্কুচিত কৰে।

মঃ ৩। সিঃ ১৩। সূঃ ১৩। অঃ ৩। ১৭। ২৬॥

সমীক্ষক—কোৰাণ লিখা খোদাই পদাৰ্থ বিদ্যা বোধহয় জনা নাছিল, নহলে তাৰ নথকা আকাশক খুটা নোহোৱাকৈ স্থাপনৰ গল্প নিলিখিলেহেঁতেন। খোদাই যদি ঊৰ্দ্ধলোকৰ কোনো স্থান বিশেষত থাকে, তেনেহলে তেওঁ সর্ব্বশক্তিমান আৰু সর্ব্বব্যাপক হব নোৱাৰে। তেওঁৰ মেঘৰ বৈজ্ঞানিক তত্ত্বজ্ঞান থকা হলে, আকাশৰ পৰা জলৰ অবতৰণৰ কথা লিখি পুনঃ পৃথিবীৰ পৰা জলীয় বাষ্প উত্থাপনৰ কথা নিলিখিলে কিয়? ইয়াৰ পৰাই নিশ্চিত ৰূপে জানিব পৰা যায় যে, কোৰাণ ৰচয়িতাৰ মেঘৰ বৈজ্ঞানিক তত্ত্বজ্ঞান নাছিল। উত্তম আৰু অধম বিনা কাৰোবাক সুখ বা দুখ দিলে তেওঁ পক্ষপাতী আৰু নিৰঙ্কুশ ভট্টাচার্য্য ৰূপেহে প্ৰমাণিত হয়। ৯৪॥

৯৫। আচলতে আল্লাহে যাকে ইচ্ছা তাকে পথভ্রষ্ট কৰে আৰু যিবিলাকে তেওঁৰ অভিমুখী হয়, তেওঁলোকক তেওঁৰ ফালে যাবলৈ পথ প্ৰদৰ্শন কৰে।

মঃ ৩। সিঃ ১৩। সূঃ ১৩। আঃ ২৭॥

সমীক্ষক—আল্লাহে যদি মানুহক পথভ্রষ্ট কৰে, তেনেহলে তেওঁৰ আৰু চয়তানৰ ভিতৰত প্ৰভেদ কি? মানুহক পথভ্রষ্ট কৰে কাৰণেই চয়তান বেয়া; খোদায়ো যদি তাকেই কৰে, তেনেহলে খোদাকো বেয়া বোলা নহব কিয়? আৰু মানুহক বিভ্রান্ত কৰা পাপৰ ফলত খোদাও নৰকগামী নহব কিয়? ৯৫॥

৯৬। উদ্দেশ্য অনুসাৰে কোৰাণ আৰবী ভাষাত প্ৰেৰণ কৰা হৈছে। এই কথা জনাৰ পাছতো যদি সিহঁতৰ পক্ষ লোৱা……! তুমি এই সম্বাদ সকলোৰে আগত প্ৰচাৰ কৰিবা। ইয়াৰ বাহিৰে তোমাৰ আন কর্ত্তব্য নাই। ইয়াৰ হিচাপ ৰক্ষাৰ কাম মোৰ!

মঃ ৩। সিঃ ১৩। সূঃ ১৩। আঃ ৩৭-৪০॥

সমীক্ষক—কোৰাণ কোন দিশৰ পৰা অৱতীর্ণ হ'ল? খোদা ওপৰতহে থাকে নেকি? তেনেহলে তেওঁ একদেশী, গতিকে সর্ব্বজ্ঞ হব নোৱাৰে। ঈশ্বৰ সর্বত্র একৰস আৰু ব্যাপক। পৈগাম অর্থাৎ বার্ত্তা-বহন বার্ত্তা-বাহকৰেই কাম, একদেশী মানুহৰহে বার্ত্তা-বাহকৰ প্ৰয়োজন আৰু হিচাপ দিয়া বা লোৱাও মানুহৰহে কাম, ঈশ্বৰৰ নহয়; ঈশ্বৰ সর্বজ্ঞ। গতিকে নিশ্চিত এয়ে হয় যে, কোৰাণ কোনো অল্পজ্ঞ মানুহৰ দ্বাৰা ৰচিত। ৯৬॥

৯৭। তেও নিশ্চয় চন্দ্র আৰু সূর্য্যক সদায় ঘূৰি থকা কৰিছে। মনুষ্য, অৰণ্যে পাপ আৰু অন্যায়আচৰণকাৰী।

ম: ৩। সি: ১৩। সূ: ১৪। আ: ৩৩–৩৪ ॥

সমীক্ষক—চন্দ্র আৰু সূর্য্য সদায় যে ঘুৰে পৃথিবী হুঘুৰে নেকি? পৃথিবী যদি হুঘুৰে দিন আৰু ৰাতি বহু বছৰ ব্যাপী হব। মানুহৰ স্বভাবেই অন্যায় আৰু পাপাচাৰী হলে কোৱাণৰ উপদেশ নিৰর্থক। কাৰণ যি স্বভাৱতঃ অন্যায়কাৰী, সি কেতিয়াও পুণ্যাত্মা হব নোৱাৰে। পৃথিবীৰ সকলোতে পুণ্যাত্মা আৰু পাপী দেখা যায়। গতিকে এনেবোৰ কথা ঈশ্বৰ ৰচিত গ্রন্থত থকাটো সম্ভৱ নহয়। ৯৭ ॥

৯৮। "মই যেতিয়া তেওঁক ভালকৈ নির্ম্মাণ কৰি তেওঁৰ ভিতৰত নিজৰ ৰুহ (আত্মা) দিওঁ তেতিয়া তোমালোকে তেওঁক দণ্ডৱৎ হৈ প্রণাম কৰিবা।" চয়তানে কলে—"হে মোৰ পালনকর্ত্তা! তুমি যেতিয়া মোক পথভ্রষ্ট কৰিলা, ময়ো সিহঁতৰ কাৰণে পৃথিবীত পাপ সাজু কৰি ৰাখিম আৰু সিহঁতক পথভ্রষ্ট কৰিম"।

ম: ৩। সি: ১৪। সূ: ১৫। আ: ২৯-৪৬।

সমীক্ষক—খোদাই নিজৰ ৰুহ (আত্মা) যদি আদম চাহেবৰ ভিতৰত ভৰাই দিলে, তেনেহলে আদমো খোদা হ'ল, আদম খোদা নোহোৱা হলে সিজ্‌দা অর্থাৎ প্রণিপাত আদি ভক্তি দেখুৱাই খোদাই তেওঁক নিজৰ সহযোগী কৰিব কিয়? খোদাই চয়তানক বিভ্রান্ত কৰে যেতিয়া খোদা চয়তানো চয়তান, চয়তানৰ বৰ কৰাই আৰু গুৰু নহব কিয়! মুছলমানৰ মতে চয়তান কুবুদ্ধি দাতা; খোদাই চয়তানক তেনে কৰিবলৈকে স্বভাৱ দিছে, আৰু চয়তানেও স্বয়ং খোদাৰ সাক্ষাতত্তে কৈছে—"মই কুপথে চলাম," তথাপিও খোদাই চয়তানক দণ্ড বিহি কাৰাগাৰত বন্দী বা বধ নকৰিলে কিয়? ৯৮।

৯৯। মই নিশ্চয় প্রত্যেক জাতিৰ মাজলৈ পয়গম্বৰ পঠাইছো। মোৰ যেতিয়া ইচ্ছা হয় তেতিয়া কওঁ "এইটো হক"—তৎক্ষণাৎ সেইদৰেই হৈ যায়। মঃ ৩। সিঃ ১৪। সূঃ ১৬। আঃ ৩৬–৪০॥

সমীক্ষক—খোদাই সকলো জাতিৰ মাজলৈ যদি পয়গম্বৰ পঠিয়াইছে, তেনেহলে সকলো জাতিৰ মানুহেই পয়গম্বৰৰ মতানুসাৰেই চলিছে; গতিকে কোনোৱেই কাফেৰ নহয়। মুছলমানৰ পয়গম্বৰৰ বাহিৰে অন্য পয়গম্বৰৰ সম্মান নাই নেকি? এইবোৰ একেবাৰেই পক্ষপাতৰ কথা। সকলো দেশলৈকে যদি পয়গম্বৰ পঠোৱা হৈছে তেনেহলে আর্য্যাবর্ত্তলৈ কোন পয়গম্বৰক পঠোৱা হ'ল? গতিকে এইবোৰ বিশ্বাস কৰিব পৰা কথা নহয়। খোদাৰ যেতিয়া ইচ্ছা হয় আৰু কয় "পৃথিবী হৈ য'ক"; পৃথিবী জড় পদার্থ; শুনিব নোৱাৰে, তেনেহলে তেওঁৰ আদেশ কেনেকৈ পালন হয়? আৰু যদি তেতিয়া খোদাৰ বাহিৰে আন কোনো বস্তুৰেই অস্তিত্ব নাছিল, তেনেহলে শুনিলে কোনে? বা কি হ'ল? এইবোৰ অজ্ঞতাৰ কথা অজ্ঞলোকেহে শুনিব।৯৯॥

১০০। তেওঁলোকে আল্লাহৰ কাৰণে কন্যা অর্পণ কৰে; কিন্তু আল্লাহ পবিত্র, তেওঁলোকে যি ইচ্ছা কৰে, সেয়া তেওঁৰ ভিতৰত আছে। আল্লাহৰ নামত শপত খাই কৈছো, মই নিশ্চয় পয়গম্বৰ পঠিয়াইছো।

ম: ৩। সি: ১৪। সূ: ১৬। আ: ৫৭-৬৩॥

সমীক্ষক—আল্লাহৰ কন্যাৰ প্রয়োজন কি? মানুহৰহে কন্যাৰ প্রয়োজন হয়। কন্যা যে অর্পণ কৰা হয়, পুত্র অর্পণ কৰা নহয় কিয়? ইয়াৰ কাৰণ কি? শপত খোৱা ঈশ্বৰৰ কাম নহয়, কেৱল মিথ্যাবাদীৰহে কাম। সাধাৰণতে মিথ্যাবাদীবোৰকহে শপত খোৱা দেখা যায়। সত্যবাদীয়ে শপত খাব লাগিছে কিয়?।১০০।

১০১। আল্লাহেই সিহঁতৰ হৃদয়, কাণ আৰু চকু চিলমোহৰ লগাই বন্ধ কৰি দিছে। সকলো জীৱক কৃত কর্ম্মৰ ফল সম্পূর্ণ দিয়া হব। কাৰো প্রতি অন্যায় কৰা নহয়। ম: ৩। সি: ১৪। সূ: ১৬। আ: ১০৮–১১১॥

সমীক্ষক—খোদাই চিল-মোহৰ মাৰি বন্ধ কৰাত সেই মানুহবোৰ বিনা অপৰাধত বিনষ্ট হ'ল। তেওঁলোকৰ স্বাধীনতা হৰণ কৰা হ'ল। ই

শুকতৰ অপৰাধ। আৰু কোৱা হৈছে যে, যাৰ যিমান পৰিমাণৰ কৰ্ম্ম, তাক সিমান পৰিমাণ ফল দিয়া হয় কম বেছি কৰা নহব। সিহঁতে তো স্বাধীনভাবে পাপ কৰা নাই, খোদাই যি কৰাইছে তাকেই কৰিছে। তেওঁলোকৰ কোনো অপৰাধ হোৱা নাই, গতিকে সিহঁতৰ পৰিবর্ত্তে ঈশ্বৰেহে ফল পোৱা উচিত। আৰু যদি কৰ্ম্মৰ ফল সম্পূর্ণ দিয়া হয়, তেনেহলে ক্ষমা কৰাৰ কাৰণ কি? ক্ষমা যদি কৰা হয়, তেনেহলে ন্যায় ক'ত থাকে? এনেকুৱা পৰস্পৰ বিপৰীত কথা খোদাৰ হব নোৱাৰে, কেৱল অবোধ বালকৰহে হব পাৰে। ১০১॥

১০২। কাফেৰবোৰক অবৰোধ কৰিবৰ কাৰণে মই "দোজখ" অর্থাৎ নৰক প্রস্তুত কৰিছো আৰু সিহঁতৰ প্রত্যেকৰ কণ্ঠত সিহঁতৰ কৰ্ম্মৰ হিচাপৰ বহী আঁৰি দিছো। শেষ বিচাৰৰ দিনা (কয়ামত) সিহঁতৰ কাৰণে এখন হিচাপ বহী প্রকাশ কৰা হব; আৰু সেই বহী মেল খাই থকা দেখিব। নূহৰ পাছত মই বহুত জাতি ধ্বংস কৰিছো।

মঃ ৪। সিঃ ১৫। সূঃ ১৭। আঃ ৮।১৩।১৭॥

সমীক্ষক— যিসকলে কোৰাণ, পয়গম্বৰ, কোৰাণৰ খোদা, সপ্তম আকাশ আৰু নমাজ আদি বিশ্বাস নকৰে, তেওঁলোকক কাফেৰ আৰু নৰকগামী বোলাটো কেৱল পক্ষপাতৰ বাহিৰে আন একো নহয়। কেৱল কোৰাণ বিশ্বাসীবোৰেই ভাল আৰু অন্যান্য মতবাদী মাত্রই বেয়া, এনেকুৱা কথা হব পাৰেনে? প্রত্যেকৰ ডিঙিত কৰ্ম্মৰ হিচাপ বহী ঔৰা আছে, এনেবোৰ লৰালি কথা। আমি চোন কাৰো ডিঙিত তেনেকৈ দেখা নাই। হিচাপ কৰি কৰ্ম্মফল দিয়া হলে মানুহৰ হৃদয় আৰু চকু আদি চিল-মোহৰ মাৰি অৱরুদ্ধ কৰা আৰু পাপ ক্ষমা কৰা আদি লাগ বান্ধ নোহোৱা কথা হয়। কয়ামতৰ ৰাতিত খোদাই যি হিচাপৰ বহী বাহিৰ কৰিব, এতিয়া সেইটো কত? খোদাই বণিয়াৰ দৰে বহীত লিখে নেকি? এই ক্ষেত্রত বিবেচনা কৰিব লাগে যে, জীৱৰ পূর্ব্বজন্ম নেথালকিলে

কৰ্ম্মও থাকিব নোৱাৰে। তেনেহলে কৰ্ম্মৰ হিচাপ বহীত কেনেকৈ লিখা হয়? কৰ্ম্ম নাথাকিলেও যদি লিখা হয়, তেনেহলে জীৱৰ প্রতি অন্যায় কৰা হয়। সৎ কৰ্ম্ম, অসৎ কৰ্ম্মৰ বিবেচনা নকৰাকৈ সুখ বা দুখ দিয়া হল কিয়? যদি খোদাৰ ইচ্ছা তেনে হয়, তেনেহলে খোদাই অন্যায় কৰিছে। সৎ অসৎ কৰ্ম্মৰ বিবেচনা নকৰাকৈ কম বেছি সুখ দুখৰূপ ফল দিয়াকেই অন্যায় বোলে। সেই সময়ত খোদাই নিজেই হিচাপ বহী পাঠ কৰে, নে তেওঁৰ কোনো সহকাৰীয়ে পঢ়ি শুনায়? যিবোৰ জীৱই দীর্ঘকালৰ পৰা অপেক্ষা কৰিছে, যদি খোদাই বিনা অপৰাধত সিহঁতক বধ কৰে, তেতিয়া হলে তেওঁ অন্যায়কাৰী। গতিকে যি অন্যায়কাৰী, তেওঁ কেতিয়াও খোদা হব নোৱাৰে। ১০২॥

১০৩। সমুদ্রক মই এজনী উটনী দিছো। যাক পাৰি তাকেই প্রস্তুত কৰিছো। সেইদিনা মই সকলোকে সিহঁতৰ দলপতিৰ লগত আহ্বান কৰিম। সিহঁতৰ সোঁ হাতত কৰ্ম্মৰ বিচাৰ-পত্র দিয়া হৈছে।

মঃ ৪। সিঃ ১৫। সূঃ ১৭ আঃ ৫৯। ৬৪। ৭১॥

সমীক্ষক—বাহৰে! খোদাৰ আচৰিত নিচানবোৰৰ ভিতৰত এজনী উটনীও তেওঁৰ অস্তিত্বৰ প্রমাণ বা পৰীক্ষাৰ সাধন। খোদাই যদি সকলোকে মতিভ্রম কৰাৰৰ কাৰণেই চয়তানক আদেশ দিয়ে, তেনেহলে খোদাই চয়তানৰ চৰ্দ্দাৰ আৰু তেওঁৰেই সকলোকে পাপত প্রবৃত্ত কৰায়। এনেকুৱা খোদাক খোদা বোলা অবোধৰহে কাম। খোদাই যদি কেৱল কয়ামত অর্থাৎ কেৱল প্রলয় কালতহে পয়গম্বৰ আৰু তেওঁৰ মতাৱলম্বীবোৰক আহ্বান কৰে, তেনেহলে প্রলয়কাল পর্য্যন্ত সকলোৱেই বিচাৰাধীন হৈ থাকিব লগা হয়। বিচাৰাধীন হৈ থকা মানেই বোৰ অশান্তিত থাকিব লাগে। গতিকে ন্যায় বিচাৰপতিয়ে সোনকালে বিচাৰ কৰাই উচিত। এনেকুৱা বিচাৰ "পোপাঁবাঈৰ" বিচাৰৰ দৰে। যেনেকৈ কোনো বিচাৰপতিয়ে কলে যে পঞ্চাশ বছৰ পর্য্যন্ত চোৰ আৰু সাধুবোৰ জমা

নোহোৱা পর্য্যন্ত কাৰো বিচাৰ অর্থাৎ দণ্ড বা পুৰস্কাৰ দিয়া নহব"—এইটোও তেনেকুৱা কথাই হব। ধৰক এজন পঞ্চাশ বছৰ পর্য্যন্ত বিচাৰাধীন হৈ আছে আৰু এজন আজি ধৰা পৰিল; কিন্তু দুয়োৰো বিচাৰ একে সময়ত হব। এনেকুৱা হোৱাটো উচিত নহয়। ন্যায় বিচাৰৰ আদর্শ বেদ আৰু মনুস্মৃতিত চ'ক। (১০–১০ অধ্যায়) সেই আদর্শ মতে বিচাৰ কৰিলে ক্ষণমাত্রও পলম নহয়। জীৱই নিজৰ নিজৰ কর্ম্ম অনুসাৰে দণ্ড বা পুৰস্কাৰ পায়। সিহঁতক, এনেকুৱা গ্রন্থ ৰচয়িতা আৰু উপদেষ্টা কেতিয়াও ঈশ্বৰ হব নোৱাৰে। ১০৩ ॥

১০৪। সিহঁতৰ চিৰকাল বস-বাসৰ নিমিত্তে উদ্যান আছে। সেই উদ্যানৰ অধোভাগেদি নদী প্রবাহিত হৈ আছে। সিহঁতে সেই ঠাইত সোণৰ অলঙ্কাৰ আৰু সেউজীয়া ৰেচমৰ বস্ত্র পৰিধান কৰি গাৰু দিয়া সিংহাসনত উপবেশন কৰিব। পুণ্য উত্তম, স্বর্গ লাভো উত্তম।

মঃ ৪। সিঃ ২৫। সূঃ ১৮। আঃ ৩১ ॥

সমীক্ষক—বাহ! কোৰাণৰ স্বর্গতকৈ দুর্ল্লভ আৰু কি থাকিব পাৰে, যত আমোদ প্রমোদৰ উদ্যান, অলঙ্কাৰ, বস্ত্র, সিংহাসন আৰু উপাধান আছে। বিবেচনাশীল মানুহে বিবেচনা কৰি চালে বুজিব পাৰিব যে, মুছলমানৰ সেই বেহেস্তত অন্যায়ৰ বাহিৰে আন দুষ্প্রাপ্য বস্তু একো নাই। সেই অন্যায় কর্ম্মৰ অন্ত আছে কিন্তু তাৰ ফল অনন্ত। সদায় সুমিষ্ট আহাৰ খালে কিছুদিনৰ পাছত অৰুচি আৰু বিষৰ তুল্য প্রতীত হয়। সেই দৰেই সদায় সুখ ভোগ কৰোঁতে কৰোঁতে সুখো দুখ যেন অনুভূত হয়। গতিকে এক মহাকল্প পর্য্যন্ত মুক্তিৰ সুখ ভোগ কৰাৰ পাছত পুনর্জ্জন্ম লোৱাই সত্য সিদ্ধান্ত। ১০৪ ॥

১০৫। ইয়াৰ অধিবাসীবোৰে অন্যায় কাম কৰিলে মই সিহঁতক বিনাশ কৰো আৰু ভৰিষ্যতে অন্যায় কৰিলে বিনাশ কৰিম বুলি প্রতিজ্ঞা কৰিছো। মঃ ৪। সিঃ ১৫। সূঃ ১৮। আঃ ৫৯ ॥

সমীক্ষক—কোনো এখন নগৰৰ প্রত্যেক অধিবাসীয়ে পাপী হোৱাটো সত্তর নে? ঈশ্বৰে যদি অন্যায় দেখাৰ পাছতহে তাৰ ফল দিয়ে, তেনেহলে তেওঁ ভূত আৰু ভৰিষ্যত নাজানে, গতিকে সর্ব্বজ্ঞ নহয় আৰু দয়ালুও নহয়। ১০৫ ॥

১০৬। সেই বালকৰ মাক-বাপেক দুয়ো বিশ্বাসী আছিল। সেই বালকে মাক বাপেকক অবিশ্বাসী আৰু ধর্ম্মদ্রোহী কৰিব পাৰে বুলি মোৰ আশঙ্কা হৈছিল। যেতিয়া তেওঁ সেই স্থলত উপস্থিত হয়, তেতিয়া সূর্য্য অস্ত যাবৰ উপক্রম হৈছে। তেওঁ তেতিয়া বোকা পানীৰ এখন বিলত সূর্য্যৰশ্মি অস্ত যোৱা দেখিলে। তেতিয়া তেওঁলোকে কলে, হে জুলকৰনৈন! যাজূজ আৰু মাজূজ পৃথিবীত উৎপীড়নকাৰী।

মঃ ৪। সিঃ ১৬। সূঃ ১৮। আঃ ৮০। ৯৪ ॥

সমীক্ষক—এতিয়া খোদাৰ অজ্ঞতা কেনে চ'ক! খোদাৰ সন্দেহ হল যে, সেই বালকৰ মাক বাপেক পথভ্রষ্ট হৈ পৰিৱর্ত্তন হব পাৰে। এনেকুৱা লক্ষণ ঈশ্বৰৰ কেতিয়াও হব নোৱাৰে। আৰু এক অজ্ঞতা মন কৰিব লগীয়া যে, কোৰাণ ৰচয়িতাৰ ধাৰণা যে, ৰাতি বিলৰ পানীত সূর্য্য ডুব যায় আৰু ৰাতিপুৱা সেই বিলৰ পানীৰ পৰা উদয় হয়। সূর্য্য পৃথিবীতকৈ বহুগুণে বিশাল; গতিকে বিল, নদী বা সাগৰত কেনেকৈ ডুব যাব পাৰে? ইয়াৰ পৰাই প্রতীত হয় যে, কোৰাণ ৰচয়িতাৰ ভূগোল আৰু খগোলৰ জ্ঞান নাই, সেয়ে নহলে এনেকুৱা বিজ্ঞানৰ বিপৰীত কথা কিয় লিখিলেহেঁতেন? অজ্ঞ মানুহৰ বাহিৰে আন কোনে এই গ্রন্থৰ কথা বিশ্বাস কৰিব? ইয়াৰ বাহিৰেও খোদাৰ অন্যায় আৰু চ'ক! খোদা পৃথিবীৰ স্রষ্টা, ৰজা, আৰু বিচাৰপতি হৈও যাজূজ আৰু মাজূজক পৃথিবীত উপদ্রব কৰিবলৈ দিলে। এনে কর্ম্ম ঈশ্বৰৰ স্বভাৱৰ বিৰুদ্ধ। গতিকে নির্ব্বোধ মানুহেহে কোৰাণৰ কথা বিশ্বাস কৰিব পাৰে, গুণী জ্ঞানী সকলে নকৰে। ১০৬ ॥

১০৭। এই গ্রন্থত মেৰীৰ যি বৃত্তান্ত আছে তাক মনত ৰাখিবা। মেৰীয়ে নিজৰ ঘৰৰপৰা ওলাই পুৱ ফালে যাত্রা কৰিলে। তেওঁৰ গাত মাত্র এখনেই কাপোৰ আছিল। মোৰ ৰূহ অর্থাৎ আত্মাই ফেৰিস্তাৰ ৰূপ ধৰিলে। তেওঁ হৃষ্ট পুষ্ট মানুহৰ ৰূপ ধৰি মেৰীৰ আগত উপস্থিত হলগৈ। মেৰীয়ে কলে, "মই মোৰ আত্ম-ৰক্ষাৰ কাৰণে দয়াময় ঈশ্বৰৰ শৰণাপন্ন হৈছো, তুমি সেই ঈশ্বৰক ভয় কৰি সংযত হোৱা"। সেই ফেৰিস্তাই উত্তৰ দিলে, "তোমাৰ সেই ঈশ্বৰেই তোমাক এটা পৰিত্র সন্তান দিবৰ কাৰণে মোক পঠাইছে"। মেৰীয়ে কলে, "মোক কোনো পুৰুষেই স্পর্শ কৰা নাই আৰু মই তেনে পাপাচাৰিণী নহওঁ; মোৰ কেনেকৈ পুত্র হব পাৰে"? মেৰীয়ে গর্ভ ধাৰণ কৰিলে আৰু তেওঁৰ লগত হাবিৰ মাজলৈ সোমাই গল। মঃ ৬। সিঃ ১৬। সূঃ ১৯। আঃ ১৬। ১৭। ১৮। ১৯। ২০। ২২॥

সমীক্ষক—সুধীসকলে এতিয়া বিবেচনা কৰি চক! সেই ফেৰিস্তা খোদাৰেই আত্মা, গতিকে খোদাৰপৰা ভিন্ন নহয়। কুমাৰী মেৰীয়ে স্বইচ্ছাই সন্তান জন্ম দিবলৈ কামনা কৰা নাছিল, গতিকে মেৰীৰ গর্ভ ধাৰণ ন্যায়-সঙ্গত নহয়। খোদাৰ আদেশত ফেৰিস্তাই মেৰীক গর্ভৱতী কৰে। ই অন্যায় ব্যভিচাৰ। কোৰাণত আৰু অনেক অশ্লীল কথা লিখা আছে, সেই সকলো বোৰ ইয়াত উল্লেখ কৰা উচিত নহয় বুলি বিবেচনা কৰোঁ। ১০৭॥

১০৮। তুমি দেখা নাইনে, মই যে কাফেৰবোৰক বিভ্রান্ত কৰিবৰ কাৰণেই চয়তানবোৰক পঠাইছো।

মঃ ৪ সি ১৬। সূঃ ১৯। আঃ ৮৩॥

সমীক্ষক—মানুহক কুপথত প্রবৃত্ত কৰাবলৈ স্বয়ং খোদাই যেতিয়া চয়তানক পঠায়, কু-আচৰণকাৰী মানুহৰ গাত কোনো দোষ নাই আৰু চয়তানবো দোষ নাই, যিহেতু চয়তানে খোদাৰ আদেশ মতেই কাম কৰে; দোষ খোদাৰহে। খোদা যদি ন্যায় পৰায়ণ হয়, তেনেহলে ন্যায় অনুসাৰে পাপৰ ফল দোজখ অর্থাৎ নৰকৰ ভোগ খোদাৰহে হোৱা উচিত। সেয়ে

নহলে খোদা অন্যায়কাৰী। যি অন্যায়কাৰী সিয়েই পাপী। ১০৮॥

১০৯। যিবোৰে "তৌবাঃ" বুলি অনুতাপ আৰু বিশ্বাসী হৈ সৎকর্ম্ম কৰে তেওঁলোকক মই নিশ্চয় ক্ষমা কৰো।

মঃ ৪। সিঃ ১৬ সূঃ ২০। আঃ ৮২॥

সমীক্ষক—কোৰাণত লিখা আছে যে, কোনোৱে "তোবাঃ" বুলিলে পাপৰ ক্ষমা হয়। ইয়াৰপৰা পাপীবোৰে পাপ কৰিবলৈ সাহহে পায়, আৰু পাপৰ বৃদ্ধিহে কৰে, কাৰণ পাপ কৰি "তৌবাঃ" বুলিলেই ক্ষমা হব পাৰে। গতিকে কোৰাণ আৰু কোৰাণৰ ৰচয়িতা পাপীবোৰৰ উৎসাহদাতা আৰু পাপ বৃদ্ধিৰ সহায়ক। গতিকে এনেকুৱা কোৰাণ খোদাৰ ৰচিত হব নোৱাৰে আৰু তাত বর্ণনা কৰা খোদাও ঈশ্বৰ হব নোৱাৰে। ১০৯॥

১১০। পৃথিবীয়ে যাতে লৰচৰ কৰিব নোৱাৰে তাৰ কাৰণে মই পর্ব্বত নির্ম্মাণ কৰিছো। মঃ ৪। সি ১৭। সূঃ ২১। আঃ ৩১॥

সমীক্ষক—পৃথিবী সূর্য্যৰ চাৰিওফালে প্রদক্ষিণ কৰে, এই কথা কোৰাণ ৰচয়িতাই জনা হলে কেতিয়াও তেনেকৈ নিলিখিলেহেঁতেন। তেওঁৰ মনত বোধ হয় সংশয় হৈছিল যে পর্ব্বতবোৰ নথকা হলে পৃথিবী বিচলিত হলহেঁতেন, কিন্তু পর্ব্বত থকা সত্ত্বেও ভূমিকম্পত পৃথিবী বিচলিত যে হয়, তাক তেওঁ ভাবিব নোৱাৰিলে। ১১০॥

১১১। মই সেই মানুহজনীক তেওঁৰ গোপন জননেন্দ্রিয় ৰক্ষা কৰিবলৈ শিক্ষা দিলো, তেওঁ সেই মতে ৰক্ষা কৰিলে আৰু মই তাৰ ভিতৰত মোৰ আত্মাক ভৰাই দিলো।

মঃ ৪। সিঃ ১৭। সূঃ ২১। আঃ ৯১॥

সমীক্ষক এনেবোৰ অশ্লীল কথা, খোদাহে নেলাগে কোনো সভ্য মানুহবো হব নোৱাৰে। মানুহৰ কাৰণেই যদি এনেবোৰ কথা শোভন নহয় তেনেহলে ঈশ্বৰৰ কাৰণে কেনেকৈ শোভন হব? এই কাৰণে কোৰাণ প্রশংসনীয় নহয়। যদি কোৰাণত সৎবিবেচনাৰ কথা থাকিলে-

হেঁতেন তেনেহলে কোৱাণো বেদৰ দৰেই সকলোবে প্ৰশংসনীয় হলহেঁতেন। ।১১১।।

১১২। আকাশ, চন্দ্ৰ, সূৰ্য্য, তৰা আৰু পৃথিবীৰ পৰ্ব্বত, গছ, জন্তু আদি সকলোৱে যে দণ্ডবৎ হৈ আল্লাক প্ৰণাম কৰে, তাক তুমি দেখা নাই নে? তেওঁলোকক স্বৰ্ণ-কঙ্কণ, মুক্তা আৰু বেচমী বস্ত্ৰ পৰিধান কৰোৱা হব। যি মোৰ গৃহৰ চাবিও ফালে বেষ্টন কৰি দণ্ডায়মান হৈ থাকে, সেইবোৰে তেওঁলোকক পবিত্ৰ কৰি ৰাখিব। নিজৰ গাৰ মলি পৰিষ্কাৰ কৰিব; নিজৰ সঙ্কল্প পূৰ্ণ কৰিব আৰু পুৰণি ঘৰৰ চৌপাশে প্ৰদক্ষিণ কৰিব। ঈশ্বৰৰ নাম স্মৰণ কৰিব।

মঃ ৪। সিঃ ১৭। সূঃ ২২। আঃ ১৮। ২৩। ২৬॥

সমীক্ষক—জড় বস্তুৰে ঈশ্বৰ কি নাজানেই, ভক্তি আকৌ কেনেকৈ কৰিব? গতিকে এই গ্ৰন্থ কেতিয়াও ঈশ্বৰৰ ৰচিত নহয়, বোধ হয় কোনোবা মতিভ্ৰম মানুহৰ ৰচিত। সেয়েই স্বৰ্গ নে, যত সুবৰ্ণ আৰু মুকুতাৰ অলঙ্কাৰ আৰু পিন্ধিবলৈ বেচমৰ কাপোৰ পোৱা যায়! তেনে হলে এই বেহেস্ত পৃথিবীৰ ৰাজপ্ৰাসাদতকৈ কোনো গুণে শ্ৰেষ্ঠ নহয়। ঈশ্বৰৰ গৃহ আছে যদি তেওঁ তাতেই বাসো কৰে। তেনেহলে ইয়াকেই পৌত্তলিকতা অৰ্থাৎ মূৰ্ত্তিমান বোলা নহব কিয়? আৰু অন্যান্য মূৰ্ত্তি বা সাকাৰবাদীৰ নিন্দা কৰে কেনেকৈ? খোদাই যদি পূজা, আৰু পূজাৰ সামগ্ৰী গ্ৰহণ কৰে, নিজৰ বাসগৃহ প্ৰদক্ষিণ কৰিবলৈ আদেশ দিয়ে, আৰু পশু হত্যা কৰাই মাংস ভোজনো কৰে, তেনেহলে তেওঁ মন্দিৰ-বাসী, ভৈৰৱ, দুৰ্গাৰ দৰে আৰু ঘোৰ মূৰ্ত্তি পূজাৰ প্ৰবৰ্ত্তক। আৰু মূৰ্ত্তিত-কৈও মছজিদ্ বৃহত্তৰ মূৰ্ত্তি। এই হেতুকে খোদা আৰু মুছলমানসকলেই অধিক মূৰ্ত্তি পূজক আৰু পৌৰাণিক আৰু জৈনসকল মুছলমানতকৈ কম মূৰ্ত্তি পূজক। ১২২॥

১১৩। শেষ বিচাৰৰ দিনা তোমালোক নিশ্চয় উত্থাপিত হবা। মঃ ৪। সিঃ ১৮। সূঃ ২৩। আঃ ১৬॥

সমীক্ষক—মৃত জীৱবোৰ কবৰত থাকে নে আন কোনো স্থানত থাকে? যদি কবৰতেই থাকে তেনেহলে পুণ্য আত্মাবোৰেও গলা পচা দুৰ্গন্ধময় দেহত দুখ ভোগ কৰে নেকি? এইবোৰ ন্যায়সঙ্গত ব্যৱস্থা নহয়। ইয়াৰ উপৰিও অতি বেছি দুৰ্গন্ধত নানা বোগৰ উৎপত্তি হোৱাত খোদা আৰু মুছলমানসকল পাপৰ ভাগী হয়। ১১৩।

১১৪। সেই দিনা সিহঁতৰ জিহ্বা, হস্ত, পদ আৰু সিহঁতৰ কৰ্ম্মই সাক্ষী দিব। আল্লাহ আকাশ আৰু পৃথিবীৰ আলোক স্বৰূপ। তেওঁৰ প্ৰকাশ প্ৰাচীৰ সংলগ্ন দীপাৱলীবে স্থিৰ, আৰু তেওঁৰ ন্যায় উজ্জ্বল স্ফটিকেৰে আবৃত দীপালোকৰ সদৃশ। সেই নুৰ অৰ্থাৎ প্ৰদীপ পবিত্ৰ জৈতুন বৃক্ষৰ তেলত প্ৰজ্বলিত হৈ থাকে আৰু সেই জৈতুন বৃক্ষ পূব দিশবো নহয়, পশ্চিম দিশবো নহয়, সেই তেলে অগ্নি সংযোগ নহলেও প্ৰকাশ বিস্তাৰ কৰে। আল্লাহে যাক ইচ্ছা কৰে তাকেই নিজৰ নুৰ অৰ্থাৎ জ্যোতিৰ দ্বাৰাই পথ প্ৰদৰ্শন কৰে। মঃ ৪। সিঃ ১৮। সূঃ ২৪। আঃ ২৪-২৫।

সমীক্ষক—হাত-ভৰি আদি জড় পদাৰ্থই কেতিয়াও সাক্ষী দিব নোৱাৰে। এনে কথা সৃষ্টি ক্ৰমৰ বিৰুদ্ধ, গতিকে অসত্য। খোদা অগ্নি নে বিদ্যুৎ! যি উপমা দিয়া হৈছে সেইটো ঈশ্বৰৰ লগত নাখাতে, সাকাৰ বস্তুৰহে তেনে তুলনা হব পাৰে। ঈশ্বৰ নিৰাকাৰ। ১১৪।

১১৫। আল্লাহে প্ৰাণী মাত্ৰকেই পানীৰ পৰা উৎপন্ন কৰিছে; তাৰ ভিতৰত কোনো কোনো প্ৰাণী পেটত ভৰ দি চলে। যি কোনোৱে আল্লাহ আৰু ৰছূলৰ আজ্ঞা পালন কৰে, তাকহে

কবা, "আল্লাহ আক বচূলব আজ্ঞা পালন কবা; বচূলব আজ্ঞা পালন কবা। তোমাব প্রতি যেন দয়া দেখুবা হয়।"

মঃ ৪। সিঃ ১৮। সূঃ ২৪। আঃ ৪৫।৫২ ৭০।৭১।।

সমীক্ষক— প্রাণীব দেহত সকলো তত্ত্বই দেখা যায়, তথাপি কেবল পানীব পবাই উৎপন্ন হোৱা বুলি কোৱা কেনেকুৱা "ফিলসফী" অর্থাৎ দর্শন? এইবোব কেবল নজনা মানুহবহে কথা। আল্লাহব আজ্ঞা আক পয়গম্ববব আজ্ঞা একে সমান হলে খোদা লাচবীক নহৈ চবীক হব অর্থাৎ পয়গম্ববো খোদাব সমান বা অংশীদাব হব। তেনেহলে কোবাণত খোদাক 'লাচবীক' বুলি কোৱা হ'ল কিয়? ১১৫।।

১১৬। সেই দিনা আকাশ মেঘেবে সৈতে বিদীর্ণ হব আক ফেবিস্তাবোবকো নমোৱা হব। গতিকে কাফেববোবব কথাত বিশ্বাস নকবিবা; সিহঁতব লগত কাজিয়া কবা আক কাজিয়া বঢ়োৱা। তোমালোকব কুকর্ম্মবোবো সুকর্ম্মত পবিণত কবিব। যি অনুতাপ আক ভাল কর্ম্ম কবে. ঈশ্বৰব প্রতি তেওঁ নিশ্চয় অগ্রসব হয়। মঃ ৪। সিঃ ১৯। সূঃ ২৫। আঃ ২৫।৫২।৭০।।

সমীক্ষক – আকাশ মূর্ত্ত পদার্থই নহয় যেতিয়া, মেঘব লগত কেনেকৈ ফাটি যাব পাবে? গতিকে এইবোব অর্থহীন কথা। মুছলমানব কোবাণে শান্তিভঙ্গ, কন্দল, বিদ্রোহত প্রবৃত্ত কবায়; গতিকে ধর্ম্মপবায়ণ মানুহে কোবাণব কথাত বিশ্বাস নকবে। পাপো পুণ্যত পবিণত হোৱা অতি আচবিত কথা! পাপ আক পুণ্য মাহ আক তিলব দবে বদলি কবিব পবা বস্তু নেকি? "তোবাঃ" বুলিলেই যদি পাপব খণ্ডন আক ঈশ্বৰক পোৱা যায়, তেনেহলে পাপ কবিবলৈ কোনেও ভয় নকবে। গতিকে এইবোব বিজ্ঞানব বিপবীত কথা। ১১৬।।

১১৭। মই মুছাক আদেশ দিলো, "বাতি মোব ভৃত্যবোবক

ইয়াবাপবা লৈ যোৱা, মই তোমালোকক অনুসবণ কবিম"। ফিবৌনে নগবব ভিতবত মানুহ যোগাব কবিবব কাবণে কর্ম্মচাবী পঠালে। যি আমাক সৃষ্টি কবিছে তেওঁবেই পথ প্রদর্শন আক আহাব পানী দান কবিব। আশা কবো যে শেষ বিচাবব দিনা আমাব অপবাধ ক্ষমা কবিব।

মঃ ৫। সিঃ ১৯। সূঃ ২৬। আঃ ৫২-৫৩।৭৮-৭৯।।

সমীক্ষক—খোদাই যদি মুছাকেই (**Moses**) আদেশ দিছিল, তেনেহলে আকৌ দাউদ, যীচু আক মহম্মদ চাহেবলৈ পুস্তক প্রেবণ কবিলে কিয়? ঈশ্বৰব বাক্য সদায় একে আক নির্ভুল। গতিকে তাব পাছতো কোবাণ পর্য্যন্ত পুস্তকবোব প্রেবণ কবাও বুজিব পাবি যে, প্রথম পুস্তক অসম্পূর্ণ আক ভুল আছিল। কোবাণব পাছব তিনিখন পুস্তক সত্য হলে কোবাণ নিশ্চয় মিছা হব। কাবণ পবস্পব বিবোধী চাবিখন পুস্তক একেবাবেই সঁচা হব নোৱাবে। খোদাই যদি 'ৰূহ' অর্থাৎ আত্মা সৃষ্টি কবে তেনেহলে জীবব মৃত্যু বা অভাব কেতিয়াও হব নোৱাবে। ঈশ্বৰেই মানুহ আদি সকলো প্রাণীকে আহাব পানী দিয়ে যদি, কাবো বোগ হব নালাগিছিল, আক সকলোকে একে আহাবেই দিব লাগিছিল' কাবোবাক উত্তম আক কাবোবাক অতি নিকৃষ্ট আহাব দিয়া পক্ষপাত আক অন্যায়, উদাহবণ স্বৰূপে ৰজাক অতি উত্তম আহাব আক দুখীয়াক অতি নিকৃষ্ট আহাব দিয়া অন্যায়। ঈশ্বৰেই যদি সকলোকে আহাব পানী আক পথ্য দিয়ে, তেনেহলে কাবোৰেই বোগ হব নেলাগিছিল। দেখা যায় মুছলমান সকলবো বোগ হয়। খোদাই আবোগ্য কবে যদি, মুছলমানবোবব বোগ একেবাবেই থাকিব নেলাগিছিল। বিশ্বাসী মুছলমানবোবব বোগ থাকিলে খোদা পূর্ণ বৈদ্য নহয়, আক যদি পূর্ণ বৈদ্য হয়, তেনেহলে মুছলমানব বোগ থাকিব কিয়? খোদাই মৃত্যু আক পুণ্যব জীৱনদাতা হলে পাপ-পুণ্যব

ভাব তেওঁবেই হব। পাপ-পুণ্যব ফল জীৱব জন্ম জন্মান্তবব কর্ম্মানুসাবে হলে খোদাব কোনো দোষ নহয়। খোদাই পাপব ক্ষমা কবিলে আৰু কয়ামতব (প্রলয়) ৰাত্রিত বিচাব কবিলে পাপব প্রশ্রয়দাতা আৰু পাপী হৈ পবে। আৰু যদি খোদাই পাপ ক্ষমা নকবে, তেনেহলেও কো�ৰাণব কথাবোব মিছা হয়। ১১৭।

১১৮। তুমিও আমাব দবেই এজন; তোমাব কথা যদি সঁচা, তেনেহলে তাব চিন কি আছে আনা। তেওঁ তেতিয়া কলে "এই উটনী জনীয়েই এটা চিন, এই এবোৰেই পানী খায়"।

ম: ৫। সি: ১৯। সূ: ২৬। আ: ১৫৪। ১৫৫॥

সমীক্ষক—শিলব পব। উটনী সৃষ্টি কবাব কথা নো কোনোবাই বিশ্বাস কবিব পাবে নে? কেৱল বনবাসী নির্বোধ মানুহেহে এনেবোব কথা বিশ্বাস কবিব পাবে। আৰু উটনীক নিচানৰূপে ব্যৱহাব কবা বনবীয়া ব্যৱহাব প্রথা, উটনীব লগত ঈশ্বৰব কি সামঞ্জস্য আছে? এই গ্রন্থ ঈশ্বৰব ৰচিত হলে এনেকুৱা অর্থহীন কথা নাথাকিলেহেঁতেন। ১১৮॥

১১৯। হে মুছা! মই নিশ্চয় সর্ব্বশক্তিমান ঈশ্বব। তোমাব লাখুটিডাল পেলাই দিয়া। তাব পাছত তেওঁ দেখিলে যে, সেই লাখুটিডালেই সাপব ৰূপ ধবি লৰচব কবিছে! ঈশ্বৰে তেতিয়া তেওঁক কলে, "হে মুছা! ভয় নাই, মোব আগত পয়গম্বৰব কি ভয় আছে। আল্লাহ্ আছে, দ্বিতীয় উপাস্য কোনোৱেই নাই। তেওঁ মহান ঊর্দ্ধলোকব অধীশ্বব। মোব বিৰুদ্ধে বিদ্রোহী নহবা। মুছলমান হৈ মোব ওচব চাপা।

ম: ৫ সি:১৯ সূ: ২৭ আ: ৯। ১০। ২৬। ৩১॥

সমীক্ষক—এতিয়া চ'ক! আল্লাহে নিজব মুখেই কলে যে, তেওঁ মহান আৰু সর্ব্বশক্তিমান। কোনো সৎপুৰুষে আত্ম প্রশংসা নকবে;

খোদাই নো কেনেকৈ কবিলে? ইয়াব পবাই প্রতীত হয় যে, কোনো অসৎ অভিপ্রায়ব মানুহে ইন্দ্রজালব মায়া বচনা কবি হোজা মানুহবোবক বশ কবি লৈ নিজেই খোদাব ৰূপ ধবিছে। ঈশ্বৰব ৰচিত গ্রন্থত এনেকুৱা গল্প থকাটো সম্ভব নহয়। খোদা মহান "অর্শ্" অর্থাৎ সপ্তম আকাশব অধীশ্বব হলে একদেশী হব; ঈশ্বব হব নোৱাবে; কাবণ ঈশ্বব সর্ব্বব্যাপক। শাস্ত্রগৌবব কবা দোষণীয় হলে খোদা আৰু মহম্মদ চাহেবব প্রশংসাবে কোৰাণখন কিয় পবিপূর্ণ কবিলে? মহম্মদ চাহেবে অনেক মানুহ বধ কবিছে। তাব বাবাই তেওঁ উপদ্রবকাৰী নহলনে? ইয়াব উপবিও কোৰাণখন পুনৰুক্তি আৰু আগব আৰু পাছব লগত পৰস্পব বিৰুদ্ধ বাকাবে পবিপূর্ণ। ১১৯॥

১২০। পর্ব্বতবোব দেখিলে সুস্থিব যেন অনুমান হয় সেইবোব মেঘব দবে আঁতবি যাব। সেয়েই ঈশ্বৰব সৃষ্টি নৈপুণ্য। তেওঁ সকলো বস্তু সুনিশ্চিত বিধান কবিছে। তোমালোকে যিহকে কবা তাক খোদাই জানে সেই বিষয়ে সতর্ক থাকে।

ম: ৫। সি: ২০। সূ: ২৭। আ: ৮৮॥

সমীক্ষক—কোৰাণ ৰচয়িতাব দেশতেই বোধহয় পর্ব্বত মেঘব দবে সঞ্চালিত হয়, আন কোনো দেশত তেনে নহয়। বিদ্রোহী চয়তানক ধবি শাস্তি দিব নোৱাৰাত খোদা যে কিমান সতর্ক তাক জানিব পবা হৈছে। তেওঁ এতিয়ালৈকে এজন বিদ্রোহীকো ধবি দণ্ড বিধান কবিব পবা নাই ইয়াতকৈ অসতর্কতাব প্রমাণ আৰু কি হব পাবে? ১২০

১২১। তেতিয়া মুছাই তেওঁক এটা ঘোছা মাবিলে তেওঁব আয়ু শেষ হল। তেওঁ কলে, "হে প্রভু! মই মোব নিজব আত্মাবেই অন্যায় কবিলো, মোক এতিয়া ক্ষমা কবা"। তেতিয়া আল্লাহে তেওঁক ক্ষমা কবিলে। আল্লাহ্ ক্ষমাকাৰী আৰু দয়ালু। তোমাব

প্রভুব যি ইচ্ছা আক তেওঁ যি ভাল পায় তাকেই সৃষ্টি কবে॥

ম: ৫। সি: ২০। সূ: ২৮। আ: ১৫।১৬।৬৮॥

সমীক্ষক—এতিয়া আক চ'ক! মুছলমান আক খ্রীষ্টীয়ানব খোদা আক পয়গম্বব মুছা হুয়ো অন্যায়কাবী হয়নে নহয়? মুছাই নবহত্যা কবিলে আক খোদাই মুছাক ক্ষমা কবিলে। খোদাই তেওঁব ইচ্ছা মতেই সৃষ্টি কবে নেকি? খোদাই তেনেহলে কাবোবাক দবিদ্র, কাবোবাক বিদ্বান, আক কাবোবাক মূর্খ কবিছে। তেনেহলে কোবাণ সত্য নহয় আক খোদাও ঈশ্বব নহয় যিহেতু তেওঁ অন্যায়কাবী॥ ১২১।

১২২। পিতৃ মাতৃব প্রতি সদ্ ব্যবহাব কবিবব কাবণে মই মানুহক আদেশ দিছো, কিন্তু তেওঁলোকব আদেশ পালন নকবিব যদি তেওঁলোকে মোব লগত সমান হবলৈ চেষ্টা কবে। স্বজাতিব লগত থাকিবলৈ মই নুহক পঠাইছো। নুহে তেওঁলোকব লগত পঞ্চাশ কম এহেজাব বছব থাকিব।

ম: ৫। সি: ২০। সূ: ২৯। আ: ৭।১৩

নুহ ৯৫০ বছব জীবিত আছিল।

সমীক্ষক—পিতৃমাতৃব শুশ্রূষা কবা সৎআচবণ। কোনোবে যদি খোদাক অংশীদাব অর্থাৎ খোদাব সমান আন কোনোবা আছে বুলি মানিবলৈ কয় সেই কথা বিশ্বাস নকবাও যুক্তি সঙ্গত। কিন্তু তাব বাহিবে তেওঁলোকে যদি মিছা কথা শুনিবলৈ আদেশ দিয়ে, তেনেহলে তেওঁলোকব তেনে আদেশ পালন কবা জানো উচিত হব? গতিকে এই ক্ষেত্রত যি কৈছে তাব আধা ভাল আক আধা ভাল নহয়। খোদাই কেৱল নুহ আক পয়গম্বববোবকহে পৃথিবলৈ পঠায় নেকি! বাকীবোব জীবক কোনে পঠালে? খোদাইেই যদি সকলোকে পঠাইছে তেনেহলে সকলোবেই পয়গম্বব

নহয় কিয়? আগতে যদি মানুহব আয়ুস এহেজাব বছব আছিল এতিয়া নহয় কিয়? গতিকে এইবোব কথা সঁচা হব নোৱাবে। ১২২॥

১২৩। আল্লাহে প্রথমবাব সৃষ্টি কবে আক দ্বিতীয়বাব কবিব, তাব পাছত তোমালোক তেওঁ ওচবলৈ ঘুবি যাবা। যি দিনা বপা অর্থাৎ শেষ বিচাবব দিন আহিব সেইদিনা পাপীবোব নিবাশ হব। কিন্তু যিবোব বিশ্বাসীয়ে ভাল কাম কবে, তেওঁলোকক উদ্যানব ভিতবত বিভূষিত কবা হব। এবাব মই ধুমুহা পঠালেই সিহঁতব শস্য তোমালোকে জ্বলি যোৱা দেখিবা। এইদবে আল্লাহই সিহঁতব মন চিল মোহবেবে আবদ্ধ কবি বাখে যে, তাক সিহঁতে বুজিব নোৱাবে।

ম: ৫। সি: ২১। সূ: ৩০। আ: ১০।১২।১৫।৫১।৫৯॥

সমীক্ষক—আল্লহই যদি মাত্র দুবাবহে সৃষ্টি কবে তিনিবাব বা তাব বেছি নকবে, তেনেহলে তেওঁ সৃষ্টিব আদিত আক দ্বিতীয়বাব সৃষ্টি কবাব পাছত নিষ্কর্ম্মা হৈ থাকে। এইদবে তেওঁ দুবাব সৃষ্টি কবাব পাছত তেওঁব শক্তিও অর্থহীন আক নিবর্থক হব। শেষ বিচাবব দিনা পাপীবোব নিবাশ হোৱাটো ভাল কথা; কিন্তু মুছলমানব বাহিবে আন সকলোকে পাপী বুলি নিবাশ কবাটো কেতিয়াও উচিত নহব। কোবাণব নানা ঠাইত পাপী বুলিলে অমুছলমান মতাবলম্বীকেই বুজায়। উদ্যানত বাস কবা আক বেশ ভূষণ আদিবে দেহ অলঙ্কৃত কবাই যদি মুছলমানব স্বর্গ হয়, তেনেহলে সেই স্বর্গ পৃথিবীবেই দবে। সেই স্বর্গত নিশ্চয় উদ্যানব মালী আক সোণাবিয়েও বাস কবে, নাইবা স্বয়ং খোদায়েই সেই সকলোবোব কাম কবে। তাত যদি কাবোবাব বস্ত্র অলঙ্কাব অদিব কম পৰে তেনেহলে বোধহয় চিন্তিত কবে। তাব ফলত স্বর্গব পবা পতিত হয়। সেয়েহলে "সদায় স্বর্গত থাকিব" এই বাক্যও মিছা হয়। কৃষকব খেতিজো যদি খোদাব দৃষ্টি পবে তেনেহলে খেদিয়ক হলেহে সেই বিদ্যাব অধ্যক্ষ

হয় পাবে, আৰু যদি ধৰিলোৱা হয় যে, খোদাৰ নিজৰ জ্ঞানেৰেই সকলো জানিব পাবে তেনেহলে তেনেকৈ ভয় দেখুৱাই নিজৰ গৰ্ব প্ৰদৰ্শন কৰাহে হয়। আল্লাহই যদি জীৱৰ বুদ্ধিত চিলমোহৰ মাৰি হিতাহিত বিবেচনা শূন্য কৰে, তাৰ পৰিণামত জীৱই পাপ কৰে, সেই পাপৰ ভাগী তেওঁহে হব; জীৱ নহয়। যেনেকৈ সেনাই সেনাপতিৰ আদেশত কাম কৰে কিন্তু জয় বা পৰাজয় হয় সেনাপতিৰ; সেই দৰে সকলো পাপৰ ভাগী খোদাহে হব। ১২৩॥

১২৪। সেই গভীৰ জ্ঞানৰ কিতাপ খনৰ এইবোৰেই আয়াত অৰ্থাৎ প্ৰমাণ। তোমালোকে দেখিছা যে আল্লাহে বিনা স্তম্ভবেই আকাশৰ সৃষ্টি কৰিছে, পৃথিবী যাতে লৰচৰ কৰিব নোৱাৰে তাৰ বাবে পৃথিবীৰ মাজত পৰ্ব্বত সৃষ্টি কৰিছে। তোমালোকে দেখা নাই নে যে আল্লাহই দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিনৰ প্ৰৱেশ কৰাইছে? আৰু তোমালোকে দেখা নাই নে যে, আল্লাহৰ কৃপাত সাগৰৰ মাজত জলযানবোৰ চলাচল কৰিছে? তেওঁ তোমালোকক এইবোৰ প্ৰমাণ দেখুৱাইছে।

মঃ ৫। সিঃ ২১। সূঃ ৩১। আঃ ২।১০।২০ ৩১॥

সমীক্ষক—ভাল গভীৰ জ্ঞানৰ কিতাপ! যত বিজ্ঞান বিৰুদ্ধ নীতিবে আকাশৰ সৃষ্টি, স্তম্ভ অৰ্থাৎ খুঁটা লগোৱাৰ আশঙ্কা, আৰু পৃথিবীক অচল কৰি ৰাখিবৰ কাৰণে পৰ্ব্বতৰ সংযোগ আদিৰ কল্পনা দিয়া আছে। অতি সামান্য জ্ঞান থকা মানুহেও এনেবোৰ কথা লিখিব আৰু বিশ্বাস কৰিব নোৱাৰে। আৰু জ্ঞানৰ গভীৰতা চ'ক! দিনৰ ঠাইত ৰাতি আৰু ৰাতিৰ ঠাইত দিন হব নোৱাৰে যদিও, দিনৰ ভিতৰত ৰাতি আৰু ৰাতিৰ ভিতৰত দিন প্ৰবিষ্ট কৰাৰ কথা লিখিছে। এইবোৰ একেবাৰেই অজ্ঞানতাৰ পৰিচায়ক। গতিকে কোৰাণ জ্ঞানৰ কিতাপ হব নোৱাৰে।

মানুহৰ কৰ্ম্ম কৌশলত পৰিচালিত জলযান ঈশ্বৰৰ কৃপাত চলা বুলি কোৱাটো অজ্ঞতাৰ কথা নহয় নে? লো ৰা শিলৰ নাও সাগৰত ডুবিলে খোদাৰ নিচান ডুবি নাযায় নে? গতিকে এই কিতাপ ঈশ্বৰৰ ৰচিত নহয়, আৰু ৰচয়িতাও বিদ্বান পুৰুষ নহয়। ১২৪॥

১২৫। তেওঁ আকাশৰ পৰা পৃথিবী পৰ্যন্ত সমস্ত সৃষ্টিৰ তত্ত্বাৱধান কৰে। তোমালোকৰ গণনা মতে যি দিনা এহেজাৰ বছৰ পূৰ্ণ হব, সেই দিনাই সকলো তেওঁৰ ওচৰলৈ ঘুৰি যাব। তেওঁ পৰোক্ষ আৰু প্ৰত্যক্ষ সকলো বিষয়ৰ জ্ঞাতা, সৰ্ব্বশক্তিমান আৰু দয়ালু। তেওঁ তেওঁক সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰাৰ পাছত তেওঁৰ ভিতৰত নিজৰ আত্মা ভৰাই দিলে। কোৱা হল যে, মৃত্যুদূত তোমালোকৰ কাৰণে পঠোৱা হব, সিহঁতে তোমালোকৰ দেহৰ পৰা আত্মা বাহিৰ কৰিব। মই ইচ্ছা কৰা হলে প্ৰত্যেক জীৱক নিৰ্দ্দেশ দিলোহেতেন; কিন্তু মোৰ পৰা যি বাক্য ওলাল, নিশ্চয় সেই মতেই হব। মই নিশ্চয়কৈ কৈছো যে, দৈত্য আৰু মানুহেৰে নৰক পূৰ্ণ কৰিম। মঃ ৫। সিঃ ২১। সূঃ ৩২। আঃ ৫।৬।৯।১১।১৩।

সমীক্ষক—ইয়াৰ পৰাই অতি স্পষ্টকৈ বুজিব পৰা হৈছে যে, মুছলমানৰ খোদা মানুহৰ দৰেই একদেশী। খোদা সৰ্ব্বব্যাপক হোৱা হলে এঠাইৰ পৰা তত্ত্বাৱধান কৰা, আৰু আকাশৰ পৰা উঠা-নমা কৰিব লগা নহলহেঁতেন। খোদাই ফেৰিস্তাক পঠোৱা মানেই তেওঁ একদেশী। তেওঁ আকাশত বহি থাকে আৰু ফেৰিস্তাক পঠায়। ফেৰিস্তাই যদি কাৰোবাৰ পৰা কিবা দক্ষিণা লৈ কোনো পাপীক এৰি দিয়ে বা কিবা গোলমাল কৰে তাক খোদাই কেনেকে জানিব? খোদা সৰ্ব্বজ্ঞ আৰু সৰ্ব্বব্যাপক হোৱা হলে ফেৰিস্তাক পঠাবৰ বা কোনো মানুহৰ পৰীক্ষা লবৰ আৱশ্যকেই নহলহেঁতেন, তেওঁ নিজেই সকলো জানিব পাৰিলেহেঁতেন। দূত পঠাই পৰীক্ষা কৰাওঁতে এহেজাৰ বছৰ লগাৰ বাবে তেওঁ সৰ্ব্বশক্তিমানো নহয়। মানুহৰ মৃত্যুৰ কাৰণ যদি দূত হয়, তেনেহলে সেই

দূতব মৃত্যুব কাবণ কোন হব? সেই ফেবিস্তা অর্থাৎ দেবদূত যদি অমব হয়, তেনেহলে তেওঁ অমবত্বত খোদাব সমান হব। এক ফেবিস্তাই একে সময়তে সকলো জীবক দোজখলৈ যাবলৈ আদেশ দিব পবাটো সম্ভব নহয়। খোদাই ইচ্ছামতে বিনা দোষত জীবসোবক নবকত বাখি আমোদ অনুভব কবে যদি, তেওঁ অন্যায়কাবী, পাপী আৰু নির্দ্দয় হব। এনেবোব কথা যি কিতাপত আছে সেই কিতাপ ঈশ্বৰব বা কোনো বিদ্বান পুৰুষব বচিত হব নোৱাবে আৰু যি দয়া আৰু ন্যায়হীন তেওঁ ঈশ্বৰো নোৱাবে। ১২৫॥

পয়গম্বৰব পত্নী

১২৬। মবণ আৰু অস্ত্র প্রহাবব ভয়ত যদি পলাব খোজা তাব পবা একো লাভ নহব। হে পয়গম্বৰব বীবীসকল! নবীব পত্নীয়ে যদি প্রকাশ্য ব্যভিচাব কবে তাব বাবে দ্বিগুণ যন্ত্রণা দিয়া হব, সেইটো ঈশ্বৰব পক্ষে অতি সহজ। ম: ৫। সি: ২১। সূ: ৩৩। আ: ১৬। ৩০॥

সমীক্ষক—কোনোবে যাতে যুদ্ধ স্থলব পবা নপলায় অথবা মবিবলৈ ভয় নকবে, বোধ হয়, সেই উদ্দেশ্যতেই মহম্মদ চাহেবে এই কথা লিখিছে বা লিখোৱাইছে। তাব পবা তেওঁব বিজয়, ঐশ্বর্য্য-লাভ আৰু মজহবব বিস্তাব হোৱাব সম্ভাবনা। নবীব পত্নীবোবে যদি ব্যভিচাব কবিব নালাগে, নবীয়ে ব্যভিচাব কবিব পাবিব নেকি? একে অপবাধত বীবীবোবে হলে শাস্তি ভোগ কবিব লাগিব আৰু নবীব কাবণে শাস্তি নাই—এইখন কেনেকুৱা ন্যায় বিধি? ১২৬॥

জৈদব বিবাহ

১২৭। তোমালোকে নিজব নিজব ঘবত সোমাই থাকিবা, আল্লাহ আৰু পয়গম্বৰব আদেশ পালন কবিবা, তাব বাহিবে আন কাবো নকবিবা। যেতিয়া জৈদে তাইক পবিত্যাগ কবিবলৈ স্থিব কবিলে, মই তাইক তোমাব লগত বিবাহ-সংযোগ কবিছো। বিশ্বাসীয়ে তেওঁব পোষ্য পুত্রব পত্নীক বিবাহ কবাত কোনো দোষ নাই, যেতিয়া সিহঁতব ভিতবত স্থিব

হয়, খোদাব আদেশ পালন কবিব লাগে। পয়গম্বৰব বিৰুদ্ধে কোনো দোষ ধবিব নালাগে। মহম্মদ তোমালোকব ভিতবত কাবো পিতা নহয়। অ' পয়গম্বৰব! তোমাব কাবণে বহু পত্নী আৰু যেই কোনো ধর্ম্মবিশ্বাসীব পত্নীয়ে যদি তোমাক আত্মসমর্পণ কবে, সেইবোবব কাবণেও অনুমতি দিয়া হৈছে।.....। তোমাব ইচ্ছামতে যাক যেতিয়া ভাল পোৱা, এজনী এজনীকৈ তোমাব শয্যালৈ মাতিব পাবা, তাত তোমাব কাবণে কোনো দোষ হব নোৱাবে। হে খোদাব ভক্তবোব, তোমালোকে বচুলব গৃহত প্রবেশ নকবিবা। ম: ৫। সি: ২২। সূ: ৩৩। আ: ৩৩।৩৭।৩৮।৪০।৫০।৫১।৫৩॥

সমীক্ষক—স্ত্রীক ঘবব ভিতবত আবদ্ধ কবি বখা আৰু পুৰুষক ইচ্ছানুসাবে ফুবিবলৈ স্বাধীনতা দিয়াটো মহা অন্যায়। বিশুদ্ধ বায়ুত বিচবণ কবিবলৈ, নানা ঠাইলৈ যাবলৈ; সৃষ্টিব বিভিন্ন বস্তু চাবলৈ স্ত্রীব অন্তবত অভিলাষ নাই নেকি? এনেবোব নীতিব কাবণেই মুছলমান যুবকব স্বভাব ঘুবিফুবা আৰু কামবিলাসী। আল্লাহ আৰু বচুলব আজ্ঞা এক নে পবস্পব ভিন্ন ভিন্ন? যদি এক হয়, তেনেহলে দুয়োবো আজ্ঞা পালন কবিব লাগে বুলি কোৱাব অর্থ নাই আৰু যদি দুয়োবো ভিন্ন ভিন্ন, তেনেহলে পবস্পব বিৰুদ্ধ; গতিকে এটা সত্য হলে আনটো অসত্য হব; এজন খোদা হলে আনজন চয়তান হব। আৰু খোদা আৰু বচুল একে বুলি কলেও দুয়ো সমান অংশীদাব হ'ব। ধন্য কোবাণব খোদা, পয়গম্বৰ আৰু কোবাণ! যাব আনব স্বার্থ হানি কবি নিজব স্বার্থ সিদ্ধি কবাব অভিপ্রায়, তেওঁ এনেকুৱা কৌশলকে বচনা কবে। ইয়াব পবাই প্রতীত হয় যে, মহম্মদ চাহেব বব কাম-বিলাসী আছিল, সেয়ে নোহোৱা হলে লেপালক অর্থাৎ পোষ্য পুত্রব স্ত্রীক কিয় নিজব স্ত্রী কবি ললেহেঁতেন? আৰু যি এনেকুৱা কর্ম্ম কবে তেওঁবই পক্ষপাতী হৈ খোদায়ো অন্যায়কেই ন্যায় কবিলে। একেবাবেই বনবীয়া মানুহেও পুত্রব স্ত্রী অর্থাৎ নিজব বোৱাবীব লগত তেনে কুকর্ম্ম নকবে, এজন নবী হৈও কামলিপ্সাত তেনেকুৱা কুকর্ম্ম

কৰাত বিবেকে বাধা নিদিলে। নবী যদি কাৰো বাপেক নহয় তেনেহলে জৈদ কাৰ লেপালক (পোষ্যপুত্ৰ) আছিল? আৰু কিয় পোষ্য পুত্ৰ যুগি লিখা হল? মহম্মদ চাহেবে যেতিয়া নিজৰ বোৱাৰীয়েকৰ লগত তেনে কুকৰ্ম্মত লিপ্ত নোহোৱাকৈ থাকিব নোৱাৰিলে, তেনেহলে আন স্ত্ৰীয়ে তেওঁৰ পৰা আত্ম ৰক্ষা কেনেকৈ কৰিব? যিমানেই চতুৰতা কৰক লাগে এনে-ৰোৰ কুকৰ্ম্মৰ নিন্দাৰ পৰা সাৰিব নোৱাৰে। পৰৰ স্ত্ৰীয়েও পয়গম্বৰৰ লগত নিকাহ কৰিবলৈ ইচ্ছুক হলে বৈধ হব নেকি? নবী ইচ্ছা কৰিলে তেওঁৰ কোনো বীবীক এৰি দিব পাৰে কিন্তু নবীৰ অপৰাধ হলেও তেওঁৰ কোনো বীবীয়ে তেওঁক পৰিত্যাগ কৰিব নোৱাৰে—এইটো ঘোৰ অধৰ্ম্ম নহয় নে? আনে যেনেকৈ নবী চাহেবৰ ঘৰত ব্যভিচাৰৰ উদ্দেশ্যৰে সোমাব নালাগে, সেই দৰেই নবী চাহেবেও আনৰ ঘৰত তেনে উদ্দেশ্যলৈ সোমোৱা উচিত নহয়। নবীয়ে যাৰে তাৰে ঘৰত নিঃসঙ্কোচে অনধিকাৰ প্ৰবেশ কৰিব অথচ নবীৰ সন্মানো পাব! এই কোৰাণ ঈশ্বৰৰ ৰচিত, মহম্মদ চাহেব পয়গম্বৰ, আৰু কোৰাণৰ খোদা যে, যথার্থ ঈশ্বৰ, এইবোৰ কোন অজ্ঞানীয়ে বিশ্বাস কৰিব? আৰৰ আৰু অন্যান্য দেশীয় লোক-সকলে যে, এনেবোৰ যুক্তিবিহীন আৰু ধৰ্ম্মবিৰুদ্ধ উপদেশ মানি লৈছে সেইটোৱেই আটাইতকৈ আচৰিত কথা। ১২৭॥

নবীৰ বিধবা বীবীয়ে বিয়া কৰাত বাধা।

১২৮। ৰচূলক কোনোৰকম কষ্ট দিয়া, বা তেওঁৰ মৰণৰ পাছত তেওঁৰ বীবীক নিকাহ কৰা আল্লাহৰ মানত মহা পাপ। যিসকলে আল্লাহ আৰু তেওঁৰ ৰচূলক দুখ যন্ত্ৰণা দিয়ে তেওঁ-লোক আল্লাহৰ দ্বাৰা লানত অর্থাৎ অভিশপ্ত হয়। যিসকলে মছলমান নৰ-নাৰীক উৎপীড়ন কৰে; সিহঁত মিথ্যাচাৰ আৰু প্ৰত্যক্ষ পাপৰ ফলভোগী। সিহঁত অভিশপ্ত, সিহঁতক যতে পায়

ততে ধৰি নিৰ্বিচাৰে হত্যা কৰিব লাগে। হে আমাৰ প্ৰভু! সিহঁ-তক দুখ দিয়া আৰু ভয়ঙ্কৰ অভিশাপ দিয়া।

ম: ৫। সি: ২২। সূ: ৩৩। আ: ৫৩।৫৭।৫৮।৬১।৬৮॥

সমীক্ষক—খোদাই তেওঁৰ ঈশ্বৰত্ব ধৰ্ম্মতঃ প্ৰদৰ্শন কৰিছে নে? আনে ৰচূলক উৎপীড়ন কৰাত নিষেধ কৰাটো যুক্তিসঙ্গত; কিন্তু সেই-দৰেই আনক উৎপীড়ন কৰিবলৈ ৰচূলকো নিষেধ কৰা উচিত হল চেঁতেন। সেইটো তেওঁ নকৰিলে কিয়? কাৰোবাক কোনোবাই দুখ দিলে আল্লাহো দুঃখিত হয় নেকি? তেনেহলে তেওঁ ঈশ্বৰেই নহয়। কেৱল আল্লাহ আৰু ৰচূলক দুখ দিয়াত নিষেধ কৰা মানে আল্লাহ আৰু ৰচূলে যাকে যি খুছি দুখ দিব পাৰে। মুছলমান নৰ-নাৰীক দুখ দিয়া যেনে দোষণীয়, অমুছলমান নৰ-নাৰীক দুখ দিয়াও তেনেই দোষণীয়। যদি এই সত্য কথা স্বীকাৰ নকৰে, তেনেহলে পক্ষপাতী হয়। খোদা আৰু নবীৰ দৰে নিৰ্দ্দয় লোক পৃথিবীত একবাৰেই বিৰল। কোৰাণত লিখা আছে যে, অমুছলমান মতবাদীবোৰক, যত যেনেকৈ সুৰিধা পায় ধৰি হত্যা কৰিব লাগে; তাৰ বিপৰীতে যদি অমুছলমান মতবাদীবোৰেও মুছলমানবোৰক যত যেনেকৈ পায় হত্যা কৰে, তেনেহলে সেইটো মুছলমানসকলৰ কাৰণে প্ৰীতিকৰ হব জানো? পয়গম্বৰ সকলৰ হিংসা প্ৰবৃত্তি লক্ষ্য কৰক। তেওঁলোকে আনক দ্বিগুণ দুঃখগ্ৰস্ত কৰিবৰ কাৰণে খোদাক প্ৰাৰ্থনা কৰিবলৈ উপদেশ দিছে। এইবোৰ পক্ষপাত, স্বাৰ্থপৰতা আৰু ঘোৰ অধৰ্ম্ম। এইবোৰ কাৰণতেই এই যুগতো অনেক অসৎ স্বভাৱৰ মুছলমানে তেনে কুকৰ্ম্ম কৰিবলৈ ভীত নহয়। অশিক্ষিত মানুহ যে পশুৰ তুল্য, এই কথা চিৰ সত্য। ১২৮॥

১২৯। যি বায়ু-প্ৰেৰণ, মেঘৰ উত্থাপন আৰু মৃতক-বোৰক তেওঁৰ ওচলৈ আহ্বান কৰে তেওঁৰেই আল্লাহ্। এই-দৰেই দগ্ধ পৃথিৱীক পুনৰ্জ্জীৱিত কৰা আৰু এইদৰেই কবৰৰ পৰা

সকলোকে পুনৰুত্থান কৰা হব। তেওঁ নিজৰ কৃপাতেই আমাৰ চিৰ নিবাসৰ কাৰণে গৃহ নির্ম্মাণ কৰিছে। সেই স্থানত শ্ৰমে আমাক স্পর্শ নকৰে আৰু ক্লান্ত অনুভবো কৰিব নালাগে।

ম: ৫। সি: ২২। সূ: ৩৫। আ: ৯। ৩৫ ॥

সমীক্ষক—খোদাৰ কেনে আচৰিত ফিলচফী! বায়ু প্ৰেৰণ কৰে, আৰু মৃতকবোৰক পুনর্জ্জীবিত কৰে। এইবোৰ ঈশ্বৰৰ বিষয়েই হব নোৱাৰে, কাৰণ ঈশ্বৰৰ নীতি কর্ম্ম সদায় একে থাকে। কোনোৱে নেসাজিলে দৰ হব নোৱাৰে আৰু যি বস্তু সজা হয়, সি চিৰদিন নাথাকে। দেহধাৰীৰ পৰিশ্ৰম নহলে দুখ অৱশ্যম্ভাবী। যাৰ দেহ আছে তাৰ বোগো অৱশ্যম্ভাবী। এটা পুৰুষে এজনী স্ত্ৰীৰ লগত সহবাস কৰিলেও বোগৰ পৰা মুক্ত হব নোৱাৰে। তেনেস্থলত যি পুৰুষে বহু স্ত্ৰীৰ লগত সম্ভোগ কৰে, তেওঁৰ অৱস্থা কি হব? গতিকে মুছলমানৰ বেহেস্তত বাস কৰা জীৱনো সুখদায়ক হব নোৱাৰে। ১২৯ ॥

১৩০। মই কো�ৰাণৰ জ্ঞানৰ নামত শপথ কৰি কৈছো যে, তুমি সৎপথ প্ৰদর্শনার্থ প্ৰেৰিতসকলৰ ভিতৰত এজন। গালিব অর্থাৎসর্ব্বশক্তিমান আৰু দয়াবান খোদাই যাক প্ৰেৰণ কৰিছে॥

ম: ৫। সি: ২৩। সূ: ৩৬। আ: ২-৫ ॥

সমীক্ষক—এতিয়া বিবেচনা কৰি চ'ক! কোৰাণ যদি ঈশ্বৰৰ ৰচিতেই হয়, তেনেহ'লে কোৰাণৰ নামত ঈশ্বৰে শপত খাব কিয়? আৰু নবী খোদাতেই যদি প্ৰেৰিত হয়, তেনেহ'লে তেওঁৰ পালিত পুত্ৰ বধূৰ প্ৰতি কামাসক্ত হব কিয়? কোৰাণ বিশ্বাসী মাত্ৰকেই সৎ পথৰ পথিক বোলা বা যুক্তি নাই; কাৰণ যি পথত সত্যৰ বিশ্বাস, সত্যৰ প্ৰচাৰ, সৎ অনুষ্ঠান, নিৰপেক্ষতা, ন্যায় আৰু ধর্ম্মৰ যথার্থ আচৰণ প্ৰদর্শিত হয়, সেয়েই সৎ পথ। ইয়াৰ বিপৰীত অসৎ পথ, সি পৰিত্যাজ্য। কোৰাণত মুছলমান-সকলৰ ভিতৰত অথবা তেওঁলোকৰ খোদাৰ আচৰণতো এইবোৰ গুণৰ

পৰিচয় পোৱা নাযায়। মহম্মদ চাহেব সর্ব্বশ্রেষ্ঠ পয়গম্বৰ হোৱা হলে, সকলোতকৈ শ্রেষ্ঠ জ্ঞানী আৰু গুণবানো হ'লহেঁতেন। যেনেকৈ টেঙা বগৰী বেচা পোহাৰীয়ে নিজৰ বগৰি টেঙা বুলি নকয়—ইও তেনেকুৱা আত্মপ্রশংসা। ১৩০ ॥

১৩১। শিঙাৰ ধ্বনিৰ লগে লগে সকলোৱে কবৰৰ পৰা উঠি তেওঁলোকৰ প্ৰভুৰ অভিমুখে ধাবমান হব। সিহঁতৰ চৰণে কর্ম্মৰ সাক্ষী দিব। তেওঁৰ আদেশৰ বাহিৰে আন একোৱেই নাই। যেতিয়া তেওঁ যি সৃষ্টি কৰিব খোজে, মাত্ৰ কয় "হৈ যা" তেতিয়া সেইদৰেই হৈ যায়।

ম: ৫ সি: ২৩। সূ: ৩৬। আ: ৫১-৬৫-৮২ ॥

সমীক্ষক—এইবোৰ কেৱল অর্থহীন কথা! চৰণে নো কেতিয়াবা সাক্ষী দিব পাৰে নে? সেই সময়ত আদেশ দিবলৈ খোদাৰ বাহিৰে আন কোন আছিল? কাক আদেশ দিয়া হ'ল আৰু কোনে শুনিলে? কি বা হ'ল? যদি নাছিল, এই কথা মিছা। যদি আছিল তেনেহলে "খোদাৰ বাহিৰে আৰু একো নাছিল, খোদায়েই সকলো সৃষ্টি কৰিলে," এই কথাও মিছা। ১৩১ ॥

১৩২। তেওঁলোকক মদপীৰ আমোদজনক বগা মদপূর্ণ পাত্ৰৰ পৰা বিশুদ্ধ মদ পৰিবেশন কৰা হব। তেওঁলোকৰ কাষত চাকনয়না ৰমণীবোৰ অৱনতমুখী হৈ বহি থাকিব। কামহে যেন আবৃত কৰি ৰখা হৈছে। আমি নমৰিম নে? লূত নিশ্চয় পয়গম্বৰসকলৰ ভিতৰৰে এজন আছিল। তেওঁক আৰু তেওঁৰ পৰিয়ালৰ সকলোকে যেতিয়া মুক্তি দিয়া হ'ল; পাছৰবোৰৰ ভিতৰত এক বৃদ্ধা আছিল। তাৰ পাছত মই সকলোকে বিনাশ কৰিলো।

ম: ৬। সি: ২৩। সূ: ৩৭। আ: ৪৫-৪৬। ৪৮-৪৯। ৫৮। ১৩৩-১৩৬॥

সমীক্ষক—মুছলমানৰ মতে মদ হাৰাম্ অর্থাৎ নিষিদ্ধ বস্তু; কিন্তু তেওঁলোকৰ স্বর্গত মদেৰে নৈ বোৱায়। ইয়াৰ অর্থ কি? পৃথিবীত সকলো

ৰকম মদৰ নিষেধ কৰি ভালেই কৰিছিল, কিন্তু ইয়াৰ পৰিবৰ্ত্তে তেওঁলোকৰ বেহেস্তত মদাহীৰ সৃষ্টি কৰিছে। স্বৰ্গৰ ৰমণীবোৰৰ লগত আসক্ত হৈ থাকোতে মনৰ অৱস্থা স্থিৰে নাথাকে আৰু বোধহয় ভুৰাবোগ্য ৰোগো ভোগে। স্বৰ্গবাসীসকল দেহধাৰী হলে মৃত্যুগ্রস্তও নিশ্চয় হব আৰু দেহ নাথাকিলে ভোগবিলাসো কৰিব নোৱাৰে, গতিকে তেওঁলোকৰ সেই স্বৰ্গলৈ যোৱাই মিছা। লূতক যদি পয়গম্বৰ বুলি স্বীকাৰ কৰে, লূতৰ বিষয়ে বাইবেলত লিখা আছে যে, তেওঁৰ নিজৰ কন্যাবোৰৰ লগত সমাগম কৰাৰ ফলত দুটা সন্তান হৈছিল, এই কথা বিশ্বাস কৰে নে নকৰে? যদি স্বীকাৰ কৰে, তেনেহলে তেনে ব্যক্তিক পয়গম্বৰ বুলি মনাৰ অর্থ কি? খোদাই যদি এনেকুৱা ব্যক্তি আৰু তেওঁৰ সহযোগীবোৰক মুক্তি দিয়ে, তেনেহলে খোদাও তেওঁলোকৰ দৰেই। বুঢ়ীৰ গল্প কোৱা আৰু পক্ষপাত কৰি আনক বধ কৰা খোদা যথার্থ ঈশ্বৰ হব নোৱাৰে। এনেকুৱা খোদা মুছলমানহে হব পাৰে জগতৰ ঈশ্বৰ হব নোৱাৰে। ১৩২।

১৩৩। তেওঁলোক চিৰ দিন থাকিবৰ কাৰণে স্বৰ্গৰ দ্বাৰ মুকলি কৰি ৰখা হৈছে। তেওঁলোকে গাকত আউজি তাত উপবেশন কৰিব; তেওঁলোকক ফল, পানীয় আদি উপাদান যোগাব দিয়া হব আৰু আনত-নয়না সমবয়সীয়া ৰমণীসকলে তেওঁলোকৰ কাষত থাকিব। ……ফেৰিস্তা-সকলে তেওঁলোকক প্রণিপাত কৰিলে; কিন্তু চয়তানে তেওঁলোকক প্রণাম কৰিবলৈ স্বীকাৰ নকৰিলে। তেওঁ কাফেৰবোৰৰ ভিতৰতে এটা আছিল, আৰু অভিমান প্রকাশ কৰিলে। খোদাই তাক কলে—"অ চয়তান! মই যাক দুয়োহাতেৰে নির্ম্মাণ কৰিছো, তাক তোমাৰ প্রণিপাত কৰাত আপত্তি কি? তুমি উচ্চপদস্থসকলৰ ভিতৰতে এজন নেকি? ইমান বৃথা অহংকাৰ যে কৰিলা?" চয়তানে কলে—"তুমি মোক অগ্নিৰ পৰা আৰু সিহঁতক মাটিৰ পৰা সৃষ্টি কৰিছা; মই নিশ্চয় সিহঁততকৈ শ্রেষ্ঠ"। খোদাই কলে—"তুমি স্বৰ্গৰ পৰা দূৰ হোৱা, তুমি নিশ্চয় বহিষ্কৃত হ'লা। শেষ বিচাৰৰ

দিনা তোমাৰ ওপৰত মোৰ অভিশাপ নিশ্চিত থাকিল"। চয়তানে কলে "হে প্রভু! মৃতকবোৰৰ পুনৰুত্থানৰ দিন পর্য্যন্ত মোৰ প্রতি লানত অর্থাৎ অভিশাপ ঢিলাই দিয়া"। ঈশ্বৰে কলে—"যিবোৰৰ অভিশাপ ঢিলাই দিয়া হব, তুমিও নিশ্চয় তাৰ ভিতৰৰে এজন হবা"। চয়তানে কলে "মই তোমাৰ নামত প্রতিজ্ঞা কৰিছো, সকলোকে মই নিশ্চয় পথভ্রষ্ট কৰিম"। ম: ৬। সি: ২৩ সূ: ৩৮। আ: ৫০-৫২। ৭৩-৮২॥

সমীক্ষক—কোৰাণত লিখামতে স্বৰ্গত প্রমোদ উদ্যান, ভৱন, নদী আদি যদি আছিল, সেইবোৰ ভূত ভবিষ্যতৰ কাৰণে চিৰস্থায়ী নহয়। কাৰণ যিবোৰ সংযোগত উৎপন্ন হয় সেইবোৰ সংযোগ হোৱাৰ আগত নাছিল আৰু ভবিষ্যতে বিয়োগৰ পাছত নাথাকে। বেহেস্তই যেতিয়া এদিন নাথাকিব, তাৰ নিবাসীবোৰ কেনেকৈ সদায় থাকিব? কোৰাণত লিখা আছে যে, বেহেস্তত গাদী, গাৰু, ফল, পনীয় আদি বস্তু পাব, ইয়াৰ পৰা এয়েই প্রতীত হয় যে, যি সময়ত মুছলমানৰ মজহব অর্থাৎ ধর্ম্মমত প্রচাৰ কৰা হৈছিল, সেই সময়ত আৰব দেশ তেনে ধনী দেশ নাছিল। সেই কাৰণেই মহম্মদ চাহেবে স্বৰ্গত গাদী, গাৰু আদিৰ আশা দেখুৱাই গৰীৰ মানুহবোৰক তেওঁৰ মতৰ ফলীয়া কৰি ললে। আৰু য'ত ৰমণীৰ লগত সহবাস তাত চিৰ সুখ কত? সেই ৰমণীবোৰ নো তালৈ কৰ পৰা আহিল? অথবা ৰমণীবোৰ স্বৰ্গবাসীয়েই নেকি? যদি কৰবাৰ পৰা আহিছে তেনেহলে যাবও লাগিব। যদি স্বৰ্গৰেই নিবাসী তেনেহলে কয়ামতৰ (শেষ বিচাৰৰ) আগত কি কৰিছিল? নে একো নকৰাকৈ অবাৰত আয়ুস ক্ষয় কৰিছিল? এতিয়া খোদাৰ অসীম শক্তি চ'ক! খোদাৰ হুকুম আন সকলো ফেৰিস্তাই মানি আদম চাহেবক প্রণাম কৰিলে, চয়তানে নামানিলে। খোদাই চয়তানক কলে, "মই তেওঁক নিজৰ দুখন হাতেৰে সৃষ্টি কৰিছো, তুমি অভিমান নকৰিবা।" এই

কথাৰ পৰা অনুমান হয় যে, কোৰাণৰ খোদা দুই হতীয়া মানুহেই আছিল, গতিকে সেই খোদা ব্যাপক বা সৰ্ব্বব্যাপক কোতিয়াও হব নোৱাৰে। আৰু যেতিয়া "মই আদমতকৈ শ্রেষ্ঠ" বুলি চয়তানে সঁচা কথা কলে, তেতিয়া খোদাই বা কিয় খং কবিলে? খোদাৰ ঘৰ আকাশতহে নেকি? পৃথিবীত নহয় নেকি? তেনেহলে কাবা (মক্কাৰ মছ্জিদ) খোদাৰ ঘৰ বুলি আগতে কিয় লিখিছে? ঈশ্বৰ তেওঁৰ সৃষ্টিৰ পৰা কেনেকৈ পৃথক হব পাৰে? এই সৃষ্টিৰ সকলো ঈশ্বৰবেই। ইয়াৰ পৰা বুজিব পাৰি কোৰাণৰ খোদা কেৱল বেহেস্তৰহে অধিকাৰী। আকৌ বিবেচনা কৰি চাঁক, খোদাই চয়তানক তিৰস্কাৰ কৰি শাপভ্রষ্ট কবিলে, তাৰ পাছত চয়তানে খোচা-মোদ কৰাত প্রলয়ৰ দিন অর্থাৎ শেষ বিচাৰৰ দিনলৈকে শাপৰ পৰা মুক্তি পায়েই খোদাক কলে—"এতিয়া মই মানুহক যিমান পাৰো বিভ্রান্ত কৰি বিপথগামী কৰিম আৰু গদৰ অর্থাৎ বিপ্লৱৰ সৃষ্টি কৰিম। নিৰোৱাক তুমি বিপথগামী কৰা সেই বাৰক আৰু লগতে তোমাকো দোজখ অর্থাৎ নৰকত ৰাখিম। এতিয়া সজ্জন সকলে ভাবি চাঁক, খোদাই চয়তানক দুর্বুদ্ধিগ্রস্ত কৰে নে চয়তান নিজেই দুর্বুদ্ধিগ্রস্ত হয়? যদি খোদায়েই দুর্বুদ্ধি-গ্রস্ত কৰে তেনেহলে খোদা চয়তনেৰো চয়তান হল। চয়তান যদি নিজে নিজেই দুষ্ট হব পাৰে তেনেহলে অন্যান্য জীৱৰোৰো নিজে নিজেই দুষ্ট হব পাৰে, আৰু চয়তানৰ দুর্বুদ্ধি দিয়াৰ কোনো প্রয়োজনেই নাথাকে। ইয়াৰ বাহিৰেও বিদ্রোহী চয়তানক মানুহক বিপথগামী কৰিবলৈ খোদাই এৰি দিয়াত এয়েই প্রমাণ হয় যে, স্বয়ং খোদাও কুকর্ম্মত চয়তানৰ সহ-যোগী। যি নিজেই আনক প্রবৃত্তি দি চুৰি কৰোৱাই পাছত শাস্তি দিয়ে, তাতকৈ অন্যায় আৰু কি হব পাৰে? ১৩৩॥

১৩৪। আল্লাহে সকলো পাপৰ ক্ষমা কৰে, তেওঁ নিশ্চয় ক্ষমাকাৰী আৰু দয়ালু। কয়ামতৰ দিনা সমস্ত পৃথিবী তেওঁৰ

হাতৰ মুঠিত থাকিব আৰু সমস্ত আকাশত তেওঁৰ সোঁ-হাতত লগ্ন হৈ থাকিব। তেওঁৰ প্রকাশত সমস্ত পৃথিবী প্রকাশিত হব। জীৱৰ কর্ম্মৰ হিচাব-পত্র ৰখা হব, পয়গম্বৰ আৰু সাক্ষীবোৰৰ উপস্থিতিত বিচাৰ আৰু মীমাংসা কৰা হব।

ম: ৬। সি: ২৪। সূ: ৩৯। আ: ৫৩, ৭৫, ৬৯॥

সমীক্ষক—খোদাই যদি সকলো পাপ ক্ষমা কবে তেনেহলে তেওঁ সমস্ত সংসাৰক পাপত নিমগ্ন কৰে আৰু তেওঁ নির্দ্দয়। কাৰণ কোনো দুৰাচাৰীক দয়া বা ক্ষমা কৰিলে সি আৰু বেছিহে দুৰাচাৰী হৈ সৎ প্রবৃত্তিৰ মানুহৰ দুখৰ কাৰণ হব। অপৰাধৰ লেশমাত্র ক্ষমা কৰিলেও গোটেই জগত অপৰাধেৰেই ভৰি পৰে। ঈশ্বৰ অগ্নিৰ দৰে প্রকাশক নেকি? আৰু জীৱৰ কর্ম্মৰ হিচাব পত্র ক'ত জমা ৰখা হয়? হিচাব বা লিখে কোনে? খোদাই যদি পয়গম্বৰ আৰু সাক্ষীবোৰৰ ওপৰত নির্ভৰ কৰি কাম কৰে তেনেহলে সর্ব্বজ্ঞও নহয় আৰু সর্ব্বশক্তিমানো নহয়। তেওঁ যদি অন্যায় কৰি ন্যায় বিচাৰ কৰে, তেনেহলে জীৱৰ কর্ম্মানুসাৰেই কৰে। সেই কর্ম্ম পূর্বাপৰ আৰু বর্ত্তমান জন্মতো হব পাৰে। তেনেহলে ক্ষমা কৰা, বুদ্ধিত বা জ্ঞানত ভালা লগোৱা, শিক্ষা দিয়া, চয়তানৰ দ্বাৰাই কুবুদ্ধিত প্রবৃত্ত কৰোৱা, ভৱিষ্যতলৈ কর্ম্মৰ ফল বিচাৰা-ধীন ৰখা কেৱল নিৰর্থক আৰু অন্যায়ো। ১৩৪॥

১৩৫। গালিব অর্থাৎ সর্ব্বশক্তিমান আৰু সর্ব্বজ্ঞ আল্লাই এই কিতাপ প্রেৰণ কৰিছে। তেওঁ পাপ ক্ষমা কৰে আৰু তোবাঃ' অর্থাৎ অনুতাপ স্বীকাৰ কৰে। ম: ৬। সি: ২৪। সূ: ৪১। আ: ২৩॥

সমীক্ষক—আল্লাহৰ নামত এই কিতাপ নির্ব্বোধ সৰল মানুহে মানি ল'ক এই উদ্দেশ্যতেই এইদৰে কোৱা হৈছে। এইগ্রন্থত অলপ সত্য অৰশ্যে আছে; বাকীবোৰ অসত্য কথা। কিন্তু যিখিনি সত্য আছে

সেইখিনিও অসত্যব লগত মিহলি হোৱাত বিকৃত ৰূপ ধবিছে। সেই কাৰণেই কোৰাণ, কোৰাণব খোদা আৰু কোৰাণবিশ্বাসীসকল পাপব প্রবর্ত্তক, পাপী আৰু পাপব বিস্তাৰক। পাপক ক্ষমা কৰা ঘোৰতব অধর্ম্ম। পাপ ক্ষমা কৰিব, এই ধাৰণাতেই মুছলমানসকলে পাপ, উপদ্রব কৰাত কেতিয়াও ভয় নকবে। ১৩৫ ॥

১৩৬। তেওঁ দুই দিনত সপ্ত আকাশ নির্ম্মাণ কৰি প্রত্যেক আকাশত কামৰ আদেশ দিলে। তেওঁৰ ওচৰলৈ যেতিয়া আহিব তেতিয়া সিহঁতৰ চক্ষু, কর্ণ, আৰু চর্ম্মই সিহঁতৰ কৃত কর্ম্মৰ সাক্ষ্য দিব। সিহঁতে তেতিয়া সিহঁতৰ চর্ম্মক সুধিব "তুমি মোৰ বিৰুদ্ধে সাক্ষী দিয়া কিয়?" চর্ম্মই উত্তৰ দিব "কাৰণ আল্লাই আমাক আৰু সকলো বস্তুকে আহ্বান কৰিছে"। তেওঁ মৃতকক নিশ্চয় পুনর্জ্জীবিত কৰে॥ ম: ৬। সি: ২৪। সূ: ৪১। আ: ১২।২০।২১।৩৬ ॥

সমীক্ষক - মুছলমান ভাইসকল! তোমালোকে খোদাক সর্ব্বশক্তিমান বুলি মানা। তেওঁ দুদিনতহে সপ্ত আকাশ নির্ম্মাণ কৰিলে নে? যি সর্ব্বশক্তিমান তেওঁ মুহূর্ত্তৰ ভিতৰতেই সকলো নির্ম্মাণ কৰিব পাৰে। বাৰু, খোদাই যেতিয়া চকু-কাণ আৰু ছালক জড়-পদার্থ কৰি নির্ম্মাণ কৰিছে, তেনেহলে এইবোৰ কেনেকৈ সাক্ষী দিব। যদি সাক্ষীকে দিয়ে, তেনেহলে এইবোৰক জড় পদার্থ কৰাৰ কাৰণ কি? আৰু তেওঁ নীতিৰ পুর্ব্বাপৰ বিৰুদ্ধ কৰিলে কিয়? আটাইতকৈ আচৰিত অসত্য হল এয়ে যে, ছালে জীৱৰ বিৰুদ্ধে সাক্ষী দিলে আৰু জীৱই নিজৰ গাৰ ছালক সুধিলে "তুমি মোৰ বিৰুদ্ধে সাক্ষী দিলা কিয়?" আৰু ছালেও উত্তৰ দিলে, খোদাই যেতিয়া আমাৰ ধাৰায়েই সাক্ষী দিয়ালে আমি কি কৰিম?" বাৰু, এইবোৰ কেতিয়াবা সম্ভৱ হব পাৰেনে? উদাহৰণ স্বৰূপে কোনোৱে কলে "মই বন্ধ্যাৰ (বাঁজী) পুত্রৰ মুখ দেখিলো," যাৰ পুত্র আছে তেওঁ বন্ধ্যা হ'ল কেনেকৈ? আৰু যদি বন্ধ্যাই হয়, তেনেহলে

পুত্র হোৱা অসম্ভৱ। এইবোৰো তেনেকুৱাই মিছা কথা। খোদাই যদি মৰা মানুহক পুনৰ জীয়ায়, তেনেহলে আগতে মাৰে কেলেই? খোদা নিজেই মৰিব পাৰে নে নোৱাৰে? যদি নোৱাৰে, তেনেহলে মৃত্যু যে বেয়া তাক কেনেকৈ জানিব পাৰিলে? আৰু কয়ামতৰ ৰাতি অর্থাৎ প্রলয়ৰ দিনালৈকে মৰা জীৱবোৰ কোন মুছলমানৰ ঘৰত আশ্রয় লৈ থাকে? খোদাই মৰাৰ লগে লগে জীৱবোৰৰ বিচাৰ নকৰাকৈ বিনা অপৰাধে শেষ বিচাৰৰ দিনলৈকে কিয় বিচাৰাধীন কৰি ৰাখে? এনেবোৰ কথাৰ পৰা ঈশ্বৰৰ ঈশ্বৰত্বক লাঘৱহে হয়। ১৩৬ ॥

১৩৭। তেওঁৰ হাতত আকাশ আৰু পৃথিবীৰ চাবি কাঠি আছে। তেওঁৰ ইচ্ছানুসাৰে কাৰোবাৰ কাৰণে খাদ্য ভৰাল মুকলি কৰে, কাৰোবাক কষ্ট দিয়ে, তেওঁৰ যি ইচ্ছা তাকেই উৎপন্ন কৰে, কাৰোবাক পুত্র, কাৰোবাক কন্যা, কাৰোবাক পুত্র-কন্যা উভয়কে দিয়ে, আৰু কাৰোবাক বন্ধ্যা কৰে। এনেকুৱা শক্তিশালী কোনো নাই, খোদাই যাৰ লগত কথোপকথন কৰিবৰ যোগ্য। খোদাই হৃদয়ত বা অন্তৰালৰ ● পৰা জ্ঞান প্রকাশ কৰে, অথবা বার্ত্তা বাহক ফেৰিস্তা প্রেৰণ কৰে।

ম: ৬। সি: ২৫ সূ: ৪২। আ: ১২ ৪৬-৫১॥

● এই আয়তৰ ভাষ্য "তফচীৰ হুছৈনী"ত লিখা আছে যে, মহম্মদ চাহেবে দুখন পর্দ্দাৰ বাহিৰত থাকি খোদাৰ কথা শুনিছিল। এখন পর্দ্দা গুণাৰ আৰু আনখন আছিল বগা মুক্তামণিৰ। এই দুয়ো পর্দ্দাৰ মাজৰ ব্যৱধান অতিক্রম কৰিবলৈ ৭০ সত্তৰ বছৰ সময় লাগে। বিবেচকসকলে এতিয়া ভাবি চ'ক—এই খোদা পর্দ্দাৰ আঁৰত কথা কোৱা স্ত্রী নে খোদা? তেওঁলোকে বেচেৰা ঈশ্বৰবোৰ দুর্গতি কৰিলে। কত বেদ উপনিষদ আদি সত্য শাস্ত্রৰ প্রতিপাদিত পবিত্র পৰমেশ্বৰ আৰু ক'ত পর্দ্দাৰ আঁৰৰ পৰা কথোপকথনকাৰী কোৰাণৰ খোদা! আচল কথা চ'ল সেই যুগত আৰৰ দেশৰ মানুহ বিদ্বান নাছিল, তত্ত্বজ্ঞানৰ শিক্ষা ক'ৰ পৰা পায়?

সমীক্ষক—.বাধহয় খোদাব হাতত চাবি-কাঠিব ভবাল আছে, যিহেতু তেওঁ সকলো ঠাইব তলা খুলিব লগা হয়! এইবোব কেৱল লবাবহে কথা। খোদাই নো পাপ-পুণ্যব বিবেচনা নকবাকৈ যাকে ইচ্ছা তাকে ঐশ্বর্য্যবান অথবা ঐশ্বর্য্যব পবা বঞ্চিত কবে নে? সেয়ে হ'লে তেওঁ নিশ্চয় অন্যায়কাবী হব। কোবাণ বচনাকাবীব চতুবতাব নমুনা চ'ক! ইয়াব পবা নাবীসকলো বিমোহিত হৈ এই চতুব পাশত আবদ্ধ হব পাবে। সঁচাকৈয়ে যদি খোদাই যি ইচ্ছা তাকে উৎপন্ন কবে, তেনেহলে দ্বিতীয় খোদাব সৃষ্টি কবিব পাবেনে নোৱাবে? যদি নোৱাবে বুলি কোৱা হয়, তেনেহলে তেওঁব সর্বশক্তি মত্তা মিছা কথা হয়। খোদাই বাক মানুহব ভিতবত যাক ইচ্ছা তাকে পুত্র-কন্যা দিয়ে, কিন্তু কুকুবা, মাছ আৰু গাহবি আদিক, অনেক পোৱালি দিয়ে, বিনা সমাগমে পুত্র-কন্যা নিদিয়ে কিয়? .৮নো কোনো নাবীক তেওঁব ইচ্ছা মতে বন্ধ্যা কবি অভাগিনী কবে কিয়? খোদাব এনে তেজস্বিতা যে, তেওঁব সম্মুখত কোনেও কথা কব নোৱাবে। কিন্তু কৈছে যে, যবনিকাব অন্তবালব পবা কথা পাতিব পাবি, ফেবিস্তা আৰু পয়গম্বৰব লগত কথা পতা হয়। সেইবোব বোধহয় তেওঁলোকব স্বার্থ সিদ্ধি কবাবেই কৌশল। খোদা সর্ব্বজ্ঞ আৰু সর্ব্বব্যাপী হলে পর্দ্দাব আঁবব পবা কথা পতা বা ডাক যোগেবে সম্বাদ লোৱাব দবে জনা আৰু লিখা নিবর্থক আৰু নিস্প্রয়োজন। যি তেনে কবে, তেওঁ খোদাই হব নোৱাবে, কোনো ধূর্ত্ত মানুহেহে তেনে কবে। গতিকে এই কোবাণ কেতিয়াও ঈশ্বৰব বচিত হব নোৱাবে। ১৩৭॥

কোৰাণ বাইবেলৰ বিৰুদ্ধ

১৩৮। ঈছাই যেতিয়া প্রত্যক্ষ প্রমাণ সহ আগমন কবিলে···।
মঃ ৬। সিঃ ২৫। সূঃ ৪৩। আঃ ৬৩॥

সমীক্ষক—ঈছা (যীচু) যদি খোদাবেই প্রেবিত হয়, তেনেহলে খোদাই যীচুব উপদেশব বিৰুদ্ধে কোবাণ বচনা কবিলে কিয়? নব্য বাইবেল (নিউটেষ্টামেণ্ট) আৰু কোবাণ পবস্পব বিবদ্ধ, গতিকে এই দুই গ্রন্থব কোনো খনেই ঈশ্বৰব বচিত নহয়। ১৩৮

১৩৯। সিহঁতক ধবি টানি টানি নবকত নি থবা; সিহঁত তাতেই থাকিব। মই সুলোচনা আৰু গৌববর্ণা নাৰীব লগত সিহঁতব বিয়া কবাই দিম। মঃ ৬ সিঃ২৫। সূঃ ৪৪। আঃ ৪৭ ৫৪॥

সমীক্ষক—ন্যায়পবায়ণ খোদাই নো প্রাণীবোবক ধবি টানি নবকলৈ নিবলৈ কয় নে? মুছলমানব খোদাই যদি এনে, তেনেহলে সেই খোদাব উপাসকসকলে দুর্ব্বল আৰু অসহায় প্রাণীক ধবি টানি নিয়াত আচবিত হব লগাব কি আছে? খোদাই যদি বিয়াও কবাই দিয়ে তেনেহলে বুজিব লাগিব যে, তেওঁ মুছলমানসকলব বিয়াত পুবোহিতব কাম কবে।১৩৯॥

১৪০। তোমালোকে যেতিয়া কাফেববোবব সম্মুখীন হোৱা, সিহঁতব জীৱনব শেষ নোহোৱালৈ সিহঁতব গলত প্রহাব কবিবা। সিহঁতক কঠোব ভাবে বন্দী কবি বাখিব। তোমালোকব নগবতকৈ অধিক প্রতাপশালী নগবব অধিবাসীবোবে তোমালোকক যে, বিতাবণ কবিছিল, মই সিহতক বিনাশ কবিছো, আৰু কোনোৱে সিহঁতক সহায় কবা নাই। ধর্ম্ম বিশ্বাসীবোবক যি বেহেস্তব প্রতিশ্রুতি দিয়া হৈছে, তাত শুদ্ধ সলিলব নদী আৰু দুগ্ধব ধাবা প্রবাহিত হব লাগিছে, তাব স্বাদ কেতিয়াও পবিবর্ত্তন নহয়। তাত মদপীবোবব আমোদব কাবণে মদিকাব নদী আৰু মধুব নদীও প্রবাহিত হৈ আছে। সেই স্বর্গবাসীবোবব কাবণে মালিকে [প্রভুৱে] নানা ধবণব ফল দান কবিছে। মঃ ৬। সিঃ ২৬। সূঃ৪৭। আঃ৪। ১৩।১৫॥

সমীক্ষক—এই কাবণেই এই কোবাণ, খোদা আৰু মুছলমানসকল বিপ্লবব সৃষ্টিকাবী, সকলোবে দুখ অশান্তিব কাবণ, স্বার্থপব আৰু

নির্দ্দয়। কোৰাণত যেনেকৈ লিখা আছে, ভিন্ন মতাবলম্বীবোৰেও যদি মুছলমানসকলৰ প্ৰতি তেনেই আচৰণ কৰে, মুছলমানৰ আচৰণত সিহঁতৰ যেনে কষ্ট অনুভৱ হয় সিহঁতৰ আচৰণো মুছলমানসকলৰ মনত তেনে কষ্টকৰ হব নে নহয়? যিবোৰে মহম্মদ চাহেবক বিতাবিত কৰিছিল সিহঁতকো খোদাই সেই কাৰণেই বিনাশ কৰিছিল যদি, খোদা ঘোৰ পক্ষপাতী। য'ত বিশুদ্ধ পানী, দুগ্ধ, মদ, আঙ্গুৰ মৌৰ নদী আছে সেই ঠাই এই সংসাৰতকৈ শ্ৰেষ্ঠ হব পাবে নে? দুগ্ধৰ নৈ বোৱাটো সম্ভৱ হব পাৰে নে? গাখীৰ অলপ সময়ৰ ভিতৰতেই বিকৃত হৈ যায়। এই কাৰণে সুধীসকলে কোৰাণৰ মত বিশ্বাস নকৰে ॥১৪০॥

স্বৰ্গৰ জীৱন

১৪১। যেতিয়া পৃথিবী তল-ওপৰ কৰিবলৈ ধৰিব, তেতিয়া পৰ্ব্বত বোৰ চূৰ্ণ বিচূৰ্ণ হৈ কীট-পতঙ্গৰ দৰে উৰি ফুৰিব। তেতিয়া কিছুমান সোঁ ফালে আৰু কিছুমান বা বাওঁ ফালে থাকিব। তেওঁলোকে সোণৰ গুণাৰে বোৱা পালঙ্কৰ ওপৰত গাকৰে সৈতে মুখামুখি হৈ উপবেশন কৰিব। মদৰ পিয়লা হাতত লৈ ল'ৰাবোৰে তেওঁলোকৰ কাষলৈ অহাযোৱা কৰি থাকিব। তাৰ পৰা সিহঁতৰ মূৰৰ বেদনা নহয়, আৰু সিহঁতে কোনো বিকৃদ্ধ কথাবতৰাও নকয়। তেওঁলোকৰ ইচ্ছা মতে ফল আৰু পশুপক্ষীৰ মাংস পাব। ৰমণী সকলৰ অপূৰ্ব্ব শয্যা প্ৰস্তুত হৈ থাকিব। সিহঁতক বিশেষ ভাবে সৃষ্টি কৰি কুমাৰী কৰি ৰখা হৈছে। সিহঁত মনমোহিনী আৰু সমবয়সী। সিহঁতবে লগত তোমালোকে হেপাহ পূৰণ কৰিবা। মই পতন মুখী তৰাবোৰৰ নামত প্ৰতিজ্ঞা কৰি কৈছো। মঃ ৭। সিঃ ২৭। সুঃ ৫৬। আঃ ৪।৫।৬।৮।৯।১৫-২৪-৩৫-৩৭।৫৩।৭৫।

সমীক্ষক—কোৰাণ ৰচয়িতাৰ লীলা মহিমা এতিয়া মন কৰিবলগীয়া! পৃথিবীচোন সদায় ঘূৰিয়েই থাকে আৰু সদায়েই ঘূৰি বা লৰি

থাকিব। ইয়াৰ পৰা যি বুজিব পৰা যায় কোৰাণ ৰচয়িতাৰ ধাৰণা মতে পৃথিবী একে স্থিৰে থাকে। পৰ্ব্বতবোৰক পতঙ্গৰ দৰে উৰুৱাই দিব নেকি? পৰ্বতবোৰ কীট-পতঙ্গত পৰিণত হলেও সিহঁত ক্ষুদ্ৰ দেহধাৰী হৈ থাকিব; তেতিয়া হলে সিহঁতৰ জন্মান্তৰ বা পুনৰ্জ্জন্ম নহব নে? আৰু খোদা সাকাৰ দেহধাৰী নহলে তেওঁ সোঁ আৰু বাওঁফালে থিয় হোৱাটো কেনেকৈ সম্ভৱ হব পাৰে? সেই ঠাইত সোণৰ গুণাৰে বোৱা পালঙ্ক আছে যদি, তাত বাঢ়ৈ আৰু সোণাৰীও আছে। আৰু বোধহয় উৰহৰ কামোৰত সেই স্বৰ্গবাসীবোৰৰ বাতি টোপনিৰ ব্যাঘাতো হয়। তাৰ স্বৰ্গবাসীবোৰে বাৰু গাকত আউজি নিশ্চেষ্ট হৈ কাল যাপন কৰে, নে কোনো কামত নিযুক্ত হৈ থাকে? একেবাৰে বহি বহি থাকোতে আহাৰ পানী হজম নহৈ বোধহয় ৰোগগ্ৰস্তহৈ মৃত্যুৰ মুখতো পৰিব লগা হয়। যদি তাতো কাম কৰিব লগা হয়, তেনেহলে তেওঁলোকেও সেই ঠাইৰ শ্ৰমজীবীৰ দৰেই পৰিশ্ৰম কৰি জীৱন নিৰ্ব্বাহ কৰিব লগা হয়। সেয়ে হলে পৃথিবীৰ তুলনাত সেই বেহেস্তৰ বিশেষত্ব কি? নিশ্চয় বিশেষত্ব নাই। সেই বালকবোৰে যদি চিৰকাল স্বৰ্গত বাসকৰে, তেনেহলে সিহঁতৰ মাক বাপেক, শহুৰ শাহুয়েক আদিও তাতেই থাকে। সেয়ে হলে সেই স্বৰ্গ এখন বিশাল নগৰৰ দৰে জনসমাগমৰ কোলাহলৰ স্থল। গতিকে মলমূত্ৰাদিৰ আবৰ্জ্জনাত অনেক লোক ৰোগত আক্ৰান্তও হব লগা হয়। স্বৰ্গবাসীবোৰে ফল খায়, বিশুদ্ধ জল আৰু পিয়লাই পিয়লাই মদ পান কৰে, তাৰ পৰা কাৰো মস্তিস্কৰ বেদনা নহয়, কোনোৱে বিশুদ্ধ কথা নকয়। ফল মূল বা পশুপক্ষীৰ মাংস অধিক পৰিমাণে খালেও ৰোগ-দুখ হোৱাৰ সম্ভাৱনা। কচাইৰ দোকানো আছে আৰু পশুপক্ষীৰ হাড় মুৰবোৰো য'তে পায় ত'তে বোধহয় পৰি থাকে। এই দিবা স্বৰ্গৰ কিমান প্ৰশংসা শুনিব? সেই স্বৰ্গ আৰৱ দেশতকৈ শ্ৰেষ্ঠ যুক্তি ধাৰণা হয়। স্বৰ্গবাসীসকলে মদ পান আৰু মাংস ভক্ষণ কৰি উন্মত্ত হৈ পৰে।

সেই নিমিত্তেই তেওঁলোকৰ কাৰণে সুন্দৰী নাৰী আৰু বালকৰো প্ৰয়োজন হয়, নহলে মদৰ জ্বালত মস্তিষ্কৰ উত্তাপ অতিকৈ বাঢ়িলে চৈতন্যহীন হৈ পৰিব পাৰে। তাত বহু স্ত্রী-পুৰুষৰ শয়ন উপবেশনৰ বাবে বহু পৰিমাণে প্ৰশস্ত শয্যাৰো প্ৰয়োজন হয়। ঈশ্বৰে যদি স্বৰ্গত কুমাৰধোৰক উৎপন্ন কৰে, কুমাৰীবোৰকো নিশ্চয় উৎপন্ন কৰে। বাক, খোদাই কোৰাণত যে কৈছে যিসকলে পৃথিবীৰ পৰা আশা কৰি স্বৰ্গলৈ যায়, সেই কুমাৰীবোৰৰ লগত তেওঁলোকৰ বিয়া কৰি দিয়া হয়, তেনেহলে চিৰস্বৰ্গবাসী সেই কুমাৰবোৰে কাৰ লগত বিয়া কৰিব? সেইটো কোৰাণত লিখা হোৱা নাই। তেনেহলে সেই বালকবোৰকো কুমাৰী ছোৱালীবোৰৰ দৰেই স্বৰ্গসুখভোগীসকলৰ হাততেই অৰ্পণ কৰা হব নেকি! এই বিষয়ে কোনো ব্যবস্থাৰ কথা নিলিখি খোদাই এক গুৰুতৰ ভ্ৰমত পৰিলে কিয়! আৰু স্বৰ্গবাসী সুন্দৰী যুৱতীবোৰে সমবয়সৰ পতি লাভ কৰাৰ যি ব্যৱস্থা কৰিছে সিও যুক্তিসঙ্গত হোৱা নাই, কাৰণ পত্নীতকৈ পতিৰ বয়স দ্বিগুণ হোৱা বা আঢ়ৈগুণ হোৱা উচিত।

এই হল কোৰাণৰ স্বৰ্গৰ বিৱৰণ। নৰকবাসীবোৰৰ বিষয়ে লিখা আছে যে, সিহঁতে "মোহড়" (এবিধ কাইটৰ গছৰ) গুটি খাই পেট ভৰাব। বুজা যায় যে, কাঁইটে জীৰবোৰক বিন্ধিবও পাৰে। নৰকবাসীবোৰে গৰম পানী খাব লাগে, এইবোৰো দুখদায়ক। সচৰাচৰতে মিথ্যাবাদী মানুহেহে কথাই কথাই শপত খায়, সত্যবাদী মানুহে শপত কেতিয়াও নাখয়। খোদায়ো যদি শপত খায়, তেনেহলে মিথ্যাবাদী আৰু তেওঁৰ মাজত পাৰ্থক্য থাকিব কি? ১৪১॥

১৪২। যিবোৰ মানুহে আল্লাহৰ পথত যুদ্ধ কৰে তেওঁলোকেই তেওঁৰ প্ৰিয়। মঃ ৭। সিঃ ২৮। পুঃ ৬১। আঃ ৪॥

সমীক্ষক—বাহ! এনেকুৱা উপদেশ দিয়েই আৰৱৰ জনসাধাৰণৰ পৰস্পৰৰ ভিতৰত বিদ্বেষ, যুদ্ধ বিগ্ৰহ কৰাই সকলোবে অশান্তিৰ সৃষ্টি

কৰালে। ধৰ্ম্মৰ ধ্বজা আগত লৈ আৰৱদেশক বিদেশ আৰু যুদ্ধৰ ক্ষেত্ৰ কৰিলে। তেনে পুৰুষক কোনো জ্ঞানী মানুহে ঈশ্বৰ বুলি ভাবিব নোৱাৰে। যি স্বজাতিৰ ভিতৰত বিদ্বেষৰ সৃষ্টি কৰে তেওঁৰেই সকলোবে দুখ-দুৰ্গতিৰ বাবে দায়ী। ১৪২॥

১৪৩। হে নবী! খোদাই তোমাৰ কাৰণে যি বস্তু হালাল কৰিছে তাক তুমি কিয় হাৰাম কৰা? তোমাৰ বীবীসকলক প্ৰসন্ন কৰিব খোজা যদি আল্লাহ ক্ষমাকাৰী, দয়ালু। .....পয়গম্বৰে তোমালোকক পৰিত্যাগ কৰিলে তেওঁৰ মালিকে তোমালোকৰ পৰিবৰ্ত্তে তেওঁৰ কাৰণে তোমালোকতকৈও ভাল মুছলমান ধৰ্ম্মবিশ্বাসিনী, সেৱাপৰায়ণা, অনুতপ্তা, ৰোজাপালন কাৰিণী, ভক্তিমতী, পুৰুষ দেখা নাইবা নেদেখা স্ত্রী দিব।

মঃ ৭। সিঃ ২৮। সুঃ ৩৬। আঃ ১।৫॥

সমীক্ষক—এইবোৰ কথা ভাবি চালে খোদা মহম্মদ চাহেবৰ বেগম খানা অৰ্থাৎ অন্তঃপুৰৰ আৰু বাহিৰৰ প্ৰৰন্ধকাৰী কৰ্ম্মচাৰী যেন হে বোধহয়। প্ৰথম আয়তৰ বিষয়ে দুটা আখ্যায়িকা আছে, তাৰ ভিতৰত এটা হ'ল—মহম্মদ চাহেবৰ মৌৰ চৰবত অতি প্ৰিয় আছিল। তেওঁৰ বীবী অনেক আছিল। একদিন এক বীবীৰ ঘৰত চৰবত পান কৰি থাকোঁতে পলম হোৱাত আনবোৰে ইৰ্ষাত সহিব নোৱাৰা হয়। তেওঁলোকৰ কথাৰ ঠেকেচনিৰ পাছত মহম্মদ চাহেবে আৰু চৰবত নাখাওঁ বুলি শপত খালে। দ্বিতীয়টো হ'ল যে, তেওঁৰ বীবীবোৰৰ ভিতৰত যিজনীৰ যিদিনা পাল পৰিল তেওঁৰ ঘৰলৈ বাতি গৈ তেওঁ সেই বীবীক ঘৰত নাপালে (ধৰি লোৱা হওক বীবী বাপেকৰ ঘৰলৈ গৈছিল) মহম্মদ চাহেবে তেতিয়া তেওঁৰ এজনী দাসীক মাতি আনি পবিত্ৰ কৰিলে। সেই বীবীয়ে পাছত সেই কথা জানিব পাৰি খং আৰু বেজাৰত ওফন্দি

পৰিল। তেতিয়া মহম্মদ চাহেবে তেনে কাম আৰু ভৱিষ্যতে কেতিয়াও নকৰোঁ বুলি শপত খাই অন্যান্য বীবীবোৰক সেই বিষয়ে নজনাৰ কাৰণে অনুবোধ কৰিলে। সেই বীবীয়ে সেই কথা কাকো নকওঁ বুলি কৈয়ো পাছত অন্য বীবীৰ আগত কলে। সেই উপলক্ষতেই খোদাই এই আয়তৰ অৱতাৰণা কৰে,—"মই যি বস্তু তোমাৰ কাৰণে বধ্য কৰিছো তুমি তাক অবধ্য কৰিছা কিয় ?" এতিয়া বিবেচনাশীলসকলে ভাবি চ'ক। খোদাইনো কাবোৰাৰ মিঞা-বীবীৰ (গিবিয়েক-ঘৈণীয়েক) কলহতো মধ্যস্থতা কৰে নে? এইবোৰ ঘটনাৰ পৰা মোহম্মদ চাহেবৰ নৈতিক চৰিত্রও বুজিব পৰা যায়। যাৰ অনেক বীবী, তেওঁ কেনেকৈ খোদাৰ ভক্ত বা পয়গম্বৰ হব পাবে? যি এজনী বীবীক অধিক প্রেম আৰু সম্মান আৰু আনজনীক কম প্রেম আৰু অসম্মান কৰে, তেওঁ পক্ষপাতী আৰু অধাৰ্ম্মিক নহব কিয়? যাৰ বহুত বীবী থকা সত্ত্বেও দাসীত আসক্ত হয়, তেওঁৰ লাজ, ভয় আৰু ধর্ম্ম ক'ত থাকে! কোনোবা কবিৰ উক্তি :—

"কামাতুৰাণাং ন ভয়ং ন লজ্জা"॥

কামাতুৰ মানুহৰ পাপ আচৰণত ভয় লাজ নাই! মুছলমানসকলৰ খোদাই-পয়গম্বৰ চাহেব আৰু বীবীবোৰৰ ভিতৰত বাদ-বিবাদ হলে মীমাংসা কৰিবলৈ মধ্যস্থতা কৰে। এতিয়া সুধীসকলে ভাবি চ'ক, এই কোৰাণ খোদাৰ বা কোনো বিদ্বান পুৰুষৰ বচিত নে কোনো অজ্ঞান বা স্বার্থপৰৰ বচিত?

দ্বিতীয় আয়তৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে, মহম্মদ চাহেবৰ কোনো বীবী তেওঁৰ আচৰণত বিবক্ত হলে খোদাই তেওঁক ভয় দেখুৱাৰৰ নিমিত্তেই এই আয়তৰ অৱতৰণা কৰিছে; —"তোমালোকে যদি পয়গম্বৰৰ প্রতি বিবক্ত হোৱা আৰু তেওঁ যদি তোমালোকক পৰিত্যাগ কৰে তেনেহলে খোদাই তেওঁক তোমালোকতকৈয়ো সুন্দৰী আৰু আগতে পুৰুষৰ সংসর্গ নকৰা বীবী দিব"। অতি সামান্য বুদ্ধি থকা মানুহেও বুজিব পাবে যে,

এইবোৰ খোদাৰ কথা নহয়, কোনো ধূর্ত্ত স্বার্থপৰ মানুহৰহে কথা। ইয়াৰ পৰা এয়েই প্রমাণ হয় যে, খোদাই এইবোৰ কথা কেতিয়াও কোৱা নাই, মহম্মদ চাহেবে নিজৰ উদ্দেশ্য পুর্ণ কৰিবৰ নিমিত্তেই দেশ-কাল বুজি খোদাৰ নামত সকলো কথা কৈছে। যিসকলে এইবোৰ খোদাৰ কথা বুলি কয়, আমিহে নালাগে যেই কোনো বিবেচনাশীল মানুহে নকৈ নোৱাৰে, তেওঁলোকৰ খোদা জানিবা মহম্মদ চাহেবৰ বীবী যোগাৰ আৰু শাসন কৰি ফুৰা নাপিতহে। ১৪৩॥

১৪৪। হে নবী! কাফেৰবোৰৰ লগত যুদ্ধ কৰা, আৰু গুপ্ত শত্রুবোৰৰ প্রতি কঠোৰ ব্যৱস্থা কৰা।

ম: ।৭ সি: ২৮। সূ: ৩৬। আ: ৯।

সমীক্ষক—মুছলমান খোদাৰ কাণ্ড চ'ক! তেওঁ অমুছলমান মতাৱলম্বী সকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পয়গম্বৰ আৰু মুছলমানবোৰক উত্তেজিত কৰিছে। এই কাৰণেই মুছলমান সকল সদায় হিংসা বিবাদ আদিতে মগ্ন হৈ থাকে। পৰমেশ্বৰে যেন কৃপা কৰি তেওঁলোকৰ অন্তৰত সৎ মতি দিয়ে, তেওঁলোকে যাতে উপদ্রৱ কৰিবলৈ এৰি সকলোৰে লগত প্রেম প্রীতিৰ ব্যৱহাৰেৰে বসবাস কৰিব পাৰে। ১৪৪॥

১৪৫। সেই দিনা আকাশ ছিন্ন ভিন্ন হৈ অন্ত হব। ফেৰিস্তা (স্বর্গীয় দূত) বোৰ এদাঁতিত উপস্থিত হব। সেই দিনা আঠজন দূতে মালিকৰ পালেং তুলিব; তোমালোকসকলোকে তেওঁৰ আগলৈ অনা হব, আৰু কোনো গোপন কথা গোপনহৈ নাথাকিব। যাৰ সোঁ হাতত কর্ম্মৰ হিচাপ পত্র দিয়া হব, তেওঁলোকে কব "আমাৰ এই পত্র পাঠ কৰা," কিন্তু যাৰ বাওঁহাতত তেনেকৈ কর্ম্মৰ পত্র দিয়া হব, তেওঁলোকে কব "হাঁয়! হাঁয়! আমাক এই কর্ম্ম পত্র নিদিয়া হলে ভাল হলহেঁতেন॥"

ম: ৭। সি: ২৯। সূ: ৬৯। আ: ১৬।১৭।১৮।১৯।২৫

সমীক্ষক—বাহ কি ফিলচফি! আৰু কেনে যুক্তি সঙ্গত কথা! আকাশ জানো কেতিয়াবা ছিন্ন ভিন্ন হব পাৰে? আকাশ কোনো বস্তুৰ দৰে নেকি যে ছিন্ন ভিন্ন হব? ঊৰ্দ্ধলোককেই আকাশ বুলি যদি ধৰে, সেই ধাৰণা জ্ঞান বিজ্ঞানৰ বিৰুদ্ধ। কোৱাণৰ খোদা যে দেহধাৰী সেই বিষয়ে আৰু সন্দেহ নাই। পালেঙত বহা, আঠ জন বাহকৰ দ্বাৰাই তোলা, এইবোৰৰ কাম মুৰ্ত্তিমান নহলে হব নোৱাৰে, আগলৈ পাছলৈ বা কাষলৈ অহা যোৱা কৰাও মুৰ্ত্তিমানৰহে সম্ভৱ হব পাৰে। খোদা মুৰ্ত্তিমান হলে একদেশী; একদেশী হলে সৰ্ব্বজ্ঞ, সৰ্ব্বব্যাপক আৰু সৰ্ব্বশক্তিমান নহয় আৰু জীৱবোৰৰ সকলো কৰ্ম্ম কেতিয়াও জানিব নোৱাৰে। পুণ্যবানবোৰৰ সোঁ-হাতত তেওঁলোকৰ কৰ্ম্মৰ হিচাপ পত্ৰ দিয়া, সেইবোৰ পাঠ কৰোৱা আৰু তেওঁলোকক স্বৰ্গলৈ পঠোৱা; পাপীবোৰৰ বাওঁহাতত কৰ্ম্মৰ হিচাপ পত্ৰ দিয়া, সিহঁতক নৰকলৈ পঠোৱা আৰু কৰ্ম্মপত্ৰ পঢ়ি ন্যায় সঙ্গত বিচাৰ কৰা একেবাৰেই আচৰিত কথা। এইবোৰ নো সৰ্ব্বজ্ঞৰ কাম নে? এইবোৰ কেৱল সৰু লৰাৰ খেলৰ দৰেহে। ১৪৫ ॥

১৪৬। যিদিনা ফেৰিস্তাবোৰ আৰু আত্মাবোৰ উত্তৰণ কৰিব, সেই দিনটো পঞ্চাশ হেজাৰ বছৰৰ সমান দীঘল হব। যেতিয়া আত্মাবোৰ কবৰৰ পৰা ওলাই দৌৰি গৈ থাকিব, তেতিয়া বোধ হব, সেইবোৰ যেন কোনো "বুত" অৰ্থাৎ মুৰ্ত্তিৰ ফালে যাব লাগিছে। ম: ৭। সি: ২৯। সূ: ৭০। আ: ৪-৪২ ॥

সমাক্ষক—দিনৰ পৰিমাণ পঞ্চাশ হেজাৰ বছৰ হলে ৰাতিও পঞ্চাশ হেজাৰ বছৰৰ সমান নহব কিয়? ৰাতিও ইমান দীঘল নহলে দিন ইমান দীঘল কেতিয়াও হব নোৱাৰে। এই পঞ্চাশ হেজাৰ বছৰ পৰ্য্যন্ত ফেৰিস্তাবোৰে খোদা আৰু কৰ্ম্ম পত্ৰ ধাৰী জীৱবোৰে বহিলে, থিয় হৈ ৰ'ল, নে অন্য কিবা বকমে সাৰ পাই আছিল? তেনেহলে সকলো আক্ৰান্ত হৈ পুনঃ মৰিব। জীৱবোৰ কবৰৰ পৰা ওলাই খোদাৰ আদালতৰ ফালে দৌৰিব জানো? জীৱবোৰ কবৰৰ ভিতৰত থাকোতে খোদাৰ চমন কেনেকৈ পায়? দুৰ্ভগীয়া পাপীবোৰক আৰু জগতে পুণ্যবান বোৰোকো সিমান দিন কবৰৰ ভিতৰত বিচাৰাধীন বন্দী কৰি ৰখা হয় কিয়? বৰ্ত্তমান বোধ হয় খোদাৰ আদালত বন্ধ হৈ আছে আৰু খোদা আৰু খোদাৰ ফেৰিস্তাবোৰ নিষ্কৰ্ম্মা হৈ আছে! নহলে তেওঁলোকে কি কৰিছে? বোধহয় নিজৰ নিজৰ ঠাইত বহি আছে, বা ইফালে সিফালে ঘুৰি ফুৰিছে অথবা শুই আছে, নাচ তামাচা চাই বিলাস-বিশ্ৰাম সম্ভোগ কৰিছে। এনেকুৱা অজ্ঞান অন্ধকাৰ আৰু কোনো ৰাজ্যত নাই। নিৰ্ব্বোধ বনবাসীৰ বাহিৰে আন কোনে এইবোৰ কথা বিশ্বাস কৰিব? ৪৬ ॥

১৪৭। তেওঁ নিশ্চয় তোমালোকক নানা ৰূপত উৎপন্ন কৰিছে। তোমালোকে দেখা নাই নে আল্লাই ইখনৰ ওপৰত সিখনকৈ কেনেকৈ সাতখন আকাশ সৃষ্টি কৰি তাৰ ভিতৰত চন্দ্ৰক প্ৰকাশক আৰু সূৰ্য্যক প্ৰদীপ কৰিছে?

ম: ৭ সি: ২৯ সূ: ৭১। আ: ১৪।১৫।১৬।

সমীক্ষক—খোদাই জীৱবোৰক সৃষ্টি কৰা হলে জীৱবোৰ অমৰ আৰু চিৰস্থায়ী হব নোৱাৰে। যি বস্তু উৎপন্ন হয় তাৰ বিনাশ অনিৰ্ব্বার্য্য। গতিকে সৃষ্টি হোৱা জীৱই কেনেকৈ অনন্ত কাললৈকে স্বৰ্গত বাস কৰিব? আকাশ নিৰাকাৰ আৰু বিভু; গতিকে ইখনৰ ওপৰত সিখনকৈ কেনেকৈ আকাশৰ নিৰ্ম্মাণ কৰা হ'ল? আন কোনো পদাৰ্থৰ আকাশ নাম ৰখাও অৰ্থহীন। এখনৰ ওপৰত এখনকৈ ওপৰা ওপৰিকৈ আকাশ নিৰ্ম্মাণ হলে তখন আকাশৰ মাজত চন্দ্ৰ আৰু সূৰ্য্য থাকিব নোৱাৰে। কাৰণ চন্দ্ৰ আৰু সূৰ্য্য সাত আকাশৰ মাজত থাকিলে ওপৰৰ একাংশ আৰু তলৰ একাংশ বা এফাল পোহৰ হব, দ্বিতীয় আকাশৰ পৰা আৰম্ভ কৰি বাকীবোৰ অন্ধকাৰেই থাকিব। এনেকুৱা কিন্তু কেতিয়াও দেখা নাই, গতিকে এইবোৰ একেবাৰেই মিছা। ১৪৭ ॥

১৪৮। এই মছজিদবোৰ আল্লাহৰ কাৰণেহে; গতিকে আল্লাহৰ লগত আন কাকো আহ্বান নকৰিবা।

মঃ ৭। সিঃ ২৯। সূঃ ৭২। আঃ ১৮।

সমীক্ষক—এই উপদেশ যদি সত্য হয় মুছলমানসকলে "লাইলাহ ইল্লাঃ মুহম্মদর্ৰছুলল্লাঃ" এই কলমাৰে খোদাৰ সহযোগীৰূপ মহম্মদ চাহেবক আহ্বান কৰে কিয়? এইয়া বোধহয় কোৰাণৰ বিৰুদ্ধ। যদি বিৰুদ্ধ নহয় বুলি কয়, তেনেহলে কোৰাণৰ বাক্যই মিছা প্ৰতিপন্ন হয়। মছজিদেই যদি খোদাৰ ঘৰ হয়, তেনেহলে মুছলমানসকল ঘোৰ পৌত্তলিক বা সাকাৰবাদী হয়। ক্ষুদ্ৰ মূৰ্ত্তিক ঈশ্বৰ প্ৰাপ্তিৰ স্থান বুলি বিশ্বাস কৰাত পৌৰাণিক আৰু জৈনসকলক "বুৎপৰস্ত" অৰ্থাৎ মূৰ্ত্তি পূজক বুলি ধৰিলে মুছলমানসকলক মূৰ্ত্তি-পূজক বুলি ধৰা নহব কিয়? (যি মছজিদক খোদাৰ ঘৰ বুলি মানে)। ১৪৮॥

১৪৯। সূৰ্য্য আৰু চন্দ্ৰক একত্ৰ কৰা হব। মঃ ৭। সিঃ ২৯। সূঃ ৭৫। আঃ ৯॥

সমীক্ষক—বাৰু, চন্দ্ৰ-সূৰ্য্য কেতিয়াবা এক হব পাৰে নে? চ'ক এতিয়া এইবোৰ কেনে অবোধৰ দৰে কথা! চন্দ্ৰ-সূৰ্য্যক একত্ৰ কৰাৰ প্ৰয়োজনেই বা কি? অন্যান্য লোকবোৰ একত্ৰ নকৰাৰ বা যুক্তি কি? খোদাই এনেকুৱা অসম্ভৱ কথাবোৰ কব পাৰে নে? এইবোৰ বিদ্বানৰ কথা নহয়, কেৱল অবিদ্বানৰহে কথা। ১৪৯॥

১৫০। চিৰ স্বৰ্গবাসী বালকবোৰে তেওঁলোকৰ কাষলৈ অহাযোৱা কৰিব। সেই বালকবোৰক দেখিলে মুক্তাৱলী জিলিকি থকা যেন তোমালোকৰ মনত বোধ হব। সিহঁতক সোণৰূপেৰে বিভূষিত কৰা হব আৰু সিহঁতৰ মালিকে সিহঁতক পবিত্ৰ মদিৰা পান কৰাব। মঃ ৫। সিঃ ৭। সূঃ ৬৭। আঃ ১৯।২১॥

সমীক্ষক—কওকচোন বাৰু, তাত মুক্তাৱলীৰ বালক-বাৰক ৰাখিবৰ প্ৰয়োজন কি? ঘুৰকবোৰে বা তিৰোতাসকলে তেওঁলোকক সন্তুষ্ট কৰিব নোৱাৰে নেকি? এনেকুৱা অস্বাভাবিক পাপ কৰ্ম্মত লিপ্ত কৰোৱাত কোৰাণৰ এই বাক্যই মূল হোৱাত আচৰিত হবৰ কাৰণ আৰু কি হব পাৰে? স্বৰ্গত প্ৰভু আৰু সেৱকৰ ভেদাভেদ অৰ্থাৎ প্ৰভুৰ প্ৰভুত্বৰ সুখ আৰু সেৱকৰ শ্ৰমৰ দুখ; এনে পক্ষপাত থাকিব কেলেই? খোদাই যদি সিহঁতক মদপান কৰায়, তেনেহলে খোদা সিহঁতৰ সেৱকৰ সমান নেকি? সেয়ে হলে খোদাৰ মহত্ব থাকিল কি? স্বৰ্গত স্ত্ৰীপুৰুষৰ সংসৰ্গ, গৰ্ভস্থিতি আৰু সন্তানৰ উৎপত্তি হয় নে নহয়? নহলে ইন্দ্ৰিয়ৰ সুখ-সম্ভোগ বৃথা হব আৰু হলে সেই জীৱবোৰ ক'ৰ পৰা আহে? খোদাৰ সেৱা ভক্তি নকৰাকৈ সেই জীৱবোৰে কেনেকৈ বেহেস্তত জন্ম লব পাৰে? যদি জন্ম লয়, তেনেহলে ধৰ্ম্মবিশ্বাস আৰু খোদাৰ ভক্তি নোহোৱাকৈয়ে অনায়াসে স্বৰ্গ লাভ কৰে। তেওঁলোকৰ ভিতৰৰে কিছুমানে যদি ধৰ্ম্মবিশ্বাসত স্বৰ্গ লাভ কৰে, আৰু কিছুমানে বিনা বিশ্বাসতেই স্বৰ্গ পাব পাৰে, তেনেহলে ইয়াতকৈ আৰু ঘোৰ অন্যায় কি হব পাৰে? ১৫০॥

১৫১। কৰ্ম্মৰ প্ৰতিফল দিয়া হব। আৰু পানৰ পাত্ৰ পূৰ্ণ হৈ আছে। সেই দিনা ফেৰিস্তাসকল আৰু 'ৰুহ' অৰ্থাৎ আত্মাবোৰ শ্ৰেণীবদ্ধ হৈ থিয় হৈ থাকিব।

মঃ ৭। সিঃ ৩০। সূঃ ৭৮। আঃ ২৬।৩৪।৩৮।

সমীক্ষক—সকলোৰে কৰ্ম্মানুসাৰেই যদি ফল পায় তেনেহলে হলে, ফেৰিস্তা, আৰু মুক্তাৰ দৰে বালকবোৰে কি কৰ্ম্ম অনুসাৰে চিৰদিনৰ কাৰণে বেহেস্ত লাভ কৰে? তাত পিয়লাই পিয়লাই মদ পান কৰাবোৰে মদৰ জালত মতলীয়া হৈ পৰস্পৰৰ ভিতৰত মাৰপিত কলহ বিবাদ নকৰিব নে? ৰুহ এটা ফেৰিস্তাবোৰৰ নাম, যি ফেৰিস্তাবোৰৰ ভিতৰত প্ৰধান। খোদাই সেই ৰূপ

আৰু আন সকলো ফেৰিস্তাক থিয় কৰাই সৈন্য বেহু বচনা কৰি তাৰ দ্বাৰাই জীৱবোৰক দণ্ড দিব নেকি? সেই সময়ত স্বয়ং খোদা থিয় হৈ থাকিব নে বহি থাকিব? খোদাই যদি কয়ামতৰ আগতেই সকলো সেনা লগাই চয়তানবোৰক ধৰায়, তেতিয়া হলে তেওঁৰ বাজ্য নিষ্কণ্টক হব পাৰে। ইয়াৰে নাম ঈশ্বৰত্ব। ১৫১॥

১৫২। তেতিয়া সূর্য্যক মোটোকাই জাপি লোৱা হব, নক্ষত্রবোৰ ম্লান আৰু পর্ব্বতবোৰ বিচলিত। তেতিয়া আকাশৰ ছাল একৰাই পেলোৱা হব।

ম: ৭। সিঃ ৩০। সূঃ ৮১। আঃ ১।২ ৩।১১।

সমীক্ষক—গোলাকাৰ সূর্য্যমণ্ডলক জাপি লোৱাৰ কথা অজ্ঞতাৰেই পৰিচায়ক। নক্ষত্রবোৰ নো কেনেকৈ মলিন অর্থাৎ ক'লা বা আন্ধাৰ হব? জড় পর্ব্বতে কেনেকৈ লৰচৰ কৰিব? আকাশ কিবা জীৱ জন্তু নেকি যাৰ ছাল চেলাই লব? এইবোৰ উক্তি কেৱল বনবাসী নির্বোধৰহে পৰিচায়ক। ১৫২॥

১৫৩। তেতিয়া আকাশ বিদীর্ণ হব, তৰাবোৰ খহি পৰিব, সাগৰ ফাটি চিতি যাব, আৰু কবৰবোৰক পুনর্জ্জীৱিত কৰি উথুওৱা হব। ম: ৭। সিঃ ৩০। সূঃ ৮২। আঃ ১।২।৩।৪॥

সমীক্ষক—ভাল কোৰাণ ৰচোঁতাৰ ফিলচফি! আকাশ ফাটি-চিতি যাব নেকি? নক্ষত্রবোৰ নো কেনেকৈ খহি পৰিব? সাগৰ কাঠ নেকি যে, ডোখৰ ডোখৰ হব? কবৰবোৰ মৰা নেকি যাক পুনর্জ্জীৱিত কৰিব পাৰে? এইবোৰ একেবাৰেই শিশুসহে কথা। ১৫৩॥

১৫৪। দুর্গ-প্রাসাদ বিশিষ্ট আকাশৰ নামত শপত। সেই কোৰাণ ছৰিফ (মহান) স্বর্গীয় লোৰ চন্দুকত সুৰক্ষিত আছে। ম: ৭। সিঃ ৩০। সূঃ ৮৫। আঃ ১।২৯। ২২॥

সমীক্ষক—কোৰাণ ৰচোঁতাৰ ভূগোল বা খগোলৰ জ্ঞান একেবাৰেই নাই—নহলে তেওঁ আকাশক দুর্গ প্রাসাদ বিশিষ্ট বুলি বর্ণনা কৰৰ কিয়? মেষ আদি ৰাশিবোৰক দুর্গ প্রাসাদ বোলা হৈছে, তেনেহলে নক্ষত্রবোৰক দুর্গপ্রাসাদ বোলা নহব কিয়? আচলতে সেইবোৰ দুর্গপ্রাসাদ নহয়, নক্ষত্র লোকহে। কোৰাণ জানো খোদাৰ লগত আছে? কোৰাণ যদি খোদাৰেই ৰচিত হয়, তেনেহলে খোদাও যুক্তি আৰু বিজ্ঞান বিৰুদ্ধ অজ্ঞানৰূপী আন্ধাৰত নিমগ্ন হৈ আছে। ১৫৪॥

১৫৫। সিহঁতে নিশ্চয় প্রতাৰণা কৰে, সিহঁত প্রতাৰক। মৰো প্রতাৰণা কৰো, গতিকে মৰো প্রতাৰক।

ম: ৭। সিঃ ৩০। সূঃ ৮৬ আঃ ২৫-২৬॥

সমীক্ষক—প্রতাৰণা কৰা প্রতাৰকৰহে কাম। খোদাও প্রতাৰক নে? চুৰিৰ প্রতিশোধ চুৰি আৰু মিছাৰ প্রতিশোধ মিছাই নেকি? কোনো সজ্জনৰ ঘৰত চুৰি কৰিলে সেই সজ্জনেও চুৰিকে কৰিব নেকি? ধন্য কোৰাণ ৰচকৰ যুক্তি! ১৫৫॥

১৫৬। যেতিয়া তোমাৰ মালিক ফেৰিস্তাবোৰ শ্রেণীবদ্ধ হৈ আগমন কৰিব, তেতিয়া তাৰৈ নৰককো আনা হব।

সঃ ৭। সিঃ ৩০। সূঃ ৮৯ আঃ ২২-২৩।

সমীক্ষক—চ'ক এতিয়া! মুছলমানৰ খোদা পুলিচ কর্ম্মচাৰী নেকি, অথবা সেনাপতিৰ দৰে শ্রেণীবদ্ধ ভাবে দলবল লৈ অহাযোৱা কৰে নেকি? নৰক টেকেলি কলহৰ দৰে নেকি, যাক য'লৈ ইচ্ছা ত'লৈকে ভাঙি নিব পাৰি? নৰক তেনে ক্ষুদ্র বস্তু হলে অসংখ্য পাপী তাত থাকিব কেনেকৈ? ১৫৬॥

১৫৭। খোদাৰ পয়গম্বৰে সিহঁতক কৈছিল, 'খোদাৰ এই উটজনীক ৰক্ষা কৰিবা আৰু পানী খুৱাবা"। কিন্তু সিহঁতে পাছত মিছা ভুৱা দিয়া বুলি সেই উটজনীৰ ঠেং কাটি পেলালে।

তাৰ ফলত তেওঁলোকৰ মালিকে তেওঁলোকৰ মাজলৈ মহামাৰী প্ৰেৰণ কৰিলে। মঃ ৭। সিঃ ৩০। সূঃ ৯১। আঃ ১৩-১ ॥

সমীক্ষক—খোদায়ো উটৰ পিঠিত উঠি ফুৰে নেকি ? সেয়ে নহলে উট ৰখাৰ প্ৰয়োজন কি ? খোদাই তেওঁৰ নিয়ম ভঙ্গ কৰি কয়ামতৰ আগতেই সিহঁতৰ নিমিত্তে মহামাৰী প্ৰেৰণ কৰিলে কিয় ? তেনেহলে সিহঁতক নিশ্চয় দণ্ড দিয়া হ'ল। গতিকে শেষ বিচাৰৰ দিনা আকৌ সিহঁতৰ বিচাৰ হোৱা, একেবাৰেই মিছা। উটজনীৰ বৃত্তান্তৰ পৰা অনুমান হয় যে, আৰৱ দেশত উটৰ বাহিৰে অন্য ভাৰবাহী জন্তু কম। গতিকে প্ৰমাণ হয় যে, কোনো আৰৱবাসীয়েই কো�ৰাণৰ ৰচক। ১৫৭।

১৫৮। সহজে নৰয় যদি কপালৰ আগৰ চুলি টানিম। সেই মূৰ (শিৰ) মিথ্যাবাদী পাপী। নৰকৰ ফে�ৰিস্তাক মতা হব।

মঃ ৭। সিঃ ৩০। সূঃ ৯৬ আঃ ১৫-১৬-১৮ ॥

সমীক্ষক—চোচৰাই টানি নিয়া নীচ আৰু চাপৰাচীৰ কাম, তেনে কাৰ্য্যৰ পৰাও খোদাই অব্যাহতি নাপা'লে! মূৰনো মিথ্যাবাদী আৰু পাপী হব পাৰে নে? যি জেলৰ দাৰোগাৰ দৰে—ফেৰিস্তাবোৰক মাতি পঠায়, তেওঁ কোনো জীৱ নহৈ খোদা হব পাৰে নে? ১৮৫।

১৫৯। নিশ্চয় 'কদৰ"-ৰাতিৰ মাজত মই কো�ৰাণ অৱতীৰ্ণ কৰিছো। কদৰ ৰাতি কি তাক তোমালোকে কেনেকৈ জানিবা? সেই কদৰৰ ৰাতিও ফেৰিস্তা আৰু পবিত্ৰ আত্মা তেওঁলোকৰ মালিকৰ কামৰ আদেশ লৈ অৱতৰণ কৰে।

মঃ ৭ সিঃ ৩০। সূঃ ৯৭, আঃ ১।২।৪।

সমীক্ষক—একে ৰাতিতেই যদি কোৰাণৰ অবতৰণ হল তেনেহলে সেই আয়ত অৰ্থাৎ "সেই সময়ত ধীৰে ধীৰে কোৰাণ অবতৰণ হল", এই কথা সচা কেনেকৈ হব? ৰাতি যে আন্ধাৰ তাত কাৰো

সন্দেহ নাই। মই আগত লিখি আহিছো যে, আকাশৰ তল ওপৰ একো নাই। কিন্তু কোৰাণত লিখিছে যে ফেৰিস্তাবোৰ, আৰু পবিত্ৰ আত্মা খোদাৰ আদেশত সংসাৰ ব্যৱস্থা কৰিবৰ কাৰণে আগমন কৰে, গতিকে ইয়াৰ পৰা বুজা যায় যে খোদা মানুহৰ দৰে একদেশী।

এতিয়ালৈকে আমি কোৰাণত ফেৰিস্তা, পয়গম্বৰ আৰু খোদাক দেখি আহিছো, এই তিনিৰ বাহিৰেও এতিয়া এক "পবিত্ৰাত্মাৰ" আবির্ভাব হল। এই পবিত্ৰাত্মা কি তাক জনা নাজায়। খ্ৰীষ্টীয়ান মতে পিতা-পুত্ৰ আৰু পবিত্ৰাত্মা কি তাক জনা নাজায়। খ্ৰীষ্টীয়'নৰ এই তিনি মানিলেও আৰু এক চতুৰ্থ বাঢ়ে। মুছলমানসকলে যদি এই তিনিটাক খোদা বুলি নামানে, সেইটো হব পাৰে; কিন্তু পবিত্ৰাত্মা ভিন্নকৈ কোৱাত খোদা, ফেৰিস্তা, আৰু পয়গম্বৰক পবিত্ৰাত্মা বোলা হয় নে নহয়? তেওঁলোকেই যদি পবিত্ৰাত্মা হয় তেনেহলে ব্যক্তি বিশেষক পবিত্ৰাত্মা বোলা হয় কিয়? আৰু খোদাই ঘোৰা আদি পশু, দিন ৰাতি আৰু কোৰাণ আদিৰ প্ৰতিজ্ঞা কৰে। শপত খোৱা সজ্জন লোকৰ কামেই নহয়।

কোৰাণৰ বিষয়ে আলোচনা সুধী সকলৰ আগত ডাঙি ধৰা হল। এই গ্ৰন্থৰ বিষয়ে এতিয়া তেওঁলোকেই বিবেচনা কৰিব। মোৰ মত সুধিলে মই ইয়াকেই কব লাগিব যে, কোৰাণ ঈশ্বৰৰ ৰচিততো নহয়েই, কোনো বিদ্বান পুৰুষৰ ৰচিত জ্ঞানৰ গ্ৰন্থও নহয়। এই গ্ৰন্থত বহুত দোষ দেখা গৈছে, তাৰে মাত্ৰ কেইটামান উদাহৰণ হকৰপ প্ৰকাশ কৰা হল। ইয়াৰ উদ্দেশ্য এয়ে যে, কোনেও যেন প্ৰতাৰিত হৈ জীৱন নষ্ট নকৰে। এই গ্ৰন্থত যি অলপ সত্য কথা আছে, সেইবোৰ বেদ আৰু অন্যান্য বৈজ্ঞানিক গ্ৰন্থৰ অনুকূল কাৰণে, মই যেনেকৈ স্বীকাৰ কৰো, সেইদৰেই অন্যান্য সম্প্ৰদায়ৰ দুৰাগ্ৰহ আৰু পক্ষপাত নোহোৱা বিদ্বান বুদ্ধিমান সকলেও স্বীকাৰ কৰিব। ইয়াৰ বাহিৰে বাকীবোৰে অজ্ঞতা আৰু বিভ্ৰা-

ক্ষিব বাহিবে আন একো হব নোৱাবে। সেইবোবে মানব আত্মাক পশুব দবে কবি মানব জাতিব তিতবত শান্তি ভঙ্গ, উত্তেজনা, উপদ্রব, আৰু দুখৰ বিস্তাব কবে। আৰু মন কবিব লগীয়া যে কোৰাণ পুনৰুক্তি দোষেবে পবিপূর্ণ। পবমেশ্ববে সকলো মানুহকে প্রেবণা দিয়ে যেন, সকলোবে যাতে পবস্পবব প্রতি সহনশীল আৰু সঙ্ঘবদ্ধ হৈ পবস্পবব সুখ শান্তি বৃদ্ধি কবাত যত্নবান হয়। মই যেনেকৈ আপোন পব আৰু পক্ষপাত নকবাকৈ, বিভিন্ন মত মতান্তবব দোষবোব প্রকাশ কবিছো, বিদ্বান মাত্রয়ো সেই দবেই কবিলে পাবস্পবিক বাদ বিবাদব অৱসান, মিলন, শান্তি, মতব ঐক্য আৰু সত্যব উপলব্ধি হব।

আশকবো কোৰাণব বিষয়ে যি অলপ লিখা হৈছে তাব পবা বিবেচনাশীল আৰু ধর্ম্মপবায়ণ পাঠক সকলে এই গ্রন্থকাবব উদ্দেশ্য উপলব্ধি কবি লাভবান হব। ভুলক্রমে যদি কিবা যুক্তিহীন কথা লিখা হৈছে তাক সংশোধন কবি লয় যেন। শেষত আৰু এটা কথা কব লগা আছে যে, মুছলমানসকলব অনেকে কয়, আৰু লিখিও প্রকাশ কবিছে যে, তেওঁলোকব ধর্ম্মব বিষয়ে অথর্ব্ববেদত উল্লেখ আছে। তাব উত্তবত ক'ও যে' অথর্ব্ববেদত এই বিষয়ে নাম নিচান একোৱে উল্লেখ নাই।

প্রশ্ন—আপুনি সমস্ত অথর্ব্ব বেদ অধ্যয়ন কবিছে জানো? যদি অধ্যয়ন কবিছে তেনেহলে অল্লোপনিষৎ পঢ়ক। তাতেই এই বিষয়ে স্পষ্টকৈ লিখা আছে। আপুনি অথর্ব্ববেদত মুছলমান ধর্ম্মব নাম নিচান নাই বুলি কেনেকৈ কয়? যেনে—

অথাহল্লোপনিষদং ব্যাখ্যাস্যামঃ ॥

(এতিয়া আল্লাহ উপনিষদব ব্যাখ্যা কবা হব)

অস্মাল্লাং ইল্লে মিত্রাবরুণা দিব্যানি ধত্তে॥ ইল্লল্লে বরুণো যাজা পুনর্দ্দভূঃ॥ হয়া মিত্রো ইল্লাং ইল্লল্লে ইল্লাং বরুণো মিত্রভেতকাঃ॥ ১॥ হোতাবমিন্দ্রো হোতাবমিন্দ্র মহাসুবিন্দ্রাঃ॥ অল্লো জ্যেষ্ঠং শ্রেষ্ঠ পবমং পূর্ণং ব্রহ্মাণং অল্লাম্॥ ২॥ অল্লোবছুল মহদামবকবস্য অল্লো অল্লাম্॥ ৩॥ আদল্লাবুকমেককম্॥ অল্লাবুক নিখাতকম্॥ ৪॥ অল্লো যজ্ঞেন হুতাহুতা॥ অল্লা সূর্য্য চন্দ্র সর্ব্ব নক্ষত্রাঃ॥৫॥ অল্লা ঋষীণাং সর্ব্বদিব্যাং ইন্দ্রায় পূর্ব্বং যায়া পরমন্তরিক্ষাঃ। ৬। অল্লঃ পৃথিব্যা অন্তরিক্ষং বিশ্বরূপম্॥ ৭॥ ইল্লাঁ কবর ইল্লাঁ কবর ইল্লাঁ ইল্লল্লেতি ইল্লল্লাঃ॥ ৮॥ ওম্ অল্লাইল্লা অনাদিস্বরূপায় অথর্ব্বাণাং ইয়ামা হুং হ্রীং জনানপশূন-সিদ্ধান্ জলচবান্ অদৃষ্টং কুরু কুরু ফট্॥ ৯। অসুর সংহাবিণী হুং হ্রীং অল্লো বচূল মহমদবকবস্য অল্লো অল্লাম্ ইল্লল্লেতি ইল্লল্লাঃ॥১০।

ইত্যল্লোপনিষৎ সমাপ্তা॥

ইয়াত স্পষ্টকৈ লিখা আছে যে, মহম্মদ চাহেব বচূল; গতিকে প্রমাণ হৈছে যে মুছলমান মত বেদ মূলক

উত্তব—আপুনি যদি অথর্ব্ববেদ অধ্যয়ন কবা নাই তেনেহলে মোব ওচবত আদ্যোপান্ত সমস্ত পঢ়িব পাবে; অথবা আন কোনো অথর্ব্ববেদীব ওচবত বিংশতি কাণ্ড অথর্ব্ববেদ মন্ত্রসংহিতা অধ্যয়ন কবক। সমস্ত অথর্ব্ববেদব ভিতবত আপোনালোকব পয়গম্বব চাহেবব নাম বা তেওঁব মতব নাম নিচান বিচাবি নাপায়। অথর্ব্ববেদত, আৰু অথর্ব্ববেদব গোপথ ব্রাহ্মণত, অথবা অথর্ব্ববেদব কোনো শাখাত অল্লোপনিষদব কথা নাই। অনুমান হয় সম্রাট আকবৰব সময়ত কোনোবা সংস্কৃত পণ্ডিতব দ্বাবাই এই অল্লোপনিষদ বচনা কবোৱা হৈছে। ইয়াব পবা দেখা যায় যে ইয়াব বচয়িতাই কিছু পবিমাণে হলেও আববী আৰু সংস্কৃত অধ্যয়ন কবিছিল। কাবণ ইয়াত আববী আৰু সংস্কৃত ভাষাব শব্দ দেখা গৈছে। এতিয়া চক! "**আল্লাল্লাং ইল্লে মিত্রবরুণা দিব্যানি ধত্তে**" ইত্যাদি দহ অঙ্কত (পদত) লিখিত; ইয়াব ভিতবত "অল্লাল্লাং" আৰু "**ইল্লে**" আববী আৰু "মিত্রাবরুণা দিব্যান ধত্তে" সংস্কৃত; এইদবে আটাই-

বোৰ বাক্য মিহলি দেখা গৈছে। ইয়াৰ পৰাই জানিব পৰা হৈছে যে, উক্ত গ্ৰন্থকাৰৰ দুয়োটা ভাষাই জনা আছিল। অৰ্থ সংহতিৰ দৃষ্টিৰে চালে বচনাবোৰ কৃত্ৰিম, অসঙ্গত, বেদ আৰু ব্যাকৰণৰ বিৰুদ্ধ। এই উপনিষদৰ দৰেই আৰু বহুত উপনিষদ পক্ষপাতী, বিভিন্ন মতাবলম্বীসকলৰ দ্বাৰাই বচনা কৰা হৈছে। যেনেঃ—স্বৰোপনিষদ, নৃসিংহতাপনী, ৰামতাপনী, গোপাল তাপনী ইত্যাদি।

প্ৰশ্ন—আপুনি যিদৰে কৈছে, সেইদৰে আজি পৰ্য্যন্ত কেনেও কোৱা নাই, গতিকে আপোনাৰ কথা আমি কেনেকৈ মানিম ?

উত্তৰ—আপোনালোকে মানিলে বা নামানিলে মোৰ কথা মিছা হব নোৱাৰে, মই যেনেকৈ অল্লোপনিষদৎ যুক্তিহীন বুলি প্ৰমাণ কৰিছো, সেইদৰেই আপুনিও যদি অথৰ্ব্ববেদত, গোপথ ব্ৰাহ্মণত, অথৰ্ব্ববেদৰ কোনো শাখাত বা কোনো প্ৰাচীন গ্ৰন্থত তেনে উল্লেখ থকাৰ প্ৰমাণ কৰিব পাৰে আৰু অৰ্থসংহতিও শুদ্ধ হয়, তেহে আপোনালোকৰ মত প্ৰমাণ ৰূপে স্বীকৃত হব।

প্ৰশ্ন - চ'ক ! আমাৰ মত কিমান ভাল, ইয়াত সকলো ধৰণৰ সুখ আৰু শেষত মুক্তিও হয়।

উত্তৰ— এইদৰে প্ৰত্যেক মতবাদীয়েই কয়—"তেওঁৰ মতেই সকলোতকৈ ভাল, আনবোৰ মত বেয়া, আৰু তেওঁৰ মতৰ বাহিৰে আন কোনো মতত মুক্তি হব নোৱাৰে।" আমি কাৰ মত সঁচা বুলি মানিম ? আপোনাৰ নে আনৰ ? মোৰ মতে সত্যবাদিতা, অহিংসা, আৰু দয়া আদি সৎগুণবোৰ সকলোৰে মতেই শ্ৰেষ্ঠ ; ইয়াৰ বাহিৰে—ঈৰ্ষ্যা, দ্বেষ, কপট, বিষাদ, অন্যায়, উৎপীড়ন আদি সকলোৰে মতেই নিন্দনীয় আপুনি যদি সত্য মত বিচাৰিছে তেনেহলে বৈদিক মতৰেই আশ্ৰয় লওক।

ইয়াৰ পাছত "স্বমন্তব্যামন্তব্য প্ৰকাশ" সংক্ষেপত লিখা হব।

ইতি শ্ৰীমদ্দয়ানন্দ স্বৰস্বতী স্বামিকৃতে সত্যার্থপ্ৰকাশে সুভাষাবিভূষিতে যবন মত বিষয়ে চতুৰ্দ্দশসমুল্লাসঃ সম্পূৰ্ণঃ ॥১৪॥

ৰ

স্বমন্তব্যামন্তব্যপ্ৰকাশঃ ॥

যি সৰ্ব্বতান্ত্ৰিক সিদ্ধান্ত অৰ্থাৎ সাৰ্ব্বভৌমিক আৰু সাৰ্ব্বজনিক ধৰ্ম্ম সকলোৰে সদায় মান্য কৰি আহিছে, বৰ্ত্তমানেও মান্য কৰি আছে আৰু ভবিষ্যতলৈও মান্য কৰিব; আৰু যি ধৰ্ম্মৰ বিৰোধিতা কৰিবলৈ কাৰো কোনো যুক্তি নাই, তাকেই নিত্য আৰু সনাতন ধৰ্ম্ম বোলে। সৰল নিৰ্ব্বোধ মানুহে বা কোনো সম্প্ৰদায়বাদীৰদ্বাৰা বিভ্ৰান্ত হোৱা মানুহে সত্য সনাতন ধৰ্ম্মৰ বিপৰীতে যিহক মানে বা বিশ্বাস কৰে, সৎ বিবেচনাশীল পুৰুষে তাৰ সমৰ্থন নকৰে। আপ্ত অৰ্থাৎ সত্যকামী, সত্যবাদী, সত্যকৰ্ম্মী, পৰোপকাৰব্ৰতী, পক্ষপাতৰহিত, জ্ঞানীসকলে যিহক মানে, সেয়েই সকলোৰে মানিবলগীয়া আৰু যিবোৰ নামানে সেইবোৰ বিশ্বাস আৰু প্ৰমাণৰ যোগ্য নহয়। বেদাদি সকলো সত্য শাস্ত্ৰই আৰু ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি জৈমিনি মুনি পৰ্য্যন্ত মনীষী সকলে ঈশ্বৰ আদি পদাৰ্থ মানি আহিছে, তাকেই ময়ো মানো আৰু তাকেই সজ্জন সদাশয়সকলৰ আগত প্ৰকাশ কৰিছো। মোৰ নিজৰ মানিবলগীয়াও সেয়েই, যি ভূত, বৰ্ত্তমান, ভবিষ্যত—তিনিও কালত সকলোৰে কাৰণে এক অপৰিবৰ্ত্তনীয় আৰু সত্য। মোৰ কোনো নতুন কল্পনা বা ভিন্নমত প্ৰচলিত কৰাৰ লেশমাত্ৰও অভিপ্ৰায় নাই, যি চিৰ সত্য তাকেই মনা আৰু মনোৱা আৰু যি অসত্য তাক পৰিত্যাগ কৰা আৰু আনকো কৰোৱাটোৱেই মোৰ অভিপ্ৰায়। মই নিজে পক্ষপাতী হোৱা হলে আৰ্য্যাবৰ্ত্ত দেশত প্ৰচলিত মতবোৰৰ ভিতৰতে কোনোবা এটা মতৰ প্ৰতি পক্ষপাত আৰু আগ্ৰহ কৰিলোহেঁতেন। মোৰ অভিপ্ৰায় হৈছে আৰ্য্যাবৰ্ত্ত বা অন্যান্য দেশৰ যিবোৰ ধৰ্ম্মৰ নামত অধৰ্ম্মৰ আচৰণ চলি আছে, সেইবোৰৰ স্বীকাৰ আৰু যিবোৰ ধৰ্ম্মমূলক সেইবোৰ অস্বীকাৰ নকৰা। কাৰণ, তেনে কৰা মানৱতাৰ বহিৰ্ভূত। যি মননশীল, সকলোৰেই সুখ দুখ লাভালাভ আত্মবৎ অনুভৱ কৰে, যি অন্যায়কাৰীক বলবান হলেও ভয়

নকবে আৰু যি ধৰ্ম্মাত্মা বলহীন হলেও ভয়, সম্মান কবে, তেওঁবেই যথার্থ মনুষ্য। তদুপবি তেওঁ অসহায়, দুর্ব্বল আৰু ন্যায়পবায়ণ-সকলক সকলো প্রকাবে বক্ষা, উন্নতি আৰু তেওঁলোকব প্রিয় আচবণত যত্নপব। অন্যায় অধর্মপবায়ণ ব্যক্তি প্রবল পবাক্রমী হলেও তেওঁব প্রতি সহায় সমর্থন কবা অনুচিত আৰু তাব বিপবীতে ন্যায়ধর্মপবায়ণ-সকলক সর্ব্বস্ব বিসর্জ্জন দিয়ো সেৱা-শুশ্রূষা, সহায়-সমর্থন কবাত সচেতন থকাটো মানবব কর্ত্তব্য। এই যুক্তিতেই শ্রীমন্ মহাবাজ ভর্তৃহবি আৰু অন্যান্য জ্ঞানীসকলব বচিত কেইটামান শ্লোক তলত উদ্ধৃত কবা হল :—

নিন্দন্তু নীতিনিপুণা, যদি বা স্তুবন্তু,
লক্ষ্মীঃ সমাবিশতু গচ্ছতু বা যথেষ্টম্।
অদ্যৈব বা মবণমস্তু যুগান্তবে বা
ন্যায্যাৎ পথঃ প্রবিচলন্তি পদং ন ধীবাঃ ॥১॥ (ভর্তৃহবি)

ন জাতু কামান্ন ভয়ান্ন লোভাদ্,
ধর্ম্মং ত্যজেজ্জীবিতস্যাপি হেতোঃ।
ধর্ম্মো নিত্যঃ সুখদুঃখে ত্বনিত্যে
জীবো নিত্যো হেতুবস্য ত্বনিত্যঃ ॥২॥ (মহাভাবত)

এক এব সুহৃদ্ধর্ম্মো নিধনেঽপ্যনুযাতি যঃ।
শৰীবেণ সমং নাশং সর্ব্বমন্যদ্ধি গচ্ছতি ॥৩॥ (মনুঃ)

সত্যমেব জয়তে নানৃতং সত্যেন পন্থা বিততো দেবযানঃ।
যেনাক্রমন্ত্যৃষয়ো হ্যাপ্তকামা যত্র তৎ সত্যস্য পবমংনিধানম ॥৪॥
নহি সত্যাৎ পবো ধর্ম্মো নানৃতাৎ পাতকং পবম্।
নহি সত্যাৎ পবং জ্ঞানং তস্মাৎ সত্যং সমাচবেৎ ॥৫॥
(উপনিষদ)

এই মনস্বীসকলব অভিমত অনুসাবেই সকলোবেই সচেতন থকা কর্ত্তব্য।

যিবোৰ বিষয়ত মোৰ যেনেকুৱা বিশ্বাস, ইয়াত তাকেই সংক্ষেপে বর্ণনা কবিব খুজিছো। এই গ্রন্থব বিভিন্ন প্রকবণত এইবোৰ বিষয়ব বিস্তৃত আলোচনা কবা হৈছে।

১। "ঈশ্বব" যাব ব্রহ্ম, পবমাত্মা আদি নাম, যি সচ্চিদানন্দাদি লক্ষণযুক্ত, যাব গুণ, কর্ম্ম আৰু স্বভাব পবিত্র, যি সর্ব্বজ্ঞ, নিবাকাব সর্ব্বব্যাপক, অজন্মা, অনন্ত, সর্ব্বশক্তিমান, দয়ালু ন্যায়কাবী, সকলোবে সৃষ্টিকর্ত্তা, ধাবণ কবোতা আৰু হবণ কবোতা, আৰু ন্যায়, সত্যব আধাবত জীৱব কর্ম্মফল দাতা আদি লক্ষণ যুক্ত তেওঁকেই পবমেশ্বব বুলি স্বীকাব কবোঁ।।

২। চাবি "বেদ"— (বিদ্যাধর্ম্মযুক্ত ঈশ্ববপ্রণীত মন্ত্র সংহিতা ভাগ)ক অভ্রান্ত আৰু স্বতঃ প্রমাণ বুলি মানো। বেদ স্বয়ং (নিজেই) প্রমাণ, ইয়াব প্রমাণ অন্য গ্রন্থব দ্বাবা নহয়। যেনেকৈ সূর্য্য বা প্রদীপ নিজব স্বৰূপব স্বয়ং প্রকাশক আৰু পৃথিৱী আদিবো প্রকাশক, সেই দৰেই চাবিও বেদ স্বতঃপ্রমাণ। চাবিও বেদব ব্রাহ্মণ, ছয় অঙ্গ, ছয় উপাঙ্গ, চাবি উপবেদ, আৰু ১১২৭ (এঘাব শ সাতাইশ) টা বেদব শাখা আছে। এই গ্রন্থবোৰ বেদব ব্যাখ্যা স্বৰূপে ব্রহ্মাদি মহর্ষি সকলব দ্বাবা বচিত। এই বিলাক পবতঃ প্রমাণ; অর্থাৎ এইবোৰ বেদানুকূল হলে প্রমাণ আৰু তাব ভিতবত বেদবিৰুদ্ধ বচনা থাকিলে সেইবোৰ অপ্রমাণ বুলি ধবো।

৩। যি পক্ষপাতবহিত ন্যায় আচবণ, সত্যভাষণ আদিযুক্ত ঈশ্ববব আজ্ঞা বেদব অনুকূল তাকেই "ধর্ম্ম" আৰু যি পক্ষপাত, অন্যায় আচবণ মিথ্যা ভাষণাদি ঈশ্ববব আজ্ঞা ভঙ্গ, বেদবিৰুদ্ধ তাকেই "অধর্ম্ম" বুলি মানো।

৪। যি ইচ্ছা, দ্বেষ, সুখ-দুখ আৰু জ্ঞান আদি গুণযুক্ত, অল্পজ্ঞ, নিত্য (অমব) তাকেই "জীৱ" বুলি মানো।

৫। **জীৱ আৰু ঈশ্বৰ**—জীৱ আৰু ঈশ্বৰৰ স্বৰূপ বৈধৰ্ম্য্য অৰ্থাৎ ধৰ্ম্মৰ ভিন্নতা হোৱাত ভিন্ন; কিন্তু ব্যাপ্য ব্যাপকত্ব আৰু সাধৰ্ম্যাত অভিন্ন। অৰ্থাৎ যেনেকৈ মূৰ্ত্ত দ্ৰব্য আকাশৰ পৰা পৃথক নহয় আৰু কেতিয়াও হব নোৱাৰে সেই দৰেই ঈশ্বৰৰ লগত জীৱৰ ব্যাপক ব্যাপ্য; উপাস্য উপাসক আৰু পিতা-পুত্ৰৰ সম্বন্ধ ৰূপে মানো।

৬। **অনাদি পদাৰ্থ তিনি বিধ**—প্ৰথম ঈশ্বৰ, দ্বিতীয় জীৱ, আৰু তৃতীয় প্ৰকৃতি—এই তিনি পদাৰ্থক জগতৰ কাৰণ 'অনাদি' অৰ্থাৎ নিত্য বোলে। নিত্যপদাৰ্থৰ গুণ, কৰ্ম্ম, স্বভাৱো নিত্য।

৭। **"প্ৰবাহ ৰূপত অনাদি"**—সংযোগৰ পৰা যি দ্ৰব্য, গুণ, কৰ্ম্ম উৎপন্ন হয়, সেইবোৰ বিয়োগৰ পাছত নাথাকে। কিন্তু যাৰ দ্বাৰাই প্ৰথম সংযোগ হয়, তাত সেই সামৰ্থ্য অনাদি আৰু তাৰে পুনৰ সংযোগ তথা বিয়োগো হব। এই তিনিওকে প্ৰবাহ ৰূপত অনাদি বুলি মানো।

৮। **সৃষ্টি**—ভিন্ন দ্ৰব্যৰ জ্ঞান আৰু যুক্তিৰে মিল হৈ নানা ৰূপত উৎপন্ন হোৱাকেই সৃষ্টি বুলি মানো।

৯। **"সৃষ্টিৰ প্ৰয়োজন"**—সৃষ্টিৰ দ্বাৰাই ঈশ্বৰৰ সৃষ্টিৰ নিমিত্ত গুণ কৰ্ম্ম, স্বভাৱৰ সফলতা হয়। যেনেকৈ কোনোৱে নেত্ৰৰ প্ৰয়োজন কি বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ হব 'দৰ্শন'। সেইদৰেই সৃষ্টিৰ পৰা পৰমেশ্বৰৰ সৃষ্টিশক্তিৰ সফলতা আৰু জীৱৰ সমুচিত কৰ্ম্মফল ভোগ আদিও।

১০। **"সৃষ্টি সকৰ্ত্তৃক"**—সৃষ্টিৰ কৰ্ত্তা পৰমেশ্বৰ। সৃষ্টি ৰচনা দেখি সৃষ্টি কৰ্ত্তাৰ অনুমান হয়। কাৰণ পদাৰ্থৰ ভিতৰত নিজে নিজে যথা যোগ্য মিল হৈ বীজ আদিৰ স্বৰূপ ধাৰণ কৰিবৰ সামৰ্থ্য নাই, গতিকে সৃষ্টিৰ কৰ্ত্তা এজনা নিশ্চয় আছে।

১১। **"বন্ধ"**—সনিমিত্তিক অৰ্থাৎ অবিদ্যাই বন্ধনৰ নিমিত্ত বা কাৰণ। ঈশ্বৰৰ পৰিবৰ্ত্তে আনৰ উপাসনা, পাপ কৰ্ম্ম আৰু অজ্ঞান আদিৰ ফল

হৈছে দুখ, এই দুখৰ নাম বন্ধন; যাক ইচ্ছা নকৰিলেও ভোগ কৰিবলৈ বাধ্য।

১২। **"মুক্তি"**—সকলো দুখৰ বন্ধনৰ পৰা মুক্ত হৈ সৰ্ব্বব্যাপক ঈশ্বৰ আৰু তেওঁৰ সৃষ্টিৰ ভিতৰত ইচ্ছানুসাৰে বিচৰণ কৰাকেই মুক্তি বোলে। নিৰ্দ্দিষ্ট কাল পৰ্য্যন্ত মুক্তিৰ আনন্দত থাকি তাৰ পাছত জীৱই সংসাৰত পুনৰ জন্ম লব লাগে।

১৩। **"মুক্তিৰ সাধন"**—ঈশ্বৰৰ উপাসনা, অৰ্থাৎ যোগাভ্যাস, ধৰ্ম্মানুষ্ঠান, ব্ৰহ্মচৰ্য্যৰদ্বাৰা বিদ্যাধ্যয়ন, আপ্তবিদ্বানৰ সঙ্গ, সত্য বিদ্যা সুবিচাৰ, আৰু পুৰুষাৰ্থ আদি মুক্তিৰ সাধন।

১৪। **"অৰ্থ"**—ধৰ্ম্মকৰ্ম্মৰে যি লাভ হয় সেয়েই অৰ্থ আৰু যি, অধৰ্ম্মৰ দ্বাৰা সংগৃহীত হয় সেয়েই অনৰ্থ।

১৫। **"কাম"**—ধৰ্ম্ম আৰু অৰ্থৰ দ্বাৰাই যাৰ সিদ্ধি হয়, তাকেই কাম বোলে।

১৬। **"বৰ্ণাশ্ৰম"**—গুণ আৰু কৰ্ম্মৰ যোগ্যতা অনুসাৰেই বৰ্ণাশ্ৰম ব্যৱস্থা মই মানো।

১৭। **"ৰজা"**—যি শুভ গুণ, কৰ্ম্ম, স্বভাৱৰ দ্বাৰা প্ৰকাশমান, যি নিৰপেক্ষ হৈ ন্যায় ধৰ্ম্মানুসাৰে প্ৰজাৰ লগত পিতৃবৎ আচৰণ কৰে আৰু পুত্ৰৰ দৰে প্ৰজাৰ সুখশান্তি বৃদ্ধি কৰাত যত্নপৰ হয়, তেওঁকেই ৰজা বোলে।

১৮। **"প্ৰজা"**—যাৰ গুণ কৰ্ম্ম স্বভাৱ পবিত্ৰ, যি পক্ষপাতশূন্য হৈ ন্যায়ধৰ্ম্মানুসাৰে ৰজা আৰু ৰাজ্যৰ সৰ্ব্বসাধাৰণৰ উন্নতি কামনা কৰে আৰু ৰজাৰ বিৰুদ্ধাচৰণ নকৰি পুত্ৰৰ দৰে আচৰণশীল হয় তাকেই প্ৰজা বোলে।

১৯। **"ন্যায়কাৰী"**—যি বিবেক বিবেচনাৰে অসত্যৰ পৰিত্যাগ আৰু সত্যৰ গ্ৰহণ কৰে, অন্যায়ৰ বিৰুদ্ধতা আৰু ন্যায়ৰ সমৰ্থন কৰে,

যি নিজৰ দৰেই সকলোৰে সুখ শান্তিৰ কামনা কৰে, তেওঁকেই ন্যায় কাৰী বুলি মানো।

২০। "দেৱ"—বিদ্বান সকলক "দেৱ", মূৰ্খলোকক "অসুৰ", পাপী-লোকক "ৰাক্ষস" আৰু অনাচাৰী লোকক "পিশাচ" বুলি ভাবো।

২১। "দেৱ পূজা"—পূৰ্বোক্ত বিদ্বান, মাতা, পিতা, আচাৰ্য্য, অতিথি ন্যায়ৱান ৰজা, ধৰ্ম্মাত্মা, পতিব্ৰতা পত্নী আৰু পত্নীব্ৰত পতি এই সকলক সম্মান কৰাই দেৱ পূজা, তাৰ বিপৰীত আচৰণ অদেৱ পূজা। এওঁ বিলাকৰ মূৰ্ত্তি পূজা আৰু পাষাণাদিৰ জড় মূৰ্ত্তি অপূজা বুলি ভাবো।

২২। "শিক্ষা"—যাৰ দ্বাৰাই বিদ্যা, সভ্যতা, ধৰ্ম্মৰ প্ৰেৰণা আৰু ইন্দ্ৰিয় সংযম কৰিব পৰা শক্তি বৃদ্ধি হয়, আৰু অজ্ঞতাদি দোষবোৰ দূৰ হয়, তাকেই শিক্ষা লোলো।

২৩। "পুৰাণ"—ব্ৰহ্মা আদিৰ ৰচিত "ঐতৰেয়" আদি ব্ৰাহ্মণ গ্ৰন্থবোৰৰেই নাম পুৰাণ, ইতিহাস, কল্প; গাথা, আৰু নাৰাশংসী। ভাগৱৎ আদি গ্ৰন্থবোৰ পুৰাণ নহয়।

২৪। "তীৰ্থ"—সদাচাৰ, বিদ্যাচৰ্চ্চা, সৎসঙ্গ, যমাদি যোগাভ্যাস, পুৰুষাৰ্থ, বিদ্যাদান আদি যিবোৰ শুভ কৰ্ম্মৰ দ্বাৰা দুখ অশান্তিক অতিক্ৰম কৰিব পাৰি, তাকেই তীৰ্থ বোলে। ইয়াৰ বাহিৰে জল-স্থল আদি তীৰ্থ নহয়।

২৫। "প্ৰাৰব্ধ আৰু পুৰুষাৰ্থ"—প্ৰাৰব্ধতকৈ পুৰুষাৰ্থ প্ৰবল; কাৰণ পুৰুষাৰ্থৰ সঞ্চিতৰ পৰাই প্ৰাৰব্ধ হয়, পুৰুষাৰ্থ সুপৰিচালিত হলেই সকলো সংশোধন আৰু কুপৰিচালিত হলেই সকলো বিকৃত হয়, গতিকে প্ৰাৰব্ধতকৈ পুৰুষাৰ্থ প্ৰবল।

২৬। "মানৱৰ শ্ৰেষ্ঠতা"—সকলোৰে সুখ দুখ, লাভ-লাভ নিজৰ দৰে বিবেচনা কৰাই মানুহৰ শ্ৰেষ্ঠতা আৰু তাৰ বিপৰীত আচৰণ কৰাই হৈছে নিকৃষ্টতা।

২৭। "সংস্কাৰ"—যাৰ দ্বাৰাই, দেহ, মন আৰু আত্মাৰ সংশোধন হয়, নিষেক আদি শ্মশানান্ত অৰ্থাৎ নিষেকৰ পৰা শ্মশানলৈকে সংস্কাৰ ষোল প্ৰকাৰ। এইবোৰ কৰ্ত্তব্যৰ ভিতৰত পৰে। শ্মশানত মৃতকক দাহ কৰাৰ পাছত আৰু তেওঁৰ একো সংস্কাৰ নাথাকে।

২৮। "যজ্ঞ"—বিদ্বানসকলৰ যথাৰ্থ সৎকাৰ, শিল্প, ৰসায়ণ আৰু পদাৰ্থবিদ্যাৰ উপযোগ, বিদ্যাৰ প্ৰচাৰ, সৎগুণৰ উন্নতি, আৰু অগ্নিহোত্ৰক "যজ্ঞ" বোলে। অগ্নিহোত্ৰৰ দ্বাৰাই বায়ু, বৃষ্টি, জল, ঔষধি বিশুদ্ধ হয়, তাৰ ফলত প্ৰাণীজীৱনত সামুহিক সুখ অনুভৱ হয়। যজ্ঞ হৈছে সৰ্বোত্তম কৰ্ম্ম।

২৯। সৎ-প্ৰকৃতিৰ মানুহক "আৰ্য্য" আৰু অসৎ-প্ৰকৃতিৰ মানুহক "দস্যু" বা অনাৰ্য্য বোলে, সেয়েই মোৰো মত।

৩০। "আৰ্য্যাবৰ্ত্ত" সৃষ্টিৰ আৰম্ভৰ পৰাই এই দেশত আৰ্য্যসকলে বাস কৰি আহিছে, গতিকেই এই দেশৰ নাম আৰ্য্যাবৰ্ত্ত হয়। আৰ্য্যাবৰ্ত্তৰ উত্তৰে হিমাচল, দক্ষিণে বিন্ধ্যাচল, পশ্চিমে অটক নদী, আৰু পুবে ব্ৰহ্মপুত্ৰ নদী। এই চাৰিসীমাৰ মধ্যবৰ্ত্তী ভূখণ্ডৰ নাম আৰ্য্যাবৰ্ত্ত। যিসকলে চিৰদিন ইয়াত বসবাস কৰি আছে, তেওঁলোকক আৰ্য্য বোলে।

৩১। "আচাৰ্য্য"—যি সাঙ্গোপাঙ্গ বেদৰ অধ্যাপক, যি সত্যৰ গ্ৰহণ আৰু অসত্যৰ বৰ্জ্জন কৰায়, তেওঁকেই আচাৰ্য্য বোলে।

৩২। "শিষ্য" যি সৎ-শিক্ষা আৰু বিদ্যাগ্ৰহণ কৰাত উপযুক্ত, যি ধৰ্ম্মপৰায়ণ আৰু বিদ্যাকাঙ্ক্ষী আৰু আচাৰ্য্যৰ প্ৰতি প্ৰিয় আচৰণশীল তেওঁকেই শিষ্য বোলে।

৩৩। "গুৰু"—মাতা আৰু পিতা গুৰু, ইয়াৰ বাহিৰেও সৎ আৰু অসত্যৰ পথ প্ৰদৰ্শক জ্ঞানীকো গুৰু বোলে।

৩৪। "পুৰোহিত" যি যজমানৰ সৎ উপদেশক আৰু হিতকাৰী, তেওঁক পুৰোহিত বোলে।

৩৫। "উপাধ্যায়"—যি বেদৰ অংশ বিশেষ বা বেদৰ অঙ্গবোৰৰ

শিক্ষাদান করে তেওঁক উপাধ্যায় বোলে।

৩৬। "শিষ্টাচার"—ধর্ম্মানুসারে ব্রহ্মচর্য্যর দ্বারাই বিদ্যা লাভ কার প্রত্যক্ষ আদি প্রমাণেরে সত্য অসত্যর নির্ণয় করি যথাক্রমে গ্রহণ আরু ত্যাগ করাকে শিষ্টাচার বোলে। যিজনে আচরণশীল তেওঁকেই শিষ্ট বোলে।

৩৭। "প্রমাণ"—প্রত্যক্ষ আদি আঠ প্রকারর প্রমাণ মই মানো।

৩৮। "আপ্ত"—যি যথার্থ বক্তা, ধর্ম্মাত্মা আরু সকলোরে সুখ-শান্তিত ব্রতী, তেওঁকেই আপ্ত বুলি মানো।

৩৯। "পরীক্ষা"—পাঁচ প্রকার; প্রথম ঈশ্বর আরু ঈশ্বরর গুণ, কর্ম্ম, স্বভাব, আরু বেদবিদ্যা; দ্বিতীয় প্রত্যক্ষাদি অষ্টবিধ প্রমাণ; তৃতীয় সৃষ্টিক্রম; চতুর্থ - আপ্তপুরুষ সকলর আচরণ; পঞ্চম নিজর আত্মার পবিত্রতা আরু বিদ্যা। এই পাঁচ প্রকার পরীক্ষারে সত্যাসত্যর নির্ণয় আরু আচরণ অর্থাৎ সত্যর গ্রহণ আরু অসত্যর বর্জ্জন করা কর্ত্তব্য।

৪০। পরোপকার—যার দ্বারাই আনর দুরাচার আরু দুখ দূর করা হয় আরু শিষ্টাচার তথা সুখর বৃদ্ধি করা হয় তাকেই পরোপকার বোলে।

৪১। "স্বতন্ত্র পরতন্ত্র"—নিজর কাম কাজত জীর স্বতন্ত্র কিন্তু কর্ম্মর ফল ভোগত ঐশ্বরিক বিধিত পরতন্ত্র। সেইদরে সৎ আরু মঙ্গল আচরণত পরমেশ্বর স্বতন্ত্র।

৪২। "স্বর্গ"—সুখ বিশেষর ভোগ আরু তার সামগ্রী লাভর নাম স্বর্গ।

৪৩। "নরক"—দুখর ভোগ আরু তার সামগ্রীর নাম নরক।

৪৪। "জন্ম"—দেহর রূপত ব্যক্ত হোরার নাম জন্ম; অতীত, বর্ত্তমান আরু ভবিষ্যত ভেদে তিনি ই প্রকারর।

৪৫। "মৃত্যু"—জীরাত্মার-দেহর লগত সংযোগর নাম জন্ম আরু বিয়োগর নাম মৃত্যু।

৪৬। বিবাহ—স্ব ইচ্ছারে নৈতিক বিধিরে প্রকাশ্য ভারে পানি গ্রহণর নাম বিবাহ

৪৭। "নিয়োগ"—পতির অকাল মৃত্যু ঘটিলে অথবা পতি নপুংসক হলে সবর্ণ অথবা উচ্চবর্ণ পুরুষর লগত আরু সেই দরেই স্ত্রীর আপৎ কালত সন্তান লাভ করাকে নিয়োগ বোলে।

৪৮। "স্তুতি"—গুণর জ্ঞান, গুণর কীর্ত্তন আরু গুণর শ্রবণর নাম স্তুতি। স্তুতির ফল প্রীতি।

৪৯। "প্রার্থনা"—নিজর সামর্থ্যর অতীত যি জ্ঞান বিজ্ঞান পরমাত্মার সংযোগত লাভ হব পারে, তার বারে ঈশ্বরক যাচ্ঞা করাকে প্রার্থনা বোলে। প্রার্থনার ফল নিরহঙ্কার।

৫০। "উপাসনা"—ঈশ্বরর দরেই নিজরো গুণ কর্ম্ম স্বভাব পবিত্র করা আরু সর্ব্ব-ব্যাপক পরমাত্মাত নিজর ব্যাপ্য স্থিতি বা যোগাভ্যাসরে উপলব্ধি করাক উপাসনা বোলে। উপাসনার ফল জ্ঞানর বৃদ্ধি।

৫১ "সগুণনির্গুণস্তুতি প্রার্থনা উপাসনা" যিবোর গুণ পরমেশ্বর আছে তারে সগুণ, আরু যিবোর গুণ তেওঁর নাই তারে তেওঁক নির্গুণ ভারি প্রশংসা করাকে "সগুণনির্গুণ স্তুতি" বোলে। সৎগুণ গ্রহণর আরু দুর্গুণ দূর করার কামনারে ঐশ্বরিক জ্ঞানর সহায় যাচ্ঞা করাকে "সগুণ নির্গুণ প্রার্থনা" বোলে। পরমেশ্বর সৎগুণর সহিত আরু দুর্গুণর রহিত—এই উপলব্ধিরে নিজর আত্মাক পরমাত্মাত অর্পণ করাকে "সগুণ নির্গুণ উপাসনা" বোলে।

সংক্ষেপত এয়েই মোর সিদ্ধান্ত। এইবোরর বিস্তৃত ব্যাখ্যা এই গ্রন্থর প্রকরণ অনুসারে আরু "ঋক্‌বেদাদি ভাষ্যভূমিকা" আদি গ্রন্থতো লিখা হৈছে। যি সকলোরে মাননীয়, তাকেই ময়ো মানো, বিভিন্ন মতর পরস্পর বিরুদ্ধ বিদ্বেষবোরর ঘোর প্রতিবাদ করো। কারণ এনে বিরুদ্ধ মতবোরেই মানুহে-মানুহে শত্রুতার সৃষ্টি করিছে।

সত্যর প্রচার আরু অসত্যর নিন্দা প্রতিবাদ করি সকলো মানুহর মাজত ঐক্য আরু সম্প্রীতি স্থাপন করাই মোর একান্ত অভিপ্রায়। সর্ব্বশক্তিমান পরমাত্মার কৃপা, সহায় আরু সজ্জন সকলর সহানুভূতিরে মোর অভিপ্রায়

পৃথিবীৰ মানৱ সমাজত যেন প্ৰগাৱিত হয়, মানৱ সমাজত ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ সিদ্ধি আৰু সুখ শান্তিৰ বিস্তাৱিত হক—এয়েই মোৰ জীৱনৰ উদ্দেশ্য ।

অলমতি বিস্তৱেণ বুদ্ধিমদ্বর্য্যেষু ॥

ওম্ শন্নো মিত্রঃ শং বৰুণঃ । শান্নো ভৱত্বর্য্যমা ॥ শন্ন ইন্দ্রো বৃহস্পতিঃ । শন্নো বিষ্ণুৰুৰুক্রমঃ । নমো ব্রহ্মণে । নমস্তে বায়ো । ত্বমেব প্রত্যক্ষং ব্রহ্মাসি । ত্বামেব প্রত্যক্ষং ব্রহ্মাবাদিষম্ । ঋতমবাদিষম্ । সত্যমবাদিষম্ । তন্মামাৱীৎ । তদ্ বক্তাৱমাৱীৎ আৱীন্মাম্ আৱীদ্বক্তাৱম্ । ওম্ শান্তিঃ শান্তিঃ শান্তিঃ ॥

সমাপ্তোঽয়মুত্তমার্চ্চিঃ

ইতি শ্রীমৎপৰমহংসপৰিব্রাজকাচার্য্যানং পৰমবিদুষাং শ্রীবিৰজানন্দ সৰস্ৱতী স্ৱামিনাং শিষ্যেণ শ্রীযদ্দয়ানন্দসৰস্ৱতী স্ৱামিনা বিৰচিতঃ স্বমন্তব্যামন্তব্যসিদ্ধান্তসমন্বিতঃ সুপ্রমাণযুক্তঃ সুভাষাবিভূষিতঃ সত্যার্থ প্রকাশোঽয়ংগ্রন্থঃ সম্পূর্তিমগমৎ ॥

———

ওঁ

মহর্ষি দয়ানন্দদ্বাৰা স্থাপিত আর্য্য-সমাজৰ নিয়মাৱলী

১। সকলোবিলাক সত্যবিদ্যা আৰু যি যি পদার্থ সত্যবিদ্যাৰ দ্বাৰা জানিব পাৰি, সেই সকলোবিলাকৰেই আদি মূল হৈছে পৰমেশ্বৰ ।

২। ঈশ্বৰ হৈছে সচ্চিদানন্দস্বৰূপ, নিৰাকাৰ, সৰ্ৱশক্তিমান্, ন্যায়কাৰী, দয়ালু, অজ, অনন্ত, নির্ৱিকাৰ, অনাদি, অনুপম, সর্ৱাধাৰ, সকলোৰে গৰাকী, সর্ৱব্যাপক, সর্ৱান্তর্যামী, অজৰ (যাৰ বৃদ্ধাৱস্থা নাই), অমৰ অভয়, নিত্য, পবিত্র আৰু সৃষ্টিকর্ত্তা; গতিকে তেওঁৰেই উপাসনা কৰা সমুচিত ।

৩। ৱেদ হৈছে সকলোবিলাক সত্যবিদ্যাৰ গ্রন্থ; গতিকে ৱেদ পঢ়া, পঢ়োৱা, শ্রৱণ কৰা আৰু কৰোৱা প্রতিজন আর্য্যৰেই পৰম ধর্ম্ম ।

৪। সত্যৰ গ্রহণ কৰাত আৰু অসত্যৰ ত্যাগ কৰাত সদায় উদ্যত থকা উচিত ।

৫। সকলো কাম ধর্ম্ম অনুসৰি অর্থাৎ সত্য আৰু অসত্যৰ ৱিৱেচনা কৰি কৰিব লাগে ।

৬। সংসাৰৰ উপকাৰ অর্থাৎ শাৰীৰিক, আত্মিক আৰু সামাজিক উন্নতি কৰাই হৈছে আর্য্য সমাজৰ মুখ্য উদ্দেশ্য ।

৭। সকলোৰে সৈতে সম্প্রীতি ৰাখি আৰু যথাশক্তি ধর্ম্ম অনুসৰণ কৰি থাকিব লাগে ।

৮। অৱিদ্যাৰ নাশ আৰু ৱিদ্যাৰ ৱৃদ্ধিত সদায় লাগি থাকিব লাগে ।

৯। নিজৰ উন্নতিতেই কোনেও সন্তুষ্ট থাকিব নালাগে, সকলোৰে উন্নতিতহে নিজৰ উন্নতি ৰুলি ৱিৱেচনা কৰিব লাগে ।

১০। সকলো মানুহে সামাজিক সর্ৱহিত-হিতকাৰী নিয়মৱোৰ পালন কৰাত পৰাধীন থাকিব লাগে আৰু ব্যক্তি হিতকৰ নিয়ম পালনত স্ৱাধীন থাকিব লাগে । ●●●

ঋষি দয়ানন্দৰ চৰণত শতকোটি প্ৰণাম

১। সেই গৰাকী মহান্ গুৰু দয়ানন্দৰ চৰণত মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ, যাৰ দৃষ্টিয়ে ভাৰতৰ আধ্যাত্মিক বুৰঞ্জীত সত্য আৰু একক দেখা পাইছিল আৰু যাৰ মনে ভাৰতীয় জীৱনৰ সকলোবোৰ অঙ্গ প্ৰদীপ্ত কৰিছিল। যি গৰাকী গুৰুৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষক অবিদ্যা, এসাহ আৰু পুৰণি ঐতিহাসিক তত্ত্বসমূহৰ অজ্ঞতাৰ পৰা মুক্ত কৰি সত্য আৰু পবিত্ৰতাৰে জাগৰিত কৰা, সেই গৰাকীলৈ মোৰ পুনঃ পুনঃ প্ৰণাম জনাইছো। —ৰবীন্দ্ৰ নাথ ঠাকুৰ।

২। মহৰ্ষি দয়ানন্দ তপোমূৰ্ত্তি আছিল। তেওঁ ভাৰতৰ দিব্য-জ্যোতি প্ৰকাশিত কৰিছিল। তেৱেঁই হিন্দু সমাজক পুনৰ্জন্ম দিবলৈ সৰ্ব্বতোপ্ৰকাৰে প্ৰযত্ন কৰিছিল আৰু ভাৰতক স্বতন্ত্ৰ আৰু দিব্যৰূপত দেখা পাবলৈ কামনা কৰিছিল। 'আৰ্ষ-কাল' বা ঋষিৰ যুগ ঘূৰাই আনিবলৈ সততে যত্ন কৰি আছিল। তেখেতেই মৃতপ্ৰায় হিন্দুজাতিৰ মাজত নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল। —মদনমোহন মালবীয়।

৩। ঋষি দয়ানন্দ জাজ্বল্যমান নক্ষত্ৰ আছিল, যি ভাৰতৰ আকাশত নিজৰ অলৌকিক আভাৰে প্ৰদীপ্ত হৈ আছিল আৰু নিদ্ৰামগ্ন ভাৰতক, জাগ্ৰত কৰিছিল। তেওঁ স্বৰাজ্যৰ সৰ্ব্বপ্ৰথম সংবাদ বাহক আৰু মানৱতাৰ উপাসক আছিল। —লোকমান্য বাল গঙ্গাধৰ তিলক।

৪। আধুনিক ভাৰত নিৰ্মাতা মহাপুৰুষ সকলৰ ভিতৰেই এজন আছিল—মহৰ্ষি দয়ানন্দ সৰস্বতী। তেওঁক মই ধাৰ্মিক আৰু সামাজিক সংশোধন কৰ্ত্তা কৰ্মযোগী বুলি মানো। সংগঠন কাৰ্য্যৰোৱত থকা সামৰ্থ্য আৰু প্ৰসাৰৰ দৃষ্টিৰে চালে আৰ্য্য সমাজক এটা অনুপম সংস্থা বুলি মানিবই লাগিব। —নেতাজী সুভাষ চন্দ্ৰ বসু।


ओ३म
कृण्वन्तो विश्वमार्यम्